# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 11 | Language of work: Assamese |
| Author (s) / Editor (s): Dinanath Sarmah | |
| Title: আবাহন | |
| Transliterated Title: ~~Baa~~ Ābaāhana | |
| Translated Title: Monthly Magazine | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor. |
| Year: 1930 (1852 Saka) | Edition: |
| Size: 24 cms | Genre: |
| Volumes: Vol-2 (1930 [1852 Saka]) Vol-3 (1931 [1853 Saka]) Vol-4 (1932 [1854 Saka]) Vol 5 - (1933 [1855 Saka]) Vol-6 (1933 [1886 Saka]) | Condition of the original: ~~Not bad~~. Brittle. |
| ~~Remarks~~: Vol-7 (1934 [1887]) Vol 9 - (1936 [1888 Saka]) Vol-10 (1937 [1889 Saka]) Vol-11 (1938 [1890 Saka]) ~~vol-32 (~~ The magazine was first Published in 1929 and continued for more than 40 years. Before 1950 upto Vol. 11 are available here. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |




৭ম বছৰ, ১ম সংখ্যা ] কাতি [ ১৮৫৭ শক

# ধৰ্ম্ম আৰু ঈশ্বৰ

—শ্ৰীযুত ধৰ্ম্মনাথ শাস্ত্ৰী কাব্য ব্যাকৰণতীৰ্থ

ধৰ্ম্ম কি? বেদবিৎ পণ্ডিতসকলে ধৰ্ম্ম কাক বুলিছে? এই প্ৰশ্নৰ উত্তৰ বিচাৰ কৰিলে শ্ৰীমদ্ভাগৱতত এইদৰে পোৱা যায় :—"বেদপ্ৰণিহিতো ধৰ্ম্মো হ্যধৰ্ম্ম স্তদ্বিপৰ্য্যয়ঃ" বেদ বিধানেই ধৰ্ম্ম আৰু তাৰ বিপৰীতটোৱেই অধৰ্ম্ম। আকৌ বেদ বিধান কৰা কথাখিনিকে পদ্মপুৰাণৰ উত্তৰ খণ্ডত এই দৰে উল্লেখ কৰিছে :—

পাত্ৰে দানং মতিঃ কৃষ্ণে মাতাপিত্ৰোশ্চ পূজনম্।
শ্ৰাদ্ধো বলি ৰ্গবাং গ্ৰাসঃ ষড়বিধং ধৰ্ম্মলক্ষণম্॥

(১) সৎপাত্ৰত সাত্বিক দান, (২) কৃষ্ণদেৱত মতি, (৩) মাতাপিতাৰ সেৱা-পূজা, (৪) শ্ৰাদ্ধ, (৫) বলি, আৰু (৬) গোগ্ৰাস প্ৰদান এই ছয়টিয়েই ধৰ্ম্মৰ লক্ষণ। বামন পুৰাণৰ একাদশ অধ্যায়ত লিখা আছে—

'স্বাধ্যায়ং ব্ৰহ্মচৰ্য্যঞ্চ দানং যজনমেৱচ।
অকাৰ্পণ্যমনায়াসং দয়াহিংসা ক্ষমাদয়ঃ॥
জিতেন্দ্ৰিয়ত্বং শৌচঞ্চ মাঙ্গল্যং ভক্তিৰুচ্যতে।
শঙ্কৰে ভাস্কৰে দেব্যাং ধৰ্ম্মো হ্যয়ং মানবঃ স্মৃতঃ॥"

স্বকুলোপযুক্ত শাস্ত্ৰৰ অধ্যয়ন, ব্ৰহ্মচৰ্য্য পালন, দান, যাগ যজ্ঞ, পূজা পাতল, অকৃপণতা, অনায়াস, দয়া, অহিংসা, জিতেন্দ্ৰিয়তা, পৱিত্ৰতা, মাঙ্গল্য, শিৱ, সূৰ্য্য আৰু দেৱীত ভক্তিক 'মানৱ-ধৰ্ম্ম' বোলে। এইবিলাক মত পালন কৰি চলা লোকসকলকেই ধাৰ্ম্মিক বা ধৰ্ম্মপৰায়ণ বোলে।

সি যি হক ধৰ্ম্ম আচৰণ কৰিব লাগে কেলেই? ইয়াৰ উত্তৰ স্বৰূপে এই কথা সকলোৱে স্বীকাৰ কৰে যে ধৰ্ম্মমত অনুসৰণ কৰি পৰমেশ্বৰ পৰম পিতাক সন্তুষ্ট কৰা আৰু অন্তত যাৰ বস্তু তাকে গটাই দিয়াই অৰ্থাৎ মুক্তি বা নিৰ্ব্বাণ ( ইংৰাজীত যাক salvation বোলে ) লাভ কৰাই ধৰ্ম্ম আচৰণৰ মূল কাৰণ। তেনেহলে দেখা যায় ধৰ্ম্ম আচৰণৰ প্ৰধান উদ্দেশ্য ঈশ্বৰত্ব প্ৰাপ্তি। যদি সেয়ে হয় তেনেহলে ঈশ্বৰ বোলা বস্তুটো কি, কেনে, আৰু সেই আপৰুগীয়া বস্তুটোক পাবৰ কিবা উপায় আছেনে নাই? এই বিষয়ে অলপ গমি চাবৰ নিতান্ত দৰকাৰ।

যি জনা ঈশ্বৰে এই জগতৰ সকলোতকৈ অত্যুচ্চ স্থান অধিকাৰ কৰি সৰ্ব্বত্ৰ নিজৰ মহিমা বিকাশ কৰিছে সেই জনাক 'ব্ৰহ্ম' নামে জনা যায়। বেদত সেই ব্ৰহ্মৰ নিৰূপণ এইদৰে কৰিছে :—

"সত্যমানন্দমদ্বয়মমৃতমেকৰূপমবাঙ্‌মনসোঽগোচৰং সৰ্ব্বগং সৰ্ব্বাতীতং চিদেকৰসং দেশকালাপৰিচ্ছিন্নমপাদমপি শীঘ্ৰগমপাণি চ সৰ্ব্বগ্ৰহমচক্ষুৰপি সৰ্ব্বদ্ৰষ্টৃ অশ্ৰোত্ৰমপি সৰ্ব্বশ্ৰোতৃ অচিন্ত্যমপি সৰ্ব্বজ্ঞং সৰ্ব্বনিয়ন্তৃ সৰ্ব্বসংজ্ঞি সৰ্ব্বেষাং সৃষ্টি-স্থিতি-লয় কৰ্ত্তৃ কিমপি বস্তু ব্ৰহ্মেতি।"

সত্য, আনন্দ, অদ্বিতীয়, একৰূপ, বাক্য আৰু মনৰ অগোচৰ, সৰ্ব্বত্ৰগমনশক্তিমান, সৰ্ব্বাতীত, চিৎ, একৰস, দেশ আৰু কালৰ অপৰিচ্ছিন্ন, পাদহীন হৈও সকলোপিনে গমনযোগ্য, হাতবিহীন হলেও সকলোকে গ্ৰহণ কৰিব পৰা, চক্ষুবিহীন অথচ সকলোকে দেখা পোৱা, কৰ্ণ হীন অথচ সকলোকে শুনা, নিজে অচিন্ত্য হলেও সৰ্ব্বজ্ঞ, সৰ্ব্বনিয়ন্তা, সৰ্ব্বসংজ্ঞাবিশিষ্ট আৰু সকলোৰে সৃষ্টি-স্থিতি প্ৰলয়ৰ কৰ্ত্তা অনিৰ্ব্বচনীয় বস্তুৱেই ব্ৰহ্ম।

আত্মবোধ নামেৰে আধ্যাত্মিক শাস্ত্ৰৰ মতে :—

"যল্লাভান্নাপৰো লাভো যৎসুখান্ন পৰং সুখং।
যজ্জ্ঞানান্ন পৰং জ্ঞানং তদ্ব্ৰহ্মেত্যবধাৰয়েৎ॥
যদ্দৃষ্ট্বা নাপৰং দৃশ্যং যদ্ভূত্বা ন পুনৰ্ভবঃ।
যজ্জ্ঞাত্বা নাপৰং জ্ঞেয়ং তদ্ব্ৰহ্মেত্যবধাৰয়েৎ॥
তিৰ্য্যগুৰ্দ্ধমধঃ পূৰ্ণঃ সচ্চিদানন্দমব্যয়ম্।
অনন্তং নিত্যমেকং যৎ তদ্ব্ৰহ্মেত্যবধাৰয়েৎ॥
অতদ্ব্যাবৃত্তিৰূপেন বেদান্তৈঃ লক্ষ্যতে ঽদ্বয়ম্।
অখণ্ডানন্দমেকং যৎ তদ্ব্ৰহ্মেত্যবধাৰয়েৎ॥
দৃশ্যতে শ্ৰূয়তে যদ্ যদ্ ব্ৰহ্মণোঽন্যন্নতদ্ভবেৎ।
তত্ত্বজ্ঞানাচ্চ তদ্ব্ৰহ্ম সচ্চিদানন্দমব্যয়ম্॥
সৰ্ব্বগং সচ্চিদাত্মানং জ্ঞানচক্ষুৰ্নিৰীক্ষতে।
অজ্ঞানচক্ষুৰ্নেক্ষেত ভাস্বন্তং ভানুমন্ধবৎ॥'

যি লাভ, সুখ আৰু জ্ঞানতকৈ অইন লাভ, সুখ আৰু জ্ঞান নাই, যাক দেখিলে অন্য দেখিবলগীয়া, যি হলে অন্য হবলগীয়া, যাক জানিলে অন্য জানিবলগীয়া নাই, দশদিশ পৰিপূৰ্ণ সচ্চিদানন্দ, অব্যয়, অনন্ত, নিত্য, এক ( অদ্বৈত ) অপ্ৰতিদ্বন্দ্বীৰূপে যি অদ্বিতীয়ক বেদান্তে নিৰূপণ কৰিছে সেই অখণ্ড এক আৰু আনন্দকেই ব্ৰহ্ম বোলে। জগতত যি যি দেখা আৰু শুনা যায় সেই সকলো ব্ৰহ্ম বাজে অন্য একো নহয়। তত্ত্বজ্ঞান আৰু জ্ঞান চক্ষুৰে [illegible] সচ্চিদানন্দ অব্যয় আৰু সৰ্ব্বগ ব্ৰহ্মক দেখা যায়, কিন্তু অজ্ঞান চকুৰ কণাই দেদীপ্যমান সূৰ্য্যক নেদেখাৰ দৰে দেখা নাপায়। প্ৰাচীন ন্যায়গ্ৰন্থত পোৱা যায়।—

"বিততত্বান্মহত্ত্বাচ্চ তথা নিত্যস্বৰূপতঃ।"
ব্ৰহ্মব্যোম্নোৰ্ন ভেদোঽস্তি চৈতন্যং ব্ৰহ্মণোঽধিকম্‌"

ব্যাপ্তি, মহত্ত্ব আৰু নিত্যস্বৰূপ হিচাবে ব্ৰহ্ম আৰু ব্যোম [ আকাশ ] একেই ; কেৱল ব্ৰহ্ম বোলা বস্তুটো চেতন আৰু ই বিধ অচেতন।

মুঠতে কব লাগিলে সেই ব্ৰহ্ম বস্তুৰ দৰশন পোৱা অতি সুকঠিন। তাকে লাভ কৰিব খুজিলে—

"ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি নিসঙ্গঃ কামবৰ্জ্জিতঃ।
প্ৰসন্নেনৈব মনসা কুৰ্ব্বাণো যাতি তৎপদম্॥"
(কূৰ্ম্মপুৰাণ)

ব্ৰহ্মতেই সকলো কৰ্ম্ম সমৰ্পণ কৰি অভিলাষশূন্য আৰু নিঃসঙ্গ হৈ প্ৰফুল্ল চিত্তেৰে কাম কৰিলেহে ( ব্ৰহ্মপদ ) পোৱা যায়। এই পদদৰ্শন কলিকলীয়া সকলো মানুহৰ ভাগ্যত তো নঘটেই দুই এজনৰ ঘটাও অতি সুকঠিন। যাক যোগী মুনি সকলেহে মাত্ৰ ধ্যানত, সাধকেহে সাধনাৰ ফলত, আৰু ভক্তই ভক্তিৰ জোৰত লাভ কৰে সেই পৰম বস্তু লাভ কৰা আজিকালিৰ সংসাৰৰ কূটনীতিত [illegible]



সকলৰ পক্ষে একৰকম সাধ্যাতীত বুলিলেও বঢ়াই কোৱা নহয়।

ওপৰত উন্নুকিওৱা কথাখিনি জনসাধাৰণৰ পক্ষে হৃদয়ঙ্গম কৰা বৰ টান লাগে। গতিকে সৰ্ব্বসাধাৰণে বুজিব পৰা অতি সহজ কথাৰে সেই বিষয়ৰ অলপ আলচ কৰা যাওক।

প্ৰথমতে 'ঈশ্বৰ বোলা কিবা এটা বস্তু আছে নে নাই?' এই সন্দেহ-স্থলতে সকলোৱে দেখা বা অনুভব কৰিব নোৱাৰা বাবে ঈশ্বৰ নাই বুলিও অপাততঃ কব পাৰি। বাচলতে কিন্তু তেনেকৈ কোৱা বৰ ভুল হব। যেহেতুকে সকলোৰে দৃষ্টি গোচৰ বা অনুভৱৰ বিষয় নোহোৱাও বিদ্যমান বস্তু আছে। কিন্তু কালক্ৰমে কাৰ্য্যাদি বশতঃ সেইবোৰ বস্তুৱেই সেই সেই লোক সকলৰ দৃষ্টি বা অনুভৱৰ বিষয় হৈ উঠে। এটা কথাকৈ মন কৰক—আমি যেতিয়া ঘনকৈ গঠা ফুলৰ মালা এধাৰ দেখো তেতিয়া তাৰ মাজত থকা জৰীডাল আমাৰ দৃষ্টিগোচৰ নহয়, কিন্তু হাতত লৈ অলপ লৰাই চৰাই চালেই সেই ভ্ৰান্তি অনায়াসে দূৰ হয়। আকৌ দিন দুপৰীয়া আকাশত তৰা থকা বুলি আমাৰ অনুমান নহয়, কিন্তু বৈজ্ঞানিক প্ৰক্ৰিয়াৰে চালে তাৰ দুপৰতো আৰু প্ৰখৰ সূৰ্য্যৰ ওচৰতো সুবৃহৎ তৰা থকা দেখা যায়। এটা অতি সহজ কথাকৈ মন কৰিয়েই সকলোৰে মনৰ খু-হুৱনিৰ ওৰ পৰিব। বাৰিষা কালত মেঘে আকাশখন ঢাকি থোৱাত বদ নেদেখিলেই আমি বেলি নাই বুলি কওঁ ; কিন্তু মেঘখিনি আঁতৰ হলেই তাতেই সূৰ্য্য ওলাই পৰে। সেইদৰে সকলোৱে প্ৰত্যক্ষ ভাৱে নেদেখা বাবে ঈশ্বৰ নাই বুলি কব খোজে। ই মহা ভুল, ই অজ্ঞতা মাত্ৰ। যেতিয়া ঐকান্তিক ভক্তি, একনিষ্ঠ বিশ্বাস আৰু কঠোৰ সাধনাৰ দ্বাৰা চিত্তৰ অজ্ঞতা-আন্ধাৰ দূৰ কৰিব পাৰিব, তেতিয়া এই ভ্ৰান্তি আতৰি যাব, পঞ্চম স্বৰত হৃদয় তন্ত্ৰী বাজি উঠিব আৰু বিশাল বক্ষৰ ভগবৎ-প্ৰেমাম্বুনিধিৰ অসীম লহৰীয়ে বিশ্ব বিমোহিত কৰিব।

মুঠ কথা, ঈশ্বৰ বুলি এটা বস্তু আছে আৰু মালাৰ জৰী প্ৰত্যেকটি ফুলতে থকাৰ দৰে বিশ্বব্ৰহ্মাণ্ডৰ সকলো প্ৰাণীতে সেই সৰ্ব্বশক্তিমান পৰমেশ্বৰে অদৃশ্যভাৱে হলেও বিৰাজ কৰিছে। সেই বাবেই তেওঁক নিৰঞ্জন নিৰাকাৰ নামেৰেও অভিহিত কৰে। সাধনা আৰু সাধকৰ তাৰতম্য লৈ সাকাৰ-নিৰাকাৰ, প্ৰকৃতি-পুৰুষ, কালী-কৃষ্ণ, শিৱ-শক্তি আদি নানা নামেৰে অভিহিত হলেও সেই সকলোৱেই এক 'একমেবাদ্বিতীয়ম্' পৰমব্ৰহ্মৰ বিকাশ মাথোন।

সাকাৰ কালী কৃষ্ণ আদি ৰূপ ধাৰণ ভগৱানৰ লীলা খেলা মাথোন। যেনে, পানী আৰু বৰফ আদিতে দুয়োবিধ বস্তুৱেই একে। পানীত অতি ঠাণ্ডা বতাহ লাগি বৰফ হোৱাৰ দৰে ভক্তিভৰা করুণ আহ্বান ভগৱানৰ কাণত পৰিলে তেওঁ মূৰ্ত্তিমান হৈও প্ৰিয়ভক্তক দেখা দিয়ে। আৰু যি ভক্তই যি দৰে তেওঁক আহ্বান কৰে তেওঁক সেইভাৱেই দেখা দিয়ে। নিচেই কোমলমতি বালক ভক্ত ধ্ৰুৱক গহন বনৰ মাজত পদ্মপলাশলোচন হৰিৰূপে অতি অসহনীয় শাস্তিৰ মাজতো একনিষ্ঠ বিশ্বাসপূৰ্ণ আহ্বানত দুৰ্দ্দান্ত দৈত্য হিৰণ্যকশিপুক দমন কৰিবলৈ ফটিকৰ স্তম্ভৰ মাজৰপৰা নৰসিংহৰূপ ধাৰণ কৰি দেখা দিয়াৰ কাৰণ ধ্ৰুৱ আৰু প্ৰহ্লাদৰ বিশিষ্ট ভক্তি, ঐকান্তিক বিশ্বাস আৰু কোমল কণ্ঠৰ করুণ আহ্বান মাত্ৰ। সৰ্ব্বত্ৰ বিৰাজমান সত্বেও লজ্জা নিবাৰণ কৰিবলৈ 'হে গোলোক বিহাৰী হৰি, দাসীৰ লজ্জা নিবাৰণ কৰা' বুলি পাণ্ডৱপত্নী দ্ৰৌপদীয়ে আকুলতাপূৰ্ণ আহ্বান কৰাতো পাণ্ডৱৰ চিৰ সখা প্ৰভু শ্ৰীকৃষ্ণ কিছুক্ষণৰ পিছতহে দ্ৰৌপদীৰ ওচৰত উপস্থিত হৈছিল হি। আৰু তেওঁৰ পলম কৈ অহাৰ কাৰণ সোধাত 'গোলোকবিহাৰী হৰি বুলি মতা বাবে গোলোকৰপৰা আহিবলগীয়া হোৱাত তেওঁৰ পলম হোৱা' বুলি কৈছিল। এইদৰে শিৱ-শক্তি, ব্ৰহ্মা-বিষ্ণু, গণেশ, গোপাল আদি ৰূপো সেই বিৰাট পুৰুষ ব্ৰহ্মৰেই অবান্তৰ মাথোন, সাধকৰ ইচ্ছা অনুসাৰে আকলন কৰা ভক্তিৰ ফল। কিন্তু আজিকালিৰ সাধক ভক্তসকলে সেই সেই নামৰ কোনো এটাৰে নাইবা অইন এটা নতুন নামেৰে আহ্বান কৰিও তেওঁক সহজে দেখা পায়নে নাপায় কোৱা টান। কিয়নো আজিকালিৰ মানুহৰ চিত্ত তেনেই চঞ্চল আৰু সেইবাবে কঠোৰ সাধনাত পোনেই নিবিষ্ট হোৱা অতি সুকঠিন। গতিকে বহুকাল

ব্যাপী নানা উপায় অবলম্বন কৰিছে চিত্তৰ স্থিৰতা সাধনৰ আৰু তেওঁক তুষ্ট কৰিবৰ চেষ্টা কৰিব লাগে। তেওঁক ভাব ভক্তিৰে তুষ্ট কৰিব পাৰিলেহে তেওঁ ভক্তৰ অভীষ্ট সাধন কৰে ।

ঈশ্বৰৰ প্ৰতি ঐকান্তিক ভক্তি শ্ৰদ্ধাইহে তেওঁক তুষ্ট কৰিবৰ প্ৰধান উপায়। এইখিনিতে এনেবিধৰ এটা অন্তৰায়ে ভেটা দিয়ে যে সাধাৰণতঃ নেদেখা নুশুনা এজন-লৈ ঐকান্তিক ভক্তি আৰাধন কৰা যায় কেনেকৈ ? কেৱল তেওঁৰ নাম গুণকেই ভাবি নিতাল মাৰি বহি থাকিলেই তেওঁ সন্তুষ্ট হ'লনে নাই কব নোৱাৰি। এনে সন্দেহ স্থলত ইয়াৰ সমাধান এই হে ;—পিতামাতাৰ আজ্ঞাবহ ৰবমৰ সন্তানৰ সুখত যে পিতামাতা সুখী, তেনে সন্তানৰ আনন্দত যে পিতামাতাৰ পৰম আনন্দ এই কথা সকলোৱে জানে, এই ভাব দৈনন্দিন কাৰ্য্যতো প্ৰত্যক্ষভাৱে দেখা যায়। আকৌ শাস্ত্ৰমতে পিতা-পুত্ৰৰ আত্মা অভেদ। আমাৰ শাস্ত্ৰে কয়, 'আত্মা বৈ জায়তে পুত্ৰ' "আত্মা বৈ পুত্ৰ নামাসি।" সেই একে কথাকে বাইবেল শাস্ত্ৰতো উল্লেখ কৰিছে এইদৰে—"I and my father are one" এইদৰেই পিতা পুত্ৰৰ অভেদ হোৱা হলে এই দুজনৰ মাজত এজনক তুষ্ট কৰিব পাৰিলেই তাৰ দ্বাৰাই আন জনকো তুষ্ট কৰা হয়। এতিয়া বুজিব পাৰি যে পৰম পিতাৰ সৃষ্টিৰ সৃষ্ট কীট পতঙ্গাদি জীৱ জন্তুক তুষ্ট কৰিব পাৰিলেও তেওঁক তুষ্ট কৰা হয়। তাকেই স্বামী বিবেকানন্দই এইদৰে কৈছে :—

"যি পিতাকক সেৱা কৰিবলৈ ইচ্ছা কৰে তেওঁ তেওঁৰ সন্তানবিলাকৰ সেৱা আগতে কৰিব লাগিব। যিজনে শিৱৰ সেৱা কৰিবলৈ ইচ্ছা কৰে তেওঁৰ সন্তানৰ সেৱা আগতে কৰিব লাগিব। আগতে জগতৰ জীৱবিলাকৰ সেৱা কৰিব লাগিব। শাস্ত্ৰত আছে যিসকলে ভগৱানৰ দাসসকলৰ সেৱা কৰে তেওঁলোকেই ভগৱানৰ শ্ৰেষ্ঠতম দাস।"

ঈশ্বৰৰ সাধনা কৰিব লাগিলে একনিষ্ঠ প্ৰেমৰ দৰকাৰ। এই ধৰণৰ প্ৰেমৰেই আন নাম ভক্তি। নাৰদ ভক্তিসূত্ৰৰ 'সা কস্মৈ পৰমপ্ৰেম স্বৰূপা' ইত্যাদি বাক্যৰপৰা ইয়াক ঠাৱৰাব পাৰি যে ঈশ্বৰ বিষয়ক ভক্তিয়েই পৰম প্ৰে[ম] স্বৰূপ। মানুহৰ প্ৰাণত এই স্বৰ্গীয় প্ৰেমসিন্ধুৰ এটি মা[ত্ৰ] বিন্দু পৰিলেও মনুষ্য জন্ম সফল হয়। এই বস্তু পা[ই] মানুহক অইন ঐহিক বস্তু একোকে নালাগে। ইয়া[ৰ] গুণতেই মানুহ অমৰ হয়। ইয়াৰ গুণতেই মানু[হ] আত্মহাৰা হৈ জগতত অক্ষয়কীৰ্ত্তি ৰাখি থৈ যা[য়।] কপিলাবস্তুৰ ৰাজকোঁৱৰ গৌতমে নব কিশোৰী পত্নী[...] প্ৰাণ সদৃশ অভিনৱ বালক আৰু বহু মূল্য ৰাজপাট[...] প্ৰতি আৰু অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে[...] ভূঞাগিৰিক এই পৰমবস্তুৰ তুলনাত অতি তুচ্ছ জ্ঞান কৰিছিল।

সেই ভক্তি নিভাঁজ আৰু ঐকান্তিক হলেহে তেওঁ[...] ওচৰ চাপিবগৈ পাৰে। কিন্তু ধৰ্ম্মত বিঘিনি বহুত। ভক্তি মাৰ্গত খোজ লব খুজিলেই অশেষ অপায় অমঙ্গল অতিক্ৰম কৰিব লাগে। তেতিয়া সকলো ৰকমৰ বাধা বিঘিনি ফালে পিঠি দি নিজৰ মহৎ উদ্দেশ্য আগত লৈ কাৰ্য্য কৰি[ব] পাৰিলেহে উদ্দেশ্য সিদ্ধিৰ আশা কৰিব পাৰি।

ভক্তি নিখুট হব লাগে। সাধক 'অহং' আদি কুবৃত্তি[...] ভাব এৰি 'সোহহং' ভাবত আপ্লুত হব লাগে। সাধ[কে] হিয়া খুলি অকপট চিত্তে গাব লাগিব—'সদানন্দৰূপ[ঃ] শিবোহহম্ শিবোহহম্।' সততে সত্যসেৱী হব লাগিব[...] মনত ধাৰণা কৰিব পাৰিব লাগিব "সত্যং শিৱং সুন্দৰম্।" এই অমূল্য বাণীৰ প্ৰতিপাদক সত্য, শিৱ আৰু সুন্দৰ[...] সেৱা কৰিব পাৰিব লাগিব। তেতিয়াহে ভক্তিমাৰ্গ[...] আগুৱাব পাৰিব, সাধন পন্থাত খোজ লৈ ক্ৰমশঃ অগ্ৰস[ৰ] হব পাৰিব।

আমাৰ ধাৰণা যে ফল ফুলেৰেই পূজাভাগ দিলে[...] ঈশ্বৰ তুষ্ট হয়। 'শিৱ পূজা নকৰাকৈ ভাত খাব নাপা[য়]' বুলি আমাৰ মাজত এটি কথাৰ প্ৰচলন আছে। শি[ৱ] এই শিৱ পূজাৰ অৰ্থ দেৱ-মন্দিৰত বহি মন্ত্ৰ-পুষ্প নিবেদ[ন] আৰু স্তোত্ৰাদি আবৃত্তি কৰি আবাহিত শিৱক পূ[জা] কৰাতে আবদ্ধ নাৰাখি তাৰ সীমা অলপ বহলাই দিলে[...] জগতপিতা আশুতোষৰ তুষ্টি সাধনৰ বাবে বহু পৰিশ্ৰম আগুৱা হয়। প্ৰত্যেক জীৱই একোজন সাক্ষাৎ শিৱ [...]স্ত্ৰত কৈছে। 'যত্ৰ জীৱ তত্ৰ শিৱ' :—জীৱ য'ত শিৱ [ত]'ত। গতিকে জীৱৰ তুষ্টি সাধন কৰিব পাৰিলেই শিৱক তুষ্ট কৰা হয়।

[...]মন্দিৰত বহি কল্পিত নাৰায়ণ পূজা কৰিবলৈ ওলাইছে। [...]দিনে পূজকৰ চকুত পৰিল 'এজন অন্ধই খেপিয়াই [...]না ৰকম আলৈ আহকাল পাব ধৰিছে, এজন দীন [দ]ৰিদ্ৰই এমুঠি খাবলৈ নাপাই 'পেটৰ ভোকত প্ৰাণ যায়' [বু]লি চিঞৰি কান্দিব লাগিছে, এজন ৰোগীয়ে উপযুক্ত [সে]ৱা-শুশ্ৰূষা নাপাই ক্ৰমান্বয়ে ৰোগ-বৃদ্ধি হোৱাত অকালতে [...]হলীনা সামৰিবলৈ ওলাইছে।' এইবোৰ দেখিও সকলোকে [অ]ৱহেলা কৰি মন্দিৰত পূজা কৰিবলৈ যোৱাত পূজনীয় [দে]ৱতা বিশেষ তুষ্ট হয় বুলি কব নোৱাৰি। বৰং সেই দিনৰ [...] পূজা অলপ পিছলৈ থৈ আগ ধৰি দৰিদ্ৰনাৰায়ণ পূজা [ক]ৰিলে, অন্ধ-নাৰায়ণ সেৱা কৰিলে জীৱৰূপী নাৰায়ণ [...] তুষ্ট হব আৰু পৰমেশ্বৰো অতি আপ্যায়িত [হ]ব।

যি কোনো কামেই হক তাক আদিৰেপৰা আৰম্ভ [ক]ৰিলেহে নিৰাপদে সম্পন্ন কৰিব পাৰি। মাজতে ধৰি [...]শ কৰিবলৈ যোৱাত নানা ৰকম বাধা-বিঘিনি আছে। [কো]নো ৰকমে কষ্টে মষ্টে শেষ সীমাত উপগত হব পাৰিলেও [...]গৰবিনি নকৰা বা নিশিকাকৈয়ে ৰৈ যায়। গছত [উ]ঠিব লাগিলে গুৰিৰেপৰা আৰম্ভ নকৰি পোনেই [...]ক্ৰিয়াই উঠিব খুজিলে মাজ পোৱা টান। জাপ মাৰি [গ]ছত উঠি আগ পাব খোজা জনে আগ পাব দূৰৰ [ক]থা আধাখিনিৰপৰা পিছলিহে পৰিব লাগে। আৰু [...]নে অৱস্থাত ককাল ভগাও একো অসম্ভৱ নহয়। [...]জেই নিৰ্ব্বিঘ্নে গছত উঠিব খুজিলেই গুৰিৰেপৰা আৰম্ভ [ক]ৰি খুব সাৱধানে উঠিলেহে আগ পাব পাৰি। সেইদৰে [...]নোও গুৰিৰেপৰা আৰম্ভ নকৰিলে তাত সিদ্ধি লাভ [ক]ৰিবৰ আশা কৰিব নোৱাৰি।

[...] সংসাৰ কাৰ্য্যত সদায় ব্যাপৃত থকা লোকসকলে পিতা-[মা]তাক ভক্তি বা সাধন মাৰ্গৰ আদি স্তৰ বুলি ভাবিব [লা]গে। আমাৰ মাজত 'পিতা-মাতা আদি গুৰু' বুলি এটা [...]কাৰ প্ৰচলনেই আছে। ঋষি মুনিসকলৰ মতেও পিতা-মাতা মূৰ্ত্তিমান ঈশ্বৰ। তেওঁলোকক পূজা কৰাও ধৰ্ম্মৰ অন্যতম লক্ষণ। কাজেই পোন প্ৰথমতে তেওঁলোকক তুষ্ট কৰি তেওঁবিলাকৰ আশীৰ্ব্বাদ নিৰ্ম্মালি শিৰত লৈ ভক্তিমাৰ্গত খোজ দিয়া উচিত।

পিতা-মাতা যে মূৰ্ত্তিমান ঈশ্বৰ অলপ গমি চালেই এই কথা সহজে বুজিব পাৰি। পৰমেশ্বৰে ব্ৰহ্মাৰূপে সৃষ্টি গঠন, বিষ্ণুৰূপে পালন আৰু ৰুদ্ৰ ৰূপে সংহাৰ কৰে বুলি পুৰণাদি শাস্ত্ৰত পোৱা যায়। সেই তুলনাত বিচাৰি চালে পিতা-মাতাও স্ৰজন আৰু পালন বিধায়ক পাৰ্থিব দেৱতা স্বৰূপ। যাৰ অনুগ্ৰহত আমি এই ভাৰতত দেৱৰো দুৰ্ল্লভ মনুষ্য জনম লাভ কৰিছো, যি নিজে নাখাইও হাতৰ মুখৰ সকলোকে আমালৈ সাঁচি থৈ আৰু আমাক খুৱাই-পিন্ধাই পৰম সুখ অনুভৱ কৰে, যি সততে আমাৰ দুখত ম্ৰীয়মাণ আৰু আমাৰ সুখত যাৰ সুখ কুলাই পাচিয়ে নধৰা হয়, আৰু যি জীৱিত কাল ডোখৰত আমাৰেই মঙ্গল চিন্তা কৰে আমাৰ পক্ষে তেওঁলোকক পাৰ্থিব দেৱতাত বাজে অইন কোনোবা বুলি ভাবিব পাৰিনে ? এই বাবেইহে শাস্ত্ৰত কৈছে :—

"পিতা স্বৰ্গঃ, পিতা ধৰ্ম্মঃ, পিতাহি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে প্ৰিয়ন্তে সৰ্ব্বদেৱতাঃ॥"

সশৰীৰী এই পিতৃদেৱতাক তুষ্ট কৰিব পাৰিলে অশৰীৰী অবাঙ্‌মনসোগোচৰ সেই পৰমপিতা তুষ্ট নহব কিয় ? তেওঁলোকৰ ত্যাগ আৰু সন্তান বাৎসল্যৰ পিনে অলপ লক্ষ্য কৰিলেই কঠোৰ কণ্ঠস্বৰ ৰোধ হয়, হৃদয়ত গদ্গদ স্বৰৰ উদ্ভৱ হয়, আৰু প্ৰেম সাগৰৰ একবিন্দু নীৰ প্ৰেমাশ্ৰু স্বৰূপে মানৱ নেত্ৰত অৱতীৰ্ণ হয়। 'ভৱসংসাৰৰ ভাবী অতিথি গৰ্ভস্থ সন্তান তিনি চাৰি মাহৰ পিছত ভূমিষ্ঠ হব' ইয়াকে লক্ষ্য কৰি এতিয়াৰেপৰা শক্তিস্বৰূপিনী মাতৃদেৱীয়ে সন্তান লালন-পালন কৰিবলৈ নিজৰ তেজ মাংসৰ সাৰ ভাগ সংগ্ৰহ কৰি বুকুৰ মাজত অতি যতনেৰে পীয়ূষ বৰষা স্তন্য সন্তানৰ মুখত সমৰ্পণ কৰি সকলো ৰকমৰ যন্ত্ৰনা পাহৰি অপাৰ আনন্দ উপভোগ কৰে। এনে ত্যাগৰ জলন্ত মূৰ্ত্তি মাতৃ কোন গুণে দেৱী নহয় ? সেই বাবেইহে মাতৃসেৱীসকলে উচ্চ কণ্ঠে কয়—'জননী জন্মভূমিশ্চ

স্বৰ্গাদপি গৰীয়সী।'—মাতৃ আৰু মাতৃভূমি স্বৰ্গতকৈও মহিমাময়ী। জন্মদাত্ৰী মাতৃ যে পালক পিতাতকৈও পূজনীয়া এই বিষয়ে শাস্ত্ৰত ঢেৰ প্ৰমাণ পোৱা যায়। যেনে :—

"পিতুৰপ্যধিকা মাতা গৌৰৱেনাতিৰিচ্যতে।"

"মাতৃতোঽন্যো ন দেৱোঽস্তি তস্মাৎ পূজ্যা সদা স্তুতৈঃ।"

কিছুমান সময়ত দেখি বৰ দুখ-বেজাৰ লাগে যে শৈশৱ কালৰেপৰা অতি চেনেহৰে লালিত-পালিত কিছুমান সন্তানে নিজে অলপ খুটি খাব পৰা হলেই পিতৃ-মাতৃৰ প্ৰতি আওকণীয়া হয় বা তেওঁবিলাকক অকিঞ্চিৎ কিবা একোটা বুলি বিবেচনা কৰে। কিন্তু এই কথা সদায় মনত ৰাখিব লাগে—যি সন্তানে পিতা-মাতাৰ প্ৰতি এনে ব্যৱহাৰ কৰে সেই সন্তানৰ মনুষ্য জন্ম বৃথা। সেই জনতকৈ নিকৃষ্ট নৰাধম বা নৰপশু পৃথিবীত নাই। এনে মানুহেৰে অধিকৃত পৃথিৱীৰ ঠাইখিনি কীট-পতঙ্গ বা ভয়ানক হিংস্ৰ জন্তুৰে পূৰ্ণ হোৱাও ভাল; যেহেতু সিবিলাকে জ্ঞানৰ সহায়ত সৎ-অসৎ, ভাল-বেয়া বিবেচনা কৰিবৰ শক্তি পোৱা নাই।

সন্তানে সদায় সাক্ষাৎ দেৱতাৰ দৰে পিতৃ মাতৃক পূজা কৰা কৰ্ত্তব্য। তাৰ দ্বাৰা নিজৰ মনুষ্য জনম সাৰ্থক কৰা হয়। সততে তেওঁবিলাকৰ পদসেৱা জীৱনৰ ব্ৰতৰ অন্যতম বুলি ভাবিব লাগে। এয়েই ধৰ্ম্মৰ লক্ষণ; দুৰ্ল্লভ ব্ৰহ্ম বস্তুক এয়েই পোৱাব পাৰে।

শেহত এই পাৰ্থিব পিতা-মাতাৰ সেৱা-পূজাকেই বিশ্ব-ব্ৰহ্মাণ্ডৰ পিতামাতাৰ ভাবত পৰিণত কৰিব পাৰিলে সাক্ষাৎ তেওঁক তুষ্ট কৰা হয়। এই ভাবতেই আপ্লুত হৈ ঋষি মুনিসকলে অবোধ বালকৰ দৰে হিয়াভৰা ক্ৰন্দনৰ করুণ ৰব তুলি বিশ্বৰ জনক জননীৰ ওচৰত নিজ নিজ প্ৰাণৰ বেদনা জনাই অভীষ্ট সিদ্ধি কৰিছিল।

ভক্তিমাৰ্গত তাৰ পিছৰ স্তৰ দৰিদ্ৰনাৰায়ণ পূজা। অলপ আগতে উল্লেখ কৰা হৈছে কল্পিত নাৰায়ণৰ পূজা অলপ সময় স্থাপিত ৰখাও বেয়া নহয়, দৰিদ্ৰৰ হৃদয় বিদাৰক আৰ্ত্তৰৱ শুনিও তালৈ কাণ দিয়া বা শক্তি অনুসাৰে তাৰ প্ৰতিকাৰৰ বাবে চেষ্টা নকৰাটোহে অতি লাজৰ কথা, বৰ পৰিতাপ, নিন্দা আৰু ঘৃণাৰ বিষ[য়]। আত্মৰূপী সাক্ষাৎ ভগৱানক সদায় তুষ্ট কৰা মানুহ মাত্ৰ[ৰ] নিতান্ত কৰ্ত্তব্য। বিবেকানন্দৰ ভাষাত কব পাৰি[…] 'দৰিদ্ৰো দেৱো ভৱ, মূৰ্খো দেৱো ভৱ।'—দৰিদ্ৰ, মূ[ৰ্খ] অজ্ঞানী, কাতৰ ইবিলাকেই তোমাৰ দেৱতা হওক, ইহঁতৰ সেৱাই পৰম ধৰ্ম্ম বুলি জানিবা।"

যিদৰে ৰজা-বাহাদুৰ আদি লোকসকলক দে[…] কৰিব লাগিলে কেইবা ঠাইতো কেইবা বাৰো অনু[…] লৈহে তেওঁলোকৰ সাক্ষাৎ হব পাৰি, তেনেকৈ ৰা[…] মহাৰজাৰ ওপৰতো ৰাজত্ব কৰা সকলোতকৈ শ্ৰে[ষ্ঠ] পৰমেশ্বৰক দেখা পাবলৈও কেইবাটিও দ্বাৰত দ্বাৰী[…] অনুমতি লব লাগে। তেওঁক সাক্ষাৎ কৰিবলৈ যোৱা যতি[…] প্ৰধানতঃ তিনিখন দ্বাৰৰ দৌৱাৰিকসকলক সন্তুষ্ট ক[ৰি] ভিতৰত প্ৰৱেশৰ অনুমতি লব পাৰিলেহে ঈশ্বৰৰ সাক্ষা[ৎ] পাব পাৰি। আগেয়ে উল্লেখ কৰামতে প্ৰথম আৰু দ্বিতী[য়] দ্বাৰৰ দ্বাৰী অনুক্ৰমে পিতা-মাতা আৰু দৰিদ্ৰনাৰা[য়ণ] আদিক তুষ্ট কৰিব পাৰিলেহে তৃতীয় দ্বাৰত উপস্থি[ত] পৰা যায়। এই দ্বাৰৰ দ্বাৰী মহামানৱতা, জগতৰ জীৱ[…] সমূহ। আৰু এওঁলোকক তুষ্ট কৰিবৰ একমাত্ৰ উপ[ায়] 'বিশ্বপ্ৰেম'। এয়েই ভক্তিৰ চূড়ান্ত সীমা, ধৰ্ম্মৰ উচ্চ[…] শিখৰ, প্ৰেমৰ মহামেলা। এই বিশ্বপ্ৰেমত মনপ্ৰাণ ঢা[লি] দিব পাৰিলেই জাতি-বিজাতি, ধৰ্ম্মী-বিধৰ্ম্মী, শত্ৰু-মি[ত্ৰ] সৰু-বৰ আদি সকলোকে পাহৰি তন্ময় ভাবত থিয়[…] হোৱা যায়। এই ভাবৰ ভাবুকেই বালিচাহীৰে[…] আৰম্ভ কৰি বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুতেই ব্ৰহ্ম দৰ্শন কৰ[…] তেতিয়াহে মনত 'সৰ্ব্বং বিষ্ণুময়ং জগৎ' ভাবৰ উদ্[…] হয়—তেতিয়াহে ভক্তসকলে প্ৰাণভৰি হিয়া খুলি গা[…] 'সদানন্দৰূপঃ শিৱোঽহং শিৱোঽহম্।' এই ভাব[ত] তন্ময় হৈ এদিন ৰামকৃষ্ণ পৰমহংসদেৱে এটা কুকুৰৰ গা[…] বহি আগত ভাতৰ কাঁহী লৈ তাৰে এগৰাহ নিজে খা[…] আৰু এগৰাহ সেই কুকুৰটোক খুৱাই দিয়া দেখি শিষ্য[…] ইহা-ইহি কৰাত তেওঁ কৈছিল :—

"বিষ্ণুপৰি স্থিতো বিষ্ণুঃ, বিষ্ণুং খাদতি বৈষ্ণৱে।

কথং হসসি ৰে বিষ্ণো, সৰ্ব্বং বিষ্ণুময়ং জগৎ॥"

[…]তিয়া মানুহৰ হৃৎ-কুসুম পৰমপিতাৰ পৰম-[…]ণাত প্ৰফুল্লিত হৈ এই ভাবৰ সৌৰভশালী হব [তে]তিয়াহে বুজি পাব :—

"ত্বমেৱ মাতা চ পিতা ত্বমেৱ, ত্বমেৱ বন্ধুশ্চ সখা ত্বমেৱ।

ত্বমেৱ বিদ্যা দ্ৰবিণং ত্বমেৱ, ত্বমেৱ সৰ্ব্বং মম দেৱদেৱ॥"

[এ]ই মহামন্ত্ৰৰ মহামহীয়ান অৰ্থ আৰু তেতিয়াহে নিৰ্ব্বিকল্প [অ]দ্বৈত সচ্চিদানন্দ উপলব্ধি আৰু উপভোগ কৰিব [প]াৰিব।

[জ]াগতিক জীৱ-জন্তু মাত্ৰেই যে ক্ষুদ্ৰাতিক্ষুদ্ৰ হলেও সেই [প]ৰমব্ৰহ্মৰ একে অংশ আৰু এইবিলাকৰ প্ৰীতি সাধনতেই […] তেওঁ প্ৰীত হয় তাৰ প্ৰমাণ স্বৰূপে শাস্ত্ৰবাক্য প্ৰচুৰ [প]ৰিমাণে পোৱা যায়। এই বিশ্বব্ৰহ্মাণ্ডখনৰ সকলোৱেই […] সেই বস্তুত বাজে অইন একো নহয় তাকেই আত্মবোধ [গ্ৰন্থ]ৰেৰে গ্ৰন্থত এইদৰে উল্লেখ কৰিছে :—

"ব্ৰহ্মৈৱেদং জগৎসৰ্ব্বং ব্ৰহ্মণোঽন্যন্ন বিদ্যতে।

ব্ৰহ্মান্যদ্ভাতি চেন্মিথ্যা যথা মৰুমৰীচিকা॥"

[এ]ই সমগ্ৰ জগৎ ব্ৰহ্মতকৈ অন্য একো নহয়, আৰু যদি […]মতত, বিশ্বব্ৰহ্মাণ্ডত তেওঁতকৈ অন্য কিবা থকা বুলি [ভ]াস হয় তেন্তে সেয়েই মৰুভূমিৰ মৃগতৃষ্ণাৰ দৰে [মি]ছা-সত্যৰ অপলাপ, মহাভ্ৰম।

[…] বিশ্বহিত কৰিলে, বিশ্বৰ সেৱা কৰিব পাৰিলে যে [জগ]ন্নাথ পৰম সন্তুষ্ট হয় এই বিষয়ে মহানিৰ্ব্বাণ তন্ত্ৰত শিৱই [পৰ]মেশ্বৰী পাৰ্ব্বতীৰ আগত কোৱা তলত উল্লেখ কৰা [কথ]াখিনি অতি উজ্জ্বল প্ৰমাণ :—

"[কৃ]তে বিশ্বহিতে দেৱি! বিশেশঃ পৰমেশ্বৰি!

প্ৰীতো ভৱতি বিশ্বাত্মা যতোবিশ্বস্তদাশ্ৰিতঃ॥"

হে দেৱি পৰমেশ্বৰি! বিশ্বহিত কৰিলে বিশ্বাত্মা [পৰম]েশ্বৰ প্ৰীত হয়, যেহেতু নিখিল বিশ্বব্ৰহ্মাণ্ডখন তেওঁৰেই [আ]শ্ৰিত। খৃষ্টিয়ানসকলৰ ধৰ্ম্মপুথি বাইবেলতো এইদৰে [আ]ছে—"He prayeth best who loveth best, [bo]th men and birds and beasts"—অৰ্থাৎ তেওঁৰ […]হে সৰ্ব্বোৎকৃষ্ট যি মানুহ, পশু-পক্ষী আদি সকলোকে প্ৰেম দিব পাৰে। সেইবাবেইহে বিশ্ব-প্ৰেমিক মহামানৱ ভক্তসকলে সঙ্কীৰ্ণতাপূৰ্ণ সাংসাৰিক ভাবৰপৰা আঁতৰত থাকি উচ্চ আকাশত বিচৰণকাৰী মুক্ত বিহঙ্গকুলৰ দৰে—

"মাতা চ পাৰ্ব্বতী দেৱী, পিতা দেৱো মহেশ্বৰঃ।

বান্ধৱাঃ শিৱভক্তাশ্চ স্বদেশো ভুবনত্ৰয়ম্॥"

বুলি নিজৰ পৰিচয় দিয়ে।

এগৰাকী ভক্তই ঈশ্বৰ-সেৱাৰ বিষয়ে এইদৰে কৈছে :—

তুমি যদি ঈশ্বৰৰ পূজা কৰিব খোজা তেনেহলে তোমাৰ আগত থকা জীৱসকলক পূজা কৰা। এইবিলাকক এৰি আন ঠাইত পূজা কৰিবলৈ যোৱা বৃথা।

এই বিষত মন দিব খুজিলেই জয়-জয়তে ধৰ্ম্মৰ ওপৰত ইয়াৰ ভিত্তিৰ প্ৰতিষ্ঠান কৰিব লাগে। অধৰ্ম্মীয়ে ভক্তি বা ঈশ্বৰোপাসনা কৰি তেওঁক সন্তুষ্ট কৰিব বা পাব নোৱাৰে। এই ধৰ্ম্মৰ মানুহৰ পৰম সুহৃৎ প্ৰাণ বন্ধু। প্ৰাণৰ যিদৰে বিনাশ নাই এই ধৰ্ম্মৰো তেনেকৈ বিনাশ নাই। দেহৰ পতনৰ লগতে আন সকলো বস্তুৰে বিনাশ আছে; কিন্তু ধৰ্ম্ম অবিনাশী; ই সদায় প্ৰাণক অনুসৰণ কৰে। গতিকে ধৰ্ম্মইহে মানৱ প্ৰাণৰ পৰম সুহৃদ। তাকেই শাস্ত্ৰত এনেকৈ পোৱা যায় :—

"এক এব সুহৃদ্ধৰ্ম্মো নিধনেঽপ্যনুযাতি যঃ।

শৰীৰেণ সমং নাশং সৰ্ব্বমন্যত্ত্ব গচ্ছতি॥"

এই ধৰ্ম্ময়েই মানুহ আৰু পশুৰ মাজত ভেদ ভাব ৰাখি আহিছে। মানুহৰ জীৱনত এই ধৰ্ম্মভাব নোহোৱা হলেই পশুত্ব প্ৰাপ্ত হয়। আন সকলো প্ৰবৃত্তিয়েই মানুহ আৰু পশুৰ একে। মাত্ৰ ধৰ্ম্মইহে দুয়ো বিধ প্ৰাণীৰ মাজত আকাশ পাতাল প্ৰভেদ কৰিছে। তলৰ শ্লোকটিৰপৰা এই কথাখিনি ভালদৰে বুজিব পাৰি।

"আহাৰ-নিদ্ৰা-ভয়-মৈথুনঞ্চ

সামান্যমেতৎ পশুভি ৰ্নৰাণাং।

ধৰ্ম্মো হি তেষাং কেৱলং বিশেষঃ

ধৰ্ম্মেন হীনাঃ পশুভিঃ সমানাঃ॥"

———

# মলয়া আৰু কবি



—শ্ৰীযুত ৰাধানাথ দত্ত

পূৰ্ণিমা ৰাতিৰ জোনৰ স্নিগ্ধ মধুৰ কিৰণ-ৰেখাৰ যি মৰমৰ চোকা বাণ, তাৰে আঘাতত জৰ্জ্জৰিত সকলোৰে প্ৰাণ। নিয়ৰৰ শীতল টোপালেৰে গোটেই গা তিয়াইও পুলকত হিয়া কঁপি উঠা নাই, আনন্দত গা নাচি উঠা নাই। গোটেই ফুলনিখনেই যেন বিৰস-বদন। পূৱত পৰ্ব্বতৰ আঁৰৰপৰা কোমল বেলিটিয়ে হেঙুলীয়া আৰু সেন্দুৰীয়া বৰণৰ সমাবেশত সুন্দৰতকৈও সুন্দৰ হৈ ওলাই আহিবৰ দিহা কৰিছে, গছৰ ডালে ডালে পাতৰ আঁৰে আঁৰে থকা চৰাইৰ অকণি অকণি বাঁহটিৰপৰা শুনিবলৈ পোৱা গৈছে, ভাহি অহা এটি অভিনৱ সুৰ— সেই বেলিটিৰে আগমনী গীত নতুন সুৰত ধ্বনিত হৈ চাৰিওফালে বিয়পি পৰিছে। গছৰ তলত বহি থকা সুন্দৰ প্ৰয়াসী কবিৰ কাণত পুৱাৰ এই গীতটিয়ে যেন মৌহে বৰষিছে! যি সুন্দৰৰ সন্ধানত তেওঁ বলিয়া, সেই সৌন্দৰ্য্য তেওঁ দেখিছে এই গীতৰ লগতে ভাহি অহা। হাত মেলি তেওঁ ধৰিবলৈ খোদি যায় এই সৌন্দৰ্য্যৰাশি—যেন তেওঁৰ হিয়াৰ মাজতে চিৰদিনলৈ আলফুলকৈ থৈ দিব। লাহে লাহে গীতৰ ওৰ পৰে, কবিৰ সপোন ভাঙি যায় তেওঁ দেখে চকুৰ আগত সেই ফুলনিখনে যেন এটা বিক্ৰপৰ বিকট হাঁহিৰে তেওঁকেই ইতিকিং কৰিছে! কবিৰ কোমল অন্তৰত এটা কঠোৰ আঘাত লাগি ব্যথা পায়। তেওঁ ভাবত বিভোৰ, কব নোৱাৰে কিহে তেওঁক খুন্দিয়াই গ'ল। অলপ পিছত তেওঁৰ অন্তৰখনে কান্দি উঠিল—কোনে কব কিহৰ ধুমুহা বলি তেওঁৰ হিয়াৰ সপোন ভাঙি থেলি মেলি কৰি পেলালে।

ফুলৰ পাহিয়ে, পাতৰ আগে আগে, পানীত ঢ'উ খেলাৰ দৰে কিবা এটা খেলি গ'ল। লগে লগে ফুল কেপাহে আন একোপাহৰ গাত ক্ষন্তেক আঁউজি আকৌ আঁতৰি আহিল—এটা অস্ফুটপ্ৰায় শব্দ কবিৰ কাণত পৰিল, ফুল কেপাহে যেন এটি মধুৰ চুমাৰ সম্ভাষণেৰে ইপাহে সিপাহে কথাহে পাতিলে। কবিয়ে ভাবিলে, তেওঁৰ হিয়াৰ তাঁৰত আঙুলি ফুৰোৱাৰ শব্দৰ এই প্ৰতিধ্বনি, বাজি উঠিছে মলয়াৰ ছাতিয়ে মোলান প... থকা ফুলৰ জেউতি বঢ়াই সজীৱ কৰি দিয়া পা... মাজেদি।

মলয়া আহিছিল ক্ষন্তেকলৈ, ক্ষন্তেকতে আ... কেনিবাদি গুচি গ'ল। তাৰ পিছত দুপৰৰ চোকা ... তীব্ৰ পৰশন সহিব নোৱাৰি ফুল কেপাহ মৰহি গ... পুৱা প্ৰাণ পাই ক্ষন্তেকলৈ কেউফালে যি সৌন্দৰ্য্য বিয়... দিছিল, সেই সৌন্দৰ্য্য নিমিষতে আকৌ অনন্তত লীন ... গ'ল। কবিয়ে অতি আনন্দৰ আকুলতাত এ... ফুলনিখনলৈ চাই তন্ময় হৈ গৈছিল, এই পৰিব... প্ৰথমতে তেওঁৰ চকুৱে ধৰিবই নোৱাৰিছিল, সৌন্দৰ্য্য ... চকুত যিমান সোনকালে পৰে, ঠিক তাৰ বিপৰীত... সিমান সোনকালে নপৰে, সুন্দৰৰ মধুৰ মূৰতিয়ে ... সপোনৰ আৱৰণ তেওঁৰ চকুৰ আগত দাঙি ধৰে, ... তেওঁক অন্ধ কৰি ৰাখে। সপোন ভাঙি গলেহে বা... জগতৰ পৰিৱৰ্ত্তনবোৰ তেওঁৰ চকুত পৰে। লাহে ... যেতিয়া এই পৰিৱৰ্ত্তন উপলব্ধি কৰিব পাৰিলে ... তেওঁ চক খাই উঠিল। তেওঁ অনুভৱ কৰিলে, যেন ... জীৱনৰ সকলো সাধনাই বিফল হৈ গ'ল।

লাহে লাহে বেলি ভটিয়াই গ'ল। সন্ধিয়া আগ... আহিল প্ৰেম-মন্দিৰত পাতি পোৱা আসনত ... দেৱতাক আগবঢ়াই নি বহুৱাবলৈ। সন্ধিয়া আৰু ... পূৰ্ব্বৰাগত গোটেই জগতখনেই এটা কমনীয়তা ... কৰিলে। বেলিৰো সেই আগৰ তীব্ৰ পৰশন লাহে ... কুমলি সহিব পৰা হ'ল। এতিয়াৰ এই পৰশনে গা ... কৰি হিয়াত আনন্দৰ উচ্ছ্বাসহে তুলি দিয়ে। ঠিক ... সময়তে আকৌ আহে মলয়া, নৈৰ সিপাৰৰপৰা বি... কৈ বৈ আহি ফুলনিখনেদি গুচি যায়। ফুলনি... আকৌ নতুন প্ৰাণ পাই নাচি উঠে, ফুলৰ পাহিয়ে ... এটা আনন্দৰ হেন্দোলনি খেলি যায়। এই নতুন ... চিকমিকনিত কবিয়ে ভাবে, তেওঁৰ জীৱনৰ সন্ধিয়াও ... এই সুন্দৰ সন্ধিয়াৰ দৰেই মধুৰ হয়

---

# মেলানি



—শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰুৱা বি-এ

## প্ৰথম

মই বিয়া নকৰাওঁ কেলেই এই কথা লৈ বহুত মানুহ ...চৰিত হয়। মই মা-দেউতাহঁতক স্পষ্ট ভাষাৰে কৈ ...ছো, মই জীৱনত কাৰো লগত বিয়া নহওঁ। আৰু তেখেত ...কক মই এই বুলিও কৈ দিছোঁ। যদি মই চিৰকাল তেখেত ...ৰ লগত থকাৰ কাৰণে তেখেতসকলৰ হাৰমাল হওঁ ...নেহলে মই ঘৰৰপৰা বাহিৰ হৈ যাবলৈও ৰাজী আছোঁ। ...গে যদি ঘৰে ঘৰে ভিক্ষা কৰি খাম, সন্যাসিনী হৈ দেশ ...ন্তৰে ভ্ৰমণ কৰি ফুৰিম তথাপিও মই বিয়া নহওঁ। মই ...ই বুলি কলে মাই চকুলো টুকিবলৈ ধৰে। তেখেতে ...লো টুকি টুকি মোৰ গালে মূৰে হাত ফুৰাই কয়— ...াই, তইনো কিয় তেনে কথা কৱ? বিয়া নহৱ নহবি ...াপি দেউতাৰ আৰু মই জীয়াই থাকোমানে তোক খুজি ...লৈ দিমনে? তেনে কথা হব বুলি তই সপোনতো ...ভাবিবি।"

...দেহি ঐ, মই বিয়া নহৈ আই দেউতাক বৰ কষ্ট ...ছোঁ। বিশেষকৈ মা মোৰ কাৰণে ভাবি চিন্তি বৰ ...হল। কেতিয়াবা মাৰ বিষাদমলিনা মুখখন দেখি মোৰ ...ণে কেঁকুৰি কান্দিবলৈ ধৰে। মোৰ কপাল! মই ...িম কি? তথাপিও যে মই বিয়া হব নোৱাৰোঁ। মই ...া নকৰি মাহঁতক যি কষ্ট দিছোঁ তাতকৈ মোৰ বিয়া ...হোৱা প্ৰবৃত্তি অতি ডাঙৰ।

...কিছুমানে প্ৰকাৰন্তৰে আৰু কিছুমানে মুখে মুখেই ...ক বিয়া হবলৈ উপদেশ দিয়েহি। কোনোৱে কয়— ...াই, তইনো বিয়া নহৱ কিয়? তোৰ বাপেৰ ইমান ...ৰ মানুহ; চৰকাৰৰ ঘৰত ডাঙৰ কাম কৰি এতিয়া ...তে বহি বহি পেন্সন খাইছে। মন কৰিলেই দেউতাৰে এটি সৎ বংশৰ লিখা-পঢ়া জনা ধনী মানুহৰ লৰালৈ তোক বিয়া দিব পাৰে। তাতে তোৰ ৰূপেই নাইনে, গুণেই নাই? তোৰ নিচিনা ৰূপৱতী আৰু জ্ঞানৱতী ছোৱালী আমাৰ তেজপুৰ জিলাৰ কেই ঘৰত আছে? হেনজানি আই, তোক বিয়া কৰিবলৈ জ্ঞানী লৰাৰ আকাল নহব।"

আকৌ কোনোৱে ডাঙৰ দাৰ্শনিকৰ দৰে উপদেশ দি কব—"ডলী, দেখা, বিয়া এটা ঈশ্বৰৰ আদেশ। মানুহ মাত্ৰেই এই আদেশ শিৰ পাতি গ্ৰহণ কৰা উচিত। তোমাৰ দৰে যদি সকলো ছোৱালীয়েই বিয়া নহয়, তেন্তে আজিৰ এই ৰসময় সংসাৰ তপ্ত মৰুভূমিত পৰিণত হব, সংসাৰত মানৱ জাতিৰ বিলোপ হব। সেইদেখি ভগৱানৰ এই আবোধ্য সৃষ্টি অবিচলিতভাৱে চলি থাকিবলৈ হলে আমিও আমাৰ ক্ৰিয়া-কৰ্ম্ম আগৰ দৰেই চলাই থাকিব লাগিব। ইয়াৰ অন্যথা হলে ঈশ্বৰৰ সৃষ্টিত ব্যাঘাত জন্মিব।" ইত্যাদি, ইত্যাদি।

কাৰনো কিমান কথা শুনিবা, কতইনো কত ৰকমে ভাও দিবহি তাৰ ইয়ত্তা নাই। মই নীৰৱে সকলো কথা শুনি থাকোঁ। কেতিয়াবা কাচিৎ বিৰক্তি লাগিলেহে উপদেশদাতাসকলক কওঁ যে মোৰ ওচৰত কোনো উপদেশ বা বুজনি নৰজিব। মই যি মন বান্ধিলো বান্ধিলোৱেই, ইয়াৰ আৰু লৰচৰ নাই।

মই পিছত গম পালো যে এই উপদেশ দিয়া সকলৰ কিছুমান মানুহ মা আৰু দেউতাহঁতে নিযুক্ত কৰা লোক। কথাটো জানি মাহঁতলৈ বিৰক্তিও লাগিল আৰু পুতৌও উপজিল। দেহিঐ, কি কৰিব, তেখেতসকলে নিজৰ কৰ্ত্তব্য কৰিছে। তথাপি মই তেখেতসকলক কৈ দিলো

যে যদি আকৌ তেখেতসকলে মোক বিয়া হবলৈ অনুৰোধ কৰে তেন্তে মই আত্মহত্যা কৰিম। তেতিয়াৰেপৰা হুয়োজন মনে মনে থাকিল। কাৰণ ৰৰজনী জীয়েকৰ লগতে দেউতাইতে যি বেজাৰ পালে সেয়ে আটিছে, মোৰ কাৰণে আকৌ নতুনকৈ কিছুমান বেজাৰ গোটাই লবৰ ইচ্ছা নাই। সেইদেখি মই মৰোঁ বুলি মা দেউতাইতে মোক বিয়া হবলৈ নিজেও অনুৰোধ নকৰা হল আৰু আনৰ হতুৱায়ো অনুৰোধ নকৰোৱা হল। তেতিয়াৰেপৰা মই তেখেতসকলৰ অপুতৰ পুত, আলাসৰ লাৰু। মই কেনেবাকৈ মনত আঘাত পাওঁ বুলি মাইতে মোৰ গাত টোপ পৰিবলৈকে নিদিয়া হল। এইদৰেই মই যেনিবা পৰিত্ৰাণ পালো।

মোক বিয়া কৰিবলৈ কোন কোন প্ৰাৰ্থী হৈছিল সেইবিলাকৰ কথা মই সকলো জানো। এইবিলাক খবৰ যোগাবলৈ কতজনী আৰু কতজন উপযাচিয়েই হওক বা নিযুক্ত হৈয়ে হওক মোৰ ওচৰত উপস্থিত হৈছিলহি তাৰ লেখ-জোখ নাই।

এই প্ৰাৰ্থীবিলাকৰ এজন আছিল যোৰহাটৰ এজন হাকিমৰ পুতেক। অন্ধ সমাজ! মুন্সুপৰ লৰা বুলিলেই যেন হাততে স্বৰ্গখন ঢুকি পায়। আঐ, এওঁৰ যে স্বভাৱ! কলিকতাত যে এওঁ কি সুকীৰ্ত্তি ৰাখি থৈ নাহিছে! এওঁ মিষ্টাৰ এক নম্বৰৰ ধুৰন্ধৰ আৰু লম্পট। এওঁৰ নামটো শুনিলেই মোৰ নাক কোচ খাই যায়। মিঃ বৰুৱা আৰু মিঃ শৰ্ম্মাইতে নাম কৰিব ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হৈ, আৰু এওঁ মিষ্টাৰে নাম কৰে গড় খাৱৈত শোভিত হৈ। অইন কি আমি গোখেল মেমৰিয়েল স্কুলত পঢ়োতে তাতো এওঁৰ নাম আমাৰ কাণত পৰিছিল গৈ। কেতিয়াবা মাতাল হৈ এওঁ গড়ৰ মাঠত পৰি থাকিব। পিছত কোনোবা অসমীয়া লৰাই খবৰ পাই নিজৰ বিছনাত শুৱাই থৱহি, টেঙা-টোকোচা খুৱাই পৰিচৰ্য্যা কৰিব তেতিয়াহে এওঁৰ সংজ্ঞা আহে, তেতিয়াহে এওঁৰ কোনোমতে ৰক্ষা! এইবিলাক খবৰ মই ডিব্ৰুগৰত থকা আমাৰ দদাইদেউৰ পুতেক প্ৰভাত ককাইদেউৰপৰা পাই আছিলোঁ।

এওঁৰ উপৰিও পেস্কাৰৰ লৰা, চাহ খেতিয়কৰ লৰা আদি মোৰ কাৰণে প্ৰাৰ্থী হৈছিল। এওঁলোকৰ সকলো[...] প্ৰস্তাৱ মই প্ৰত্যাখ্যান কৰিছো। কিন্তু ইয়াত [...] লেশ মাত্ৰও অহঙ্কাৰ নাই। মই অহঙ্কাৰ কৰি [...] কাম কৰিছো বুলি যেন কোনেও নাভাবে। মোৰ [...] কৰিবলৈ ইচ্ছা থকাহেতেন মই এটি খেতিয়কৰ লৰা[...] বিয়া কৰিব পাৰিলোহেতেন। মোৰ ক্ষোভ [...] উকীল, মুন্সুপৰ লৰাৰ ওপৰতেই নহয়, মোৰ ক্ষো[...] গোটেই পুৰুষ জাতিৰ ওপৰত।

এবাৰ মোক ভাল পাবলৈ এজন প্ৰেমিকৰ আ[...] হৈছিল। সেইবাৰ পূজাৰ বন্ধত প্ৰভাত ককাইদে[...] আমাৰ তেজপুৰত পূজা চাবলৈ আহিছিল। এওঁৰ লগ[...] আহিছিল কলিকতাৰ মেডিকেল কলেজত পঢ়া ডিব্ৰু[...] এজন ডেকা। তেওঁক কাকতি বুলিয়েই পৰিচয় দি[...] আছিল নামটো নকওঁ, ক'ৰবাত বেচেৰাই আকৌ অপ[...] পাব।

মেডিকেল কলেজৰ ছাত্ৰবিলাকৰ কথা মোৰ কিছু জ[...] আছে। কলিকতাৰ ছাত্ৰমহলত এওঁলোকৰ বেছ সুখ্যাতি[...] আন আন কলেজৰ ছাত্ৰসকলে এওঁলোকক অলপ হিং[...] চকুৰে চায়। অৱশ্যে ইয়াৰ কাৰণো আছে। এওঁলো[...] হেনো বৰ সুখী। কথাটো খোৰতে কৈ থলোঁ; সু[...] বুজিব।

প্ৰভাত ককাইদেউ আমাৰ ঘৰলৈ আহিয়েই এওঁ[...] মোৰ পৰিচয় কৰি দিয়ালে।—"মিঃ কাকতি, এওঁ মো[...] ভনী, বৰ দেউতাৰ জীয়েক। এওঁ কলিকতাৰ গোখেল মেমৰিয়েল স্কুলৰ ক্লাছ টেনলৈকে পঢ়িছিল। পি[...] বাইদেৱেকৰ মৃত্যু হোৱাত বৰ মাই বেজাৰত স্কুল এৰা[...] পেলালে। এওঁৰ স্কুল কেৰিয়াৰ বৰ ব্ৰিলিয়েণ্ট। ক্লা[...] সদায় প্ৰথম দ্বিতীয় হৈ প্ৰমোশ্যন পাইছিল। এওঁ[...] আছল নাম বিনীতা; ঘৰত মতা নাম ডলী। আপু[...] এওঁক মোৰ দৰেই 'তুমি' বুলি সম্বোধন কৰিব।"

ইয়াৰ পিছত ককাইদেৱে মোৰ লগতো কাকতি[...] পৰিচয় কৰি দিয়ালে।

ককাইদেৱে মোৰ গুণ বখানি কথাখিনি কওঁতে [...] কাকতিৰ মুখখন ৰঙা-চঙা পৰি যোৱা যেন দেখিছি[...]



[...]ওঁ মাজে মাজে মোৰ মুখলৈ কেৰাহিকৈ চাই মিচিকিয়াই [...]হি আছিল।

পৰিচয় পাই তেওঁ মোক ধন্যবাদ দিবলৈ ককাইদেৱে [...]ৱাৰামতে তুমি বুলিয়েই সম্বোধন কৰি আৰম্ভ কৰিলে—[...]লী, তোমাৰ পৰিচয় পাই মই বৰ সুখী হলোঁ; কিন্তু মই [...]ৰ দুখ পাইছো যে তুমি সোনকালে স্কুল এৰি আহিব লগা [...]ল। তোমাৰ নিচিনা ছোৱালীয়ে ইংলিছত অনাৰ্ছলৈ [...]অন্ততঃ বি, এটো পাছ কৰা উচিত আছিল। তোমাৰ [...]ব্ৰিলিয়েণ্ট স্কুল কেৰিয়াৰৰ কথা জানি বৰ মুগ্ধ হৈছো। [...]গোখেল মেমৰিয়েল স্কুলত প্ৰথম দ্বিতীয় হোৱা সাধাৰণ [...]থা নহয়। আশা কৰোঁ তুমি অসমীয়া নাৰী সমাজৰ [...]উন্নতিৰ কাৰণে যথাসাধ্য চেষ্টা কৰিবা।"

তাৰ পিছত তেওঁ আমাৰ তালৈ অহা উদ্দেশ্যৰ বিষয়ে [...]কবলৈ আৰম্ভ কৰিলে—

"তোমাৰ ককাইদেৱেৰা আৰু মোৰ তেজপুৰলৈ [...]আহিবলৈ বহুত দিনৰেপৰা ইচ্ছা আছিল। আজি কেবা [...]বছৰৰপৰা বাণ থিয়েটাৰৰ সুন্দৰ অভিনয়ৰ কথা শুনি [...]আহিছো। কলিকতাৰ ছিনেমা থিয়েটাৰ হল বুলিনো [...]আৰু কিমান চাবা? সেইদেখি ভাবিলো আমাৰ অসমৰ [...]গৌৰৱস্থল বাণ থিয়েটাৰৰ অভিনয়কে এইবাৰ চোৱা [...]হওক। এয়েই আমাৰ তেজপুৰ যাত্ৰাৰ আছল [...]উদ্দেশ্য।"

মই অলপ বিনয় সুৰত ভদ্ৰতা ৰক্ষা কৰিবলৈ তেওঁক [...]সুধিলো—"নাই, বাণ থিয়েটাৰৰ আগৰ নিচিনা নাম [...]নাই। আপোনালোক কলিকতীয়া মানুহে অসমৰ [...]থিয়েটাৰ চাই কি তৃপ্তি পাব?"

সেই দিনাৰে মিঃ কাকতিৰ লগত কথা-বতৰাৰ [...]দিনানতে ওৰ পৰিল।

সেই দিনাৰেপৰা অকলৈ হওক বা ককাইদেউৰ [...]লগতেই হওক কাকতি আৰু মোৰ মাজত নানা বিষয়ৰ [...]কথা হবলৈ ধৰিলে।

কিন্তু এদিন ৰাতিপুৱা! সেই দিনা কাকতিয়ে এটি [...]মিচিকিয়া হাঁহি মাৰি কলে—"ডলী, তোমাৰ এখন [...]চিঠি আছে।"

মোৰ অলপ সন্দেহ হল। সুধিলোঁ—"কোনে দিছে?"

তেওঁ কলে—"বাৰু গধূলিকৈ জানিবা।"

মোৰ বুকুখন চিৰিং কৰি গল!

গধূলি পৰত মোক অকলশৰে লগ ধৰি তেওঁ চিঠিখন দি কলে—"হোৱা ডলী, আশা কৰো তুমি এই চিঠিখনৰ কথা কাৰো আগত প্ৰকাশ নকৰিবা।"

চিঠিখন দিয়েই তেওঁ ককাইদেউৰ লগত ফুৰিবলৈ ওলাই গল।

মই সন্দেহেৰে চিঠিখন গ্ৰহণ কৰিলো। এটা সুন্দৰ নীলা খামৰ মাজত চিঠিখন সুমাই দিছে। চিঠিখন ফলাৰ আগতে ভাবিলো—কিজানি কথা ক'ৰবাত বা! ফালি দেখো যে হয় যি হয় কথাৰ পাক চক্ৰ কিবাহে! এইখন মোলৈ মিষ্টাৰৰ প্ৰেম-পত্ৰ। মিষ্টাৰে মোৰ লগত প্ৰেম কৰিবলৈ কাৰবাৰ কৰিছে! বেচেৰাই ভাবিছে চাগৈ সমুখত এজনী গাভৰু ছোৱালী পাইছো যেতিয়া তেওঁৰ লগত পাৰিলে অলপ কাৰবাৰ কৰাই ভাল। আয়ু, মোৰ কুটুম!

তেওঁ লিখিছে কি—তেওঁ হেনো মোৰ প্ৰেমত 'হাবুডুবু' খাইছে। তেওঁৰ অণু-পৰমাণুবোৰ হেনো মোক অভ্যৰ্থনা জনাবলৈ সদায় সচেতন! তেওঁ হেনো জীৱনত মোৰ বাহিৰে কাকো ভাল পাব নোৱাৰে। মোৰ নিচিনা হেনো ৰূপৱতী ক'ৰবাত আৰু আছে বুলি তেওঁ ভাবিবই নোৱাৰে। মোক চিৰকাল বুকুত লৈ থাকিব পাৰিলে তেওঁ হেনো ধন্য মানিব।

ছিঃ! এইবোৰ কথা মোৰ লিখিবলৈকে লাজ লাগিছে। দুদিন নৌ হওঁতেই ইয়াৰ ইমান সাহ! নিজৰ মতলব সিদ্ধি কৰিবলৈ এই পুৰুষ জাতিটোৱে যে কিমান অদ্ভুত কথাৰ অৱতাৰণা কৰিব নোৱাৰে। এনে লাজ নাইকিয়া এই জাতিটো!

চিঠিখন পঢ়ি মোৰ খঙো উঠিল, হাঁহিও উঠিল। হাঁহি উঠিল—তেওঁৰ আক্কেলটোৰ কাৰণে আৰু খং উঠিল তেওঁৰ নিলাজ কথাবোৰৰ কাৰণে। পিছত স্থিৰ কৰিলো এই মোকৰ্দ্দমাৰ ভাৰ মই নিজেই গ্ৰহণ কৰিম।

গধূলি ককাইদেউহঁত ফুৰি আহিল। মিষ্টাৰ কাকতিয়ে আহি প্ৰথমতে চুচুক-চামাক কৰিছে। মনত বোধকৰো অলপ সন্দেহ হৈছিল মই কথাটো প্ৰকাশ কৰি দিওঁ বুলি। মই তেওঁৰ মনৰ ভাবটো বুজি নিজেই মাত লগালোঁ।—"আপোনালোক ফুৰি আহিল ?"

তেওঁ যেন উচপ খাই উঠিল। এটা যেন ডাঙৰ সমস্যাৰ পৰা তেওঁ ৰক্ষা পৰিল। মনতে ভাবিলে চাগৈ—উস, ডলীজনী কি ভাল ছোৱালী! আৰু ভাবিলে চাগৈ তেওঁৰ চিঠিয়ে কাম দিলে। তেওঁ সন্দেহশূন্য হৈ তৎক্ষণাৎ আনন্দ লাগিলে মানুহৰ যেনে লাগে তেনে ভাবত অলপ থৰ গতিত কলে—"ডলী, আজি আমি তোমালোকৰ তেজপুৰৰ পাৰ্কবোৰ চালোগৈ। এই পাৰ্কবোৰ দেখি বৰ ভাল লাগিল। তেজপুৰৰ পদুম পুখুৰী কেইটাই গোটেই নগৰখনৰ সৌন্দৰ্য্য তুলি ধৰিছে। অগ্নিগড়টো দেখি······"মনৰ আনন্দৰ বেগত এওঁ আৰু যে কত কথা নকলেহেতেন! মই ভাবিলো এই মূল্য নোহোৱা কথাবোৰৰ ইমানতে অন্ত পেলাব লাগিল। সেইদেখি মই "ওঁ" বুলি কৈ তেওঁৰ ওচৰৰপৰা আতৰ হৈ গুচি গলো।

পিছ দিনা মোহাদেৱহঁতে প্ৰভাত ককাইদেউক ৰাতি ভাত খাবলৈ নিমন্ত্ৰণ কৰিলে। মই মনতে ভাবিলো, আজিয়েই মিষ্টাৰক শিক্ষা দিবৰ অপূৰ্ব্ব সুযোগ। সেই দেখি তেওঁক লগ পাই কলো—"আজি ৰাতি ককাইদেউ অলপ দূৰত মোহাদেৱহঁতৰ ঘৰত ভাত খাবলৈ যাব। তেখেত ঘূৰি আহোতে ৰাতি দুটামান বাজিব। আশা কৰো ৰাতি খাই বৈ উঠাৰ পিছত আপোনাক মই অকলশৰে লগ পাম।"

এই বুলি কৈয়ে মই তেওঁৰ ওচৰৰপৰা সাউৎ কৰে ওলাই গুচি আহিলো। তেওঁ মুখ মেলি কিবা এটা কবলৈ ধৰিছিল; মই সুযোগ নিদিলো। বেচেৰাৰ মেলা মুখ মেলাতেই থাকিল।

ককাইদেউ ৰাতি ৮ মান বজাত মোহাদেৱহঁতৰ ঘৰত ভাত খাবলৈ গল। যাওঁতে তেখেতে মোক আৰু কাকতিক মাত লগাই গৈছিল।

ককাইদেউ যোৱাৰ পিছৰপৰাই মিষ্টাৰৰ গাত তৎ নাইকিয়া হল। তেওঁৰ গা সাতখন আঠখন কৰি ধৰিলে। এবাৰ বঙলাটোৰ ইটো কমলৈ যাব, এ সিটো কমলৈ যাব। এবাৰ আয়নাত নিজৰ প্ৰতিবিম্ব চাব, এবাৰ সুহুৰি এটাকে মাৰিব; এবাৰ হয়তো ভুন ভুনাই গীত এটাকে টানিব। মিষ্টাৰৰ দেখি মোৰ বৰ পুতৌ হৈছিল। এই তথাকথিত প্ৰেমিকখানৰ উচপিচনি, ধৰফৰণি দেখি মোৰ যে হাঁহি উঠে। কোনোবা টেঙৰ ছোৱালীয়ে ইচ্ছা কৰি ইহঁতক নাকত ধৈ চাকত ঘূৰাব পাৰে।

এওঁ মিষ্টাৰে ভাবিছিল চাগৈ—ডলীৰ মন ঘূ আজি ৰাতি প্ৰভাত নোহোৱাত অকলৈ মোৰ পোৱাৰ মানে ডলী মোৰ প্ৰতি সুপ্ৰসন্ন। আৰু ভা চাগৈ আজি তেওঁৰ অভিসাৰৰ দিন!

এবাৰ তেওঁ মোক লগ ধৰি সুধিলে—"ডলী ধঁহিবানে? এইবাৰ মই কলিকতাৰপৰা আহোঁতে এ বৰ সুন্দৰ সুগন্ধি স্ন লৈ আহিছো।"

মই কথাটো শুনিয়েই লাজত মৰি যোৱা যেন হ বেছি কথা নাভাবি তৎক্ষণাৎ উত্তৰ দিলো—"না মোৰ স্ন আছে।"

মই মনতে ভাবিলোঁ।—"ই এটা কি পাষণ্ড! এ বজা ৰাতি, ভাত খাবলৈ আৰু ১৫ মিনিটেই নাই, পাগলটোৱে মোক ভালৰি বোলাবলৈ স্ন দিবলৈ আ হৰি, হৰি!

ৰাতি খাই বৈ উঠি সকলো শুলে। মা-দেউতা টোপনি নাই অহা যদিও তেখেতসকল দূৰৰ আন ঘৰত শোৱে। সৰু ভনীজনী আৰু ভাইটোৰ কেতিয়া টোপনি গল। চাকৰ চাকৰণীহঁতৰ ঘৰত তেতিয়াও জলি আছে।

মিষ্টাৰৰ গাত চাগৈ জ্বৰ উঠিব পায়। মই গাত বিহাখনৰ এটা আচল টানি ককালত বান্ধি লৈ সাৱে ভৰিৰে সাৱে মিষ্টাৰৰ কমত সোমালো। তেওঁ নিজৰ মুখখন আৰ্চিখনত চাই সেওঁতা কাঢ়ি আৰু টেবুলৰ ওপৰত আধাপোৰা এটা ছিগাৰেটৰ উমি উমি ওপৰলৈ উৰি আছিল। গোটেই কম



এছেন্সৰ গোন্ধ বিয়পি পৰিছে। মোক দেখিয়েই মিষ্টাৰে ফণিখন টেবুলত পেলাই থৈ গিৰিপকৈ চকীখনৰপৰা উঠি দুই বাহুৰে মোক সাৱটি ধৰিবলৈ আগবাঢ়ি আহিল! মোৰ এনেয়ে খং উঠি আছিল তাতে এওঁৰ এই ভাও দেখি মোৰ খঙে মূৰৰ চুলি পালেগৈ। মই নিজকে চম্ভালিব নোৱাৰি ৰণচণ্ডীৰ দৰে কৈ উঠিলো—

"চুপ মূৰ্খ! অধৈৰ্য্য নহবি। মই কেবা দিনৰ পৰাই তোৰ স্বভাৱ চৰিত্ৰলৈ লক্ষ্য কৰি আহিছোঁ; কিন্তু কালি তোৰ চিঠিখন পাবৰপৰা মোৰ গাত সাতকুৰা জুই জ্বলিব লাগিছে। কিয়, মেডিকেল কলেজৰ ইউৰেছিয়ান গাভৰুৰ লগত প্ৰেম কৰি আমুৱালেনে? ছিঃ, তইঁত কি নিলাজ! দুদিনৰ কাৰণে ফুৰিবলৈ আহি এজনী ছোৱালীৰ লগত ব্যভিচাৰ কৰিবলৈ আজি নিঃসঙ্কোচে উদ্যত হৈছ। তইঁতৰ মানত নাৰী জাতি ভোগৰ সামগ্ৰী। তইঁতৰ যেতিয়াই ভোগলীপ্সাৰ অন্ত পৰিব তেতিয়াই য'ৰে ছোৱালী ত'তে এৰি থৈ লৰ ধৰিবি। এয়ে তইঁতৰ স্বভাৱ!"

এই কথাখিনি কোৱাৰ লগে লগে সাপৰ দৰে খুটিবলৈ অহা মিষ্টাৰৰ মূৰ্ত্তিটো বিছনাত ঢাল খাই পৰিল। মুখৰ বৰণ শেঁতা হল। মাত কৰবালৈ গল।

তাৰ পিছত তীব্ৰ ঠাট্টাৰ সুৰত আকৌ কলোঁ।—"বাৰু তোমাৰ যদি নাৰী সঙ্গমৰ আৱশ্যক হৈছে, মই এতিয়াই তোমাৰ উদ্দেশ্য পূৰ্ণ কৰিম।"

এই বুলি বাৰাণ্ডালৈ ওলাই আমাৰ চুক্ৰী বোলা আৰৱী চাকৰণী ছোৱালীজনীক মাত লগালোঁ।—"চুক্ৰী, এই চুক্ৰী, এই পিনে আহ।"

মই তাইক এইদৰে বিজ্ঞিয়াই মতা শুনিয়েই বপুৰাৰ জীৱ উৰি গ'ল। বেচেৰাই ভাবিলে চাগৈ কথাটো এতিয়া গোটেইখনতে ৰাষ্ট্ৰ হৈ পৰিব। সেইদেখি তেওঁ বিছনাৰপৰা গিৰিপকৈ উঠি কমৰ ভিতৰৰপৰা খিৰিকি খনেদি মূৰটো বাৰাণ্ডালৈ উলিয়াই সেহাই সেহাই কাবৌ ককালিৰ সুৰত কলে—"মোক ক্ষমা কৰক। কথাটো গোটেইখনতে ৰাষ্ট্ৰ নকৰিব। মই কাণত ধৰি কৈছোঁ মই আৰু জীৱনত এনে ভুল কেতিয়াও নকৰিম। মোৰ ভুলৰ বাবে মই আপোনাক ক্ষমা খুজিছোঁ। প্ৰভাতে এই কথা জানিলে মই আত্মহত্যা কৰিব লাগিব। মই আপোনাৰ আই দেউতাকৰ শপত দিছোঁ, কথাটো কাৰো আগত নুলিয়াব।"

চকু ঢুলঢুলীয়া কৰি কান্দোনৰ সুৰত বেচেৰাই কপি কপি কোৱা কথাখিনি শুনি মোৰ মুখত এটি হাঁহি বিৰিঙি পৰিল। মনতে ভাবিলোঁ।—পাইছ সেকা! 'তুমি' সম্বোধনৰ ঠাইত দেখোন এতিয়া 'আপুনি' সম্বোধন?

চুক্ৰী আহি মোৰ ওচৰত উপস্থিত। তাই লেৰাই লেৰাই সুধিলে—"কেলেই বাইদেউ? বাইদেৱে মোক উৰাতু খোৱাৰ নিচিনাকৈ মতা শুনি ভাত খাই তিতা হাতেৰেই আহিলোঁ।"

"চুপ, বেছি কথা নকবি। শুন, তোক এই বাবুৱে মাতিছে।"

এই বুলি কৈয়ে মই বাৰাণ্ডাৰপৰা ছাট কৰে অদৃশ্য হৈ নিজৰ কমত সোমাই দুৱাৰ খিৰিকি বন্ধ কৰি শুই থাকিলোঁগৈ।

তেতিয়া আমাৰ 'টাইম পীচ' টোত এটা বাজিছে।

মোৰ প্ৰায় তিনটামান বজালৈকে সেই দিনা ৰাতি টোপনি নাহিল। প্ৰভাত ককাইদেউ আহি মোক মতা কব পাৰোঁ। কিন্তু মই টোপনিৰ ভাও জুৰি মাত নলগালোঁ। মিষ্টাৰকো ককাইদেৱে মাতিছিল, তেৱোঁ চাগৈ টোপনিৰ ভাও জুৰিলে। পিছ দিনা শুই উঠি দেখো মিষ্টাৰৰ চকু উখহি আছে। বেচেৰাৰ চাগৈ চিন্তাতে গোটেই ৰাতি টোপনি নাহিল। পা মজা।

মই ৰাতিপুৱা চুক্ৰীক মাতি আনি সুধিলোঁ।—"চুক্ৰী, তোক কালি ৰাতি বাবুৱে কেলেই মাতিছিল?"

তাই কলে যে বাবুৰ হেনো বৰকৈ পিয়াহ লাগিছিল। সেইদেখি পানী এগিলাছ খুজিছিল।

মনতে ভাবিলোঁ।—মিষ্টাৰৰ উপস্থিত বুদ্ধি বেছ আছে। তেওঁৰ কিমান পিয়াহ লাগিছিল মইহে জানো, আনে তাৰ কি গম পাব।

ঘটনাৰ ঠিক পিছদিনা আবেলি মিষ্টাৰে যাবলৈ প্ৰস্তাৱ কৰিলে! ককাইদেউহঁত সকলো অবাক। মই

কিন্তু তেওঁ এই প্ৰস্তাৱ নকৰাহেতেনহে অবাক হলোহেতেন। যাহওক, মা-দেউতা আৰু ককাইদেউইঁতে ধৰি মেলি যেনিবা আৰু দুদিন ৰাখিলে। দুদিন তেওঁ যেন মোৰ ছাঁটোকে নসহিব! দুদিনৰ পিছত তেওঁ আৰু ককাইদেউ দুয়োজন যাবলৈ ওলাল। ককাইদেউৰ আৰু কেইদিনমান থাকিবৰ ইচ্ছা আছিল। কিন্তু মিষ্টাৰৰ কাৰণেই তেওঁ সোনকালে যাব লগা হল।

যাবৰ সময়ত মিষ্টাৰে মোক ওপৰে ওপৰে এই বুলি মাত লগালে—"আমি যাওঁ এতিয়া।"

বোধকৰোঁ মোক মাত নলগাব পৰাহেতেনেই তেওঁ ভাল পালেহেঁতেন। কিন্তু ইমান দিনে মোৰ লগত একে লগে কথা বতৰা পাতি ৰং-ধেমালি কৰি যাবৰ বেলিকা মাত একেবাৰ নলগাই নগলে আমাৰ মাজত কিবা এফেৰি ঘটিছে বুলি ককাইদেউইঁতে ভাবিব পাৰে বুলিয়েই বোধকৰো মিষ্টাৰে সেইদৰে মোক কথা-মুখাকৈ মাত এবাৰ লগাইছিল। তেওঁৰ মনত চাগে মই সেই দুদিন এজনী ৰাক্ষসী। কিন্তু তাৰ আগতে তেৱেঁই মোক তিলোত্তমা বুলি আখ্যা দিছিল! ইয়াকেই কয় বোলে বিধিৰ বিধান!

মই কলো—"ভাল যাওক। কিন্তু আপোনালোকৰ লগত এসাজো ভালকৈ ৰং-ধেমালিৰে থাব নোৱাৰিলো। সেইবাবে বেজাৰ থাকি গল।"

মোৰ কথাখিনিয়ে চাগে মিষ্টাৰৰ শৰীৰ থকা-সৰকা কৰিছিল। এই লম্পট স্বভাৱৰ মানুহবিলাকক এইদৰেই শাস্তি দিব লাগে। তেহে যদি ইহঁতে শিক্ষা পায়।

ককাইদেউইঁত গল। কিন্তু তেওঁলোক যোৱাৰ পিছত সেইদিনা ৰাতি মিষ্টাৰক তই-ইয়কৈ টান কথা কোৱাৰ কাৰণে মোৰ অলপ অনুশোচনা আহিছিল।

কেইমাহমানৰ পিছত জানিব পাৰিলোঁ যে কলিকতাৰ মেডিকেল কলেজৰ এজনী ইউৰেছিয়ান ছোৱালীৰ লগত এওঁ মিষ্টাৰ বিশেষ সম্বন্ধেৰে জড়িত! পুৰুষ জাতিৰ এই স্বভাৱৰ কাৰণেই আজি মোৰ এওঁলোকৰ ওপৰত এই বিদ্বেষ, এই বিতৃষ্ণা।

এই ঘটনাটো মই আজিকোপতি কাকো আগ[...] প্ৰকাশ কৰা নাই।

এনেকুৱা অনেক ঘাত-প্ৰতিঘাত মোৰ জীৱন[...] ওপৰেদি বৈ গৈছে। কিন্তু তথাপি মই অলৰ অচৰ; তথাপি মোৰ মনৰ পৰিৱৰ্ত্তন হোৱা নাই।

## দ্বিতীয়

মই কিয় বিয়া নহওঁ তাৰ কাৰণটো এতিয়ালৈ[...] কোৱা হোৱা নাই। পুৰুষৰ ওপৰত গভীৰ ক্ষোভ, বিদ্বেষ আৰু বিতৃষ্ণাই যে মই বিয়া নোহোৱাৰ আ[...] কাৰণ এই কথা আগতে অলপ কৈ আহিছো। এতি[...] এটা জীৱন্ত উদাহৰণ দি কথাটো ভালকৈ বুজা[...] দিম।

মোৰ যে এগৰাকী বাইদেউ আছিল আৰু তেওঁৰ মৃত্যুৰ কাৰণেই যে মই স্কুল এৰি আহিব লগা হল এই কথা আগতে প্ৰকাশ পাইছে। তেখেতৰ আচল নাম আছি[...] নমিতা বৰুৱা; কিন্তু ঘৰত মতা নাম জলী। ম[...] তেখেতক জলী বাইদেউ বুলিয়েই মাতিছিলোঁ।

জলী বাইদেউৰ ৰূপৰ বৰ্ণনা নাই। তেখেত যে[...] আকাশৰপৰা খহি পৰা এটি জলন্ত তাৰকা! মা[...] মিছাকৈয়ে মোৰ ৰূপৰ প্ৰশংসা কৰে। তেখেতৰ ৰূ[...] লগত মোৰ ৰূপৰ সমুলি তুলনা নহয়।

জলী বাইদেৱে পঢ়িব লাগিছিল গোখেল মেমৰিয়[...] স্কুলত। তাত তেখেতৰ ৰূপৰ আচল প্ৰশংসা হলহেতেন। এই স্কুলখন যেনিবা এখন ৰূপ আৰু সৌন্দৰ্য্যৰ মেলা! কত কিছিমৰ ছোৱালীনো ইয়াত নেদেখিবা! কি সা[...] সজ্জা, কি পোছাক পৰিচ্ছদ! কি ৰূপ, কি লাৱ[...]! অসমৰপৰা যোৱা আমাৰ জলী বাইদেৱে নিজৰ অ[...] আৰু কমনীয় ৰূপ লৈ তাৰ সৌন্দৰ্য্য প্ৰতিযোগিতাত নিশ্চ[...] উচ্চ স্থান অধিকাৰ কৰিব পাৰিলেহেতেন।

কিন্তু তেখেত কোনো স্কুলতে পঢ়া নাছিল, গোখে[...] মেমৰিয়েল স্কুল দূৰৰ কথা। অথচ ঘৰতে থাকি ঘৰ[...] শিক্ষকৰপৰা তেখেতে যি শিক্ষা লাভ কৰিছিল সি অ[...] প্ৰশংসনীয়। অসমীয়া সাহিত্যত তেখেতৰ বিশেষ বা[...]



আছিল। মাজে মাজে গুপ্ত নাম দি 'অৰুণ' আৰু "ঘৰ জেউতি"ত প্ৰবন্ধও তেখেতে প্ৰকাশ কৰিছিল।

জলী বাইদেউ আছিল মোৰ আদৰ্শ। তেখেত মোতকৈ পাঁচ বছৰৰ ডাঙৰ। সেইদেখি সকলো কথাতে মই তেখেতক মোৰ আদৰ্শ স্থানীয় কৰি লৈছিলোঁ। কি কথা কোৱাত, কি ফুৰা চকাত, কি পিন্ধা উৰাত, আনকি কি খোৱা বোৱাত সকলো বিষয়তে মই বাইদেউৰ অনুকৰণ কৰিছিলো।

বাইদেৱে মোক প্ৰাণতকৈও ভাল পাইছিল। ময়ো তেখেতক ভাল পাইছিলো আৰু ভয় আৰু ভক্তিও কৰিছিলো। বাইদেৱেই মোক পোনতে ঘৰতে লিখিব পঢ়িবলৈ শিকাইছিল আৰু কণত কাপোৰ শিবলৈ আৰু বেজিৰ কাম কৰিবলৈ শিক্ষা দিছিল। কিন্তু তেখেতে গান ভালকৈ নাজানিছিল। মই কলিকতাত থাকোতে সঙ্গীত চৰ্চ্চা কৰিবলৈ সুবিধা পাইছিলো।

বাহ্যিক বিষয়ত আমাৰ মাজত সকলো পিনে মিল হলেও মানসিক ফালৰপৰা বাইদেউ আৰু মোৰ মাজত বহুতো অমিল আছিল। বাইদেউ আছিল ভাবপ্ৰৱণ, কল্পনাপ্ৰিয় আৰু চঞ্চল। তেখেতে সপোন ৰাজ্যত বিচৰণ কৰি ফুৰিবলৈ বৰ ভাল পাইছিল। তেখেতৰ অন্তৰখন আছিল কোমলতা আৰু দয়াৰে পৰিপূৰ্ণ। অন্ধ, বোবা, কণা, কুজা মানুহ দেখিলে তেখেতে কান্দি পেলাইছিল। দুখীয়াৰ দুখত তেখেতৰ অন্তৰ সদায় গলি গৈছিল। বাইদেউৰ অলপতে ঠেঁহ-পেছ লাগে। মা বা দেউতাই অলপ টান কথা একেবাৰ কলেই তেখেতে কেতিয়াবা দুই তিনি সাঁজ ভাত নাখাইছিল।

জলী বাইদেৱে প্ৰাকৃতিক সৌন্দৰ্য্য দেখি সমূলি ভোল গৈছিল। কেতিয়াবা সূৰ্য্য অস্ত যাওঁতে পশ্চিম আকাশ-খন দেখিবলৈ বৰ ধুনীয়া হলে তেখেতে একেৰাহে তালৈকে চাই থাকিছিল। কেতিয়াবা আকৌ আমাৰ ফুলৰ বাগিচাখনত সোমাই ফুলি থকা ফুলবোৰৰ লগত তেখেতে ভুন-ভুনাই কথা কৈ থাকেগৈ। সেইদেখিয়েই বোধকৰোঁ বাইদেৱে কবিতা আদি লিখিবলৈ সক্ষম হৈছিল।

মই কিন্তু বাইদেউৰ প্ৰায় ওলোটা। মোৰ ঠেহ-পেছো নাই, ৰাগ-জালো নাই। সামান্য কথাত কান্দিও নেপেলাওঁ আৰু অলপ কথাতে মোৰ হাঁহিও নুঠে। কেতিয়াবা কোনো মানুহৰ হাত ভৰি কাটি ধাৰেৰে তেজ ওলালে জলী বাইদেৱে চিঞৰ মাৰি চকু মুদি পলাই পত্ৰং মাৰিছিল। তেজ ওলোৱা দেখিলে হেনো তেখেতৰ প্ৰাণে নসহে! মোৰ হলে সেইবোৰ নাই। মই সেই অৱস্থাত লৰ মাৰোঁ ছাৰি নিজে তেজকুৰ ধুই ঔষধপাতি দি সেই মানুহজনক শুশ্ৰূষাহে কৰোঁ।

সেইদেখিয়েই হবলা এবাৰ এজনে মোক ক্ৰুৱেল, অৰ্থাৎ নিষ্ঠুৰ বা নিৰ্ম্মম বুলি আখ্যা দিছিল। মোৰ হেনো অন্তঃকৰণখন লোহাৰ দৰে টান, মই হেনো নিমৰমিয়াল। কিন্তু মই নিজকে সিমান কঠুৱা বুলি কেতিয়াও নাভাবোঁ। মোৰো প্ৰাণ আছে, মোৰো অনুভূতি আছে। মাত্ৰা হয়তো কম। কিন্তু এইবিলাকে মোক শাসন কৰি মোৰ মনৰ দুৰ্ব্বলতা প্ৰকাশ কৰিব নোৱাৰে।

জলী বাইদেউ লাহে লাহে ডাঙৰ হৈ আছিল—গাভৰু হল। যৌৱনৰ উজ্জ্বল ৰেখা তেখেতৰ প্ৰত্যেক অঙ্গতে বিৰিঙি উঠিল। কিন্তু যৌৱনত ভৰি দিয়াৰ লগে লগে বাইদেউৰ আগৰ স্বভাৱৰ অলপ পৰিৱৰ্ত্তন ঘটিল। তেখেতৰ সক কালৰ ঠেহ-পেছ, খং-ৰাগ প্ৰায়ে নোহোৱা হল আৰু চঞ্চল প্ৰকৃতি গম্ভীৰ হৈ আহিল। কিন্তু তেখেতৰ মনৰ ভাবপ্ৰৱণতা প্ৰায় আগৰ দৰেই থাকিল।

মই কলিকতাত পঢ়োতে বাইদেউ এবাৰ টান নৰিয়াত পৰিল। মোলৈ দেউতাইতে এই বিষয়ে একো খবৰ দিয়া নাছিল—মই চিন্তা কৰো বুলি। বেমাৰৰ চিকিৎসাৰ কাৰণে চৰকাৰী ডিচ্পেন্সেৰিৰ ছাব এছিছেণ্ট চাৰ্জনক লগোৱা হল। এখেতৰ অহোপুৰুষাৰ্থ চেষ্টা আৰু নেৰা-নেপেৰা চিকিৎসাৰ ফলত বাইদেৱে লাহে লাহে আৰোগ্য লাভ কৰিলে। বেমাৰৰ প্ৰায় এমাহৰ পাছত তেখেত সম্পূৰ্ণ ভাল হল।

এই ডাক্তৰজনৰ নাম মিষ্টাৰ ফুকন বুলিয়েই কম। কিন্তু আচলতে এওঁৰ নাম দোছোৱা।

মিষ্টাৰ ফুকনৰ নিজ ঘৰ যোৰহাটত। এওঁ এঘৰ সম্ভ্ৰান্ত পৰিয়ালৰ লৰা। ছাত্ৰ জীৱনত এওঁ নিজৰ চোকা বুদ্ধিৰ গুণত বেছ সুখ্যাতি লাভ কৰিব পাৰিছিল। কটন কলেজৰপৰা আই-এছ-ছি পৰীক্ষা প্ৰথম বিভাগত পাছ কৰি এওঁ ডিব্ৰুগড়ৰ মেডিকেল স্কুলত অতি সুখ্যাতিৰে চাৰি বছৰ কাল কটাই আৰু ফাইনেল পৰীক্ষাত দুটি পদক লাভ কৰি উত্তীৰ্ণ হয়। ডাক্তৰী পৰীক্ষা পাছ কৰাৰ প্ৰায় দুই তিনি মাহৰ পিছতে মিষ্টাৰ ফুকন ছাব এছিষ্টেণ্ট ছাৰ্জ্জনৰ পদত আমাৰ তেজপুৰৰ চৰকাৰী ডিছপেন্সেৰিলৈ মকৰল হৈ আহে। এওঁ তেজপুৰত প্ৰায় চাৰি পাঁচ মাহমান কাম কৰাৰ পিছতে আমাৰ জনী বাইদেউৰ বেমাৰ হয়, আৰু সেই বেমাৰৰ চিকিৎসাৰ কাৰণে এওঁক মতা হয়।

মিষ্টাৰ ফুকনে বৰ কষ্ট স্বীকাৰ কৰি বাইদেউক পৰিচৰ্য্যা কৰিছিল। তেওঁ প্ৰথমতে দুই তিনি বাৰ মানলৈহে ভিজিটৰ টকা লৈছিল। পিছত দেউতাই দিয়া সত্বেও ভিজিটৰ টকা গ্ৰহণ নকৰিছিল।

মিষ্টাৰ ফুকনে আমাৰ ঘৰত ৰাতি থাকিও বেমাৰ চাবলৈ ধৰিলে। টান নৰিয়াৰ সেই কেইদিন হেনো নিদ্ৰা পৰিত্যাগ কৰিও বাইদেউৰ বেমাৰৰ চিকিৎসা কৰিছিল। টান জ্বৰত তেওঁ নিজে বাইদেউৰ মূৰত চেচা পানী ঢলা কেতিয়াবা আৱশ্যক হলে 'ফুট বাথ'ৰ ব্যৱস্থা কৰা আদি কামো কৰিছিল; অইন কি আনে কৰিলে বেয়া হয় বুলি তেওঁ হেনো নিজ হাতেৰে চাগু, বাৰ্লি আদি তৈয়াৰ কৰিও বাইদেউক খুৱাইছিল।

এইবিলাকৰ মানে আৰু আছিল। এক কথাত, মিষ্টাৰ ফুকন বাইদেউৰ বৰ্ণনাতীত সৌন্দৰ্য্যত মুগ্ধ হৈছিল। তেওঁ বাইদেউৰ ৰূপত মজি গৈছিল।

বাইদেউৰ অসুখ সম্পূৰ্ণ ভাল হল। তথাপিও ফুকন আমাৰ ঘৰলৈ সদায় আহিয়েই আছিল। মা দেউতাই তেওঁক নিজৰ লৰাৰ দৰে মৰম কৰিবলৈ ধৰিলে। অইনকি মাজে মাজে তেওঁক আমাৰ ঘৰত খাবলৈ নিমন্ত্ৰণো কৰিছিল।

জনী বাইদেৱো ফুকনৰ গুণত মুগ্ধ নোহোৱাকৈ নাছিল। নৰিয়াৰ পাটীত পৰিও বাইদেৱে তেওঁৰ গুণৰাজিক পূজা কৰিছিল। তেওঁৰ কি যত্ন, কি শুশ্ৰূষা কি ধৈৰ্য্য, কি কাৰ্য্যদক্ষতা! বেমাৰত পৰি থাকিও মিষ্টাৰ ফুকনৰ এই দেৱোপম গুণৰাশিৰ কাৰণে তেওঁৰ প্ৰতি বাইদেউৰ অন্তৰ ভক্তিত উপচি পৰিছিল। মিষ্টাৰ ফুকনলৈ বাইদেউৰ প্ৰথমতে শ্ৰদ্ধা আৰু ভক্তি উপজিছিল। তাৰ পিছত সেই ভক্তি আৰু শ্ৰদ্ধাৰ লগে লগে তেওঁৰ প্ৰতি বাইদেউৰ এটি অব্যক্ত অনুৰাগ জন্মিল; আৰু শেষত এই অনুৰাগেই ব্যক্ত ভাল পোৱাত পৰিণত হল। মিষ্টাৰ ফুকনে বাইদেউক জীৱনৰ চিৰলগৰীয়া কৰি লবলৈ প্ৰস্তাৱ কৰিলে আৰু বাইদেৱেও ফুকনৰ পৰিশ্ৰম আৰু পৰিচৰ্য্যাৰ প্ৰতিদান স্বৰূপে তেওঁক নিজৰ জীৱন অৰ্পণ কৰিবলৈ ৰাজী হল।

বাইদেউৰ বেমাৰৰ প্ৰায় এবছৰৰ পিছত বহাগ মাহৰ এটি শুভ দিনত ফুকনৰ লগত তেওঁৰ শুভ পৰিণয় হৈ গল। এই বিয়াত সকলোৱে আনন্দ প্ৰকাশ কৰিলে। পৱিত্ৰ সুখত বাইদেউৰ হিয়া নাচি উঠিল। মোক এৰি থৈ বাইদেউ এঘৰলৈ ওলাই যোৱাৰ কাৰণে মই পাবোমানে কান্দিলোঁ। বাইদেৱেও কান্দিলে; কিন্তু মাৰ কান্দোন আটাইতকৈ চৰিল।

বিয়াত বাইদেউৰ বয়স ১৬ বছৰ। তেতিয়া মই ১২ বছৰীয়া পাট গাভৰু। তৃতীয় শ্ৰেণীত পঢ়োঁ।

বিয়া হোৱাৰ পিছত ফুকনে নিজে থকা চৰকাৰী বঙলালৈ বাইদেউক লৈ গল।

তেওঁলোকৰ দাম্পত্য জীৱন কি সুখৰ, কি মধুৰ! সৰগৰ দেৱতাসকলেও চাগৈ বাইদেউহঁতৰ এই সুখত ঈৰ্ষা প্ৰকাশ কৰিছিল। বাইদেউৰ ভিনিহিদেউলৈ অকৃত্ৰিম স্নেহ-ভক্তি আৰু ভিনিদেউৰ বাইদেউলৈ অকৃত্ৰিম ভাল পোৱা বাস্তৱিকে চাবলগীয়া বস্তু। ভিনিহিদেৱে বাইদেউক প্ৰে'ছাছ অৰ্থাৎ অমূল্য ৰতন বুলি মাতিছিল উস্, কি ভক্তি, কি স্নেহ, কি পৱিত্ৰ প্ৰণয়ৰ মোহন অভিনয়! মই নিজ চকুৰেই বাইদেউহঁতৰ এই পৱিত্ৰ অভিনয় চাই মনে মনে মুগ্ধ হৈছিলোঁ।

ভিনিহিদেৱে মোকো নিজৰ ভনীয়েকৰ দৰেই মৰম কৰিছিল।



বিয়াৰ এবছৰৰ পাছত বাইদেউৰ এটি সন্তান জন্ম হল। কিন্তু এমাহমানৰ পিছতে এই সন্তানটিৰ মৃত্যু হয়। তেওঁলোক উভয়ৰে মধুৰ প্ৰণয়ৰ এই বাস্তৱ পুতলাটি হেৰুৱাই তেওঁলোক দুয়োজন ম্ৰীয়মাণ হল।

ইয়াৰ ঠিক চাৰি মাহৰ পিছত। ভিনিহিদেউ কহিমালৈ বদলি হৈ যোৱাৰ বাতৰি আহিল। এই সংবাদ পাই সকলোৱে বেজাৰ পালে। তেতিয়া মই পূজাৰ বন্ধত ঘৰলৈ আহিছোঁ।

শেষত ঠিক হল বাইদেউক ভিনিহিদেৱে আমাৰ ঘৰতে এৰি থৈ যাব। কাৰণ কহিমা বৰ দুৰ্গম ঠাই। পিছত ভিনিহিদেৱে তাত স্থান-স্থিত ললে বাইদেউক নিয়াৰ বন্দবস্ত কৰিব।

ভিনিহিদেউ যোৱাৰ দিনটো মোৰ এতিয়াও মনত লাগি আছে। তেওঁ আমাৰ ঘৰৰপৰাই যাত্ৰা কৰিছিল। কি ভীষণ দিন সেইটো! গোটেই পুৱাটো নেকনেকীয়া বৰষুণ। প্ৰায় ৭মান বজাত ভিনিহিদেউ যাবৰ কাৰণে মটৰ গাৰী আহিল। ঠিক সেই সময়তে আমাৰ চোতালত এহাল কুকুৰে খোৱা-কামোৰা কৰি ভুক ভুকনিত গগণ ফালিছে। সিহঁতৰ যুদ্ধ ক্ৰমান্বয়ে বেছি হবলৈ ধৰিলে। সকলোৱে চেষ্টা কৰিও সিহঁতৰ কাজিয়া ভাঙিব পৰা নাই। দুয়োটাৰ গাৰপৰা দাঁত লাগি তেজ ওলাইছে। শেহত অলপ দুৰ্ব্বল চানেকীয়া কুকুৰটোক ডাঙৰ কুকুৰটোৱে কামুৰি ফালি পেলালে। তাৰ গাৰপৰা ধাৰেৰে তেজ ববলৈ লাগিল। ঠিক গধূলিলৈ কুকুৰটোৰ মৃত্যু হল। এই ঘটনাটোলৈ মনত পৰিলে মোৰ গাৰ নোম এতিয়াও শিঁয়ৰি উঠে।

ভিনিহিদেউ যাবলৈ ওলাল। বাইদেৱে সেৱা কৰি কান্দি কান্দি কলে—"সদায় মোলৈ চিঠি দি থাকিব।" বেজাৰত আৰু তেখেতে কথা কব নোৱাৰিলে। ভিনিহিদেৱে বাইদেউৰ মূৰত ধৰি আশীৰ্ব্বাদ দি তাৰ পিছত তেখেত মটৰত উঠিল। মা আৰু দেউতাই সকলো খবৰ জনাই থাকিবলৈ কলে।

মটৰখন ঘূৰাওঁতে এটা ডাঙৰ পিছল খাইছিল। কথমপি গড় খাৱৈত নপৰাকৈ যেনিবা ৰক্ষা পৰিল। ভিনিহিদেউ গল।

তেখেত যোৱাৰ পাছতো মই আৰু ১২ দিনমান ঘৰত আছিলো। সেই কেইদিনৰ ভিতৰতে বাইদেউৰ ভিনিহিদেউৰ প্ৰতি যি প্ৰগাঢ় পতি-ভক্তি দেখিলো তাত মই আচৰিত নহৈ নোৱাৰিলো। তেখেতে ৰাতিপুৱা সদায় এটি গোলাপ ফুল ছিঙি আনি তেখেতৰ টেবুলত থকা ভিনিহিদেউৰ ফটোখনৰ সমুখত ফুলটো থৈ এটি প্ৰণাম কৰে!

মই কলিকাতালৈ যাত্ৰা কৰাৰ দুদিনৰ আগতে ভিনিহিদেউৰপৰা ডাঙৰ খামত এখন চিঠি আহিল। তাত তেখেতে সকলোলৈকে একোখন চিঠি লিখিছে। বাইদেউলৈ দিয়া চিঠিখন দীঘলীয়া। প্ৰায় চাৰি পিঠিৰ। সেই চিঠিখনত তেখেতে কহিমালৈ যোৱা ৰাস্তাবিলাকৰ কথা, নগাপাহাৰৰ বিনন্দীয়া দৃশ্য আৰু কহিমাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আদিৰ কথা বৰ্ণনা কৰিছে। আৰু বাইদেউক অকলৈ এৰি থৈ যাব লগা হোৱাত তেখেতে যি বেজাৰ পাইছে সেইবিলাক কিবা লিখিছে। মুঠতে চিঠিখনত বাইদেউৰ প্ৰতি ভিনিহিদেউৰ মৰম ফুটি উঠিছে।

তাৰ দুদিনৰ পিছত মই কলিকতালৈ যাত্ৰা কৰিলো।

প্ৰথম দুই তিনি মাহ ভিনিহিদেৱে নিয়মিতৰূপে বাইদেউলৈ চিঠি দি আছিল। তাৰ পিছত চিঠি তনুকৈ দিবলৈ ধৰিলে। শেহত কেতিয়াবা মাহেকৰ মূৰত বা দুমাহৰ মূৰত একোখন চিঠি দিছিল। এইবিলাক চিঠিত বিশেষ কথাৰ উল্লেখ নাই। মাত্ৰ 'মই ভালে আছোঁ'; 'তুমি কেনে আছা?' ইত্যাদি দুই তিনি এষাৰ কথা। অৱশেষত বাইদেউ, মা-দেউতা আৰু মোৰ অনুৰোধ উপেক্ষা কৰি তেওঁ চিঠি দিবলৈ একেবাৰেই বন্ধ কৰি পেলালে! প্ৰায় ডেৰবছৰমানৰ পিছত এবাৰ দেউতাই তেওঁলৈ চিঠি লিখিলে যে বাইদেউক লৈ দেউতা নিজেই কহিমালৈ যাত্ৰা কৰিব। এই চিঠি পাই ভিনিহিদেৱে দেউতালৈ এখন কালান্তক চিঠি লিখিলে। এই চিঠিয়েই বাইদেউৰ কাল হল। এই চিঠিখনত তেওঁ লিখিছে যে দেউতা আৰু বাইদেউ কহিমালৈ যাব নালাগে। দুমাহৰ পিছত তেওঁ নিজেই ছুটীলৈ তেজপুৰলৈ আহিব।

তেওঁ আকৌ মা দেউতাৰ ক্ষমা ভিক্ষা কৰি লিখিছে, তেওঁ হেনো ইতিমধ্যে আৰু এগৰাকী বঙালী গাভৰুৰ পাণি গ্ৰহণ কৰিছে! হৰি, হৰি! কথাটো ভাবি আজিও মোৰ গাৰ নোম ডাল ডাল হয়! এই পাষণ্ডই নিজৰ নব পত্নীৰ গুণ কীৰ্ত্তন কৰি চিঠি ভৰাই লিখিছিল। তেতিয়া হেনো ঘৈণীয়েক অন্তঃসত্ত্বা, আঠ মাহ! তাই হেনো কহিমাৰ এজন উচ্চ বংশজাত ব্যৱসায়ী বঙালী ভদ্ৰলোকৰ কন্যা! কিন্তু আমি পিছতহে গম পাইছোঁ যে এই ভদ্ৰমহিলা গৰাকী হেনো কোনোবা উকীলৰ মহৰী এটাৰ জীয়েকহে! ভগৱান, শেষত গৈ এই দেৱোপম চৰিত্ৰৰ মানুহজনে সামান্য এটা মহৰীৰ জীয়েকত নিজৰ জীৱন বিক্ৰী কৰিলে! চিঠিখনৰ শেষত তেওঁ এইদৰে মোখনি মাৰিছে—যেতিয়া তেওঁলোক ছুটী লৈ তেজপুৰলৈ আহিব তেতিয়া জনী বাইদেৱে হেনো "নতুন গুণৱতী ভনীয়েকক" পাই বৰ সুখী হব পাৰিব।

চিঠি পাই সকলোৰে মূৰত বজ্ৰপাত হল। মোক কলিকতাৰপৰা দেউতাই টেলিগ্ৰাম দি মতাই আনিলে। বাইদেউ দুদিনলৈ হেনো মূৰ্চ্ছা গৈ আছিল। মই ঘৰলৈ আহি সকলো জানিব পাৰি বেজাৰত চিঞৰি-বাখৰি কান্দিবলৈ ধৰিলো। বাইদেউৰ অৱস্থা দেখি মোৰ চুলিৰ আগে জীৱ গল। মই আহি তেখেতক চিনিবই নোৱাৰা হলো। চাৰি-পাঁচ দিনলৈ তেখেতে ভাত-পানী হাতেৰেই নুছুলে। মই কলিকতাৰপৰা অহাৰ পিছ দিনা বাইদেৱে মোক কলে—"ডলী, মোক আৰু তই দেখিবলৈ নাপাবি।"

কথাটো শুনি মোৰ তৎক্ষণাৎ কান্দোন ওলাল। বাইদেৱেও কান্দিবলৈ ধৰিলে। সেইদিনা দুয়োজনীয়ে এবেলামান পৰ কান্দিলো।

শেষত মই কলো—"বাইদেউ, তেনে কথা নকবি; মযো তেনেহলে তোৰ লগতে মৰিম।"

বাইদেৱে একো উত্তৰ নিদি আকৌ কান্দি পেলালে।

ঠিক তাৰ পিছদিনাৰপৰা দেখোন বাইদেউৰ সকলো শোক-বেজাৰ হঠাৎ নাইকিয়া হল। তেখেতে তেখেতক দেখা কৰিবলৈ অহা সকলো মানুহৰ লগত হাঁহি-মাতি কথা পাতিবলৈ ধৰিলে। সেই কেইদিন যে আমাৰ ঘৰখনত মানুহৰ ভিৰ! বাইদেউৰ এই আচৰণত সকলো মানু[h] সুখী নহৈ নোৱাৰিলে। সকলোৱে বাইদেউক প্ৰশং[সা] কৰিলে। কিছুমানে বাইদেউক আৰু মোক তেওঁ[লোক] সকলৰ ঘৰত ফুৰিবলৈ মাতিও গল।

চিঠি পোৱাৰ বোধকৰো আঠ দিনৰ দিনা বাইদেৱে মোক কলে—"ডলী, আজি ফুৰিবলৈ যাওঁ ওলা। পৰহি বুলু, সৰুকণ আৰু গুৱলাইতৰ মাকহঁতে আমাক মাতি গৈছিল; আজি তেওঁলোকক মাত লগাই আহোঁ বল।"

মই সম্মতি প্ৰকাশ কৰি দেউতা আৰু মাৰ সম্মতি খুজিলো। তেখেতসকল বৰং আমাৰ প্ৰস্তাৱত সুখী হল। মাহঁতে ভাবিলে জনীয়ে তেও এইদৰেই ফুৰি-চাকি শোকটো পাতলাওক। দেউতাই মনৰ সন্তোষত আমি ফুৰিবৰ কাৰণে এখন টেক্সিও অনাই দিলে।

আমি মাকো লগত নিব পাৰিলোহেঁতেন। কিন্তু মাই বেজাৰত লোকৰ ঘৰে ঘৰে কান্দি ফুৰে বুলি তেওঁক নিবলৈ নহল। দুয়োজনী মটৰত উঠিলো। বাইদেৱে ড্ৰাইভাৰক লাহে লাহে মটৰ চলাবলৈ কলে। বাটত বাইদেৱে তেখেতে সকলো ঘৰ-বাৰী, ৰাস্তা-পথ সুক্ষ্মভাৱে চাই গৈ আৰু সেইবিলাকৰ বিষয়ে মোৰ লগত মাজে মাজে এটা দুআষাৰ কথাও পাতিছে।

পোনতে গৈ আমি পুলিচৰ ডেপুটি চুপাৰিণ্টেণ্ডেণ্ট মিঃ বৰুৱাৰ ঘৰত সোমালোগৈ। তেখেতৰ ভাৰ্য্যা এগৰাকী বৰ সাদৰী তিৰোতা। আমি যোৱা মাত্ৰকেই তেওঁ আমাক আলো-উধোকৈ বহুৱাই চাহ জলপান খুৱালে আৰু আমাৰ লগত নানা তৰহৰ কথা-বতৰা পাতিলে। আহিবৰ সময়ত তেখেতে বাইদেউলৈ চাই কলে—"বাইদেউ, তুমি একো বেজাৰ অসন্তোষ নকৰিবা; ঈশ্বৰক সাৰথি কৰি চলিবা।" বাইদেৱে এটি কাঠ-হাঁহি মাৰি কলে—"[…] নাই, মই দুখ বেজাৰ এৰি দিছোঁ।"

এই বুলি কৈয়ে তেখেতে সাউৎ কৰে মটৰত উঠি গৈ আৰু মিছেছ বৰুৱাৰ ফালে পিঠি দি আৰু গালে[…] হাত দি বেক ছীটৰ বাওঁফালে বহি পৰিলগৈ। [মই] বাইদেউৰ বিষাদমলিনা, কান্দো কান্দো হোৱা মুখখনলৈ লক্ষ্য কৰি সুধিলো—"বাইদেউ আৰু কাৰবাৰ ঘৰলৈ যাবিনে, ঘৰলৈ উলটিবি?"



মোৰ কথাত বাইদেৱে শোক আৰু আন্তৰিক কান্দোনৰ বেগ চেপি ধৰি মোৰ আৰু মিছেছ বৰুৱাৰ ফালে মুখখন ঘূৰাই উত্তৰ দিলে—"ফুৰিবলৈ আহিছোঁ যেতিয়া চিনাকি সকলোৰে ঘৰত মাত লগাই যাম।"

মিছেছ বৰুৱাৰপৰা বিদায় লৈ আমি ড্ৰাইভাৰক মটৰ চলাবলৈ কলোঁ।

এই দৰেই নগৰৰ চিনাকি আটাইৰে ঘৰত আমাৰ মাত লগোৱা হল।

ফুৰা শেষ হলত বাইদেৱে কলে—"ডলী, বহুত দিন হল, হেলি ডে পাৰ্কখন দেখা নাই, আজি চাই যাওঁ বল।"

মই সম্মতি জনাই হেলি ডে' পাৰ্কৰপিনে ড্ৰাইভাৰক মটৰ চলাবলৈ কলো।

পাৰ্কত সোমাই বাইদেৱে পাৰ্কখনৰ সকলোপিনে চকু ফুৰাই চাই ললে। তাৰ পিছত তেখেতে এটা দীঘল হুমুনিয়াহ পেলালে।

সেইদিনা জোনাক ৰাতি। পাৰ্কখনৰ ঠায়ে ঠায়ে জোনাক পৰিছে আৰু ঠায়ে ঠায়ে গছৰ ছাঁ পৰি আন্ধাৰ পোহৰৰ মোহন সৃষ্টি হৈছে। সেইদিনা মনৰ বেজাৰত আমি অৱশ্যে প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাৰ তালত নাছিলো।

বাইদেৱে শাৰীশাৰীকৈ পাৰি থোৱা একোটা একোটা শিলৰ ওপৰত মাজে মাজে বহি ফুৰিছে।

মোৰ সেইদিনা গাৰ আৰু হাত-ভৰিৰ মঙহবোৰ মাজে মাজে লৰাত বাইদেউক কলোঁ—"বাইদেউ, আজি দেখোন মোৰ গাৰ মঙহবোৰ বৰকৈ লৰিছে।"

বাইদেৱে কথাটো লঘু কৰি উৰাই দি কলে—"থাক, থাক একো নহয়।" এই বুলি কৈ তেখেতে এটা হুমুনিয়াহ পেলালে।

তাৰ পিছত এই কথাটোৰ পুনৰ আলোচনা বন্ধ কৰিবৰ কাৰণে বাইদেৱে মোক সুধিলে—

"বাৰু ডলী, পছন্দ পুখুৰীকিটাৰ কৈতে পাৰ্কখন দেখিবলৈ তোৰ কেনে লাগিছে?"

মইনো কি কম, এনেয়ে মন বেয়া লাগি আছে; তথাপি কলো—"বৰ ভাল লাগিছে, বাইদেউ।"

তাৰ পিছত বাইদেৱে হঠাৎ ঘৰলৈ যাবলৈ মন কৰি কলে—"বল ডলী, যাওঁ।"

আমি পুনৰ মটৰত উঠি ঘৰলৈ উভতি আহিলো।

ঘৰ পায়েই বাইদেৱে মা আৰু দেউতাৰ ভৰিত হাতেৰে স্পৰ্শ কৰি সেৱা জনালে আৰু এটি মিচিকীয়া হাঁহি মাৰি কলে "মা, আজি আমি কেবাঘৰো ফুৰিলো। অইনকি পাৰ্কলৈকো গৈছিলো।"

মই আগেয়ে কেতিয়াও বাইদেৱে ফুৰি আহি মা দেউতাক সেৱা কৰি কথা কোৱা দেখা নাই। আজি বাইদেউৰ এই নতুন আচৰণত মই আচৰিত হলো।

মাই বাইদেউক চুমা খাই হিয়া উবুৰিয়াই মৰম কৰিলে। সেই কেইদিন বাইদেউক মৰম চেনেহ নকৰা মানুহ কোনো নাছিল।

ড্ৰাইভাৰে মটৰ-ভাৰা লৈ বিদায় ললে।

ৰাতি খাই বৈ উঠি সকলো শুবলৈ ওলালো। দেউতা, ভাইটি আৰু ভনীটী আগতে শুলেগৈ। বাইদেৱে শোৱাৰ আগতে মাক মাত লগালে—"মা, আপুনি শোৱকগৈ; আমিও শোওঁ; ৰাতি ১২টা বাজিল।"

বাইদেউ আৰু মই একেটা কমতে শোওঁ। কমটো ডাঙৰ। দুকাষে দুখন ছালপীৰাত আমি দুয়োজনী বেলেগে বেলেগ শুই পৰিলো।

বিছনাত পৰি বাইদেৱে মাত লগালে—"ডলী, শো দেই; মযো শোওঁ, টোপনি ধৰিছে।"

মোৰ অলপ পিছতে টোপনি আহিল। গভীৰ নিদ্ৰাত মই নিমগ্ন হলোঁ।

ৰাতি পুৱাৰ সময়ত এটা কুলক্ষণীয়া সপোন দেখি সাৰ পাই চাওঁ যে কি ভীষণ কাণ্ড! কি হিয়াভগা দৃশ্য! ডলী বাইদেউ এডাল চিপজৰী লগাই ওলমি আছে! মই "মা ঔ" "দেউতা ঔ" বুলি চিঞৰি উঠিলো। মোৰ চিঞৰ শুনি সকলো মানুহ উবুৰি খাই আহিল। কাণ্ড দেখি সকলো অবাক! মা-দেউতাই বাইদেউক সেই অৱস্থাত

দেখি তৎক্ষণাৎ মাটিত পৰি মুচকচ গল! মই আৰু ভাই-ভনীহঁতে হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলো। ওচৰ চুবুৰীয়াই উস্‌আস্ কৰিবলৈ ধৰিলে। চাকৰ-চাকৰণীবোৰেও কান্দি পেলালে।

সকলো শেষ। বাইদেউ গল, গল, গল! আমাৰ বুকুৰপৰা মৰমৰ জনী বাইদেউক চিৰকাললৈ কাঢ়ি নি ওচৰৰ মানুহে যথাবিহিত সংকাৰ কৰিলে। দেউতাই পুৰোহিতৰ হতুৱাই মৃতকৰ ক্ৰিয়া-কৰ্ম্ম সম্পাদন কৰিলে।

বাইদেউৰ মৃত্যুৰপৰাই মা, দেউতা আৰু মোৰ সকলো সুখৰ অন্ত পৰিল।

মযো কিজানি কিবা এটা কৰিলোঁহেতেন। কিন্তু মা আৰু দেউতাৰ মুখলৈ চাই একো কৰিবলৈ নহল। ঈশ্বৰে মোক নিজে মাৰি নিনিলে মই একো নকৰোঁ; মই নিজকে কেতিয়াও হত্যা নকৰোঁ।

দেহিত্ৰী, সেইদিনা দিনত ফুৰিবলৈ যাওঁতে বাইদেউৰ আচৰণ জানিয়েই মই কথাটো বুজিব লাগিছিল। কিন্তু মূৰ্খ মই, মনত অলপ সন্দেহ হৈছিল যদিও বাইদেউৰ বাহ্যিক আনন্দ দেখি তেখেতে যে আমাক বুদ্ধি ছলনাৰে ছলি চিৰকাললৈ বিদায় লব এই কথা সমূলি বিশ্বাস কৰিব নোৱাৰিছিলোঁ।

জনী বাইদেউ আৰু ইহ সংসাৰত নাই। কিন্তু তেখেতৰ পবিত্ৰ মূৰ্ত্তি মোৰ হিয়াত সদায় জিলিকি আছে। মই তেখেতৰ মূৰ্ত্তিকে অন্তৰত জপি পুৰুষ জাতিক মোৰ জীৱ বিক্ৰী নকৰি বাকী কেইটা দিন সংসাৰত কটাম।

এই পুৰুষ জাতিটোৱেই মোৰ বাইদেউৰ বিনাশ কাৰণ। কৰবাৰ নৰকৰ কীট এটা আহি ভিনিহিয়েক ৰূপ লৈ মোৰ বাইদেউক দংশন কৰিলেহি। যা, পাষণ্ড নৰকৰ কীট! তই এই সংসাৰত বেছি দিন সুখভো কৰিবলৈ নাপাবি। তোক লেউ-লেউ পোকে খুলি খুলি খাই কষ্ট দি দি মাৰিব।

আজি পুৰুষ জাতিৰ ওচৰত মোৰ দূৰতে নমস্কাৰ সোণৰ পুতলাৰ নিচিনা মোৰ বাইদেউক এজনেই বি কৰিলে কৰিলে। মই আৰো চকু থাকি পুনৰ আ এজনৰপৰা সেই শাস্তি গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহওঁ পুৰুষক দেখিলে আজিও মোৰ গা কপি উঠে; প্ৰাণ ঘৃণা আৰু বিতৃষ্ণাৰ উদ্ৰেক হয়। এই লম্পট, পাপী বিশ্বাস ঘাটক, পাষণ্ড পুৰুষ জাতিৰ লগত সম্পৰ্ক কৰিবলৈ মোৰ বাঞ্ছা নাই। মই সম্পূৰ্ণ পৃথক, মই সম্পূৰ্ণ স্বাধীন।

মনৰ আবেগত মই পুৰুষ জাতিৰ ওপৰত বহুত বে কথা প্ৰয়োগ কৰিছোঁ। ইচ্ছা কৰিলে তেওঁলোকে মো ক্ষমা কৰিব পাৰে। নকৰিলেও মোৰ একো ক্ষতি নাই।



# বেদ তথ্য আৰু তত্ত্ব

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

ঋকবেদে কয় "দেৱানাং পূৰ্ব্ব যুগে অসতো সত যায়তে" এই কথাই প্ৰমাণ কৰে যে অতি আদি যুগত দেৱতা বোলা মানুহবিলাক অসৎ অৰ্থাৎ অস্থায়ী অৰ্থাৎ পৰিৱৰ্ত্তনশীল পাৰ্থিবপৰা সৃষ্ট হৈছে। সৎ বস্তু হৈছে যি অনাদি কালৰপৰা আছে। এই খিনিতে প্ৰশ্ন হব পাৰে, অসতৰপৰা যি সৃষ্টিত তৰ সৃষ্টি বুলি বেদে কয় তেনেহলে যে প্ৰমাণ হয় অসতো ষ্ট বস্তু। সৃষ্টবস্তু মেদিনী। মেদিনীৰপৰাই জীৱ জগতৰ উৎপত্তি। কিন্তু এই খিনিতে এটা কথা বিচাৰ নকৰাকৈ থাকিব নোৱাৰি। সৃষ্টি আৰু ব্ৰহ্ম সনাতন ঈশ্বৰ দুয়ো পৃথক নহয়, একেটি। এতেকে সৎবস্তু ভগৱান যেনে অনাদি সৃষ্টিও তেনে অনাদি আৰু সত্য। যিঃহতু সৃষ্টি উপাদান ক্ষিতি, অপ, তেজ, মৰুৎ ( বায়ু ) ব্যোম ব্ৰহ্মতেই সংলগ্ন কা বুলি নোৱাৰি, কিয়নো উল্লেখিত পঞ্চ ভূত ব্ৰহ্মতে কাৰ কাৰণেহে ভগৱানে সৃষ্টি গঢ়ি তুলিলে। এতেকে ব্ৰহ্ম সত্যং জগৎ মিথ্যা" এনে কথা বেদতে প্ৰকাশ বা মই হলে ভুল বুজো', অসত্যৰপৰা সৃষ্টি হোৱা অসম্ভৱ; এতেকে ব্ৰহ্মও সত্য জগতো সত্য। বেদান্তৰ মায়াবাদে য় যে সৃষ্টি ব্ৰহ্মৰ মায়া। এই মায়াকেই লীলাও বোলে। নে ছায়া মায়া কাণ্ডৰ ওলোৱা লুকুৱা যি স্থলত আছে, ময়ে ব্ৰহ্মহে সত্য জগৎ মিথ্যা। আমাৰ নিজৰ গাৰ টিৰো লুকা ভুমুকি আছে, এন্ধাৰত লুকায় পোহৰত লায়। এন্ধাৰ পোহৰ দুয়োটি ঐশ শক্তি প্ৰকৃতৰ ং; এনেভাৱে গাটি সত্য হলে ছাটিও সত্য হয়। এই কাৰণে সৃষ্টি আৰু স্ৰষ্টা অনাদি আৰু সত্য বস্তু। এন্ধাৰ ন্ধকাৰৰ অস্তিত্ব নাই, পোহৰ জ্যোতিৰহে অস্তিত্ব অনাদি কালৰেপৰা আছে। এন্ধাৰতো পোহৰ আছে, আমাৰ নুহৰ যি অন্ধকাৰ দেখো কীট পতঙ্গ পক্ষী আৰু জন্তুৱে তো পোহৰ দেখা পায়। বৰ্ত্তমান বিজ্ঞানেও প্ৰমাণ কৰে যে সকলো বস্তুতেই জ্যোতি আছে অৰ্থাৎ বিজুলী শক্তি আছে। ইংৰাজীত ইয়াকেই ( Electron ) বা লুকাই থকা জ্যোতি বোলে। এই সত্য ঋষি যুগতো উপলব্ধি হৈছিল. ঐশ শক্তি প্ৰকৃতিক উমা বোলা মানে কি? উম ধাতুৰপৰা উমা হৈছে। উম সকলো বস্তুতেই আছে। আমি কথাতে কওঁ পানীতো উম্ আছে, আনকি বৰফতো উম্ আছে নহলে বৰফ গলে কিয়? শাস্ত্ৰে উমা প্ৰকৃতিয়ে কোৱা দৰে প্ৰকাশ কৰে যে "সৰ্ব্বলোকেষু যৎকিঞ্চিৎ দ্ৰহিতং ন ময়া বিনা" এতেকে প্ৰমাণ হয় জ্যোতি অনাদি, ই সৰ্ব্বব্যাপী। এই জ্যোতি প্ৰকাশ সূৰ্য্যৰপৰা হোৱা যে পোনতে দেখাই আহিছো। এই সূৰ্য্যৰপৰাই বসুমতী যাৰ অণ্ডৰপৰা জীৱ জগতৰ সৃষ্টি। বেদৰ "অসতো সত যায়তে" কথাৰ মানে মাটিৰ গৰ্ভৰপৰা সৃষ্টি হোৱা। ঐশ শক্তি প্ৰকৃতিৰ নিয়ম হৈছে আৱৰ্ত্তন বিৱৰ্ত্তন সংৱৰ্ত্তন আৰু পৰিণাম। যেনে, গুটিৰপৰা গছ উলটি গছৰ পৰা গুটি। সংৱৰ্ত্তন ডাঙৰ দীঘল হোৱা। তাৰ পিছত গছ জুপি মৰি উলটি গুটিৰ ভিতৰ সোমোৱা ইয়াকে বোলে পৰিণাম। এইদৰে সৃষ্টি অহা যোৱা কৰাৰ বিৰাম নাই; এতেকে ব্ৰহ্মাও অনাদি সৃষ্টিও অনাদি। সংৱৰ্ত্তন অৰ্থাৎ ডাঙৰ দীঘল হোৱা ক্ৰমবিকাশ নিয়ম। যেনে, কেচুৱাটি জন্মা মাত্ৰকে ডাঙৰ দীঘল হব নোৱাৰে. ই সময় সাপেক্ষ, সেইদৰে বসুমতী অণ্ডৰপৰা বীজৰ ক্ৰমোন্নতি হৈ পোনতে বালিখিল্লৰ দৰে অতি কটীয়া মানুহ উপজিহে পিছে ক্ৰমে ক্ৰমে ডাঙৰ দীঘল মানুহ হবলৈ বহু যুগ লাগিছিল যে সন্দেহ নাই। এনে কথা বামন কল্পতেই ধৰা পৰে। ভগৱানৰ দশ অৱতাৰ আন একো নহয় দশ কল্পহে। এই কথা মই বহু বাৰ দেখাই আহিছো যে ই বিৱৰ্ত্তন—ক্ৰমোন্নতিৰহে ৰহস্য তত্ত্ব।

বামন কল্পত বালিখিল্ল বেগতীয়া গুচি ডেৰ হতীয়া মানুহ ক্ৰমোন্নতিমতে হৈ পৰিল। পৃথিবীত বাওনা বা বইনা মানুহে ঠায়ে ঠায়ে বং বিৰঙৰ হৈ জন্মি ভৰি পৰিল। এই মানুহবিলাকে জুই জলাবৰ বুদ্ধি পাই আৰু পজা সাজি থাকি জুই জলাই হিংস্র জন্তুৰ আক্ৰমণৰ পৰা নিজক ৰক্ষা কৰিব পাৰিছিল। এই খিনিৰেপৰাই পোনতে মানুহৰ ভিতৰত জ্ঞান বুদ্ধি প্ৰকাশ হয়। জ্ঞানেৰে জানিছিল মই আছো বুলি আৰু দেৱতা এজনে সৃষ্টি কৰা বুলি। দেৱতা বহু মানিছিল। এই হল মানুহৰ প্ৰথম জ্ঞান। জ্ঞানৰপৰা বুদ্ধি উলিয়াই জুই জলাব জনা কথাটি অতি আচৰিত। ভগৱানক ধন্তবাদ দিব লাগে যে মানুহে পোনতে জুই আবিষ্কাৰ কৰি জলাবলৈ শিকিলে। এই সকল মানুহে পোনতে শিলৰপৰা জুই যদি খুলিয়ালেহেতেন মানুহো জন্তুৰ দৰে থাকিব লাগিলহেতেন। বৰ্ত্তমান যুগৰ কল কৌশলবিলাক মানুহে যে আবিষ্কাৰ কৰিছে জুই আবিষ্কাৰ নোহোৱা হেতেন একেবাৰে সপোনৰ অগোচৰ হৈ থাকিলহেতেন। এই বামন-বাওনা-বইনা কল্পত কটীয়া মানুহবিলাকে জন্তু অহা যো'ৱা কৰা বাটত শিলৰ কোৰ কৰি দ গাত খানি তাত ছলেৰে জন্তু পেলাই বধ কৰি মঙহ খাইছিল। এই কথাকেই পিছৰ পুৰাণে বলিছলন আখ্যায়িকা গঢ়ি বলি নামে এজন ৰজা উলিয়াই কি কাণ্ড যে নকৰিছে। আচৰিত কথা। বলি মানে বধ কৰা জন্তুক বুজায়। ছলন মানে ছল কৰি হত্যা কৰা বুজায়। বলিক পাষাণত বন্দী কৰা কথায়েই বুজায় জন্তুবিলাকক গাতত বন্দী কৰি ৰখা। গাতেই পাতাল, এই পাতাল গাতত বলি বধ জন্তু পৰোতে উঠিব নোৱাৰি মাটিত ঠেং পেলাব নোৱাৰাতেই এপদ ভূমি বলিয়ে নেপালে। এনে কথা বহলাই মই অষ্টাবক্ৰ আত্মকাহিনীত লেখিছো। এতেকে এই প্ৰৱন্ধত উল্লেখ কৰা চৰ্ব্বিত চৰ্ব্বন মাত্ৰ হয়। এনে কথাৰ বিৱৰণ বাওনা মানুহবিলাকে পুৰুষপৰম্পৰা কৈ অহাতেই পিছে সাধু কথা হৈ পৰি বলিক এজন মানুহ পাতি শেহত গল্প ( Story ) উলিয়ালে। গোটেই পৃথিবীৰ ভিন ভিন মানুহ জাতিৰ ভিতৰত সাধু কথা কোৱা মানুহ ( Story Teller)সভ্য অসভ্য দুয়োৰো ভিতৰত আজি পৰ্য্যন্ত আ[...] আমাৰ অসমীয়া জাতিৰতো তেজীমলা, ফুলকোঁৱ[...] মণিকোঁৱৰ, লুইতকোঁৱৰ আদি অসংখ্য সাধু ক[...] আছে। এই সাধু কথাবিলাক বিশেষকৈ বুঢ়া-বুঢ়ীয়ে ল[...] ছোৱালীৰ আগত কয়। হাবি পৰ্ব্বতত অনেক দেৱ-দেৱী[...] মানুহক মাহাত্ম্য দেখুৱা কথাকো কোৱা মেলা হয়[...] এইবিলাকেই লাহে লাহে পুৰাণ হৈ পৰিল। প্ৰায় পুৰা[...] বিলাকৰ বেছি ভাগ অলৌকিক যোগ দিয়া কথাৰে ভৰা[...] পুৰাণবিলাক ( Fable ) সাধু কথা যে তাৰ ভুল নাই[...] ইয়াক চন্দিয়াই বখলিয়াই তৰপে তৰপে অসম্ভৱ অলৌকি[...] কথাৰ ছাল বাকলি গুচাই সাহটি উলিয়ালে সত্য[...] প্ৰমাণ ওলাই পৰে। পুৰাণৰ ছাল বাকলি গুচা[...] চালে অতি আদি যুগত মানুহ জন্তু বংশী থাকোতে হিং[...] জন্তুবিলাকক অসুৰ দৈত্য পাতিছিল। সিংহ এটি[...] বৰ ডাঙৰ দুৰ্জ্জয় মহ এটিক বধ কৰি খোৱা ম[...] মহিষাসুৰ বা মহিষ অসুৰ পাতিলে। পিছৰ মানুহে আদ[...] সৃষ্টি হোৱা যুগত প্ৰকৃতিক কলম চিত্ৰৰে কবিতা দে[...] পুৰাণ উলিয়াই দহ হতীয়া দুৰ্গা দেৱী গঢ়ি পূজাৰ উৎ[...] পাতিলে। এই পুৰাণৰ নাম দেৱী পুৰাণ। এই পুৰা[...] খনিৰ কঠিন কল্পনাৰ ছাল বাকলি গুচাই সাহটি অ[...] সত্যটি উলিয়াই চালে প্ৰেমময় ভগৱানৰ দয়াৰ কাৰ্য্য[...] দেখা যায়। যিহেতু অতি আদিম অৱস্থাত থকা মানুহ[...] হিংস্র জন্তুৰপৰা আত্ম ৰক্ষা কৰিবৰ একো অস্ত্ৰ শস্ত্ৰ নাছ[...] অৱস্থাত হিংস্র জন্তুবিলাকৰ ইটিয়ে সিটিক যুদ্ধ কৰি মৰা[...] কাৰণে নিম্ন অৱস্থাৰ মানুহ ৰক্ষা পৰিছিল। হিংস্র জন্তু[...] বিলাকে পৰস্পৰ মঙহৰ লোভত সিটিয়ে সিটিক খৰি খা[...] মাৰি থকাৰ কাৰণে বৃদ্ধি কম হৈ পৰাত সেই কল্পৰ মা[...] ৰক্ষা পৰিছিল। প্ৰকৃতিৰ কামেই হৈছে কাকো বাঢ়িব[...] নিদি সৃষ্টি ৰক্ষা কৰা। এই প্ৰকৃতি আন একো না[...] ঐশশক্তি গুণ মাথোন। পুৰাণবিলাকৰ তত্ত্ব উলিয়াই চা[...] ইয়াকে দেখা পোৱা যায় যে ল'ৰা-ছোৱালীক পোনত[...] কিতাপ পঢ়াওতে যেনেকৈ বাঘ, সাপ, কুকুৰ, শিয়াল আ[...] চৰাইৰ গল্প পুথি পঢ়িবলৈ হাবিয়াস বঢ়োৱা হয় সেই দ[...] পুৰাণৰ গল্পবিলাক মূৰ্খজনক শুনোৱাৰ দ্বাৰাই উপক[...]



[...]পকাৰ ভয়োবিধ হয় ; যেনে, কল্পিত ( Myth ) প্ৰহ্লাদ [...]বিৎ, ধ্ৰুৱ চৰিত আদিয়ে ঈশ্বৰৰ প্ৰতি ভক্তি বিশ্বাস [...]ন্মায় ইত্যাদি। কিন্তু মূল হেতুটি দুবুজাৰ কাৰণে মূৰ্খ [...]নসমাজৰ অন্ধবিশ্বাস ভক্তি থাকি যায়। প্ৰহ্লাদৰ (Fictitious ) কল্পিত গল্পে অহৈতুকী ভক্তি প্ৰমাণ [...]ৰে, ধ্ৰুৱৰ গল্পে হৈতুকী ভক্তি দেখায়। প্ৰহ্লাদ চৰিতৰ নৰসিংহ ৰূপ ঈশ্বৰে ধাৰণ কৰা কথাৰ গল্প একে মহিষাসুৰ [...]ৰ। হিৰণ্যকশিপু আন একো নহয়, এটি গলধন ধৰা [...]হ। সি নৈত পানী খাবলৈ যাওঁতে বেলি মাৰ যোৱা [...]ময়ত সিংহে বধ কৰিলে, দাঁতেৰে নাড়ী ভুৰু [...]লিয়াই। সংস্কৃত অভিধানত পোৱা যায় কশিপু মানে [...]লদনধৰা মহ। অতি আদি যুগৰ মানুহে জন্তুক দৈত্য [...]নৱ পতা কথা শ্ৰুতি সাধু কথায়ে প্ৰমাণ কৰে। এই [...]দৈত্যকেই মানুহ পাতি পুৰাণে প্ৰহ্লাদৰ বাপেক পাতি [...]লালে। হিৰণ্যকশিপুৱে ব্ৰহ্মাত বৰ মাগিছিল সি যেন [...]াতিও নমৰে। দিনতো, নমৰে আৰু ঘৰৰ ভিতৰতো [...]মৰে। পিছে এই বৰ মতেই হিৰণ্যকশিপু বেলিমাৰ [...]াওতে নৈত পানী খাবলৈ যাওতে সিংহে নৰসিংহ বা যাৰ [...]ৰৰ গঢ় মানুহৰ মুখৰ গঢ়ৰ দৰে দেখায়, এই নৰসিংহ আধামানুহ আধা জন্তু সিয়েই হিৰণ্যকশিপু ডাঙৰ [...]লধন ধৰা মহটিক বধ কৰিলে। অতি পূৰ্ব্বে পুৰুষ পৰম্পৰা [...]আদি মানুহে কৈ অহা শ্ৰুতি গল্পটি পিছত কৰিয়ে পাই [...]অতিৰঞ্জিত কৰি নৰসিংহক ঈশ্বৰ পাতি পুৰাণ লেখিলে। [...]পুৰাণবিলাকে ভাৰতৰ হিন্দু জাতিৰ নানা ধৰ্ম্ম গঢ়ি পুৰোহিত [...]বামুণবিলাকলৈ একো একো খনি ধৰ্ম্মৰ দোকান একো [...]একোটি দেৱতাৰ নামে নানা দেৱালয় তীৰ্থৰূপে পাতি অসঙ্খ্য মূৰ্খ জনপদক ভুলাই বহি বহি খাবলৈ সুবিধা কৰি দিলে। একেজনা একমেবাদ্বিতীয়ম্ ভগৱানক টুকুৰা টুকুৰ কৰি ভাগ কৰিলে যে এনে নহয়, তাৰ লগে লগে নানা ধৰ্ম্মৰ পুৰোহিতসকলে উত্তম অধম অলেখ জাতিভেদৰ সৃষ্টি কৰি ভাৰতৰ হিন্দু জাতিক চিৰকাললৈ বিজাতি বিদেশী জাতিৰ গোলাম কৰি পৰাধীন কৰি পেলালে। এই মহা পাপ গুচাই জাতিভেদ উচন কৰি পেলাবলৈ ভগৱান শ্ৰীকৃষ্ণ, ভগৱান বুদ্ধদেৱ এই দুজন পুৰুষৰ পিছত আজিকো পৰ্য্যন্ত এই ভাৰতবৰ্ষত সদৌ জাতিৰ মানুহক এক ধৰ্ম্ম এক জাত কৰা অৰ্থে কত সিদ্ধ সাধু মহাপুৰুষে জন্ম গ্ৰহণ কৰিলে, কৰিছেও তথাপি পুৰোহিত সকলৰ খুটি লৰাব নোৱাৰিলে। এনে টেঙৰ গুৰু পুৰোহিত বামুণ সকল সেই সেই সাধু সিদ্ধ মহা মহা পুৰুষসকল অন্তৰ্ধান হলেই তেওঁবিলাকৰ নামে একো একোখনি সত্ৰ পাতি নতুন ধৰ্ম্ম দোকানহে পাতে, তাৰ দ্বাৰাই উলটি ধৰ্ম্মও অনেক হয় আৰু অনেক সম্প্ৰদায় সৃষ্টি হয়, ধৰ্ম্ম দোকানো সৃষ্টি হয়। তাৰপৰা ই দোকান সি দোকানৰ লগত কাজিয়াহে বাঢ়ে, হিন্দু জাতি এক হৈ নপৰে। হায় হায় ! কোনদিন হিন্দুৰ এক জাত হব, এক ধৰ্ম্ম হব ! এতিয়া যে মহাত্মা গান্ধীয়ে হৰিজন সঙ্ঘ পাতি সদৌ হিন্দু জাতিক এক কৰিবৰ চেষ্টা কৰিছে মহাত্মা গান্ধী অন্তৰ্ধান হলে তেওঁৰ নামেও যে সেইখন সত্ৰ পুৰোহিতসকলে পাতি উলটি হিন্দুজাতিৰ মানুহক ভাগ ভাগ নকৰিব কোনে কব পাৰে ? অজ্ঞানতা ধৰি স্বাৰ্থ পুহি হিন্দু জাতি যে উচন যাব এই কথা ওলাই আছে।

(ক্ৰমশঃ)



কবিতা ]

# অতিথি

—শ্ৰীযুত ভৱপ্ৰসাদ বাজখোৱা

নিশাৰ বতাহ গল হুমুনিয়া এৰি
ছুবৰি গালেদি বলে অশ্ৰু নিয়ৰৰ,
ফেচাই ডালত পৰি মাৰিলে সঁহাৰি
শেষ হয় সখা মোৰ বিষাদ দিনৰ।

ধীৰ সমীৰণে আনি কদমৰ ৰেণু
ছটিয়ালে পজাটিৰ চ'উপাশে মোৰ,
নদীৰ সিপাৰে স'উ মুক্ত প্ৰাঙ্গনত
তুমি গোৱা গীতবোৰ শুনো সুমধুৰ।

আশাৰ কীটাহু মই থাকোঁ বাট চাই
ইপাৰৰ পজাটিৰ পছুলিত ৰ'ই,
কেতিয়ানো আহা তুমি শুভক্ষণ চাই
ইপাৰলে নইখনি যেন পাৰ হ'ই।

সন্ধিয়াতে পোহৰাও পজাৰ আন্ধাৰ
জানোচা হেকৰা বাট বনৰ মাজত,
বীণাত টানিয়ে থও ছিগা তাঁৰ গছি
কিজানিবা পোৱা তুমি আঘাত হাতত।

অনাঘ্ৰাত কুসুমেৰে ৰচি থও সখা,
শুকুলা, কোমল এক আসন নিত'উ,
কিজানিবা ঘিণ কৰি নাহা তুমি সখা
জীৱনত হেকৰাও তোমাক আক'উ।

তুমি যেন আহা সখা অতি ধীৰে ধীৰে,
সপোনৰ জিলিমিলি ঢাকনি গুচাই,
লীলাময়, দীপ্তিময়, প্ৰেমময় তুমি,
ভোল যাও সেই ৰূপ নিলগতে চাই।

তোমাৰ পৰশ পাই নাচি উঠে বীণা
গোৱা তুমি গীত সখা অতি সম্মোহন
মনোৰম ভঙ্গিমাত জ্বলি উঠে পজা
বৰ্ণনা অতীত এক স্নিগ্ধ, বিতোপন।

তন্ময় যেতিয়া মই তোমাৰ ভাবত
সৰ্ব্বহাৰা, প্ৰাণ ভোলা বৰাগীটি প্ৰায়,
নীৰৱে আতৰি যোৱা পজাটিৰ পৰা
অন্তৰত আউসীৰ আন্ধাৰ পেলাই।

কাননত শেৱালীয়ে হাঁহিটি মাৰিলে
পূবেৰুণে সুদূৰত দিলে ৰঙা ডাঁৱ,
অভিমানী সপোনৰ অতিথিটি মোৰ
হেৰুৱাই পৰাণত উঠে হাঁহাকাৰ।

---

# জাপান আৰু জেনেৰেল আৰাকী

—শ্ৰীযুত দীননাথ শৰ্ম্মা

প্ৰশান্ত মহাসাগৰৰ এই দ্বীপটোলৈ আজিকালি সকলোৰে চকু। কিন্তু সিদিনাথনলৈকে ইয়াৰ নাম জগতত প্ৰকাশ হোৱা নাছিল। অদ্ভুত যাদুবিদ্যাৰ দৰে এই সৰু দ্বীপটোৰ চুটি চাপৰ মানুহবোৰে অতি অলপ



জাপান সম্ৰাট হিৰোহিটো

দিনৰ ভিতৰতে জগতৰ শ্ৰেষ্ঠ জাতিবিলাকৰ মাজত সকলো প্ৰকাৰে সমানে ফেৰ মাৰিবলৈ সক্ষম হৈছে। পৃথিবীৰ বিশেষকৈ ইউৰোপৰ সাম্ৰাজ্যবাদী শক্তিসম্পন্ন জাতিবোৰে আজি সভয়ে জাপানৰ আৰ্থিক, সামৰিক শক্তিৰ গতি নিৰীক্ষণ কৰিবলৈ ধৰিছে। পৃথিবীত আজি এনে এখন বজাৰ নাই য'ত জাপানী বস্তু নাই। তাতোকৈ আচৰিত বিষয় এইটোহে যে যিমান বেছিকৈয়ে কৰ দিবহুৱাওক লাগে জাপানী বস্তু সদায় সস্তাত বিক্ৰী হবই।

এই উন্নতিৰ মূলত জাপানীৰ একনিষ্ঠ জাতীয় ভাব আৰু সম্ৰাট প্ৰীতিয়েই হৈছে ঘাই। জাপানীবিলাকে সম্ৰাটক ঈশ্বৰৰ প্ৰতিভু বুলি বিশ্বাস কৰে আৰু প্ৰত্যেকেই ধন, জন, প্ৰাণ দি সম্ৰাটৰ সেৱা কৰাটো কৰ্ত্তব্য বুলি ভাবে। এইটোৱেই হৈছে তেওঁলোকৰ জাতীয়তাৰ বিশেষত্ব, আৰু ইয়েই তেওঁলোকৰ ধৰ্ম্ম। স্বদেশ সেৱা আৰু সম্ৰাটৰ সেৱা তেওঁলোকৰ চকুত অভিন্ন।

যি সম্ৰাটৰ আদেশ বেদবাক্যৰ দৰে পালন কৰিব নোৱাৰে বা তাক পালন কৰিবলৈ জীৱন উছৰ্গা কৰিব নোৱাৰে তেওঁ স্বদেশ সেৱাৰ অনুপযোগী অৰ্থাৎ চমুকৈ কবলৈ গলে তেওঁ অ-জাপানী।

জাপানীসকলৰ এনেকুৱা মনোবৃত্তি আগৰেপৰা আছিল যদিও সি মাঞ্চুৰিয়া যুদ্ধৰ আগলৈকে ইমান দৃঢ় ভাৱে তেওঁলোকৰ মনত ঠাই পোৱা নাছিল। ৰুছিয়া যুদ্ধত জাপানৰ শক্তিৰ কিছু পৰিচয় পালেও এই মাঞ্চুৰিয়া যুদ্ধই জাপানৰ শক্তিক বহুত দূৰ আগুৱাই দিলে।



জেনেৰেল আৰাকী

জাপানত এতিয়া সামৰিক দলৰ শক্তিয়েই সকলোতকৈ বেছি। এই সামৰিক দলে জাপানীসকলৰ মনত সম্ৰাট

প্ৰীতিৰ এই ভাৱধাৰাক দৃঢ়মূলভাৱে সুপ্ৰতিষ্ঠিত কৰিবলৈ উঠি-পৰি লাগিছে, কেউফালে কি লিখাত, কি ছপোৱাত, কি বক্তৃতাত, কি ক্লাবত, কি সভা সমিতিত সকলোতে এই ভাবৰ অনুশীলন হবলৈ ধৰিছে, সকলোৰে মূল লক্ষ্য এক, অৰ্থাৎ স্বদেশ আৰু সম্ৰাটৰ কাৰণে প্ৰাণ বিসৰ্জ্জন কৰাই দেশ হিতৈষীসকলৰ শ্ৰেষ্ঠতম গৌৰৱ। ইয়াৰ ফলত আজি জাপানী সৈনিকে পানী, মাটি, আকাশ সকলোতে মৃত্যু ভয়ক তৃণৱৎ জ্ঞান কৰিবলৈ সক্ষম হব পাৰিছে। জাপানী সৈন্যৰ এই অসীম সাহস আৰু বীৰত্ব বাস্তৱতে জগতৰ অনুকৰণৰ বস্তু। নব্য জাপান সৈনিকক বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁলোকৰ মাজত আছে ফৰাছীৰ



সম্ৰাটৰ উত্তৰাধিকাৰী প্ৰথম পুত্ৰৰ জন্ম উপলক্ষে উৎসৱ

শৌৰ্য্য, বৃটিছৰ আত্মনিৰ্ভৰতা, ৰুছিয়াৰ সহিষ্ণুতা, জাৰ্ম্মানিৰ নিয়মানুবৰ্ত্তিতা, তুৰ্কীৰ মৃত্যু আৰু দৈহিক নিৰ্য্যাতনৰ প্ৰতি উদাসীনতা। জাপানী সৈন্যৰ এইবিলাক গুণৰ কাৰণেই আজি জাপানী পাশ্চাত্য জাতিবিলাকৰ ভিতৰতো প্ৰথম শ্ৰেণীৰ শক্তি বুলি পৰিগণিত হবলৈ সমৰ্থ হৈছে। আৰু ইয়াৰ কাৰণে দায়ী আগতে কৈ অহা জাপানাসকলৰ অত্যাধিক স্বদেশপ্ৰেম বা সম্ৰাটৰ উপাসনা।

জাপানীসকলৰ এই মনোবৃত্তি ইমান প্ৰবল যে ইয়াৰ উদ্দীপনাত তেওঁলোকে ৰণক্ষেত্ৰত অসামান্য শৌৰ্য্য বীৰ্য্য প্ৰকাশ কৰি অবিচলিত চিত্তে মৃত্যুৰ বুকত জপিয়াই পৰিব পাৰে। যেন ইয়াৰ ভিতৰেদিয়েহে তেওঁলোকৰ গতি মুক্তি নিহিত আছে। যোৱা মাঞ্চুৰিয়াৰ যুদ্ধৰ সময়ত জাপানী সৈন্যসকলে যি পৰিমাণে ঠাণ্ডাত পানী গোট মাৰি বৰফ হব পাৰে তাতকৈও বেছি ঠাণ্ডাতো বৰফাবৃত প্ৰান্তৰ পাৰ হৈ আগ বাঢ়িছিল। পৃথিবীৰ বাতৰি কাকতবোৰত চিত্ৰ সহ ইয়াৰ বিৱৰণ প্ৰকাশ কৰা হৈছিল আৰু তাক পঢ়ি সমগ্ৰ জগত চমৎকৃত হৈছিল। ইয়াৰ উপৰি এই চীন জাপান যুদ্ধত ছাংহাইত চীনাসকলৰ বিদ্যুৎ যুক্ত তাঁৰৰ বেৰা ভঙাৰ চেষ্টাত তিনিজন জাপানী সৈনিকৰ আচৰিত আত্মবিসৰ্জ্জন কৰা দৃষ্টান্তও কম বিস্ময়াপন্ন নহয়। এই তিনিজন সৈনিকে সেই বেৰা চুলেই যে তেওঁলোকৰ দেহ খণ্ড বিখণ্ড হৈ যাব তাক জানিও অলপো ইতস্ততঃ নকৰি তেওঁলোক তাৰ ওপৰত জপিয়াই পৰিছিল। এই তিনিজন সৈনিকৰ নাম জাপানীসকলৰ মাজত "তিনটা জ্বলন্ত বোমা" বুলি সুপৰিচিত হৈ আছে। টকিও মহা নগৰীত তেওঁলোকৰ স্মৃতিৰ কাৰণে স্মৃতি স্তম্ভ তৈয়াৰ কৰা হৈছে। ছাংহাই যুদ্ধত আৰু এটি বিশেষ উল্লেখযোগ্য ঘটনা ঘটিছিল। এই ঘটনাত জাপানীসকলৰ আত্ম সম্মানৰ চিনাকি জগতত আন এটি বিস্ময়ৰ উদ্ৰেক কৰিছিল। এই ঘটনা হৈছে মেজৰ কোগাৰৰ আত্মহত্যা। প্ৰথমতে কোগাৰৰ সন্ধান পোৱা নহৈছিল। তেতিয়া সকলোৱে ভাবিছিল মেজৰ কোগাৰে যুদ্ধত মৃত্যুক বৰণ কৰিছে। পাছত যেতিয়া তেওঁ ঘূৰি আহিল তেতিয়া তেওঁক বন্দী কৰি ক'ৰ্ট মাৰ্ছাল আদালতত হাজিৰ কৰা হল। বিচাৰত প্ৰকাশ হল যে তেওঁ সাংঘাতিক ৰূপে আহত হৈ যুদ্ধক্ষেত্ৰত সংজ্ঞাহীন হৈ পৰি যায়, তেতিয়া চীনাসকলে তেওঁক বন্দী কৰি লৈ যায়। ক'ৰ্ট মাৰ্ছালৰ বিচাৰত তেওঁ নিৰ্দোষী বুলি মুক্তি পালেও তেওঁ যে শত্ৰুৰ হাতত বন্দী হৈছিল তাক পাহৰিব নোৱাৰিলে। এই অপমানৰ হাত এৰাবৰ কাৰণেই তেওঁ আত্মহত্যা কৰিছিল। এই ঘটনা



জাপানৰ ভূতপূৰ্ব্ব সমৰসচিব ৰণপন্থী নেতা জেনেৰেল চাদাও আৰাকীয়ে "চুয়োকোৰণ" নামৰ সাময়িক কাগজ এখনত এটা প্ৰবন্ধ প্ৰকাশ কৰিছিল। এই প্ৰবন্ধত তেওঁ কৈছিল "মেজৰ কোগাৰৰ আত্মহত্যা সাধাৰণ ঘটনা নহয়। কোনো জাপানী সৈনিকৰ পক্ষে শত্ৰুৰ হাতত বন্দী হোৱা জাপান বাহিনীৰ শিক্ষা দীক্ষা আদৰ্শ আৰু মূল নীতিৰ বিৰোধী। মেজৰ কোগাৰে আত্মবলি দি জাপানী সৈন্যসকলক দেখুৱাইছে যে, যেনেকুৱা অৱস্থাতেই হওক যি সৈনিকে এবাৰ বন্দীত্ব স্বীকাৰ কৰিছে তেওঁৰ বাচি থাকিবৰ আৰু অধিকাৰ নাই। এই প্ৰবন্ধৰ শেহত জেনেৰেল আৰাকীয়ে লিখিছে "মেজৰ কোগাৰে যি মনোবৃত্তিৰ পৰিচয় দিছে সি জাপানী সৈন্য বাহিনীৰ ভিতৰত যেতিয়ালৈকে জীয়াই থাকিব তেতিয়ালৈকে জাপানৰ সেনা বাহিনীয়ে পৃথিবীৰ আন যি কোনো বাহিনীক পৰাস্ত কৰিব পাৰিব।"



সম্ৰাট কুমাৰী ধাত্ৰীৰ লগত স্কুলৰপৰা উভতিছে

জাপানৰ ৰণপন্থীসকলৰ ভিতৰত জেনেৰেল আৰাকীয়েই হৈছে নেতা। তেওঁ যোৱা ১৯৩৪ চনত জাহৰাৰি মাহত শাৰীৰিক অসুস্থতাৰ কাৰণে সমৰ সচিবৰ পদ পৰিত্যাগ কৰিছে। তেওঁৰ ঠাইত জেনেৰেল চেঞ্জুক হায়চী বৰ্ত্তমান জাপানৰ সমৰসচিব! সেইবুলি জেনেৰেল আৰাকীৰ মতৰ শিথিলতা জাপানীসকলৰ মাজত অলপো হোৱা নাই। জাপানী সংবাদপত্ৰবিলাকে



সম্ৰাটৰ উত্তৰাধিকাৰী প্ৰথম পুত্ৰৰ বাবে নিৰ্ব্বাচিত ধাত্ৰী—গিৰিয়েকৰ সৈতে।

এক বাক্যে তেওঁক সমৰ্থন কৰে। কিছুদিনৰ আগতে জাপান গৱৰ্ণমেণ্টৰ বৈদেশিক বিভাগে পাশ্চাত্য শক্তি সমূহক চীনৰ সমস্যাত হাত দিবলৈ হাক দি এক সাৱধান বাণী প্ৰচাৰ কৰিছিল। ইয়াৰ মূলত জেনেৰেল আৰাকীৰ "চুয়োকোৰণ" কাকতৰ উপৰক্ত উক্তি বুলিয়েই বিশ্বাস কৰিবলৈ যথেষ্ট কাৰণ আছে।

জাপানীসকলৰ এই মনোবৃত্তি বুজিবলৈ হলে তেওঁলোকৰ অতীত ইতিহাসৰ ফালে চকু দিব লাগিব। অতীজতে জাপানীসকলে নানা দেৱ দেৱীৰ পূজা কৰিছিল। সেইবিলাকৰ ভিতৰত সূৰ্য্য দেৱতাই প্ৰধান আছিল। এই সূৰ্য্যৰপৰা জাপানৰ ৰাজবংশৰ অভ্যুদয়। এই দেৱতাই হৈছে সকলো মঙ্গলৰ গুৰি। গতিকে ৰাজবংশৰ প্ৰতি এই শ্ৰদ্ধা আৰু প্ৰীতি বহু দিনৰ আগৰপৰাই জাপানীসকলৰ মজ্জাগত হৈ আছে। তাৰ পিছৰ যুগৰ কনফুছিয়ছৰ (Confucius) দ্বাৰা প্ৰচাৰিত ধৰ্ম্ম ইয়াৰ লগত মিহলি হৈ গৈছে। এই ধৰ্ম্মৰ অন্তৰ্ভুক্ত বিবিধ

কাৰ্য্য কৰ্ত্তব্য আৰু বাধ্য বাধকতাও জাপানীসকলৰ ধৰ্ম্মৰ অঙ্গীভূত হৈ পৰিছে। তাৰ পাছতে আহিছে বৌদ্ধ ধৰ্ম্ম।



সম্ৰাটৰ প্ৰাইভেট ছেক্ৰেটাৰিয়ে সম্ৰাট পুত্ৰৰ জন্ম উপলক্ষে কাকতৰ সংবাদ দাতাসকলৈ এখন বিবৃতি লিখি দিছে। এই বাতৰি জাপানৰ গোটেই নগৰবিলাকতে জনোৱা হৈছিল।

এই ধৰ্ম্মই জাপানীসকলক শিকাইছে জীৱনৰ অনিত্যতা আৰু মৃত্যুৰ প্ৰতি উদাসীনতা। জাপানৰ ৰাজনীতি, সমাজনীতি, ধৰ্ম্মনীতি এই সকলোৱেই এই তিনটি ধৰ্ম্মৰ সংমিশ্ৰনৰ পৰা উদ্ভৱ হৈছে। আৰু ইয়েই জাপানীসকলৰ অদ্ভুত স্বদেশ প্ৰেম আৰু অসাধাৰণ কৰ্ত্তব্য পালনৰ স্পৃহা জগাই তুলিছে। ইয়াৰ জলন্ত উদ্দীপনা আৰু প্ৰেৰণাই আজি জাপানৰ আবাল-বৃদ্ধ-বনিতা সকলোকে অনু প্ৰাণিত কৰি তুলিছে। আৰু নব্য জাপানৰ মনীষীসকলে বিবিধ প্ৰকাৰে এই হোমাগ্নিত ইন্ধন যোগাইছে।

আচৰিত কথা এইটোহে যে জাপানীসকল আজি পাশ্চাত্য জাতিৰ দৰে সাম্ৰাজ্যবাদী ৰণ পিপাসু হলেও তেওঁলোকে অন্ধভাৱে পাশ্চাত্যৰ সকলো কথাকে অনুসৰণ কৰিবলৈ যোৱা নাই। পৃথিবীৰ সকলো দেশতে পাশ্চাত্যৰ অবাধ স্বাধীনতা প্ৰৱাহ পছোৱা বতাহৰ দৰে উন্মত্ত বেগেৰে ৰবলৈ ধৰিছে। ফলত শিক্ষিত তৰুণ তৰুণী ... স্বাধীনতাৰ উন্মুক্ত হিল্লোলত পাছলৈ ঘূৰি নাচা... আগবাঢ়ি যাবলৈ ধৰিছে। জাপানতো ইয়া... মাদকতাই জাপানী তৰুণ তৰুণীক নধৰাকৈ নাছি... অন্যান্য দেশৰ তৰুণ তৰুণীৰ দৰে জাপানৰ তৰুণ তৰু... সকলেও ডাঙৰসকলৰ প্ৰতি শ্ৰদ্ধাহীন হৈ ক্ৰমাৎ অবা... হবলৈ ধৰিছিল, কোনো বিধি নিষেধ মানিব খুজিছি... কিন্তু জাপানৰ গুৰি ধৰোতাসকল সময়ত সতৰ্ক হোৱা... সি বেছিকৈ শিপাবলৈ নাপালে। পাশ্চাত্য সভ্যতা... প্ৰভাৱত যেতিয়াই জাপানৰ প্ৰাচীন শিক্ষা দীক্ষা আদ... ধ্বংসপ্ৰাপ্ত হবৰ আশঙ্কাই দেখা দিলে তেতিয়াই তেওঁলো... এই বিষয়ে সজাগ হৈ উঠিল। আজি জাপানৰ শক্তিশা... সামৰিক দল আৰু ৰক্ষণশীল দলে একেলগে সৰ্বপ্ৰয... পাশ্চাত্যৰ এই আক্ৰমণক বাধা দিছে। যি কোনো... নতুন প্ৰথাৰ কাৰ্য্যই তেওঁলোকৰ অমনোনিত হয় তাকে... তেওঁলোকে "জাপান বিৰোধী" ( Anti Japanese) আখ্যা দি দেশৰপৰা দূৰ কৰিবলৈ যত্ন কৰে। যা... যি জাপান বিৰোধী সিয়েই স্বদেশ প্ৰেমিক জাপানী... পৰিত্যাজ্য।



উত্তৰাধিকাৰী পুত্ৰৰ জন্মউপলক্ষে সম্ৰাট ভৱনৰ ভিতৰত কৰা অনুষ্ঠান। এই ছো... উত্তৰাধিকাৰী জন্ম সম্ৰাটৰ পঞ্চম সন্তান। প্ৰথম চাৰি গৰাকী ছোৱালী। জাপানত ছোৱালীয়ে সম্ৰাটৰ উত্তৰাধিকাৰীত্ব পাব নোৱাৰে বাবে এই পুত্ৰৰ জন্ম উপলক্ষে উৎসৱৰ অনুষ্ঠান বৰ বাহুল্যৰূপে পতা হৈছিল।



জাপানৰ সামৰিক শক্তি বঢ়াৰ লগে লগে অহঙ্কাৰ আৰু ৰাজ্য লাভৰ দৃষ্টিও বাঢ়ি গৈছে। অলপতে জাপানে জাতিসঙ্ঘৰ সংশ্ৰৱ পৰিত্যাগ কৰিছে। ইয়াৰ কাৰণ সম্পৰ্কে নানা জনে নানা কথা কৈছে। কোনো কোনোৱে কয় যে পৃথিবী ব্যাপী হোৱা বেয়া ... আৱৰ কাৰণে জাপান অতিমাত্ৰ বিব্ৰত হৈ পৰি... আন একো উপায় নাপাই চীনৰ লগতে বিবাদ কৰিবলৈ ধৰিছিল। আৰু ইয়াৰ ফলতেই জাপানে জাতিসঙ্ঘ পৰিত্যাগ কৰিবলৈ বাধ্য হয়। আকৌ আন এখনে কয় যে, জাতিসঙ্ঘৰ ভিতৰত থকা জাতিবিলাকৰ পৰস্পৰৰ মাজত নানা গোলমাল উপস্থিত হোৱাত



...ৰা ছোৱালীৰ বাবে পুতুলাৰ দোকান। জাপানত ৩ মাৰ্চ্চৰ দিনটো জাপানী সৰু ছোৱালীৰ পক্ষে বৰ আনন্দৰ দিন্। সেই দিনত সৰু ছোৱালীহঁতে নতুন সাজ পাৰ লৈ সেই দিনৰ বাবে দিয়া দোকান বিলাকত মিঠৈ, পুতুলা আদি কিনি ফুৰে।

জাপানে বাধ্য হৈ তাৰ নিজৰ পথ বাছি লৈ জাতিসঙ্ঘ পৰিত্যাগ কৰিছে। এই বিলাকৰ ভিতৰত কিমান ...ত্যাসত্য আছে আমি নাজানো ; কিন্তু বৰ্ত্তমান জেনেৰেল আৰাকীয়ে "জাপান বাহিনীৰ মনোভাব" ( The spirit of the Imperial Japanese Army ) নামে এখন কিতাপ প্ৰকাশ কৰিছে। জাপানে জাতিসঙ্ঘ এৰাৰ বিষয়ে ইয়াত লিখিছে—"যেতিয়াই আন্তৰ্জাতিক সমস্যাৰ বিষয় চিন্তা কৰা যায় আমি তেতিয়াই দেখিবলৈ পাওঁ যে ১৯৩১ খৃষ্টাব্দৰ মাঞ্চুৰিয়া যুদ্ধৰ ফলত যি আন্তৰ্জাতিক গোলমাল হৈছিল তাৰ কাৰণ যোৱা কুৰি বছৰ ধৰি প্ৰাচ্য ভূখণ্ডত জাপানৰ কৰ্ম্মহীনতা"। অৰ্থাৎ যোৱা কুৰি বছৰৰ ভিতৰত জাপানে যিবিলাক কাম কৰিব লাগিছিল সেইবিলাক কাম যদি কৰিলেহেতেন তেন্তে এই গোলমাল হবলৈ নাপায়। ইয়াৰ অৰ্থ এই যে জাপানৰ কৰ্ত্তব্য আছিল বহু পূৰ্ব্বেই মাঞ্চুৰিয়াক নিজৰ হাতৰ মুঠিত ৰখা। জেনেৰেল আৰাকীয়ে কৈছে—"জাপান এছিয়াৰ অন্তৰ্ভুক্ত হৈও এছিয়াৰ ঘটনাৱলী ইউৰোপ আৰু আমেৰিকাৰ দৃষ্টিত দেখিবলৈ আৰম্ভ কৰিছিল। ইউৰোপ আৰু আমেৰিকাৰ আমদানী ধন প্ৰধান বাণিজ্য নীতিৰ পৰিচালনাৰ দ্বাৰা আশাতীতভাৱে বৃদ্ধি হোৱাত সি আত্মহাৰা হৈ পৰিছিল। তাৰ সংযমৰ বান্ধ ভাঙি গৈছিল। পিছত যেতিয়া অৰ্থনৈতিক দুৰ্যোগ ঘটিল তেতিয়া জাপানে নিজৰ শক্তিৰে তাৰ প্ৰতিকাৰৰ কোনো চেষ্টা নকৰিলে। কেৱল ইউৰোপ আৰু আমেৰিকালৈ চাই ৰহি থাকিল। জাপানে ভাবিছিল যে প্ৰতীচ্য খণ্ডত বজাৰৰ ভাও উঠিলে তাৰ পৰোক্ষ ফলত তেওঁ লোকৰো উন্নতি হব। তেওঁলোকে বিদেশী ভাব ধাৰাক বিনা পৰীক্ষাৰে গ্ৰহণ কৰিবলৈ ধৰিলে। বস্তুতান্ত্ৰিক সভ্যতাৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখি ৰহি থাকিল। এই সভ্যতাই মানুহৰ আত্মাৰ শক্তি স্বীকাৰ নকৰে। ইয়াৰ ফলত এই হল যে যিবিলাক উপায়েৰে এই অনিষ্টৰ প্ৰতিকাৰ হলহেতেন সেইবোৰ অবলম্বন কৰিব পৰা মনৰ বল তেওঁলোকৰ আৰু নাথাকিল।" অথচ জাপানৰ সামৰিক দলে আজি তেওঁলোকৰ নতুন ধৰ্ম্ম 'ছিন্‌টো ( Shinto )ৰ প্ৰচাৰত পাশ্চাত্যৰ প্ৰচাৰ পদ্ধতি অৱলম্বন কৰিবলৈ একো দ্বিধা বোধ নকৰে। 'ছিন্‌টো'ৰ অৰ্থ পূৰ্ব্ব পুৰুষৰ পূজা আৰু সম্ৰাটৰ পূজা। এই ছিনটোৰ কোনো উল্লেখযোগ্য লিখিত বিধি নিষেধ ৰীতি পদ্ধতি কথা কাহিনী বা উপদেশাৱলী নাছিল। এই সম্পৰ্কে দুখন মাথোন কিতাপ আছিল। এখন হৈছে "কোজিকি" বা পুৰাতনী (অতীত ঘটনাৰ বিৱৰণ ) আৰু আনখন হৈছে "নিহোঙ্গি" বা ৰাজবংশাৱলী। এই দুই খনৰ ঠাইত এতিয়া ১৮৮২ খৃষ্টাব্দত মেইজি সম্ৰাটে সৈন্যসকলৰ উদ্দেশ্যে যি বাণী প্ৰদান কৰিছিল তাকে প্ৰচাৰ কৰা হৈছে। এই বাণী

আজি পৰম পবিত্ৰ বুলি পূজিত হৈছে। ইয়াকেই সামৰিক সংগঠনৰ মূল সূত্ৰ আৰু জাতীয় নীতিশাস্ত্ৰৰ মূল উৎস বুলি ধৰি লোৱা হৈছে।

ইয়াৰ ভিতৰত মোটা-মোটি পাঁচটা দফা আছে। প্ৰথম দফাত আছে প্ৰত্যেক সৈন্য আৰু দেশবাসীৰ প্ৰধান কৰ্ত্তব্য ৰাজভক্তি সম্বন্ধে আলোচনা কৰা। সৈনিক সকলক ৰাজনৈতিক আন্দোলনত যোগ দিবলৈ নিষেধ কৰা হৈছে। লোকে কি কয় কি নকয় সেই বিষয়ে তেওঁলোক সম্পূৰ্ণ উদাসীন থাকি বিশ্বাসক পৰ্ব্বততকৈও গধুৰ আৰু মৃত্যুক তুলাতকৈও লঘু বুলি ভাবিবলৈ আদেশ দিছে। দ্বিতীয় দফাত স্থল শক্তি আৰু নৌ শক্তিৰ নিয়মানুবৰ্ত্তিতাৰ কথা আছে। ইয়াত কোনো সৈনিকে বইচ্ বাইচ্ নকৰি কৰ্ত্তৃপক্ষৰ আদেশ পালন কৰিবলৈ কোৱা হৈছে। এই ধাৰাৰ ব্যাখ্যা প্ৰসঙ্গত সামৰিক দলে কয় যে আদেশৰ প্ৰয়োজন আছে বুলিয়েই সৈন্যবিভাগৰ বিভিন্ন উচ্চপদৰো প্ৰয়োজন আছে। ইয়াৰ অন্যথা হলে সৈন্যবাহিনী আচলতে এটা সমাজতান্ত্ৰিক সংগঠন মাত্ৰ হলহেতেন। সম্ৰাটৰ প্ৰতি সৈন্যসকলৰ ভক্তি আৰু বিশ্বস্ততা নিতান্ত বাঞ্ছনীয়। এই দফাৰে শেহ ছোৱাত কোৱা হৈছে যে যদি কোনো অস্ত্ৰধাৰী সৈন্যিকে এই নীতিৰ অবমাননা কৰি ওপৰৱালা কৰ্ম্মচাৰীৰ প্ৰতি অৱজ্ঞা দেখুৱায় বা তলতীয়াসকলৰ প্ৰতি দুৰ্ব্যৱহাৰ কৰে তেন্তে সেই বিলাকক দেশৰ শত্ৰু স্বৰূপ ধৰা হব। তৃতীয় ধাৰাত সৈন্য সকলৰ সাহস সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত কোৱা হৈছে যে সাহস ধৰ্ম্মৰ অঙ্গস্বৰূপ। পিছে দায়িত্বহীন ভণ্ড অবিবেকীৰ দৰে তৰ্জ্জন কৰি আক্ৰমণ কৰাকে সাহস নোবোলে। প্ৰত্যেক সৈনিকেই থং দমন কৰি কৰ্ত্তব্য সম্পাদন কৰা কৰ্ত্তব্য। চতুৰ্থ আৰু পঞ্চম দফাত যথাক্ৰমে একতা আৰু মিতব্যয়িতাৰ উপকাৰ সম্বন্ধে আলোচনা কৰা হৈছে। সৈনিক যদি অমিতব্যয়ী হয় তেনেহলে সি ক্ৰমশঃ বিলাসী স্বাৰ্থপৰ লোভী হৈ যায়।

যুদ্ধপন্থী আৰাকীয়ে কৈছে যে পাশ্চাত্য বস্তুতান্ত্ৰিক সভ্যতাৰ প্ৰভাৱত পৰি আজি বহুতো জাপানী নৰ-নাৰীয়ে পাহৰি গৈছে যে তেওঁলোক জাপানী, তেওঁলোকৰো নিজ[া] এটা সভ্যতা কৃষ্টি আৰু নীতিৰ ধাৰা আছে। এইটোৱে[ই] হৈছে তেওঁলোকৰ বিশেষত্ব। তেওঁলোকে জাপা[নী] ভাবৰ লগত খাপ নোখোৱা পাশ্চাত্য ভাবৰ প্ৰেৰণা[ত] বিলাসিতা আৰু আমোদ প্ৰমোদকেই জীৱনৰ কৰ্ত্ত[ব্য] বুলি ধৰি লৈছে। কঠোৰ জীৱন যাত্ৰা আৰু মিতব্যয়ি[তা] জাপানীয়ে আজি পাহৰি গৈছে। ইয়াৰ একমা[ত্ৰ] প্ৰতিকাৰ গোটেই জাতিৰ মাজত সামৰিক মনোবৃ[ত্তি] বাহুল্য প্ৰচাৰ কৰা। আৰাকীৰ এই নিবৃত্তিয়ে যেন [জাপানী] মনৰ ভাবৰ এটা স্পষ্ট ধাৰণা দিয়ে। তেওঁৰ মা[...]



জাপানী ৰমনীৰ পুজাৰ্চ্চনা পদ্ধতি।

গোটেই জাপানী জাতিটো এটা শক্তিশালী সাম[ৰিক] জাতিত পৰিণত হব লাগে।

জাপানৰ এই নতুন ধৰ্ম্ম 'ছিনটোৰ' প্ৰতিমূৰ্ত্তি তি[নিটা] বস্তু ৰাজ পৰিয়ালত আছে। সেই তিনটা বস্তুৰ তি[নিটা] এখন আয়না, এটা মণি আৰু এখন তৰোৱাল। আয়[নাৰ] অৰ্থ হৈছে পোহৰ আৰু ন্যায় ধৰ্ম্ম, মণিৰ অৰ্থ হৈছে [...] আৰু বদান্যতা, তৰোৱালৰ অৰ্থ হৈছে সাহস আৰু প্ৰতিজ্ঞা।



জাপানৰ এই নতুন ধৰ্ম্মত ঈশ্বৰৰ ঠাই নাই। ঐহিক [উ]ন্নতিৰ কাৰণে এই ধৰ্ম্ম সৃষ্টি কৰা হৈছে। জাপানে কয় [য]ে এই ধৰ্ম্ম পালন কৰিয়েই আজি জাপানে সভ্যজগতত [স]গৌৰৱে মূৰ তুলি থিয় হবলৈ সক্ষম হৈছে। আৰু [ভ]বিষ্যতেও এই ধৰ্ম্মই জাপানক ৰক্ষা কৰিব।



টকিওত মাঞ্চুকুৱ সম্ৰাটৰ লগত সাক্ষাৎ কৰিবলৈ যোৱা উপলক্ষে শোভাযাত্ৰা।

বৰ্ত্তমান চীনত জাপানে যিবিলাক কাম কৰিছে [এ]ই সকলোবিলাক আনকি মাঞ্চুৰিয়া দখলৰ ইতিহাসতো [জ]াপানীসকলে এই নতুন ধৰ্ম্মৰ দোহাই দিয়ে। জাপানী [স]কলে কয় যে মাঞ্চুৰিয়াৰ এটা আধ্যাত্মিক মূল্য আছে। [প্ৰ]াচ্য খণ্ডৰ শান্তি ৰক্ষা কৰা আৰু মানব জাতিক অধঃপতনৰপৰা ৰক্ষা কৰাটো জাপানৰ কৰ্ত্তব্য। চীনৰ ভাগো ভাগো হোৱা শাসন-যন্ত্ৰ প্ৰায় অচল হৈ পৰিছে। চীনৰ গৱৰ্ণমেণ্ট আজি দেশৰ আভ্যন্তৰিক শান্তি ৰক্ষা কৰিবলৈ অক্ষম। চীনাবিলাক দিনে দিনে অধঃপাতে যাবলৈ ধৰিছে। গতিকে সেই দেশৰ কাৰ্য্যত হাত দিয়াটো ন্যায় আৰু ধৰ্ম্মমতে উচিত হৈছে। যদি তাত কোনোবাই বাধা দিয়ে তেন্তে সি তেওঁলোকৰ পক্ষে সহ্য কৰাটো সম্ভৱ নহব।

জাপানৰ আজি সামৰিক দলৰ প্ৰভাৱত যুদ্ধৰ ভেৰি সকলোতে বাজি উঠিছে। সামৰিক নেতাসকলে অগ্নিবাণীৰে ইয়াৰ ইন্ধন যোগাইছে। টকিও চহৰত আজি আগৰ দৰে বিলাসী যুৱক যুৱতী নাই। তাৰ পাৰ্ক বিলাক আজি শূন্য হৈ পৰি আছে। কাৰণ দেশৰ কি ধনী কি দুখীয়া সকলো আবাল বৃদ্ধ বণিতাই সমৰ শিক্ষাত ব্যস্ত হৈ পৰিছে। ৰণ পিপাসু জাপানীয়ে ধৰ্ম্ম বুলি কোনো কথা নুবুজে। তেওঁলোকে সমৰ শিক্ষা কৰাটোৱেই অৰ্থাৎ চমুকৈ "ছিনটোৰ' ধৰ্ম্মকহে ধৰ্ম্ম বুলি বুজে। তেওঁলোক আজিকালি ধৰ্ম্ম মন্দিৰবোৰলৈ বৰকৈ নাযায়।

জাপানী জাতিয়ে আজি নিজৰ শক্তি বিস্তাৰৰ কাৰণে যিমান দূৰ সম্ভৱ চেষ্টা কৰিবলৈ ধৰিছে। তেওঁলোকৰ কাৰ্য্য দেখি আজি জগতৰ শক্তিমন্ত জাতিবোৰ মহা দুৰ্ভাবনাত পৰিছে। জাপানৰ ভবিষ্যত কি হয় বাট চাব লাগিব।



# অসমীয়া নীৰৱ শ্বেলী

## স্মৃতি-তৰ্পণ

—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি-এছ-ছি, বি-এ

পুৰণি গ্ৰীকসকলৰ অন্ত্যেষ্টিক্ৰিয়া যিদৰে সম্পন্ন কৰা হয়, ঠিক সেইদৰেই ইটালিৰ সাগৰৰ পাৰত এজন ইংৰাজ কবিৰ মৃত দেহ সাগৰৰ বালিৰ মাজৰপৰা উলিয়াই চিতাগ্নিত অৰ্পণ কৰা হৈছিল। সেই জনেই হৈছে উনৈশ শতিকাৰ ইংৰাজী সাহিত্যৰ "দেৱদূত শ্বেলী!" পুৰণি কালৰ গ্ৰীক পুৰোহিতসকলৰ দৰে, চিতা সজাৰ পিছত, তাত সুৰা আৰু সুগন্ধি ঢালিছিল,—সেই জন লৰ্ড বাইৰণ! যিজন কবিয়ে সদায় মানুহক অকল বিদ্ৰূপকে কৰি আহিছিল, এই দৃশ্য পটৰ মাজত সেই বাইৰণৰো চকু পানীৰে সেমেকি উঠিল, আৰু চকুলো লুকাবৰ কাৰণে পগলাৰ দৰে হাঁহিবলৈ ধৰিলে। শ্বেলীৰ দেহৰ অৱশেষৰ ফালে চাই যেতিয়া বাইৰণৰ বুকু ভাগি আহিবলৈ ধৰিছিল, তেতিয়া তেওঁৰ অন্তৰ মথি বাহিৰ হৈছিল "হায়, প্ৰমিথিউছ!" পাঁচ-ছদিনৰ মূৰত যেতিয়া পোনতে উপসাগৰৰ বালিত শ্বেলীৰ মৰা শৰটি পোৱা হৈছিল তেতিয়া গাৰ ওলাই থকা ভাগ সাগৰৰ মাছে খাই শেষ কৰিছিল। চোলাৰ মোনাত হাত ভৰাই এটি জেপত খফক্লিছ আৰু আনটি জেপত লৰালৰিকৈ পঢ়ি আকৌ উলিয়াই পঢ়িবলৈ বুলি পাত মেলি ওলোটাই ভৰাই থোৱা কীট্ছৰ কবিতাৰ পুথি! এয়ে আছিল শ্বেলীৰ অন্তিম!

ঠিক প্ৰায় সেইদৰেই সিদিনা অন্তিম শয়নত শুলে দিচাং নৈৰ পাৰত অসমীয়া নীৰৱ শ্বেলী ভগৱতী প্ৰসাদ! সেই প্ৰায় একে বয়স, সেই নিচিনা অভিজাতৰ আলসুৱা তৰুণ, সেই সুন্দৰ দেৱদূতৰ শ্ৰী, সেই একে কবিপ্ৰাণ, কিন্তু নিজ প্ৰদেশ, আন নালাগে নিজ বন্ধু বান্ধৱৰ মাজতো অখ্যাত; বাহিৰে অভিজাতৰ খোলাটো থাকিলেও অন্তৰত সাম্যবাদৰ শাহ; সমাজৰ উন্মত্ত বিপ্লৱবাদী নহলেও নিশ্চয় সুস্থ সংস্কাৰকামী। সেই অসমীয়া নীৰ[ৱ] শ্বেলী আৰু নাই!

শিৱসাগৰৰ ৰাজকীয় উচ্চ বিদ্যালয়ৰ (আজিকালি[ৰ] মতে) পঞ্চমমান শ্ৰেণীৰপৰা এই লিখক ভগৱ[তী] প্ৰসাদৰ পৰিচিত আৰু সহপাঠী। জ্ঞানৰ ক্ষুধাৰ বা[...] বিশেষকৈ এই লিখক আছিলো সুধীৰ গামী; প[...] এই শ্ৰেণীত তেওঁক লগ ধৰিলোঁ যদিও, অষ্টমমান শ্ৰেণী[...] পাছ পৰি আকৌ ছয়ো শ্ৰেণীত এৰা-এৰি হলোঁ। প[...] মান শ্ৰেণীত আমাৰ তেনে কোনো মনত থাকিব লগা ক[...] নাই। চতুৰ্থমান শ্ৰেণীত পঢ়োঁতে (১৯১১ খৃ[:]) তেতিয়াৰ সেই বিদ্যালয়ৰ সুযোগ্য প্ৰধান শিক্ষক শ্ৰদ্ধা[...] শ্ৰীযুত ৰামেশ্বৰ বৰুৱাদেৱৰ উৎসাহ আৰু উদ্দীপিত, [...] পৰম শ্ৰদ্ধা আৰু প্ৰীতিভাজন সৰু মোমাইদেউ শ্ৰী[যুত] থানেশ্বৰ হাজৰিকা (এতিয়া বি-এ,আই-ডি-ডি; থানা[...] ডেইৰি মেনেজাৰ), সহপাঠী মৌঃ ফিৰদৌছ আলি (এ[তিয়া] এম-এ, ছব্‌ডেপুটি কলেক্টৰ), আৰু শ্ৰীযুত শিৱপ্ৰ[সাদ] বৰুৱা (দেশকৰ্ম্মী আৰু অভিনেতা) আৰু নিজে, "ভু[মুকি]" নামে হাতেলিখা কাকত উলিয়াওঁ (সেই কাকত অ[...] লৈকে সেই পঢ়াশালিত মাজে সময়ে ভুমুকি মাৰি [...] বুলি জানো)। ষষ্ঠমান শ্ৰেণীত সেই কাকতৰ সংখ্যা[...] মোৰ ছুটি সাধু (চুটি গল্প) ওলায়, কিন্তু নকল কৰোঁ[...] জনে দুইটা সাধুকে একে ঠাইতে এনেদৰে লিখিলে[...] দুইটা মিলি সচাকৈয়ে এটা "আগগুৰি নোহোৱা এ[...] হৈ পৰিল। প্ৰকৃততে কেনোবাই কাকতখনত [...] প্ৰবন্ধৰ দাতিত পেন্সিলেৰে তেনেদৰে মন্তব্য [...] কৰে আৰু এদিন ভগৱতীপ্ৰসাদে সেই মন্তব্যৰ ক[...] মোৰ লগত ধেমালি কৰাত, তেহেঁ। সাহিত্যত অ[...]



[...]থকা এজন ছাত্ৰ বুলি প্ৰথম ভু পাওঁ। কিন্তু তাতকৈ অধিক একো নাজানো।

সপ্তমমান শ্ৰেণীত (১৯১৪ খৃঃ) আমাৰ ঘনিষ্ঠতা বাঢ়ে আৰু ভগৱতীপ্ৰসাদক আৰু ভালকৈ জানিবৰ সুযোগ ঘটে। তেতিয়া পঢ়াশালিৰ জহৰ আৰু পূজাৰ বন্ধ দিয়াৰ দিনা শ্ৰেণীয়ে শ্ৰেণীয়ে বিদায়-সভা পাতি চাহখোৱা যেন আৰু লগতে পদ্যপাঠ, সঙ্গীত-চৰ্চ্চা আদি কৰা হয়। তাৰ বাবে পদ্য আৰু গীত ৰচনাৰ ভাৰ মোৰ গাত পৰে; ভগৱতীপ্ৰসাদে কেতিয়াবা সেইবোৰ শলগা বুলি যেন মনত পৰে। এটা কথা কিন্তু মোৰ বঢ়িয়াকৈ মনত পৰে। সেই শ্ৰেণীত আমি পঢ়া ৱৰ্ডছ ৱৰ্থৰ "দি কাক্কু" কবিতাটো এদিন অসমীয়ালৈ ভাঙি মই শ্ৰেণীলৈ নিওঁতে ভগৱতী প্ৰসাদে পাই পঢ়ি মোক কৈছিল—"তোমাৰ কবিতাটো যিমান ভাল হোৱা নাই। ইয়াতকৈ ভাল এটা অনুবাদ আছে, তোমাক দেখুৱাম বাৰু।" এই বুলি সেই দিনাই [প]ঢ়াশালিৰ পানী খোৱা ছুটীৰ পিছত তেওঁ পুৰণি "জোনাকী" কাকতৰ হৰলা ফটা পাত এটি আনি মোক দেখুৱালেহি— "[...]আই হেৰ বঙ্গিয়াল নতুন আলহী" ইত্যাদি। তেতিয়া "[...]বাহীৰ" বাজত; "জোনাকী" "বিজুলী" কাকতৰ মই নামকে জনা নাছিলোঁ। ভগৱতীপ্ৰসাদৰ সাহিত্যিক [উ]ত্তৰাধিকাৰিত্ব সূত্ৰত তেওঁ সেইবোৰ জানিছিল—অসমীয়া [...]জন ৺হেমচন্দ্ৰ বৰুৱা আৰু ব্ৰহ্মনৰো বাট দেখাওঁতা [...] বহুৰাম বৰুৱাৰ বংশধৰ তেওঁ; তেওঁৰ পিতৃদেউতাক [...]ৰ ছাহাব ৺ৰাধিকাপ্ৰসাদ বৰুৱা নিজেও সাহিত্যানুৰাগী [...] আছিল আৰু "জোনাকী" আদি সাময়িক সকলো অসমীয়া কাকত তেওঁলোকৰ ঘৰত অতি যতনেৰে ৰখা [হৈ]ছিল। এই সামান্য ঘটনা মোৰ জীৱনত সাহিত্য [সে]ৱাৰ হকে এক প্ৰথম আৰু প্ৰধান প্ৰেৰণা। নিলগৰ [...]ৰা দেখাত ভগৱতীপ্ৰসাদৰ সমালোচনা মোৰ বাবে নিৰুৎসাহজনক; কিন্তু ইয়াতকৈ ডাঙৰ উৎসাহ আৰু [...]পণি তেতিয়ালৈকে মই পোৱা নাছিলোঁ। ছাপা [...]ৰৰ সন্মান এতিয়াতকৈ তেতিয়া দহ গুণ অধিক [আ]ছিল; তেনেকুৱা ছপা হোৱা কবিতাৰ লগত, মোৰ [...]নলিত লিখা সামান্য কবিতা বিজাই মোৰ মনত তেওঁ [...]চাকৈয়ে প্ৰথম আত্মবিশ্বাসৰ বীজ সিচিছিল!

সেই বছৰটো মোৰ কাৰণে, আৰু কেবাজনো লগৰীয়াৰ কাৰণে, অতি লাগতিয়াল। সেই বছৰতে কি তাৰ আগ বছৰতে "ভুমুকি"ৰ উপৰিও আমাৰ অগ্ৰজ প্ৰতিম শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱ (এতিয়া সুপ্ৰসিদ্ধ বুৰঞ্জী বিশাৰদ) ভগৱতীপ্ৰসাদেৰে লগ লাগি "জেউতি" উলিয়ায়। সেই সময়তে সুপ্ৰসিদ্ধ কবি সাহিত্যিক শ্ৰীযুত পদ্মধৰ চলিহা বি-এ (এতিয়া এম্-এ, বি-এল) মোৰ পৰম শ্ৰদ্ধাভাজন, শিক্ষাগুৰু শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱা বি-এ (এতিয়া বি-টি) আৰু সুপ্ৰসিদ্ধ ফুলেশ্বৰী স্কুল প্ৰতিষ্ঠাতা শ্ৰদ্ধেয় শ্ৰীযুত ৰাধিকানাথ শৰ্ম্মাদেৱ আদিৰ নেতৃত্বত "বিমলালয় সভা" সুপ্ৰতিষ্ঠিত হয়। এই সভাখনিৰ যাণ্মাষিক অধিবেশনত ডাঙৰৰ ৰচনা প্ৰবন্ধ আদিৰ বাহিৰেও শ্ৰীযুত থানেশ্বৰ মোমাইদেউ আৰু মোৰ ছুটি কবিতা পঠিত হয়; তাতো ভগৱতীপ্ৰসাদক লগ পাওঁ। তেতিয়াৰপৰা ১৯১৮-১৯ চনলৈকে এই সভা অতি তেজেৰে চলে, আৰু এই ছোৱা কালত ভাগৱতীপ্ৰসাদ তাৰ এজন অতি উদ্যোগী কৰ্ম্মী আছিল। গুটীয়াকৈ, মই এই সভাৰ আৰু ইয়াৰ প্ৰতিষ্ঠাতাসকলৰ ওচৰত যে কিমান ঋণী, তাক কৈ শেষ কৰিব নোৱাৰো। কিন্তু মোৰ দৰেই হয়তো শিৱসাগৰৰ সেই কালৰ আৰু অনেক ছাত্ৰ এই সভাৰ ওচৰত ধৰুৱা। অসম জননীৰ সুসন্তান ঢাকা বিশ্ববিদ্যালয়ৰ বৰ্ত্তমান পাৰ্চী সাহিত্যৰ প্ৰধান অধ্যাপক ডক্টৰ মফীজুল ইছলাম বৰা এম-এ, পি এইচ্ ডি এই সভাৰে আন এটি গৌৰৱ ৰত্ন।

১৯১৫ খৃঃ তাৰ আগৰ বছৰতকৈও অধিক। এই বছৰ "বিমলালয় সভা" পূৰ্ণ বেগেৰে চলে। হাতে লিখা কাকত "ভুমুকি" "জেউতি"ৰ বাহিৰেও পুৰণি "পুৱা" প্ৰবীণ উকীল শ্ৰীযুত ৰামকুমাৰ বৰুৱা আৰু শ্ৰীযুত পদ্মধৰ চলিহা দেৱৰ সম্পাদনত নকৈ ওলায় আৰু "মালতী" নামে শ্ৰীযুত ত্ৰৈলোক্যনাথ বৰুৱাদেৱৰ যত্নতে আন এখনি কাকত আমাৰ শিক্ষকসকলৰপৰা ওলায়। তেতিয়া "ভুমুকি" সম্পাদনৰ ভাৰ প্ৰায় অকলে মোৰ ওপৰত; ইফালে "মালতী" আদি কাকতলৈকো প্ৰবন্ধৰ যোগান ধৰিব লাগে। মই আৰু ভগৱতীপ্ৰসাদ তেতিয়া অষ্টমমান শ্ৰেণীত, দুয়ো ওচৰা ওচৰিকৈ বহো। অঙ্ক শাস্ত্ৰ আৰু

ইংৰাজী সাহিত্য, দুইটা বিষয় একেজন শিক্ষকেই পঢ়ায় ; আমাৰ মনত অঙ্ক শাস্ত্ৰ "মহাব্যাঘ্ৰী"—ঘৰততো তাৰ ওচৰলৈ যোৱা নহয়েই, শ্ৰেণীতো সেই ঘণ্টাত .চেলু বিচাৰি লৈ সাহিত্য চৰ্চ্চা কৰা হয়। তেতিয়া দিনে অন্ততঃ ২।৩টা কবিতা শ্ৰেণীলৈ লিখি তাৰ আলোচনা চলোৱাটো এটা নিত্য-নৈমিত্তিক কৰ্ম্মৰ ভিতৰত পৰিছিল, আৰু শ্ৰেণীৰ পঢ়া-শুনা সেই অনুপাতে বাদ পৰি গৈছিল। এইদৰে প্ৰায় গোটেই বছৰ কটোৱাৰ পিছত যেতিয়া পঢ়াশালিৰ বছৰেকীয়া পৰীক্ষাৰ ফল বাহিৰ হল, মোৰ ভাগত পৰিল অঙ্কৰ নম্বৰ এশৰ ভিতৰত পোন্ধৰ; ভগৱতী প্ৰসাদে হয়তো ইয়াতকৈ কেই নম্বৰমান সৰহ পাইছিল। বুৰঞ্জী, অসমীয়া আৰু ইংৰাজী বিষয়ৰ কোনো কোনোটোত প্ৰথম দ্বিতীয় স্থানৰ নম্বৰ পালেও সেইবাৰ মোৰ ভাগত প্ৰমোশ্যন নপৰিল ; ভগৱতীপ্ৰসাদৰ অঙ্ক বিষয়ত শিক্ষকে দায়িত্ব লোৱাত তেওঁ প্ৰমোশ্যন পালে। এইখিনিতে সহপাঠী স্বৰূপে আমি আকৌ এৰাএৰি হওঁ। কিন্তু বাহিৰৰ সভা-সমিতি আদিত আমাৰ সহযোগ তেতিয়াও থাকিল।

ভগৱতীপ্ৰসাদে ১৯১৮ খৃঃত আৰু মই তাৰ পিছ বছৰত মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হওঁ। সেই দুবছৰৰ ভিতৰতে তেওঁ সেই শিক্ষকজনৰ সহায়ত অঙ্ক, সংস্কৃত আদি বিষয়বোৰত আশাতীত উন্নতি কৰি মেট্ৰিকুলেশ্যনত পোন্ধৰ টকীয়া জলপানী ধৰে। অসমীয়াৰ বাহিৰেও ইংৰাজী সাহিত্যত তেওঁৰ ব্যুৎপত্তি সুন্দৰ আছিল। "জেউতী"ত তেওঁ ভালেখিনি প্ৰবন্ধ আৰু কবিতা লিখিছিল, কিন্তু অতি তাকৰ ঠাইতেহে তেওঁৰ নাম আছিল। কিন্তু কোনো অতি নিমজ আৰু নিভাজ ৰচনা দেখিলেই সেইটো ভগৱতীপ্ৰসাদৰ বুলি আমি জানিছিলোঁ। "খনিকৰ আৰু প্ৰতিমা" নামে এটি কবিতাৰ আৰম্ভটি এতিয়াও মনত আছে—

"দিনৰে দিনটো, তাতেহে লাগিব,
তাতেহে তেওঁৰ মন ;
ওৰে দিন ধৰি মন-প্ৰাণ ঢালি
সাজিছে প্ৰতিমাখন।"

"জেউতি"ৰ বাহিৰে "বিমলালয় সভা"ত মাজে মাজে তেওঁ কিছুমান ৰচনা পঢ়িছিল আৰু সেই সভাৰ সম্পাদক স্বৰূপে তাৰ কাৰ্য্যবিৱৰণী লিখিছিল। ১৯১৮ চনত মেট্ৰিকুলেশ্যন পৰীক্ষা দি আহি মোৰ বিশেষ অনুৰোধত তেওঁ "ভুমুকি"ৰ এটি বিশেষ সংখ্যা উলিয়ায়। সেই সংখ্যাটি এতিয়া মোৰ হাতত নাই। তাতে মোৰ "মৰম ভিখাৰী" কবিতাটি জয়ে জয়ে ওলায়, আৰু তেওঁৰ দুই তিনটি প্ৰবন্ধৰ মাজত "শিক্ষা" আৰু মাতৃভাষা নে এনে নামৰ এখনি ভাবুক ৰচনা ওলায়। সেই ৰচনাৰ যুক্তিবোৰ এতিয়াও পাহৰা নাই।

ভগৱতীপ্ৰসাদৰ যেনে সুন্দৰ মুখশ্ৰী, তেনে সুন্দৰ অন্তৰ, তেনে মনোহৰ হাব-ভাব, তেনে লিখা, তেনে ৰচনা আৰু কল্পনা। সেই পঢ়াশলীয়া জীৱনতে তেওঁ বিভাৰ ঐশ্বৰ্য্যৰ চিনাকি দিছিল, এতিয়াও মনত পৰিলে তাৰ মানো। অৱশ্যে তেওঁৰ বাহিৰেও আমাৰ সেই অসমীয়া আৰু সহপাঠীসকলৰ ভিতৰৰ আন কেবাজনেও সাহিত্য সেৱাত উজ্জ্বল ভবিষ্যতৰ আশা দিছিল, আৰু এই প্ৰসঙ্গত শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ বাহিৰে শ্ৰীযুত থানেশ্বৰ মোমাইদেউ, মৌলবী ফিৰদৌছ আলি আদি কেবাজনৰে নাম উল্লেখ কৰিব পাৰি। কিন্তু ভগৱতীপ্ৰসাদৰ এনে এটি বৈশিষ্ট্য আছিল, যিটি ফঁহিয়াই দেখুওৱা টান; অন্ততঃ তেওঁ আৰু তেওঁৰ লগৰীয়া ৺বিমলাকান্ত বৰুৱা (বি-এ) দুয়ো সাহিত্যৰ নামত এটি ব্যঙ্গসূচক হাঁহিৰেই সকলোকে, অন্ততঃ এই লিখকক, সদায় সম্ভাষণ কৰিছিল—

"কবিয়ে কবিতা লিখে, দেখিবলৈ ভাল,
অকবিয়ে কিয় তাত কৰে আহকাল।"

অথচ সেই ভগৱতীপ্ৰসাদ আৰু সেই বিমলাকান্তই মোৰ কবিতাৰ প্ৰথম গুণ শলাগোঁতা—'এড্মায়ৰাৰ'। পোনতে ছাপা কাকতলৈ মোৰ কবিতা পঠাবলৈ কোনো মতে সাহ নজন্মে, কলেজৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত পঢ়োঁতে মোৰ হাতৰপৰা প্ৰায় বলেৰে "উপহাৰ" কবিতাটো নিয়া নকল কৰি বিমলাকান্তই "বাঁহী"ৰ সম্পাদকলৈ পঠিয়ায়, আৰু সেয়ে যথা সময়ত দশম বছৰৰ দশম সংখ্যা "বাঁহী"ত ঠাই পায়। এই কবিতায়ে মোক প্ৰথমে "বাঁহী" তথা ছাপা



কাকতৰ লগত চিনাকি কৰি দি মোৰ মনৰ সঙ্কোচ গুচায় আৰু এই কবিতায়ে তেতিয়াৰ "বাঁহী"ৰ অন্যতম গৰাকী, 'প্ৰতিমাৰ' শ্ৰেষ্ঠ খনিকৰ পৰম শ্ৰদ্ধাস্পদ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ ওচৰ চপাই দি, তেখেতৰ চিৰ স্নেহভাজন কৰি মোক কৃতাৰ্থ কৰে! মোৰ সামান্য জীৱনত এই দুটি অসামান্য লাভ, আৰু সেই লাভ তেওঁলোকৰপৰাই পাইছিলোঁ।

এই কবিতাটি "বাঁহী"লৈ পঠাওঁতে মই কটন কলেজৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত, বিমলাকান্ত তাৰে তৃতীয় বাৰ্ষিক শ্ৰেণীত, আৰু ভগৱতীপ্ৰসাদ স্কটিছ্ চাৰ্চ কলেজৰ তৃতীয় বাৰ্ষিকত। কবিতাটো "বাঁহী"ত দেখি তেওঁৰ আনন্দ চায় কোনে? দুই এদিনতে ডাকত হঠাৎ ভগৱতীপ্ৰসাদৰ আখৰেৰে এখনি খামৰ চিঠি পাওঁ—

"মৰমৰ ডিম্বেশ্বৰ,

আজি বাঁহীত তোমাৰ কবিতা এটি দেখিলোঁ। তাৰ পিছত যত্নেৰে পঢ়িছো, আৰু পঢ়ি পঢ়ি মোৱাদো লৈছো। মোৰ যদি ভুল হোৱা নাই, আমাৰ সৰো সাহিত্যিক সমাজত তোমাৰ এয়ে প্ৰথম প্ৰকাশ। এই উপলক্ষে মোৰ সৰল অভিবাদন জনালো।

তোমাৰ কবিতাৰ মৌকোঁহত সোমাবলৈ মোৰ এটা সুবিধা আছে। কবিৰ জীৱনৰ আৰু আদৰ্শৰ পোহৰ-ছাঁয়াৰ সমাবেশত কাব্যৰ সৃষ্টি। আৰু জীৱনটো কি! ধৰা, এটা ব্যক্তিগত জীৱন ; কিমান সুন্দৰ, কিমান প্ৰেমময়, কিমান আশাপূৰ্ণ, কিমান ব্যথিত, কিমান করুণ। এইখেতো কাব্যৰ কথা। এতিয়া ছন্দৰ আৱশ্যক, সুৰৰ আৱশ্যক। সুৰ মৰমৰ নহয় ; সি হল আদৰ্শৰ। আদৰ্শৰ পৰশনত কথাই প্ৰাণ পায়, তাতেই কবিতাৰ জনম। কাব্যৰ সুৰেই তাৰ Suggestiveness, যেন জোনাক নিশাৰ বনৰ ছাঁয়া।

বাৰু, এতিয়া কোৱাচোন, তোমাৰ কিতাপখন উলিওৱাৰ কি হল? কিমান বাট চাব লাগিব?

সম্প্ৰতি মই ঘৰত। এসপ্তাহমানতে কলিকতালৈ উভতিম। মোৰ মৰম লবা।

সোণাৰি
ফাগুন ৭, ১৮৪২

তোমাৰ
শ্ৰীভগৱতীপ্ৰসাদ বৰুৱা"

সাহিত্যৰ একোটা 'এস্পেক্ট' কিমান বিস্তীৰ্ণ তাৰ ভু পোনতে ভগৱতীপ্ৰসাদৰপৰাই পাওঁ বুলি মই নকৈ নোৱাৰো। কবিতা বনফুলৰ দৰে এটা স্বাভাৱিক শক্তিৰ বিকাশ বুলিয়েই মই এতিয়ালৈকে বুজি আছিলো, সি যে এটা কলাবিদ্যা, তাৰ যে উৎকৰ্ষ লাগে, সেই ধাৰণা তেওঁৰ সংস্পৰ্শত নহালৈকে বুজা নাছিলো। মোৰ কবিতাৰ লগত তেওঁৰ আত্মীয়তা অধিক থকাৰ কাৰণেই প্ৰকাশিত কবিতাৰ "উপহাৰ" প্ৰথমনে, তাৰ আগতে কোনো কবিতা ছাপা হৈছিল, তেওঁৰ সন্দেহ উপস্থিত হৈছিল। ১৯১৮ চনতে এজন শ্ৰদ্ধেয় সাহিত্যিকে মোৰ সেই বয়সৰ কবিতাখিনি ছপাবলৈ বুলি মোৰপৰা খুজি নিছিল, আৰু প্ৰেছলৈকো পঠাইছিল হেনো। কিন্তু সেই আম যে নাহিলেই ফৰ্ম্মুটিও ক'ৰ ডালত লাগি থাকিল কব নোৱাৰো ; আজিলৈকে সেই হাতেলিখা কবিতাৰ বহীটো নাপালো। এই কিতাপখন ওলোৱা চাবলৈকে তেওঁ হেঁপাহ কৰি আছিল। তেওঁৰ এই চিঠি পোৱা এবছৰ সময়ৰ ভিতৰতে যেতিয়া কলেজৰ সহপাঠী সুযোগ্য বন্ধু, বৰ্ত্তমান সুদীৰ্ঘ কাল বিলাত-প্ৰবসুৱা শ্ৰীযুত শুকদেৱ গোস্বামী ( এম্-এ ) দেৱে গুৱাহাটী নিউ প্ৰেছৰ পাতনিকাগতে "মালিকা" নামে মোৰ শোক কবিতা এটি পুথিৰ আকাৰে ছপাই উলিয়ালে, তেতিয়া তাৰ এখন ভগৱতীপ্ৰসাদলৈ পঠাই দিলো—ধাৰৰ বাঢ়ি বুলি অৰ্থাৎ ঘাই কবিতাখিনি তেতিয়াও ওলোৱা নাছিল। তেওঁ সেই সময়ত বি-এ পৰীক্ষাৰ বাবে সাজু হৈছে, আৰু পিছত সুখ্যাতিৰে সেই পৰীক্ষাত উত্তীৰ্ণ হৈছে। তাৰ ভিতৰতে সময় উলিয়াই তেওঁ মোলৈ সেই কিতাপৰ বিষয়ে লিখিছিল—

"মৰমৰ ডিম্বেশ্বৰ,

তোমাৰ চিঠিখন আৰু আমাৰ সাহিত্যৰ ভৰালত তোমাৰ লখিমী 'মালিকা' খন আজি এমাহমানৰ আগেয়ে আহি হাতত পৰিছেহি। সদায়েই তোমালৈ লেখো লেখো বুলি লেখিব পৰা নাই; ইমান অসমৰ্থতা—কিমান তুমি সুবুজিবও পাৰা বুজিবও পাৰা আৰু সেইমতে বেয়া পাবও বা বেয়া নেপাবও পাৰা, মই যদিও বুজিবা বুলি আশা কৰিমেই আৰু বেয়া নাপালে ভাল পামেই।

তোমাৰ কবিতা পঢ়ি মুগ্ধ হৈছো। তোমাৰ কাপে অমৃত বৰষক।

ছেগ বুজি 'মালিকা'ৰ কথা তোমালৈ লেখিম সমালোচক স্বৰূপে নহয়, কাৰণ মই তেনে হবলৈ যিণ কৰো আৰু নহওঁ।

মাদৰ লবা।

The Ogilvie Hostel
ছিমলা, কলিকতা
মাৰ্চ্চ ১৪, '২২।

তোমাৰ মৰমৰ
শ্ৰীভগৱতীপ্ৰসাদ বৰুৱা"

মোৰ দুৰ্ভাগ্য, "মালিকা"ৰ বিষয়ে তেওঁৰ মতামত আৰু জানিবলৈ নাপালো। বি-এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ কিছুদিনৰ পিছতে তেওঁৰ পিতৃদেউতাক স্বৰ্গী হয়, আৰু পৰিয়ালৰ বৰপুতেক বুলি তেওঁৰ মূৰৰ ওপৰতে সেই সংসাৰ আৰু অভয়পুৰ মৌজাৰ নিচিনা এটা ডাঙৰ মৌজাৰ ভাৰ পৰে। তেওঁৰ ৰুচিৰ লগত খাপ খোৱা নহলেও তেওঁ হাঁহিমুখে এই ভাৰ বৈছিল, আৰু দুই এটি দেশ-হিতকৰ কাৰ্য্যত হাত দিছিল। ১৯২৩ কি ১৯২৪ চনত এবাৰ মই তেওঁলোকৰ সোণাৰিৰ ঘৰ ওলাওঁগৈ আৰু প্ৰায় ৫।৬ ঘণ্টামান থাকি ভাটীমুৱা ৰেলত শিৱসাগৰলৈ ওলটো। সেইদিনা তেওঁ কিবা ঘৰুৱা কামৰ লেঠাত অন্যমনস্ক আছিল, আৰু আমি মন মুকলিকৈ কথা-বাৰ্ত্তা হবলৈ নাপালো। সেই সময়তে কানীয়া-বিলাকক কানিৰ পট্টা দিবলৈ হুকুম হোৱাত মৌজায় মৌজায় কানীয়া-পিয়ল হয়। সাহিত্য বিষয়ৰ কথা ওলাওঁতে হাঁহি মাৰি তেওঁ কৈছিল—'মই কানীয়াৰ সাহিত্য লৈ ব্যস্ত!' তাৰ পিছত আৰু বহুত দিনলৈ তেওঁক লগ পোৱা নাছিলো।

সমাজত বা সৰহীয়া মানুহৰ মাজত বিশেষ কথা কবলৈ ভগৱতীপ্ৰসাদে ভাল নাপাইছিল, কিন্তু দুজন বা তিন জনৰ ভিতৰত কথা কওঁতে তেওঁ সদায় জিনিব পৰিছিল—গাৰ বলেৰে নহয়, বাতৰি আৰু যুক্তিৰ বলেৰে। "তৰ্কশাস্ত্ৰী" মহাব্যাঘ্ৰী তৰ্কেৰে অতি তাকৰ মানুহেইহে তাকৰ মানুহৰ অপ্ৰিয়ভাজন নোহোৱাকৈ ৰব পাৰিছে। ভগৱতীপ্ৰসাদৰ সৈতেও হয়তো কেতিয়াবা, সিধান নহলেও কোনো কথাত সৰু সুৰা তৰ্ক হৈছিল, কিন্তু তাৰ ফল আমাৰ কোনো স্থায়ী মনোমালিন্যৰ সৃষ্টি হোৱা নাছিল। তেওঁৰ বহুল বিচাৰ, সূক্ষ্ম যুক্তি, তেওঁৰ মিঠা মুখৰ হাঁহিটিৰে লগ লাগি তৰ্কৰ তিতাক সদায় পৰাস্ত কৰিছিল।

ভগৱতীপ্ৰসাদ আছিল অতি ৰবীন্দ্ৰ ভক্ত,—ইমান এই ভক্তি-প্ৰশংসাৰ মাত্ৰা বাঢ়িছিল যে ৰবীন্দ্ৰনাথৰ হাতৰ আখৰ পৰ্য্যন্ত এওঁলোকৰ ঘৰত প্ৰায় নিত্য কৰি থোৱা হৈছিল। ১৯১৯ চনত আমি গুৱাহাটীত প্ৰথম ৰবীন্দ্ৰ নাথক দেখোঁ; সেই বছৰেই তেজপুৰ অধিবেশন অসম ছাত্ৰ সন্মিলনৰ সভাপতি হৈ অহা ছাৰ প্ৰফুল্ল ৰায়কো দেখা পাওঁ। ভাৰতৰ এই দুটি উজ্জল নক্ষত্ৰৰ নিজ নিজ বিশেষত্ব আছে; কিন্তু যি কাৰণেই হওক, প্ৰফুল্লচন্দ্ৰৰ আচৰণৰ যি বিমল শিশুসুলভ কমনীয়তা আৰু উদাৰতাই আমাৰ বহুতক বিশেষকৈ আকৰ্ষণ কৰিছিল, ৰবীন্দ্ৰনাথৰ আভিজাত্য আৰু আৱৰণে (ই আমাৰ বিচাৰৰ ত্ৰুটিৰ বাবেও হব পাৰে) সেইদৰে আমাক আঁতৰাই আনিছিল। আদিৰেপৰাই আৱৰণৰ বিৰুদ্ধে মোৰ যুদ্ধ ঘোষণা! ভগৱতীপ্ৰসাদৰ সংস্পৰ্শত ৰবীন্দ্ৰ-সাহিত্যৰ প্ৰথম সোৱাদ পাওঁ, কিন্তু ৰবীন্দ্ৰ-দৰ্শনত সেই শ্ৰদ্ধা বিশেষ নাবাঢ়িল।



# বৰগীতৰ সুৰ-বিচাৰ

—শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা বি-এ

[এই প্ৰবন্ধটি যোৱা বছৰ শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াৰ সভাপতিত্বত বহা কলিকতা এ-এছ-এল ক্লাবৰ তৰফৰ পৰা এখনি আলোচনী সভাত পাঠ কৰা হৈছিল। সভাত প্ৰবন্ধৰ বিষয় লৈ কিছু আলোচনাও হৈছিল। সেই আলোচনাৰ সহায়ত পিছত প্ৰবন্ধৰ দুই এঠাইত যোগ বিয়োগ হৈছে—লিখক]

মধ্যযুগীয় ভাৰতৰ বৈষ্ণৱসকলৰ সাৰেঙ্গীত যি মোহন সুৰৰ ভক্তি ৰস বাগৰি পৰিছিল আজিও সি শান্তিবলিয়া মনুষ্য জীৱনৰ জুৰণি। ভাৰতবৰ্ষৰ সঙ্গীত-দৰবাৰত বৈষ্ণৱ সঙ্গীতৰ এই যোগান আপুৰুগীয়া। আমাৰ বৰগীত বিলাকেও যে এই যোগানৰ লগত উপযুক্ত ঠাই লব তাক কোনেও দুই কৰিব নোৱাৰে।

বৰগীত বুলিলে আমি কেৱল মহাপুৰুষ দুজনে ৰচনা কৰা গীতসমূহকে সাধাৰণতে বুজো। কিন্তু আন আন ভক্তসকলে ৰচনা কৰাও বহুত গীত সত্ৰবিলাকত প্ৰচলিত আছে। এনেকুৱা কেইটিমান গীত শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস ডাঙৰীয়াই পঞ্চম বছৰৰ "আৱাহন"ৰ ৭ম সংখ্যাত সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল; তাৰে দুটা নে এটা গীত চতুৰ্ভুজৰ ৰচনা। কিছুমান গীতৰ আকৌ ৰচক আন কোনোবা হলেও মাধৱৰ নামত ভণিতা পেলোৱা এসময়ত এটা নকলি চুৰি প্ৰথা চলিছিল।

বৰগীত বুলি এটা সুৰ নাই। নানা ৰাগৰ সুৰত গোৱা কিছুমান গীতকহে বৰগীত বোলা হয়। বৰগীত অসমীয়া সঙ্গীতৰ এটা শ্ৰেণী বুলিব পাৰি। বৰগীতৰ সুৰ শুদ্ধ ভাৰতীয় সঙ্গীতৰ ৰাগত বন্ধা। এই ৰাগৰ উল্লেখ পুৰণি পুথিবিলাকত গীতৰ মূৰতে দিয়া থাকে, যথা—ৰাগ ধনশ্ৰী। তথাপি আমাৰ বহুতে ভাবে বৰগীত বুলি এটা সুকীয়া সুৰ আছে। আৰু এই ভ্ৰম ধাৰণাৰ কাৰণেহে আজিকালি সভা সমিতিত গোৱা বৰগীতবিলাক প্ৰায় একে সুৰতেই গোৱা হয় বুলিলে অত্যুক্তি কৰা নহয়।

বৰগীতৰ এই ৰাগবিলাক শঙ্কৰদেৱৰ পূৰ্ব্বে অসমত আছিলনে নাই এইটো ভাবিবলগীয়া বিষয়। ভাৰতীয় সঙ্গীতৰ চৰ্চ্চা অসমত শঙ্কৰী যুগৰ আগত থকাৰ প্ৰমাণ আমাৰ হাতত নাই। প্ৰাত্নতাত্বিকসকলে যদিও আৰ্য্য সভ্যতাৰ প্ৰচাৰ আহোমৰ আগমনৰ পূৰ্ব্বে কামৰূপত হৈছিল বুলি কব খোজে তথাপি আহোমসকলে যেতিয়া এই দেশ অধিকাৰ কৰে সেই সময়ত আৰ্য্য সভ্যতাৰ পোহৰ এই দেশত এটিমিক ঢামাকমাত্ৰ। আহোম শাসনৰ লগে লগে মঙ্গোলীয় সংস্কৃতিয়েই এই দেশত খলি পুতি ললে বুলি অনুমান হয়। গতিকে শঙ্কৰৰ বহু পূৰ্ব্বে এই দেশত আৰ্য্য সঙ্গীতৰ চৰ্চ্চা আছিল যদিও মানুহে তাক পাহৰি গৈছিল। অন্ততঃ থকাৰ একো প্ৰমাণ নোপোৱাত আমি এনে অনুমান কৰিবলৈ বাধ্য হৈছো। নথকাৰ বা থাকিলেও পাহৰা বুলি ভাবিবৰ যথেষ্ট কাৰণ আছে।

শঙ্কৰ মাধৱৰ আগৰ অসমীয়া সাহিত্যত আৰ্য্য ৰাগ ৰাগিণীৰ ব্যৱহাৰ কৰা দৃষ্টান্ত পোৱা নাযায়। দুৰ্গাবৰৰ ৰচিত গীতিৰামায়ণৰ গীতবিলাকত ৰাগ ৰাগিণীৰ উল্লেখ দেখা যায়। দুৰ্গাবৰৰ কাল সম্বন্ধে ঠিৰাং মত দিয়া কিছু টান। কিছুদিন পূৰ্ব্বে "আৱাহন"ত বন্ধুবৰ শ্ৰীযুত নলিনী কুমাৰ মিশ্ৰ ডাঙৰীয়াই এই বিষয়ে এটি প্ৰবন্ধ লিখিছিল। তাত তেখেতে দুৰ্গাবৰক শঙ্কৰদেৱৰ সমসাময়িক বুলি প্ৰমাণ কৰিছে। তেখেতৰ প্ৰমাণ আৰু যুক্তিৰ ভেটি শকত। সুকবি নাৰায়ণদেৱে শঙ্কৰতকৈ আগতে অসমত খ্যাতি লাভ কৰিছিল যদিও তেখেতৰ গীতবিলাকৰ সুৰ ৰাগ-বদ্ধ নহয়। বেহুলা লখিন্দাৰৰ কাহিনীয়েই তেখেতৰ ৰচনাৰ বিষয়। মঙ্গলদৈ মহকুমাৰ ওজাপালীৰ মুখত

যিদৰে শুনিছো তাৰপৰা অনুমান হয় এইবিলাকৰ কিছুমান সুকীয়া নিজস্ব সুৰ আছে। সি অসমীয়া সঙ্গীতৰ বহুমূলীয়া সম্পত্তি হব পাৰে কিন্তু ভাৰতীয় উচ্চ সঙ্গীতৰ লগত তাৰ সম্বন্ধ নাই। মঙ্গলদৈ মহকুমাত মালঞ্চি গান বুলি এবিধ পুৰণি গীত থকা বুলি শুনিছো কিন্তু এই বিষয়ে কোনেও সন্তোষজনক উত্তৰ দিব নোৱাৰে, শুনাৰ ভাগ্যও আমাৰ ঘটা নাই।

পুৰা ভাৰতৰ আন আন ৰাজ্যৰ ৰাজ দৰবাৰত নিপুণ গায়ক বাদকৰ স্থান বৰ সম্মানৰ আছিল। সেই কাৰণে একো একোটা বংশ পুত্ৰ পৰম্পৰাসুক্ৰমে সঙ্গীত চৰ্চ্চাৰ কাৰণে আজিও বিখ্যাত। অসমত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পূৰ্ব্বে ৰাজ দৰবাৰত ওস্তাদ ৰখাৰ প্ৰথা নাছিল। আজিও অসমত ভাৰতীয় উচ্চ সঙ্গীতৰ পো নাতি অনুক্ৰমে সাধনা কৰা পুৰণি পৰিয়াল এটিও নাই। যি দুই এজন গায়ন বায়ন আছে সিও মহাপুৰুষীয়া ধৰ্ম্মৰ সৃষ্টি।

বৰ্ত্তমান অসমত যিবিলাক বাদ্য যন্ত্ৰৰ প্ৰচলন আছে বা পূৰ্ব্বে যিবিলাকৰ প্ৰচলন আছিল বুলি দুই এঠাইত উল্লেখ পোৱা যায় * সেইবিলাক আৰ্য্য ৰাগ ৰাগিণী ফুটাই তুলিবলৈ সম্পূৰ্ণ নহয়। অতি পূৰ্ব্বে ভাৰতৰ আন ঠাইত স্বৰদ আৰু বীণাৰ প্ৰচলন আছিল, তাৰ পাছত সাৰেঙ্গী, এছ্ৰাৰ, ছেতাৰ আদি তাঁৰৰ যন্ত্ৰ সৰবৰহী হৈ উঠিছিল। কিন্তু অসমত সিদিনালৈকে বহুতে তাৰ নামকে নাজানিছিল। মহাপুৰুষেও পাখোৱাজৰ বাহিৰে আন যন্ত্ৰ এই দেশলৈ আমদানী কৰা কথা আমি নাজানো।

শঙ্কৰদেৱে তীৰ্থভ্ৰমণৰ কাল ডোখৰত সঙ্গীত শিকা আৰু সেই আৰ্হিত সঙ্গীত ৰচনা কৰা কথা চৰিত্ৰ পুথিত পোৱা যায়। ইয়াৰপৰাই ভাৰতীয় উচ্চ সঙ্গীত পূৰ্ব্ব-ভাৰতলৈ শঙ্কৰেই প্ৰথম অনা বুলি ধৰি লবৰ যথেষ্ট যুক্তি ওলাই পৰে।

'বৰগীত' এই নামটোৱেও বহুত কথা উদুকিয়াই দিয়ে। অসমত 'নাম' আৰু গীতৰ মাজত প্ৰভেদ দেখা যায়।

সাধাৰণ ঠেও লগাই গোৱা ছন্দোবদ্ধ ৰচনা মাত্ৰেই নাম, আৰু তাতকৈ ওখ-খাপৰ বিশেষ সুৰ থকা টোকাৰি গানে আদি লৈ গোৱাবিলাকক গীত বোলা হয়। আজিকালি আমি অৱশ্যে এই বিভাগ মানি নচলো। আমি বিয়া নামক বিহুগীত, বিয়ানামক বিয়াৰ গীত বোলো, বিহু গাৱঁলীয়া বুঢ়া এজনক বিহুগীত বোলা শুশুনো, বিহুনাম বুলি কোৱাহে শুনিম। কিন্তু বৰগীতবিলাক কেৱল গীতেই নহয়, তাৰ ভিতৰতো আকৌ 'বৰ'। এই বৰ আখ্যা পোৱাৰ কাৰণ কি? শ্ৰদ্ধেয় অধ্যাপক কাকতিদেৱে এই গীতবিলাকৰ ভাব আধ্যাত্মিক আৰু ওখ খাপৰ হোৱা বাবেই 'বৰগীত' হোৱা বুলি কাৰণ নিৰ্ণয় কৰিছে *। আমাৰ মনেৰে এই গীতবিলাক 'বৰ' হোৱাৰ এইটোৱেই যথেষ্ট কাৰণ নহয়; সেয়ে হলে ঘোষা কীৰ্ত্তন আদিৰো 'বৰ' হোৱা দাবী থাকিলহেতেন। 'বৰগীত' বোলাৰ প্ৰধান কাৰণ হৈছে এইবিলাক গীতৰ সুৰ উচ্চ ধৰণৰ আৰু আয়ত্ত কৰাও সুকঠিন। সেই বাবেই আনবিলাক গীতৰ তুলনাত ই 'বৰ'। আগেয়ে দেশত এনে উচ্চগীত নাছিল আৰু যেতিয়া প্ৰথম প্ৰচলন হয় মানুহে ইয়াক বৰ বুলি ভাবিছিল, গতিকে পিছত মুখে মুখে ইয়াৰ নামেই হল বৰগীত।

ইত্যাদি নানা কাৰণত অনুমান হয় শঙ্কৰদেৱেই এই ৰাগ ৰাগিণীৰ অসমলৈ প্ৰথম আমদানী কৰে। ইয়াৰ আগেয়ে হয় নাছিল বা ক্ৰমাৎ লোপ পাইছিল।

আমদানী কৰা হলে কৰপৰা কৰিছিল এইটোৱে হল লাগতিয়াল প্ৰশ্ন। সকলোৱে জানে ভাৰতীয় সঙ্গীতৰ দুটা শাখা, হিন্দুস্থানী আৰু কৰ্ণাটী। উত্তৰ ভাৰতত হিন্দুস্থানী আৰু দক্ষিণ ভাৰতত কৰ্ণাটী সঙ্গীতৰ প্ৰচলন। শঙ্কৰদেৱৰ সময়তো এই দুটা ভেদ আছিল, সেই কাৰণে সংস্কৃত সঙ্গীত গ্ৰন্থবিলাকত এই কথাৰ স্পষ্ট প্ৰমাণ পোৱা যায়—"কৰ্ণাটকং দক্ষিণে স্যাৎ হিন্দুস্থানী তথোত্তৰে"। এই দুই শ্ৰেণী সঙ্গীতৰ মাজত বহুতো পাৰ্থক্য দেখা যায়। ৰাগ ৰাগিণীৰ ঠাট মেল আদি বিষয়ত দুই শাখাৰ মাজত বহুত অমিল আছে। তাৰ উপৰিও হিন্দুস্থানী সঙ্গীত নানা বিধ কৌশলপূৰ্ণ আৰু অলঙ্কাৰসম্পন্ন। মোগলৰ সংস্পৰ্শত হিন্দুস্থানী সঙ্গীতৰ সমৃদ্ধি আৰু বিপুল হৈ উঠিছিল। দাক্ষিণাত্য সঙ্গীত মুছলমান প্ৰভাৱৰপৰা আঁতৰত, গোৱা প্ৰণালী, আৰম্বৰহীন আৰু সাধাৰণ ধৰণৰ পোন-পটীয়া। বহুতৰ মুখে শুনা যায় শঙ্কৰদেৱে অসমৰ কাৰণে ধাৰ কৰিছিল ভাৰতীয় সঙ্গীতৰ এই দক্ষিণ ভৰালৰপৰাহে। এইদৰে ভবাৰ কাৰণো বহুত আছে।

অসমীয়া গীতবিলাকো দাক্ষিণাত্য গানৰ দৰে আৰম্বৰশূন্য অথচ গম্ভীৰ আৰু পোনপটীয়া। হৰেক ৰকমৰ তান আৰু আন আন অলঙ্কাৰৰ বহু সমাগম বৰগীতত শুনা নাযায়।

দক্ষিণ ভাৰতত তামিল তেলেগু আৰু কানাৰী ভাষী ঠাইবিলাকত কিছুমান নাটকীয় অনুষ্ঠান আছে। সেই-বিলাকৰ ৰীতি নীতি, নাটকীয় নিয়ম আমাৰ দেশৰ ভাওনা আদিৰ লগত খুব মিলে। কৰ্ণাট প্ৰদেশৰ 'যক্ষগান' আমাৰ ভাওনাৰ দৰেই আৰু মালাবাৰৰ 'কথাকালি' আমাৰ 'ওজাপালী'ৰে ভাই ককাই। যক্ষগান কৰ্ণাট প্ৰদেশৰ সম্পত্তি, সেই ঠাইৰ মানুহৰ ভাষাত ইয়াক বোলা হয় 'বয়াল অত্তম্'। যক্ষগানৰ নাটবিলাকৰ বিষয়-বস্তু পুৰাণ, ভাৰত আৰু ৰামায়ণৰ। যুদ্ধৰ ভাবেই বেছি। নাটকবিলাকৰ নাম হৈছে বালিনিগ্ৰহ, দ্ৰৌপদী প্ৰতাপ, বিৰাটপৰ্ব্ব, কিচকবধ, কৰ্ণ-অৰ্জ্জুন যুদ্ধ ইত্যাদিবিলাক। সুৰৰ ব্যৱহাৰ হয় (পাঠকসকলে মনত ৰাখিব বঙ্গদেশত সুৰৰ চলন্তি নাই)। যক্ষগান আৰম্ভ হয় বিঘ্নেশ্বৰৰ প্ৰাৰ্থনাৰে, তাৰ পিছত গায়ক আমাৰ সূত্ৰধাৰীৰ দৰে ওলাই আহে; তেওঁক ভাগৱতাৰ বোলে। ভাগৱতাৰৰ লগতে মৃদং বজাওতা সকলো আহে। তেওঁলোকে প্ৰথমে বন্দনা বজায়, তাৰ পিছত ভাৱৰীয়াসকল এজন এজনকৈ নাচি নাচি ওলাই আহি থাকে আৰু ভাগৱতাৰৰ লগত দুই আষাৰ কথা কয়, তাৰপৰাই ভূমিকাৰ নাম জানিব পাৰি। আমাৰ যেনিবা এইটো সূত্ৰধাৰীৰপৰা জনা যায়। ভাওনাৰ দৰেই দুজন মানুহে দুকুৰা জোৰ ধৰি থাকে। আমাৰ ভাওনাতো আঁৰীয়া-ধৰা এটা ভাওৰ ভিতৰতে বুলিলেও হয়। যক্ষগানত নাচ ৰব বেছি, গীতো কথাই কথাই। এই গীততে পিছত কোৱা বচনখিনিৰ সাৰাংশ পোৱা যায়। ভাওনাৰ নাটৰ লগত এইটো মিল বৰ জলজলীয়া। 'কথাকালি' নাচতো ওজাপালীৰ দৰেই গায়ক বাদকসকল পাছফালে থাকে আৰু ভাৱৰীয়াজনে আগত মুদ্ৰা নাচ আৰু গীতৰ সহায়েৰে বিষয়-বস্তু বৰ্ণনা কৰি যৈ থাকে। এইবিলাক মিল দেখি শুনি শঙ্কৰদেৱে দাক্ষিণাত্য নাট্যকলা আৰু সঙ্গীতৰ পৰা ধাৰ কৰা বুলি কবলৈ লোভ হয়। কিন্তু হঠাতে এনে এটা সিদ্ধান্ত কৰা অনুচিত হব। এই বিষয়ে সন্দেহ কৰিবলগীয়া সুযুক্তিও বহুত আছে।

অসমীয়া গীতবিলাকৰ সুৰ যে শঙ্কৰদেৱে দাক্ষিণাত্যৰ পৰা আনিছিল এই কথাৰ উল্লেখ চৰিত বা আন ক'তো নাই।

শঙ্কৰদেৱৰ জীৱন কাহিনীত দাক্ষিণাত্য ভ্ৰমণৰ উল্লেখ থকা আমি গম নাপাওঁ। উত্তৰ ভাৰতত ফুৰি দাক্ষিণাত্য সঙ্গীত শিকাৰ কোনো কাৰণ দেখা নাযায়।

শঙ্কৰদেৱৰ সমসাময়িক দাক্ষিণাত্য সঙ্গীত সম্বন্ধে যিবোৰ সঙ্গীতগ্ৰন্থ আছে তাত উল্লেখ থকা ৰাগৰ নামৰ লগত শঙ্কৰ মাধৱে ব্যৱহাৰ কৰা ৰাগৰ নাম নিমিলে। ১৫৫০ খৃষ্টাব্দত লিখা ৰামামাত্যৰ 'স্বৰমেল কলানিধি' নামৰ গ্ৰন্থত যিবিলাক ৰাগৰ নাম পোৱা যায় ঠিক সেই নামেই অসমীয়া বৰগীতত পোৱা নাযায়। ভূপালী ৰাগিণীৰ দুই এটা বৰ গীত আছে কিন্তু ভূপালীৰ নিচিনাকৈ মধ্যম আৰু নিষাদস্বৰ বৰ্জ্জিত যিটো ৰাগ দাক্ষিণাত্যত গোৱা হয় তাক তেওঁলোকে বোলে 'মোহন'। *

কিছুমান ৰাগৰ নাম যেনে ধৰণে পোৱা যায় সেই বিলাক মূল সংস্কৃত নামৰ হিন্দী অপভ্ৰংশ বুলি বোধ হয়। যেনে 'প্ৰাতু সময়ে যশোৱা জননী' গীতটিৰ ৰাগ 'ভৈৰোঁ'। ভৈৰো ভৈৰৱৰ অপভ্ৰংশ। সেইদৰে আসোৱাৰী হল আশাৱৰীৰ পৰা; যেনেকৈ তৰবাৰিৰ পৰা হিন্দীত

* ১৯৩৪ চনৰ অসম সঙ্গীত সম্মিলনীৰ সভাপতিৰ অভিভাষণৰ এঠাইত শ্ৰীযুত পদ্মধৰ চলিহাদেৱে যন্ত্ৰৰ নাম থকা পুৰণি পদ্য এটি তুলি দিছিল, তাৰ ভিতৰত বহুত যন্ত্ৰৰ নাম কাল্পনিক, কিছুমানৰ বিষয়ে একো জনা নাযায় আৰু সৰহ ভাগ ঢাক ঢোলৰ লগৰ বাদ্য।

* অধ্যাপকদেৱৰ বৰগীত প্ৰবন্ধ চাওক। বেজবৰুৱাৰ শঙ্কৰ গ্ৰন্থত পাব।

* বিখ্যাত দাক্ষিণাত্য বীণাবাদক ৰামচন্দ্ৰ ৰাওৰ বীণাত মোহনৰ আলাপ আৰু গৎ আমি শুনিবলৈ পাইছিলো।

তলোৱাৰ হল। এইবিলাক নাম এনেভাৱেই ব্যৱহাৰ কৰা দেখি উত্তৰ ভাৰতৰ সঙ্গীত অনা বুলি কব লাগিব।

বৰগীতবিলাক যদি দাক্ষিণাত্য সঙ্গীতৰ সঁচ নহয় তেনেহলে ভাওনা আদিৰনো ইমান সাদৃশ্য হবলৈ কেনেকৈ পালে এনে প্ৰশ্ন উঠিব পাৰে। কিন্তু এনে সাদৃশ্যবিলাকত আচৰিত হবৰ একো নাই। এনেবিলাক নাট্যলীলা ভাৰতবৰ্ষৰ নানা ঠাইত বিভিন্ন নামেৰে অলপ ইফাল সিফাল কপ লৈ বহু শতাব্দীৰপৰা প্ৰচলিত হৈ আহিছে। অসমত ভাওনা, দাক্ষিণাত্যত যক্ষগান, 'তেলাকুটু,' 'কথাকালি,' মহাৰাষ্ট্ৰত 'ললিতা,' গুজৰাটত 'ভাৱইয়া,' নেপালৰ 'গন্ধৰ্ব্বগান' আৰু যুক্তপ্ৰদেশৰ 'ৰামলীলা' এই সকলোবোৰেই একেটা গুৰিৰে বেলেগ বেলেগ ঠাল। ভাৰতীয় ভাষা যেনেকৈ আদিম উৎসৰপৰা ছুটা ধাই সুতিয়ে ঢাল ললে, এপিনে ব্যাকৰণ প্ৰাতিশাখ্য স্বৰপ্ৰক্ৰিয়াৰ গৰাৰ ভিতৰেদি পূৰ্ব্বৰ আৰ্য্যৰ বৈদিক ভাষা সংস্কৃত হল আনপিনে আদিম নিবাসীবিলাকৰ সংমিশ্ৰণত সেই বৈদিক ভাষাই ক্ৰমাৎ পালি প্ৰাকৃত আৰু আধুনিক প্ৰাদেশিক ভাষাৰ গঢ় ললেহি। সেইদৰে ভাৰতৰ প্ৰথম সঙ্গীত আৰু নাট্যকলাই এপিনে কলাসাধকৰ নানা অলঙ্কাৰ আভৰণৰ সাজত নিয়ম নীতিৰ মাজেদি কালিদাসৰ 'শকুন্তলা' আৰু তানসেনৰ 'গানৰ' দৰে উচ্চ কলা সৌন্দৰ্য্যৰে ভৰপূৰ কপ ললেহি আনপিনে সেই আদিম আৰ্য্য গান আৰু নাট্য-প্ৰণালীয়েই পুৰা ভাৰতৰ বিভিন্ন জাতীয় আদিম নিবাসীৰ নাট নৃত্যৰপৰা উপাদান সংগ্ৰহ কৰি উপকক্ত প্ৰাদেশিক নাট আৰু নৃত্যৰ গঢ় ললে অথচ নাট্যশাস্ত্ৰৰ নিয়মো কিছু থাকি গল। ভাৰতীয় সকলো কথাতে এনে ছুটা ধাৰা দেখিবলৈ পোৱা যায়।

ভাওনাৰ নাটকবোৰ যি আৰ্হিত লিখা তেনে আৰ্হিৰ নাটক গোটেই ভাৰততে এসময়ত লিখা হৈছিল। কাশ্মীৰৰ ৯ম শতিকাৰ কবি দামোদৰ গুপ্তই তেওঁৰ 'কুট্টনিমাত' বোলা গ্ৰন্থত এনে এক ঠাচৰ নাটকৰ উল্লেখ কৰিছে যিবিলাক যক্ষগান আৰু ভাওনাৰ নাটকত মিলি যায়। মিথিলাত ত্ৰয়োদশ আৰু চতুৰ্দ্দশ শতিকাত কিছুমান এক অঙ্কীয়া সংস্কৃত নাটক লিখা হৈছিল *। নাটকৰ গানবিলাক মৈথিলী ভাষাৰ। এই নাটকবিলাকৰ সাধাৰণ গঠন আৰু টেক্‌নিক্ ( Technique ) আমাৰ ভাওনাৰ লগত প্ৰায় মিলে। এনেবিলাক নাটকেই যে শঙ্কৰৰ আৰ্হি আছিল তাক অলপ পঢ়িলেই বুজিব পাৰি।

ইয়াৰ উপৰিও উৎকল প্ৰদেশখন সেই সময়ত তেনেকুৱা সংস্কৃতিত বুৰ গৈ আছিল বুলি কলেও বঢ়াই কোৱা নহয়। উৎকলপ্ৰদেশত শঙ্কৰদেৱ থাকোতে এনেবিলাক নাটকৰ অভিনয় দেখি কিছু অনুপ্ৰেৰণা পোৱাও সম্ভৱ। কিন্তু সেই বুলি একেবাৰে হুবহু দাক্ষিণাত্যৰ এই অনুষ্ঠানবিলাকক অসমলৈ স্থানান্তৰ কৰা বুলি কোৱাটো অন্যায় সিদ্ধান্ত হব।

শঙ্কৰদেৱ মথুৰা বৃন্দাবন আদি ঠাইত ঘূৰি ফুৰিছিল। মহাপুৰুষ দুজনৰ গীতৰ ভাষাও সেই ঠাইৰ ভাষাৰ দৰেই। আমি যদি ভাবো গীতবিলাকৰ সুৰবিলাকো সেই ঠাইৰ পৰাই অনা, মুছলমান সংস্পৰ্শৰো আগৰ যি ধ্ৰুবপদ সঙ্গীত ভাৰতত আছিল আৰু আজিও সৰ্ব্বোচ্চ স্থান পাই আহিছে তাৰ অনুকৰণতে পুৰণি অসমীয়া বৰগীতবিলাক ৰচা আৰু গোৱা হৈছিল, তেনেহলে ওপৰত উল্লেখ কৰা বহুত আপত্তিৰ ভেটি খহি পৰিব। শঙ্কৰে বৰগীতৰপৰা তাৰ ৰথা ভাগটো বাদ দিলে, † আৰু সেই সময়ৰ বহুত বৈষ্ণৱ কবিৰ গানত তালৰ উল্লেখ নাই। বোধকৰো তালৰ মান ৰাখি কেৱল সঙ্গীতৰ ফালে মন ৰাখিলে ভগৱৎ আৰাধনাত ব্যাঘাত হব বুলিয়েই এনে কৰা হৈছিল। চতুৰ্দশ পঞ্চদশ আৰু ষোড়শ শতিকাত এনে বহু গীত ৰচিত হৈছিল। আমি তলত শঙ্কৰৰ প্ৰায় সমসাময়িক দুই এজন ভক্তৰ হিন্দীধ্ৰুপদ তুলি দিলো—পাঠকসকলে তাত বৰগীতৰ আৰ্হি নিশ্চয় পাব।

ভক্ত সুৰদাসৰ :—ৰাগ কেদাৰ

মন তূ সমঝ সোচ বিচাৰ
ভক্তি বিন ভগৱান দুৰ্লভ কহত নিগম পুকাৰ ॥১॥
সাধ সংগতি তাৰ পাঁসা ফেৰি ৰসনা সাৰি
দাৱ অবকে পৰযো পূৰো উতৰি পহিলী পাৰ ॥২॥
ৰাক সত্ৰে সুনি অঠাৰে পাঁচহী কো মাৰি
দূৰ তে তজি তীন কানে চমকি চৌক বিচাৰ ॥৩॥
ইত্যাদি—

মিথিলাৰ উমাপতিৰ ( পাৰিজাতহৰণ নাটকৰ পৰা )

ৰাগ—অসাৱৰী

জা এৰ হৰিক সমাজে। পাওঁব নয়ন সুখ আজে
কি আৰে ( ধ্ৰুবম্ )
জো গহ নজানিঅ জনহী
দিঠি ভৰি দেখব তনহী ॥
ব্ৰহ্মা সিব সেৱ জাহী।
কাহি ভজব তেজি তাহি ॥
মনহি ভগতি লেব মাঁগী।
সময় পৰম পদ লাগী ॥
সুমতি উমাপতি ভণে।
পুনমতি ভজু ভগবানে ॥

এইলোকৰপৰাই যে শঙ্কৰে আদৰ্শ লৈছিল এনে নয়। সেই সময়ৰ নিয়ম অনুসৰিয়েই তেওঁ বৰগীত ৰচনা কৰিছিল।

আজিকালি যি ধ্ৰুপদ শুনো সেইবিলাক বৰগীতৰ দৰে গম্ভীৰ আৰু অনাৰম্বৰ। এতিয়া কথা হৈছে, এই যে ধনশ্ৰী, গান্ধাৰ, কেদাৰ, আসোৱাৰী ইত্যাদি ৰাগবিলাক শঙ্কৰদেৱে যি সময়ত আনিছিল তাৰ সুৰ আৰু আজিৰ ধনশ্ৰী, গান্ধাৰ, কেনাৰাৰ লগত বহুত অমিল। আজি ওস্তাদবিলাকে গোৱা এটি হিন্দোল দুশ বছৰৰ আগত সেইদৰেই গোৱা নহৈছিল। বৰগীতৰ ৰাগ আৰু আজি উত্তৰ ভাৰতত প্ৰচলিত ৰাগৰ ভিতৰত এই চাৰিশ বছৰীয়া ব্যৱধান। আনপিনে আমাৰ দেশত বৰগীতবিলাক কণ্ঠ পৰম্পৰানুক্ৰমে বিজতৰীয়া হৈ গ'ল—এনে অৱস্থাত এই গীতবিলাকৰ পূৰ্ব্বৰ মূল সুৰ উদ্ধাৰ কৰা এটা অসম্ভৱ কথা। চাৰি শ বছৰৰ আগেয়ে এটি কানাড়া কেনেকৈ গোৱা হৈছিল তাক গাই শুনাওতা নাই—ইপিনে আমাৰ দেশৰ কানাড়াও কানাড়া হৈ আছে নে নাই ঘোৰ সন্দেহ। এনে অৱস্থাত আজি বেলেগ বেলেগ ঠাইত সত্ৰবিলাকত কি ধৰণে গোৱা হয় তাৰ এটা তুলনামূলক আভাস লৈ সেই সময়ৰ সংস্কৃত সঙ্গীত গ্ৰন্থত থকা ৰাগৰ ৰূপবিলাক আলোচনা কৰি কিবা ঠাৱৰ কৰিব পাৰিনে নোৱাৰি সুধীসকলে ভাবি চাব। নহলে আজি ওজাসকলে যি দৰে গায়, তাকে ৰক্ষা কৰিবলৈ চেষ্টা কৰা যুগুত। পুৰণি অসমীয়া গীত আৰু নাচবিলাক যদি কোনোবাই উদ্ধাৰ কৰিব খোজে তেনেহলে মাজুলীৰ সত্ৰত সোমাই লৈ ভকত গায়ন বায়নৰ শিষ্যত্ব গ্ৰহণ কৰিহে তেনে কৰিব পাৰিব। নগৰত থাকি বৰগীত আৰু আন অসমীয়া গীত মাত শিকা সম্ভৱপৰ নহয়। এই বিষয়ে সঙ্গীতোৎসাহী অসমীয়া ডেকাৰপৰা দেশে বহুত আশা কৰিছে। অশাকৰোঁ অদূৰ ভৱিষ্যতত অসমীয়া সঙ্গীতেও নিখিল ভাৰত সঙ্গীত দৰবাৰত অনুৰূপ আসন লাভ কৰিব।

---

* এনে এখন নাটক চতুৰ্দ্দশ শতিকাৰ প্ৰথম ভাগৰ উমাপতিৰ 'পাৰিজাতহৰণ' Journal of B & O Societyৰ তৃতীয় খণ্ডত প্ৰকাশিত হৈছিল।

† "আৱাহন"ৰ কোনো এক সংখ্যাত শ্ৰীযুত দেৱেন্দ্ৰনাথ চক্ৰ কাকতি দেৱে বৰগীতৰ সুৰ সম্বন্ধে এটি প্ৰবন্ধ লিখিছিল—তাত তেখেতে বৰগীতৰ বিষমপদী তাল আছে বুলি কয়। এই কথা ভুল। তেখেতৰ মতে ধ্ৰুপদতো বিষমপদী তাল ব্যৱহাৰ হয়, কিন্ত ধ্ৰুপদৰ লগৰ চৌতাল, ব্ৰহ্মতাল আদি সমপদীহে।

# পূজাৰ ছুটীৰ কেইদিন

ভ্ৰমণ কাহিনী ]

—কুমাৰী ৰেখা সিংহচৌধুৰী

মঙ্গলবাৰ। পূজাৰ ছুটীৰ শেষ দিন। স্কুলত একোৱেই ভাল লগা নাই। মনত উগুল থুগুল ভাব—কেতিয়া



মণিকনিকা ঘাট—বেনাৰছ

স্কুল ছুটী হব, কেতিয়াৈল ঘৰলৈ গৈ ভনীহঁতৰ লগত আমাৰ ভ্ৰমণৰ তালিকা কৰিম! কলিকতা এতিয়া আৰু:



আন এটি ঘাটৰ দৃশ্য—বেনাৰছ

ভাল নলগা হৈ পৰিছে! বহুদিনৰ আগৰপৰাই আমালোকৰ মাজত কথা হৈছিল যে এইবাৰ পূজাৰ ছুটীত উত্তৰ ভাৰতত এভুমুকি মাৰি পূজাৰ আনন্দ উপভোগ কৰিম। গতিকে নানা দেশ-নগৰ চোৱাৰ ভাবী আনন্দই আবাল্যকাল বাস কৰা কলিকতা মহা নগৰীৰ ওপৰত বিৰক্তৰ কলা, ডাঠ ওৰণি এখন টানি দিয়াটো স্বাভাৱিক।



সাৰনাথৰ দৃশ্য—ওপৰৰপৰা

এটা বাজিল। স্কুলৰ সকলো ছাত্ৰীয়েই একেলগে প্ৰাৰ্থনা কৰি ছিষ্টাৰৰপৰা বিদায় ললোঁ। তাৰ পিছত লগৰীহঁতৰ লগত শুভ কামনা আদান প্ৰদান কৰি ঘৰলৈ আহিলোঁ।




সাৰনাথৰ ওচৰৰ স্তুপ

বৃহস্পতিবাৰ পুৱা ৪বজাত আমালোকে মটৰেৰে ৰাওনা হলোঁ—মই, আতা আৰু সৰু আবু। আমাৰ থাকোতেই কলিকতাৰ সীমা অতিক্ৰম কৰি চন্দন নগৰ



পালোঁগৈ। বাট ভাল নহয়—জোকাৰণি লাগিছে বৰ বেছি, তথাপি এই জোকাৰণিক জোকাৰণি বুলি গণ্যই কৰা নাছিলোঁ—মটৰেৰে সুদীৰ্ঘ পথ ভ্ৰমণৰ কথা



সাৰনাথ মিউজিয়ামত ৰখা অশোক স্তম্ভ

ভাবি। কি সুন্দৰ গ্ৰেণ্ড ট্ৰাঙ্ক ৰোডটো! কোনোবাই হতা এডালিহে যেন পোনাই থৈছে। গাৰীৰ ষ্টিয়াৰিং ( Stearing ) ঘুৰাবই নালাগে। ইফালে লাহে-



সাৰনাথৰ নতুনকৈ সজা বিহাৰ

লাহে এন্ধাৰো আঁতৰি যাবলৈ ধৰিছে। মুখ ঘুৰাই পাছফালে চাই দেখো যে পূৰ্ব্বাচল ৰঙা পৰিছে। ৰাতিক বিদায় দি সৌম্য মূৰ্ত্তি উৰাই পৃথিবীৰ বুকুত দেখা দিলে। সুপ্তা ধৰণীক জগাই দি ধীৰে ধীৰে তৰুণ তপন ওলাই আহিল। ফিৰ ফিৰকৈ বলা পুৱাৰ মলয়া বা, হাজাৰ বিজাৰ পখিৰ কাকলিৰ মধুৰ কলৰৱ, গছৰ মাজে মাজে ৰদৰ সোণালী



সাৰনাথৰ নতুন বিহাৰৰ বেদিত স্থাপিত বুদ্ধ মূৰ্ত্তি


জিলিকনি, খাল-বিল পৰিপূৰ্ণ ভেট পদুম এই সকলোবিলাক দেখি মনত ভাব হল প্ৰকৃতিৰ পূৰ্ণ শোভা প্ৰকৃত ৰূপে দেখা যায় এই নীৰৱ গাৱঁতহে—নগৰৰ হৈ-চৈৰ মাজত



আমি তিনিও—বাইদেও, মই আৰু ভনী

নহয়। বহুদিনৰ পিছত দেখা এই নয়নাভিৰাম গাৱঁলীয়া দৃশ্যই মোক মুগ্ধ কৰি তুলিছিল।


মাজে মাজে ড্ৰাইভাৰে আলিৰ মানুহক সাৱধান কৰিবৰ কাৰণে ইলেক্‌ট্ৰিক হৰ্ণ টিপিছে। ছিঃ কি বিকট শব্দ! এই শব্দ চহৰৰ বুকুতেই শোভা পায়। এনেকুৱা



পিকচাৰ গেলাৰীৰ সাধাৰণ দৃশ্য—লক্ষ্ণৌ

নিস্তব্ধ গাঁৱৰ মাজত এনে কঠুৱা শব্দ কোনোবা ৰাক্ষসৰ বিকট হুঙ্কাৰৰ দৰে লাগে। আতাদেৱে বৃথা সন্দেহ দূৰ কৰিবলৈ মাজে মাজে মানুহক সুধি গৈছে—এইটো গ্ৰেণ্ড ট্ৰাঙ্ক ৰোড হয়নে নহয়?


এনেদৰে বেলা আঠ বজাত আমালোকে বৰ্দ্ধমান ষ্টেশ্যন পালোগৈ। তাত বৰ্দ্ধমানৰ প্ৰসিদ্ধ সীতাভোগ মিহিদানা খাম বুলি ভাবি গৈছিলোঁ। হা কপাল! তাতৈ গৈ কোনো বিক্ৰীৱালাৰ মাত এটাকে শুনিলোঁ। অগত্যা



মাৰ্টিনি কলেজ

চাহ আৰু টোষ্ট খাই উদৰ শান্ত কৰিলো। তাত অকল সিংহদুৱাৰ চালোঁ। সিংহদুৱাৰ মানে সিংহমূৰ্ত্তি অঙ্কিত দুৱাৰ নহয়—প্ৰধান দুৱাৰহে। এই দুৱাৰ পাৰ হৈ গলে প্ৰথমে পোৱা যায় বজাৰ তাৰ পিছত ৰাজ পুখুৰী আৰু তাৰ পিছত ৰাজবাৰী। অৱশ্যে ভিতৰলৈ আমালোকৰ যোৱা নহল। ৮½ টাৰ সময়ত তাৰপৰা ৰাওনা হলোঁ। ১২½ বজা সময়ত বহু ঠাই এৰি গৈ আমালোকে আছানছোল ষ্টেশ্যন পালোঁ। তাত মিঠাই-প্ৰিয় আতাদেৱে মিঠাই আৰু ফল মূল অলপ কিনিলে। তাৰপৰা কিছুদূৰ গৈ এডাল গছৰ ছাঁত বহি খোৱাৰ ব্যৱস্থা কৰিলোঁ। খোৱা বোৱা শেষ কৰি এবজাত আকৌ যাত্ৰা আৰম্ভ কৰিলো।

গধূলি ৭বজাত গৈ ধানবাদ পালো। ৰাতিটো তাতেই কটাবৰ ঠিক কৰি ডাক বঙলাত অতিথি



ইমামবাৰা মছজিদ—লক্ষ্ণৌ


হলোগৈ। ৰেছ জাৰ পৰিছে! আতাই সুধিলে "কি খাবি?" বৰ কোমল সুৰত উত্তৰ ওলাল মোৰ—"চাহ"। কাৰণ আতা চাহৰ পক্ষপাতী নহয়। ডাক বঙলাত আৰু দুজন মানুহ উপস্থিত আছিল। তেওঁলোকে মটৰ ছাইকেলেৰে যাব- কাশ্মীৰলৈ। আতাৰ লগত তেওঁলোকৰ কথা হ'ল।

পিছদিনা পুৱা ৩ বজাত যাব লাগিব ভাবি বিছনা আকৌ বন্ধাৰ ভয়ত আৰু খোলা নহল। কিয়াৰ খাটৰ ওপৰত এনেয়ে শুই পৰিলো। শোৱা মাত্ৰকে টোপনি আহিল; কিন্তু অলপ সময়ৰ বাবেহে। যেতিয়া



...ৰ পাওঁতেতিয়া দেখিলো আতা আৰু আবু গভীৰ টোপনিত। মোৰ টোপনিতো নাহিলেই বৰং গোটেই গাতে বিষ উঠিল। মোৰ বৰ ভয় লাগিছিল, যদি ডাক বঙলাত থকা মানুহ কেজন চোৰ ডকাইত হয়! আবুক মাতি তুলিলোঁ, কেইটা বাজিল চাবৰ কাৰণে। আমালোকৰ কথা বাৰ্ত্তাত আতাই সাৰ পাই উঠি ঘৰী চাই কলে—এহ, মুঠেই ২টা। এই বুলি আকৌ শোৱাৰ লগে লগেই তেখেতৰ নাসিকাধ্বনি। মোৰ কিন্তু বৰ আমনি লাগিবলৈ ধৰিছিল।

তিনটা বাজিল। সকলোৱে মুখ-হাত ধুই কিনিছ-পত্ৰ গাৰীত বান্ধি আকৌ ৰাওনা হলো।



চুটাৰ মুঞ্জিল পেলেচ—লক্ষ্ণৌ

আগে আগে মটৰ ছাইকেল দুখন। পাছত গাৰি। মটৰ ছাই-কেলেৰে যাবলৈ ধৰিছে ডাক বঙলাত থকা মানুহ দুজন। দুয়োফালে পাহাৰ আৰু জঙ্গল। ৰাতি এন্ধাৰ। এই অন্ধকাৰ ভেদ কৰি আমালোকৰ গাৰী গৈছে কুৰি মাইল বেগে। লগে লগে শেষ ৰাতিৰ চেচা বতাহে শৰীৰ কঁপাই তুলিছে। তেওঁলোকে মোটৰ ছাইকেলেৰে যাব লাগিছে ধূলি উৰাই। ইফালে আমাৰ মৰণ! যি হক গাত শালখন ভালকৈ মেৰাই লৈ কুশ্যনত হেলন দি বহিলো।

পূৰা দুই ঘণ্টা লাগিল এই জঙ্গল পাৰ হওঁতে; তেতিয়াহে ৰাতিও পুৱাল। ৰাতি পুৱাল যেতিয়া আৰু চিন্তা কিহৰ?

পুৱা ৮ বজাত সোণ নদীৰ দলং পাৰ কৰিবলৈ মটৰখন ট্ৰেইনত তোলা হ'ল। আন দুজন ছাহাবৰ মটৰো



হুছেইন-আবাদ ইমামবাৰা—লক্ষ্ণৌ


একেলগে তুলিলে। দলং পাৰ হওঁতে প্ৰায় এঘণ্টা সময় লাগিল। বহু ঠাই নানা ষ্টেশ্যন পাৰ হৈ আহি শেষত ২½ টাৰ সময়ত দেখাত নদীৰ নিচিনা এখন ডাঙৰ বিল দেখিবলৈ পালোঁ। বেনাৰছৰ ওচৰত। তাকে গঙ্গা ভাবি চকু মুদি ভক্তিৰে সৈতে প্ৰণাম কৰিলো। মোৰ লগতে আবুৱেও কৰিলে। পিছত শুনিলো, ই গঙ্গা নহয়,—যাঃ বৰ বিৰক্তি লাগিল। গঙ্গাৰ ওপৰৰ দলঙৰপৰা বেনাৰছ নগৰৰ দৃশ্য কি সুন্দৰ! গঙ্গাৰ পাৰটো অট্টালিকাময় আৰু মঠ মন্দিৰপূৰ্ণ। পুল পাৰ



এটি পুৰনি অট্টালিকা

হৈয়েই পোনে পোনে আহি কুচবিহাৰ ৰাজবাৰীত উঠিলোহি। ৰাজবাৰীত কুচবিহাৰৰ কেইজনীমান বুঢ়ী

দেখিলো—তেওঁলোকে মোক চিনে, মই চিনি নাপাওঁ। বৰ বেয়া লাগিল। প্ৰথমেই ভালকৈ গা ধুই লওঁ। পিছত ভাত খাই শুই পৰিলো।



ছাহনাজাফ্ ইমামবাৰা—লক্ষ্ণৌ

আবুৰ মাতত সাৰ পাই উঠি দেখিলো সাজ গঢ়ি গৈছে। মনত আনন্দ লগা নাই। ইয়াত এজনী লগৰীও নাই যে ৰং দেমালি কৰি সময় কটাওঁ। যিবা দুই এজনী কুচবিহাৰী বুঢ়ী ইয়াত আছেহি, সিও মোৰ অপৰিচিতা। গতিকে সেইদিনা আৰু কলৈকো নগৈ বাইদেউইঁতৰ আগমনলৈ উন্মুখ হৈ বাট চাই ৰলো।

পিছদিনা ৭॥ বজাত বাইদেউইঁত পালেগৈ। এই অচিনা ঠাইৰ মাজত মোৰ অতি মৰমৰ বাই ভনীইঁতক পাই উলাহত মন নাচিবলৈ ধৰিলে।




কেইজাৰ বাগ—লক্ষ্ণৌ

বেছি ভাল লাগিল 'গুৱলি মণিক' পাই। তাক কোলাত লৈ চুমা খাই খাই নচুৱাই কন্দুৱাইহে এৰি দিলো।

সপ্তমীৰ দিনা বিশ্বনাথৰ মন্দিৰলৈ গলো। অষ্টমীৰ দিনা দুৰ্গাবাৰীলৈ গলো অঞ্জলি দিবলৈ। তাত দেখিলো বান্দৰবিলাকে নিৰ্ভয়ে চাৰিওফালে ঘূৰি ফুৰিছে আৰু মানুহবিলাকৰ হাতৰপৰা ফল মূল লৈ খাইছে।

দশমীৰ দিনা আমালোকে এখন 'বজৰা' ভাড়া কৰি গঙ্গাত ঘূৰি ফুৰি প্ৰতিমা বিসৰ্জ্জন চাবলৈ ধৰিলো। বৰ আনন্দ লাগিছিল, বহুদিনৰ মূৰত নদীত নাৱত উঠি ঘূৰি ফুৰিব পাই। জোনাক ৰাতি, পবিত্ৰ সলিলা গঙ্গাক ৰূপালী ৰঙেৰে ঢৌৰাই দি সুনীল আকাশত জোনবায়ে হাঁহিব লাগিছে, সেই হাঁহিৰ প্ৰতিধ্বনি উঠিছে বিশাল




মিউজিক কলেজ—লক্ষ্ণৌ

গঙ্গাৰ বুকুত,—লগে লগে নাচি উঠিছে আমাৰ নাও, তাৰ তালে তালে নাচিব লাগিছে আমাৰ মন,—আঃ কি আনন্দ!

পিছদিনা আতাদেউৰে সৈতে আমি তিনি বাই-ভনী হিন্দু য়ুনিভাৰ্ছিটি চাবলৈ ওলালো। বহু ঠাই আগুৰি য়ুনিৰ্ভাছিটিৰ ঘৰ তৈয়াৰ হৈছে। তাৰ লগে লগে আৰু নানা অট্টালিকা আৰু কলেজৰ কৃষিশিক্ষাৰ বাবে কিমান মাটি! ইয়াত একোটা একোটা দালান কি প্ৰকাণ্ড! তাৰ পিছদিনা আমালোকে গলো শাৰনাথলৈ। বুদ্ধদেৱৰ আৰু ৰজা অশোকৰ দিনৰ বহুত শিলৰ মূৰ্তি নানান শিলা-লিপি, শিলৰ খুটা আদি মাটিৰ তলৰপৰা খান্দি




উলিওৱা দেখিবলৈ পালো। এটা অশোক স্তম্ভ এতিয়াও সুন্দৰকৈ পালিচ কৰাৰ দৰে চিকমিকাই আছে। তিনটা



যোধবাঈ ভৱন, ফতেপুৰ চিক্ৰি—আগ্ৰা

সিংহ মূৰ্তি সেই স্তম্ভৰ তিনি ফালে গুৰি ধৰি আছে। প্ৰয়োজৰ শিলৰ ওপৰত দেখিলো বুদ্ধদেৱৰ জীৱনী মূৰ্ত্তিত




দেৱান-ই-খাচ, ফতেপুৰ চিক্ৰি—আগ্ৰা

খোদাই কৰা আছে। তাৰ পিছৰ এদিন গলো আমি চাবলৈ। ই এটা সুন্দৰ বাগিছাৰে সৈতে অতি বিতোপন অট্টালিকা, তাৰ চাৰিওফালে ঝিলেৰে আগুৰি আছে বহু ঠাই।

এনেকৈ নানা ৰং ৰহইছৰ মাজত বেনাৰছত কিছুদিন কটাই লক্ষ্ণৌলৈ গলোঁ—ট্ৰেইনেদি। চাকৰ-বাকৰ কেজনমানক মটৰেৰে আগেয়ে পঠাই দিয়া হ'ল। তাত গৈ এটা হোটেলত উঠিলোঁ। আতাৰ কাৰা হুকুম—দুদিনৰ বেছি ইয়াত থকা নহব। গতিকে দুদিনতে ইয়াত চাব লগীয়া বস্তু চাই শেষ কৰিব লাগিব দেখি পুৱা চাহ খাই উঠিয়েই ওলাওঁ আৰু দুপৰীয়া ১২½ টাৰ সময়ত উভতি আহোঁ। তাৰ পিছত গা ধুই ভাত-পানী খাই অলপ জিৰণি লৈ আকৌ ৩ বজাত ওলাই ৰাতি ৮ বজাত ঘূৰি আহি লক্ষ্ণৌ চহৰৰ চাব লগা সকলোকে প্ৰায় চালোঁ। তাৰ উল্লেখযোগ্য—ইমামবাৰা, কেইজাৰ বাগ, ক্লকটাৱাৰ, ফিছগেট, পিকচাৰ গেলাৰী আৰ্টস্কুল ইত্যাদিৰ বাহিৰেও বহু চাব লগীয়া ঠাই চালো। লক্ষ্ণৌ ষ্টেশ্বনটো বৰ ডাঙৰ।

লক্ষ্ণৌৰপৰা কাণপুৰলৈ আমালোকে মটৰেৰে গলোঁ। ইয়াত আমি এৰাতি আছিলোঁ—মাৰোৱাৰীৰ ধৰ্ম্মশালা এটাত। ইয়াত সকলো ৰকমৰ মিল ( Mill ) দেখিবলৈ পোৱা যায়।



বুলন দৰজা, ফতেপুৰ চিক্ৰি—আগ্ৰা

পিছদিনা দুপৰীয়া ট্ৰেইনেৰে আগ্ৰালৈ আহিলো। বাটতে এজন হোটেলৱালাই বৰকৈ ধৰিলে, তেওঁৰ

হোটেলত থাকিব লাগে। অগত্যা আতাই থাকিম বুলি তাৰ কথাত মান্তি হল। যমুনাৰ দলং পাৰ হোৱাৰ আগতেই পৃথিবীৰ আশ্চৰ্য্য তাজমহল চকুত পৰিছিল। গধূলি ৬ বজাত আমালোক আগ্ৰাত নামিলো। সিদিনা ৰাতি জিৰাই-শতাই শৰীৰটো টঙাই লৈ পিছদিনা ২ বজাত আমালোকে তাজমহল,



পাঁচমহল, ফতেপুৰ চিক্রি—আগ্রা

আগ্ৰা ফ'ৰ্ট আৰু এৎমাদ্দৌলাৰ সমাধি চাবলৈ ওলালো। তাজমহলৰ ওপৰ তলাত নকল সমাধি আৰু তলৰ তলাত এটা সুৰঙ্গেৰে গৈ পোৱা যায় আছল সমাধি।

বগা পাথৰৰ ওপৰত কি সুন্দৰ কাৰুকাৰ্য্য তাজমহলৰ! সমাধিৰ ওপৰত ৰি মূল্যৱান খেত পাথৰৰ কাৰুকাৰ্যাই দৰ্শকৰ চকুত চমক লগাইছিল আজি তাৰ ঠাইত নকল পাথৰে আগৰ সেই সৌন্দৰ্য্য মানুহৰ চকুৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছে মাথোন। ছাজাহানৰ সমাধিৰ ওপৰত জলমলাই থকা হীৰা ভাৰতৰ স্বাধীনতা হেৰোৱাৰ লগে লগে সিও ম্লান পৰি আহিল। দুখ লাগে এইবোৰ দেখি শুনি। তাজমহলক মাজত ৰাখি সুন্দৰ বগা পাথৰ, নানা ধুনীয়া কাৰুকাৰ্য্য খচিত দুয়োকাষে যি দুটা মছজিদ আৰু ধৰ্ম্মশালা আছে তাত তাজমহলৰ ছায়া স্পষ্ট বিৰাজমান।

আগ্ৰা ফ'ৰ্টৰ ভিতৰত সমস্ত সম্ৰাট আৰু সম্ৰাজ্ঞীৰ মহল। জাহাঙ্গিৰ মহলটো ৰঙা পাথৰৰ। তাত তেওঁৰ সম্ৰাজ্ঞী যোধবাঈৰ মন্দিৰ, শোৱনি ঘৰ, বুলনি ঘৰ আদি সকলোতে অতি সুন্দৰ কাৰুকাৰ্য্য। ছাজাহান যি ঘৰত আছিল তাৰ দুয়োফালে জাহানাৰা আৰু ৰোছেনাৰাৰ মহল। ছাহাজানক যি ঘৰত বন্দী কৰি ৰাখিছিল সেই ঘৰটো চাবলৈ নিদিয়ে। নুৰজাহানৰ শোৱনি ঘৰ আৰু বেছি সুন্দৰ। পাথৰৰ Screen বোৰ অইন অইন ধৰণৰ। তাজমহলৰ নিচিনাকৈ বেৰত দুটা খুৰণীয়া সৰু পাথৰ নুৰজাহান মহলত দেখা যায়। মিনাবজাৰ এই দুৰ্গৰ ভিতৰতে। উৎসৱৰ সময়ত তাত সম্ভ্ৰান্ত লোকৰ তিৰোতা আৰু ছোৱালীয়ে দোকান-পোহাৰ দিছিল। আৰু সম্ৰাটে সেইবোৰ উপযুক্ত বানছ দি কিনি নিছিলহি।

আগ্ৰাত তিন দিন কটাই আমালোকে দিল্লীলৈকে বুলি ৰেলৰ টিকিট কৰিলো।

—আগলৈ

---

# কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বুৰণি

—কৃপাবৰ

Halloo জয়ধ্বজ ! you have been a fig-flower ("ডুমুৰৰ ফুল") so long, as the Bengalees say.

জয়ধ্বজ—হয় ডাঙৰীয়া ! মই ইয়াত নাছিলোঁ। কছ দেশলৈ গৈছিলো। তাত তিনি মাহ আছিলোঁ, কালিহে উভতি আহিছোঁ।

কথাষাৰ শুনি বৰবৰুৱাই একে জাপেই উঠি, জয়ধ্বজৰ হাতখনত ধৰি এনেকৈ জোকাৰিবলৈ ধৰিলে যে জয়ধ্বজৰ মুৰটো আৰু মুৰৰ চুলিবোৰ যদি পকা বগৰি হলহেঁতেন, এটাইবোৰ টলৰ-টলৰকৈ সৰি পৰিলহেঁতেন।

"তুমি মোক অবাক কৰিলা জয়ধ্বজ ! মই ভাবিছিলো তুমি ঘৰত ঘৈণীয়েৰাৰে সৈতে দন্দ কৰি বোহ পাতি কৰবাত লুকাই আছিলা, সুখ বিচাৰি বিয়াত সাঙোৰ খোৱা বিবাহিত জীৱন ৯৯ জনৰ এনেকুৱাই হয় দেখি। তুমি নিশ্চয় বেলেৰে গৈছিলা।"

জয়ধ্বজ—নহয় ডাঙৰীয়া, মই আকাশী বিমানেৰে গৈছিলোঁ।

বৰবৰুৱাই আকৌ উঠি জয়ধ্বজৰ হাতত ধৰি জয়ধন জোকাৰ এটা মাৰিলে। জয়ধ্বজে উস্ ! উস্কৈ হাতখন এৰুৱাই নিলে।

বৰবৰুৱা—তুমি বাহাদুৰ জয়ধ্বজ। উৰি যাওঁতে তোমাৰ মুৰ ঘূৰোৱা নাছিলনে ?

জয়—নাছিল ডাঙৰীয়া। মোৰ গাটোত সুত লাগিছিল ; আৰু মাজে মাজে টোপনিহে আহিছিল।

বৰ—দ্বাপৰ যুগৰ শেষত আমাৰ দ্বাৰকাৰ কৃষ্ণও কছ দেশলৈ গৈছিল, স্যামন্তক মণি বিচাৰি। কছ ভালুক-ৰজা জাম্বৱন্তৰ দেশ। কৃষ্ণদেৱ সুৰঙ্গ বা "টানেল" অৰ্থাৎ সুৰুঙাইদি সোমাই গৈ তাত ওলাইছিল, যাক আমাৰ পুৰাণত গৰ্ত্ত বা গাট বুলিছে। আমাৰ কীৰ্ত্তনতে পাবা

খোজওৰি ভালুকৰ গৰ্ত্ত পাইলা হৰি।
ঘোৰ অন্ধকাৰে আছে গৰ্ত্তক আবৰি॥

পুৰাণৰ কথাবোৰ আমাৰ আজিকালিৰ "শিক্ষিত" সকলে মিছা সাধুকথা বুলি উৰাই দিয়ে। মই কিন্তু নুবাওঁ, কাৰণ, মই "শিক্ষিত" নহওঁ আৰু ভালকৈ জানো যে পুৰাণবোৰ ইতিহাস, নীতি আৰু জ্ঞানৰ ভৰাল। ভৰালৰ পৰা বাছি উলিয়াই আনিব জানিলেই অমূল্য ইতিহাস, বুৰঞ্জী, নীতি আৰু জ্ঞানৰ বস্তুবোৰ হাতত উঠিব। অনেক কথা "পেৰেবোলৰ" (parable) অৰ্থাৎ উপদেশাত্মক গল্পৰ অৰ্থাৎ সাধুৰ গঢ়েৰে পুৰাণত কোৱা হৈছে। আগৰ দিনত পৃথিবীৰ সকলো সভ্য দেশতে এনে গঢ়েৰে সাকৰা উপদেশ দিয়া হৈছিল ; কিয়নো তেনেকৈ কলে, মানুহে সতকাই নাপাহৰে আৰু কথাত ৰস পায়। পকা আমটোৰ বাকলি গুচাই খাব জানিলেই আনন্দ আৰু তৃপ্তি, আৰু বাকলিৰে সৈতে মুখত সুমালেই আহকাল আৰু অতৃপ্তি। ঈশ্বৰেও তেনে গঢ়েৰেই আমাক সুখ আৰু তৃপ্তিৰে জীৱন ধাৰণ কৰিবলৈ ধান, মাহ, আম, কঠাল, নাৰিকল প্ৰভৃতি সুমিষ্ট ফলবোৰ দিছে। গছত অসমীয়া তিলৰ লাৰু, ফেনীপিঠা হেঁচাপিঠা দিছে। আউনিআটীয়া পকা-মিঠৈ, বঙ্গলুৱা ৰসগোল্লা, সন্দেশবোৰ যদি সেইদৰে উদং গাৰে ওলমি থাকিলহেঁতেন, তেন্তে ব্যাপাৰটো কি হলহেঁতেন ভাবি চোৱা।

এন্ধাৰ সুৰঙ্গ বা টানেল বা গাতৰ মুখতে কৃষ্ণদেৱে লগৰীয়া সেনাবোৰ, ঘোঁৰা, হাতী, ৰথবোৰ এৰি থৈ অকলৈ সোমাই গৈছিল।

"তথাত মণিক কৃষ্ণ দেখিলন্ত পাছে।
হাতে লৈয়া ধাই শিশু ওমলান্তে আছে।
কাঢ়ি লৈবে লাগি হৰি সমীপ চাপিলা।
হেন দেখি ভয়ে ধাই ধাই গেঢ়ি দিলা॥

কোথাৰ মনুষ্য গোটে মণি নেয় হৰি।
আবে ঋক্ষ ৰাজ লাগ লৈয়ো ঝাণ্ট কৰি ॥"

ধাইৰ চিঞৰ শুনি কছ ঋক্ষৰাজ জাম্বৱন্ত লৰি আহিল, আৰু অকলশৰীয়া কৃষ্ণৰে সৈতে তেওঁ ( সেইকালৰ ধৰ্ম্ম যুদ্ধৰ নিয়মমতে ) অকলশৰে তুমুল যুদ্ধ কৰিবলৈ ধৰিলে। কৃষ্ণৰ হাতত অস্ত্ৰ-শস্ত্ৰ নাছিল দেখি কছ ৰজায়ো অস্ত্ৰ নলৈ—"লগাইলেক হতাহতি।"

শেহত কৃষ্ণৰ জয় হল, আৰু ঋক্ষৰাজে পৰাজয় স্বীকাৰ কৰি কৃষ্ণৰে সৈতে মিত্ৰতা কৰি,—

"তান কন্যা-ৰত্ন আছে নামে জাম্বৱতী।
কৃষ্ণক বিবাহ দিলা ৰঙ্গে ঋক্ষপতি ॥
লগত যৌতুক আনি দিলন্ত শ্যামন্ত।
পৰম আনন্দ দেখি ভৈল ভগৱন্ত ॥

জানি থবা, জয়ধ্বজ,, কষ বা কছ শব্দটো ঋক্ষ অৰ্থাৎ ঋ—ক—ষ শব্দটোৰে আন এটা গঢ়। "ঋ"ক আজিও ভাৰতৰ অনেকে "ৰু" উচ্চাৰণ কৰে। এই উড়িষ্যা দেশতে "কৃষ্ণক" ক্ৰুষ্ণ বোলে "ঋতু"ক ৰুতু বোলে "কৃপাক" ক্ৰুপা বোলে। আজিও কছিয়াৰ জাতীয় চিন ভালুক বা bear। আৰু এটা কথা মন কৰিবা,—কৃষ্ণৰ প্ৰধান প্ৰধান অষ্টমহিষীৰ ভিতৰত কছ বা ঋক্ষ ৰাজকন্যা জাম্বৱতী বৰ সুন্দৰী আছিল।

গঢ়িত য়ুৰোপীয় ৰজাৰ জীয়েক,—ধক্ ধক্ কৰে বগী আছিল নিশ্চয়। জাম্বৱতীৰ গৰ্ভত হোৱা কৃষ্ণৰ পুতেক সাম্বও দেখিবলৈ বগা আৰু বৰ শুৱনি আছিল ; নহবইবা কিয় ? য়ুৰোপীয় মেমৰ লৰা যে। সেইদেখিয়েই যদুবংশৰ ডেকা লৰাবোৰে সাম্বক লৈ ঋষিসকলেৰে সৈতে ঠাট্টা তামাচা কৰিবলৈ গৈয়ে যদুবংশৰ সৰ্ব্বনাশ কৰিলে। তুমি ইতিহাসটো ভালকৈ নাজানা হবলা ? শুনা, চমুকৈ কওঁ ;—

বিশ্বামিত্ৰ, অসিত, কণ্ব, দুৰ্ব্বাসা, ভৃগু, অঙ্গিৰা, কশ্যপ, বামদেৱ, অত্ৰি, বশিষ্ঠ আৰু নাৰদ আদি ঋষিসকলে দ্বাৰকাত শ্ৰীকৃষ্ণক দেখা কৰিবলৈ গৈছিল। তেওঁলোকে বিদায় লৈ, দ্বাৰকাৰ ওচৰতে থকা পিণ্ডাৰক নামৰ তীৰ্থলৈ গল। যদুবংশৰ দুষ্ট ডেকালৰাবোৰে তাতে ধেমালি কৰি আছিল। ডেকালৰাইঁতে জাম্বৱতীৰ পুতেক সাম্ব[illegible] তিৰোতাৰ বেশেৰে সজাই ঋষিসকলৰ আগলৈ আনি তেওঁলোকৰ চৰণত ধৰি অতি বিনয় কৰি সুধিলে, "হে ঋষিসকল! এই গৰ্ভৱতী ছোৱালীগৰাকীয়ে পুত্ৰ কামনা কৰিছে। এইৰ প্ৰসৱৰ কাল ওচৰ চাপি আহিছে। তাই পোনবাটে আপোনাসকলক সুধিবলৈ লাজ কৰি আমাৰ হতুৱাই আপোনালোকক সোধাইছে,—যে তাই লৰা উপজিবনে ছোৱালী উপজিব ? সৰ্ব্বজ্ঞ মহামুনি সকলে সিহঁতৰ টেঙৰালি আৰু ঠাট্টা বুজিব পাৰি খং কৰি কলে যে "এই তঁহতৰ কুলনাশন মুষল এটা প্ৰসৱ কৰিব।" শাপ শুনি ডেকাইঁতৰ মুখৰ মাত হৰিল। সিহঁতে লৰ-লৰিকৈ সাম্বৰ কাপোৰৰ পেটটো শোলোকাই চাই দেখিলে যে সঁচাকৈয়ে তাত লোৰ মুষল এডাল আছে।

যি হওক, ইয়াৰ ঘাই moral টো বুজি লবা, যে আমাৰ ডেকালৰাবোৰে বিলাতত পঢ়িবলৈ গৈ প্ৰায়ে এবোৰেই মেম বিয়া কৰাই ডিঙিত ওলোমাই আনে। কামটো ভাল নহয়। বগা কলাৰ মিলত দৈবাৎহে ভাল ম[illegible] হয় ; সৰহ ভাগৰ কপালত লোৰ উবালমাৰি [illegible] ঢেকীঠোৰা। শেষ ফল,—সকলোৰে সৰ্ব্বনাশ। [illegible] নালাগে মহাপৰাক্ৰমী যদুবংশয়ো কেনেকৈ ইয়াৰ ঢেঁ[illegible] চম্ভালিব নোৱাৰিলে দেখিলা ? এইবোৰ যি হওক, এতিয়া মোক তুমি কোৱাচোন জয়ধ্বজ, কছ দেশত [illegible] দেখিলা, কি শুনিলা ?

জয়ধ্বজ—কছিয়া লেনিন আৰু ষ্টেলিনৰ বাহ[illegible] কছ সম্ৰাট জাৰৰ দিনৰ ভাবৰ ধাৰ তাত আজি নাই[illegible] সকলোবোৰ নতুন সাঁচত মৰা হৈছে। পুৰণি ধাঁ[illegible] বান্ধোনতো নায়েই বুলিব লাগে। তাৰ ঠাইত নতুন ধাঁ[illegible] নতুন কামে শিপাইছে। আন কি, পুৰুষ আৰু তিৰোতা[illegible] সম্পৰ্কতো এনেবোৰ কাৰ্য্যৰ ধাৰ বৈছে যে দেখি[illegible] আচৰিত মানিব লাগে। মতা আৰু তিৰোতাৰ কৰ্ত্তব্য[illegible] বিষয়ে আজি কছিয়াৰ মত উদ্ভট। কছিয়াই কা[illegible] তিৰোতাই ঘৰৰ কাম কাজ কৰি গৃহস্থালী ৰাখিব, মা[illegible] মতাই বাহিৰত কাম কৰি ধন ঘটি আনিব। এইটো ম[illegible] শুৰিতে ভুল। আজি কোটী কালৰপৰা মতাই তিৰোতা[illegible]



ওপৰত বৰ মতা ওলাই তিৰোতাক অত্যাচাৰ কৰি এনেবোৰ বিধি বিধান উলিয়াইছে, যত তিৰোতাৰ হাত নাছিল আৰু নাই। কছিয়াত তিৰোতাই পুৰুষেৰে সৈতে সমানে বাহিৰত কাম কৰে, যেনে :—কুলীৰ কাম, ৰাজমিস্ত্ৰিৰ কাম। মুঠতে তাত পুৰুষেৰে সৈতে তিৰোতা সমানে—

"তেলী, মালী, শিলাকুটি, বনিয়া, সূতাৰ।
চৰ্ম্মকাৰ, চঁড়াল, কমাৰ, কুম্ভকাৰ ॥
চিত্ৰকাৰ, কঁহাৰ, কুন্দাৰ, বৈষ্ণ যত।" ( শঙ্কৰদেৱ )

লেখা-পঢ়াটো ছোৱালীয়ে লৰাৰ সৈতে সমানে পাৰি দিছে। তিৰোতা মতা একেলগে, একে স্কুলতে, একে শ্ৰেণীতে, একে বিষয় পঢ়ে। তিৰোতাৰ কৰ্ম্মক্ষেত্ৰ স্বকীয়াকৈ দিয়াত কছিয়াৰ অমত ; কাৰণ তেনেহলে আপোনা-আপুনি এটা ভেদ-বুদ্ধি লৰা আৰু ছোৱালীৰ মনত আহে ; সেইটো অন্যায়। ইত্যাদি।

বৰবৰুৱা—বুজিলো, জয়ধ্বজ বুজিলোঁ। ঈশ্বৰে তিৰোতাক যে শৰীৰ আৰু মনতো প্ৰভেদ কৰি চজিলে, সেই ভুলটো কছিয়াই, আৰু কছিয়াক দেখি আনেও যে শুধৰাবলৈ পুৰুষাৰ্থ কৰিছে, এইটো সাধু চেষ্টা। তিৰোতাৰ মুখত ডাঢ়ি গোফ, আৰু গৰ্ভত সন্তানৰ মাক হোৱা কাৰ্য্যটোবো সালসলনি শীঘ্ৰে তেওঁলোকে কৰিব পাৰিলে নাই কৃতাৰ্থ হম। দুইবো কাৰ্য্যৰ ভিন্নতা বা ভিন্নভাব গলে, আঃ! পৃথিবীখন কি সুখৰ ঠাই হৈ পৰিব! দুইবিধ যদি এবিধ হয়,—দৰা, এটাইবোৰ মতা হয় নাইবা এটাইবোৰ তিৰোতা হয়, তেন্তে কি "মজাৰ কথাই" হব। জানা মহাজন! তিৰোতাৰ ওপৰত পুৰুষে যে অনেক বিষয়ত আৰু অনেক সময়ত অত্যাচাৰ কৰি আহিছে, সেইটো খুব সঁচা। তেনে অত্যাচাৰ অবিচাৰ গুচাবলৈ কাৰবাৰ নকৰি একে কোবেই তিৰোতাক সকলো বিষয়তে মতা কৰি দিব পাৰিলে "এক দম কেল্লা ফতে!" এপাহ এপাহকৈ কপাহ চন্দিয়াই নেওঠনীত দি থাকি সময় নষ্ট কৰাতকৈ একেবাৰে গোটেই পাচি যদি নেওঠনীত পেলাই দিলেই কাৰ্য্য সিদ্ধি হয়, তেন্তে কেনে বিতোপন ব্যৱস্থা হয় চোৱাচোন! মন্ত্ৰ মাতি দুটা-চাইটাকৈ গোঁসাইৰ গাত ফুল দি থকাতকৈ যদি গোটেই কৰবীফুল "সোপায়ং নমঃ" বুলি দিয়া যায় তেন্তে ততালিকে লেঠা ছিগে। য়ুৰোপৰ আন আন দেশতো, যদিও আজিকালি তিৰোতাই অনেক কাৰ্য্যত পুৰুষেৰে সমানে পাৰি দিছে, তথাপি তাতো যে পুৰুষ আৰু তিৰোতাৰ কাৰ্য্যক্ষেত্ৰ স্বকীয়া, সেইটো ভাব একেবাৰেই দলিয়াই পেলোৱা নাই ; কাৰণ, দলিয়াই পেলোৱাটো অসম্ভৱ। তিৰোতাই সকলো কাৰ্য্যত পুৰুষেৰে সৈতে আৰি মাৰি কাম কৰিলেই যে পৃথিবীত স্বৰ্গৰাজ্য প্ৰতিষ্ঠিত হব, এনে নহয়, আৰু হোৱাও দেখা নাযায়। বৰং যাৰ যি স্বকীয়া ক্ষেত্ৰ বুলি আজি কৌটীকাল স্বীকৃত হৈ আহিছে, তাতেহে স্বৰ্গৰাজ্যৰ সুশৃঙ্খলতা প্ৰতিষ্ঠিত হোৱাটো দেখা যায়। তিৰোতাৰ ওপৰত অত্যাচাৰ অবিচাৰবোৰ দূৰ কৰিবলৈ চেষ্টা কৰি, স্বকীয়া কাৰ্য্যক্ষেত্ৰ নিৰ্ম্মল আৰু নিৰ্বিঘিনীয়া কৰি লোৱাটোহে আছল বাট। তিৰোতাৰ বাটৰ হেঙাৰবোৰ তুলি দিলেই যে এটাইবোৰ তিৰোতা লৰি গৈ খনা, লীলাৱতী গাৰ্গী, মৈত্ৰেয়ী হৈ আহিব, এনে সপোন নফলিয়ায়। এতিয়াও সেই বাট যে একেবাৰেই বন্ধ হৈ আছে এনেও নহয়। উচ্চ শিক্ষাৰ বাট, কি মতা কি তিৰোতা, সকলোলৈকে মুকলি কৰি নিশ্চয় থোৱা হওক ; যাৰ গাত বল আছে, মূৰত শকতি আছে, সি সেই বাটেদি গৈ খনা, লীলাৱতী, বা গ্লেডষ্টোন, ব্ৰাইট, মৰ্লি, বসু, ঠাকুৰ যি পাৰে হওক। কিন্তু মতা আৰু তিৰোতাৰ কাৰ্য্যক্ষেত্ৰৰ বেৰ ভাঙি দি সকলোকে একেটা ভাত-চৰুৰ তলত জুই দিবলৈ লগাই দিলে ভেৰা-খিচিৰি হলেও পৰমান্ন নহয়। বিশেষতঃ পুৰণি আদৰ্শৰ সমাজ লণ্ড-ভণ্ড কৰিলে সুখতকৈ যে দুখ সৰহীয়া হব, এইটো নিশ্চয় ; আৰু সহজে নোৱাৰাও। কাৰণ পুৰণি সেই বিৰাট বৃহৎ সমাজৰ কটকটীয়া বান্ধে আজিও ৯৯ জনক জৰপূৰকৈ বান্ধি থৈছে। শিক্ষিত বোলা, আৰু স্বাধীন পৰদেশৰ ফালে চাই আঃ কৰি মুখ মেলি থাকোতা দুজন-চাইজনে এই বৃহৎ সমাজৰ কেয়া আঙুলি এটাত সুৰ সুৰাবলৈ গৈ একো কৰিব নোৱাৰে। আমাৰ সমাজৰ আদৰ্শ কছ বা য়ুৰোপীয় আন দেশৰ আদৰ্শতকৈ বেলেগ। এই আদৰ্শ এৰিলেই যে যোল অনা সুখ স্বৰ্গৰ

পৰা সোণৰ জখলাৰে আমাৰ মাজলৈ নামি আহিব, এনে ভবাটো ভুল ; নতুবা য়ুৰোপৰ সেইবোৰ দেশত আজি জীৱন যাত্ৰাৰ কাৰ্য্যত এনে হাহাকাৰ শুনা নগলহেঁতেন।

তিৰোতাই ঘৰখন ধৰি থকাই আমাৰ সমাজৰ আদৰ্শ। সেইটোৱেই তিৰোতাৰ মুখ্য কাম। মুখ্য কামটো সম্পাদন কৰি গৌণ কামবোৰলৈ যোৱাটোৰ বাটত অৱশ্যে কোনো হেঙাৰ থাকিব নালাগে। ঘৰখৰা, লৰা-ছোৱালী ডাঙৰ দীঘল কৰা কামত মতাক লগালে বিপৰীত বিধান হব। যিয়েই লৰা-ছোৱালীক জন্ম দিয়ে, তাৰহে সেই কাম। ইয়াত বল-প্ৰকাশ নচলে। স্বভাৱৰ প্ৰেৰণাও সেয়ে। বাহিৰ সংসাৰৰ কামবোৰ মতাৰ ভাগত স্বভাৱতে পৰে ; তাৰ ব্যতিক্ৰম কৰিলে বিভ্ৰাট ঘটে। ঘৈণী স্বামীৰ কাৰ্য্যত সহায়ক, আৰু স্বামী ঘৈণীৰ কাৰ্য্যতো সহায়ক নিশ্চয়। দুইবো সহায়ত জীৱন-যাত্ৰা সুকলমে নিৰ্ব্বাহ হয়। দুইবো কাৰ্য্য যদিও মুখ্যতঃ সুকীয়া, তাত পৰস্পৰ বিপক্ষতা নাই সহযোগিতাহে আছে—সি মাথোন Division of labour অৰ্থাৎ কামৰ বিভাগহে। অৱশ্যে সেই বিভাগ ঈশ্বৰদত্ত মন শৰীৰ আৰু স্বভাৱৰ প্ৰেৰণা অনুসৰি হোৱা। কোনো অৱস্থাত ইয়াৰ ব্যতিক্ৰম দেখা গলেও, ইয়েই হে বিধি। ব্যতিক্ৰম বিধি নহয়।

স্কুল কলেজত ছোৱালীক জ্যামিতি, বীজগণিত, গণিত শিক্ষাৰ ব্যৱস্থা কৰিলেও, তাত ঘৰ-সংসাৰ চলোৱা কাৰ্য্যবো শিক্ষাৰ ব্যৱস্থা থকাটো অপৰিহাৰ্য্য। সঙ্গীত, ৰেজিৰ কাম, চিত্ৰ ছবি-অকা ৰন্ধা-বঢ়া সূতা-কটা কাপোৰ-বোৱা, ইত্যাদি শিক্ষাৰ ব্যৱস্থাও তাত ছোৱালীৰ নিমিত্তে হব লাগিব ; নহলে স্বামী স্ত্ৰীৰ বিবাহিত জীৱনে সম্পূৰ্ণতা লাভ নকৰে। তুমি এই কথাত উভহা ধৰি কব পাৰা যে, ছোৱালীৰ শিক্ষাৰ উদ্দেশ্য এই ব্যৱস্থাত খৰ্ব্ব হব। ছোৱালীয়েও লৰাৰ দৰে পঢ়ি শুনি উকীল, বেৰিষ্টাৰ, ইঞ্জিনিয়াৰ, ডাক্তৰ হোৱাৰ অধিকাৰৰপৰা সিহঁতক বঞ্চিত কৰিবৰ তোমাৰ কি অধিকাৰ আছে? পুৰুষৰ দৰে তিৰোতাবো সেইবোৰ হবৰ অধিকাৰ আছে—আনকি, যুদ্ধত যুজাৰু সেনা হবৰো। সেইবোৰৰপৰা তিৰোতাক বঞ্চিত কৰা মানে দেশৰ সেৱাৰপৰা বঞ্চিত কৰা। তুমি পুৰুষ, তুমি কোন তেনে কৰিবলৈ? তুমি তিৰোতাক ঘৰৰ চাৰিবেৰৰ ভিতৰলৈ ঠেলি, তেওঁলোকৰ মনুষ্যত্বৰ বিকাশত বাধা দিছা। তেওঁলোক মেডেম কুৰী, খনা, লীলাৱতী গাৰ্গী কিয় নহব? তিৰোতা আমাৰ ভিতৰত বহি থাকিলে এইবোৰ হবলৈ সুবিধা পাব কেনেকৈ? নিশ্চয় এনে ব্যৱস্থা তিৰোতা জাতিৰ পক্ষে অপমান জনক, আৰু সমাজৰ পক্ষে অকল্যাণকৰ।

মই কওঁ, এক লক্ষৰ ভিতৰত এজনী তিৰোতা গাৰ্গী হোৱাৰ বাট মৰিল বুলিয়েই বাকী এজনী-কম এক লক্ষই এলজিব্ৰা, জ্যামিতি পঢ়ি, বা দুজনীয়ে আদালতত ওকালতি কৰি তিৰোতাৰ "অপমান" টো নোহোৱাকৈ ৰাখিবলৈ যোৱা মত বা ব্যৱস্থা "ৰদিমাল"। মই কওঁ, এক লক্ষৰ ভিতৰৰ এজনীলৈ বাট এৰি নিদি যদি আমি বাকী এজনী বাদ একলক্ষক আদৰ্শ ঘৈণী কৰি আমাৰ ঘৰ-সংসাৰখন সুখৰ কৰিব পাৰোঁ, তাকে আমি কৰিম! ন্যায় অন্যায় প্ৰশ্ন তাত অবান্তৰ। Greatest happiness to the greatest number, এয়ে ন্যায় আৰু এয়ে ধৰ্ম। কৌটীকলীয়া যি শিক্ষাপদ্ধতি আমাৰ ভিতৰত প্ৰচলিত আছে তাৰপৰা ভুল, অসাৰ্থক, আৰু অন্যায়বোৰ উলিয়াই দি তাকে আমাৰ তিৰোতাক আৰু পুৰুষক মিল-টোৱেই সমীচীন কাৰ্য্য। লোকক দেখি আমাৰ সমাজ জীৰ্ণ-নোযোৱা এটা নতুন আদৰ্শ লৈ কাম কৰিবলৈ যোৱাটো অবিমৃষ্যকাৰিতা।

মুঠতে নৈতিক চৰিত্ৰ-বলেৰে বলী পদ্ধতিকে আমি ধৰি থাকিব লাগিব। অমুকে অমুক কৰিছে, তমুকে তমুক কৰিছে, এতেকে ধৰ, আমিও তাকে কৰোঁ, এনে ভাব আমাৰ মনৰপৰা দুৰতে বিদূৰ কৰা উচিত।

এইবোৰ যি হওক, আজি আৰু এহালিচা নবহি, তোমাক জ্যামিতিৰ সূত্ৰ গোটাদিয়েক ব্যাখ্যাৰে দিওঁ। এই জ্যামিতিখন ইউক্লিডৰ নহব পাৰে। তথাপি সি জ্যামিতি জানি থবা।

ডেকাই আৰ্জ্জি খাব পৰা হলেই বিয়া কৰাব। নহলে নকৰাব। ঘৰৰ আই, আইতা, বোপাই, বা ককাদেউৰ ক্ষণস্থায়ী আনন্দৰ নিমিত্তে মাথোন বিয়া নকৰাব; যদি ডেকাজনে নিজৰ ভৰিত থিয় দি উঠিব নোৱাৰে। যদি উঠিব পৰা হয়, তেন্তে অৱশ্যে বিয়া কৰাব,—নকৰাটো কাপুৰুষতা, স্বাৰ্থপৰতা আৰু পাপ। জাৰ্ম্মানিয়ে আজি এই কথা জানিছে, ফ্ৰান্সে জানিছে, আৰু ইটালিয়ে অনেক বৰবাসুকুটি খাই জানিছে। হিন্দুৱে অতীজৰেপৰা এই সত্য জানি আহিছে ; সেইদেখি হিন্দুৰ গোসাঁয়েই সীতা-ৰাম, হৰ-গৌৰী, ৰাধা-কৃষ্ণ, লক্ষ্মী-নাৰায়ণ। ঈশ্বৰ সস্ত্ৰীক নহলে, আৰ্য্য হিন্দুৱে সেই ঈশ্বৰক মানিবই নোৱাৰে। সৃষ্টিৰ প্ৰথম কালতে—প্ৰকৃতি পুৰুষ। স্ত্ৰী পুৰুষৰ সহযোগ নোহোৱাকৈ প্ৰথমতে ব্ৰহ্মাই সৃষ্টি কৰিবলৈ কৃতকাৰ্য্য নহল। কথাটো ভাঙি কওঁ শুনা—ব্ৰহ্মাই নাৰায়ণৰ আদেশত যি সৃষ্টি কৰিছিল তাৰ কথা কওঁ। ভগৱন্তৰ কাল নামে এক ৰূপ আছে। গুণবোৰৰ মহত্ত্বাদিৰূপ পৰিণামত যি ব্যক্ত হয় তাকেই কাল বোলে। কাল আদ্যন্তশূন্য, ভগৱন্তই লীলা কৰি সেই কালকেই নিমিত্ত কৰি ব্ৰহ্মাণ্ড সৃজন কৰিলে। এই বিশ্ব ভগৱন্তৰ মায়াত ... হৈ ব্ৰহ্মতমাত্ৰ হৈছিল। পিছত তেওঁ অব্যক্ত কালকে নিমিত্ত কৰি আকৌ সুকীয়াকৈ তাকে প্ৰকাশ কৰিলে। এই বিশ্ব এতিয়া যি আছে, পূৰ্ব্বেও সেয়ে আছিল, আৰু পিছতো সেয়ে থাকিব। এই বিশ্বৰ সৃষ্টি ৯ বিধ। তাৰ বাহিৰে প্ৰাকৃত আৰু বৈকৃত, এই উভয়াত্মক যি সৃষ্টি আছে সি দশম। প্ৰলয় তিনি বিধ,—নিত্য নৈমিত্তিক আৰু প্ৰাকৃতিক। কালকৃত প্ৰলয়—নিত্য ; কদ্ৰকৃত প্ৰলয়—নৈমিত্তিক ; আৰু গুণকৃত প্ৰলয়—প্ৰাকৃতিক। ওপৰত যি ৯ বিধ সৃষ্টিৰ কথা কোৱা গল, এই ;—মহৎ প্ৰথম সৃষ্টি। আত্মস্বৰূপ ভগৱন্তৰ ওচৰৰপৰা গুণবোৰৰ যি বৈষম্য হয় তাকে মহৎ বোলে। অহঙ্কাৰ দ্বিতীয় সৃষ্টি। ... দ্ৰব্য, জ্ঞান আৰু ক্ৰিয়াৰ প্ৰকাশ হয় তাকেই অহঙ্কাৰ বোলে। তৃতীয় সৃষ্টি—পঞ্চতন্মাত্ৰৰূপ ভূত-সূক্ষ্মৰ উদ্ভৱ জ্ঞানেন্দ্ৰিয় আৰু কৰ্ম্মেন্দ্ৰিয়ৰ সৃষ্টি চতুৰ্থ। ইন্দ্ৰিয়াধিষ্ঠিত দেৱতাসকলৰ আৰু মনৰ সৃষ্টি পঞ্চম। অবিদ্যাৰ সৃষ্টি ষষ্ঠ। এই ছয় প্ৰকাৰ সৃষ্টিক প্ৰাকৃত সৃষ্টি বোলে। স্থাৱৰ সৃষ্টি সপ্তম। আনবোৰ বৈকাৰিক সৃষ্টিৰ প্ৰথমতে ই হৈছিল ... ইয়াক মুখ্য সৃষ্টি বোলে। স্থাৱৰ ছবিধ। (১) বনস্পতি, (২) ওষধি, (৩) লতা, (৪) ত্বকসাৰ, (৫) বীৰুধ, (৬) বৃক্ষ। স্থাৱৰত অব্যক্ত-চৈতন্য আছে। তিৰ্য্যক-যোনিৰ সৃষ্টি অষ্টম। তিৰ্য্যক আঠাইশ প্ৰকাৰ। ইহঁত ভবিষ্যৎ-জ্ঞানশূন্য ; তমোগুণবিশিষ্ট, দীৰ্ঘানুসন্ধানশূন্য ; মাথোন আহাৰাদি কাৰ্য্যত তৎপৰ। ইহঁতে অকল ঘ্ৰাণেন্দ্ৰিয়ৰ দ্বাৰাই অভিলষিত বস্তু জানিব পাৰে। ওঠৰ বিধ তিৰ্য্যক, যেনে ;—গৰু, ছাগলি, মহ, কৃষ্ণসাৰ, গাহৰি, মেঠোন, ৰুৰু, মেৰছাগ, উট। এই ৯ বিধ পশুৰ দুটাকৈ খুৰা আছে, সেইদেখি ইহঁতক দ্বিশফ বোলে। গাধা, ঘোঁৰা, খচ্চৰ, চমৰী প্ৰভৃতিক একশফ বোলে, কাৰণ সিহঁতৰ খুৰা এটা। কোনো কোনো জন্তু পঞ্চনখ ; যেনে কুকুৰ, শিয়াল, বৃক, বাঘ, মেকুৰী, শহাপহু, সিংহ, বান্দৰ, হাতী, কাছ, গুঁই। মগৰ প্ৰভৃতি জন্তু জলচৰ। কঙ্ক, গৃধ্ৰ, বগ, শ্যেন, ভালুক, ম'ৰা হাঁহ, সাৰস, চাকৈচকোৱা প্ৰভৃতি জন্তু খেচৰ। ইয়াৰ পিছতহে মনুষ্য সৃষ্টি, আৰু এই সৃষ্টি নৱম। দশম সৃষ্টি দেৱতাসকল। দেৱতাসকল বৈকৃত সৃষ্টি। সেই বৈকাৰিক দেৱসৃষ্টিও আঠ প্ৰকাৰ।—(১) পিতৃগণ, (২) অসুৰ, (৩) গন্ধৰ্ব্ব, অপ্সৰা, (৪) যক্ষ, ৰাক্ষস, (৫) সিদ্ধ, চাৰণ, বিদ্যাধৰ, (৬) ভূত, প্ৰেত, পিশাচ, (৭) কিন্নৰ, কিংপুৰুষ। এয়ে প্ৰথমতে ব্ৰহ্মাৰ দশ প্ৰকাৰ সৃষ্টি।

মনুষ্য সৃষ্টিৰ আদিতে, ব্ৰহ্মাই চাৰিজন মুনি সৃজিলে। নাম,—সনক, সনন্দ, সনাতন আৰু সনৎকুমাৰ। তেওঁলোক চাৰিও জন নিস্ত্ৰীয় আৰু উৰ্দ্ধৰেতা হল। ব্ৰহ্মাই তেওঁলোকক প্ৰজা সৃজন কৰিবলৈ কলত, তেওঁলোকে নকৰিলে ; কাৰণ তেওঁলোক বাসুদেৱ পৰায়ণ, আৰু মোক্ষ কামী ; সৃষ্টিৰ বিষয়ত তেওঁলোকৰ প্ৰবৃত্তি নহল। পুতেকহঁতে তেওঁৰ আজ্ঞা নুশুনা দেখি তেওঁৰ যদিও খং উঠিল, খং সংবৰণ কৰিলে ; তথাপি সেই ক্ৰোধ তেওঁৰ চকুৰ দুই ভ্ৰূৰ মাজত থাকি নীললোহিত নামেৰে কুমাৰ এজন হৈ ওলাল। কুমাৰে উপজিয়েই ৰোদন কৰিবলৈ ধৰিলে, আৰু ব্ৰহ্মাক কলে, "হে পিতা! মোক থাকিবলৈ ঠাই দিয়া!" বাপেকে পুতেকক কলে, "বোপা, তুমি নাকান্দিবা, মই তোমাক থাকিবলৈ ঠাই দিম। তুমি লৰাৰ

নিচিনাকৈ কান্দিছিলা, সেইদেখি তোমাৰ নাম ৰুদ্ৰ দিলোঁ। তুমি হৃদয়, ইন্দ্ৰিয়, প্ৰাণ, আকাশ, বায়ু, অগ্নি জল, পৃথিৱী, সূৰ্য্য, চন্দ্ৰ আৰু তপস্যা এইবোৰত থাকিবা; আৰু শিৱ, ভৱ, ইত্যাদি এঘাৰটা তোমাৰ নাম হব। তোমাৰ স্ত্ৰীৰ নাম অম্বিকা, ইৰাৱতী ৰুদ্ৰানী প্ৰভৃতি হব। তুমি প্ৰজা সৃষ্টি কৰা।" ৰুদ্ৰই তথাস্তু বুলি প্ৰজা সৃষ্টি কৰিবলৈ ধৰিলে। কিন্তু তেওঁ চৰ্জন কৰা প্ৰজাবোৰ তেওঁৰ নিচিনা স্বভাৱৰ হল। ৰুদ্ৰ-সৃষ্টি ভূত, প্ৰেতবোৰে শেহত জাক বান্ধি জগত গ্ৰাস কৰিবলৈ ওলাল দেখি, ব্ৰহ্মাই ৰুদ্ৰক কলে "বোপা হৈছে, ৰক্ষা কৰা, আৰু তুমি প্ৰজা সৃষ্টি কৰিব নালাগে, যথেষ্ট হৈছে; তুমি বৰং সকলো প্ৰাণীৰ মঙ্গলৰ নিমিত্তে তপস্যা কৰা।" ৰুদ্ৰই তথাস্তু বুলি প্ৰজা সৃষ্টি কৰিবলৈ এৰি তপস্যা কৰিবলৈ ধৰিলে।

তাৰ পিছত ব্ৰহ্মাই চিন্তা কৰি, মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য পুলহ, ক্ৰতু ভৃগু, বশিষ্ঠ, দক্ষ আৰু নাৰদ এই দহজনক চৰ্জিলে। পুতেকহঁতক তেওঁ প্ৰজা সৃষ্টি কৰিবলৈ আজ্ঞা দিলে। সেই সকলৰ দ্বাৰাইও তেওঁ সুফল নাপাই ভাবিবলৈ ধৰিলে, কি আশ্চৰ্য্য, মই ইমান চেষ্টা কৰিছো, তথাপি প্ৰজা বৃদ্ধি নহল। এনেকৈ তেওঁ বহি ভাবি থাকোতেই ঈশ্বৰৰ ইচ্ছাত তেওঁ দুফাল হৈ পৰিল। এফাল পুৰুষ আৰু এফাল তিৰোতা হল। পুৰুষজনৰ নাম হল স্বায়ম্ভূৱ মনু আৰু তিৰোতাজনাৰ নাম হল শতৰূপা। এই দুই স্ত্ৰী-পুৰুষৰ সংযোগত প্ৰজা সৃষ্টি হৈ বাঢ়িবলৈ ধৰিলে।

এইবাবেই হিন্দুৱে বিবাহক জীৱনৰ শ্ৰেষ্ঠ আশ্ৰম আৰু আদৰ্শ বুলি ভাবে। নতুবা সৃষ্টি নাশ। জয়ধ্বজ! মই তোমাক শুনোৱা আমাৰ Cosmology অৰ্থাৎ সৃষ্টিতত্ত্বত অতি গূঢ় সত্য নিহিত আছে; তাক উপলুঙাকৈ নুবাবা। আজিকালি অনেক অনেকে তত্ত্ব ব্যাখ্যা কৰে; পুৰাণৰ তত্ত্ব, দৰ্শন তত্ত্ব, আন কি কৃষ্ণতত্ত্বও ব্যাখ্যা কৰি ছপা আথবেৰে কাকতত উলিয়ায়, এটা দুবৰি বনৰ তত্ত্ব, এটা বালিচাহীৰ তত্ত্ব আনকি নিজৰ তত্ত্বৰে এধানমানো নজনা ব্যাখ্যাকাৰ লেখকে কৃষ্ণতত্ত্ব ব্যাখ্যা কৰে! ঠিক যেন গুৰিপকৰা এটাই সৃষ্টিতত্ত্ব, বা হাতী এটাৰ ... ব্যাখ্যা কৰিবলৈ যায়। নিজৰ নগণ্য ক্ষুদ্ৰাতিক্ষু... ধাৰণাৰে এনে কাম কৰিবলৈ যোৱা দেখিলে মোৰ অকল হাঁহিয়েই যে উঠে এনে নহয়, দুখো লাগে, যে ... সকলে কেনেকৈ অচিন্তাশীল মানুহক ভুল বাটেদি লৈ ... খালত পেলায়।

মোৰ ধৰ্ম্মটো ভাল আৰু সত্য ধৰ্ম্ম, তোমাৰ ধৰ্ম্মটো বেয়া আৰু অসত্য, এনে ভাব মনত পুহি আজি জগত... চাৰি ভাগৰ এভাগ মানুহ বলিয়া হৈ পৰি মিছাতে ভাই... ৰক্ত পাত কৰি, মৰা-মৰি কটা-কটি কৰি এই সুন্দৰ পৃথিৱী... খন নৰক পুৰী কৰি পেলাইছে। কোনো এটা ধৰ্ম্মাৱলম্বী মিচনেৰিসকলে, প্ৰচাৰক পণ্ডিত নামধাৰীসকলে এনেকুৱা কৰি—"যেন অন্ধলাক অন্ধে উপদেশে বিক্ষুক মিঠা নাজানে" কৰি দিছে। সেইদেখি মিচনেৰিসকলৰ বিষয়... মহাত্মা গান্ধীয়ে কৈছে—

"Surely it is a dangerous thing to present it (স্বধৰ্ম্মৰ বিশ্বাসবোৰ, ধাৰণাবোৰ) to those who have been brought to a different belief. And it would appear to me impertinent on my part to present my untested belief to the professor of another which for aught I know may be as true as mine. It is highly likely that mine may be good enough for me and his for him. A thick woolen coat would be the thing for one living in the cold regions of the earth, as a piece of loin cloth for another living near the equatorial regions (The Harijan, 28/9/35)

সমাজ সংগঠন আৰু ঘাইকৈ তিৰোতাৰ শিক্ষাৰ বিষয়... অমুক দেশত অমুক ডাঙৰ মানুহ এজনে বা দহজনে এইদৰে কৈছে, এতেকে আমাৰ প্ৰাচীন কালৰ মনীষীসকলে... শৃঙ্খলা লগাই সমাজ গঠন কৰি যোৱা শিকলিবোৰ ভাঙি... ছিঙি সেইদৰে নতুনকৈ আমাৰ এই Settled সমাজ... unsettled কৰি নতুনকৈ পাতিব লাগিব, এনে ভাব... দ্বাৰাই পৰিচালিত হৈ কাম কৰিবলৈ যোৱাটো অবিমৃষ্য... কাৰিতা। ডাঙৰ নাম শুনি সেই নামধাৰীজনে কি কৈছে...



তাকে সাৰোগত কৰি লোৱাটো ভুল। সেই ডাঙৰ জনৰ জীৱনৰ তিনি কুৰি বছৰৰ ভিতৰত একুৰি বা দহ বছৰৰ অভিজ্ঞতাক দহ হেজাৰ বছৰৰ অভিজ্ঞতাৰ ওপৰত টাঙোন হোকাৰিবলৈ যাবলৈ নিদিবা, জয়ধ্বজ। আন আন দেশৰ সমাজৰ বিষয়ে ভাব আৰু কাৰ্য্য আমাৰ ইয়াত নখটাবা। সেইবোৰ দেশৰ সমাজ আৰু সেই সমাজ সম্পৰ্কে হোৱা বান্ধোনবোৰ, যাক সভ্যতা বুলিলে বুলিব পাৰা, সেইবোৰ কতবাৰ উলটি-পুলটি গৈছে, ভাবি চাবা। অথচ আমাৰ ভাৰতৰ সেই সমাজ আজিও জীয়াই আছে। হব পাৰে লেলাই ধেন্দাই; কিন্তু আছে, আৰু নমৰেও জানি থবা; কাৰণ তাৰ ভেটি অমৰ ভাব আৰু ধাৰণাৰ ওপৰত। তাৰ মামৰবোৰ নিশ্চয় গুচাই লব লাগিব; তাৰ ওপৰত গজা হাবি-বনবোৰ কাটি চাফ-চিকুণ কৰি লব লাগিব আৰু ডেকা তুমি কৰাও; কিন্তু আছল ভেটিটো খানি দলিয়াই পেলাই সেই experimental (আৰু লোকৰ দেশৰ সমাজৰ) stage অৰ ভাব আৰু কাৰ্য্যবোৰ তাত কৰবলৈ নাযাবা, এয়ে মোৰ উপদেশ। তিৰোতা ভাৰতত চিৰকাল অত্যাচাৰিত হৈ আহিছে, এই ধাৰণা ভুল, যেহেতু যেয়ে যিহকে কওক; নতুবা ভাৰত কেতিয়াবাই ৰসাতললৈ গলহেঁতেন। বিকৃত মানুহৰ অৰ্থাৎ পুৰুষৰ বা সমাজৰ হাতত অ'ত ত'ত দুটা দহোটা, বা কুৰিটা ত্ৰিশটাত তেনে কাৰ্য্যৰ প্ৰমাণ দেখা গলেও আছলতে বিশাল বিৰাট ভাৰতীয় সমাজত তেনে নহয়। কোনো ৰব কোনো প্ৰতিষ্ঠা'নেই একেবাৰেই বিশুদ্ধ হব নোৱাৰে। তাৰ সৰহ কম দোষৰ কথা লৈহে তাক বিচাৰ কৰাটো যুগুত। আজি এশৰ ভিতৰত এজন শিক্ষিত ডেকাই সেই সমাজ বন্ধনত কোব মাৰিবলৈ কুঠাৰ হাতত ললেও ৯৯জনে সেই সমাজতে লালিত পালিত হৈ সুখেৰে কাল কটাব লাগিছে, আৰু কটাবও। আমাৰ স্ত্ৰী-পুৰুষৰ দ্বাৰাই গঠিত সমাজৰ আদৰ্শ অতি ওখ, আৰু সি কোটী-কলীয়া বিজ্ঞান দৰ্শনৰ অভিজ্ঞতাৰ কৰালেৰে নিৰ্ম্মিত, জানি থবা। ডেকা হ'বাই, বা শিং ভাঙি দমৰা হবলৈ যোৱা আদহীয়াই, মহিলা, নাৰী, বা ললনা, ইত্যাদি মধুৰ বচনেৰে তিৰোতাক মাতি তেওঁলোকৰ ওপৰত চলি অহা অত্যাচাৰ (?) ইত্যাদিৰ কথা কৈ মুখ বজালে, বা কলম চলালে তেওঁলোকক Gallant বা Chivalrous বুলি আমি কম; তাৰ বাহিৰে এখোজো আগ নাবাঢ়ো; তেহেলৈ তেওঁলোকে আমাক ঘুণে-খোৱা, মামৰে ধৰা সঙ্কীৰ্ণমনা প্ৰভৃতি যিহকে মন যায় কওক; তাত আমি নালাগো। তিৰোতাক মানুহৰ সমানে সমানে সকলো বিষয়ত শিক্ষা দিবলৈ গৈছা যোৱা, তিৰোতাক মতাৰ দৰে ইঞ্জিনিয়ৰ, কাপ্টান, কৰ্ণেল, ৰণুৱা, বাৰিষ্টৰ, উকীল, মুক্তিয়াৰ কৰিবলৈ গৈছা যোৱা; কিন্তু তুমি আমাৰ ঘৰখন ভাঙিব পাৰিবা, এই মাথোন; কাকো সুখ দিব নোৱাৰিবা। ধৰা, আমাৰ অসমত ৫০০ ইঞ্জিনিয়াৰলৈ ঠাই আছে; গৱৰ্ণমেণ্টে সেই পাঁচ শক চাকৰি দিলে। তাৰ আদখিনি তিৰোতা। সেই খিনিতে ২৫০ জন মতাৰ ভাত মাৰি, তেওঁলোকক Unemployed কৰিলে, আৰু ২৫০ জনী তিৰোতাৰ চাকৰি হল। তাৰ মানে, ২৫০ জন মতাই উপযুক্ত ঘৰৰ ঘৈণী হেৰুৱালে। সেই ২৫০ জনী তিৰোতাই ঘৰ-সংসাৰ, আৰু লৰা-ছোৱালী তুলি ডাঙৰ দাঘল কৰিব নোৱাৰা হল, বা কৰিব নলগীয়া হল; কাৰণ তেওঁলোক চাকৰীয়া। অৱশ্যে তেওঁলোকে আয়া আৰু বাবুৰ্চি ৰাখি ধন ঘটি মহাসুখেৰে জীৱন কটাই দিব; কিন্তু বাকীবোৰে কি কৰিব? সিফালে ২৫০ জন মতাৰ চাকৰি গল, আৰু ঘৰ-সংসাৰ এক প্ৰকাৰে ভাগিল। অথচ পুৰণি প্ৰচলিত সনাতন প্ৰথামতে দুই ভাগ প্ৰাণীলৈকে স্ব স্বভাৱৰ উপযুক্ত ঠাই আছে। খনা, লীলাৱতী কেইজনী হব পাৰে? ওৰে জীৱনটো অঙ্ক শাস্ত্ৰ পঢ়ুৱাই থাকিলেও নেই কথা নেচেল। যাৰ তেনে মস্তিষ্ক আছে, সি অলপ শিক্ষা পালেও হব পাৰিব। ধৰা, পুৰণি প্ৰথাৰ শিক্ষাত দুজনী চাৰিজনী খনা লীলাৱতী হব পৰা তিৰোতা নহয় মৰাই পৰিল; কিন্তু দুজনী চাৰিজনীৰ নিমিত্তে একেকোটী তিৰোতাক নিঠৰুৱা কৰিব লাগিবনে? সমাজ বোলা শিক্ষা বোলা Greatest good of the greatest number—অৰ ওপৰতহে প্ৰতিষ্ঠিত, আৰু তেনে হোৱাই উচিত।

আজিলৈ তুমি যোৱা জয়ধ্বজ। মিছাতে বলকি মোৰ মুখ বিখাইছে। মই জানো, কোনেও মোৰ কথা নুশুনে।

# কর্পূৰ

ধান, পাট, কপাহ, সৰিয়হ ইত্যাদিবোৰৰ খেতি আমি যেনেকৈ একাগ্ৰতীয়াকৈ কৰোঁহক, চীন জাপান আদি ঠাইতো সিবিলাকে তেনেকৈ কৰ্পূৰৰ খেতিৰ ওপৰত বৰ বেছি ৰকমে মন দিয়ে। কিয়নো ইয়াৰপৰা হেনো লাভ যথেষ্ট হয়। প্ৰথমতে চীনাসকলেহে ইয়াক একচেতীয়া কৰি খেতি কৰিছিল; পিছতহে জাপানীবিলাকে এই খেতি আৰম্ভ কৰে। ১৮৮২ খৃষ্টাব্দত অকল জাপানৰ নাগাছিকা বন্দৰৰপৰাই ২০,২৪,৮২৩ পাউণ্ড কৰ্পূৰ পৃথিবীৰ আন আন ঠাইলৈ চালান দিয়া হৈছিল। তাৰ পিছত ১৯০৮ খৃষ্টাব্দৰ হিচাপত দেখা যায় একমাত্ৰ ফাৰ্ম্মোচাৰপৰাই ১০,৬০০,০০০ পাউণ্ড ৰপ্তানি হয়। ইয়াৰপৰা স্পষ্ট বুজা গৈছে যে কৰ্পূৰ এবিধ কেনে লাগতিয়াল বস্তু।

সংস্কৃত ভাষাত কৰ্পূৰক ঘনসাৰ কৰ্পূৰ, ভৃঙ্গাৰপত্ৰিকা, বুলিও কয়। মহাৰাষ্ট্ৰীয় ভাষাত কাপূৰ, গুজৰাটীত কপূৰ, তৈলঙ্গ ভাষাত কৰ্পূৰামু, ফৰাছীত কাপূৰ আৰু ইংৰাজী ভাষাত কেম্ফৰ (Botanical name, Camphora officinarum) বুলি প্ৰখ্যাত। দালচেনি আৰু গোন্ধপাত (তেজপাত) ৰ পাত আৰু ফুলৰ লগত কৰ্পূৰ গছৰ পাত ফুলৰ যথেষ্ট সাদৃশ্য থকাত পাশ্চাত্য উদ্ভিদতত্ত্ববিদ্‌সকলে ইয়াক লৰিনী (Lauvinee) পৰিবাৰভুক্ত কৰিছে। কিন্তু আমাৰ ঋষিসকলে সুগন্ধি বৰ্গৰহে অন্তৰ্গত বুলি কয়।

কৰ্পূৰ নানান আকাৰত নানা কামত ব্যৱহৃত হয়। স্মৰণাতীত দিনৰপৰাই কি সভ্য কি অসভ্য সকলো জাতিৰ মাজতেই ইয়াৰ ব্যৱহাৰ প্ৰথা চলি আহিছে। শিল্প-কাৰ্য্য আৰু ঔষধৰূপেহে ইয়াক বেছি ব্যৱহাৰ কৰা হয়। বাহ্য-প্ৰয়োগৰ নানান ৰকম মলমৰ লগতো কৰ্পূৰ যথেষ্ট সংমিশ্ৰন আছে। হিষ্টিৰিয়া, স্নায়বিক-দৌৰ্ব্বল্য, উদৰাময়, কিম্বা অতিশাৰ প্ৰভৃতি ৰোগতো ইয়াক ব্যৱহাৰ কৰে। সন্নিপাত জ্বৰ আৰু কলেৰাৰ ই এটা অব্যৰ্থ মহৌষধ বিশেষ।

অতি প্ৰাচীন কালৰপৰাই ভাৰতবৰ্ষ, চীন, জাপান, আৰু তিব্বত দেশত দেৱালয় আদিত কৰ্পূৰ পুৰি ধোঁৱা দিয়া ৰীতি প্ৰচলিত আছে। জুইত পোৰা কৰ্পূৰৰ ধোঁৱা পৱিত্ৰ বুলি ভাবিহে এনেকুৱা কৰা হয়। কিন্তু এই গূঢ়ৰীতিৰ লগত যে স্বাস্থ্যৰ বিশেষ সম্বন্ধ আছে তাৰ কোৱা বাহুল্য মাথোন।

ৰেছম কিম্বা উনসূতাৰ কাপোৰত যাতে কোনো ৰকম পোকে ধৰিব নোৱাৰে, তাৰ কৰণেও কৰ্পূৰৰ ধোঁৱা দিয়া প্ৰথা সকলো দেশতে প্ৰচলিত আছে। জাপানত কৰ্পূৰ আৰু কৰ্পূৰ গছৰ তেলেৰে বাৰ্ণিছ আদি কামো কৰা হয়। টয়লেট্ ছাবোন আদিতো ইয়াৰ কিছু অংশ ব্যৱহাৰ কৰা দেখা যায়।

কৰ্পূৰ গছ প্ৰায় সকলো ৰকমৰ মাটিতেই হয়। সাধাৰণতঃ শুকান ঠাইহে ইয়াৰ বাবে সুবিধাজনক। পৰ্ব্বতৰ উপত্যকা প্ৰদেশত কিম্বা ভৈয়ামত ইয়াৰ খেতি বেছি ফলপ্ৰদ হয় বুলি বিশেষজ্ঞসকলে কয়।

সম্প্ৰতি সিংহল আৰু মাদ্ৰাজৰ ঠায়ে ঠায়ে ইয়াৰ খেতি আৰম্ভ হৈছে। মাদ্ৰাজ গৱৰ্ণমেণ্টে তাৰ খেতিয়কসকলক এই বিষয়ে নানান ৰকমে সহায় কৰিবলৈ ধৰিছে। আমাৰ তেখেতসকলে মাটি পৰীক্ষা কৰি ঠাৱৰি কৈছে যে তাত ভাল কৰ্পূৰৰ খেতি হব! এই বিষয়ে আমাৰো কৃষি বিভাগৰ কৰ্ত্তৃপক্ষসকলৰ দৃষ্টি আকৰ্ষণ কৰিলে ভাল কথা হব।

---




## কুৱঁলী ভেদ কৰি পোহৰ দিয়া বেলি-বাতি

ৰাতিৰ অন্ধকাৰ, কুৱঁলী আৰু আকাশ ধোৱা-কোৱা থাকিলে মাটিৰ পৰা ওপৰত উৰি ফুৰা আকাশীযানবিলাক ...া পেলোৱা বৰ টান। কিন্তু কেইমাহমানৰ আগতে ...মাণ্ডাৰ পল এইচ মেকনেইল নামেৰে এজন ইংৰাজ ...জ্ঞানিকে এনে এটি বেলি-বাতি আৱিষ্কাৰ কৰিছে যে ...য়াৰ ভিতৰৰপৰা ওলোৱা ৰঙা ৰশ্মিৰ দ্বাৰা



...ৱলী ভেদকৰা বেলিবাতি—মিঃ মেকনেইলে পৰীক্ষা কৰি দেখুৱাইছে

ৰাতিৰ আন্ধাৰত আৰু কুৱলীতো ওপৰত উৰা আকাশীযান ...হজে ধৰা পেলাব পৰা যাব। এই বেলি-বাতিটোৰ ...নাম ডিটেক্টৰ ৰে'। যোৱা ফেব্ৰুৱাৰি মাহত বিলাতত ...সৰ অফিচত এই বেলি-বাতিটো পৰীক্ষা কৰি পদৰ্শন কৰা হৈছে।

## বৈদ্যুতিক টাইপ ৰাইটাৰ

আজি-কালি বৈদ্যাতিক শক্তি-যুক্ত এবিধ টাইপ ৰাইটাৰ আৱিষ্কৃত হৈছে। এই বিধ টাইপ ৰাইটাৰে সাধাৰণ ধৰণৰ উৎকৃষ্ট টাইপ ৰাইটাৰতকৈও অতি ক্ষিপ্ৰতাৰে



বৈদ্যাতিক টাইপ ৰাইটাৰত ছপা কৰিব লাগিছে



ইয়াত এটি বুটাম টিপি দিয়া মাত্ৰেই ছপা কাগজ বাহিৰলৈ ওলাই পৰে

ছপাৰ কাম কৰিব পাৰে। ইয়াৰ বুটামবিলাক লাহেকৈ স্পৰ্শ কৰা মাত্ৰেই অতি সুন্দৰ স্পষ্ট আৰু ফটফটীয়া আখৰ

ছপা হৈ ওলায়। ইয়াৰ ফলত যিজনে টাইপ কৰে তেওঁ অতি অলপ সময়ৰ ভিতৰতে ভালেখিনি ছপাৰ কাম শেষ কৰিব পাৰে।



একেৰাহে চলাই থাকিব পৰা নতুন ধৰণৰ টাইপ ৰাইটাৰ

এইবিধ টাইপ ৰাইটাৰত একেৰাহে ছপা কাম কৰি থাকিব পাৰি। ইয়াত খণ্ড খণ্ড কাগজ হাতেৰে সুমাই দি উলিয়াই থকাৰ আৱশ্যক নকৰে। ইয়াত হাতৰ কামৰ বিশেষ প্ৰয়োজন নাই। মাথোন এটা বুটাম টিপি দিলেই ছিপা কৰা কাগজখন আপোনা আপুনি ওলাই আহে।




চে'ক চহী কৰিব পৰা টাইপ ৰাইটাৰ। ইয়াত ঘন্টাত ৩,০০০খন চে'ক চহী কৰিব পাৰি।

এইবিলাক টাইপ ৰাইটাৰত ঘন্টাত ৩,০০০খন 'চে'ক' চহী কৰিব পাৰি।

## কৃষিত বিপ্লৱ সাধনকাৰী যন্ত্ৰ

বৰ্ত্তমান বিলাতত এটি অভিনৱ মাটি চহোৱা যন্ত্ৰ নিৰ্ম্মিত হৈছে। ই পৃথিবীৰ ভিতৰত অতি শক্তিশালী আৰু পৰিশ্ৰম লাঘৱকাৰী কলৰ নাঙল। ইয়াক বিলাতৰ কেণ্ট প্ৰদেশত ব্যৱহাৰ কৰা হৈছে। এই নাঙলটোৰে এ একৰ মাটি চহাবলৈ ত্ৰিশ খিলিং খৰচ লাগে।



অভিনৱ কলৰ নাঙল—"জিৰ টিলাৰ"

## ঔষধত সাপৰ বিষ

আজি-কালি সাপৰ বিষ নানা ৰকম বেমাৰৰ ঔষ স্বৰূপে ব্যৱহাৰ কৰা হয়। বিশেষকৈ মাৰাত্মক ৰ



নিউয়ৰ্কৰ এটা হস্পিতালত এই অজগৰ সাপটোৰপৰা বিষ উলিয়া হৈছে। এই বিষৰপৰা ১,৫০০ টোপাল 'ছিৰাম' তৈয়াৰ কৰিব পাৰি।

ৰক্তপাত আৰু তেজ পনীয়া হলে এই সাপৰ বিষ প্ৰতিষেধ স্বৰূপে ব্যৱহাৰ কৰি বিশেষ সুফল পোৱা হৈছে।

# নুৰজাহান

কৱিতা ]

—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি এ

মোগল যুগৰ তিলোত্তমা তুমি ইৰাণ দেশৰ গোলাপ ফুল
কৱিয়ে তোমাক যাচিছে সম্মান নাই যে তাত অলপো ভুল।
জগদীশ্বৰ দিল্লীশ্বৰৰ হৃদয়-ৰাজ্যৰ সম্ৰাজ্ঞী হই
হিন্দুস্থানৰ ৰাজদণ্ড লই ইতিহাসতো থাকিলা ৰই।
আছিলা সামান্যা তাতাৰি কন্যা নাছিল উজ্জ্বল বংশৰ খ্যাতি
তথাপি তোমাৰ ৰূপৰ জোৱাৰে ধুনীয়া ছুনিয়া পেলালে ছাতি।
কৰিলা প্ৰৱেশ মোগল-হাৰেম নাজানিলা সিটি কেনুৱা দিন
ৰূপ-তৰঙ্গত মজিল অনঙ্গ হৃদয়ত তাৰ থাকিল চিন।
বন্দী হল ভোমোৰা ফুলৰ লোভত বাইছিলা তুমি প্ৰেমৰ ভুৰ
নাজানিলা তুমি ছাজাদা ছেলিমে ৰূপ সাগৰত মাৰিলে বুৰ।
ৰূপহ কোঁৱৰে সপোন-সখীৰ পালে দৰশন মজালে প্ৰাণ
দেখা দি এবাৰ হলা হন্ আঁৰ দিল-দৰিয়াত তুলিলা বান।
চাওঁতে চাওঁতে চকু পলকতে কেইটা বছৰ আঁতৰি গল
নাজানো কি ভাগ্যে শ্বেৰ আফগান তোমাৰ হিয়াৰ গৰাকী হল।
ছাজাদা ছেলিম বাদশ্বাহ হল জাহাঙ্গীৰ নাম ভুৱন খ্যাত
তুমি অবিহনে মনত অশান্তি বিৰহৰ জুই জলিল গাত।
ৰূপৰ নিচাত মত্ত জাহাঙ্গীৰ তুমিয়ে সাধনা, তুমিয়ে ধ্যান—
তোমাৰে চিন্তাত আকুল পৰাণ ধৰ্ম্মাধৰ্ম্মৰ নাছিল জ্ঞান।
সেই নিমিত্তেই শ্বেৰ আফগানে একোতেই হায় নাপালে ত্ৰাণ
তোমাৰ ৰূপৰ অনল সাৰটি বাদশ্বা কোপত এৰিলে প্ৰাণ।
দিল্লী পটেশ্বৰী জগত-ঈশ্বৰী তথাপি সিদিনা আনন্দ নাই
স্বামীৰ শোকত বোৰ্থাৰ তলত ছধাৰি চকুলো বাগৰি যায়।
বাদশ্বা আহিল মাৰ্জ্জনা বিচাৰি হই দীনহীন প্ৰেম-ভিখাৰী
নিদিলা যে তুমি মাত একেষাৰি শোকতে খণ্ডতে নাচালা ঘূৰি;
দীৰ্ঘ ছ বছৰ সিভাৱে কটালা অশেষ কাকুতি অথলে গল
'মেহেৰ উন্নিছা' নামৰ সলনি 'নুৰমহল' নাম যদিও হল।
কৰিলা পৰীক্ষা বাদশ্বা প্ৰণয় আছে জানো তাত কপট ফাকি
বুজিলা শেষত দিছে বাদশ্বাহে সঁচাই তোমাত হৃদয় ৰাখি।

জানিলা সঠিক তোমাৰ প্ৰেমিক অগ্নি-পৰীক্ষাত উত্তীৰ্ণ হল
জনালা সম্মতি সকলো আপত্তি সিদিনাৰ পৰা আঁতৰি গল।
জাহাঙ্গীৰৰ ডিঙিত সাবটি চুমাৰ মাধুৰী কৰিলা দান
দিলখোছ কৰি পিয়ালা মদিৰা পৰীয়ে পৰীয়ে জুৰিলে গান।
তুলিলা তোমাৰ প্ৰেমৰ তুফান জাহাঙ্গীৰে কৰে নিতউ স্নান
সিদিনাৰেপৰা ভাগ্যৱতী তুমি জগত-জ্যোতি 'নুৰজাহান'!
গুল বাগানত গায় বুলবুল কুলি কেতেকীক লগৰী লই
বাদশ্বা হৃদয় হল মছগুল তোমাৰ লগত মিহলি হই।
চলালা তুমিয়ে মোগল সাম্ৰাজ্য ৰাখিলা তোমাৰ অটুট মান
আঙুৰ বনত বহি বাদশ্বাহে সুৰাৰ সোঁতত ভহালে প্ৰাণ।
ৰূপৰ তোমাৰ গোলাপী বাহাৰ গোলাপ জলত কৰোতে স্নান
বিলালে গোলাপে গোলাপী তোমাক গোলাপী-নিৰ্য্যাছ স্নেহৰ দান।
জগতবাসীক দিলা সেই দান সুগন্ধি আঁতৰ আমোল-মোল
যুগ-যুগান্তৰে প্ৰেমিক প্ৰেমিকা সুঁৱৰি তোমাক যায় যে ভোল।
নাই আজি তুমি, নাই জাহাঙ্গীৰ, মোগল সাম্ৰাজ্য কবৰ থানা
বাজিব লাগিছে তথাপিতো সেই জগত-জিনা প্ৰেমৰ বীণা।
যি দেশত আজি আছা তোমালোক অমৰ জীৱন লগত লই
সি দেশত আছে ওমৰ হাফিজ ফুলৰ বুকুত টোপনি গই।
বাল্মীকিয়ে তাত মন্দাৰ কুঞ্জত নতুন ছন্দত ৰচিছে গান
কালিদাসে তাত মালিনী তীৰত নৱ বসন্তৰ কৰিছে ধ্যান।
বিৰহী যক্ষই প্ৰিয়াৰ লগত সুখ-সম্ভোগত কটায় কাল
লক্ষীন্দাৰে তাত মৃদঙ্গ বজাই বেউলাই নাচি ৰাখিছে তাল।
সিদেশত আছে লয়লা মজনু ছিৰী ফৰহাদ যুগল প্ৰাণ
ফুলমালা গাঁথি ৰামী চণ্ডিদাসে জোনাকত তাত কৰিছে স্নান।
একোৰে অভাৱ অনাটন নাই সেই শান্তি পুৰী সুখৰ ঠাই
কত মনোহৰ গজল গানৰ সুৰৰ লহৰ বাগৰি যায়।
নাই তাত একো দুনিয়াৰ চিন্তা ৰাজ্যৰ ভাবনা সমূলি নাই
কবি জাহাঙ্গীৰ, প্ৰেমিক জাহাঙ্গীৰ, আছে একে ধ্যানে তোমালৈ চাই।
বুকুৰ মাজত সাবটি তোমাক ৰূপ-সুৰা খাই মাতাল প্ৰাণ
হিয়াৰো হিয়াত বহি আছা তুমি দিল-পিয়াৰী নুৰজাহান।

---

# বিবিধ

## বাঁহৰ গুণ

বাঁহক এবিধ ঘাঁহৰ শ্ৰেণী বুলি ধৰা হয়। ই ইমান বেগতে বাঢ়ে যে ২৪ ঘন্টাৰ ভিতৰত ২০ ইঞ্চি দীঘল বাঢ়িব পৰা ইয়াৰ শক্তি আছে। আৰু তিনি মাহৰ ভিতৰত ই সম্পূৰ্ণ বাঢ়ি গৈ ১২০ ফুট দীঘল হয়।

খৰকৈ বাঢ়িব পৰা গুণৰ উপৰিও বাঁহে গাজ মেলি অলপ দিনৰ ভিতৰতে বহুত ঠাই আগুৰিব পাৰে। গছবিলাকৰ জীৱনী শক্তি প্ৰায় ৬০ বছৰ; কিন্তু বাঁহ ৭ বছৰৰপৰা ১০ বছৰৰ ভিতৰতে গজি বুঢ়া হৈ মৰি যায়।

## আৱিষ্কাৰকৰ সৌভাগ্য

একোটা সামান্য বস্তু আৱিষ্কাৰ কৰিয়েই আৱিষ্কাৰকসকলে বিপুল ধন জোট-পিবিৰ্ত্তিত হোৱা দেখা যায়। উদাহৰণ স্বৰূপে ধৰিবলৈ গলে, "ডাঙ্গিং ক্ৰিম ক্ৰ" বা নাচনী কাউৰী এজনীৰ পুতলা এটা উলিয়াই ইয়াৰ আৱিষ্কাৰকে বছেৰেকত ১,৮৭,৫০০ টকা আয় কৰিছিল। ৰ'লাৰ ষ্টেক বুলি এটা যন্ত্ৰ আৱিষ্কাৰকৰ ভাগ্যত মিলিছিল ২৫,০০০০০ টকা। কাঠ পেঞ্চিলৰ মূৰত ৰবৰ লগোৱাৰ বুদ্ধিটো যিজনে সাজিলে তেওঁ পালে বছেৰেকত ৫০,০০০ টকা আৰু পোন প্ৰথমে স্নোতাৰ ফিটা উলিওৱা মানুহজনে আয় কৰিলে ৬২,০০০০০ টকা। ইয়াৰ উপৰিও ছাতি আৱিষ্কাৰ কৰা লোকজনে ২,৫০,০০০০০ টকা উপাৰ্জ্জন কৰিছিল।

## বিজুলী উত্তোলনত অফিছ ঘৰ

মেকোৱেক্তেকিয়াৰ এটা ফেক্টৰিত বৈদ্যুতিক উত্তোলনত (Electric lift) অফিছ ঘৰ পতাৰ এটা অভিনৱ চেষ্টা চলিছে। বিজুলী বুটাম টিপি দিলেই এই অফিছটো যিটো তালালৈকে যোৱাৰ আৱশ্যক হয় তালৈকে নৈ সকলো কাম সমাধা কৰাৰ পাছত কৰ্ম্মচাৰীসকলে পুনৰ অইন এটা তালালৈ ভ্ৰমণ কৰে। এই প্ৰথাৰ দ্বাৰা কম সময়তে কাম সমাধা কৰিব পৰা যাব বুলি বিবেচনা কৰা হৈছে।

## প্ৰকাণ্ড বৈদ্যুতিক বাম্ব

আমেৰিকাৰ যুক্ত ৰাষ্ট্ৰত এনে এটা শক্তিশালী বৈদ্যুতিক বাম্ব প্ৰস্তুত কৰা হৈছে যে ইয়াক চকুৰে চালেই চকু কণা হৈ যায়। এই বাম্বটো ঠিক মানুহ এটাৰ সমান ওখ হৈ ঠিয় হৈ আছে আৰু ই ঘৰত ব্যৱহাৰ কৰা সাধাৰণ বাম্বতকৈ ১৬০ গুণে বেছি শক্তিশালী। ইয়াক ফিল্ম ষ্টুডিঅ'ত ব্যৱহাৰ কৰিবলৈ ঠিক কৰা হৈছে।


সাধাৰণ বাম্ববিলাকৰ উত্তাপ এই বাম্বটোৰ তুলনাত নিচেই সামান্য। সেইদেখি ইয়াৰ গ্লাছবোৰ গলি নাযাবৰ কাৰণে ইয়াৰ লগতে এখন বিজুলী বিছনি সন্নিবিষ্ট কৰি ইয়াৰ উত্তাপ কমোৱাৰ দিহা কৰা হৈছে। যদিও ইয়াৰ সমান শক্তিশালী বৈদ্যুতিক বাম্ব এতিয়ালৈকে ওলোৱা নাই তথাপি উচ্চলতাত বিলাতৰ এটা ছাৰ্চ্চ লাইটে ইয়াক চেৰ পেলাইছে। এই ছাৰ্চ্চ লাইটটোৰ পোহৰ ৩,০০০,০০০,০০০ ডাল মমবাতিৰ সমান।

## আটাইতকৈ ধনী মানুহৰ দ্বাৰা কিতাপ ৰচিত

বৰ্ত্তমান পৃথিবীৰ ভিতৰত আটাইতকৈ ধনী মানুহ হায়দৰাবাদৰ নিজাম। এখেত এখন বিশাল ৰাজ্যৰ ৰাজেশ্বৰ আৰু এক কোটি ত্ৰিশ লাখ প্ৰজাৰ অধিপতি। এখেতৰ বিপুল সম্পত্তিৰ মূল্য ৬০০ কোটি টকা।

এই গৰাকী ৰজাই ভালেমান বছৰৰপৰা লিখা আটাইতকৈ ভাল ভাল কবিতাবোৰ এখন অতি অমূল্য গ্ৰন্থৰূপে বৰ্ত্তমান ডিছেম্বৰত তেখেতৰ ৰূপালী উৎসৱ উপলক্ষে প্ৰকাশ কৰিব। কিতাপখনৰ প্ৰত্যেকটো পাততে সোণৰ পানী ছটিয়াই দিয়া হব আৰু প্ৰত্যেক পাতৰ চাৰিও কাষকেইটা সেউজীয়া আৰু সোণালী বৰণেৰে ফুল কটা থাকিব। এইখনেই পৃথিবীৰ ভিতৰত অতি বিখ্যাত গ্ৰন্থ বুলি পৰিগণিত হব।

# ইটালি-এবিছিনিয়া ৰণ



এবিছিনিয়ালৈ ইটালিৰ সৈন্য জাহাজে জাহাজে এতিয়াও গৈয়ে আছে। ছবিৰ এই 'আটলাণ্টা' নামৰ জাহাজখনত ১৫০০ সৈন্য বাওনা হৈছে। সৈন্যসকলৰ বিদায় উপলক্ষে অসংখ্য নাও গোট খাইছিল।



ইটালিৰ জেনেৰেল ডি বোনোৰ আগত এডোৱা আৰু আকছামৰ অধিবাসীসকলৰ পৰাভৱ স্বীকাৰ।



এবিছিনিয়াৰ সুশিক্ষিত অশ্বাৰোহী সৈন্য। এই বাহিনীৰ ভিতৰত উপযুক্ত শিক্ষা পোৱা ১৪।১৫ বছৰীয়া লৰাও আছে।






যুদ্ধত যোগ দিবলৈ অহা দূৰ ঠাইৰ মুছলমান গাঁৱলীয়াসকলক সামৰিক বিভাগৰ পৰা বন্দুক দি ৰাজধানী আদ্দিছ আবাবাৰ বাটত পৰীক্ষা কৰা হৈছে।



এবছিনিয়াৰ সৰ্ব্বসাধাৰণক যুদ্ধত যোগ দিবলৈ ঢোল বজাই বাননী দিয়া হৈছে।



এবিছিনিয়াত ইটালিৰ সেনা-নিবাস

# মুকুতা-মালা

বিপদ-বিঘিনিবোৰ প্ৰায় সদায় আমাৰ ভালৰ কাৰণেহে ঘটে ; আৰু ডাঙৰ অকৃতকাৰ্য্যতা আৰু বিনাশে মহৎ গৌৰৱৰ পথ নিৰ্ম্মাণ কৰে।

—ছে'নে'কা

প্ৰত্যেক দিনটোৱেই মানুহৰ একোটি সৰু জীৱন।

—লৰ্ড এভিবেৰি

লুপ্ত স্বাধীনতা পুনৰ উদ্ধাৰ কৰা কথাটো ইমান গৌৰৱৰ বিষয় যে ইয়াক উদ্ধাৰ কৰিবলৈ বিচাৰোতে অইনকি আমি মৃত্যুও পৰিহাৰ কৰিব নালাগিব।

—ছিছেৰ'

যদি কোনোবা মানুহ অসুখী হয় তেন্তে তেওঁৰ নিজৰ দোষ। কাৰণ ভগৱানে প্ৰত্যেক মানুহকে সুখী হবলৈহে সৃজন কৰিছে।

—এপিক্টেটাছ

মানৱ জাতিক শাসন কৰাৰ সম্পৰ্কে যিসকলেই গভীৰভাৱে চিন্তা কৰি চাইছে তেওঁলোকেই ভালকৈ বুজিছে যে সাম্ৰাজ্যৰ ভবিষ্যত নিৰ্ভৰ কৰে তৰুণসকলৰ শিক্ষাৰ ওপৰত।

—এৰিষ্টট্‌ল

# কৃষ্ণকুমাৰী

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী

## পঞ্চম অঙ্ক

### ১ম দৃশ্য

ৰাণাৰ গুপ্ত মন্ত্ৰণাগৃহ

কাল—নিশা

[ভীমসিংহ চিন্তাকুলভাৱে বহি আছে ; লগত শিৱদাস।]

ভীম—আজিলৈকে যুদ্ধৰ বাতৰি নাপালো। পালেইবা কি? কিবা লাভ হবনে? বৰং হব লোকছান ; কাৰণ পৰাজয় সুনিশ্চিত।—কিন্তু সতীদাস বীৰ, যোদ্ধা ; লগত অজিত সিংহও আছে। ভৰসা বুলিবলৈ এই খিনিয়ে যি ;—মাজ-সাগৰত বুৰিছো, ভৰসা সেই ভাহি যোৱা তৃণগছি। কিন্তু বিধি মোৰ প্ৰতিকূল ; অদৃষ্ট সুপ্ৰসন্ন নহলে স্বয়ং ভগৱানো লাঞ্ছিত হয়—অন্যে পৰে কা কথা। য'ক, যি হবৰ সি হবই ; এতিয়া সংবাদ পালেই হয়, কিংকৰ্ত্তব্য স্থিৰ কৰিব পাৰো। মন্ত্ৰী ডাঙৰীয়া! তুমি কি কোৱা? ৰণত জিকা আমাৰ পক্ষে সম্ভৱনে?

শিৱ—ৰাণা! কি সম্ভৱ, কি অসম্ভৱ কোৱা বৰ টান—বিশেষকৈ ৰণৰ কথা।

( দূতৰ প্ৰৱেশ )

ভীম—কি সম্বাদ আনিছা দূত? কোৱা।

দূত—মহাৰাণা! ( মূৰ দোঁৱায় )

ভীম—হুঁ। বাক নকলেও হ'ব,—মই বুজিছো।

দূত—মহাৰাণা! ৰণত আমি ঘাটিছো। ৰাজা জগতসিংহ জয়পুৰলৈ পলাই গ'ল।

ভীম—ভাল কৰিলে ; ৰজাৰ যোগ্য বীৰত্ব দেখুৱালে। নপলালে ৰাজ-সুখ ভোগ কৰিব কোনে? গণিকাৰ পদ-লেহন কৰি কোনে? আৰু?—

দূত—আৰু কুমাৰ যুৱনদাসে শত্ৰুসেনাৰ লগত যোগ দিছে।

ভীম—যুৱনদাস! ওঁ, বুজিলো ; অপমানৰ হোৰ তুলিবলৈ শত্ৰুপক্ষ অৱলম্বন কৰিছে! বাৰু, তুমি যোৱা ( দূত আগ বাঢ়ে )—শুনা, সেনাপতি, অজিতসিংহ উলটি আহিলনে?

দূত—আহিছে। সেনাপতি বন্দী হৈছিল, শেহত ৰাজা মানসিংহে তেওঁক এৰি দিয়ে।

ভীম—বন্দী হৈছিল?—য'ক এতিয়া বোধকৰো ৰণৰ ক্লান্তি দূৰ কৰিছে ; কিন্তু মনৰ গ্লানি দূৰ নহলে শৰীৰক জিৰণি দিবৰ চেষ্টা বিড়ম্বনা মাত্ৰ। মই সিহঁতক ইয়ালৈ মাতিছো বুলি কোৱাগৈ। বুজিছা? এতিয়া যোৱা।

( দূতৰ প্ৰস্থান )

ভীম—মন্ত্ৰী! এয়েই মোৰ ভাগ্য! এতিয়া কি কৰ্ত্তব্য কোৱা। দেখিছানে, মই অধীৰ হোৱা নাই, পৰাজয়ৰ বাতৰিয়ে মোক স্তম্ভিত কৰি তুলিব পৰা নাই। হিয়া ডাঠ কৰি লৈছো। পৰাজয় দূৰৰ কথা, এটা জলন্ত বজ্ৰও যদি মোৰ বুকুৰ ওপৰত পৰেহি, তেন্তে সিও পানী হৈ যাব, চূৰ্ণ বিচূৰ্ণ হৈ যাব।

শিৱ—মহাৰাণা যুদ্ধত হৰা জিকা হয়েটা, আছে। এবাৰ ঘাটিলো, এবাৰ জিকিম। নতুন উদ্যমেৰে, নতুন আগ্ৰহেৰে, নতুন তেজেৰে পুনঃ মানসিংহক আক্ৰমণ কৰো, সেনাদল নতুনকৈ গঢ়ি তোলো। তেতিয়া দেখিব যে পৰাজিত, বিধ্বস্ত মানসিংহে ৰণভূমি এৰি যাবলৈ বাধ্য হৈছে।

[ সতীদাস আৰু অজিত সিংহৰ প্ৰৱেশ আৰু নতশিৰে অৱস্থান। ]

ভীম—একো লাজ নাই সেনাপতি! একো সঙ্কোচ নকৰিবা, মূৰ তোলা।

সতী—মহাৰাণা! মই আপোনাৰ সেনাপতি বাবৰ কাৰণে

অনুপযুক্ত ; অভাজন—অযোগ্যক এই গুৰুভাৰৰপৰা নিষ্কৃতি দিয়ক ৰাণা ( ৰাণাৰ ভৰিৰ কাষত তৰোৱাল থয় )।

ভীম—সতীদাস! তৰোৱাল গ্ৰহণ কৰা ( তৰোৱাল সতীদাসৰ হাতত তুলি দিয়ে )। জীৱনত অনেক চ্যুতি-বিচ্যুতি আছে। তাৰ প্ৰত্যেকটিৰ কাৰণে মানুহ দায়ী নহয়। জীৱনৰ উঠন, পতন—এটিৰ পাছত আনটি আহিবই, ই সৃষ্টিৰ অলঙ্ঘ্য নিয়ম ; তোমাৰ মোৰ তাত একো হাত নাই। কিন্তু সেই কথা যাবলৈ দিয়া, তুমি শান্ত হোৱা।

শিৱ—মানসিংহক ঘূৰি আক্ৰমণ কৰিবলৈ তুমি সাহ নকৰানে সেনাপতি ?

ভীম—যুদ্ধ কৰিবা মন্ত্ৰী! প্ৰাণৰ হেপাহ পূৰ্ণ কৰি পাৰামানে যুদ্ধ কৰিবা, তাৰ সময় উকলি যোৱা নাই। কিন্তু নিজে যেতিয়া অপাৰ্থক, হীনবল তেতিয়া ৰণভেৰীৰ সহস্ৰ নিনাদ, লক্ষ লক্ষ তৰোৱালৰ জিকিমিকি থেলে কৃষ্ণাৰ বিয়াৰ সমস্যা ভঞ্জন কৰিবলৈ, শিশোদীয় ৰাজবংশৰ হিমগিৰিৰ দৰে ওখ সন্মান অটুট ৰাখিবলৈ সম্পূৰ্ণ অপাৰগ।

শিৱ—মহাৰাণা! আপুনি কাতৰ নহব, নিৰুৎসাহ নহব।

ভীম—যুদ্ধ কৰা, যুগ যুগান্তৰ ব্যাপি যুদ্ধ কৰি থাকা ; ক্ৰমে ঘাটি যোৱা, ক্ৰমে পৰাজয়ৰ তল থাপলৈ বাৰিষাৰ বানপানীৰ দৰে হৰ হৰ কৰে নামি যোৱা—কেৱে বাধা নিদিয়ে ; কিন্তু তোমাৰ সেই ৰণভেৰী, তোমাৰ সেই তূৰ্য্যধ্বনি, মৃত্যু, হত্যা, মৰা শ, আহতৰ গছৰ-পাত-সৰি-পৰা আৰ্ত্তনাদে কি কৰিব ? কৃষ্ণাক বিয়া দিব পাৰিবনে ?—নোৱাৰে অজিতসিংহ! বোধকৰো মানসিংহকেই কৃষ্ণকুমাৰীক দিব লাগিছিল। মই জনা নাছিলো যে জয়পুৰৰ ৰাজসিংহাসনত ভীৰু, কাপুৰুষ, বেশ্যাৰ পদলেহী কুকুৰ এটি বহি আছে।

শিৱ—তেনেহলে মহাৰাণাই মানসিংহৰ হাততেই এতিয়া কৃষ্ণাক দিবৰ মন কৰিছেনেকি ?

ভীম—সতীদাস! মন্ত্ৰী মহাশয়ে কি ভাবিছে! ভাবিছে [illegible] উপৰ্য্যুপৰি বিপদে মোৰ মগজুৰ স্থিৰতা নষ্ট কৰিছে,—ভাবিছে যে পৰাজয়ৰ শেলাঘাতে মোৰ [illegible] ভেদ কৰি ৰাজহাড় ভাঙি দিছে,—নহয়নে মন্ত্ৰী [illegible] কিন্তু ই তোমাৰ ভুল—মহাভুল ; মই অবিচল, [illegible] আছো। ৰাণা ভীমসিংহে বিজয়ী শত্ৰুৰ ওচৰত [illegible] দৌৰাব নোখোজে, বৰং প্ৰতিশোধ লবলৈ মনে [illegible] গোপনে ছেগ বিচাৰে। বিজয়ী শত্ৰুক নিজৰ [illegible] উপহাৰ দি পৰাজয়ৰ কলঙ্ক চিৰকাল নিগাজী কৰি[illegible] নোখোজে, লোকৰ হাঁহি, ঘিণ, বিদ্ৰূপ বুটলি [illegible] সমুচ্চ শিৰ অৱনত কৰিব নোখোজে। [illegible] কৃষ্ণাৰ উপায় ?. মৃত্যু, উপায় হত্যা!

শিৱ-সতী—অসম্ভৱ অসম্ভৱ!

ভীম—কিয় অসম্ভৱ মন্ত্ৰী ? ভাবি চোৱা, জন্মদাতা পিতৃ[illegible] আজন্ম স্নেহৰ কোলাত বাঢ়ি উঠা আপোন [illegible] মৃত্যু-কামনা কৰি হত্যাৰ উপায় বিচাৰি উলিয়াইছে[illegible] আজিলৈকে যাৰ ভৰিত ক্ষুদ্ৰ কাঁইট এডালিয়েও [illegible] পৰা নাই—এনে আলসুৱা, এনে নিৰীহ, [illegible] সন্তানৰ বুকত পিতাকে কটাৰীৰ তীক্ষ্ণতাৰ [illegible] চাবলৈ উদ্যত হৈছে! পূজাৰ পুষ্পৰ দৰে পৰম [illegible] পৰম পৱিত্ৰ ফুলপাহি নথাঘাতেৰে নষ্ট কৰি[illegible] সাজু হৈছে! কিয় মন্ত্ৰী, জানানে ? ৰাজ[illegible] গৌৰৱ—শিশোদীয়, ৰাজবংশৰ গৌৰৱ, যশ [illegible] মোৰ মান অক্ষুন্ন ৰাখিবলৈ। ই গৌৰৱ [illegible] কৰিবলৈ সন্তানৰ তপ্ত ৰক্তৰ প্ৰয়োজন হৈছে, [illegible] সেই তেজেৰে গৌৰৱ যজ্ঞত মোৰ ছোৱালীৰ [illegible] প্ৰয়োজন হৈছে ; সেই তেজেৰে তৰ্পণ কৰি[illegible] লাগিব—দৰকাৰ হলে নিজৰো তেজ দিব লাগি[illegible] আত্ম-হত্যা কৰিব লাগিব! সতীদাস! মন্ত্ৰী [illegible] আৰু ভীৰু, অক্ষম ; মৰণৰ সীমাত উপস্থিত [illegible] জীৱনৰ প্ৰতি মমতা তেওঁৰ দুগুণে বাঢ়িছে। এই [illegible] তোমাৰ! খবৰ্দ্দাৰ,—সাৱধান! ৰাজ [illegible] অৱহেলা কৰিলে মৃত্যু-দণ্ড। সেনাপতি! [illegible] পাৰিবা ; তৰ্ক নুতুলিবা! কত শত প্ৰাণ [illegible]



তোমাৰ নিষ্ঠুৰ তৰোৱালৰ কোবেৰে উৰাই দিলা, নিৰস্ত্ৰ, নৱনীত সুকোমল তনু অবলা ছোৱালী এজনীৰ মূৰটি দেহৰপৰা বেলেগ কৰিব নোৱাৰিবা ? বেছ পাৰিবা, অনায়াসে পাৰিবা!

[illegible]—ৰাজ-আজ্ঞা কোনো দিন অৱহেলা কৰা নাই; আজি কৰিলোঁ। এই তৰোৱাল লওক ৰাণা! বুকু পাতি দিছোঁ মুঠিলৈকে বহুৱাই দিয়ক, ৰাজাদেশ নমনা বাবে শাস্তি দিয়ক, হাঁহিমুখে গ্ৰহণ কৰিম। কিন্তু শত-সহস্ৰ নৰনাৰীৰ শোণিত ৰঞ্জিত এই পাপ হাতেৰে আদৰৰ দুলালী কুমাৰী কৃষ্ণাৰ গা কোনো মতে ছুব নোৱাৰিম—অস্ত্ৰাঘাত কৰাটো দূৰৰ কথা। সঁচা কথা, যুদ্ধ-ক্ষেত্ৰত হাহি মুখে শত্ৰুক নিষ্ঠুৰভাৱে হত্যা কৰি তাৰ কলিজাটি অস্ত্ৰেৰে হানি-খুচি অচেতন কৰিব পাৰো, বিজয়ৰ আনন্দত মতলীয়া হৈ তাৰ বুকুৰ ওপৰত বহিব পাৰো আৰু তাৰ ডিঙি ছিঙি পৈশাচিক তালেৰে নাচোন তুলিব পাৰো ; কিন্তু ফুলৰ দৰে কোমল ৰমণীৰ মূৰৰ ওপৰত অস্ত্ৰ তুলিব নোৱাৰো। পানীত জাপ দি আত্মহত্যা কৰিবলৈ কওক,—পাৰিম ; চিতাৰ জলি-থকা জুইত সোমাবলৈ কওক পাৰিম,—কিন্তু আপোনাৰ আদেশ পালিবলৈ মই সম্পূৰ্ণ অক্ষম।

ভীম—মন্ত্ৰী! তেন্তে কি হব উপায় ? আজি এই দোভাগ নিশাৰ গুপ্ত আয়োজন—এই গুপ্ত মন্ত্ৰণা-গৃহলৈ তোমালোকক মাতি আনিছোঁ কৃষ্ণাক হত্যা কৰিবৰ উপায় বিচাৰি উলিয়াবলৈ ; কিন্তু—কিন্তু, মই নিজেই সেই কাম কৰিব লাগিবনে ? হাঃ হাঃ হাঃ,—লাগিব ; মই খুন কৰিম, হত্যা কৰিম, নিজৰ সন্তানৰ তেজ পি থাম। জগতৰ লোক! চাই যা—চাই যা, বাপেকে নিজ সন্তানক বধ কৰে কেনেকৈ! এটা মহান কীৰ্ত্তি হৈ ৰব যাব, এনে এটা কীৰ্ত্তি যে, উঃ—নাই, নাভাবোঁ, ভাবিলে গাৰ নোম শিয়ৰি উঠে, ভাবিলে হত্যা কৰাৰ আগতে উন্মাদ হৈ যাম, আৰু হত্যাই কৰা নহব!

শিৱ—( স্বগত ) ৰাণা কি বলিয়া হ'ল - ঠিক যেন পগলাৰ দৰে চাই আছে! এতিয়া কি হব, কি উপায়েৰে এই আকুল উত্তেজনা আতৰোৱা যাব ?

ভীম—( অজিতসিংহৰ মুখলৈ এখন্তেক চাই ) —হু! এইবাৰ ঠিক ধৰিছো।—এই ঠিক! অজিতসিংহ। তুমিয়েই ঠিক ; তোমাৰ মুখত আজি এটা প্ৰেতৰ ছাঁ দেখিছো ; এটা নৰকৰ ভয় লগা প্ৰেতৰ ছবি। মই তোমাৰ আশ্ৰয়দাতা, তোমাৰ ৰজা, তোমাৰ প্ৰভু। ইমান দিনে তোমাক যি নিমখ খুৱালো তাৰে কিঞ্চিৎ—অতি অকণমান প্ৰতিদান দিয়া। তুমি অকৃতজ্ঞ নোহোৱা, তুমি পাৰিবা। মই নোৱাৰোয়েই : তুমি—তুমি, কৃষ্ণাৰ হত্যা তোমাৰ কাৰণে—

( লৰ মাৰি প্ৰস্থান কৰে ; মন্ত্ৰী আৰু সেনাপতি দুয়ো পাছে পাছে যায় )

অজিত—(চিন্তিতভাৱে)—কি কৰিব লাগিব ?—হত্যা! কাক ? কুঁৱৰী কৃষ্ণাক ; ৰাণাৰ নয়নৰ মণি, ৰাণীৰ বুকুৰ মাণিক, অজিত সিংহৰ প্ৰেম মন্দিৰৰ প্ৰাণময়ী দেৱী প্ৰতিমাক! বাহ! কি সুন্দৰ! কি চমৎকাৰ! ভীম পৰাক্ৰমী চান্দাৱৎ ছৰ্দ্দাৰ অজিত সিংহ আজি হীন গুপ্ত ঘাতক! নিজৰ কলিজা নিজে ফালি সোণৰ থালত সজাই ৰাণা ভীমসিংহক উপহাৰ দিব পাৰিম, তেও কৃষ্ণাক হত্যা কৰিব নোৱাৰিম। (খন্তেক নীৰৱ) কিন্তু ৰাজাজ্ঞা এবাৰ লঙ্ঘন কৰিছিলো, পাপিষ্ঠ যুৱনদাসৰ পৈশাচিক উদ্গনি পাই ৰজাৰ বিৰুদ্ধে ঘোৰ ষড়যন্ত্ৰ কৰিছিলো, বিশ্বাসঘাটকতা কৰিছিলো। আজি তাৰ প্ৰতিফল এই ; পুৰস্কাৰ নাৰী হত্যা—মোৰ অন্ধকাৰ বুকৰ প্ৰেম-প্ৰদীপ কৃষ্ণাৰ নিষ্ঠুৰ হত্যা, চিৰ নিৰ্ব্বাণ। আৰু আৱাহন নহব, মোৰ হিয়াৰ মন্দিৰলৈ, প্ৰেম-প্ৰতিমাৰ আৰু আৱাহন নহব! আৱাহনৰ আগেয়ে বিসৰ্জ্জন ; জন্মৰ আগেয়ে মৃত্যু, উদয়ৰ আগেয়ে অস্ত। কি চমৎকাৰ বিধান! য'ক যি বিহ বৃক্ষ নিজ হাতে ৰুইছো, তাৰ ফল নিজেই খাব লাগিব। চাওঁ বাৰু, ক'ৰ পানী কলৈ যায়। ( প্ৰস্থান )

# নাগলোকৰ কথা

( ৩ )

—শ্ৰীযুত কৰুণাকান্ত গগৈ

সকলো নগায়েই খেতি পথাৰলৈ বা আন কাম-বনলৈ যাওঁতে ভাত আদি খোৱা বস্তু আৰু মধু লগতে লৈ যায়।

মধু কঢ়িয়া সজুলি আৰু পানপাত্ৰ

মধু কঢ়িয়াবৰ কাৰণে প্ৰত্যেকৰে একোটাকৈ লাওলোটা থাকে। অলপ পিয়াহ বা ভাগৰ লাগিলেই গছৰ তলত বহি জুৰ লোৱাৰ লগে লগে কাঠৰ বা বাঁহৰ গিলাছত লাওটোৰ পৰা মধু ঢালি পান কৰা হয়। নগাবিলাকৰ ই এটা বিশেষকৈ মন কৰিবলগীয়া দস্তুৰ যে তেওঁবিলাকে কেতিয়াও ভোক পিয়াহৰ চাৎ নসহে। ভোক লাগিলেই ভাত আৰু পিয়াহ লাগিলেই মধু আনত বিচাৰি যাবৰ আৱশ্যক নাই; গাৰ লগতে ছাঁৰ দৰে ফুৰিছেই। আনকি বৰছাহাবৰ আগত কিবা মোকৰ্দ্দমাৰ বিচাৰৰ কাৰণে আবেদন জনাই বক্তৃতা দি থাকোতে ডিঙি শুকোৱা যেন গম পালে, ডিঙি জীপ নিয়াবৰ কাৰণে সেই অৱস্থাতে তাৰ লগে লগে মধু পানো কৰা হয়। নগা পৰ্ব্বতত এই ৰীতি দোষণীয় বুলি ধৰা নহয়।

ওপৰে ওপৰে চালে দেখা যায় যে আঙ্গামী সমাজত তিৰোতাৰ আসন নিচেই তল খাপত। আছল টেঙ্গীমা


সমাজত তিৰোতাৰ আসন

আৰু চাক্ৰমা ৰীতিমতে গিৰীয়েকৰ অবিহনে তিৰোতাই মাটি-বাৰীৰ উত্তৰাধিকাৰীত্বৰ দাবী কোনোমতেই কৰিব নোৱাৰে। পূব-আঙ্গামী ( Eastern Angami ) ৰীতিমতে পুতেকইঁত জীয়াই থাকেমানে মাটি বাৰীৰ ৰখীয়া স্বৰূপে অধিকাৰ পায়; কিন্তু পুতেকইঁত মৰা মাত্ৰেই স্বাৱৰ সম্পত্তি গিৰীয়েকৰ ফালৰ আন পুৰুষ উত্তৰাধিকাৰীক গটাই দিব লাগে নাইবা ইয়াৰ পৰিবৰ্ত্তে উপযুক্ত মূল্য দিলেও চলে। কিন্তু মাইকী মানুহে নিজাকৈ মাটি-সম্পত্তি কিনিব পাৰে আৰু সেই সম্পত্তি নিজ ইচ্ছামতে দান-বিক্ৰী, হস্তান্তৰো কৰি পাৰে। ইয়াত কোনোৱে হকা বধা কৰক ছাবি কা এটাকে মাৰিব নোৱাৰে। আঙ্গামীবিলাকে তিৰোতা ফালৰ কুটুম সম্বন্ধ গ্ৰাহ্যকে নকৰে, আনকি সময়ে সময়ে এনে সমন্ধৰ অস্তিত্বও স্বীকাৰ কৰা দেখা নাযায়। এজন আঙ্গামীৰ বাপেকৰ ফালৰ চৌধ্য পুৰুষৰ নাম জিভাৰ আগতে থাকিলেও এনায়েকৰ ফালৰ চাৰি পুৰুষৰ নাম কৰ নোৱাৰে; বাকী সেইফালৰ ওচৰ সম্পৰ্কীয়বিলাকৰ বিষয়ে যে একো ভূ-ভাকেই নাৰাখে। মিঃ ডেভিচ সৰ্ব্বসাধাৰণ নগা তিৰোতাৰ বিষয়ে কবলৈ গৈ এঠাইত লিখিছে—"After marriage they become mere house-hold drudges."*—অৰ্থাৎ বিয়াৰ পিছত তিৰোতাবিলাক কেৱল দাসীস্বৰূপহে গণ্য হয়।

কিন্তু আঙ্গামী বা চেমা তিৰোতাৰ বিষয়ে এই মত আমি কোনোমতেই মানি লব নোৱাৰো। ওপৰে ওপৰে দেখাত আঙ্গামী তিৰোতাৰ আইনসিদ্ধ অৱস্থা যিমানেই হীন নহওক, আন আন জাতিৰ দৰে নগাপৰ্ব্বতত এওঁবিলাকে ঘৰৰ ঘৈণী হিচাপে শক্তিমতী। ঘৰুৱা বিষয়ে মুনি তিৰোতা উভয়ৰে সমান হাত; কোনো সমস্যা ওলালে দুয়ো দুয়োকে সুধি পুছিহে সমাধান কৰে। পুৰুষৰ কাম চিকাৰ আৰু যুদ্ধ বিগ্ৰহ কৰা, তিৰোতাৰ কাম তাত বোৱা আৰু ভাত পানী ৰান্ধি থৰি খেৰ গোটাই ঘৰ-গৃহস্থী চলোৱা। খেতি-বাতি আৰু বেহা-বেপাৰ দুয়ো লগ লাগিয়েই কৰে। আলহী-অতিথি সোধাত, ঘৰুৱা হাই কাজিয়া মীমাংসা কৰাত আৰু বিয়া বাৰুৰ বিয়া সম্বন্ধ নিৰূপণ কৰাত সদায়েই ঘৰৰ ঘৈণীহে আগৰণুৱা।

* Assam Census Report—1891. Pp. 250.






কন্যাক ( নগা ) গছুৱাই

[ শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ সৌজন্যত—এচিয়াটিক ছোঃ জাঃৰ পৰা ]

আৱাহন



বান ফেৰা আৰু জবকাৰ কন্যাক নগা

( গোটেই মুখতে টাট্টু অঁকা চিন )

[ শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ সৌজন্যত—এছিয়াটিক ছোঃ জাঃৰ পৰা ]



[…]নবিলাক বিষয়ত তিৰোতাৰ মতামতৰ মূল্য হে […]নতকৈ বেছি। ডাঃ হাটনে পোষকতা কৰা মতো […]টোৱেই। বিয়া বাৰুৰ বিষয়ে ছোৱালীবোৰক বৰ […]ৰৈকৈ স্বাধীনতা দিয়া হয়। ছোৱালীয়ে দৰা নিজ […]মতেই বাছি লয়। ভাল যেন নেদেখিলে মাক […]পেকে জীয়েকইতক বুজাব পাৰে, কিন্তু কেতিয়াও ইচ্ছাৰ […]দ্ধে গাব বলেৰে আন এটা কৰিবলৈ নাপায়। […]নে কৰিবলৈ গলেও ছোৱালীয়ে শেষ মুহূৰ্ত্ততো— […]ৰি নিশা সপোনত অনেক বেয়া লক্ষণ দেখিছো। […]য়িকে এই বিয়াৰপৰা ভবিষ্যতে অমঙ্গল হোৱাৰ […]ম্ভাৱনা আছে' ( ক ) বুলি বাপেক মাকক কৈ বিয়া […]ৰ পাৰে।

[…] আঙ্গামীৰ ভিতৰত একেলগে দুজনী বিয়া কৰোৱা […]য় নাই। আঙ্গামীৰ ভিতৰত তাহানিখতে ডেপুটি-[…]মিচনাৰ ছাহাবৰ ঘাই দোভাচী কহিমাৰ হুৰুখেইহে (Hurukhe) একেলগে দুজনী বিয়া কৰাইছিল বুলি […]না যায়। কিন্তু এজনীৰ পিছত এজনী অৰ্থাৎ এজনী […]থাক দি আন এজনী বিয়া কৰাত কোনো হকা-বধা […]ই। মেমিবিলাকৰ এজনীৰ বৰ্ত্তমানে আন এজনী […]য়া কৰাত কোনো গেনা নাথাকিলেও এই ৰীতি […]ৰৰে সৈতে তেওঁবিলাকেও ভাল নাপায়।

[…] প্ৰায় ভাগ আঙ্গামীৰ ভিতৰতে ছোৱালীৰ গা ধন […]টাই নাম মাত্ৰ,—দুযোৰামান কুকুৰা, দুটামান গাহৰি […]আৰু এডালমান যাঠিয়েই যথেষ্ট ; কিন্তু […]ছোৱালীৰ গা-ধন চাক্ৰমাদলৰ চেক্ষামা আদি গাওঁত বিশ টকাৰপৰা এশ টকালৈকে গা-ধন লোৱা […]।

[…] আঙ্গামী মতা-তিৰোতাৰ অলপ কথাতেই এৰা এৰি হব পাৰে। বিবাহিত দম্পতীৰ ভিতৰত মনৰ অমিলেই তালাকৰ যথেষ্ট কাৰণ ; কিন্তু একো অপবাদ নোহোৱাকৈ যদি স্বামীয়ে তিৰোতাক নিজৰ কোনো সুবিধাৰ বাবে এৰে তেন্তে সেই তিৰোতাই স্বামীৰ সম্পত্তি এৰি সংযুক্ত অস্থাৱৰ সম্পত্তিৰ এক তৃতীয়াংশ পায়। বিধবা তিৰোতাই তৃতীয়াংশৰ বাহিৰে একো নাপায় ; ( পূব আঙ্গামী ৰীতি মতে অপুত্ৰকা হলে মাটি-বাৰীৰ বাহিৰে অস্থাৱৰ সম্পত্তি গোটেইখিনি পায় ) কিন্তু গিৰীয়েকে মৰাৰ আগতে একো বন্দোবস্ত কৰি নগলে—সৰ্ব্বসাধাৰণতঃ এনে বন্দবস্ত কৰেই,—গিৰীয়েকৰ অণ্ডহী-বণ্ডহীয়েই তাইক পোহপাল দিয়ে। তাই যেতিয়াই যাৰ লগত ইচ্ছা আকৌ বিয়া সোমাব পাৰে; কিন্তু এনে বিয়া মৃত গিৰীয়েকৰ ঘৰত থাকি পাতিব নোৱাৰে। বিয়া পাতিবলৈ হলে তাই তাইৰ বাপেক নাইবা অভিভাৱকৰ ঘৰত গৈহে পাতিব পাৰে। বিয়া-বাৰু হৈ যোৱাৰ পিছত আঙ্গামী ছোৱালীবিলাকে সাংসাৰিক গধুৰ বোজা মূৰত পৰাৰ বাবেই হওক বা আন কোনো কাৰণেই হওক নিজৰ গাৰ তত্বাৱধান লবলৈ এৰি দিয়ে আৰু এটামান ল'ৰা-লুৰি হোৱাৰ পিছতেই সিহঁতৰ চেহেৰা দিনক দিনে মলিন হৈ আহে। সেই কাৰণে মিঃ ডেভিচে ছেন্সাছ ৰিপৰ্টৰ এঠাইত আঙুলিয়াইছে যে—"It is wonderful how soon after marriage a Naga woman loses her good looks, if she had any. Aa soon as even she has had a child, she takes no further care about her personal appearance.—" ই হওঁতে আঙ্গামী তিৰোতাৰ ঘৰুৱাহী কামত বিশেষ ব্যস্ততা আৰু দায়িত্বজ্ঞানৰ পৰিচয়হে সূচায়।

বিয়াৰ আগতে আঙ্গামী ছোৱালীক সকলো বিষয়ে বৰ বেছি ধৰণে স্বাধীনতা দিয়া হয়। যদিও এই স্বাধীনতাৰ সুবিধা লোৱাৰ বিষয়ে অনেক কথা অতিৰঞ্জিতভাৱে কাণত পৰেহি তথাপিও শুনিতে কথাটো নিচেই অসত্য বুলিব নোৱাৰি। মিঃ ডেভিচে অকল আঙ্গামীৰ বিষয়েই নহয়, গাওকতে সকলো নগাৰ বিষয়ে কবলৈ গৈ এঠাইত এই ধৰণে কৈছে—"I should say that it was very

(ক) বিয়াৰ আগতে দেখা সপোনৰ বৰ লেখ। যদিহে কিবা […] লক্ষণ সপোনত দেখে তেন্তে সেই দৰা কন্যাৰ ভিতৰত বিয়া হব […]ৰে। সেই কাৰণে প্ৰায় ভাগ ছোৱালীয়েই মনে পিঠে থোৱা […]ৰা দৰা পালে ভাল স্বপ্ন দেখিছোঁ বুলি কয় আৰু নিজ মনৰ […] বাপেক মাকে দৰা বাছি দিলে কু-স্বপ্ন দেখা বুলি কৈ বিয়া […]। আজিকালি আঙ্গামী সমাজত এই ধৰণৰ ঘটনা সচৰাচৰ […]।

rare for a girl not to have at least one lover."—অর্থাৎ ছোৱালীবিলাকৰ অন্ততঃ একোজনকৈ প্রণয়ী নথকা অতি বিৰল। বিভিন্ন জাতি অনুযায়ী এই বিষয়ে ৰীতি-নীতিৰো অনেক তাৰতম্য আছে। নিয়মানুসাৰে আও ছোৱালীয়ে 'বাঙলী চাঙলৈ' ( ক ) নিশা ডেকা ৰ্বা আহিবলৈ দিয়াত বাধা নাই। ই আইনসঙ্গত। কিন্তু আনহাতে চেমা ছোৱালীয়ে বিয়াৰ আগতে নিজৰ স্ত্রী-পৱিত্রতা বৰ যত্নেৰে ৰক্ষা কৰে। বিয়াৰ আগতে কিবা স্বৰূপে গুপ্ত প্রণয়ৰ কথা ওলালে চেমা ছোৱালীৰ গা-ধনৰ অন্ততঃ শতকৰা পঞ্চাশ টকাকৈ কমি যায়। আঙ্গামীবিলাকৰ নিয়ম চেমাৰ দৰে সিমান পানী নসৰকা নহয় যদিও আওবিলাকৰ দৰে সিমান সেৰেঙাও নহয়, সেই কাৰণে আও আৰু চেমা এই দুয়ো জাতিৰ মাজতেইহে আঙ্গামীবিলাকৰ ঠাই হব লাগে। কাৰণ যদিও দুই এখন মেমি গাঁৱত দেখিবলৈ পোৱা যায় তথাপিও আছল টেঙ্গীমা আঙ্গামীৰ ভিতৰত বাঙলী চাঙৰ প্রচলন নাই। আনহাতে চেমাবিলাকে তেওঁবিলাকৰ আবিয়ৈ ছোৱালীবোৰক বিয়া হৈ নোযোৱালৈকে যি অবিশ্বাসৰ চকুৰে চায় আৰু সেইমতে সদা-সর্ব্বদায়ে চোকা চকু ৰাখে আঙ্গামীবিলাকৰ ভিতৰত তেনে কৰা নহয়। আঙ্গামী ছোৱালীয়ে নিজ ইচ্ছামতে কোনো সম্পর্কীয় মানুহ লগত নোলোৱাকৈ অবাধে অলৈ তলৈ যাব পাৰে ; পথাৰলৈ যাওঁতে আন ডেকাৰ লগত অকলে যোৱাটোও একো দোষণীয় হব বুলি ধৰা নহয়,— সেয়েহে আঙ্গামী দেশত নির্জ্জনত বহি ডেকা-গাভৰুৱে মধু খাই হাঁহি মাতি

গুলজাৰ হৈ থকা দৃশ্যটোও নগা পর্ব্বতৰ ৰীতি নীতি সুজা পিলঞ্জীয়া মানুহৰ চকুত একো ন যেন নালাগে আঙ্গামী ছোৱালীয়ে তেওঁবিলাকৰ পৱিত্রতাৰ গুৰু কিমান দূৰ অক্ষুণ্ণ ৰখা সম্ভৱ সেই বিষয়ে কো সঠিক সম্ভেদ পাবলৈ টান। সুধিলে আঙ্গামীবিলা প্রায়ে কৈ লয় যে সাধাৰণতঃ ছোৱালীবোৰৰ একোজনৈ প্রণয়ী থাকে। কিন্তু তেওঁবিলাকে ইয়াকো কয় এইটো আঙ্গামী আইনসঙ্গত নহয়, সেই কাৰণে কোনো প্রণয়ী থাকিবও পাৰে আৰু কোনোৰ নাথাকিবও পাৰে এইটোও তেওঁবিলাকে সঠিককৈ কয় যে এনে বিষ সর্ব্বসাধাৰণৰ মতামত সদায়েই বিৰুদ্ধ আৰু কো ছোৱালীৰ গাত যদি এনে চেকা বেছিকৈ পৰে—বিশেষৈ এজন প্রণয়ীৰপৰা আন এজন প্রণয়ীলৈ যদি যা বাগৰা যেন দেখা যায় তেন্তে সেই ছোৱালীক বিয়া কৰি কাৰণে সতকাই কোনো উদাৰ দৰা পোৱা নাযায়। ডেভিছে সমূহ নগাৰ বিষয়ে কবলৈ গৈ এতিয়াও কৈছে,— "That a girl's lover would as a rule belong to the girl's own khel ( thino ) and would be a man whom it would be impossible for him to marry in any case." (a)

আমি এই বিষয়ে ডেভিছ চাহাবৰ লগত সমানে উঠ নোৱাৰিলোঁ। আঙ্গামী ছোৱালীয়ে অন্ততঃ বিয়া নো পৰা ডেকাৰ লগতহে অন্তৰ বিনিময় কৰা শুনা যায় এনে নিয়মো। ডাঃ হাটনে এনে বিষয় লৈ এঠাইত এই মন্তব্য দিছে—" My own opinion is that among the Angamis, as among other Naga tribes the lover would as a rule be a man whom it would be possible for her to marry. It very frequently happens that a girl does marry her lover. Indeed it is probably the rule rather than exception."—মোৰ নিজা অভিজ্ঞ এয়ে যে আঙ্গামী ছোৱালীবো আন আন নগাৰ দৰে প্রণয়ীজন বিয়া কৰিব পৰা বিধৰহে হয়। প্রণয়ীৰ লগ



বিশেষত বিয়া হোৱা অনেক ঘটনা সততে ঘটা দেখা যায়। চাকৈয়ে ই বিশেষ ঘটনা নহৈ এটা ৰীতি বুলিহে ধৰিব পাৰি।

অবিবাহিত ডেকা গাভৰুৰ অবাধ মিলনৰ সম্পর্কে আঙ্গামীবিলাকে বৰকৈ সৈ নললেও কোমল বয়সীয়া বিধবাবিলাক এই বিষয়ে যে অলপো সংযত নহয় সেই কথাত কিন্তু তেওঁবিলাকে আসৈ নামাতে। কিছুমান পূব আঙ্গামী গাৱঁত ৰীতিমতে সতীত্ব বিক্রী কৰাৰ কথা ডাঃ হাটনে এইভাৱে লিখিছে—" In some of the Eastern Angami villages there are regular prostitutes. This class appears to be sometimes recruited from unmarried girls as well as from the younger widows, and is most numerous in rich Eastern Angami Villages like Kazabama. These women frequently acquire a good deal of land and take their fees in work. One of them died just after the Makware Expedition, a number of days, labour on her terraces being owed to her by different clients.

সেই কাৰণে আমি কেপ্টেইন্ বাটলাৰৰ "Prostitution is a thing unknown here.........a Naga woman would scorn to barter for her person—"এই আঙ্গামী তিৰোতাৰ প্রতি উৎসাহপূর্ণ প্রশংসনী বাণী কোনোমতেই মানি লব নোৱাৰিলোঁ। অৱশ্যে আছল টেঙ্গীমা-আঙ্গামী গাঁওবিলাকৰ কাৰণে এই কথা নিঃসন্দেহে সঁচা হব পাৰে, যদিও কহিমা নগৰৰ কাষৰে পাজৰে সূক্ষ্ম দৃষ্টিৰে চালে 'Prostitution' আৰু 'barter' অৰ বিস্তৃত সূচনা দেখিবলৈ পোৱা যায়।

আঙ্গামী গীত

সি যি কি নহওক এই বিষয়ে আমি আৰু বেছি একো নকৈ ডেকা গাভৰুৰ অবাধ মিলন আৰু ৰোমাঞ্চকৰ সম্পর্কৰ পটন্তৰ স্বৰূপে এটি আঙ্গামী গীত আমাৰ নিজা বনগীতৰ সুৰলৈ ভাঙি পাঠকসকলৰ সমুখত দাঙি ধৰিলো। এই গীতটিৰ আঙ্গামী নাম 'নিচু নিক্রি' ( Nichu Nikri ) ইয়াক 'ঠেকৰাঙ্গি মেনা'ত গোৱা হয়। শৰতৰ ৰাংঢালী জোনাবায়ে যেতিয়া হাঁহিৰ সকুৰা মেলি, ডাৱৰত হালি জালি, শেৱালিৰ সৌৰভেৰে ধৰণী ওপচাই পর্ব্বতৰ টিঙে টিঙে লুকাভাকু খেলি ফুৰে—ঠিক সেইটি কালতে, গাঁৱৰ মাজৰ মুকলি চোতালত থনমা গাৱঁৰ অবিবাহিত ডেকা গাভৰুইত গোট খাই পান-ভোজন, হাইচ-দাইচ আৰু হাঁহি খিকিন্দালিৰ মাজেদি এই মেনা সমাধা কৰে। ইফালে মণিপুৰত ৰাসলীলা—পর্ব্বতত ঠেকৰাঙ্গি মেনা।—সঁচাকৈয়ে এইটি কালত পর্ব্বতৰ প্রতিটি জুৰি, প্রতিটি শিল প্রতিখিলি সৰা পাত নতুণ প্রাণ, নতুন প্রেৰণাৰে উদ্দীপিত হৈ উঠে।

গীতটি এই,—যাই আঙ্গামী গীতটি 'কুটন'ট'ত দিলোঁ।—

### নিচু-নিক্রি ( Nichu Nikri )

সৰুতে লাহৰী ধেমালি ছলেৰে
দুয়ো লাগিছিলো লগ,
বিধতাক খাটিছো সেই লগে লগা
যাউতি যুগীয়া হ'ক।
পথাৰ ঐ ধাননি দেখোতে শুৱনি
অকলৈ তাতেকে যাওঁ,
দূৰণিৰে পৰা চকুখিৰে কৰি
শুৱনী গাভৰুক চাওঁ।
যৌৱনত যেতিয়া হব চুলিতাৰি (ক)
বান্ধিবা লাহতী খোপা,
অ' মোৰ লাহৰী নাযাবা পাহৰি
আমাৰ এই পীৰিতিৰ কথা।
ধাননিলে বুলি যাওঁতে লাহৰী
যাবা মোক লগতে লৈ
কুকুৰা ডাকতে এৰি ঢাৰি পাটী
থাকিম তোমাল'কে ৰৈ।
উপটি অকলে আহিম দুয়োটিয়ে
তোমাক কাষতে লৈ
'চৰযুৰ' (১) কাষৰে সুৰুকীয়া বাটে
কোনেও নেদেখাকৈ।
অকলনো শৰীয়া হয়ে ঐ লাহৰী
তোমাকে নেপালে মই,

---

( ক ) বাঙলী চাঙ বা গাভৰুৰ মৰঙ :—

ঠিক ডেকাবিলাক মৰঙত থকাৰ দৰে গাঁৱৰ মাজৰ একোটা সৰু ঘৰত আও কন্যাক আদি নগাৰ আবিয়ৈ গাভৰু ছোৱালীবিলাকে নিশা থাকে। তাকে বাঙলী চাঙ কোৱা হয়। নগাবিলাকে গাভৰু ছোৱালীক বাঙলী বোলে।—এই বাঙলীহঁত থকা ঠাই গতিকে বাঙলী চাঙ হৈছে। লৰা ছোৱালী জনা বুজা আৰু পুটি খাব পৰা হোৱাৰেপৰা বাপেক মাকৰ ঘৰত নিশা শোৱা নিয়ম নাই। এই বাঙলী চাঙত মৰঙৰ ডেকাহঁতে নিশা গৈ গাভৰুহঁতৰ লগত পান ভোজনৰ লগে লগে গীত মাতৰ মজলিছ পাতিব পাৰে ;—তাত আও ৰীতিমতে একো হকা বধা নাই ; বৰঞ্চ ই নীতিসঙ্গত। এই বিষয়ে আও নগাৰ লগত বিষদভাৱে আলোচনা হব।

(a) Assam Census Report——1891.

( ক ) আগতে কৈ থৈ আহিছো বিয়া নহলে আঙ্গামী ছোৱালীয়ে চুলি নাৰাখে বুলি। ইয়াত বিয়াৰ পিছতো নাপাহৰিবলৈ কোৱা হৈছে।

(১) চৰযু—এখন দুৰণিৰ গৰু মহ চৰোৱা পথাৰ।

উৰি ঐ কম্বুৱা এইনো বতৰা
দিয়াগৈ লাহৰীক কৈ।
বেলি মাৰে গলে জোনে দেখা দিলে
আহোঁতে গাৱঁৰে বাটে,
ধুনীয়া যি বাটে কৰো অহা যোৱা
সদায়ে চেনেহী সতে।
ইয়াতে থাকিব পৰি ঐ সোণাই মোৰ
এই বাট জোনায়ে চোৱা,
আজিৰ নিচিনাকে দুয়ো লগে ভাগে
মৰিলে নহব যোৱা। (২)
(৩) 'কেটচৰ শিল'ৰে কাষতে ফুৰোতে
দুয়ো লম বনে ফুল ছিঙি,
আঙুলিৰ বোলনত বননি কঁপিব
মোৰে ঐ হবা দেই তুমি।
দুয়োৰে দুচুঙাত থকা মধুখিনি
একেটা লাওতে দিম,
ভাগৰি জিৰাওঁতে পিয়াহনো পলুৱাই
দুয়ো একেলগে পিম।
পৰ্ব্বতে পৰ্ব্বতে যাওঁ বাটে বুলি
পাই যাওঁ ধুনীয়া শিল,
শতুৰুৰ আগেদি যাম দুয়ো চলি
দেখিব আমাৰে মিল।
(৪) খেতলৈ যাওঁতে একেলগে যাবলৈ
নকৰিবা দেহী মোৰ ভয়,
সহিবা কেনেকৈ কৰবাৰ কোনোবা
বুলি যদি পৰে কয়?
নোৱাৰো সাৰিব শতুৰুৰ চোকা শেল
যিমানেই আতৰত থাকো,
জীৱনত লগৰী মৰণতো সাদৰী
(৫) 'পিচিক্রিও' জীৱনৰ সাঁকো।

(২) আঙ্গামীবিলাকে বৰ আনন্দ উৎসৱৰ মাজতো মৰণৰ কথা এবাৰ নহয় এবাৰ সোঁৱৰে, এইটো বিশেষকৈ মন কৰিব লগা কথা।

(৩) কেটচৰ শিল—কেটচৰৰ নাম যুগমীয়া কৰিবৰ অৰ্থে নিৰ্ম্মাণ কৰা এটা শিলৰ স্মৃতি স্তম্ভ।

(৪) নগাই পথাৰক খেত বোলে,—যেনে পানী খেতি Terrace cultivation.

(৫) পিচিক্রিও ছোৱালীজনীৰ নাম। ইয়াৰ অৰ্থ—"মৰাৰ পিছতো যাৰ হৈ শোক কৰা হব।"

* থাই আঙ্গামী গীতটো এই:—

Nichu Nikri va Kemela nu.

Kenokiri votso tenihoh.

P E S E K R I E W U a-ge jahelo.

Tsuranumo chaza prirano
Lhumetso vapi tero gii.
Mathakeji zepfu aserhe.
Tozholemu ti keso zizhe
Zeppepile zemegu peki
Alheno tsu Sorozhu chakrs
Kemozhu lochavo nitso.
Tigi khrii pre, terho nakikrii
Kevilhee nu ovate nihoh
urrahuri zu kevi cha
Lhato memo seya huturn.
Ketzarii no tsie keseranu
Premezazu bidoh keyakri.
Ketianuwir a kethapii che.
Uhi wadi kehreledi nu
Sevii U ngu kemnimeyamodzii
Thelojiche zekevakiwe
Serhemoii mewe ogipu

এই *গেনাবোৰৰ বিস্তৃত বিৱৰণ আৰু আঙ্গামী নীতি আচাৰ ব্যৱহাৰৰ বিষয়ে ক্ৰমে ক্ৰমে লিখি প্ৰয়াস কৰা হব।

* গেনা মানে প্ৰধানতঃ উৎসৱ বুজায়। কিন্তু আঙ্গামী তলত দিয়া তেওঁবিলাকৰ নিজা শব্দবোৰৰ প্ৰতিশব্দ স্বৰূপেও ব্যৱহাৰ কৰে।

(১) 'কেন্না'—(Kenna) নিষিদ্ধ বা মানা।—'কি কেম্নায়ে—মোৰ ঘৰলৈ আহিবলৈ গেনা আছে অৰ্থাৎ মানা বা গাইগুটীয়া হিচাপে হলে কেননা ব্যৱহাৰ কৰে। কিন্তু সমূহ ৰাজহুৱা কথাত পেন্না কোৱা হয়।

(২) পেন্না - ( Penna ) কাম কৰিব নোপোৱা দিন ( ওলোটাটো 'লিচু'—Lichu—পথাৰলৈ যোৱা অৰ্থাৎ কাম কৰা এনে দিনত গোটেই গাৱৰ কাৰণেই পথাৰলৈ যোৱা মানা আৰু লগত কোনো প্ৰকাৰে কাৰবাৰ আদিও কৰিব নাপায়।

(৩) নানু—( Nanu ) 'টাবু' আৰু ইয়াৰ জগত সম্পৰ্ক গোটেই উৎসৱ। ই যেই কোনো উৎসৱত কাম কৰিব নো গোটেই সময়খিনিকে বুজায়, কিন্তু পেনাই কেৱল পথাৰ কৰিব নোপোৱাহে বুজায়।

# জাপ্‌ডৌ অভিযান

ভ্ৰমণ কাহিনী ]

—শ্ৰীযুত ধনবাহাদুৰ সোণাৰ

সেইদিনা ১৯ এপ্ৰিল। বিশেষ উৎসৱ উপলক্ষে অফিছ দি বন্ধ। এই দিনকেইটা আগৰদৰে অসাৰ ৰং মালিত কটোৱাতকৈ এটা পুৰুষোচিত কাৰ্য্যত লগাবলৈ য় কৰি অসমৰ ভিতৰত আটাইতকৈ ওখ জাপডৌ ভিযান কৰাকে স্থিৰ কৰিলো।

জাপডৌ ১০,০০০ ফুট ওখ। ই নগাপাহাৰৰ সদৰ ই কহিমাৰ দক্ষিণে প্ৰায় ১৫ মাইল দূৰত। "ছিলভাৰ বিলীত" নগাপাহাৰৰ ওখ ওখ ২৫টা টিঙত জুই জলোৱা হিৰ। চাৰিওৰ মানুহে ইয়াৰ কোনোবা একুৰা জুই পাইছিল বুলি আমি বাতৰিত পঢ়িছিলোঁ। বোধহয় পডৌৰ ওপৰত জলোৱা জুইকে দেখা পাইছিল।

আমাৰ এই অভিযানৰ গুৰিতে আন এটা উদ্দেশ্য ছে যাক ইয়াত উল্লেখ কৰা উচিত। এদিন শনিবাৰে সোনকালে ছুটী হোৱাত এজন বন্ধুক বিদায় দিবলৈ টৰ ষ্টেশ্বন"লৈ গৈছিলো। তাতে দুই চাৰিজন ভদ্ৰলোক ক বন্ধুক লগ পাইছিলোঁ। তেওঁক বিদায় দি দ্ৰলোকৰে সৈতে ফুৰিবলৈ বুলি হঠাৎ আৰাধুৰালৈ লোঁ। আৰাধুৰা কহিমাৰপৰা ২২½ মাইল আঁতৰত ওখ শৃঙ্গৰ ওপৰত অৱস্থিত। ই এখন সৰু নেপালী ওঁ। অধিবাসীসকলে গৰু ছাগলী পুহি আৰু শাক চি খেতি কৰি গাৱঁলীয়া ধৰণে জীৱন নিৰ্ব্বাহ কৰি ছে। বাটটো বহল; কিন্তু কামাখ্যালৈ যোৱা বাটতকৈ হি থিয় আৰু পিছল। কেইজনমান ভদ্ৰলোকে তাতে য়াতে বেছ কষ্ট বোধ কৰিছিল। গধূলি সেইখিনি লোঁ। ভোক পিয়াহ আৰু ভাগৰে আমাক ভালকৈ ধৰিছিল। ঘৰে ঘৰে গাখীৰ বিচাৰি ফুৰিলো। মত গাখীৰনো কত পাওঁ? দুই এজন চহাই ৰ কাহিল অৱস্থা দেখি দয়া কৰি বাৰীৰপৰা অলপ কেচা মটৰ আনি দিছিল। তাকে বৰ তৃপ্তিৰে খালোঁ। প্ৰায় ৫॥০ বজাত নামি আহিলো। ৭টা বজাত শ্ৰীযুত ৰমাকান্ত গোস্বামীৰ ঘৰ পাই তাতে কিছু জলপান খাই কথা প্ৰসঙ্গত বহুত অভিযানকাৰীৰ জীৱনী আৰু তেওঁলোকৰ উদ্যম আলোচনা কৰিলোঁ। এইবোৰ আলোচনাৰ প্ৰেৰণাত আমি জাপডৌ অভিযান কৰাকে মনস্থ কৰিলো। আৰু এই সঙ্কল্প কাৰ্য্যত পৰিণত কৰিবলৈ সুযোগ বিচাৰোতে সিদিনাহে সেই সুযোগ আহি উপস্থিত হল। সুযোগ গলে পুনৰায় নাহে বুলি ভাবি উঠি পৰি লাগি শেষত লিখক ধন ভৰালী আৰু শ্ৰীযুত ৰমাকান্ত গোস্বামী আৰু শ্ৰীযুত বৰদাকান্ত গোস্বামী যুটীয়া সম্পাদক নিযুক্ত হল।

১৯ এপ্ৰিল তাৰিখে কিছু ধন তুলিলো। তাৰে বজাৰৰপৰা প্ৰয়োজনীয় বস্তু কিনি বাকী বস্তু কেঞাৰ দোকানৰপৰা কাটন দি আনিলো। সকলো বস্তু শ্ৰীযুত অক্ষয়কুমাৰ ৰায়ৰ ঘৰত ৰাখিলো আৰু তেখেতৰ ঘৰৰ পৰাই যাত্ৰা আৰম্ভ কৰাৰ ঠিক কৰিলো।

পিছদিনা ২০ এপ্ৰিল। সেইদিনা দোকমোকালিতে যাত্ৰা কৰাই আমাৰ কথা আছিল। কিন্তু দুখৰ বিষয়, সেই সময়ত বহুতৰ টোপনি এৰা দিয়া নাছিল। প্ৰায় আঠমান বজাত আমি কেইজনমান গোট খাই কণী আৰু লুচি ভাজিলো। বাকী দাইল চাউল চিৰা আদি খোৱাৰ বস্তু আৰু বটল, বালটী, কলপাত, ৰন্ধা সাজ বাছন আদি বস্তাত ভৰাই বান্ধি ঠিক কৰিলো। কুলী দুজন কোনো মতে বন্দোৱস্ত কৰিলো। কাৰণ তালৈ যাবলৈ কোনেও সতকাই সাহ নকৰে। আমাৰ লগতে মধ্য ইংৰাজী স্কুল আৰু টেকনিকেল স্কুলৰ লৰা কেইজনক বলেৰে ললো। বস্তু বাহানি কুলী আদিৰ যোগাৰ কৰোতেই গধূলি হল।

কেইজনমান যাবলৈ অসন্মত হল। নানা বেমেজালি দেখি, কেইজনমানে যোৱাটো স্থগিত ৰাখিবলৈ প্ৰস্তাৱ কৰিছিল। আমি কিন্তু এই প্ৰস্তাৱ সমৰ্থন নকৰি যাত্ৰা কৰিবলৈ উদ্যত হলো।

৩। বজাত যাত্ৰা কৰিলো। যাবৰ সময়ত আমি কুলীৰে সৈতে ১৩ জন হলোঁ। শ্ৰীযুত ৰমাকান্ত গোস্বামী, শ্ৰীযুত বৰদাকান্ত গোস্বামী, শ্ৰীযুত শৰৎচন্দ্ৰ বৰদলৈ, শ্ৰীযুত অক্ষয়কুমাৰ ৰায়, শ্ৰীযুত বদনসিং ৰায়, শ্ৰীযুত হৰিপ্ৰসাদ ৰায় আৰু আমাৰ সৈতে আমি সাত জন, দুজন কুলী আৰু চাৰিজন ছাত্ৰ। যাওঁতে অফিছৰপৰা এটা দূৰবীণ ( Binocular ) খুজি ললো। কিছুদূৰ যোৱাৰ পিছত পি-ডব্লিউ-ডি অফিছত তথ্য বিচাৰি নাপাই ভগ্ন মনোৰথ হৈ ঘূৰি আহিলো। ইতিমধ্যে তাৰ ওচৰৰে গাৱঁত বন্দুক বিচাৰি মই আৰু শ্ৰীযুত বদনসিং ৰায় গলো। বহুত পৰ আমাক ঘূৰি অহা নেদেখি তেওঁলোকে আমাক এৰি গুচি গল। আমিও বন্দুক নাপালো। ভগৱানে যি কৰে ভালেই কৰে। এইবোৰ বস্তু পোৱা হলেও কোনো কামত নাহিলহেঁতেন।

ইয়াৰ ভিতৰত আমাৰ মস্ত বিপদ উপস্থিত হল। আমি আমাৰ দলক বিচাৰি নাপালো। আমি বিমোৰত পৰিলো। ভাবিলো জানোচা থং কৰি ঘৰলৈ গুচি গল! আকৌ ভাবিলো ইমান দূৰ আহি কিয় ঘূৰি যাব। নিশ্চয় আমাক এৰি গুচি গৈছে। শেষত ইফালে সিফালে বিচাৰিও নোপোৱাত যোৱাটোকে ঠিক কৰি যাত্ৰা আৰম্ভ কৰিলো। জাপডৌলৈ যোৱা ৰাস্তাইদি বৰ বেগেৰে যাবলৈ ধৰিলো। মাজে মাজে চিঞৰি চিঞৰি তেওঁ-লোকক মাতি কোনো উত্তৰ নাপাই ভাবিলো— তেওঁলোক অন্য বাটেদি গল। তালৈ যোৱা দুটা বাট। বহুত দূৰ যোৱাৰ পিছত আমি নামি আহি অন্য বাট ধৰিলো। অনেক বিচাৰ কৰি আৰু সেইফালেদি অহা মানুহক সুধিও তেওঁলোকৰ খবৰ নোপোৱাত—আকৌ আগৰ বাট ধৰিলো। এইবাৰ "ৰিজাৰ্ভ ফৰেষ্ট"ৰ চকিদাৰৰ লগ পালো। তাৰে সৈতে বহুত দূৰ গলো। সি আকৌ উভতি গল। শেষত ইয়াকে ঠিক কৰি যাবলৈ ধৰিলো যে বাটত তেওঁলোকক লগ পালেতো ভাল, নাপালে সূৰ্য্য অস্ত যোৱালৈকে গৈ ঘূৰি আহিম। যোৱাৰপৰা আমাৰ ভয় লাগিল জানোচা ভুল বাটে যাওঁ। কাৰণ সেই বাটেদি আমি কেতিয়াও যো... নাছিলো। তথাপি সাহ কৰি গৈয়েই আছো। ... মাজে বিকট চিঞৰ মাৰি তেওঁলোকক মাতিছিলো। ৰাস্তা লাহে লাহে দুৰ্গম আৰু ওখ হৈ আহিছে। ... ঘামি জামি লাল কাল হৈছো। তথাপি বিশ্ৰাম ... নাছিলো। শেষত বহুত দূৰ যোৱাৰ পিছত আ... বিকট চিঞৰৰ উত্তৰ পালো—"আহি থাকা, আমি ... আছোঁ।" তৎক্ষণাৎ মনৰপৰা সকলো সন্দেহ দূৰ ... নতুন সাহ আৰু বলেৰে বলীয়ান হৈ আৰু বেগেৰে যা... ধৰিলো। আমি যিমানেই বেগেৰে যাবলৈ ধৰি... ৰাস্তা সিমানেই থিয় আৰু দুৰ্গম হৈ আহিছে। ... লগৰীয়াজন কিছু দুৰ্ব্বল হোৱা গতিকে একেবাৰে ... নোৱাৰি মাজে সময়ে বিশ্ৰামৰ আশ্ৰয় লবলৈ ধৰি... তেওঁলোক কিমানদূৰ পালে জানিবলৈ আগবাঢ়ে চি... চিঞৰি গৈ শেষত তেওঁলোকক এটা ওখ টিলাৰ ... লগ ধৰিলো। লগৰীয়াসকলক লগ পাই ... আত্মহাৰা হলো। দুখ ভাগৰ পাতলিল। অলপ ... আৰু চাহ পি বিশ্ৰাম ললো।

আকৌ যাত্ৰা আৰম্ভ কৰিলো। কিছুমানে ৰং ধে... কৰি, কিছুমানে গল্প পাতি আৰু কিছুমানে গান ... যাবলৈ ধৰিলো। তেতিয়া বেছি কষ্ট আৰু ভাগৰ ... কৰা নাছিলো। এয়ে সঙ্গীৰ গুণ। তেতিয়া ... ঢৌৰ নিচিনা পৰ্ব্বতৰ ওপৰত উঠা নমা আৰম্ভ কৰি... উঠোতে ঠিক মুৰৰ ওপৰত থকা টিঙলৈ উঠিছো ... নামোতে ঠিক তৰিৰ তলৰ গাতত নামি গৈছো... ওচৰত ধৰিবলৈ একো নাই। মাটি কেঁচা আৰু যো... ভৰি দিলেই খহি পৰে। এবাৰ কেনেবাকৈ খহি... মানে ৫০০।৬০০ ফুট তলৰ গহ্বৰত ঠাই পোৱা। ... আৰু ওপৰলৈ চালেই বুকু কঁপিবলৈ ধৰে। ... প্ৰত্যেকৰে একোডাল লাখুটি। তলভাগ ৰ... কৰি লৈছো। সেয়ে আমাৰ প্ৰধান অৱলম্বন।



...লৈ খুঁতি লৈ তাতে শৰীৰৰ ভৰ দি উঠা নমা কৰিবলৈ ...লো। মই আৰু শ্ৰীযুত বৰদাকান্ত গোস্বামীয়ে জোতা ...া নাছিলো। সেইদেখি আমাৰ সঙ্গীসকল যিমান ...নকালে ভাগৰি গৈছিল আৰু উঠা-নমা কৰোতে কষ্ট ...া কৰিছিল, আমাৰ তেতিয়াও ভাগৰ লগা নাছিল, ...ৰে উঠানমা কৰিব পাৰিছিলো। আমি এই ...া "প্ৰাকৃতিক চিকিৎসা" নামে কিতাপত পঢ়িছিলো। ...তিয়া আমি এই কিতাপৰ মূল্য বুজিব পাৰিলো। আমি ...মানেই প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰিছো—সিমানেই ...গ আমি বাঁহ হৈ পৰিছো। অৱশ্যে ভৰিত জোতা ...বিলে যে অনেক বিপদৰপৰা ৰক্ষা পোৱা যায় সি ...া। এইদৰে মৰো জীওঁকৈ পুলিবাঙ্কে টিং পালোগৈ। ...পাই কিছু স্বস্তি বোধ কৰিলো আৰু জিৰাই ললো।

পুলিবাঙ্কে প্ৰায় ৫০০০ ফুট ওখ। কহিমাৰ ওচৰত ...া পাহাৰৰ ভিতৰত ইয়েই আটাইতকৈ ওখ। তাৰ ...। মাইলমান হব। জাপডৌৰ তলতে ঠাই পাব। ...হিমাৰ প্ৰান্ত ৰবি ইয়াতে অস্ত যায়। এইখিনি উঠোতেই ...েকৰ শক্তিয়ে এৰা দিছিল। আৰু পাঁচ হাজাৰ ফুট ...ঠিবলৈ আছেই। তথাপি মনৰ বলেৰে বলীয়ান হবই ...িব।

আমি পুলিবাঙ্কে শৃঙ্গৰ ওপৰত উঠি যি নয়নাভিৰাম ...াকৃতিক দৃশ্য উপভোগ কৰিলো তাক ভাষাত কেনেকৈ ...না কৰো? এফালে কহিমা নগৰৰ ছয়া ময়া দৃশ্য ...নকালে অস্তগামী সূৰ্য্যৰ ৰঙালী কিৰণ। সূৰ্য্যদেৱ ...তিয়া জাপডৌৰ শৃঙ্গৰ কিছুদূৰ ওপৰত। জাপডৌ ...টৈ জিলিকি আছিল। ওচৰৰ পাহাৰবোৰ ঢাপে ...পে সেইফালে ক্ৰমান্বয়ে উঠি গৈছে। স্তৰে স্তৰে, শৃঙ্গে ...ে গছ লতা বনৰীয়া ফল-ফুলে শোভা পাইছে। ...মিত সূৰ্য্যৰ সুবৰ্ণ বিভা গছ-লতাত পৰি সোণালী ...ৰ ধৰিছে, গছে গছে বিহগ বিহগিনীয়ে সান্ধ্যগীতি ...িছে। সিহঁতৰ মধুৰ সুৰত অমিয়া বৰষিছে। পাহাৰ ...ৰ্তি, গছ লতা, বনৰীয়া জীৱ-জন্তু আৰু অস্তমিত সূৰ্য্যই ...তান মাৰি সেই সুধা পান কৰিছে। প্ৰকৃতিয়ে যেন ...না সাজে সাজি নবাগত বসন্ত কুমাৰৰ অপেক্ষা কৰি আছিল। কি যে অনিৰ্ব্বচনীয় শোভা! কোনো ফালে জন মানবৰ চিন নাই। চাৰিওফালে কেৱল মাত্ৰ হাবিয়নি, কেৱল মাত্ৰ বিহগ বিহগীৰ মধুৰ তান টিঙে টিঙে প্ৰতিধ্বনিত হৈছে। চাৰিওফালে মধুৰিমাময়।

কিমান সময়লৈকে মন্ত্ৰমুগ্ধৰ দৰে এই স্বৰ্গীয় সৌন্দৰ্য্য উপভোগ কৰিলোহেঁতেন কব নোৱাৰো, যদিহে আমাৰ কুলীয়ে ততাতৈয়া নলগালেহেঁতেন। আমাৰ মোহ ভাগি গল। চক খাই উঠিলোঁ। ডিঙিৰপৰা দূৰবীণটো উলিয়াই দূৰত্ব ঠিক কৰি কহিমাৰ দৃশ্য চাই ললোঁ। বহুত তলত মাজে মাজে ৰঙা, বগা, সেউজীয়া ঘৰ আৰু গছ লতাৰ মাজত কহিমা দেখা পালোঁ। কহিমা শেষ বাৰলৈ চাই ললোঁ; কাৰণ আৰু তাৰ দৃশ্য দেখা নাযায়। কোনে জানে এই স্বৰ্গীয় দৃশ্য আৰু চেনেহী জন্মভূমি কহিমা দেখা আমাৰ ভাগ্যত পুনৰ ঘটিব পাৰেনে নোৱ'ৰে? এই স্বৰ্গীয় সৌন্দৰ্য্য উপভোগ কৰোতে জীৱন গলেও—জীৱন সাৰ্থক হব। জীৱনত এদিনো ভবা নাছিলোঁ কহিমাৰ প্ৰান্ত ৰবি অস্ত যোৱা পাহাৰৰ ওপৰত উঠিবলৈ এনে সুযোগ পাম! তেতিয়া আমি কহিমাত থকা হলে, ইয়াতে প্ৰান্ত ৰবিক দেখা পালোঁ হেতেন। আজি তাৰ ওপৰত থাকি বেলিক আন টিঙত দেখিছোঁ। এয়ে ঈশ্বৰৰ বিশ্বব্ৰহ্মাণ্ডৰ অসীম অনন্ত লীলা! সেই সৃষ্টিকৰ্ত্তাৰ প্ৰতি আমাৰ শিৰ অৱনত হল।

এটি হুমুনিয়াহ পেলাই মুৰ ঘূৰালোঁ। আমাৰ লক্ষ্য ভালকৈ চাই ললোঁ। সি দূৰত সগৰ্ব্বে অত্যুন্নত শিৰে দণ্ডায়মান। সেই দৃশ্য সকলোৰে হেপাহ পলুৱাই চাই লোৱাৰ পিছতে দূৰবীণ জোলোঙাৰ ভিতৰত সুমাই ললোঁ। খৰ-খৰ কৰি বস্তু বাহানি পিঠিত তুলি শেষ বাৰলৈ মহিমোজ্জ্বল চেনেহী কহিমা চাই লৈ "হৰি বোলা" ধ্বনিৰে যাত্ৰা কৰিলো।

তাৰ পিছত বাট এচলীয়া। ১০০ গজমান গৈ এডোখৰ ঠাই পালো। ঠাই ডোখৰ আহল বহল। ইয়াৰ অলপ তলতে শুকাই যোৱা নিজৰা এটাৰ পানী বন্ধাই ৰখা আছে। ইয়াতেই যি পানী

পোৱা যায়, সিফালে আৰু এটোপা পানীও নাই। ডাঙৰ দুটা বটল, দুটা বালটী আৰু ফ্লাস্কত ধৰেমানে পানী ভৰাই ললো। হাত-ভৰি ধুই হেঁপাহ পলুৱাই পানী পিলো। পানী বৰ চেঁচা। পানীৰ ভাৰ কুলী এটাক দি তাৰ বোজাটো আমি আটাই কেইজনে ভগাই ললো। আমি ইয়াত পলম কৰা নাছিলো। সোনকালে বস্তু বাহানি কঢ়িয়াই আমাৰ লক্ষ্যৰ ফালে আগবাঢ়িছিলো। তেনেকৈ ততাতৈয়া কৰোতে আমাৰ অতি লাগতিয়াল বস্তু কেমেৰাৰ ফিল্ম তাতে পৰি ৰল। আমি বহুত দূৰ যোৱাৰ পিছতহে গম পালো। পাঠক পাঠিকা সকলৰ মনোৰঞ্জনৰ অৰ্থে ছবি লব নোৱাৰি দুঃখ পালো।

তাৰপৰাই আমি বৰ মস্কিলত পৰিলো। আমাৰ লগত কোনো পথ প্ৰদৰ্শক নাছিল। আন কি আমি কোনেও তাৰ আধা পৰ্য্যন্ত অহা নাছিলো। বাট দুইফালে থকা যেন দেখা পালো : একো চিন ধৰিব নোৱাৰি— দুদল হৈ এফালে এদল আনফালে এদল আগবাঢ়ি গলো যাতে প্ৰকৃত পথ কোনটি ধৰিব পাৰো। পিছত তলেদি যোৱা দলে আমাক চিঞৰি মাত দিলে যে, তেওঁলোক যোৱাটোহে প্ৰকৃত পথ। ইতিমধ্যে আমিও বুজিব পৰিছিলো এইটো সেইফালে যোৱা বাট নহয় ; কাৰণ ই অন্য শৃঙ্গৰ ফালে উঠি গৈছিল। ততালিকে ঘূৰি আহি তেওঁলোকৰ লগ ললো। তাৰপৰা যিমানে আগবাঢ়ি যাবলৈ ধৰিলো বাটৰ চিন ধৰা সিমানেই কঠিন হল ; যদিও আগৰ দৰে উঠানমা কৰিব নালাগিছিল। চাৰি পাঁচ বছৰত কেতিয়াবা এবাৰ তালৈ যোৱা ছিপাহীয়ে ঠায়ে ঠায়ে খুটি পুতি আৰু ডাঙৰ ডাঙৰ গছৰ গাত ঘা কৰি পোৱা চিন পাইছিলো। বাৰিষা আৰু শীতকালত সেইবোৰ নাইকিয়া হয়। বসন্ত আৰু হেমন্ত ঋতুৰ বাহিৰে অন্য ঋতুত তালৈ যোৱা বিপদজনক। বাৰিষা মাটি খহি পৰা আৰু অভেদ্য হাবিৰে ভৰি পৰাৰ বাহিৰেও বিবিধ-বিষাক্ত কীট পতঙ্গ জোক আদি ভৰি থাকে। শীত কালত বৰফ পৰে। আন সময়তো বাট যিমান ভাল হৈ নাথাকে। উপৰোক্ত দুই ঋতুত তালৈ যোৱাৰ উপযুক্ত সময়।

আমি সেই খুটি আৰু গছত কাটি থোৱা চি
বিচাৰি বিচাৰি আগবাঢ়ি যাবলৈ ধৰিলো। কেতিয়
তাকো পাবলৈ নাই। তাৰ পিছত অভেদ্য ঝিলি
হাবি পালো। ঝিলি ইকৰাৰ নিচিনা। ইয়াৰে
বেৰ মজবুতকৈ সাজে আৰু বহুত কামত বাৱহাৰ ক
তাৰ তলে তলে সুৰুঙাইদি যাব লাগে। বাঁহৰ
হাত ভৰি মুখ কাটি ফৰফৰীয়া কৰিলে। ইতি
শ্ৰান্ত ৰবিয়ে বিশ্ৰামৰ আশ্ৰয় লোৱাত পূব ফালৰপৰা
কায় অন্ধকাৰ দৈত্য বেগেৰে পশ্চিম ফাললৈ আগ
যাবলৈ ধৰিলে। লাহে লাহে গভীৰ অন্ধকাৰে পৃথি
ছাটি পেলালে। দূৰৈৰ নিশাচৰ পশু-পক্ষীৰ বিকট চি
আৰু ঝিলি আদিৰ তীব্ৰ ৰবে গহীন ৰাতি আৰু
কৰি তুলিছিল। দিনতে আন্ধাৰ হৈ থকা ঠাই ৰাতি
গাঢ় অন্ধকাৰে আৰু ভয়াবহ কৰিছিল।
চিনা এনেই কঠিন তাতে অন্ধকাৰ। তেতিয়াৰ আ
অৱস্থা কিমান কাহিল তাক আমি নিজেই
নাছিলো।

আমি কেৱল সম্পূৰ্ণৰূপে ঈশ্বৰকে চিন্তিছো—"হে
তুমি দুৰ্ব্বলীৰ বল, নিৰাশ্ৰয়ৰ আশ্ৰয়, অপন্তৰৰ
নিৰাশাৰ আশা, পথভ্ৰষ্টৰ পথ প্ৰদৰ্শক ৰাতি যাপনৰ
ভৰাই নাছিলো। ঘন ঘনকৈ শাৰী পাতিছো
এজনৰ বিপদ ঘটিলেই আন কেইজনে ৰক্ষা কৰিব পাৰে
পানীৰ ভাৰ লোৱা কুলীৰ হাতত 'লেম্প' আৰু চাৰি
জনৰ হাতত 'টৰ্চ্চ লাইট'। বাট দেখুৱাওঁতা
দুঃসাহসীক বন্ধু শ্ৰীযুত হৰিপ্ৰসাদ আৰু শ্ৰীযুত ৰবাম
গোস্বামী। কথাবাৰ্ত্তা বেছিকৈ পতা নাছিলো, কোন
ফালে চোৱা নাছিলো। আমাৰ সমস্ত মনোযোগ
দৃষ্টি একমাত্ৰ সেই বাটতে দিছো, কেননাকৈ ভৰি পিছ
লাগিলেই আধ্যা ! অতি সাৱধানে উঠা-নমা কৰি
দূৰত প্ৰতিধ্বনিত হোৱা নিশাচৰ জন্তুৰ গোজ
শুনিলেই আতঙ্কত শৰীৰ শিয়ৰি উঠিছিল। সেই
ঠাইতে নিশাচৰ জন্তুৰ প্ৰাধান্য বেছি দেখিলো। সিইতৰ
সৈতে বিৰুদ্ধাচৰণ কৰিব পৰা তেনে উপযুক্ত অস্ত্ৰ আ
লগত নাছিল. নগা-কুলীৰ হাতততো একো নাছিল।



নগা লৰা কেইজনৰ হাতত সৰু সৰু দা আৰু শ্ৰীযুত
হৰিপ্ৰসাদ, শ্ৰীযুত শৰৎচন্দ্ৰ বৰদলৈ আৰু মোৰ খুকুৰী
আছিল। নগা লৰাৰ হাতত দুডাল জাঠি আছিল।
যেয়ে আমাৰ অস্ত্ৰ। কৰবাত কেতিয়াবা জন্তুৰ শব্দ আৰু
মাত শুনিলেই পোনেই খুকুৰীত হাত পৰিছিল। দুঃসাহসিক
অভিযানকাৰীসকলৰ মাজত আমাৰ এই নতুনত্বই ঠাই
পাইছিল যে, তেনে দুৰ্গম পৰ্ব্বত আমি ৰাতিহে
বগাইছিলো।

সেইদৰে গৈয়ে আছো। দুখ ভাগৰ, ভোক পিয়াহে
আমাক এৰি গল। বিশ্ৰাম লবলৈ পাহৰিলো। আমাৰ
বক্ষা হল কেনেকৈ সেই ঠাই নিৰ্ব্বিঘ্নে পাম। উঠা-নমা
কৰোতে কিমান সময় আৰু বিপদ পাৰ কৰি আহিলো
কবই নোৱাৰিলো। পৰস্পৰৰ দুখ বিপদৰ কথা কোৱা-কুই
কৰা নাছিলো। বহুত দূৰ আগ বঢ়াৰ পিছত জানিব
পাৰিলো পথ প্ৰদৰ্শক শ্ৰীযুত হৰিপ্ৰসাদৰ এখোজ আগেদি
এটা হিংস্ৰ জন্তু পাৰ হৈ গল। তেওঁৰ ইমান সাহ আৰু
ধৈৰ্য্য দেখি চমৎকৃত হলো। তেতিয়া তেওঁৰ এটি আৰ্ত্তনাদ
লাগে মাত পৰ্য্যন্ত শুনা নাছিলো। তাৰ কাৰণ সোধাত
তেওঁ কলে যে, তেনে আৰ্ত্তনাদ বা বিপদৰ কথা কলে সঙ্গী
সকলক ভয় দেখুওৱা হব। ভয় আৰু আৰ্ত্তনাদে উদ্যম
কমাই দিয়ে। আমি অৱশ্যে জন্তুটো নেদেখিলেও জাপ
মাৰি পাৰ হোৱা শব্দ শুনিছিলো—আৰু তেওঁৰ পাছত
থকা তিনিজনে ছয়া-ময়াকৈ দেখিছিল। যি কি নহওক,
সি আমাক নিৰাশ্ৰয় ভাবি দুবলা বাট এৰি দি গল। এয়ে
জলন্ত প্ৰমাণ যে ঈশ্বৰে নিৰাশ্ৰয় আৰু আতুৰক ৰক্ষা
কৰে। সি ফেৰ পতা হলে আমাৰ অৱস্থা কি হলহেঁতেন
কোনে জানে ? সেই বিপদৰ পৰা ৰক্ষা পাই বহুত দূৰ
আগবঢ়াৰ পিছত পুনৰ মোৰ চকুযুৰি পচিশ হাত দূৰত
জিলিকি থকা দুটা বস্তুত পৰিল। তেতিয়া বুজিবলৈ
বাকী নাছিল যে, সেই দুটি উজ্জ্বল পোহৰ বন ৰজাৰ চকুৰ
বাহিৰে একো নহয়। তাৰ চকুৰপৰাই অনুমান
কৰিছিলো সি কিমান ডাঙৰ। তৎক্ষণাৎ শৰীৰৰ নোম
জান ডাল হল। হিয়া ভেদি অহা তীব্ৰ আৰ্ত্তনাদ অতি
কষ্টেৰে চেপি ৰাখিলো। গতি ৰোধ হবৰ উপক্ৰম হৈছিল।

সেই ফালেই একেথিৰে চাই লগৰীয়াসকলৰ খোজে খোজে খোজ মিলাই যন্ত্ৰৰ দৰে যাবলৈ ধৰিলো। জানোচা সি জাপ মাৰি আহে। যেতিয়ালৈকে সি মোৰ দৃষ্টিৰপৰা অদৃশ্য হোৱা নাছিল তেতিয়ালৈকে চায়ে আছিলো। লাহে লাহে সি অদৃশ্য হল আৰু আমি ওপৰলৈ উঠিবলৈ ধৰিলো। কি ভাবি সি অচল অটল হৈ থাকিল তাৰ উত্তৰ কোনে দিব ?

বহুত দূৰ অতি কষ্টেৰে অহাৰ পিছত কুলী কেইটা অৱস হৈ পৰিল আৰু যাবলৈ অমান্তি হল। ওচৰত ভাল ঠাই পালেই থকাৰ সুবিধা কৰি লম বুলি সিহঁতক ফুচুলাই কিছু দূৰ অনাৰ পিছত সিহঁতে এঠাইত তেনে ঠাই দেখি ভাৰ থৈ আৰু নাযাওঁ বুলি ডাঠকৈ কৈ দিলে। শেষত উপায় নাপাই তাতে ৰাতি কটাবলৈ বন কাটি থকাৰ ঠাই ঠিক কৰিলো। ডাঙৰ শুকান খৰি আনি বৰ জুই একুৰা ধৰিলো। তাতে চাহ কৰিলো। এবাটি চাহ, এটা এটা সিজোৱা কণি আৰু চিৰা গুৰেৰে সৈতে বৰ তৃপ্তিৰে খালো। সিদিনাহে বুজিলো দুখ ভাগৰে জৰ্জ্জৰিত শৰীৰৰ পক্ষে যেনে আহাৰ নহওক সি কেনে তৃপ্তিকৰ। অনেক ৰং ধেমালি আৰু ৰসপূৰ্ণ গল্প পাতি জুইৰ চাৰিও ফালে বহি জিৰণি ললো। ক্লান্ত শ্ৰান্ত শৰীৰে আহাৰ আৰু বিশ্ৰাম পাই পুনৰ ঠন ধৰি উঠিল।

চাহ জলপান খাই শুবলৈ কাৰবাৰ কৰিছো—এনেতে আৰু এটা আগন্তুক বিপদে আমাক আতঙ্কিত কৰি তুলিলে দূৰৰপৰা লাহে লাহে কিবা এটা জন্তু অহাৰ গম পালো। বন্ধু শ্ৰীযুত হৰিপ্ৰসাদ আৰু মই সাহ কৰি সকলোৰে আগ বাঢ়িলো। হাতত দুজনৰ দুটা টৰ্চ্চ লাইট আৰু খুকুৰী। টৰ্চ্চ সেইফালে একেৰাহে মাৰি হাতৰ মুঠিত খুকুৰীৰ নাল দৃঢ়কৈ ধৰি ৰাখিলো যাতে আক্ৰমণ কৰা মাত্ৰকে দুয়ো একে লগে তাকো ঘাইল কৰিব পাৰো। সি দুই চাৰি খোজ আহে, আকৌ ৰয় আকৌ আহে। তাৰ গাৰ বৰণ ছয়া-ময়াকৈ দেখাৰ বাহিৰে একোকেই নেদেখিলো। জন্তুটোনো কি—কোনোমতেই চিনিব নোৱাৰিলো। তেতিয়া আমি নিতাল মাৰি নিশাহ পৰ্য্যন্ত বন্ধ কৰিছিলো। পিছে ঈশ্বৰৰ কৃপাত সি আমাক আধা ঘণ্টামান সময় ভয় দেখুৱায়ে গুচি গল। [ আগলৈ ]

# অসমীয়া বৰগীত

—শ্ৰীযুত জগৰাম বৰুৱা

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচা বৰগীতৰ বাজেও গোপালদেৱ, যদুমণিদেৱ, শুকদেৱ আদি প্ৰাচীন কবিসকলে লিখা অনেক বৰগীত লোকসকলৰ মুখত শুনিবলৈ পোৱা যায়। তদুপৰি শ্ৰীৰামদেৱ, ৰামানন্দ আৰু ৰামগোপাল, এই তিনিজন কবিয়ে লিখা এখন আগৰ-দিনীয়া সাঁচিপতীয়া পুথি চতিয়াৰ শ্ৰীযুত লয়োৰাম দাস কানন গুহৰ হাতত মই পাইছো। এই পুথিৰ গীত বিলাকো অতি সাৰুৱা আৰু অতি মধুৰ। দুজনা গুৰুৱে লিখা কিছুমান গীতত বাজে অনেক গীত আজিলৈকে ছপা হৈ ওলোৱা নাই। ছপা হৈ ওলোৱা বৰগীতৰ বাজেও মহাপুৰুষ মাধৱ দেৱৰ ভণিতাৰ কিছুমান বৰগীত মানুহৰ মুখত শুনা যায়। সেই গীতবিলাক মাধৱদেৱে লিখা নহয় বা মাধৱদেৱৰ ভণিতা দি আন কোনোবাই লিখা বুলি কোনো লোকে ক'লেও সেই গীতবিলাক যে প্ৰাচীন কালতে কোনো প্ৰাচীন কবিয়ে লিখা ই ধ্ৰুপ। কাৰণ বৰ্ত্তমানত লিখা, কোনো কিতাপত নথকা গীতে গোটেই অসমতে ইমান দূৰ শিপাব নোৱাৰিলেহেতেন। গতিকে এনে গীতবিলাকেও অসমীয়া সাহিত্যত ঠাই পোৱা নিতান্ত আৱশ্যক। মাধৱদেৱ, গোপালদেৱকে আদি কৰি ২০ জনমান প্ৰাচীন কবিৰ ভালেমান গীত বহু অনুসন্ধানেৰে সংগ্ৰহ কৰি ৰখা হৈছে। ইয়াৰ ভিতৰৰ কোনো কোনো গীত ১৮৫২।৫৩ শকৰ "বাঁহী" আৰু ১৮৫৫।৫৬ শকৰ "গাঁৱলীয়া" কাকততো প্ৰকাশ হৈছে।

## ( মাধৱদেৱ ভণিত )

### (১) গীত—শ্যাম

ল'য়োৰে দধিৰ ভাৰ মথুৰাক যাওঁ।
নলয়ো দধিৰ ভাৰ আনক যোৰাও ॥

### পদ

সোণৰ শিকীয়া গছি ৰূপৰ বাঁওকা।
কানাই কানত ভাৰ দিয়া লৱিলা ৰাধিকা॥
ভাৰ বওঁতে ভাৰ বওঁতে কান্না গৈল ফুটি।
পাছে পাছে বলাইদেৱে কৰি যান্ত স্তুতি॥
লাসে লাসে কাঢ়ে পাৱ টঙ্গি পৰে দোল।
আজি হাতে দধি নাই চাবি কড়া মোল॥
দধি নাই দুগ্ধ নাই ভাও শাৰী শাৰী।
সুদা ভাও লাৰে চাবে কি সব পশাৰী॥
পথুৰা হাতক পাই মেলিলা পশাৰ।
দধি দুগ্ধ ঘৃত মধু ৰেচিলা অপাৰ।
কানাই বেচে দধি দুগ্ধ বলাইলে যে কড়ি।
এক কড়া গাটি ভৈলে সখ্যৰ মাৰে বাড়ী॥
কহয় মাধৱ মাই কিনো তপ শাইলা।
তৃজগতৰ পতি বৃক্ষ ভাৰক বোৱাইলা ॥

### (২) গীত

বাপু হে, মোহন মুৰুলী,
বংশী এৰিলা ক'ত।
হামো সবে গোপী, জানো ভাল কৰি,
বংশী এৰিলা য'ত॥

### পদ

ভুলিলা ভুলিলা, আত দোষ নাই,
এতিয়া আনাগৈ বংশী।
নতুন যুৱতী, নৌ তত্ব পাই,
দেখিলে তোলয় হাঁসি॥
নতুন নাগেৰী, কামে মগ্ন হই,
ৰজনী কৰিলা ক্ষয়।
চালৰ বেছাত, বংশী সুমাই থৈ,
সুদা হাত আসিলা লৈ॥



কপালে লাগিছে, শিৰৰে সেন্দুৰ,
গাৱে তামোলৰ পিক।
ইতো বেশ ধৰি, গৃহক ন যাইবা,
মায়ে দিব ধিক্ ধিক্॥
যমুনাৰ জলে, পখালি আঁহাগৈ,
লুংপট চিন গুচাই।
কৃষ্ণৰ চৰণ, হৃদয়ে ধৰিয়া,
দীন মাধৱ দেৱে গাই॥

### (৩) গীত—শ্যাম

দাপাত জঞ্জাল মন নাপাত জঞ্জাল।
কৰিয়োক কৃপা মোক কৃপালু গোপাল॥

### পদ

এক গুটী গৃহ মধ্যে চৈধ্য গুটী গৰু।
মন হৈছে গৰখীয়া চিত্ত হৈছে লৰু॥
পলসত গৰু পৰে মনে আছে চাই।
দশ ইন্দ্ৰিয় ভোগ কৰে জীৱৰ বিলাই ॥
ধনক কৰিলো আশা সিও থাকিল পৰি।
পুত্ৰক কৰিলো আশা লগে ন যাই মৰি॥
দেহাক কৰিলো আশা পুৰি কৰে ছাই।
পাপ আৰু পুণ্য দুই লগে চলি যাই॥
অসতী ভাৰ্য্যাৰ সঙ্গে কিছু সুখ নাই।
মিছাতে পুষিয়া মৰোঁ যেন বাঁজী গাই॥
কহয় মাধৱ হৰি ভাবিও ইবাৰ।
আৰ কি ভাবনা আছে মনুষ্য হইবাৰ॥

### (৪) গীত—শ্যাম

মোৰ প্ৰাণ জীৱন যাদৱ ৰাই।
কালিন্দি তীৰত ধেনু চৰাই।
ওপৰে পক্ষী সুৰই॥

### পদ

যত গোপ গৰু, একত্ৰ কৰিয়া,
কালিন্দি তীৰত থৈ।
ভকতৰ দুঃখ, দেখি ভগৱন্ত,
জলত নামিলা গৈ॥
মোৰ প্ৰাণ ধন, সুচান্দ বয়ন
কি লাগি নামিলা জলে।
দেখি কালি ৰাই, ক্ৰোধে খেদি যাই,
দংশিলেক মৰ্ম্ম স্থলে ॥
নজানি কালিয়ে, লাঞ্জে মেৰাইলেক,
গোৱালৰ শিশু বুলি।
লাফদি কৃষ্ণই, শিৰত চৰিলা,
মৰিলা কালি সমূলি॥
দাগ পত্নিচয়, কৰয় বিনয়,
সবে হাতযোৰ কৰি।
স্বামী দান দিয়া, নকৰা বিধোৱা,
মাগো চৰণত ধৰি॥
কালিৰ শিৰত, চৰি ভগৱন্তে,
পৰম কৌতুকে নাচে।
কৃষ্ণৰ চৰণ হৃদয়ে ধৰিয়া,
কহয় মাধৱ দাসে॥

### (৫) গীত

কহ কহ বাপু, মুনিবৰ ৰাই,
ৰাম গৈলা কত দূৰ।
ৰাম গৈলা বন, জানকী লক্ষ্মণ,
তেজিয়া অযোধ্যাপুৰ॥

### পদ

কালি সন্ধ্যাপৰে, আমাৰ মন্দিৰে,
আসি ভৈল তিনিজন।
অতিথি স্বৰূপে, দিলো সিধা পাতি,
কৰিলা অন্ন ভোজন॥
ছায়াৰ আসনে, মায়াৰ ভূষণে,
অতিথি কৰে শয়ন।
প্ৰভাতে উঠিয়া, ভূমিত পাৱ দিয়া,
অতিথি কৰে গমন॥
কুহু কুহু ধ্বনি, কোকিলৰ শুনি,
কেতেকী কাঢ়িলে ৰাও।
অযোধ্যা নগৰত, বিলাপ কৈ কান্দিলে,
ৰামৰ কৌশল্যা মাৱ॥
সূৰ্য্য বংশধৰ, ৰাতুল অধৰ,
পিতৃ নামে দশৰথ।
তাহান তনয়, জ্যেষ্ঠ ৰামচন্দ্ৰ,
মই পাপী নামে ভৰথ ॥

পিতৃৰ বচন, পালিয়া ৰাঘৱে,
ৰাজ্য তেজি বনে যাই ।
কৃষ্ণ দেউ চৰণ, হৃদয়ে ধৰিয়া,
দীন মাধৱদেৱে গাই ॥

## (৬) গীত

মোকে কিয়ে দিয়া অবোধ গোৱালী,
অতিথিয়ে মাগোঁ ঠাই ।
সন্ধিয়া বেলিয়া অতিথি আসিছে,
আসিছে গোহালীৰ গাই ॥

### পদ

এচুকে তাত শাল, এচুকে ঢেকিশাল,
এচুকে বান্ধিছো গৰু ।
তোমাৰে নিচিনা, এজনা আলহী,
এচুকে মাৰিছে চৰু ॥
চাউলো নেলাগে, চৰুৱো নেলাগে,
নেলাগে শুৱলৈ পাটী ।
তোৰ ঘৰে মই, নিশাতো ৰকিমে,
লৈ নেযাওঁ মজিয়া কাটি ॥
শহুৰ মৰিবৰে, হলে চাৰি মাস,
শাহু নাইকিয়া ঘৰে ।
স্বামী গৈ আছেগৈ. পাল ৰখিবলৈ,
মই নাৰী আছো একল্ সৰে ॥

শাহুও মৰোক, শহুৰো মৰোক
মৰোক—সোদৰৰ ভাই ।
জ্যেষ্ঠ কুটুম্ব, সবেও মৰোক,
তেও দিবি অতিথিক ঠাই ॥
অতিথি স্বৰূপে, দেৱ শ্ৰীহৰি,
মাগে গোৱালীত ঠাই ।
কৃষ্ণৰ চৰণ, হৃদয়ে ধৰিয়া,
দীন মাধৱ দেৱে গাই ॥

## (৭) গীত, ৰাগ—*ধুপালী

মোক কোনে জীয়াই দিব লক্ষ্মণ ভয়াই ।
লক্ষ্মণ সদৃশ ভাই—পাইবো কোন ঠাই ॥

### পদ

আগে নাই পাছে নাই একেখানি ভাই ।
তাঁহাক মৰাইলো মই ৰণত পেলাই ॥
উজনিক যাওে যেন নাৱে দিল ভাটী ।
লাভক চাহাত্তে মোৰ মূল ভৈল নাঠি ॥
সুমিত্ৰা সুধিব লথাই কৈক গৈলা পুতাই ।
কিনো বাৰ্ত্তা কম মই ৰণত পেলাই ॥
ঘানে বোলে হনুমন্ত তোত সোধো বুধি ।
লক্ষ্মণক জীয়াইবাৰ কমন ঔষধি ॥
কহয় মাধৱ ৰাম নকৰিবা চিন্তা ।
জীয়াই দিব লক্ষ্মণ আনি দিব সীতা ॥

* ভূপালী ?—সম্পাদক



# সাহিত্য সেৱা আৰু ভাষা সমস্যা

—শ্ৰীযুত নীলমণি ফুকন বি-এ

যি ঠাই উষাৰ মোহিনী ৰূপৰ অকণি লৈ ৰম্য পুৰি শোণিতপুৰ' হৈ আজিও অসমীয়া জাতিৰ শিৰে শিৰে ...ৱা শোণিত তপত কৰি থব পাৰিছে, যি ঠাইৰ মুক্ত ...কাশৰ কেঁচা সোণ বৰণীয়া উষাৰ দকমক কিৰণে ভূস্বৰ্গ ...ৰ জন্মাত পৰি কাঞ্চন জন্মা কৰি তুলিব পাৰিছে, ...ঠাইৰ চাৰি বননি একোকে নগণি হিমালয়ৰ হিমৰাশি ...ৱনেজীয়া বেগেৰে তৰ্ বৰ্ জান জুৰি হৈ আহি মহাবাহু ...পুত্ৰৰ বুকুত পৰি শাত হৈছেহি, যি ঠাইৰ পৰ্ব্বত ...ৱাণেও হনুমন্তই হিয়া ফালি ৰাম নাম দেখুৱাৰ দৰে ...টে ফাটে বাণৰ কীৰ্ত্তি উষাৰ কাহিনী ফটফটীয়াকৈ ...কি দেখুৱাই কাঠচিতীয়া সময়ৰ পাষাণ হৃদয়ো গলাব ...ছে, যি ঠাইত অতীতৰ শত সহস্ৰ স্মৃতি অভ্ৰভেদি ...য়ৰ গাত ঠেকা খাই বাৰে বাৰে উফৰি আহি কাণত ...ৰিব লাগিছে, সেই অতীতৰ শোণিতপুৰ বাণৰ ...ধানী বৰ্ত্তমান তেজপুৰৰ একাষত আজি থিয় হৈ শত ...স্মৃতি ৰাশিৰ মাজত নিজক হেৰুৱা একো আচৰিত ...হব নোৱাৰে। তীৰ্থ শ্ৰেষ্ঠ কাশীধামকো চেৰ ...ৰ হাবিলাষত পতা দ্বিতীয় কাশীধামত বিশ্বনাথৰ ...ৰ মুখৰিত কৰি থকা মুক্তি দিব পৰা, অন্ন দিব পৰা, ...শাৰী দেৱালয়ৰ সমুখত থিয় হৈ আজি এই ঠাইৰ ...কথাই মনত পৰিব পাৰে। আজি মোৰ নিষ্প্ৰভ ...ৰ যদিও দূৰ অতীতৰ সৌম্য মূৰ্ত্তি ফটফটীয়াকৈ চাব ...ব নাই, এই ঠাইৰ সিদিনাৰ জলন্ত পটত যিবিলাক ...জিলিকি আছে তাক চাই চকুৰ অলপমানো যদি মলি ...ব পাৰে তেন্তে নিজকে ধন্য মানিম।

আজি যি ডোখৰ ঠাইত সাহিত্য সেৱাৰ আকাঙ্খাত ...ত ভক্তসকলৰ পদ ধূলাই শুচি কৰি তোলা মণ্ডপৰ ...থিয় হৈ দু আষাৰ কথা কবলৈ মনত হাবিলাষ জাগিছে সেই ভিৰগাৰ্ৰ নামটোৱেও আজি কিমানবিলাক স্মৃতিৰ ভিৰৰ মাজেদি গৈ কণ্ঠৰোধ হোৱাকৈ এই ঠাইৰ একো একোটি কাহিনী স্মৰণ কৰিব লাগিব বুলি ইঙ্গিত দিছে।

এই ঠাইৰ অন্নজলত বৰ্দ্ধিত হৈ সিদিনা মাথোন ব্যৰ্থ মানৱ জীৱনৰ বাবে ব্যৰ্থতাৰ যি দান হব পাৰে সেই দান অকাতৰে এটোপা এটোপা ৰক্তৰ সৈতে তৰ্পণ দি এই ঠাইৰ লখিমীৰ দৰে লক্ষ্মীধৰে দি থৈ গল, সেই দেশপ্ৰাণ লক্ষ্মীধৰৰ দেশাত্মবোধ এদিন ছাত্ৰাৱস্থাৰ দুপতীয়াতে মোৰ অনুভৱ কৰিবৰ সুযোগ মিলিছিল। জৰ্জ্জ ইন্‌ষ্টিটিউশ্যন কলেজ হলে লক্ষ্মীধৰে ত্ৰিশ টকাত থাটিম বুলি স্বৰ্ণাক্ষৰে মোৰ হাতত লিখা এখন দিবলৈ অলপো কুণ্ঠা কৰা নাছিল। ভিৰ গাৱঁৰ এজন ডেকাই ডিব্ৰুগড়ৰ জৰ্জ্জস্কুলৰ সেৱক হবলৈ অকাতৰে ইচ্ছা কৰিছিল। ইয়াত কৈ তৰুণ শক্তি অসমৰ আগত মাতৃভূমিৰ হকে আৰু ত্যাগৰ ডাঙৰ আকাঙ্খা কি হব পাৰে। লক্ষ্মীধৰক যেতিয়া দুৰন্ত যমে টনা আজোৰা কৰিবলৈ ধৰিলে তাৰ মাজতো লক্ষ্মীধৰে প্ৰাণৰ কথাখিনি আমালৈ এৰি থৈ যাবলৈ কৃতসংকল্প হৈ উঠিল। প্ৰাণ দিও লক্ষ্মীধৰে তৰুণ অসমৰ প্ৰাণত শক্তি সঞ্চাৰ কৰি দি থৈ গল। তেওঁৰ সাহিত্য সেৱাৰ পিপাসা তেওঁৰ সুযোগ্য ভায়েকৰ প্ৰাণতো আমি দেখিলো। আদৰ্শ তৰুণ গুণাভিৰামৰ "আৰব্যোপন্যাস" আৰু "ৰহস্যকাহিনীয়ে" এই ঠাইৰ তেনে অপূৰ্ব্ব কাহিনী ভৱিষ্যতে আৰু সৃষ্টি কৰাব বুলি মোৰ বিশ্বাস। আজি স্মৰণ কৰক, এই ঠাইৰ তৰুণ শক্তিয়ে দেশ সেৱাত নিৰ্য্যাতনকো কিদৰে ভ্ৰূক্ষেপ নকৰি এই ঠাইত দেশাত্মবোধৰ এটি নতুন প্ৰেৰণা দিলে। সাহিত্য সভা তাৰ বিশদ আলোচনাৰ ঠাই নহলেও এই কথা ঠিক

যে দেশাত্মবোধ যি সাহিত্যৰ লিখনীৰ মুখত নোলায় সেই সাহিত্য সাহিত্যও হব নোৱাৰে। মই জানিব পাৰিছো "টাইমছ অব অসমৰ" ভূত পূৰ্ব্ব সুযোগ্য ডেকা শ্ৰীযুত তিলকচন্দ্ৰ শৰ্ম্মাদেৱো এই ঠাইৰে সন্তান। এনে এখন ঠাইত যে আজি তৰুণ শক্তিৰ পূৰ্ণ বিকাশ নহব এনে কথা হব নোৱাৰে। চাৰি কুৰি বছৰৰো ওপৰ কালৰ কথা এই ঠাইৰ ওচৰতেই আজি চাৰি কুৰি বছৰৰো ওপৰ বয়সত দেশৰ হস্তে "চিন্তানলত" পুৰি ডেইও তাতৈ ভ্ৰূক্ষেপ নকৰি জলন্ত উৎসাহেৰে দেশক আশাৰ বাণী শুনাই থাকোতা সাহিত্য ক্ষেত্ৰত বৰ্ত্তমান সময়ত পিতামহ স্বৰূপ শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াৰ জন্ম স্থান। তেনেজন পুৰুষৰ অদম্য শক্তিয়ে আজি এই ঠাইৰ তৰুণ প্ৰাণত "চিন্তাতৰঙ্গ" তুলিবলৈ টান হবনে? বুৰঞ্জী প্ৰসিদ্ধ এই শোণিত পুৰৰ সাহিত্য সেৱীসকলক আজি মনত পৰা কথা। চকুৰ আগতে যেন দেখিছো অসমীয়া জাতিৰ প্ৰপিতামহ সদৃশ জ্ঞানী হৰিবিলাস আগৰৱালা ডাঙৰীয়াই আজিও যেন শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিয়া হৰি নামৰ ৰসত তিউৰা দশম কীৰ্ত্তনৰ মধুৰ সুৰ অসমীয়াৰ কাণত ঢালি দি প্ৰাণৰ মাজেদি বোৱাই দিছে। সেই পুণ্যশ্লোক পুৰুষৰ জহতে অসমীয়া জাতিয়ে জাতীয় বাইবেল দশম, কীৰ্ত্তন, নামঘোষা হাতে হাতে লৈ ঘোষিব পৰা বস্তু হৈ পৰিল। এই শোণিতপুৰৰ বলমৰ পাৰত বহিয়েই এদিন সুকবি আনন্দচন্দ্ৰই তেওঁৰ আনন্দময়ী লেখনীৰপৰা "সৰগৰ নিয়ৰত টোপালৰ দৰে" পুৱাৰ নিয়ৰত সৰা ছবৰি বগাকৈ যোৱা শেৱালিৰ দৰে, কবিতা কানন কিমানবিলাক কবিতাৰে শুৱনি কৰিলে সেই কথা আজি ভাবিবৰ দিন। "প্ৰতিমাৰ" খনিকৰেও তেওঁৰ মানস প্ৰতিমা গঢ়ি তুলিবলৈ ইয়াতেই যথেষ্ট সঞ্জুলি গোটালে বুলি অনুমান হয়।

উদাৰ চিতীয়া ৺লম্বোদৰে এই ঠাইতেই হৃদয়ৰ প্ৰশান্ততা লাভ কৰিছিল। শোণিতৰ ধাৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পাৰতেই তেওঁ মাতৃভূমি আৰু মাতৃভাষা সেৱাৰ গায়ত্ৰী মন্ত্ৰ জপ কৰিছিল। তেওঁৰ সেই সমাধি আজি কোনে ভঙ্গ কৰিব পাৰিব? এই শোণিতপুৰৰ ইতিহাসেই

বোধ হয় চিন্তাশীল তথ্য পিপাসু ৰজনীকুমাৰ প
ডাঙৰীয়াক প্ৰকৃতিৰ কাম্যবন স্বৰ্গতো অধিক
জন্মভূমি অসমৰ বাহিৰে আন ঠাইত স্বৰ্গৰ
নোৱাৰে বুলি অনুভূতি দিছিল। কৰ্ম্মবাৰ চ
জীৱনীয়েই এই ঠাইৰ অন্য এখন অপূৰ্ব্ব সাহিত্য।
কবিতাৰ "ৰহঘৰাত" মুখ দিবলৈ অসমীয়া জাতিৰ
এই ঠাইৰ এজন ডেকা কৰ্ম্মীয়েই। সাহিত্যৰথী বে
ডাঙৰীয়াৰ হাতৰ বাঁহীটি আজি এই ঠাইৰে এজন
"অমিয়" মাতত আমি শুনিবলৈ পাই সন্তোষ পা
এই ঠাইৰ এজন "মহাদেৱৰ" কৃপাতেই আমি
বুদ্ধদেৱৰ অপূৰ্ব্ব চৰিত্ৰৰ কাহিনী শুনিবলৈ পালো।
এই ঠাইৰ পদুম পুখুৰীৰ পদুম যেন সাহিত্যৰ পদু
পদ্মনাথ গোহাঞি বৰুৱাদেৱে এতিয়াও
আছে।

এতিয়াও এই ঠাইত অতীতৰ স্মৃতিয়ে কতজন
সাহিত্য সেৱী অতৰ্কিতে হয়তো গঢ়ি তুলিবলৈ
সেই কথা সঠিককৈ নেজানিলেও বিশ্বাস কৰিবলৈ
পোৱা নাই।

এনে এনে সাহিত্য সেৱীৰ ঠাইৰ প্ৰতি ধূলি
স্বৰ্ণ কণা বুলিব পাৰি। তাক কমাই আজি উজ্জ্ব
দেখুৱাবলৈ মোৰ গাত শক্তি হব কৰ পৰা? আপোনা
গাত ধৰি মাত্ৰ উঠিছো।

সাহিত্য সভাৰ সভাপতিৰ পদ অলঙ্কৃত কৰি
বত্ৰিশ অলঙ্কাৰ এই ডাল-দৰিদ্ৰৰ হাতত হব দৰ
আজি পিতলৰ গাত সোণৰ আভা পৰিব পাৰে
সেই কথাই পিতলক কেঁচা সোণৰ মূল্য
নোৱাৰে।

সাহিত্য বিষয়ে মোৰ মাত্ৰ এটি ধাৰণা অটুট হৈ
মোৰ বিশ্বাস যি জাতিৰ সাহিত্য নাই সেই
ঈশ্বৰো নাই। এই কথা যদি অন্তৰৰ পৰা বিশ্বাস
পাৰি তেন্তে সাহিত্য সেৱাতকৈ ডাঙৰ ধৰ্মৰ আন
ঈশ্বৰ সেৱা হব নোৱাৰে। যথাৰ্থতে ভাবি চাওঁ
কথা সত্য বুলি উপলব্ধি নহৈ নোৱাৰে। এটা
অস্তিত্ব ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। এটা জাতিৰ



ৰ কীৰ্ত্তি কলাপ সময়ৰ মামৰে ধৰি যেতিয়া ধূলিসাৎ
ৰ তেতিয়া সাহিত্যৰ প্ৰভা পৰি সেই ধূলিকো সোণালী
ান কৰি তোলে। জাতীয় জীৱনৰ সাৰুৱা মাটিৰ তৰপে
পে ভেদ কৰি সাহিত্য বৰ গছ জুপিৰ শিপা কিমান
লৈকে যায় সেই কথা কোৱা টান। এই জুপি গছত
ৰকমৰ কত ৰঙৰ চৰাই পৰি কিৰিলি পাৰে, গীত
, সুৱদি ফল নিজে খায়, তললৈকো সৰুৱাই দিয়ে,
ি থাকি উৰা মাৰি বিমান বিহাৰ কৰে, মুক্ত
াশত ডৌকা কোবাই পোহৰত চমক্ তোলে তাক
শেষ কৰিব নোৱাৰি। তেনে দৃশ্য দেখি তলৰপৰা
ানৰ চকু জুৰ হয় সেই কথা প্ৰকাশ কৰা টান।
জগতে এনেবিলাক মইনা কুলিৰ মাত শুনি
লাগে। এনে বিৰিখৰ ছাঁত বহি খন্তেক
ালেও প্ৰাণ শাত লাগে। পৰ্ব্বতৰ নীল আভাত পৰি
ি যোৱা বগলী জাকৰ শুকুলা পাখিয়ে যি দৰে চকু
কৰি দিয়ে, সেই দৰে সাহিত্যিকৰ চেকা নলগা বগলি
ী যেন বগা শুভ্ৰ শুদ্ধ ভাৱৰাশিয়ে জগতক পূৰ্ণিমা
তিৰ জোনাকে পোহৰ ছটিয়াই শুকুলা কৰি দিয়া দৰে
ল কৰি তোলে।

সংসাৰ বিষবৃক্ষৰ যে কেৱলমাত্ৰ দুটি সুৱদি ফল
নৰ অঙ্গ আৰু কাব্যামৃত ৰস পান এইটো জলন্ত সত্য।
াৰৰ সকলো ৰকম দুখ ভাগৰ শোক তাপ পাহৰিব
া যদি মহৌষধি আছে সি একমাত্ৰ সাহিত্য ৰস পান
ি পোৱা অমৃত। আমি বহুত সময়ত ভাবো যে আমাৰ
টো কেৱল খোৱা লোৱা প্ৰাণী সাধাৰণৰ ক্ৰিয়া
াপতে যায়। সেইটো আমাৰ ভুল ধাৰণা। আমি
আমাৰ দিনটোৰ সকলোখিনি কাম বিশ্লেষণ কৰি
য়াও চাওঁ তেন্তে দেখিবলৈ পাম যে তিনি ভাগ সময়
ি কল্পলোকত বাস কৰো। এই কল্পলোক আমাক সৃষ্টি
দিয়ে একমাত্ৰ সাহিত্য আৰু সুকুমাৰ কলাই। আৰু
ৰে কল্পলোকত মনোৰথত উঠি বাস কৰিব পৰা
তাই মানুহক জ্ঞানী শ্ৰেষ্ঠ জীৱ কৰি ৰাখিছে। এনে
ময়ী সাহিত্যৰ সেৱা কৰা মানৱৰ ধৰ্ম্ম। গৰু মহবো
ৰকম ভাষা আছে। সিহঁতেও নিজৰ ভাব এক ৰকমে

প্ৰকাশ কৰে। কিন্তু সিহঁতে সাহিত্যৰ সোৱাদ পাই তৃপ্তি লাভ কৰিব নোৱাৰে। সেই কাৰণেই সিহঁতে দিনে ৰাতিয়ে উদৰ পূৰণ কৰা আৰু ঘাঁহ পাগোলা কামতেই ব্যস্ত থাকে। পশু পক্ষী কীট পতঙ্গ জান জুৰিৰো একোটা ধ্বনি আছে। কিন্তু তাক সঙ্গীতৰ তাল মান লয়ত পেলাই ছন্দত আলফুলকৈ বান্ধি, শুৱলা কৰি তোলা সাহিত্য সেৱী মানুহৰ কাম। বুৰঞ্জীৰ পাতে পাতে মানৱ সমাজৰ দৈনিক ঘটনাবিলাক বগাবই লাগিছে। কিন্তু তাৰ প্ৰাণস্পৰ্শী সমাবেশ একমাত্ৰ নাট-নাটিকা কাব্য কাহিনীৰ মাজেদিহে দেখিবলৈ পোৱা যায়। ৰূপ ৰসৰ ভাণ্ডত আমি সদায় ডুবি গৈয়েই আছো। তথাপি তাৰ ভুমুক একোটাত মুখ দিহে জিভাই সোৱাদ পায়। চকুৰ আগতে দিনে ৰাতিয়ে কত ৰকম বিশ্ব শোভা দেখি আছোহঁক। তথাপি চিত্ৰকৰৰ চিত্ৰত, শিল্পীৰ তুলিকাত সেই শোভা দেখি প্ৰকৃত সৌন্দৰ্য্যবোধৰ কল্পনা আহি মনত খিতাপি দিয়েহি। সাহিত্যই প্ৰকৃততে প্ৰাণৰ তৃপ্তি, মনৰ আবেগ, আত্মাৰ মুক্ত অৱস্থা। সাহিত্যই স্থিতি লোৱা প্ৰাণত আন দেৱতায়ো আহি স্থিতি লবলৈ সাহ নকৰে। মৌয়ে যি দৰে সকলো ক্ষেত্ৰৰপৰাই একো কণ মৌ আনি মৌ-চাক কৰিবলৈ সক্ষম হয়, সাহিত্যিকসকলেও জীৱনৰ সকলো ৰকম ঘটনাৰপৰা, বাস্তৱ জগতৰ সকলো প্ৰকাৰ বস্তুৰপৰা কাব্যৰস সৃষ্টি কৰি সাহিত্যৰ অক্ষয় অমৃত ভাণ্ড পাতিব পাৰে। অমৰ কবিৰ ভাষাত কবলৈ গলে এই অমৃত হ্ৰদত পৰিলে মাখিৰো মৰণ নাই। অমৰ লোক আছে বুলি যদি আমি বিশ্বাস কৰি আহিছো সিয়ো সাহিত্যিকসকলৰ অমৰ স্মৃতিৰ সুমৰণেই দৃঢ়ীভূত কৰি তুলিছে। সময়তে আমি বিক্ৰমাদিত্যক পাহৰিব পাৰো। কাৰণ তেওঁৰ কীৰ্ত্তি কলাপ সময়ৰ মামৰে নিষ্প্ৰভ কৰি পেলাব পাৰে। কিন্তু কালিদাসৰ উদ্ভাসিত প্ৰতিভাৰ পোহৰৰপৰা চকু আঁতৰাই নিবা কোন কালে?

ৰাণী এলিজাবেথৰ ঘটনাপূৰ্ণ ৰাজত্ব কাল বুৰঞ্জীয়েও পাহৰিব পাৰে, কিন্তু শেক্সপিয়েৰৰ চৰিত্ৰ-লিপি বিশ্বপটৰ পৰা কোনে মছি পেলাবলৈ সক্ষম হব?

'ক্রমৱেলৰ' তৰোৱাল আজি মামৰে খাই নাইকিয়া কৰিলে ; কিন্তু মিণ্টনৰ লেখনি ভোটা কৰে কোনে ? মহাপুৰুষ শঙ্কৰ মাধৱৰ ধৰ্ম্মকো আজি নমনা লোক আমাৰ মাজত ওলাব পাৰে, কিন্তু তেওঁলোকৰ কীৰ্ত্তন ঘোষাৰ পদঘোষাক নিয়াত কৰে কোনে ? এই কথা ঠিক যে একোটি জাতি সাহিত্যৰ জোখত হিমালয়তকৈও ওখ হৈ জগতত মূৰ দাঙি জিলিকি থাকিব পাৰে।

এনে সাহিত্যৰ সেৱা কৰা যে আজি অতীতত সাহিত্যৰ বুৰঞ্জী থকা অসমীয়া জাতিৰ গুৰুসেৱাৰ দৰে নিত্য নৈমিত্তিক কাম হব সেই কথা আজি এই গাঁৱৰ মাজত থিয় হৈ, অতীতৰ শত স্মৃতিৰ মাজত আপোনালোকক মনত পেলাই নিদিলেও হব। অসমৰ কিমানবিলাক সাঁচিপতীয়া পুথি আজিও হয়তো ধোৱা চাঙত আলাঙ্কু-কলীয়া হৈ মলিন হৈ আছে সেই কথা নিৰ্ণয় কৰে কোনে ? অতীতত যিমানবিলাক সাঁচিপতীয়া পুথি লিখা হৈ গল তাৰ বাবে কটা গছৰ এখন বৰকলা হাবি মুকলি হৈ গল বুলি কব পাৰি।

আজি বিশ্বনাথ সাহিত্য সভাৰ সাহিত্য সেৱীসকলক সাহিত্য বিষয়ে বুজাব পৰা মোৰ সাহিত্য জ্ঞান নাই। মই নিজে এজন সাহিত্যিক নহওঁ। কিন্তু সাহিত্যই যে দেশাত্মবোধৰ প্ৰাণ এই কথা মই যৎসামান্য হলেও অনুভৱ কৰিব পাৰিছোঁ। সেই ভাব হৃদয়ত লৈ আজি বিশেষকৈ অসমৰ তৰুণ শক্তিক কব খোজো যে আমাৰ এতিয়া সকলো ফালৰপৰা ইষ্ট দেৱতাক পূজা কৰা দৰে সাহিত্য সাধনা কৰিবৰ সময় হল। সিদিনা মাধোন মঙ্গলদৈ সাহিত্য সম্মিলনৰ সভাপতিদেৱে তেওঁৰ অপূৰ্ব্ব অভিভাষণত অসমীয়া ভাষা আৰু সাহিত্যৰ বিষদ বুৰঞ্জী দিয়াৰ পাছত আজি সেই বিষয়ে মই আকৌ আপোনা-লোকৰ সময় নষ্ট কৰিব নোখোজো। আৰু তেনে বিস্তাৰিত বুৰঞ্জী দিবলৈ সাহ কৰাটোও মোৰ পক্ষে কেৱল ধৃষ্টতা হব।

মই আজি বৰ্ত্তমান অসমীয়া ভাষা সমস্যালৈহে দু আষাৰমান পৰাই নোৱাৰাই কব খুজিছো।

সেই কথা ছালি জাৰি আপোনাসকলে দুটা এটা মলখু

পায় যদি নিখিণাই গ্ৰহণ কৰিব। আৰু তেনেই পাৰে মিছাতে কুলা ধৰিলো বুলি যেন মোৰ দোষ নধৰে, কিয়নো মোৰ পথাৰেই পতমুৱা, সেইটো মোৰ দুৰ্ভাগ্য, দুৰভিসন্ধি নহয়।

সম্প্ৰতি আমি দ্বিধাশূন্য হৈ এটা কাম কৰিব লাগিব। আজি ইংৰাজ শাসনৰ দিন ধৰি অসমীয়া ভাষাক আমাৰ দুৰ্ব্বলতাত আৰু শাসক জাতিৰ অজ্ঞানতাত বঙলা ভাষাৰ ৰঘুমলাই যিদৰে ছাটি পেলাইছে তাৰ গুৰি কাটি সেই জোপা ৰঘুমলা শুকাবলৈ দি তাৰ শিপা পৰ্য্যন্ত পেলাব লাগিব। তাৰ একমাত্ৰ উপায় দেশৰ ঘঁৰে ঘঁৰে এই কথা প্ৰচাৰ কৰা আৰু অসমীয়া ভাষা আৰু সাহিত্য অহোৰাত্ৰ চৰ্চ্চা কৰা—আমাৰ কৰ্ত্তব্য হৈ পৰিছে। এই উদ্দেশ্যে প্ৰত্যেক ঠাইতে সাহিত্য সভা, পুথিভৰাল স্থাপন কৰা দৰকাৰ।

বঙলা ভাষাত যে আপুৰুগীয়া সাহিত্য নাই এই কথা কোৱা নাই। কিন্তু বঙলা ভাষাই যে অতৰ্কিতে আমাৰ ভাষা আৰু সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে আৰু এতিয়া দেখা দেখিকৈ তেওঁলোকে ৰামানন্দ পন্থী হৈ বঙালী সভ্যতাৰে (Cultural conquest) অসমদেশ জয় কৰিবলৈ ওলাইছে তাৰ প্ৰত্যুত্তৰ আমি দিব লাগিব। আমাৰ এতিয়া প্ৰত্যেক জনৰ কৰ্ত্তব্য দল-বল কাতি কৰি থৈ অসমীয়া ভাষা আৰু সাহিত্যৰ সেৱা কৰা। এই কামত যে ধনৰ দৰকাৰ এই কথা মই স্বীকাৰ নকৰো। সাহিত্য সেৱাৰ আকাঙ্খা হৃদয়ত লৈ যদি আমি এই ক্ষেত্ৰত আগবাঢ়ো আমাক পদে পদে বাধা দিব খোজাসকল এনেতে আঁতৰি যাব বা থচকা খাব। মাতৃভূমি আৰু মাতৃভাষাৰ সেৱকসকল এই বিষয়ে মনত দ্বিধা ৰাখি কাম কৰিলে যি পাতক তাৰ প্ৰায়শ্চিত্ত নাই। কাজেই প্ৰাণ পণ কৰি এটা কামত আগ বাঢ়িব লাগিব। এটি জাতিৰ জাতীয় প্ৰাণ সঞ্জীৱিত কৰি তুলিবলৈ ইয়াতকৈ আন অমৃত আৰু একো হব নোৱাৰে। আজি এই সত্য উপলব্ধি কৰি চেনেহী ভাষা জননীৰ চৰণ সেৱিম বুলি আহক, প্ৰত্যেকে মনত সঙ্কল্প গ্ৰহণ কৰো। অসমীয়া জাতিৰ এই জাগৰণ



...ত ইয়াতকৈ বেছি প্ৰৱল প্ৰেৰণা আন একো হব নোৱাৰে।

এই সময়ত আমি আৰু এটা কথা মন কৰিব লাগিব। ...বিচাৰিছো অসম বিশ্ববিদ্যালয়, বিচাৰিছো মাতৃ-ভাষাৰ জৰীয়তে উচ্চ শিক্ষা পাবলৈকো। কাজেই এই ...ত সাহিত্য সেৱী সকলৰ দায়িত্ব আৰু বেছি হৈ পৰিছে। ...তিয়া আমাক ভিন ভিন পাঠ্য পুথি লাগিব। বৈজ্ঞানিক ...বিলাকত অসমীয়া পাঠ্য পুথিৰ দৰকাৰ হব। আন ...ন বিষয়তো যথেষ্ট অসমীয়া উপযুক্ত কিতাপ আৱশ্যক ...। তাৰ বাবে আমি এতিয়া প্ৰণালী উলিয়াই কাম ...িব লাগিব। সম্প্ৰতি বৈজ্ঞানিক শব্দবিলাকৰ যি ...ৰিভাষাৰ দৰকাৰ তাক আমি বিশেষ চিন্তা কৰি ...লিয়াব লাগিব। এই বিষয়ে এটা কেন্দ্ৰীয় কমিটীক ...ৰলো ঠাইৰ সাহিত্য সভাবিলাকে সময়ে সময়ে সহায় ...ি থকা উচিত। এই বাবে প্ৰত্যক সভাই একোখন ...-শাল পাতি শব্দ গঢ়ি তুলিব লাগিব। সেইবিলাক ...ৰ লৈ এই পৰিভাষা যুগুত কৰিলে কাম সহজ হব। ...তিয়া দেশ বিদেশৰ মণীষীসকলৰ বিশ্বজনীন লিখা ...বিলাকৰপৰা অসমীয়া ঠাচত নিজৰ কৰি হজম কৰি ...ন বিজ্ঞান দৰ্শনৰ বিষয়ে গভীৰ চিন্তামূলক বিষয় ...লিখি আমাৰ ভাষা চহকী কৰিব লাগিব। এই বাবে ...ই কব খোজা নাই যে সেইবিলাক কিতাপৰ হুবহু ...অনুবাদ কৰি কিছুমান কিতাপ লিখি নিজ সাহিত্যৰ ধাৰা ...কাবান কৰিব পৰা হব। মুখৰ লোভত পেটত কিছুমান ...ভৰালে কোনো লাভ নাই। তাক হজম কৰিব পৰা ...মতা লাগিব। নহলে সি অজীৰ্ণ ৰোগহে সৃষ্টি কৰিব। ...ন্তু এই সময়ত আমাক শিশু সাহিত্য আৰু বেছি লাগিব। ...তিয়া প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ দেশে ...বিচাৰিছে, যেতিয়া উচ্চ শিক্ষা পৰ্য্যন্ত মাতৃভাষাৰ জৰীয়তে ...ৰ কথা, তেতিয়া গুৰিৰেপৰা শিক্ষাৰ আহল বহল ...ত ভেটি বান্ধিব নোৱাৰিলে তাৰ ওপৰত সাহিত্যৰ ...কাণ্ড সৌধ তুলি থিয় কৰি ৰখা টান হব। এই শিশু সাহিত্যৰ সৃষ্টি হব পাৰে কি উপায়েৰে ? মোৰ বোধেৰে ...ই শিশু সাহিত্য লিখকসকলে যদি এই বিষয়ে আন দেশৰ

সাহিত্য আগত মেলি লৈ নিজ দেশৰ কাৰণে সাহিত্য লিখিবলৈ কাৰবাৰ নকৰে। অসমীয়া শিশুৰ সাহিত্য প্ৰকৃততে সৃষ্টি হব তেতিয়া, যেতিয়া লিখকসকলে অসমীয়া শিশু এটিক আগত ৰাখি হাত ভৰি জোকৰা অসমীয়া সুৰত কিৰিলি পৰা চাই এই কাম হাতত লব। তেতিয়া শিশু সাহিত্যৰ পাতে পাতে বাঢ়ি অহা মূলাৰ দুপতীয়া চিন পোৱা যাব। তেনে মূলাই যিদৰে সেই ঠাইৰ মাটিৰ গুণৰপৰাহে ৰস টানিব, শিশু সাহিত্যয়ো আন ঠাইৰ সাৰ জাৱৰে খাব নোতোলা নিজ ঠাইৰ মাটিৰ পৰা যি খিনি সাৰ পোৱা যায় তাক খাই বঢ়া মূলাৰ দৰে আমাৰ অকণ অকণ লৰা-ছোৱালীয়ে গা কৰিব পৰা শিক্ষা দিব পাৰিব।

পোন পটিয়েদি কবলৈ হলে যি আদৰ্শত অসমীয়া জাতিটো গঢ়ি তুলিব লাগিব সেই আদৰ্শলৈ লক্ষ্য ৰাখিহে আমাৰ শিশু সাহিত্য প্ৰণয়ন কৰিব লাগিব। লোকৰ নোদোকা লৰা এটা কোলাত লৈ এগৰাকী মাকে সেই সন্তানটিলৈ স্নেহ দেখুৱাব পাৰে কিন্তু সেই কথাই সেই গৰাকী তিৰোতাক নোদোকা লৰাৰ মাক বুলি নুবুজায়। শিশু সাহিত্য লিখা কাম সহজ নহয়। ইয়াৰ নিমিত্তে কলম ধৰিলেই নহয়। কলম চলাব জানিব লাগিব। কাৰণ কোৱা আছে লৰাক যি শিক্ষা দিয়া হয় সেইটো কেচা সৰু কলহৰ ৰেখা। শুকালে আৰু মছা টান। কাজেই মনোমত আচ দিবলৈ সাৱধান হৈ হাত চলাব লাগিব।

অসম সাহিত্য সম্মিলনত সদায় দাতি কাষৰীয়া পৰ্ব্বতীয়া জাতিৰ মাজত অসমীয়া ভাষা প্ৰচলন হব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰি অহা হৈছে। কিন্তু কাৰ্য্যত কোনো চেষ্টা হোৱা নাই। অৱশ্যে ইয়াৰ বাবে শকত এটা ফাণ্ডৰো দৰকাৰ। আৰু এই বিষয়ে প্ৰণালী ধৰি কাম কৰিবলৈ এদল ভাল লোকৰ দৰকাৰ। তথাপি অসম সাহিত্য সভা আৰু অন্যান্য সাহিত্য সভাবিলাকেও এই বাবে বিশেষ চিন্তা কৰি কোনো এটা কাৰ্য্য পদ্ধতিক উলিয়াবৰ চেষ্টা নকৰাটো উচিত হোৱা নাই। এনে বিলাক কাম একে দিনাই হোৱা বিধৰ নহয়। ধন হলেও

হোৱা টান। কাজেই ধাৰাবাহিক ৰূপে কোনো এটা দিহা লগাই কাম আৰম্ভ নকৰিলে হৈ উঠা টান। যি কি নহওক, এতিয়া এটা শুভ লক্ষণে দেখা দিছে।

অসমীয়া ভাষাৰ জৰীয়তে নগাহিলছ আদি পৰ্ব্বতীয়া কিছুমান ঠাইত শিক্ষা দিয়াৰ ব্যৱস্থা গৱৰ্ণমেণ্টে গ্ৰহণ কৰিছে। এতিয়া অসম সাহিত্য সভায়ো এই বিষয়ে নিজৰ মতামত প্ৰকাশ কৰি যাতে পৰ্ব্বতীয়া ভাইসকলৰ মাজত অসমীয়া ভাষাৰ বহল প্ৰচলন হয় তাৰ বাবে শহাকণীয়া হৈ থাকিবৰ সময় হল। পৰ্ব্বতীয়া জাতি বিলাক যে আগৰপৰাই অসমীয়া ভাষাৰ জৰীয়তে চাঙে চাঙে কথা বতৰা হৈছিল, এতিয়াও দোৱান মুবুজিলে অসমীয়া ভাষাৰেহে কথা পাতে সেই কথা বিশেষকৈ মন কৰিবলগীয়া। আজি আমি এই কথাও জানো যে শিক্ষিত পৰ্ব্বতীয়া লোকসকলে নিজক অসমীয়া বুলিহে ভাবে আৰু অসমীয়া ভাষা সাহিত্য গ্ৰহণ কৰিবলৈ তেওঁলোকে বৰ আগ্ৰহ দেখুৱায়।

আৰু এটা কথা। আজি যদি আমাৰ ওপৰত বঙলা ভাষাই, সাহিত্যই প্ৰভাৱ বিস্তাৰ কৰিছে সেইটো গাৱেঁ গাৱেঁ বঙলা ৰামায়ণ মহাভাৰত সোমোৱাৰ পিছতে বঙলা গান বাজনাই জাতীয় মন বিছাট কৰি তুলিছে। এনে সম্মোহনত পৰা অসমীয়া জাতিয়ে নিজৰ ওপৰত সংযম ৰাখিব পৰা নাই। গানত সাপেও মোহ যায় যি স্থলত মানুহৰ পক্ষে সি কি বস্তু সেইটো নকলেও হব। এই গানৰ বলত নাৰদে এদিন ভগৱানৰ আসনো লৰাইছিল বুলি কোৱা আছে। কাজেই বঙলা গান, হৰি সংকীৰ্ত্তনৰ নিচিনা আনপক্ষে মধুৰ সঙ্গীতে যে অসমীয়া প্ৰাণ সম্মোহিত কৰিব নোৱাৰিব ইয়াৰ কিবা কাৰণ আছে জানো? বঙলা গান বস্তুটো কেতিয়াও বেয়া হব নোৱাৰে। কিন্তু অসমীয়াৰ কাণ সি মধুৰ কৰিব পৰা বস্তু যদি হয় তাক পৰিহাৰ কৰিবই লাগিব। গানে যদি জাতীয় প্ৰাণৰ শেষ উচ্ছ্বাস দিব পাৰে আৰু জাতি এটাক সেই উচ্ছ্বাসেৰে বহুত দূৰ ওপৰত তুলি থব পাৰে তেন্তে বঙলা গানৰ ঠাইত অসমীয়া গান আমি প্ৰাণৰপৰা গ্ৰহণ কৰিব লাগিব। সঙ্গীততকৈ যদি ডাঙৰ বিদ্যা নাই এনে বিদ্যা নিজৰ বস্তু নকৰি পৰৰ হেদালিত তুলি দিবলৈ সমূহ হৈ থকা উচিত হবনে? মোৰ বোধেৰে সাহিত্য সভা-বিলাকে ঠায়ে ঠায়ে লৰাবিলাকৰ মাজত সকলেপৰা যাতে অসমীয়া গীত মাতেৰে সঙ্গীত চৰ্চ্চা কৰা হয় সেই বিষয়ে চকু দিয়া উচিত। প্ৰাইমাৰি স্কুলৰপৰা আৰম্ভ কৰি মোৰ বোধেৰে সঙ্গীত বাধ্যতামূলক বিষয় হোৱা উচিত।

এই দৰে যদি দহ বছৰ সৰু কালৰপৰা আমাৰ দেশৰ লৰা ছোৱালীবিলাকে সঙ্গীতৰ চৰ্চ্চা কৰিবলৈ পায় এই মহাবিদ্যাৰ মাজেদি অসমীয়া জাতিয়ে যে অতি সোন-কালে নিজৰ হেৰোৱা সুৰ আকৌ ঘুৰি পাই এখন অপূৰ্ব্ব গন্ধৰ্ব্বলোক যেন নিজৰ কাম্য ভূমি সৃষ্টি কৰি লব পাৰিব সেই বিষয়ে অলপো সন্দেহ নাই। বৰ্ত্তমান সময়ত আমাৰ মাজত নৃত্যকলাৰ চৰ্চ্চা নাটকাদিৰ অভিনয় লৈও এয়াৰ কথা কব পাৰি। তৰুণ অসমৰ প্ৰাণৰ জাতীয় উচ্ছ্বাসে আজিকালি নাচ গান অভিনয়ত অসমীয়া ঠাচ আনিছে। এইটো বৰ আশাৰ কথা। আমাৰ সূত্ৰধাৰী নাচ, নটুৱা নাচ, হুচৰি নাচ, চাপৰি বজাই দিয়া নাচৰ ভাও, বহুৱা নাচ, প্ৰকৃত সঙ্গীতজ্ঞ লোকৰ হাতত পৰিলে আকৌ অসমীয়া ঠাচত নতুন নৃত্য কলাৰ সৃষ্টি হৈ অসমীয়া জাতিৰ অঙ্গ সৌষ্ঠৱ বঢ়াবৰ কথা। টোকাৰী, বীণ, কৰতাল, ঢোল, খোল, মৃদঙ্গ, ডবা, শঙ্খ এই সকলোবিলাক বাদ্যৰ সাধনা ৰাখি অসমীয়া ঐক্যতান বাদনৰ সৃষ্টি কৰিব পাৰিলে সিয়ো অসমীয়া জাতিৰ স্বকীয়া সম্পত্তি হৈ পৰিব। নাটকৰ মৌলিকত্ব ৰক্ষা কৰিবলৈ বৰ্ত্তমান সময়ত আমাৰ মাজত চাৰিউফালৰপৰা যিবিলাক সমালোচনা হৈছে সিও জাতীয় জাগৰণৰ চিন। নাটক বস্তুটো আমাৰ মাজত ধৰ্ম্ম সংক্ৰান্ত বস্তু আছিল। কাজেই তাৰ অভিনয় আমাৰ দেশত এটা স্বকীয়া কথা। এতিয়া আমাৰ নাট্যশালাবিলাক বৰ্ত্তমান কালৰ গঢ়ত গঢ়ি লব লাগিব। সকলো জাতিৰে নিজৰ একোটি স্বকীয়া অস্তিত্ব আছে। সেই অস্তিত্ব প্ৰকাশ পায় যাবতীয় বাহিৰৰ আকাৰ ইঙ্গিত চেষ্টাৰ মাজেদি। কাজেই এইবিলাক কথাত এটা জাতিৰ লগত আন এটা জাতিৰ পদ্ধতি নিমিলিলে ইটো



সিটোক হাঁহিব লগীয়া একো নেথাকে, বৰং এই কথাই ঈশ্বৰৰ সৃষ্টি বৈচিত্ৰ ৰক্ষা কৰি জগতৰ সৌন্দৰ্য্য দহোগুণে বঢ়াইছে বুলি পৰস্পৰক সম্বৰ্দ্ধনা জনোৱাহে উচিত।

আমাৰ দেশত এতিয়াও পঢ়ুৱৈ সমাজ ( Reading public ) বৰ কম। জন সাধাৰণৰ মাজত লোকশিক্ষা প্ৰচাৰ কৰিব নোৱাৰিলে সেই দেশৰ সাহিত্যই জীপাবলৈ ঠাই নাপায়। এতিয়া আগতকৈ এই বিষয়ে কিছু ঘাটতি বাঢ়িছে; যদিও সি নিচাৰ ভিতৰত পৰাগৈ নাই। মদখোৱা মানুহে যিদৰে মদ নাখালে ধৰফৰাই থাকে, কানীয়াৰ কানি নহলে যিদৰে তত নোহোৱা হয়, জন সাধাৰণৰ মাজত খবৰ কাগজ পঢ়িবলৈ সেইদৰে ঘাটতি হব লাগিব। সেয়ে হৈ উঠিলে দেশত শিক্ষাপ্ৰচাৰ অতি সোনকালে বাঢ়ি উঠিব। এই বিষয়ে ঠায়ে ঠায়ে থকা সাহিত্য সভাবিলাকে বিশেষ চেষ্টা কৰা উচিত। স্থানীয় সাহিত্য সভাবিলাকে আৰু এটা কাম কৰা মোৰ বোধেৰে নিতান্ত উচিত। প্ৰত্যেক কেন্দ্ৰতে সৰু-সুৰা মিউজিয়মৰ দৰে অনুষ্ঠান পতা উচিত। নামটো শুনোতে তৰ খাই উঠা কথা সঁচা। কিন্তু তাৰ বাস্থিকতালৈ মন নকৰিলে একো ব্যয় সাপেক্ষ কথা হব নোৱাৰে। ধৰক এই অঞ্চলত হয়তো বহুত সাঁচিপতীয়া পুথি ঘৰে ঘৰে ওলাব পাৰে। কেবা ঠাইতো দেৱালয় পুখুৰী আদি প্ৰাচীন কীৰ্ত্তি থাকিব পাৰে। সেইবিলাক সময় বুজি সংগ্ৰহ কৰি গোটোৱা বৰ টান কাম নহব। অৱশ্যে তাৰ বাবে মনত প্ৰৱল ইচ্ছা আৰু অনুসন্ধিৎসা লাগিব। অন্ততঃ এনেবিলাক কথাৰ অনুসন্ধান লৈ অনুসন্ধান সমিতি আৰু মিউজিয়মলৈ খবৰ দিব পৰা হব পাৰে। সেয়ে হৈ উঠিব যদিহে স্থানীয় সাহিত্য সভাবিলাকে নিয়ম বান্ধি সময়ে সময়ে এনেবিলাক অনুসন্ধানৰ কামত ব্ৰতী হবলৈ স্থিৰ কৰে! অন্ততঃ এনেবিলাক স্থানীয় সভাই একো একো ডোখৰ ঠাইৰ সকলো ৰকমৰ প্ৰাচীন কীৰ্ত্তিৰ একোটি ৰিপোৰ্ট তৈয়াৰ কৰি অনুসন্ধান সমিতিৰ কামৰ নিমিত্তে সুবিধা লগাই দিব পাৰে।

আমাৰ দেশত সাধুকথা, ফকঁৰা, বহুৱালি কথা এইবিলাকৰ মাজেদিও বহুত পুৰণি তথ্য আচাৰ ব্যৱহাৰ সমাজৰ ৰীতি-নীতিৰ কথা জানিব পাৰি।

তেনেবিলাক কথাৰ সমল য'তে ত'তে পোৱা যায়। তাকে কেৱল সংগ্ৰহ কৰাৰ চেষ্টা লাগে। এনে জাতীয় প্ৰাণৰ আবেগবিলাক যতে ততে পৰি থাকি নিষ্ক্ৰিয় হৈ থকাটো কেতিয়াও জাতীয় চেতনাৰ লক্ষণ নহয়। জাতিৰ উদ্ভৱ আপুনি হলেও উদ্ভাবিকা শক্তি প্ৰত্যেক জনে প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিব লাগিব আৰু সেয়ে কোনো এক ক্ষেত্ৰত শেষ কৰিহে আন এখন ক্ষেত্ৰত আকৌ হাত দিম বুলিলে নচলে। তেনে খেতিক যিদৰে বনে শোহে, জাতীয় জীৱনতো সেইদৰে এভাগ এভাগকৈ কাম শেষ কৰি লবলৈ গলে তেনে অৱস্থা ঘটে। জাতীয় জাগৰণ জানে জুবিয়ে অহা ফটিকৰ ধাৰ যেন পানী নহয়। ই বান পানীত অহা ঢল। থলকনি লগাই সকলো ঠাই বুৰাই অহা বস্তু। কৰবাত অলপ অচৰপ পাৰ ভাঙিলে একো ঠাইত পলস পেলাই উপকাৰ কৰিবই কৰিব।

পূৰ্ব্বেই কৈ অহা হৈছে যে আজি অসমীয়া সাহিত্যৰ ইতিহাস দিবৰ দৰকাৰ নাই আৰু মোৰ সেই সামৰ্থ্যও নাই। বৰ্ত্তমান সময়ৰ জাতীয় জাগৰণ ভাবে দেশবাসীৰ প্ৰাণ যিদৰে অধিকাৰ কৰিছে সেই সেই কথালৈ চাইহে আমাৰ সাহিত্য সম্বন্ধে উপস্থিত কৰ্ত্তব্যৰ বিষয়ে দু আষাৰমান কলো।

এই কথা ঠিক যে এই সময়ত আমি যদি আমাৰ ভাষা আৰু সাহিত্য সম্বন্ধে আওকাণ কৰো, এতিয়াও আমি কিছুকাল অন্তৰ্মুখী হৈ নচলো,—এতিয়াও যদি আমি লোকৰ কাহত কাহো, লোকৰ হাঁহিত হাঁহো, লোকৰ মূৰ কামোৰণিত নিজৰ কুমত চূণ সানো তেন্তে আমি নিজৰ গাত একালৰপৰা খৰে ধৰি গলেও গম নেপাম। নিজৰ গা অটাই পিটাই ৰখাটোহে প্ৰথম কাম। আজি আমি বুজিব লাগিব যে অসমীয়া হেন প্ৰাচীন ভাষা এটি অসমীয়া সাহিত্য যেন অতি প্ৰাচীন সাহিত্য, আজি লোকে অস্বীকাৰ কৰিবলৈ সাহ কৰা বস্তু হৈ পৰিছে। অথচ এই ভাষা আৰু সাহিত্যৰ মৌলিকত্ব দেখুৱাই সিদিনা সৰস্বতীৰ বৰপুত্ৰ বাণীকান্ত কাকতিদেৱে ডক্টৰেট উপাধি পালে।

তথাপি অসমীয়া ভাষা লেখৰ ভাষা নহয় বুলি কওতা লোক ওলায় ! এই কাৰণে দোষী আমি নিজেই। আমাৰ যেতিয়ালৈকে আত্মবিশ্বাস নহব তেতিয়ালৈকে কোনো ক্ষেত্ৰতে আমি নিজৰ স্বকীয়া অস্তিত্ব লোকে অনুভৱ কৰিব পৰা বস্তু কৰি তুলিব নোৱাৰিম। আজি পাঁচ শ বছৰ পূৰ্ব্বেই মহাপুৰুষ শঙ্কৰ মাধৱে যি আত্মবিশ্বাসেৰে ধৰ্ম্ম শাস্ত্ৰ ৰচনা কৰিছিল আমাৰ মনত আজি তেনে মনৰ বল লাগে। আজি আমি বুজি উঠিব লাগিব যে এই ভাষাত সম সাময়িকী সকলো প্ৰদেশৰ ভাষাক চেৰ পেলাই সকলো তথ্যৰ কথা লিপিবদ্ধ কৰা হৈছিল। আমি আজি বুকুত সাহ বান্ধি কব লাগিব যে এদিন যি ভাষাই প্ৰবল প্ৰতাপী ৰাজদণ্ডধাৰী আহোম জাতিকো পৰাস্ত ক... অসমীয়া মাতেৰে অসমীয়া সাহিত্যৰ মাজেদি দে... ৰাজশক্তিকো পৰিচালনা কৰিব পাৰিছিল, সেই ভাষা... সেই সাহিত্যই আজি আকৌ মূৰ দাঙি উঠিব। সেই... সাহিত্যই আমাৰ সকলো বিদেশীক আপোন কৰি... সেই ভাষাই সেই সাহিত্যই অসমীয়া জাতিৰ উচ্ছ্বা... ৰাশিৰ হেন্দোলনি তুলিব। তাত নাড়ুৰি সাতুৰি ... অসমে বাহুবল সঞ্চয় কৰিব। চেনেহী ভাষা জননী... সেৱাত আজি অসম সন্তান আত্মহাৰা হব। *

* বিশ্বনাথ সাহিত্য সভাৰ ২য় বাৰ্ষিক অধিবেশনৰ সভাপ... অভিভাষণৰ সাৰাংশ।

———

## গীত

— শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী, বি-এল

চিনো চিনো কৰে  
তোকে, চেনেহী !  
কৰে ৰূপহী তই ?  
দেখিছিলোঁ যেন সপোনত তাহানি  
লাহনী মুখানি মই ;—  
মোৰে পদুলিৰে পানী লৈ গৈছিলি  
থমকি থমকি বৈ,  
মোৰে ফুল বাৰীতে বকুল ফুল বুটলি  
পিন্ধিলি আতোল-তোল কৈ ;  
—জুৰিটি কুলকুল,  
গীতে উগুল থুগুল,—  
বেণুলৈ বতাহী বৈ বৈ বিয়াকুল  
সুৰাগৰ কুলিয়ে আতুৰত মাতিলে ;  
অনালি উত্ৰাৰল হৈ,  
খোপাটি খহালে, বিহা উকৰালে,  
দেখিলোঁ আলেঙে গৈ।

# সাময়িক আলোচনা

## ছভিয়েট ৰাছিয়াৰ ধৰ্ম্ম

পৃথিৱীত এনেকুৱা এখন ৰাষ্ট্ৰ আছেনে য'ত ধৰ্ম্ম নামৰ ...নো অনুষ্ঠান নাই, য'ত পূজা-পাতল নাই, সেৱা ...পাসনা নাই ? জগতৰ ৰাষ্ট্ৰীয় ঘটনা প্ৰৱাহৰ লগত সম্পৰ্ক ...া মানুহ মাত্ৰেই কব যে বৰ্ত্তমান ছভিয়েট ৰাছিয়াতেই ...ৰ্ম নাই, তাৰ মানুহেই ঈশ্বৰ নামানে বা কোনো ধৰণৰ ...ৱা উপাসনা নকৰে। ৰাছিয়াৰ কমিউনিষ্টসকলেও ...তো ততালিকে উত্তৰ দিব, লুণ্ঠনকাৰীসকলৰ বিৰুদ্ধে ...প্ৰজা-সাধাৰণৰ কাৰণে নিৰ্ম্মাণ কৰা আমাৰ উজ্জ্বল ৰাষ্ট্ৰত ...ই আধ্যাত্মিক অহিফেনৰ কোনো স্থান নাই। কাৰণ ...সেই যুগ যুগান্তৰ ধৰি প্ৰজাসকলক হেচা মাৰি ধৰি ভয়াতুৰ ...কৰি ৰাখিছে।

"কথাটো বৰ আমোদজনক, কিন্তু সঁচা নহয়" এই ...ুনি এডৱিন আৰ এম্ব্ৰী (Edwin R. Embree) নামেৰে ...এজন চিন্তাশীল লিখকে অলপতে ইণ্টাৰ নেশ্যনেল জাৰ্ণেল ...ৰ এখিল্ল নামৰ এখন তিনিমহীয়া আলোচনীত লিখিছে।

"আজি ৰাছিয়া পৃথিৱীৰ ভিতৰত আটাইতকৈ ধৰ্ম্মভীৰু ৰাষ্ট্ৰ ;" তেওঁ ...: "ছভিয়েট ৰাছিয়াৰ সকলো প্ৰদেশতে, সকলো নগৰতে প্ৰজাবৃন্দই ...কৰিছে। ই কেৱল মুখেৰে ওপৰে ওপৰে প্ৰাৰ্থনা জনোৱাই নহয় ; ...অন্তৰৰ ভক্তি আৰু ইয়েই সেৱকসকলৰ জীৱনৰ আদৰ্শ গঠন ...ৰি তেওঁলোকক শাসন কৰিছে। স্কুলত, ফেক্টৰিত আৰু মুকলি ...বিলাকত সকলো মানুহ উবুৰি খাই ভগৱানৰ স্তুতিগান কৰে আৰু ...নীত শিৰ অৱনত কৰে।"

মিঃ এম্ব্ৰীয়ে কয় যে অন্যান্য ধৰ্ম্মৰ নিচিনাকৈ ৰাছিয়াৰ ...এই অভিনৱ ধৰ্ম্মৰো কিছুমান বাহিক অনুষ্ঠান আছে।

"উদাহৰণ স্বৰূপে কবলৈ গলে, প্ৰত্যেক ধৰ্ম্মৰেই একোজন ধৰ্ম্মগুৰু ...কে। ৰাছিয়াৰ সেই পবিত্ৰ মূৰ্ত্তি হৈছে লেনিন। জন ডি বেপ্টিষ্টে ...যেনেকৈ এজন নতুন ধৰ্ম্মাৱতাৰৰ আগমনী বাৰ্ত্তা প্ৰচাৰ কৰিছিল কাৰ্ল ...মাৰ্ক্সেও ৰাছিয়াৰ নতুন ধৰ্ম্মৰ সংবাদ প্ৰচাৰ কৰিছিল। খৃষ্টিয়ান গীৰ্জাৰ ...প্ৰথম শিষ্য হবে ষ্টেলিন, কেলিনিন আদিও ৰাছিয়াৰ এই নতুন ধৰ্ম্মৰ ...প্ৰথম শিষ্য।"

ইয়াৰ উপৰিও মূৰ্ত্তি পূজা এই ধৰ্ম্মৰ এটা বিশিষ্ট লক্ষণ—

"কিন্তু এই প্ৰচলিত মূৰ্ত্তিবোৰে বিদ্ধ যীশুখৃষ্টৰ প্ৰতিমূৰ্ত্তি অঙ্কিত কৰি দেখুৱা নাই, মাথোন এইবিলাকে কৰ্ম্মঠ লেনিন, ৰাজনীতিক ষ্টেলিন আৰু অন্যান্য সমাজ তন্ত্ৰবাদীসকলৰ ছবি প্ৰকটিত কৰিছে। এই মূৰ্ত্তিবোৰ শিলত বা তামত বা লোহাত খোদিত কৰা আৰু প্ৰত্যেক স্কুলত, পাবলিক স্কোৱেৰত, হস্পিতালত আৰু ফেক্টৰিবিলাকত এই মূৰ্ত্তি বিলাক দেখিবলৈ পোৱা যায়।



জ'ছেফ ষ্টেলিন

"উচ্চ বংশজাত লোকসকলক, আভিজাত্যাভিমানীসকলক আৰু শিক্ষাগৰ্ব্বী লোকক হেচি ৰখা, নগৰবাসীসকলক নিৰ্য্যাতন কৰি মৰা আৰু হেজাৰ হেজাৰ খেতিয়কক খাবলৈ নিদিয়াকৈ লঘোনে ৰখা এই আটাইবিলাক জেহভাৰ নামত ইজৰায়েলত যুদ্ধ কৰা আৰু মহম্মদ আৰু কোৰ্-আনৰ নামত ৰক্তপাত কৰা কথাবিলাকৰ লগত কেনেকৈ মিলি যায় !"

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে যে লেনিনৰ ধৰ্ম্ম কেৱল জড়বাদ বা বস্তুবাদ ; আধ্যাত্মিক উন্নতি এই ধৰ্ম্মৰ লক্ষ্য নহয়। ইয়াৰ উত্তৰত মিঃ এম্ব্ৰীয়ে কৈছে—

"পৃথিৱীৰ সকলো ধৰ্ম্মই প্ৰথমতে সামাজিক উন্নয়ন আৰু সংস্কাৰৰ ফালেহে মন দিছিল। পাছতহে সেই সেই ধৰ্ম্মাৱলম্বী নেতাসকলে পাৰ্থিব জীৱনৰ সংস্কাৰৰপৰা পৰকালৰ জীৱনৰ উন্নতিৰ ফালে মনোনিৱেশ কৰে।

"যীশুখৃষ্টই প্ৰথমতে সেই কালৰ সমাজৰ শ্ৰেণীভেদ কুসংস্কাৰ আৰু বাহ্যিক ধৰ্ম্মৰ ক্ৰিয়া-কাণ্ডবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিছিল আৰু তেখেতে জীৱিত মানুহৰ ব্যক্তিত্ব বান্ধোনৰপৰা মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। লেনিনেও মানুহক অৰ্থনীতিক বান্ধোনৰপৰা মুক্ত কৰিবলৈ বিচাৰিছিল। এথন বাস্তৱ জগততে যীশুখৃষ্টই আধ্যাত্মিক আৰু শাৰীৰিক উভয় প্ৰকাৰে ক্ষুধাতুৰক এমুঠি খুৱাবলৈ আৰু বেমাৰীক শুশ্ৰূষা কৰিবলৈ জীৱন বিলাই দিছিল। সেইদৰে নতুন অৰ্থ নীতিক শাসনৰ তলত ৰেভিয়কসকলে ইহকালৰ জীৱন সুখত থাই-বৈ কটোৱাৰ উপৰিও তেওঁলোকৰ আধ্যাত্মিক উন্নতিৰ ফালে আৰু বনুৱাসকলৰ ব্যক্তিত্ব বিকাশৰ ফালে লেনিনে লক্ষ্য কৰি সেইবিলাক বুজাই দিছিল।"

বৌদ্ধ ধৰ্ম্ম আৰু ইছলামৰ লগত ৰাছিয়াৰ এই নতুন ধৰ্ম্ম তুলনা কৰি মিঃ এণ্ড্ৰীয়ে কৈছে—

"গৌতমে তেওঁৰ দিনৰ পুৰোহিত শ্ৰেণী আৰু শ্ৰেণী বিভাগৰ আৱশ্যকতা অস্বীকাৰ কৰিছিল। তেওঁ সঙ্ঘবদ্ধ বা কিছুমান নিয়মৰ দ্বাৰা আবদ্ধ ধৰ্ম্মৰ বিৰুদ্ধে অভিযান চলাইছিল। ঠিক লেনিনেও তাকেই কৰিছিল। তেওঁৰ মনেৰে তেনেকুৱা ধৰ্ম্মই মানুহৰ পূৰ্ণ বিকাশত বাধা জন্মায়। 'মানুহে নিজৰ চেষ্টাৰ দ্বাৰা জীৱন গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে', লেনিনে কৈছিল, 'উন্নত ধৰণেৰে জীৱন যাপন কৰা আৰু সৎ চিন্তা কৰাৰ বাহিৰে ক'তো মুক্তি নাই।' বুদ্ধই পৰজন্মৰ কথা বিশ্বাস নকৰিছিল। তেওঁৰ দিনত তেওঁ এজন অ-ধৰ্ম্মীৰ দৰে আছিল। সেইদৰে আজিও ৰাছিয়াৰ প্ৰত্যেকজন কমিউনিষ্টেই ধৰ্ম্মহীন বুলি পৰিগণিত।

"মহম্মদেও সেইদৰে পোনতে আৰব জাতিবিলাকৰ ৰাজনৈতিক আৰু সামাজিক সংস্কাৰৰ ফালে মন দিছিল।

"আজি ৰাছিয়াৰ এই নব ধৰ্ম্মৰ ক্ৰম-বিকাশৰ লগে লগে লেনিনবাদে ভৱিষ্যতৰ স্বৰ্গৰাজ্য লাভৰ ফালে লক্ষ্য ৰাখিছে। আৰু ৰাছিয়াৰ এই স্বৰ্গৰাজ্যই হৈছে ভৱিষ্যতৰ কমিউনিষ্ট ষ্টেট বা সমাজ তন্ত্ৰবাদৰ ৰাষ্ট্ৰ।"

## অসম মাৰোৱাৰী কনফাৰেন্সৰ সভাপতিৰ অভিভাষণ

যোৱা ৯ নৱেম্বৰ তাৰিখে ডিব্ৰুগড়ত শ্ৰীযুত প্ৰভুদয়াল হিমৎসিঙ্কা এটৰ্নি-এট-ল ডাঙৰীয়াৰ সভাপতিত্বত সদৌ অসম মাৰোৱাৰী কনফাৰেন্সৰ প্ৰথম অধিবেশন হৈ গল। সভাপতি ডাঙৰীয়াই মাৰোৱাৰীসকলক বেহা-বেপাৰ সম্পৰ্কে বিভিন্ন পথ নিৰ্দ্দেশ কৰাৰ উপৰিও বাণিজ্য ক্ষেত্ৰত অসমীয়াৰ ভাগ সম্পৰ্কে এই বুলি কৈছিল :—

"নিজ প্ৰদেশৰ মানুহৰ হাতত ব্যৱসা বাণিজ্য নথকা কেইখনমান ভাৰতৰ প্ৰদেশৰ মাজত অসমো এখন। এই প্ৰদেশৰ কাৰবাৰ আৰু বাণিজ্যৰ সৰহ ভাগেই ইংৰাজৰ হস্তগত, আৰু বাকীখিনি এই প্ৰ… বাস কৰা মাৰোৱাৰী আৰু আন সম্প্ৰদায়ৰ মানুহৰ হাতত। এনে … প্ৰদেশৰ মানুহবিলাকৰ মনোযোগ এই অৱস্থাটোলৈ আকৰ্ষিত হোৱা… একেবাৰে স্বাভাৱিক। ইংৰাজবিলাক এই প্ৰদেশৰ শাসক; এই কাৰ… সেই ফাললৈ দৃষ্টিপাত কৰাটো সকলোৱে নিমিত্তে দুষ্কৰ। … অসমীয়াৰ মনোযোগ মাৰোৱাৰী আৰু আন প্ৰদেশৰপৰা অহা … হাতত থকা কাৰবাৰ আৰু ব্যৱসায়লৈ আকৰ্ষিত হৈছে। অসমৰ … নিজ প্ৰদেশৰ কাৰবাৰ আদি নিজৰ হাতত লবলৈ চেষ্টা কৰাটো … দূষণীয় নহয়। তেওঁলোকৰ তেনে চেষ্টা সম্পূৰ্ণ শলাগিবলী… তেওঁলোকে যদি এলাহ এৰি ব্যৱসায়ত উন্নতি কৰিবলৈ আগবাঢ়ি … কাৰবাৰ আৰু বেহা-বেপাৰত থকা আন আন লোকে তেওঁলো… লগত সহযোগিতা কৰিব লাগে আৰু সহায় দিব লাগে। কিন্তু দুৰ্ভা… ক্ৰমে এই সমস্যাটিয়ে সঙ্কীৰ্ণ প্ৰাদেশিকতাত পৰিণত হৈছে আৰু … প্ৰদেশৰ মানুহৰ মনত অইন প্ৰদেশৰ মানুহৰ প্ৰতি ঘৃণা আৰু … ভাৱৰ সৃষ্টি কৰিছে।"

ইয়াৰ পাছত তেওঁ মাৰোৱাৰীসকলক অসমীয়াৰ … মিলা-প্ৰীতিৰে বাস কৰিবলৈ এই বুলি উপদেশ দি কৈছি…

"আপোনালোকে অসমীয়া প্ৰজাসকলৰ লগত নিজকে অভি… ভাবিব আৰু অসমৰ অৱস্থা উন্নতি কৰিবৰ কাৰণে সকলো প্ৰকাৰ… কৰিব। আপোনালোকে যি ঠাইত বাস কৰিছে তাৰ প্ৰত্যেক… সাহিত্যিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু বাণিজ্য… সকলো সমস্যাতে ভাগ গ্ৰহণ কৰা উচিত। অসমৰ স্বাৰ্থ সংৰক্ষণ … যদি কেতিয়াবা যুদ্ধও কৰিবলগীয়া হয় তেনেহলে আপোনালোকে … অসমীয়াৰ দৰে যুদ্ধ কৰিব লাগিব আৰু অসমীয়া প্ৰজাসকলক … কৰিব লাগিব।"

পৰিশেষত শ্ৰীযুত সভাপতি ডাঙৰীয়াই ভাৰ… বৰ্ত্তমান নতুন শাসন সংস্কাৰ সমালোচনা কৰি কয় যে … শাসন সংস্কাৰৰ প্ৰধান দোষ হৈছে যে ই ভাৰতৰ বি… সম্প্ৰদায়বিলাকৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰি… সেইদেখি তেখেতে কয় যে যাতে এই সম্প্ৰদায়বিলা… মাজত সদায় সম্ভাৱ থাকে তাৰ বাবে সকলো প্ৰকাৰ… উপায় অৱলম্বন কৰা উচিত।

## আমাৰ জীৱন মৰণ সমস্যাৰ সমাধান কৰা যায় কেনেকৈ?

উক্ত শিৰোনামাৰে যোৱা ২০ কাতিৰ দৈনি… বাতৰিত শ্ৰীযুত জ্ঞাননাথ বৰা বি-এল, এড্ভকেট … টি বিবৃতি প্ৰকাশ কৰিছে। অসম দেশৰ সমস্যাবিলাক … ভাৰতৰ অন্যান্য প্ৰদেশৰ সমস্যাবিলাকতকৈ ভালেখিনি … বিষয়ত পৃথক তাত তেখেতে এই কথাৰ সমালোচনা … কৰিছে। অসমৰ সমস্যাবিলাক হাতত লবলৈ **"অসমীয়া জাতীয় সম্মিলন"** নাইবা তেনে ধৰণৰ এটি বৃহৎ অনুষ্ঠান … বাৰ প্ৰস্তাৱ দিছে আৰু ইয়াৰ যোগেদিয়েই কাউন্সিল, … লোকেলবৰ্ড, মিউনিছিপেলিটি আদিত সোমাই আমাৰ … নিজৰ সমস্যাবিলাক সমাধান কৰাৰ যুক্তি দাঙি ধৰিছে। … পৰিশেষত তেখেতে কৈছে :—

"এই সম্মিলন ভাৰতবৰ্ষৰ কোনো গাই সভাৰ তলতীয়া নহয়। … আমাৰ উদ্দেশ্যৰ লগত সেই সভাৰ উদ্দেশ্য মিল হব নোৱাৰে। … কোনো এটা গাই অনুষ্ঠানৰ ঠাল বা তলতীয়া সৰু অনুষ্ঠান নহলে … আমি নিঠৰুৱা হম, যেন আমি জগতত অকলশৰে থাকিব নোৱাৰিম, … মনত দেখা যায়। বাস্তৱতে এই ভয়ৰ কোনো ভিত্তি … । অসমীয়া জাতিক ভাৰতবৰ্ষৰ কোনো প্ৰদেশে সহায় কৰা নাই … নকৰে। আমাৰ জাতিক মাৰিবলৈহে সকলো সাজু হৈছে। … চাৰিউপিনৰপৰা চেপিছে কোনে? ভাৰতৰ প্ৰদেশবোৰৰ … নহয়নে? অসমীয়াৰ এই দুৰ্দ্দিনত বঙ্গদেশে সহায় কৰা দূৰৈত … জাতিক নিপাত কৰিবলৈ আগ বাঢ়িছে। কলিকতাৰ কংগ্ৰেছ … বাতৰি কাকতবোৰে অসম কেৱল অসমীয়াৰ নহয় বঙালীৰো … কথা প্ৰচাৰ কৰিছে আৰু অসমত বঙ্গসৃষ্টি কৰিবলৈ বঙালীক উদগাই … । সেইদৰে আন আন প্ৰদেশৰ লোকেও তোমাৰ বেহা-বেপাৰ … সমস্ত কাঢ়ি নিছে। কোনো প্ৰদেশ তোমাৰ ফলীয়া … । এটায়ে তোমাৰ হাতে মৃত্যু হয় তাৰ চেষ্টা কৰিছে।

"অসমীয়া জাতিয়ে নিজ বাউলীৰ বলে উঠিব লাগিব। কোনোৱে … পুতৌ নকৰে। ভাৰতবৰ্ষৰ গাত আঁউজি যে নিস্তাৰ পাব … সেই আশা মিছা। নিজে শক্তিমন্ত হব নোৱাৰিলে কেৱে … উৱলি নাচায়। গাত বল হলে এটায়ে ভয় কৰিব আৰু পতিহা … । তেতিয়া জগতত তুমি স্থান পাবা। তেতিয়া ভাৰতবৰ্ষই … কোলাত লব। আজি অসমীয়া জাতি নিশকতীয়া গুণেহে অসম … নহয় বুলিবলৈ যেয়ে সেয়ে সাহ কৰিছে। বঙ্গদেশ বঙালীৰ … পাঞ্জাব পাঞ্জাবীৰ নহয় এনে কথা কবলৈ কাৰোবাৰ সাহ আছেনে? … এনেহে কাল পৰিল, যি অসম মহা ভাৰতৰ দিনৰপৰা বৃটিছৰ … আগলৈকে এখন প্ৰবল স্বাধীন স্বকীয়া ৰাজ্য হৈ আছিল, সেই … অসমীয়াৰ নহয় বুলিবলৈ এটা সহস্ৰ বছৰীয়া পৰাধীন জাতিয়ে … কৰিছে। বৰ্ত্তমান সমস্যাবোৰ খণ্ডন হলে অসমীয়াই অসীম বল … তাত কোনো সন্দেহ নাই। সৰ্ব্ব প্ৰথম ভাৰতৰ প্ৰদেশবিলাকৰ আক্ৰমণৰপৰা আমাক ৰক্ষা কৰিব লাগিব নহলে ভাৰতবৰ্ষৰে হেঁচাত আমাৰ মৰণ অনিবাৰ্য্য।"

## কংগ্ৰেছী আন্দোলন কি

কংগ্ৰেছ আন্দোলনটোনো কি, ই বৃটিছ শাসনতকৈ কোন কোন বিষয়ত পৃথক হব আৰু এই আন্দোলনে দুখীয়া ভাৰতবাসীৰ কি উপকাৰ কৰিব এই সম্পৰ্কে যোৱা ৯ নৱেম্বৰৰ **অসমীয়াত** শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা বি-এল দেৱে এটি বিবৃতি দি বুজাই দিছে।—

"পৃথিৱীৰ সকলো দেশৰ ৰাজনৈতিক আন্দোলন হৈছে গাইকৈ ভাত কাপোৰৰ আন্দোলন। যেতিয়াই দেশৰ মানুহৰ ভাত-কাপোৰৰ হাহাকাৰ হয়, দেশৰ মানুহ লঘোনে, আধাপেটে থাকিবলগীয়া হয়, তেতিয়াই ৰাজনীতিক আন্দোলন হব হব কৰে বাঢ়ি আহে। কংগ্ৰেছী আন্দোলনো দেশৰ দাৰিদ্ৰ্য আৰু ভাত-কাপোৰৰ হাহাকাৰ গুচাবলৈ কৰা এটা বিপুল প্ৰচেষ্টা। কংগ্ৰেছৰ আদৰ্শ আৰু চেষ্টা সফল হলে দুখীয়াৰ ভাত মুঠিৰ হাহাকাৰ গুচিব, বেমাৰীয়ে ঔষধ পাব, ফটাকানি পিন্ধাই পিন্ধিবলৈ এডুখৰি কাপোৰ পাব।"

ইংৰাজ শাসনৰ তলত ভাৰতবৰ্ষৰ আৰু অসমৰ কেনেকৈ কোটি কোটি টকা ধাৰ লাগিছে, ইয়াৰ গাই কাৰণ যে বিপুল সামৰিক খৰচ আৰু ছৰকাৰী বিষয়াসকলৰ অতি সৰহীয়া দৰ্ম্মহা তাক শ্ৰীযুত বৰুৱাদেৱে পৰিষ্কাৰকৈ দেখুৱাই দিছে। তাৰ পাছত ভাৰতে স্বৰাজ লাভ কৰিলে ভাৰতৰ শাসনভাৰ কেনেকুৱা হব এই বিষয়ে তেখেতে কৈছে :—

"যদি স্বৰাজ প্ৰতিষ্ঠা হয়, যদি কংগ্ৰেছ আন্দোলন জয়যুক্ত হয়, তেন্তে দেশৰ ৰাজহৰ বেছি ভাগ প্ৰকৃত দেশ হিতকৰ কামত খৰচ হব আৰু দেশবাসীৰ কান্ধত টেক্সৰ গুৰুভাৰ নপৰিব। দেশবাসীৰ এমুঠি খোৱাৰ দিহা কৰিবলৈ হলে, তেওঁলোকৰ বেমাৰত এপালি দৰব দিবলৈ হলে, নিৰক্ষৰতা দূৰ কৰিবলৈ হলে কৰ-কাটলৰ বোজা কমাব লাগিব আৰু যথা সম্ভৱ কম খৰচতে দেশৰ শাসন ভাৰ চলাব লাগিব। একমাত্ৰ দেশৰ মানুহৰ প্ৰতিনিধিৰ হাতলৈ দেশৰ শাসন ভাৰ আহিলেহে, যথাৰ্থ স্বৰাজ হলেহে এই কাম সম্ভৱপৰ হব। কংগ্ৰেছে এই উদ্দেশ্য লৈ যুঁজি আহিছে, এতিয়াও এই যুদ্ধৰ বিৰতি হোৱা নাই। কংগ্ৰেছৰ এই উদ্দেশ্য কেতিয়া সিদ্ধি হব, সি নিৰ্ভৰ কৰিছে কংগ্ৰেছৰ দৈতে দেশৰ সৰ্ব্বসাধাৰণৰ, দেশৰ পেতিয়ক বনুৱাৰ সহযোগিতাৰ পৰিমাণৰ ওপৰত। কংগ্ৰেছৰ আদৰ্শ জাতীয় আদৰ্শ, এই আদৰ্শৰ লগত অসমীয়াৰ নিজা সমস্যাৰ বিৰোধ নাই।"

———

# বিশ্ব-প্ৰৱাহ

## জেনেভাত ইটালিৰ প্ৰতিনিধি

যোৱা ৪ ছেপ্টেম্বৰ তাৰিখে ইটালি-এবিছিনিয়াৰ সমস্যা মীমাংসাৰ কাৰণে জেনেভাত জাতি সংঘৰ কাউন্সিলৰ এক অধিবেশন বহে। প্ৰথমতে ইংলণ্ড আৰু ফ্ৰান্সৰ প্ৰতিনিধি যথাক্ৰমে মিঃ এণ্ঠনি ইডেন আৰু মঃ লাভালে ইটালি এবিছিনিয়াৰ মাজত আপোচ মিট-মাটৰ কাৰণে প্ৰস্তাৱ উপস্থিত কৰিছিল। কিন্তু ইটালিৰ প্ৰতিনিধি বেৰণ এলইছিয়ে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে আৰু এবিছিনিয়াৰ বিৰুদ্ধে এটি সুদীৰ্ঘ অভিযোগ উপস্থিত কৰে। এই অভিযোগত ইটালিৰ ফালৰপৰা কোৱা



জেনেভাত ইটালিৰ প্ৰতিনিধি বেৰণ এলইছি।

হয় যে এবিছিনিয়াক ইটালিৰ লগত সমান মৰ্য্যাদা দিলে ইটালিয়ে সেই বৈঠকৰ কোনো আলোচনাত যোগ নিদিব।

পিছদিনা ৫ ছেপ্টেম্বৰ তাৰিখে বেৰণ এলইছি এবিছিনিয়াৰ প্ৰতিনিধি বিখ্যাত আইনজ্ঞ মিঃ জেজে বক্তৃ দিওঁতে কাউন্সিল টেবুলত বহিবলৈ অস্বীকাৰ কৰি তাৰপ



জেনেভাৰ কাউন্সিল বৈঠকত ইটালিৰ শূন্য আসন।

ওলাই গুচি যায়। তাৰ পাছত ইটালিৰ দ্বিতীয় প্ৰতিনি ছিনৰ ৰকৰে সেই আসনত বহি ১০ মিনিটমান মাথো মিঃ জেজৰ বক্তৃতা শুনিয়েই পুনৰ সভাস্থল পৰিত্যাগ কৰা ইয়াৰ পিছত ইটালিৰ শূন্য আসনে কাউন্সিল ঘৰত শো পায়। কিন্তু ৬ ছেপ্টেম্বৰ তাৰিখে ছিনৰ মুছলিনি আ বেৰণ এলইছিৰ মাজত টেলিফোনৰ যোগে ভালেখিনি সময় কথা বতৰাৰ পিছত ইটালিয়ে তেওঁলোক আপত্তি উঠাই ললে। ইয়াত দিয়া প্ৰথমখন ছবিত দে গৈছে যে টেবুলৰ সোঁমাজতে মূৰত হাত থোৱাজন ফ্ৰান্স প্ৰধান মন্ত্ৰী মঃ লাভাল। তেওঁৰ বাওঁ ফালে প্ৰথমখন শূন্য আসন ইটালিৰ আৰু দ্বিতীয় জাৰ্ম্মানিৰ।

## ইংলণ্ডত থকা ইটালি আৰু এবিছিনিয়াৰ ৰাজ প্ৰতিনিধি দ্বয়

ইংলণ্ডত ইটালিয়ান গৱৰ্ণমেণ্টৰ প্ৰতিনিধিত্ব কৰা ৰাজ দূতৰ নাম ছিনৰ ডিন' গ্ৰেণ্ডি। আৰু এবিছিনিয়ান গৱৰ্ণমেণ্টৰ ৰাজদূতৰ নাম ডাক্তৰ মাৰ্টিন।

ছিনৰ গ্ৰেণ্ডি ডাক্তৰ মাৰ্টিনতকৈ ত্ৰিশ বছৰৰ সৰু হলেও এওঁ ইটালিৰ ফেছছিষ্ট শাসনৰ তলত অনেক দায়িত্বপূৰ্ণ চৰকাৰী কামত নিয়োজিত হৈছে। মহাসমৰত তেওঁ উপযাচি যুদ্ধ ক্ষেত্ৰলৈ গৈ শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰি কৃতকাৰ্য্যতা দেখুৱাৰ পৰাত কেপ্তেইন পদ লাভ কৰে আৰু অনেক পদক পুৰস্কাৰ পায়। যদ্ধৰ পাছত তেওঁ সাংবাদিক



ইংলণ্ডত ইটালিৰ ৰাজদূত ছিনৰ গ্ৰেণ্ডি

হয় আৰু উত্তৰ ইটালিত ফেছছিষ্ট দল সংগঠন কৰে। ছিনৰ গ্ৰেণ্ডিয়ে ইটালিৰ পৰৰাষ্ট্ৰ বিভাগত আণ্ডাৰ ছেক্ৰেটৰি আৰু পাছত মন্ত্ৰী হয়। তিনি বছৰ পৰৰাষ্ট্ৰ সচিব হোৱাৰ পাছত তেওঁ ১৯৩২ চনৰপৰা ইংলণ্ডত ইটালিৰ এম্বেছেডৰ বা ৰাজদূত নিযুক্ত হয়।

ইংলণ্ডত থকা ইটালিৰ ৰাজদূত ভৱনটো বৰ ধুনীয়া আৰু জমকৈ সজোৱা। ছিনৰ গ্ৰেণ্ডিয়ে নানা ধৰণৰ মূল্যৱান চিত্ৰ সংগ্ৰহ কৰি এই ভৱনটো সজ্জিত কৰি ৰাখিছে। বহুত দিনৰ আগত ছিনৰ মুছলিনিয়েও এই ঘৰটোত ৰাখিবৰ কাৰণে ভালেখিনি ছবি পঠিয়াই দিছিল।

এবিছিনিয়াৰ ৰাজদূত ডাক্তৰ মাৰ্টিনৰ বয়স বৰ্ত্তমান সত্তৰ বছৰ। এখেতৰ জীৱন বৰ বৈচিত্ৰ্যপূৰ্ণ। ১৮৬৯ খৃঃ ত যেতিয়া ছাৰ চাৰ্লছ নেপিয়াৰে বৃটিছৰ সৈন্য বাহিনীক



লৈ এবিছিনিয়া ত্যাগ কৰে তেতিয়া এজন কৰ্ম্মচাৰীৰ চাকৰে এটাই তেখেতক এটি সৰু লৰা দিয়েহি। ছাৰ নেপিয়াৰে লৰাটো ভাৰতবৰ্ষলৈ লৈ আহে। ইয়াৰ পাছত



ইংলণ্ডত এবিছিনিয়াৰ ৰাজ প্ৰতিনিধি ডাক্তৰ মাৰ্টিন। তেখেতৰ মূৰৰ ওপৰত এবিছিনিয়াৰ ৰজা ৰাণীৰ ছবি।

কৰ্ণেল মাৰ্টিনে এই লৰাটিৰ তত্ত্বাৱধান লৈ ইয়াৰ নাম থলে চাৰ্লছ মাৰ্টিন। ইয়াৰ পাছত লৰাটোক বিলাতলৈ লৈ যায় আৰু তাতে এই উপাধি লাভ এওঁ কৰে।

ডাক্তৰ চাৰ্লছ মাৰ্টিন পিছত ব্ৰহ্মদেশত ছিভিল ছাৰ্জ্জন পদত নিযুক্ত হয়। ইয়াৰ পিছত তেওঁ কেবা ঠাইতো এই কাম কৰে। ১৯০৮ চনত এওঁ এবিছিনিয়াৰ ৰজা মেনিলিকৰ কৃপা লাভ কৰি তেখেতৰ ভিতৰুৱা উপদেষ্টা হয়। সেই বছৰতে তেওঁ আগৰ জন স্বৰ্গীয় ৰজা মেনিলিকৰ ভাগিনীয়েকক বিয়া কৰে। আকৌ ১৯১৪ চনত ডাক্তৰ মাৰ্টিন ছিভিল ছাৰ্জ্জন হৈ ব্ৰহ্মদেশলৈ উভতি আহে। ১৯১৯ চনত যেতিয়া তেওঁ অৱসৰৰ আগতে ছুটী লৈ এবিছিনিয়ালৈ ঘূৰি যায় তেতিয়া এবিছিনিয়াৰ ৰজাই তেওঁক এখন প্ৰদেশৰ শাসনকৰ্ত্তা ( governor ) পাতে। ইয়াৰ পাছত তেওঁ ইংলণ্ডৰ ছেইণ্ট জেম্‌ছ প্ৰাসাদত এবিছিনিয়াৰ ৰাজদূত নিযুক্ত হয়।

## আকাশীযান নিৰ্ম্মাতা মিঃ ডি, ডব্লিউ, ডগলাছ

মিঃ ডনেল্ড ৱিলছ ডগলাছ এজন বিখ্যাত আমেৰিকাৰ আকাশীযান নিৰ্ম্মাণকাৰী। এওঁ ১৯২০ চনতে ব্যৱসায় হিচাপে আকাশীযান নিৰ্ম্মাণ কৰিবলৈ আৰম্ভ কৰে আৰু ইয়াত তেওঁ বিপুল কৃতকাৰ্য্যতা লাভ কৰে। এতিয়াও তেওঁৰ নিৰ্ম্মাণাগাৰত ৩,০০০ মানুহে কাম কৰে। মিঃ ডগলাছে এতিয়ালৈকে আমেৰিকাৰ সৈন্যবিভাগক ৮৮২ খন, নৌ বিভাগক ১০৫ খন, ডাক বিভাগক ৫০ খন, উপকূল



আমেৰিকাৰ বিখ্যাত আকাশীযান নিৰ্ম্মাতা মিঃ ডনাল্ড ৱিলছ ডগলাছ

ৰক্ষকক ১৩ খন, বিদেশৰ ৰাজ্যবিলাকক ৯০ খন আৰু অসামৰিক বিমান কোম্পানিক ৭০ খন আকাশীযান বিক্ৰী কৰিছে।

## ৰাছিয়াৰ বিমান বাহিনী

কোনো কোনোৰ মতে ৰাছিয়াৰ বিমান বাহিনীয়েই পৃথিবীৰ ভিতৰত আটাইতকৈ বেছি শক্তিশালী। বৰ্ত্তমান ৰাছিয়াত "ৰে'ড এয়াৰ ফ্লীট" বুলি যি এটা বিপুল



ৰাছিয়াৰ বিখ্যাত বৈমানিক নিকলাই এভ্‌ডকিমফ্‌।

বিমান বাহিনী আছে ই ভবিষ্যতে পৃথিবীত শান্তি ভঙ্গ কৰি বিপদ সূচনা কৰিব বুলি অনেকে ধাৰণা কৰিছে।

ছভিয়েট ৰাছিয়াই চৰকাৰীভাৱে আকাশীযানৰ মুঠ সংখ্যাৰ হিচাপ প্ৰকাশ নকৰিলেও অন্যান্য দেশবিলাকে অনুমান কৰিছে যে বৰ্ত্তমান ৰাছিয়াত ৩,২০০ খন প্ৰথম শ্ৰেণীৰ আৰু ১,১০০ খন দ্বিতীয় শ্ৰেণীৰ সামৰিক আকাশীযান আছে।

ফ্ৰান্সৰ বেগী বিমান বীৰ মিঃ ৰডছে ৰাছিয়াত বহু দিন ভ্ৰমণ কৰি আহি ফ্ৰান্সৰ বাতৰি কাকতবিলাকত প্ৰকাশ কৰিছে যে বৰ্ত্তমান ৰাছিয়াৰ ৫,০০০খন প্ৰথম শ্ৰেণীৰ সামৰিক আকাশীযান আৰু ১০,০০০ জন শিক্ষাপ্ৰাপ্ত চালক প্ৰস্তুত আছে। কেই বছৰমানৰ ভিতৰতে ৰাছিয়াৰ সামৰিক উৰা জাহাজৰ সংখ্যা ১০,০০০ খন হব আৰু এই বিমান বাহিনী পৃথিবীৰ সকলো জাতিৰ বিমান বাহিনী সমষ্টিতকৈ বহুত গুণে শ্ৰেষ্ঠ হব।



বৰ্ত্তমান ৰাছিয়াৰ আটাইতকৈ বিখ্যাত বৈমানিক জনৰ নাম নিকলাই এভ্‌ডকিমফ্‌। তেওঁ এতিয়ালৈকে আকাশীযানৰপৰা 'পেৰাচুট'ৰ সহায়েৰে এশবো বেছি জাপ মাৰিছে। তেওঁ অলপতে ২৬,৫৭৫ ফুট ওখৰপৰা জাপ মাৰি পৃথিবীক চমৎকৃত কৰিছে। তেওঁ এই জাপ মাৰোতে মাটিত নামিবলৈ ১৪২ ছেকেণ্ড সময় লাগিছিল।

## ইটালিৰ মৌন ৰজা ভিক্টৰ ইমানুৱেল

বৰ্ত্তমান ইটালি আৰু এবিছিনিয়াৰ মাজত যি যুদ্ধ হৈছে এই সম্পৰ্কে ইটালিৰ ৰজা ভিক্টৰ ইমানুৱেলে মাত এষাৰো নমতাত অনেক আচৰিত হোৱাটো স্বাভাৱিক। ইটালিৰপৰা যুদ্ধ কৰিবলৈ পূব আফ্ৰিকালৈ হাজাৰ হাজাৰ যিবিলাক সৈন্য গৈছে তেওঁলোকক ইটালিৰ ৰজাই এবাৰো পৰীক্ষা কৰি চোৱা নাই। সেইদেখি এখেতক "সৰ্ব্বজন অবিদিত ৰজা" বুলি আখ্যা দিব পাৰি।

কিং ভিক্টৰ ইমানুৱেলৰ বয়স বৰ্ত্তমান ছয়ষষ্টি বছৰ আৰু তেখেত ইটালিৰ সিংহাসনত আৰোহন কৰা এতিয়া পয়ত্ৰিশ বছৰ হৈছে। এখেতৰ জন্ম নেপলছত। একইশ বছৰ বয়স নৌ হওঁতেই এখেতে সৈন্য বিভাগত প্ৰৱেশ



ইটালিৰ ৰজা ভিক্টৰ ইমানুৱেল

কৰে; আৰু নিজৰ তীক্ষ্ণ দক্ষতাৰ গুণত সাতাইশ বছৰ বয়সত এখেত নেপলছৰ প্ৰধান সেনাপতিৰ পদত অধিষ্ঠিত হয়।

কিন্তু কিং ইমানুৱেলৰ মন পিছত ক্ৰমান্বয়ে জ্ঞান আৰু পাণ্ডিত্য লাভৰ ফালে ঢাল খোৱাত তেখেতে ৰাষ্ট্ৰৰ ফালে বেছি মন নিদি কিতাপ ৰচনা কৰা আৰু পুৰণি মুদ্ৰা সংগ্ৰহত মনোনিবেশ কৰে। তেখেতৰ এই দুই বিভাগত দেখুৱা ৰাপ আৰু দক্ষতা সকলোৱে স্বীকাৰ কৰিছে, কিন্তু এখেত এনে শান্তিপ্ৰিয় হৈয়ো যেতিয়া ইউৰোপত মহাসমৰৰ জুই জ্বলি উঠে তেতিয়া ১৯১৫ চনত এখেতে ইটালিৰ সৈন্যবিলাকৰ প্ৰধান নায়কত্ব গ্ৰহণ কৰি যুদ্ধত আত্মনিয়োগ কৰে।

তেৰ বছৰৰ আগতে যেতিয়া ইটালিত গৃহ-কন্দল লাগে তেতিয়া ভিক্টৰ ইমানুৱেলেই সেই কন্দল ভাঙি মুছলিনিক ইটালিৰ প্ৰধান মন্ত্ৰী পাতি ফেছছিষ্টসকলৰ হাতত ৰাজ্য শাসনৰ ভাৰ অৰ্পণ কৰে।

আজি ৰজা ভিক্টৰ ইমানুৱেলৰ নাম প্ৰায় সকলোতে অজ্ঞাত। তেখেতে যিবিলাক কথা ভাবে তাৰ এক দশমাংশও কথাৰে প্ৰকাশ নকৰে। কিন্তু তেখেতে আধুনিক ইটালিৰ বুৰঞ্জীত প্ৰমাণ কৰিছে যে যেতিয়া আৱশ্যক হয় তেতিয়া তেখেতে সাহস আৰু নিৰ্ভিকতাৰে কাম কৰিবলৈ সম্পূৰ্ণ সক্ষম।

## মুছলিনি আৰু ইটালি

এবিছিনিয়া আক্ৰমণৰ কাৰণে সাজু হবলৈ যোৱা



সৈন্য সমাৱেশৰ পাছত মুছলিনিয়ে ওপৰত উঠি এটি উত্তেজিত বক্তৃতা দিছে

২৮ আগষ্ট তাৰিখে ইটালিৰ বিপুল সেনা বাহিনীৰ যি সমাবেশ হয় তাত এক লাখ ইটালিয়ান সৈন্যই যোগদান কৰিছিল। এই সৈন্য সমাবেশৰ পিছত ছিনৰ মুছলিনিয়ে

সৈন্যবিলাকৰ আগত এটি অতি উত্তেজিত বক্তৃতা দিয়ে। তেওঁ কৈছিল "আমি আমাৰ জাতিৰ অস্ত্ৰধাৰী সৈন্য সকলৰ সংখ্যা অতি বেছিকৈ বৃদ্ধি কৰিম। ছেপ্টেম্বৰ



মুছলিনিৰ বিৰাট ছবি লৈ সৈনিকৰ শোভাযাত্ৰা

মাহৰ ভিতৰত আৰু দুই লাখ সৈন্য নতুনকৈ ভৰ্ত্তি কৰি ভবিষ্যতে দহ লাখ সৈন্য প্ৰস্তুত কৰিব লাগিব।" তেওঁ ইয়াৰ লগতে আৰু কৈছিল "যেতিয়ালৈকে জগতে আমাৰ ওপৰত অৰ্থনৈতিক হেঁচাৰ আলোচনা কৰিব তেতিয়া-লৈকে আমি বিনা যুদ্ধে এজনো সৈন্য, নাবিক নাইবা বৈমানিকক লঘোনে মৰিবলৈ নিদিম। বৰং আমি তাৰ উত্তৰ স্বৰূপে জাতিৰ সকলোবিলাক অস্ত্ৰ ধাৰী সৈন্য সজ্জিত কৰিম।" মুছলিনিৰ এই উত্তেজিত বক্তৃতা শুনি



মুছলিনিৰ পুত্ৰদ্বয় আৰু জোৰ্হানেক কাউন্ট ছিয়েন' ( মাজৰ জন )

সৈনিকসকলে আনন্দত উত্ৰাৱল হৈ মুছলিনিৰ জয়ধ্বনি দিছিল।

ইটালিৰ এই অভূতপূৰ্ব্ব সৈন্য সমাবেশ ৰজা ভিক্টৰ ইমানুৱেলেও পৰ্য্যবেক্ষণ কৰিছিল।

---

## শৰতৰ পৰশত

কবিতা ]

—শ্ৰীযুত পুণ্য দুৱৰা

গধুলি যেতিয়া সখি—পদূলি মুৰৰ,
শেৱালী জুপিয়ে দিয়ে নিজকে বিলাই,
ৰাঙলী অৰুণে অঁকা সোণালী ছবিটি,
সন্ধিয়াৰ পৰশত লাজতে লুকাই।
বিয়াকুল শেৱালীৰ আকুলতা সনা,
মৃদু পৰশত সৌৰভৰ ;
উঠে জাগি ধৰণীৰ গুপুতে বুকত
লীন যোৱা স্মৃতি যৌৱনৰ।
জোনোৱালী ৰজনীৰ শুৱনী শুভ্ৰতা
প্ৰকৃতিৰ মোহিনী মূৰতি ;
কমনীয় পৃথিৱীৰ বিশাল বক্ষত
উঠে ভাহি ৰূপালী জেউতি।
কবিতাৰ ঢল সখি বইছে প্ৰাণত
( আজি ) শৰতৰ জোনালী নিশাত ;
ব্যথাৰ তাঁৰত বজা পুৰবী একাকি,
—যাব বই নীলিমা কোলাত।
মূৰ্ত্তীমতী হ'ব মোৰ কৰুণ ৰাগিণী
পৰশত মধুৰ তোমাৰ ;
সপ্তবৰ্ণ ইন্দ্ৰধনু প্ৰকাশিব তাতে,
পূৰ্ণতা যে কৰিব হিয়াৰ।

# উপন্যাস

## ছদ্মবেশী

—শ্ৰীযুত শান্তিৰাম দাস, বি-টি

### পঞ্চম আধ্যা

### বিচাৰ্ডৰ বিপদ

...সময়ৰ লগে লগে সংসাৰৰ নানা পৰিৱৰ্ত্তন হয়—ই ...ৰ চিৰন্তন প্ৰথা। তাৰ ভাগ ৰজা, প্ৰজা, সুখী, দুখী, ...ধনী মানী, সৰু বৰ, সকলোৱে অলপ নহয় অলপ পায়। ...তি ইছাবেল ভেন সংসাৰৰ ঘটনা-চক্ৰত পৰি স্বকৃত ...পাপৰ পৰাচিতৰ চিন স্বৰূপ মেদাম্ ভাইন্ হলগৈ। ...বেশী মেদাম ভাইনক চিনে কোনে? লেডি ইছাবেল ...লাইলৰ মৃত্যুখবৰ খবৰৰ কাকতৰ জৰীয়তে দেশজুৰি ...প্ৰচাৰিত হল। আপোনজনে কলঙ্কৰ শেষ হল ভাবি ...নিৰ হুমুনিয়াহ এৰিলে। মিঃ কাৰ্লাইল ৰৰলা হল। ...ছিয়ে কৰ্ণেলিয়াৰ সৈতে লগ লাগি লৰাছোৱালীহঁতক ...ৰি কাৰ্লাইলৰ গৃহস্থি চলাবলৈ লাগিল।

...ধুন পেঁচ, লাহ বিলাহৰ কুঁৱৰী একিয়ে আগৰ দৰে ...শিলা উৰাদি উৰি ফুৰুৰে। এতিয়া তাই আগৰ স্বভাৱ ...বিলেও কিছু সংযত হৈছে—গম্ভীৰ হৈছে ; নহলে লেডি ...নৰ নিচিনা মহিলা গৰাকীৰ ধাত্ৰীবাব পালে কেনেকৈ? ...তি ভেনৰপৰা কেইদিনমানৰ ছুটীলৈ একিয়ে তাইৰ ...য়ালী কালৰ লীলাভূমি ৱেষ্টলিনি, ইষ্টলিনি ছদিনতে ...তিকাৰ কৰিলেহি।

...আজি বহুদিনৰ মূৰত ইষ্টলিনিত মিঃ কাৰ্লাইলৰ ঘৰত ...য়ে জেছিৰ আশ্ৰয়ত একি অতিথি সোমালহি। দুয়ো ...য়ে ভনীয়েকৰ দেখাদেখি হওঁতেই এজাউৰি মুখ চুপতি ...গল। জেছি নালাগে আন সকলোৰে ধাৰণা আছিল ...বাপেকৰ হত্যাকাণ্ডৰ লগে লগে বিচাৰ্ড হেয়াৰৰ লগতে ...কিও নিৰুদ্দেশ হল। জেছিৰ হলে এই ধাৰণা অন্তৰ জুৰি পৰিছিল। কাৰ্লাইলে অত চেষ্টা কৰিও বিচাৰ্ড হেয়াৰে যে বাপেকক হত্যা কৰিছে আৰু একিক লগতলৈ নিৰুদ্দেশ হৈছে এই ধাৰণা জেছিৰ মনৰপৰা আঁতৰাব নোৱাৰিলে। আজি একি স্বয়ং উপস্থিত হোৱাত নানা ৰকম কথা বাৰ্ত্তাৰ পৰাহে বিশ্বাস হল যে একি বিচাৰ্ডৰ লগত যোৱা নাছিল। নানা ঠাইত ভদ্ৰপৰিয়ালৰ ঘৰত দাই কাম কৰি তাই পেটৰ ভাত মোকোলাই ফুৰিছিল। একিৰ স্বভাৱ চৰিত্ৰ আৰু চলন ফুৰণৰ কথা জানি জেছিয়ে প্ৰথমে তাইক অতিথি ৰাখিবলৈ আপত্তি কৰিছিল ; কিন্তু একিৰ পৰিৱৰ্ত্তন আৰু মিনতি বচনত সন্তুষ্ট হৈ শেহত জেছিয়ে কাৰ্লাইলৰ ঘৰত একিক দুই তিন দিনৰ বাবে অতিথি ৰাখিলে। গধুলি থাই উঠি একিয়ে কাৰ্লাইলক দেখা কৰিলে।

কাৰ্লাইলৰ মূৰত বিচাৰ্ড হেয়াৰে বাহ লৈছিল, ক'ত লো কেনেকৈ কি চেলু, ভা-ভু খা-খবৰ পোৱা যায় সেয়ে তেওঁৰ ধাউতি। কাৰ্লাইলে একিক দেখিয়েই হাঁহি মাৰি সুধিলে, "কি একি কৰপৰা আহিলি? তই বিচাৰ্ডৰ লগত যোৱা নাছিলিনে?"

"কোনে কলে দেউতা? সেইবোৰ দুষ্ট লম্পটবোৰৰ মিছা কথা। মই কেতিয়াও বিচাৰ্ডৰ লগত যোৱা নাই। পিতৃহন্তা বিচাৰ্ডৰ লগত মই পলাই যামনে?"

"তেনেহলে তই ঘৰ এৰি গুচি গৈছিলি কিয়?

"মোৰ তাত থাকিবলৈ ভয় লাগিল। যি ঘৰত দিন দুপৰতে হত্যাকাণ্ড হৈ গল তাত আৰু থাকিব পাৰিনে?"

কাৰ্লাইলে ওকালতি আৰম্ভ কৰিলে। কলে, "ওঁ, এই হত্যাকাণ্ড সম্বন্ধে এটা ৰহস্য আছে। এই ৰহস্য ভেদ মই

এতিয়াও কৰিব পৰা নাই। তই অলপ সহায় কৰিলে কৰিব পাৰ।"

"কি ৰহস্য দেউতা ?"

কাৰ্লাইলে ধীৰ সুস্থিৰ গম্ভীৰভাৱে আৰম্ভ কৰিলে, "এই হত্যাকাণ্ড কোনে কৰিলে ?"

"কোনে কৰিলে ? এতিয়াও নাজানে ? ৰিচাৰ্ড হেয়াৰে কৰিছে, আৰু কোনে কৰিব ? এই কথা সকলোৱে জানে।"

"ৰিচাৰ্ডে যে কৰিলে, তই দেখা পাইছিলিনে ?"

"নাই দেখা। দেখা হলেও মই ভয়তে মৰিলোঁহেঁতেন ৰিচাৰ্ডে পিতাৰ লগত কাজিয়া কৰিছিল। শেহত সি বন্দুকেৰে পিতাক মাৰিলে।"

"সেইটো তইঁতৰ অনুমানহে। কিন্তু মোৰ অনুমান ৰিচাৰ্ডে সেই কাম কৰা নাই, আন এজনেহে কৰিছে।"

"কি ৰিচাৰ্ডে হত্যা কৰা নাই ? কোনে কৰিলে— মই ?"

"তাৰ কোনো অৰ্থ নাই।"

"মই জানো যে এই কাম সি কৰিছে। অৱশ্যে মই নিজে দেখা নাই। যি যি হওক, এই হত্যাকাণ্ড নিশ্চয় ৰিচাৰ্ডে কৰিছে।"

"কিন্তু তই ঠিক নাজান।"

"ঠিক জানো দেউতা। সি শপত খাই কলেহে তাক বিশ্বাস কৰিম।

"কেনেকৈ ?"

"সেইটো কব নোৱাৰোঁ। কিন্তু মোক বিশ্বাস কৰক দেউতা, মই ঠিক সচা কৈছো।"

"সিদিনাখন সন্ধিয়া তোমাৰ আৰু এজন বন্ধু তাত উপস্থিত আছিল একি—থৰ্ণ ছাহাব।"

একিৰ মুখ বগা পৰিল। থটমট খাই নকলেও নহয় দেখি কলে, "অৱশ্যে সি উপস্থিত আছিল। কিন্তু এই হত্যাকাণ্ডৰ লগত তাৰ কোনো সম্বন্ধ নাই।"

"সি কৰপৰা দৌৰাত উঠি আহিছিল ?"

"সি ছোৱেনছানত কোনো বন্ধুৰ ঘৰত আছিল। তাৰ লগত কোনো সম্বন্ধ নাই দেউতা।"

"বাৰু, তাৰ নাম কি ?"

"থৰ্ণ—।"

"তাৰ আছল নাম লাগে একি। এইটো তাৰ আ… নাম নহয়; তাৰ অন্য কিবা নাম আছে, ঠিককৈ ক'…

"তাৰ নাম কেপ্তেন থৰ্ণ, দেউতা। তাৰ বাহিৰে… অন্য একো নাজানো।"

"একি, এই থৰ্ণক মই উলিয়াব লাগে; তাৰ… মোৰ বহুত আৱশ্যকীয় কথা আছে। তই তাৰ ঠি… কিবা জাননে ?'

"একো নাজানো দেউতা।"

"মই তাক কিয় বিচাৰিছো জাননে ? মোৰ বি… হৈছে, কাৰণ প্ৰমাণ পাইছো যে সেই থৰ্ণেই… পিতৃহন্তা; বেচেৰা ৰিচাৰ্ড হেয়াৰ নহয়।"

একিৰ মুখ মেল খালে—এবাৰ বগা পৰিল, এ… ক'লা পৰিল। শেহত তাই কৈ উঠিল, "মিছা… দেউতা, সম্পূৰ্ণ মিছা কথা। থৰ্ণ হবই নোৱাৰে।"

"মোৰ বিশ্বাস থৰ্ণেই আছল হত্যাকাৰী। এই… স্থলত উপস্থিত নাছিলি; কাজেই প্ৰকৃততে কোন… কাৰী কেনেকৈ কবি ?"

"নিশ্চয় জানো মই। যেতিয়া ঘটনা ঘটে,… মুহূৰ্ত্তত থৰ্ণ মোৰ লগতে আছিল; কাজেই থৰ্ণ… নোৱাৰে। সেইটো লম্পট ৰিচাৰ্ডৰ কাম দেউতা, গা… শপত খাই কম।

"হত্যাকাণ্ড হোৱা মুহূৰ্ত্তত থৰ্ণ তোৰ লগত আছিল…

"হয় দেউতা, মোৰ লগত আছিল। যেয়ে এই ক… থৰ্ণৰ ওপৰত পেলাব খুজিছে, সি মিছলীয়া। ৰি… হেয়াৰ আছল হত্যাকাৰী—তাৰ ফাচী হওক।"

"সঁচা কথা কৈছ একি ?"

"সঁচা কৈছোঁ দেউতা, সঁচা কৈছোঁ। নিশ্চয়… মৃত্যু কথাতো মিছা ফাকি দিমনে ?"

কাৰ্লাইল বিমোৰত পৰিল। তেওঁ আকৌ… "সেইদিনা গধূলি লকছলি আৰু বিডেন ছাহাবো থ… ঘৰৰ ওচৰত আছিল।" একি থপকৰে উঠিল; বাউ… গল—"নহয় দেউতা, নহয়। আছল দোষী ৰিচাৰ্ড।



…ই কথা সদায় কম, কাৰণ মই জানো, যদিও কেনেকৈ …নো ভাঙি কোৱা নাই। এতিয়াও সময় আছে, …গেয়ে সি ধৰা পৰকচোন।"

কাৰ্লাইল তাতেই ভাবি ভাবি বহি থাকিল। কাৰ …া বিশ্বাস কৰে, একিৰনে ৰিচাৰ্ডৰ ?

তাৰ পিছদিনাখন গধূলি দবাপিটা বতাহ বৰষুণ। …হিৰত কোনো জীৱ জন্তুৰ সমাগম নাছিল—বৰ চেঁচা। …ই চেঁচা বতাহ বৰষুণতে ৰিচাৰ্ড হেয়াৰ আহি …ৰ্লাইলৰ খিৰিকি মুখত কঁপি কঁপি উপস্থিত। "মিঃ …ৰ্লাইল! মোক ভিতৰলৈ যাবলৈ দিয়ক, দুৱাৰ মেলি …ক—জাৰত ভবিহাত ঠেটুৱা লাগি মৰিলোঁ। …াৰ বধ লাগে ৰক্ষা কৰক।"

কাৰ্লাইলে দুৱাৰ মেলি দিলে—ৰিচাৰ্ড ভিতৰ …সোমালহি। জাৰত থক্ থক্কৈ কঁপিবলৈ ধৰিলে। …ৰ্লাইলে আচৰিত হৈ সুধিলে, "ৰিচাৰ্ড, তুমি এই …ৰ্যোগত কিয় ইয়ালৈ আহিলা ? ছিঃ ছিঃ. ভাল …কৰিলা।"

ৰিচাৰ্ডে জাৰত কঁপি কঁপি কবলৈ ধৰিলে, মই লণ্ডনত …ৰা পৰিছো কাৰ্লাইল। সেই পাপিষ্ঠ থৰ্ণে মোৰ পাছত …পুলিছ লগাইছে।"

কাৰ্লাইলে ৰিচাডৰ অৱস্থা দেখি এগিলাছ মদ দিলে। …খিনি খাই ৰিচাৰ্ড অলপ সুস্থিৰ হ'ল আৰু আৰম্ভ কৰিলে …কেনেকৈ সি থৰ্ণক লগ পালে। "এদিন গাৰ্ডীত তাক দেখা …াই পাছে পাছে খেদা দিলোঁ।—দুয়োৰে চকুৱে চকুৱে …বিলত শেঁতা পৰি গল। দ্বিতীয় দিন সি থিয়েটাৰ চাই …ৰি আহোঁতে লগ পালোঁ; সেই দিনা কিছু ভয় …কৈ কথা-বতৰা হ'ল। তাৰ পিছত আৰু …কোনোদিনো তাৰ লগত দেখাদেখি হৈছোঁ; কিন্তু প্ৰত্যেক বাৰতে মই লক্ষ্য কৰিছো সি মোক দেখিলেই সেই …দিনে শেঁতা পৰি যায়। এদিন দেখা দেখিকৈ এজন পুলিছ লগাই দিলে; কোনোমতে লৰি গৈ ঘোৰাঁশাল …টাত সোমাইহে ৰক্ষা পৰিছোঁ। মই তেতিয়াৰপৰা …পলা হৈ ফুৰিছা মিঃ কাৰ্লাইল।"

"বাৰু যি কৰিলা, কৰিলা। তুমি ইয়ালৈ অহাটো নিৰাপদ হোৱা নাই; নানা বিপদ আশঙ্কা আছে। কাৰণ তুমি যে ইয়ালৈ ছদ্মবেশে আহা, সেই কথা ইয়াত প্ৰকাশ পাইছে।"

"কোনে প্ৰকাশ কৰিলে।"

"মই একো ধৰিব পৰা নাই।"

"অ, বুজিলোঁ, সেই নৰাধম থৰ্ণেই এইবোৰ কৰিছে। পিছে মই অহাৰ প্ৰধান উদ্দেশ্য—অলপ টকা পইছা লাগে।"

এনেতে জেছিৰ মাত শুনি ৰিচাৰ্ডৰ তত নোহোৱা হ'ল। তাকে দেখি কাৰ্লাইলে কলে, "জেছি বিচাৰ্ড, কোনো ভয় নাই।"

"কেলেই, তাই ইয়াত কি কৰে ? আজিকালি একি ক'ত ?"

"একি দুদিনমান ইয়ালৈ আহিছিল। ৰিচাৰ্ড, তাই শপত খাই কৈছে যে থৰ্ণ তাইৰ পিতৃহন্তা নহয়। তাই কয় যে হত্যাকাণ্ডৰ সময়ত থৰ্ণ তাইৰ লগত আছিল।"

"মিছা কথা, থৰ্ণৰ বাহিৰে আন কেওঁ নহয়। সি সেই কাম নকৰা হলে এনেকৈ জীৱনৰ আশা এৰি ঘৰৰপৰা হাবিৰ মাজে মাজে লৰি নপলালহেঁতেন।"

"কিন্তু একিয়ে কয় যে সেই সময়ত থৰ্ণ তাইৰ লগত আছিল।"

"ইয়াতেই বুজক ডাঙৰীয়া। যদি সি হেলিজনক হত্যা কৰা নাই, তেন্তে সি মোক দোষ দি ফুৰে কিয় ? আৰু মই যেতিয়াই তাক লগ পাওঁ, তেতিয়াই মোক দেখিলেই তাৰ মুখ শেঁতা পৰি যায় কিয় ? বাৰু সি হত্যাকাণ্ড কৰক বা নাই সি কিন্তু জানে যে মই সেই কাম কৰা নাই; কাৰণ সি লৰি আহোঁতে মোক লগ পাইছিল। আকৌ চাওক ঘটনা তদন্তৰ সময়ত একিয়ে শপত খাই কৈছিল যে তাই সেই সময়ত অকলে আছিল, তাইৰ লগত কোনো মানুহ নাছিল; ঘটনা হোৱা তাই নাজানে; পিছতহে জানিছে। থৰ্ণ যদি তাইৰ লগত আছিল তেন্তে তাই অকলে থকা বুলি কবলৈ কেনেকৈ শপত খাইছিল ?"

এনেতে কৰ্ণেলিয়াৰ মাত শুনা গ'ল—ৰিচাৰ্ড ভয়তে অস্থিৰ।

তুপৰ নিশা ভায়েকৰ ঘৰত তুজন মানুহৰ কথা-বাৰ্ত্তাৰ শব্দ শুনি কৰ্ণেলিয়াই জেছিক মাতি আনি কাৰ্লাইলৰ ঘৰলৈ পঠালে। কাৰ্লাইলে জেছিক সোমাবলৈ নিদি ওভোতাই পঠোৱাত, নিজে খেদি আহি তুৱাৰ মেলি দিবলৈ কাৰ্লাইলক দাবিহুকি দিলে। কাৰ্লাইলে ৰিচাৰ্ডক ভিতৰত ৰাখি তুৱাৰ মেলি বাহিৰলৈ আহি, বায়েকৰ হাতত ধৰি কাবৌ-মিনতিকৈ সকলো কথা ভাঙি পাতি কলে। কৰ্ণেলিয়া নিমাত হ'ল; ৰিচাৰ্ডৰ ওপৰত খং উঠিল—কিন্তু পিছ মুহূৰ্ত্ততে বেচেৰাৰ প্ৰতি পুতৌ জন্মিল।

তুয়ো ভাই-ভনী লগলাগি কি উপায়ে তাক ৰাতিটো নিৰাপদে ৰখা যায়, আলোচনা কৰিলে। বহুত ভাবি-গুণি শেহত জেছিকো তেওঁলোকৰ মেলৰ ভিতৰুৱা কৰি লবলৈ স্থিৰ কৰিলে। ৰিচাৰ্ডৰ খোৱাৰ দিহা কৰিলে। আজি সাত বছৰৰ মূৰত—কাৰ্লাইলৰ অভয় আশ্ৰমত বেচেৰাই পেট পূৰাই খালে। একিয়ে শোৱে কত? জেছি নহলে এই কাম কোনো ৰকমে সুকলমে হব নোৱাৰে। কৰ্ণিৰ শোৱা ঘৰত লগালগিকৈ জেছি শোৱা এটা সৰু খোটালি আছিল; তালৈ বাহিৰৰপৰা কোনোবা ওলোৱা সোমোৱা কৰিবলৈ হ'লে কৰ্ণেলিয়াৰ শোৱা ঘৰৰ মাজেদি যাব লাগে; কাজেই জেছিৰ বাহিৰে আন কোনো প্ৰাণীৰে তাত প্ৰৱেশ নিষেধ। ৰিচাৰ্ডক তাতেই শুবলৈ দিহা কৰি দিবৰ নিমিত্তে জেছিক মাতি অনা হ'ল। তাই আহিলত কাৰ্লাইলে আৰম্ভ কৰিলে, "জেছি, তোৰ সম্পূৰ্ণ বিশ্বাস আছিল যে একি ৰিচাৰ্ডৰ লগত পলাই আছিল গৈ। মই তোক বাৰে বাৰে কৈছিলো যে সেইটো সম্পূৰ্ণ মিছা ধাৰণা, কাৰণ মই তাৰ প্ৰমাণ পাইছিলো। এতিয়া তোৰ সেই বিশ্বাস দূৰ হৈছে। নহয়নে?"

"হৈছে দেউতা, হৈছে। সেই বিষয়ে এতিয়া মোৰ কোনো সন্দেহ নাই।"

"বাৰু, এতিয়া আকৌ তোৰ এটা ভুল বিশ্বাসৰ কথা কওঁ। এই বিষয়েও মই প্ৰমাণ পাইছোঁ। তোৰ আগত কলে বিশ্বাস কৰিবিনে?"

"দেউতা, আপুনি সঁচাৰ বাহিৰে যে মিছা নকয়, মই বঢ়িয়াকৈ জানো। আপুনি এজন সুবিচাৰক।"

"তেনেহলে মই কওঁ যে তইঁতৰ পিতৃহন্তা বিচা... নহয়।"

'দেউতা' বুলি কৈ জেছি আচৰিত হৈ মুখ মেলি... থাকিল।

"মোৰ বিশ্বাস, হত্যাকাণ্ড সম্বন্ধে তই বা মই তে... নিৰ্দ্দোষী, ৰিচাৰ্ড হেয়াৰো তেনে নিৰ্দ্দোষী। মই অলি... পৰা সেই সম্বন্ধে খবৰ ৰাখিছো।"

"তেনেহলে কোনে হত্যা কৰিছে, দেউতা?"

"একিৰ অন্যতম প্ৰিয়ভাজন সেই পাপিষ্ঠ লম্পট— আটক ধুনীয়া ডেকা থৰ্ণ। মোৰ সম্পূৰ্ণ বিশ্বা... হৈছে।"

"আৰু আপুনি কলে যে আপোনাৰ হাতত প্ৰমা... আছে।"

"নিশ্চয় আছে। আজি এই কেইবছৰে তাৰ স... খবৰ ৰাখি সকলো প্ৰমাণ যোগাৰ কৰি ৰাখিছো... তোৰো এই ভুল বিশ্বাস দূৰ হলে বৰ সুখী হম।"

"কিন্তু দেউতা, ৰিচাৰ্ড যদি দোষী নহয়, তেন্তে... নিৰুদ্দেশ হল কিয়? উভতি নাহিল কিয়?"

"এৰা, সেইখিনিয়েইতো সকলো লেঠাৰ মূল। ... নিজৰ মূৰ্খালিৰ আৰু কাপুৰুষতাৰ গুণে এনেকুৱা ... উঠিছে। সি উভতি আহিবলৈ ভয় কৰিছিল আৰু ... জানিছিল মানুহৰ মনৰপৰা এই বিশ্বাস দূৰ কৰা য... টান। জেছি, তই এবাৰ তাক দেখা দি তাৰ দুখ... কাহিনীটো শুনিবিনে?"

"দেউতা, সি আৰু ইয়ালৈ আহিবলৈ সা... নকৰে।"

"সি ইয়াতেই আছে।"

জেছি উচপ খাই উঠি কাৰ্লাইলৰ মুখৰ ফালে চাই থাকিল। তেওঁ আকৌ আৰম্ভ কৰিলে, "ইয়াতে, এই ঘৰতে আছে। সি ৰাতিটোৰ বাবে ইয়াত আশ্ৰয় লৈছেহি। বেচেৰাক যি পাৰ সহায় কৰিব লাগে— যাতে সি ধৰা নপৰে। জানইতো জাষ্টিছ হেয়াৰ



...জোখাখি। আহ, মোৰ লগতে আহ, তাৰ লগত কথা-বতৰা পাতহি।"

জেছি আৰু ৰিচাৰ্ডৰ দেখা দেখি হ'ল; তুয়োৰে এলাউৰি তৰ্ক বিতৰ্কও হ'ল। কাৰ্লাইলে ওচৰতে বহি মনে মনে সকলো কথা শুনি থাকিল। ৰিচাৰ্ডৰ কথা শুনি জেছিৰ সন্দেহ হ'ল থৰ্ণৰ ওপৰত। তাৰ পিছত তাই ৰিচাৰ্ডক বিছনা-পাটী সাজু কৰি দিলে। ৰিচাৰ্ড শুলেগৈ। পাঁচ মিনিটমানৰ পিছতে সি জাপ মাৰি উঠিল,—"মই নহয়, মই নহয়, মোক নিনিবি—অন্য এজনহে, তাৰ নাম..." ৰিচাৰ্ডে সপোনতে উচপ খাই উঠি কথা কেই আষাৰ এনে উশাহতে কৈ আকৌ সেইপিনে টোপনি গ'ল। শোৱা ৰিচাৰ্ড, বিশ্ৰাম লোৱা।

বেচেৰা ৰিচাৰ্ডে ওৰে নিশা নিশ্চিন্ত মনে ভালকৈ শুলে। ৰাতি পুৱাল। সকলো উঠিল। জেছিয়ে ৰিচাৰ্ডক চাহ জলপান দিলেগৈ। কাৰ্লাইলে সুধিলেগৈ, "ৰিচাৰ্ড, ৰাতি টোপনি আহিছিলনে?"

"খুব আহিছিল ডাঙৰীয়া, বৰ ভাগৰ লাগিছিল। পিছে মই যোৱাৰ কথা?"

"সেই বিষয়ে গধূলি নহয়মানে একো কৰিব নোৱাৰোঁ। তুমি একো চিন্তা নকৰিবা, মই আছোঁ। কিন্তু তুমি ইয়াত বেছি সময় থাকিব নোৱাৰা, কাৰণ চাকৰবিলাকে ইকাণ-সিকাণকৈ সকলো শুনিব। বাৰু, তুমি কৈছা যে থৰ্ণে তোমাক খুব জুলুম কৰিছে। মোৰ অনুমান হয় সি তোমাক ভয়হে খুৱাইছে। সি যদি আচলতে দোষী হলহেঁতেন, তেন্তে সি আঁতৰে আঁতৰে থকাহে যুগুত আছিল। তোমাক গ্ৰেপ্তাৰ কৰিলেই তাৰ সৰ্ব্বনাশ!"

"তেনেহলে সি মোক এনেকৈ জুলুম কৰে কেলেই? মোৰ পিছত পুলিচ লগাই কেলেই?"

"তুমি যে তাক জুলুম কৰা, সেইটো সি ভাল নাপাইছিল; সেই নিমিত্তে সি তোমাক ভয় দেখুৱাইছিল। পুলিচ লগোৱাৰ উদ্দেশ্যও সেয়ে. সিদিনাখনৰপৰা তাক দেখিছানে? পুলিচজনৰ উদ্দেশ্য তোমাক ধৰিবলৈ হোৱা হলে, তোমাক তেতিয়াই ধৰিলেহেতেন, কেতিয়াও পিছে পিছে খেদি ফুৰিলেহেঁতেন। বাৰু তাক কাৰ লগত ফুৰা দেখা?"

"তাক ডাঙৰীয়া, আপোনাৰ আগত কবলৈ বেয়া লাগে—তাক সেই কেপ্তেন লেভিছনৰ লগত তুই তিন দিন দেখা পাইছো। সিহঁত তুয়ো বৰ বন্ধু।"

এনেতে বাহিৰত জাষ্টিছ হেয়াৰৰ মাত শুনা গল। ৰিচাৰ্ডৰ চুলিৰ আগেদি জীৱ গ'ল। কাৰ্লাইলে তাক সাৱধানে থাকিবলৈ কৈ অভয় প্ৰদান কৰি নিজে বাহিৰলৈ ওলাই আহিল।

ৰাতিপুৱা আঠৰনি বৰফৰ মাজেদি জাৰত কঁপি কঁপি জাষ্টিছ হেয়াৰ ৰুদ্ৰমূৰ্ত্তি ধৰি কাৰ্লাইলৰ ঘৰত উপস্থিত।

"মিঃ কাৰ্লাইল ঘৰত আছেনে? মোৰ অলপ কাম আছে।"

কাৰ্লাইলে তেওঁৰ মাত শুনিয়েই খট্‌মট্ খাই ৰিচাৰ্ডৰ ওচৰৰপৰা ওলাই আহি তেওঁৰ হাত জোকাৰি কলেহি, "মিঃ জাষ্টিছ, আপুনি ইমান ৰাতিপুৱাই বৰফৰ মাজে মাজে কেলেই আহিল? আপোনাৰ ইমান খং উঠিছে কেলেই?"

"খং উঠিছে!" বুলি কৈয়ে জাষ্টিছ হেয়াৰে এখন চিঠি কাৰ্লাইলৰ গাত দলি মাৰি দি কলে, "মই এইমাত্ৰ চিঠিখন পালোঁ। চোৱাচোন তাত কি সুখৰ খবৰ আছে। কুল কলঙ্ক, মূৰ্খ, হতভাগা পুত্ৰ!"

চিঠিখন বেনামা চিঠি। তাত এজন বন্ধুৱে জাষ্টিছ হেয়াৰক জনাইছিল যে তুই তিন দিনৰ ভিতৰতে তেওঁৰ অপৰাধী পুত্ৰ ৰিচাৰ্ড হেয়াৰ ৱেষ্টলিনিত উপস্থিত হবহি।

কাৰ্লাইলে চিঠিখন পঢ়ি কিছু সময় ভাবি-চিন্তি কলে "এইখন বেনামা চিঠি; ইয়াৰ আচল ব্যৱস্থা, জুইত পেলাই দিয়াহে।"

"কিন্তু এইখন কোনে লিখিলে? ৰিচাৰ্ড ৱেষ্টলিনিলৈ আহিছেনে?"

"সি ৱেষ্টলিনিলৈ অহা সম্ভৱনে? আপুনি এইবোৰ জঞ্জাল নিজে নিজৰ ওপৰত চপাইছে! বহুত তুষ্ট মানুহে

জানে যে ৰিচাৰ্ডৰ কথা শুনিলেই আপোনাৰ খুব খং উঠে। সেইদেখি আপোনাৰ খং তোলাবৰ উদ্দেশ্যে কোনোবা দুষ্ট মানুহে এইবোৰ কৰিছে। আপুনি সেইবোৰ মন নকৰিব।"

কাৰ্লাইলৰ কথা শুনি জাষ্টিছ হেয়াৰ কিছু শাঁত হ'ল। তেওঁ কৈ গ'ল "সেই হতভাগা কুলাঙ্গাৰক ধৰিব পৰিলেই হয় ফাঁচী, নাইবা দ্বীপান্তৰ এটা মীমাংসা কৰা যাব। বাৰু, সি আহক বা নাই, পুলিছক কথাটো জনাই থমনে?"

"সেইবোৰ কৰিলে কি লাভ হ'ব, মিঃ জাষ্টিছ? সকলোকে এৰি ধৈৰ্য্য ধৰি বহি থাকক গৈ। দোষী হলে সি বিহিত দণ্ড নিজে ভুগিব। এনেকুৱা মিছা কথাত লৰি শুকুৰিব। এই চিঠিখন মিছেছ হেয়াৰক দেখুৱাইছেনে?"

"নাই, চিঠি পায়েই ইয়ালৈ আহিছোঁ।"

"ভালেই হৈছে। চিঠিখনৰ কথা তেওঁৰ আগত নকব। কাৰণ এইবোৰ অমঙ্গলীয়া কথা শুনিলে তেওঁৰ অসুখ বাঢ়িবহে। আপুনি নিশ্চয় জানিব, আপোনাৰ সহায়েৰেই হওক বা আন উপায়েই হওক যিদিনাই ৰিচাৰ্ডৰ বিচাৰ আৰম্ভ হব, সেই দিনাৰপৰাই মিছেছ হেয়াৰৰ মৃত্যু ওচৰ চাপিব। তেওঁ পুত্ৰশোকত একেবাৰেই অধীৰ হৈ আছে।"

জাষ্টিছ হেয়াৰে ভাঁজ কৰি চিঠিখন জেপত সুমাই থলে। কাৰ্লাইলক সুধিলে, "এইখন কোনে লিখিছে চিনি নোপোৱানে? ইয়াত লণ্ডনৰ পোষ্ট অফিছৰ মোহৰ আছে।"

"মই নাজানো, আখৰবোৰো চিনি নাপাওঁ।"

জাষ্টিছ হেয়াৰ ওলাই গল। এখোজ দুখোজকৈ তেওঁ ৰংঘৰলৈ বাট ললে। কাৰ্লাইল ৰিচাৰ্ডৰ ওচৰ পালেগৈ। সি কাৰ্লাইলৰ লগত কথা পাতি বহি আছিল। ৰিচাৰ্ডে হুমুনিয়াহ ছাৰি কলে, "ডাঙৰীয়া, মই ভয়তে উশাহ পাহৰিব লগা হৈছিলোঁ। পিতা গলনে? সকলো নিৰাপদনে?"

"এৰা তেওঁ গলগৈ।"

"তেওঁ কেলেই আহিছিল?"

"কাৰ্লাইলে সকলো কথা সংক্ষেপত তাক বুজাই কলে। শেহত কাৰ্লাইলৰ আশ্বাস বাক্য শুনি ৰিচাৰ্ডে সুধিলে, "এবাৰ আইক দেখা দি যাব পাৰিমনে?"

"নোৱাৰা ৰিচাৰ্ড, নোৱাৰা। বহু বিপদ আছে। দেখা কৰা দূৰৈৰ কথা, তুমি ইয়াত থকা বুলি জানিলেও মহাবিপদ। তোমাৰ এই বিপদৰ কথা শুনিলে তেওঁ একেবাৰে বাউল হৈ উঠিব। তেওঁৰ মনত সুখ-শান্তি লেশ মাত্ৰও নোহোৱা হব। কাজেই এইবাৰলৈ মাৰাৰ দেখা কৰাৰ আশা এৰা।"

"বাৰবাৰাক?"

"বাৰবাৰা আহি ইয়াত তোমাৰ লগত দিনটো থাকিব পাৰে। বাৰু তাৰ এটা দিহা কৰা যাওক।" কৰ্ণেলিয়াৰ ফালে চাই তেওঁ কলে, "কৰ্ণে, বাৰবাৰাক ইয়ালৈ অনাৰ একমাত্ৰ বুদ্ধি মই নিজে গৈ মিছেছ হেয়াৰক কম যে তোমাৰ অসুখ হৈছে; বাৰবাৰাই দিনটোৰ বাবে তোমাৰ যতন লবলৈ লাগে। তেতিয়া কোনোৱে এইবোৰ কথাৰ ভু-ভা নাপাব। তেনে কি ভাবা?"

কৰ্ণেলিয়াই হাঁহি মাৰি উত্তৰ দিলে, "কোনো কথা নাই। অসুখ—মই মৰিবলৈ ওলোৱা বুলি কলেও মোৰ আপত্তি নাই।"

কাৰ্লাইল ঘোঁৰা গাৰীত উঠি ৰেষ্টলিনিলৈ যাত্ৰা কৰিলে।

—আগলৈ

# যক্ষ্মা

—ডাঃ হৰেকৃষ্ণ গোস্বামী

বহুতৰ ধাৰণা যক্ষ্মা সত্যযুগৰ ৰোগ। এই বেমাৰ সংক্ৰামক আৰু ইয়াৰ লক্ষণ, পৰিচয় আৰু চিকিৎসা প্ৰণালী প্ৰাচীন আয়ুৰ্ব্বেদ শাস্ত্ৰ আদিত ভালদৰে বৰ্ণনা কৰা পোৱা যায়। অতি প্ৰাচীন কালত আয়ুৰ্ব্বেদে ইয়াৰ নাম দিছিল 'ৰাজযক্ষ্মা' অৰ্থাৎ প্ৰধান ক্ষয় ৰোগ। আজি ভাৰতবাসী যি 'চৰকসংহিতাৰ' নামত ইমান গৌৰৱান্বিত সেই অতি প্ৰাচীন আৰু সত্যাসত্য প্ৰমাণিক গ্ৰন্থই কয়;—"যস্মাৎ স ৰাজ্ঞঃ প্ৰাগাসীৎ ৰাজযক্ষ্মা ততো মতঃ," নক্ষত্ৰমণ্ডলীৰ ৰজা চন্দ্ৰৰ এই ৰোগ হৈছিল বুলি ইয়াৰ নাম ৰাজযক্ষ্মা। পদ্মপুৰাণতো এনেকুৱা ব্যাখ্যা পঢ়িবলৈ পোৱা যায়।

খৃষ্টজন্মৰ তিনি চাৰিশ বছৰৰ আগেয়ে ইউৰোপৰ চিকিৎসকবিলাকে এই যক্ষ্মা ব্যাধিৰ লগত পৰিচিত হোৱা বুলি কথিত আছে। কিন্তু সপ্তদশ শতাব্দীৰ আগেয়ে তেওঁবিলাকে এই ৰোগৰ নিৰ্ণয় আৰু প্ৰতিকাৰৰ কোনো চেষ্টাকে কৰা নাছিল। অষ্টাদশ শতাব্দীত লেনেক (Laennec) নামৰ ডাক্তৰ এজনে শৱব্যবচ্ছেদ কৰি যক্ষ্মা সম্বন্ধে অনেক তথ্য সংগ্ৰহ কৰিছিল। তেওঁ কৈছিল যক্ষ্মাগ্ৰস্ত ৰোগীৰ হাঁও-ফাঁওত (lungs) দানা বা টিউবৰাকল হয়। এই টিউবৰাকলৰপৰা টিউবাৰকিউলছিছ (Tuberculosis) নামৰ উৎপত্তি।

ইংৰাজী ১৮৬৫ চনত ফৰাছী চিকিৎসক ভিলেমিনে (Villemin) যক্ষ্মাদানাৰপৰা ৰস লৈ কিছুমান শহা আৰু এন্দুৰ পোৱালীৰ শৰীৰত সুমাই দিয়াত ঠিক মানুহৰ নিচিনাকৈ সিহঁতৰ গাতো যক্ষ্মা ৰোগৰ লক্ষণবিলাক দেখা দিবলৈ ধৰিলে। তেতিয়া ডাক্তৰ ভিলেমিনে প্ৰমাণ কৰে যে এই ৰোগত এটা ভয়ানক বিষাক্ত বস্তু আছে। ইয়াৰ পিছত ১৮৮২ চনত জাৰ্ম্মান বিশেষজ্ঞ পণ্ডিত ককৰৰ (Koch) যক্ষ্মা বীজাণু (Bacillus Tuberculosis) আৱিষ্কাৰৰপৰা এই বৃহৎ ৰোগৰ কাৰণ নিৰ্দ্ধাৰিত হয়। এই বীজাণুবোৰ দীঘলীয়া আকৃতিৰ (Rod shaped)। ই মানুহৰ শৰীৰত তিনি ৰকমে আক্ৰমণ (Mode of infection) কৰিব পাৰে।

১। উশাহ নিশাহ লওঁতে (Inhalation) নাকৰ ভিতৰেদি বীজাণুবোৰ বতাহৰ লগত প্ৰৱেশ কৰি একেবাৰে উশাহ নিশাহৰ (Bronchioles) নলীয়েদি হাঁওফাঁওলৈ (lungs) যায়। তাত সিহঁতে তেজ খাই বৈ চাৰিও পিনে গাঁত কৰে আৰু লগে লগে বীজাণুৰ বংশ বৃদ্ধি হয়। যক্ষ্মা ৰোগীয়ে কথা কোৱা আৰু শুকান খেকাৰ (Dry sputum) পেলোৱাৰ লগে লগে যক্ষ্মা বীজাণু বতাহৰ লগত মিহলি হয়। গতিকে যক্ষ্মা ৰোগীক পৰীক্ষা শুশ্ৰূষাদি কৰাৰ সময়তটো কথাই নাই আনকি কথা-বতৰা হোৱাৰ সময়তো খুব সাৱধানে চলিব লাগে।

২। যক্ষ্মা ৰোগীয়ে থু খেকাৰ ইত্যাদি পেলোৱা ঠাইত সুস্থ শৰীৰৰ মানুহে ভৰি আদি দিলে ছালৰ ভিতৰেদি (Ingestion) শৰীৰত বীজাণু প্ৰৱেশ কৰে। গতিকে যিবিলাক ঠাইত যক্ষ্মা বেমাৰীয়ে থু খেকাৰ পেলায় তালৈ যাবৰ হলে ভৰিত জোতা পিন্ধি যোৱা উচিত।

৩। তৃতীয় কাৰণ হৈছে যক্ষ্মা বীজাণু বেজিৰ দ্বাৰা বিন্ধি শৰীৰত সুমাই (Inoculation) দিয়া। ইয়াৰপৰা মানুহৰ বিপদৰ বিশেষ আশঙ্কা নাথাকে। ই কদাচিৎ হে হব পাৰে। ই সাধাৰণ মানুহৰ শক্তিৰ বাহিৰ। গতিকে ই ঘটি উঠা অতি বিৰল।

প্ৰথম আৰু দ্বিতীয় কাৰণ হৈছে বৰ বিপদজনক। মানুহ প্ৰত্যেক মুহূৰ্ত্তে এই কৰাল গ্ৰাসত পৰিবৰ খুব সম্ভাৱনা থাকে। সাধাৰণতে যিবিলাক মানুহৰ শৰীৰ সুস্থ, সাৱধানে চলা-ফুৰা কৰে, তেওঁবিলাকৰ শৰীৰত

যক্ষ্মা বীজাণুৱে সহজে আধিপত্য কৰিব নোৱাৰে। মৰা মানুহৰ হাঁও ফাঁও কাটি পৰীক্ষা ( Post mortem examination ) কৰি ডাক্তৰবিলাকে কয় যে শতকৰা ৯৫ জনৰ হাঁও-ফাওঁত ( lungs ) যক্ষ্মা বীজাণু ( Bacillus-Tuberculosis ) পোৱা যায়। কিন্তু সেইবিলাক বীজাণুৱে তেওঁবিলাকৰ সুস্থ শৰীৰত কোনো উপদ্ৰৱ কৰিবলৈ সমৰ্থ নহয়। পুষ্টিকৰ খাদ্যৰ অভাব, অস্বাস্থ্যকৰ, ৰ'দ বতাহ নোপোৱা দুৰ্গন্ধ আৰু বালি ধূলিৰে পূৰ্ণ ঠাইত বাস কৰা মানুহৰ বেছি ভাগ যক্ষ্মাৰোগত আক্ৰান্ত হোৱাৰ ভয় থাকে। ইয়াৰ বাহিৰেও মানুহে যক্ষ্মাগ্ৰস্ত হোৱাৰ আগেয়ে অইন কিছুমান কাৰণৰ ( Predisposing causes) বশীভূত হোৱা দেখা যায়। যেনে পানীলগা ( Influeza ) প্ৰৱল কাহ ( Whooping cough ) বহুমূত্ৰ ( Diabetis ) গৰ্মি ( Syphilis ) ইত্যাদি। বাস্তৱিকতে যিবিলাক মানুহে যক্ষ্মা ৰোগৰপৰা যাতনা ভুঞ্জিব ধৰিছে, তেওঁবিলাকৰ বেমাৰ ওপৰত উল্লেখ কৰা এবিধ নহয় এবিধ কাৰণৰপৰা উৎপত্তি হোৱা দেখা যায়। যিবিলাক ঠাইত বাস কৰা মানুহৰ লোকসংখ্যা বেছি প্ৰায় সেইবোৰ ঠাইত যক্ষ্মা ৰোগী বেছিকৈ দেখিবলৈ পোৱা যায়। চহৰৰ অনুপাতে গাৱঁত এই বেমাৰ বহুত কম।

বেমাৰ আৰম্ভ হয় কেনেকৈ ?

যক্ষ্মাৰ প্ৰথম অৱস্থাতে ৰোগীৰ শুকান কাহ ( Dry cough ) আৰু গলাৰ নলীত শুৰ শুৰ ( Laryngeal irritability) ভাব হয় ; আৰু কাহিবৰ সময়ত বুকত সামান্য বেদনা ( Chest pain ) কৰে। এনেকৈ থাকোতে এদিন হঠাৎ কাহোতে খেকাৰৰ লগত তেজ পৰে। অথবা তেজবাতি ( Heamoptysis ) হয়। ই কিছুমানৰ ক্ৰমশঃ হৈ থাকে আৰু কিছুমানৰ এদিন আৰম্ভ হৈ দুই তিনি বছৰ পৰ্য্যন্ত বন্ধ থাকে। এই তেজ অইন তেজতকৈ বেছি ৰঙা ( bright red ) দেখা যায় ; কাৰণ ই হাঁও-ফাঁওৰপৰা ওলোৱা একেবাৰে বিশুদ্ধ তেজ ( Oxygenated blood )। অথবা জ্বৰ, শ্বাস যন্ত্ৰৰ কষ্ট আৰু ৰাতি শৰীৰৰ কিছু অংশ ঘমা আদি প্ৰধান লক্ষণ প্ৰকাশ পায়। ইয়াৰ বাহিৰেও ৰোগীৰ শৰীৰৰ ওজন ক্ৰমশঃ কমি যায় আৰু পেটত ভোক সিমান দূৰ নাথাকে। স্বাভাৱিকতে মানুহৰ মুখৰ চুলিৰ যি সৌন্দৰ্য্য ( lusture ) থাকে সেইটো কিছুমান যক্ষ্মা ৰোগীৰ লোপ পোৱা দেখা যায়। বুকুৰ আকৃতিয়ে ঠিক পাৰ চৰাইৰ বুকুৰ নিচিনা ( Pigeon breast ) গঢ় লয়। বিশেষ গৱেষণাকাৰী ডাক্তৰসকলে কয় যে আৰম্ভণিতে যক্ষ্মা ৰোগীৰ বেছি কাম ভাব ( sexual power ) হয়। ইয়াৰ কাৰণ বোধকৰো পুষ্টিকৰ খাদ্য খোৱাৰ গুণে।

আগেয়ে বৈজ্ঞানিক চিকিৎসকসকলে কৈছিল যে যক্ষ্মা বেমাৰ বংশানুগত ( Inheritant ) অৰ্থাৎ পিতাকৰ হলে পুতেকৰ হবই লাগিব। সকলোৱে এই কথাকে বিশ্বাস কৰিছিল। কিন্তু আজিকালিৰ বিশেষ গৱেষণাকাৰী ডাক্তৰসকলে এই মত কোনোমতে সমৰ্থন নকৰে। তেওঁবিলাকে কয় ই ভীষণ সংক্ৰামক বেমাৰ। গতিকে ঘৰত এজনৰ হলে বাকীবোৰৰো হোৱাৰ সম্ভাৱনা থাকে। আনকি আমাৰ দেশত এতিয়াও বহুতে ভাবে যে কুষ্ঠ ৰোগ ( Leprosy ) বংশানুগত। কিন্তু লণ্ডন আদি চহৰত যিবিলাক কুষ্ঠ বেমাৰী হয় তেওঁবিলাকে তাৰ আইনমতে ( State law ) নিজৰ ঘৰ বাৰী ত্যাগ কৰি কুষ্ঠাগাৰত থাকিব লাগে। তাত তেওঁবিলাকৰ নিমিত্তে চিকিৎসাৰ বিশেষ বন্দোবস্ত আছে। আইন অনুযায়ী মতা কুষ্ঠ ৰোগীয়ে মাইকী কুষ্ঠ ৰোগীক বিয়া কৰায়। তাত তেওঁবিলাকৰ সন্তান হোৱাৰ লগে লগে আনি মেটাৰনিটি হাস্পতালত ( Maternity Hospital ) ৰখা হয়। এইবিলাকৰ সমুদাই খৰচ পাতি ৰাষ্ট্ৰই বহন কৰে। কিন্তু যেতিয়া এই সন্তানবোৰ ডাঙৰ দীঘল হয়, তেওঁবিলাকৰ কাৰো কুষ্ঠ বেমাৰ হোৱা দেখা নাযায়। আমাৰ হতভাগা দেশত গৱৰ্ণমেণ্টে এনেকুৱা নিয়ম কৰা দূৰৈৰ কথা আনকি ৰোগীয়ে ইঘৰে সিঘৰে হা ভাত হা পানী কৰি সংক্ৰামক বেমাৰ বিস্তাৰ কৰিব ধৰিছে। এই বিষয়ে আমাৰ গৱৰ্ণমেণ্ট একেবাৰে উদাসীন।

চিকিৎসা প্ৰণালী ( Treat ment ) :—





যক্ষ্মা বেমাৰৰ প্ৰথম অৱস্থাতে যেতিয়া প্ৰাথমিক লক্ষণ বিলাকে দেখা দিয়ে তেতিয়া বৈজ্ঞানিক ধৰণেৰে চিকিৎসা কৰিলে উৎকট ব্যাধিৰ ভীষণ পৰিণামৰপৰা ৰক্ষা পোৱা যায়। কিন্তু আমাৰ দেশত ৰোগীসকলে অন্তিম সময়তহে ডাক্তৰ কবিৰাজসকলৰ ওচৰ চাপে। তেতিয়া ৰোগীৰ একেবাৰে চিকিৎসাৰ বাহিৰ হৈ যায়। গতিকে আমাৰ মানুহে বিশ্বাস কৰে যে ই একেবাৰে দুৰাৰোগ্য। আৰম্ভণতে কৰলৈ হলে মাজে সময়ে কিছুমানক এই ভীষণ ব্যাধিৰপৰা ৰক্ষা পোৱা দেখা গৈছে। ইয়াৰ চিকিৎসা প্ৰণালী দুই ভাগে ভগাব পাৰি—প্ৰথমতে আগধৰি সাৱধান ( Prophylactic ) হোৱা। ওপৰত উল্লেখ কৰা নীতিবোৰ পালন আৰু বীজাণুবোৰ ধ্বংস হোৱাৰ উপায় অৱলম্বন কৰা, যাতে যক্ষ্মা বীজাণু শৰীৰত সোমাই বেমাৰ উৎপন্ন কৰিবৰ কোনো সুযোগ নাপায়।

দ্বিতীয়তে আৰোগ্য বিষয়ক ( Curative ) ব্যৱস্থা কৰা।

ৰোগ আৰম্ভ হোৱাৰ পিছত ৰোগীয়ে কি উপায় অৱলম্বন কৰি চলিব লাগে তাক তলত দিয়া হ'ল।

১। যক্ষ্মা বেমাৰীক পাৰ্য্যমানে মানসিক আৰু শাৰীৰিক জিৰণি (Rest) দিয়া দৰ্কাৰ। ৰোগী এনেয়ে ক্লান্ত তাৰ উপৰি মানসিক বা শাৰীৰিক পৰিশ্ৰম হলে মস্তিষ্কত আৰু হাঁও-ফাঁওত বহুত অনিষ্ট ঘটাৰ সম্ভাৱনা থাকে।

২। ৰোগী থকা মেলা ঠাইৰ চাৰিও ফাল খোলা হব লাগে যাতে বিশুদ্ধ বতাহ ভাল দৰে চলাচল কৰিব পাৰে। এই বিশুদ্ধ বতাহৰপৰা ৰোগীৰ শৰীৰৰ দূষিত ৰক্ত শুদ্ধ হয় যায়। এই কাৰণে যক্ষ্মা ৰোগী ৰখা হাস্পতালবিলাক মুকলি ঠাইত সজোৱা হয়। কলিকতাৰ অদ্বিতীয় [...]ৰেণুৰ হস্পিতালো এনে মুকলি ঠাইতে স্থাপিত।

৩। থকা ঠাই খোলা হোৱাৰ লগে লগে তাত সূৰ্য্যৰ পোহৰে ( Sun light ) ভালদৰে সুকি পোৱা বিশেষ দৰ্কাৰ। ই দূষিত বস্তু নষ্ট কৰে। গতিকে বীজাণু আদি ইয়াত ভালদৰে জন্মিব নোৱাৰে। সূৰ্য্যত এনেকুৱা কিছুমান শক্তি আছে ( যেনে—Ultra violet rays ) যাৰ বলত বৈজ্ঞানিক চিকিৎসকসকলে বিনা দৰবে কিছুমান বেমাৰ চিকিৎসা কৰি কৃতকাৰ্য্য হব পৰা দেখা গৈছে।

৪। ৰোগীক সদায় পুষ্টিকৰ খাদ্য ( Nourishing food ) খাবলৈ দিয়া বিধেয়। যিবিলাক বস্তুত অন্ততঃ প্ৰোটিন ( Protein ) ভালদৰে পোৱা যায় :—যেনে হাহ বা কুকুৰাৰ কণী, মাছ মঙহ ইত্যাদি।

৫। যক্ষ্মা বেমাৰীক দৰৱ ব্যৱহাৰ কৰিবলৈ দিয়াৰ নিয়ম হৈছে চিকিৎসকৰ ব্যৱস্থানুযায়ী। যি অৱস্থাত যেনেকুৱা ঔষধ ( যেনে—Calcium ) ব্যৱহাৰ কৰিবলৈ উপদেশ দিয়ে ঠিক সেই মতে ৰোগীয়ে কৰ্ত্তব্য পালন কৰা উচিত। ইয়াৰ উপৰিও Vaccine and Serum Therapy চিকিৎসা সময়মতে কৰা বিধেয়।

আজি অসমত যক্ষ্মা বেমাৰ দিনক দিনে ইমান বাঢ়িব ধৰিছে যে তাক দেখি সকলোৰে মনত ত্ৰাস নলগাকৈ থকা নাই। এই বিষয়ে অসমৰ স্বাস্থ্যবিভাগে যথোপযুক্ত মনোযোগ দিয়া বুলি আমাৰ মনে নধৰে। এই উৎকট ব্যাধিৰ কৰাল গ্ৰাসৰপৰা ৰক্ষা পাবলৈ ভাৰতৰ অইন ঠাইত কিমান যে Anti tuberculosis association স্থাপন হৈছে তাৰ ইয়ত্বা নাই। আজি এই এছোছিয়েশুনৰ জৰীয়তে প্ৰত্যেক চহৰ আৰু গাৱঁত যাতে যক্ষ্মা বেমাৰ হব নোৱাৰে তাৰ প্ৰতিবিধান কৰিবলৈ ধৰিছে। কিন্তু আমাৰ অসম এই বিষয়ে এতিয়াও নিমাত। যি হ'ক আমি শুনি সুখ পাইছোঁ যে অসমৰ সুযোগ্য নেতা দেশভক্ত শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়াই জুবিলী ফাণ্ডৰ কিছু টকা যক্ষ্মা বেমাৰ নিবাৰণৰ নিমিত্তে খৰচ কৰিবলৈ গৱৰ্ণমেণ্টক টানি অনুৰোধ জনাইছে। আশাকৰোঁ গৱৰ্ণমেণ্টে অসমীয়া বাইজলৈ সহৃদয়তা দেখুৱাব খুজিলে ফুকন ডাঙৰীয়াৰ অনুৰোধ অগ্ৰাহ্য নকৰিব।

# অষ্ট্রেলিয়া ভ্ৰমণ

[ ৬ষ্ঠ বছৰ—১১শ সংখ্যাৰ পাছৰপৰা ]

**( জালিনৱালাবাগ )**

—শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি-এ বি-টি

যি ডোখৰ ঠাইৰ নাম শুনিলে প্ৰত্যেক ভাৰতবাসীৰ অন্তৰ জ্বলি উঠে, যি ঠাইৰ দুৰ্ঘটনাই ভাৰতৰ সিংহ বিক্ৰমী শিখবিলাকক ছাৰ্কাছত খেলা কৰা সিংহত পৰিণত কৰিছে, যি ঠাইত এদিন শতাধিক নিৰস্ত্ৰ ভাৰতবাসীয়ে গুলীৰ মুখত প্ৰাণ দিছিল, যি ঠাইৰ ঘটনাই গোটেই ভাৰতত নব জাগৰণৰ সূত্ৰপাত সেই ঠাইৰ নাম জালিনৱালাবাগ।

আমি স্বৰ্ণমন্দিৰৰপৰা ওলাই আহি, খোজ কাঢ়ি জালিনৱালাবাগলৈ গলোঁ। অমৃতসৰৰ ওখ পাৰৰপৰা ১০০ গজমান আহিলেই আলিবাটৰ সোঁফালে থকা দুখন দোকানৰ মাজেদি এটা ঠেক বাট; এই বাটটো ইমান ঠেক যে দুফালৰপৰা দুজন মানুহ আহিলে এজনে অলপ একতীয়া হৈ নিদিলে আনজনে সৰকিব নোৱাৰে। এই বাটেৰে সৰকি গৈ দোকানৰ পাছফালে এডোখৰ মুকলি ঠাই; এই ঠাই ডোখৰ বহলে আৰু দীঘলে প্ৰায় এখন ডাঙৰ ফুটবল্ খেলা খেল মাটিৰ সমান। ইয়াৰে নাম জালিনৱালাবাগ্। ইয়াৰ মাজে মাজে দুই এডাল গছ, ঠায়ে ঠায়ে দুই এজোপা ফুলৰ গছ; সোঁমাজতে এটা পকা বন্ধা ভেটি আৰু বাগানৰ চাৰিওফালে তিনি চাৰি মহলীয়া দালান।

যি ফালৰপৰা বাগানলৈ সোমাব লাগে সেই ফালৰ দালানবিলাক আলিবাটৰ দাতিত থকা দোকান ঘৰ আৰু বাকী তিনিফালৰ দালানবিলাকত চহৰৰ কিছুমান ভদ্ৰলোক বাস কৰে।

দোকানৰ পাছফালে ঘৰৰ ভেটিত লগালগিকৈ এডোখৰ ওখ ঠাই; তাত একে লগে ২০।২৫ জনমান মানুহ থিয় হব পাৰে; তাত থিয় হ'লে গোটেইখন বাগান ... দেখা যায়। এই ঠাইৰপৰা পকা-বন্ধা খটখটিৰে ... ফুটমান তললৈ নামিলেই জালিনৱালাবাগ বা বাগ... ভৰি দিব পাৰি।

নামি গৈ বাগানৰ মাজত থকা পকা বন্ধা ভেটি... ওপৰত থিয় হৈ, এবাৰ দোকানৰ পাছফালে থকা ওখ ... ডোখৰৰ পিনে চালো। হঠাৎ গোটেইটো গা শি... উঠিল। তাত বেছি সময় থিয় হৈ থাকিব নোৱাৰি... কাৰণ দোকানৰ পাছফালৰপৰা বন্দুকৰ গুলী আহি ... পৰা যেন লাগে।

তাৰপৰা নামি গৈ চাৰিও ফালৰ দৃশ্যবোৰ চা... ধৰিলো। দোকান ঘৰৰ বিপৰীত ফালে থকা ঘ... বোৰৰ গাত বন্দুকৰ গুলীৰ আঘাতবিলাক আছে।

ওপৰত উল্লেখ কৰা সুৰুঙা' বাটৰ বাহিৰে সৰ্ব্বসাধা... এই বাগানলৈ যাব পৰা বাট আৰু নাই। মাত্ৰ এচুকত ... সৰু ভিতৰুৱা বাট আছে, কিন্তু তাৰ দুৱাৰ মুখত ... কাঠৰ দৰজা।

আমি ঘূৰি ঘূৰি গোটেইখন বাগান চালো; ... মুখত মাত নাই; মুখবিলাক বিবৰ্ণ; চকুবিলা... চল্‌চলীয়া। সকলোৱে শ্মশান ঘাটৰপৰা ফিৰি ... মানুহৰ নিচিনা তলমূৰ কৰি তাৰপৰা ওলাই আহিলো।

## প্ৰদৰ্শনি

জালিনৱালাবাগৰপৰা প্ৰায় এক মাইলমান দূ... শিল্প প্ৰদৰ্শনি পাতিছিল। গাৰীত উঠি তালৈ গৈ... অনাৰ টিকট কাটি ভিতৰলৈ গলো।



...প্ৰদৰ্শনিখন বাস্তবিকতে চাবলগীয়া আছিল। কাপোৰ ...নিপৰা আৰম্ভ কৰি মাটি, ধাতু, কাঠ ৰবৰ আদিৰ ...াৰী সৰঞ্জামলৈকে সকলোবোৰ বস্তু ওলাইছিল। ... চোৱাণীবিলাকৰ ৰং-ধেমালিৰ কাৰণে ঘূৰণডোলা (M...erry-go-round) ঘোৰাদৌৰ, পুতলা-নাচ ইত্যাদি ... সদায় চলি আছিল। ওপজাৰেপৰা ঠেং নথকা ...ৰী বঙালী তিৰোতাও প্ৰদৰ্শনিত দেখুৱাইছিল; ...ৰ ককালৰপৰা মাত্ৰ এবেগেতমান দীঘল এটুকুৰা ...য়াছিল, অথচ হাতেৰে চুচৰি চুচৰি লৰ চৰ কৰিব ...িছিল আৰু মানুহৰ লগত ৰং মনেৰে হাঁহি কথা ...িছিল। প্ৰদৰ্শনিত ওলোৱা বস্তুবিলাকৰ ভিতৰত ...াৰ আৰু কাঠৰ মেজ, মাচিয়া, আলনা ইত্যাদি ...প্ৰশংসাযোগ্য।

...ভাৰতবাসীৰ সহানুভূতি পাই জগতৰ কোন শিল্পই ...তিলাভ কৰা নাই? কিন্তু হায়! আজি ভাৰত...ৰ সহানুভূতিৰ অভাবত শিল্পই মূৰ দাঙিব পৰা নাই। ...তকৈ অনুতাপৰ বিষয় আৰু কি হব পাৰে! এই ...দৰ্শনিবিলাকৰপৰা যিমান দূৰ ফল আশা কৰা যায় ...ৰ বাধাও আজিলৈকে কোনো ঠাইতে সৰ্ব্বসাধাৰণৰ ...হানুভূতিৰ অভাৱত হৈ উঠা নাই।

প্ৰদৰ্শনি চোৱা শেষ কৰি সকলোৱে আকৌ শিবিৰলৈ ...ঘূৰি গলোঁ। তেতিয়া ৰাতি প্ৰায় ৯টা বাজিছে। ...-নৰিকৈ দুখন ছপটি আৰু অলপ তৰকাৰি খাই শুই ...থাকিলো।

পিছদিনা ৰাতিপুৱা ৫টা বজাত উঠি হাত-মুখ ধুই ...হিয়া এনেতে হগ ছাহাবৰ সুহুৰি বাজি উঠিল। ...সকলোৱে দৌৰি গৈ আগত উপস্থিত হলো। তৎক্ষণাৎ ...দ-চলন (marching) আৰম্ভ কৰি দিলে। সকলোকে ...লি বাটলৈ উলিয়াই নি প্ৰায় এঘন্টামান তাল-বুলন ...অভ্যাস কৰালে। তাৰ পিছত গা পা ধুই চাহ খাবলৈ ...ঘন্টা ছুটী। ছুটীৰ পিছত আকৌ কুস্তি-নাচ, লাঠি খেলা, ...লাঠি চক্ৰ ঘূৰণ, বস্তি খেলা (অৰ্থাৎ এডাল লাঠিৰ দুই ...ৰ কাপোৰ বান্ধি জুই জ্বলাই বাঘৰ লগত কৰা খেলা), ...সাপ ধৰা নাচ (অৰ্থাৎ সাপুৰীয়াবিলাকে পেঁপা বজাই সাপ ধৰা প্ৰণালী) ইত্যাদি অভ্যাস কৰিব লাগে।

এইদৰে সদায় ৰাতিপুৱা শিবিৰত নানা ৰকমৰ শিক্ষা হয় আৰু আবেলি লাহোৰলৈ গৈ বজাৰ কৰা নাইবা নতুন নতুন ঠাই চোৱাৰ কাৰণে ছুটী।

শিবিৰৰপৰা অষ্ট্ৰেলিয়ালৈ যাত্ৰা কৰিবলৈ আৰু মাত্ৰ তিন দিন বাকী, এনেতে প্ৰত্যেক দিনে লাহোৰৰপৰা কোনো দিন স্কাউট সভাই, কোনোদিন ইয়ং মেনছ খৃষ্টিয়ান এছোছিয়েশ্যনে, কোনো দিনবা গৱৰ্ণৰে বিদায় উপলক্ষে চাহ খোৱা নাইবা ভোজ খোৱা নিমন্ত্ৰণ কৰিবলৈ ধৰিলে।

ৰাতিপুৱা মাজে মাজে লাহোৰৰপৰা ডাঙৰ ডাঙৰ মানুহ আহি শিবিৰত আমাক নানা ৰকমৰ উপদেশ দিবলৈ ধৰিলে। যাতে সকলোৱে গৈ জাম্বৰীত ভাৰতৰ নাম উজ্জ্বল কৰি ঘূৰি আহিব পাৰো, তাৰ কাৰণে তেওঁলোকে বিশেষকৈ বুজাব ধৰিলে। তেতিয়া আমাৰ ওপৰত কি গুৰুতৰ দায়িত্ব আছে সকলোৱে ভালকৈ বুজিব পাৰিলে। ২৭ জন ক্ষুদ্ৰাদপিক্ষুদ্ৰ ভাৰতবাসীৰ ব্যৱহাৰ, চাল-চলন আৰু কৰ্ম্মদক্ষতাৰ ওপৰত ভাৰতৰ সুনাম বা কুনাম নিৰ্ভৰ কৰিছে, ইয়াতকৈ ডাঙৰ দায়িত্ব কি হব পাৰে!

## পাছ্-প'ৰ্ট্

আগেয়ে কোৱা হৈছে যে পাছ-প'ৰ্টৰ কাৰণে দৰখাস্ত কৰি মই লাহোৰলৈ যাত্ৰা কৰিছিলো। ভাবিছিলো লাহোৰত গৈ পাম। এই কথা ৱালটন শিবিৰ পায়েই হগ ছাহাবৰ আগত কৈছিলো। ইমান কম সময়ৰ ভিতৰত অসমৰপৰা পাছ-প'ৰ্ট পোৱাটো সন্দেহ কৰি তেওঁ মোৰ এখন ফটোগ্ৰাফ যোগাৰ কৰিবলৈ কৈ অসম গৱৰ্ণমেণ্টৰ লগত টেলিগ্ৰামৰ দ্বাৰাই সোঁধ-পোছ আৰম্ভ কৰিলে।

এই কথা মোৰ লগৰীয়াবিলাকৰ আগত কোৱাত আমীৰ মহম্মদ নামে উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ ৰ'ভাৰ স্কাউট এজনে সেই দিনাই মোৰ এখন ফটোগ্ৰাফ কৰি দিব বুলি গাত লৈ তেতিয়াই তেওঁৰ হাত কেমেৰাত এখন ফটো তুলি ল'লে।

দুৰ্ভাগ্যৰ বিষয় যে পিছদিনা ৰাতিপুৱা তেওঁ ফিল্মটো বেয়া আছিল গতিকে ফটোখন শুঠিল বুলি ক'লে। এই কথা শুনি বিমোৰত পৰিলো। ভাবি চিন্তি ঠিক কৰিলো যে থাই-বই উঠি লাহোৰলৈ গৈ তাত ফটো তুলিব লাগিব।

সেইমতে লাহোৰলৈ গৈ, বিচাৰি বিচাৰি সন্ধিয়াৰ সময়ত এখন ফটোৰ দোকান পালোঁ। দোকানীয়ে ক'লে যে তেওঁ 'অটোস্কেচ'ৰ সহায়েৰে ৰাতিও ফটো উঠাব পাৰে, কিন্তু পিছদিনা দিনৰ ৩টা বজাৰ আগতে ফটো দিব নোৱাৰে। নিৰুপায় হৈ টকা এটা বয়না দি শিবিৰলৈ ঘূৰি আহিলো।

হগ ছাহাবক লৈ গোটেইটো কন্টিন্-জেণ্টৰ মেম্বৰ ২৮ জন,—ইয়াৰ ভিতৰত উত্তৰ পশ্চিম-সীমান্ত প্ৰদেশৰ ৩ জন, বম্বে প্ৰেচিডেন্সিৰ দক্ষিণে থকা জাঠ ষ্টেটৰ ২ জন, উৰিষ্যাৰ ঢেন্‌কানাল্ ষ্টেটৰ ৩ জন, অসমৰ ১জন, যুক্ত প্ৰদেশৰ ১ জন, আৰু হগ ছাহাবক লৈ পাঞ্জাবৰ ১৮ জন। পাঞ্জাবৰ ১৮জনৰ ভিতৰত ৭ জন স্কাউটাৰ আৰু ১১জন স্কাউট,—এই স্কাউটবিলাকৰ ভিতৰত শিখৰ ল'ৰা বেছি। এওঁলোকৰ দোষৰ ভিতৰত স্বাৰ্থপৰ আৰু গুণৰ ভিতৰত উৎসাহী আৰু কৰ্ম্মী। এওঁলোকৰ ভিতৰত কেবাজনেও লাঠি খেলা, বস্তি-খেলা, সুদৰ্শন-চক্ৰ-ঘূৰণ ইত্যাদি ভালকৈ জানে, আৰু দুজনে গাৰ ছালেৰে বেজী ভৰাই দি উলিয়াই আনিব পাৰে, অথচ তেজ নোলায়। ছিম্‌লাৰপৰা অহা পাৰ্ছী স্কাউটাৰ এজনে মেজিক দেখুৱাব পাৰে আৰু 'নৰ্থ ৱেষ্টাৰ্ণ ৰেলৱে'ৰ প্ৰতিনিধি এজনে সাপ ধৰা নাচ দেখুৱাব পাৰে। বাকী স্কাউট আৰু স্কাউটাৰৰ ভিতৰত কোনোৱে গান জানে, কোনোৱে 'কমিক্' কৰিব পাৰে, কোনোৱে বা ড্ৰইং, পেইন্টিং, ফটোগ্ৰাফি ইত্যাদি শিল্প কাম জানে। মুঠৰ ওপৰত কন্টিন-জেণ্টৰ প্ৰত্যেক মেম্বৰে কিবা নহয় কিবা এটা কাম কৰিব পাৰে; আনকি কন্টিন-জেণ্টৰ নেতা মিষ্টাৰ হগেও গতৰ লগে লগে দুখন চামোচেৰে শৰীৰৰ নানা অঙ্গত আঘাত কৰি সুন্দৰ বাজনা বজাব জানে। এই ভাৰতীয় দলটো জাম্বৰীলৈ যাবৰ কাৰণে সাজু হ'ল।

আজি শিবিৰৰপৰা কলম্বোলৈ যাত্ৰা কৰাৰ দি[ন] ৰাতিপুৱাই হগ ছাহাবে সকলোকে মাতি নি নিজৰ নি[জ] টোপোলা-টাপলি বান্ধি সাজু হবলৈ ক'লে। টোপোলা[...] মাৰিবৰ কাৰণে ছপা টিকট কিছুমান দিলে; ল[...] জনাই দিলে যে গধূলি ৫টা বজাৰ সময়ত লাহোৰৰ ই[...] মেন্‌ছ খৃষ্টিয়ান্ এছোছিয়েশ্যনে 'ডিনাৰ' খাবলৈ নিম[...] কৰিছে; গতিকে তাত থাই-বই উঠি ৭টা বজাৰ ট্ৰেই[ন] দিল্লীলৈ যাত্ৰা কৰিব লাগে।

মোক ক'লে যে অসম গৱৰ্ণমেণ্টে সময়ৰ না[...] হোৱাত মোৰ পাছ-প'ৰ্ট দিব নোৱাৰি পাঞ্জাব গৱৰ্ণমেণ্ট[...] দিবলৈ অনুমতি দিছে; গতিকে মই তত্‌্‌ক্ষণিকে লাহোৰ[...] গৈ ফটো দাখিল কৰি ৪টা বজাৰ আগতে পাছ-প[...] উলিয়াই লব লাগে।

এই কথা শুনি মই বজ্ৰাহত যেন হলো। ক'ৰ[...] কেনেকৈ পাছ-প'ৰ্ট উলিয়াই লব লাগে তাৰ একো [...] নাপাওঁ, তদুপৰি ৩টা বজাৰ আগতে ফটোখন পো[...] কোনো আশাই নাই।

এইবিলাক অসুবিধাৰ কথা হগ ছাহাবক কো[...] তেওঁ পাছ-প'ৰ্ট উলিয়াই লব নোৱাৰিলে টিকট [...] ঘৰলৈ ঘুৰি আহিবলৈ কলে। শুনি অবাক হলো।

এইবিলাক কথা শুনি পণ্ডিত জয়দেৱ নামে এ[...] স্কাউটাৰে মোৰ সকলোবিলাক অসুবিধা দূৰ কৰি [...] পাছ-প'ৰ্ট উলিয়াই দিব বুলি গাত ল'লে।

তাৰপৰা ওলাই আহি টোপোলা-টাপলি বান্ধি [...] এজন স্কাউটাৰৰ জিম্মাত দি পণ্ডিতজী আৰু মই লাহো[ৰলৈ] গলোঁ। সেই দিনা দুয়োজনে গধূলি ৫টা বজা[...] খোৱা-লোৱাৰ কথা পাহৰিছিলো, আনকি এখন চা[...] দোকানত বহি একাপ চাহ খাবলৈকেও সময় উলি[...] পৰা নাছিলো।

প্ৰথমতে অনাৰ্কালী বজাৰলৈ গৈ লৰালৰিকৈ কি[...] খুচুৰা লাগতিয়াল বস্তু কিনি ললোঁ। লাহোৰৰ ভি[...] এইখনেই প্ৰধান বজাৰ। তাতে এঘণ্টাৰ ভিতৰত [...] ফটো কৰি ললোঁ।

তাৰ পিছত কেতিয়াবা গাৰীৰ ওপৰত, কেতি[...]



খোজ কাঢ়ি কিমান ঠাইলৈ গলোঁ তাৰ লেখ দিব নোৱাৰো। পণ্ডিতজীয়ে য'লৈ যাবলৈ কৈছে তালৈকে গৈছো, যি কৰিবলৈ কৈছে তাকে কৰিছো; কাৰণ লাহোৰ মোৰ কাৰণে একেবাৰে নতুন ঠাই।

পাছ-প'ৰ্টৰ কাৰণে এখন দৰখাস্ত কৰি তাত এজন জজৰ শলাগনি আৰু ছহী লব লাগে। ইয়াৰ কাৰণে দুই তিনি ঠাইত হাবাথুৰি খাই ফুৰিলো। কিন্তু মোক চিনি নাপায় বুলি কোনো জজে ছহী নিদিলে। অৱশেষত পণ্ডিতজীয়ে নিজে দায়িত্ব লৈ এখন লেখা দি এজন জজৰ পৰা ছহী আনিলে। তাৰ পিছত বহু কষ্টে পাছ প'ৰ্ট উলিয়াই লৈ, আন আন খুচুৰা কাম শেষ কৰি ৫টা বজাত সকলোৱে গৈ ইয়ং মেনছ খৃষ্টিয়ান এছোছিয়েশ্যনৰ ডিনাৰত উপস্থিত হলো।

অল্ ইণ্ডিয়া কন্টিন-জেণ্টৰ ভিতৰত পণ্ডিতজী আৰু মই নিৰামিষাশী, আনবিলাক মাংসাশী। দুৰ্ভাগ্যক্ৰমে ডিনাৰ খাবৰ সময়ত মই ৰাজকুমাৰ গৌৰেন্দ্ৰ প্ৰতাপৰ লগত একেখন টেবুলত পৰিলো। লাজতে নিৰামিষ খাওঁ বুলি কোৱাও নহ'ল; গতিকে এটুকুৰা কটিৰ বাহিৰে মোৰ একো খোৱা নহল।

থাই-বই উঠাৰ পিছত ৰাজকুমাৰে এই কথা পণ্ডিতজীৰ কাণত পেলালে। তেওঁ বৰ বেজাৰ কৰি সেই দিনাৰ পৰা সদায় খাবৰ সময়ত মোক তেওঁৰ লগত বহিবলৈ ক'লে।

তাৰপৰা বিদায় লৈ সকলোৱে ৭ বজাৰ অলপ আগতে ৰেলৱে ষ্টেশ্যনলৈ গৈ উপস্থিত হলোঁ।

পাঞ্জাবী লৰাবিলাকৰ মাক ভনীয়েক আৰু আন আন মিতিৰ কুটুমবিলাক ষ্টেশ্যনত উপস্থিত আছিল। তেওঁলোকৰ কান্দোনত গোটেই ষ্টেশ্যনত এটা বিষাদৰ ছাঁ পৰিছিল। লাহোৰৰ কিছুমান স্কাউট আৰু গণ্য মান্য ভদ্ৰলোক বিদায় উপলক্ষে ষ্টেশ্যনলৈ গৈছিল। তেওঁলোকে কন্টিন জেণ্টৰ প্ৰত্যেক মেম্বৰকে একোধাৰি গোন্ধ মালতী ফুলৰ মালা পিন্ধাই দি মহানন্দে জয়ধ্বনিৰে বিদায় দিলে। এইদৰে হৰ্ষ-বিষাদৰ মাজত আমি লাহোৰৰপৰা বিদায় ললো।

—আগলৈ

---

# সাৱধান বুৰঞ্জী লিখক

কবিতা ]

—শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱা

সিও এক ভয়ঙ্কৰ স্মৃতি—
জগতৰ ইতিহাস কলঙ্কিত কৰা
চৌধ শতিকাৰ সেই টাটাৰী-ধুমুহা
তুৰুক্ তৈমুৰ লঙে আনিলে বোৱাই
পাঞ্জাবৰ নদ-নদী
মানুহৰ তেজেৰে ৰঙাই !
নিষ্ঠুৰ নিৰ্ম্মম সেই
নৰ-ৰূপী 'ছেতান'ৰ খোজৰ তলত
কিমান শিশুৰ হাঁহি,
কিমান মাতৃৰ হাঁয় বুকৰ অমৃত,
প্ৰণয়ীৰ কিমান সপোন
পলকতে পৰিণত হ'ল শ্মশানত !—
দীন-দুখী কৃষকৰ দৰিদ্ৰ কুটিৰ,
অট্টালিকা-সুশোভিত-সুৰম্য-নগৰ।
মন্দিৰ, মজিদ আদি দেৱতাৰ ঘৰ
প্ৰজ্বলিত হুতাশনে দাহ কৰা চাই
ভীম-প্ৰভঞ্জন সেই টাটাৰীৰ দল
হাঁহি মুখে আগ বাঢ়ে থলক লগাই।
পাছ ফালে থাকি যায়—
দ'ম দ'ম মৃতদেহ,

বিৰাট শ্মশান !
মেহত হেন্দুলি থকা
শত শত নিৰীহ গাৱঁত
বাজি উঠে প্ৰলয় বিশান !
এইদৰে পাঁচ মাহ কাল
আসুৰিক অত্যাচাৰ কৰি
ধন-ৰত্ন, বন্দী বেটী লৈ
গুচি গ'ল তৈমুৰ ঘৰমুৱা হৈ... !
কিন্তু হাঁয় !
ঐশ্বৰ্য্যই সিহঁতক
নোৱাৰিলে ৰাখিব জীয়াই,
নেদেখিলে ভাৰতৰ অনন্ত ভৰাল
আছে য'ত মহাৰত্ন অতল শিপাই।
মৃত্যুঞ্জয় মানুহৰ কল্পনাৰে সজা
সৃষ্টিৰ প্ৰথম স্বপ্ন সুফলিত হোৱা
হিৰণ কিৰণে ধোৱা
আৰ্য্যৰ বিমল বাস ভাৰতবৰ্ষত
তৈমুৰৰ তীক্ষ্ণ চকু অন্ধ হৈ গ'ল।
দিল্লীৰ প্ৰাসাদ চূড়া
মণি-মুক্তা হীৰাৰ মাজতে
ছয়তান তুৰুকৰ লক্ষ্য ভেদ হ'ল।......
তথাপিও—
যমুনাৰ অনন্ত প্ৰৱাহ
ধাৰ ছিগি নৰল কেনিও।
সিন্ধুৰো সুটুটিল বিন্দু মাত্ৰ জল,
ভাগৱত ভাগিৰথী নহল অচল !...

* * * *

খোজত ধুমুহা বোৱা
টল্‌মল্ মেদিনী কঁপোৱা
সেই মহা অভিযানে বাৰু
সিমান তেজেৰে ধুই
পাৰিলেনে মচি থৈ যাব
যমুনা-বালিত থকা
এটি মাপো চৰণৰ ছাব ?
যোল শ হেজাৰ য'ত তৰুণীৰ প্ৰাণে
লভিছিল ব্ৰহ্মময় ভাব।

'ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে অলঙ্কৃত'
বিশ্ববিমোহন সেই সুহৃদ সখাৰ
শুনিলেনে তৈমুৰে মুৰলীৰ মধুৰ নিস্বন,
গোপীকাৰ নূপুৰ নিক্কন,
দেখিলেনে কালিন্দীৰ নীল জলৰাশি ?—
—হাঁয় অন্ধ ! গুচি গলা মাটিখিনি লৈ
অনন্ত পূৰ্ণিমা ৰাতি
থাকি গ'ল ভাৰতত জগত উদ্ভাসি।
সেইবাবে—
সাৱধান, বুৰঞ্জী লিখক !
ভুল আখ্যা নিদিবা হুনাই
লুণ্ঠনকাৰীক যেন 'বীৰ' বুলি কৈ
বীৰত্বৰ অসম্মান নকৰা কদাপি।
দয়া, ক্ষমা, স্নেহ আৰু প্ৰেমৰ বাবেহে
যুদ্ধ কৰি কোনো জনে 'বীৰ' আখ্যা পায়,
বীৰত্বত স্বাৰ্থ দোষ নাথাকে সমূলি
ত্যাগেইহে মানুহক বীৰত্ব দিয়ায়।
প্ৰতাপসিংহৰ দৰে
কেইজন বীৰে
পৰ্ব্বতৰ শিখৰে শিখৰে,
শিলনিৰ ওপৰে ওপৰে,
লিখি গ'ল ইতিহাস অজৰ অমৰ ?
কেইজন বীৰে
'বন-পিঠা' খাই
লৌহ বৰ্ম্ম পৰিধান কৰে,
কেইজন এইদৰে
আপোনাৰ আদৰ্শত মৰে ?

* * * * *

সেইবাবে—
কাৰো কৰিছো,
আদৰ্শক মসিমুৰ কৰি
নিলিখিবা এটিও আখৰ,
সৰগৰ তৰাক পাহৰি
নকৰা ভুলতো যেন
শ্ৰেষ্ঠ বুলি মণি-মুক্তা
হীৰাৰ বাখৰ।



# এল্‌ভা এডিশ্যন

—শ্ৰীযুত গোলোকচন্দ্ৰ শৰ্ম্মা

যিসকল বৈজ্ঞানিকে কঠোৰ সাধনা আৰু পৰিশ্ৰমৰ ফলত জগতত নতুন তথ্য আৰু আৱিষ্কাৰেৰে জগতৰ বুৰঞ্জী পাতত সোণালী আখৰেৰে নাম ৰাখি থৈ গৈছে, সেই সকলৰ ভিতৰত এল্‌ভা এডিশ্যনো অন্যতম। আজি সভ্য জগতত এডিশ্যনৰ নাম নুশুনা বা নজনা মানুহ নাই। তেওঁৰ বৈজ্ঞানিক কাৰ্য্যাৱলীৰ নিদৰ্শন চাই তেওঁৰ নাম স্মৰণ নকৰা মানুহ নাই, এডিশ্যনৰ আৱিষ্কৃত ফনোগ্ৰাফ্ ( Phonograph ) গ্ৰামোফোন ( Gramophone ) আদি ব্যৱহাৰ নাইবা নুশুনা মানুহ নাই। তেওঁৰ মহৎ কাৰ্য্যাৱলীয়ে আজিও জগতত তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰাখিছে।

১৮৪৭ খৃষ্টাব্দৰ এঘাৰ ফেব্ৰুয়াৰি তাৰিখে অহিয়োৰ মিলান নামে ঠাইত এডিশ্যনৰ জন্ম হয়। তেওঁৰ দেউতাক ছেমুৱেল এডিশ্যন ( Samual Edison ) এজন শিল্পী আৰু আদৰ্শবাদী লোক আছিল। মাকো বৰ শিক্ষিতা আৰু কিছুদিনৰ কাৰণে শিক্ষয়িত্ৰী আছিল। এডিশ্যন শৈশৱ অৱস্থাত বৰ হৃষ্টপুষ্ট নাছিল, দেখিবলৈকো অশুৱনি আছিল। মূৰটো বৰ ডাঙৰ, সেই কাৰণে অনেক ডাক্তৰে সন্দেহ কৰিছিল যে তেওঁৰ মস্তিষ্ক দোষ হব। গাৱঁলীয়া স্কুলত তিনি মাহকাল অধ্যয়ন কৰাৰ পিছতেই স্কুলীয়া ছাত্ৰজীৱন ওৰ পৰে। শ্ৰেণীৰ ভিতৰত সকলোতকৈ পঢ়া শুনাত পিছপৰা আছিল। শিক্ষকৰ কঠোৰ শাসনৰ ফলত শেষত স্কুলক পৰিত্যাগ কৰিবলৈ বাধ্য হল। এডিশ্যন বৰ সূক্ষ্মদৃষ্টিসম্পন্ন লোক আছিল। যিহকে আগত দেখে তাকে পৰিপাটিকৈ পুঙ্খানুপুঙ্খৰূপে চাইহে সেপাহ পলাইছিল।

এডিশ্যনে তেওঁলোকৰ ঘৰৰ এখোটালিতে তেওঁৰ এটি সৰু পৰীক্ষাগাৰ ( Laboratory ) স্থাপন কৰিলে। তেওঁৰ হাতত বেছি পইছা নাছিল। যি আছিল তাৰেই কিছুমান ৰাসায়নিক বস্তু কিনি বটলত ভৰাই কোনেও স্পৰ্শ কৰিব নোৱাৰাকৈ ভয় খুৱাবৰ কাৰণে ওপৰত "বিহ" ( Poison ) বুলি লিখি ৰাখিছিল। দহ আৰু এঘাৰ বছৰ বয়সৰ ভিতৰত যি কিতাপকে পঢ়িছিল তাক নিজ পৰীক্ষাৰ ( Experiment ) দ্বাৰা ভালকৈ বুজি লৈছিল। এইদৰে ক্ৰমান্বয়ে পৰীক্ষাৰ দ্বাৰা Electric Battery ৰ লগত তেওঁৰ মন নিবিষ্ট হয়। কিন্তু তাক বহল পৰিমাণে প্ৰমাণ কৰি চাবৰ কাৰণে তেওঁৰ হাতত এটি পইছাও নাই। উপায়হীন হৈ বাতৰি কাকত বেচা ব্যৱসায় হাতত ললে। যদিও মাকে প্ৰথমতে এই কাৰ্য্যত পুতেকক মত নিদিছিল শেষত এডিশ্যনৰ অনুনয় বিনয়ত দিবলৈ বাধ্য হল। ইতিমধ্যে "ৱাৰ অব ৰিবেলিয়ন' ( War of Rebellion ) আৰম্ভ হল। সেই কাৰণে বাতৰি কাকত বেচা ব্যৱসায় লাভজনক হৈ পৰিল। ৰেলত বাতৰি কাকত বেচি অটাই এডিশ্যনে অনেক সময় পাইছিল। সেই আজৰি সময় কাৰ্য্যত খটুৱাবৰ কাৰণে তেওঁ পৰীক্ষাগাৰ ঘৰৰপৰা তালৈকে উঠাই লৈ গৈছিল। নিজৰ খৰচ বাদে তেওঁৰ হাতত যি জমা থাকে তাৰেই ৰাসায়নিক বস্তু কিনি অনেক পৰীক্ষাৰ দ্বাৰা নানা সিদ্ধান্তত উপনীত হবলৈ সক্ষম হৈছিল। ৰেলৰ এটা কোঠালি ( Compartment ) ভাৰা কৰি তাত ছাপাখানা বহুৱাই নিজেই সম্পাদক, প্ৰকাশক মুদ্ৰাকৰ, কম্পজিটৰ আৰু কাগজ বিক্ৰেতা ( News dealer ) হৈ এখন কাকত অতি সুকমলে চলাইছিল। এদিন এটা ঘটনাৰ দ্বাৰা তেওঁৰ জীৱন বৰ শঙ্কটজনক হৈ পৰিছিল। যিখন ৰেলত তেওঁৰ পৰীক্ষাগাৰ ছাপাখানা আদি আছিল সেইখন ৰেল এটা ষ্টেশ্যনৰপৰা অন্য এটা ষ্টেশ্যনলৈ বৰ বেগাই গৈ আছিল। এনেতে এডিশ্যনে কিবা ৰাসায়নিক পৰীক্ষা কৰি ( Chemical Experiment ) থাকোতে হঠাৎ ফচ্‌ফৰাছ Phosphorus পৰি গোটেই কোঠাত জুই লাগি পৰিল। ৰেল

পৰিচালক (Conductor) লৰাগৰিকৈ আহি মাজ বাটতে গাৰী থমাই পানী ছটিয়াই জুই নুমুৱাই সেই বিপদৰ পৰা নিৰাপদ কৰিলে। পিছৰ ষ্টেশ্বন পোৱাত ৰেল পৰিচালকে তেওঁৰ সকলো উপাৰ্জ্জন, ছাপাখানা পৰীক্ষাগাৰলৈ তেওঁক ষ্টেশ্বনতে এৰি গাৰী চলাই দিলে। তেওঁৰ হাতত কোনো সম্বল নাছিল—মাত্ৰ হাতত এমুঠা কাগজ আৰু চকুত ছটুপি চকুলো। তাৰেই এডিশ্বন গাৰীত উঠিবলৈ ধৰি গল। হাত মেলি গাৰীত ধৰোতেই পৰিচালকে কাণত ধৰি বাহিৰ কৰি দিলে। তেওঁ অন্তৰত মৰ্ম্মান্তিক আঘাত পালে আৰু লগে লগে মগজুৰ বিকাৰত কলা হৈ পৰিল। ইমান বিপদৰ প্ৰবল ধুমুহাতো এডিশ্বন নিৰাশ নহল। শেষত নিজৰ ঘৰতে পৰীক্ষাগাৰ আৰু ছাপাখানা পাতি নতুন উদ্যমেৰে নিজৰ কাৰ্য্যত উঠি পৰি লাগি গল।

বাতৰি কাকত বেচা অৱস্থাত এডিশ্বন প্ৰায়েই টেলিগ্ৰাফ অফিছলৈ যাব লগা হৈছিল। তাত তড়িতৰ কাৰ্য্য দেখি তেওঁ সেই বিষয়ে জানিবলৈ বৰ ব্যগ্ৰ হৈ পৰিছিল। শেষত নিজৰ ঘৰৰ ভিতৰতে টেলিগ্ৰাফৰ তাৰ বহুৱাই সেই বিষয়ে পৰীক্ষা কৰিছিল। পৰিশ্ৰমী মানুহক ঈশ্বৰেও সহায় কৰে। এদিন কৰবালৈ যাওঁতে ৰেলৰ এজন ষ্টেশ্বন মাষ্টাৰৰ এটি সৰু লৰা এখন ৰেলৰ সন্মুখত পৰিবলৈ ধৰোতে এডিশ্বনে থাপ মাৰি লৰাটো বিপদৰপৰা ৰক্ষা কৰিলে। তেওঁৰ এই মহৎ কাৰ্য্যত ষ্টেশ্বন মাষ্টৰ পৰম সন্তুষ্ট হৈ পুৰস্কাৰ স্বৰূপে এডিশ্বনক Train Telegraphy শিক্ষাত সহায় কৰিলে।

ইংৰাজী ১৮৬৮ চনত এডিশ্বনে প্ৰথম আৱিষ্কাৰ কৰে—'ভোট ৰেকৰ্ডাৰ' ( Vote-Recorder ) নেশ্বনেল্ হাউছ অব ৰিপ্ৰেজেণ্টেটিভছত (National House of Representatives ) ভোট লবৰ কাৰণেই প্ৰথম ইয়াৰ আৱিষ্কাৰ হয়।

এডিশ্বনৰ জীৱনৰ একোটি সামান্য ঘটনাই তেওঁৰ জীৱনত বিৰাট পৰিৱৰ্ত্তনৰ সৃষ্টি কৰিছিল। এয়ে জনসাধাৰণ আৰু মহাপুৰুষসকলৰ মাজত পাৰ্থক্য। এদিন নিউয়ৰ্কৰ "গল্ড ইণ্ডিকেটৰ কম্পেনিত" ( Gold Indicator Company ) এডাল সামান্য তাঁৰ নষ্ট হৈ গোটেই কাৰ্য্য বন্ধ হৈ আছিল। এডিশ্বনে খবৰ পাই সেই ঠাইলৈ গৈ তাক ভাল কৰি অশেষ কীৰ্ত্তি লাভ কৰিলে। পিছদিনা ছুপাৰিণ্টেণ্ডেণ্টে খবৰ পাই প্ৰতি মাহে ৩০০ ডলাৰ দৰ্ম্মহাত তেওঁক সেই কামত নিযুক্ত কৰিলে। এডিশ্বনে তেওঁৰ সুপ্ত শক্তি জগাই তুলিবলৈ সোণালী সুযোগ পালে আৰু শেষত তাৰ উন্নতি কৰাৰ কাৰণে ৪০,০০০ ডলাৰ পুৰস্কাৰ লাভ কৰিলে।

এডিশ্বনে ভাবিলে যে লোকৰ তলত চাকৰি কৰি থাকিলে অৰ্থ উপাৰ্জ্জন কৰিব পাৰিব সঁচা কিন্তু স্বাধীন চিন্তাৰ বিকাশ কৰি তাক কাৰ্য্যত ফলৱতী কৰিবলৈ কিছু টান হব। সেই কাৰণে তেওঁ লোকৰ চাকৰি পৰিত্যাগ কৰি নিজে এটি কাৰখানা আৰু পৰীক্ষাগাৰ খুলি নানা বৈজ্ঞানিক বিষয় আলোচনা কৰিবলৈ ধৰিলে। নানা গবেষণা কৰি Automatic Telegraphyৰ উন্নতি কৰিলে; ক্ৰেইগ (Craig) নামে এজন মানুহৰপৰা কাম Typewriter এটা কিনি তাক উন্নত কৰি বৰ্ত্তমান ৰেমিংটন্ টাইপলৈ পৰিৱৰ্ত্তন কৰিলে। তাৰোপৰি একেডাল তাঁৰতে বিপৰীত ফালে দুই ৰকমৰ দুটা খ… পঠিয়াব পৰাকৈ Quadruplex Telegraphy উদ্ভাৱন কৰিলে।

টেলিগ্ৰাফি, টেলিফোনিৰ বাহিৰেও এডিশ্বনৰ প্ৰধান আৱিষ্কৃত বস্তু হৈছে ফনোগ্ৰাফ বা গ্ৰামোফোন। ইয়াৰ সহায়তে কেনেকৈ মানুহৰ কথা কল কৌশলেৰে পুনৰুদ্ধাৰ কৰি প্ৰকাশ কৰিব পাৰে তাক দেখি সমস্ত জগত চমকিত হৈ পৰিছিল। ইয়াত বাদেও তেওঁ Electric Railway আৰু ৰেডিয় (Radio) আদি অনেক আচৰিত বস্তুৰ তথ্যমূলক প্ৰৱন্ধ লিখি প্ৰকাশ কৰিছিল আৰু নিজেই হাতে কামে যত্ন কৰিছিল। ১৯৩১ চনৰ ১৯ অক্টোবৰত আশী বছৰ বয়সত এডিশ্বনে সংসাৰৰপৰা বিদায় লৈ গল। সেই সময়ৰ ভিতৰতে যি যি অদ্ভুত কাৰ্য্যৰ চানেকি জগতবাসীৰ মাজত এডিশ্বনে থৈ গল তাৰ ধাৰ জগতবাসীয়ে কেতিয়াও সুজিব নোৱাৰে।

---

# ব্ৰহ্ম-সাপ ( বৰ্ম্মাৰ সাপ ) বনাম ব্ৰহ্ম-শাপ

—শ্ৰীযুত গোপাল চৌধুৰী

…মোৰ এজন বন্ধুৱে কোনো ৰকমে বিশ্বাস কৰিব …নোখোজে যে জ্ঞানে বিজ্ঞানে উন্নত আধ্যাত্মবাদী আৰ্য্য মুনি …ঋষিসকলে মানুহৰ শাও শপনিৰ শক্তিক ইমান ওখলৈ ঠাই …দিছিল। তেওঁৰ মতে এইবোৰ কথা পৰৱৰ্ত্তী কালৰ লিখক …সকলে প্ৰকৃত ঘটনা অনুসন্ধান নকৰি ভুল টীকা বা ৰূপক …ব্যাখ্যা কৰি সকলো গোলমাল কৰি- পেলাইছিল, নাইবা …ব্ৰাহ্মণ মাহাত্ম্য প্ৰচাৰৰ নিমিত্তে ব্ৰহ্ম-শাপৰ ভয়াবহ …কাহিনী মিথ্যা প্ৰচাৰ কৰিছিল। বাস্তৱতে ব্ৰহ্মদেশ …বাসীয়েই হল ব্ৰহ্ম বা ব্ৰহ্মণ আৰু সিহঁতে সেই কালত কোনো …মানুহৰ ওপৰত খং কৰিলে সাপ লগাই দি গুপ্ত হত্যা



…দক্ষিণ ভাৰতৰ ৰামেশ্বৰম্ মন্দিৰৰ পাছফালে প্ৰতিষ্ঠা কৰা 'সৰ্পপাথৰ'

…কৰিছিল। তাৰপৰা এই ব্ৰহ্ম-শাপটোৰ উৎপত্তি বুলি …তেওঁৰ অনুমান। প্ৰমাণ স্বৰূপে তেওঁ দেখুৱায় প্ৰহ্লাদক …মাৰিবৰ বাবে সাপৰ বিহ দিয়া হৈছিল; শুনিবলৈ পোৱা …যায় কিছুদিন আগতো চাটগাৱঁৰ ফালৰ মানুহ …সকলৰ শত্ৰুতা সাধিবৰ উপায় আছিল—সাপৰ হতুৱাই …কটাই হত্যা কৰা। বাঁহৰ চুঙাত সাপ সুমুৱাই দি, …লে মুখটো ওলালে আনফালে নেজ ডাল ধৰি থাকে; …মানুহৰ ৰেবৰ ফুটাইদি সাপৰ মুখখন লগাই দি নেজত টিপা মাৰি দিলে খঙত সাপটোৱে টোপনিত পৰি থকা মানুহ জনক খোটে। সাপ পূজা ভাৰতবৰ্ষৰ প্ৰায় সকলো সম্প্ৰদায়ৰ ভিতৰতে প্ৰচলিত আছিল তাৰ বহুত প্ৰমাণ পোৱা গৈছে। চান্দ সদাগৰৰ সাতজন পুতেকক সাপ লগাই বধ কৰা কথা পদ্মপুৰাণত অলপ বং লগাই প্ৰকাশ কৰা হৈছিল মাথোন; এতিয়াও খশ ( খাছিয়া ) জাতিৰ মাজত সাপ পূজাই খিলং প্ৰবাসীসকলৰ এটা আতঙ্ক সৃষ্টি কৰি আছে।

সি যিয়ে নহক, ব্ৰহ্মদেশৰ কিছুমান মানুহে যে, সাপক বস কৰিবৰ অদ্ভুত কৌশল জানে তাক সিদিনা এজন লিখকৰ বৰ্ণনাত পোৱা গৈছিল। তেওঁৰ মতে সিহঁতৰ 'ম্বয় ছায়া' (mway saya) অৰ্থাৎ সাপৰ ওজাৰ সাপৰ লগত ওমলাৰ তুলনাত ভাৰতৰ ( মৰত ) সাপুৰীয়াৰ সাপ লৈ ওমলা লৰাৰ ধেমালিৰ নিচিনা ( In Comparison, the Indian snake charmer is a novice )।

তেওঁ কয় পোপা পৰ্ব্বত ( Mount Popa ) ফেটি সাপৰ ঘৰ বুলি কব পাৰি ( The natural home of myrrods of king Cobras which are the most dangerous to man )। ফেটি সাপ মানুহৰ এটা পৰম শত্ৰু বুলি জানিও বছৰি সাপ ধৰা মানুহবিলাকে হাবিৰ ওচৰলৈ গৈ সাপ ধৰি চুমা খায়। তেনেকৈ নতুন নতুন সাপ ধৰি চুমা খোৱাটো বোলে সিহঁতৰ এটা দস্তুৰ। কামটো যে অতি সাঙ্ঘাতিক তাক নকলেও চলে, কিন্তু ই সিহঁতৰ এটা মহা বঙুৰ বিষয়। সাপে যে সিহঁতক নোখোটে তেনে নহয়; কিন্তু কিয় যে বিহ নালাগে সেইটোহে আশ্চৰ্য্যৰ বিষয়। তেওঁ কয় যে, তেওঁকো সাপৰ বিষে একো ক্ৰিয়া নকৰে।

এই কৈ অহা 'ম্বায় ছায়া' ( mway saya—master of snake ) সকলৰ অধিকাংশ ব্ৰহ্মণ ( Burmans ), শ্যান ( Shan ) আৰু শ্যান-ব্ৰহ্মণ ( Shan-Burman )। প্ৰথম অৱস্থাত ইহঁতে ভাল সাপৰ ওজাৰ তলত শিষ্য হৈ



কলম্বিয়াৰ ৰাজধানীত বুদ্ধ ভাস্কৰ বিদ্যাৰ নিদৰ্শন—সপ্ত ফণাবিশিষ্ট সাপৰ এটি স্তম্ভ।

থাকি সাপ সম্বন্ধে সকলো বিদ্যা শিকে। 'ম্বায়-ছায়া' সকলে সাপ ধৰা, বস কৰা, শিক্ষা দিয়া, সাপৰ প্ৰকৃতি আদি ভালদৰে জানেই, তাৰ লগতে সাপে কামুৰিলে বিষ জুঠা, বিষ উঠিলে তাক ভাল কৰাৰ ভাল ভাল দৰৱ জানে। তাত বাজে কিছুমানে পূজা, তন্ত্ৰ-মন্ত্ৰ আদি নানা প্ৰক্ৰিয়া জানে, যাৰপৰা কিছুমান 'নেত'ক ( Nats—কোনো দেৱ বা দেৱীও হব পাৰে। জানোবা নেতাই ধুবুনীয়ে ? ) সন্তুষ্ট কৰিবলৈ সক্ষম হয়। সেইসকল 'নেত'ৰ অনুগ্ৰহত ওজাসকল ৰক্ষা পায়। কিছুমান গোধানী ফোটাৰ ( Tattoo ) বিচিত্ৰতাৰ ভিতৰতো কিছুমান গুপ্ত কৌশল বা সঙ্কেত আছে যিটো সিহঁতৰ এই সাপ লৈ লৰা-চৰা কৰিবৰ অৰ্থাৎ খেলিবৰ কাৰণে এটা প্ৰধান সহায়। হাতৰ আঙুলি আৰু শৰীৰৰ আন আন অংশ কৈ অহা

বিধৰ চিত্ৰিত কৰা হয়। বাঁও হাতৰ বিশেষ চিত্ৰ দ্বাৰা সাপক বশীভূত কৰিবৰ ব্যৱস্থা আছে ওপৰ ফালে বাঁও হাতখন তুলিলে সাপে মূৰ দাঙি কৰে। সোঁ হাতৰ চিত্ৰবিলাক এনে কৌশলেৰে কৰা থাকে যে সেইখন হাত দেখুৱালেই সাপে আকৌ মূৰ দাঙে। সোঁহাতৰ অঙুলিয়েদি সাপৰ চাৰিওফালে ঘূৰালেই সাপটো পোন আৰু অচল হৈ থিয় হৈ থাকে যেতিয়া সাপে খঙত ফোঁপাবলৈ ধৰে, তেতিয়া এই আঙুলি ঘূৰোৱা কৌশল অৱলম্বন কৰিব লাগে। এই চিত্ৰিত অঙুলিটো দেখি সাপে হুকুম শুনে আৰু প্ৰভুৰ বাধ্য কৰে, এনেকি মৰমৰ চিন স্বৰূপ চুমাও খায়।

এইবোৰ হল ব্যৱসায় অৰ্থাৎ সাপৰ খেলা মানুহক দেখুৱাবৰ বাবে অৱলম্বন কৰা কৌশল ; কিন্তু আ... বাজেও সাপ লৈ কাৰবাৰ কৰাৰো নানা উপায়, না... ব্যৱস্থা আছে। সিহঁতৰ গোধানী ফোটাৰ ( tattoo



সাপ মেলা ঘুগীয়ে পেপা বজাই এটি অজগৰ সাপক নচুৱাইছে

অদ্ভুত ক্ষমতা বা আগৰপৰা গাৰ ভিতৰত দৰৱ ... থৈ দিয়া নাইবা দৰৱ খাই বিষ নলগা কৰি থোৱাৰ ... যিসকলে বিশ্বাস কৰিব নোখোজে, তেওঁলোকে সিহঁ...



...ও দেখি নিশ্চয় আচৰিত হব যে, সাপৰ বিষ দাঁত ...ঙি পেলোৱা নহয় ; তথাপি সাপে খুটিলে অকল অলপ ...ন তেজ ওলোৱাৰ বাহিৰে আন একো অনিষ্ট নহয়। ...লে তেজখিনি মচি পেলোৱাত বাজে নতুনকৈ দৰৱ ...হাৰ কৰা বা আন কোনো প্ৰক্ৰিয়া অৱলম্বন নকৰে।



বৰ্মা দেশৰ এজনী মাইকীয়ে এটা অজগৰ সাপক চুমা খাইছে

...কিন্তু ভাৰতীয় সাপ নচুৱা মানুহবিলাকে অধিকাংশ ...ক্ষেত্ৰতে সাপৰ বিষ দাঁত উভালি পেলাই দিয়ে। সিহঁতৰ ...সাপেৰে খুটিয়াই তেজ উলিয়াই দৰৱ দি ভাল কৰি ...দেখুৱাটো নিচেই কৃত্ৰিমতা।

...সি যিয়ে নহক, লিখকজনে কয় যে তেওঁ নিজেও ...'ছায়া' ( Saya ) বিলাকৰ লগত সাপ ধৰা

শিকিছে। তেওঁৰ হাততো চিত্ৰ অকা হৈছে। চিত্ৰিত কৰাৰ মূল কিছুমান বিষয় আছে অৱশ্যে ; কিন্তু ডাঙৰ সৰু প্ৰভৃতি নানা "ডিজাইন" ইচ্ছামতে কৰিব পাৰি। তাত বাজেও এবিধ দৰৱৰ গুৰি তেওঁৰ গাত সুমাই দিয়া হৈছিল। সাপৰ বিহৰপৰা যে তেওঁ মুক্ত হল তাৰ প্ৰমাণৰ নিমিত্তে তেওঁৰ এটা আঙুলিত তিনি বাৰ সাপৰ হতুৱাই খুটিয়াই প্ৰমাণ চাইছিল। এতিয়া তেওঁ আন আন 'ম্বায় ছায়া' ( mway saya ) বিলাকৰ লগত মিলি মাৰাত্মক ফেটি সাপৰ আগত আঠু কাঢ়ি বহি ওপৰত লিখা নানান উপায়েৰে সাপ বস কৰি সাপৰ মুখত মুখ লগাই চুমা খায়, ইচ্ছামতে ধৰে আৰু বস কৰি নচুৱাব পাৰে। ইচ্ছা কৰিলে আনৰ সৰ্ব্বনাশ কৰোঁতে কি লাগিছে !

এইবোৰ দেখি মনত ধৰে,—বৰ্ম্ম দেশবাসীৰ সাপৰ পৰা জনোচা সচাকৈ ব্ৰহ্মশাপ কথাটোৰ সৃষ্টি। এইখিনিতে এটা কথা কওঁ মই নিজেও পাঠ্য জীৱনত বৈষ্ণনাথৰ এজন সাপুৰীয়াৰপৰা সাপ ধৰা বিদ্যা শিকিবলৈ গৈছিলো। মানুহবিলাক জাতত কৈৱৰ্ত্ত। মোৰ ওস্তাদজন আছিল সেই ঠাইৰ সকলোতকৈ ডাঙৰ ওস্তাদ। কিন্তু পৰিতাপৰ বিষয়—নিজ হাতেৰে ধৰিবলৈ শিক্ষা কৰাৰ আগতে বিশেষ কাৰণত ঘৰলৈ গুচি আহিবলৈ বাধ্য হৈছিলোঁ। পিছত আকৌ এবাৰ গৈ শুনিবলৈ পালোঁ যে ওস্তাদ সাপৰ কামোৰত ইপুৰি এৰি গুচি গৈছে। তেতিয়াৰপৰা মোৰ সেই হেপাহ গুচিল।



# উদ্দীপনা

—শ্ৰীযুত হলীৰাম ডেকা এম-এ, বি-এল

মোৰ তেতিয়া কাৰবাৰৰ ককাল পৰিছে, নিজৰ চকুত বীতচকু উঠিছে ; দূৰৰপৰাই মানুহলৈ চাওঁ, ওচৰ চাপিলে মূৰ দোৱাওঁ—অৱশ্যে তেওঁলোকৰ ওচৰত মোৰ ধাৰ নাথাকিব পাৰে, তথাপি কিজানি কোনে কি কয় কাৰণ মোৰ ব্যৱসায় পানী হৈ গৈছে। লোকৰ ওচৰত মূৰ তুলি কথা কোৱাৰ মোৰ অধিকাৰ নাই, এই ভাবে মোৰ মনত বহুদিনৰপৰা শিপা মেলিছিল। সিদিনাও দূৰৰপৰাই দেখিছিলো কোনোবা এগৰাকী তিৰোতা আহিছে—কাষ পালে, মই চোৱা নাই। ৰাতিপুৱা ন-দহ মান বাজিছে, চাৰ্চ্চ-ফীল্ডৰ কাষতে,—ৰদ যদিও ভালকৈ উঠিছে, জাৰ তেনেকৈ যোৱা নাই, মোৰ গা-মূৰ এড়িয়া কাপোৰখনেৰেই ঢকা। 'ছোৱালী,' তিৰোতা বোলাতকৈ আবিয়৾ আইটীহঁতৰ পক্ষে এইটোৱেই সজ নাম,—ছোৱালী জনীয়ে মোলৈ চাই কলে—"আপোনাৰ জাৰ এৰিবৰ হোৱা নাইনে এখোন ?" মই তেখেতৰ মুখলৈ নোচোৱাকৈয়ে কলো—"এৰা।" পাছত আকৌ মনত পৰিল যে এয়ে জানোচা 'বেয়াদপি' হয়—আজি কালিআকৌ 'ফৰ্ম' (বাহ্যিক আচৰণ) হে ঘাই কথা,—কাজেই মুখ ঘুৰাই চালোঁ। দেখিলো আমাৰ "জাতি" আইদেউ—বোধহয় সাধু নাম—জয়ন্তী কি জগদম্বা। মোৰ কৃত্ৰিম কফে ধৰা ডিঙি অলপ চাফ কৰি সুধিলো—"কলৈ যোৱা আইটী ?" তেওঁৰ ভৰিত বুটাম মৰা জোতা, হাতত এটা চামৰাৰ বেগ, পিঠিত ওলমি পৰা বেণী, তাতে ক'লা সূতাৰনে নোমৰ নেজ, পৰিধানত মুগাৰ মেখেলা ওপৰত ছাপ থকা জাপানী খদ্দৰৰ বৰ্ডাৰ দিয়া চেলেঙ, দুকাণত দুটা ৰূপৰ জিলিমিলি দিয়া মাকৰি। উত্তৰ দিলে—"দেশৰ কামত ওলাইছো।" মোৰ মনত কিবা এটা বিষাক্ত বায়ুৰ উৎপত্তি হ'ল, হুমুনিয়াহ আহিল, "মৰি নাযাওঁ কিয় ?" তেওঁ মোৰ মুখলৈ চালে, কথা নকলেও বেয়া যেন দেখি কৰলৈকো একো নাই,—শেষত কলো, "কিনো দেশ কাম ?"—তেওঁ মোক হাহি ইতিকিং কৰি কলে—"আপুনি ক'ত আছে ! দেশৰ কি অৱস্থা হৈছে আপুনি নাজানে নে ? মুলান ছাহাবে কি কৈছে আপুনি গম পাইছেনে নাই ? অসমীয়া জাতি আৰু সৰহ দিন নিটিকে !" মই সুধিলো—"আইদেউ, কাৰণটোনো কি ?" "কাম তাৰণ আপোনাক বুজাবৰ সময় নাই। ৰাতবি কাকত কোনো দিন নপঢ়ে যেন পাইছো। দেশৰ কিমানবোৰ সমস্যা—আপোনালোকে নাকত তেল দি শুই আছে।" মই ছোৱালীৰ লগত কথা কটা-কটি কৰিবলৈ জাৰ নাপাওঁ—এই ভয়তে মই বিয়াকে নকৰালো। নাজানো ইয়াৰ পিছত কি কথা ওলালহেতেন, অন্ততঃ মি মুলানৰ মন্তব্যৰ বাবে কোন জগৰীয়া এই বিষয় বোধহয় মোৰ মূল্যৱান মত ব্যক্ত কৰিলোহেতেন মি এনেতে মিষ্টাৰ ছাইকিয়া ( Saikia ) ৰ মটৰ গাড়ী অনুগ্ৰহত আমি আঁতৰা আঁতৰি হলো। তেওঁ ফাঁচি বজা জাহাজ ঘাটৰ মুখে আৰু মই ছত্ৰাকাৰৰ ফালে খোজ ললো—দুয়োৰো মাজত ৰঙা ধূলিৰ এটা বিস্তৃ ব্যৱধান।

মই যদিও উজাই খোজ ললো মনটোৱে যেন পিছলৈ টানিবলৈ ধৰিলে। নাহৰৰ ফুলবোৰলৈ চাওঁ, সিহঁতেও যেন কয়—'অলপ বৈ নোযাৱা কিয় ?' কৃষ্ণচূড়াবোৰ সাধাৰণতে নিমাত, কিন্তু আজি যেন সিহঁতেও সৰ সৰকৈ নিয়ৰৰ পানী টুকি কয়—"ঠিক কথা, অসমৰ দুৰ্দ্দিন। তুমি বৈ অলপ ভাবি চোৱা।" মই ভাবিলো—"মোৰ এনে চিত্ত বিক্ষেপৰ কাৰণ কি ! জীৱিত চৌধুৰীৰ আয়া অথবা তেওঁৰ হুমুনিয়াহে দেশৰ বায়ু মণ্ডল দূষিত কৰি-



লৈছে,—মই ইমান নিৰ্দ্দয় হব নোৱাৰো ; বোধহয় কবিতাৰ মূৰ্চ্ছনাত, নহলে কোনোবা দূৰদৰ্শী ভাবুকৰ চিন্তাৰ অনলত অথবা কল্পিত আশঙ্কাত আজি মোৰ দেশৰ গছ-লতা, চৰাই-চিৰিকতিয়েও কবলৈ শিকিছে—"দেশৰ কথা এবাৰ ভাবি নোচোৱা কিয় ?" মোৰ দীপ-চকুৰে দেখা হলো, নিয়ৰৰ জুলীয়া বায়ুৱে তাক জিপজিপিয়া কৈ তিয়াই তুলিছিল,—যদি মোৰ চকুৰ কোণতো দুৰ্বলতাবশতঃ দুটুপি নিৰাশাৰ পানী ওলাইছিল কব নোৱাৰিলো। মনতে ভাবিলো—"এই নিৰাশাৰ শেষ ক'ত ! মুলান ছাহাবে কি কৈছে ? বোধহয় ১৯৩০ চনৰ কংগ্ৰেছ ৰিপ'ৰ্টত কোৱা সেই কথাষাৰি—যে অসমীয়া জাতিক কেউপিনৰপৰা নানা বিদেশীয়ে এনেভাৱে চানি পেলাইছে আৰু এওঁলোকৰ ( অসমীয়াৰ ) ইমান সংখ্যা হ্ৰাস হৈছে যে আৰু কিছুমান বছৰৰ পিছত এওঁলোকৰ অস্তিত্বই নাথাকিব,—বৰ জোৰ, শিৱসাগৰ জিলাত এমুঠিমান অসমীয়া ভাষাভাষী মানুহ পোৱা যাব পাৰে।" মোৰ এটা আকস্মিক খং উঠিল—অসমীয়া জাতি সম্বন্ধে এই সকলোবোৰ কথা এওঁলোকেহে আবিষ্কাৰ কৰিব লাগে নে ? বিদেশীয়ে চকুত আঙুলি দি নেদেখুৱালে আমি একোকে ধৰিব নোৱাৰো নে ? ব্ৰনচন নহা হলে অসমীয়া অভিধান নোলালহেতেন নে ? ছুদমাৰ্ছিন নোহোৱা হলে অসমীয়াৰ কলেজৰ অধ্যক্ষই নোলাল হেতেননে ? মুলান ছাহাব নথকা হলে আমাৰ জাতিৰ এই আসন্ন মৃত্যুৰ আমি গমকে নাপালোহেতেননে, বাবু অমুক নথকা হলে অসমত নাট-ঘৰৰ 'গোড়া-পত্তন' নহল হেতেননে অথবা ধৰ্ম্মাচাৰ্য্য ভচ্ছুক বাবু নথকাহেতেন অসমৰ চহৰবাসী নামঘৰৰ আকালত মৰিলহেতেন নে ? মোৰ ধাৰণা হল—সকলো এটা চাল, সকলো নিতান্ত ভদ্ৰ অসমীয়াসকলৰ ওপৰত এটা ষড়যন্ত্ৰ, কথাৰ ইন্দ্ৰ-জাল। আমাৰ দোষ,—তেওঁলোকে দিয়া টোপ আমি বৰ সহজে গিলোঁ।

কথা ভাবি ভাবিয়ে গৈ মই ঘৰ পালো। দুৱাৰত টুকুৰিয়ালো লিগিৰাৰ লৰাটোৱে দুৱাৰখন মেলি দিলে। তাক সুধিলো—"তই দেশৰ কথা ভবা নাই ?" সি কলে—"ভাত হবলৈ অলপ পলম আছে।" "এছিলিম ধপাত আন" মই কলো। মনতে ভাবিলো—"ইয়াৰ মানত দেশখন একোৱেই নহয়, ভাত হবলৈ অলপ পলম আছে, তাতেই যেন সৰ্ব্বস্ব।" বেৰত জেঠিয়ে টিক টিক কৰিলে, মনতে ভাবিলো ঠিক কথা। দুৱাৰৰ ওপৰত থকা দুৰ্দ্দান্ত ঘৰীয়ে একেৰাহে টং টং কৰি বাৰটা কোব মাৰিবলৈ ওলাল, মোৰ অসহ্য হ'ল। হঠাৎ কিয় জানো মনত খেলালে, ছোৱালীৰ মুখৰ মিহি শব্দ কেইটা "দেশৰ কামত"—এয়ে মোৰ আজি এনে চিত্ত-চাঞ্চল্য ঘটালে নেকি ? নহলে বয়সত প্ৰায় পয়ত্ৰিশৰ আঁৰ কাপোৰ পেলালো, কিন্তু এনে উন্মাদনা, এনে অসংশ্লিষ্ট ভাব দেখো কোনো দিন অহা নাছিল। হোকা আহিল, তাৰ বদন নিৰীক্ষণ কৰি 'আবেগভৰা চুম্বন ' যাচিলোঁ।—সিও যেন আদৰত বলিয়া হৈ কোনোবা অজানিতা প্ৰিয়াৰ চুলি কেডালিৰ দৰে ধোৱাজাল বিস্তাৰ কৰি মোক বিৱশ আৰু তন্ময় কৰিলে। মোৰ কানি-ভক্ত পিতৃপুৰুষসকলৰ উদ্দেশ্যে হিয়া উতলা হৈ উঠিল—সেই সময়ত ছন্দ আৰু ভাষা অলপ অনুকূল হোৱাহেঁতেন নাজানো অহিফেন আৰু তেওঁৰ সহচৰ তাম্ৰকুট সম্বন্ধে কি অমৰ কবিতা ৰচি জাতীয় সাহিত্য টনকিয়াল কৰি গলোহেঁতেন।

দিনটোৰ ভিতৰতে মোৰ সঁচাকৈ ভাবৰ অলপ পৰিৱৰ্ত্তন হ'ল। ভাবিলো,—ব্যৱসায় এবাৰ পৰিল বুলিনো ওৰে জীৱন বিফলে যাবনে ? ইটালিৰ হৰ্ত্তা কৰ্ত্তা বিধাতা মুছলিনিৰ 'কাকত খন' নহয় মৰা পৰিল, তাতে বুলিনো তেওঁ থকা নাইনে—বৰং তেওঁ এতিয়া তাৰ বহুত ওপৰত। জাৰ্ম্মান অধিনায়ক হিটলাৰৰ বেৰত ৰং দিয়া বুৰুজ বা বাঢ়নিতাৰ নহয় এতিয়া ভেকুৰিছে তাতে বুলি তেওঁ এতিয়া থাবলৈ পোৱা নাইনে ? বিধাতাৰ কুৰ্চ্চুট অভিসন্ধি কি আছে কোনে কব ? বাইবেলৰ ভাষাত—"Out of evil cometh good" মোকো বা ভগৱানে কোন বাটেদি কোন উদ্ধাৰৰ হেতু দেখুৱায় কোনে কব ? ইত্যাদিবোৰ ভাবি চিন্তি মনৰ দুৰ্ব্বলতা ভালেখিনি আঁতৰাই গধূলি "ক্লাবৰ" পিনে বুলি এবাৰ খোজ ললোঁ। ক্লাব কথাটো আজিকালিৰ দিনৰ

অসমীয়াক বোধহয় ভাঙি পাতি বুজাবৰ আৱশ্যক নাই। যদি গাওঁ-ভূঞে কোনোবা এজন এই পৰম পদাৰ্থটো নেদেখা বা শুনা আছে তেনেহলে তেখেতসকলক অনুৰোধ কৰিছো যেন ওচৰৰ চহৰখনলৈ আহি এবাৰ উকি মাৰি চাই যায়হি। ইয়াৰ আমদানী বিলাতৰ পৰা ; কিন্তু আমি বঙ্গদেশৰ মাজেদি নি ইয়াক অতি সৰবৰহী, তাছ-পাছা-লুডু খেল আৰু হাঁহি খিকিন্দালিৰ মেৰ-ঘৰ কৰিছো। পৰ-চৰ্চ্চা প্ৰেমালাপ, বাক্যালাপ, হা-হুতাশ সকলো ইয়াৰ বেৰ কেখনে কাণ পাতি শুনে ; এয়ে সময়ত আমাৰ ৰাজনৈতিকসকলৰ মন্ত্ৰণা কক্ষ হয়, মিউনিছিপেল ইলেকশ্যনৰ প্ৰপেগেণ্ডাৰ ক্ষেত্ৰ হয়, আৰু কেতিয়াবা বাতৰি কাকতলৈ প্ৰতিবাদলিপি পঠিওৱাৰ ইয়াতেই বীজ গজি উঠে। ক্লাবত মোক দেখি দুই এজনে মূৰ দাঙি চালে, দুই এজনে কেৰাহিকৈ চাই আকৌ নিজৰ খেলত লাগি গল, মই কাৰ লগত ক'ত বহোঁ তাকেই চাইছোঁ। শেষত চিদা দাসৰ কাষতে বহিলো,—তেখেত ডিপুটি কমিশ্যনাৰ অফিছৰ ৰেভিনিউ এছিষ্টাণ্ট। পঞ্চমুখে ছাহাবৰ গুণ গান চলিছে। দূৰণিবটীয়া সাগৰৰ পাৰৰ এমুঠি মানুহে আজি আমাৰ ওপৰত, অকল আমাৰ ওপৰত কিয়, জগতৰ ওপৰত কি মায়াজালৰ বিচিত্ৰ প্ৰভাৱ বিস্তাৰ কৰিছে ভাবি ময়ো অলপ শ্ৰদ্ধাত অভিভূত হলো। এনেতে মিষ্টাৰ ছাইকিয়াই মুখত এমোকোৰা হাঁহি লৈ ক্লাব ঘৰত সোমাল। তেওঁ দাস ডাঙৰীয়াৰ কপালতে হয় দি কলে—"ঠিক কৈছে—ছাহাবহঁতৰ excellent, জগতত সিহঁতৰ তুলনা নাই। মই মটৰ গাৰীৰ এজেঞ্চি লোৱা দিনতে দেখিছো ওঃ সিহঁত excellent set আৰু মোৰ ইলেকশ্যনতো পাইছো সিহঁত reliable set, আজি মই ছোনাপুৰ ( সোনাপুৰ ) আমচাং, তিলানা, মনমোহিনী, ৰাইদাং আটাই কেখন চাহ বাগিছা ঘূৰি আহিলো সিহঁতে আটায়ে মোক promise দিছে—ওঃ perfect set সিহঁতে মোক appreciate ও কৰে, কাৰণ I change my coat, any time I like" মোৰ অসহ্য হৈ উঠিল—"এইবোৰ বকলা মেলিবৰ হলে আন ঠাইত মেলিব—আপোনালোকৰ অপৰূপ চৰিত্ৰৰ পৰিচয় দি ডেকা লৰাইতৰ কোমল মনত সাঁচ নবহুৱাব"। তেখেতে মোক পাই যেন বহুদিন বিচাৰি থকা চিকাৰ এটাহে পালে আৰু পোনেই যেন কান্ধত জাপ মাৰি উঠিব, এনে ভঙ্গি কৰি কলে—"অ' মিষ্টাৰ বৰবৰুৱা ! টোপনিয়াই টোপনিয়াই বৰষি বোৱা। বাটে ঘাটে গাভৰু ছোৱালীৰ লগত মেলখন কিহৰ হে, ইপিনে ঘৰখন নিমাও মাও।" মই বুজিলো যে সিদিনা বাটত মোকে আৰু জাহ্নবীকে কথা হোৱাৰ পৰ্য্যন্তলৈ আঙুলিয়াইছে। তাৰ অলপ পিছতে তেখেতে কলে—"একছেলেণ্ট কেনভাছাৰ কিন্তু। মই জেনেৰেল ইলেকশ্যনৰ সময়ত তেনে এগৰাকী পোৱা হলে মোক হৰুৱাওতা কোনো নাছিল। can you spare?" তেখেতে কথাখিনি হাঁহি সুৰুচিৰে সৈতেই প্ৰকাশ কৰিছিল; কিন্তু মোৰ দেখো ভাল নালাগিল—কিবা চিৰিঙৈ উঠিল। অলপ পিছতে মই ঘৰ মুৱা হলো। ঘৰতো মন ভাল নালাগিল—কিবা থন ৰাই জাই লগালে দেখো। বিছনাৰ আশ্ৰয় ললো তাতো শান্তি নাপালো দেখো—হৃদয়ৰ ভাব কিবা এটা তীব্ৰ গতিত ( high pressure ) আহে আৰু যায় একোকে স্থায়ী কৰিব নোৱাৰিলো, আয়ত্ব কৰিবও নোৱাৰিলো, গঢ় দিয়াতো দূৰৰ কথা। সিদিনাহে বুজিলো যে নিজে সম্ভেদ নোপোৱাকৈ নিজৰ ভিতৰত বহুত অপৰিচিত ভাবৰ সাঁচ থাকে।

( ২ )

তাৰ পিছত মই জাহ্নবীৰ কাষ চাপিছিলো সঁচা, প্ৰণয় প্ৰাৰ্থী বুলি ঠিক কব নোৱাৰি, কিন্তু বিয়াৰ প্ৰস্তাৱ দিয়া। তেওঁ তাত অমত হৈছিল আৰু মোক স্পষ্টকৈয়ে কৈছিল যে মোৰ প্ৰতি যে তেওঁৰ কিবা অশ্ৰদ্ধা বা আপত্তি আছে তেনে একো নহয়, কিন্তু তেওঁ বিবেচনা কৰিছিল যে দুখীয়া বা বিশেষ সম্বল নথকা মানুহৰ ঘৰত নিজে সোমালে তেওঁৰ দেশ-সেৱাৰ ব্ৰতত ব্যাঘাত ঘটিব। মেঘে বৰষুণ দিবলৈ হলে বাষ্প আকাৰে ওপৰত উৰিব লাগে—অসংশ্লিষ্ট, ভাসমান,—ঘৰে ঘৰে সোমাই বা খেতি পথাৰৰ ওপৰত ঢলি পৰি সি করুণাকণা সিঞ্চন কৰিব নোৱাৰে—দেশ সেৱাতো তেনে মহান, উদাৰ আদৰ্শ আৰু ওপৰত ঠাই পোৱা হব লাগে, নহলে দুখী-দুখীৰ সহায় কৰিব নোৱাৰি। এইবোৰেই আছিল তেওঁৰ উপদেশ।



যোজনা। তৰ্ক জালত মোৰ তেওঁক আয়ত্ব কৰাৰ আগ্ৰহ দুৰ্ব্বল হৈ আহিল আৰু সঁচা কথা কবলৈ কি, মই এই সকলোবে মাজেদি এটা উৎকট স্বাৰ্থৰ গোন্ধ পোৱা যেন পালো আৰু মই মোৰ হতাশ প্ৰাণটোকে সম্বল কৰি লৈ ঘৰমুৱা হলো।

দেশত থাকি মোৰ ব্যৱসায় পুনৰ টনকিয়াল কৰি তোলা টান যেন পালো। মোৰ ঘাই কাৰবাৰ আছিল হাতী ধৰা। হাতীৰ ব্যৱসায় একেবাৰে পৰি গল। অকল মোৰেই লোকচান নহয়। গৱৰ্ণমেণ্টৰো লোকচান হৈছিল। হাতীৰ ৰয়েল্‌টি আগতকৈ তেওঁলোকেও কমাই দিবলৈ বাধ্য হল। আগেয়ে 'ছিট' পোৱা টান আছিল এতিয়া ফৰেষ্ট অফিছাৰে চিঠি দি ছিট যচা হ'ল তথাপি ডিকাৰী নোলায়। হাতীৰ 'খৰিদ্দাৰ' নাই। আগেয়ে বিহাৰৰ সোণপুৰ মেলাতে গ্ৰাহক লাগে, আজি-কালি ঘৰত আনি এবছৰ দুবছৰ হাতী পুহিলেও গৰাকীৰ খৰচখিনি দি হাতী কিনোতা মানুহ নাই। আগেয়ে কাৰবাৰৰ সুবিধাৰ বাবে আঠ দহোটা ভাল হাতী সদায় ৰাখিছিলো, এতিয়া সিহঁতৰ খৰচ যোগোৱাই টান হৈ উঠিছিল। কাৰবাৰ চলতি থকা দিনৰ অলপ দেনাই পিছত শিপা মেলি বহুত হৈছিল আৰু সেই সকলোবেপৰা নিষ্কৃতি পালো গৈৰাল উদং কৰি। নিঃসম্বল হৈ ওলালোহি ৰাজ-নগৰী কলিকতাত সুখ সম্ভোগৰ লিপ্সাত নহয়, কঠোৰ বৈৰাগ্যত, ব্যাকুল যন্ত্ৰণাৰ তাড়ণাত।

কোনোবাই মোক কব পাৰে—ব্ৰহ্মপুত্ৰৰ বহল বুকুৱে তোমাক সান্ত্বনা দিব নোৱাৰিলে, লুইতৰ পাৰৰ শান্ত শৈলমালাই তোমাৰ অন্তৰত শান্তিৰ বীজ গজাব নোৱাৰিলে, শেৱালীৰ মধুৰ আঘ্ৰাণে, নীৰৱ বননিৰ কোমল পৰশে তোমাক নিচুকাব নোৱাৰিলে,—শিল ইটাৰে বন্ধোৱা বুকৰ নিৰ্ম্মম ৰাজধানীয়ে তোমাৰ প্ৰাণত শান্তি দিব—ইয়াতকৈ ভুল বিশ্বাস বোধহয় মানুহৰ থাকিব নোৱাৰে। যাৰ যেনে বিশ্বাস, তেনেকৈ ভাবিব পাৰে, অধিকাৰ আছে। বৌদ্ধ আখ্যান এটালৈ মনত পৰে। ধনী সদাগৰ এজনে বৌদ্ধৰ দীক্ষাৰ আহ্বানত মতলীয়া হৈ নিজৰ যথাসৰ্ব্বস্ব ত্যাগ কৰি 'অনাথ পিণ্ডদ' নাম লৈ গুৰু বুদ্ধৰ নামত ভিক্ষা কৰিছিল, ক'ত—ৰাজনগৰীত। কবি ৰবীন্দ্ৰৰ কবিতাৰ পৰা সেই চিত্ৰৰ দুফাঁকিমান মনত পৰে—

"জাগো ভিক্ষা দাও'—সবে ডাকি ডাকি,
সুপ্তসৌধে তুলি নিদ্ৰাহীন আঁখি,
শূন্য ৰাজবাটে চলেছে একাকী ভিখাৰী।"

* * * *

"প্ৰভু বুদ্ধ লাগি আমি ভিক্ষা মাগি
ওগো পুৰবাসী কে ৰয়েছো জাগি'-
অনাথ পিণ্ডদ কহিলা অম্বুদ নিনাদে।"

মোৰ তেনে ভিক্ষাৰ আশাও নাছিল। তথাপি ভাবিছিলো বিপুল জনস্ৰোতৰ মাজত নিজক এৰি দি, ঠেলাই হেঁচাই যেনিয়ে যাওঁ সেয়ে ভাল—তাত আন একো তৃপ্তি নাথাকিব পাৰে কিন্তু নিজক যে সম্পূৰ্ণভাৱে পাহৰা যায় সেয়ে এটা সুখ, সুখ নহলেও অন্ততঃ দুখৰ বোজা ভালেখিনি পাতল পৰে। আৰু যি সকলে ভাবে যে ৰাজপুৰী কেৱল সুখ স্বচ্ছন্দতাৰ হে আবাসভূমি তেখেত সকলে নিশ্চয় এই মহানগৰীবোৰ ভালকৈ চিনা নাই। ইয়াত ধনী, সৌভাগ্যশীল, আঢ্যৱন্ত লোক কেইজন ? সৰহ ভাগ মানুহেই নিঃকিন, বহুতৰ এবেলা চকৰ তললৈ জুই নাযায়, এবেলা খালে সিবেলা অনাহাৰ, বহুতৰে অৰ্দ্ধাহাৰ। আনকি যিবোৰক বাহিৰত ভালকৈ উৰা পিন্ধা, গালে মুখে ৰং সনা ওঠত বই পৰা হাঁহিৰে সৈতে দেখা যায় তেওঁলোকৰো ভিতৰুৱা জীৱন কাহিনীৰ জগত যি সকল পৰিচিত তেওঁলোকে এওঁলোকৰ বাবে চকুলো নেপেলালেও অন্ততঃ সহানুভূতিৰ চমুনিয়াহ পেলাব। মোৰ অৱস্থা ভালে থাকোঁতেই চহৰ চিনিছিলো, অৱশ্যে অকল ওপৰে ওপৰেই চিনা নাছিলো। আজিও বিশ্বাস কৰিছিলো যে তেতিয়াৰ অভিজ্ঞতাই অলপ কাম দিব, অৱশ্যে নিচেই কম, কাৰণ দিনত যি সূৰ্য্যই পোহৰ দিয়ে ৰাতিও সেই সূৰ্য্যই পৃথিবীক তপতাই ৰাখে, কিন্তু দিন ৰাতিৰ কেনে বিসদৃশ ৰূপ !

চহৰৰ তেনেই "গ'লি" বা ভিতৰুৱা ঠাইত থাকিবৰ ৰব মন নগল। ডাঙৰ ৰাস্তাৰ ওপৰতে ঘৰ বিচাৰিলো, কিন্তু সৰহ টকা দিবৰো ইপিনে শক্তি নাই। অপৰিচিত


মানুহক ঘৰ দিবলৈকো বহুতৰ অমত। অসমীয়া ডাঙৰীয়াৰ সংখ্যাও ইয়াত নিচেই কম, তেওঁলোকৰ সহায়ত যে বিশেষ কিবা কাম হব পাৰে তেনে বিশ্বাসো মোৰ নাছিল, তাতে অৱস্থা বেয়া হলে সমনীয়া বা ডাঙৰৰ পৰা যি ব্যৱহাৰ পোৱা যায় তাকো মই জানো। এটা কথা আছে "বগা ভাত দেখিলে কাউৰীৰ আকাল নাই" গাঠিত ধন থাকিলে সহায় কৰা লোকৰো অভাৱ নাই, কিন্তু মোৰ নিচিনা নিঠকৱা অৱস্থাত কোনে কাৰ সহায় পায়। ৰাজ আলি এটাৰপৰা অলপ দূৰত—"Room to Let" ডাঙৰ আখৰত আৰি দিয়া কাঠ এছটা দেখিবলৈ পালো। ভাবিলো তাতেই গৈ সোধো, কিন্তু সোমাবৰ বাট কেনি তাৰ একো উৱাদিহ নাপালো, কাঠ ছটাতো লিখা নাই। কাষ চাপি যাওঁ, আকৌ উভতি আহো। বাটৰ দাঁতিত এটা মুচি ("বুরুজ") বহি আছে, ভাবিলো ইয়াকে সোধো, কিন্তু সি যে কিবা সন্তেদ দিব পাৰিব মোৰ বিশ্বাস নহ'ল। পিছদিনাখন আকৌ তালৈ গলো,—মানুহৰ নিচিনা ঠাই একো ডোখৰৰ প্ৰতিও মানুহৰ মায়া জন্মে। সিদিনাও সেই মুচিটো তাতে। তাৰ অলপ দূৰত ইটাৰ খুটি এটাত বহি তাৰেই ৰেহৰূপ চাইছো,—সি তাৰ ক'লা কেকোৰা চুলি কেডাল জোকাৰি জোকাৰি আপোন মনে গান গায়, মুৰ ঢুলাই জোতাত বুরুজ মাৰে, চিকচিকীয়া চামৰাত সি নিজৰ ছাঁটো নোতোলে মানে নেৰে, দুটা পইছা লৈ হাঁহি এটা মাৰি গৰাকীক জোতাযোৰ পিন্ধাই দিয়ে। মনতে ভাবিলো—ইয়াৰেই সুখ। কিবা কিবিবোৰ নিজৰ মনতে ভাজি পাতি আছো—হঠাৎ মুচিটোৱে মাত লগালে—"বাবু, আপোনাক কি লাগে? জোতা পালিছ?" তাৰ সুৰতে বুজিছো যে সি অলপ ধেমালিৰ চলত সুধিছে! মই ক'লো—"নহয় হেৰা! মোক সৰু এটা কোঠালি ভাৰালৈ লাগিছিল, পিছত ক'তো নাপাই ইয়াতে অলপ জিৰাইছো।" সি কলে—"এয়ে যদি আপোনাৰ জিৰণি লোৱাৰ নমুনা হয়, কাম কেতিয়া কৰে বুজিব নোৱাৰিলো। মোৰ বিশ্বাস, ৰাতি পুৱাৰপৰা তিনি ঘণ্টা বোধহয় ইয়াতেই বহিছে?" "কথা ঠিক। ঘৰ বিচাৰিয়ে পোৱা নাই।" "ইয়াৰ ওপৰৰ পিনে বৰৱৈ ... চকু কৰিছে, ওপৰ তলাত থকা কোঠালিত আপুনি ... ঠাই পাব পাৰে।" কৈয়ে সি হাঁহিলে। "ঠিকেই ... ধৰিছা, কিন্তু সোধোঁ কাক?" "আপুনি মোৰ কাষেদি ... ভিতৰ সোমাই তিনি তলালৈ উঠি য'ক—ঘৰৰ গিৰিহতৰ ... বাটতে লগ পাব।" মই তাৰ দিহা মতেই ওপৰলৈ ... গলো, ঘৰটোৰ তলৰ ছুমহলত কাকো লগ নাপালো। অলপ ... সঙ্কোচ কৰিয়ে তিনি তলাত উঠিলো। কাঠৰ বেৰ থকা ... টিনৰ ছালি দিয়া সৰু খোটালি এটাৰ পৰা ন-দহ বছৰীয়া ... শুৱনি মুখৰ শুকান ছোৱালী এগৰাকী ওলাই আহি হাঁহি ... কলে—"আইয়ে, আইয়ে (আহক আহক)।" লগে ... লগে মুছলমানী ৰীতিমতে প্ৰণামৰ ভঙ্গি কৰিলো। ছোৱালীজনীয়ে পিন্ধিছিল টাইটফিটিং পায়জামা, গাত ... দীঘলীয়া চোলা, আৰু ডিঙিত মাছলীৰ নিচিনা চেপেটা ... ৰঙা কানিৰ মেৰুৱা কিবা এটা লকেট। মই ভাবিলো ... যে এওঁ নিশ্চয় মোক কোনোবা চিনা মানুহ বুলি ভুল ... কৰিছে। মই চেষ্টা কৰি হিন্দুস্থানীত কলো—"মই ... অপৰিচিত বাহিৰা মানুহ,—কোঠালি এটা ভাৰা আছে ... বুলি তাৰেহে খবৰ লবলৈ আহিছো। ছোৱালীজনীয়ে ... তলামৰা থকা ওচৰৰ কোঠালি এটালৈ আঙুলিয়াই ... কলে—"হয় আছে। মই শ'ৰীফ মিয়াক মতাই দিওঁ, আপুনি জিৰাওক"। কাঠৰ বেৰ থকা ঘৰটোৰ বাহিৰৰ ... পৰাই হাত মেলি অধা লেতেৰা ৰঙা হালধীয়া গামোচা ... এখন আনি তাকেই আমাৰ মূৰত লোৱাৰ দৰে ... মাৰি লৈ ভিৰ ভিৰাই তললৈ ছোৱালীজনী লৰি গ'ল ... আৰু নিমিষতে ওপৰলৈ লৰি আহি হাঁহি কলে—"আব্বা হায়, জাৰা থেৰিয়ে" (অলপ ৰব, আহিছে)। এই বুলি ... কৈয়ে ছোৱালী জনীয়ে কাঠৰ বেৰৰ সৰু কোঠাটোত ... সোমাই দুখন হাতেৰে বুকলৈ দেখুৱাই কলে, কথা ... কৈ ভঙ্গিয়েই বেছি—"হিঁয়া হমলোগ ৰহতেহেঁ।" মই বুজিলো। কথা শেষ হোৱাৰ লগে লগে ছুৱাৰৰ ... জপালে।

এনেতে ছুপকৈ ছুপ জোতা পিন্ধি আদহীয়া মানুহ ... এজন পায়জামা, ৱেষ্টকোট আৰু বিহাৰী টুপি পিন্ধি ... হাজিৰ পালেহি। তেওঁৰ বুকত ঘৰীৰ সোণৰ শিকলি ... ওলাই পাইছিল, আঙুলিত হীৰা খটোৱা আঙঠি। মোলৈ ... চাই কলে—"আপোনাৰ ঘৰটো মনত লাগেনে চ'ক ছি। ... চাৰিওপিনে মুকলি, সুন্দৰ স্বাস্থ্যকৰ ঠাই। দক্ষিণৰপৰা ... ... কৰে বতাহ সদায় পাই থাকিব। চৌব্বিশ ঘণ্টা পানী ... , ইয়াত একোৰে দুখ নাপায়।" এই বুলি কৈয়ে ... ছোৱালীজনী থকা ঘৰটোলৈ আঙুলিয়াই কলে "সেইটোৱেই ... আপোনাৰ ৰান্ধনী ঘৰ, দুখীয়া তিৰোতা মানুহ এগৰাকী ... আছে। আপুনি ঘৰ ললে তাই যাব। মই কেতিয়াবাই ... কৈছো, আজি যদি নাযায় গোৰ মাৰি তাইৰ বস্তু ... বানি সোপা এতিয়াই বাটত পেলাই দিম নহয়।" ... কথাৰ মোৰ অসহ্য হ'ল। মই সুধিলো—"আপোনাৰ ... ভাৰা কিমান?" তেওঁ কলে "নিচেই কম—কুৰি ... টকা, মাহে।" "আৰু কিবা দিব লাগিব নেকি?" "বিশেষ ... নালাগে; বিজুলী চাকি ললে ছুটকা, কলৰ পানীৰ বাবে ... ... পাম্প কৰি ওপৰলৈ দিয়াৰ বাবে ছুটকা—আৰু ... ... ঠাই কৰপৰেশ্বন টেক্স তিনি মাহত ধৰক দহ টকা, ... চিৰিনি সৰা মচা কৰাৰ বাবে জমাদাৰক মাহে এটকা ... আমাৰ ইয়াত তলত এটা গান বাজনাৰ মজলিছ ... আছে, তাৰ যদি সভ্যভুক্ত হয় ধৰক খৰচ ভৰচ লৈ পাঁচ ... টকা।" মই কলো—"আপোনাৰ লিষ্টি দেখি মই ভয় ... খাইছো। আৰু অকল ঘৰটো হলেই মোৰ নহয়, আন ... কতো আছে।" "আন খৰচৰ বাট আছে বুলিয়েতো ... ঘৰ পাইছেহি। মই জানো 'ৰতন' নিচিনো?" তেওঁ ... শেষৰ কথাখিনি কথা বিশুদ্ধ বঙ্গলা ভাষাত ক'লে। এনেতে ... ... তেওঁক কোনোবাই মতা যেন পালোঁ—তেওঁ ... ... ৰ ঘৰ মেলি এৰিয়ে কৈ গুচি গল "যক, মুঠে পঁচিশ ... টকা দিব থাকি য'ক, এনেখন ঠাই নাপাব।" মই ইপিনে ... সিপিনে চাই অলপ পৰ থিয় দি আছো, ছোৱালীজনীয়ে ... ... ওলাই আহি কলে "আপুনি থাকিব? থাকি ... ক। আগেয়ে আমি আছিলো তাতে, পিছত টকা ... দিব নোৱাৰাত আমাক তাৰপৰা উলিয়াই দিছে। আমি ... আপুনি আহিলে আজিয়ে যাম। আই ফকিৰ এজনৰ ... ওচৰলৈ গৈছে, তেওঁৰ গা বৰ ভাল নহয়। মই পানী জুহালত তুলি দিছো, কেতিয়াবাই চাউল আইয়ে আনিবৰ কথা আছিল পিছত আহিয়ে পোৱা নাই দেখো। এচৰু পানী শুহি গ'ল আৰু এচৰু তুলি দিছো"—মোৰ ভৰিৰ পৰা মূৰলৈ কঁপিবলৈ ধৰিলে—বুজিলো এওঁলোক কেনে অভাৱগ্ৰস্ত। "চাউল কিনিবলৈ পইছা এৰি যোৱা নাই নেকি আই?" মই সুধিলো। ছোৱালীজনীয়ে মুখখন অলপ কলা কৰি কলে—"নাইয়েই নহয়, এৰি যাব কৰপৰা? ছুটকা আছিল, কালি গধূলি ঘৰৰ ভাৰা বুলি এই মহাজনেই লৈ গৈছে।" মহাজনৰ বুকৰ ওপৰেদি পৰা সোণৰ হাৰ আৰু হীৰাৰ আঙঠি মোৰ মানস চকুত জিলিকি উঠিল। মই কবি নহওঁ, কিন্তু ছোৱালীজনীৰ চকুৰ কোণত বিৰিঙি উঠা চকুলো টুপি এই ৰক্ত পিপাসুৰ হীৰাৰ মণিতকৈ উজ্জ্বল বস্তু নহয়নে? মনতে ভাবিলো। মই কলো—"আই মই ইয়াতে থাকিম, তোমালোক যাব নালাগে।" তেওঁ কলে—"বাৰীৱালাই এৰিব কিয়?" মই খঙতে ওঠ কামুৰি কলো—"তাৰ বাপেকে এৰিব।" হব পাৰে মোৰ কথাৰ ভঙ্গি নিতান্ত গ্ৰাম্য; কিন্তু মই ইয়াতকৈ চণ্ডালি কথা কব নোৱাৰিলো। এনেতে এজনী বোৰ্খা পিন্ধা মাইকী মানুহ ওপৰলৈ উঠি আহিল। দেখিয়ে বুজিলো এওঁয়েই ছোৱালীজনীৰ মাক। মাকক বোধহয় ছোৱালীজনীয়ে কলে যে মই ঘৰটো লোৱাৰ দিহা কৰিছো। তেওঁলোকে বিছনা পত্ৰ সামৰি সুতৰি যোৱাৰ দিহা কৰা যেন পালো। বাহিৰত দুখননে এখন ফটা কঠ আছিল তাকো সামৰি ললে। মই ছোৱালীজনীক কলো "কি কৰিছা আই"? ছোৱালীজনীয়ে মোলৈ চাই চলচলীয়া চকুৰে কলে—"আমি যাওঁগৈ।" মই সুধিলো "কলৈ যাবা?" তেওঁ কলে "কব পৰা নাই।" "দুই চাৰিদিন থাকি পিছতো নহয় যাবা।" "মা-জানে এতিয়াই যোৱাৰ মন কৰিছে।" মই লাজ কাজ এৰিলো, ওৰণি লোৱা মাইকী মানুহজনীৰ প্ৰতি হাতযোৰকৈ কলো—"আপোনালোক নাযাব, দুদিন হলেও থাকক। ঘৰ দুৱাৰৰ এটা দিহা কৰি যাব।" তেওঁৰপৰা একো সমিধান নাপালো। কিন্তু কাপোৰ কানি কোচাবলৈ এৰিলে। জুহালৰ ওপৰত তপতোৱা পানী উতলি আছে,

জানিলো চাউল আজি তাত নপৰিব। দুখ বেজাৰত বিবশ হলো।

ছোৱালীজনীক কামত লৈয়ে নতুনভাৱে জীৱন নিৰ্ব্বাহ কৰিবলৈ আৰম্ভ কৰিলো। তাইৰপৰাই সকলো আতি গুৰি পালো। মাক আৰু সৰহ দিন তেওঁৰ বিচিত্ৰ জীৱনৰ কাহিনী বৰ্ণাবলৈ জীয়াই নাথাকিল। ছোৱালীজনীৰ নাম আছিল বাউলী। তাইৰ মাকৰ যেতিয়া ৰূপ যৌৱন আছিল তেতিয়া তেওঁ আছিল এগৰাকী মজলিছৰ গায়িকা। সময়ৰ লগে লগে, বৰং এই ছোৱালীজনীৰ অনভিপ্ৰেত জন্মৰ লগে লগে, অৱস্থাৰ বিপৰ্য্যয় ঘটিল। মই যি কোঠালিটো শৰিফ মিঞাৰপৰা ভাৰা লৈছিলো— তাতেই এই ছোৱালীজনী ডাঙৰ হৈছিল। ঘৰ ভাৰা কৰি থকা তিৰোতাসকলৰ অপবৃত্তিৰ ধনৰ ভাগেৰেই শৰিফ মিঞাৰ গলধন ধৰিছিল আৰু বুকত সোণৰ হাৰ ওলমিছিল। বাউলীৰ মাকে শেষত উপায় নাপাই চাৰি পাঁচ বছৰীয়া বাউলীক লগত লৈ ডিভিত হাৰমনিয়ম আৰি বাটে বাটে বাউল সুৰৰ বৰাগীৰ গীত গাই জীৱিকা নিৰ্ব্বাহ কৰিছিল। কাল ব্যাধিয়ে বেচেৰীৰ কলিজা খাই পেলালে আৰু ইয়াতেই তেওঁ বাউলীক মোৰ ওচৰত এৰি মহা প্ৰস্থানৰ বাটত খোজ ললে। বাউলী নামো মাকৰ বিষাদ সুৰৰ প্ৰতিধ্বনি।

বাউলী মোৰ আদৰৰ ধন। এপিনে মোৰ সু... দেশখনি যেনে আদৰৰ, স্মৃতিটি যেনে সুৰভি—বাউ... মুখখনি তেনে মধুৰ। মোৰ দুঃখপীড়িত অতীত জীৱ... স্মৃতি যেতিয়া মনত পৰে, লগতে মনত পৰে সক... ছোৱালীজনীৰ আদৰৰ হাঁহি ভৰা আহ্বান, মুক্তি... অৰ্থপূৰ্ণ সঙ্কেত। আজি মোৰ অৱস্থাৰ পৰিৱ... ঘটিছে, মই ধনী, মোৰ হাতত দুপইছা আছে, কিন্তু ... এই সকলো সম্পদৰ সঁচাৰ কাঠি দিওঁতা দুখৰ ম... ডাঙৰ হোৱা মোৰ বাউলী আইটী। এদিন বাউ... স্কুলৰপৰা আহি হাতত চিঠি এখন দি কলে—"দেউ... এইখন কোনোবা তিৰোতা মানুহৰ হাতৰ আখৰৰ চি... সেইদেখি অফিছত নেৰি ইয়ালৈ আনিলো, চোৱা... কাৰ।" 'তিৰোতা মানুহৰ' বোলোতে আচৰিত হ... চিঠিখন পঢ়ি চাওঁ যে তলত আছে—"জয়ন্তী বো... আশ্ৰমৰ বাবে টকা লাগে। মনত পৰিল-... আইদেউৰ নিবন্ধুৱা বাহিৰ-গুৱনি বঙালী গ্ৰেজুৱেট এ... সৈতে বিয়া হৈছিল। এতিয়া নিশ্চয় গাৰ্হস্থ্য আশ্ৰমৰ ... টকাৰ আৱশ্যক, চিঠিত যিয়ে নিলিখক।—মই ... "আই চিঠিখন নিয়া, পঞ্চাশ টকা এই ঠিকনাত পঠিয়া... মনতে ভাবিলো,—মোৰ উদ্দীপনা, বাউলীৰ সম্ভাষণ... মধুৰ হাঁহিটিনে জান্তিৰ অভিমান ভৰা প্ৰত্যাখ্যান!



# মহিলা জগত

## ...ল্লীৰ মহিলা সন্মিলনত সভানেত্ৰীৰ বক্তৃতা

'...নাহক দলা-দলিৰপৰা আতৰত থাকিবলৈ আমি দৃঢ় ...। বৰ্ত্তমান অসন্তোষজনক শাসনতন্ত্ৰত আমি ...টিলিনলৈ যাবলৈ অসমৰ্থ। সম্পত্তি আৰু স্বামীৰ ...গ্যতাৰ ওপৰতেই আমাৰ ভোট দিয়াৰ ক্ষমতা নিৰ্ভৰ ...বি—এই ব্যৱস্থাৰ আমি বিৰোধী। সাম্প্ৰদায়িক



...মাৰী আশা ওঝা—এগৰাকী সুপ্ৰসিদ্ধা নৰ্ত্তকী। যোৱা এলাহবাদ সঙ্গীত সন্মিলনীত এওঁ পৌৰাণিক নৃত্যকলা দেখুৱাই দৰ্শকক চমৎকৃত কৰিছিল।

...মনোমালিন্যৰ ভিতৰলৈ আমাক টানি লৈ যোৱাটো আমি ...বিচাৰোঁ। নতুন শাসনতন্ত্ৰ ৰচোঁতাসকল এই দেশৰ নাৰী ...জৰ উন্নতি আৰু কল্যাণকামী আছিল বুলি আমি ...বাস কৰিব নোৱাৰোঁ।"

এই বুলি যোৱা ১৩ নবেম্বৰ তাৰিখে দিল্লীত বহা মহিলা সন্মিলনীৰ সভানেত্ৰী ৰাণী লক্ষ্মীবাঈ ৰাজোৱাৰে এটি বক্তৃতা দিয়ে। তেখেতে আৰু কয়—"ভাৰতৰ প্ৰত্যেক ক্ষেত্ৰতে প্ৰাদেশিকতা আৰু সাম্প্ৰদায়িকতা প্ৰভৃতিৰ বিহ বিয়পি পৰিছে। কিন্তু নিখিল ভাৰত মহিলা সন্মিলনে কেতিয়াও তাৰ দ্বাৰা তেওঁলোকৰ কাৰ্য্যক্ষেত্ৰ বিষাক্ত কৰিবলৈ নিদিব।



শ্ৰীযুতা কুসুম ঠাকুৰ—গুজৰাটৰ কুৰুল মহিলা বিশ্ববিদ্যালয়ৰপৰা আমেৰিকাৰ আইওৱা বিশ্ববিদ্যালয়ত এখেতে উচ্চ শিক্ষা লাভৰ অৰ্থে অলপতে যাত্ৰা কৰিছে।

"ভাৰতৰ নাৰী সমাজে বৰ্ত্তমান উপলব্ধি কৰিব পৰিছে যে বিবাহ আৰু সম্পত্তিৰ স্বত্ব সম্পৰ্কে অতি সোনকালেই আইন পৰিৱৰ্ত্তন হোৱা আৱশ্যক।"

ৰাণী ছাহেবাৰ মতে উচ্চ শ্ৰেণীৰ হিন্দু যুৱতীসকল বিবাহ বিচ্ছেদ আইন প্ৰণয়নৰ পক্ষপাতী। তেখেতে জন্মনিৰোধ আৰু ইয়াৰ বিজ্ঞান সম্মত ব্যৱস্থাৰ পক্ষে মত

প্ৰকাশ কৰে। তেখেতে অস্পৃশ্যতা দূৰ কৰিবৰ কাৰণে সকলোকে অনুৰোধ কৰে। হৰিজনসকলৰ বৰ্ত্তমান বিক্ষোভ সম্পৰ্কে তেখেতে কয় যে ধৰ্ম্মান্তৰিত হোৱাৰ লগত কেৱল মনৰেই সম্পৰ্ক আছে। দেহৰ কোনো সম্পৰ্ক নাই।



কুমাৰী এছ, আঙ্গামল্—মহীশূৰ বিশ্ববিদ্যালয়ৰ যোৱা উপাধি বিতৰণ সভাত পাঁচটি বিভিন্ন বিষয়ত কৃতকাৰ্য্যতা দেখুৱাই এও পাঁচটি পদক লাভ কৰে।

## সন্তোষৰ ৰাণীৰ অভিভাষণ

যোৱা ১৫ নবেম্বৰ শুকুৰবাৰে নিখিল ভাৰত নাৰী সন্মিলনৰ কলিকতাস্থ শাখাৰ যি এক অধিৱেশন হয়, তাৰ সভানেত্ৰী স্বৰূপে সন্তোষৰ ৰাণীয়ে অভিভাষণ প্ৰসঙ্গত এই বুলি কয় :—

"নাৰী জাতিক স্বাৱলম্বী কৰি তোলা বিশেষ প্ৰয়োজন। কিন্তু স্বাৱলম্বী কৰিবলৈ গলে তেওঁলোকক কেৱল বিশ্ববিদ্যালয়ৰ শিক্ষা আয়ত্ত কৰিবলৈ সুযোগ দিলেই নচলিব। চাকৰিজীৱী বঙালী পুৰুষসকল উচ্চ শিক্ষি... হৈয়ো যেতিয়া কোনো কাম পাবলৈ সমৰ্থ হোৱা না... তেনেস্থলত নাৰীসকলকো সেই একে শিক্ষাতে শিক্ষি... হবলৈ দি সেই একেই কৰ্ম্মক্ষেত্ৰতে ঠেলি দিলে সুফল...



কুমাৰী কৰুণাকণা গুপ্ত—ঢাকা বিশ্ববিদ্যালয়ৰ যুৱতী বিভাগত এ... অধ্যাপক স্বৰূপে নিযুক্ত হৈছে। এখেতেই ভাৰতীয় প্ৰথম মহি... বিশ্ববিদ্যালয়-অধ্যাপক। এখেতৰ বিৱৰণ ইয়াৰ আগতে এবা... প্ৰকাশ কৰা হৈছে।

আশা ক'ত? শিল্প শিক্ষা দান কৰি নাৰীক স্বাৱ... কৰিবৰ চেষ্টা কৰিব লাগিব।"

তেখেতে নাৰীসকলক আগৰ কালৰ দৰে সূতা কা... কাপোৰ বোৱা আদি কাম কৰিবলৈ উপদেশ দি... সঙ্গীত আৰু কলাবিদ্যা চৰ্চ্চাও নাৰীসকলে কৰা কৰ্ত... বুলি তেখেতে কয়।



এবিছিনিয়াৰ মহিলা ৰে'ডক্ৰচ সংঘৰ কেইগৰাকীমান মহিলা



# সম্পাদকীয়

## ইটালি-এবিছিনিয়া যুদ্ধৰ ভাৱী পৰিণতি

বিশ্ব জাতিসংঘই ইটালিৰ ওপৰত অৰ্থনৈতিক হেঁচা প্ৰয়োগ কৰা সত্ত্বেও অদূৰ ভৱিষ্যতে যুদ্ধ বিৰতিৰ কোনো আগন্তুক পৰিলক্ষিত হোৱা নাই। এই অৰ্থনৈতিক হেঁচাই বৰ্ত্তমান ইটালিৰ বিশেষ কিবা অনিষ্ট সাধন কৰিছে বুলি অনুমান কৰিব নোৱাৰি। অৱশ্যে যুদ্ধ অনেক দিন চলি থাকিবলগীয়া হলে ইটালিৰ বহুত ক্ষতি হোৱাৰ লগে লগে পৰাজয় হোৱাৰো সম্ভাৱনা। কিন্তু দূৰদৰ্শী মুছলিনিয়ে ইমান বিপুল জাতীয় ক্ষতি চকুৰ আগত দেখিও যুদ্ধ যে বেছি দিন চলি থাকিবলৈ দিব ইয়াক কেতিয়াও আশা কৰিব নোৱাৰি। তেওঁ ইয়াৰ বাবে সতৰ্কতা অৱলম্বন কৰিছে। এই সতৰ্কতাৰ প্ৰথম নিদৰ্শন হৈছে ধীৰপন্থী প্ৰধান সেনাপতি ডি বন'ক অৱসৰ দি উগ্ৰপন্থী আৰু চতুৰ যুদ্ধ বিশাৰদ জেনেৰেল বেডগলিঅ'ক এবিছিনিয়া অভিযানৰ প্ৰধান সেনাপতি স্বৰূপে নিয়োগ কৰা। জেনেৰেল বেডগলিঅ'ই ক্ষিপ্ৰ গতিৰে যুদ্ধ পৰিচালনা কৰি এবিছিনিয়া আক্ৰমণ কৰাৰ পৰিকল্পনা হাতত লৈছে।

ইটালিৰ এই সাম্ৰাজ্য লীপ্সাৰ মূলতে অকল ইটালিয়েই দায়ী নে? ইউৰোপৰ প্ৰধান প্ৰধান ৰাষ্ট্ৰ কেইখনৰ সাম্ৰাজ্য বিস্তাৰৰ যি অদম্য আক্ৰোশ ইয়েই যে প্ৰধানতঃ দায়ী তাক কোনোমতে গুই কৰিব নোৱাৰি। মহাসমৰৰ ফল স্বৰূপে ফ্ৰান্স আৰু গ্ৰেট বৃটেইনে বৰ ভাগ পোৱা আৰু ইটালি তাৰপৰা আংশিকভাৱে বঞ্চিত হোৱাৰ কাৰণেই যে আজি ইটালিয়ে এবিছিনিয়া গ্ৰাস কৰিবলৈ যুদ্ধত অৱতীৰ্ণ হৈছে এই কথা প্ৰকাশ পাইছে। আজ গ্ৰেট বৃটেইন আৰু ফ্ৰান্সৰ ৰাজনীতিকসকলে জাতিসংঘৰ দোহাই দি শান্তি স্থাপনৰ চেষ্টা চলালেও যেতিয়ালৈকে তেওঁলোকে সাম্ৰাজ্য লীপ্সা পৰিহাৰ কৰিব নোৱাৰে তেতিয়ালৈকে জগতত কোনো শান্তি প্ৰতিষ্ঠা হব নোৱাৰে, ই ধ্ৰুৱ। সাম্ৰাজ্যবিস্তাৰৰ দুৰ্দ্দমনীয় হেঁপাহৰ কাৰণেই আজি প্ৰধান প্ৰধান জাতিবিলাকৰ মাজত স্বাৰ্থৰ সংঘৰ্ষ হৈছে আৰু অস্ত্ৰ নিৰ্ম্মাণৰ ভয়াবহ প্ৰতিযোগিতা চলিছে। বিনা যুদ্ধই মাৰাত্মক অস্ত্ৰ শস্ত্ৰৰ এই ভীষণ প্ৰতিযোগিতা সদায় চলি থাকিব নোৱাৰে। বৰ্ত্তমান ইটালি-এবিছিনিয়াৰ যুদ্ধই এক ভাৱী মহাসমৰৰ সূচনা কৰিছে। কিন্তু এই মহাসমৰত সাম্ৰাজ্যবাদী ৰাজ্যবিলাকৰ লগে লগে এবিছিনিয়া, ভাৰতবৰ্ষ, ইজিপ্ট আদিৰ নিচিনা দুৰ্ব্বল আৰু নিৰীহ ৰাজ্যবিলাক জড়িত হৈ ক্ষতিগ্ৰস্ত হোৱাটোহে বৰ পৰিতাপৰ কথা হব।

## কংগ্ৰেছৰ সোণালী জয়ন্তী

যোৱা ১৮৮৬ খৃঃত জন্ম লাভ কৰি ভাৰতীয় জাতীয় মহাসভাই আজি অৰ্দ্ধ শতাব্দী অতিক্ৰম কৰিলে। অহা ২৮ ডিচেম্বৰৰ দিনা ভাৰতৰ এই জাতীয় মহাসভাৰ পূৰা আঢ়ৈ কুৰি বছৰ পূৰ্ণ হব। এই উপলক্ষে সেই দিনা কংগ্ৰেছ নেতাসকলে গোটেই ভাৰততে সোণালী জয়ন্তী উৎসৱ পালন কৰিবৰ কাৰণে যো-জা কৰিছে।

ৰূপালী জয়ন্তী, সোণালী জয়ন্তী আদি অনুষ্ঠানবোৰ বিদেশী ভাৱৰপৰা ধাৰ কৰা হলেও যেই কোনো জাতিৰ জীৱনতেই এই অনুষ্ঠানবিলাকৰ যথেষ্ট সাৰ্থকতা আছে।

সম্ৰাট পঞ্চম জৰ্জ্জৰ পঁচিশ বছৰীয়া ৰাজত্বৰ বাবে যোৱা ৬ মে' তাৰিখে অনুষ্ঠিত হোৱা ৰূপালী জুবিলীৰ দৰে ভাৰতীয় কংগ্ৰেছৰ সোণালী জয়ন্তী অনুষ্ঠে কোনো এটি বিশেষ আনন্দ বা বিজয়োৎসৱ নহয়। কংগ্ৰেছৰ এই সোণালী জয়ন্তীৰ সাৰ্থকতা আছে কেৱল প্ৰচাৰ কাৰ্য্যত! সেইদিনা ভাৰতৰ সকলো ঠাইতে কংগ্ৰেছৰ নীতিৰ বহুল আৰু ব্যাপক প্ৰচাৰ কৰিব লাগিব।

প্ৰথম আৰম্ভণিতে কংগ্ৰেছ এখন সাধাৰণ অনুষ্ঠান মাত্ৰ আছিল। তেতিয়া ইয়াৰ প্ৰধান লক্ষ্য আছিল গৱৰ্ণমেণ্টৰ ওচৰত আবেদন নিবেদন কৰি কিছুমান অনুগ্ৰহ আদায় কৰা। পিছত এই জাতীয় মহাসভাৰ কৰ্ম্মৰ গণ্ডী ক্ৰমাগত বিস্তীৰ্ণ হৈ পৰে আৰু স্বায়ত্বশাসন ইয়াৰ লক্ষ্য হয়। কিন্তু কংগ্ৰেছত মাহাত্মা গান্ধীৰ যোগদানে কংগ্ৰেছৰ জীৱনত এটি ডাঙৰ পৰিৱৰ্ত্তন আনে। তেতিয়াৰেপৰা অহিংস অসহযোগ আন্দোলনৰ যোগেদি ভাৰতে স্বাধীনতা লাভ কৰা কংগ্ৰেছৰ প্ৰধানতম উদ্দেশ্য হয় আৰু কংগ্ৰেছৰ এই আন্দোলনে এটি নতুন ৰূপ লয়। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনে ভাৰতৰ সকলো ঠাইতে প্ৰসাৰ লাভ কৰে আৰু ভাৰতবাসীৰ মুক্তিলাভৰ কাৰণে হেজাৰ হেজাৰ দেশ সেৱকে স্ব ইচ্ছাই কাৰাবৰণ কৰে।

কংগ্ৰেছ ভাৰতৰ মুক্তি লাভৰ একমাত্ৰ বিৰাট অনুষ্ঠান। কিন্তু বৰ্ত্তমান কংগ্ৰেছৰ জীৱনত এটি অৱসাদৰ ছাঁই দেখা দিয়াতো বৰ পৰিতাপৰ কথা হৈছে। কংগ্ৰেছৰ সোণালী জয়ন্তীয়ে এই অৱসাদ মোচন কৰি ভাৰতীয় প্ৰজাসকলক স্বাধীনতা লাভৰ কাৰণে উৎসাহিত আৰু অনুপ্ৰেৰিত কৰিব লাগিব আৰু ইয়াতেই এই জয়ন্তী উৎসৱৰ প্ৰধান সাৰ্থকতা; নহলে এই উৎসৱৰ কোনো অৰ্থ নাই। সেইদিনা যেন ভাৰতৰ সকলোতে মুক্তিৰ বাণী প্ৰচাৰিত হয়, পঁয়ত্ৰিশ কোটি ভাৰতবাসীৰ কণ্ঠত যেন স্বাধীনতাৰ সঙ্গীত গীত হয় এই ভৰসা কৰি অসমীয়া প্ৰজাসকলক এই জয়ন্তী উৎসৱত যোগদান কৰিবলৈ অনুৰোধ জনালোঁ।

## উপস্থিত সমস্যাত অসম এছোছিয়েশ্বন

অসম এছোছিয়েশ্বন আমাৰ দেশৰ সৰ্ব্ব পুৰাতন ৰাজহুৱা অনুষ্ঠান। ই অসমৰ কেৱা গৰাকীও দেশপ্ৰাণ নেতাৰ পুণ্য স্মৃতি বিজড়িত। এই এছোছিয়েশ্বনে সঙ্কট সময়ত উদ্ভৱ হোৱা আমাৰ দেশৰ নানা সমস্যা সদায় সমাধান কৰিবলৈ চেষ্টা কৰি আহিছে। দেশৰ ৰাইজপৰা যেনেকৈ এই এছোছিয়েশ্বনে শ্ৰদ্ধা পাই আহিছে, গৱৰ্ণমেণ্টৰো তেনেদৰে দৃষ্টি আকৰ্ষণ কৰি আহিছে।

এই এছোছিয়েশ্বন কেৱা বছৰো এক ৰকম মনে মনে থকা যেন দেখি দেশবাসীৰ মনত ইয়াৰ সজীৱতাৰ বিষয়ে সন্দেহ হব ধৰিছিল। বিশেষকৈ কোনো দিনে নোহোৱা নোপোজা সমস্যা কিছুমান উপস্থিত হোৱা এই বৰ্ত্তমান সময়ত। কিন্তু বৰ সুখৰ কথা, দেশৰ উপস্থিত সঙ্কট উপলব্ধি কৰি আৱশ্যকতা অনুসাৰে কাৰ্য্যকৰী পন্থা হাতত লবলৈ এই এছোছিয়েশ্বন আগবাঢ়ি আহিছে।

যোৱা ৩ আৰু ৪ কাতি তাৰিখত শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী বি-এল ডাঙৰীয়াৰ সভাপতিত্বত গুৱাহাটীত এই এছোছিয়েশ্বনৰ এটি অধিৱেশন হৈ গ'ল। সেই সভাত



শ্ৰীযুত প্ৰমথনাথ চক্ৰৱৰ্ত্তী বি-এল

কোনো আৱশ্যকীয় আলোচনাই বাদ পৰা নাই দেখি আমি ৰং পাইছোঁ। সভাপতি আৰু অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, সভাত হোৱা আলোচনা আৰু



গৃহীত প্ৰস্তাৱ আদি সকলোখিনিৰ ভিতৰেদি আমাৰ জাতীয় চৈতন্যৰ ভাব স্ফুটি উঠিছিল। আমাৰ দেশৰ বৰ্ত্তমান সমস্যা কিছুমানৰ বিষয় লৈ এই এছোছিয়েশ্বনে অসম গৱৰ্ণৰৰ ওচৰলৈ যি এটি ডেপুটেশ্বন পঠাবলৈ ঠিক কৰিছে, ডমিছাইল্ড সংজ্ঞা নিৰ্দ্ধাৰণৰ কাৰণে এটি আৰু হাৱতেজ্নৰ আঁচনি গঢ়িবৰ বাবে আন যি এটি কমিটি পাতিছে সেই সকলোখিনি অতি সময়োপযোগী হৈছে। আমি আশা কৰোঁ এই ডেপুটেশ্বন আৰু কমিটী কেইটিয়ে তৎপৰতাৰে দেশৰ গুৰু সমস্যাবিলাক সমাধান কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰি দেশৰ হিত সাধনৰ লগে লগে এছোছিয়েশ্বনৰ সম্মান অক্ষুণ্ণ ৰাখিব।

এছোছিয়েশ্বনৰ সভাত ওপৰত উল্লেখ কৰা পন্থা কেইটি অৱলম্বন কৰিবলৈ ঠিক কৰাৰ বাহিৰেও বঙালী সকলৰ অমূলক দাবী উচ্ছেদ, শ্ৰীহট্ট বিচ্ছেদ, দ্বিতীয় পৰিষদৰ অনাৱশ্যকতা, বিশ্ববিদ্যালয়, হাইকৰ্ট প্ৰতিষ্ঠা, পমুৱা আৰু দাতিকাষৰীয়া জাতিবিলাকৰ বিষয়ে বহু দাগতিয়াল প্ৰস্তাৱ গ্ৰহণ কৰি বৰ্ত্তমান সময়ৰ সকলো সমস্যালৈ দৃষ্টি দিয়াটো এই এছোছিয়েশ্বনৰ যোগ্য কাম হৈছে।

## অসম সৰ্ব্বদল সম্মিলন

গুৱাহাটীত হৈ যোৱা অসম এছোছিয়েশ্বনৰ পিছতে যোৱা ৫ আৰু ৬ কাতিৰ দিনা শিৱসাগৰত অসম সৰ্ব্বদল সম্মিলনৰ অধিৱেশন মৌঃ তৈয়াবউল্লা বি-এল ডাঙৰীয়াৰ সভাপতিত্বত বহে। অসম কংগ্ৰেছ পক্ষৰ বাহিৰে অসমৰ প্ৰায় সকলো অনুষ্ঠানে এই সম্মিলনত যোগ দিয়াত ইয়াৰ 'সৰ্ব্বদল সম্মিলন' নাম বহুখিনি সাৰ্থক হৈছিল। অসম এছোছিয়েশ্বনৰ বৰ্ত্তমান সময়োপযোগী সকলো বিষয়ৰ আলোচনা হৈ প্ৰস্তাৱ গৃহীত হোৱাৰ পিছত অসমীয়া জাতীৰ উমৈহতীয়া স্বাৰ্থ আৰু দাবী হিচাবে এই সৰ্ব্বদল সম্মিলনতো সেইবিলাকৰে আলোচনা কৰি সেই একেবিলাক প্ৰস্তাৱকে গ্ৰহণ কৰাত গুৰুত্ব আৰু আৱশ্যকতা স্পষ্ট হৈ পৰিছে, সন্দেহ নাই।

দেশৰ এনে সঙ্কট সময় পাৰ কৰিবলৈ দেশবাসীৰ পক্ষে এই সৰ্ব্বসম্মত আৰু মিলিত চেষ্টা হোৱাটো বৰ সৌভাগ্যৰ কথা হৈছে। এই সম্মিলনৰ ভিতৰেদি যি সম্মিলিত জাতীয় দাবী আমাৰ গৱৰ্ণমেণ্টৰ আগত স্পষ্টভাৱে দাঙি ধৰা হৈছে তাক বোধকৰোঁ কোনো দেশৰ দায়িত্ব জ্ঞান সম্পন্ন গৱৰ্ণমেণ্টে অৱজ্ঞা কৰিব নোৱাৰিব। আমি আশাকৰোঁ আমাৰ গৱৰ্ণমেণ্টে তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰা আমাৰ দেশৰ সকলো সমস্যা সমাধানৰ বাবে অনতিপলমে এটি কাৰ্য্যকৰী পন্থা হাতত লব। নহলে অসম দেশৰ গৱৰ্ণমেণ্ট অসমীয়া জাতিৰ জাতীয় উন্নতিৰ বিষয়ত উদাসীন বুলি অসমীয়া মানুহে সন্দেহ কৰিবলৈ কাৰণ ওলাব। আজি অসমত বঙালীসকলৰ বাবে যি সুকীয়া স্কুলৰ আন্দোলন চলিছে গোটেই অসমীয়া জাতিয়ে নানাভাৱে তাৰ প্ৰতিবাদ কৰাৰ উপৰিও এই সৰ্ব্বদল সম্মিলনতো বৰ জোৰেৰে তাৰ প্ৰতিবাদ হৈছে। শ্ৰীহট্ট বিচ্ছেদ আজি গোটেই অসমীয়া হিন্দু মুছলমানে মিলিত ভাৱে সমৰ্থন কৰিছে। বিশ্ববিদ্যালয়, হাই'কৰ্টৰ দাবী ন্যায্যভাৱে দাঙি ধৰিছে। মুঠৰ ওপৰত এই সম্মিলনৰ অধিৱেশনত অসমীয়া জাতিৰ আত্ম প্ৰতিষ্ঠা লাভ কৰিবলৈ একান্ত আগ্ৰহ এটি ফুটি উঠিছে। সভাপতি মৌঃ তৈয়াব উল্লা ডাঙৰীয়া আৰু আদৰণী সভাৰ সভাপতি শ্ৰীযুত লক্ষীকান্ত বৰুৱা ডাঙৰীয়াৰ অভিভাষণ দুখনি এই ঐকান্তিক আগ্ৰহৰ এটি জীৱন্ত মূৰ্ত্তি যেন হৈছিল। অসমলৈ বিদেশীৰ আগমন উপলক্ষেও নাম্য যুক্তি দেখুৱাই যি প্ৰস্তাৱ গৃহীত হৈছে, আশাকৰো অসম গৱৰ্ণমেণ্টে তালৈকো চকু নিদিয়াকৈ নাথাকে।

## অসমৰ সমস্যা সম্বন্ধে শ্ৰীযুত ঠক্কৰ

মিঃ এ, ভি ঠক্কৰ নিখিল ভাৰত হৰিজন সঙ্ঘৰ প্ৰধান সম্পাদক। তেখেত "ছাৰ্ভেণ্টছ অৱ ইণ্ডিয়া ছোছাইটি"ৰো সদস্য—নিঃস্বাৰ্থ সমাজ সেৱক। মহাত্মা গান্ধীয়ে নিখিল ভাৰত হৰিজন সঙ্ঘ প্ৰতিষ্ঠা কৰাৰেপৰা ঠক্কৰ ডাঙৰীয়াই একনিষ্ঠভাৱে ইয়াৰ প্ৰধান সম্পাদকৰ কাৰ্য্য চলাই আছে। হৰিজন সঙ্ঘৰ কাৰ্য্যোপলক্ষে মহাত্মাজীৰ অসম ভ্ৰমণৰ লগে লগে শ্ৰীযুত ঠক্কৰো ঘূৰিছিল।

আকৌ এইবাৰো তেখেতে গোটেই অসম ঘূৰি গ'ল। এই ভ্ৰমণ উপলক্ষে অসমৰ নানা ঠাইত নানা সভা-সমিতিত

তেখেতে অসমৰ সমস্যাবিলাকৰ বিষয়ে অতি মূল্যৱান অভিমত প্ৰকাশ কৰি গৈছে। অসম উপত্যকাত কেৱল অসমীয়া ভাষাহে ন্যায়মতে শিক্ষাৰ একমাত্ৰ বাহন হব লাগে বুলি ন্যায্য মত প্ৰকাশ কৰি গৈছে। সকলো বিষয়তে অসমীয়াৰ স্বাৰ্থৰ বিৰুদ্ধে লৰা অসমবাসী বঙালী সকলৰ তেখেতৰ সেই সুচিন্তিত অভিমতলৈ লক্ষ্য কৰিবলৈ সুমতি কেতিয়া হব তাক নাজানো। কিন্তু আমি আশা



শ্ৰীযুত এ, ভি, ঠক্কৰ

কৰো—অসমত বস-বাস কৰি অসমীয়াৰ লগত সমানে অসমৰ সুবিধা ভোগ কৰিবলৈ হলে অসমীয়াৰ লগত পদে পদে মিলিবৰ আৱশ্যকতা এই ভ্ৰান্ত পথিকসকলে এদিন উপলব্ধি কৰিব লাগিবই—হয়তো তেতিয়া এই সময়ৰ শৰ সময়তে নমৰা বাবে অনুতাপো কৰিবলগীয়া হব পাৰে। সেই নিমিত্তে আমি আমাৰ সাদৰ আহ্বান নাইবা আমাৰ নেতৃস্থানীয়সকলৰ হিতোপদেশ এই সকলৈ আগ বঢ়োৱাতকৈ অসমীয়াৰ স্বাৰ্থৰ লগত সম্বন্ধ নথকা উদাৰ আৰু গোটেই ভাৰতৰে নমস্য দূৰদৰ্শী দেশ-সেৱক এই ঠক্কৰদেৱৰ অভিমত তেওঁলোকৰ আগত আকৌ এবাৰ দাঙি ধৰিলো।

শ্ৰীযুত ঠক্কৰ ডাঙৰীয়াই অসমৰ হৰিজন সমস্যাৰ বিষয়তো যি কৈ গৈছে তাৰ সমাধানৰ ভাৰ অসম হৰিজন সঙ্ঘৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰিলেও, গোটেই অসমীয়া ৰাইজৰে তালৈ সহযোগ আৰু সহানুভূতি থকা উচিত। অসম হৰিজন সঙ্ঘ স্থাপিত হবৰেপৰা তাৰ সভাপতিৰূপে পূজ্যপাদ শ্ৰীশ্ৰীযুত গড়মূৰীয় সত্ৰাধিকাৰ প্ৰভু আৰু সম্পাদকৰূপে অক্লান্ত কৰ্ম্মী আৰু দেশ সেৱক শ্ৰীযুত দেৱেন্দ্ৰনাথ শৰ্ম্মা বি-এদেৱে কিমান অসুবিধা আৰু কিমান বাধা বিঘিনিৰ মাজেদি এই অনুষ্ঠানক অকণ জীৱন দান কৰিয়েই এৰা নাই আজি ইয়াক আমাৰ দেশৰ এটি বিশেষ জনহিতকৰ অনুষ্ঠান কৰি গঢ়ি তুলিব পাৰিছে। অসমৰ সৌভাগ্য যে এনে এজন ক্ষমতাশালী সত্ৰাধিকাৰে আমাৰ ধৰ্ম্ম বিষয়ত ইমান উদাৰ আদৰ্শৰে অনুসৰণেৰে কৰ্ম্মক্ষেত্ৰত অৱতীৰ্ণ হৈছে।

এই সৌভাগ্যৰ সুযোগ লৈ অসমীয়া জাতিয়ে ঠক্কৰে আঙুলিয়াই দিয়া অসমৰ বিশেষ সমস্যা (১) কানি ৰৰবিহৰ প্ৰচলন বন্ধ (২) দাতি কাষৰীয়া ভাইসকলৰ আৰু (৩) বাগিছাৰ ফাল্টু কুলীসকলক অসমীয়া আৰু হিন্দু কৰা—এই তিনিওটি সমাধান কৰিবলৈ আগবঢ়া উচিত। এই দাতি কাষৰীয়া আৰু ফাল্টু কুলীসকলৰ লোক সংখ্যা অসমীয়া হিন্দুসকলতকৈ বৰ বেছি কম নহয়। এই সকলক অসমীয়া কৰি লব পাৰিলে যে আমাৰ জাতীয় মেৰুদণ্ড বহুখিনি সবল হব পাৰিব তাত কোনো সন্দেহ নাই।

১৪ নং জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাছ প্ৰেছ লিঃত ডাঃ শ্ৰীদীননাথ শৰ্ম্মা দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।




৭ম বছৰ, ২য় সংখ্যা ] আৱাহন [ ১৮৫৭ শক

# সতী *

—শ্ৰীযুত সোণাৰাম চৌধুৰী

## ১ম আধ্যা

সতী প্ৰজাপতি দক্ষৰ কনিষ্ঠা কন্যা। তেওঁ আদ্যা শক্তিৰ …শ বুলি খ্যাত। তেওঁ ৰূপে-গুণে অতুলনীয়া আছিল। …ক হৈ অহাৰ লগে লগে তেওঁৰ শৰীৰৰ কমনীয়তা আৰু বাঢ়িল। ক্ৰমে বিবাহযোগ্যা হল। …ী যাৰেৰ

তেওঁৰ পিতৃদেৱতা প্ৰজাপতিয়ে এই মনোহৰ …পাহি কাক দান কৰিব, কোন এওঁৰ উপযুক্ত পাত্ৰ …চিন্তা কৰিবলৈ ধৰিলে; কিন্তু একো নিশ্চয় কৰিব নোৱাৰি যাতে সতীয়ে নিজে পতি বাছি লব পাৰে সেই অভিপ্ৰায়ে স্বয়ংবৰ পতাকে ঠিক কৰিলে। নগৰৰ বাহিৰে সুন্দৰ আহল-বহল ঠাইত স্বয়ংবৰ পতা হল। তালৈ শঙ্কৰত বাজে দেৱতা, দানৱ, গন্ধৰ্ব্ব, মুনি ঋষি আদি স্বৰ্গ-মৰ্ত্তাৰ সকলোকে নিমন্ত্ৰণ কৰা হল। সিফালে শঙ্কৰেই যে সতীৰ একমাত্ৰ আৰাধ্য দেৱতা, সদায় শঙ্কৰকেই যে সতীয়ে যতনেৰে পূজা কৰে, সেই কথা কোনেও নাজানিছিল। যি হওক, স্বয়ংবৰ সভা, নিমন্ত্ৰিত দেৱ,

* এই কাহিনী বৃহদ্ধৰ্ম্ম পুৰাণৰপৰা লোৱা হৈছে। ই আন পুৰাণৰ কাহিনীৰ লগত কেইটিমান কথাত নিমিলে। ভাগৱত আৰু …লিকা পুৰাণত ব্ৰহ্মাৰ আদেশমতে দক্ষে সতীক শিৱৰ লৈতে বিয়া দিয়া কথা আছে, কিন্তু এই পুৰাণত দক্ষে শিৱ বিদ্বেষী হৈ শিৱক নিমন্ত্ৰণ …ৰি সতীৰ স্বয়ংবৰ পতা দেখা যায়। সতীয়ে আগৰেপৰা শিৱকে মনেদি পতি বৰণ কৰি ৰাখিছিল। তেওঁ স্বয়ংবৰ সভাত শিৱক …খি মাটিতে বৰণ-মালা থৈ "শিৱায় নমঃ" বুলি সেৱা কৰাত শিৱই সতীক দেখা দিয়ে আৰু সেই মালা লৈ অন্তৰ্হিত হয়। পাছে কোনো এক …ত শিৱে আহি সতীক আকাশ পথেদি হৰণ কৰি নিয়া কথা আছে। আন পুৰাণত সতীয়ে যজ্ঞস্থলিতে প্ৰাণ ত্যাগ কৰা বুলি লিখা আছে, …ন্তু এই পুৰাণত সতী যজ্ঞস্থলিৰপৰা ওলাই উত্তৰলৈ গৈ হিমালয়ৰ দক্ষিণে এখন অৰণ্যত প্ৰাণ ত্যাগ কৰা বুলি কয়। তদুপৰি এই পুৰাণত …জাঁৱেকৰ প্ৰতি কেনে প্ৰীতি-মৰম ৰাখিব লাগে, জোঁৱায়েকে শহুৰৰ প্ৰতি কেনে সম্মানাদি দেখাব লাগে সবিশেষ বৰ্ণোৱা আছে। যি হওক, …ৰাৰ কাহিনীটি অদ্ভুত হলেও স্বাভাৱিক যেন লাগে, —যেন এখনি নাটকহে। এই কাহিনী অনেক বিষয়ে স্ত্ৰীপাঠ্যৰো উপযোগী। —লেখক।

দানৱ, গন্ধৰ্ব্ব বিদ্যাধৰ আদিৰে ভৰিলহি। প্ৰজাপতিৰ মনত মহা আনন্দ মিলিল। শুভক্ষণ চোৱাই সতীক স্বয়ংবৰ সভালৈ অনোৱা হল। সতী এনেয়ে স্বভাব-সুন্দৰী তাতে তেওঁৰ কাঞ্চনময় সাজ-পাৰ, খোপাত সুগন্ধি ফুল কপালত সিন্দুৰ তিলকে তেওঁক অতিকৈ শুৱাই ধৰিছিল। যেতিয়া তেওঁ হাতত মালা লৈ ৰত্নময় পীঠত থিয় দিলেহি, তেতিয়া তেওঁক দেখি সভাৰ সকলো মোহিত হল; সকলোৰে মনত বোধ হল যেন ৰূপ-ৰত্নাকৰত ৰূপ-লক্ষ্মী উঠি দেখা দিলেহি (১)। তেতিয়া দক্ষই সতীক সম্বোধন কৰি কলে;—

"আইটি, তুমি নিজে চাই তোমাৰ উপযুক্ত পতি বৰণ কৰি লোৱাঁ। ইয়াত দেৱ, দানৱ, গন্ধৰ্ব্ব আদি সকলো উপস্থিত;—তুমি যেনে সুন্দৰী তেনে ৰূপে-গুণে সৰ্ব্বাঙ্গ-সুন্দৰ যাকে দেখা তাৰে মূৰত মালা দিব পাৰা।"

পিতৃ-বাক্য শুনি সতীয়ে সভাৰ চাৰিওপিনে চকু ফুৰাই চালে,—তাত দেৱ মহেশ্বৰক দেখা নাপাই তেওঁৰ মন ব্যাকুল হল। শিৱহীন সেই সভা তেওঁৰ চকুত শূন্য যেন লাগিল। তেওঁ মনত ভাবিবলৈ ধৰিলে,—'পিতাই শিৱদ্বেষী হৈ শিৱশূন্য সভা পাতিছে, কিন্তু সেই ত্ৰিলোচনত বাজে কোন মোৰ পতি হব? তেৱেঁ মোৰ ধ্যান, তেৱেঁ মোৰ জ্ঞান। হে প্ৰভো, মহেশ্বৰ, আপুনি সনাতন বুদ্ধিস্বৰূপ; আপুনি যেতিয়া এই সভালৈ অহা নাই, তেতিয়া নিশ্চয় বুজিছোঁ, আপুনি মোক উপেক্ষা কৰিছে; (২) কিন্তু নাথ, আপুনি ত্ৰিজগতৰ পতি, আপোনাত বাজে মই আন কাকো বৰণ নকৰোঁ, আপোনাক যেয়েই দ্বেষ কৰক—হিংসা কৰক—নিন্দা কৰক, তথাপি আপুনিয়ে মোৰ পতি; অধীনীয়ে অধিক কি জনাম মোৰ যদি প্ৰাণো যায়, তথাপি আপুনিয়ে মোৰ স্বামী, আন কোনো হব নোৱাৰে। আপোনাৰ নিন্দা বচন যেন মোৰ কাণত নপৰে—ইয়াকে আশা কৰোঁ; যেতিয়াই আপোনাৰ নিন্দা বচন শুনি মোৰ অসহনি হয়, তেতিয়াই যেন এই দেহ ত্যাগ কৰিব পাৰোঁ আৰু জন্মান্তৰতো আপোনাকে পতিলাভ কৰোঁ।' (৩) দেৱী দাক্ষায়নীয়ে এনেদৰে শিৱৰ চিন্তি 'নমঃ শিৱায়' বুলি মালাধাৰ মাটিত থৈ প্ৰাৰ্থনা কৰিলে, "হে দেৱ, মহেশ্বৰ, আপুনি সনাতন পুৰুষ; আপুনি মোৰ ভক্তিলভ্য; মাটিত থোৱা এই মালাধাৰীৰ আপোনাক মই বৰণ কৰিলো;—আপুনি মোৰ পতি হওক।" এনেকৈ কৈ থাকোঁতেই দেৱী দাক্ষায়নীয়ে দেখিলে—ভগৱান মহাদেৱে ভূৰ্মিভেদ কৰি, কোটি চন্দ্ৰৰ প্ৰভাৱে মনোহৰ মূৰ্ত্তি ধৰি, সেই মাটিত পেলোৱা মালাধাৰ পিন্ধি ওপৰলৈ উঠিল। (৪) দেৱীয়ে মহাদেৱক দেখি সাদৰে প্ৰণাম কৰিলে। ভগৱান ত্ৰিলোচনে এনেদৰে নিজ ৰূপ দেখুৱাই ঠাইতে আনৰ অগোচৰত অন্তৰ্হিত হল (৫)। সতীয়ে শিৱৰ উদ্দেশ্যে মালা থোৱাত আৰু সেই মালা অদৃশ্য হৈ যোৱাত সভাৰ সকলোৱে তবধ মানিলে। তেতিয়া দক্ষে সতীক কলে,—"সতি! তই শিৱক পতি বৰি কি কাম কৰিলি, তাৰপৰা কি লাভ পালি? তই মোৰ কন্যা, তোৰ কিয় এনে মতি হল? তই ইন্দ্ৰ, অগ্নি, পিতৃপতি, নৈঋত, বৰুণ, বায়ু, কুবেৰ আদি সকলোকে এৰি কিয় শ্মশানশালিৰ ধূলিভস্ম যাৰ ভূষণ, তাক পতিৰূপে আলিঙ্গন কৰিবৰ ইচ্ছা কৰিলি? * * মই ব্ৰহ্মাৰ সৃষ্টিৰ ভিতৰত ৰূপৱন্ত পুৰুষ মাত্ৰকে এই সভালৈ নিমন্ত্ৰণ কৰিলোঁ, কোনো তোৰ চকুত নালাগিল! তই মোৰ সকলো উদ্যম তেনেই নাশ কৰিলি! তই মোৰ কন্যা নোহোৱাই ভাল আছিল। তই মোৰ ঔৰসত জন্মি মোৰ কুললৈ কেলেঙ্কাৰহে আনিলি। মই কেতিয়াবা কিবা তোৰ অপৰাধ কৰিছিলোঁ হবলা, তাৰ বাবে মোৰ মনত এনে কষ্ট দিলি? তই শিৱৰ যোগ্যতাৰ বিষয়ে একো নেজান আৰু নিজৰ আৰু মোৰ সম্মান আদিৰ বিষয়েও একো তু নেপাৱ। সেইহে তই শিৱক পতিত্বে বৰণ কৰি আমাৰ সকলোকে হীন শিৱৰ দৰে কৰি অপমান দিলি। তই জানো মোৰ ঘৰত থকা একাদশ ৰুদ্ৰক দেখা নাই? দিহঁতৰ দৰেই আন এটা ৰুদ্ৰক তই বৰি লৈছ। মোৰ ভাবেৰে তোৰ কোনো দোষ নাই। সেই দুষ্টয়ে গোপনে আহি মন্ত্ৰেৰে কুচুলাই তোক বশীভূত কৰিছে ইয়াত মোৰ সন্দেহ নাই।" এনেকৈ শিৱ নিন্দা কৰা শুনি শ্ৰেষ্ঠ মুনি দধীচিয়ে সভাৰ ভিতৰত দক্ষক কবলৈ ধৰিলে—"হে প্ৰজাপতি! আপুনি সেই পদ্মলোচন শিৱক কি কাৰণে নিন্দা কৰিছে (৭)? আপুনি নেজানেনে, ব্ৰহ্মা, বিষ্ণু, আৰু মহেশ্বৰ, তিনিও জনেই একাত্মক আৰু সনাতন (৮)? আপুনি নিজৰ ভাগ্য নিজে বুজিব পৰা নাই। আপোনাৰ কন্যা সাক্ষাৎ প্ৰকৃতি আৰু শিৱ পৰমপুৰুষ। আপোনাৰ দুৰদৃষ্ট গুণে আপুনি শিৱ কোন, সতী কোন নেজানে; শিৱনিন্দা কৰিবলৈ আপোনাৰ কিয় এনে মতি হল?" দক্ষই কলে,—"মুনি শ্মশান নিবাসী, ভূত-প্ৰেতৰ গৰাকী দিগম্বৰ, বায়ু যাৰ বস্ত্ৰ, বলিয়ালি যাৰ বাক্য, সেই শিৱক মই জানো (১০)। সি গুণহীন ৰূপহীন আৰু বুদ্ধিহীন বুলি জগৎজাননি (১১)। সি মোৰ কন্যাৰ পাণিগ্ৰহণৰ যোগ্য হয় কেনেকৈ"? ব্ৰহ্মাই প্ৰাণীবিলাক সৃষ্টি কৰে, বিষ্ণুৱে পালন কৰে, এয়ে তেখেত দুজনৰ ঐশ্বৰ্য্য বা ঐশ্বৰিক শক্তি, কিন্তু কোৱা শিৱৰ ঐশী শক্তি কি? কেৱল ইয়াকে কব পাৰি শিৱৰ ঐশ্বৰ্য্যৰ ভিতৰত ভিক্ষুকত্ব বা খোজনীয়া-গুণ।" দধীচিয়ে কলে,—"আপুনি ভাবে শিৱ ভিক্ষুক, কিন্তু শিৱক কেতিয়াবা ভিক্ষাৰ্থী হৈ অহা দেখিছেনে? কেৱল লোকপৰম্পৰাই ইটো সিটোৰ মুখৰপৰা এইবোৰ কথা শুনি আপুনি সৰ্ব্বেশ্বৰ শিৱক নিন্দা কৰিছে। জগতত তিনি বিধ লোক দেখা যায়,—উত্তম, মধ্যম আৰু অধম। ইহঁতে নিজৰ দৰে দেৱতাবিলাকো বুলি ভাবে; এইদৰে দেৱতাবিলাকেও গৰ্হিতজনৰ ওচৰত গৰ্হিত ভাব প্ৰকাশ কৰে। কিন্তু আপুনি জানিব, বাস্তৱিকে তেওঁলোক তেনে নহয়। মই সত্যকৈ কৈছো, এই শিৱ সৰ্ব্বশ্ৰেষ্ঠ, এওঁক নিন্দা নকৰিব। যেতিয়াই আপোনাৰ গুণশালিনী কন্যাই এওঁক বৰণ কৰিছে, তেতিয়াই বুজিব যে, শিৱ সৰ্ব্বেশ্বৰ (১২)।" দক্ষই কলে,—"মই শিৱক দেৱদেৱ ৰূপে দেখিলেহে মোৰ মনে পতিয়ন যাব (১৩)। কেৱল মাখো কীৰ্ত্তনত, গুণ দোষ বুজিব পৰা নাযায়"। দধীচিয়ে কলে,—"তেওঁ যেনেকুৱাই হওক সতীয়ে যেতিয়া বৰণ কৰিছে, আপুনি তেওঁক মাতি আনি পূজা কৰি সতীক সম্প্ৰদান কৰোক।" দক্ষই কলে,—"তেনে কাম মোৰ দ্বাৰা নহব; সতী নষ্ট হৈছে, তাই মোৰ কন্যাই নহয়।" এই বুলি কৈ দক্ষ অন্তঃপুৰত সোমাল; নিমন্ত্ৰিত লোক সকলো নিজ নিজ ঠাইলৈ গুচি গল। সতীয়ে শিৱক পতি বৰি সদায় হৰিষ মনেৰে ফুৰিবলৈ ধৰিলে। আনৰ ওচৰত অপমানেই পাওক বা সম্মানেই পাওক, তেওঁৰ ওচৰত সমান বোধ হল।

## দ্বিতীয় আধ্যা

এদিন মহাদেৱে সতীক দেখিবৰ মনেৰে ভিখাৰীৰ বেশ ধৰি দক্ষৰ পুৰীত উপস্থিত হলহি। তেওঁৰ কান্ধত এখন ফটা কঠা,—বতাহ লাগি তাৰপৰা ধূলি উৰিছিল। বাওঁ হাতত এটা মাটিৰ মলা; তাৰ ভিতৰত কেইটামান ধূলি মাকতি মিহলি হোৱা খুদ চাউল; সোঁহাতত এডাল বৰ্মহা লাখুটি—সি ডাল তেওঁৰ জড়া শৰীৰৰ ভৰতে কঁপিছিল। তেওঁৰ গোটেই গাৰ ছাল সোতোৰা সোতুৰি, মূৰটো থৰ থৰ কৈ কঁপা(১৪)

শিৱৰ ভিক্ষুক বেশ।

(১) ৰূপ-ৰত্নাকৰে ৰূপলক্ষ্মীমিৱ সমুত্থিতাম্।
মাল্যহস্তাং ৰত্নপীঠৱৰোপৰি লসত্তৰাম্॥
তাং দৃষ্টা মুমুহুঃ সৰ্ব্বে বাক্যাগোচৰৰূপিণীম্॥
—মধ্য খণ্ড ৩য় অ, ১৩শ শ্লোঃ।

(২) নাগতোঽসীহ যস্মাৎ ত্বং তস্মাত্তে মামুপেক্ষসে। ১৯।

(৩) যদা তে নিন্দনবচো মৎকৰ্ণ গোচৰং ভবেৎ।
তদা দেহং পৰিত্যজ্য লপ্সামি ত্বাং ভবান্তৰে॥২১।

(৪) এৱমুক্তৱতী দেৱী শিৱং ভূমেঃ সমুত্থিতম্।
কণ্ঠালম্বিত তন্মাল্যং দদৰ্শ দক্ষকন্যকা॥২৪।

(৫) আত্মানং দৰ্শয়িত্বা স শিৱো দাক্ষায়নীং তদা।
অগোচৰস্তদান্যেষাং তত্ৰৈৱান্তৰধীয়ত। ২৬।

(৭) কিং নিন্দসি মহেশানং শিৱং ৰাজীবলোচনম্॥ ৩৮।

(৮) ব্ৰহ্মাবিষ্ণুমহেশানাত্মকএব সনাতনঃ।

(৯) জানে শিৱং শ্মশানস্থং ভূতপ্ৰেতগণাধিপম্।
ভিক্ষুকং বায়ুবসনং সদা বিক্ষেপবাদিনম্॥ ৪২।

(১০) গুণহীনং ৰূপহীনং বুদ্ধিহীনং সুবিশ্ৰুতম্।

(১১) কথং মম সুতায়াঃ স যোগ্যঃ পাণিগ্ৰহে ভবেৎ॥ ৪৩।

(১২) তৱ কন্যা গুণৈৰাঢ্যা পতিমেতং যদা বৃণোৎ।
অতএব হি মন্তব্যঃ শিৱঃ সৰ্ব্বেশ্বৰো হৰঃ॥ ৫১।

(১৩) দ্ৰক্ষ্যামি যথ জানীয়াং তদা মে প্ৰত্যয়ো ভবেৎ॥ ৫২।

(১৪) দণ্ডমেকং তথা জীৰ্ণং স্বয়ং জীৰ্ণ কলেবৰঃ।
বলী-পলিত সৰ্ব্বাঙ্গঃ কম্পমান শিৰস্তথা॥
—৪ৰ্থ অঃ—৩শ্লো।

মহাদেৱ সৰ্ব্বস্বৰূপ, তেওঁৰ পক্ষে এনে আকৃতি ধৰা একো বিচিত্ৰ নহয়। তেওঁ তেনে আকৃতিৰে গৈ সতীক সখীয়েকহঁতৰে সৈতে ফুৰা দেখা পালেগৈ। তেতিয়া তেওঁ ওচৰ চাপি সখীয়েকহঁতক সুধিলে,—"তোমালোক কোন? আগত যাক সোণৰ দীপলিপ্ প্ৰতিমাটীৰ দৰে দেখিছোঁ সেই সুন্দৰী বা কোন? কি কাৰণে এওঁ পুৰদেৱীৰ দৰে যেনে ইচ্ছা ভ্ৰমি ফুৰিছে (১৫)?" তেতিয়া সখীয়েকহঁতে কলে,—"বুঢ়া, তুমি কি সুধিছা? তুমি নাজানা হবলা, এওঁ প্ৰজাপতিৰ কন্যা;—এওঁৰ নাম সতী। মহাবুদ্ধি প্ৰজাপতিয়ে জীয়েকৰ এনে ৰূপ-লাৱণ্য দেখি, স্বয়ংবৰ সভা পাতি সকলো দেৱতাকে নিমন্ত্ৰণ কৰিছিল; কিন্তু সতীয়ে সভালৈ অহা সকলো দেৱতাকে এৰি বৰণ মালাৰে শিৱকহে পতি বৰিছে। অযোগ্য পতি বৰিছে বুলি পিতাক এওঁৰ ওপৰত নাৰাজ আৰু তেখেতৰ মনতো দুখ। প্ৰজাপতিৰ আদৰৰ কন্যা হলেও এওঁ তেখেতৰ আদৰৰপৰা বঞ্চিত হৈছে; কিন্তু এওঁক হলে আমি ক্ষন্তেকলৈকো মনত দুখ কৰা নেদেখোঁ। এওঁ নিজক কৃতাৰ্থ ভাবি সদায় নিজৰ সুখতে বিভোৰ। এওঁৰ এনেবোৰ আবৰণ দেখি পিতৃ মাতৃ দুয়োজনাৰ মনত সুখ নাই। এটা কথা, এওঁ শিৱক বৰি শিৱপত্নী হলেও এতিয়ালৈকে তেওঁৰ সাক্ষাতকে পোৱা নাই।" শম্ভুৱে সখীয়েকহঁতৰ কথা শুনি কলে,—"এৰা এইটো বৰ দুখৰ কথা! সতীয়ে পৰোক্ষে শিৱক পতি বৰণ কৰিছে অথচ সিফালে শিৱই এনে স্ত্ৰীৰত্ন পায়ো স্মৰণকে নকৰাত পৰিছে (১৬)! আৰু এই ছোৱালীবো দুৰ্ভাগ্য বুলিব লাগে, তেওঁ সকলো দেৱতাক অৱহেলা কৰি শম্ভুক বৰণ কৰিব পায়নে? যি হওক, এতিয়া যদি তোমালোকে অনুমতি কৰা তেনেহলে ময়ে শিৱ হৈ এওঁক গ্ৰহণ কৰিব পাৰো (১৭)। শিৱৰ তিৰোতাৰ কি দৰ্কাৰ?" সখীয়েকহঁতে শুনি আচৰিত মানিলে আৰু কলে,—"বুঢ়া, তুমি মূৰ্খ নহলেনো এনে কথা কৰা কিয়? যি সকলো দেৱতাকে পৰিত্যাগ কৰিছে, তেওঁ তোমাক আশ্ৰয় দিবনে? তুমি মগনীয়া, তোমাৰ সকলো ইন্দ্ৰিয় জীৰ্ণ হৈছে আ[ৰু] শৰীৰো শুকান! তোমাৰ কথা শুনি তোমাক মুমূৰ্ষ অৰ্থাৎ মৰণ কামী বুলিয়ে বোধ হৈছে। যদি জীয়াই থাকিবলৈ ইচ্ছা কৰা, তেনেহলে ইয়াৰপৰা আঁতৰি যোৱাঁ (১৯)।" এই কথা ৰত্নমুখী নামে সখীয়েকে কৈছিল। তেতিয়া নীলকুন্তলা নামে সখীয়েকে বাৰণ কৰি কবলৈ ধৰিলে,"সখি ৰত্নমুখি! এই বুঢ়া মোৰ মতে সামান্য নহয়, এওঁক মোৰ সাক্ষাৎ শিৱ বুলিয়েই বোধ হৈছে। মূৰ্খই এওঁক চিনি নোৱাৰে। সখি! বাৰু চোৱাচোন, সতীয়ে একেথৰে ভিখাৰীৰ মুখলৈ কেনেকৈ চাই আছে? দেৱতাসকল[ৰ] চৰিত্ৰ বুজা টান; পণ্ডিত জনো তেওঁলোকৰ মায়াত মু[গ্ধ] হয়।" ৰত্নমুখীয়ে কলে,—"সতীও যেনে, তুমিও তেনে; তোমালোক দুজনৰে মতি ভিন নহয়। এওঁ বুঢ়া মহেশ্ব[ৰেই] হওক বা আন কোনোবাই হওক তাত আমাৰ লাভ-লোকচান কি?" নীলকুন্তলাই কলে,—"মই এওঁক বিশ্বেশ্বৰ সনাতন শিৱ বুলিয়েই জানিব পাৰিছোঁ। তুমি এই বিষয়ে অপণ্ডিত অৰ্থাৎ মূৰ্খ; আৰু দক্ষও অতি মূৰ্খ; তেওঁ অনতিপলমে শিৱ নিন্দাৰ ফল ভোগ কৰিব। এই দক্ষকন্যা সতী সকলো গুণেৰে ভৰা, এওঁ অসন্ত পতিৰ হাতত পৰা বুলি অনুমান কৰানে (২০)? এই বিষয়ে যেয়ে যি ভাবক, মই শিৱ স্থিৰকৈ বুজিছো, ইন্দ্ৰাদি লোকপালসকলে যাৰ পাদ-পদ্ম সেৱা কৰে, সেই অলক্ষ্যস্বৰূপ ভগৱান মহেশ্বৰেই এওঁৰ পতি হৈছে।"

ৰত্নমুখীয়ে কলে,—"হেৰা নীলকুন্তলে, তুমি মহামূৰ্খ, গৰুৰ বুদ্ধিয়েই তোমাৰ বুদ্ধি; তুমি আৰু বেছি কথা নকবা। তুমি যেনে শিৱ ভক্তি দেখাইছা, তুমি বৃষভ হোৱাই উচিত যাৰ ওপৰত উঠি মহাদেৱ ভ্ৰমিব পাৰিব।"

তেতিয়া নীলকুন্তলাই কলে,—"বাৰু, সেয়ে হব, ইয়াতকৈ আৰু বেছি ভাগ্য কি হব পাৰে? মই তেতিয়া শিৱ আৰু শিৱাক যেতিয়াই তেতিয়াই যেনে [ই]চ্ছা তেনেকৈ চাব পাৰিম (২১)।" এই কথা কৈ [নী]লকুন্তলাই বৃষভ ৰূপ ধৰিলে আৰু মহাদেৱেও তৎক্ষণাৎ [নি]জ ৰূপ ধৰি সেই বৃষভৰ ওপৰত উঠিলহি। সেই [সম]য়ত আকাশত জয়ধ্বনি হল আৰু পুষ্পবৃষ্টি হব [ধ]ৰিলে। তেতিয়া দক্ষৰ পুৰীৰ ভিতৰত 'সতীপতি [আ]হিছে' বুলি কোঢ়াল লাগিল (২২)। কিন্তু মহেশ্বৰ [তা]ৰপৰা আঁতৰি অন্তৰ্দ্ধান হল। তেতিয়া পৰস্পৰে 'শম্ভু [ক]ত, শম্ভু ক'লৈ গল, কলৈ আহিছিল' ইত্যাদি সোধাপোছা [ক]ৰিবলৈ ধৰিলে। কোনোৱে কলে 'শম্ভু এতিয়াই বৃষভত [উ]ঠি ইয়ালৈ আহিছিল' কোনোৱে কলে—'অমুকৰ ঘৰত [শ]ম্ভু আছে বুলি শুনিছো' সকলোৱে বিচৰাত লাগিল, [কি]ন্তু কোনেও তেওঁক দেখা নেপালে। নন্দী নামে তৰ্কত [প]ণ্ডিত কোনো এজনে চাৰিও দিশে বিচাৰি নগৰৰ নিজানত [থি]য়াইত মহাদেৱক বুঢ়া বেশ ধৰি থকা দেখিলেগৈ। [আ]ৰু দেখিলে, তেওঁ বৰ দুৰ্ব্বল, ক্ষীণ, ভোকে পিয়াহে [প্ৰা]ণ-কাল দি শান্তভাৱে শুই আছে। তেওঁৰ শুকুলা [চুলি]বোৰ ওচৰতে চৰিব লাগিছে। বুদ্ধিমান নন্দীয়ে তেওঁক [মহে]শ্বৰ বুলি থিৰ কৰিলে আৰু কাষ চাপি 'নমো মহেশায়' [বু]লি সেৱা কৰিলে (২৩)। বুঢ়াই কলে,—"তুমি মোক কিয় [ম]হেশায়' বুলি নমস্কাৰ কৰিছাহি? মই লোকজনৰ [উ]পদ্ৰৱ সহিব নোৱাৰি এই নিজানত আছোহি। মোক [বি]চৰাৰ তোমাৰ আৱশ্যক কি?" নন্দীয়ে কলে,—"আপুনি [বু]ঢ়া বেশ ধৰি থাকিলেও মই আপোনাক সাক্ষাৎ মহেশ্বৰ [বু]লি চিনিব পাৰিছো। আপুনি বুঢ়াৰ বেশ ধৰি কি কাৰণে [ম]োক ভুৱা দিছে? মই দক্ষৰ অনুচৰ, মোৰ নাম নন্দী, [ম]ৰীচিৰ শিষ্য; মই তেখেতৰ ওচৰতে আপোনাৰ প্ৰভাৱ [জা]নিব পাৰিছোঁ।" বুঢ়াই কলে,—"বাৰু কোৱাচোন, [কি] প্ৰমাণেৰে মোক শিৱ বুলি বোধ কৰিছা, আৰু মোক [বি]চাৰিবৰ নিমিত্তে কিয় তোমাৰ এনে মতি হল (২৪)?" নন্দীয়ে কলে,—"আপুনি দাক্ষায়নীপতি সাক্ষাৎ শিৱ, বুঢ়া বেশ ধৰি ইয়ালৈ আহিছে, ইয়াক মই আপুনি দিয়া বুদ্ধি বলেৰেই জানিব পাৰিছোঁ।" নন্দীৰ এই কথা শুনি শিৱই বুঢ়াৰ বেশ এৰি নিজে কোটি চন্দ্ৰৰ সদৃশ ৰূপ ধৰি বৃষভত শোভা পাবলৈ ধৰিলে। তেতিয়া নন্দীয়ে স্তুতি কৰিবলৈ ধৰিলে,—"হে ত্ৰিলোচন, আপুনি ভাস্বৰ মূৰ্ত্তি ধাৰণ কৰিছে, আপোনাৰ শৰীৰৰ জেউতিয়ে শ-শ চন্দ্ৰকান্তিকো চেৰ পেলাইছে। আপুনি ত্ৰিগুণধাৰী, যোগীসকলৰ ভিতৰত শ্ৰেষ্ঠ আৰু সতীপতি; আপুনি ধৰাধৰশায়ী, আৰু জগতৰ কৰ্ত্তা আৰু সংহাৰক, আপোনাক নমস্কাৰ কৰোঁ। আপুনি প্ৰকৃতিৰপৰা উৎপন্ন ত্ৰিগুণধাৰী। স্বয়ম্ভুকে আদি কৰি সকলো প্ৰকৃতিৰ বশ; কিন্তু আপুনি সেই প্ৰকৃতিকো বশ কৰিছে। যেহেতু প্ৰকৃতিৰূপিণী সতীয়ে আপোনাকে বিচাৰিছে (২৫)। আপুনি জীৱাত্মা আৰু পৰমাত্মা স্বৰূপ! আপুনি স্বয়ম্ভু, শেষ ৰূপী, শিৱ, হৰ, সনাতন, মহেশ্বৰ আৰু পুৰাণ পুৰুষ। আপোনাক প্ৰণাম কৰোঁ। হে সতীপতি, মই আপোনাক আশ্ৰয় কৰি সদায় আপোনাৰ সমীপতে থাকিম এই বাঞ্চা কৰি ইয়ালৈ আহিছোঁ। আপুনি মোৰ প্ৰতি প্ৰসন্ন হওক।" মহাদেৱে কলে,—"যদি তোমাৰ এনে মতি হৈছে, তেনেহলে তোমাৰ ইচ্ছা পূৰ্ণ হওক। এতিয়া মই দক্ষকন্যাক বিচাৰি যাওঁ, তেওঁ মোক বৰণ কৰিছে। তেওঁত বিনে ক্ষন্তেক সময়ো মই থিৰেৰে থাকিব নোৱাৰোঁ।" নন্দীয়ে তেখেতৰ লগতে যাবলৈ প্ৰাৰ্থনা কৰিলে। শিৱ সন্মত হোৱাত দুয়োজনে বামুণৰ বেশ ধৰি সতীক বিচাৰি গল।

### ৩য় আধ্যা

ভূতনাথ ভগৱান মহাদেৱে ব্ৰাহ্মণৰ বেশে নন্দীক লগত লৈ দক্ষৰ পুৰীৰ ওচৰত উপবন এখনত উপস্থিত হলগৈ। তাত তেওঁ দেখিলে, উপবনখনি অতি মনোৰম, ঠায়ে ঠায়ে তপস্বীদিয়েকৰ আশ্ৰম। তালৈ সতীক দেখিবৰ ইচ্ছাৰেই গৈছিল।

সতী হৰণ

অলপ পৰ ইফালে সিফালে চাই থাকোঁতেই শিৱপ্ৰিয়া

(১৫) পুৰদেৱীৱ দৃশ্যতে ভ্ৰমন্তীৱ যদৃচ্ছয়া ॥৬
(১৬) এতাদৃশীং স্ত্ৰিয়ং প্ৰাপ্য নৈতাং স্মৰত্যসৌ কথম্। ১১
(১৭) অহমেতাং শিৱো ভূত্বা গৃহ্ণামি যদি মন্যথ ॥ ১২
(১৮) যা দেবান্ পৰিত্যজ্য সা কিং ত্বামভিযাস্যতি ॥ ১৫
(১৯) মুমূৰ্ষোৰিৱ তে বাক্যং গচ্ছ দূৰং জিজীবিষুঃ ॥ ১৬
(২০) অসৌ সতী দক্ষকন্যা আঢ্যা সৰ্ব্বগুণৈৰপি ॥ ২২।
কিমসন্তং পতিং মূৰ্খে কৰিষ্যত্যনুমন্যসে ॥
(২১) শিৱং শিৱাঞ্চ সততং দ্ৰক্ষ্যাম্যেৱ যথেচ্ছয়া ॥২৬
(২২) সতীপতিঃ সমায়াত ইতি কোলাহলোঽভৱৎ ॥২৮
(২৩) প্ৰণনাম মহেশায় তস্মৈ জীৰ্ণায় ৰূপিণে ॥৩১
(২৪) অহং কেন প্ৰমাণেন শিৱো জ্ঞাতস্ত্বয়া বদ।
কীদৃক্ তে মতিৰুৎপন্না মামন্বেষ্টুং মহামতে ॥৩৭
(২৫) ত্বয়া পুনৰ্ব্বশীকৃতং প্ৰধানমেৱসৰ্ব্বথা।
যতঃ প্ৰধানৰূপিণী সতী ভৱন্তমীহতে ॥৪৩

সতী সাতজনী সখীয়েকৰ মাজত সোমাই ফুৰিবলৈ আহি চাৰিওদিশ চাব ধৰিলে। ভগৱান ভূতনাথে সতীক সখীয়েকইতৰ লগত হাঁহি-ধেমালিকৈ ফুৰা দেখি নিজে আন কথালৈ মন কৰাৰ দৰে কেতিয়াবা বেদমন্ত্ৰ পাঠ, কেতিয়াবা বিষ্ণুনাম গান কৰিবলৈ ধৰিলে। ইফালে দাক্ষায়নী সতীৰ নয়ন দুটি সখীয়েকইতৰ কাষৰপৰা সেই বিপ্ৰৰূপী মহেশ্বৰৰ ফাললৈ লৰিল। তেওঁ দেখিলে, এজন মহাতেজস্বী ব্ৰাহ্মণ বহি আছে ; তেওঁৰে কাষতে আন এজনে হাতত ফুলৰ কৰণী লৈ থিয় হৈ আছে। ব্ৰাহ্মণজনৰ কপালত উৰ্দ্ধপুণ্ড ৰেখা, মৃত্তিকাৰ তিলক, গলত শুক্ল যজ্ঞসূত্ৰ আৰু উত্তৰীয়। সতীয়ে তেওঁক প্ৰণাম কৰা উচিত ভাবি তেওঁৰ ওচৰলৈ গল। উপবনৰ মুনিসকলে তেওঁলোক দুয়োজনাৰ ভাব লক্ষ্য কৰিবলৈ ধৰিলে। যেতিয়া সতীয়ে গৈ সেৱা কৰিলে, তেতিয়া শিৱৰূপী বিপ্ৰই নিজ মূৰ্ত্তি ধৰি প্ৰণতা সতীক দুই বাহুৰে আকোৱালি মাটিৰপৰা তুলি কোলাত লৈ আকাশ পথেদি যাবলৈ ধৰিলে (২৬) এইৰূপে সতী হৰণ কৰা বাতৰি শুনা মাত্ৰকে অন্তঃপুৰত মহা হাহাকাৰ লাগি গল। সকলোৱে ওপৰলৈ চালে,—দেখিলে যে মহাদেৱে দক্ষ কন্যাক বাওঁ উৰুত বহুৱাই, বাওঁ বাহুৰে তেওঁক সাবটি ধৰি উত্তৰৰ ফালে যাব লাগিছে ; শম্ভু আৰু সতীৰ শৰীৰৰ জ্যোতিৰে আকাশ পৰিপূৰ্ণ হৈছে ; শিৱৰ কোটিচন্দ্ৰ নিন্দিত শুভ্ৰ-জ্যোতি তাৰ লগত দাক্ষায়নীৰ অঙ্গচ্ছবি মিলি প্ৰজ্জ্বলিত সোণৰ দৰে এক অপূৰ্ব্ব শোভা ধাৰণ কৰিছে ; তাক দেখি সকলোৱে বিস্ময় মানিলে। প্ৰজাপতি দক্ষেও সতীৰ আৰু শম্ভুৰ শৰীৰৰ কান্তি দেখি বিস্মিত হল। তেওঁ যিফালেই চাইছিল সেইফালেই সতীৰ ৰূপকেহে দেখিছিল (২৭)। চাওঁতে চাওঁতে সেই প্ৰভাময়ী মূৰ্ত্তি দৃষ্টিৰ বহিৰ্ভূত হৈ আকাশত লীন হৈ গল। তেতিয়া দক্ষে নিজৰ দিব্যজ্ঞান হেৰুৱাই বিলাপ কৰিবলৈ ধৰিলে। * * "হা বাছা সতি ! হা কন্যা, তুমি মোক কিয় পৰিত্যাগ কৰি গলা ? পূৰ্ব্বজন্মৰ কি দুষ্কৰ্ম্মৰ ফলত এনে অযোগ্য পতিৰ হাতত পৰিলা ?" প্ৰজাপতিয়ে এনেকৈ বিলাপ কৰি থাকোতে মহামুনি দধীচি তাত আহি ওলালহি আৰু প্ৰজাপতিক কবলৈ ধৰিলে,—"প্ৰজানাথ, আপুনি পণ্ডিত হৈয়ো মূৰ্খৰ দৰে কি কন্দা-কটাৰন লগাইছে, আপুনি আকাশ, পৃথিবী, জল, বৃক্ষাদি, পশু-পক্ষী, স্ত্ৰী-পুৰুষ সকলোতে শিৱময় আৰু সতীময় দেখিও কি আচৰিত আপোনাৰ মনৰ ভ্ৰম নগুচিল ! মই জানিছোঁ আপোনাক দুৰ্বুদ্ধিয়ে পাইছে। আপুনি যেতিয়ালৈকে শিৱ নিন্দাৰ প্ৰতিফল নেপাব, তেতিয়ালৈকে আপোনাৰ এই দুৰ্বুদ্ধি নুগুচে, মহাদেৱ আৰু সতীৰ মাহাত্ম্য নুবুজে। বিধাতাই আপোনাক নিশ্চয় বঞ্চিত কৰিছে, নচেৎ আপুনি সদায় চুকি পোৱা বক্ষস্থলৰ ৰত্নস্বৰূপ পৰমব্ৰহ্ম বস্তুক উপেক্ষা কৰিব কিয় ? এতিয়াও যদি মঙ্গল ইচ্ছা কৰে তেনেহলে মোৰ কথা শুনক আৰু তেনেদৰে আচৰণ কৰক। সতী প্ৰকৃতি ৰূপিণী আৰু শিৱ পুৰুষ-ৰূপী, তেওঁলোকক হৃদয়ত ধ্যান কৰক। দক্ষাই শুনি কলে, মোৰ কন্যা সতী প্ৰকৃতি ৰূপিণী এই কথা সঁচা আৰু শিৱ যে পুৰাণ পুৰুষ এই কথাও হব পাৰে, কিয়নো তোমালোক সত্যবাদী; কিন্তু তথাপিও যে মোৰ মনত শিৱ পৰম দেৱতা বুলি বোধ নহয়। ঋষিসকলক সত্যবাদী জানিও যে শিৱৰ প্ৰতি মোৰ এনে অসূয়া ভাব নুগুচে তাৰ কাৰণ শুনা। পূৰ্ব্বে ব্ৰহ্মাৰ ক্ৰোধৰপৰা শিৱঅংশে একাদশ ৰুদ্ৰৰ জন্ম হয়। সিহঁতে ব্ৰহ্মাৰ সৃষ্টি লোপ কৰিবৰ অভিপ্ৰায়ে নিজে প্ৰজা সৃষ্টি কৰিব ধৰিলে। তাকে দেখি ব্ৰহ্মাই প্ৰজা আদেশ শুনাই সিহঁতৰ প্ৰজা সৃষ্টি বন্ধ কৰে আৰু মোৰ একাদশ ৰুদ্ৰক মোৰ তত্বাৱধানত ৰাখিবলৈ দিয়ে। সিহঁতে মোৰ ঘৰত আজিও ভৃত্যৰ দৰে মোৰ আজ্ঞা পালি আছে। সিহঁত যাৰ অংশত জন্ম, তাৰ হাতত আকৌ মই কেনেকৈ মোৰ কন্যাদান কৰোঁ ? তোমালোকে জানা সৎপাত্ৰত কন্যা সম্প্ৰদান কৰিলেহে কুলৰ যশস্যা হয়। এতেকে সমৰ্থজনে সৎকুলৰ সৎপাত্ৰতহে কন্যাদান কৰিবলৈ যত্নৱান হোৱা হিতকৰ। এইবোৰ কাৰণে মই সতীৰ অভিপ্ৰায় বুজিও সতীৰ স্বয়ংবৰত ৰুদ্ৰেশ্বৰ শিৱক আমন্ত্ৰণ কৰা নাছিলোঁ। এতিয়াও মোৰ অভিপ্ৰায় ... ৰুদ্ৰবিলাক মোৰ বশ থকাত মোৰ শিৱ-বিদ্বেষ নুগুচে, সিহঁতে যদি মোক অতিক্ৰম কৰি শিৱৰ লগত মিলিব পাৰে, তেনেহলেহে সিহঁতৰ আৰু শিৱৰ প্ৰভাব বুজিব পাৰিম আৰু তেতিয়াহে মহাদেৱ মোৰ পূজ্য হব পাৰে, নচেৎ নহয়।" এই বুলি প্ৰজাপতি দধীচিক প্ৰণাম কৰি ঘৰ সোমাল আৰু দধীচিও নিজ আশ্ৰমলৈ গুচি গল। নন্দী দক্ষৰ পুৰীতে ৰল।

(২৬) পাণিভ্যাং ভূমেৰুত্থাপ্য ক্ৰোড়ে কৃত্বা সমুদ্যযৌ।
(২৭) সৰ্ব্বাএৱ স্ত্ৰিয়োদক্ষঃ সতীৰূপাব্যলোকয়ৎ ॥১১।

---

# হাজোৰ নটী

কবিতা—

—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ

[ ১ ]

হয়াসুৰ বধ কৰি হয়গ্ৰীৱ-মাধৱ তোমাৰ
লাগিছিল যেতিয়া ভাগৰ
কোন সেই দেৱ-নটী ভাগাৰতী পালে অধিকাৰ
তুলি লব হাতত চোৱৰ ?

[ ২ ]

লয়লাসে নাচি-নাচি খোজে খোজে পদুম ফুলাই
মন্দিৰৰ পুণ্য প্ৰাঙ্গনত—
কত সুৰে, কত ছন্দে, দেৱতাক ৰাখিলা ভুলাই
নটী তুমি মোহন নৃত্যত।

[ ৩ ]

অলিল সহস্ৰ বত্তি ডবা কাঁহ বাজিল তেতিয়া
আৰতিৰ হল শঙ্খধ্বনি—
নেপূৰৰ কণ জুন্ তালে তালে তুলিলা তেতিয়া
পাষাণৰ পৰাণকো জিনি।

[ ৪ ]

মাধৱৰ মন্দিৰত নৃত্য-গীত দেখি মহা-মেলা
নন্দনৰ আনন্দৰ হাট—
কেদাৰৰ—বুঢ়া গাতো, যৌৱনৰ বিজুলীৰ খেলা
তাতো নটী, মেলিছিলা নাট।

[ ৫ ]

সেই হাজো অতীজৰ হয়গ্ৰীৱ-মাধৱৰ স্থান
তেতিয়া যে নন্দন কানন,
কত কবি আঁকি ছবি গাইছিল তোমাৰেই গান
উঠিছিল প্ৰাণত স্পন্দন।

[ ৬ ]

শুনিছিল কাণ পাতি কত জন শিল্পী ধনিকৰে
বিম্বাধৰে বজালে বাজনা—
তুমি যে হাজোৰ নটী লয়লাস চৰণৰ গতি
নেপূৰত সুৰ-সংযোজনা।

[ ৭ ]

মৃদঙ্গৰ চেৱে চেৱে উন্মাদিনী ব্ৰজাঙ্গনা প্ৰায়
গাইছিলা মাধৱ-বন্দনা
নটৰাজ পালে লাজ, শৰীৰৰ অপূৰ্ব্ব ভঙ্গীত
ভক্তি-অৰ্ঘ্য কৰিলা ৰচনা।

[ ৮ ]

শুনি সেই কল-গীত সুললিত বীণাৰ ঝঙ্কাৰ
চৰণৰ নেপূৰৰ ধ্বনি—
মাধৱৰ সন্মুখত নৱ ভাৱে হল সঞ্চাৰিত
ছয় ৰাগ ছত্ৰিশ ৰাগিণী।

[ ৯ ]

এই দৰে কত দিন, কত যুগ, কত যুগান্তৰ
হে উৰ্ব্বশী-ৰম্ভা-তিলোত্তমা,
পৰিহৰি সুৰালয় মাধৱৰ সেৱাদাসী হই
সাজিছিলা মৰ্ত্ত্য-মনোৰমা।

[ ১০ ]

অকস্মাতে আজি বাৰু এনে কিনো ঘটিল বিপ্লৱ
নটী তুমি কলই পলালা ?
শূন্য কৰি পুণ্য স্থান শেষ কৰি সৌন্দৰ্য্য-সাধনা
জোনাবাই মেঘত লুকালা।

[ ১১ ]

ছিন্ন তাঁৰ জীৰ্ণ বীণা, অসমৰ দেৱ-মন্দিৰত
দেৱনটী তুমি আজি নাই,
নোহে মাতৃ হাস্যময়ী স্বাধীনতা মহিমা-মণ্ডিতা
ঢাকি ধৰি আছে ম্লানিমাই।

[ ১২ ]

সেই হাজো হয়গ্ৰীৱ টোপনিত লাগকাল হই
নীৰৱাত আছে অকলই ;
ঢুলু ঢুলু কেদাৰেও কুলু কুলু জাহ্নবী-ধ্বনিত
মত্ত হই আছে কত গই ?

[ ১৩ ]

ছন্দৰ হিল্লোল নাই, নাই আজি নৃত্যৰ কল্লোল
প্ৰকৃতিৰ গভীৰ মূৰতি ;
ভাবময়ী ছন্দময়ী সুৰময়ী সেই সুৰবালা
অন্তৰ্হিতা জ্যোতিৰ্ম্ময়ী নটী !

[ ১৪ ]

নটী বুলিলেই আজি ভাহি উঠে অতি কদাকাৰ
প্ৰেত-মূৰ্ত্তি তীব্ৰ লালসাৰ ;
নন্দনৰ গীতি-ছন্দ ক'ত নৃত্য মন্দাৰ কুঞ্জৰ ?
—ইমানেই পতন আমাৰ।

[ ১৫ ]

যতমানে তীৰ্থস্থান আছে আজি ভাৰত ভূমিত
একোখনি ব্যৰ্থতাৰ হাট,
পৈশাচিক বধ্যভূমি আৱৰ্জ্জনা কলুষেৰে ভৰা
দেৱতা যে নাই হায় তাত !

[ ১৬ ]

পাতিছে ধৰ্ম্মৰ বেহা জন্ম-স্বত্ব আভিজাত্য লই
উচ্চ-নীচ কত ব্যৱধান ;—
ব্যঙ্গতাৰ ৰঙ্গপীঠ সমূলঞ্চে কৰি বিসৰ্জ্জন
কলা-লক্ষ্মী হল অন্তৰ্দ্ধান !

[ ১৭ ]

দেখা পাই তুমি নটী, মানুহৰ ভাগ্য-বিপৰ্য্যয়
এনে এটি মাহেন্দ্ৰ সুযোগ
শাপভ্ৰষ্টা স্বৰ্গভ্ৰষ্টা, জয়যুক্তা শাপমুক্তা হই
পালা পুনু স্বৰ্গ-সুখ-ভোগ !

[ ১৮ ]

তুমি-নটী পুণ্যৱতী দেৱতাৰ হৃদয়ৰ জ্যোতি
মাধৱৰ চৰণ সেৱিকা,
কল্পনা-বিমান লই অতীতৰ কুলনিত গই
দেখা পালো তোমাক প্ৰেমিকা।

[ ১৯ ]

এক গান এক ধ্যান, মাধৱত একান্ত ভকতি
ধন্য প্ৰেম সাধনা তোমাৰ—
নাচি থাকা, গাই থাকা, অয়ি নটী অমৰ বন্দিত
ভক্তি-ভৰা লোৱা নমস্কাৰ।





# আত্মহত্যা

—শ্ৰীযুত পদ্মেশ্বৰ বৰঠাকুৰ বি-এ

গাৱঁতে ডাঙৰ দীঘল হৈ গাৱঁলীয়া স্কুলৰপৰাই
ট্ৰিকুলেশ্বন পৰীক্ষা 'পাছ' কৰি যেতিয়া গুৱাহাটী চহৰৰ
কহমক কলেজত ভৰ্ত্তি হলোগৈ, তেতিয়া এক নতুন
ৌন্দৰ্য্যৰ ভাবে মোক মতলীয়া কৰি তুলিলে। চহৰৰ
িছগ আলোক, ডাঙৰ ডাঙৰ ঘৰবিলাক, পৰিষ্কাৰ-
িচ্ছন্ন আলি-পদূলি, বিলাসৰ সামগ্ৰীপূৰ্ণ দোকান
াহৰৰ মনোমুগ্ধকৰ সাজ-সজ্জা, থিয়েটাৰ, বায়স্কোপ,
াৰ্চাচৰ নয়নৰঞ্জক দৃশ্যই প্ৰাণত অদ্ভুত পুলকৰ সঞ্চাৰ
ৰিলে আৰু মনত অনন্ত সুখৰ সোঁত বোৱাই দিলে।
, ৰস, গন্ধ, শব্দ, স্পৰ্শৰ মত্ততাই মোৰ শৰীৰ মনত এক
ভাৱনীয় পৰিৱৰ্ত্তন আনিলে। পৃথিবীৰ বাস্তৱ সৌন্দৰ্য্যৰ
তিমূৰ্ত্তি প্ৰথম চকুত পৰিলত এক সোণৰ সংসাৰ সৃষ্টি
ি মই মোৰ প্ৰাণ মন আকুল সমুদ্ৰত পাৰি দিলো।
কৃতিৰ সূক্ষ্মাতিসূক্ষ্ম দৃশ্যই মোৰ মনত অপূৰ্ব্ব আনন্দৰ
াৰ কৰিব পৰা হল। জগতৰ অতি ক্ষুদ্ৰ ধূলিকণা
োটাতো মই গোন্ধৰ সঁকুৰা, সৌন্দৰ্য্যৰ আকৰ দেখা
ালো। কুলিৰ 'কুউ'তান, কেতেকীৰ 'অ'কেতেকী' ৰব
ংলোৱেই মোৰ প্ৰাণত প্ৰেমৰ, আনন্দৰ অনুভূতি প্ৰদান
ি গল। ফাগুন মাহৰ ৰিব ৰিব কৈ বলা বতাহ ছাটিয়ে
তিয়া মন-প্ৰাণ শীতল কৰি নিয়ে, তেতিয়া মই উদাস
িৰে ওপৰৰ ফালে চাই থাকো। ভাবো এই বা ছাটিয়ে
য়াৰ বাতৰি কিবা আনিছেনে কি ? ক'ত আছে সেই
য়া! তাৰ পিছত আৰু বহুত কথা!—আগগুৰি
াহোঁৱা শৃঙ্খলাহীন! লগে লগে সেই অজানা প্ৰিয়াৰ
চকুযুৰি, কিটকিটীয়া চুলিটাৰি, বিম্বফলৰ দৰে ওঁঠ
ি কথা কল্পনা কৰি থাকোতে বিপুল আনন্দই মোক
া কৰি পেলায়। কব নোৱাৰো কত সময় এইদৰে
পাৰ হৈ যায়। আহাৰ মহীয়া যেতিয়া অকলশৰে ওপৰলৈ উঠা ডাৱৰ এছটা দেখা পাওঁ, তেতিয়া মনত পৰে 'মেঘ-দূত'ৰ বিৰহী যক্ষৰ কথা। সচাকৈয়ে ডাৱৰৰ আগতো প্ৰিয়ালৈ বাতৰি পঠাব পাৰিনেকি ? তাৰ পিছত অনেক কল্পনা, অনেক পৰিকল্পনা, অনেক ভাবনা। ভাদ মহীয়া পানীৰ ভৰত উচলি পৰা ব্ৰহ্মপুত্ৰৰ দোকোলটকা অৱস্থা দেখা পালে, মনত পৰে যৌৱনৰ ভৰত উচলি পৰা যুৱতী প্ৰেয়সীৰ ৰূপ মাধুৰী।—এনেকুৱা আৰু অনেক। সচাকৈ কবলৈ গলে গুৱাহাটী পায়েই মোৰ প্ৰাণ-মনৰ অদ্ভুত পৰিৱৰ্ত্তন হল। প্ৰাণৰ অনুভূতি যেন অতদিন কিহবাৰ হেঁচাত কেনিও বাট নাপাই তাপ মাৰি আছিল! এতিয়া নতুন সংসাৰৰ সাৰ-জাৰৰ পাই চাৰিওফালে ঠাল-ঠেঙুলি মেলি দপদপকৈ বাঢ়ি আহিছে। মন তেতিয়া প্ৰিয়জনক বিচাৰি আকুল, হৃদয় আপোনজনক সামৰি লবলৈ উদ্‌গ্ৰীৱ।

শৰীৰ-মন-প্ৰাণৰ যেতিয়া এনেকুৱা অৱস্থা, তেতিয়া বাহ্যিক পৰিৱৰ্ত্তনো অৱশ্যম্ভাবী। মোৰ আগৰ পোছাক পৰিচ্ছদ কৰবালৈ গল। আগৰ সাধাৰণভাৱে পিন্ধা চুৰিয়া আৰু কামিজৰ পৰিৱৰ্ত্তে এতিয়া হল 'ফৰিঙ্গ' লগাই পিন্ধা ধক্ ধক্ কৰে বগা ধুতি, পাটৰ কামিজ বা কুৰ্ত্তা। ভৰিত সদায় বুকজ কৰা চিক্‌চিকাই থকা 'পাম্প শু'। চুলিত ত্ৰিলিয়েণ্টাইনৰ সুগন্ধ। জেপত 'ছিল্ক'ৰ কমাল—হাতত 'ৰিষ্ট ৱাচ্চ'। মোৰ পিতাৰ ধনৰ অভাৱ নাছিল। একমাত্ৰ সন্তান মই যেতিয়া উচ্চ শিক্ষা কৰিবলৈ গৈছো, মোৰ ওপৰত কত আশা, কত ভৰসা—মোৰ কাৰণে খৰচ কৰিবলৈ কুণ্ঠিত হব কিয় ? ঘৰলৈ মাত্ৰ 'ফৰ্ম্মাছ'হে দিব লাগে। এই মাহৰপৰা ফীজ দহ

টকাকৈ দিয়াৰ নিয়ম কৰিছে, অহা মাহৰপৰা 'ছীট্‌ৰেণ্ট' মাহে চাৰি টকাকৈ দিয়াৰ হুকুম হৈছে ইত্যাদি প্ৰবঞ্চনাৰো অন্ত নাই। গতিকে ভোগ বিলাসৰ সামগ্ৰীত খৰচ কৰিবলৈ অৰ্থৰ অনাটন মোৰ নহল।

নানা ঠাইৰপৰা বিচাৰি আনি ভাল ভাল কিতাপ-বিলাক পঢ়িবলৈ ধৰিলো। বাইৰণ, শেলী, কীটছৰ প্ৰণয়-কবিতা। শেক্সপিয়েৰৰ 'ৰমিয় জুলিয়েট', কালিদাসৰ মেঘদূত, শকুন্তলা, শ্ৰীহৰ্ষৰ ৰত্নাৱলী, দে'বাবুৰ ডিটেক্‌টিভ উপন্যাসবিলাক। পঢ়ি পঢ়ি আপোনপাহৰা হওঁ। মনৰ ভিতৰত প্ৰণয়োন্মাদ জাগি উঠে, ভাবো প্ৰথম দৰ্শনত প্ৰেম—কথাষাৰ সচানে মিছা? নিশ্চয় সচা! নহলে অতবিলাক কৱি, অতবিলাক লিখকে প্ৰলাপ বকিছেনে? আলি বাটেদি যাওঁতে পিৰিক পাৰাকৈ ইফালে সিফালে চাই যাওঁ কোনোবা সুন্দৰী যুৱতীৰ চকু মোৰ ফালে চাই থৰ হৈছেনে? বাটেদি কলেজত পঢ়া, স্কুলত পঢ়া লাহতী আইটীহঁত যায়, মই চাই চাই বিভোৰ হওঁ। মোৰ স্বভাৱ সুন্দৰ দেহৰ এই সাজসজ্জা, অন্তৰৰ এনে কবিতাপূৰ্ণ ভাব, কাৰো চকু মোৰ ওপৰত নপৰেনে? অতি মধুৰ সেই মুহূৰ্ত্তবিলাক! আইটীহঁতৰ কোনোবা গৰাকীয়ে কেতিয়াবা বিদ্যুদ্দাম কটাক্ষ হানি যেতিয়া হঠাতে আকৌ আন ফালে চাই লগৰীয়াহঁতৰ লগত হাস্যালাপ কৰি আঁতৰি যায়—তেতিয়া মই কব নোৱাৰো কি ভাবো। ভীষণ শেলে অন্তৰত খোচা বিন্ধা কৰে, গোটেই শৰীৰত এক অভাৱনীয় শিহৰণ অনুভৱ কৰো', বুকু টিপটিপাই যায়। ভাবো এইবাৰ নিশ্চয় ফান্দত পৰিছে, মদনৰ পঞ্চ শৰে এই যুৱতীৰ অন্তৰ বিন্ধিছে। উপায় চিন্তো কেনেকৈ আকৌ এবাৰ চাৰি চকুৰ মিলন হব? কেতিয়া নিভৃত মিলনত দুইৰো প্ৰাণৰ আকাঙ্ক্ষা দুইকো জনাই হৃদয়ৰ বিৰহানল শান্ত কৰিব পাৰিম? কিন্তু উপায় চিন্তোতেই যায়। কাৰ্য্যত একো নহয়। সকলোবোৰ আহে আৰু যায় মাত্ৰ। কোনো দিন বা উপৰোক্ত ধৰণৰ প্ৰতিদান মিলে আৰু কোনো দিন বিফল মনোৰথ হৈ হোষ্টেলৰ বিছনাত পৰি আকাশ পাতাল গুণো।

## দুই

কাতি মাহ, সন্ধ্যা সময়। ব্ৰহ্মপুত্ৰৰ পানী তেতিয়াও শুকোৱা নাই। কিন্তু ভাদ মাহতকৈ কমিছে। নদী পাৰে পাৰে নিচেই সঙ্কট অৱস্থাত এটা বাট ওলাইছে মাথোন। সি তেতিয়াও দুৰ্গম। কোনো সাধ্য ভ্ৰমণকাৰী সেইফালে 'হাৱা' খাবলৈ নাযায়। কলেজীয়া যুৱকসকলৰ ভিতৰতো কেতিয়াবা মোৰ নিচিনা অৱস্থাৰ কোনোজন সেই ৰাস্তাইদি ফুৰে। ৰাস্তাটো ইমান সংকীৰ্ণ আৰু সঙ্কটাপন্ন যে অলপ পিছল খালেই পানীত পৰাৰ সম্ভাৱনা। অৱশ্যে সেই ঠাইত সোঁতৰ বেগ নাই যদিও ঠাই তেখেত যথেষ্ট গভীৰ আছিল।

অকলে ফুৰাই মোৰ অভ্যাস। সেই দিনাও ফুৰিছো। বিশাল ব্ৰহ্মপুত্ৰৰ বুকুত যিদৰে তৰঙ্গান্দোলিত জলৰাশি আহিব লাগিছে আৰু অজ্ঞান সমুদ্ৰৰ উদ্দেশ কৰি ধৈ গৈ দৃষ্টিৰ অন্তৰালত পৰিছেগৈ আৰু তাৰ ঠাই আহি অধিকাৰ কৰিছেহি নতুন জলৰাশিয়ে, সেইদৰেই মোৰ মনতো অনেক চিন্তাৰ ঢৌ, অনেক ৰকমৰ স্মৃতি আৰু সপোন বিজড়িত হৈ আহিছে আৰু মনৰপৰা বাহি বিস্মৃতিৰ অন্তৰালত লুকাইছেগৈ। কিবা ভাবো আহিছে আৰু গৈছে—আগগুৰি নাই—শৃঙ্খলা নাই। নাৰী চৰিত্ৰ কেনে, নাৰীৰ ৰূপ কি বস্তু, কিয় মানুহ ইয়াৰ কাৰণে ইমান হাবাথুৰি খায়, নাৰীৰ কাৰণে পুৰুষ ইমান আকুল কিয়, সুন্দৰী যুৱতীৰ এটি কটাক্ষ এটি মৃদুমন্দ মিছিকীয়া হাঁহিৰ কাৰণে মানুহে নিজৰ কৰ্ত্তব্যকো কিয় অৱহেলা কৰিব পাৰে—ৰূপহী গাভৰুৰ প্ৰেম লাভ কৰা যায় কেনেকৈ, কি দিলে তেওঁবিলাকৰ সন্তুষ্টি সাধন হয়—উপকাৰ কৰি তেওঁবিলাকক চিৰদিন কৃতজ্ঞতা পাশত আৱদ্ধ কৰি ৰাখিব পাৰিনে?—ওহো', কৃতজ্ঞতা যেন বস্তুটো বোধহয় নাৰীত্বৰ মাজত নায়েই। নহলে সিদিনা আমাৰ কলেজৰে দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ সেই ছোৱালীজনী আশালতা নামৰ—ৰেছ্‌ ধুনীয়া নীলা চকু যুৰিৰে লাহুৰী ছোৱালীজনী—তাইৰ দামী 'ফাউণ্টেন্ পেন'টো হেৰাওঁতে কত কষ্ট কৰি মই বিচাৰি দিলো। কিন্তু সি প্ৰতিদান স্বৰূপেতো তাই এষাৰ কথাও ফুটাই নকলে।

মোৰ হাতৰপৰা কলমটো লবলৈ আহি লাজতে মৰহি গৈ তাইৰ যেতিয়া ৰঙা গাল দুখনি আৰু ৰঙা হৈ উঠিছিল—তলমূৰ কৰি যেতিয়া তাই মোৰ হাতৰপৰা কলমটো ললে তেতিয়াতো মই বহুত আশা কৰিছিলো। নিজে আকাশ কুসুম সৃষ্টি কৰি স্বপ্ন ৰাজ্যত নিজকে নিজে ওপঙাই লৈ ফুৰিছিলো। কিন্তু সুখ স্বপ্ন দেখোন কলিতে মৰহি গল। বোধহয় তাইৰ লাজকুৰীয়া স্বভাৱেই সকলো পণ্ড কৰিলে। কিন্তু কলেজত পঢ়িছে লাজ আকৌ কিহৰ? ই মাত্ৰ মানসিক দুৰ্ব্বলতাৰহে পৰিচায়ক। ইচ্ছা কৰাহেতেন তাই অনেক ৰকমে কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰিলে হেতেন। মোৰ কাৰ্য্যৰ ফলস্বৰূপে মই বন্ধুবৰ্গৰ মাজত টিটিকিং পৰিহাসৰ পাত্ৰ হলো মাত্ৰ। আকৌ সিদিনা—আমাৰ প্ৰফেছাৰ গুহৰ ছোৱালীজনী অকলে মটৰ চলাই হাহাগুৰি কৰি যাওঁতে কামাখ্যা ৰড'ত যিটোহে accident হল! ৰাস্তাৰপৰা "বেবি অষ্টিন' বাগৰি গৈ খাইটনি পাৰেগৈ। মই কত কষ্ট কৰি কতক হাতে ভৰিয়ে ধৰি মাতি আনি মটৰখন তুলি দিলো। তাৰেই বা প্ৰতিদান কতা পালো? লাভৰ ভিতৰত এই এমাইল বাট 'কাৰ'ত উঠি আহিবলৈ পালো মাত্ৰ। তাৰ বাহিৰে এষাৰ মধুৰ বাণীওতো তাইৰ কণ্ঠ নিঃসৃত নহল।—বোধহয় আমাৰ প্ৰাণৰ কথা, আমাৰ হৃদয়ৰ আবেগ সিহঁতে নুবুজেই। বুজিলে কিয় এনে হব?—প্ৰকৃত পবিত্ৰ প্ৰণয়ৰ প্ৰত্যাশাত যে প্ৰেমিকে নিজৰ প্ৰাণো বিপন্ন—হঠাৎ পাছ ফালৰপৰা চিঞৰ শুনিলো "হেৰি সহায় কৰক, সহায় কৰক!" চিঞৰ শুনি পাছ ফালে ঘূৰি চালো। আন্ধাৰ হৈছে, ভালকৈ মানুহ-দুনুহ দেখা নাযায়। চিঞৰত বুজিলো কোনোবা বিপন্না নাৰী। লৰ ধৰিলো—ওচৰ পাই দেখিলো চঞ্চলা বিহ্বলা ভীতা এজনী গাভৰুৱে পানীৰ ফালে চাই চিঞৰিছে। পানীলৈ চাই দেখিলো পানীত এজনী সৰু ছোৱালী। এক্কেবাৰেই পানীত পৰিলো আৰু ছোৱালীজনী তৎক্ষণাৎ উদ্ধাৰ কৰিলো। পানীত পৰা ছোৱালীজনী সাত আঠ বছৰমান বয়সৰ হব। ৰেছ ধুনীয়া অকণমানী ছোৱালীজনী। উদ্ধাৰ কাৰ্য্য অতি শীঘ্ৰে হোৱা কাৰণে তাই অকণো কষ্ট পোৱা নাছিল। পানীৰপৰা উঠি দেখিলো গাভৰু গৰাকী আমাৰ কলেজৰে প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰী আদ্‌ৰঙ্গী আধা বঙ্গালী, আধা অসমীয়া। পাণ বজাৰৰ ঘৰ এটাত তেওঁৰ কোনোবা আত্মীয় এজনৰ সৈতে থাকে। তেওঁৰ লগত মোৰ চা-চিনাকি নাই যদিও, তেওঁক মই চিনি পাওঁ। তেওঁ অতিপাত 'স্মাৰ্ট' এগৰাকী আধুনিক গাভৰু। সাজ পোছাক, খোজ কাটল সকলো আধুনিক। কালৈকো দৰ সঙ্কোচ নকৰে। তেওঁ ছোৱালীজনী আপ্‌ফুলকৈ কোলাত তুলি লৈ মৰম-আদৰ কৰি যিখান দূৰ পাৰে ভিজা গা মছি দিলে। মই উঠা মাত্ৰকে মোৰ ফালে চাই হাঁহি কলে, "আপোনাৰ বিষয়ে মোৰ ভুল ধাৰণা আছিল। আপুনি অকল 'ফিলছফাৰে'ই নহয়, সকলো কামতে আগৰণুৱা এজন প্ৰকৃত কৰ্ম্মীও।" তেওঁৰ কথা শুনি মোৰ গোটেই গা জম্‌জমাই গল। মোক তেওঁ তেনেহলে চিনি পায়! মই কি কওঁ কি নকওঁ ভাবিছো, আৰু তাৰ লগে লগে গাৰ তিতা কাপোৰ কানি বোৰ অলপ লৈছো। তেনেতে তেওঁ আকৌ কলে "মোৰ অসাৱধানতাৰ ফলত আপোনাৰ আজি অনাহকত কষ্ট হল। বাস্তৱিকতে আপোনাৰ এনেকুৱা কাৰ্য্য-তৎপৰতা নশলাগি নোৱাৰি।"

মই উত্তৰ দিলো—"মোৰ কষ্টৰ কাৰণে কোনো চিন্তা কৰিব নালাগে। মইতো প্ৰশংসাৰ উপযোগী এনে কোনো বিশেষ কাম কৰা নাই।"

"তেন্তে আপোনাক প্ৰশংসা কৰা ভুল হলনেকি? মই যদি আপোনাৰ এনেকুৱা মহৎ কাৰ্য্য সম্পাদনৰ পাছত একো নামাতি নীৰৱে গুচি গলোহেতেন তেন্তে ভাল পালেহেতেননে? তেতিয়া কলেহেতেন তিৰোতাবিলাক বৰ অকৃতজ্ঞ—নহয়নে বাৰু?"

মই আচৰিত। ঠিক মই ভৰা কথাকে এওঁ কেনেকৈ কৈছে! কলো, নহয়, নহয় সেইটো কোৱা নাই ; মই মোৰ যিটো 'ডিউটি' বুলি ভাবি লৈছো তাকেহে কৰিছো।

"বৰ 'ডিউটিফুল' বাস্তৱিকতে। কিন্তু চাব কেতিয়াবা যেন 'অ'ভাৰ ডিউটিফুল' হৈ লোকৰ হাঁহিয়াতৰ পাত্ৰ নহয়।"

কথাষাৰ কৈ গাভৰুৱে হাঁহিবলৈ লাগিল। কথাষাৰে মোক অলপ বিন্ধিলে। মই অধোবদন হৈ ৰলো। কিমান পৰ এনেকৈ গল কব নোৱাৰো। তেওঁ যেতিয়া এবাৰ অলপো সংকোচ নকৰি মোৰ হাত এখন ধৰি টান দিলে, তেতিয়াহে গম পালো। হাতত ধৰি কলে, "বাৰু এতিয়া 'ফিলছফি'ৰ 'থি'অৰি' ভাবিব নালাগে। যক হোষ্টেললৈ। ঘণ্টা কেতিয়াবাই দি গল। মইও যাওঁ। মামীক আজি কমগৈ আপোনাৰ কথা। আপুনি নোহোৱাহেতেন আজি 'নিক' মাৰিলেইহেতেন। পিছে কাইলৈ আপুনি গুৰুৰ এবাৰ আমাৰ তালৈ যাব লাগিব—এইটো বন্দোবস্ত থাকিল। বোধহয় মোৰ থকা ঘৰ আপুনি চিনি পায়।" কথাবিলাক কোৱাৰ লগে লগে তেওঁ মোক একৰকম হাতত ধৰি টানি লৈ আহিল। মই এই ৰহস্যময়ীৰ আচৰণত বৰ আচৰিত হৈ তন্দ্ৰাভিভূতৰ দৰে পাছে পাছে গলো। "গ্ৰেণ্ড ৰ'ড" পাই তেওঁ কলে, "আপুনি যক। মই এইফালেই যাওঁ। পিছে, এটা কথা, কোনোবাই সুধিলে কব নাও বাবলৈ যাওঁতে পানীত পৰিছিল বুলি। এইবোৰ কথা কলে—আপোনালোকৰ হোষ্টেলৰ সেই মথাহে যি—আপোনাৰ হোষ্টেলত থকাটো টানহৈ পৰিব। 'ফিলছফি' ভালকৈয়ে পঢ়ুৱাব।" মই লাহে লাহে খোজ ললো। তেওঁ গন্তব্য বাটেদি গৈ আন্ধাৰত অদৃশ্য হ'ল।

## তিনি

ৰাতি ভাত পানী খাই উঠাৰ পিছত হোষ্টেলৰ প্ৰায় প্ৰতিটো কমতে একো একোটি আড্ডা বহে। মই সেইবাৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত। আমাৰ তিনি নম্বৰ মেছৰ তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰসকলৰ আড্ডাৰ কোবটো সেই বছৰ আটাইতকৈ বেছি আছিল। সাধাৰণতে আমাৰ আড্ডা বহে আমাৰ বন্ধু গহীন গম্ভীৰ হাজৰীকাৰ কোঠাত। সেই আড্ডাত অনেক আলোচনা, অনেক গবেষণা হয়। কেতিয়াবা আলোচনাৰ তৰ্ক-বিতৰ্কৰ উত্তেজনা বৰ বেছি হয় আৰু কথাৰ বান্ধ নোহোৱা হয়।

সেইদিনাও আমি বহিছো। প্ৰথমতে মই আৰু হাজৰীকা, তাৰ পাছত আহিল পেটুৱা বৰুৱা। অলপ পিছত গা নচুৱাই নচুৱাই আহিল গোহাই, স্বভাৱ ৰীতি অনুসাৰে ডিঙিটো একালে বেঁকাকৈ আহিল নয়ন 'তেলীয়া', গানৰ ৰাগিণী টানি টানি আহিল শৰ্ম্মা, ফুৰ্ফিন্দাই ৰৰঠাকুৰ আৰু আটাইতকৈ শেহত ওলাল তৰুণ দাৰ্শনিক কবি কুঁজা গোস্বামী।

গোস্বামী সোমায়েই মোক উদ্দেশ্য কৰি কলে "কিয়ে পাৰ্টনাৰ, কি খবৰ, সিফালৰ বা-বাতৰি কেনে? মিলিজুলৰে প্ৰতিদান কিবা?" গোস্বামীয়ে মোক সদায় 'পাৰ্টনাৰ' বুলিয়েই মাতিছিল। কাৰণ তাচ-খেলাত তেওঁ মই এবাৰ 'পাৰ্টনাৰ' হৈ এখন কম্পিটিশ্যনত জয়লাভ কৰিছিলো। কথাষাৰ যদিও মোৰ কাণত পৰিল, তথাপি সুশুনাৰ ভাও ধৰি আমাৰ পূৰ্ব্বৰপৰা চলি থকা কথা-বাৰ্ত্তাতে মগ্ন থাকিলো। গোস্বামীয়ে ছেদেউ হুলি হুলি মোৰ ওচৰত বহিল। সেইদিনা আমাৰ আলোচ্য বিষয় আছিল—গুৱাহাটীত 'বিউটি কম্পিটিশ্যন' হলে 'বিউটি অব গুৱাহাটী' কোন হব পাৰিব? বৰুৱাই কয়—"মিছ দত্তইহে হব লাগিব। তেওঁৰ নিচিনা নিপুতন গুৰি অঙ্গৰ, ঘুৰণীয়া ৰঙা মুখৰ ছোৱালী গুৱাহাটীতহে নালাগে গোটেই অসমতে পোৱা টান।" হাজৰীকাই বিদ্ৰূপ ভঙ্গিৰে গহীনাই মাত দিলে—"হেৰা বৰুৱা, তোমাৰ নিচিনা শকত মোটা হলেই তিৰোতা সুন্দৰী হব বুলি নাভাবিবাচোন। মই কবলৈ হলে মিচ্ ৰাজখোৱাহে তোমালোকে সেই আসন দিয়া উচিত। তেওঁৰ খোজ কঢ়াৰ ভঙ্গিমা, তেওঁৰ চকুৰ চাহনি, তেওঁৰ সাজ-পৰিচ্ছদ দেখিলে চকু থৰ লাগে।" শৰ্ম্মাই কথাষাৰ শুনি কৃত্ৰিম ক্ৰোধ দেখুৱাই কলে—"ছামৰা ছটা বগা হলেই তাতে আকৌ পাউডাৰ কিছুমান ঘঁহি, গা নচুৱাই ফুৰিলে দেখিবলৈ ভাল হয়নে কিহে? তিৰোতাৰ সৌন্দৰ্য্য বিবেচনা কৰিব লাগে নাৰীত্বৰ ফালৰপৰা। তিৰোতাৰ স্বভাৱ সুলভ 'গ্ৰেছ' 'মুভমেণ্ট' এইবিলাকতহে বেছি গুৰুত্ব দিব লাগে। প্ৰাচ্যক প্ৰাচ্যৰ আদৰ্শৰ চকুৰে তোমালোকে এতিয়াও চাব পৰা নাই। সেই ফালৰপৰা যদি চোৱা, তেন্তে সেই আটাইবিলাক 'কোৱালিফিকেশ্যন' পাবা মিছ দাসৰ গাত। কেনেকুৱা ধীৰ, লাজকুৰীয়া ছোৱালীজনী! কথাষাৰ কোৱাৰ লগে লগে হাঁহিৰ ৰোল উঠিল। মহন্ত হৈছে ধীৰে স্থিৰে কথা কোৱা ধৰণৰ মানুহ। কিন্তু তেওঁৰ কথা দুই এটাত মূল্য নোহোৱা নহয়। তেওঁ মাত দিলে—"নিজৰ নিজৰ গঢ় আকৃতি যেনে তেনেকুৱা একোজনীকে তোমালোকে প্ৰত্যেকেই সৌন্দৰ্য্যৰ ৰাণী পাতিলাইক। শৰ্ম্মাই নিজৰ বৰণ অনুযায়ী শ্যামাঙ্গী দাসকহে সেই আসন দিব খুজিছে। কিন্তু মই কবলৈ হলে আমাৰ ফুকনে যাক 'ছিলেক্ট' কৰিছে, তেওঁতকৈ ধুনীয়া অসমীয়া বঙালী কাৰো মাজত নাই। সেই চকু, সেই মুখ, সেই চাহনি, সেই ভঙ্গিমা—কত পাবাহে?" কথাষাৰ শেষ হবলৈ নৌপাওঁতেই ৰৰঠাকুৰ আৰু গোহায়ে চিঞৰ বাখৰ কৰি টেবুলত চপৰিয়াই কৈ উঠিল "হয়, ঠিক এই বিষয়ত আমি কেইজন একমত। নহয়নে বাৰু গোস্বামী?" গোস্বামী—"মইতো সেই কথাত কাহানিবাই 'ভোট' দি থৈছো। এই মাত্ৰ ফুকনক সুধিছোও, কিবা প্ৰতিদান মিলিছেনে নাই।"

এতিয়া গোটেই দলটোৰ চকু মোৰ ফালে গল। মই অৱনিৰেপৰা কোনোমতে লুকাই আছিলো। এতিয়া আৰু লুকাবৰ উপায় নাইকিয়া হল। আছামীৰ কাঠগৰালত সোনাই বিচাৰৰ হুকুমৰ কাৰণে বাট চাই থকা অপৰাধীৰ দৰে হতভম্ব হৈ ৰলো। কিছুপৰ কোনো কথায়েই মোৰ মুখত নোলাল। ঠোট-মোট চেলেকি মৰণত শৰণ দি অলপ পিছত কলো—"হয়তো তেওঁৰ লগত জোৰ মাৰিব পৰা কোন আছেহে? তেওঁক কুৰি শতিকাৰ তিলোত্তমাকে বুলিবাচোন।" সেই দলটোৰ ভিতৰত হাজৰীকা আৰু বৰুৱাই মোৰ সবিশেষ বৰ ভালকৈ গম নাপায়। গতিকে কথাটোৰ মৰ্ম্ম ৰবকৈ উপলব্ধি কৰিব নোৱাৰি সুধিলে—"ফুকনৰনো আৰাধ্যা গৰাকী কোন সৌভাগ্যৱতীহে?" "কি অতদিন তুমি গম পোৱা নাই?" বুলি বাকী আটাই কেইজনে চিঞৰি উঠিল। "ফাৰ্ষ্ট ইয়েৰত যে আছে নীলিমা ৰায় নামৰ স্মাৰ্ট ছোৱালীজনী।" হাজৰীকাইতে জিভা উলিয়াই কৈ উঠিল—"ফুকনে ভালজনীকে পাইছাগৈ।" মই লাজত তলমূৰ হলো। বৰুৱা চাই সোপা দিয়াৰ মতলৰ কৰি কলো—"কি বেয়াহে? মোৰ নিচিনা অৱস্থাত তোমালোকে পালে নীলিমাৰ চৰণত..."

কথা শুনিয়েই হাজৰীকাইতৰ খং উঠিল—"যোৱা যোৱা লাজ কাজৰ সঁচ নাইকিয়া। বতাহত উৰি ফুৰা ভালজনী পাইছাগৈ? সকলো ৰকম masculine elements শৰীৰত বৰ্ত্তমান। তেনেবোৰ ছোৱালী বৰ Dangerous বুজিছা? পাছে কোৱাচোন, তোমাৰনো প্ৰণয় পৰ্ব্ব কেতিয়াৰপৰা আৰম্ভ, এতিয়া কোন অৱস্থাত?" মই একো কবলৈ নৌ পাওঁতেই শৰ্ম্মাই চিঞৰি কলে—"এতিয়া প্ৰণয় 'ইন্ ফুল্ ছুইং'। ফুকনকতো আজিকালি তেওঁৰ লগৰ বাহিৰে অন্তৰ লগত দেখা পোৱা নাযায়। তেওঁৰ বৰ্ত্তমান জপ, তপ, আৰাধনা সকলো তেওঁৱেই। মই "মিছামিছি কথাবোৰ কিয় কোৱাহে? তেওঁৰ লগত মোৰ 'ইণ্টিমেছি'ৰ প্ৰকৃত কাৰণ সবিশেষ অৱগত হোৱা হলে কেতিয়াও এনেকৈ নকলাহেতেন।" বুলি কৈ কথাটোৰ সামৰণি মাৰিব খুজিছিলো। কিন্তু ক'ত সামৰণি পৰে,—গোহাঁয়ে কৈ উঠিল—"মিছা কিহে? বুইছা হাজৰীকা, সিদিনা ক্লাছত এওঁৰ অৱস্থা! তোমালোক 'ছায়েঞ্চ' পঢ়া মানুহ। আৰ্টছ ক্লাছৰ ৰহস্যবিলাক নেদেখাও, নুবুজাও। নীলিমা বাৰাণ্ডাই দি চটাচট কৰি আহি প্ৰফেছাৰে দেখা নোপোৱাকৈ ঠিয় হৈ চকুৰ ঠাৰেৰে এওঁক মাতি নিলে। এওঁ বাহিৰলৈ ওলাই গল। কলম নে কিবা এটা দি আকৌ পাছ দুৱাৰেদি ক্লাছলৈ আহিল। ক্লাছ আছিল প্ৰফেছাৰ ৰায়ৰ। তেওঁক নোসোধাকৈ এনেকৈ অহা যোৱা কৰি থকা দেখি ৰসিকতা কৰি কলে—"মিষ্টাৰ ফুকন, আৰ ইউ এক্‌টিং ইন্ এ ষ্টেজ?" কথাষাৰৰ লগে লগে ক্লাছত হাঁহিৰ ৰগৰ উঠিল। এওঁ 'বেঙা'টোৰ দৰে হা কৰি চাই থাকিল। অলপ পিছত যেনিবা প্ৰফেছাৰে দয়া কৰি "অলৰাইট টেক্ ইয়ৰ ছীট" বোলাতহে ৰপুৰাই সকাহ পালে।" শৰ্ম্মাই কলে, "আৰু কেই দিন এওঁৰ কি কি অৱস্থা হৈছে তাক নজনাজনেহে জানে।"

মই লাজতে তলমূৰ কৰি থাকিলো। বেছিকৈ কথা কোৱাৰ অভ্যাস মোৰ আগৰপৰা নাই, শক্তিও নাই। আজিও নতুনকৈ আৰু সেই শক্তি নাপালো।

গোস্বামীয়ে মাত দিলে—"কি কৰিবা, প্ৰণয়ে নাজানে জীৱন-মৰণ।" সকলোৱে হাঁহিলে।

অপৰাধীৰ দৰে মই কলো—"নহয়হে, এটা বিশেষ accident ৰ বাবা তেওঁৰ আৰু মোৰ ভিতৰত পৰিচয় হয়। তাৰ পিছত বন্ধুত্ব স্থাপন—এতিয়া তেওঁ অলপো সংকোচ নকৰি ঘৰলৈ মাতি লৈ যায়। মই কি কৰিম! ই এটা আমাৰ 'ইন'ছেণ্ট, লভ' মাত্ৰ।" বৰুৱাই উত্তৰ দিলে—"ইন'ছেণ্ট্ লভৰপৰাই পাছত কি শোচনীয় পৰিণাম হবগৈ পাৰে তাক আৰু তোমাক বুনাই কোৱাৰ আৱশ্যক বোধ নকৰো। পিছে, তুমি তোমাৰ আৰাধ্য গৰাকীৰ বিষয়ে ইয়াৰ আগৰ কথা গম পোৱা জানো?" সকলোৱে শুনিবৰ কাৰণে উৎসুক হৈ তেওঁৰ ফালে চালে।

"তেওঁ অহাৰ পাছতে তেওঁৰ লগত জুটিছিল ফ'ৰ্থ ইয়েৰৰ বেজবৰুৱা। তপনৰ দৰে উজ্বল এই প্ৰতিমা ফেৰাৰ সৌন্দৰ্য্যত তেওঁ তেনেই অন্ধ হৈ পৰিছিল। এৰাএৰি নাই। বুকু ভৰা প্ৰেম, হিয়াভৰা আশা লৈ বপুৰা ওচৰ চাপিছিল এই যুৱতীৰ। কিন্তু বপুৰাই যিদিনা প্ৰথম প্ৰণয় নিবেদন কৰিলে সেইদিনাহে পালে পোতকটো। 'অৰ্দ্ধচন্দ্ৰং দত্বা তাড়য়ামাস।' কম ফুটৰ ছোৱালী নহয় তাই! এতিয়াও সকলোৰে আগত স্পষ্টকৈ কৈ ফুৰে নহয়—'এই কুষ্ঠচটোৱে আকৌ মোৰ প্ৰেম যাচ্ঞা কৰে। লাজ নালাগে তাৰ। সিদিনা তাৰ যথোচিত প্ৰতিদান নিদিয়া হলে সি মোৰ সৰ্ব্বনাশ কৰিলেহেতেন।' এনে বিধৰ ছোৱালী। ফুকন, অলপ আগ পিছ চাই সাৱধানে চলিবাহে।" তেনেতে কোনোবা এজনে ছুপাৰিণ্টেণ্ডেণ্ট আহিছে বুলি কোৱাত দিহা-দিহি ভাগিলোহঁক। মই নিজৰ কোঠাত সোমাই পঢ়াশুনা বাদ দি শুই পৰিলোগৈ।

## চাৰি

ইয়াৰ কেইদিনমানৰ পিছত—সেইদিনা মোৰ এঠাইত অলপ দৰকাৰ আছিল কাৰণে ৰাতি ন বজালৈকে হোষ্টেলৰপৰা ছুটি ললো। তেওঁৰ তালৈ গধূলি সময়ত গৈছিলো। কথা-বাৰ্ত্তা পাতি থাকোতে থাকোতে ৰাতি হল। সুন্দৰ জোনাক নিশা, ছয়ো ওলাই আহি তেওঁ-বিলাকৰ ঘৰৰ আগৰ ফুলনিৰ মাজত থকা বেঞ্চত বহি পৰিলো। তেওঁ বেঞ্চখনত আউজি বহিল। কিছু পৰ ছয়ো নিমাত। সেই দিনা নিশা তেওঁৰ মামাক নাই। মামীয়েক ভিতৰৰ কামত ব্যস্ত।

"আমি এইদৰে এনে অৱস্থাত বহি থকা কোনোবাই দেখিলেহি কি বুলিব, মিষ্টাৰ ফুকন?" নীলিমাই মোক সুধিলে। মই এই আধুনিক ভাবাপন্ন চঞ্চলা গাভৰুৰ এনে প্ৰশ্নত আচৰিত হলো। মই অলপ বৈ কলো, "কোনে, যেনে আপোনাৰ মামাকে? তেখেতে কি কব আৰু এনে ব্যৱহাৰৰ কাৰণে আপোনাক তিৰস্কাৰ কৰিব।"

"তিৰস্কাৰ কৰিব মামাই? নহয়—নকৰে। অৱশ্যে অতিমাত্ৰা দেখিলে পেটে পেটে অলপ বেয়া পাব। মামা ইমান সংকীৰ্ণমনৰ নহয় যে আমাৰ প্ৰতি খোজে খোজে চৰিত্ৰহীনতা দেখা পাব। আন কোনো সনাটনি... "ফিলছফাৰ"ৰ কথাহে কৈছো। যেনে, আপোনালোকৰ ক্লাছৰ চৌধুৰী।"

"তেওঁৰ নিচিনা কোনোবা এজনে কিবা বোলে নোবোলাৰ ওপৰততো কোনো কথা নিৰ্ভৰ নকৰে।"

"তত্ৰাচ তেওঁবিলাকেনো কিয় প্ৰতি কথাটোতে নৈতিক চৰিত্ৰৰ অৱনতি, চৰিত্ৰহীনতা আদি দেখা পায়? বাৰু তেওঁবিলাকে মানুহৰ চৰিত্ৰক কিয় এনে সংকীৰ্ণতাৰ চকুৰে চায়? আপুনি মোৰ ইয়ালৈ অহা... তাত তেওঁবিলাকে চৰিত্ৰহীনতা দেখা পায়, আপুনি মযে এঠাইত কথা পাতো, তাতো তেওঁবিলাকে চৰিত্ৰহীনতাৰ গোন্ধ পাই নাক কোঁচায়। অকল মো... নহয়—"

তেওঁৰ কথাষাৰ অন্ত হবলৈ নৌ পাওঁতেই মই মাত দিলো—"নহয়, কিছুমান মানুহৰ স্বভাৱেই এনেকুৱা।"

"কিছুমান মানুহ বুলি নকব। সমাজৰ সৰহ ভাগ মানুহৰে এনেকুৱা 'মেণ্টেলিটি' আছে। আৰু তেওঁবিলাকেই সমাজৰ গুৰিয়াল, সমাজ ৰক্ষক, সনাতনী। সঙ্কোচহীন ভাৱে



ওলাই সোমাই ফুৰিলেই চৰিত্ৰ নষ্ট হব নোৱাৰে। বিশেষকৈ শিক্ষিত যুৱক যুৱতীয়ে যদি ইমান ফেৰা আত্ম সংযমকে কৰিব নোৱাৰে, তেন্তে শিক্ষাৰ মূৰতে পদাঘাত কৰা উচিত। আপুনি কি কিয়? বাৰু, আপুনি বৰকৈ কথা নকয় কিয়? অকল মযে কৈ থাকিমনে?"

"মইনো বিশেষ আৰু কি কব লগা আছে? আপুনি যি কৈছে, সেইবিলাকতো মোৰ মনেৰে সম্পূৰ্ণ সত্য। কিন্তু—"মোৰ মুখৰ কথা মুখতে ৰল। তেওঁৰ ফালে চাই দেখো অপলকনেত্ৰে মোৰ ফালে চাই আছে। মোৰ শৰীৰত বিজুলীৰ প্ৰৱাহ বৈ গল।

মই তেওঁৰ ফালে চালত তেওঁ মৃদু মধুৰ এটি হাঁহি মাৰি চকু আনফালে ঘূৰালে। কলে—"কিন্তু কি কওক। আপোনালোকে কয়, তিৰোতাবিলাক বৰ অকৃতজ্ঞ। কিন্তু মোৰ মনেৰে আপোনালোক পুৰুষবিলাকহে বৰ অকৃতজ্ঞ। বৰ কঠুৱা। মই কত কথা কওঁ কত ৰকম সম্ভাষণ আপোনাক জনাওঁ—কিন্তু আপুনি ভালকৈ কথা একাষাৰো নকয়।" বুলি কৈয়ে হাঁহিবলৈ লাগিল। তেওঁৰ কথাৰ অৰ্থ ভালকৈ বুবুজিলো। তেওঁ আকৌ কলে "বাৰু যাওক, সেইবোৰ কথা। আপুনি কি কব খুজিছিল কওক।"

শুভ্ৰ স্নিগ্ধ জোনাক নিশা। গছ-লতা, ঘৰ-দুৱাৰ গোটেই জগত ৰূপালী ৰহণে ৰঞ্জিত। ওচৰত ফুলনিৰপৰা তলৰ ফুল জোপাৰ গোন্ধ আহি ঠাই ডোখৰ আমোদিত কৰি পেলাইছিল! ওচৰত এই চিৰহাস্যময়ী প্ৰফুল্লাননীৰ ৰূপৰাশি। মধুৰ চাহনি মনোন্মাদকাৰী কটাক্ষ। মই উতলা হলো। কিছু পৰৰ পিছত কলো—"অ' কব খুজিছিলো কি, যে কেতিয়াবা অপৰিণামদৰ্শী অনেক যুৱক-যুৱতী এই ধৰণৰ অবাধ মিলনৰ ফলতে যে পথভ্ৰষ্ট হয়, সেইটো মিছা বুলিব নোৱাৰি।"

অতপৰ নীলিমা মোৰ গাতে গা লগাই আউজি আছিল। এতিয়া কথাৰ কোবত তেওঁ বেঞ্চতে উঠি বহিল। তেওঁ কলে "তাতেই বা কি? এটা বা দুটাৰ দোষতে সকলোকে সন্দেহৰ চকুৰে চাব নোৱাৰি। ধৰক আপোনাৰে মোৰে যি সম্বন্ধ এতিয়ালৈকে ঘটিছে, সিতো 'পিঅ'ৰ বুলি ইন'ছেণ্ট'। তাত যদি কোনোবাই কুৰুচিপূৰ্ণ অশ্লীলতা কিবা দেখা পায়, তেন্তে সি দেখাজনৰ দোষনে আপোনাৰ মোৰ দোষ? তেতিয়া আপুনি সহ্য কৰিব কেনেকৈ? এনেকুৱা সম্বন্ধতো আৰু বহুতৰ লগত আছে।" কথাষাৰে মোক বৰকৈ বিন্ধিলে। ক্ষন্তেক আগৰ নীৰৱ সম্ভাষণ আৰু এতিয়াৰ এই কথা। কি কৈছে এওঁ! মই একো নামাতিলো।

অলপ বৈ তেওঁ আকৌ কলে—"অথচ, এনে কিছুমান সনাটনিষ্ঠো আছে, যি পৰস্ত্ৰীৰ অনিষ্ট সাধন কৰিবলৈকো কুণ্ঠিত নহয়।—বৰঞ্চ সেই বিষয়ত পটু।—যিহৰ ফলত অনেক অবলা তিৰোতা লাঞ্ছিতা পতিতা হৈ বিদেশী বিধৰ্ম্মীৰ হাতত পণ্য দ্ৰব্যৰ দৰে পৰিছেগৈ। ভাবি চক আপোনালোক শিক্ষিত যুৱকসকলৰ ভিতৰতো এনেকুৱাও অনেক আছে যি ৰক্ষা-কৰ্ত্তা, আচাৰ-ব্যৱহাৰ চলন-ফুৰণ, লিখা-পঢ়া সকলোতে লোকৰ চৰিত্ৰহীনতা, লোকৰ বিষয়ত অশ্লীলতা দেখা পায়, লোকৰ আচাৰ ব্যৱহাৰ দেখি তাত অশ্লীলতাৰ গোন্ধ পাই হৈ চৈ লগাব খোজে। অথচ, তেওঁবিলাকেই নিজৰ বেলিকা 'প্ৰেম' 'প্ৰেম' কৈ চিঞৰি আমাক অতিষ্ঠ কৰি তোলে। প্ৰেমৰ নামত ব্যভিচাৰ কৰিলে নিজৰ বেলা মাফ। ৰাস্তাই ঘাটে, আলিয়ে-পদূলিয়ে প্ৰণয়ৰ নামত অশ্লীলতাৰ সৃষ্টি কৰি ফুৰে। নিজৰ পশুবৃত্তিৰ তাড়ণাত সেইবিলাকৰ সন্তুষ্টি সাধনৰ অৰ্থে ভিতৰি অনেক যুৱতীৰ জীৱন পৰ্য্যন্ত নষ্ট কৰি আমোদহে পায় নহয়নে?" বুলি তেওঁ হাঁহি হাঁহি মোৰ ফালে চালে।

তেওঁৰ কথাবিলাকে—তেওঁৰ সেই হাঁহিয়ে মোক আকুল কৰিলে। মুখেৰে একো মাতিব নোৱাৰি মন্ত্ৰমুগ্ধৰ দৰে চাই আছিলো। মনৰ ভিতৰত অসংখ্য ভাবে, অনেক চিন্তা ভাবনাই উণ্ডল খুণ্ডল লগাই পেলাইছিল।—'মোলৈ বুলিয়েই এই বাক্যবাণ হানিছেনেকি? মোক দলিত কৰাই ইয়াৰ উদ্দেশ্য নেকি?' মোৰ চকুৱে মুখে এক অস্থিৰতাৰ ভাব ফুটি উঠিছিল। মোক নমতা দেখি তেওঁ আকৌ সেইদৰে এটি হাহি মাৰি সুধিলে—"কি, নামাতে দেখোন?"

সেই চাহনিত, কথা-বাৰ্ত্তাত মই আত্মহাৰা হলো। শৰীৰত উত্তেজনা অনুভৱ কৰিলো। শিৰাই শিৰাই তপত শোনিত বিদ্যুৎ প্ৰৱাহে চলি অস্থিৰ কৰি তুলিলে। মই কিবা কওঁ বুলি মুখ মেলোতেই মোৰ অস্থিৰতা লক্ষ্য কৰি তেওঁ আকৌ কলে,—"অ বেলিও যথেষ্ট হৈছে বোধ হয় আপোনাৰো যাবৰ হল—ভাল যাব এতিয়া" বুলি বিদায় দিবলৈ উঠিলেই। মই তেতিয়া ভাবৰাজ্যৰ স্বপ্নৰাশিৰ মাজত। নিমাত নিস্তব্ধ ৰজনী। চন্দ্ৰ-কিৰণোদ্ভাসিত ৰূপালী জগত, সান্ধ্য সমীৰণ। ফুলৰ সৌৰভ। মই তেতিয়া মতলীয়া। কব নোৱাৰো কি কৰিবলৈ ওলাইছো। তেওঁৰ হাতত ধৰি কলো—"ও যাওঁ—পিছে এটা কথা।" তেওঁ তৎক্ষণাৎ ৰহি পৰি কি কথা বুলি সুধি মুখখন মোৰ ওচৰ চপালে। বোধহয় কথাটো শুনিবৰ কাৰণে উদ্‌গ্ৰীৱ হৈ। মই কি কওঁ! কব নোৱাৰো। জলক তবক লাগি পৰিল। মগজুত পাগলামিৰ উদ্ৰেক হল। ভাবিলো—কথাতো একোৱেই নাই। ইচ্ছা হল স্নেহৰ চৰম সীমাৰ নিদৰ্শন স্বৰূপে আজি এটি দান দি যাওঁ—হয় হব নহয় নাই। হয় যদিতো চিৰদিনলৈ হল। নহয় যদি আজিয়েই শেষ। তেওঁ ৰহি থকা অৱস্থাতে তেওঁৰ ৰঙা গালখনিত এটি তপত চুমাৰ ৰেখা বহুৱাই দিলো। তেওঁ কি ভাবিলে কব নোৱাৰো। বোধহয় পাগল বুলি ভাবিলে। কিন্তু হাস্যময়ীৰ মুখৰপৰা হাহি খুওচিল। সংকোচ নকৰিলে, দ্বিধা বোধ নাই। কোনো ৰকম আপত্তি নাই। তাৰ পিছত উঠিলো। লাহে লাহে ওলাই আহিলো। গাটো তেতিয়া জৰ জৰকৈ ঘামিছিল। অলপ দূৰ আহি ঘূৰি চাই দেখো তেওঁৰ ভিতৰ সোমাল। মই মোৰ গন্তব্য স্থানৰ অভিমুখে খোজ ললো।

## পাঁচ

কেইদিনমান তেওঁৰ তালৈ যোৱা নাই। মনে মনে অলপ লাজো পাইছিলো—ভয়ো লাগিছিল। কিজানিবা হিতে বিপৰীত ঘটিছে! সেইদিনা কলেজৰ পিছত গলো। দেখিলো, তেওঁ তেওঁৰ কোঠাতে ৰহি আছে। আগৰ দৰেই চঞ্চলা, হাঁহিভৰা মুখ, সুন্দৰী। অভিবাদন জনাই আগবঢ়াই নিলে। আশাৰ সঞ্চাৰ হল। ভীতি-ভাব আঁতৰি গল। মই তেওঁৰ ওচৰতে চকী এখনত ৰহিলো। বহুত পৰ কোনেও কথা-বাৰ্ত্তা কোৱা নাই। মই ইফালে সিফালে চাই আছো—এনেতে চকুত পৰিল এখন বন্ধোৱা ছবি। ভালকৈ চাই দেখিলো কাৰবাৰ ফটো। সুন্দৰকৈ বন্ধোৱা। ললিতাঙ্গ উন্নত এজন যুৱক। সুন্দৰ সুঠাম, সুগঢ়, প্ৰফুল্লানন। মই কিছু পৰ চাই আছো। তেওঁ মাত দিলে—"কি চাইছে?" মই কলো,—"এই ফটোখন, মানুহজন চিনাকি চিনাকি যেন লাগিছে।"

"চিনি পাবও পাৰে। এখেতৰ ঘৰ তেজপুৰত। বৰ্ত্তমান কলিকতাৰ মেডিকেল কলেজত পঢ়ে।"

"এখেতৰ ছবি আপুনি পালে কেনেকৈ?"

"আগৰেপৰা চিনি পাওঁ। ছবিখন 'প্ৰেজেণ্ট' পঠাইছে। মই বৰ্ত্তমান—" বুলি তেওঁ হাঁহিলে। কথাষাৰ শেষ হবলৈ নাপালে। তেওঁ অধোবদন হল। মই বজ্ৰাহতৰ দৰে হলো। বুকু টিপ্‌টিপাই গল। সুধিলো,—"এখেতৰ নাম কি?" তেওঁ কলে—"এখেতৰ নাম মনোমোহন দত্ত।"

আৰু অলপ পৰ একো নমতা নোবোলাকৈয়ে ৰহি থাকিলো। তাৰ পাছত "ভাল ৰহিব, মোৰ অলপ দৰকাৰ আছে" বুলি কৈ হতাশ মনেৰে ওলাই আহিলো, তেওঁৰো "ভাল যক" বুলি সোনকালে বিদায় দিলে।

* * *

আকাশ-কুসুম চূৰমাৰ হৈছে। প্ৰেম পূজা সাঙ্গ হবলগীয়া হল। প্ৰতিমা আজি হৃদয়ৰ গুপ্ততম স্থলিত থাপন কৰি থোৱা বেদীৰপৰা আঁতৰিবৰ উপক্ৰম কৰিছে। পগলাৰ দৰে হৈ পৰিছো। দুদিন পিছত এদিন আবেলি দেখিলো, সঁচাকৈ তেওঁ এজন অচিন যুৱকৰ লগত ফুৰিছে। ওচৰ পাই বুজিব পাৰিলো—সেই ফটোত দেখা জনেই। গা জ্বলি গল। ওচৰ পালত নীলিমাই অভিবাদন জনোৱাৰ পিছত 'ইণ্ট্ৰডিউছ' কৰি দিলে। মোক কলে—"এখেতেই মিঃ মনোমোহন দত্ত যাৰ কথা সিদিনা আপোনাক কৈছিলো। আজি পুৱা কলিকতাৰ পৰা আহিছে। কেদিনমান ইয়াতে থাকিব।" তেওঁক কলে—"এখেত হৈছে মোৰ এজন বন্ধু। নাম গিৰিজা ভূষণ। থাৰ্ড ইয়েৰত পঢ়ে।" মোৰ মুখৰ কথা নোলাল। গা ৰম্ ৰম্‌কৈ পুৰিবলৈ ধৰিলে। নীলিমাৰ প্ৰত্যেক কথাই শৰীৰত শেল হানিলে। প্ৰতি নমস্কাৰ কৰি গুচি গলো। অন্তৰত জুই, ইচ্ছা হল—প্ৰতিজ্ঞা কৰিলো, ভীষণ প্ৰতিশোধ লম। ইয়াৰ হোৰ তুলিম।

* * *

সেইদিনা ৰাতি বেনামি চিঠি মনোমোহন দত্তৰ নামে পঠিয়াই কৰিলো। 'নীলিমা পতিতা, নীলিমা অসতী, গাত চৰিত্ৰৰ লেশ মাত্ৰ নাই, তাই কালসৰ্পিনী। যদি নিজৰ মঙ্গল চোৱা সোনকালে আঁতৰি যোৱা।' চিঠি পালেনে নাই কব নোৱাৰো। পালে যদিও কি ভাবিলে ঈশ্বৰেহে জানে। পিছদিনা কলেজত 'নীলি'ক লগ পালো। সেই আগৰ দৰেই প্ৰফুল্লাননী দেখিলো, তেওঁৰ লগৰীয়াঁতৰ লগত হাঁহি হাঁহি কথা কৈছে। মোৰ ফালে চাই বিদ্ৰূপৰ ভঙ্গী। বোধহয় মোৰ কথাকে কৈছে। দূৰৰপৰা আগৰ দৰে, নমস্কাৰ জনালে। ময়ো নমস্কাৰ জনাই আতৰ হলো।

* * * লাইব্ৰেৰিত আকৌ লগ পালো। কিবা কিতাপ এখনৰ 'অথৰ' জনৰ নাম সুধি মোৰ ওচৰ পালেহি। আগৰদৰেই হাঁহি মাতি কথা কলে। মোৰ মনতে বৰ ধিক্কাৰ লাগিল। কিয়—মই কিয় এনে পগলামি কৰিলো। বৰ লাজ লাগিল। এওঁৰপৰা আঁতৰি ক'ত কেনেকৈ লুকাওঁ। নিজে নিজেই মৰিম যেন লাগিল।—কিজানি মই বুলি জনাই নাই। কিয় নাই জনা, নিশ্চয় জানিছে। বৰকৈ কথা কব নোৱাৰিলো। মনে মনে ভাবিলো গধূলি গৈ তেওঁৰ হাতত ধৰি ক্ষমা প্ৰাৰ্থনা কৰিমগৈ। * * *

—গধূলি গলো। কিন্তু ভিতৰ সোমাবলৈ লাজ লাগিল। কি বুলি কমগৈ! তেতিয়া সন্ধ্যা হৈছিল। খিৰিকি খনেদি তেওঁ দেখা যেন পালো। লাজতে ফুলনিৰ গছৰ আঁৰত গা লুকালো। বোধহয় নেদেখিলে। খিৰিকি বন্ধ হল। মই জুমি চালো। দেখিলো তেওঁ অকলৈ। বাজৰ দুৱাৰ বন্ধ। খিৰিকিত 'নক' কৰিলো। তেওঁ খিৰিকি খুলি চালে। মোৰ লাজ আৰু বেছি হল। আন দিনৰ দৰে পোনে পোনে নাহি এনে কৰিলো কিয়? ভিতৰলৈ আগৰ দৰে তেওঁক মাতি যোৱাহেতেনতো বোধহয় তেওঁ কোনো আপত্তি নকৰিলে হেতেন! খিৰিকি খোলা মাত্ৰকে আকৌ গছ এজোপাৰ অন্তৰালত নিজক লুকাই ৰাখিলো। আকৌ খিৰিকি বন্ধ হল। ভয়, লাজ, চিন্তা, আশাত মই জৰ্জৰিত। কোনটো কৰিম কোনটো নকৰিম! পূৰ্ব্বৰ কামৰ পুনৰ আবৃত্তি কৰিলো। দুবাৰ তিনিবাৰ! অৱশেষত অভিমানিনী জ্বলি উঠিল। ক্ৰুদ্ধা সৰ্পিনীৰ দৰে ফণা তুলি 'ফঁচ' কৰি উঠিল। হাতত বন্দুক লৈ খিৰিকি খুলিলে—গুম, গুম, গুম—তিনিজাঁই। কাণৰ গুৰিয়েই সো—সোৱাই গল। জীৱ পক্ষী দেহাসজাৰপৰা ওলোৱা যেন গম পালো! ভাগ্য ক্ৰমে গাত নালাগিল। মই ইতিমধ্যে ৰাস্তাৰ পুলৰ তলত লুকাই পৰিছিলো। তাৰ পিছত উৰ্দ্ধশ্বাসে লৰ! ফোপাই জোপাই ঘামি জামি জুবিলী গাৰ্ডেন সোমালো। ভাগ্যক্ৰমে নীলি থকা ঘৰটো অকলশৰীয়া। দুৱাৰ মুখৰ ৰাস্তাৰ ওপৰতো তেতিয়া জনপ্ৰাণী নাই! সেইহে গা সৰুৱাব পাৰিলো। জুবিলী গাৰ্ডেনত অলপ শান্তি অনুভৱ কৰি হোষ্টেলৰ ফালে আগ বাঢ়িলো। "ষ্ট্ৰেণ্ড ৰড"ৰ জনতাৰ মাজত নিজক অদৃশ্য কৰি লাহে লাহে গৈ হোষ্টেল পালোগৈ। তাৰ পিছত গোটেই ঘটনাটো এবাৰ মনত পৰিলত গা শিঁঞৰি উঠিল। ভাবিলো কিয় এনে কৰিলো! মই নিশ্চয় অতি মূৰ্খ। আজি কাৰো আগত মুখ উলিয়াবৰ শক্তি মোৰ নাই। নিজেই নিজকে কিয় এনেকৈ হত্যা কৰিলো!

---

# অসমীয়া নীৰৱ শ্যেলী

( ২ )

—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি-এছ-ছি, বি-এ

গুৱাহাটী প্ৰবাসৰ প্ৰথম ছোৱা কালত গুৱাহাটীৰ পৰ্ব্বতীয়া আৰু প্ৰাকৃতিক দৃশ্যই মোৰ মন বিশেষকৈ মুহিছিল। তাৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ মাজত বেলি মাৰ যোৱা দৃশ্য মোৰ প্ৰাণৰ বস্তু আছিল। মই কলেজৰ প্ৰথম বাৰ্ষিক আৰু ভগৱতীপ্ৰসাদ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত পঢ়োতে আবেলি প্ৰায়ে দুয়ো পানী কলৰপৰা ভৰলুমুখলৈকে নৈৰ পাৰৰ আলিয়েদি ফুৰি ফুৰি নানা তৰহৰ কথাত পৰম প্ৰীতি লাভ কৰিছিলোঁ। এদিন আমি ফুৰি গৈ প্ৰায় ফাঁচীবজাৰৰ ঘাটৰ ওচৰ পাওঁতেই মহা পয়োভঁৰেৰে লুইতৰ বুকুত বেলিটি মাৰ গৈছে! দুয়ো সেই দৃশ্য উপভোগ কৰি কৰি সেই বিষয়ে আকৌ নানা কথা পাতিলোঁ। সেই দৃশ্যই মোৰ মনত যি করুণ ছবি আঁকি দিয়ে সেই বিষয়ে তেওঁক অলপ কব খুজিলোঁ। মোৰ সেই কল্পনা পট তেওঁৰ তেতিয়াই হেপাহৰ বস্তু হৈ পৰিল, আৰু তাক লেখনীৰে আঁকি দিবলৈ অনুৰোধ কৰিলে। তাৰেই ফল "ইন্দ্ৰধনুৰ" "সন্ধিয়া" কবিতা। সেই কবিতাটি পাই তেওঁ লিখিলে:—

"মৰমৰ নেওগ,

মোৰ পাবলগীয়া হয়নে নহয় কব নোৱাৰোঁ, তোমাৰ দিবলগীয়া কবিতাটিৰে সৈতে, তোমাৰ এধানমান পত্ৰখনি পাবৰ আজি ভালেমান দিন হ'ল। ইয়াৰ ভিতৰতে তুমি মোৰপৰা বহুত আগেয়েই শুনিবলৈ আশা কৰিছিলা। তোমাক নিৰাশ কৰিবৰ মোৰ স্বত্ব নাই, তোমাৰ মতে 'সত যোৱা' নোযোৱাৰ কথা এৰিও। দৰাচলতে, সততো নেযায়েই। মোৰ মনেৰে মোৰ অসমৰ্থতালৈ সহানুভূতিৰে লক্ষ্য কৰিলে তুমি ইমান সোনকালে নিৰাশ নোহোৱা।

তোমাৰ চিঠিৰ সমিধানত দুযাৰ লেখিবলৈ ইয়াৰ পূৰ্ব্বেও বহুত ছেগ পাইছিলোঁ। কিন্তু, অকল সিমানেই নহয়, মোৰ দুৱাৰডলিত তোমাৰ 'অতিথি' আহি থিয়। মই কৈছোঁ তোমাৰ কবিতাটোৰ কথা।

'সন্ধিয়াৰ' এটা ভাবে, তাৰ মুখ্য ভাবটোৱেই, মোক বিশেষকৈ মুগ্ধ কৰিছে। মই সদায়েই এই কথাটো অনুভৱ কৰো যে সন্ধিয়াৰ বিদায়ৰ বিষাদী সুৰ সত্য হয় কেৱল ৰাতিৰ আহ্বানতেইহে। দিনৰ 'তৰুণ'ৰপৰা সন্ধ্যাৰ বিদায় বিননি যিমানেই করুণ হক, সি এটা ডাঙৰ সত্যৰ কাৰণেহে মোৰ অন্তৰ পৱিত্ৰ কৰি তোলে—সি হৈছে ৰাতিৰ অনাদি গান।

দিনৰ সজাৰপৰা সন্ধিয়াৰ সুকওাইদি যেতিয়া আহি ৰাতিৰ মুকলি আকাশত ওলাওঁহি, তেতিয়া প্ৰাণত এই অনাদি গান আহি পৰেহি; সি আহ্বানৰ গান, মিলনৰ আহ্বান, অভিসাৰৰ আহ্বান। ওৰে দিনটোৰ ক্লান্তিৰ, অৱশতাৰ শেহত যি সন্ধিয়াৰ উৎসৱ, তাৰ সাৰ্থকতা ৰাতিৰ এই আৱাহনতেই। দিন সসীম, সংকীৰ্ণ, গোহালিৰ সজাত বন্দী; ৰাতি অসীম, অনন্ত, আন্ধাৰৰ প্ৰসাৰত মুক্ত। সঁচাকৈয়ে, এন্ধাৰ মই ভাল পাওঁ, ৰাতি মই ভাল পাওঁ। দিন অতি বাস্তৱ, সেইদেখি অতি কঠোৰ; তাৰ চাৰি সীমাই কল্পনাক নিদাৰুণভাৱে বান্ধি দিয়ে। ৰাতিত সেই বাধা নাই; তাত মাথো অনন্তৰ নিমন্ত্ৰণ। ৰবী ঠাকুৰৰ কবিতাৰ এঠাইত পঢ়িছিলোঁ।

"আঁধাৰ তাৰে ডাক দিয়েছে কেঁদে,
আলোক তাৰে ৰাখল না আৰ বেঁধে।"

তেতিয়া মোৰ এই অনুভূতিয়েই স্পষ্ট হৈ উঠিছিল আজি 'সন্ধিয়া'ৰ কবিৰ লেখাত যেতিয়া পঢ়িছোঁ—

"তিমিৰৰ অঙ্গে সঙ্গে          হিয়াৰ কবিতা মোৰ
ভৰি পৰে পূৰ হৈ সন্ধিয়া বায়ুৰে।

* * * *



হৃদয় পটত মোৰ          তেতিয়া নীৰৱে জ্বলে
শীতল আলোক ঢালি তৰা দীপলিপ,
হিয়াৰ উমাদ মোৰ          নাচে নাচে জুৰ কৰি
জ্বলি উঠে সুশীতল জোনাকী প্ৰদীপ;
গছে গছে নৈয়ে-বিলে          স্মৃতিৰ মুকুতা জ্বলে,
হিয়া মোৰ পূৰ্ণ আজি তাৰেহে মায়াৰে।"

তেতিয়া সেই ৰাতিৰ আহ্বান মোৰ কাণত আৰু সুমধুৰ গুঞ্জন হৈ বাজি উঠিছে। কিন্তু হায়! এতিয়াও কিজানি এই দিনৰ বন্দীশালতেই!

ৰাহী বিয়াৰ শূন্যতাৰ দৰে, উৎসৱৰ পাছত যি এটা হাঁহ থাকে, এই 'সন্ধিয়াৰ' কবিৰ লেখাতো তাৰ চিন দেখা যায়। ৰাতিৰ গহীনতাই কালত তাক ঢাকি পেলাব।

সমালোচকৰ 'ৰাই' লেখা নাই। লেখিবৰ যোগ্যতাও নাই। ইমানতেই মোৰ অতিথিৰ সৈতে এতিয়ালৈ মেলানি।

তোমাৰ চিঠিত লেখিছা, তোমাৰ জীৰ্ণ মন্দিৰ সংস্কাৰৰ কাৰণে সহায় লাগে। অজলা কৰি, মই Construction-অত নাই, Creationঅতহে। সঁচাকৈয়ে নিৰ্ম্মাণ কৰা বিষয়ত মই নিচেই অপটু; অপটু কিয়, অসমৰ্থ। সৃষ্টিহে মোৰ আদৰ্শ, তাতেইহে মোৰ আনন্দ। সেইদেখি আৰু...

নিজ দোষতেই তোমাৰ চিঠি-পত্ৰৰপৰা বঞ্চিত হৈ আছোঁ। আশাকৰো তুমি এইবাৰ টপৰাই লেখি মোৰ আচৰণৰ noble revenge লবা।

মোৰ ভাল। তোমাৰ মঙ্গল কামনা কৰো। ইতি।

তোমাৰ

মোগাৰি, জেঠ ১৫, ১৮৪২ ॥          শ্ৰীভগৱতীপ্ৰসাদ বৰুৱা।"

ভগৱতীপ্ৰসাদৰ সৌহাৰ্দ্দ, বন্ধুত্ব আৰু স্নেহৰ ওচৰত মই কিমানখিনি ঋণী, ঘপৰাই কব নোৱাৰো। আভিজাত্য সমৰ্থনত তেওঁক মই সদায় প্ৰতিবাদ কৰিছিলো, অভিজাতৰ কৰাই সদায় মোৰ স্বভাৱৰ লগত জীৰ্ণ নোযোৱা কথা, কিন্তু ভগৱতীপ্ৰসাদৰ এই সাহিত্যিক আৰু মানসিক আভিজাত্য আগেয়ে যেনে মোৰ শ্ৰদ্ধাৰ বস্তু আছিল, এতিয়াও তেনে, আৰু সম্ভৱ আগলৈকো তেনে থাকিব।

সাহিত্য-সেৱাৰ আদি ছোৱাত কেবাজনেও মোক মৰম কৰি হাত ধৰি আগবঢ়াই দিছিল, ভগৱতীপ্ৰসাদ যে তাৰ অন্যতম, তাক কোৱাই সৰহৰ ভাগ।

সাহিত্য-সেৱা লৰাৰ খেমালি বা নিবন্ধুৱাৰ বন নহয়, ই যে সাধনাৰ ধন, এই কথাও প্ৰথম বুজো ভগৱতীপ্ৰসাদৰ পৰাই। তেওঁলোকৰ উদ্যোগিতে যেতিয়া "বাঁহী"ত মোৰ কবিতাবোৰ ধাৰাবাহিকৰূপে ওলাবলৈ ধৰে, তেতিয়া ভগৱতীপ্ৰসাদক এদিন কথা প্ৰসঙ্গত কৈছিলোঁ—তেওঁৰ কবিতা আৰু প্ৰবন্ধবোৰো 'বাঁহী'ত উলিয়াবলৈ। তেতিয়া তেওঁ কৈছিল—'মোৰ তো সাহিত্যৰ তেনে সাধনা নাই!' অথচ বিনয়ৰ পৰাকাষ্ঠা দেখুৱাবলৈ নহয়,সৰল অন্তৰেৰে মই স্বীকাৰ কৰোঁ, সেই ভগৱতীপ্ৰসাদৰ সাহিত্য-সেৱাৰ যোগ্যতা মই আজিলৈকে আৰ্জ্জিব পৰা নাই! ডেকা অসমীয়া সাহিত্যসেৱীসকলৰ মাজত ভগৱতীপ্ৰসাদৰ সমকক্ষ সাহিত্যৰ চৰ্চ্চা আৰু বাতৰি থকা কেইজন আছে, মই কব নোৱাৰোঁ। সেইদেখিহে সদায় মনত এই ভাব হয়, সাহিত্যৰ প্ৰতিভা আৰু প্ৰকৃত সম্বল থকা সকলো লোকেই যে সাহিত্য ক্ষেত্ৰলৈ নামে, (সাহিত্য ক্ষেত্ৰলৈ নমা লোক মাত্ৰেই সাহিত্যৰ প্ৰতিভা আৰু প্ৰকৃত সম্বল থকাতো স্বতঃসিদ্ধ সত্য নহয়) সেইটো নহয়; অনেক সময়ত অধিক প্ৰতিভা আৰু শক্তিসম্পন্ন লোকেও সাহিত্য নদীৰ পাৰত থাকি, ক্ষীণ শক্তিৰ লোকসকলৰ সাঁতোৰৰ খেমালি চায়!

ভগৱতীপ্ৰসাদৰ সমালোচনাত আৰু অধিক মূল্য দিওঁ এই কাৰণে, তেওঁৰ বিচাৰত বন্ধু-বাৎসল্যৰ প্ৰভাৱ দেখা নাযায়। বহুত দিনৰ মূৰত এদিন তেওঁক লগ পাই কথা-বাৰ্ত্তা হওঁতে, তেওঁ মোৰ কোনো প্ৰবন্ধ বেয়া পালে, কবলৈ নেৰিছিল—"তোমাৰ লেখনী আজিকালি ঢিলাই দিছানে কি? নেকেৱল সম্পাদকৰ 'ফৰ্ম্মাছ' ৰক্ষা কৰিবলৈ সেইটো লিখিছিলা? অৱশ্যে তেনেকুৱা প্ৰবন্ধ আজিকালি আলোচনীত ওলায়, আন লেখকৰ প্ৰবন্ধ হলে, তাক ভালেই বুলিব লাগিলহেতেন! কিন্তু তাৰ তলত তোমাৰ নাম গৈ থকাত প্ৰবন্ধটো সেইদৰে শলাগিব নোৱাৰিলোঁ।"

কেনে মিঠা গালি! অথচ, কেনে ওখ প্ৰশংসাবাদ!

যোৱা ১৯৩২ চনৰ বৰদিনৰ বন্ধত ভগৱতীপ্ৰসাদৰ লগত মোৰ শেষ দেখা। কোনে জানিছিল আমাৰ সেয়ে শেষ দেখা হব বুলি! দুয়ো আহিছিলোঁ ভাটী গাৰীত যোৰহাটমুৱা হৈ—তেওঁ সোণাৰিৰপৰা,মই শিৱসাগৰৰপৰা। শিমলুগুৰি ষ্টেশ্বনত মোক দেখিয়েই তেওঁ মই যোৱা গাৰীখনলৈ আহিল। নানা ঘৰুৱা কথা ওলাল,— তেতিয়া যে দুয়ো সংসাৰী! বেলে যিমানখিনিলৈকে সময় দিলে দুয়ো কথা পাতিলোঁ,—সেইদিনা এৰা-এৰি হোৱাত সঁচাকৈয়ে ছাত্ৰ জীৱনৰ দৰে এটি দুখ অনুভৱ হৈছিল,—তেতিয়াও ভাবিব পাৰিছিলোনে যে সেই দুখ চিৰ বিচ্ছেদৰ! নানা কথাৰ মাজত তেওঁ কৈছিল—'মোৰ লৰাটিৰ গাৰ ভৰ তাৰ বয়সৰ সাধাৰণ ছাহাবৰ লৰাতকৈ সৰহ!' সেই সুশ্ৰী "দীপ" আৰু সোণৰ সংসাৰৰ সকলোকে এৰি আলসুৱা ৰূপহ কোঁৱৰ ভগৱতীপ্ৰসাদে চিৰশান্তিৰ কোলাত আশ্ৰয় ললে!


ছাত্ৰ জীৱন হোৱাৰপৰাই ভগৱতীপ্ৰসাদে পিতৃ-বিয়োগকে আৰম্ভ কৰি নানা বিপদকে লগ পাইছিল। মই ধুবুৰীত চাকৰি কৰা কালতে এদিন হঠাৎ তেওঁৰ বিয়াৰ চিঠিখনি পাওঁ। নিমন্ত্ৰণী চিঠিৰ লগত আৰু এখন চিঠি—"সেইদিনা তোমালোকক তাত নাপালে"— এনে কিবা এটি লিখিছিল। দুৰ্ভাগ্যক্ৰমে, মই যাব নোৱাৰিলোঁ, আৰু তেৱোঁ সেইদৰে মোৰ বিয়াত উপস্থিত হব নোৱাৰি এখন টেলিগ্ৰামেৰে বৰ-কন্যা উভয়কে মঙ্গল কামনা জনায়। মোৰ ভাৰ্য্যা সম্বন্ধত তেওঁৰ ভনীয়েক, গতিকে এই নতুন সম্বন্ধই আমাৰ পুৰণি সৌহাৰ্দ্দক নিশ্চয় দৃঢ় কৰিব খুজিছিল। কিন্তু ইমান তাকৰ সময়ৰ ভিতৰতে যে এইদৰে মই তেওঁৰ স্মৃতিৰ তৰ্পণ কৰিব লাগিব, ই স্বপ্নৰো অগোচৰ আছিল।

ভগৱতীপ্ৰসাদৰ সেই শোচনীয় মৃত্যুৰ অভাৱনীয় ঘটনাৰ আজি দুবছৰ হৈ গল, কিন্তু সি এতিয়াও "Wounds bleeding anew" ভগৱতীপ্ৰসাদক জনা লোকে সতকাই পাহৰিব নোৱাৰে আৰু স্বৰূপতে তেওঁৰ স্মৃতি পাহৰিব লগা কথা নহয়ো। এনে এজন ডেকাৰ এনে আকস্মিক অভাৱনীয় মৃত্যুত বহলভাৱে অসমীয়াই কি হেৰুৱালে তাৰ কথা নকলেও অসমীয়া সাহিত্যই, এই "fair pledges of a fruitful tree" ৰ হানিত কি হেৰুৱালে, তাক ভাবি নাচাই নোৱাৰিব। এই সম্পৰ্কত তেওঁৰ সুযোগ্য ভাই স্নেহাস্পদ শ্ৰীমান পাৰ্ব্বতীপ্ৰসাদে, তেওঁৰ লিখাখিনি গোটাই পুথিৰ আকাৰে প্ৰকাশ কৰি অসমীয়া সাহিত্যামোদীসকলক উপহাৰ দিবলৈ যো-জা কৰা বুলি জানি আমি সুখী হৈছো। ই তেওঁৰ অৱশ্য কৰ্ত্তব্য সাধনৰ বাহিৰেও, অসমীয়া সাহিত্যলৈ এটি অতি উপাদেয় দান হব বুলি আমি বিশ্বাস কৰোঁ।

ভগৱতীপ্ৰসাদ সদৌ অসমীয়া সাহিত্য সমাজত নিয়মিত ৰূপে প্ৰকাশিত হবলৈ নাপালে (মই "মিলন"ৰ সম্পাদক থাকোঁতে তেওঁৰপৰা কেতিয়াবা কিবা বিষয়ে কোনো টোকা আদি নিছিলো, তাত তেওঁৰ নাম প্ৰকাশ কৰিবলৈ তেওঁক কোনো কালে সম্মত কৰাব নোৱাৰিছিলো।) তেনেহলে ভগৱতীপ্ৰসাদক স্বৰূপতে সাহিত্যিক বা কবি বুলি প্ৰকাশ কৰি কব পাৰিনে? এই সন্দেহে, অৱশ্যে মোৰ অন্তৰত ঠাই নাপায়। সাহিত্যিক বা কবি বুলি যি ভাষাত এই প্ৰবন্ধ লেখকৰ নাম ওলাব পাৰে, ভগৱতী প্ৰসাদৰ নাম যে তাৰ বহুত ওপৰত থাকিব লাগিব, ই সুনিশ্চিত। চেপা তুলাপাতত তেওঁ তেওঁৰ নামটো 'জাহিৰ' কৰা নাছিল। তাৰ বিৰুদ্ধে ই কোনো কাম হব নোৱাৰে। মোৰ মানত সাহিত্যৰ নামে ভগৱতী প্ৰসাদে চেপাকলত নালাগে, তুলাপাতত ক'ল আঁক এটা নমৰা হলেও, ভগৱতীপ্ৰসাদ প্ৰকৃত কবি আৰু সাহিত্যিক বুলি বৰ্ত্তমান ভালেখিনি লেখকৰ আগত ঠাই পোৱা উচিত; কিন্তু কোনোৱে যদি অকল এই কথাৰেহে সাৰী বিচাৰে, আশাকৰো তেওঁৰ সুযোগ্য ভ্ৰাতৃৰ দ্বাৰা সংগৃহীত ৰচনা সমূহে সেই কাম কৰিব।

সঁচাকৈয়ে যদি ভগৱতীপ্ৰসাদে অসমীয়া সাহিত্যৰ উন্নতিৰ হকে বিশেষ একো দি যোৱা নাই, তেন্তে সেই দোষ হয়তো তেওঁৰ নহয়, সময় আৰু অৱস্থাৰ গাতেহে সেই জগৰ; প্ৰকৃত সৃষ্টিমূলক প্ৰতিভাৰ কাৰণে নিশ্চয় উপযুক্ত ক্ষণ লাগে, তেনে মুকলি বা-বতাহ লাগে। কি





৺ভগৱতীপ্ৰসাদ বৰুৱা

জুয়েল অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা

দান নহলেও, তেওঁৰ তাকৰীয়া বন্ধু-সমাজৰ ভিতৰত সাহিত্যৰ যি ওখ আদৰ্শ তেওঁ এৰি গৈছে, সিও অসমীয়া সাহিত্যলৈ নিচেই নগণ্য দান নহয়। শ্ৰীযুত বেণুধৰ শৰ্ম্মা, শ্ৰীযুত বজ্ৰকান্ত বৰকাকতী আদি অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠিতযশা বৰ্ত্তমান লেখকসকল তেওঁৰ সেই বন্ধু-সমাজৰে সভ্য। মানুহে বাহিৰে দেখা অকিঞ্চিৎকৰ প্ৰকাশৰ দ্বাৰাই সাধাৰণ লোকৰ সফলতা জোখে; কিন্তু তেনে নোহোৱা ঠাইত অকল আদৰ্শ আৰু ভাবৰ দ্বাৰায়ো তাৰ প্ৰকৃত জোখ লোৱা হব পাৰে। মহাকবি মিল্টনৰ অমোঘ বাক্যেৰে কবলৈ গলে—

"They also serve who only stand and wait."

---

# অষ্ট্ৰেলিয়া ভ্ৰমণ

শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি-এ, বি-টি

## লাহোৰৰপৰা কলম্বোলৈ

আমাৰ হাতত যি টকা-কৰি আছিল সেইবোৰ একে লগ কৰি এটা উমৈহতীয়া ভৰাল কৰা হৈছিল আৰু তাৰ হিচাব ৰাখিবৰ কাৰণে পণ্ডিৎজীক ভাৰ দিয়া হৈছিল। উমৈহতীয়া খৰচ কৰিব লগা হলে হগ্ ছাহাবৰ হুকুমমতে তেওঁৱেই কৰিছিল।

লাহোৰত টিকট কৰাৰ আগতে কোনে কোন শ্ৰেণীত যাব হগ্ ছাহাবে সুধি ললে। এজন প্ৰথম, দুজন দ্বিতীয় আৰু বাকী কেইজন তৃতীয় শ্ৰেণীত যাবলৈ ইচ্ছা কৰিলে; আমাৰ লোৱা দেখি প্ৰথম শ্ৰেণীত যাবলৈ ওলোৱাজনে লাজ পাই দ্বিতীয় শ্ৰেণীত যোৱাটোকেই স্থিৰ কৰিলে।

ৰাতি ৮ টাৰ সময়ত গাৰী গৈ ৰ'হটক্ ষ্টেশ্যন পালে। সেই ঠাইৰ স্কাউটবিলাকে ষ্টেশ্যনৰ প্লেট্‌ফৰ্ম্মত মেজ পাতি চাহ-মিঠাই আৰু নানা তৰহৰ ফল-মূল সজাই, হাতত একোধাৰি গোন্ধ-মালতী ফুলৰ মালা লৈ আমাক অভ্যৰ্থনা কৰিবৰ মনেৰে থিয় হৈ আছিল। তাত গাৰী মাত্ৰ ৫ মিনিট ৰয়। লৰালৰিকৈ সকলোৱে গাৰীৰপৰা নামি স্কাউটবিলাকক ধন্যবাদ দি চাহ খোৱাত লাগি গলো। কেইজনমানৰ খোৱা শেষ হবলৈ নৌ পাওঁতেই গাৰীৰ সুহুৰি পৰিল। তৎক্ষণাৎ সকলোৱে ফলবিলাক হাতে হাতে লৈ আহি গাৰীত উঠিলো।

গাৰী এৰি দিলে; পাঞ্জাবৰ ছৰ্দ্দাৰ অমৰ সিং নামে এজন স্কাউটাৰে বোঞ্জো নামে এবিধ বাদ্যযন্ত্ৰৰ সহায়েৰে গত বজাবলৈ ধৰিলে; আমি সকলোৱে সুৰৰ মাধুৰ্য্য উপভোগ কৰি মাজে মাজে তাল দি যাবলৈ ধৰিলো।

ৰাতি ১১ টাৰ সময়ত গাৰী গৈ ক'ছুৰ ষ্টেশ্যন পালে। তাৰ স্থানীয় স্কাউটবিলাকে ষ্টেশ্যনৰ প্লেট্‌ফৰ্ম্মত আমাৰ কাৰণে ৰাতিৰ ভোজনৰ দিহা কৰি অপেক্ষা কৰি আছিল। আমি গাৰীৰপৰা নামি তেওঁলোকৰ আতিথ্য গ্ৰহণ কৰিবলৈ গলো।

য'তে ত'তে স্কাউটবিলাকৰপৰা এইদৰে আদৰ অভ্যৰ্থনা পাই মনত যে কেনে আনন্দ লাগিছিল তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। বুজিব পাৰিছিলো আজি ভাৰতৰ—নহয় পৃথিবীৰ য'লৈকে যাওঁ তাতেই

এনেকুৱা এদল মৰমিয়াল ভাই পাম। কিন্তু ইমানতো কিবা এটা অভাব অনুভব কৰিছিলো। আজি যদি ভাৰতৰ প্ৰত্যেকজন ল'ৰাকে পৰস্পৰে পৰস্পৰক ভাই বুলি ভাবিবলৈ শিকাব পাৰিলোহেঁতেন, আজি যদি স্কাউট আন্দোলনৰ সহায়েৰে গোটেই ভাৰতৰ ছাত্ৰ সমাজৰ চিন্তা-ধাৰা একমুখী কৰিব পাৰিলোহেঁতেন, আজি যদি অন্ততঃ ১০ম স্কাউট আইনত সকলোকে দীক্ষিত কৰিব পাৰিলোহেঁতেন তেন্তে গোটেই জগতবাসী আজি ভাৰতৰ পিনে অৱজ্ঞাৰ চকুৰে নাচাই ভক্তিৰ চকুৰে চাবলৈ বাধ্য হ'লহেঁতেন। আজি ভাৰতত জাতি-ধৰ্ম্মৰ স্বাৰ্থান্ধবিলাকক পদদলিত কৰি দলে দলে জাগতিক ভ্ৰাতৃত্বৰ দূত বাহিৰ হ'লহেঁতেন, আৰু এদিন অশোকে ধৰ্ম্মযাজক পঠিয়াই তিব্বত, চীন, জাপান, ব্ৰহ্মদেশ, লঙ্কা আৰু প্ৰশান্ত মহাসাগৰৰ দ্বীপপুঞ্জবিলাকৰ অধিবাসীবিলাকক ভাৰতীয় মন্ত্ৰত দীক্ষিত কৰাৰ দৰে শান্তিকামী ভাৰতবাসীবিলাকে আজি জগতবাসীক ভাৰতীয় মন্ত্ৰত দীক্ষিত কৰি জগতত শান্তি স্থাপন কৰিবলৈ সমৰ্থ হ'লহেঁতেন। তেতিয়াহে স্কাউট আন্দোলনৰ উদ্দেশ্য ভাৰতত সফল হৈছে বুলি জানিলোহেঁতেন।

লাহে লাহে খোৱা-লোৱা শেষ কৰি ক'ছুৰৰ স্কাউট ভাইসকলৰপৰা বিদায় লৈ সকলোৱে গৈ আকৌ গাৰীত উঠিলো। ঘণ্টা পৰিল; গাৰী এৰি দিলে; আমিও বিছনা পাৰি নিদ্ৰাদেৱীৰ শৰণাপন্ন হলো।

## দিল্লী

ৰাতিপুৱা টোপনিৰপৰা সাৰ পাই দেখো যে গাৰী গৈ দিল্লী ষ্টেশ্বনত বৈ আছে। প্লেটফৰ্ম্মত কেইজনমান স্কাউট থিয় হৈ আমাৰ কাৰণে অপেক্ষা কৰি আছে। আমি লৰালৰিকৈ বিছনা-পত্ৰ গাৰীৰপৰা নমালো। এনেতে ভাৰতৰ স্কাউটসঙ্ঘ সংগঠনকাৰী সম্পাদক মহোদয় মিঃ থিডিয়চ্ আহি মোক লগ ধৰি ক'লে যে মোৰ জাহাজ ভাৰা পঠোৱাত যদিও পলম হৈছিল তথাপি তেওঁ সেইবোৰ অসুবিধা দূৰ কৰি দিছে, গতিকে এতিয়া মোৰ সেই বিষয়ে চিন্তাৰ কোনো কাৰণ নাই। মই শুনি বৰ সন্তোষ পালো আৰু তেখেতক ধন্যবাদ জনালো। দিল্লীৰ স্কাউটবিলাকে আমাৰ মালবিলাক নিৰাপদে ৰখাৰ ভাৰ ললে। আমি গা ধুবলৈ একোখন কাপোৰ আৰু গামোছা লগত লৈ দুখন লৰীৰে স্থানীয় সঙ্ঘৰ স্কাউট হেড্ কোৱাৰ্টাছলৈ যাত্ৰা কৰিলো।

লৰী লাহে লাহে দিল্লীৰ ৰাজবাটেদি যাবলৈ ধৰিলে; আমাৰ লগত যোৱা দিল্লীৰ দুজন স্কাউটাৰে চাৰিওফালৰ দৃশ্যবোৰ বুজাই যাবলৈ ধৰিলে; লগে লগে অতীতৰ স্মৃতিয়ো আহি মনত পৰিবলৈ ধৰিলে। এদিন এই ঠাই ইন্দ্ৰপ্ৰস্থ, হস্তিনাপুৰ ইত্যাদি নামেৰে অভিহিত হৈছিল; কুৰু-পাণ্ডৱৰ লীলাভূমি আছিল; স্বয়ং ধৰ্ম্মৰাজ যুধিষ্ঠিৰে ইয়াৰে সিংহাসনত বহি বিচাৰ কৰিছিল; দুৰ্ভিক্ষ বা অকালমৃত্যু হলে প্ৰজাই গৈ ৰজাৰ ওচৰত তাৰ প্ৰতিকাৰ দাবী কৰিব পাৰিছিল; নিচেই দুখীয়া প্ৰজা এজনেও গৈ ৰজাৰ ওচৰত গোচৰ দিয়াত কোনেও বাধা দিব নোৱাৰিছিল।

এদিন আকৌ বিদেশী লুণ্ঠনকাৰীৰ পাশবিক অত্যাচাৰত ঘৰে ঘৰে আৰ্ত্তনাদ উঠিছিল; আলিবাটেদি নিৰীহ অধিবাসীৰ তেজৰ নৈ বৈ গৈছিল; শতাব্দীৰ সঞ্চিত ধন-সম্পদৰ ভাণ্ডাৰ একেদিনাই শূন্য হৈছিল।

এদিন এই নগৰী অমৰাৱতী সদৃশ হৈ উঠিছিল; ইয়াৰ ধন-সম্পদৰ বাৰ্ত্তা দেশে বিদেশে প্ৰচাৰিত হৈছিল আৰু অৰ্থ-পিশাচসকলৰ লোলুপ দৃষ্টি ইয়াৰ ওপৰত পৰিছিল।

এই ঠাইতে ইতিহাসৰ পূৰ্ব্ব যুগৰপৰা আজিলৈকে শত শত ৰাজবংশই এটাৰ পাছত এটাকৈ ৰাজত্ব কৰি আহিছে। যুগে যুগে এই ঠাই ডোখৰৰ পৰিৱৰ্ত্তনৰ কথা ভাবিলে ভগৱানৰ এইবোৰ লীলাখেলাৰ উদ্দেশ্য বুজা বৰ কঠিন যেন লাগে।

প্ৰাচীন দিল্লীৰ চাৰিওপিনে এখন ওখ প্ৰাচীৰ আৰু ভিতৰলৈ সোমাবৰ কাৰণে আঠখন দুৱাৰ আছিল। আজিকালি ঠায়ে ঠায়ে সেই প্ৰাচীৰৰ ভগ্নাৱশেষ আছে।

লাহে লাহে লৰী গৈ আমাৰ গন্তব্য স্থান পালে। সকলোৱে নামি গৈ গা-পা ধুই চাহ জলপান খাই নতুন দিল্লী চাবলৈ ওলালো।

আকৌ লৰী পুৰণি দিল্লীৰ আলিবাটেদি যাবলৈ ধৰিলে। বাটত কলিকতাৰ নিচিনা মানুহৰ সমাগম নাই, মটৰ আদিৰ যাতায়াতো কম। ঠায়ে ঠায়ে ঘৰবিলাক ভগ্নাৱশেষ বুলিলেও অত্যুক্তি নহয়। প্ৰাচীন নগৰৰ প্ৰাচীৰৰ ভগ্নাৱশেষবিলাক দেখিলে অন্তৰৰপৰা এটি দীঘল হুমুনিয়াহ ওলায়।

প্ৰাচীৰ পাৰ হৈ গৈ আমি হঠাৎ এটি চাফচিকোন বহল আলিবাটত সোমালো। বাটৰ দুয়োকাষে সমান ওখ দুশাৰী গছ; আগলৈ চালে চকুৰে মনিবপৰা, দূৰলৈ বাটটো কাঁৰৰ নিচিনা পোন।

তাৰ পিছত যিমানবোৰ আলিবাট পালো আটাইবোৰেই একে ৰকমৰ। আলিবাটৰ প্ৰত্যেক চ'কতে এজন পুলিছ থিয় হৈ আছে। বাটবিলাক প্ৰায় জনশূন্য; মাজে মাজে দুই এখন মটৰ গাৰী আৰু দুই এজন মানুহ অহা-যোৱা কৰা দেখিবলৈ পোৱা যায়। ঠায়ে ঠায়ে দুই এটি নতুন দালান আৰু তাৰ আগফালে ধুনীয়া ধুনীয়া ফুলনি। এইবোৰ দেখি এইখন কি বুজিবলৈ বাকী নাথাকিল।

ভাৰতত ইংৰাজ ৰাজত্বৰ যুগমীয়া চিনস্বৰূপে 'নতুন দিল্লী' নাম দি বৰ্ত্তমান ইয়াতে ভাৰতৰ ৰাজধানী পাতিছে। পুৰণি ইতিহাসবোৰ বাদ দি বৰ্ত্তমান যুগত এই ঠাই সম্বন্ধে যি ইতিহাস পোৱা যায় সেই মতে নতুন দিল্লীক আঠৈ চহৰ বুলি কোৱা হয়। ক্ৰমান্বয়ে সেই চহৰবোৰৰ নাম তলত দিয়া হ'ল, যেনে,—কুটব, ছিৰি, টোগলকাবাদ, জাহানপনা, ফিৰোজাবাদ, পুৰাণ কিল্লা, চাহজাহানাবাদ আৰু নতুন দিল্লী।

১৯১১ খৃষ্টাব্দৰ ডিচেম্বৰত দিল্লীৰ দৰবাৰত সম্ৰাট পঞ্চম জৰ্জ্জে ৰাজধানী কলিকতাৰপৰা দিল্লীলৈ নিয়া কথা ঘোষণা কৰে আৰু ১৯৩১ খৃষ্টাব্দৰ ফেব্ৰুৱাৰিত ৰীতিমতে নতুন দিল্লী খোলা হয়।

## ভাইছ্ ৰিগেল্ লজ্জ্

আমাৰ লৰী লাহে লাহে ভাইছ্ ৰিগেল্ লজ্জৰ পিনে আগ চাপি যোৱাৰ লগে লগে বাটত পুলিছবিলাকে লৰী যাই যোৱাৰ উদ্দেশ্যে সুধি সুধি বাট এৰি দিবলৈ ধৰিলে। এইদৰে গৈ আমি লজ্জৰ সন্মুখৰ বহল চোতালত নামিলো।



এজন কৰ্ম্মচাৰী আহি আমাৰ নেতা হগ্ ছাহাবৰ লগত কথাবাৰ্ত্তা হ'ল। তাৰ পিছত হগ ছাহাবে আমাক শাৰী কৰাই তালবুলনত (marching) এডোখৰ ঠাইলৈ নি তাত অৰ্দ্ধবৃত্তাকৃতিত থিয় কৰালে। অলপ সময়ৰ পিছত আন এজন কৰ্ম্মচাৰী আহি আমাক চাই-চিতি ভিতৰলৈ যাবলৈ ক'লে। ভিতৰলৈ গৈ আমি এখন ধুনীয়া বাগিচাত উপস্থিত হলো। বাগিচাখন চাবলৈ আমাক মাত্ৰ ২০ মিনিট সময় দিলে।

গোটেইখন বাগিচা লৰালৰিকৈ চাব খুজিলেও অন্ততঃ দুঘণ্টা সময় লাগে, গতিকে ২০ মিনিটৰ ভিতৰত তাৰ যে এক চতুৰ্থাংশও চাব নোৱাৰিম এই কথা বুজিব পাৰি প্ৰত্যেকে লৰালৰিকৈ নিজ নিজ অভিৰুচিমতে পকৰাৰ দৰে যি যেনি পালো সেইফালে সোমাই গৈ বাগিচাৰ সৌন্দৰ্য্য চাবলৈ ধৰিলো।

জগতৰ প্ৰায় সকলোবোৰ ধুনীয়া ধুনীয়া ফুল তাত থকা যেন লাগিল। মাজে মাজে পুখুৰী; তাত জলজ ফুলবিলাকৰ অপৰূপ সৌন্দৰ্য্য বিৰাজ কৰিছে। কোনো ঠাইত বা কৃত্ৰিম উপায়ে সজা জল প্ৰপাতৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপচি পৰিছে। ঠায়ে ঠায়ে চেৰেকা-পানী ওলাই বৰষুণ পৰা দি কুসুম-কুঞ্জবিলাকৰ ওপৰত পৰি সেইবিলাক জকমকীয়া কৰি তুলিছে। আন এঠাইত ভৰকা ফুটাৰ দৰে মাটিৰ তলৰপৰা পানী ওলাই জলাশয়ৰ সৃষ্টি কৰিছে, অথচ সেই জলাশয়ৰ পানী উপচি নপৰাকৈ ৰখাৰ সুন্দৰ বন্দৱস্ত আছে। ঠায়ে ঠায়ে কুঞ্জলতাৰ নিকুঞ্জ কানন। এঠাইত চাহ গছৰ নিচিনা জুপুৰা-জুপুৰা গছ কিছুমানত টিকটিকীয়া ৰঙা ফুলবোৰ দেখি তাৰ ওচৰলৈ গৈ চাওঁ যে সেইবোৰ ফুল নহয় ফলহে। পিছত খবৰ কৰি জানিব পাৰিছিলো যে সেই ফলবিলাকৰপৰা একৰকমৰ বহমূলীয়া আচাৰ তৈয়াৰ হয়। মাজে মাজে দুই এজোপা ওখ গছ; সেই গছবোৰ দেখিলে কোনোবাই চাৰিওপিনে কেচিৰে কাটি সমানকৈ ৰখা যেন লাগে, কিন্তু সেইবোৰ স্বাভাৱিকতে তেনে।

বাগিচাৰ মাজে মাজে আগবাঢ়ি যোৱাৰ লগে লগে নতুন সৌন্দৰ্য্য চকুৰ আগত পৰিবলৈ ধৰিলে; কিন্তু দুখৰ

বিষয় যে সৌন্দৰ্য্য চোৱা হেপাহ বৃদ্ধি হোৱাৰ লগে লগে আমাৰ নিৰ্দ্দিষ্ট সময়বো অন্ত পৰিল। চুম্বকে লো টনাৰ নিচিনা অনিচ্ছা সত্বেও নিৰ্দ্দিষ্ট সময়ত হগ ছাহাবে সকলোকে টানি আনিলে।

ভাইছ বিগেল্ লজ্জ আৰু বাগিচাৰ মাজত থকা সৰু চোতাল এখনত সকলোৱে অৰ্দ্ধবৃত্তাকৃতিত থিয় হলো। ভাইছৰয় 'লজ্জ'ত নাছিল, গতিকে ভাইছৰিণ আহি যাতে আমি জগতৰ স্কাউটৰ মহামেলাত ভাৰতৰ নাম উজ্জল কৰি ঘূৰি আহিব পাৰো তাৰ বাবে দঢ়াই কৈ আনন্দেৰে জয়ধ্বনীলৈ বিদায় দিলে।

ফজ্জাসিং আৰু ৰঘুবীৰসিং নামে দুজন পাঞ্জাবী স্কাউটে লাঠি-খেল আৰু সুদৰ্শন-চক্ৰৰ খেলা দেখুৱাই ভাইছৰিণক আনন্দিত কৰাৰ পিছত আমাক ভাইছ-ৰিগেল্ লজ্জৰ ভিতৰ খন ঘূৰি-পকি চাবলৈ কৈ তেওঁ আমাৰপৰা বিদায় ললে।

আমি প্ৰায় দুঘণ্টামান সময় ই কোঠাৰপৰা সি কোঠালৈ, এক তালাৰপৰা দোতালালৈ, দোতালাৰপৰা তেতালালৈ দৌৰাদৌৰিকৈ ঘূৰি ঘূৰি 'লজ্জ'ৰ প্ৰায় এক তৃতীয়াংশও চাব নোৱাৰিলো।

'লজ্জ'ত থকা প্ৰত্যেকখন চকীয়েই একোখন সিংহাসনৰ নিচিনা। কোনো কোনো কোঠাত প্ৰায় ৩০।৪০ খন তেনেকুৱা চেয়াৰ আছে। একোটা কোঠাৰ সৰঞ্জামবোৰ দেখিলে একোজন সৰু সৰু ৰজাৰ গৃহসজ্জাৰ সকলোবোৰ সামগ্ৰী থকা যেন লাগে।

'লজ্জ'ৰ ওপৰৰ মহলাৰপৰা চাৰিওপিনে নতুন দিল্লীৰ অপূৰ্ব্ব দৃশ্যবোৰ দেখা যায়। 'লজ্জ'ক কেন্দ্ৰ কৰি চাৰিও-পিনে আলিবাটবোৰ চকুৰে মনিব পৰালৈ কাঁৰৰ নিচিনা পোন। দক্ষিণে প্ৰায় ৭ মাইলমান দূৰৈত পাঠান সম্ৰাট কুটবুদ্দিনৰ কীৰ্ত্তি 'কুটবমিনাৰ' থিয় হৈ আছে। 'লজ্জ'ৰ ওচৰত থকা বৃত্তাকাৰ 'এছেমব্লি-হল্'টো হাতীৰ ওচৰত পোৱালি থিয় হৈ থকা যেন দেখি। আমাৰ লগৰ স্কাউটাৰ কেজনমানে চাৰিওকালৰ দৃশ্যবোৰৰ ফটো ললে। তাৰ পিছত সকলোৱে তললৈ নামি আহিলো।

ঢেন্‌কানাল্ ষ্টেটৰ ৰাজকুমাৰ গৌৰেন্দ্ৰ প্ৰতাপ সিংহই ৰজাৰ লগত আহি আগেয়ে দুই তিনিবাৰ 'লজ্জ'টো চাই গৈছে। তেওঁ কলে যে লজ্জৰ তলত আন এটা মহলা আছে, তাত সৈনিকবোৰ থাকে। আমাৰ ভাগ্যত কিন্তু সেই মহলাটো দেখা নহল।

'লজ্জ'ৰপৰা আহি আমি 'হোটেল ইণ্ডিয়া'ৰ আগত নামিলো। নতুন দিল্লীত এইটোৱেই উৎকৃষ্ট হোটেল। আমাৰ কাৰণে 'লাঞ্চ' অৰ্থাৎ মধ্যাহ্ন ভোজনৰ আয়োজন তাতেই কৰা হৈছিল।

আমি নামি গৈ হাত-মুখ ধুই আসন অধিকাৰ কৰিলো। মই কিন্তু এইবাৰ পণ্ডিতজীৰ ওচৰত বহিবলৈ পাহৰা নাই। লাহে লাহে এখন এখনকৈ থাল আহি টেবুল ভৰি পৰিল। আমি নিৰামিষাশী বুলি কোৱাত সেইমতে থাল আহিবলৈ ধৰিলে। লগে লগে কাটা চামুছৰ ঠন্‌ঠননি উঠিল।

যদিও ছ মাহ আগেয়ে কাটা-চামুছেৰে খোৱা অভ্যাস কৰিবলৈ আমাক জনাই দিয়া হৈছিল তথাপি বহুতৰ ভাগ্যত সেইফেৰা ঘটা নাছিল। লৰালৰিৰ কোবত দুই এজনৰ হাতৰপৰা কাটা-চামুছ উফৰি গৈ পকা মজিয়াত পৰি সকলোৰে মন আকৰ্ষণ কৰিবলৈ ধৰিলে। খানচামাই আকৌ নতুন কাটা-চামুছ আনি দিবলৈ ধৰিলে। দুই এজনে কাটাৰে হানি হানি ৰুটিৰ টুকুৰা কাটাৰ মুখত তুলিব নোৱাৰি আধা-পেটী হোৱাৰ ভয়ত ইফালে সিফালে চাই লাহেকৈ হাতেৰেই মুখত ভৰাবলৈ ধৰিলে।

যিবিলাকে আগৰপৰা কাটা-চামুছৰ ব্যৱহাৰ অলপ অলপ জানিছিল তেওঁলোকে সগৰ্ব্বে কেৰাহিকৈ আন-ফালে চাবলৈ ধৰিলে; কাৰো মুখত মাত বোল নাই, সকলোৱে খোৱাত ব্যস্ত। কোনো আজ্ঞাতেই লোক নিদিয়ে, আগত থকা বটলৰপৰা ঢালি লৈ নিজে নিজে পানি খাব লাগে। যি হওক সকলোৱে খোৱা লোৱা শেষ কৰি দিল্লীৰ দুৰ্গ চাবলৈ গলো।

দিল্লী নাইবা আগ্ৰাৰ দুৰ্গৰ ভিতৰলৈ যাব লাগিলে দুঅনা পইছাৰ একোখন টিকট কিনি লৈহে যাব পাৰি। আগ্ৰাৰ তাজমহল, ছিকেণ্ডাৰ, ইতিমট্-উদ্দৌলা ইত্যাদি জগতবিখ্যাত কীৰ্ত্তিবোৰ বিনা পইছাই ভিতৰ সোমাই চাব পাৰি, কিন্তু এই দুৰ্গবোৰ চাবলৈ হলে দুঅনা জৰিমনা দিব লাগে; ইয়াৰ অৰ্থ ভালকৈ বুজিব নোৱাৰিলো।



আগ্ৰাৰ দৰে দিল্লীৰ দুৰ্গও পুণ্যসলিলা যমুনাৰ পাৰত অৱস্থিত আৰু চাৰিওপিনে খাল গৰখাইৰে দ্বাৰা বেষ্টিত। গৰখাইৰ পাৰবোৰ থিয় আৰু পকাবন্ধা; তাত সদায় পানী থাকে আৰু মানুহ আদি পৰিলে বিনা সহায়ে তাৰপৰা উঠিবৰ কোনো উপায় নাই।

আমি টিকট কাটি ভিতৰলৈ সোমাই গলো। মোগল সম্ৰাটৰ দিনত এই দুৰ্গবোৰৰ ভিতৰতেই ৰাজ-হাউলি আছিল। আমি চাৰিওফালে ঘূৰি সেইবোৰ চালো। ৰাজ-হাউলিৰ দালানবোৰ বগা মাৰ্ব্বল শিলেৰে তৈয়াৰি। দালানৰ বেৰবোৰত নানা ৰকমৰ কাৰুকাৰ্য্য কৰা আছিল আৰু এতিয়াও তাৰ কিছু কিছু চিন আছে। এসময়ত কোঠাবিলাক নিশ্চয় নানা ৰকমৰ বহুমূলীয়া সাজ-সৰঞ্জামেৰে জকমকীয়া হৈ আছিল, কিন্তু এতিয়া উদং। এই দুৰ্গৰ ভিতৰতেই বুৰঞ্জী বিখ্যাত 'মতি-মছ্‌জিদ্'। যদিও ই আকাৰত সৰু তথাপি ধুনীয়া। স্থপতি বিদ্যাৰ কৌশল আৰু বাগিচাবোৰৰ পৰিপাটিতালৈ লক্ষ্য কৰিলে বৰ্ত্তমান যুগৰ কামবিলাক সেইবোৰৰ অনুকৰণ বুলি দৃঢ় বিশ্বাস হয়। আজিকালি দুৰ্গৰ এটা অংশত গোৰা ছিপাহী কিছুমান বাস কৰে।

এইবোৰ চাই-চিতি আমি ওলাই আহিলো। দিল্লীতকৈ আগ্ৰাৰ দুৰ্গৰ স্থপতি বিদ্যাৰ কৌশল আৰু কাৰুকাৰ্য্য বিলাক বহুত গুণে শ্ৰেষ্ঠ যেন লাগিল।

'হোটেল ইণ্ডিয়া'লৈ আহি সকলোৱে আকৌ চাহ-জলপান কৰিলো। এইবোৰৰ খোৱা খৰচ কোনে দিলে গমকে নাপালো; লাজত সোধাও নহল। তাৰপৰা ৰেলৱে ষ্টেশ্যনলৈ আহি গধূলি ৬টা বজাত মাদ্ৰাজলৈ যাত্ৰা কৰিলো।

আমি যদিও গাৰী ৰিজাৰ্ভ কৰা নাছিলো তথাপি ৰেলৱে কৰ্ত্তৃপক্ষই অনুগ্ৰহ কৰি আমাৰ কাৰণে এখন গাৰী দিল্লীৰপৰা মাদ্ৰাজলৈ ৰিজাৰ্ভ কৰি দিলে; গতিকে আমি গাৰীত আহল-বহলকৈ শুই যোৱাৰ বন্দবস্ত কৰি ললো।

ৰাতিপুৱা ৭টা বজাত ভূপাল ষ্টেশ্যন পালো। হাত মুখ ধুই সকলোৱে চাহ-জলপান কৰিলো, কিন্তু দুখৰ বিষয় যে চহৰখন চাবলৈ সুযোগ নাপালো। ষ্টেশ্যনত নানা ৰকমৰ ফল ওলাইছিল, খাবলৈ তাৰে কিছুমান কিনি ললো। ভূপাল ষ্টেশ্যন এৰি গৈ গাৰী বিন্ধ্যা পৰ্ব্বতৰ মাজে মাজে যাবলৈ ধৰিলে। আমি চাৰিওফালে পৰ্ব্বতৰ প্ৰাকৃতিক সৌন্দৰ্য্য চাবলৈ ধৰিলো।

আমাৰ অসমৰ পাহাৰবোৰৰ লগত বিন্ধ্যাচলৰ পাহাৰবোৰ মুঠেই নিমিলে। অসমৰ পাহাৰবোৰত অটব্য হাবি, কিন্তু বিন্ধ্যাচলৰ পাহাৰবোৰত পাতল শল্‌শলীয়া গছবোৰ; ইয়াক মাটীয়া পাহাৰ বুলিলেও অত্যুক্তি নহয়। অসমৰ পাহাৰবোৰ প্ৰাকৃতিক গাম্ভীৰ্য্য পূৰ্ণ, কিন্তু বিন্ধ্যাচল তেনেকুৱা যেন নালাগিল।

কালিদাসৰ দিনত বিন্ধ্যাচলৰ প্ৰাকৃতিক সৌন্দৰ্য্য কেনেকুৱা আছিল কব নোৱাৰো, আৰু আজিকালিও যদি ৰেল লাইনৰপৰা আঁতৰত ইয়াৰ কোনো অংশত প্ৰকৃতি দেৱীয়ে তেওঁৰ খেলা পাতিছে তাকো দেখা নাপালো, কিন্তু মনত ধাৰণা হ'ল যে কবিকুল শিৰোমণি কালিদাসৰ লেখনীৰ কোবত বিন্ধ্যাচলৰ নাম ভাৰতত চিৰস্মৰণীয় হৈছে। যি হওক ৰাতিপুৱা পাহাৰৰ মাজে মাজে গৈ বৰ ভাল লাগিছিল।

বিন্ধ্যাচল পাৰ হৈ দাক্ষিণাত্যৰ মালভূমিত প্ৰৱেশ কৰিলো। বস্তিবিলাক পাতল; ঘৰবোৰ খেৰৰ বা তালপাতৰ; মাজে মাজে দুটা এটা টিনৰ; একোখন গাঁৱত ১৫।২০ ঘৰৰ বেছি মানুহ বাস কৰে যেন নালাগিল; গাওঁবোৰত অসমৰ নিচিনা কল, বাঁহ বা তামোল গছ নাই, কিন্তু তাৰ পৰিৱৰ্ত্তে নাৰিকল, তাল, খেজুৰ আৰু আন আন কিছু গছ আছে। পথাৰৰ মাজত কুঁহিয়াৰৰ খেতি কৰাৰ দৰে তাৰ খেতিয়কবিলাকে কলৰ খেতি কৰে, কিন্তু কলবাগিচাৰ চাৰিওপিনে জেওৰা নাই। এইবোৰ দেখি অনুমান হয় যে তাত গৰু উদং দিয়া নিয়ম নাই, খেতিয়কবিলাকে ঘাইকৈ গোমধান, মাকই আৰু য'ধানৰ খেতি কৰে। খেতি পথাৰৰ মাজে মাজে নাৰিকল আৰু খেজুৰৰ বাগান। যদিও বস্তিবিলাক পাতল তথাপি ক'তো এটুকুৰা মাটি জঙ্গল হৈ পৰি থকা নাই।

অসমৰ নিচিনা তাৰ খেতিয়কবিলাকে বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি বহি থাকিব নোৱাৰে, কাৰণ যি সময়ত

তেওঁলোকে খেতি কৰিব লাগে সেই সময়ত তাত যথেষ্ট বৰষুণ নহয়; গতিকে আন উপায়ে খেতিপথাৰত পানী যোগাব নোৱাৰিলে তেওঁলোকে খেতি কৰিব নোৱাৰে। সেইদেখি তাত অতি পুৰণি কালৰপৰা পথাৰৰ মাজত ওখ ঠাইত ডাঙৰ ডাঙৰ পুখুৰী খান্দি বৰষুণৰ পানী জমা কৰি ৰখাৰ বন্দবস্ত আছিল। সময়মতে সেই পানী নলা কাটি উলিয়াই নি খেতি পথাৰত যোগাইছিল।

আজিকালি গৱৰ্ণমেণ্টে সেই প্ৰণালীবোৰ নানা ৰকমে উন্নত কৰি ইচ্ছামতে খেতি পথাৰত পানী যোগাবপৰা কৰি দিছে; গতিকে আজিকালি তাত খেতিৰ হৰণ-ভগন নাই।

অন্নপূৰ্ণা ৰত্নগৰ্ভা আইৰ শস্যৰাজিসুশোভিত পথাৰৰ মাজে মাজে গৈ আবেলি ৪ বজাত নাগপুৰ পালো। নাগপুৰৰ স্থানীয় স্কাউট আৰু স্কাউটাৰ কেজনমানে আমাৰ কাৰণে প্লেটফৰ্ম্মত চাহ-জলপানৰ বন্দবস্ত কৰিছিল। আমি গৈ তেওঁলোকৰ আতিথ্য গ্ৰহণ কৰিলো। তাৰ পিছত তেওঁলোকে বাটত খাবলৈ আমাৰ কাৰণে পাচিয়ে পাচিয়ে নানা ৰকমৰ ফল আনি গাৰীত ভৰাই দিলে। আমি তেওঁলোকক ধন্যবাদ দি বিদায় ললো।

দাক্ষিণাত্যৰ ষ্টেশ্যনবোৰৰ শিক্ষিত কৰ্ম্মচাৰীবিলাকৰ মূৰত ডাঙৰ ডাঙৰ খোপা আৰু কপালত দীঘল দীঘল ফোঁট। ভাষা তামিল নাইবা তেলেগু। বৰ্ত্তমান ভাৰতত নতুন সভ্যতা পোৱা কিছুমান মানুহৰ মতে বোধ হয় তেওঁলোকে এতিয়াও সভ্যতাৰ জখলাত ভৰি দিব পৰা নাই। ষ্টেশ্যনৰ ফেৰিৱালাবিলাকৰ মুখত তামিল নাইবা তেলেগু ভাষাৰ চিঞৰবোৰ শুনি এখন নতুন ৰাজ্যত উপস্থিত হোৱা যেন লাগিছিল। উত্তৰ ভাৰতত এনেকুৱা অসুবিধা কৰিব পৰা নাছিলো। তেওঁলোকৰ এটা শব্দও আমি বুজিব নোৱাৰো; তেওঁলোকেও হিন্দী নুবুজে। ... দৰাব লাগিলে ভঙা ভঙা ইংৰাজীত টকা, অনা, পইছাবোৰ কলে বুজি পায়।

পিছদিনা ৰাতিপুৱা ৮টা বজাত কৃষ্ণা নৈৰ দলং পাৰ হলো। দাক্ষিণাত্যৰ নৈবিলাক যদিও সৰু সৰু ... বৰষুণৰ দিনত পানীৰ সোঁত বৰ প্ৰবল হয় আৰু পাৰ বাগৰি নৈবোৰ বহল হৈ পৰে, সেই কাৰণে ৰেলৰ দলংবোৰ দীঘল আৰু মজবুত।

মাদ্ৰাজ পাবলৈ আৰু বেছি দূৰ নাই, এনেতে বঙ্গোপসাগৰৰ মনমোহা দৃশ্য চকুত পৰিল। জীৱনত এয়েই প্ৰথম সাগৰ দৰ্শন। ধীৰ, স্থিৰ, প্ৰশান্ত বঙ্গোপসাগৰৰ দৃশ্য দেখি আপোনা-আপুনি মূৰ দোঁ খাই আহিল। তাৰ পিছত আকাশীযান উৰি যোৱা দেখিলে সৰু সৰু লৰা-ছোৱালীবিলাকে যি দৰে মুখ মেলি ওপৰলৈ চাই থাকে আমাৰো ঠিক তেনে অৱস্থা হ'ল; কিন্তু গাৰী শুৰুঙ্গৰ ... গৈ নাৰিকল জঙ্গলৰ মাজত সোমাই সাগৰৰ দৃশ্য অদৃশ্য কৰি পেলালে।

[ আগলৈ ]



# ইটালি এবিছিনিয়াৰ বাদ-বিসম্বাদ

— শ্ৰীযুত লোহিতচন্দ্ৰ নায়ক বি-এল

১৯১৮ চনৰ শেহ ভাগত যেতিয়া য়ুৰোপীয় মহাযুদ্ধৰ অৱসান হয় তাৰ পৰে তেতিয়া য়ুৰোপীয় শক্তিপুঞ্জ ঘোৰ অৰ্থসঙ্কটৰ দুৱাৰডলিত উপনীত হৈছিল, প্ৰায় দেউলীয়া হবৰ উপক্ৰম হৈছিল। আৰু সেই অৰ্থসঙ্কট সমগ্ৰ পৃথিবীতে বিয়পিছিল। কৃষিশিল্পাদি ধ্বংসোন্মুখী হৈছিল, বেহাবেপাৰ কেন্দ্ৰভ্ৰষ্ট হৈছিল আৰু টকাৰ বজাৰত গুৰুতৰ বেমেজালি হৈছিল। তেতিয়া য়ুৰোপৰ ৰাজনীতিৰ বিধাতাসকলে অনুভৱ কৰিছিল যে যুদ্ধৰ শেহান্তৰত পৃথিবীত ঘোৰ অশান্তি উপস্থিত হব। এই কাৰণে আমেৰিকাৰ প্ৰেছিডেণ্ট উড্ৰো উইলছন ছাহাবৰ উদ্দাণিত ৰাজনৈতিক বৰমূৰীয়াসকলে একে লগ হৈ উপায় উদ্ভাৱনত মনপুতি লাগিছিল যাতে দূৰ ভবিষ্যততো এনেকুৱা জগতধ্বংসকাৰী যুদ্ধবিগ্ৰহ নহয়। এই উদ্দেশ্যে ১৯১৯ চনৰ ১৮ জানুৱাৰিত এটি শান্তি



এবিছিনিয়াৰ পুব-দক্ষিণ অঞ্চলৰ এজনী সৰু ছোৱালী

সন্মিলন আহূত হৈছিল আৰু তাতেই জাতিসঙ্ঘৰ বিখ্যাত সন্মতিপত্ৰ (Covenant) লিপিবদ্ধ কৰা হৈছিল আৰু তাত সৰ্ত্ত আছিল যে সকলো জাতিয়ে আন্তৰ্জ্জাতিক শান্তি আৰু বসুধৈৱকুটুম্বক ভাতৃভাব ৰক্ষা কৰিব। কিন্তু যুদ্ধৰ শেহ ভাগৰ ইতিহাস যিবিলাকে জানে তেওঁবিলাকৰ অবিদিত



হেৰাৰ প্ৰদেশৰ এজন আৰব


নাই যে যদিও জাতিসঙ্ঘ প্ৰেছিডেণ্ট উইলছনৰ বুদ্ধি নিসৃত এটি মহাধাৰণা তথাপি তাৰ সৰ্ব্বমঙ্গল বিধায়ক সুফল কাৰ্য্যত পৰিণত হোৱা নাছিল আৰু সেই দহ বছৰ য়ুৰোপ মুঠেই শান্তিময় নাছিল। বৃহৎ শক্তিবিলাকে বা জয়ী শক্তিসমূহে নিজক নিৰস্ত্ৰ নকৰি যুঁজৰপৰা ভৰিলৈকে সাজপাৰে সুসজ্জিত হৈছিল। এই কথাষাৰৰ সাৰবত্তা প্ৰত্যেক শক্তিৰ সৈন্যবিভাগৰ বিপুল খৰচেই চানেকি দিব। জাতিসঙ্ঘৰ হীনবীৰ্য্যতা আৰু অকৰ্ম্মণ্যতা তেতিয়াই পৃথিবীৰ সকলো মানুহৰ চকুত প্ৰতীয়মান হৈছিল যেতিয়াই চীন আৰু মাঞ্চুৰিয়াক জাপানৰ আক্ৰমণৰপৰা ৰক্ষা কৰিব নোৱাৰিলে আৰু বলিভিয়া আৰু পেৰেগুৱেৰ বিবাদ ভঞ্জন কৰিব নোৱাৰিলে। বৰ্ত্তমানত সমস্ত জগতৰ

মনোযোগ আকর্ষণ কৰিছে ইটালি এবিছিনিয়া সমস্যাই। ইয়ো এটা জাতিসঙ্ঘৰ সাৰশূণ্যতাৰ দৃষ্টান্ত বুলি অনুমিত হব ধৰিছে।



এবিছিনিয়াৰ গেলাম প্ৰদেশৰ এজন অধিবাসী

এবিছিনিয়াৰ পুৰণি ইতিহাস অন্ধকাৰ সমাচ্ছন্ন। ইয়াৰ আগৰ নাম ইথোপিয়া। ইয়াৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হয় ছেবাৰ ৰাণী মেকেদাৰ দিনৰপৰা। মেকেদাই খৃঃ পূঃ হেজাৰ বছৰৰ আগেয়ে এবিছিনিয়াত ৰাজত্ব কৰিছিল। জেৰু জেলেমৰ ৰজা ছলোমনক মেকেদাই পতিত্বে বৰণ কৰিছিল। সেই বিবাহৰ ফলস্বৰূপ এটা পুত্ৰ উপজিছিল। তাৰ নাম ছলেমান মেনেলিক ৰাখিছিল। এবিছিনিয়াৰ কেবাজনো ৰজাই মেনেলিক উপাধি ধাৰণ কৰিছিল। এবিছিনিয়াৰ সম্ৰাট দ্বিতীয় থিয়ডৰে পোন প্ৰথমে য়ুৰোপীয় শক্তিসকলৰ সংস্পৰ্শত আহে। ১৮৬৩ চনত এইজনা সম্ৰাটৰ ৰাজত্ব কালত ইংৰাজৰ লগত মেগডালাত যুদ্ধ হয় আৰু সেই যুদ্ধত জেনেৰেল নেপিয়াৰৰ বিপুল বাহিনীয়ে এবিছিনিয়াৰ ৰণুৱাসকলক ভালকৈ এপালি দিয়ে। সেই ক্ষোভতে ৰজা থিয়ডৰে আত্মহত্যা কৰে আৰু তেখেতৰ ঠাইত জনেছে বুলি এজনাই ৰাজপাতত বহে আৰু বিদ্ৰোহীৰ হাতত তেখেতেও প্ৰাণ হেৰুৱায়। এই সুযোগতে ৰজা মেনেলিকে এবিছিনিয়াৰ ৰাজপাত দখল কৰে। এখেতৰ দিনত ইটালিয়ে এবিছিনিয়াত ঔপনিবেশিক ৰাজ্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। ইটালিৰ ঘন ঘন অনধিকাৰ আক্ৰমণ সহ্য কৰিব নোৱাৰি ৰজা মেনেলিকে তেখেতৰ সেনাপতিৰ সহায়ত ১৮৯৬ চনত এডোৱাৰ যুদ্ধত ইটালিক ঘটুৱাই ভালেমান দিনলৈ নিমাত কৰে। মেনেলিকৰ পাছত তেখেতৰ তৃতীয়া কন্যা কুমাৰী জুডিথ ওৰফে জনডিটু ইথোপিয়াৰ সম্ৰাজ্ঞী হয়। বৰ্ত্তমান সম্ৰাট হেলি ছেলেছি ওৱাৰে ৰাছ টেকাৰি দহ বছৰৰ ওপৰ কাল সম্ৰাজ্ঞীৰ মন্ত্ৰীৰ কাম কৰিছিল আৰু তেখেতৰ ঠাইত ১৯৩০ চনত নিজে ৰজা হয়। তেখেতে মন্ত্ৰী পদত থকাত সময় য়ুৰোপ পৰ্য্যটন কৰে আৰু ফ্ৰান্সৰ সহায়ত এবিছিনিয়াই জাতিসঙ্ঘৰ সদস্য কৰে। সম্ৰাট হেলি ছেলেছি অতি পাণ্ডিত্যপূৰ্ণ ৰজা আৰু বৰ্ত্তমানৰ সকলো সম্বন্ধ। তেখেতৰ ৰাজধানী এডিছ আবাবাত টেলিফোন, তাঁৰ, মটৰ গাৰী, ছাপাযন্ত্ৰ আৰু নব জীৱনৰ সকলো আহিলাপাতি স্থাপিত কৰে। ইয়াত বাজে তেখেতে সৈন্যবিলাকক বেলজিয়ম আৰু ছুইডেনৰ সেনাপতিৰ দ্বাৰা



এবিছিনিয়ালৈ ইটালিৰ সৈন্য জাহাজে জাহাজে এতিয়াও গৈয়ে আছে। ছবিৰ এই 'আটলাণ্টা' নামৰ জাহাজখনত ১৫০০ সৈন্য বাওনা হৈছে। সৈন্যসকলৰ বিদায় উপলক্ষে অসংখ্য নাও গোট খাইছিল।

সুশিক্ষিত কৰিছে। আৰু বৰ্ত্তমান যুদ্ধৰ অস্ত্ৰশস্ত্ৰ আৰু অন্যান্য সৰঞ্জাম সংগৃহীত কৰিছে। এনে এজন সুযোগ্য সম্ৰাটৰ হাতত এতিয়া এবিছিনিয়াৰ ভাগ্যলক্ষ্মী ন্যস্ত আছে।



এবিছিনিয়াৰ চাৰিওপিনে ফ্ৰান্স, ব্ৰিটেন আৰু ইটালিৰ উপনিবেশ থকাত উক্ত শক্তিত্ৰয়ৰ ঔপনিবেশিক নীতিয়ে এবিছিনিয়াক খেলাৰ পুতলা কৰি পেলাইছে। এডোৱাৰ যুদ্ধত ইটালি পৰাস্ত হোৱাত এবিছিনিয়াত ফ্ৰান্সৰ আধিপত্য অতিপাতকৈ চৰিছে। বাস্তৱতে সেই সময়ৰপৰা আজিলৈকে এবিছিনিয়াৰ বৈদেশিক আৰু আভ্যন্তৰিক শাসন ফ্ৰান্সৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ আছে। ফ্ৰান্সৰ সোমালিলেণ্ডৰ প্ৰধান বন্দৰ জিবুটিৰপৰা ৰাজধানী এডিছ আবাবালৈ ফ্ৰান্সে ৰেল লাইন খুলিছে আৰু বাণিজ্য বৃদ্ধিৰ ফলত এবিছিনিয়াৰ বৈদেশিক বেহাবেপাৰৰ সৰহ ভাগ ফ্ৰান্সৰ হাতৰ তললৈ আহিছে।



ইটালিৰ জেনেৰেল ডি বোনোৰ আগত এডোৱা আৰু আকছামৰ অধিবাসীসকলৰ পৰাভৱ স্বীকাৰ।

আমাৰ এতিয়া দেখা উচিত এবিছিনিয়াত ব্ৰিটেনৰ কি স্বাৰ্থ আছে। এবিছিনিয়াৰ উত্তৰ পূবে ইংলণ্ডৰ ছুদান আৰু ইজিপ্ট অৱস্থিত। তাত থকা বিস্তৃত ভূখণ্ড নীল নৈৰ পানীৰ দ্বাৰা প্লাবিত হৈ কপাহৰ অপৰ্য্যাপ্ত খেতিৰ দ্বাৰা সুশোভিত হয়। কিন্তু নীল নৈৰ পানীৰ উৎপত্তি স্থান হৈছে টানা হ্ৰদ, এই টানা হ্ৰদ এবিছিনিয়াৰ অন্তৰ্গত। টানা হ্ৰদৰ আয়তন হৈছে লাক্ষা দ্বীপতকৈ ডাঙৰ। যদি নীল নদীৰ উজান ভাগৰ পানীবোৰ কোনো ভেটাৰ দ্বাৰা ভাটীলৈ বব নোৱাৰা কৰা যায় তেন্তে ছুদান আৰু ইজিপ্টৰ কপাহৰ খেতিৰ নিমিত্তে পানী কম হৈ সেই ঠাইবোৰ মৰুভূমিত পৰিণত হব আৰু ইংলণ্ডৰ কপাহী কাৰবাৰ একেবাৰে ধ্বংস হব। এই ভয়তে ইংলণ্ডই



এবিছিনিয়াৰ সুশিক্ষিত অশ্বাৰোহী সৈন্য। এই বাহিনীৰ ভিতৰত উপযুক্ত শিক্ষা পোৱা ১৪।১৫ বছৰীয়া লৰাও আছে।

পূৰ্ব্ব সম্ৰাট মেনেলিকৰ লগত বন্দবস্ত কৰিছিল যে নীল নৈৰ ওপৰ ভাগত কোনো ভেটা বা বান্ধ দিয়া নহব যাতে উক্ত দুই দেশত কপাহৰ নিমিত্তে পানীৰ অভাব নহয়। এইখিনিতে ইয়াকো কৈ থোৱা উচিত যে বৰ্ত্তমান সম্ৰাট হেলি ছেলেছি বৰ দূৰদৰ্শী লোক। তেখেতে অতি



যুদ্ধত যোগ দিবলৈ অহা দূৰ ঠাইৰ মুছলমান গাৱলীয়াসকলক সামৰিক বিভাগৰ পৰা বন্দুক দি ৰাজধানী আদ্দিছ আবাবাৰ বাটত পৰীক্ষা কৰা হৈছে।


তীব্ৰভাবে ইংলণ্ডৰ কাৰ্য্যকলাপ পৰ্য্যবেক্ষণ কৰিছিল আৰু আমেৰিকাৰ এটা কোম্পানিৰ লগত ১৯২৭ চনতে

বন্দবস্ত কৰিছিল যে নীল নৈৰ উজান ভাগত ভেটা দি নৈৰ পানী অইনফালে বোৱাই দিব। এই বিষয়ত ইংৰাজে বহুত গুৰুৰ আপত্তি কৰাত উক্ত সঙ্কল্প কাৰ্য্যত পৰিণত কৰা নহল।



এবিছিনিয়াৰ সৰ্ব্বসাধাৰণক যুদ্ধত যোগ দিবলৈ ঢোল বজাই আগ জাননী দিয়া হৈছে।

১৯০৬ চনত ফ্ৰান্স ইংলণ্ড আৰু ইটালিয়ে এটা সন্ধি কৰিছিল। এই সন্ধিটো (Tripartite treaty) বুলি অভিহিত হৈছিল। এবিছিনিয়াৰ কোন অংশত কোন শক্তিৰ প্ৰভাৱ থাকিব সেই সন্ধিত স্বিকৃত হৈছিল আৰু সেই প্ৰভাৱ অনেক দিনলৈ চলি আছিল।



এবিছিনিয়াত ইটালিৰ সেনা-নিবাস

য়ুৰোপৰ মহাযুদ্ধৰ সময়ত ইটালি মিত্ৰপক্ষৰ লগত যোগ দিয়াটো এটা গুপ্ত সন্ধিমূলক ঘটনা। সেই গুপ্ত-সন্ধিত ফ্ৰান্স আৰু ইংলণ্ডে কৈছিল যে ইটালিক আফ্ৰিকা মহাদেশত অৰ্থনৈতিক আৰু দেশাধিকাৰ ক্ষমতা দিয়া হব। যুদ্ধৰ শেহত যেতিয়া ভাৰ্ছাইত ভাগ বতৰা কৰা হল জাৰ্ম্মান উপনিবেশবোৰ ফ্ৰান্স আৰু ইংলণ্ডে জাতিসঙ্ঘৰ আজ্ঞাবহ স্বৰূপে গ্ৰহণ কৰিলে। এইটো ৰাজ্যবিস্তৃতিৰ এটা কৌশল মাত্ৰ আছিল।

ইটালিৰ ভাগত একো নপৰিল, এই বাবে ইটালিৰ ফ্ৰান্স আৰু ইংলণ্ডৰ ওপৰত বৰ ক্ষোভ হল আৰু দাবী কৰিলে যে এবিছিনিয়াক ইটালিৰ তলতীয়া কৰি দিব লাগে। কিন্তু ফ্ৰান্স আৰু ইংলণ্ডে এবিছিনিয়াত যে... লোকৰ স্বাৰ্থ থকা দেখি ইটালিৰ উক্ত দাবীত স্বীকৃত হব নোৱাৰিলে। এই অস্বীকাৰ ইটালিৰ পক্ষে অসহনীয় হৈ উঠিল। ফ্ৰান্স আৰু ইংলণ্ডে ইটালিক হাতত ৰাখিবৰ নিমিত্তে জুবালেণ্ড আৰু লিবিয়াৰ কিয়দংশ দিব খুজি ভুকুকিয়ালে। কিন্তু ই ইটালিৰ আশানুযায়ী নোহোৱাত ইটালি সদায় অসন্তুষ্ট আছিল।

১৯২৩ চনত ইটালি আৰু এবিছিনিয়াৰ মাজত এটা বন্ধুতাব্যঞ্জক সন্ধি ( Treaty of friendship) হ...



এগৰাকী এবিছিনিয়াৰ যুজাৰুৱে ৱাল ৱাল (Wal Wal)ত দিনৰ ধ্বংসকাৰী কামান চলাব লাগিছে।

এই সন্ধি হোৱা সত্বেও সম্ৰাট হেলি ছেলেছিয়ে ইটালি... নীতিক সন্দেহ চকুৰে চাইছিল আৰু তেখেতৰ দৃঢ়... দ্বাৰা অনুভৱ কৰিছিল যে য়ুৰোপীয় শক্তিবিলাক যেতিয়া...



ৰাজ্যৰ চাৰিওফালে থকাত এবিছিনিয়াৰ স্বাধীনতা আৰু সমগ্ৰতা নিৰাপদ নহব। তেখেতে ১৯৩৪ চনত জাপানৰ সৈতে সন্ধি কৰিলে আৰু তাৰ বাবে জাপানক তেখেতে কপাহৰ খেতিৰ নিমিত্তে অনেক মাটি এৰি



এবিছিনিয়াত ইটালি সৈন্যৰ পক্ষে পানী সমস্যটো বৰ জটিল হৈ উঠিছে। এডেন বন্দৰৰ পৰা পানী জাহাজেৰে নৈ গৈ ঢোলত ভৰাই যুদ্ধৰ ঠাইলৈ পঠোৱা হয়। ছবিত এজন ইটালিৰ সৈন্যই ঢোলৰ পৰা পানী খাবলৈ উলিয়াব লাগিছে।

দিলে। এই বাণিজ্যমূলক সন্ধিটো ইটালিৰ স্বাৰ্থৰ বিৰুদ্ধে হৈছিল। এই সন্ধিটোৱে ইটালিৰ ভাগ্যদেৱতা ছিনৰ মুছলিনিক ৰাগান্বিত কৰি তুলিলে আৰু তাৰ বাবে মুছলিনিয়ে এবিছিনিয়াৰ ওপৰত প্ৰতিহিংসা লবলৈ চেলু বিচাৰি আছিল। যোৱা ডিচেম্বৰ মাহত ৱাল ৱালত যি গণ্ডগোল হৈছিল সেইটো কেৱল হৈছিল এবিছিনিয়া আক্ৰমণ কৰিবলৈ।

সম্ৰাট ৰাছ টেফাৰিয়ে ৱালৱালৰ গণ্ডগোলবোৰ মীমাংসা জাতিসঙ্ঘত অৰ্পণ কৰিছিল আৰু "কেলগ পেক্ট" (Kellog pact ) অনুসাৰে আপোছে ৰফা কৰিবলৈ আমেৰিকাৰ যুক্ত ৰাজ্যক মাতিছিল। আশ্চৰ্য্যৰ বিষয় এই যে এই প্ৰশ্নৰ মীমাংসা লৈ আমেৰিকাই বৰ উদাসীন ভাব ধাৰণ কৰিলে। জাতিসঙ্ঘৰ ১৬ নিৰ্ব্বন্ধৰ ( article ) বিধান অনুসাৰে জাতিসঙ্ঘৰ নিয়মভঙ্গকাৰী দোষী সদস্য বা ৰাজ্যক ১২, ১৩ আৰু ১৫ নিৰ্ব্বন্ধমতে জাতিসঙ্ঘৰ আন আন সদস্যৰ লগত আৰ্থিক আৰু বেপেৰুৱা সংস্ৰৱ বন্ধ কৰি দিব লাগে। যদি আৰ্থিক সংস্ৰৱ বন্ধ কৰাৰপৰা ইপ্সিত ফল পোৱা নাযায় তেন্তে সঙ্ঘ-পৰিষদক ( League Council ) দিয়া ক্ষমতা অনুসাৰে জাতিসঙ্ঘৰ নিয়মাৱলী ৰক্ষাৰ্থে দোষী সদস্য ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ চলাবলৈ কাৰবাৰ কৰিব লাগে। তাকে নকৰি সঙ্ঘই এতিয়ালৈকে কোনো ফলদায়ক কাৰ্য্য হাতত নোলোৱাকৈ "যি হয় সেয়ে হক" নীতি অৱলম্বন কৰি স্কুলীয়া ছাত্ৰৰ দৰে মুখেৰে কেৱল মাত্ৰ তৰ্ক বিতৰ্ক কৰিয়েই আছে।

১৯৩৫ চনৰ আগ ভাগত ছিনৰ মুছলিনিয়ে ফ্ৰান্সৰ লগত বন্ধুতাব্যঞ্জক এক সন্ধি কৰিছিল। সন্ধিৰ সৰ্ত্ত হৈছিল যে ইটালিক ফ্ৰান্সে এবিছিনিয়াত সহায় কৰিব আৰু ফ্ৰান্সক জাৰ্ম্মেনিৰ লগত বিবাদ হলে ইটালিয়ে সহায় কৰিব। কাজেই এবিছিনিয়াত ইটালিয়ে যি নীতি চলাব তাতৈ ফ্ৰান্সে আওকাণ কৰিব। কাৰণ মিত্ৰক অসন্তুষ্ট কৰা ফ্ৰান্সৰ পক্ষে উচিত নহব।



দক্ষিণ সীমান্তত এগৰাকী এবিছিনিয়াৰ "মেছিনগান" ধাৰী

কিন্তু বৃটেনৰ ভাব অইন ৰকমৰ। ইংলণ্ডৰ এবিছিনিয়াত ভালেমান স্বাৰ্থ আছে। এই বাবে ইটালি এবিছিনিয়াৰ যুদ্ধ ইংৰাজে ভাল নাপায়। ক'লা নিগ্ৰোৰ স্বাধীনতা লৈ ইংৰাজৰ একো লাভ-লোকছান নাই।

ইংৰাজৰ প্ৰধান স্বাৰ্থ আছে টানা হ্ৰদৰ পানীত আৰু দ্বিতীয় স্বাৰ্থ হৈছে প্ৰাচ্যলৈ চুয়েজ খালৰ মাজেদি সুকলমে অহাযোৱা কৰা। ইংৰাজে ভালকৈ জানে যে ইটালি এবিছিনিয়াৰ যুদ্ধত এবিছিনিয়াৰ পৰাজয় হব।



ৱাল ৱাল (Wal Wal) ৰক্ষাৰ নিমিত্তে মৰুভূমি, হাবি আদিৰ মাজেৰে এবিছিনিয়াৰ সৈন্যই যুদ্ধৰ সৰঞ্জাম নিব লাগিছে।

যুৰোপীয় মহাযুদ্ধৰ পিছত ফ্ৰান্সৰ ভয়ত ইংলণ্ডে ইটালিক এবিছিনিয়াত কেই বছৰমানৰ নিমিত্তে শিপাবলৈ দিছিল। এনেকি ইংলণ্ডে ইটালিৰ সৈতে ১৯১৯ চনত এনে ৰকমৰ বন্দৱস্ত কৰিছিল যে এবিছিনিয়াৰ মাজেদি ইৰিট্ৰিয়াৰপৰা ইটালিৰ ছোমালিলেণ্ডলৈ ইটালিয়ে ৰেল চলোৱাত কোনো আপত্তি নকৰিব আৰু ইয়াৰ সলনি টানা হ্ৰদৰ পানীত ইংলণ্ডৰ অধিকাৰ অক্ষুণ্ণ থাকিব। কিন্তু ইংলণ্ডে সহিব নোৱাৰে যে ইটালি বৰ ক্ষমতাশালী হৈ ঠন ধৰি উঠে। যদি ইটালিয়ে এবিছিনিয়া পায়, তেন্তে ইটালি ভূমধ্য সাগৰৰ দুয়ো পাৰে বৰ ভয়াৰহ হৈ উঠিব। হয়তো ভবিষ্যতে ইংলণ্ডৰ ভাৰতলৈ অহাযোৱা বাট বন্ধ কৰি দিব পাৰে। এই কাৰণে ইংলণ্ডৰ দূত মিঃ এণ্টনি ইডেনে যাতে এই বিবাদ জাতিসঙ্ঘৰ সহায়ত মিতমাত হয়, সেই বিষয়ে আকাশ পাতাল লৰি ফুৰিলে। ব্ৰিটেনে ৰফাৰ খাটিৰত বৃটিছ ছোমালিলেণ্ডৰ এক খণ্ড ইটালিক দিব খুজিছিল, কিন্তু ফেছিষ্ট অধিনায়কক এ ফুংফাণ্ডৰ দ্বাৰা চকুত ধূলা দিয়া টান।

ছিনৰ মুছলিনিয়ে খোজে এবিছিনিয়াক সম্পূৰ্ণৰূপে ইটালিৰ অধীনলৈ আনিবলৈ আৰু তাৰ নৈসৰ্গিক সম্পদ (Natural Resources) একেবাৰে শোষণ কৰিবলৈ। মুছলিনিয়ে জাতিসঙ্ঘৰ আগত তলত লিখা ৪টা দাবী দাঙি ধৰিছে। (১) সীমা নিৰ্দ্ধাৰণ (২) অৰ্থনৈতিক বিশেষ অধিকাৰ (৩) ইৰিট্ৰিয়া আৰু ইটালি ছোমালি-লেণ্ড মাজত ৰেল-পথ। (৪) ব্ৰিটেনে যেনেকৈ ইজিপ্ট চৰকাৰী বিভাগবোৰত নিজৰ পৰামৰ্শদাতা ৰাখিছে তেনেকৈ এবিছিনিয়াৰ বিভাগবোৰত ইটালিৰ পৰামৰ্শ দাতা থাকিব।

অতি অজ্ঞ মানুহেও বুজিব পাৰে যে এ চাৰিটা প্ৰস্তাৱৰ অৰ্থ কি? ইয়াত এবিছিনিয়াৰ সম্ৰাট সম্মত নহল। কাৰণ সম্মত হলে এবিছিনিয়াৰ স্বাধীনতা যাব। আৰু ইটালি ডিউচেও অইন কোনো সুবিধা পাবলৈ হলে নকৰিব। এনে অৱস্থাত জাতিসঙ্ঘে কি কৰা উচিত? ইয়াত দুটা বুধি আছে। এটা হৈছে সম্ৰাট বুজাই বঢ়াই দাবী ৪টা গ্ৰহণ কৰাই স্বাধীনতা



ওগাডেন (Ogaden) সীমান্তত এবিছিনিয়াৰ হিলৈধাৰী কিছুমান

কৰোৱা। আৰু আনটো হৈছে ইটালিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা। এটা বাতৰি শুনা যায় যে চুয়েজ কেনেল



ইটালিৰ জাহাজ যাবলৈ নিদিব। এইটো হলে এবিছিনিয়াৰ পক্ষে ইটালিতকৈয়ো বৰ অসুবিধা হব। কাৰণ ইটালিয়ে আগেয়ে সৈন্য আৰু খাৰ বাৰুদ এবিছিনিয়ামুখে পঠিয়াইছে।



এবিছিনিয়াৰ সৈন্য কিছুমান গাৰলোগুবি (Gerlogubi) নামৰ সীমান্ত ঠাইলৈ আগ বাঢ়িছে।

ইংলণ্ডে ভালকৈ গমি চাইছে যে যুদ্ধ বাজিলেই ইটালিয়ে জাতিসঙ্ঘৰ সদস্যপদ ত্যাগ কৰিব। এইটো কোনোমতে ইংলণ্ডে ভাল নেপায়। ফ্ৰান্সৰ কিন্তু মস্কিল। ফ্ৰান্সে যদিও নতুনকৈ কৰা সন্ধিৰ বাবে এবিছিনিয়াত ইটালিৰ স্বাৰ্থত নিমাত থাকিব অথচ ইংলণ্ডকো অসন্তুষ্ট কৰিব নোখোজে। এই কাৰণে ফ্ৰান্সৰ মন্ত্ৰী মহাশয় লেভেল এই সমস্যাৰ শান্তিপূৰ্ণ সমাধানলৈ প্ৰচেষ্টিত হৈছে। সেইখেতে ফ্ৰান্সত এই সন্ধিৰ এটা সম্মিলন আহ্বান কৰিছিল। তাত ইংলণ্ডৰ দূত মিঃ এণ্টনি ইডেন, ফ্ৰান্সৰ লেভেল আৰু ইটালিৰ বেৰণ এলইছি উপস্থিত আছিল। তেখেতসকলে তাত দিয়া ৩টা সৰ্ত্তৰ ওপৰত ইটালিৰ অৰ্থনৈতিক স্বাৰ্থ ৰক্ষিত হব বুলি মন্তব্য প্ৰকাশ কৰিছিল—সৰ্ত্ত:—(১) এবিছিনিয়াৰ ৰাজনৈতিক স্বাধীনতা (Sovereignty) আৰু ৰাজ্যৰ অখণ্ডতা (Integrity) (২) জাতিসঙ্ঘৰ নিয়মানুযায়ী (৩) এবিছিনিয়া গৱৰ্ণমেণ্টৰ নিৰ্ব্বন্ধ ৰক্ষণ। মুছলিনিৰপৰা ৩টা বিষয়ৰ সন্তোষজনক উত্তৰ নোপোৱাত এই সম্মিলন স্থগিত হল। এই সম্মিলনৰ কৃতকাৰ্য্যতা নোহোৱাত মিঃ লেভেলে ততাতৈয়াকৈ বিলাতলৈ ৰাওনা হয় আৰু কেবিনেটৰ মেম্বৰসকলৰ সৈতে যুক্তি পৰামৰ্শ কৰি স্থিৰ কৰিছে যে ইংলণ্ডে সঙ্ঘৰ মীমাংসা অনুশৰণ কৰিব। আনহাতে মুছলিনিয়ে যুদ্ধ আৰম্ভ কৰিলেই আৰু তেখেতৰ প্ৰত্যেক কথাই বীৰৰস প্ৰকাশক। তেখেতে জাতিসঙ্ঘক সোৱৰাই দিছে যে উপনিবেশিক যুদ্ধক যুৰোপীয় মহাযুদ্ধত পৰিণত নকৰে যেন। যদি ইটালিৰ বিৰুদ্ধে Sanctions অৰ্থাৎ সংস্ৰৱ ত্যাগ প্ৰয়োগ কৰে তেন্তে ইটালিৰ অধিনায়কে জলদ গম্ভীৰস্বৰে উক্তি কৰিছে যে ইটালি তৎক্ষণাৎ লীগ ত্যাগ কৰিব আৰু যি সদস্যই Sanctions প্ৰয়োগ কৰিব সেই জাতিৰ বিৰুদ্ধে তেতিয়াই ইটালি যুদ্ধলৈ আগুৱান হব।


এতিয়া আলোচ্য বিষয় হৈছে যে কোন পক্ষ Walwal অৰ দুৰ্ঘটনাৰ বাবে দায়ী। কাৰণ এই দুৰ্ঘটনাই হৈছে বৰ্ত্তমান বাদ-বিসম্বাদৰ মূল। বিষয়টো বৰ গোলমলীয়া, স্থিৰ সিদ্ধান্তত উপনীত হোৱা জটিল। দুয়ো পক্ষই এক সময়তে উক্ত বিষয়ে আপত্তি দাঙি ধৰিছে। এবিছিনিয়া গৱৰ্ণমেণ্টৰ আপত্তি হৈছে এই যে যেতিয়া Anglo-Abyssinia কমিশ্যনে এবিছিনিয়াৰ প্ৰদেশ ওগাডেনত ঘাহৰ নিমিত্তে সাৰুৱা পথাৰ চাই ফুৰাত যোৱা ৫ ডিছেম্বৰ তাৰিখে ইটালিৰ সৈন্যবোৰে লগত Tank



এডিচ্ছ আবাবাৰ পৰা যোৱা ৰেলগাৰীৰ প্ৰতিপলতে বিদেশীসকলে ৰাজধানী এৰিব লাগিছে।

গাৰী আৰু আকাশী যান লৈ অকস্মাতে বিনা কাৰণে উক্ত কমিশ্যনৰ ৰক্ষাদলক (escorts) আক্ৰমণ কৰে। আৰু এবিছিনিয়াৰ বৈদেশিক মন্ত্ৰীয়েও ২৬ ডিছেম্বৰ তাৰিখে আৰু

১ জানুৱাৰি তাৰিখে জাতিসঙ্ঘৰ প্ৰধান ছেক্ৰেটৰিলৈ তাঁৰযোগে ইটালিয়ে এবিছিনিয়াত অনধিকাৰ প্ৰৱেশ কৰা বুলি জনায়। কিন্তু ইটালিৰ উক্তি এবিছিনিয়াৰ উক্তিৰ একেবাৰে বিপৰীত। ইটালিৰ বাতৰি কাকত



ইটালিৰ বিমান বাহিনী এবিছিনিয়াত বোমা বৰ্ষণ কৰিবলৈ সাজু হৈছে

"La Stampa"ত কি সম্বাদ প্ৰকাশ হয় তাত এবিছিনিয়াই প্ৰথমে ইটালিৰ দেশীয় দুৰ্গ আক্ৰমণ কৰে। ইটালিৰ বৈদেশিক বিভাগে এবিছিনিয়াৰ গাত দোষ দি ১১।১২.৩৪ তাৰিখে ক্ষতিপূৰণ দাবী কৰে। তাৰ পিছত ইটালিৰ বৈদেশিক বিভাগে ১২।২।৩৫ তাৰিখে এটা চৰকাৰী ইস্তাহাৰ (Communique) প্ৰকাশ কৰে যে আফডাবত যি ইটালিৰ দুৰ্গ আছে তাক এবিছিনিয়াই আক্ৰমণ কৰিছিল। কিন্তু এবিছিনিয়াৰ সম্ৰাটে এই সম্বাদ অমূলক বুলি উৰাই দিলে।

সম্ৰাটে এডিছ আবাবাত এটা বক্তৃতা দিয়ে। তাত তেখেতে কয় "শান্তিপূৰ্ণ সমাধানৰ বিশেষ চেষ্টা কৰা সত্বেও ইটালিয়ে আগধৰি এবিছিনিয়াৰ ওচৰৰ উপনিবেশলৈ দেশৰ ৰণুৱা আৰু যুদ্ধৰ আহিলাপাতি পঠিয়াইছে; ক্ৰমাৎ সামৰিক ভাৱৰ ঘনীভূত হৈ আহিব ধৰিছে। অথচ জাতিসঙ্ঘৰ আৰু বিশেষকৈ ফ্ৰান্সৰ আৰু ইংলণ্ডৰ সুবিচাৰৰ ওপৰত নিৰ্ভৰ কৰি আছো।" এই কেষাৰ কথাৰপৰা ফটফটীয়াকৈ বুজা যায় যে সম্ৰাটে, সঙ্ঘৰ জৰীয়তে Wal wal বিবাদৰ আপোষ মীমাংসালৈ একান্তচিত্তে সাজু আছিল। কিন্তু ইয়াৰপৰা এইটো ভাবিব নেলাগে যে কেৱল ভয় আৰু সাহসৰ অভাবত সম্ৰাটে জাতিসঙ্ঘ মীমাংসা অনুসৰণ কৰাত ৰাজী আছে। তেখেতে আৰু কৈছে যদি শান্তি প্ৰৱৰ্ত্তনৰ প্ৰচেষ্টা সাফল্যমণ্ডিত নহয় আৰু পাশবিক শক্তিৰ প্ৰাবল্য হয় তেন্তে সম্ৰাটৰ নেতৃত্ব এবিছিনিয়াই দেহৰ ৰক্তৰ শেষ টোপা দিও ৰাজ্য ৰক্ষাৰ চেষ্টা কৰিব।

তেখেতে সৈন্যদলক তলত লিখামতে উৎসাহিত কৰিছে "ৰণুৱাসকল, তোমালোকৰ যো পূৰ্ব্বপুৰুষসকলৰ আদৰ্শ অনুসৰণ কৰা। জেকা সকলোৱে মিলি একে লগে আক্ৰমণকাৰী আক্ৰমণ কৰা। তোমালোকৰ ৰজাও তোমালোক লগত এজন লগৰীয়া হৈ থাকিব। যদি আৱশ্য হয় এই যুদ্ধতে তেখেতে নিজেও দেহ পা কৰিব, ইথোপিয়া আৰু তাৰ স্বাধীনতাৰ নিমিত্ত কিন্তু ইটালি এতিয়াও বীৰৰসত মত্ত। ইটালি এতিয়া ৬০ লক্ষ নিৰনুৱা। ইহঁতক এবিছিনিয়াত বসতি কৰিবলৈ দি ভাগ্যৱন্ত কৰি তোলাই ইটালিৰ প্ৰধা ইচ্ছা। এবিছিনিয়াৰ মাটি বৰ সাৰুৱা আৰু খনিজ সম্পদ বৰ চহকী। মুছলিনিয়ে য়ুৰোপীয় শক্তিপুঞ্জক আমেৰিকা নিচিনা উদাসীন হৈ থাকিবলৈ পৰামৰ্শ দিছে। য



এডিছ আবাবা এৰি লৰীৰে জিবুটিলৈ পলাব লাগিছে

কৈছে যে তেখেতৰ নীতি সুকলমে এবিছিনিয়া প্ৰবৰ্ত্তিবলৈ বাধা নিদিব। তেখেতে পুনৰ উক্তি কৰি যে যদি য়ুৰোপ এতিয়াও পৃথিবীত উপনিবেশিক নীতি প্ৰচাৰ কৰিবলৈ অনুপযুক্ত তেন্তে তাৰ গ



নি অৱশ্যম্ভাৱী।" এতিয়াও সংঘ পৰিষদত এই ইটালি এবিছিনিয়াৰ সন্ধি কৰিবলৈ অলপীয়া দুৰ্ব্বল চেষ্টা হৈ আছে কিন্তু চেষ্টা সাফল্যৰ কোনো আশা নাই। উভয় পক্ষৰ কাৰ্য্য-কলাপ পৰ্যোবেক্ষণ কৰি অনুমান হয় যে ইটালি এবিছিনিয়া আক্ৰমণৰ ন্যায়তঃ কোনো কাৰণ নাই।

উভয়েই ৰাষ্ট্ৰসঙ্ঘৰ সদস্য হৈ সঙ্ঘৰ জৰীয়তে আপোষ মীমাংসা কৰা অতি বাঞ্ছনীয়। বিলাতৰ 'মৰ্ণিং পষ্ট' কাকতৰ প্ৰতিনিধিৰ আগত ডিউছে এবাৰ কৈছিল, 'এতিয়ালৈকে ইটালিৰ যুদ্ধৰ আয়োজনত ২০০ কোটি লায়াৰ অৰ্থাৎ প্ৰায় ২৫ কোটি টকা খৰচ হৈছে। আমি দেখাদিৰ নিমিত্তে ইমান টকা খৰচ কৰা নাই। এনেকি পৰ্টুপাল, বেলজিয়ম আৰু হলেণ্ডেও লাভজনক উপনিবেশ ৰাখিছে কিন্তু তেনে উপনিবেশ ৰাজ্যৰ বিস্তাৰ ইটালিয়ে কিয় নিবিচাৰিব?" মুছলিনিৰ এই কথাষাৰ সংখ্যালঘিষ্ঠ জাতিবিলাকে চিৰকাললৈ মনত ৰখা উচিত। তেওঁলোকে বুজক যে জাতিসঙ্ঘ কেৱল শকত জাতিবিলাকৰ নিমিত্তেহে আৰু তেওঁলোকৰ হাততেই। জাতিসঙ্ঘ লৈছে কেৱল তেওঁবিলাকৰ হাতৰ অপৰিমিত ৰাজ্য বিস্তাৰৰ আকাঙ্ক্ষাৰ অস্ত্ৰ। যুদ্ধত যে ইটালিৰ নিশ্চিত জয় হব এই কথা ডাঠি কোৱা টান। ইটালিৰ মন্ত্ৰীয়ে ৰজাৰ আগতো জয়ৰ অনিশ্চয়তাৰ সুৰকে ধ্বনিত কৰিছে।

সৰ্ৱশেষত কোৱা যায় যে সেই পুৰণি নীতি "Might is right" অৰ্থাৎ "বলেই স্বত্ব" পৃথিবীত এতিয়াও প্ৰচলিত হৈ আছে।

———

# অনাথ

গল্প ]

—ডাঃ চিৰাজুদ্দিন আহমদ

আপোন বুলিবলৈ তাৰ সেই মাইচেনাই। ছমহীয়াতে মাকে এৰি যোৱা এই মাউৰা ছোৱালীজনীক সি চৰাই পোৱালিক টোপ খুউৱা দি খুৱাই আজি পাচ বছৰীয়া কৰিছিলহি। এটা সঙ্গহীন জীৱনৰ সমস্ত ফাঁক এই এধানমান ছোৱালীজনীয়ে তাৰ পূৰণ কৰি ৰাখিছিল। নিয়তিৰ নিষ্ঠুৰ ভ্ৰূকুটিত সংসাৰৰ লগত বান্ধোনৰ এই শেষ গাঁথিটিও যিদিনা ছিগি গল, সেইদিনা সি একেবাৰে বলিয়াৰ দৰে হল. ঈশ্বৰ—মানুহ, কাক সি জগৰীয়া কৰিব ভাবি নাপালে।

সেইদিনা দেওবাৰ। পুৱাতে আগৰাতিৰ পইতা ভাত ছটামান খাই লগতে মাইচেনাকো খুৱাই লৰালৰিকৈ সি হাটলৈ যাবলৈ ওলাল—"আই অ', মই কোৰতে আহোঁ। তই সৌ কলীমাইহঁতৰ লগতে উমলি থাকগৈ দেই। আলি বাটলৈ নাযাবি। আজি হাটবাৰ গাৰী, ঘোৰা ঢেৰ।" "হঁ, ময়ো হাটলৈ যাম।" বংৰবে অনেক ফুচুলালে "বাট বহুত দূৰৈ আই! মই তোলৈ ৰঙা হাচটি এখন আনিম, তই নালাগে যাব।" কিন্তু মাইচেনাই শুশুনে একোকে; আজি তাই হাটলৈ যাবই। এই এধানমান ছোৱালীকণৰ প্ৰাণত আঘাত দিবলৈ ৰংৰবৰ হৃদয় শতধা বিদীৰ্ণ হৈ যায়। আজিলৈকে তাইৰ কোনো সঙ্গত বাসনাকে সি অপূৰণ ৰখা নাই বুলিব লাগে। নিজে নাখাই হলেও তাইক খুৱাইছে নিপিন্ধিও পিন্ধাইছে।

"তয়ো যাবি ! খোজ কাঢ়িব পাৰিবি ?" "পাৰিমতোন।" ৰংবৰে হাঁহিলে। "তই বৰ দুষ্ট হলি আজিকালি। বাৰু ওলা, সোনকাল কৰ।" মাইচেনাৰ গা তিনিখনমান কৰিলে। লৰালৰিকৈ গৈ নিজেই গাত পানী এলোটা ঢালিলে। সিবেলি বিহুত জেঠায়েকে দিয়া কপাহী ৰিহা মেখেলাযোৰ পিন্ধিলে। খচমচকৈ মূৰটো আচুৰি ফটাকানি এগছ আনি বাপেকক কলে "পিতাই খোপাটো বান্ধি দেচোন।" এটা দীঘল হুমুনিয়াহ ৰংবৰৰ অন্তৰ ভেদি ওলাই গল। সি কি খোপা বান্ধিব জানে ? যদি আজি তাইৰ মাক থাকিলহেঁতেন। জনাই নজনাই সি টিপচী খোপা এটা বান্ধি দিলে। "বল পিতাই" বুলি মাইচেনা আগে আগে খোজ দি গল। ৰংবৰে কান্ধত জোলোঙা হাতত লাখুটি লৈ জীয়েকৰ দেহ-ৰূপ চাই পিছে পিছে গল। আশা আনন্দত হৃদয় তাৰ উপচি পৰিল—"আই অ' কেতিয়া তই ডাঙৰ হবি, কেতিয়া তোৰ ঘৰখন পাতি মোৰ বুকু জুৰ কৰিম।" নিয়তিয়ে কঠোৰ হাঁহি মাৰিলে অবজ্ঞাত !

বাটৰ কাষত হাজৰীকাৰ টিনৰ বঙলা। ঘৰৰ আগৰ ফুলনিত হৰেক ৰকমৰ ফুল ফুলি একেবাৰে জকমকাই আছে। মাইচেনাৰ গা তিনিখনমান কৰি উঠিল। "হেৰেই পিতাই, তাৰে ফুল দুটামান আন ঐ, মই খোপাত পিন্ধো।"

"নালাগে আই, লোকৰ বস্তু। ছিঙিলে গালি-শপনি পাৰিব কেনেবাকৈ। বল বল।"

"ই—নাপাৰে আন ঐ" মাইচেনাই এখোজো আগ নাবাঢ়ে। "উস বাম কি লাগিল অ, এই ছোৱালীজনীৰ গাত আজি" ভয় ভয়কৈ ৰংবৰে ফুল এটা ছিঙিবলৈ হাত মেলে। ভিতৰৰপৰা কোনোবাই কৰ্কশ গালি পাৰে।— "ঐ জীয়েৰৰ মূৰ খোৱা। বাপেৰৰ বৰ বাৰীৰ ফুল ছিঙিবলৈ আহিছ।" ৰংবৰৰ হাত কোঁচ খায়। তাতোকৈ কোঁচ খায় তাৰ হৃদয় ! তাৰ আমঠু কলা পৰে। আজি ইয়াতকৈ ডাঙৰ অভিশাপ আৰু তাৰ কি হব পাৰে !

"গালি নাপাৰিব আই ! মাউৰা ছোৱালী, হেপাহ কৰিছে দেখিহে ফুল এটা ছিঙো বুলিছিলোঁ।"

"হয় হয় তোৰ জীয়েৰে উমলিবলৈ আমি ফুল কৰিছো নহয় !"

ফুল ছিঙা আৰু নহয়। দুয়ো আকৌ আগৰ দিৰনৈ আগবাঢ়ে। জীয়েক আগে আগে বাপেক পিছে পিছে। চিৰ-চেনেহৰ সন্তানৰ অমঙ্গল আকাঙ্ক্ষাই তাৰ হৃদয় উৰাউল কৰি তোলে। "ভগৱান ! এই তোমাৰ সৃষ্টিত মানুহ যি সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ বুলি গৌৰৱ কৰে, এপাহ ফুলৰ কাৰণে যাৰ এটা জীৱক চৰম অভিশাপ দিবলৈ জিভা কোঁচ নাখায়।"

"ভৰি বিষাইছে ঐ পিতাই !"—"সেইয়া মই আগতে কৈছিলো নহয়। আহ বোকোচাত লওঁ।"

"ই নালাগে,মোৰ খোপাটো ভাগিব পাই কেনেবাকৈ। মই খোজ কাঢ়িয়ে যাওঁ।" "নাভাগে আহ।"

—"নাই নালাগে ঐ মই পাৰিম বল।" দুয়ো আকৌ আগবাঢ়ে। আজি মাইচেনাৰ মুখত কথাৰ অন্ত নাই। "এইটো কি পিতাই, সৌটো কি পিতাই, আমাৰো ফুল কৰিনে পিতাই" ইত্যাদি আগ-গুৰি নোহোৱা সেই পাচ বছৰীয়া ছোৱালীজনীৰ লানি নিছিগা কথাই নানা ছন্দিয়াৰ মাজতো ৰংবৰৰ হৃদয়ত আনন্দৰ ঢৌ বোৱাই দিছিল। সি মনে মনে কয়—"তোৰ নেওঁচা লৈ মই মৰো আই! তই জীয়াই থাক।"

আৰু কিছুদূৰ যায়। এনেতে আগফালৰপৰা এপাল গৰু আৰু পিছফালৰপৰা পোঁ-পোঁ কৰি জিলাৰ পুলিচ ছাহাবৰ মটৰ গাৰী আহি পৰে। এধানমান ছোৱালীজনীক লৈ ৰংবৰ মহাবিপাঙত পৰে। এবাৰ ইফালে এবাৰ সিফালে অগিয়া বগিয়া আৰু ছাহাবৰ গৰ্গৰণিৰ মাজত কি হয় আৰু হতভগীয়াই কব নোৱাৰে।

*   *   *   *

যেতিয়া চেতনা পাই তেতিয়া সি দেখে চাক-চিকুণ বিছনা এখনত সি পৰি আছে ! হাত মূৰত কাপোৰৰ পটি বন্ধা। গোটেই শৰীৰত অসহ্য বিষ। ইফালে সিফালে ঢেৰ মানুহ সেইদৰে বিছনাত পৰি কেকাইছে, গেথাইছে। সি চিঞৰি উঠিল "মাইচেনা।" তাতলি কৰা বুঢ়ী খাছিয়ানীজনীয়ে তাক বুজাই কলে বোলে সি



থিৰ মনে থাকিব লাগে নহলে তাৰ বেমাৰ বাঢ়িব পাৰে।

"কিন্তু মাই মোৰ বেটি……?"

"তোমৰা বেটি আছে…এখন চুপ 'থাকি' বুজি।"

"আছে—মাই আছে ? মোৰ বেটি আছে ? অকণমান মোৰ ওচৰলৈ আনাচোন মাই !"

"নাই নাই…আভি ঘুমা বুজি…পিছে।" যন্ত্ৰণাত সি আকৌ অচেতন হৈ পৰে।

*   *   *   *

এমাহৰ পিছত যিদিনা সি হাস্পতালৰপৰা খালাছ পালে সেইদিনা সি প্ৰথম জানিলে তাৰ হৃদয়ৰ ধন মাইচেনা আৰু নাই। সেইদিনাই মটৰৰ তলত পৰি তাইৰ কুমলীয়া দেহা চূৰমাৰ হৈ গল। ইমান ডাঙৰ এটা শোকৰ হেঁচা যে সি কি দুৰ্জ্জয় শক্তিৰে সহ্য কৰি থাকিল তাক আজিও ভাবিবৰ বিষয়। মাইচেনা নাই সেই কথা যে সি কোনো দিন কল্পনাও কৰিব নোৱাৰিছিল। সেইদিনা সি অতি নিঃসম্বল একেবাৰে নিৰাশ্ৰয়।

তাৰ পিছত বিচাৰৰ ভেকোভাওনা এখন হৈ গল। পুলিচ ছাহাব আছামী ! নগৰত হুংস্থূল লাগিল। চৰ্কাৰী উকীলে ৰংবৰক জেৰা কৰিলে—"হেৰ তই ছাহাবৰ মটৰ আহোঁতে সোঁফালে ফালৰি কাটিছিলি নহয়নে ?" "হৈছে দেউতা"। "কিয় তই নাজাননে মটৰ, বাইছকল আদি আহিলে সদায় বাওঁফালে থাকিব লাগে।" "আমি অগীয়ান মানুহ সেইবোৰ কথাৰ কি ভু পাওঁ দেউতা। ছোৱালীজনী লৈ অগিয়া বগিয়া কৰি যেনিয়ে চল পালো সেনিয়ে লৰ ধৰিলো।"

সেই কথাতে সকলো শেষ। বিজ্ঞ হাকিমে উকীল, মুক্তিয়াৰ, আমোলাৰ হৰ্ষধ্বনিৰ মাজত ছাহাবক মুক্তি দিলে.

*   *   *   *

বলিয়াৰ দৰে গৈ ৰংবৰ তাৰ ভগা পজাত ওলালগৈ। সেই ঘৰ, সেই দুৱাৰ, সেই বস্তু-বাহানি, মাইকণৰ ওমলা বস্তু সকলো আছে। নাই মাথোন ঘৰখনৰ প্ৰাণটো। তাৰ গাত সাত কুৰা জুই জ্বলি উঠিল। সি বিহ্বল হৈ 'মাইচেনা মাইচেনা' বুলি চিঞৰিলে। কোনেও নামাতিলে। কোনেও তাৰ কাণত এষাৰ সান্ত্বনাৰ বাণী নবৰষিলে। জগত নিষ্ঠুৰ; তিনদিন সি খুদ এটাকে মুখত নিদি এদিন যি ঘৰৰপৰা ওলাল আৰু ঘূৰি নাহিল। মুখত তাৰ কঠোৰ সঙ্কল্পৰ চিন।

*   *   *   *

তাৰ পিছত একেবাৰে সি গৈ নগাচাং ওলালগৈ। দিনচাৰেক নগাৰ লগত মিলা-মিল কৰিয়েই সি বুজিলে তাৰ সঙ্কল্প সিদ্ধিৰ ইয়েই উপযুক্ত কেন্দ্ৰ। আৰু এই আচৰিত মানুহবোৰেই তাৰ পৰম বন্ধু। সি তাৰ নামো সলাই আংগামী ললে আৰু একুৰি এটা বিশ্বাসী নগা লৈ এটা ডকাইতৰ দল গঠন কৰিলে। সিহঁতে আংগামীৰ নেতৃত্ব অতি ৰংমনেৰে স্বীকাৰ কৰিলে।

তাৰ পিছত দীৰ্ঘ পোন্ধৰ বছৰ কাল অসমৰ বাতৰি কাকতৰ পাত ভৰি ভৰি ওলাল কেৱল দিনে দিনে লৰা ছোৱালী চুৰিৰ গাৰ নোম শিঞৰা খবৰ। ডাঙৰ ডাঙৰ মানুহৰ লৰা-ছোৱালীবোৰ ডকাইতহঁতে ধৰি লৈ যায় আৰু হাজাৰ হাজাৰ টকা দাবী কৰি অতি গোপনে ওভোতাই দিয়ে। কিন্তু চৰকাৰে বিশেষ চেষ্টা কৰিও এই দলটোৰ সন্তেদ উলিয়াব নোৱাৰিলে !

পোন্ধৰ বছৰৰ পিছত এটা মৃতপ্ৰায় পকামূৰীয়া বুঢ়া নগাক কিছুমান নগাই ভাৰ বান্ধি হাবিয়ে হাবিয়ে আনি ডিব্ৰুগৰ হাস্পতালত উলিয়ালেহি। চিকিৎসা নিয়মিতৰূপে হল। লগৰীয়াবিলাকেও বুঢ়াক অক্লান্ত পৰিশ্ৰম কৰি সেৱা-শুশ্ৰূষা কৰিলে কিন্তু অৱস্থাৰ কোনো পৰিৱৰ্ত্তন নহল। বুঢ়াইও বুজিলে সময় ওচৰ চাপিল। এদিন লগৰীয়া নগাবিলাকৰ লগত নগা ভাষাত কি কোৱা-মেলা কৰি সিহঁতক বিদায় দিলে। চকুৰ পানী টুকি সিহঁত তাৰপৰা প্ৰস্থান কৰিলে। পিছদিনা পুৱা বৰ ডাক্তৰজনক বুঢ়াই মতাই আনি কলে বোলে চৰকাৰী উকীলজনক তেওঁৰ বিশেষ দৰ্কাৰ আছিল। চৰ্কাৰী উকীল আহিল। বুঢ়াই কলে আঢ়ৈ লাখ টকাৰ এখন উইল লিখক। উকীল আচৰিত হল। ভিকহু এটা বুঢ়াৰ আঢ়ৈ লাখ টকাৰ উইল ! কিন্তু দ্বিৰুক্তি নকৰি লিখি গল। এক লাখ টকাৰ এটা অনাথ আশ্ৰম,—যাৰ

নাম হব "মাইচেনা অনাথ আশ্রম।" এক লাখ টকাৰ গাৰ্ত ঔষধালয় স্থাপন, পঞ্চাশ হেজাৰ টকাৰ গাৰত শিক্ষা বিস্তাৰ।"

"আপোনাৰ জীৱন ধন্য। পৰৰ উপকাৰৰ অৰ্থে তলি উদং কৰি দান কৰিলে। কিন্তু হে মহানুভৱ! আপোনাৰ পৰিয়ালৰ কি উপায় হব?" উকীলে সুধিলে।


"মহানুভৱ চবুলিৰ ডাঙৰীয়া। মই সমাজৰ এক নিকৃষ্ট শ্ৰেণীৰ জীৱ বিশেষ। পৰিয়াল মোৰ নাই। এদিন অৱশ্যে সকলো আছিল। মাইচেনা—মোৰ নয়নৰ মণি মাইচেনাৰ সুকোমল শৰীৰ ধনীৰ মটৰগাৰীৰ তলত পৰি চূৰমাৰ হৈ গল। সেইদিনাই মই পিশাচৰ ৰূপ ধাৰণ কৰিলো। আগেয়ে তেনে নাছিলো। তাৰ পিছত পোন্ধৰ বছৰকাল অসমৰ ইমূৰৰপৰা সিমূৰলৈকে ধনীৰ ঘৰত হাহাকাৰৰ জুই জলাই এই ধন গোটালো। মই দস্যু আংগামী নগা, যাৰ মূৰৰ মূল্য এতিয়াও পাচ হেজাৰ টকা।" উকীল চঞ্চল হৈ উঠে। "কিন্তু পৰমেশ্বৰক ধন্যবাদ, এইদৰে পোৱা ধনৰ এটা ফুটা কৰিও মই মোৰ নিজৰ কামত খৰচ কৰা নাই। মোৰ ২১ জন বিশ্বাসী অনুচৰৰ দৰ্ম্মহা দিয়াত মাথোন যি সামান্য খৰচ হৈছিল। নগাচাঙৰ আলু-কচু খাই মই জীৱন ধাৰণ কৰিছিলো। মৰণৰ কাললৈকে মোৰ মাইচেনাইও তাতকৈ একো ভাল খাবলৈ পোৱা নাছিল।

"তাৰ পাছত যদিও শ-শ মাতৃৰ বুকত জুই জলাই হাজাৰ বিজাৰ শিশু কাঢ়ি নিছিলো কিন্তু প্ৰভুক ধন্যবাদ, এটি শিশুকো আমি হত্যা কৰা নাই। উপযুক্ত বাৰ্ত্তা প্ৰত্যেককে ঘূৰাই দিছিলো। এতিয়া বুজিছে ডাঙৰীয়া এই বুকুত কিমান ধুমুহা। ইমানেই কথা।

"অ' কবলৈ পাহৰিছোঁ। আজিৰপৰা ঠিক পোন্ধৰ দিন পিছত দুটা নগা আহি আপোনাৰ হাতত আঢৈ লাখ টকা দি যাবহি—কিন্তু সাৱধান সিহঁতক ধৰাই দিবলৈ আপুনি সমূলি চেষ্টা নকৰিব। এই দল মই আগতে ভাঙি দিছো আৰু আখৰে আখৰে মোৰ ইচ্ছা কাৰ্য্যত পৰিণত নহলে মোৰ ২১ জন বিশ্বাসী সঙ্গীয়ে, যি এতিয়াও জীয়াই আছে, ইয়াৰ প্ৰতিশোধ লব।"

"আখৰে আখৰে আপোনাৰ ইচ্ছা পূৰণ হব হে মহাপুৰুষ! চিৰদিন গুণমুগ্ধ মানবে আপোনাৰ জয়গান গাব"।

লগে লগে এটা বিচিত্ৰ জীৱনৰ আৱ কাপোৰ পৰিল।



# ভৱানন্দ

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী

১৮৫৪ শকৰ মাঘ সংখ্যা বঙলা প্ৰবাসী পত্ৰিকাত বাবু যোগেশচন্দ্ৰ ৰায় বিদ্যানিধি মহাশয়ে ৺সতীশচন্দ্ৰ ৰায়ে সম্পাদন কৰা আৰু ১৩৩৯ চনত ঢাকা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা ভৱানন্দৰ হৰিবংশ কিতাপখনিৰ এটি দীঘল সমালোচনা প্ৰকাশ কৰে। সম্পাদকে ভৱানন্দক পূৰ্ব্ব মৈমনসিংহ, ত্ৰিপুৰা নাইবা চিলঠৰ আৰু বিদ্যানিধিয়ে পূৰ্ব্ববঙ্গৰ মানুহ বুলি সিদ্ধান্ত কৰে। বাপেকৰ নাম শিৱানন্দ, ইয়াৰ বাহিৰে সম্পাদক নাইবা সমালোচক—দুজনৰ এজনেও ভৱানন্দৰ আন একো পৰিচয় দিব পৰা নাছিল। তথাপি তেওঁলোকে প্ৰকাশ কৰা হৰিবংশ কিতাপখনিৰ অকল ভাষা বিচাৰ কৰিয়েই ভৱানন্দৰ হৰিবংশক বঙলা কিতাপ আৰু ভৱানন্দক বঙালী মানুহ কৰিবলৈ মিছাতে চেষ্টা কৰিছিল।

১৮৫৪ শকৰ ফাগুন সংখ্যা "আৱাহন"ত 'ভৱানন্দকৃত হৰিবংশ'ৰ আলোচনাত আমি দেখুৱাইছিলো যে ভৱানন্দৰ হৰিবংশ অসমীয়া পুথি আৰু ভৱানন্দ নিজেও অসমীয়া মানুহ। হৰিবংশৰ ভাষা বঙলা আৰু ভৱানন্দ বঙালী ইয়াকে প্ৰমাণ কৰাটোৱেই সম্পাদক আৰু সমালোচকৰ উদ্দেশ্য আছিল। কিন্তু পুথিখনৰ ভাষা আচলতে বঙলা নোহোৱা বাবে সম্পাদক আৰু সমালোচক দুয়োজনে ভাষা লৈ টনা আজোৰাখন কৰি হাবাথুৰি খাইছিল। এনেদৰে টনা-আজোৰা কৰিলে ভাষাৰ সুবিচাৰ হব পাৰেনে? এই কাৰণেই তেওঁলোক দুয়োজনে এটা ভুল সিদ্ধান্তত উপস্থিত হৈছিল। সেই কথা আমি আমাৰ পূৰ্ব্বোক্ত আলোচনাত দেখুৱাইছোঁ। কিন্তু তেতিয়া ভৱানন্দৰ বহল পৰিচয় আমিও দিব পৰা নাছিলোঁ। ৺গোস্বামীৰ "চানেকি"ত এওঁৰ একো পৰিচয় নাই। সম্প্ৰতি ভৱানন্দৰ বিষয়ে যিমানখিনি জানিব পৰা গৈছে সি সৰহ নহলেও তাকৰো নহয় আৰু তাৰে ভাওকৈ প্ৰমাণ কৰা যায় যে ভৱানন্দ বঙালী নহয় অসমীয়াহে।

মোৰ ১৮৫৪ শকৰ প্ৰবন্ধত ভৱানন্দক মিশ্ৰ বুলি জনা নাছিলোঁ; দৰাচলতে তেওঁ ভৱানন্দ মিশ্ৰহে :—

'শুনা সভাসদ
হুয়া নিশবদ
ভৱানন্দ মিশ্ৰে কয়॥'
—গোবিন্দ চৰিত—

'গোবিন্দ চৰিত' হৰি বংশৰ গ্ৰন্থকাৰ ভৱানন্দ মিশ্ৰ ৰচিত আন এখন কিতাপ। গোবিন্দ চৰিতত ভৱানন্দই নিজক বামুণ বুলি পৰিচয় দিছে :—

'শুনিয়োক সবে নৰ
নাম ভৱানন্দ মোৰ
ব্ৰাহ্মণ কুলত উৎপত্তি।'

'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী'ত গোবিন্দ চৰিত পুথিখনিৰ বিষয়ে এইদৰে কোৱা হৈছে :—

"* * * এই পুথিত গোবিন্দ ঠাকুৰৰ জীৱনী আছে। কামৰূপ লেচাকোনা গাওঁত গোবিন্দ ঠাকুৰৰ জন্ম হয়। শঙ্কৰদেৱে গোবিন্দ ঠাকুৰক মৰম কৰা আৰু মাধৱদেৱক গতাই দিয়া, গোবিন্দ ঠাকুৰৰ দৰঙ যাত্ৰা আৰু বৰপেটালৈ উভতি যোৱা ইত্যাদি কথা ইয়াতে আছে। দৰঙৰ ৰজাই মতাই নি এওঁৰ হতুৱাই দধিমথন ভাওনা কৰাইছিল। মাধৱদেৱে গোবিন্দৰ জীৱ হত্যা কৰা বাবে ক্ষমা কৰাৰ বৰ্ণনা সুন্দৰৰূপে দিছে। গোবিন্দই দেৱীমূৰ্ত্তি পেলাই দিয়া কথা এই পুথিত আছে। তাৰ পিছত গোবিন্দ ঠাকুৰৰ মৃত্যুৰ কথা। ইয়াত দামোদৰ দেৱৰ কথা এইদৰে লিখিছে :— * * *"

শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা ডাঙৰীয়াই অনুমান কৰে যে এই পুথিখনি ( গোবিন্দ চৰিত ) দৰঙী ৰজা চন্দ্ৰ-নাৰায়ণৰ দিনত নাইবা তেখেতৰ ৰাজত্ব কালৰ অলপ পিছতে ৰচিত হৈছিল। গোবিন্দ চৰিতত চন্দ্ৰনাৰায়ণ ৰজাৰ কথা উল্লেখ আছে ; গতিকে বেজবৰুৱা ডাঙৰীয়াৰ অনুমান সঁচা বুলি কোৱা যায়।

ভৱানন্দ মিশ্ৰৰ মাক-বাপেকৰ নাম আৰু জন্ম ঠাই এতিয়াও অজ্ঞাত। তথাপি ওপৰত বৰ্ণোৱা কথাখিনিৰ পৰা ফট্ ফটীয়াকৈ প্ৰমাণিত হয় যে ভৱানন্দ মিশ্ৰ অসমীয়া কবি। তেতিয়াৰ কোনোবা বঙালী কবি ভৱানন্দই অসমীয়া গোবিন্দ ঠাকুৰৰ জীৱন চৰিত লিখিব আৰু সেই পুথিত শঙ্কৰ, মাধৱ, দামোদৰ আৰু তেৰাসকলে থাপি যোৱা ধৰ্ম্মৰ আলচ কৰিব এনেটো অনুমান কৰা সহজ, উচিত আৰু যুক্তিযুক্ত হবনে? কুৰি শতিকাৰ প্ৰবীণ বঙালী সাহিত্যিক ৰায়বাহাদুৰ দীনেশচন্দ্ৰ সেন বি, এ, ডি,লিট মহাশয়ে অসমৰ শিৰৰ মণি শঙ্কৰদেৱৰ নামটিকে হেনো আগেয়ে জনা নাইবা শুনা নাছিল। এতিয়াহে যেনিবা কেনেবাকৈ জনা আৰু শুনা হৈছে! গতিকে কেইশতিকামান আগৰ বঙালী কবি কোনোবা ভৱানন্দে শঙ্কৰ, মাধৱ, গোবিন্দ ঠাকুৰ, ৰজা চন্দ্ৰনাৰায়ণ আৰু দামোদৰ দেৱক জানিবৰ কথা নহয়।

প্ৰাক্‌যুগৰ অসমীয়া ভাষাৰ কুলপ্লাৱিনী সোঁতে বঙ্গৰ অঙ্গ সম্পূৰ্ণৰূপে ধুৱাব নোৱাৰিলেও প্ৰাদেশিক বঙ্গভাষাৰ পীণ অন্তৰ্গ্গৰ ভূমিখণ্ডক যে সাৰুৱা আৰু সৰল কৰি তুলিছিল তাত অকণো সন্দেহ নাই। অনন্তৰ ৰামায়ণ, নাৰায়ণ দেৱৰ পদ্মপুৰাণ আৰু ভৱানন্দৰ হৰিবংশ আদিয়েই তাৰ বঢ়িয়া প্ৰমাণ। খৃষ্টীয় সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক বিখ্যাত হিৱেনছাঙে অসমৰ ভাষাক মধ্য ভাৰতৰ ভাষাৰ পৰা সম্পূৰ্ণ স্বকীয়া ভাষা বুলি স্বীকাৰ কৰি লিখি থৈ গৈছে। কিন্তু বঙ্গদেশৰ কোনো এটি অংশৰ ভাষাৰ কথাকে তেওঁ কতো উল্লেখ কৰা নাই। ইয়াৰ অলপ নৰচৰ হলেও বঙ্গদেশৰ ভাষা তেতিয়া অসমীয়া ভাষাৰপৰা এটা কিবা স্বকীয়া ভাষা নাছিল। জ... বঙ্গদেশত যিবোৰ পুথি ৰচিত হৈছিল তাৰ ভাষা মূলতঃ অসমীয়া। সেই যুগৰ যেই সেই এখন বঙলা পুথিয়ে এই কথা অতি সহজে প্ৰমাণ কৰিব। সেই যুগত যে বঙ্গদেশৰ ভাষা অসমীয়া আছিল সেই বিষয়ে বুৰঞ্জীমূলক বহল বিৱৰণ অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যত চানেকিত পাব।

অলৌকিক প্ৰতিভাৱান ভাৰত বিখ্যাত এনেকি বিশ্ব-বিশ্ৰুত দুই এজন বঙ্গ সন্তানে বঙলা ভাষাতকৈ অসমীয়া ভাষা যে প্ৰাচীনতৰ এই সঁচা কথাষাৰ মুক্তকণ্ঠে স্বীকাৰ কৰে। সম্প্ৰতি ডক্টৰ কাকতিদেৱে 'অসমীয়া ভাষা, গঠন আৰু ক্ৰমোন্নতি' এই আখ্যাৰ গৱেষণামূলক প্ৰবন্ধত অসমীয়া ভাষাৰ মৌলিকতা বঢ়িয়াকৈ প্ৰমাণ কৰিছে।



# উপন্যাস

## ছদ্মবেশী

### ষষ্ঠ অধ্যায়

—শ্ৰীযুত শান্তিৰাম দাস বি-টি

#### বাবৰাবাৰ বিয়া

হেয়াৰ দম্পতী আৰু বাবৰাবা চাহ-জলপান খাই ... উঠি কিবা কথা পাতি বহি আছিল ; এনেতে ... লাইল উপস্থিত। ইমান ৰাতিপুৱাই কাৰ্লাইলক যোৱা ... ৰি মাক-জীয়েক দুয়ো আচৰিত হ'ল। মাকে সুধিলে, ... যাৰক লাগেনেকি কাৰ্লাইল? তেওঁ ৰাতিপুৱাই ... নোবাক্কালে ওলাই গৈছে।"

"এৰা, মিঃ হেয়াৰক লাগে, বাবৰাবাক নিবলৈ ... আহিছো।"

"বাবৰাবাক নিবলৈ? কেলেই?"

"কৰ্ণি বাইদেউৰ অসুখ, পানী লাগি জৰ উঠিছে। সেই ... বিয়ে দিনটোলৈ বাবৰাবাক নিবলৈ পঠাইছে।"

কথা শুনি বাবৰাবাই মাত লগালে, "আইৰ গা ভাল ... হ, মই তেওঁক এৰি যাব নোৱাৰো।"

মাকেও কলে, "ময়ো তাইক এৰিব নোৱাৰো, ... ৰ্কিবল।"

কাৰ্লাইলে ভাবিবলৈ ধৰিলে—কেনেকৈ বাবৰাবাক ... নলে কথা এষাৰ কওঁ। অলপ সময় আন কথা পাতি ... লৈতে কিবা কামত হেয়াৰ দম্পতী উঠি গ'ল। সেই ... যোগতে কাৰ্লাইলে বাবৰাবাৰ কাণৰ ওচৰলৈ মুখখন নি ... চুপাই কলে—

"বাবৰাবা, আপত্তি নকৰিবা, যাবলৈ ওলোৱা, ... চাৰ্ডৰ কথা আছে।" বাবৰাবাৰ মুখ ৰঙা পৰিল, বুকুখন ধপ ধপকৈ নাচিবলৈ ধৰিলে। হেয়াৰ দম্পতী উভতি আহি চকীখনত বহি কলে, "এনেকুৱা জাৰ বতাহ ; নাই আৰ্কিবল, বাবৰাবাক পঠাব নোৱাৰো।"

"নহয়, পঠাব লাগে। বাইদেউৰ বাস্তৱিকে বৰ অসুখ। সাজু হৈ ওলোৱাগৈ, বাবৰাবা।"

বাবৰাবা—"আই আপুনি আপত্তি নকৰে যদি যাওঁ?"

"বাৰু যোৱা তেনেহলে, কিন্তু সাৱধানে যাবা আৰু গধূলি যেনে তেনে ঘূৰি আহিবা।"

কাৰ্লাইল—"বাৰু সেই বিষয়ে মই দায়ী। অপুনি চিন্তা নকৰিব—মই তাইক আগবঢ়াই থৈ যামহি।"

কাৰ্লাইল আৰু বাবৰাবা হাঁহি হাঁহি গাৰীত উঠি ইষ্টলিনি পালেগৈ। গাৰীৰপৰা নামি কাৰ্লাইলে তাইক হাতত ধৰি ঘৰ সোমাল।

কাৰ্লাইলে হাঁহি মাৰি কলে, "বাবৰাবা এতিয়া সাজু হোৱা।" আশা আৰু ভয়ে বাবৰাবাক শেতা কৰিলে। আচৰিত হৈ তাই সুধিলে, "কেলেই? ৰিচাৰ্ডৰ কিবা হৈছেনেকি?"

"একো হোৱা নাই। চক নাখাবা, সি ইয়াতেই আছে।"

"ইয়াতেই? কত?"

"ইয়াতেই, এই ঘৰতেই। সি যোৱা ৰাতি ইয়ালৈ আহিছে।"

"আহা, আৰ্কিবল!" বুলি তাই কৃতজ্ঞতাপূৰ্ণ চাহনিৰে কাৰ্লাইলৰ ফালে চাই থাকিল। কাৰ্লাইলে কৈ গ'ল—

"কৰ্ণি বাইদেউৰ শোৱা ঘৰৰ ওচৰতে জেছিৰ শোৱা ঘৰত শুইছিল। তাতেই আছে এতিয়াও।"

"তেনেহলে তেওঁলোকে সকলো কথা জানে?"

"নিশ্চয়। নাজানিলে কেনেকৈ তাক নিৰাপদে ৰখা যায়?"

তাৰ পিছত কাৰ্লাইলে বাৰবাৰাক ৰিচাৰ্ডৰ কোঠালিলৈ লৈ গ'ল। তাত কৰ্ণি, জেছি আৰু ৰিচাৰ্ড তিনিও কথা পাতি বহি আছিল। বাৰবাৰাক তাতে থৈ কাৰ্লাইল অফিছলৈ গলগৈ।

গধূলি কাৰ্লাইল অফিছৰপৰা আহিল। ৰিচাৰ্ডক খুৱাই ধুৱাই, টকা পইছা দিলে আৰু তাৰ উদ্ধাৰৰ আশ্বাস দি বিদায় দিলে। সিও আটাইবোৰৰপৰা বিদায় লৈ ভেশছন কৰিলে আৰু জীৱটো টোপোলা বান্ধি লৈ শীত কালৰ আঠুৱনি বৰফৰ মাজে মাজে ভৰি ছুৱন যিপিনে পৰিল সেইপিনে বেগ দিলে।

ৰিচাৰ্ড যোৱাৰ পিছতে বাৰবাৰা ককায়েক ৰিচাৰ্ডে শোৱা বিছনাখনত বহিলগৈ আৰু ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। তাকে দেখি জেছিয়ে কলে,

"মিছ বাৰবাৰা, যদি সঁচাকৈয়ে ককায়েৰা নিৰ্দ্দোষী হয়, তেন্তে তেওঁ বৰ কষ্টত দিন কটাইছে! দেখিলেই বৰ দুখ লাগে!"

লোতকেৰে পূৰ হৈ থকা চকুযুৰি ওপৰলৈ তুলি জেছিৰ ফালে চাই কলে,

"জেছি, এতিয়াও ৰিচাৰ্ড দোষী বুলি সন্দেহ হয়নে?"

"মই নিৰ্দ্দোষী বুলিয়েই বিশ্বাস কৰিছোঁ, মিছ। কোনো মানুহে মিছা কথা হলে এনেকৈ শপত খাই কবলৈ সাহ নকৰে। সম্প্ৰতি এই কেপ্তেন থৰ্ণ কোন তাক বিচাৰি উলিয়াব লাগে।"

বাৰবাৰাই জেছিৰ হাত ছুৱন খামোচ মাৰি ধৰি কৈ গ'ল, "জেছি লেডি ইছাবেলৰ নিৰুদ্দেশৰ ৰাতিৰপৰা আজিলৈকে ফ্ৰান্সিছ লেভিছনকে মই কেপ্তেন থৰ্ণ বুলি ভাবিছিলো। কাৰণ সেই অমঙ্গলীয়া সন্ধিয়া ৰিচা[ৰ্ড] ছদ্মবেশে ইয়ালৈ আহিছিল আৰু ৱেষ্টলিনিৰ বাটত থৰ্ণ[ৰ] লগ পাইছিল। ৰিচাৰ্ডে কৈছিল যে সি গধূলি ম[ূৰ] মেলা সাজপাৰ পিন্ধিছিল, চুলিবোৰ কপালৰপ[ৰা] ওভোতাই আচুৰিছিল, তাৰ বগা হাত আৰু হীৰা[ৰ] আঙঠি জোনৰ পোহৰত জিলিকি উঠিছিল। এ[ই] বগা হাত, আঙঠি, পিন্ধা-উৰা, চলা ফুৰা আটাইবোৰ[ে] লেভিছনৰ কথা মোৰ মনত পেলাই দিছিল। সে[ই] নিমিত্তে লেভিছনকে ৰিচাৰ্ডে দেখা থৰ্ণ বুলি আজিলৈকে ভাবিছিলো। পিছে ৰিচাৰ্ডে আজি সেই ভুল ভাঙি[লে।] সি কয় যে সি লেভিছনক চিনি পায়। থৰ্ণ আৰু লেভি[ছন] নলে-গলে লগা বন্ধু। মোৰ এতিয়া অনুমান হৈছে [যে] থৰ্ণ সেই দিনা গধূলি লেভিছনক দুষ্কাৰ্য্যত সহায় কৰিবলৈহে ইয়ালৈ আহিছিল।"

"এইবোৰ কথা শুনিবলৈ কেনে বেয়া ল[াগে] আইদেউ।"

এনেতে কাৰ্লাইল বাৰবাৰাক আগবঢ়াই থবলৈ গ[ৈ] হৈ আহিল। তাই কৰ্ণেলিয়াক অশেষ শলাগি বিদায় [লৈ] কাৰ্লাইলৰ লগত গাৰীত বহি বহি চকু[লো] টুকিলে। গাৰী ৱেষ্টলিনিত হেয়াৰৰ ঘৰ পালেগৈ। কাৰ্লাইলে গাৰীৰপৰা নামি গাবোৱানক বিদায় [দি] বাৰবাৰাক হাতত ধৰি ভিতৰলৈ গ'ল।

ঘৰ সোমাই দেখে যে বাৰবাৰাৰ মাক হেয়াৰ পত্নী টোপনিত অচেতন; বাপেক জাষ্টিছ হেয়াৰে তেতিয়া[ও] আমোদ গৃহৰপৰা ঘুৰি অহা নাই। কাৰ্লা[ইলক] কাৰ্লাইলক সোধপোছ কৰাৰ ভাৰ বাৰবাৰাৰ ওপৰত পৰিল।

দুয়ো বুলনি ঘৰৰ জুইৰ ওচৰত থিয়কৈ [থকা] আৰ্ছিখনৰ আগত ঠিয় হ'লগৈ। বাৰবাৰাৰ হাত এ[খন] কাৰ্লাইলৰ হাতৰ মুঠিত। তাই দিনত হৈ যোৱা বি[য়া] সম্বন্ধীয় কথাবোৰ ওলট পালটকৈ ভাবিবলৈ ধৰি[লে।] কাৰ্লাইলে কি ভাবিছিল? তেৱেঁইহে ভালকৈ জানে। তেওঁৰ যৌৱনভৰা চকুযুৰি বাৰবাৰাৰ বঙচুৱা [মুখ]ত। তাই সেই কথাৰ বুজ পাই তেওঁৰ ফালে চালে। [লগে] লগে কাৰ্লাইলে কৈ উঠিল—"মোৰ লগত বিয়া [বহিবা নে বা]ৰবাৰা নে?"

[এই] কথাষাৰ শুনি বাৰবাৰাৰ মুখৰ চেহেৰা পৰিৱৰ্ত্তন [হ']ল; আনন্দৰ জেউতিয়ে দেখা দিলে, মুখ ৰঙা পৰিল। [আ]কৌ পিছ মুহূৰ্ত্ততে শেতা পৰিল, বিষাদৰ কালিমাই [দেখ]া দিলে। তাই "ওহো" বুলি মূৰ জোকাৰি উত্তৰ [দি]লে।

"কি বাধা আছে বাৰবাৰা?"

[আ]কৌ সেই পৰিৱৰ্ত্তন। কাৰ্লাইলে তাইক আকোৱালি [ল]লে আৰু মুখৰ ওচৰত মুখখন দি কলে, "মোৰ [কথা]ত মনে মনে কোৱা।"

বাৰবাৰাই চকুলো টুকিবলৈ ধৰিলে।

"মই এবাৰ বিয়া কৰাইছিলো—এয়ে বাধা?" চকুলো [টু]কি তাই উত্তৰ দিলে "নহয় সেয়ে নহয়। সেই তাহানি[ৰ] [সে]ই নিশাৰ কথা মনত পেলোৱা। সেই দিনা [তুম]ি মোক অৱজ্ঞা কৰিছিলা,—মোক ভৰিৰে ঠেলি [পেলা]ই পেলাইছিলা, মোৰ কাতৰ মিনতিত কাণ [নক]ৰিছিলা।"

"বাৰবাৰা!" কাৰ্লাইলে ব্যথাভৰা অন্তৰেৰে কৈ [উঠি]ল।

কাৰ্লাইলৰ ব্যথাপূৰ্ণ কথাত বাৰবাৰাই তেওঁৰ ফালে [চা]লে।

"তুমি জানা যে মই তোমাক বৰ ভাল পাওঁ। মই [তো]মাৰ বাহিৰে আন কোনো ছোৱালীকে বিয়া নকৰাওঁ। [মোৰ] সপোন নাভাঙিবা বাৰবাৰা।"

কাৰ্লাইলৰ হাতৰ মাজত মূৰটো থৈ তাই কান্দিবলৈ [ধৰি]লে, "সুখ? তোমাৰ সুখ হবনে?"

"একেবাৰে গাঢ় প্ৰগাঢ় সুখ হব প্ৰিয়তমা। তুমি [মোৰ] আগৰ দৰে ভাল পোৱানে?"

"তাতোকৈ বেছি।"

কাৰ্লাইলে বাৰবাৰাক বুকুৰ মাজলৈ টানিলে আৰু [তে]ওঁৰ বুকুতে মুখখন থৈ তেনেভাৱে থাকিল। বাৰবাৰাৰ [অন্তৰ]ৰ অগনি নুমাল, হিয়া শাত পৰিল!



কাৰ্লাইলৰ লগত বাৰবাৰাৰ বিয়া ঠিক হ'ল,—দিন পৰ্য্যন্ত ধাৰ্য্য হৈ গল। বিয়াৰ প্ৰস্তাৱ শুনি কৰ্ণেলিয়া জাপ মাৰি উঠিল। যেতিয়া আকৌ শুনিলে যে কাৰ্লাইলৰ বিয়াৰ লগে লগে কৰ্ণি তেওঁৰ আগৰ পুৰণি ঘৰ ৱেষ্টলিনিলৈ যাবগৈ লাগে, কাৰ্লাইল আৰু বাৰবাৰা ইষ্টলিনিত থাকিব, তেতিয়া কৰ্ণিৰ ৰণচণ্ডী মূৰ্ত্তি কোনে চায়? কৰ্ণেলিয়া জ্বলি উঠিল। কাৰ্লাইলক বৰ্ণনাতীত গালি শপনি পাৰিলে। কিন্তু কাৰ্লাইলৰ প্ৰস্তাৱৰ কোনো পৰিৱৰ্ত্তন নহল। কৰ্ণিয়ে জেছিক লগত নিবলৈ অনুৰোধ কৰিলে, কিন্তু জেছিয়ে মৃত লেডি ইছাবেলে দিয়া প্ৰতিশ্ৰুতি সুঁৱৰি, ইছাবেলৰ লৰা ছোৱালী কেইটি ইষ্টলিনিত এৰি থৈ যাবলৈ মান্তি নহ'ল। কৰ্ণি সকলো কথাতে বিফলমনোৰথ হৈ ঘৰখনত তোল পাৰ লগাই দিলে। এনেতে বাহিৰত এজন মানুহৰ শব্দ শুনা গ'ল।

কেপ্তেন (এতিয়া মেজৰ) থৰ্ণ কোনোবা ফালৰপৰা হঠাৎ ইষ্টলিনিত উপস্থিত হলহি। কাৰ্লাইলক নমস্কাৰ জনাই কলে, "বাটত বৰ কষ্ট পালো ডাঙৰীয়া; আঠুৱনি বৰফ।" কাৰ্লাইলে সুধিলে, "ৱেষ্টলিনিত কিমান দিন থাকিবা?"

"নাই, কাইলৈ ৰাতিপুৱাই যামগৈ। এইবাৰ ঘৰলৈ গৈ মাক দেখা কৰি যাম। কেতিয়া আকৌ তেওঁৰ লগত দেখা হয় ঠিক নাই।"

"তেনেহলে ইমান লৰালৰিকৈ কেলেই আহিলা?"

"সঁচাকৈ কবলৈ হলে ডাঙৰীয়া, এজনী ছোৱালীৰ বাবেহে আহিছোঁ।"

"অ, কোননো সেই জনী?"

"মই মিছ বাৰবাৰাক খুব ভাল পাওঁ। তাইক বিয়া কৰাম বুলি বহু দিনৰপৰা আশা পালি আছোঁ। আজি অহাৰ উদ্দেশ্য সেয়ে।"

"এৰা, তাইৰ বিয়াৰ ঠিক্ ঠাক্ হৈ গল, নহয়নে?"

"সেইজন কোন ভাগ্যৱান পুৰুষ?"

"মই কলো, তুমি কথা প্ৰকাশ নকৰিবাতো?"

"কেলেই, আপুনি নিজে নহয়তো?"

"মই নিজেই।"

থৰ্ণৰ মাত বন্ধ হ'ল। কাৰ্লাইলে হাঁহি মাৰি কলে, "মেজৰ থৰ্ণ, সেই বুলি তুমি মোক শত্ৰু বুলি নাভাবিবা।"

"নিশ্চয় নাভাবো ডাঙৰীয়া। আপোনালোকক ভগৱানে দীৰ্ঘজীৱী কৰক, সুখে ৰাখক। আপোনালোকৰ বিবাহিত জীৱন নিষ্কণ্টক আৰু আনন্দময় হওক। কিন্তু মই এনেকৈ বিমুখ হম বুলি ভবা নাছিলো।"

আকৌ নিস্তব্ধ। অলপ বেলিৰ মূৰত কাৰ্লাইলে সুধিলে, "মেজৰ থৰ্ণ, এটা কথা তোমাক সুধিম বুলি বহুদিন ভাবিছোঁ, সুবিধা পোৱা নাই। তুমি কোন সময়ত ছোৱেন ছানত কিছুদিন বাহৰ পাতিছিলা?" থৰ্ণ কলে, "সেই বছৰতে হেলিজনৰ হত্যা।"

"তুমি তাত থকা সময়ত তোমাৰ নামৰ কোনোবা মানুহক জানিছিলা বা লগ পাইছিলানে?"

"মোৰ বিশ্বাস, মই তাক দেখিছিলো, কিন্তু মনত নাই, তাক এবাৰহে দেখিছিলো। সি বোধহয় ছোৱেনছানত থকা নাছিল; কাৰণ মই তাক তাত কেতিয়াও দেখা নাছিলো।"

কাৰ্লাইলে থৰ্ণক আৰু নানা তৰহৰ প্ৰশ্ন সুধিলে—তাক সি কত দেখিছিল বা লগ পাইছিল, সি কেনেকুৱা সাজপাৰ পিন্ধিছিল, কেনেকৈ চলা ফুৰা কৰিছিল, দেখিবলৈ কেনেকুৱা আছিল ইত্যাদি। থৰ্ণেও ভাবিচিন্তি উত্তৰ দিছিল। তেওঁ মনতে পাতি পোৱা কথাৰ কোনো ওৰ-সূত্ৰ উলিয়াব নোৱাৰি শেহত সুধিলে—

"মেজৰ থৰ্ণ, তুমি তাক দেখিলে চিনি পাবানে?"

"বোধকৰো পাম; কাৰণ তাৰ মুখৰ চেহেৰাত অ[illegible] বিশেষত্ব আছে। সেইটো হলে মোৰ মনত খুব ভা[illegible] আছে।"

"তেনেহলে মই তোমাক অনুৰোধ কৰো যদি [illegible] কৰবাত লগ বা দেখা পোৱা তেন্তে তাৰ আচল নাম[illegible] যেন মোক জানিবলৈ দিয়া।"

"থাক, কোনো কথা নাই; তাৰ বাবে অহোপুৰু[illegible] চেষ্টা কৰিম।"

মেজৰ থৰ্ণ বিদায় হ'ল, কাৰ্লাইল ভাবি-চিন্তি [illegible] থাকিল।

জুন মাহৰ ৰাতিপুৱা। বতৰ মুকলি। [illegible] আনন্দ উৎসৱৰ দলদোপ হেন্দোলদোপ লাগি উঠি[illegible] ওচৰতে থকা জুড়া গিৰ্জ্জালৈ লৰা-ছোৱালী, ডেকা গাভ[illegible] বুঢ়া-বুঢ়ী জাকে জাকে ঢাপলি মেলিলে। চাওঁতে চাওঁ[illegible] গিৰ্জ্জাঘৰ মানুহেৰে ভৰপূৰ হৈ পৰিল। আনন্দৰ ঢেউ[illegible] সকলোপিনে বিয়পি পৰিল।

—মিঃ কাৰ্লাইল আৰু মিছ বাৰবাৰাৰ বিয়া—

আনপিনে ইমান আনন্দ উৎসৱৰ দিনত মিছ কৰ্ণে[illegible] বিষাদভৰা মুখ, ব্যথাভৰা অন্তৰেৰে টানি টোপো[illegible] বান্ধি লৈ বেষ্টলিনিৰ পুৰণি পঁজালৈ যাত্ৰা কৰি[illegible] তাতেই তেওঁ জীৱনৰ বাকী দিন কেইটা কটাব।

যথা সময়ত শুভ লগ্ন শুভক্ষণত কাৰ্লাইল [illegible] বাৰবাৰাৰ বিয়া সমাৰোহেৰে হৈ গ'ল। সকলোৱে [illegible] কইনাক আশীৰ্ব্বাদ কৰিলে—নৱ দম্পতীৰ বিবাহিত জী[illegible] সুখ সম্ভোগপূৰ্ণ হওক, কাৰ্লাইলৰ গৃহস্থি পুনৰ [illegible] শান্তিৰ নিকেতন হওক।

[ আগলৈ ]



# অসমত যক্ষ্মা-ৰোগ

—ডাঃ শৰৎচন্দ্ৰ বৰুৱা

সংক্ৰামক ৰোগ আমাৰ দেশত কেবাটাও আছে। তাৰ ভিতৰত যক্ষ্মা এটা প্ৰধান হৈ পৰিছে। ক'লাজ্বৰে অসম ধুই থৈছে, বৰ্ত্তমানেও কামৰূপ আৰু নগাৱঁত এই ৰোগ কম পৰা নাই। মেলেৰিয়া চিৰ সহচৰ; হাইজা প্ৰত্যেক বছৰতে লাগি আছেই। এই মহামাৰীবোৰৰ লগে লগে তলে তলে যক্ষ্মাই অবাধে বিস্তাৰ লাভ কৰি দেশ আৰু জাতিক ধ্বংসৰ পিনে টানি নিছে। সভ্যতা বৃদ্ধিৰ লগে লগে এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৰ বেছি হৈ পৰিছে। অলপ দিনৰ ভিতৰতেই চাওঁতে চাওঁতে এই ৰোগে আগুৰি ধৰিছে। ভাবিলে ভয় লাগে—সদায় শঙ্কিত হৈ থাকিব লগা হৈছে। আমাৰ দেশৰ কোনো কোনো চহৰত এই ৰোগীৰ সংখ্যা ইমান বেছি হৈছে যে চহৰবাসীৰ স্বাস্থ্য নিৰাপদ নোহোৱা হৈ পৰিছে। অকল চহৰতেই নহয়, গাওঁ ভূঁইৰ কৰ্ম্মকেন্দ্ৰ চহৰৰ লগত ঘনিষ্ঠতা হোৱাত আৰু দূৰৰ গাওঁ ভূঁইত বিদেশীৰ বসতি হোৱাত অতি কম সময়ৰ ভিতৰতেই গাৱঁটো এই মাৰাত্মক ব্যাধিয়ে পুলি-পোখা গজাই টনকিয়াল হৈ পৰিছে। এই ৰোগে বয়সৰ তাৰতম্য বিচাৰ নকৰে, মুনিহ তিৰোতা, লৰা বুঢ়া ভেদাভেদ নাৰাখে, জাতি ধৰ্ম্মৰ বাছ-বিচাৰ নকৰে--সকলোকেই গ্ৰাস কৰে। স্বাস্থ্য বিষয়ক কৰ্ম্মীসকলৰ, দেশ আৰু ধৰ্ম্মৰ নেতাসকলৰ এই বিষয়ে চিন্তা কৰাৰ সময় অতীত হৈ গৈছে। তলত আমি এটা সাধাৰণ সংখ্যা মাত্ৰ দিছো:—

| চন | যক্ষ্মাৰোগীৰ সংখ্যা |
|---|---|
| ১৯৩০ | ১৬১৩ |
| ১৯৩১ | ১৭৩৯ |
| ১৯৩২ | ১৬৪৪ |
| ১৯৩৩ | ১৭৩৬ |
| ১৯৩৪ | ১৮০৩ |

ইয়াৰপৰা যৎকিঞ্চিত মাত্ৰ আভাস পোৱা যায় যে ৰোগীৰ সংখ্যা দিনকদিনে কিমান বৃদ্ধি হৈছে। সংখ্যাটৈ চকু দিওঁতে এই কথা মন কৰিবলগীয়া যে নিঃসহায় আৰু শেষ অৱস্থাতহে কেৱল জীৱন-লীলা শেষ হবৰ সময়ত এনে ৰোগী আস্পতাললৈ আহে। আস্পতালৰ বাহিৰৰ সংখ্যা বৰ্ত্তমান জনা অসাধ্য। আমাৰ গাৱঁৰ জন্ম মৃত্যুৰ সংখ্যা গাওঁবুঢ়াই দিয়ে। গাওঁবুঢ়াই মৃত্যুৰ হিচাব দিওঁতে কি কি বেমাৰত মৃত্যু হ'ল তাৰ সবিশেষ বৰ্ণনা দিব নোৱাৰে।

আমাৰ দেশৰ এই ৰোগ বেছি হোৱাৰ কাৰণ কি? অনুসন্ধান কৰি জানিব পাৰি যে তলত দিয়া কেইটাই প্ৰধান।

প্ৰথম—বিদেশীৰ আগমন। ভাৰতৰ অন্য প্ৰদেশত এই ৰোগ বেছি; অৰ্থাৎ সেই প্ৰদেশবোৰত অতীতৰপৰাই এই ৰোগে গ্ৰাস কৰি আছে। তেওঁলোকৰ লগে লগেই এই ৰোগ আমাৰ দেশত বেছি হয়। উদাহৰণ স্বৰূপে নেপালী-সকল। আমাৰ দেশত ধুবুৰীৰপৰা সদিয়ালৈকে, নগৰে গাঁৱে য'তে ত'তে নেপালী দেখিবলৈ পোৱা যায়। এওঁলোক পাহাৰী জাতি—গৰম দেশত বেছি দিন থাকি আৰু অতিৰিক্ত পৰিশ্ৰম কৰাৰ ফলত কেইবছৰমান থাকিলেই এই বেমাৰে বেগেতে তেওঁলোকক ধৰে। এওঁলোকৰ ভিতৰত শতকৰা ৭০।৮০ জন এনে বেমাৰত ভোগে। এওঁলোকেই আকৌ আমাৰ প্ৰায়বোৰ ঠাইতেই গৰু ম'হৰ খুটি পাতি আমাক গাখীৰ জোগায়। বেমাৰ বেছি হোৱা এই গাখীৰ জোগোৱাটোও এটা প্ৰধান কাৰণ। আমাৰ কোনো কোনোৱে নেপালী চাকৰ,ৰান্ধনিও ৰাখে। ইয়াৰ বাহিৰেও অনেক পশ্চিমীয়া জাতি আছে। আমি তেওঁলোকক মাত্ৰ উদাহৰণ স্বৰূপেহে দেখালো। শ্বিলং নগৰ পৃথিৱীৰ ভিতৰত এখন ধুনীয়া ঠাই, এই চহৰো এনে ৰোগীৰে ভৰি

পৰিছে। বঙ্গদেশৰ এজন ডাঙৰ ডাক্তৰৰ বিধানেই হৈছে এই বেমাৰ হলেই ৰোগীক খিলঙলৈ পঠোৱা। তাৰ ফলত আজি খিলঙত যক্ষ্মাৰোগী নথকা ঘৰ ভাৰালৈ পাবলৈ টান হৈ পৰিছে। স্বৰ্গীয় ভোলা বৰুৱাৰ ঘৰকেটাও যে বাদ পৰা নাই (ডাঙৰ ঘৰটোত বাদে) তাক আমি নিজ চকুৰে দেখা। আজিকালি খিলংখন গৰমকালি বিদেশীৰে ভৰি পৰেহি। সৰু ডাঙৰ অনেক পৰিয়ালৰ ভিতৰত দুই এটি এনে ৰোগী আছে—ঘৰৰ মালিকে গমকে নাপায়। খিলং মিউনিছিপেলিটিয়ে ইয়াৰ কিবা এটা প্ৰতিকাৰ কৰিব পাৰে হবলা। সেয়ে হলে চহৰবাসীৰ আৰু থাছিয়া ভাইইতৰ অন্ততঃ কিছু উপকাৰ হব।

দ্বিতীয়—চহৰবোৰত অস্বাস্থ্যকৰ অৱস্থাত অধিকাংশ-লোকে জীৱন কটাব লগা হোৱাটো। চহৰত ঘৰৰ ওপৰত ঘৰ। ধূলি আৰু ধোৱাঁৰে পুৰ আকাশ। ঘৰৰ দৰ্জ্জা খিৰিকি খুলিব নোৱাৰি, বাটৰ আধুনিক যান বাহনৰ প্ৰকোপৰপৰা। ঘৰৰ ভিতৰত ৰ'দ বতাহ সোমাবলৈ নাপায়। বাহিৰত নিৰ্ম্মল বায়ু নাপায়। লৰা-ছোৱালীয়ে ধূলি বালিহীন এটুকুৰা মুকলি ঠাই নাপায় য'ত সিহঁতে মুকলি মনেৰে লৰি ঢাপলি খেলিব পাৰে। মুনিহ তিৰোতাই ৰাস্তাই ঘাটে ফুৰিব নোৱাৰে ধূলিৰ কোবত। এই ধূলি এই ৰোগ বৃদ্ধি কৰাৰ এটা অন্যতম প্ৰধান কাৰণ। ধূলিত নাই কি—মলমূত্ৰ, কাহ-খেকাৰ ইত্যাদি সকলোবোৰ দূষিত বস্তু আৰু ৰোগৰ বীজাণুৰে ভৰা। এই বীজাণুবোৰ বতাহত মিহলি হৈ আকাশত ভাহি ফুৰে। আৰু এই বতাহকে আমি প্ৰতি মিনিটত ১৭।১৮ বাৰ উশাহ লৈ আমাৰ শৰীৰৰ ভিতৰলৈ নিওঁ। কি ভয়াবহ কথা! ইয়াৰপৰা অকল যক্ষ্মাই নহয় আন আন অতি সাংঘাতিক ৰোগো সৃষ্টি হয়।

এইবোৰৰ প্ৰতিকাৰৰ ভাৰ কেৱল মিউনিছিপেলিটিৰ ওপৰত। ক্ৰমে আমাৰ চহৰবোৰত লোকসংখ্যা বাঢ়িবলৈ ধৰিছে; সেই অনুযায়ী ঘৰ, কল কাৰখানা অবাধে বাঢ়িবলৈ ধৰিছে। ভবিষ্যতৰ কাৰণে কোনেও ভ্ৰূক্ষেপ নকৰে। সাধাৰণতে দেখা যায় মিউনিছিপেলিটিৰ স্বাস্থ্য বিভাগৰ ওপৰত ইয়াৰ সম্পূৰ্ণ ভাৰ থাকে। কিন্তু এই বিভাগৰ সকলোৱে অতি কম দৰমহাত মাত্ৰ এজন কৰ্ম্মচাৰী ৰাখে। আৰু তেওঁৰো অনেক কাৰণত সেই দায়িত্বপূৰ্ণ কামটো পৰিপাটিকৈ কৰিব নোৱাৰে। তাৰ ফলত চহৰৰ, দেশৰ, জাতিৰ ভৱিষ্যত সৰ্ব্বনাশ সাধনৰ বাট মুকলি হৈ পৰিছে।

তৃতীয়—বিশুদ্ধ খোৱা বস্তুৰ অভাৱ। ভেজাল বস্তু চহৰততো কথাই নাই, গাৱঁতো প্ৰচুৰ পৰিমাণে পোৱা যায়। উদাহৰণ স্বৰূপে খোৱা তেলৰ (মিঠা তেল) কথা ধৰা যাওক। আগেয়ে নগৰত পশ্চিমীয়া তেলিয়ে ঘৰ শালপাতি তেল পেৰি চহৰত যোগায়। গাৱঁত নিজে নিজেই পেৰি লয়। তেতিয়া ভেজালৰ কথা মানুহে জনাই নাছিল। লাহে লাহে তেলকল আহি চহৰত বহিল—এতিয়া ভেজালৰ মাত্ৰা ইমান বেছি হবলৈ ধৰিছে যে বিশুদ্ধ সৰিয়হৰ তেল এটা দুষ্প্ৰাপ্য বস্তু হৈ পৰিছে।

আমাৰ স্বাস্থ্য ৰক্ষাৰ অতি প্ৰয়োজনীয় বস্তু গাখীৰ, আৰু গাখীৰ জাতীয় বস্তুটো বৰ দুৰ্লভ হৈ পৰিছে। অতি বেজাৰ লগা কথা আমাৰ উঠি অহা লৰা-ছোৱালীৰ উপযুক্ত খাদ্যাভাৱ। কেচুৱাৰ মাকৰ পিয়াহৰ অভাৱ হলেই তাৰ ঠাইত গৰুৰ বা ছাগলীৰ গাখীৰ নিদি 'এলেনবেৰি' নাইবা 'গ্লেক্স' আহি ওলায়। কিন্তু আমি ভাবি চোৱা নাই যে এইবোৰ পেটেণ্ট ফুড্ দহ কি পোন্ধৰ বছৰৰ আগেয়ে আবিৰ্ভাব হোৱা নাছিল। যিমানেই বিশুদ্ধ বৈজ্ঞানিক উপায়েৰেই এই আহাৰবোৰ কৰক লাগে শুকান গাখীৰ আৰু সাধাৰণ গৰুৰ গাখীৰৰ প্ৰভেদ অনেক বেছি। এইবোৰ শুকান গাখীৰৰ লগত হজম কৰাৰ ঔষধ থাকে। এইবোৰে নিশ্চয় কেচুৱাৰ স্বাভাৱিক হজম শক্তি লোপ কৰায়। অতি পৰিতাপৰ কথা যে 'গ্লেক্স' বোলা গাখীৰ আজিকালি গাৱঁতো—যি ঘৰত বিশুদ্ধ গৰুৰ গাখীৰৰ অভাৱ নাই, তাতো সোমালহি। অভাৱৰ কাৰণে নহয়, দেখাক দেখি সভ্যতাৰ অনুকৰণ মাত্ৰ।

চতুৰ্থ—নিৰ্ম্মল বায়ু সেৱনৰ অভাৱ। ই অৱশ্যে চহৰবাসীৰ; গাৱঁত ইয়াৰ অভাৱ হোৱা নাই।

পঞ্চম—অতিৰিক্ত পৰিশ্ৰম। সাধাৰণতে দেখা যায় সংসাৰৰ গতিত যিসকলে অধিক পৰিশ্ৰম কৰিব লগাত পৰে



সেইসকলে উপযুক্ত খাদ্য খাবলৈ নাপায়। ফলত এনেবোৰ পৰিয়ালতেই ৰোগ, ব্যাধি বেছি হোৱাৰ সম্ভাবনা। নিম্নশ্ৰেণীৰ শ্ৰমিকবোৰে—যিবোৰে কল-কাৰখানাত কাম কৰে সেইবোৰে যাতে আঠ ঘণ্টাৰ বেছি কাম কৰিব নোৱাৰে এনে নিয়ম চৰকাৰে যদিও বান্ধি দিছে তত্ৰাচ দহ ঘণ্টাৰ মোহত সিহঁতে বেছি কাম কৰে। সুখৰ কথা যে আমাৰ দেশৰ এনে দলৰ শ্ৰমিক অতি কম।

এই সকলোবোৰ কাৰণেই দেহৰ ৰোগ নিবাৰণ কৰা শক্তি হ্ৰাস কৰে। আমাৰ পূৰ্ব্ব পুৰুষসকল কেনে স্বাস্থ্যৱান আছিল আৰু আজি আমি আৰু আমাৰ বংশধৰবোৰ কেনে স্বাস্থ্যহীন হৈছো তাৰ কাৰণ ওপৰত উল্লেখ কৰা কেইটা প্ৰধান।

এতিয়া তাৰ প্ৰতিকাৰ আৰু সু-সভ্য দেশবোৰত কি কৰে তাৰ বিষয়ে অলপ উল্লেখ কৰো। চৰকাৰ লোকেলবৰ্ড আদিয়ে মেলেৰিয়া, কলাজ্বৰ, বসন্ত আদিৰ নিবাৰণৰ অৰ্থে যথেষ্ট চেষ্টা কৰিছে আৰু বহুত পৰিমাণে কৃতকাৰ্য্যও হৈছে। আনকি আজিকালি কুষ্ঠৰোগ নিবাৰণৰো ব্যৱস্থা হৈছে কিন্তু আজিলৈকে যক্ষ্মাৰোগৰ নিবাৰণৰ কোনো ব্যৱস্থাই হোৱা নাই। ইয়াৰ একমাত্ৰ কাৰণ হৈছে যে এই ৰোগৰ প্ৰতিষেধক কোনো ঔষধ আজিলৈকে ওলোৱা নাই। সাধাৰণতে দেখা যায় সকলো জিলা আৰু মহকুমাৰ আস্পতালৰ কিছু দূৰৈত একোটিকৈ এক ঘৰ থাকে—নাম টি, বি, ৱাৰ্ড, (T.B. Ward)। ইয়াত কেৱল আশ্ৰয়হীন আৰু ৰোগৰ শেষ অৱস্থাত উপস্থিত হোৱা ৰোগীহে পোৱা যায়। তেতিয়া সিহঁতক ৰক্ষা কৰিবলৈ নাথাকে আৰু তেনে ভাল কোনো ব্যৱস্থাও নাই। ৰোগীয়ে মৃত্যুৰ অপেক্ষা কৰি দিন গণে মাত্ৰ। এইদৰে প্ৰত্যেক আস্পতালত ৮।১০ জন ৰোগী থাকে আৰু সিহঁতৰপৰা চহৰত ৰোগ বিস্তাৰ কৰে। এটা প্ৰয়োজনীয় কথা এইখিনিতে কোৱা আৱশ্যক যে এজন বিশেষজ্ঞই কৈছে এজন যক্ষ্মাৰোগীয়ে (one active T. B. patient) আঠজন সুস্থ মানুহক সেই ৰোগ দিয়ে। যদি সেয়ে হয় তেনে নগৰৰ সীমাজত এনে এটা ঘৰত এসোপা এনে ৰোগী থুপ খুৱাই থোৱাৰ ব্যৱস্থা কৰাত বাইজৰ উপকাৰ কৰা হোৱা নাই। এইটো বন্ধ কৰিবৰ কাৰণে প্ৰত্যেক লোকেলবৰ্ড আৰু মিউনিছিপেলিটিয়ে নগৰৰ বাহিৰত এটুকুৰা স্বাস্থ্যৱান ঠাইত এনে ৰোগীৰ কাৰণে ব্যৱস্থা কৰি দিয়া নিতান্ত প্ৰয়োজনীয়। অকল তাকে কৰিলেই নহয়। প্ৰত্যেক নগৰতেই একোটা টি, বি ক্লিনিক (T. B. Clinic) (যক্ষ্মাৰোগীক পৰীক্ষা কৰা আৰু চিকিৎসাৰ ব্যৱস্থা কৰা ঘৰ) খুলি একোজন বিশেষ শিক্ষা পোৱা চিকিৎসকৰ অধীনত ৰাখিব লাগে। বৰ্ত্তমান আস্পতালবোৰত হোৱা দৰে এশ ডেৰশ ৰোগী আৰু এজন ডাক্তৰ হলে একো লাভ নহব।

অন্য সুসভ্য দেশত এইবোৰ ৰোগীৰ কাৰণে সুন্দৰ যক্ষ্মানিবাস (Sanatorium) আছে। আৰু সেইবোৰ দিনে দিনে উন্নত ধৰণৰ হবলৈ ধৰিছে। সেইবোৰ দেশত যক্ষ্মাৰোগী যক্ষ্মা-নিবাসতহে থাকে। যেতিয়া ৰোগীৰ থু-খেকাৰত এই ৰোগৰ বীজাণু ভালেমান দিন নোপোৱা হয় তেতিয়াহে ৰোগীক ঘৰলৈ যাবলৈ দিয়া হয়; কিন্তু মাজে মাজে ৰোগীয়ে যক্ষ্মা-নিবাসলৈ আহি পৰীক্ষা কৰাই থাকিব লাগে। আমাৰ দেশত এনে যক্ষ্মা-নিবাস নাই। খিলঙত এটা হোৱাৰ কথা আছে। ভাৰতৰ আন আন প্ৰদেশত কেইটামান আছে, যেনে বঙ্গদেশত যাদবপুৰ আৰু মাদ্ৰাজত ৱালটেয়াৰ। দুই চাৰিটা এনে যক্ষ্মা-নিবাস থাকিলেও তাৰপৰা জন-সাধাৰণৰ বিশেষ একো উপকাৰ নহয়। কাৰণ আমাৰ দেশৰ শতকৰা ৯৯ জন এনে চিকিৎসাৰ সাহায্য গ্ৰহণ কৰিবলৈ শক্তিহীন।

জন-সাধাৰণৰ উপকাৰৰ কাৰণে এই ভীষণ ব্যাধিৰ পৰা হাত সাৰি থাকিবলৈ হলে জন-সাধাৰণক এই ৰোগৰ সম্বন্ধে শিক্ষা দিয়া দৰকাৰ। কোনো ফলদায়ক প্ৰতিষেধক ওলোৱা নাই আৰু আজিলৈকে উপযুক্ত চিকিৎসা আবিষ্কৃত হোৱা নাই যদিও তত্ৰাচ ইউৰোপত এই ৰোগ বহুত পৰিমাণে দমন কৰিছে। যুদ্ধৰ পিছত ইউৰোপৰ কেইখনমান দেশত এই ৰোগ বৰ বেছি হৈছিল, কিন্তু বৰ্ত্তমান খুব কম হৈছে। এই ৰোগ দমন কৰিছে কেৱল সাধাৰণক শিক্ষা দি আৰু বিশিষ্ট প্ৰতিষ্ঠানৰ দ্বাৰা। শিক্ষা বুলিলেই কথা উঠে যে আমাৰ দেশৰ শতকৰা কেই

জন মানুহ প্ৰাথমিক শিক্ষা পোৱা! কিন্তু ৰোগ সম্বন্ধে জ্ঞান দিবলৈ মৌখিক শিক্ষাই যথেষ্ট হব, আৰু ফলদায়ক যে হব তাৰ যথেষ্ট প্ৰমাণ হব। আগেয়ে মানুহে বসন্ত ৰোগৰ কাৰণে চিতা লবলৈ নাহিছিল, কিন্তু যেতিয়া বুজিলে যে সেই চিতাই এই ৰোগ নিবাৰণ কৰে তেতিয়াৰপৰা মানুহে অবাধে চিতা লয়। আৰু সেইদৰে হাইজা বেমাৰৰ বেজী আৰু ঔষধ মানুহে খেদি আহি লয়। পুখুৰী নাদ আদিৰ পানী বিশুদ্ধ কৰিবৰ কাৰণে ঔষধ-পত্ৰ নিজে আহি নিয়েহি, আনকি পইছা খৰচ কৰিও বিচৰা হৈছে। গাৱঁত হাইজা আদি লাগিলে অতি সোনকালে খবৰ দিয়েহি। কিন্তু বেছি দিনৰ কথা নহয় ১২।১৩ বছৰ আগৰ কথা— লিখকে নিজে জানে যে কছাৰী মিকিৰ, চাওদাং আদি গাৱঁত হাইজা লাগিলে খবৰতো নিদিয়েই ছৰকাৰে খবৰ পাই ডাক্তৰ পঠালেও গাৱঁৰ মানুহে গাৱঁৰ ভিতৰত ডাক্তৰক সোমাবলৈ নিদিয়ে। আনকি ডাক্তৰ দেখিলে কপি-দা লৈ খেদি গাৱঁৰপৰা বাজ কৰি দিছিল। তেনেবোৰ মানুহেও আজিকালি বেজী লবলৈ জুম বান্ধি আহে। এনে ধৰণৰ মানুহৰ এটা হাঁহি উঠা কথা অলপতে হৈছিল। এটা মানুহে এদিন এহাতত এটা কলেৰাৰ বেজী লৈ তাৰ এদিনৰ পিছত আকৌ সিখন হাতত বেজী ললেহি। বেজীৰ মাত্ৰা বেছি হোৱাত সি ভালকৈয়ে ভুগিলে। কাৰণটো কি কোনেও ধৰিব নোৱাৰিলে, সি ভাল হলত হে তাৰ মুখত কথাটো ওলাল যে সি দুবাৰ বেজী ললে। তাৰ ধাৰণা আছিল যে এহাতত বেজী ললে গাৰ এফালৰ হে ৰক্ষা হব, সেই কাৰণে আনখন হাততো বেজী লৈ গাৰ সিফাল ৰক্ষা কৰিছিলহি !!

এইবোৰৰপৰাই বুজা যায় যে জনসাধাৰণে ৰোগ নিবাৰণৰ কাৰণবোৰ ভালকৈ বুজ পালে তাৰ প্ৰতিকাৰ নকৰাকৈ নাথাকিব। স্কুল পাঠ্যৰ ভিতৰত আজিকালি ভাল ধৰণৰ স্বাস্থ্য সম্বন্ধীয় কিতাপ শিক্ষা দিবৰ ব্যৱস্থা হৈছে; কিন্তু কোনো কোনো ঠাইত শিক্ষা দিওঁতাসকলৰ সেই বিষয়ত কৃতিত্ব অলপ কম হোৱাত ভাল শিক্ষা হোৱা নাই যেন লাগে। প্ৰাথমিক শিক্ষা দিবৰ কাৰণে ব্যৱহাৰ কৰা দুখন এখন অসমীয়া স্বাস্থ্য বিষয়ৰ কিতাপ বৰ দোষ থকা, আৰু লিখকসকলৰ নিজৰ সেই বিষয়ে জ্ঞান খুব কম যেন লাগে। এনে এখন কিতাপ কেইবছৰমানৰ আগতে সংশোধনৰ কাৰণে আমাৰ হাতত পৰিছিল। কিতাপখন এজন তলখাপৰ স্কুল শিক্ষকৰ লিখা। সেইখন কিতাপ কেবা বছৰো স্কুলৰ পাঠ্য হিছাবে চলি আছিল। কিতাপখনৰ অযোগ্যতা দেখি আমাৰ এজন বন্ধুক তেনে এখন কিতাপ উপযুক্তকৈ লিখিবলৈ কোৱাত লিখিলে। আচৰিত কথা যে সেইখন হেনো ওখ খাপৰ (high standard) কিতাপ বুলি স্কুলৰ হৰ্ত্তা-কৰ্ত্তাসকলে নচলালে! ই হবই। যি দেশত অসমীয়া স্বাস্থ্য-বিজ্ঞানৰ পৰীক্ষক অসমীয়াৰ 'অ' নজনা এজন খিলংবাসী ছিলেটীয়া ডাক্তৰ হব পাৰে সেই দেশত নহব পাৰে কি?

স্কুলৰ লৰা-ছোৱালীক শিক্ষা দিলে আমাৰ ভবিষ্যত উপকাৰ হব নিশ্চয়, কিন্তু জনসাধাৰণৰ কাৰণেহে এতিয়া বেছি প্ৰয়োজন। ইউৰোপত এইবোৰৰ কাৰণে 'প্ৰপেগেণ্ডা মিনিষ্টাৰ' আছে আৰু এই স্বাস্থ্য-বিজ্ঞান সম্বন্ধে প্ৰচাৰ কাম ছৰকাৰে কৰে। আমাৰ দেশত মাজে মাজে স্বাস্থ্য বিভাগৰপৰা হাট-বজাৰ আদিত আৰু গাওঁ ভূইত 'লেণ্টাৰ্ণ-লেকচাৰ' হয়। কিন্তু এইবোৰ একেবাৰেই ফলদায়ক হোৱা নাই। কাৰণ অনেক। যিবোৰৰ হাতত এনে কাম দিয়া হয় তেওঁলোকে অনেকেই আমাৰ চলিত গাৱঁলীয়া ভাষাকে নাজানে। অনেকেই আকৌ দেশ-প্ৰেমৰ অনুপ্ৰেৰণাৰে কাম নকৰে, কেৱল দৰ্মহাৰ কাৰণে কাম কৰা যেন লাগে। সেই কাৰণে তেওঁলোকে মানুহক আকৰ্ষণ কৰিব নোৱাৰে। কেইখনমান লেণ্টাৰ্ণ-ছবি, কেইখনমান আৰি থোৱা ছবি আৰু কেইখনমান বিজ্ঞাপন ছপা কৰাই ছৰকাৰী অফিচ, ডাকঘৰ, স্কুল বা ডাক্তৰখানাৰ চালে বেৰে আৰি থলেই সাধাৰণ মানুহৰ জ্ঞান হোৱা কঠিন। এখন ডাঠ কাগজত "থু নেপেলাবা" (আমাৰ দেশত আকৌ সাধাৰণতে "থু থু ফেলিওনা" হে দেখা যায়) বুলি লিখি আৰি থলে কি হব? য'তে ত'তে থু পেলালে যে কি অনিষ্ট কৰে তাক নাজানিলে বিজ্ঞাপনে কি কৰিব? এইবোৰ কৰা অনেক দিন হ'ল। বৰ্ত্তমান আধুনিক প্ৰণালীতে কৰা দৰকাৰ। লোকেল-ব'ৰ্ড আৰু মিউনিছিপেলেটীয়ে



ইয়াক এটা স্বাস্থ্য বিভাগৰ ভিতৰত শাখা কৰি কাম কৰা উচিত। সাধাৰণ স্বাস্থ্যতত্ত্ব বিষয়ে জ্ঞান বৃদ্ধি কৰিবলৈ সুন্দৰ প্ৰচাৰ কাৰ্য্যৰ ব্যৱস্থা হলে—জনসাধাৰণৰ সেই জ্ঞান অলপ হলেই দেশৰ যে সাধাৰণ স্বাস্থ্যৰ অনেক পৰিবৰ্ত্তন হব তাক কোনেও নুই কৰিব নোৱাৰে। এই প্ৰচাৰ কাৰ্য্যৰ সু-প্ৰতিষ্ঠান স্থাপন হলেই বেতন ভোগী কৰ্ম্মীৰ বাহিৰেও স্বাধীন চিকিৎসা ব্যৱসায়ী অনেকেই বিনামূল্যে কিছু কাম কৰি দিবলৈ ৰাজী হব ইয়াক ভালকৈয়ে আশা কৰিব পাৰি। নগাৱঁত এনে এজনে দেশৰ হকে এনে ভালেমান কাম কৰিছে বুলি জনা গৈছে। অন্য ঠাইতো নিশ্চয় ওলাব—যদি কাম বেমেজালি নহয়।

আৰু এটা কথা দেখি দুখ লাগে। আমাৰ ভাষাত স্বাস্থ্য বিষয়ক কিতাপ নাই বুলিলেই হয়। যি দুই একোখন স্বাস্থ্য বিষয়ক কিতাপ ওলাইছে তাৰো আদৰ অকণো নাই। নগাৱঁৰ ডাঃ ললিতকুমাৰ বৰুৱা ডাঙৰীয়াই কেইখনমান উপযুক্ত স্বাস্থ্য বিষয়ক কিতাপ লিখিছিল, তাৰ মূল্যও অতি কম, ভাষা অতি সৰল। তেনে কিতাপ অসমৰ সকলোৰে ঘৰত একোখন থাকিলে অকল যে সাধাৰণ জ্ঞান হব সেয়ে নহয়, অনেকে সাধাৰণ চিকিৎসা প্ৰণালীত ডাক্তৰ কবিৰাজৰ সহায় নোহোৱাকৈ চলিব পাৰিব।

প্ৰচাৰ কাৰ্য্য অকল চহৰতেই নহয় গাওঁ-ভূই আদিতো প্ৰচুৰ পৰিমাণে হব লাগে। ইয়াৰ বাহিৰেও চহৰৰ প্ৰত্যেক মিউনিছিপেলিটিত "শিশু-স্বাস্থ্যাগাৰ" হোৱা উচিত। খিলঙত এখন খুলিছে। প্ৰত্যেক কেচুৱাকে ইয়াত মাজে মাজে পৰীক্ষা কৰাব লাগে আৰু শিশুৰ ওজন আদি লব লাগে। প্ৰত্যেক সভ্য দেশতে এই ব্যৱস্থা আছে। শিশুৰ স্বাস্থ্য সম্বন্ধে যত্ন লোৱাত সেইবোৰ দেশত যক্ষ্মা ৰোগৰ অনেক শাম কাটিছে। সৰুৰেপৰা শৰীৰ ভালে ৰাখিলে কোনো ব্যাধিয়ে যে হঠাতে শৰীৰ আক্ৰমণ কৰিব নোৱাৰে ইয়াক নাজানে কোনে? বহুত সময়ত দেখা যায় আমাৰ দেশত অনেকৰ সৰু কালতে যক্ষ্মা ৰোগ হয়, যৌৱনত ধৰা পৰে, কিন্তু তেতিয়া ৰোগ অনেক আগবাঢ়ে, বিশেষ কৰিবলৈ নাথাকে, মৃত্যুৰ হাতৰপৰা ৰক্ষা কৰা টান হৈ পৰে। স্কুল কলেজত এনে লৰা প্ৰায় ধৰা পৰে আৰু ছোৱালীৰ প্ৰথম গৰ্ভধাৰণ কৰাৰ পিছত সেই ৰোগে ভীষণ ৰূপ ধৰি অনেকক বিপন্ন অৱস্থাত পেলায়। প্ৰতি শিশুৰ স্বাস্থ্য সম্বন্ধে মাক বাপেক বিশেষ যত্নবান হোৱা কৰ্ত্তব্য। সন্তানেই আমাৰ দেশৰ ভবিষ্যত। আমি সদায় সাৱধান হব লাগে যেন কেতিয়াও আমাৰ লৰা-ছোৱালী যক্ষ্মাৰোগীৰ সংস্পৰ্শত নাহে। স্কুল কলেজত লৰাৰ স্বাস্থ্য পৰীক্ষা কৰা এটা নিয়ম কৰিছে; কিন্তু সি অতি নামমাত্ৰ বুলি কলেও বেছি কোৱা নহয়। সেইটো বিশেষ ধৰণে উন্নত কৰা দৰকাৰ। মাত্ৰ এজন ডাক্তৰৰ ওপৰত ৫০০ ৬০০ লৰাৰ স্বাস্থ্য দুই এদিনতে পৰীক্ষা কৰিবলৈ দিলে কাম কৰা নহয়; লোকক দেখুউৱা হয় মাত্ৰ।

ইয়াৰ লগে লগে আৰু এটি অতি প্ৰয়োজনীয় কাম হৈছে মিউনিছিপেলিটিৰ স্বাস্থ্য বিভাগটো উন্নত কৰা। এজন হেল্‌থ্ অফিছাৰ বা ছেনিটৰি ইন্সপেক্টৰৰ হাততে এনে এটা গধুৰ ভাৰ দি ৰহি থকা অতি বিপদজনক। তেওঁলোকৰ কামৰ বোজা বেছি, কৰ্ম্মচাৰী কম। তেওঁলোকৰ কামত সহায় কৰিবলৈ স্বাস্থ্য-সহায়ক পুলিছ (Sanitary police) থকা দৰকাৰ। আমাৰ মিউনিছিপেলিটিবোৰৰ যে কোনো ব্যৱস্থা নাই বা আইন কানুন নাই তেনে নহয়, কিন্তু প্ৰায়বোৰ প্ৰাণহীন। ভেজাল বস্তু দমন কৰিবলৈ কঠোৰ প্ৰণালী হোৱা অতি আৱশ্যক। দুই এজনৰ লাভৰ কাৰণে এটা জাতি ধ্বংস হব ধৰিছে। এই বিষয়েও প্ৰচাৰ কাৰ্য্য দৰকাৰ। ক্ৰেতা আৰু বিক্ৰেতা দুয়োকো এনে জ্ঞান দিব পাৰিলে উপকাৰ হব পাৰে।

শেষত আমাৰ দেশৰ যক্ষ্মাৰোগীৰ বৰ্ত্তমান অৱস্থাৰ বিষয়ে অলপ আলোচনা কৰি শেষ কৰো। আগেয়েই কোৱা হৈছে ৰোগী বহুত পলমকৈহে চিকিৎসাধীন হয়। যদি কোনো ৰোগীক যক্ষ্মা হৈছে বুলি ডাক্তৰে কয় তেতিয়া সাধাৰণতে ৰোগী আন ডাক্তৰৰ ওচৰলৈ যায়, যেন যক্ষ্মা হৈছে বুলি কোৱাটো ডাক্তৰৰ অপৰাধহে হ'ল। তেওঁলোকে পৰাপক্ষত ৰোগ গোপন কৰে। ডাক্তৰখানালৈ পৰীক্ষাৰ কাৰণে আন এজনৰ খেকাৰ পঠায়ো ৰোগ গোপন কৰা আমি নিজে জানো। আকৌ অনেক

ঠাইত সকলো থাপৰ ডাক্তৰৰ মাজত এনে এটা ধৰণ প্ৰচলিত আছে যে এজন মানুহৰ যদি সঁচাকৈয়ে যক্ষ্মা হৈছে তেওঁক থাটাংকৈ বুজাই নিদিয়ে যে তেওঁৰ যক্ষ্মাৰোগ হৈছে। কাৰণ জনসাধাৰণৰ বিশ্বাস যে যক্ষ্মা মানে মৃত্যু। কাজেই ডাক্তৰে এজন মানুহক T. B. হৈছে বা যক্ষ্মা হৈছে বুলি কোৱা মানে যেন বিচাৰকে অপৰাধীক 'তোমাৰ ফাঁচীৰ হুকুম হ'ল' বুলি কোৱা। কিন্তু প্ৰকৃততে তেনে নহয়। ৰোগ যদি প্ৰথম অৱস্থাতে নিৰ্ণয় হয় আৰু ভাল চিকিৎসা হয় তেন্তে অনেক ৰোগী ভাল হয়। এই ৰোগ হোৱা মানেই যে মৃত্যুক বৰণ কৰিবলৈ সাজু হোৱা ইয়াৰ কোনো মানে নাই। ই যে ভীষণ ৰোগ তাক দুই কৰিব নোৱাৰি; কিন্তু সেই বুলি যদি ৰোগীয়ে তেওঁৰ মৃত্যু অৱশ্যম্ভাৱী বুলি ধৰি লয় তেন্তে তেওঁৰ এই শাৰীৰিক ৰোগৰ ওপৰত আকৌ যদি মানসিক ৰোগৰ হেচা পৰে তেন্তে চিকিৎসা কৰা আৰু কঠিন হৈ পৰে। পশ্চিমৰ সভ্যদেশত ৰোগীৰ 'এক্স-ৰে' (X-Ray) ছবি লৈ দেখু... ৰোগ কিমান ভীষণ আৰু ৰোগ কিমান দূৰ আগ বাঢ়ি... তাক তন্নতন্নকৈ বুজাই দি ৰোগীক সকলো বিষয়তে সাৱধা... কৰি দিয়ে আৰু ৰোগীয়েও ডাক্তৰৰ উপদেশমতে চলে... এই বিষয়তো প্ৰচাৰ কামেহে উপকাৰ কৰিব। "যক্ষ্মাৰোগ আৰু তাৰ প্ৰতিকাৰ" নামৰ ডাঃ ললিতকুমাৰ ৰকৰ... সৰু কিতাপখন এই বিষয়ত খুব উপকাৰী। যোৱা বছৰ এই ৰোগৰ বিষয়ে বিশেষ শিক্ষা ... কৰিবলৈ চৰকাৰে কলিকতাৰ প'ষ্ট গ্ৰেজুৱেট ট্ৰেইনিং... পঠিয়াইছিল। সেই শিক্ষাত গোটেই ভাৰতৰ বাছনি... বনীয়া কেইজনমান ডাক্তৰকহে যোগ দিবলৈ দিয়া হৈছিল... অসমৰ ভাগ্যত যে তেখেত পৰিল ই আমাৰ সৌভাগ্য... তেখেতে এই বিষয়ে আৰু এখন কিতাপ লিখিবৰ যোগা... কৰিছে। ওলালে আমাৰ জন সাধাৰণৰ নিশ্চয় উপকাৰ হব।

---

গল্প ]

# বিপৰ্য্যয়

—শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা

ৰমেশৰ ঘৰ উজনি অসমত। ডাঙৰ বংশৰ লৰা। পঢ়াশুনাতো বৰ ভাল আছিল। দেখাত আছিল সি ছাহাবৰ লৰাটো যেন। তাৰ ৰূপ আছিল মনোমোহা। আই-এ পৰীক্ষা দি সি ঘৰলৈ গল। বন্ধৰ ভিতৰতে এদিন দুপৰীয়া ৰমেশে ককায়েকৰ ছোৱালী কণমাইক লৈ ধেমালি কৰি আছিল। এনেতে নবৌয়েক আহি ওলাল। নবৌয়েকক দেখি ৰমেশে কলে যে কণমাইৰ বিয়াৰ ভাৰ তাৰ ওপৰত। সি তাইলৈ এটা ভাল দৰা চাই দিব। তাতে বৌয়েকে কলে যে সেইটো পিছত দেখা যাব, আগেয়ে তাৰ বিয়াখনহে হব লাগে। ৰমেশে আপত্তি কৰি কলে যে তাৰ বিয়া হবই নোৱাৰে। তাৰ বিয়াৰ কথা ... অহা নাই; হয়তো সি বিয়া নকৰাবও পাৰে। ... বৌয়েকে ঠাট্টা কৰি কলে যে ককায়েকে হেনো তাৰ... ছোৱালী চাই ঠিক কৰিছে। পৰীক্ষাৰ খবৰ ওলালেই ... বিয়া পাতিব। ৰমেশে সকলো কথা হাহি উৰুৱাই ... আতৰি পৰিল।

দুদিন পিছৰ কথা। সন্ধ্যা সময়ত ককায়েক, ... আৰু ৰূপৰাম হাজৰীকা (মৌজাদাৰ) চৰাঘৰত ... কথা পাতিছে, ৰমেশকো তালৈ মাতি পঠিয়ালে। ... হাজৰীকাক তেওঁ আগেয়ে দুই তিনিবাৰ তেওঁলোকৰ ... ত দেখিছে কিন্তু বিশেষ কথা বতৰা একো নাই। ... ৰমেশ আহি ককায়েকৰ ওচৰতে চকী এখনতে বহিল। ... হাজৰীকাই ৰমেশে পৰীক্ষা কেনে দিলে, বৃত্তি পাবনে ... আদি নানা কথা সুধিলে। তাৰ পিছত মাকে মাত দি ... যে পৰীক্ষাৰ খবৰ ওলালেই যেনে তেনে ৰমেশৰ ... বিয়া হব লাগে। ৰমেশে তেতিয়াহে বুজিব পাৰিলে ... মৌজাদাৰে আপোনভাৱে ইমানবোৰ কথা সুধিলে ...।

... কথা প্ৰসঙ্গতে জানিব পাৰিলে যে ৰমেশলৈ ... ডাঙৰ ছোৱালীজনী হাজৰীকাৰ ভাগিনীয়েক। ... ৰমেশে কোনোমতে বিয়া কৰাব নোৱাৰে বুলি ... আপোৱাহ দেখুৱালে। প্ৰথমে তেওঁ বি, এ পাছ ... তাৰ পিছতহে বিয়া। মাকে বহুত বুজালে আৰু ... মৌজাদাৰেও বৰকৈ ধৰিলে কিন্তু ৰমেশৰ সেই একে ...। সি বি-এ পাছ নকৰালৈকে বিয়া নকৰায়। ... এয়ে ঠিক হল যে ৰমেশে বি-এ, পাছ ... কৰালৈকে দুবছৰ বাট চাব লাগে, ইতিমধ্যে ছোৱালী ... থাকক। ককায়েকইত তাতে সন্মত হল।

... হোষ্টেলত বন্ধা নিয়ম থকাৰ কাৰণে বহুত লৰাই তাত ... থাকিবলৈ ভাল নাপায়। তাৰ উপৰি সাত বাজিলেই ... হোষ্টেলৰ গেইট বন্ধ। লৰাই পঢ়কেই বা নপঢ়কেই ... সুপাৰ ওচৰত হাজিৰ থাকিব লাগিব। সেই কাৰণে ... ৰমেশে বি-এ পঢ়িবলৈ আহি এটা মেছত উঠিল।

... কলেজ আৰম্ভ হল। ৰমেশে বি-এ ক্লাছত নাম ... লগালে, সেইবাৰ কেবাজনীও ছোৱালী নতুনকৈ ... ইয়েৰত ভৰ্ত্তি হৈছে; তাৰ ভিতৰত এজনী ছোৱালীৰ ... ওপৰত তাৰ চকু পৰিল। ছোৱালীইতৰ হোষ্টেললৈ সি ... মেছটোৰ আগেদি যাব লাগে। এদিন সি মেছৰ ... বাৰাণ্ডাত বহি কিবা কিবি ভাবি আছিল, হঠাৎ ৰাস্তালৈ ... নজৰ পৰাত দেখিলে কেজনীমান ছোৱালীয়ে হাতত কিতাপ ... লৈ কলেজলৈ যাবলৈ ধৰিছে। তাৰ ভিতৰত সেই চকুত ... পৰা ছোৱালীজনী আছিল। ছোৱালীজনীৰ বয়স প্ৰায় ১৫।১৬ ৰ ভিতৰতেই, বেছ ৰূপহী ছোৱালী; তাইৰ চলন-ফুৰণ আদব-কায়দা আনবোৰতকৈ সুকীয়া। ৰমেশে একান্তমনে ছোৱালীজনীৰ ফালে চাবলৈ ধৰিলে।

কেবা দিনো পাৰ হল। লাহে লাহে সি ছোৱালীজনীৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হল। অনুসন্ধান কৰি সি জানিব পাৰিলে ছোৱালীজনীৰ নাম অৰুণা। ছোৱালীজনীৰ লগত কথা পাতিবলৈ তাৰ বৰ হেঁপাহ জন্মিল আৰু তাৰ সুবিধা বিচাৰিবলৈ ধৰিলে। বহুত দিনলৈকে কোনেও সেই কথাৰ গম পোৱা নাছিল। আগেয়ে বিয়া বাৰুৰ কথা উলিয়ালে সি বৰ ভাল নাপাইছিল; কিন্তু লাহে লাহে দেখোন সি তাৰ বেছ "সমজদাৰ" হৈ উঠিল। বিয়াৰ কথা উলিয়ালে সি ভাল পোৱা হল, কিন্তু নিজকে ভালৰি বোলাবলৈ নিজৰ গাত লগাই একো নকৈছিল। চাৰি জন ডেকা লৰা গোট খোৱা দেখিলেই কেতিয়া কাৰ বিয়া হব, কোন ছোৱালী, কাৰ ঘৰৰ ছোৱালী, ইত্যাদি কথা উলিয়াই তৃপ্তি পায়। নিজৰ কথা সুধিলে কয় যে সি তাৰ বিয়াৰ কথা ভবাই নাই। আগেয়ে পঢ়া শুনা শেষ কৰি লওঁ তাৰ পিছতহে দেখা যাব ইত্যাদি কথাৰে মনৰ কথা গোপন কৰি ৰাখে। আচলতে তাৰ বিয়াৰ কথা উলিয়ালে বং পায় আৰু পৰৰ কথা উলিয়াই নিজৰ কথা প্ৰকাশ কৰে।

এনেভাৱে সি বেছি দিনলৈ গুপুত কৰি ৰাখিব নোৱাৰিলে। বিয়া বিয়াকৈ সি বৰ অস্থিৰ হৈ উঠিল। এদিন হেনো ঠাকুৰক মাতি আনি মনৰ সকলো কথা ভাঙি কলে আৰু ককায়েকলৈ তাৰ হকে চিঠি এখন লিখিবলৈ অনুৰোধ কৰিলে। চিঠিত সি যে এই ছোৱালীজনীক ভাল পায় তাকে উল্লেখ কৰিবলৈ কলে। ঠাকুৰে অনুৰোধ এৰাব নোৱাৰি ৰমেশে কৈ যোৱামতে ককায়েকলৈ এখন চিঠি লিখিলে—"আজি বিশেষ কাৰণে অপৰিচিত হলেও এই চিঠি লিখিবলৈ বাধ্য হলো। মই ৰমেশৰ সহপাঠী। কিছুদিনৰপৰা ৰমেশৰ মন অলপ চঞ্চল হোৱা যেন দেখিছো; অৱশ্যে কাৰণো সুবুজাকৈ থকা নাই। সি আমাৰে কলেজৰ ছোৱালী এজনীক ভাল পায়। তেওঁক তাৰ বিয়া কৰাবৰ মন। যদি আপুনি

সম্মতি দিয়ে আমিয়েই ছোৱালীৰ দেউতাকলৈ লিখা-লিখি কৰি মতামত লব পাৰো।”

সেই চিঠিৰ উত্তৰত ককায়েকে ঠাকুৰলৈ লিখিলে যে ৰমেশে হেনো বি, এ পাছ নকৰালৈকে বিয়া নকৰায়। তাৰ ছোৱালী ঠিক হৈয়েই আছে। গতিকে আন ঠাইত আকৌ নতুনকৈ ছোৱালী চোৱাটো তেওঁবিলাকে উচিত বুলি নাভাবে। সি এতিয়া বিয়া কৰাব খুজিলেও নহব। কাৰণ তেওঁ কথা ঘূৰাব নোৱাৰিব। আৰু মানুহে বা শুনিলে বুলিব কি! ডেকা লৰাৰ এই বয়সত সকলো ছোৱালীয়েই তেওঁবিলাকৰ চকুত ভাল লাগে, ৰমেশে ভাল পালে বুলিয়েই যে তেওঁলোকেও তাত আগ-পিছ নভবাকৈ মত দিব সি হব নোৱাৰে। ঠাকুৰহতক তাক বঢ়াই বুজাই সকলো কথা কবলৈ লিখিলে।

ককায়েকৰপৰা ৰমেশে এনে চিঠি পাব বুলি আশা কৰা নাছিল। চিঠি পঢ়ি সি বৰ মৰ্ম্মাহত হল আৰু গোটেই সংসাৰ ধূৱলি কুৱলী দেখিবলৈ ধৰিলে। যিমানেই চাৰিউপিনৰপৰা হকাবধা পাবলৈ ধৰিলে সিমানেই ছোৱালীজনীৰ প্ৰতি সি বেছিকৈ আকৃষ্ট হল। শেষত মনতে প্ৰতিজ্ঞা কৰিলে যদি সি কেতিয়াবা বিয়া কৰায় তেন্তে অৰুণাকহে বিয়া কৰাব।

অলপ দিনৰ ভিতৰতে ৰমেশৰ একেবাৰে পৰিৱৰ্ত্তন হল। অৰুণা, অৰুণাকৈ সি পাগল। লাহে লাহে সকলো ছাত্ৰৰ মাজতে এই কথা প্ৰকাশ পালে। ছোৱালী সকলৰ মাজতো গুণুক গানাক শব্দ শুনা গল। অৰুণা বৰ নিৰ্জ্জু ছোৱালী, তাই এইবোৰ কথালৈ প্ৰথমে কাণকে দিয়া নাছিল কিন্তু শেষত ছোৱালীহতৰ ঠাট্টা বিদ্ৰূপ শুনি ৰমেশৰ বিপক্ষে বহুত কটু কথা কৈছিল হেনো। ৰমেশে তাইক ভাল পাইছিল কিন্তু তাই ৰমেশক ভাল পাইছিলনে নাই সেই কথা এতিয়াও অবিদিত। ইতিমধ্যে অৰুণাৰ লগত কথা পাতিবলৈ ৰমেশে বহুত ষড়যন্ত্ৰ কৰিলে, কিন্তু একোতে কৃতকাৰ্য্য নহল। কেবাখনো চিঠি লিখিও তাৰ একো উত্তৰ নাপালে। এদিন সি কিছুমান চান্দা তোলা ৰছিদ বহী লৈ নিজে উপযাচি ছোৱালীৰ হোষ্টেললৈ গৈছিল আৰু অৰুণাৰ লগত দেখা কৰিব খুজিছিল কিন্তু অৰুণা ওলাই আহি ৰমেশ[...] দেখি আকৌ ভিতৰ সোমাল। দাৰোৱানৰ আগত [...] পঠালে ৰমেশক কবলৈ যে তাই এতিয়া দেখা কৰি[...] নোৱাৰে। ৰমেশে একো উপায় নাপাই এখন চিঠি লি[...] হোষ্টেলত চান্দা তুলি দিবলৈ অনুৰোধ কৰি আহি[...] দুখৰ বিষয় চান্দাতো নাপালেই, ৰছিদ বহীটোও ঘূ[...] নাহিল।

এবাৰ, দুবাৰ নহয় প্ৰায় ২০.২৫ বাৰ অৰুণাৰ [...] দেখা কৰিবলৈ চেষ্টা কৰিও কৃতকাৰ্য্য নহল। [...] সি একেবাৰে হতাশ হৈ পৰিল আৰু লেডি চুপাৰি[...] টেণ্ডেণ্টক এদিন গৈ ধৰিলে যে সি যেনে তেনে অৰুণা[...] লগত দেখা কৰিবই। লেডি চুপাৰিনটেণ্ডেণ্টে কোনো[...] অনুমতি নিদিলে; কাৰণ ইয়াৰ আগতে ৰমেশৰ বিষ[...] বহুত কথা তেওঁৰ কাণত পৰিছিল। চুপাৰিনটেণ্ডে[...] কলে যে স্থানীয় অভিভাবক নাইবা স্থানীয় পৰিদৰ্শ[...] খাতাত নাম নথকা মানুহক তেওঁ দেখা কৰিবলৈ দি[...] নোৱাৰে। শেহত সি জোৰ কৰাত দাৰোৱান ল[...] বাহিৰ কৰাই দিলে। অৰুণাই এই কথা নিজে [...] হেনো বৰ বেজাৰ কৰিছিল আৰু কৈছিল, “যে[...] ভদ্ৰলোকৰ লৰা তেওঁৰ যে মূৰত কি সোমাইছে [...] নোৱাৰো। মোকনো তেওঁ কি দেখিছে যে এন[...] কথা পাতিবলৈ ইমান লালায়িত।” এবাৰ তাই ওল[...] আহি তাৰ লগত দেখা কৰিব খুজিলে, কিন্তু লে[...] চুপাৰিনটেণ্ডেণ্টে নিদিলে।

দাৰোৱানৰপৰা অপমানিত হৈ ৰমেশে মৰ্ম্মান্তিক বে[...] পালে। সি অপমানিত হল সেই ছোৱালীজনীৰ আগত [...] সি অন্তৰৰপৰা ভাল পাইছিল। দুদিন সি গা ঘ[...] বুলি কলেজলৈ নগল। তৃতীয় দিন মেছত হাহা[...] লাগি উঠিল যে ৰাতিৰপৰা ৰমেশ নাই; চাৰিও[...] খোজ খবৰ লোৱা হল কিন্তু ৰমেশৰ একো ভূম[...] পোৱা নগল।

এদিন, দুদিন এনেদৰে কেবাদিনো পাৰ হল, ৰমে[...] কোনো সন্ধান পোৱা নগল। ৰমেশ গল কিন্তু যে[...] ছোৱালীজনীৰ লঘু লাঞ্ছনাৰ সীমা নোহোৱা হ[...]




ঘাটে ঘাটে সকলোৱে তাইলৈ আঙুলিয়াত পৰিল। তায়ে হেনো ৰমেশৰ সৰ্ব্বনাশৰ মূল।

অৰুণাই তিনি চাৰিদিন ধৰি কলেজলৈ যোৱা বন্ধ কৰি দিলে। হোষ্টেলৰ লেডি চুপাৰিনটেণ্ডেণ্টে কথা বিষম দেখি ঘৰলৈ খবৰ পঠিয়ালে। ইফালে ৰমেশৰ অদৃশ্যৰ কথা ককায়েকক জনোৱা হল।

সেইদিনা লেডি চুপাৰিনটেণ্ডেণ্টে কেবাজনো ভদ্ৰলোকৰ লগতে অক্ষিচত কথা পাতিছে। ৰমেশৰ ককায়েক আৰু ৰূপৰাম হাজৰীকাও তাতে বহি আছে। অৰুণাকো মাতি আনি লেডি চুপাৰিনটেণ্ডেণ্টে ওচৰতে বহুৱাই লৈছে। কথা প্ৰসঙ্গতে এখন চিঠি উলিয়াই পঢ়ি শুনালে; সেই চিঠিখন ৰমেশে অৰুণালৈ লিখা। তাত লিখা আছিল, “অৰুণা, মই তোমাক অন্তৰৰপৰা ভাল পাইছিলো। মানুহে ভাল পায় কিয় মই নাজানোঁ। তোমাৰ লগত মোৰ দেখা হল আৰু তোমাক ভাল পালো এয়ে সকলো। পৃথিৱীত এজন লোকৰ দৰ্শনাকাঙ্খা। মনৰ কোণত একে চিন্তা, প্ৰাণৰ ভিতৰত একমাত্ৰ বাসনা, ওঠৰ আগত একেটা নাম যি নামটো প্ৰাণৰ অতি গভীৰ অন্তৰালৰপৰা নিগৰাৰ দৰে অবিৰাম জিভাৰ আগত উচ্চাৰিত হয়; যি নাম ভগৱানক মতাৰ দৰে প্ৰেমিকে উচ্চাৰণ কৰে। সেয়াহে তোমাৰ লগত মোৰ দেখা। তোমাৰ সৌন্দৰ্য্যত, তোমাৰ সাজ-পাৰৰ পৰি-পাটিৰ জাক-জমকতাৰ মাজত তোমাৰ কৰুণ চাহনিৰ ভিতৰেদি যে মোক এনে কৰি পেলাবা সি মোৰ কল্পনাতীত......। মই ৰাতিদিন পাহৰি গলো। মই এই পৃথিৱীত বাস কৰিছোনে কোনো ৰহস্যময় বাহীৰ সুৰকে বান্ধিছো—সেই সকলো ধাৰণা আজি লুপ্তপ্ৰায়......। বহুতৰপৰা লাঞ্ছিত আৰু অপমানিত হৈছোঁ—এবাৰ তোমাৰ লগত মনৰ ভাব আদান প্ৰদান কৰিবৰ আশাত; কিন্তু সকলো মিছা, সকলো প্ৰবঞ্চনা মাথোন। মই তোমাৰ আশ্ৰয় নাপালো, কিন্তু আজি আশ্ৰয় বিচাৰি ওলালো......। ইয়াৰ কাৰণে কোনো দায়ী নহয়, নহয় তুমি, নহয় মোৰ বন্ধু বান্ধৱ; মই নিজে, অৰুণা......। ভগৱানে তোমাৰ মঙ্গল কৰক।”

চিঠি পঢ়া শেষ হল। লগে লগে অৰুণা চকীৰপৰা বাগৰি পৰি মূৰ্চ্ছা গল। হোষ্টেল জুৰি হাহাকাৰ লাগি উঠিল। তাই তেতিয়াহে জানিব পাৰিলে যে তাইৰ মোমায়েক হাজৰীকাই ৰমেশলৈ তাইক বিয়া দিব খুজিছিল। তায়ে ৰমেশৰ ভাৱী পত্নী আছিল যাৰ কাৰণে তাৰ এই দুৰ্দ্দশা। অৰুণাৰ পঢ়া সিমানতে বন্ধ হল, ইফালে ৰমেশৰো সেইদিন ধৰি কোনো সন্ধান পোৱা নগ'ল।



# শ্ৰীমন্ত শঙ্কৰদেৱৰ কৰ্ম্ম জীৱন

—শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা

সূৰ্য্যৰ কিৰণ চাৰিওফালে বিস্তাৰ হোৱাৰ দৰে মহাপুৰুষ সকলৰ প্ৰতিভাও বহুমুখী হৈ মানৱ হৃদয়ত পৰি অন্ধকাৰ দূৰ কৰে। প্ৰভু শ্ৰীমন্ত শঙ্কৰ ধৰ্ম্ম জগতত যেনে এজন আদৰ্শ গুৰু বৈষয়িক কৰ্ম্মতো তেনে এজন সূচক কৰ্ম্মবীৰ আছিল। তেওঁৰ গাৰ্হস্থ্য ধৰ্ম্ম পালন, ৰাজ্য শাসনৰ নীতি, গ্ৰন্থ ৰচনা কৰা প্ৰণালী আৰু নানা বিধ শিল্প কৰ্ম্মৰ দক্ষতা দেখি আচৰিত হ'ব লাগে। আমি সংসাৰী লোক, গতিকে তেওঁৰ সাংসাৰিক কৰ্ম্ম কেইটামানৰ কথা ইয়াত আলোচনা কৰা বোধকৰোঁ সময়োপযোগী হ'ব।

## বটদ্ৰৱা পত্তন

শ্ৰীমন্ত শঙ্কৰে ২০ বছৰ বয়স পৰ্য্যন্ত ব্ৰহ্মচাৰী হৈ হিন্দু ধৰ্ম্মৰ সকলো মূল গ্ৰন্থ আয়ত্ত কৰাৰ পাছত পৈত্ৰিক শিৰোমণি ভূঞাৰ আসন আলি পুথুৰীত গ্ৰহণ কৰে আৰু দাৰ পৰিগ্ৰহণ কৰি সংসাৰী হয়। তাৰ পাছতেই কুসুম্বৰ ভূঞাৰ দিনত এৰা পৰা টেম্বুৱানী বন্ধৰ বটদ্ৰৱালৈ ৰাজধানী স্থানান্তৰিত কৰে।

নতুন নগৰৰ মাজ ঠাইতে তেওঁৰ ঘৰ নিৰ্ম্মাণ কৰি চাৰিওফালে হাটী পাতি বিশ্বাসী লোকবিলাকক স্থাপন কৰে। নগৰৰ পূৱফালে টেম্পৰাণী জান আছিল; আন তিনি ফালে খাৰৈ দিয়ে। খাৰৈৰ বাহিৰে মুখিয়াল মুখিয়াল কেইঘৰমান জ্ঞাতি বহুৱাই গাওঁ পাতে। বটদ্ৰৱাৰ চাৰিওফালৰ পথাৰবোৰত ধান, মাহ, সৰিয়হ, আদিৰ খেতি চলাবলৈ ধৰে আৰু পিতৃৰ দিনৰ গৰু মহৰ পালবোৰ বৃদ্ধি কৰে।

## ৰাজ্য-শাসন

শ্ৰীমন্ত শঙ্কৰে হুপৰীয়া ৰাজ্য চৰ্চ্চা কৰিছিল; আৰু আবেলি পৰত পথাৰ আৰু গাওঁ ফুৰিছিল; ফুৰোঁতে য'তে যি চকুত পৰিছিল সেই সময়তে তাৰ প্ৰতিকাৰ কৰিছিল।

বাৰিষা টেম্পৰাণী জানেদি ব্ৰহ্মপুত্ৰৰ পানী সোমাই খেতি নষ্ট কৰিছিল; শ্ৰীমন্ত শঙ্কৰে সেই জান বন্ধ কৰি দিয়ায়;

## সাম্য-বাদ

শ্ৰীমন্ত শঙ্কৰে ৰাজ্য চৰ্চ্চা কৰিলেও ৰাতিৰ বেছি ভাগ সময় আধ্যাত্মিক চিন্তা আৰু শাস্ত্ৰ চৰ্চ্চাত অতিবাহিত কৰিছিল। কিছু কাল এইদৰে চলাৰ পাছত ৰাম ৰাম গুৰু আদি কিছুমান বাল্য বন্ধুৰ অনুৰোধত বৈকুণ্ঠৰ পট এখন অঙ্কন কৰি দেখুৱায়; পিছত সিবিলাকৰ অনুৰোধত চিহ্ন যাত্ৰা নাট ৰচনা কৰি ভাওনা কৰি দেখুৱায়। ভাওনাৰ দিনাই শ্ৰীমন্ত শঙ্কৰ গুৰুৰ অলৌকিক শক্তি প্ৰকাশ পায়; আৰু বটদ্ৰৱাবাসীয়ে আপোন পাহৰি সকলোকে কৃষ্ণময় দেখে। আৰু তাৰ ফলত ৰাম-ৰাম গুৰু, হৰিদাস বণিয়া আদি সাতজনে শৰণ গ্ৰহণ কৰে। সেই দিনাই জয় জয়ত প্ৰাচীন কামৰূপত সাম্যবাদৰ সূচনা হয়।

## কৰ্ম্মযোগ

তাৰ পিছত শ্ৰীশঙ্কৰে ঘোষণা কৰিবলৈ ধৰিলে "ঈশ্বৰ স্বৰূপে হৰি সব ঘটে বৈঠহ অগ নগ জগতেৰি কায়া" আৰু কৰবলৈ ধৰিলে "যত জীৱ তত শিৱ"। আৰু উপদেশ দিবলৈ ধৰিলে

"কৰ্ণে শুনা কৃষ্ণ কথা মুখে বোলা ৰাম।
মনে পাদ-পদ্ম স্মৰা হস্তে কৰা কাম॥

অৰ্থাৎ সাংসাৰিক কৰ্ম্মবোৰ ভগৱানৰ কৰ্ম্ম ভাবি কৰি যোৱা, ফল কামনা নকৰিবা। গুৰুৱে যিদৰে উপদেশ দিলে নিজে সেইদৰে চলি দেখুৱাবলৈও ধৰিলে।



গুৰুৱে প্ৰায় ৩৯ বছৰ বয়সত ৰাজ্য শাসনৰ কাম পিতামহ জয়ন্তা মাধৱক দি ১৭জন ভকতক লগত লৈ তীৰ্থ যাত্ৰা কৰে। তেওঁলোক ১৫দিন নাৱেৰে গৈ নাও এৰি সম্ভৱতঃ যেতিয়া ৰংপুৰত উঠে তেতিয়া অলপ দূৰ গৈয়ে সুমালিনী নামে এজনী বুঢ়ী পোহাৰীক লগ পায়। বুঢ়ীয়ে প্ৰভুক দেখি দীঘল দি পৰে আৰু তেওঁৰ যথা সৰ্ব্বস্ব গুৰুক অৰ্পণ কৰে; তাৰ অলপ পিছতেই বুঢ়ীয়ে প্ৰভুৰ নাম উচ্চাৰণ কৰি প্ৰাণ ত্যাগ কৰে। তাতে গুৰুৱে বুঢ়ীৰ জাতি-কুলৰ বিচাৰ নকৰি নদীৰ পাৰত নিজে চিতা ৰচনা কৰে আৰু ভক্তসকলৰ হতুৱাই কাঠ সংস্কাৰ কৰায়।

গুৰুৱে এই যাত্ৰাত বাৰ বছৰ তীৰ্থ পৰ্য্যটন কৰে; বিভিন্ন ঠাইৰ সাধু বৈষ্ণৱৰ সঙ্গ লাভ কৰে আৰু নানা ঠাইৰ আচাৰ-নীতি, গীতৰাগ আদি শিক্ষা কৰি পূৰ্ণতা লাভ কৰে। প্ৰভু তীৰ্থৰ পৰা ঘূৰি আহি দেখিলে ৰাজ্যত নানা বিশৃঙ্খল ঘটিছে। জয়ন্তা, মাধৱ, বুঢ়াখাঁ, কেতেখাঁ আদি ভূঞাৰ আত্মন্তৰিতা সহিব নোৱাৰি প্ৰজাসকলে প্ৰতিবাদ এৰিছে; গুৰুৰ ভাতৃ বনগঞা গিৰিয়ে পিতামহ জয়ন্তৰ শাসন নামানি স্বেচ্ছাচাৰী হৈ উঠিছে; আন কি তেওঁ সামান্য কথাত প্ৰজাক হত্যা পৰ্য্যন্ত কৰিবলৈও পাছ নোহোহকা হৈছে। ইয়াৰ উপৰি দক্ষিণৰ কছাৰী জাতিৰ লগতো ভূঞাসকলৰ বিবাদ আৰম্ভ হৈছে; এই-বোৰ দেখি প্ৰভুৰ মন বিষাদেৰে পূৰ্ণ হ'ল; আৰু ৰাজ্য চৰ্চ্চালৈ বিতশ্ৰদ্ধা জন্মিল। ইয়াৰ কিছুদিনৰ পিছত কছাৰীবিলাকে ভূঞাৰাজ্য আক্ৰমণ কৰাত প্ৰভু উত্তৰ পাৰলৈ গৈ কেতেখাঁ ভূঞাৰ গাংমৌ নগৰত গৈ বাস কৰি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰে।

## প্ৰভুৰ বীৰত্ব

এই সময়ত ভকতৰ ওপৰত ভূঞা আৰু কিছুমান ব্ৰাহ্মণ পণ্ডিতে উৎপীড়ন কৰিবলৈ আৰম্ভ কৰে। ব্ৰহ্মচাৰী কিছুমানে ভকতক বাটত লগে পালে জপমালা ছিঙি নি কুকুৰৰ গলত আৰি ইতিকিং কৰিবলৈও পাছ নোহোহকা হয়। প্ৰভুয়ে এইবোৰ বুজ পাই গৰ্জ্জি উঠে:—

"ভকতৰ দুখ দেখিয়া শঙ্কৰ
ক্ৰোধে বুলিলন্ত বাক।
তোৰা সকলক নকৰে ব্ৰাহ্মণে
কৰয় নিন্দা আমাক॥
ভক্ত দুইজন যাহা প্ৰতিক্ষণ
কহ গৈয়া ব্ৰাহ্মণেত।
কালি বুঢ়াখাঁৰ দোপদৰে যাইবো
চলোক মোৰ লগত॥
ভকতিক যেবে ৰাখিবাক পাৰো
দেখোক মোহৰ কাজ।
দেখিবেক লোকে সবাৰ মধ্যত
পণ্ডিতে পাইবেক লাজ॥"

ইয়াৰ পাছত শ্ৰীমন্ত শঙ্কৰ বুঢ়াখাঁৰ ৰাজসভালৈ যায় আৰু তাত পণ্ডিতসকলৰ লগত বাদ কৰে। শেষত পণ্ডিতসকলক প্ৰশ্ন কৰি তেওঁলোকৰ দ্বাৰাই হৰিনামৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰায়।

এইদৰে পৰৱৰ্ত্তীকালত ভক্তদ্ৰোহী মুছলমান চান্দচাৰ দ্বাৰা হৰিনাম উচ্চাৰণ কৰোৱাই তেওঁক সঙ্গী কৰি লয়; আৰু মহাৰাজ নৰনাৰায়ণ ৰজাৰ ৰাজসভাত "পণ্ডিত মানি বেদ বখানি গৰৱ চূৰ" কৰি বিজয় শঙ্কৰ নাম লাভ কৰে। প্ৰভুৱে ভগৱানৰ ওচৰত ভক্তি কামনা কৰি "দাসৰ দাস তান দাস হৈলোঁ আমি" বুলি বিনয়ৰ পৰাকাষ্ঠা দেখুৱালেও কৰ্ম্মত্যাগ কৰা নাছিল আৰু সময়ে সময়ে ভাগৱত মত ৰক্ষা কৰিবলৈ অজেয় বীৰৰ দৰে শাস্ত্ৰৰূপী অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ উঠিছিল।

পাট বাউসীত থকা কালত মহাৰাজ নৰনাৰায়ণে দিয়া বাউসী পৰগণাৰ গোমস্তা বিষয় ধৰ্ম্ম প্ৰচাৰত ব্যাঘাত হোৱা দেখি ত্যাগ কৰিলে। ৰৰপুত্ৰ ৰামানন্দক প্ৰথমে চক্ৰপাণি মজুমদাৰৰ তলত মজুমদাৰী কাম আৰু পিছত চিলাৰায় দেৱানৰ তলত দেৱানী বিষয় শিক্ষা দিয়াইছিল।

## স্বাৱলম্বন

গুৰুৱে অন্নৰ বাবে কাৰো ওচৰত হাত নাপাতিছিল। প্ৰায় সকলো সময়তে গুৰুৱ নিজা খেতি আছিল ; ভকত সকলৰ বেছি ভাগেও খেতি কৰি প্ৰৱৰ্ত্তিছিল। গুৰুৱে বা ভকতে যেই সেই লোকৰ দান গ্ৰহণ নকৰিছিল ; কোনো ভক্তই শ্ৰদ্ধাৰে সৈতে কিবা দিলে তাকেহে লৈছিল। গুৰুৱ কিন্তু স্থাৱৰ সম্পত্তি নাছিল ; অস্থাৱৰ সম্পত্তিও বিশেষ একো নাছিল। মহাৰাজ নৰনাৰায়ণে হাজোত এখন পৰগণা নিষ্কৰ কৰি দিয়াতো গুৰুৱে তাক গ্ৰহণ কৰা নাছিল। আৰু এসময়ত ৰজাই নিজৰ আভৰণটো গুৰুৱ চৰণত অৰ্পণ কৰাত গুৰুৱে বাধ্য হৈ গ্ৰহণ কৰি কাকত কুটাৰৈল ঘূৰি যাওঁতে ঘাটৈক দান কৰিছিল।

প্ৰভুৱে ভাৰ্য্যা পুত্ৰসকলকো স্বাৱলম্বন শিক্ষা দিছিল। প্ৰভু শেষ সময়ত বেহাৰলৈ যাওঁতে পুত্ৰ পৰিয়ালৰ ভৰণ-পোষণৰ বিষয়ে একো ব্যৱস্থা কৰা নাছিল। বেহাৰত গুৰু প্ৰয়াণ কৰাৰ আগখিনিতে পুত্ৰ ৰামানন্দ ঠাকুৰে পিতৃৰপৰা সৰ্বহ নাপালোঁ বুলি বেজাৰ কৰাত খংকৈ কৈছিল—"মই তোমাক ক'ৰপৰা সৰ্বহ দিম, মাৰাৰ হাতত কিবা আছে যদি পাবা" পাছত ঠাকুৰে পৰকালৰ বিত্ত বিচৰাতহে গুৰুৱে নিজৰ পুত্ৰ বুলি আনন্দ কৰে।

## জাতি সংগঠন

শ্ৰীমন্ত শঙ্কৰে জীৱনৰ আৰম্ভৰেপৰা জনসাধাৰণক উন্নত কৰি সজীৱ জাতি এটা গঢ়িবলৈ অহোপুৰুষাৰ্থ কৰে। তেওঁ ব্ৰাহ্মণৰপৰা মুছলমানলৈ সকলো শ্ৰেণীৰ লোককেই ধৰ্ম্মোপদেশ দিছিল। এই সকলৰ ভিতৰ মিৰি কুলৰ পৰমানন্দ, ভোট জাতীয় জয়ৰাম, মুছলমান চান্দচাঁ, গাৰোৰ গোবিন্দ, বণিয়াৰ হৰিদাস আৰু কৈৱৰ্ত জাতীয় ৰাধিকা দেৱীয়ে প্ৰভুৰ পাৰ্শদ পদ লাভ কৰি কৃতকৃত্য হৈছিল। যি অস্পৃশ্যতা দূৰ কৰিবলৈ আজি মহাত্মাই জীৱন আহুতি দিছে, চাৰিশ বছৰৰ আগতে সেই অৰ্থে প্ৰভু শ্ৰীমন্ত শঙ্কৰে ৰাজপদ আৰু বিদ্যাৰ গৌৰৱ ত্যাগ কৰিছিল।

প্ৰভুৱে জনসাধাৰণক উন্নত কৰিবলৈ হৰিনাম বিলাই গাওঁ সংগঠন কৰে ; আৰু তাক ৰক্ষা কৰিবলৈ গাওঁ গাৱেঁ নাম ঘৰ নিৰ্ম্মাণ কৰোৱায়। নামঘৰবোৰ হৰি মন্দির হোৱাৰ উপৰিও সি মাৰ্জ্জিত আলাপ আমোদ আৰু মেলচৰা হৈ উঠে। গাৱঁৰ মানুহে নিতৌ পুৱা পুৰি প্ৰসঙ্গ কৰে, মাজে সময়ে নটুৱা নাচ-ভাওনা কৰে। গাৱঁত কাৰো বিবাদ হলে অক্ষৰ ব্ৰহ্মক আগত ৰাখি তাক নিষ্পত্তি কৰে। জংকালি দুপৰীয়া নামঘৰৰ সন্মুখৰ গছৰ তলত ৰহি জিৰণি লয়, বুঢ়া-মেথা মানুহে শা... আলোচনা কৰে। গাৱঁত মেধি, ৰবমেধি, পাঠক বিলনীয়া বায়ন আদি পদৰ সৃষ্টি কৰি ক্ষুদ্ৰ একোখন সাধাৰণ তন্ত্ৰ ৰাজ্য চলোৱাৰ দৰে চলিবৰ ব্যৱস্থা কৰি দিয়ে।

শ্ৰীশঙ্কৰে এইদৰে "যত জীৱ তত শিৱ" জ্ঞানে ৰজাৰপৰা নিচলা প্ৰজালৈ সকলোকে সমভাৱ কৰি জাতি এটা গঠন কৰে ; আৰু "এক দেৱ এক সেৱ" ধৰ্ম্মে সকলোকে অনুপ্ৰাণিত কৰে।




## সচিত্ৰ বাতৰি কাকতত বিপ্লব সাধন

আধুনিক বাতৰি কাকতবিলাকত ছবি দিয়া এটা অপৰিহাৰ্য্য নীতি হৈ পৰিছে। ছবিৰ আৱশ্যকতা বৃদ্ধি



এজন ফটোগ্ৰাফাৰে পেৰিছৰ অফিছৰপৰা ফটোৰ কামত অন্য এখন ঠাইলৈ যাত্ৰা কৰিছে।

হোৱাৰ লগে লগে ছবি তোলা (Photography) জগততো নতুন আৰু উন্নত উদ্ভাৱনৰ দ্বাৰা বিপ্লৱ সাধিত হৈছে। আগেয়ে বাতৰি কাকতবোৰলৈ ডাক বা ৰেল-জাহাজত ছবি পঠিয়াওঁতে ভালেমান দিন লাগিছিল। অইনকি আকাশীযানেদি পঠালেও পলমৰ হাত সাৰিব পৰা নগৈছিল। সেইদেখি বিজুলী বাতৰিৰ লগে লগে ছবিবোৰ নোযোৱাত সেই বাতৰি আৰু ছবিবোৰৰ ৰজিতা থুৱাই একেলগে ছপা কৰিব পৰা নগৈছিল বা ছবিবোৰ



আন্ধাৰ খোটালিত ( Dark room ) ফটো ডাঙৰ কৰিছে

পলমে ছপা কৰিলেও সেইবোৰৰ মূল্য কিছু পৰিমাণে হ্ৰাস হৈছিল। এই বেমেজালিৰ হাত সাৰিবৰ কাৰণে

আজিকালি "টেলিফটো ছিষ্টেম" নামেৰে এবিধ ছবি পঠোৱা যন্ত্ৰ বাহিৰ হৈছে। ইয়াৰ দ্বাৰা আজিকালি অতি



টেলিফটো যন্ত্ৰেৰে বিদেশলৈ ফটো পঠাইছে

সোনকালে ছবি পঠাব পৰা হৈছে। আগেয়ে বিদেশলৈ একোখন ছবি পঠাবলৈ য'ত কেবাদিনো লাগিছিল



পেৰিছত এটি হোটেলৰপৰা ছবি পঠাব লাগিছে ; দৰ্শকবিলাকে উবুৰি খাই চাইছে।

আজিকালি তাৰ ঠাইত কেইমিনিট বা কেই ঘণ্টামানৰ ভিতৰতে সেই ছবি পঠাব পাৰি।

"টেলিফটো ছিষ্টেম" দুবিধ। এবিধ য'তে ত'তে লৈ ফুৰিব পাৰি, আনবিধ নোৱাৰি। প্ৰথম বিধ যন্ত্ৰ ফটো-



চলন্ত টেলি ফটো যন্ত্ৰ




অচলন্ত টেলিফটো যন্ত্ৰৰ সহায়ত ইউৰোপৰ ৰাজধানীবিলাকলৈ ছবি পঠোৱা হৈছে।

গ্ৰাফাৰে যলৈকে ইচ্ছা তলৈকে লৈ ফুৰি তাৰপৰাই ইপ্সিত স্থানলৈ টেলিফনৰ সহায়েৰে ছবিবোৰ পঠাই দিব



পাৰে। দ্বিতীয় বিধ যন্ত্ৰ কলৈকো লৈ ফুৰিব নোৱাৰি। এই যন্ত্ৰ যি ঠাইত থাকে তাৰপৰা মাথোন ছবি পঠাব লাগে।



ছবি শুকোৱা আৰু চকচকীয়া কৰা হৈছে



বগা প্লেটবিলাক ধোৱা হৈছে

"টেলিফটো ছিষ্টেমৰ" সহায়েৰে ছবি পঠাবলৈ ইমান সহজ হৈছে যে ফ্ৰান্সৰ ৰাজধানী পেৰিছৰপৰা লণ্ডনলৈ কুৰি মিনিট সময়তে ছবি পঠাব পাৰি আৰু ফ্ৰান্সত ঘটা ঘটনাবিলাকৰ ছবি দুই তিনি ঘণ্টাৰ ভিতৰতে লণ্ডনৰ বাতৰি কাকতবিলাকত অতি সহজে প্ৰকাশ কৰিব পাৰি।

এবিছিনিয়াত যুদ্ধ আৰম্ভ হোৱাৰ আগতেই ইংলণ্ডৰ সংবাদ পত্ৰবিলাকৰ কাৰণে ছটা টেলিফটো যন্ত্ৰ ব্যৱহাৰ



অতি শৃঙ্খলাবদ্ধ কৈ ছবিবোৰ সজাই থোৱা হৈছে, যাতে আৱশ্যক হলে তৎক্ষণাৎ ছবিবোৰ পঠাব পাৰি।

কৰা হৈছিল আৰু প্ৰত্যেক যন্ত্ৰৰে ২,৫০০ পাউণ্ড বা ৩০,০০০ টকা খৰচ হৈছিল।

# কামাখ্যা-তীৰ্থ

( পদ্মপুৰাণৰপৰা অনূদিত )

( ৭ )

—পণ্ডিত শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য

হে ব্ৰহ্মণ ! এইভাৱে তেওঁ ঘোৰা লৈ দেশ ভ্ৰমণ কৰো'তে কৰো'তে অহিচ্ছত্ৰা * নগৰীত উপস্থিত হৈছিল। অহিচ্ছত্ৰা নগৰী বেদজ্ঞ-ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় প্ৰভৃতি বহুত জাতিৰ থকা ঠাই, নানান্ ৰত্নেৰে শুৱনি সুৱৰ্ণময়, স্ফটিকময়, ডাঙৰ ডাঙৰ দালান আৰু বৰ ওখ তোৰণবোৰৰ দ্বাৰা শোভিত। তাত থকা আটাইবোৰ পকি ঘৰতেই ৰস্তাক লাজ দিব পৰা কমলমুখী বিলাসিনী ৰমণী দেখা যায়। সেই নগৰীৰ বাসিন্দা মানুহবিলাক সদাচাৰী, কুবেৰৰ অনুচৰবিলাকৰ নিচিনা সকলোবিধ সুখ ভোগত ৰত আৰু বিলাসী। সেই পুৰীত শৰসন্ধান্ কৰাত পৈণত ধনুৰ্দ্ধৰ বীৰবিলাকে, নিজৰ বীৰত্বেৰে সেই ঠাইৰ ৰজা সুমদক সদায় সন্তুষ্ট কৰি থাকে। প্ৰতাপী শত্ৰুঘ্নে, আঁতৰৰপৰা এনেকুৱা নগৰী দেখি ওচৰলৈ গৈ, সেই নগৰীৰ পিছফালে এখন ধুনীয়া বাগিচা দেখিলে।

শত্ৰুঘ্নে তালৈ গৈ দেখিলে যে ইন্দ্ৰনীল, বৈদূৰ্য্য আৰু আৰু মৰকত মণিৰ দ্বাৰা ৰচিত দেৱতাসকলৰ বাসযোগ্য অপূৰ্ব্ব এখন দেৱালয়, কৈলাস পৰ্ব্বতৰ ভানুৰদৰে শোভিত হৈ আছে। সেই আচৰিত দেৱালয়খনৰ স্তম্ভবোৰ সুৱৰ্ণময়। ৰামচন্দ্ৰৰ সৰুভায়েকে সেই মনোহৰ দেৱালয়খন দেখি, নিজৰ মন্ত্ৰী বাগ্মীপ্ৰৱৰ সুমতিক সুধিলে। * ১

শত্ৰুঘ্নে কলে,—অমাত্যৱৰ ! হে নিষ্পাপ ! এ মন্দিৰটো কোন দেৱতাৰ ? ইয়াৰ নাম কি ? এ মন্দিৰত কোন দেৱতাৰ পূজা হয় ? সেই দেৱতাই কি কাৰণে ইয়াত বাস কৰিছে ? সেইবোৰ কথা কওক। সৰ্ব্বজ্ঞান্ মন্ত্ৰজ্ঞ সুমতিয়ে শত্ৰুঘ্নৰ কথা শুনি কলে,—হে বীৰ ! আছল বিৱৰণ বহলাই কওঁ, আপুনি মনোযো দি শুনক। শৰ দৰ্শনমাত্ৰেই আটাইবোৰ অভীষ্ট সিদ্ধি হয়, সেই ভগৱতী কামাখ্যাদেৱী এই মন্দিৰত অধিষ্ঠিতা হৈ আছে। বিশ্বৰ মাজত এই ঠাই কেৱল মাথোন সুখ দিওঁতা বুলি জানিব। এই কামাখ্যাদেৱীয়ে ধৰ্ম্ম, অৰ্থ, কা আৰু মোক্ষ এই চতুৰ্ব্বৰ্গ দান কৰি থাকে। ভক্তৰ প্ৰতি তেওঁৰ বৰ দয়া। দেৱতা আৰু দৈত্যবিলাকে তেওঁ স্তৱ আৰু প্ৰণাম আদিৰ দ্বাৰা সকলো ঐশ্বৰ্য্য লা কৰিছে। ভক্তৰ দুঃখহাৰিণী ভগৱতী কামাখ্যাদেৱীয়ে এই অহিচ্ছত্ৰা নগৰীৰ অধীশ্বৰ সুমদৰ প্ৰাৰ্থনা অনুসাৰে এই ঠাইত থাকি সকলোৰে বাঞ্ছা সিদ্ধি কৰিছে। হে বীৰ শিৰোমণি শত্ৰুঘ্ন ! তেওঁক নমস্কাৰ কৰিলে, দেৱতা আৰু অসুৰবো দুৰ্লভ সুসিদ্ধি লাভ হয়। এই কাৰণে আপুনি তেওঁক প্ৰণাম কৰক। পুৰুষ শ্ৰেষ্ঠ, শত্ৰুতাপন শত্ৰুঘ্নে মন্ত্ৰীৰ এই কথা শুনি ভগৱতী ভৱানীৰ সকলে বৃত্তান্ত সুধিছিল।

শত্ৰুঘ্নে কলে, সেই অহিচ্ছত্ৰাৰ অধিপতি সুমদ কোন ? তেওঁ কি তপস্যা কৰিছিল ? যি হেতু সৰ্ব্বলোকৰ মা ভগৱতী কামাখ্যাদেৱী তুষ্টা হৈ এই ঠাইত থাকি হে মহামতি মহামাত্য ! আপুনি আটাইবোৰ ঘটনা জানে, এই বাবে এই নানাৰ্থযুক্ত অপূৰ্ব্ব কথা মোৰ ওচ

---

* "মিথিলা মেখলা কাঞ্চী অহিচ্ছত্ৰা পুৰঞ্জকাঃ।" ৪৬ আধ্যা দেৱী পুৰাণ। অহিচ্ছত্ৰা নগৰীৰ বিষয় প্ৰত্নতাত্ত্বিক পণ্ডিতসকলে যেন ভাবে।

* ১ "এবং ক্ৰমেণ সম্প্ৰাপ্তঃ শত্ৰুঘ্নো হয়সংযুতঃ।
অহিচ্ছত্ৰাং পুৰীং ব্ৰহ্মন্নানা জন সমাকুলাম্ ॥১২১॥
ব্ৰহ্মদ্বিজসমাকীৰ্ণাং নানা ৰত্ন বিভূষিতাম্।
সৌৱৰ্ণৈঃ স্ফাটিকৈৰ্হৰ্ম্ম্যৈৰ্গোপুৰৈঃ সমলঙ্কৃতাম্ ॥১২২॥



ওক। সুমতিয়ে কলে,—দেৱতাসকলে যি ঠাই শোভিত, নিৰ্মাণ কৰি আছে, সেই হেমকূট * ২ পৰ্ব্বতত ঋষি-বৃন্দ-সেৱিত এটা তীৰ্থ আছে। পূৰ্ব্বে কোনো কাৰণে সামন্ত ৰজা বিলাকৰে সৈতে শত্ৰুতা হোৱাৰ বাবে সেই ৰজা সুমদ হীন হৈ পৰিলত. তেওঁৰ পিতৃ, মাতৃ, পুতেক আৰু প্ৰভৃতি আত্মীয়বিলাক এটি এটিকৈ শত্ৰুৰ হাতত হয়। তাৰ পিছত সুমদ ৰাজ্যভ্ৰষ্ট হৈ, বৈৰাগ্য লম্বন কৰি, সেই হেমকূট তীৰ্থলৈ গৈ কঠোৰ তপস্যা কৰিছিল।

কামাখ্যাই কলে, হে সুমদ ! সকলো ঠাইতে তুমি নিষ্কণ্টক ৰাজ্যলাভ কৰা ; আৰু সুন্দৰী ৰমণীবিলাকে তোমাৰ পাদ-পদ্ম সেৱা কৰক। হে সমুদ ! তুমি শত্ৰুৰ হাতত কেতিয়াও পৰাজিত নোহোৱা। মহাযশস্বী শ্ৰীৰামচন্দ্ৰে যেতিয়া ৰাৱণক বধি, সকলো বিধ উপকৰণ সংগ্ৰহ কৰি ভালকৈ অশ্বমেধ যজ্ঞ কৰিব, তেতিয়া শত্ৰুহন্তা তেওঁৰ ভায়েক মহাবীৰ শত্ৰুঘ্নে, বীৰবিলাকৰ দ্বাৰা বেষ্টিত হৈ যজ্ঞীয় অশ্বৰক্ষা কৰি লৈ আহিব। তেতিয়া তুমি ৰাজ্য, ধন, ঐশ্বৰ্য্য আদি শত্ৰুঘ্নক দান কৰি, নিজৰ মহা মহা ধনুৰ্দ্ধাৰী যুঁজাৰুবিলাকৰে সৈতে তেওঁৰ অশ্ব ৰক্ষাৰ নিমিত্তে সাহায্য কৰিবা।

হে মহামতি ! তুমি শত্ৰুঘ্নৰ সহচৰ হৈ পৃথিৱীত ফুৰিবা। তাৰ পাছত ব্ৰহ্মা, ইন্দ্ৰ, আৰু ৰুদ্ৰ আদিৰ দ্বাৰা সেৱিত সেই শ্ৰীৰামচন্দ্ৰক নমস্কাৰ কৰি, জিতেন্দ্ৰিয় যোগীসকলৰো দুৰ্লভ মুক্তি পাবা। শ্ৰীৰামচন্দ্ৰৰ যজ্ঞৰ ঘোৰা ইয়ালৈ নহালৈকে তুমি এই ঠাইত থাকিবা। তাৰ পাছত তোমাক উদ্ধাৰ কৰি পৰম পদলৈ লৈ যাম। এই কথা কৈ দেৱতা আৰু অসুৰবিলাকৰ দ্বাৰা বন্দিতা ভগৱতী কামাখ্যাদেৱী সেই ঠাইৰপৰা অন্তৰ্দ্ধান হল। তাৰ পাছত সুমদেও শত্ৰুবিলাকক বধ কৰি অহিচ্ছত্ৰা ৰাজ্য লাভ কৰিলে *

---

*২ হেমকূট পৰ্ব্বতৰ বিষয়েও প্ৰত্নতাত্ত্বিক সকলে যেন চিন্তা কৰে।

যত্ৰ ৰম্ভাতিৰস্কাৰ-কাৰিণ্যঃ কমলাননাঃ।
দৃশ্যন্তে সৰ্ব্বহৰ্ম্ম্যেষু ললনা লীলয়ান্বিতাঃ ॥ ১২৩ ॥
যত্ৰ সদাচাৰনিৰতাঃ সৰ্ব্বভোগৈক ভোগিনঃ।
ধনেশানুচৰা যদ্বত্তথা লীলাসমন্বিতাঃ ॥ ১২৪ ॥
যত্ৰ বীৰা ধনুৰ্হস্তাঃ শৰসন্ধানকোবিদাঃ।
তুষ্টিং নিত্যং সুৰাজানং সুহৃষ্টং সুমদাভিধম্ ॥ ১২৫ ॥
এবং বিধং দদৰ্শাসৌ নগৰং দূৰতঃ প্ৰভুঃ।
পাৰ্শ্বে তস্য পুৰশ্ৰেষ্ঠমুদ্যানং শোভয়ান্বিতম্ ॥ ১২৬ ॥
স্বৰ্ণ তত্ৰ ৰচিতং দেৱায়তনমদ্ভুতম্।
ইন্দ্ৰনীলৈশ্চ বৈদূৰ্য্যৈস্তথা মাৰকতৈৰপি ॥ ১৩১ ॥
শোভিতং সুৰসেৱাৰ্হং কৈলাস প্ৰস্থসন্নিভম্।
জাতৰূপময়স্তম্ভৈঃ শোভিতং সঘনাং বৰম্ ॥ ১৩২ ॥
দৃষ্ট্বা ৰঘুনাথস্য ভ্ৰাতা দেৱালয়ং বৰম্।
পপ্ৰচ্ছ সুমতিং ধীৰং মন্ত্ৰিণং বদতাং বৰম্ ॥ ১৩৩ ॥

শত্ৰুঘ্ন উবাচ।

অমাত্যৱৰেদং কিং কস্য দেৱস্য কেতনম্।
কা দেৱতা পূজ্যতেঽত্ৰ কস্য হেতোঃ স্থিতানঘ ॥ ১৩৪ ॥
এৱমাকৰ্ণ্য সৰ্ব্বজ্ঞো মন্ত্ৰবিদ্মন্ত্ৰিণাম্ বৰঃ।
শৃণুষ্বৈকমনা বীৰ যথাবদিহ সৰ্ব্বশঃ ॥ ১৩৫ ॥
কামাখ্যায়াঃ পৰং স্থানং বিদ্ধি বিশ্বৈকশৰ্ম্মদম্।
যস্যা দৰ্শনমাত্ৰেণ সৰ্ব্বসিদ্ধিঃ প্ৰজায়তে ॥ ১৩৬ ॥
দেৱা সুৰাশ্চ যাং স্তুত্বা নত্বা প্ৰাপ্তাখিলাং শ্ৰিয়ম্।
ধৰ্ম্ম কামাৰ্থমোক্ষাণাং দাত্ৰী ভক্তানুকম্পিনী ॥ ১৩৭ ॥
যাচিত্বা সুমদেনাত্ৰাহিচ্ছত্ৰাপতিনা পুৰা।
স্থিতা কৰোতি সকলং ভক্তানাং দুঃখহাৰিণী ॥ ১৩৮ ॥
তাং নমস্কুৰু শত্ৰুঘ্ন সৰ্ব্ববীৰ শিৰোমণে।
যয়া সুসিদ্ধিং প্ৰাপ্নোতি সুৰাসুৰদুৰ্লভাম্ ॥ ১৩৯ ॥

ইতি শ্ৰুত্বাৰ্থ তদ্বাক্যং শত্ৰুঘ্নঃ শত্ৰুতাপনঃ।
প্ৰপচ্ছ সকলাং বাৰ্ত্তাং ভৱান্যাঃ পুৰুষৰ্ষভঃ ॥ ১৪০ ॥

শত্ৰুঘ্ন উবাচ।

কোঽহিচ্ছত্ৰাপতী ৰাজা সুমদঃ কিং তপঃ কৃতম্।
যেনেয়ং সৰ্ব্বলোকানাং মাতা তুষ্টাত্ৰ সংস্থিতা ॥ ১৪১ ॥
বদ সৰ্ব্বং মহামাত্য নানাৰ্থ পৰিবৃংহিতম্।
যথাবত্ত্বং হি জানাসি তস্মাদ্বদ মহামতে ॥ ১৪২ ॥

সুমতিৰুবাচ।

হেমকূটো গিৰিঃ পূতঃ সৰ্ব্বদেৱোপশোভিতঃ।
তত্ৰাস্তি তীৰ্থং বিমলমৃষি-বৃন্দ-সুসেৱিতম্ ॥ ১৪৩ ॥
সুমদো হি তপস্তেপে হত-মাতৃ-পিতৃ-প্ৰজঃ।
অৰিভিঃ সৰ্ব্বসামন্তৈৰ্জগাম তপসে হি তম্ ॥ ১৪৪ ॥
৫ম আধ্যা, পাতাল খণ্ড, পদ্মপুৰাণ।

* দেশৰ প্ৰাচীনত্ব আৰু গৌৰৱৰ নিমিত্তে বচনবোৰ উদ্ধৃত কৰা হৈছে।

কামাখ্যোবাচ

"বাজ্যং প্ৰপ্ন তি সুমদ সৰ্ব্বত্ৰ হত কণ্টকম্।
মহিলা বহু সঙ্কষ্ট পাদ পদ্মদ্বয়ো ভব। ৩৬।
তব বৈৰি-পৰাভূতিৰ্ম্মা ভূয়াৎ সুমদাভিধ।
যদা তু ৰাৱণং হত্বা ৰঘুনাথো মহাযশাঃ ॥ ৩৭ ॥
কৰিষ্যত্যশ্বমেধং হি সৰ্ব্বভাবোপশোভিতম্।
তস্য ভ্ৰাতা মহাবীৰঃ শত্ৰুঘ্নঃ পৰবীৰহা ॥ ৩৮ ॥
পালয়ন্ হয়মায়াস্যত্যত্ৰ বীৰাদিভিবৃ তঃ।
তস্মৈ সৰ্ব্বং সমৰ্প্য ত্বং ৰাজ্যমৃদ্ধিধনাদিকম্ ॥ ৩৯ ॥
পালয়িষ্যসি যোধৈঃ স্বৈৰ্ধ শুৰ্দ্ধাবিভিৰুক্তটৈঃ।
ততঃ পৃথিব্যাং সৰ্ব্বত্ৰ ভ্ৰমিষ্যসি মহামতে ॥ ৪০ ॥
ততো ৰামঃ নমস্কৃত্য ব্ৰহ্মোদ্ৰেশাদি সেবিতম্।
মুক্তিং প্ৰাপ্স্যসি দুষ্প্ৰাপাং যোগিভিৰ্যমসাধনৈঃ ॥ ৪১ ॥
তাবৎকালমিহ স্থাতা যাবদ্ৰামহয়াগমঃ।
পশ্চাদ্বাং তু সমুদ্ধৃত্য গন্তাস্মি পৰমং পদম্ ॥ ৪২ ॥
ইত্যুক্তান্তৰ্দ্দধে দেবী সুৰাসুৰনমস্কৃতা।
সুমদোঽপ্যাহিচ্ছত্ৰায়াং শত্ৰূন্ হত্বা নৃপোঽভবৎ ॥ ৪৩ ॥
"কামাখ্যা কথিতং পূৰ্ব্বং জাতং সম্প্ৰতি তন্মহৎ" ॥

কামাখ্যাদেৱীয়ে আগেয়ে মোক যিবোৰ কথা কৈছিল, সম্প্ৰতি সেইবোৰ ফলিছে।

সুমদ উবাচ।

"কামাখ্যায়া প্ৰসাদো মে কৃতঃ পূৰ্ব্বং দয়াৰ্দ্ৰয়া।
ৰঘুনাথমুখাম্ভোজং দ্ৰক্ষ্যোঽস্য সকুটুম্বকঃ ॥ ৭৪ ॥

ভগৱতী কামাখ্যা দেৱীয়ে দয়া পৰবশ হৈ, মোৰ ওপৰত এনেকুৱা অনুগ্ৰহ কৰি গৈছে। তেওঁৰে দয়াৰ নিমিত্তে আজি কুটুম্বিলাকৰ সৈতে ৰঘুনাথৰ মুখকমল অৱলোকন কৰিম।



৬৪, আধ্যা, পাতালখণ্ড, পদ্মপুৰাণ।

( ক ) দেৱীপুৰাণৰ ৩৯ আধ্যাত কামাখ্যাৰ উ…
আছে যথা,—"যজ্ঞেভৌমাত্মজো দেৱীং কামাখ্যে গিৰিকন্দ…
"ভোট্টদেশে সকামাখ্যে কিষ্কিন্ধ্যে চ নগোত্তমে।

( খ ) দেৱীপুৰাণৰ ৪২ আৰু ৪৬ আধ্যাত কামৰূ…
উল্লেখ আছে

যথা,—"লঙ্কায়াঞ্চোড্ডদেশে চ শ্ৰীবাজ্যে কাশিকায়…
১ * কামৰূপে তথা কাঞ্চ্যাং চম্পয়াঞ্চ বৈ…
ইতি শ্ৰীদেৱীপুৰাণে স্থান প্ৰশংসা ৪২ আ…
২*"কামৰূপং বিদেহাশ্চ নেপালং বৈৰতো গিৰিঃ।
৪৬ আধ্যা, দেৱীপুৰা…

( গ ) ব্ৰহ্মপুৰাণৰ ১৯ আধ্যাত কামৰূপৰ উ…
আছে ৩§

যথা,—পূৰ্ব্ব দেশাদিকাশ্চৈব কামৰূপনিবাসিনঃ।"

তীৰ্থবিবৰণত

ব্ৰহ্মাপুৰাণৰ ২৩ আধ্যাত কামাখ্যাৰ উল্লেখ আছে
যথা, "মণিমস্তক কামাখ্যং কৃষ্ণতীৰ্থং কুশাবিলম্।"
ব্ৰহ্মপুৰাণৰ ২৭ আধ্যাত প্ৰাগজ্যোতিষপুৰৰ উল্লেখ আ…
যথা, ৪ * "প্ৰাগ্জ্যোতিষাশ্চ মদ্ৰাশ্চ বিদেহা…
লিপ্তকাঃ ( ঘ ) বিষ্ণুপুৰাণৰ পঞ্চম অংশৰ ২৯ আ…
প্ৰাগ্জ্যোতিষপুৰৰ উল্লেখ আছে, যথা,
"ভৌমোঽয়ং নৰকো নাম্না ৫* প্ৰাগ্জ্যোতিষপুৰ…

ক্ৰমশঃ।

# বিবিধ

## ডাঢ়ি খুৰুৱাৰ মহিমা

…ৰ্ণ যাৱাৰৰ এজন মানুহে হিচাব-পত্ৰ কৰি ঠিৰাং কৰিছে যে দিনৌ …এজন মানুহে এক ইঞ্চি দীঘলৰ যাঠি ভাগৰ এভাগ ডাঢ়ি খুৰাই …লা তেন্তে সেই মানুহজনে বিশ বছৰ বয়সৰপৰা পঁয়ষষ্টি বছৰ …লৈকে এক সত্তৰ গজ দীঘল ডাঢ়ি খুৰায়। আৰু যদি প্ৰত্যেক বাৰ …খুৰাওঁতে অন্ততঃ দহ মিনিট সময় ব্যয় হয় তেন্তে ওপৰত উল্লেখ …বছৰৰ ভিতৰত তেওঁৰ পুৰা চৌষষ্টি দিন খৰচ হব।

## দীঘলীয়া গোফ ৰাখিবলৈ উদগণি

…হাঙ্গেৰিৰ দেশ হিতৈষীসকলে সকলোকে দীঘলীয়া গোফ ৰাখিবলৈ …গণি দি ফুৰিছে; তাকো আকৌ হিটলাৰৰ নাকৰ বিস্তাৰ তলতে …"টুথব্ৰাছ"ৰ নিচিনা গোফ নহয়, দীঘল ম'হ শিঙীয়া "ছাৰ্জেন্ট-…মে"ৰ নিচিনা গোফ! এই দীঘল গোফ ৰখা প্ৰথাটো জনপ্ৰিয় …হৈ থকা মানুহৰ মাজত ইয়াৰ কাৰণে আগ্ৰহ জন্মাবলৈ তেওঁলোক …ছে কি, এমনি হাঙ্গেৰিৰ ছোৱালীয়ে নিমজকৈ ডাঢ়ি-গোফ খুৰোৱা …বুৱা জাৰ্ম্মেন ডেকা এজনক চুমা খাবলৈ নিদিয়াৰ বিষয়ে …দীঘলীক প্ৰশংসা কৰি কবিতা লিখি গোটেইখনতে গাই ফুৰিছে!

## পিয়াহত জন্তু বশ

…বহুত দিন বৰষুণৰ অভাৱত খালে-ডোঙে পানী নোহোৱাত আফ্ৰিকাৰ …গাৱৰ চহৰত চিকাৰৰ ডাঙৰ ডাঙৰ জন্তুবোৰে আশ্ৰয় লৈছেহি। দুবছৰ বৰষুণ নোহোৱাৰ কাৰণে হাবিৰ জন্তুবোৰে নগৰৰ ফুলনি বাগিচাত আৰু আনকি মানুহৰ ঘৰতো দিন-দুপৰীয়া পানী বিচাৰি ফুৰিছে। পিটাছবাৰ্গ বোলা এখন নগৰত এবাৰ যোৰাৰ সমান ডাঙৰ শৰ পহু এটা এঘৰ মানুহৰ ৰান্ধনি ঘৰ সোমাইছিলহি। পিছে, সেই ঘৰত অকলশৰে থকা এজনী মাইকী মানুহে হিলৈৰে পহুটো গুলিয়াই মাৰিলে।

সিংহবিলাক পিয়াহত আধামৰা হৈ বাজ আলিৰ কানত থকা খুলি বিলাকত ঘোৰা আৰু কুকুৰবিলাকৰ লগতে একে লগে স্থান লৈছেহি।

## সাত পুৰুষৰ একেটা তিথিতে জন্ম

ছেণ্ড মাসে এখন ঠাইত অলপতে এটি সন্তান জন্ম হৈছে। আচৰিত কথা এয়ে যে সন্তানটি যি বাৰে জন্ম হৈছে সেই একেটা বাৰ আৰু তিথিতে তাৰ বাপেক, ককাক, আজুককাক আদি ওপৰৰ ছয় পুৰুষেও জন্ম গ্ৰহণ কৰিছিল।

## পশুশালাত শুভপৰিণয়

ত্ৰিশ বছৰ কৌমাৰ্য্য ব্ৰত অৱলম্বন কৰাৰ পিছত সিদিনা অলপতে কলিকতাৰ আলিপুৰ পশুশালাত থকা এটা কাছৰ শুভ বিবাহ গৈ গল। এই ত্ৰিশ বছৰীয়া দৰাটিৰ নব পত্নীৰ বয়স মুঠেই ১১৫ বছৰ! প্ৰথমতে অৱশ্যে তেওঁলোকৰ মাজত ভাবৰ বৰ আদান-প্ৰদান হোৱা নাই। আঢ়ৈ কুৰি বছৰৰ ভিতৰত এই নৱ দম্পতীৰ পৰিয়ালৰ সংখ্যা বৃদ্ধি হব বুলি পশুশালাৰ কৰ্ম্মচাৰীসকলে আশা কৰিছে।



# মুকুতা-মালা

মই এদিন অৱশ্যে মৰিম, কিন্তু সেইবুলি হুথ কৰি মৰিমনে? মোক হয়তো কোনোবাই শিকলিৰে বান্ধি থব পাৰে, তেনেহলেও মই বেজাৰ কৰিব লাগেনে? মই হয়তো এদিন নিৰ্ব্বাসিতো হব পাৰো, কিন্তু সেইবুলি মোৰ আনন্দ আৰু প্ৰফুল্লতা কোনোবাই বিনাশ কৰিব পাৰেনে? কিন্তু মানৱ, মই তোমাক কাৰাৰুদ্ধ কৰিলে তুমি কি কৰিবা? তুমি মোক কাৰাগাৰত আৱদ্ধ কৰি ৰাখিব পাৰা, কিন্তু মোৰ মনটো আনকি ভগৱানেও অভিভূত কৰিব নোৱাৰে।

—এপিক্টেটাছ

অসম মৰিলে আমিও মৰিম এই কথা নাপাহৰিবা। দেশৰ ডেকাসকলক উদ্বুদ্ধ কৰি তোলা। কৃষকসকলক জগাই তোলা। অসম আকৌ মহান, আকৌ গৌৰৱমণ্ডিত হৈ উঠিব।

—লক্ষ্মীধৰ শৰ্ম্মা

হে অৰ্জ্জুন, এই তিনি ভুবনত মোৰ কৰিবলগীয়া ... একো নাই; পাবলগীয়া বস্তুকো নোপোৱাকৈ থকা নাই ... তথাপি মই কৰ্ম্মত লিপ্ত থাকোঁ।

—

যদি মই সমানে ভালপোৱা মোৰ বাৰটা লৰা থাকে, তেনেহলে তাৰে ভিতৰৰ এটাই স্ব-ইচ্ছাই বিলাসত উন্মত্ত হৈ কৰ্ত্তব্যবপৰা মুৰ পোলোকা দিয়া দেখাতকৈ বাকী এঘাৰটা লৰাক সগৌৰৱে দেশৰ কাৰণে মৰিবলৈ এৰি দিবলৈহে মই বেছি ভাল পাম।

—শ্বেক্সপিয়েৰ

# শেষৰ চিঠি

গল্প ]

—আমজেদ আলি বি-এ

...জি আৰু জীৱন মোৰ কাৰণে অসম্ভৱ, অস্তিত্ব ...হীন। তেওঁৰ ওচৰত, জগতৰ সকলোৰে ওচৰত, ...ৰ নিজৰ ওচৰত অপৰাধী হৈ মই জীয়াই থাকিব ...োৱাৰো। সকলোৰে চকুৰ নীৰৱ অভিযোগ, প্ৰচ্ছন্ন ...স্কাৰ মোৰ অসহ্য। মই পাপী, মই অপৰাধী। ৰাতিৰ ...পোনত, দিনৰ প্ৰত্যেক কামৰে প্ৰত্যেক কথাই মোক ...ৈ যায়—"অপৰাধী—পাপী!" অনুতাপ? খুব অনুতাপ ...ৰিছো বন্ধু, বহুত অনুতাপ কৰিছো। কিন্তু এতিয়া ...ৰ পলম হৈ গ'ল! অনুতাপেতো আজি মোৰ পাপৰ ...য়াচিত কৰিব নোৱাৰে, অনুতাপেতো মোৰ কৰ্ম্মৰ ...ল খণ্ডনি কৰিব নোৱাৰে! সেই কাৰণেই কৈছো ...ীৱন এতিয়া মোৰ বাবে অসম্ভৱ।

...এটা মুহূৰ্ত্তৰ উন্মাদনাত মই পিশাচ হৈ উঠিলো; ...মোৰ পৈশাচিক নিশ্বাসৰ তীব্ৰ গৰলত তেওঁৰ জীৱন ...শান হৈ গ'ল। দেৱতাৰ দৰে পৱিত্ৰ তেওঁৰ জীৱন, সেই ...ীৱন এটা মুহূৰ্ত্তৰ উত্তেজিত উন্মাদনাত মই নষ্ট কৰি ...িলো। তেওঁৰ ছন্দময় সপোন মই ধ্বংস কৰি দিলো। ...েৱতাৰ দৰে পৱিত্ৰ, দেৱতাৰ দৰে সুন্দৰ আৰু মোৰ ...াৰণে দেৱতাৰ দৰেই উদাস তেওঁ—তেওঁক মই আঁকিলো ...ংগিং কচিৰে বিকৃত কৰি। কলুষিত মোৰ পাপ পৰশত ...তেওঁৰ উজ্জ্বল জীৱনৰ আনন্দত চিৰ নিৰানন্দৰ ছায়া ...িল। মোৰ উন্মত্ত আক্ৰোশৰ বিষময় অগণিত তেওঁৰ ...ায় ভস্মীভূত হ'ল। নিষ্ঠুৰ আঘাতেৰে মই তেওঁৰ ...য়ৰ চূৰ্ণ কৰি দিলো—তেওঁক মই হত্যা কৰিলো।

মই পাপী। মই হত্যা কৰিছো, খুন কৰিছো। মই ...ী। মই খুনী, কিন্তু আইনৰ চকুত মই সম্পূৰ্ণৰূপে নিৰপৰাধ, জগতৰ আদালতত মই নিষ্পাপ। কিন্তু তেওঁৰ, ...তেওঁৰ চকুত, তোমাৰ চকুত, মোৰ নিজৰ চকুত মই খুনী, পাপী, মই অপৰাধী। মোৰ পাপৰ বিচাৰ আদালতত নহয়, তাৰ বিচাৰ হয় মোৰ বিবেকত, তেওঁৰ হুমুনিয়াহত আৰু তোমাৰ ঘৃণাত।

তুমি মোক ভাল পাইছিলা, মোক পূজা কৰিছিলা। কিন্তু যিদিনা তুমি মোৰ পাপৰ কথা শুনিবা, যিদিনা মোৰ নীচ আৰু পৈশাচিক মনোবৃত্তিৰ প্ৰকৃত পৰিচয় পাবা, সেইদিনা আন সকলোতকৈ তুমিয়েই মোক বেছি ঘিণ কৰিবা। মোৰ বিবেকৰ লগতে তোমাৰ ঘৃণাৰ ভয় লগ লাগিয়েই আজি বাধ্য কৰিছে মোক আত্মহত্যা কৰিবলৈ। অথচ এনে এদিন আছিল যেতিয়া তুমি তোমাৰ গোটেই জীৱন দি মোক ভাল পাইছিলা, প্ৰতিদান নোপোৱা বুলি জানিও তোমাৰ সৰ্ব্বস্ব ঢালি দিছিলা মোৰে শূন্য জীৱনৰ দুৱাৰদলিত। মই তোমাক ভাল পাব নোৱাৰিলো। কিন্তু সঁচাকৈয়ে তোমাৰ ভালপোৱাক সম্মান কৰিছিলো। তোমাৰ আগেয়েই মই আন এজনক ভাল পাইছিলো, এতিয়াও তেওঁকেই ভাল পাওঁ। জীৱনত সেয়ে প্ৰথম আৰু শেষ ভালপোৱা। আৰু সেই ভালপোৱাকে মই ধ্বংস কৰি দিলো। তেওঁক মই হত্যা কৰিলো। ভুল হোৱা নাই, তেওঁকেই মই খুন কৰিলো; তেওঁকেই! ছুৰি? বিষ? নহয় বন্ধু, নহয় স্বামী, নহয়। কলম! আচৰিত নহবা, মই তেওঁক কলমেৰেই হত্যা কৰিলো! কলমেৰে!

ভালপোৱাতেই ভালপোৱাৰ শেষ নেকি কব নোৱাৰো। কিন্তু মই নিজে ভালপায়েই ভালপোৱাৰ শেষ কৰিব নোৱাৰিলো। মই বিচাৰিছিলো তেওঁৰপৰাও অলপ সঁহাৰি। তেওঁৰ ভালপোৱা দাবী কৰিবৰ মোৰ একো অধিকাৰ নাছিল, কৰাও নাছিলো, মই মাত্ৰ বিচাৰিছিলো তেওঁৰপৰা এটা নিদৰ্শন যে তেওঁ মোৰ ভালপোৱাক

অপমান কৰা নাই ; আৰু বিচাৰিছিলো এটা স্মৃতি। তাকে নাপালো। মই বিদ্ৰোহী হৈ উঠিলো, আৰু ক্ষন্তেকীয়া উত্তেজনাত গা এৰি দি মই সৰ্ব্বনাশ কৰিলো—দানৱ হৈ নিজৰ ভালপোৱা নিজ হাতে ধ্বংস কৰি দিলো, মই তেওঁক হত্যা কৰিলো।

যৌৱনৰ আৰম্ভতে তেওঁৰ লগত দেখা। নতুন জীৱনৰ আবেগময় আৱেশত বুকুৰ ভালপোৱা তেওঁৰেই চৰণ তলত ঢালি দিলো। তেওঁক ভাল পালো। প্ৰথমতে যিদিনাই তেওঁৰ চকুলৈ চকু তুলি চালো, সেইদিনাই যেন মোৰ কোনোবা জনমৰ স্মৃতি মনলৈ আহিল, হাজাৰ হাজাৰ বছৰ, শত শত জনমত যেন মই তেওঁকেই ভাল পাব লাগিব। বিজুলীৰ দৰে সেই সোঁৱৰণি, মোৰ তৰুণ তেজত আলোড়ণ তুলি, কলিজা কঁপাই গুচি গ'ল ; মোৰ মাথোন মনত থাকিল মই তেওঁক ভাল পাব লাগিব ; হাজাৰ যুগৰ ভালপোৱাই এতিয়াও দাবী কৰে আগৰ প্ৰেম, আগৰ প্ৰাণ আৰু আগৰ স্মৃতি, তেওঁক ভাল পালো। শত জনমৰ চিৰ-অতৃপ্ত প্ৰেমৰ বুভুক্ষু দেৱতাই তৃপ্তি বিচাৰি মোৰ বুকুত কঁপনি তুলিলে।

ক্ষন্তেকীয়া দেখা, দুদিনীয়া চিনাকি, তেওঁলৈ চিঠি লিখিবলৈ মোৰ একো অধিকাৰ নাছিল। কিন্তু বুকুৰ ভালপোৱাৰ আগত জানো ভদ্ৰতাৰ কৃত্ৰিমতাই ঠাই পায় ? তেওঁলৈ চিঠি লিখিলো। তেওঁ উত্তৰ নিদিলে। তেওঁৰ দোষ নাই। কেইদিনৰ মাত্ৰ চিনাকি, চিঠি দিব লগীয়া সম্বন্ধটো আমাৰ হোৱা নাছিল। আৰু কেতিয়াও নহল। মই বুজা নাছিলো। তাৰ পিছতো তেওঁলৈ কেবাখনো চিঠি দিছিলো। উত্তৰ নাপালো। চিঠি দিবলৈ এৰিলো, ভাল পাবলৈ এৰিব নোৱাৰিলো।

আকৌ তিনি বছৰৰ পিছত তেওঁক লগ পালো। তেৱেঁই আগেয়ে মাতিলে, কথা পাতিলোঁ। তেওঁ বোধকৰো পাহৰিলে মোৰ চিঠিৰ কথা, মোৰ ভাল পোৱাৰ কথা। আৰু মই ?...সেই পুৰণি জীৱন, একেবাহে দিনবোৰ গৈ থাকে, একেবাহে—আগৰ দৰেই। মাত্ৰ তেওঁ ইয়াত আছে—তেওঁক দেখা পাওঁ। তেওঁক দেখাৰ বাহিৰে আৰু জীৱনত নতুন একো হোৱা নাই ; অথচ, কিমান নতুন, আৰু কিমান আচৰিত ঘটনাৰ সৃষ্টি কৰিবে সেই দেখাই ! তেওঁ জানিছিল যে মই তেওঁক ভাল পাওঁ, কিন্তু তেওঁ সঁহাৰি নিদিলে। মোৰ অন্তৰৰ ভালপোৱাৰ তেওঁ প্ৰতিদান নিদিলেও সহানুভূতি আৰু সন্মান দেখুৱাব পাৰিলেহেতেন, কিন্তু তেওঁ তাকে নকৰিলে। তথাপি মই তেওঁক ভাল পাইছিলো, তথাপি তেওক এতিয়াও ভাল পাও। তেওঁক ভালপাওঁ বাবেই আজি তেওঁৰ জীৱন ব্যৰ্থ কৰি আত্মহত্যা কৰিবলৈ ওলাইছো।

আকৌ তেওঁলৈ চিঠি লিখিলো ; আকৌ তেওঁ উত্তৰ নিদিলে। বাট চালো। উত্তৰ নাহিল। তেওঁক পাবি পাৰিলো চিঠিত। এইবাৰ উত্তৰ আহিল। সেইখনেই তেওঁৰ প্ৰথম আৰু শেষ চিঠি। তেওঁৰ খং উঠিছে, বিৰক্ত হৈছে। মই ক্ষমা খুজিলো। তেওঁ উত্তৰ নিদিলে। মোৰ আকুল আবেদনত তেওঁ কাণ নিদিলে ; মোৰ কাতৰ প্ৰাৰ্থনাৰ ওচৰত তেওঁ বধিৰ হ'ল। নিষ্ঠুৰ হৈ মোৰ দেৱতাৰ পূজা ব্যৰ্থ কৰি দিলে। তেওঁৰ ঘৃণা সহিব নোৱাৰিলো। জীৱনত কেতিয়াও, কাৰো ওচৰত নিজক ইমান সৰু কৰা নাছিলো। ইমান কাতৰ, ইমান আকুল হৈ কেতিয়াও কাৰো ওচৰত ক্ষমা ভিক্ষা কৰা নাছিলো। তেওঁক ভাল পাইছিলো, আৰু সেইবাবেই তেওঁৰ ওচৰত সৰু হ'বলৈ লাজ কৰা নাছিলো। কিন্তু সঁচাকৈয়ে ভাবিছিলো তেওঁ ক্ষমা কৰিব। তেওঁ ক্ষমা নকৰিলে। এইবাৰ সঁচাকৈয়ে বলিয়া হ'লো। মনত আছেনে Coleridge অৰ সেই লাইন দুটা ?—

"To be worth with one we love
Doth work like madness in the brain."

মোৰো সেয়ে হ'ল। তেওঁৰ ওপৰত খং উঠি মই বলিয়া হ'লো। কুৎসিৎ ইঙ্গিতেৰেভৰা অশ্লীল চিঠি কিছুমান তেওঁৰ নামত লিখি ইলালৈ পঠিয়াই দিলো। ইলাই বিশ্বাস কৰিলে তেওঁ পিশাচ, জগতে জানিলে তেওঁ লম্পট ! মিছা কলঙ্কেৰে মই তেওঁৰ নিৰ্ম্মল চৰিত্ৰ কলুষিত কৰিলো। ইলাই তেওঁক ভাল পাইছিল, তেৱোঁ তাইক ভাল পাইছিল। সেই চিঠিবিলাক পঢ়ি ইলাই আত্মহত্যা কৰিলে। পাপ মোৰ ! ইলা আছিল মোৰ বন্ধু। উন্মত্ততাৰ আগত বন্ধুত্ব বলি দিলো। তাইক আত্মহত্যা কৰিবলৈ বাধ্য কৰিলো। আৰু তেওঁ আছিল—তেওঁ মোৰ কি আছিল ? তেওঁক ভাল পাইছিলো। বিশ্বাস-ঘাতকতা কৰিলো; বন্ধুত্ব, প্ৰেম, মনুষ্যত্ব সকলো একেলগে, কলমৰ এটা খোচতে ভাঙি দিলো। মই পিশাচ হৈ উঠিলো। তেওঁৰ জীৱন ব্যৰ্থ কৰি দিলো।

তাৰ পাছত—তাৰ পাছত কি ?

ইলাক তেওঁ ভাল পাইছিল, তাইক তেওঁ নাপালে। সেই চিঠি কেইখনেই তেওঁক চিৰদিনৰ কাৰণে পঙ্গু কৰি দিলে। চিৰদিনৰ কাৰণে মই তেওঁক হেৰুৱালো।

–আত্মহত্যা ? নহয়, তেওঁ আত্মহত্যা কৰা নাই। মইয়েই তেওঁক হত্যা কৰিছো—তেওঁৰ মন, তেওঁৰ অন্তৰ মইয়েই দগ্ধ কৰি দিছো। তেওঁ এতিয়াও জীৱিত, যন্ত্ৰৰ দৰে, প্ৰাণহীন হৈ তেওঁ এতিয়াও কৰি যায় দিনৰ কৰ্ত্তব্য। কিন্তু ইলাৰ লগতে তেওঁৰো জীৱনৰ শেষ হ'ল। এতিয়া মাথোন বাকী আছে তেওঁৰ শৰীৰ !

এতিয়া বুজিছা মোৰ পাপ কি ? ইলাৰ মৃত্যুৰ বাবে দায়ী মই, তেওঁৰ মৃত্যুৰ বাবে দায়ী মই। আৰু যেতিয়া তুমি মোৰ জঘন্য মনোবৃত্তিৰ পৰিচয় পাবা তেতিয়া তোমাৰ প্ৰেমৰ ব্যৰ্থতাৰ বাবে দায়ী নয়ে নহমনে ?

কব নোৱাৰো মোৰ পাপৰ পৰাচিত কিবা আছেনে নাই। মই একো বিচাৰি নাপাওঁ। মৰণৰ বাহিৰে মই আন একোকে নেদেখো। মন আৰু অন্তৰতো বহুত দিনৰ আগেয়েই মৃত্যু হ'ল—এইবাৰ দেহ। এতিয়া আত্মহত্যাৰ বাহিৰে মোৰ আন একো উপায় নাই।

কব পাৰানে মৰিলে তেওঁৰ ক্ষমা পামনে নাপাম ?

---



# ব্ৰিজ খেলা

—শ্ৰীযুত গোবিন্দৰাম দাস বি-এ

ব্ৰিজ খেলাই সভ্য জগতত সকলোবোৰ তাচ খেলতকৈ সৰ্ব্বোচ্চ স্থান অধিকাৰ কৰিছে। আমাৰ দেশৰ বহুতে এই খেল নাজানে আৰু যিসকলে জানে তাকো সম্পূৰ্ণ নিৰ্দ্দোষ হিচাবে জানে বুলি কব নোৱাৰি। সৰ্ব্বসাধাৰণৰ সুবিধাৰ কাৰণে সংক্ষেপে এই বিষয়ে তলত আলোচনা কৰা হল।

১৯২৭ চনত পোৰ্টলেণ্ড ক্লাবে 'নিলামী ব্ৰিজ' Auction ব্ৰিজৰ নিয়ম কানুন সংশোধনাৰ্থে এখন সভা আহ্বান কৰে আৰু ১১টা বিখ্যাত ক্লাবক নিমন্ত্ৰণ দিয়ে। তাৰ ভিতৰত এলমাক, বলডুইন, বাথ, কাল টন, কনজাৰ-ভেটিভ, ডেভনশ্বায়াৰ নেশ্যনেল, লিবাৰেল, ছেণ্টজেমছ, ছেণ্টষ্টিফেন, টাৰ্ফ, হোৱাইট আৰু পোৰ্টলেণ্ড উপস্থিত থাকে। তেওঁলোকে কেইবা বাৰো সভা পাতি পোৰ্টলেণ্ড ক্লাবক পাতনি হিচাবে অকশ্যন ব্ৰিজৰ আইন পদ্ধতি প্ৰকাশ কৰিবলৈ অনুমতি দিয়ে।

পোৰ্টলেণ্ড ক্লাবে প্ৰকাশিত কৰা আইন পদ্ধতিত বৃটিছ আৰু আমেৰিকান কনট্ৰাক্ট ব্ৰিজৰ গড়মিল থকাত শেহত এক সিদ্ধান্তত উপনীত হবলৈ আশা কৰে। সেইবাবে নিউ য়ৰ্কৰ হুইষ্ট ক্লাবৰ লগত পোৰ্টলেণ্ড ক্লাবৰ আলোচনা হয়। ১৯৩১ চনৰ প্ৰাৰম্ভতে কমিশ্যন ফ্ৰেঙ্কাইজ চ ব্ৰিজ পাৰ্টিয়েও এই আলোচনাত যোগ দিয়ে। এওঁলোক তিনিওটা

পাৰ্টিৰ দ্বাৰা শোধিত ব্ৰিজ আইনবোৰক আন্তৰ্জ্জাতিক 'ব্ৰিজল' বোলা হয়। চলিত ব্ৰিজ খেলাৰ সকলো নিয়ম কাৰণ এই সম্মিলিত বিধিৰ অন্তৰ্গত। বৰ্ত্তমানে সামান্য পৰিৱৰ্ত্তন হলেও ১৯৩২ চনৰ নবেম্বৰত প্ৰকাশিত 'ব্ৰিজল' বিধিৰ নিয়মমতেই সকলোৱে খেলে।

কনট্ৰাক্ট ব্ৰিজ আৰু অকৃশ্বন ব্ৰিজৰ ভিতৰত অনেক প্ৰাৰ্থক্য আছে। অকৃশ্বন ব্ৰিজ যিমানলৈ ডকা যায় তাতোকৈ বেছি 'ট্ৰিক' ৰাখিলে তাৰ বাবে পইণ্ট পোৱা যায় আৰু তাৰ বলত 'গেমো' হয়; কিন্তু কনট্ৰাক্ট ব্ৰিজত হলে যিমানলৈ পৰা যায় তিমানলৈ ডাক দিব লাগে, নহলে অধিক ট্ৰিক ৰাখিলেও তাৰ পইণ্ট পোৱা নাযায় আৰু 'গেম' নহয়। আমি ইয়াত অকৃশ্বন ব্ৰিজৰ কথাহে আলোচনা কৰিম। অকৃশ্যন ব্ৰিজ সকলোৱে প্ৰিয় আৰু সহজসাধ্য।

ব্ৰিজ খেলাৰ আগেয়ে তিনটা বিষয় ভালকৈ জনা উচিত। সেইবোৰ এই :—(১) আইন আৰু নিয়ম কানুন। (২) ডাক দিয়া। (৩) লীড বা চালনা। আইনবোৰ আলোচনা কৰাৰ আগেয়ে এই বিষয়ে অলপ কোৱা ভাল। হৰতনক=হাৰ্ট, চিৰতনক=ক্লাব, ৰহিতনক=ডায়েমণ্ড আৰু ইছকাবনক=স্পেড বা ৰয়েল কোৱা হয়। প্ৰত্যেকটোৱেই নিৰ্দ্দিষ্ট সংখ্যা বুজায় আৰু তাক পইণ্ট কোৱা হয়।

ক্লাব=৬, ডায়েমণ্ড=৭, হাৰ্ট=৮, স্পেড=৯। যেতিয়া এইবিলাকত ডাক থাকে ক্ৰমান্বয়ে সেই বিধেই ৰং হয় আৰু যেতিয়া 'নউট্ৰাম' ডকা হয় তেতিয়া ৰং নাথাকে; সকলোবোৰেই সমান ৰং। নউট্ৰামৰ প্ৰত্যেক ডাকটোতে =১০, গতিকে ইয়েই সকলোতকৈ ডাঙৰ। যি ডাকৰ সংখ্যাগত পইণ্ট বেছি হয় সেই ডাকেই ৰং হয়। ডাবল দিলে ইয়াৰ দুগুণ আৰু ৰি-ডাবল দিলে ৪ গুণ পইণ্ট লাভ বা লোকছান হয়। ডাবলত খেল ৰাখিলে প্ৰত্যেক অধিক ট্ৰিকৰ বাবে ৫০ আৰু ৰি-ডাবলত ১০০ পইণ্ট পোৱা যায়। তদুপৰি ডাবলত এফ, চি ৫০ আৰু ৰিডাবলত ১০০ লোৱা যায়। ৩০ নম্বৰতেই এটা গেম হয়। আকৌ দুটা গেমত 'ৰাবাৰ' হয়। ৰাবাৰ হলে ২৫০ পোৱা যায়।

দুটা 'আণ্ডাৰ' গেম লগ লাগি ৩০ বা তাতকৈ অধিক হলে এটা গেম হয়। এটা আণ্ডাৰ গেম হোৱাৰ পিছত যদি বিৰুদ্ধ পাৰ্টিৰ এটা গেম হয় তেন্তে সেই আণ্ডাৰ গেমটো বন্ধ হয় অৰ্থাৎ নতুন আণ্ডাৰ গেমৰ লগত তাৰ পইণ্ট যোগ নহয়। প্ৰত্যেকেই ১৩ খনকৈ তাচ পাব। টিক্কাবিলাক দহ হলিলৈ প্ৰত্যেক খনকেই অনাৰ্ছ তাচ বোলা হয়। অনাৰ্ছ তাচবিলাকৰ পইণ্ট আছে। একেহাতে ৫ খন অনাৰ্ছ কাৰ্ড থাকিলে ১০ গুণ, একহাতে চাৰিখন আৰু সহযোগীৰ লগত এখন থাকিলে ৯ গুণ, দুয়ো হাতে মিলি ৫ খন থাকিলে ৫ গুণ, চাৰিখন থাকিলে চাৰি গুণ, তিনি খন থাকিলে দুগুণ তাতকৈ কম থাকিলে বিৰুদ্ধ পাৰ্টিয়ে অনাৰ্ছ পইণ্ট পাব। যেনে ক্লাবৰ প্ৰত্যেকখন অনাৰ্ছত ৬, ডায়েমণ্ড ৭, হাৰ্টৰ ৮, স্পেডৰ ৯ আৰু 'নউট্ৰাম্পৰ' ১০ দহকৈ। চাৰি ৰঙৰ চাৰিওটা টিক্কাই নউট্ৰাম্পৰ অনাৰ্ছ বাকীবোৰ নহয়। চাৰিওটা এক হাতে ১০০, দুয়োহাতে হলে ৪০, আৰু এক হাতে তিনিটা থাকিলে ৩০। এয়া চাৰিও হাতৰ তাচ পৰিলে এটা ট্ৰিক হয়। ১২টা ট্ৰিক ৰাখিলে এল, এছ বা লিট্‌ল স্লাম হয় আৰু গোটেই ১৩টা ৰাখিলে জি, এছ বা গ্ৰেণ্ড স্লাম হয়। এল, এছত ৫০ আৰু জি, এছত ১০০ নম্বৰ পোৱা যায়।

ডাক দিয়াক 'বিড' কোৱা যায়। চাৰি জনলৈ এই খেলা হয়। দুজনে একোটা পাৰ্টি। তাচ দুয়োৰ লাগে। এটা পাৰ্টিয়ে তাচ তাচিব আৰু তাচোতাৰ বাওঁ হাতে থকা জনে কাটি দিব। তাৰ পিছত বিলাই দিয়া বিলোৱাজনৰ বাওঁ ফালৰপৰা এটা এটাকৈ বিলাই দিব। প্ৰত্যেকে ১৩টাকৈ তাচ পাব। ডাক বিলোৱাজনে আৰম্ভ কৰিব। একে ৰঙৰ ৫ খন তাচ থাকিলে ডাক দিব পৰা যায়, কিন্তু তাৰ লগত দুখন অন্ততঃ ডাঙৰ অনাৰ্ছ তাচ থাকিব লাগে নহলে খেল ৰখাত টান হয়। সহযোগীৰ হাতত যদি একে ৰঙৰ দুখন ডাঙৰ বা তিনিখন সৰু আৰু অনান্য ৰঙৰ ডাঙৰ তাচ থাকে তেন্তে তেওঁ লগৰীয়াৰ ডাকটো বঢ়াই দিব পাৰে। এইদৰে ডাক বাঢ়ি গৈ যি পাৰ্টিয়ে ৰাখিব সেই পাৰ্টিয়ে খেল ৰাখিব লাগিব। যদি কোনো ৰঙৰ তিনিটাৰ ডাকতেই ডাকটো ৰয় তেন্তে ৬+০



টা ট্ৰিক ৰাখিব লাগিব। ছটাৰ ওপৰত ডাকৰ অনুপাতে ট্ৰিক ৰাখিব লাগে। যেইটা ট্ৰিক কম হব সিমান বাৰ ৫০ কৈ ফাইন বিপক্ষই পাব। ডাকতকৈ বেছি ৰাখিলে সেই পৰিমাণে গেম পইণ্ট বাঢ়িব। যদি ডাবল দিয়ে তেন্তে প্ৰত্যেক অধিক ট্ৰিকৰ বাবে আকৌ ৫০ কৈ পাব আৰু গেম পইণ্টো দুগুণ হব। ৰিডাবলত ১০০ কৈ আৰু গেম পইণ্ট চাৰি গুণ হব। খেল ৰাখিব নোৱাৰিলে বিপক্ষই গেম পইণ্টৰ বাহিৰে তেনেদৰে ফাইন পাব।

বিড দিয়াত সাৱধান হব লাগে। ভুলতে বিপক্ষতকৈ কম বিড দিলে, বিড দিওতাৰ বাওঁ হাতে থকাজনে কম বিড দিলেও খেলো চলিব পাৰে, নতুবা তেওঁ কম বিড দিও আৰু বেছি বিড দিবলৈ বাধ্য কৰাব পাৰে কিন্তু তেওঁক ... কৰিব নোৱাৰে। কম বিড দিয়াৰ আগেয়ে যদি ডাবল বা ৰিডাবল দিয়া যায় তেন্তে কম বিড নিটিকে। কম বিড দিওতাই ডাবল দিয়াৰ আগতে বিড বঢ়ালে বা বাধ্য হৈ ... যদি কম বিড দিওতাৰ বাওঁ হাতে থকাজনে 'পাছ' দিয়ে অৰ্থাৎ ডাক নবঢ়ায় তেন্তে কম বিড দিওতাৰ সহযোগীয়ে ডাক দিব নোৱাৰে।

ডাক ৰখাজনৰ সহযোগীক প্ৰথম বাৰৰ খেলাত তাচ দিয়াৰ পিছত 'ডামি' কোৱা হয়। ডামিয়ে প্ৰথম বাৰ পাত দিয়েই তাচবোৰ সকলোৱে দেখা কৰি ৰাখিব। ডামিয়ে ... নোৱাৰে, কোনো উপদেশ বা সঙ্কেত দিব নোৱাৰে; ... তেওঁৰ সহযোগী জনে আইন ভঙ্গ কৰিলে সোৰৰাই দিব পাৰে। ওচৰত থকা কোনো লোকেই কোনো ... সঙ্কেত বা দোষ গুণ দেখুৱাব নোৱাৰে। যদি ... পাৰ্টিয়ে শেষত তেওঁলোকৰ মতামত খোজে তেতিয়া ... পাৰে।

কোনো তাচ হঠাৎ চিত হলে সেইটো বিৰুদ্ধ পাৰ্টিৰ ... মতে চিত কৰিয়েই ৰাখি খেলত যেতিয়া দৰ্কাৰ ... তেতিয়াহে দিব পাৰিব। অকৃশ্বন ব্ৰিজৰ ৬৫টা আৰু কনট্ৰাক্ট ব্ৰিজবো ৬৫ টা 'ল' আছে। তাৰ সাৰাংশহে ... দিয়া হল। কোনোৱে সম্পূৰ্ণ জানিব খুজিলে এ, ই ... ফষ্টাৰৰ অকৃশ্বন এণ্ড কনট্ৰাক্ট ব্ৰিজ কিতাপখন ... পঢ়ি চাব।

কেনেকৈ ডাক দিব লাগে। কি অৱস্থাত কেনে ডাক দিয়া উচিত তাক নিৰ্দ্ধাৰণকৈ জনা সহজ নহয়, তথাপি তলত লিখামতে চলিলে অনেক অসুবিধাৰ হাত সাৰিব পাৰি। পোনতে 'নউট্ৰাম্প' ডাকিব লাগিলে কমপক্ষেও (ক) চাৰিটা টিক্কা বা (খ) তিনটা টিক্কা আৰু যি কোনো তাচ (গ) তিনটা টিক্কা আৰু দুটা সংৰক্ষিত ছাহাব; ছাহাবৰ লগত যি কোনো এখন তাচ থাকিলে সংৰক্ষিত কোৱা হয়। সেইদৰে বিবিৰ লগত দুখন, গোলামৰ লগত তিনিখনকৈ তাচ থাকিলে সংৰক্ষিত বোলা হয়। (ঘ) তিনটা টিক্কা, এটা সংৰক্ষিত ছাহাব আৰু এটা সংৰক্ষিত বিবি। (ঙ) দুটা টিক্কা আৰু একে ৰঙৰ ছাহাব, বিবি, গোলাম অথবা ছাহাব, গোলাম, দহহলি। (চ) এটা টিক্কা আৰু সকলো ৰঙৰে ভাল তাচ এখনকৈ অন্ততঃ। (ছ) এটা টিক্কা আৰু আন ৰঙৰ সংৰক্ষিত তাচ অন্ততঃ চাৰিটা ট্ৰিক হোৱাৰ পৰিমাণে। (জ) এটা টিক্কা দীঘলীয়াকৈ থকা এবিধৰ আৰু দুবিধৰ দুটা সংৰক্ষিত তাচ। (ঝ) টিক্কা নাই কিন্তু দুবিধ ৰঙৰ দীঘলীয়া 'ছুট' আৰু আন দুবিধৰ সংৰক্ষিত তাচ। এনে অৱস্থাত এটা নউট্ৰাম্প ডাকিব পাৰি। যদি সহযোগীয়ে ডাকোতাৰ দুৰ্ব্বল ৰঙৰ ডাক দিয়ে তেন্তে নউট্ৰাম্প ডাক বঢ়াব পাৰি। যদি সহযোগীয়ে 'ক্লাব' ডাক দিয়ে তেন্তে ডাকোতাই তিনটা নউট্ৰাম্পলৈ যাব পাৰে। যদি নউট্ৰাম্পৰ ওপৰত আন ডাক দিয়ে তেন্তে ডাকোতাই নউট্ৰাম্প দুৰ্ব্বল দেখিলে সহযোগীক অনুমোদন কৰিব। কেবল টিক্কা চাৰিটা থাকিলেই নউট্ৰাম্প ডাক দিব নালাগে। ডাকিবৰ ভাল ৰং নাই দেখি নউট্ৰাম্প ডকা নিতান্ত ভুল। বিৰুদ্ধ পাৰ্টিৰ ডাকৰ ওপৰত নিজৰ হাতত ৰক্ষাৰ উপায় 'গাৰ্ড' থাকিলেহে নউট্ৰাম্পত আণ্ডাৰাব লাগে। অনান্য ৰঙত সহযোগীয়ে যদি ডাক দিয়ে তেন্তে তেওঁক, নিজৰ অলপ সংখ্যক তাচ লৈ অনুমোদন খুজি বেলেগ ডাক দিয়া অনুচিত। ৰাবাৰৰ আশাত বিৰুদ্ধ পাৰ্টিক অযথা সুবিধা দিব নালাগে। কোন হাতে কেনেকৈ ডাক দিব লাগে তাক এই সৰু প্ৰবন্ধত লিখা অসম্ভৱ।

ডাবল আৰু ৰিডাবল দিয়াত সতৰ্ক হোৱা উচিত।

সহযোগীয়ে ডাবল দিলে তাত আকৌ ডাবল দিলে বে-আইনী হয়। ডাবল তিনি ৰকমৰ ;—ফ্ৰী ডাবল, নন-ফ্ৰী ডাবল, ইনফৰ্মেটৰি ডাবল। (১) যেতিয়া বিপক্ষক গেম পইন্টৰ ওপৰত ডাবল দিয়া যায় তেতিয়া তাক ফ্ৰী ডাবল বোলে ;- যেনে চাৰিটা হাৰ্ট, চাৰিটা স্পেড, পাঁচটা ক্লাব, তিনটা নউট্ৰাম্প ইত্যাদি। তিনটা ক্লাব আৰু ডায়েমণ্ডৰ ওপৰত ডাবল দিলেও ফ্ৰী ডাবল হয়। তেতিয়া হলে বিৰুদ্ধ পাৰ্টিয়ে অলপতে গেম কৰিবৰ সুবিধা পায়। ডাবল দিয়াত অনেক লোকছান আছে। কাৰণ তেতিয়া হলে তেওঁলোকে ৰিডাবল দিব পাৰে নাইবা আন ৰঙলৈ সহজে যাব পাৰে। বিৰুদ্ধ পাৰ্টিয়ে চৰা ডাক দিলেই ডাবল দিয়া অনুচিত। অন্ততঃ ডাবল দিয়াজনে তিনটা ট্ৰিক নিব পাৰিব লাগে। দীঘলীয়া এবিধ ৰঙত চৰা ডাকদি বিৰুদ্ধ পাৰ্টিক ডাবল দিয়া শঙ্কাজনক ; আকৌ ডাবল দিয়াত যদি আন ৰঙলৈ গলে পুনৰ ডাবল দিব পৰা নাযায় তেন্তে তেতিয়াও ডাবল দিয়া অনুচিত। কেৱল ৰঙৰ ওপৰতে নিৰ্ভৰ কৰি ডাবল দিব নালাগে, অনাস্থ তাচো থকা উচিত। নিজে ৰাবাৰ কৰিব পৰা ডাকত অৰ্থাৎ স্বপক্ষে এটা এটা গেম থাকিলে বিপক্ষক ভয় খুৱাবলৈ ডাবল দিব নালাগে।

( ২ ) নন-ফ্ৰী ডাবল :—বিপক্ষৰ ডাক গেম পইন্টৰ ওপৰলৈ নাহোতেই ডাবল দিলে নন-ফ্ৰী ডাবল কোৱা হয়। দুটা হাৰ্ট বা স্পেড বা নউট্ৰাম্প, তিনটা ক্লাব বা ডায়েমণ্ডত দিয়া ডাবল। একেবাৰে নিশ্চয় নাথাকিলে এনে অৱস্থাত আন্দাজত ডাবল দিব নালাগে। ফ্ৰী ডাবলত সুযোগৰ আশাত তেনে কৰিলেও নন ফ্ৰী ডাবলত তেনে কৰা নিতান্ত অনুচিত। ডাবল দিওতাই সহযোগীক আশা নকৰাকৈ নিজৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। যাক ডাবল দিয়া যায় তেওঁৰ বাওঁ হাতে থাকিলে অনেক সুবিধা মিলে আৰু সেই দৰে সোঁ হাতে পৰিলে বিপ[illegible] আছে।

( ৩ ) ইনফৰ্মেটৰি ডাবল :—ইয়াক নেগেটিভ ডাবল[illegible] কোৱা হয়। এমেৰিকানবিলাকে এনে ডাবল ব্যৱহাৰ[illegible] কৰে। এই ডাবল ৰং আৰু নউট্ৰাম্পতো দিয়া হ[illegible] তাৰ অৰ্থ ওলোটা। ডাবল দিওতাই তেওঁৰ সহযোগী[illegible] বুজায় যে, তেওঁৰ তিনি বিধত যথেষ্ট বল আছে কি[illegible] অকল সেই বিধত একেবাৰেই নাই। থকা[illegible] তেওঁ নউট্ৰাম্পত যাব অথবা সহযোগীয়ে ডাক দি[illegible] তেওঁক অনুমোদন কৰিব পাৰে। তেওঁৰ সহযো[illegible] বিপক্ষৰ ডাকৰ ওপৰত যদি দুটা গাৰ্ড ৰাখিব পাৰে যো[illegible] তেওঁ নউট্ৰাম্পত যাব নতুবা তেওঁৰ দীঘলীয়া বিধৰ ডা[illegible] দিব। সহযোগীয়ে যদি বিপক্ষৰ ওপৰত ফাইন [illegible] খোজে তেন্তে ভালকৈ ঠিৰাং কৰিহে 'পাছ' দিব [illegible] ফাইন যাতে ৰাবাৰ বা গেমতকৈ বেছি হয় সেইটো [illegible] থকা উচিত। এটা বা দুটা ডাকৰ ওপৰতহে ইনফ[illegible] মেটৰি ডাবল খাটে তাৰ পিছত ডাবল দিলে সহযো[illegible] দায়িত্ব নাথাকে। সেইদৰে নউট্ৰাম্পত ডাবল দি[illegible] সহযোগীয়ে নউট্ৰাম্পত যোৱা উচিত নতুবা দীঘ[illegible] ৰঙত যাব। এনে ডাবল দিয়াজনে ডাকোতাৰ বাওঁ[illegible] থাকিলে অন্ততঃ ৫টা আৰু সোঁহাতে থাকিলে ৬টা [illegible] নিজে ৰাখিব পাৰিব লাগে। নহলে লোক[illegible] আছে।

(৩) তৃতীয় প্ৰধান বিষয় হৈছে 'লীড' দিয়া [illegible] পোনতে খেলা আৰম্ভ কৰা। এই লীডৰ ওপৰতে খে[illegible] ভাল বেয়া অনেক নিৰ্ভৰ কৰে। নউট্ৰাম্পৰ খেলা প[illegible] লীডৰ ওপৰতে নিৰ্ভৰ কৰে। যদি টিক্কা, ছাহাব, [illegible] আদি থাকে তেন্তে প্ৰথমে ছাহাব তাৰ পিছত বিবি [illegible] দিব লাগে।

| | |
|---|---|
| টিক্কা, ছাহাব অন্যান্য তিনি চাৰিখন একে ৰঙৰ তাচ থাকিলে | চতুৰ্থ ডাঙৰটো লীড দিব। |
| " " " পাচখন " " " " | ছাহাবটো লীড দিব। |
| " বিবি, গোলাম আদি " " " " | বিবিটো " " |
| " আৰু অন্যান্য সৰু চাৰি পাচখন " " " " | চতুৰ্থ ডাঙৰটো " " |



ছাহাব, বিবি, দহহলি আদি থাকিলে ছাহাব লীড দিব। আৰু আন ৫খন থাকিলে ছাহাব, বিবি আৰু দুখন সৰু থাকিলে চতুৰ্থটো লীড দিব। ছাহাব, গোলাম, দহহলি আদি থাকিলে গোলাম ; বিবি, গোলাম, দহহলি বা নহলি থাকিলে বিবি ; গোলাম, দহ, ন আৰু আঠহলি থাকিলে গোলাম ; দহৰপৰা তললৈ থাকিলে দহহলি লীড দিব। ইয়াৰ অন্যথাই চতুৰ্থ ডাঙৰ লীড দিব। সেইদৰে অন্যান্য ৰঙত—টিক্কা, ছাহাব, বিবি ক্ৰমাৎ থাকিলে, প্ৰথমে ছাহাব তাৰ পিছত বিবি লীড দিব। টিক্কা, ছাহাব আৰু আন তাচ থাকিলে ছাহাব ; কেৱল টিক্কা আৰু ছাহাব থাকিলে টিক্কা ; টিক্কা, বিবি, গোলাম থাকিলে, টিক্কা তাৰ পিছত বিবি ; টিক্কা আৰু দুখনমান সৰু তাচ থাকিলে টিক্কা ; ছাহাব, বিবি, গোলাম আৰু আন সৰু তাচ থাকিলে ছাহাব ; ছাহাব, বিবি আন সৰু তাচ থাকিলেও ছাহাব ; ছাহাব, গোলাম, দহ থাকিলে, গোলাম ; বিবিৰপৰা নলৈ থাকিলে বিবি ; গোলামৰপৰা আঠলৈ থাকিলে গোলাম আৰু দহৰপৰা তললৈ থাকিলে দহ লীড দিব।

যেতিয়া সহযোগীৰ ডাকৰ তাচ লীড দিব তেতিয়া নিজৰ হাতত থকা সকলোতকৈ ডাঙৰখন লীড দিব ; যদি ৩খন থাকে তেন্তে চতুৰ্থ ডাঙৰটো লীড দিলেও হব। কিন্তু চাৰিখন থাকিলেও ডাঙৰটোহে লীড দিব লাগে। যদি দুখন বা তিনিখন সৰু ৰং থাকে আৰু আন বিধৰ কেৱল এখন থাকে তেন্তে ট্ৰাম্প কৰিবৰ আশাত সেই অকলশৰীয়াখন লীড দি সৰু ৰং কেইখন কাজত লগাব লাগে। যদি টিক্কাৰ লগত দুখনমান সৰু তাচ থাকে, তেনেহলে সৰু লীড নিদি টিক্কাটো লীড দিব লাগে। দুখন থকা তাচৰ লীড নিদিয়াই ভাল। বিপক্ষৰ সৰহীয়া ডাক থাকিলে নিজৰ হাতৰ ডাঙৰ তাচৰ ট্ৰিক কেইটালৈহে সহযোগীৰ ডাকৰ তাচ লীড দিব লাগে, কাৰণ বিপক্ষই সহযোগীৰ লীড ট্ৰাম্প কৰি লবও পাৰে। বিপক্ষক এফালে ট্ৰাম্প কৰি আনফালে ফাচাবলৈ সুবিধা দিব নালাগে। ডামিৰ তাচ ভালকৈ গমি চাইহে গতি কৰিব লাগে আৰু নিজৰ হাতৰ বলী তাচ ট্ৰাম্প কৰি শেষ কৰিলে বিপক্ষই সুবিধা পাই হোৱা গেমো নোহোৱা কৰিব পাৰে। নউট্ৰাম্পত সন্দেহ থাকিলে প্ৰথমৰ ট্ৰিকটো নোলোৱাই ভাল। নউট্ৰামলত সৰহীয়া ৰঙৰ তাচ সাব্যস্ত কৰিবলৈ চাব লাগে আৰু যাতে ডামিৰ হাতত এণ্ট্ৰি থাকে তাকো লক্ষ্য ৰাখিব লাগে। সদায় বলীৰপৰা নিৰ্ব্বলী তাচলৈ লীড দিব। লীড দিওঁতাৰপৰা ডামি যদি চতুৰ্থ হয় তেন্তে ডামিৰ হাত যি ৰঙত দুৰ্ব্বল সেইটো খেলিব। ডাক ৰাখোতাৰ কম সংখ্যক ৰং থাকিলে যাতে এবাৰ বা দুবাৰ ট্ৰাম্প কৰিব লগা হয় তেনেদৰে খেলিব লাগে। তেতিয়া হলে আশাতীত ফল পোৱা যায়। তেনে অৱস্থাত টিক্কা, ছাহাব ট্ৰাম্প কৰিবৰ ভয় কৰিব নালাগে। ডামিৰ হাতত যদি বলী তাচ থাকে তেনেহলে ডাক ৰাখোতাই—ট্ৰাম্পৰ ওপৰি ট্ৰাম্প কৰিলেও সহযোগীক ট্ৰাম্প কৰিবলৈ দিব লাগে নহলে পিছত বিপক্ষৰ বল বাঢ়ে। তদুপৰি ডাক ৰাখোতাই অনেক সময়ত সুযোগ বা চ্চান্স লব লাগে। তলত দিয়া চাৰ্টখন চালেই বুজিব।

| ডামি | নিজৰ হাত | লীড |
|---|---|---|
| (১) তিনিখন সৰু তাচ | টিক্কা, বিবি, দহ হলি | ডামিৰপৰা সৰু আৰু নিজ হাতৰ বিবি দিব। |
| (২) টিক্কা, দুখন সৰু | ছাহাব, গোলাম, ২খন সৰু | |
| (৩) বিবি, গোলাম | টিক্কা, ৩খন সৰু | পোনতে টিক্কা, দ্বিতীয় বাৰ গোলাম দি সুবিধা লব। |
| (৪) গোলাম, দুখন সৰু | টিক্কা, দহ, দুখন সৰু | বিবি খেলাত ট্ৰিক হলে, গোলাম খেলিব। |
| (৫) গোলাম ২খন সৰু | ছাহাব, দহ, ২খন সৰু। | গোলাম, তাৰ পাছত দহ খেলি সুযোগ লব। |
| | | গোলাম খেলি সুযোগ লব। |

নতুন শিকাৰুৰ পক্ষে ইমেই যথেষ্ট। তদুপৰি পাৰ্টিৰ লগৰীয়াৰ খেলাৰ ধৰণ, নতুন খেলোৱাৰৰ ডাক দিয়াৰ কায়দা আদিও লেখত লবলগীয়া। বহুত কথা সম্ভাৱনা আৰু অনুমানৰ ওপৰতো নিৰ্ভৰ কৰে। তলত গেম লিখা চাৰ্টৰ আৰ্হি এখন দিয়া হল।

| আমি ( ১ম পক্ষ ) | | তেওঁলোক ( ২য় পক্ষ ) | |
|---|---|---|---|
| ৰাবাৰ ... ... ... ... ... | ২৫০ | | |
| এফ, ছি ... ... ... ... ... | ৫০ | | |
| অ'ভাৰট্ৰিক ১টা ... ... ... | ৫০ | | |
| ( দুয়ো হাতে ৪খন অনাৰ্ছ ) ... ... | ৩২ | ৩০ | ( অনাৰ্ছ তিনটা টিক্কাৰ ) |
| ( একেহাতে চাৰিখন অনাৰ্ছ ) | | ৫০ | এফ, ছি ( ডাবল দিয়া কাৰণে ) |
| গতিকে ৮ গুণ ... | ৭২ | ১৪ | অনাৰ্ছ ( দুয়ো হাতে তিনিখন ) |
| (ii) ( চাৰিটা স্পেডৰ খেলা ) ... | ৩৬ | ২৮ | ( প্ৰথম খেলা চাৰিটা ডায়েমণ্ডৰ ডাক ... (i) ( বিপক্ষই ২য়ত স্পেডৰ খেল বৰ্থা গতিকে আণ্ডাৰ গেম বন্ধ হল।) |
| (iv) চতুৰ্থ খেলা তিনটা হাৰ্ট কিন্তু ডাবল দিয়া সত্বেও এটা বেছি বৰ্থাত— ... | ৬৪ | ৬০ | ( তিনটা নউট্ৰাম্পৰ খেলা ডাবল দিয়া গতিকে গেম পইণ্ট দুগুণ হল। ) (iii) |

২য় পক্ষৰ এটা আণ্ডাৰ গেমৰ সৈতে এটা পূৰ্ণ গেম থকা সত্বেও ১ম পক্ষৰ দুটা পূৰ্ণ গেম হোৱাত ১ম পক্ষই ৰাবাৰ কৰিলে। অনাৰ্ছৰ ঠাইত অনাৰ্ছ বুলি নিলিখি তাৰ সংখ্যাটোহে লিখিব লাগে। অ'ভাৰট্ৰিক হলে, অ', টি লেখিব। ব্ৰেকেটৰ ভিতৰত ৰখা কথাবিলাক লিখিব নালাগে। শিকাৰুৱে বুজিবৰ কাৰণে লিখা হৈছে। ব্ৰড লাইনটোৰ ওপৰত চাৰ্টত দেখুৱামতে অনাৰ্ছ, এফ, ছি, অ', টি, ৰাবাৰ আদিৰ পইণ্ট বহিব আৰু তলৰফালে কেৱল গেম পইণ্টহে বহিব। কোনো পক্ষই দুটা গেম কৰিলে ৰাবাৰ হয়। তেতিয়া তলত এটা আচ মাৰি নতুন গেম পইণ্ট তাৰ তলত লিখিব।

কণ্ট্ৰাক্ট ব্ৰিজৰ গেম পইণ্টো বেলেগ। ক্লাব আৰু ডায়েমণ্ডত ক্ৰমে ২০ নম্বৰ, হাৰ্ট আৰু স্পেডত ৩০নম্বৰ আৰু নউট্ৰাম্পৰ ১ম, ৩য়, ৫ম, ৭ম ট্ৰিকত ৩০ নম্বৰকৈ, আৰু ২য়, ৪ৰ্থ, ৬ষ্ঠ ট্ৰিকত ৪০ নম্বৰ কৈ ধৰা হয়। গেম নকৰা অৱস্থাত এল, এছ হলে,৫০০আৰু এটা গেম থাকি এল,এ... হলে ৭৫০ ; সেইদৰে জি, এছ হলে ক্ৰমে ১০০০ আৰু ১৫০০ পইণ্ট পোৱা যায়। বিপক্ষৰ এটা গেম থকা... ৰাবাৰ হলে ৫০০ আৰু নথকাত ৰাবাৰ হলে ৭০০ পইণ্ট পোৱা যায়। ডবল নিদিয়াত আণ্ডাৰ ট্ৰিক হলে প্ৰত্যেকটাতে ৫০ কৈ ফাইন বিপক্ষই পাব আৰু ডাবল দিয়া... আণ্ডাৰ ট্ৰিক হলে ১মটোৰ ১০০ ; ২য়টোৰ ১৫০ ; ৩য়টোৰ বাবে ২০০ ; এইদৰে ৫০ কৈ বাঢ়ি যাব। কণ্ট্ৰাক্ট ব্ৰিজ "বাজী" হিচাবে খেলাতহে প্ৰচলিত। সৰ্বসাধাৰণে ইয়াক নেখেলে ; গতিকে এই বিষয়ে সম্পূৰ্ণ আলোচনা ... নহল।



# পৰাচিত

—শ্ৰীযুত মহেশ্বৰ নেওগ।

...সেইদিনা দুপৰীয়া হৈ গল, বিয়লি কাতি হল, সন্ধিয়া ...চাপিল। দোকানৰ পদূলিৰ শেৱালী ফুলবোৰলৈ ...চাই বাহাকলৰ চকুৰ বিষ উঠিল। সি কবি হোৱা ...কবিতা এধানকে লিখিব পাৰিলেহেতেন। গায়ক ...হলে "আহিন মহীয়া শেৱালী সৰিলে...কেনেবা ...লে মন" আদি গানৰ তান ধৰিলেহেতেন। সক ...হলে দবা কইনাক মালা গাথি পিন্ধালেহেতেন। ...সি আছিল মাথোন এটা বাটৰ দাঁতিৰ দোকানী। তাৰ ...আগত উটি ফুৰিছে ভাওনাৰ সাজ-পাৰ কিনিবলৈ ...মানুহৰ ছাঁয়া ছবিবোৰ, নানা বিধ প্ৰসাধনৰ বস্তু ...লৈ অহা ডেকা-গাভৰুৰ মুখবোৰ—আনকি গঞ্জাল ...নিবলৈ অহা মিস্ত্ৰীটোও সশৰীৰে।......কিন্তু চকুত ...দিবলৈকো কেও নাই। দীঘল দুমুনিয়াহ পেলাই ...কলে বাহিৰৰ বেৰত আঁৰা বস্তবোৰ ভিতৰলৈ এটা ...টাকৈ সুমুৱাবলৈ ধৰিলে।

...পদূলিৰ আগেদি কোনোবাই কথা পাতি গল। সি ...আচৰিত হল। প্ৰভাত ডাক্তৰৰ ঘৈণীয়েকক ...কোনোবাই অস্ত্ৰেৰে হত্যা কৰিছে, সেইদিনা পুৱা। ...ডাক্তৰ নিৰুদ্দেশ। পুলিচে ডাক্তৰক উলিয়াব পৰাজনক ...টকা দিব। বাহাকলৰ মূৰ ঘূৰি গল। যি প্ৰভাতক ...নাপালেও নাম শুনিছে—নতুন পাকৈত ডেকা ডাক্তৰ। ...এবাৰ চেষ্টা কৰি চাব পাৰিলেহেতেন—দুশ কপ ...লাভ!

...সন্ধ্যা আৰু ডাৱৰে পোহৰৰ ৰেখা মৰাৰ নিচিনা ...লে। বাহাকলে কাম শেষ কৰি বৰলাৰ চক পাতিবলৈ ...ফালৰ দুৱাৰখন মাৰিছেহে মাত্ৰ বাহিৰৰপৰা ...কোনোবাই মাত লগালে 'বাহাৰ'। সি দুৱাৰ মেলি ...। এজন ডেকা সোমাই আহিল। বাহাকলৰ কোনো দিনে তেওঁক দেখা মনত নপৰিল। উদ্বিগ্নতাৰ মাজতো হাঁহি এটি মাৰি ডেকাই সুধিলে "তোমাৰ ইয়াত ভাওনাৰ অলপ দীঘল মাইকী চুলি আছেনে ?"

বাহাকল বহুত পৰ নিতাল মাৰি ৰল। তাৰ মনত কি খেলাইছিল সি নিজেইহে জানে। শেষত কলে "কলা চুলি নাই, কিন্তু থিয়েটাৰৰ এদিনমানৰ আগতে দিব পাৰিম। পূজালৈ কেইবাদিনো আছে নহয়।"

"বৰ্ত্তমান দৰ্কাৰ আছিল। বাৰু মই যাওঁ।"

"লাগিলে আধা ঘণ্টাৰ ভিতৰতে বগা চুলিতে ৰং লগাই দিব পৰা হব, শুকাবও সোনকালে।"

"তেনেহলে লগোৱা বেগতে, মই লৈ যামহি। দুৱনি বটীয়া কাৰণেহে, আজিয়েই থিয়েটাৰ হব বাবেহে এই লৰালৰি।"

ডেকা বাহিৰ ওলাল। বাহাকলে আন্ধাৰত মানুহ জনৰ কাপোৰ নেদেখা হোৱালৈকে একেৰাহে আলিবাটলৈ চাই থাকিল, কঁপালত বয়সৰপৰা হোৱা চিৰলি চিৰলি দাগবোৰ কিজানি সেই আন্ধাৰতো ওচৰত থকা এজনৰ চকুত পৰিলেহেতেন।

শুকুলা বৰণীয়া চুলি একোচা ৰঙৰ পানীত জুবুৰিয়াই ভাতৰ চৰুৰ জুইৰ দাঁতিতে আঁৰি দি চাউল বহাই বাহাকল বিছনাত দীঘল দি পৰিলহি। তেনেদৰেই থাকোঁতে টোপনিয়ে বাহাকলক হেচা মাৰি ধৰিলে। এঘণ্টামানৰ পিছত দুৱাৰত ঢকা পৰিল। সি চক্ মক্ খাই সাৰ পালে।......

"এটা কথা কৰক। চুলিকোচা ময়ে একেবাৰেই লগাই দিওঁ, আপুনি নিজে কৰিবলৈ অসুবিধা পাব।"...

সি ভিতৰলৈ সোমাই দেখে, ভাত আধাখিনি পুৰিলে।

চকুটো নমাই চুলিটাৰ কঁপা হাতেৰে ডেকাৰ মূৰত থুৱাই দিলে। ডেকাৰ বাওঁফালৰ গালৰ তুলসীপাত তাৰ মনত ভালকৈ বহি বল।...

পুলিছৰ থানাত বাহাকল।..."চেহেৰাও আপুনি কোৱা দৰে মিলিছে, হুজুৰ। চুলিকোচা ডাঠকৈ এঠা খুৱাই লগাই দিছোঁ। ৰংটোও বেঙেনা বৰণীয়া।"

"তেনেহলে নিশ্চয় ধৰা পৰিব,...পুৰাস্কৰ তোমাৰেই হব।"

বাহাকলৰ বুকু আনন্দ আৰু ভয়ত কঁপি উঠিল।...

ৰেল ষ্টেশ্যনত বাহাকল আৰু পুলিছ ছাহাবক দেখা গল। দহ বজাৰ উজানি গাৰী তেতিয়াও পোৱাহি নাই। যাত্ৰী, ৰেল কৰ্ম্মচাৰী, দোকানীৰ চিঞৰ বাখৰত গোটেই তোল-পাৰ।...ৰেলৰ প্ৰথম উকি পৰিল, ষ্টেশ্যন এৰিবৰ সময় হল। খিৰিকি দুৱাৰেদি গাৰ আগ ভাগ উলিয়াই কোনো যাত্ৰীয়ে কমাল জোকাৰি, কোনোৱে আকৌ হাতকে জোকাৰি প্লেটফৰ্ম্মৰ বন্ধু-বান্ধৱ, মিতিৰ কুটু[illegible] বিদায় সম্ভাষণ জনালে। বাহাকলেও চাইছিল গাৰী[illegible] খিৰিকিবোৰেদি জুমি জুমি, কিন্তু কোনো প্ৰিয়[illegible] দেখাৰ আশাত নহয়...। হঠাৎ তাৰ গাৰ নোম[illegible] জিকাৰ খাই উঠিল, এখন খিৰিকিৰ ভিতৰেদি কিবা[illegible] পুলিছ-ছাহাবৰ বাউসিত ধৰি এখন হাতেৰে সেই [illegible] আঙুলিয়াবলৈ ধৰিলে। মুখেৰে মাতিব নোৱাৰিলে। প্ৰভাত ডাক্তৰে মূৰৰ চুলিবোৰ ছুৰি এখনেৰে পাহ [illegible] কৰি কাটিব লাগিছে। পুলিছ ছাহাবে হুইচ্ বজাই [illegible] মাৰি গাৰীত উঠিলগৈ।......সেই প্ৰভাত ডাক্তৰ, সেই মুখ, সেই গালৰ তুলসী পাত, একেই বাহাকলৰ [illegible] চুলি ;...কিন্তু নাই, প্ৰভাত ডাক্তৰৰ জীৱ নাই, মুখৰ [illegible] নাই। তাৰ পৰিৱৰ্ত্তে উতলা বুকুৰ তপত তেজ [illegible] ধাৰেদি বোৱা আৰু এবাৰ শেষ "তোমাৰ হ-ত্ [illegible] প-ৰা-চি-ত হ ল......আ-ই !"

---

# কামৰূপৰ সত্ৰ অনুষ্ঠান

—পণ্ডিত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ

কামৰূপৰ প্ৰাচীন সভ্যতা-সংস্কৃতি আৰু ধৰ্ম্ম কৰ্ম্ম, আচাৰ ব্যৱহাৰৰ কথা জানিব লাগিলে সত্ৰবিলাকৰ বিৱৰণ জনা নিতান্ত আৱশ্যক। মানব দিনৰ আগলৈকে কামৰূপৰ সকলো কথাৰ চৰ্চ্চা সত্ৰবিলাকতেই কৰিছিল। এতিয়াও তাৰ চিন কিছু সত্ৰ বিলাকতহে আছে।

সত্ৰবিলাকত ধৰ্ম্ম চৰ্চ্চাৰ বাবে সাহিত্য ৰচিত হৈছিল, ধৰ্ম্মমূলক ভাওনাৰ বাবে পট লিখা হৈছিল। সেইদৰে গীত ভটীমা আদিও কৰা হৈছিল। সেইদৰে সত্ৰৰ অধিকাৰজনে প্ৰায়ে নাট লিখিব, ভাওনা কৰিব, [illegible] মূৰ্ত্তি, সিংহাসন আদি কৰিব জানিছিল।

নামঘৰ মণিকূট আদি নিৰ্ম্মাণ কৰাত সিংহা[illegible] কটা প্ৰভৃতি কাৰ্য্যত শিল্পৰ ভাওনা আদিত গীত [illegible] শৰাই, বটা আদি তৈয়াৰ কৰাত কাঁহ পিতলৰ [illegible] আৰু তেনেকৈ আন আন শিল্প কলাবো যথেষ্ট উ[illegible] সত্ৰক আশ্ৰয় কৰিয়েই হৈছিল। এইবোৰ কথা [illegible] বিস্তৃতভাৱে আলোচনা কৰিব নোৱাৰি। সংক্ষেপত[illegible]



[illegible] কথা জানিব লাগিলে তলত লিখা কথাকেইটা জানিব [illegible]।

১। সত্ৰ শব্দৰ উৎপত্তি আৰু প্ৰাচীনতা ২। সত্ৰ [illegible] অৰ্থ ৩। সত্ৰৰ প্ৰকাশ ৪। সত্ৰৰ উপাসনা [illegible] ৫। সমবেত উপাসনাৰ ভাব ৬। তাল খোল [illegible] প্ৰচলন ৭। সত্ৰীয়া ধৰ্ম্ম।

বেদত সত্ৰ শব্দৰ উল্লেখ আছে "যথা অগ্নি ৰসোবৈ [illegible] মাসতে সুবৰ্ণং লোক যায়ন" ( শ্ৰীমদ্ভাগৱতৰ [illegible] শ্ৰীবল্লভাচাৰ্য্যোদ্ধৃত শ্ৰুতি )। ইয়াৰ সত্ৰ শব্দৰ [illegible] চৌব্বিশ অহোৰাত্ৰত সম্পাদন কৰিবলগীয়া যজ্ঞ। [illegible] শাস্ত্ৰতো অনেক ঠাইত সত্ৰ শব্দৰ [illegible] আছে, সেইবিলাক ঠাইতো সত্ৰ শব্দৰ অৰ্থ বহু [illegible] ব্যাপী যজ্ঞ - য'ত ঋষি মুনি সাধু ভক্তসকলে [illegible] লাগি সমবেতভাৱে ভগৱানৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন [illegible]। যথা—প্ৰথম স্কন্ধৰ প্ৰথম অধ্যায়ৰ ৪ৰ্থ শ্লোক :—

[illegible] নৈমিষে নিমিষে ক্ষেত্ৰে ঋষয়ঃ শৌণকাদয়ঃ
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰ সম মাসত ॥

[illegible] স্কন্ধৰ ত্ৰয়োবিংশ অধ্যায়ৰ ৩য় শ্লোক—

প্ৰয়াত দেৱ সজনং ব্ৰহ্মণা ব্ৰহ্ম বদিনঃ
সত্ৰমাঙ্গিৰসং নাম হ্যাসতে স্বৰ্গ কামায়া ॥

[illegible] স্তোম মহানিধি অভিধানত সত্ৰ শব্দৰ অৰ্থ লিখা [illegible]—সত্ৰ—সদ্+ত্ৰন্। স্থানে, যজ্ঞে, সদাদানে, [illegible]ছাদনে, অৰণ্যে, কৈতৱে, ধনে, গৃহে, দানে, সৰসিচ। [illegible] কল্পদ্ৰুম অভিধানত আছে—

সত্ৰম্ ( ক্লী ) যজ্ঞবিশেষ যথা—

নৈমিষে নিমিষে ক্ষেত্ৰে ঋষয়ঃ শৌণকাদয়ঃ
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰ সম মাসত ॥
কলিমাগতমাজ্ঞায় ক্ষেত্ৰেঽস্মিন্ বৈষ্ণৱো বয়ম
আসীনো দীৰ্ঘ সত্ৰেন কথায়াং সক্ষণা হৰেঃ ॥

ওপৰত উদ্ধৃকিওৱা সকলোখিনি কথা জুকিয়াই [illegible] সত্ৰ শব্দৰ আচল অৰ্থ পোৱা যায় এইটো :— [illegible] স্থানত ভগৱদ্ চৰণাশ্ৰয়ী বহুতো সাধু ভক্ত মহাজনে [illegible]বেতভাৱে বহু কাললৈ ভগৱানৰ পূজা অৰ্চ্চনা [illegible] নানা গুণ লীলা প্ৰভৃতিৰ শ্ৰৱণ কীৰ্ত্তন আদি কৰে সেই স্থান আৰু সেই কাৰ্য্যই সত্ৰ। সত্ৰ শব্দৰ এইটো অৰ্থই আমাৰ দেশৰ প্ৰদেশৰ প্ৰচলিত সত্ৰ সকলোতে আছে। এইটোৱেই আমাৰ দেশৰ সত্ৰবিলাকৰো অৰ্থ। সত্ৰৰ ক্ৰিয়া কলাপ আৰু নিৰ্ম্মাণ প্ৰণালীয়েও এই অৰ্থকে ফুটাই তোলে।

সত্ৰবিলাকত এটা নাম ঘৰ এটা মণিকূট আৰু এটা দৌলমঞ্চ থকাটো অপৰিহাৰ্য্য। তাৰ বাহিৰেও সত্ৰৰ আৰ্থিক অৱস্থা অনুসৰি আন আন ঘৰ দুৱাৰো বহুতো থাকে। ভকত আৰু গোঁসাইসকল থকা হাটীও সত্ৰত শৃঙ্খলাবদ্ধভাৱে থাকে। ভকতৰ হাটীত বেলেগে বেলেগে কেৱলীয়া আৰু গৃহীসকল বাস কৰে। কেৱলীয়াসকল থকা ঠাইক কেৱলীয়া হাটী বোলে। সকলো সত্ৰতে কেৱলীয়া হাটী নাথাকে।

মণিকূটৰ ভিতৰত এটি বেদীৰ ওপৰত প্ৰতিষ্ঠিত বিগ্ৰহৰ সিংহাসন থাকে আৰু সেই ঘৰতে বিগ্ৰহৰ পূজা সেৱা আদি হয়। নাম ঘৰৰ পূবৰ কোঠাত এটা বেদীৰ ওপৰত আন এখন সিংহাসন থাকে। এইখন সিংহাসন হলেও ইয়াৰ পাৰিভাষিক নাম গজাসন। গজাসন সম্প্ৰদায় প্ৰবৰ্ত্তকৰ কল্পিত স্থান। ইয়াকে কেন্দ্ৰ কৰি ভাগে ভাগে অধিকাৰ, ডেকা অধিকাৰ, ভাগৱতী, পাঠক, ওজাপালী আৰু অনুক্ৰমে আন আন সত্ৰৰ কৰ্ম্মচাৰীৰ বহা ঠাই। এই নাম ঘৰতে নাম-প্ৰসঙ্গ, সভা-মহোৎসৱ ভাওনা আদি হয়। এইবোৰ বিস্তৃতভাৱে সত্ৰৰ বুৰঞ্জীত ভবিষ্যতে আলোচনা কৰা যায়।

এতিয়া চাব লাগে আমাৰ দেশত এই দৰে সত্ৰ পাতি নাম প্ৰসঙ্গ শ্ৰৱণ কীৰ্ত্তন কৰি ধৰ্ম্ম চৰ্চ্চা কৰাৰ ভাবটো কৰপৰা আহিল। সমস্ত ভাৰতবৰ্ষৰ ভিতৰত আমাৰ দেশৰ বাহিৰে আন কোনো ঠাইতে এনেদৰে সত্ৰ পাতি নাম-কীৰ্ত্তন কৰি ধৰ্ম্ম প্ৰচাৰ কৰাৰ প্ৰথা প্ৰচলন নাই। কেৱল উৰিষ্যাত আমাৰ দেশৰ নাম ঘৰৰ নিচিনা গাৱেঁ গাৱে ভাগৱত ঘৰ বুলি একোটা ঘৰ আছে। তাত আমাৰ নাম ঘৰত থকাৰ নিচিনা থাপনা থাকে। তাতে সময়ে সময়ে ভাগৱত পাঠ সংকীৰ্ত্তন আদি হয় কিন্তু সি সত্ৰ নহয়।

আমাৰ দেশত বৌদ্ধধৰ্ম্মৰ প্ৰচাৰ থকা বুলি ঐতিহাসিক সকলে কয়। আমিও অনেক কথাৰপৰা এই দেশ যে বৌদ্ধ প্লাবিত আছিল তাক বুজিব পাৰোঁ। পণ্ডিত বিশেষৰ মতে বুদ্ধদেৱৰ নিৰ্ব্বাণ প্ৰাপ্তিৰ বৈশালী নগৰ এই কামৰূপ দেশতে আছিল। এতিয়াও মান দেশৰ মানুহে এই দেশক বৈশালী বোলে বুলি দুই এজন পৰিচিত ভদ্ৰলোকৰ মুখত শুনিছিলোঁ। গতিকে এই দেশত ক্ষুদ্ৰ ক্ষুদ্ৰ অনেক বৌদ্ধ বিহাৰ প্ৰতিষ্ঠিত থকাটো সম্ভৱপৰ। কামৰূপৰ হয়গ্ৰীৱ মাধৱ আৰু লক্ষীমপুৰ জিলাৰ বাপুচাঙৰপৰাও এই কথাৰ আভাস পোৱা যায়। এই ক্ষুদ্ৰ ক্ষুদ্ৰ বিহাৰ বা বাপুচাংবিলাকত থাকি বৌদ্ধ ভিক্ষুক ( কেৱলীয়া ভকত ) সকলে ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তাৰ অনুকৰণে ভাগৱত ধৰ্ম্ম প্ৰচাৰকসকলৰ দ্বাৰা সত্ৰবিলাক স্থাপিত হ'ল। ভাগৱত ধৰ্ম্মপ্ৰচাৰৰ স্থানবোৰত শ্ৰীমদ্ভাগৱতত উল্লেখ কৰা নৈমিষাদি সত্ৰৰ ধৰ্ম্ম চৰ্চ্চা কৰাৰ নিচিনা ধৰ্ম্ম চৰ্চ্চা কৰাৰ কাৰণে শ্ৰীমদ্ভাগৱত গ্ৰন্থকে শিৰোগত কৰি আচাৰ্য্যসকলে নিজৰ ধৰ্ম্ম চৰ্চ্চাৰ স্থানৰ নামো সত্ৰ ৰাখিলে।

সত্ৰৰ অধিকাৰ গোসাঁই আৰু ভকতসকলৰ নিজ নিজ স্বকীয়া উপাসনাৰ ঠাই আছে। তাত তেওঁলোকে নিজা নিজা ভাৱে উপাসনা কৰে। সত্ৰত সমবেত উপাসনাহে হয়। এই সমবেত উপাসনাক প্ৰসঙ্গ বোলে। অধিকাৰকে আদি কৰি সকলো গোসাঁই ভকত প্ৰসঙ্গৰ সময়ত সত্ৰলৈ যায়। এই প্ৰসঙ্গ কোনো সত্ৰত তিনিবাৰ কোনো কোনো সত্ৰত পাঁচ বাৰ আৰু কোনো কোনো সত্ৰত দিনে আঠ বাৰকৈ হৈছিল। বিশেষ দিনত যেনে ৰাস, জন্মাষ্টমী, কোনো মহাপুৰুষৰ তিৰোভাব প্ৰভৃতি দিনত বিশেষ বিশেষ প্ৰসঙ্গৰ নিয়ম আছিল। প্ৰসঙ্গৰ অন্তত ভকত সকলে হৰিধ্বনি কৰি ৰজা প্ৰজা সকলোৰে মঙ্গল কামনা কৰি প্ৰসঙ্গ শেষ কৰে।

হিন্দু ধৰ্ম্মৰ বৈশিষ্ট্য গাই-গুটীয়া স্বকীয়া উপসনা। বৈষ্ণৱ ধৰ্ম্মৰ ভিতৰত এনে সমবেত উপাসনাৰ ভাব ক'ৰপৰা আহিল এইটো ভাবিবলগীয়া কথা।

খৃষ্ট ধৰ্ম্মত সমবেতভাৱে গীত গাই উপাসনা কৰা চিৰন্তন প্ৰথা। অনেক পণ্ডিতে ভক্তি মূলক খৃষ্ট ধৰ্ম্ম আৰু বৈষ্ণৱ ধৰ্ম্ম একে ধৰ্ম্মৰে বিভিন্ন শাখা বুলি কোৱা কথাও পণ্ডিত সমাজত জনাজাত আছে। খৃষ্ট আৰু কৃষ্ণও একেজনৰে নাম বুলি সেইসকল পণ্ডিতে অভিমত প্ৰকাশ কৰিছে। অতি প্ৰাচীন কালতে অৰ্থাৎ খৃষ্টাব্দ ৩০০মান বছৰৰ ভিতৰতে এদল খৃষ্টান লোক ভাৰতবৰ্ষলৈ আহে আৰু তেওঁলোক আহি প্ৰধানতঃ দা... প্ৰভৃতি স্থানতে থাকে। সেই খৃষ্টানসকলৰ ... ভক্তি প্ৰেমমূলক বৈষ্ণৱ ধৰ্ম্মলৈ সমবেত উপাসনাৰ ... অহাতো একো বৈচিত্ৰ্য নহয়। নহলে এনে ... উপাসনাৰ কথা হিন্দুৰ তন্ত্ৰ, পুৰাণ, স্মৃতি, শ্ৰুতি প্ৰভৃতি আন গ্ৰন্থত দেখা পোৱা নাযায়। পুৰাণত সমবেতভাৱে শ্ৰৱণ কীৰ্ত্তন কৰাৰ কথা থাকিলেও সি পৰৱৰ্ত্তী কালৰ কথা।

সত্ৰৰ ভোৰ-তাল, খোল-মৃদঙ্গ প্ৰভৃতি প্ৰচলনৰ কথা ইয়াত কোৱাৰ বিশেষ আৱশ্যক নাই। শ্ৰীমন্ত শঙ্কৰে ভুটীয়াৰ দেশৰপৰা ভোৰ-তাল আৰু বঙ্গদেশৰপৰা খোল আনি প্ৰচাৰ কৰাৰ কথা প্ৰায় সকলোৱে জানে।

সত্ৰীয়া ধৰ্ম্মৰ অলপ বিশেষত্ব আছে। বৈষ্ণৱ ... শ্ৰুতি, স্মৃতি অনুমোদিত হলেও প্ৰতি সত্ৰতে এনে কিছুমান আচাৰ ব্যৱহাৰ প্ৰচলিত আছে যাক সাধাৰণতঃ শ্ৰুতি স্মৃতিৰ বাহিৰ বুলিব পাৰি। তেনেবোৰ কথাকে ... সত্ৰীয়া ধৰ্ম্ম বুলি কব খুজিছোঁ।

আৰু এটা কথা ইয়াতে কব লগীয়া আছে যে আজি কালি আমাৰ দেশৰ সকলো সত্ৰৰে মেধি মহন্তসকলে নিজৰ উপাধি গোস্বামী লিখে; কিন্তু আমি যি পুৰণি কাকত পত্ৰ আলোচনা কৰিছোঁ তাৰপৰা বুজিব পাৰোঁ যে আমাৰ দেশৰ ধৰ্ম্মাচাৰ্য্যসকলৰ গোস্বামী উপাধি কেতিয়াও নাছিল।

ধৰ্ম্মাচাৰ্য্যসকলে উপাধি পায় ৰজাৰপৰা নাইবা নিজ সম্প্ৰদায়ৰ আচাৰ্য্যৰপৰা। সত্ৰৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যাব যে আহোম ৰজাসকলে সত্ৰৰ অৰ্থে মাটি-বাৰী দান কৰা ফলি মোহৰ নাইবা আন কোনো কাকতে গোস্বামী কথা পোৱা নাযায়। তাৰ পৰিবৰ্ত্তে আ... মেধি, মহাজন, মহন্ত ইত্যাদি। কামৰূপীয়া বৈষ্ণৱ সাহিত্য নাইবা চৰিত্ৰ পুথিবিলাকতো ক'তো গোস্বামী শব্দ পোৱা নাযায়; গতিকে এই শব্দটো কৰপৰা আহিল তাক ভাবি চোৱা ভাল।

গোস্বামী শব্দৰ অৰ্থ ইন্দ্ৰিয়জয়ী ত্যাগী পুৰুষ গো শব্দৰ এটা অৰ্থ ইন্দ্ৰিয় আৰু এটা অৰ্থ বাক্যও হয়; গতিকে গোস্বামী বুলিলে যিসকল লোক ত্যাগ আৰু বৈৰাগ্যৰ দ্বাৰা দুৰ্জ্জয় ইন্দ্ৰিয়সকল জয় কৰি তাৰ স্বামী হব পাৰিছে তাকে বুজায়। আন অৰ্থতো যিসকল পুৰুষ বাকসংযমী তেওঁলোক। অৰ্থাৎ যেয়ে যিহকে তিহকে নকয় আৰু ... কথা কয় তেওঁলোক।

... ধৰ্ম্ম প্ৰচাৰকসকলক গোস্বামী উপাধি দিয়ে পোন প্ৰথমে মহাপ্ৰভু শ্ৰীচৈতন্যদেৱে। তেওঁৰ ধৰ্ম্ম প্ৰচাৰৰ প্ৰধান সহায় আছিল ছজন গোস্বামী। কোনো বিশেষ নিগুঢ় কাৰণবশতঃ সেই গোস্বামী উপাধিকে অসমৰ সত্ৰৰ মেধি মহন্ত প্ৰভৃতিয়ে পৰৱৰ্ত্তী কালত নিজৰ নামৰ পাছত ব্যৱহাৰ কৰিছে বুলি ধৰিলে একো অসম্ভৱ নহব।

কামৰূপত মান ভাঙনিৰ পিছত ইংৰাজ গৱৰ্ণমেণ্টৰ আদি ভাগতে ৩৬০খন সত্ৰ আছিল। সেই সত্ৰবোৰৰ ৰাজহ সংগ্ৰহ কৰাৰ লগতে সত্ৰৰ নাম প্ৰসঙ্গ কীৰ্ত্তন ঘৰ মণিকূট প্ৰভৃতিৰ তত্বাৱধান কৰা এজন বেলেগ কৰ্ম্মচাৰী আছিল। তেওঁৰ পদৱী আছিল সত্ৰীয়া বৰুৱা। তেওঁ গোটেই বছৰটো সত্ৰে সত্ৰে ঘুৰি ফুৰি তেওঁৰ কৰ্ত্তব্য কৰি ফুৰিছিল।



# "হেজাৰ বছৰৰ বাৰ গণনা" সম্বন্ধে একাষাৰ

—শ্ৰীযুত ধৰণীধৰ চৌধাৰী বি-এল

যোৱা ষষ্ঠ বছৰৰ জেঠ মাহৰ "আৱাহন"ত শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এদেৱে "হেজাৰ বছৰৰ বাৰ গণনা" নাম দি, ১৬০০ খৃষ্টাব্দৰপৰা ২৫৯৯ খৃষ্টাব্দলৈকে এহেজাৰ বছৰৰ "যি কোনো শকৰ যি কোনো মাহৰ যেই কোনো তাৰিখে কি বাৰ হব" তাক সহজে উলিয়াবৰ এটি প্ৰণালী "অসমীয়া ভাই ভনী, ককাই-বাইদেউসকলৰ আগত ডাঙি" ধৰিছে। মাদ্ৰাজত থাকি, "দাক্ষিণাত্যৰ তামিল ভাষাৰ ভুগনমান হাতে লিখা পুথিৰপৰা এজন পণ্ডিতৰ সৌজন্যত অনেক সহায়" লৈ, আঠমাহে খাটি, "নিজ ক্ষুদ্ৰ মগজেৰে কাগজ কলমত হিচাব কৰি" এই গণনা প্ৰণালী তেখেতে নিজে উদ্ভাবন কৰিছে। তেখেতে এই গণনা প্ৰণালীটোত আঠ মাহে পৰিশ্ৰম কৰিও "এতিয়ালৈকে ক'তো একো খুট বৈ যোৱা পোৱা নাই।" সেই কাৰণেই, বোধকৰো, তেখেতে গণনা প্ৰণালীটো নিঃসন্দেহে তেখেতৰ "অসমীয়া ভাই-ভনী, ককাই-বাইদেউসকলৰ আগত ডাঙি ধৰিবলৈ পাই গৌৰৱান্বিত" হৈছে।

বেজবৰুৱাদেৱে দেশ ভ্ৰমণৰ ফল স্বৰূপ যি অভিজ্ঞতা লাভ আৰু সৌন্দৰ্য্য উপভোগ নিজে কৰিছে, তাৰে ভাগ যে তেখেতৰ ভাই-ভনীসকলকো দিছে, তেখেতৰ এই আহাশুধীয়া ভাব অতি প্ৰশংসনীয়। কিন্তু, বাৰ গণনা প্ৰণালী, ভ্ৰমণ বৃত্তান্তৰ দৰে উপভোগৰ বস্তু নহয়। জন্মবাৰ, মোকৰ্দ্দমাৰ বাৰ, আদি অতি দায়িত্বপূৰ্ণ ঘটনাৰ বাৰ নিৰ্ণয় কৰিবলৈ এই বাৰ গণনা-প্ৰণালী প্ৰয়োগ কৰিব পাৰি; এনেকি, বাৰ দিয়া থাকিলে অসমীয়া তাৰিখকো ইংৰাজী তাৰিখলৈ আনিব পাৰি। এতেকে বেজবৰুৱাদেৱৰ নিজৰ উদ্ভাৱিত প্ৰণালীটো সম্পূৰ্ণ নিখুঁট নহলে তেখেতৰ হোজা ভাই-ভনীসকল যে কেতিয়াবা বিপাকত পৰি নানা প্ৰকাৰে ক্ষতিগ্ৰস্ত হব পাৰে, এইকথা অলপ গমি চালেই বুজিব পাৰি।

অৱশ্যে, তেখেতে এই প্ৰণালীৰ "কৰবাত কিবা খুঁট আদি উলিয়াই দিব পৰিলে সাদৰেৰে লোৱা হব" বুলি অসমীয়া সুধীবৃন্দক "আহ্বান" কৰিছে; কিন্তু, অসমত সুধীবৃন্দৰ অভাৱ নহলেও ইমান দিনে যে তেখেতসকলে এই "আহ্বান"ৰ কিবা সাৰ-সঁহাৰি দিছে, তাৰ এতো গম পোৱা নাই। তেখেতসকলে কি ভাবি এনে এটা দায়িত্বপূৰ্ণ বিষয়ত আওকণীয়া বা মৌন হৈ থাকিল, বুজিব পৰা নাযায়। এই দায়িত্বপূৰ্ণ বিষয়ৰ কোনো খুঁট থাকিলে আৰু তাক সোনকালে দেখুৱাই নিদিলে, কোনো সাধাৰণ অসমীয়াৰ বিশেষ ক্ষতি হোৱাও অসম্ভৱ নহয়। সেই কাৰণেই, মোৰ নিচিনা নগণ্য লোক এজনে অগত্যা এই বিষয়ে মাত একাষাৰ মাতিবলগীয়া হল।

অতি আচৰিত কথা, বেজবৰুৱাদেৱৰ নিচিনা এজন কৃতবিদ্য লোকে ইংৰাজী খৃষ্টাব্দ আৰু মাহ ধৰি গণনা কৰিবলৈ গৈ, গ্ৰেগৰিয়ান্ কেলেণ্ডাৰৰ সংশোধিত নিয়ম, যি নিয়মমতে প্ৰায় ছাৰে তিনি শ বছৰৰ আগৰপৰা খৃষ্টাব্দৰ বছৰ, মাহ আদি গণিত হৈ আহিব লাগিছে, সেই সংশোধিত নিয়মলৈ মুঠেই চকু দিয়া নাই। অথচ, এই নিয়ম কছিয়াত বাজে পৃথিবীৰ সকলো দেশতে বৰ্ত্তমান চলিব লাগিছে, আৰু সাধাৰণ স্কুলীয়া ছাত্ৰয়ো ইয়াক জানে। তেখেতৰ প্ৰণালীটোলৈ চালেই বুজিব পৰা যায় যে, সেই প্ৰণালীমতে গণনা কৰিলে সাধাৰণ "লীপ ইয়াৰ" বিলাকত, সেই পুৰণিকলীয়া জুলিয়ান্ কেলেণ্ডাৰৰ দৰে, একোটাকৈ দিন বাঢ়িব সঁচা, কিন্তু সেই দিনটোৰ জানুৱাৰি মাহৰ ১লা তাৰিখৰপৰা ২৯ ফেব্ৰুৱাৰিলৈকে বাৰৰ ভুল নগাৰ; আৰু ১৬০০, ২০০০ আৰু ২৪০০ খৃষ্টাব্দৰ নিচিনা বিশেষ



"লীপ ইয়াৰ"ত বাঢ়িবলগীয়া দিনটো নাবাঢ়িব আৰু মাৰ্চ্চ মাহৰ ১লা তাৰিখৰপৰা বছৰটোৰ দহ মাহেই বাৰৰ ভুল হব।

"সকলো গণনা নিজেই নতুনকৈ" কৰা তেখেতৰ এই প্ৰণালীটো * বৰ্ণনা কৰি, তাৰ পিছত উদাহৰণ আৰু প্ৰমাণ স্বৰূপে ১৯৩৪ চনৰ ১৫ জানুৱাৰিত বিহাৰৰ ভূমিকম্পৰ দিনা কি বাৰ আছিল, তাক নিজৰ উদ্ভাৱিত প্ৰণালী মতেই উলিয়াই দেখুৱাই দি, তেখেতে কৈ দিছে— "এতিয়া যোৱা বছৰৰ পঞ্জিকা মেলি চালে সেইদিনা সোমবাৰ আছিলনে নাই চাব পাৰি। তেনেকৈয়েই যিহৰ জন্ম তাৰিখৰ দিনা কি বাৰ আছিল তাকো চাব পাৰি। এনে দৰেই ১৬০০ খৃঃ পৰা ২৫৯৯ খৃঃ লৈকে যি কোনো মাহৰ যি কোনো তাৰিখে কি বাৰ আছিল বা হব তাৰ ওপৰত দিয়া গণনামতে উলিয়াব পাৰি।".

মই কিন্তু বিনীতভাৱে কওঁ, বেছি দূৰলৈ যাবৰ আৱশ্যক নাই, বৰ্ত্তমান চলিত বছৰৰ (১৯৩৫।১৯৩৬ খৃষ্টাব্দৰ) পঞ্জিকাখন মেলি, তাৰে কেইটিমান তাৰিখৰ বাৰ, তেখেতৰ প্ৰণালীমতে নিৰ্ণয় কৰি চোৱা যাওক :—

| ১৯৩৫ খৃষ্টাব্দৰ ৩১ ডিচেম্বৰত কি বাৰ ? | ১৯৩৬ খৃষ্টাব্দৰ ১ জানুৱাৰিত কি বাৰ ? |
|---|---|
| ৩৫ | ৩৬ |
| ৮ | ৯ |
| ২০ | ৮ |
| ৩১ | ১ |
| ৭ \| ৯৪ | ৭ \| ৫৪ |
| ১৩—৩ বাকী | ৭—৫ বাকী |
| ∴ মঙ্গলবাৰ। | ∴ বৃহস্পতিবাৰ। |

| ১৯৩৬ খৃষ্টাব্দৰ ২৯ ফেব্ৰুৱাৰিত কি বাৰ ? | ১৯৩৬ খৃষ্টাব্দৰ ১ মাৰ্চ্চত কি বাৰ ? |
|---|---|
| ৩৬ | ৩৬ |
| ৯ | ৯ |
| ১৮ | ৪ |
| ২৯ | ১ |
| ৭ \| ৯২ | ৭ \| ৫০ |
| ১৩—১ বাকী | ৭—১ বাকী |
| ∴ দেওবাৰ। | ∴ দেওবাৰ। |

এতিয়া, তেখেতৰ প্ৰণালীমতে গণনা কৰি দেখা গল যে, ১৯৩৫ খৃষ্টাব্দৰ ৩১ ডিচেম্বৰত **মঙ্গলবাৰ** হ'ল; কিন্তু ঠিক তাৰ পিছ দিনা ১৯৩৬ খৃষ্টাব্দৰ ১ জানুৱাৰিত **বৃহস্পতিবাৰ** হ'ল—মাজতে **বুধবাৰ**টো কলৈ গ'ল? আকৌ, ১৯৩৬ খৃষ্টাব্দৰ ২৯ ফেব্ৰুৱাৰি আৰু ঠিক তাৰ পিছ দিনা ১ মাৰ্চ্চ, এই দুয়ো দিনতে যোৰ বান্ধি এহাল **দেওবাৰ** হ'ল!

এইদৰেই, সকলো সাধাৰণ "লীপ ইয়াৰ"ত ভুল হব, আকৌ বিশেষ "লীপ ইয়াৰ"—১৬০০, ২০০০ আৰু ২৪০০ খৃষ্টাব্দতো আন এক ধৰণৰ ভুল ওলাব। এই শেহৰ ধৰণৰ ভুল তাৰ পিছৰ বছৰবিলাকলৈকে বিয়পেনে নিবিয়পে তাৰ বিচাৰ ইয়াত অনাৱশ্যক। মুঠতে দেখা গল, পঞ্জিকা মেলি নাচায়ো এই নতুনকৈ উদ্ভাৱিত বাৰ-গণনা প্ৰণালীটোত খুট থকা বুলি প্ৰমাণ কৰিব পাৰি।

সৰশেষত কবলগীয়া এই যে, ঠিক এনে ধৰণৰে ইংৰাজী বছৰমতে বাৰ গণনা প্ৰণালী, কোনো কোনো বঙালী পঞ্জিকাতো পোৱা যায়; তথাপি, সেই একে বিষয়কে নতুনকৈ উদ্ভাৱন কৰিবলৈ চেষ্টা কৰাটো বেয়া কথা নহয় যদিও, সেই উদ্ভাৱিত বিষয়টো সাধাৰণ ৰাইজলৈ আগ বঢ়োৱাৰ পূৰ্ব্বে বিশেষভাৱে পৰীক্ষা কৰি চাব লাগিছিল। সি যি হক, ইয়াৰ লগতে তেখেতে "আধুনিক

* পাঠকৰ আলোচনাৰ সুবিধাৰ্থে বেজবৰুৱাদেৱৰ গণনাপ্ৰণালীটো ইয়াত মুঠতে লিখা হল :—

বছৰ প্ৰত্যেক মাহৰ কাৰণেই একোটাকৈ বিশেষ নম্বৰ দিয়া হৈছে, যেনে,—জানুৱাৰিত ৮, ফেব্ৰুৱাৰিত ১৮, মাৰ্চ্চত ৪, এপ্ৰিলত ১৪, মেইত ১৬, জুনত ১৯, জুলাইত ২১, আগষ্টত ৩, ছেপ্টেম্বৰত ৬, অক্টোবৰত ১, নৱেম্বৰত ৪ আৰু ডিচেম্বৰত ২০।

প্ৰথমে চনটোৰ শতিকাটো এৰি দি কেৱল বছৰটো লব (যেনে ১৯৩৫ চনৰ ১৯ শতিকাটো এৰি দি, কেৱল ৩৫ বছৰটো লব)। তাৰ পিছত, সেই বছৰকে ৪ ৰে হৰণ কৰি, সেই হৰণ ফলটো লব। তাৰ পিছত, যি মাহৰ কাৰণে যি নম্বৰ ওপৰত দিয়া হৈছে, সেই নম্বৰটো লব, আৰু তাৰ পিছত, তাৰিখৰ সংখ্যাটো লৈ, সকলো কেইটি ৰাশি যোগ দিব। অৱশেষত, সেই যোগফলক ৭ ৰে হৰণ কৰিলে যি বাকী থাকিব, সেই বাকী থকা সংখ্যাই বাৰৰ সংখ্যা হব—(১ বাকী থাকিলে, দেওবাৰ; ২ বাকী থাকিলে, সোমবাৰ; ৩ থাকিলে, মঙ্গলবাৰ; ইত্যাদি)। বৰ্ত্তমান ২০ শতিকাৰ ভিতৰত গণিবলৈ এই খিনিয়েই আৱশ্যক। ইয়াৰ বাহিৰে আন শতিকা গণিব লাগিলে, আৰু অলপ কথা আছে, বাহুল্যৰ ভয়ত ইয়াত দিয়া নহল, ১৮৫৭ শকৰ জেঠ মাহৰ "আৱহন"ৰ ৮৯২ পিঠিত ফুটন'ট চাওক।

অসমীয়া বা বঙালী দিন পঞ্জিকামতে" আন এটা তেনে গণনা প্ৰণালী উলিয়াবলৈও "আগলৈ মন থাকিল" বুলি আশা দি থৈছে। সেই কাৰণে, এইখিনিতে আৰু এটা কথা কৈ থোৱা অপ্ৰাসঙ্গিক নহব যেন পাওঁ। তামিল পঞ্জিকা কেনেকুৱা কব নোৱাৰো ; কিন্তু খৃষ্টীয় বছৰ, আৰু অসম বা বঙ্গদেশত চলিত ভাৰতীয় শকাব্দ আৰু বঙ্গাব্দত সৌৰ বৰ্ষমান ব্যৱহৃত হলেও, দুয়ো বিধ ( খৃষ্টীয় আৰু ভাৰতীয় ) বছৰৰে গণনা-প্ৰণালী সম্পূৰ্ণ বেলেগ ধৰণৰ। পাশ্চাত্য জ্যোতিষৰপৰা কেৱল মাত্ৰ সায়ন বৰ্ষমান ( Solar year ) গ্ৰহণ কৰি আৰু সেই বৰ্ষমানৰ লগত যথা সম্ভৱ মিল ৰাখি, বৰ্ত্তমান খৃষ্টীয় বছৰ নিৰ্ণয় কৰিবৰ এক সহজ নিয়ম কৰি দিয়া হৈছে—ইয়াৰ লগত আন কোনো জ্যোতিষৰ ঘটনা বা গণনাৰ সম্বন্ধ নাই। প্ৰত্যেক খৃষ্টাব্দৰ আৰু প্ৰত্যেক মাহৰ দিন সংখ্যা এনেভাৱে নিৰ্দ্দিষ্ট কৰি দিয়া আছে যে পাটীগণিতৰ সাহাযাকে, ১৫৮২ খৃষ্টাব্দলৈকে বাদ দি, আন যি কোনো মাহৰ, যি কোনো তাৰিখৰ বাৰ নিভু'ল ৰূপে নিৰ্ণয় কৰিব পাৰি। কিন্তু, অসম আৰু বঙ্গদেশত চলিত সৌৰ বছৰ, শকাব্দ আৰু বঙ্গাব্দ গণনাত, ৰাশিচক্ৰৰ ওপৰত এটি নিৰ্দ্দিষ্ট আদি বিন্দু লৈ আৰু হিন্দু জ্যোতিষৰ নিৰয়ণ বৰ্ষমান (Sidereal year) গ্ৰহণ কৰি, সেই আদি বিন্দুৰপৰা আৰম্ভ কৰি, ৰাশিচক্ৰৰ বাৰটা ৰাশিৰ ওপৰত সূৰ্য্যৰ গতি ( Apparent motion ) আৰু অৱস্থিতি অনুসাৰেহে বছৰ, মাহ আৰু তাৰিখ নিৰ্ণয় কৰা হয়—ইয়াৰ সংশ্ৰৱত সংক্ৰান্তিৰ ব্যৱস্থাও বেলেগে আছে। এই গণনা ইমান জটিল আৰু সূক্ষ্ম যে জ্যোতিৰ্ব্বিদৰ বাহিৰে আনে ইয়াক গণনা কৰা অসাধ্য। ১৭৩৬ খৃষ্টাব্দৰ ২৫ ফেব্ৰুৱাৰিত কি বাৰ আছিল বুলিলে, নিয়মমতেই গণি উলিয়াব পাৰি ; কিন্তু ১৭৩৬ শকাব্দৰ ২৫ মাঘত কি বাৰ আছিল বুলিলে, সাধাৰণভাৱে গণি উলিয়াবৰ কোনো উপায় নাই, বা কৰবাত থাকিলেও সাধাৰণত প্ৰকাশ নাই। গতিকেই, এনে এটা জটিল গণনাৰ সহজ প্ৰণালী এটা তেখেতে গণনা কৰি উলিয়াবলৈ মন কৰাটো অৱশ্যে নথৈ আনন্দৰ কথা হৈছে। যদি তেখেতে প্ৰণালীটো সম্পূৰ্ণ নিখুটভাৱে উলিয়াই দিব পাৰে, তেনেহলে তেখেত যে ধন্যবাদ আৰু কৃতজ্ঞতাৰ পাত্ৰ হব, তাত অকণো সন্দেহ নাই। তেখেতৰ লিখামতেই বুজা যায় যে, তেখেতে "তামিল গণনামতে চাৰিশ বছৰৰ গণনা" আৰু "ব্যায়ামবীৰ প্ৰফেছাৰ মোহন ছি, আৰ, ভি নাইডু বি-এদেৱৰ এশবছৰীয়া কেলেণ্ডাৰ" নিজে অৱশ্যে চাইছে বা আলোচনা কৰিছে; আৰু "আধুনিক অসমীয়া বা বঙালী দিনপঞ্জিকামতে তেনে গণনা কৰি উলিয়াবলৈ" ইতিপূৰ্ব্বেই চেষ্টা কৰি কিছুদূৰ আগবাঢ়িও আছে। এই কাৰণে, আৰু তেখেতে আশা দি থোৱাটৈল চাই, তেখেতে যে অচিৰেই এইটো প্ৰণালীও উদ্ভাৱন কৰি উলিয়াই দিব পাৰে, এইটো অনুমান কৰি লব পাৰি। যদি এই অনুমান অসত্য নহয়, তেনেহলে বৰ সুখৰ বিষয় হব নিশ্চয়, কিন্তু বেৰ বক্তৱাদেৱে এইবাৰ বিষয়ৰ গুৰুত্ব বুজি, প্ৰণালীটো প্ৰকাশ কৰাৰ পূৰ্ব্বে যেন বিশেষভাৱে পৰীক্ষা কৰি লয়।



# সমাজৰ আবৰ্জ্জনা

গল্প ]

—শ্ৰীযুত যোগেন্দ্ৰনাথ বৰদলৈ

"স্বাধীনতা হীনতাই কে বাচিতে চাই ৰে কে বাচিতে চাই, দাসত্ব শৃঙ্খল বল কে ধৰিবে পায় ৰে কে ধৰিবে পায়।" আজি তিন দিনে যুঁজি শৰ্ম্মাই আৰু ইয়াৰ অসমীয়া ভাঙনি কৰিব নোৱাৰিলে। খাওঁতে শোওঁতে সেই একে কথা। শেষত তেওঁ অসমীয়া ভাষাটোকে নেওচা দিবলৈ ধৰিলে "এনে এটা ভাষা লৈ আকৌ অসমীয়াই আহে ভাৰতৰ আন আন দেশবোৰৰ লগত একে শাৰী পাবলৈ? ছিঃ, শ্ৰীহট্ট বিচ্ছেদৰ কোনো দৰকাৰ নাই, ইউনিভাৰ্ছিটি, হাইক'ৰ্ট তাৰেই বা প্ৰয়োজন কি? বঙালী ভাষা যদি শ্ৰেষ্ঠ সি অসমীয়া ভাষাক জয় কৰিবই।"

হোটেনটোত অসমীয়া বুলিবলৈ মাত্ৰ তিনি জন—শৰ্ম্মা, বৰুৱা আৰু ফুকন। তিনিও তিনি বিধৰ। মত কাৰো কেতিয়াও নিমিলে, ৰাতি দিন তেওঁলোকৰ তৰ্ক যুদ্ধ; তেওঁলোকে কোনো তৰ্কৰ সিদ্ধান্ত কৰিব নোৱাৰে।

তিনিও একে বিধৰ তিখৰ, কোনেও কাকো নামানে। তেওঁলোকৰ তৰ্কৰ ওৰো নপৰে।—"শৰ্ম্মা, আপোনাৰনো স্বাধীনতা হীনতাৰ অসমীয়া ভাঙনি কি দৰকাৰ হল?" সুধিছে ফুকন, মোৰ জীৱনৰ উদ্দেশ্য হৈছে Charity begins at home. আমি দেশৰ স্বাধীনতালৈ ভবা যেনে দৰকাৰ তেনেকৈয়ে নিজৰ ব্যক্তিগত স্বাধীনতালৈ ভবাৰো প্ৰয়োজন। প্ৰথমতে আমি চাব লাগিব নিজৰ, তাৰ পাছত ঘৰৰ, গাৱঁৰ আৰু তাৰ পাছতহে দেশৰ স্বাধীনতালৈ। আপুনি দেখিছে আমি এই নাৰী জাতিটোক কিমান কষ্ট দি আহিছোঁ। তেওঁলোকে চিঞঁৰি নিজেই কৈছে যে আমি স্বাধীনতা বিচাৰোঁ, শান্তি বিচাৰোঁ। পুৰুষৰ পদদলিত হৈ আমি থাকিব নোখোজোঁ। বুজিছে ফুকন, মাজে মাজে মোৰ ইচ্ছা হয় যে এটা কাৰ্য্যকৰী আৰু সবল অনুষ্ঠানৰ সহায়েৰে অসমৰ গাৱেঁ ভূঁয়ে তুমুল আন্দোলন চলাই নাৰী জাতিক কৈ দিয়া হওক পুৰুষ আৰু নাৰীৰ আসন সমান, চাতুৰিৰ আৰু দিন নাই। আমি বহুত দিনৰেপৰা তেওঁলোকক বহুত আশা দিছোঁ। এনেবোৰ মহৎ আদৰ্শই সকলোৰে মনত আশা দিয়ে ; ইয়াৰ শেষ ফল বৰ উৎসাহজনক।"

শইকীয়াই ফোপাই জোপাই আহি শৰ্ম্মাৰ কাষত সোমায়েই সুধিলে "বোলো কিহৰ আলোচনাহে?" "আলোচনা আন একো নহয়। নাৰী জাতীৰ স্বাধীনতাৰ বিষয়েহে কথা হৈছে।" ফুকনে শৰ্ম্মাৰ মত আৰু কথাখিনি শইকীয়াক বুজাই দিয়াত তেওঁ হাঁহি সামৰিব নোৱাৰিলে।

"ভাল, শৰ্ম্মা ভাল। আপুনি ইমান দিন আছিল কত? 'প্লেকাৰ্ড' ছপোৱা হওক অসমৰ প্ৰতি গাৱেঁ ভূঁয়ে জনাই দিয়া হওক। আৰু এটা কথা শৰ্ম্মা, কলিকতাৰ বাট পদূলিবোৰো যেন বাদ নপৰে একো।" আটাই কেজনে গিৰগিৰাই হাঁহিবলৈ ধৰিলে। ফুকনে লাহেকৈ মাত লগাই কলে "বোলো ৰাস্তা কেইটাৰ নাম কৈ দিয়ক"। "শৰ্ম্মাক আৰু বুজাব লাগিছেনে, সকলো বুজে"। শইকীয়াৰ পেংলাই শুনি শৰ্ম্মাৰ অলপ খং উঠি কলে "মোৰ কথা বোৰৰ আপোনালোকে দেখিছো কোনো মূল্য দিব নোখোজে। মই এই বিষয়ে কিমান গৱেষণা কৰিছোঁ তাকতো আপোনালোকে ভবা নাই। সিদিনা মিছ চলিহাই, নহয় মিছেছ চলিহাই এই বিষয়ে মোক বহুত কথা কৈছিল। কথাবোৰ যে কিমান ব্যথাৰ তাক আপোনালোকে কি বুজিব? প্ৰতি কথাটিৰ লগে

লগে যেন হৃদয়ৰ সকলো ভাব সকলো ব্যথা বাহিৰ হৈ পৰিছিল। বুজিছে ফুকন ই সঁচাকৈয়ে দুখ লগা। আমি পুৰুষ হৈ স্ত্ৰী জাতিৰ ইচ্ছাত বাধা দিয়া জানো ভাল হৈছে ?"

বৰুৱা ব্যৱসায়ী মানুহ। তেওঁ টাইপ ৰাইটাৰটো লৈ খটখটাই আছিল, লাহেকৈ উঠি শৰ্ম্মাৰ কমটোত সোমাই কলে "এই আধা পগলা কেটাক পালে কিহে ? সময় অসময় নাই কৰ ছোৱালী কৰ নাৰী—থৈ দিয়ক সেইবোৰ পিছে পৰে হব, আহক তাচ খেলোঁ, ফুকন, আহক, আহক।"

চাৰিও জনে তাচত বহি গল! খেলা হৈছে, ব্ৰিজ 'কল'ৰ ওপৰত 'কল' পৰিছে। চাৰিও খেলত মত্ত, কৰই নোৱাৰে। মাজে মাজে শৰ্ম্মাই এচাৰ মাৰি তাচ পেলাইছে 'লক এইবাৰ চাওঁ কোনে পাৰে'। এনেতে এটা বই (boy) আহি খবৰ দিলে যে শৰ্ম্মাক টেলিফোনত বিচাৰিছে। কোন কৰা জন কোন আটায়ে বুজিলে। "যক যক শৰ্ম্মা, সোনকালে সোনকালে, আজি ৬ টাৰ 'শ্ব'ত 'পাতালপুৰীৰ' টিকট কৰা আছে নহয়।" শৰ্ম্মাই ফুকনৰ কথাত এটি হাঁহি মাৰি তললৈ নামি গৈ ফোন ধৰিলে, হেলো (Hallo), হেলো (Hallo) উত্তৰ আহিল—"Am miss Buloo speaking (মই বুলুৱে কথা পাতিছোঁ)" পাঁচ ছয় মিনিট কথা হোৱাৰ পিছত Receiver (ৰিছিভাৰ) টো থৈ শৰ্ম্মা ওপৰলৈ উঠি গল। সকলোৱে সুধিলে "কি খবৰ শৰ্ম্মা"। "নাই নাই, একো নহয় বিশেষ, আপোনালোকে খেলক মই আহোঁ অলপ জৰুৰী কাম আছে।" এই বুলি লৰালৰিকৈ শৰ্ম্মাই খদ্দৰৰ কামিজটো আৰু 'লণ্ড্ৰি'ত ধোৱাই অনা ধকধকীয়া ধুতি খন ফিট ফাটকৈ পিন্ধি মুখত অলপ 'শ্ন' ঘঁহি ওলাই আহিল।

বেণু, তটিনী আৰু হেমি তিনিও বুলুৰ কোঠালিতে বহি গল্প মাৰিছে। ওচৰতে এখন Rack অত পুৰণা "আৱাহন" কিছুমান আছে। তাৰে এখন টান মাৰি আনি বুলুৱে পাতবোৰ লুটিয়াইছে। এনেতে চকু পৰিল এটা কবিতাত—"তটিনীৰ আজি নটিনী বেশ, স্নিগ্ধ ধবল……" "বাঃ বাঃ তোমাৰ নাম হে তটিনী, তোমাৰে উদ্দেশ্যে লিখা পঢ়ি চোৱাচোন।" তিনিও টনা আজোৰাকৈ কবিতাটো চালে। বেণুৱে মাত লগালে "ইয়াৰ নিশ্চয় কিবা অৰ্থ আছে। তটিনী কম নহয়, দেখিছাহে নিবোকা। আমাৰ আগতহে এনে, বাহিৰত কোনে পায়! এইবাৰ একা, ধৰা পৰিছা।" তটিনীয়ে অলপ লাজ পাই ৰঙা পৰি গল। "থৈ দিয়া তোমালোকৰ দৰে একোটা একোটা লগত লৈ ঘূৰি ফুৰোঁ। কবিতা লিখোতে 'তটিনী' শব্দটো দিলে বুলিয়েই মোৰ উদ্দেশ্যে লিখা হলনে আৰু, তোমালোক দেখিছোঁ বেছ। আমাৰ যেনেহে নাম বেচেৰা কবিহঁতে কি কৰিব, এইবিলাক শব্দ নিদিলে তেওঁলোকৰ কবিতাই সম্পূৰ্ণ নহয়।" "যোৱাহে পৃথিবীত আৰু শব্দৰ অভাব হল, আমাৰ নাম নললে আৰু কবিতাই লিখা নহয়, কথা যে একোটা কোৱা!"

বুলু—"থোৱা কবিতাৰ কথা, পিছে ছিনেমালৈ যাবলৈ নোযোৱা ? শৰ্ম্মাটোৱে বৰ জুলুম কৰিছে নগলেও পাৰ বেজাৰ। ওলাইছিহে লাগে।"

বেণু—"কোনখন ছবিলৈনো যাব খুজিছা। তাৰ ছবি এখনো নাই চিত্ৰাত 'দেৱদাস'খন হৈছে, শুনিছোঁ বোলে বেয়া হোৱা নাই, তালৈকে যোৱা। মই হলে যাব নোৱাৰিম। তেওঁ এটা প্ৰবন্ধ লিখিবলৈ দি গৈছে "অৱ' জুবিলী সংখ্যাত বোলে উলিয়াবই লাগিব। বৰ ... বুজিছানে কিযে লিখো কৰই পৰা নাই। দিনৰ দিনটো হোটেলত সোমাই থাকিবলৈ মোৰ অলপো ভাল নালাগে, তোমালোকে যে কেনেকৈ থাকা তাক মাত্ৰ ভগৱানে জানে।"

বুলুৰ কোঠালিতে এইবোৰ কথা বতৰা চলি আছে, এনেতে হাতত ছিলেট এখন লৈ দাৰোৱানটো আহি দুৱাৰত খুন্দিয়াই মাতিবলৈ ধৰিলে "বুলু বাবা, বুলু বাবা" দুৱাৰখন খুলি দি দাৰোৱানৰ হাতৰপৰা ছিলেটখন লৈ পঢ়ি চালে, লিখা আছে এন, ছি, শৰ্ম্মা। বেণু—"কোন আহিছেহে ? শৰ্ম্মা নেকি ?" "এৰা আৰুনো কোন হব।" বেণু—"কিনো বেয়া হল ? সাজি পাৰি ইমান পৰ বাট চাই আছিলা। আহি পালে যেতিয়া ভালেই হল, আমাক দেখুৱাইনো আকৌ চালাকিখন কিহৰ!"

বুলুৱে বেগটো উলিয়াই ললে। আছিত দুই এবাৰ পুৰণ চাই সেওঁতাটো ঠিক কৰি লৈ তললৈ নামি গল। শৰ্ম্মা বহি আছিল কমন ৰুমত। বুলু তালৈকে সোমাই আহিল—"মিঃ শৰ্ম্মা, আপোনালৈ বহুত অপেক্ষা কৰিব লগীয়া হোৱাৰ কাৰণে মাফ কৰিব।" "নাই, নাই একো পলম হোৱা নাই, বলক যোৱাই যক।" দুয়ো পদূলিৰ বাহিৰলৈ আহিল। চিত্ৰাত দেৱদাস চোৱাকে ঠিক হল। পাতালপুৰী টিকটৰ কথা শৰ্ম্মাই আৰু মুঠেই তুলিয়ালে।

* * * *

দৃশ্যৰ পিছত দৃশ্য ওলাবলৈ ধৰিলে। পাৰ্ব্বতীৰ নিস্বাৰ্থ প্ৰেম দেৱদাসৰ প্ৰতি। মিলনৰ বাধা হল বুঢ়া মাক বাপেক আৰু অদৃষ্ট। একে লগে ফুটি উঠা দুটি পৱিত্ৰ ফুল আৰু তাৰ মাজত ব্যৱধান আবৰ্জ্জনা। দৰ্শকবৃন্দৰ মাজত দুটি তৰুণ প্ৰাণ বিদ্ৰোহী হৈ উঠিছিল বুঢ়া মাক বাপেকৰ প্ৰতি। তেওঁলোকে দুটি নিজৰাৰ স্বৰ্গীয় মিলন দেখিব নোৱাৰি মাজত ধাপ মাৰি দুয়োকো দুটা দেশৰ বাটেদি জোৰকৈ বোৱাই দিয়ালে। পাৰ্ব্বতীৰ মন প্ৰাণত ব্যথাৰ চোকা শেল। তিৰোতা জাতি, নিজৰ ভাব, নিজৰ কথা কাকো কব নোৱাৰে, কাকো বুজাব নোৱাৰে। বুজালেও বা কোনে বুজিব। সহিতে মানিব লাগিব আৰু মৰিব লাগিব, কিয় বুলি সুধিবৰ অধিকাৰ নাই। শৰ্ম্মাৰ সহানুভূতি জাগিছিল তিল তিলকৈ মৃত্যুৰ মুখলৈ অগ্ৰসৰ হোৱা চিৰ প্ৰেমিক দেৱদাসৰ প্ৰতি। পিতাৰ কঠোৰ আদেশ আৰু দেৱদাসৰ মাতৃ–পিতা নে প্ৰেম। শেষত পিতৃআজ্ঞা পালন কৰি বাধ্য হৈ পাৰ্ব্বতীক এৰি কলিকতালৈ গুচি গল আৰু মৃত্যুৰ বোৱতী নৈৰ সোঁতত নিজক এৰি দিলে। শেষত দেখিলে, এপিনে পাৰ্ব্বতীৰ সংজ্ঞাহীন দেহ আৰু আনপিনে দেৱদাসৰ চিতাৰ জুই।

বুলু মাজে মাজে বৰ অধীৰ হৈ উঠিছিল। কিছু শান্ত হৈ এবাৰ শৰ্ম্মাক সুধিলে "কব পাৰেনে পাৰ্ব্বতীৰ কি হল ?" শৰ্ম্মাই কিন্তু তাৰ উত্তৰ দিব নোৱাৰিলে, মাত্ৰ কলে "ই এটা গল্প মাথোন" ছিনেমা শেষ হল, দুখনি ব্যথিত হিয়া লৈ দুয়ো বাজলৈ ওলাই আহিল। অলপ সময় নিতাল মাৰি ফুট পাথত থিয় দি থকাৰ পিছত সিপিনৰপৰা বাছ আহিল। দুয়ো লাহেকৈ উঠিল। ছাল নোহোৱা দুতালা বাছ, দুয়ো ওপৰত বহিল গৈ। কলৈ যোৱা হব ? ঠিক কৰিলে ভিক্টৰিয়া মেমৰিয়েল। শেষে হল। কিবা ভাবি ভাবি দুয়ো বিশেষ কথা বতৰা নপতাকৈ আহিবলৈ ধৰিলে। ৱেলিংটন, ধৰ্ম্মতলা, চৌৰঙ্গী পাৰ হৈ আহি বাছ তেওঁলোকৰ গন্তব্য স্থানৰ ওচৰ চাপিলহি। কণ্ডাক্টৰে—'একদম বাৰুকে, জানানা হ্যায়' বুলি বাছখন থমকৈ ৰখাই তেওঁলোকক নমাই দিলে। ঘাহনিৰ ওপৰেদি দুয়ো যাবলৈ ধৰিলে—উদ্দেশ্যহীন—কত তাৰ শেষ হব যেন কব নোৱাৰে। বহুত পৰ ইপিনে সিপিনে ঘূৰি দুয়ো ভিক্টৰিয়া সৌধৰ কম্পাউণ্ডত সোমালহি। তেতিয়া সন্ধ্যা লাগি গৈছে। আকাশত ত্ৰয়োদশীৰ জোন। ডাঙৰ ডাঙৰ মটৰত উঠি কত ডাঙৰ মানুহৰ জীয়ৰী বোৱাৰীহঁত আহি ভৰি পৰিছে তাৰ সীমা সংখ্যা নাই। অ'ত ত'ত কলেজৰ ডেকা লৰাৰ একোটি সৰু দল। তেওঁলোক হৈছে সৌন্দৰ্য্য প্ৰিয় একোজন মহাৰথী। মনস্তত্ব তেওঁলোকৰ জনা আছে। তিৰোতাৰ ভাব ভঙ্গি চলন ফুৰণ দেখিলেই কৈ দিব পাৰে তেওঁ কোন বিধৰ, কেনেকুৱা বংশৰ, বয়স কিমান ইত্যাদি। এইবোৰ বিষয় লৈ লৰাহঁতৰ মাজত ভীষণ আলোচনা আৰু তৰ্ক হয়।

দুৰ্ভাগ্য অসমৰ এই দুটি প্ৰাণী তেওঁলোকৰ সমালোচনাৰ ভিতৰত পৰিছিলনে নাই কব নোৱাৰোঁ। কিন্তু দুয়ো সেইবোৰলৈ সিমান ভ্ৰূক্ষেপ কৰা নাছিল। দুয়ো পুখুৰী কেইটাৰ পাৰে পাৰে ঘূৰি আছে, এনেতে সিপিনৰপৰা অহা জগৎ চৌধুৰী আৰু মিছ দত্তৰ লগত অগা ভেটা ভেটি হল। শৰ্ম্মাই মিছ দত্ত আৰু চৌধুৰী দুয়োকো চিনি পায়। বুলুৱে কিন্তু চৌধুৰীৰ নামহে শুনিছে, চিনি নাপায়।

"এই যে মিঃ চৌধুৰী, কি খবৰ ? অ' মিছ্ দত্তও, কৰপৰা আহিল ?" চৌধুৰীয়ে অলপ অপ্ৰস্তুত হৈ কলে "একটু হাওয়া খাওয়া হল ভাই ; যাচ্ছিলুম মাৰ্কেটে হঠাৎ দেখা হল আমাদেৰ দত্তেৰ সঙ্গে ; তাই ভাবলুম একটু বেৰিয়েই আসা যাক। খবৰ ভাল তো ? তোমাৰ সঙ্গে

এসেছেন তিনি কে ? আমাকে ইণ্ট্ৰডিউছ (introduce) করে দাও” শৰ্ম্মাই এবাৰ বুলুৰ পিনে হাত দেখুৱাই কলে “এখেত মিছ্ দত্ত” আৰু এবাৰ চৌধুৰীৰ পিনে হাত দেখুৱাই কলে “এখেত মিঃ চৌধুৰী” দুয়ো দুয়োকে প্ৰণাম জনালে। বুলু আৰু দত্তই অলপ আতৰ হৈ কাণে কাণে কি ফুচফুচালে। অলপ কথা বতৰাৰ পিছত দুটা দল দুভাগ হৈ নিজৰ নিজৰ বাট ললে। চৌধুৰীৰ মটৰখন তেওঁলৈকে অপেক্ষা কৰিছিল। বীণা আৰু চৌধুৰী আহি বহিলহি ; তাৰ পিছত ভো ভোৱাই কেনিবা অদৃশ্য হল। * * * *

শৰ্ম্মাই এই মাত্ৰ বুলুক হোষ্টেলত থৈ হোটেল সোমাইছেহি। আন দিনৰ দৰে আজিও তেওঁ অফিছ ঘৰৰ ওচৰত আঁৰি থোৱা লেটাৰ ব'ৰ্ড (letter board) খনৰ ওপৰত এবাৰ চকু ফুৰাবলৈ পাহৰা নাই। হোটেল মেছ আদিত থকা মানুহৰ ই এটা অভ্যাস। সোঁ মাজতে এখন চিঠি গোজা মৰা আছে। ভালকৈ চাই দেখে যে সেইখন তেওঁৰে। আখৰ কেইটাও চিনাকি। চিঠি খনৰ এটা কোণ ফালি ফালি তেওঁ ওপৰলৈ যাবলৈ ধৰিলে। কোঠাত বহি চিঠিখন আগৰপৰা শুৰিলৈকে পঢ়ি তেওঁ ঘামি জামি গল, মুখত এটা বিষাদৰ ছাঁ আহি খেলা কৰিবলৈ ধৰিলে। শৰ্ম্মাই কি যেন খণ্ডত গোঁ গোৱাই কৈছিল “মোমাই হৈছে বুঢ়া, তেওঁৰ কি বাগ আছে ?—কথা নাই বতৰা নাই বিয়া, বিয়া, বিয়া।” আকৌ তেওঁ চিঠিখন পঢ়িবলৈ ধৰিল।

তেতিয়া প্ৰায় ৯টামান বাজিছে। বৰুৱা আৰু ফুকন দুয়ো বৰ শান্তভাৱে শৰ্ম্মাৰ কমলৈকে সোমাই আহিল। অসম ক্লাবত ping pong অৰ competition আছিল। ফুকন আজি জিকি আহিছে। মনত বৰ আনন্দ—“শৰ্ম্মা, কৈছিলোঁ নহয় ping pong অত আকৌ মোক পাৰিবলৈ আহিছে। পানী খুৱাই দিলো। এটা nil set, এটা ৬—৩ খুৱাম বুলিছিল নহয়। এতিয়া আপোনাৰ কথা ৰাখক”

ফুকন—“I am not in my own mood (মোৰ মনৰ অৱস্থা ভাল নহয়) এটা ভীষণ সমস্যাত পৰিছোঁ।” ইতি-মধ্যে ঠাকুৰে তিনিখন মেজত তিনিওবো খোৱা দি গৰ্ম্মি... আন দিনো আটাই কেজনে শৰ্ম্মাৰ কোঠালিতে খা... এই কমটো যেনিবা তিনিওবো উমৈহতীয়া সম্পত্তি। তিনি... খাবলৈ বহি গল। “বুজিছে বৰুৱা, মোমাইদেৱে এখন চিঠি দিছে। মোৰ বিয়াৰ বোলে সকলো ঠিক ঠাক হৈ গৈছে। ছোৱালী কোনোবা হৰেশ্বৰ চক্ৰবৰ্ত্তীৰ জীয়েক... বয়স মাত্ৰ ১০ বছৰ। আৰু কি লিখিছে জানে? বাগৰ... লৰা সোনকালেই বিয়াখন পাতি পলে আগলৈ... লেঠা মৰি থাকে। ছোৱালী বোলে বোৱাই কটাই... পাকৈত। দেখিবলৈও বোলে বেয়া নহয়। পঢ়া শুনা... যদিও সিমান নাজানে তথাপি বোলে লৰাশিক্ষালৈকে পঢ়িছিল। দেখিছেনে কাণ্ডখন ?”

“ভালেইতো; বিয়াখন পাতিছে যেতিয়া কৰি পেলাওক... আমি বৰযাত্ৰী হম। গায়নে বায়নে দুমদুমাই ... নহয়। পিছে এই পিনেহে এজনৰ লেঠা লাগিব এ... বুজিছেই নহয় বৰুৱা ?” “ফুকন, সকলো কথাতে খেল... ভাল নালাগে বুজিছে। চিঠিখন পাই মোৰ মনৰ অ... কেনে হৈছে তাক আপুনি অনুভৱ কৰিব কেনেকৈ...” বৰুৱাই সকলো কথা শুনি আছিল ; বৰ গহীনাই ... লোকৰ দৰে মাত লগালে—“বাল্য বিবাহ হবই নোৱা... তাৰ পৰিণাম কি তাক আৰু আপোনাক বুজাব লাগিব... তাতে অশিক্ষিতা ছোৱালী আমাৰ বিয়া কৰোৱা নি... অন্যায়। বিশ্ববিদ্যালয়ৰ উপাধি লৈ কলিকতাৰ নি... মহানগৰীত থাকি আমাৰ মন আন ঠাইৰ লৰাৰ... শতগুণে মুকলি। আমি যদি অশিক্ষিতা গাৱঁলীয়া ছোৱা... এজনী আমাৰ জীৱনৰ সঙ্গিনী হিচাপে পাওঁ আম... জীৱনত এটা গলগ্ৰহ হব। কোনো কামতে স... নহব। জীৱনত আমাৰ বহুত কাম কৰিবলগীয়া আ... আৰু এটা কথা ; বিয়া কৰাম আমি, ছোৱালী নিৰ্ব্বাচ... ভাৰ আমাৰ ওপৰত। এজনে বিয়া কৰাব আৰু এ... ছোৱালী পছন্দ কৰিব ই কেনে কথা। বুঢ়াবো... দেখিছোঁ আমাক এইফেৰাও স্বাধীনতা দিব নোখোজে... স্বাধীনতা হীনতা চাৰিও পিনেই দেখিছোঁ। এই ... বুঢ়া ঠেৰামানুহ বোৰ শেষ নহলে উন্নতি কেতিয়াও ... নোৱাৰে। আপোনাৰ মোমাইদেৱেকৰ কথা যে শুনিবই লাগিব তাৰেই বা কি মানে আছে ? লাচিত ফুকনে মোমায়েকক দেশৰ হৈ হত্যা কৰিছিল। আপুনি আপোনাৰ আদৰ্শৰ বাবে তেখেতৰ কথা অমান্য কৰিব তাত হানি কি ?”

“বৰুৱা, আপুনি ঠিক কৈছে, এই বুঢ়াবোৰে আমাকো শৃঙ্খলাবদ্ধ কৰি ৰাখিবলৈ বিচাৰে। ভাৰত পৰাধীন, ৰবিত শিকলি, তাৰ ভিতৰতে আমিও একোটি পিঞ্জৰাবদ্ধ ক্ষুদ্ৰ পখি। আমাৰ উন্নতি হয় কেনেকৈ ? বুঢ়াৰ পুৰণিকলীয়া ৰীতি নীতি, সমাজ, জাতিভেদ কত কি। কিমান যে আবৰ্জ্জনা তাৰ লেখ নাই। দুজনৰ মনে মনে মিলিলেই বিয়া হোৱা উচিত ; civil marriage is the best. এই বাধাবোৰ যে কিয় ? মই কাইলৈয়ে চিঠি লিখি দিম যে বিয়া বৰ্ত্তমান কোনো প্ৰকাৰেই হব নোৱাৰে, আৰু মোৰ বিয়া লৈ আনে মূৰ নঘমালেও হব। তেতিয়া ৰাতি গহীন ; কৰবাত বেৰ ঘৰী এটাত টং টং কৈ ১২টা বাজি গল।

* * * *

দুমাহৰ পিছৰ কথা। গ্ৰীষ্মৰ ছুটী ওচৰ চাপিছেহি। বসন্তৰ আবিৰ্ভাৱ—ন ফুল, ন পাত, মানুহৰ মনতো ন ভাৱ। সন্ধ্যা হলেই গড়ৰ মাঠ লৰাই বুঢ়াই ভৰি পৰে। দক্ষিণৰ পৰা বৈ অহা সাগৰৰ শীতল বা এই সময়টোত বৰ গা জুৰ কৰা। সকলোৱেই সন্ধ্যা হবলৈ বাট চাই থাকে। দিনৰ দিনটো কলিকতীয়া গৰমত শৰীৰ তিতি জুৰুলি জুপুৰি হৈ থাকে। সন্ধ্যা পৰত মুকলি বতাহত এবাৰ ফুৰি আহিব পাৰিলেহে ভাল লাগে। সেইদিনা দেওবাৰ, কলেজ বন্ধ। আমাৰ মিঃ ডি, বৰুৱাই Sunday Statesman খন, অতি যত্ন সহকাৰে প্ৰতিপালন কৰা পেটটিৰ ওপৰতে থৈ ইজি চেয়াৰখনত আয়মেৰে বহি পঢ়ি আছে। মাজে মাজে দুৱণিৰ শাৰী শাৰী ঘৰৰ মুকলি হৈ থকা খিৰিকিৰ পিনে চকু দিছে। এইদৰে কিছু সময় থকাৰ পিছত ঠিক কৰিলে যে মুখ হাত ধুই ওলোৱাই যাওক। ঘৰীটো চাই দেখে যে পোনে-পাচোঁতা। উঠি গা ধোৱা ঘৰলৈ গৈ ভৰি হাত ধুই সাজ পাৰ পিন্ধিবলৈ লাগি গল।



বৰুৱাই চুৰিয়াখন খুচি পাতি সুন্দৰকৈ ললে। জেপৰ কমালখন সাৱধানে সুমাই ললে যাতে তাত আনৰ চকু নপৰে। কমাল তেওঁ আনৰ আগত দুলিয়ায়, সেই কাৰণেই তেওঁ তাক সাৱধানে ৰাখে। কমটো বন্ধ কৰি তললৈ নামি আহি ওচৰৰে Restaurant এখনত কিবা কিবি অলপ খাই ললে। কলৈ যাব একো ঠিক কৰি অহা নাই, সেই কাৰণেই থিয় হৈ তেওঁৰ অলপ ভাবিব লগা হল। একো ঠিক কৰিব নোৱাৰি বুলুহঁতৰ হোষ্টেল লৈকে গল। দাৰোৱানে কলে “বাবালোক বাহাৰ গিয়া” বৰুৱাৰ প্ৰয়াস ব্যৰ্থ হোৱাত মনে মনে অলপ বেজাৰ পালে। এখন বাছত খপকৰে উঠি পৰিল, এইবাৰ একেবাৰে গড়ৰ মাঠ। নিজৰ মতলবত নিজে ঘূৰি ফুৰি পালেগৈ আউটৰাম ঘাট। ওপৰলৈ ছিৰিয়েদি উঠি গল। ইপিনৰপৰা সিপিনলৈ এটা চক্কৰ দি বেলিঙত ধৰি থিয় দি আছে। এনেতে অসমীয়া মাত কথা শুনা যেন লাগিল, ঠিক যেন Restaurantঅৰ পিনৰপৰা কথাবোৰ আহিছে। ডিডি বঢ়াই চালে ; বুলু আৰু শৰ্ম্মা, দুয়োবো সম্মুখৰ সৰু মেজখনত cold drinkঅৰ গিলাছ। বুলুৱে শৰ্ম্মাৰ পিনে কি ভাবি একেথৰে চাই আছে। বৰুৱাৰ এইবোৰ একেবাৰেই ভাল নালাগিল। কষ্টেকো তাত নবৈ পোনে পোনে তললৈ নামি আহিল। চকুত তেওঁৰ ঈৰ্ষাৰ ভাব জলি উঠিছিল। ফ'ৰ্টৰ কাষেদি গৈ তেওঁ ভিক্ট'ৰিয়া মেম'ৰিয়েল পালেগৈ। তাতে এখন বেঞ্চত বহি নানা কথা ভাবি আছে। তেওঁৰ ভাবৰ ভিতৰত শৰ্ম্মা আৰু বুলু যে পৰা নাছিল তেনে নহয়। দুয়োবো ওপৰত তেওঁৰ খং উঠিছিল, কিন্তু কাৰ ওপৰত যে বেছি খং কৰাৰ দৰকাৰ তাকহে ঠিক কৰিব পৰা নাছিল। শৰ্ম্মাৰ যেনিবা অন্যায় হৈছেই, বুলুৱেনো কিয় তেওঁৰ লগ ধৰি ফুৰিবলৈ আহিল, আন পিনে জানো ফুৰিবলৈ যাব নোৱাৰিলে ? বৰুৱাৰ লগত বুলুৰ আগেয়ে বেছ মিল আছিল। কিন্তু আজিকালি তেওঁলোকৰ মাজত সিমান ভাব নাই। বুলুৱে বৰুৱাৰ কিছুমান কথা বৰ অপছন্দ কৰে। তেওঁৰ লগত যে বুলুৰ ভাব সেই কথাত বিশেষ গৰ্ব্ব অনুভৱ কৰি বৰুৱাই

য'তে ত'তে চেলবেলাই ফুৰা বাবে সাৱধানো কৰি দিছিল। কিন্তু বৰুৱাই সেইমতে কাম কৰা নাছিল। তেতিয়াৰে পৰা তেওঁলোকৰ মাজত কথা বতৰা থাকিলেও মনে মনে সিমান মিল নাই। আনে যে তেওঁৰ বান্ধৱীৰ লগত ফুৰিব সেইটো বৰুৱাৰ সহ্য নহয়। বহুত কথা ভাবি চিন্তি তেওঁ তাৰপৰা উঠি বাহৰৈ খোজ ললে। এইবাৰ ক্লাবলৈ; কিন্তু কি বিপদ, আকৌ সেই শৰ্ম্মাপাত। শৰ্ম্মাহঁতে তাচ খেলাত বহিছে। অমিয়া, অমলা, বুলু আৰু বেণুহঁতে কেৰম খেলিছে। আজি ক্লাব ঘৰটোও আন দিনতকৈ অলপ সজীৱ, সকলোৱে হাঁহি মাতি খিকিওালি কৰিছে। মিঃ সিংহ চাহৰ যোগানত ব্যস্ত। বৰুৱাই কিন্তু সকলোতে তাল দি গৈছিল যদিও নিজৰ গাম্ভীৰ্য্য বজাই ৰাখিছিল। "আঁঠটা বাজি গ'ল, যাবই লাগিল" বুলি প্ৰথমে বুলুহঁত ওলাল। "এৰা আপোনালোক অকলে যাবনে, বলক ময়ে আগ বঢ়াই থৈ আহোঁ।" বুলি বৰুৱা নিজেই ওলাল। শৰ্ম্মাই দুখোজমান আগবাঢ়ি গৈছিল, পিছে ফুকনৰ খামোচৰপৰা এবাৰ নোৱাৰিহে ৰৈ গ'ল। "যাওঁ দেই আপোনালোক থাকক" বুলি সকলো বাজলৈ ওলাল। বৰুৱাই ৰুমালখন লৈ অলপ সাৱধান হৈ মাত লগালে "Good night to all.

ট্ৰামত সকলো উঠি পৰিল।

• • • •

গ্ৰীষ্মৰ ছুটী। কলেজ দুমাহলৈ বন্ধ। সকলোৰে প্ৰাণত আনন্দ। আজি বহুত লৰা ঘৰলৈ যাব। বুলু বেণুহঁতো আমাৰ বৰুৱাৰ লগতে ওলাইছে। অমিয়াৰ কিবা অলপ কাম থকাৰ বাবে তেওঁৰ যোৱা কেদিনমান পলম হব। আজিহে অসমলৈ যোৱা মেইলখনৰ 'Assam Mail' নাম সাৰ্থক হোৱা যেন লাগিছে। যাত্ৰী অসমীয়া বিশেষ নাথাকিলেও আগবঢ়াবলৈ যাওঁতা অসমীয়াৰে Platform ভৰা। সকলোৱেই বৰ ব্যস্ত। এনেতে ওলালহি নগেন বৰুৱা, সাজে পাৰে গোটেইজন ছাহাব। হাতত এটা সৰু attache case, কান্ধত এটা flusk। তেওঁ আহিছে Shillong অলৈ যাবলৈ। লগতে কোনোবা দুগৰাকী খিলঙৰ বান্ধৈ। তেওঁলোক Miss Slade আৰু Miss Bright, দুয়ো Duffirnৰ নাৰ্ছ। বৰুৱাৰ লগত বহুত দিনৰে চিনাকি। কত মানুহ যে যাবলৈ আহিছে তাৰ সীমা সংখ্যা নাই। তেওঁলোকৰ আনন্দ দেখি আনৰ মনত বেজাৰ লাগে। সময় নাহে নাহে কাষ চাপিল। এখন Illustrated Weekly আৰু এখন Picture Goer পাই বুলুৱে শৰ্ম্মাক ধন্যবাদ জনালে। সময় আৰু নাযেই; চাওঁতে চাওঁতে গাৰ্ডৰ Whistle বাজি উঠিল। অসম মেইলৰ চকৰিও ঘূৰিবলৈ ধৰিলে। ৰেল গাৰী নেদেখা হোৱালৈকে সকলোৱে ৰুমাল জোঁকাৰিলে। শৰ্ম্মাৰ এটি হিয়া ভগা হুমুনিয়াহ ওলাই গ'ল। দুই একৰ বাহিৰে আনে বুজি নাপালে।

সকলোৱে নিজৰ মেছ, ব'ৰ্ডিঙলৈ দিহা দিহি গ'ল। শৰ্ম্মাই আহি নিজৰ কোঠাত সোমালেহি। চিঠিৰ ওপৰি চিঠি আহিছে—ঘৰলৈ বৰকৈ মাতিছে। আগ গুৰি ভাবি নোযোৱাকে ঠিক কৰিলে। গলেই বিয়া কৰাবলৈ সকলোৱে জুলুম কৰিব, ঘৰলৈ মতাৰ উদ্দেশ্যই হৈছে বিয়া কৰোৱা। পঞ্জিকাখন আনি শৰ্ম্মাই পাত লুটিয়াই চালে—এই বছৰৰ বিয়াৰ দিন কেইটা, দুমাহমান কোনোমতে কটাই দিব পাৰিলেই পিছলৈ কোনো ভাবনা নাই। এই বছৰটো পাৰ হৈ যাব। ঘৰৰপৰা চিঠি আহে, শৰ্ম্মাই ইবাৰ গা অসুখ সিবাৰ কিবা কিবি লেঠা দৰ্শাই যাব নোৱাৰোঁ বুলি উত্তৰ দিয়ে। সময় পাখি লগা কাঁড়ৰ দৰে উৰি যায়। দিনৰ পিছত দিন ৰাতিৰ পিছত ৰাতি। ডেৰটা মাহ চাওঁতে চাওঁতে উৰি গল। বৰুৱা আৰু ফুকন দুয়ো ইয়াতেই আছে, কিবা অসুবিধাত তেওঁলোক ঘৰলৈ নগল।

এই দিন কেইটা নাযায় সুপুৱায় যেন লাগিছিল। সুখতো দিন কাটে, দুখতো দিন কাটে। আকৌ কলেজবোৰ খুলিলে। এইবাৰ আকৌ নতুন চালান সংখ্যা আৰু গুণ দুয়োটে চৰা। কলিকতা নগৰীয়ে ন ৰূপ ধাৰণ কৰিলে, কলিকতাৰ চাবলগীয়া বস্তুবোৰ চাওঁতাৰ লগতে দেখুৱাওঁতাৰ তৰণি নোহোৱাত পৰিছে। ছিনেমা থিয়েটাৰ চাব লাগে, সকলো বৰ ব্যস্ত। নকৈ অহা সকলে ফুকনক দেখা কৰি কলেজ হোষ্টেলৰ ভৰ্ত্তি আদি বিষয়ত



অলপ সহায় বিচাৰিলে ফুকনেও যাক যেনেকৈ পাৰে সহায় কৰিছে। Presidency College অত addimssion পোৱা বৰ সহজ নহয়। Principal অৰ লগত তেওঁৰ বেছ জনা শুনা আছে, অলপ চেষ্টা কৰি দুজনমানক admission টো দিয়াব পাৰিলে। দিনবোৰ নাহে নাহে পুৰণি হল, আগৰ দৰেই routined life চলিব ধৰিলে।

বৰুৱাই দেউতাকৰপৰা এখন Telegram পাইছে শীঘ্ৰে ঘৰলৈ যাব লাগে। কাৰণটো তেওঁৰহে জনা আছিল। তেওঁৰ পেটৰ কথা আনক মৰিলেও নকয়। সেই কাৰণেই তেওঁৰ ভিতৰুৱা জীৱনৰ বিষয়ে আনে বিশেষ একো নাজানে। যোৱাৰ আগতে বৰুৱাই বস্তু বহুতো কিনিলে। সময়ত বৰুৱাই কলিকতা এৰি ঘৰমুৱা হল। পোন্ধৰ দিনমান পাৰ হৈ গল তেওঁৰ কোনো খা খবৰ নাই। হঠাৎ এদিন Parcel এটা আহি হাজিৰ হল। শৰ্ম্মালৈ বৰুৱাই পঠিয়াইছে। খুলি চাই দেখে বিয়াৰ নিমন্ত্ৰণী চিঠি। কি আচৰিত কথা! লগতে এখন চিঠি লিখিছে "অনুগ্ৰহ কৰি চিঠিবোৰ আমাৰ বন্ধু-বান্ধৱীসকলক দিব। হঠাৎ বিয়া কৰোৱা দেখি আচৰিত নহব। দহ বাৰ দিনৰ মূৰত যাম, তেতিয়া সকলো কথা কমগৈ। চিঠিত আৰু বেছি নিলিখোঁ।"

কোৱামতেই কাম হল। ফুকনে কলে "দেখিছে শৰ্ম্মা একেলগে অতদিন আছোঁ আমি তাৰ উমঘামকে ধৰিব নোৱাৰিলোঁ। মানুহক চিনি পোৱা বৰ টান। মুখেৰে দুৰ lecture জাৰে early marriage অৰ eivil effect আছে। বামুণৰ ছোৱালী যেতিয়া নিশ্চয় ৯।১০ বছৰীয়াই হব। শৰ্ম্মাৰ মনে মনে খং উঠিছিল। "বুজিছে ফুকন এনেবোৰ মানুহেই সকলো নষ্ট কৰে।"

মাহৰ পিছত মাহ বছৰৰ পিছত বছৰ অতীতৰ লগত মিলি গল। জগতৰ সাল সলনিৰ লগে লগে মানুহৰ মনতো বহুত পৰিৱৰ্ত্তনে দেখা দিলেহি। কলিকতা মহানগৰী আগৰ দৰেই ব্যস্ত। হাই উৰুমি, সেই আগৰ দৰে গৰম। সন্ধ্যা গড়ৰ মাঠত মানুহৰ জুম। গধুলি গঙ্গাত দক্ষিণৰ শীতল বা

কত লৰাই কলেজীয়া জীৱন সাং কৰি কাম কাজত লাগিছে। কতই বিয়া বাৰু কৰাই সংসাৰত সোমাই সুখী হৈছে। কলিকতাৰ কলেজত সেই বুলি লৰাৰ অভাব হোৱা নাই, বছৰি বছৰি নতুন নতুন লৰা আহি পৰণিৰ ঠাই পুৰাইছেহি, তাৰ কি লেখ আছে।

ফুকনে আজিকালি High Court অত Practice কৰে। শৰ্ম্মাই এখন Nationalist Daily ত সহকাৰী সম্পাদকৰ কাম কৰে, দুয়ো Park circus অত এটা ঘৰ ভাৰা কৰি থাকে। দুয়োৰো বৰলা জীৱন এইদৰেই কাটি গৈছে। ফুকনক বিয়া কৰোৱাৰ কথা কলে কয় "বেছ আছোঁ, নিজ মনেৰে খাইছোঁ বৈছোঁ। কোনো জঞ্জাল নাই, সংসাৰত সোমাই কয়দী হবলৈ কোৱানে?" শৰ্ম্মাক সুধিলে কয় "পৃথিৱীত এজনে মাত্ৰ এজনকহে ভাল পাব পাৰে। যি এজনৰ ভাল পোৱা প্ৰত্যাখ্যান কৰি আন এজনৰ কাষ চাপে তেওঁ মহা পাপী নৰকতো তেওঁৰ ঠাই নাই।" কথা ফাকিৰ অৰ্থ তেওঁ নিজে জানে আৰু দুই চাৰি বন্ধুৱে মাত্ৰ বুজে। আনে কিন্তু তাৰ অৰ্থ বিচাৰি নাপায়। শৰ্ম্মাই তাতকৈ বেছিও নকয়। "আৱাহন"ত সময়ে সময়ে প্ৰবন্ধ লিখে। সিদিনা মাঘ বিহুৰ সংখ্যাত "বিয়া আৰু সমাজৰ আবৰ্জ্জনা" নামৰ প্ৰবন্ধটো পঢ়ি বৰ ভাল লাগিছিল। মিঃ চৌধুৰীৰ লগত মিছ দত্তৰ বিয়া হৈ যোৱা আজি প্ৰায় দুবছৰমান হল। ফুকন আৰু শৰ্ম্মা দুয়ো মাজে মাজে তেওঁলোকৰ ঘৰলৈ যায়। মিছেছ চৌধুৰী Lake club অৰ affair লৈ বৰ ব্যস্ত থাকে। পুৰণি বন্ধু শৰ্ম্মা আৰু ফুকন গলে সোধ পোছৰ কোনো ত্ৰুটী নকৰে। শৰ্ম্মাৰ লগত ঘৰৰ কোনো সম্বন্ধ নাই। আজি ৫৬ বছৰ যোৱাই নাই। আহানিৰ বুলু আজিকালি Mrs, Dutta হৈছে। Mr. Dutta চাহ বাগানৰ মালিক, ড'ঙৰ মানুহ। গাওঁ সংগঠন কামত Mrs. Dutta ই বৰ নাম কৰিছে। কাগজে পত্ৰই প্ৰায়েই নাম ওলায়। শৰ্ম্মাই বাতৰি কাকতখন পঢ়ি কেতিয়াবা একোটি হুমুনিয়াহ পেলায়। তেওঁৰ মনত পৰে সেই কলেজীয়া জীৱনৰ সোণাময় দিনবোৰলৈ। সেই এদিন আৰু আজি এদিন! সমাজ, জাতিভেদ আদি নানা কথাই তেওঁৰ মনত জুমুৰি দি ধৰে। সমাজৰ ৰাজহাৰ বুঢ়াইতৰ মানত শৰ্ম্মা সমাজদ্ৰোহী। তেওঁ বিক্ৰপৰ চকুৰে চাই নানা কথা ভাবে। অসাৱধানভাৱে তেওঁৰ মুখৰপৰা ওলায় "স্বাধীনতা হীনতায় কে বাচিতে চায়..."। তাৰ অসমীয়া ভাঙনিৰ প্ৰয়োজন বোধ কৰো তেওঁ আজি আৰু নকৰে।

# তুমি নাই

—শ্ৰীযুত দেৱকান্ত বৰুৱা

পোহৰাই মোৰ নিশাৰ আকাশ
তিমিৰ ভৰা,
উদিলা সিদিনা পুৱঁতীৰ বেশে
তুমিনে তৰা ?
মন-পদুমৰ পাহ মেলি খালে
পোহৰ চুমি ;
দিনৰ কিৰণ নামিল হিয়াত,
সুমালা তুমি।

* * *

জীৱনত মোৰ আহিল বহাগ,
বিহুৰ ঢল,
আহিল গীতৰ বিপুল উজান,
পেঁপাৰ বোল।
ফুলৰ মুখত বিৰিঙি উঠিল
কোমল হাঁহি ;
তুমি নাই সখী ! থৰ হ'ল পেঁপা,
নিমাত বাঁহী !

* * *

এদিন আহিল বলিয়া ফাগুন,
মধুৰ দিন !
পলাশ ডালত বাজে কামনাৰ
অগ্নি বীণ।
সজাৰ পখীটি সিদিনা হিয়াৰ
মুকলি হ'ল ;
তুমি নাই প্ৰিয়া !—উতলা ফাগুন
মৰহি গল।

* * *

ৰাতি যিবা জ্বলে আকাশী দীপালি
তৰাৰ ধুপ,
আহিলে প্ৰভাত সুমায় জেউতি,
লুকায় ৰূপ।
এন্ধাৰৰ শোভা ! পোহৰে তোমাকো
নিলেনে হৰি ?
সপোনত ফুলি, দিঠকত জহি
পৰিলা সৰি।

---

# বিশ্ব-প্ৰবাহ

## ছিনেটৰ হুৱে লং

ছিনেটৰ হুৱে লং আমেৰিকা যুক্তৰাজ্যৰ লুজিয়ান [...]দেশৰ প্ৰেছিডেণ্ট আছিল। প্ৰায় দুবছৰমানৰ আগতে [...]ৰিয়া তেওঁ ৰাজনৈতিক ক্ষেত্ৰত অৱতীৰ্ণ হয় তেতিয়া



ছিনেটৰ হুৱে লং

[...]ওঁৰ কথালৈ কোনেও দৃষ্টিপাত নকৰিছিল ; কিয়নো [...]ওঁক তেতিয়া সকলোৱে এজন জুৱাচোৰ [...]কৃতিৰ লোক বুলিহে ভাবিছিল। কিন্তু পিছত তেওঁ [...]চলন কৰা "খেয়াৰ-ডি-ৰেল্থ" নামৰ আচনিয়ে তেওঁৰ [...]ন উজ্জ্বল আৰু সৰ্ব্বজন বিদিত কৰে। তেওঁ এজন বৰ [...]চাৰত্ব লোক আৰু নামজ্বলা আইনজ্ঞ আছিল। তেওঁ [...]ইমাহমানৰ আগতে আমেৰিকাৰ ছিনেট সভাত একে-

ৰাহে প্ৰায় ছাৰে পোন্ধৰ ঘণ্টা ব্যাপি এটি বক্তৃতা দি সকলোকে চমক্কৃত কৰিছিল। বক্তৃতাৰ মাজে মাজে তেওঁ অৱশ্যে চকলেট আৰু গাখীৰ খাবলৈ বাধ্য হৈছিল ইমান সময় কথা কৈয়ো হেনো তেওঁৰ বক্তৃতা সম্পূৰ্ণ নহল। তেওঁ ভাগৰত আৰু তন্দ্ৰাত লালকাল নিদিয়াহেতেন আৰু ভালেখিনি পৰ বক্তৃতা দিব পাৰিলেহেতেন বুলি তেওঁ কৈছিল। পিছে এইটোৱেই পৃথিবীৰ ভিতৰত আটাইতকৈ দীঘলীয়া বক্তৃতা নহয়। ইয়াৰ বহুত দিনৰ আগতে ১৯০৮ চনত ৱিছকনছিল বোলা



মনোযোগ-ৰত মিঃ হুৱে লং

ঠাইৰ মিঃ লা ফলেটি নামৰ এজন বক্তাই ১৮ ঘণ্টা ৩৩ মিনিট সময় বক্তৃতা দি পৃথিবীৰ ৰেকৰ্ড ভঙ্গ কৰি গৈছে। সিমান দীঘলীয়া বক্তৃতা আজিলৈকে কোনেও দিব পৰা

নাই। কিন্তু বৰ দুখৰ বিষয় যে যোৱা ছেপ্টেম্বৰ মাহত ছিনেটৰ ঘৰে লঙক আমেৰিকাৰ এজন তৰুণ ডাক্তৰে গুলী কৰি হত্যা কৰিলে। মিঃ লং জীৱিত থকা হলে তেওঁ বৰ্ত্তমান আমেৰিকাৰ প্ৰেছিডেণ্ট মিঃ ৰুছভেল্টক অহা নিৰ্ব্বাচনত পৰাজয় কৰিব পাৰিলেহেতেন বুলি বহুতে বিশ্বাস কৰিছিল।

## হাঁতী আৰু মানুহৰ বল পৰীক্ষা

অলপতে জাপানৰ ৰাজধানী টকিঅ'ৰ পশুশালাত এটা হাতী আৰু মানুহৰ ভিতৰত জৰী টনাটনি কৰি উভয় পক্ষৰে শক্তি পৰীক্ষা কৰা হৈছিল। প্ৰথমতে হাতীটোৰ বিৰুদ্ধে ৩০ জন মানুহে জৰী টানিছিল; কিন্তু এই সকলোকে হাতীয়ে চোচোৰাই লৈ যায়। ইয়াৰ পাছত ৪৪ জনে টানিছিল। এইবাৰো হাতীয়েই বিজয়ী হল। কিন্তু যেতিয়া ৫৫ জন মানুহে জৰীত ধৰি টানিলে তেতিয়া




হাতী আৰু মানুহৰ জৰী টানি বল পৰীক্ষা

কোনো পক্ষই কাকো বলে নোৱাৰাত উভয় পক্ষৰে সমান শক্তি বুলি ঘোষিত হল।

## জেনেভাত ইটালিৰ ওপৰত অৰ্থনৈতিক হেচা প্ৰয়োগ

যোৱা ৯ অক্টোবৰ তাৰিখে জেনেভাত জাতিসংঘৰ এছেমব্লিত সংঘৰ অন্তৰ্ভুক্ত হুথন ৰাষ্ট্ৰত বাজে বাকী সকলোৱে ইটালিয়ে ৰাষ্ট্ৰসংঘৰ দ্বাদশ নিয়ম ভঙ্গ ক... ঘোষণা কৰে। সেইদেখি তাৰ পিছদিনা অষ্ট্ৰি...




জাতিসংঘৰ সভাত মিঃ লাভালে বক্তৃতা দিব লাগিছে

হাঙ্গেৰি ভিন্ন বাকী আটাইবিলাক সদস্যই ইটালিৰ... অৰ্থনৈতিক হেঁচা প্ৰয়োগ কৰিবলৈ সমস্বৰে সিদ্ধান্ত ক...

ফ্ৰান্সৰ প্ৰতিনিধি মঃ লাভালে জেনেভাৰ এ... এই বুলি কৈছিল—"জাতিসংঘৰ নিয়ম-তন্ত্ৰ আম্ভ... আইন। আমি এই আইন ভঙ্গ কৰিব নোৱা... আনেও ইয়াক নিশকতীয়া কৰিবলৈ এৰি দিব নো... এই মুহূৰ্ত্তত যেতিয়া প্ৰত্যেকেই নিজৰ দায়িত্ব গ্ৰহ... লাগিব মই বিষাদ অন্তৰেৰে হলেও মোৰ কৰ্ত্তব্য... কৰিছোঁ। বন্ধুতায়ো মোক আন এটা কৰ্ত্তব্য ক... অনুপ্ৰেৰিত কৰিছে। আমি যদি বৰ্ত্তমান স... মকামিলাৰ কাৰণে কোনো এটা সমাধানৰ পথ উলিয়াব পাৰো তেনেহলে আন্তৰ্জাতিক সংঘৰ... বিশ্বাস নোহোৱা বা ইয়াৰ আইন প্ৰয়োগ নক... কোনেও কব নোৱাৰিব। ফৰাছী গৱৰ্ণমেণ্টে শা... শান্তি প্ৰতিষ্ঠাৰ কাৰণে আত্মনিয়োগ কৰিব।"

ইংলণ্ডৰ প্ৰতিনিধি মিঃ ইডেনে সেই একে স... এই বুলি কৈছিল –

"শান্তি ৰক্ষা কৰাই বৃটিছৰ বৈদেশিক নীতিৰ... লক্ষ্য আৰু বৃটিছ প্ৰজাবৰ্গৰ চিৰকলীয়া আদৰ্শ। যু... মাৰাত্মক ভ্ৰম। যদি সভ্যতা জীয়াই থাকিব... তেনেহলে নীতি হিছাপে আমি যাক গৰিহনা ক... কাজে-কামে নিৰ্মূল কৰিব লাগে। এতিয়া আমি... ...ত নৱলগীয়া হৈছে। কিন্তু কি কাম হাতত লোৱা ... সেইটো সংঘৰ সদস্যসকলে নিৰ্ণয় কৰিব। বৃটিছ ...মেণ্টৰ হৈ মই ঘোষণা কৰো যে তেনেকুৱা কামত আমি ...ৰ অংশ গ্ৰহণ কৰিবলৈ সম্পূৰ্ণ ইচ্ছুক।"



জাতিসংঘৰ সভাত মিঃ ইডেনে বক্তৃতা দিছে

এওঁলোকৰ জাতিসংঘৰ বাহিৰেও অন্যান্য সদস্যসকলেও ...ৰ নিজ বক্তব্য প্ৰকাশ কৰিছিল।

## অভিনৱ ছাইকেল



অভিনৱ ছাইকেল

লণ্ডনত আজিকালি এবিধ নতুন ধৰণৰ ছাইকেল প্ৰস্তুত ...ছে। ইয়াৰ নাম ছাইক্ল বেছিঅ'। ওপৰৰ ছবিটোৰপৰা এই "ছাইকেল" খনৰ আকৃতিৰ বিষয়ে বেছ বুজিব পাৰি। লণ্ডনত অনুমান কৰা হৈছে যে ইয়েই ভবিষ্যতে সৰ্ব্ব-সাধাৰণৰ ব্যৱহৃত ছাইকেল হব।

## জেনেৰেল ডি বন'

বৰ্ত্তমান ইটালি-এবিছিনিয়া সংগ্ৰামত ইটালিৰ যি বিজয় লাভ হৈছে তাৰ মূলতে আছিল জেনেৰেল ডি বন'। এবিছিনিয়াৰ এডোৱা চহৰত ১৮৯৬ চনত ইটালিৰ সৈন্যৰ



জেনেৰেল ডি বন'

যি পৰাজয় হৈছিল জেনেৰেল ডি বন'য়ে সেই চহৰ অধিকাৰ কৰি পূৰ্ব্বৰ পৰাজয়ৰ পুনৰ হোৰ তুলিলে।

এওঁ ইৰিট্ৰিয়াত সৈন্যাধ্যক্ষ (Commander-in-chief) আৰু পূব আফ্ৰিকাত হাই কমিশ্যনাৰ আছিল। এওঁৰ উপনিবেশিক যুদ্ধৰ প্ৰভূত অভিজ্ঞতা আছে। এওঁ

এসময়ত ট্ৰিপলিটানিয়াৰ গৱৰ্ণৰ আৰু উপনিবেশিক সচিব আছিল। জেনেৰেল ডি বন' মুছলিনিৰ পুলিছ বিভাগৰ প্ৰধান অধ্যক্ষ আছিল আৰু ১৯২২ চনত ফেছিষ্টসকলে ৰোম চহৰলৈ যি বিৰাট অভিযান কৰি গৈছিল সেই অভিযানকাৰীৰ প্ৰধান চাৰিজনৰ ভিতৰত এৰো এজন আছিল। এওঁ মুছলিনিৰ সমসাময়িক আৰু তেওঁৰ এজন বিশিষ্ট বন্ধু।

বৰ্ত্তমান এবিছিনিয়া যুদ্ধত এডোৱা অধিকাৰ কৰি বিজয় লাভ কৰাৰ কাৰণে মুছলিনিয়ে জেনেৰেল ডি বন'ক মাৰ্শ্বেল খিতাপ প্ৰদান কৰি যুদ্ধৰপৰা অৱসৰ দি তেওঁৰ ঠাইত জেনেৰেল বেডগলিঅ'ক নিয়োগ কৰিছে।

## হাইস্কুলৰ বাবে দান

দৰংজিলাৰ নতুৱাৰ হাইস্কুলৰ কাৰণে শ্ৰীযুত গন্ধচন্দ্ৰ বৰমূদৈ ডাঙৰীয়াই এঘাৰ শ টকা দান কৰিছে। এখেত নতুৱাৰ অঞ্চলৰ এগৰাকী আঢ্যৱন্ত, উদাৰ আৰু ধৰ্মী পুৰুষ।



শ্ৰীযুত গন্ধচন্দ্ৰ বৰমূদৈ



# সাময়িক আলোচনা

## বিশ্ব-বিদ্যালয়ৰ শিক্ষা

যোৱা ১৮ নবেম্বৰ তাৰিখে এলাহাবাদ বিশ্ববিদ্যালয়ৰ ছিনেট হলত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ দ্বিতীয় বাৰ্ষিক অধিবেশনৰ সভাপতি স্বৰূপে ছাৰ তেজ বাহাদুৰ ছাপ্ৰুয়ে আধুনিক শিক্ষা আৰু ছাত্ৰসমাজৰ বিষয়ে এটি বক্তৃতা দিয়ে। বক্তৃতা প্ৰসঙ্গত তেখেতে কয়—

"আমাৰ সমাজ আৰু শিক্ষা পদ্ধতিৰ প্ৰতি যুৱক সকলৰ মন যে বিতৃষ্ণ হৈ উঠিছে ই সম্পূৰ্ণ যুক্তিসঙ্গত বুলি ভাবো। যুৱকসকলৰ চিন্তা যে আজি অনিষ্টকৰ পথলৈ ধাবিত হৈছে ইয়াত আচৰিত হবলগীয়া একো নাই। ইয়াৰ বাবে গৱৰ্ণমেণ্ট আৰু সমাজ উভয়েই সমান দায়ী। তেওঁলোকে এই সমস্যাটো বহুত দিনৰপৰা উপেক্ষা কৰি আহিছে; এতিয়া তাৰ ফলভোগ নকৰিলে উপায় নাই। মই গৱৰ্ণমেণ্ট আৰু দেশবাসীক সতৰ্ক কৰি দিওঁ যে তেওঁলোক এই সমস্যাৰ সন্মুখীন হব লাগিব, দৃঢ়তাৰে ইয়াৰ সমাধানৰ উপায় বিচাৰিব লাগিব।"

ইয়াৰ পিছত বৰ্ত্তমান বিশ্ব-বিদ্যালয়বিলাকৰ কৃষ্টিগত শিক্ষাৰ নিন্দা কৰি তেখেতে কয়—

"যিবিলাকে যেই কোনো এটা বৃত্তিত অৰ্থোপাৰ্জ্জন কৰি নিশ্চিন্ত হৈছে তেওঁবিলাকৰ পক্ষে বিদ্যা চৰ্চ্চাৰ কথা কোৱা বৰ সহজ। মই কৃষ্টিৰ বিৰোধী নহয়। কৃষ্টি বুলিলে মই বুজোঁ। মনৰ স্বভাৱ। কিন্তু শিক্ষাৰ যেনেকৈ এটা কৃষ্টিগত ফাল (aspect) আছে, সেই দৰে ইয়াৰ এটা অৰ্থনৈতিক ফালো আছে। মই কৃষ্টিৰ অবাস্তৱ ৰাজ্যৰ অধিবাসী নহওঁ। নানা সমস্যাপূৰ্ণ এই পৃথিবীতেই আমি থাকিব লাগিব।

"মই দেখিবলৈ পাইছোঁ যুৱকসকলে এখন ছাৰ্টিফিকেট সংগ্ৰহৰ কাৰণে দুৱাৰে দুৱাৰে ঘূৰি ফুৰে। ইয়াতকৈ অৱনতিৰ কথা কি হব পাৰে! বি,এ পাছ কৰি যুৱক সকলে কনিষ্টবলৰ কাম বিচাৰি ফুৰিছে, এম,এ পাছ কৰি আলিবাটত গাখীৰ বেচিছে, আই-এ পাছ কৰি ছাইকেলৰ পিয়ন হৈছে, ওকালতি পাছ কৰি আবকাৰী আৰু ৰেজিষ্ট্ৰেশ্যন বিভাগত সামান্য চাকৰীৰ কাৰণে লালায়িত, এইবিলাক কথা আমাৰ দেশতহে সম্ভৱ আন দেশত ই অসম্ভৱ, কাৰণ তাত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ এটা মূল্য আছে। আৰু কিমান দিন যুৱকসকলে বিশ্ববিদ্যালয়ৰ বিদ্যা অৰ্জ্জনৰ মোহত পথভ্ৰান্ত হৈ নিজৰ সৰ্ব্বনাশ কৰিব?"

## কলিকতাত আচাৰ্য্য নগুচিৰ বক্তৃতা

অলপ দিনৰ আগতে জাপানৰ বিখ্যাত কবি আচাৰ্য্য নগুচিয়ে কলিকতা বিশ্ববিদ্যালয়ৰপৰা নিমন্ত্ৰিত হৈ কলিকতাৰ ছিনেট হলত কেইটিমান বক্তৃতা দিয়ে। তেখেতৰ প্ৰথম বক্তৃতাৰ বিষয় আছিল—জাপানী সাহিত্যত কাব্যৰ স্থান। এই প্ৰসঙ্গত তেখেতে প্ৰাচ্যৰ কাব্যৰ লগত প্ৰতীচ্যৰ কাব্যৰ তুলনা কৰি কয়—



জাপানৰ কবি ইয়োন নগুচি

"প্ৰতীচ্যৰ কোনো এখন ছবি যেতিয়া দেখোঁ বা কবিতা পাঠ কৰোঁ তেতিয়া মোৰ মনত খেলায় যেন সেই

চিত্র বা কাব্যৰ যি শ্রষ্টা তেওঁৰ বুকু যেন গৰ্ব্বত স্ফীত হৈ উঠিছে, তেওঁ যেন সৌন্দৰ্য্যৰ পূজাৰী নহয়, সৌন্দৰ্য্যৰ বিশ্লেষক! আমি প্ৰাচ্যদেশীয় মানুহ; আমাৰ কাব্যৰ চৰম উৎকৰ্ষ লাভ হয় ধ্যানত। সুন্দৰৰ আহ্বানত জনহীন পথেদি আমি যাওঁ বাণীৰ মন্দিৰৰ পিনে। সৌন্দৰ্য্যৰ উপাসনা আৰু আদৰ্শই আমাৰ জীৱনৰ ধৰ্ম্ম।

"পাশ্চাত্যৰ এনে দুই এজনৰ নাম কব পাৰি যাৰ ভিতৰত প্ৰাচ্যসুলভ সৌন্দৰ্য্যবোধ পৰিস্ফুট হৈছে। কিন্তু পাশ্চাত্যৰ সাধাৰণ লোকে হয়তো মোৰ কথা নুবুজিব। অৱশ্যে সেই কাৰণে তেওঁলোকক দোষ দিয়া নাযায়। কাৰণ কলাৰ চৰম উৎকৰ্ষ বুলিলে আমি যি বুজোঁ সি তেওঁলোকৰ কাৰণে সমূলি দুৰ্ব্বোধ্য। আমি জানো স্বতঃ প্ৰকাশ সৌন্দৰ্য্যই কলাৰ প্ৰাণ। মানুহৰ জীৱন য'তেই প্ৰকৃতিৰ লগত একে সুৰতে বন্ধা আছে তাতেই কাব্য লক্ষীৰ পূজাৰ সাৰ্থক হৈছে। কিন্তু আমাৰ এই চিন্তাধাৰা তেওঁলোকক বুজোৱা যায় কেনেকৈ?"

জাপানৰ কাব্য-সাধনাৰ বিষয়ে আচাৰ্য্য নগুচিয়ে কয়—

"একক সাধনাৰ মাজেদিয়েই জাপানৰ কাব্য মূৰ্ত্ত হৈছে। জাপানৰ আধুনিক কাব্য, চিত্ৰকলা বা চাহ-খোৱা উৎসৱৰ মাজত যদি সেই বৈশিষ্ট্য ক্ষুণ্ণ হৈছে তেনেহলে অতি দুখেৰে কৈছো কম আমি স্বৰ্গৰাজ্যৰপৰা ভ্ৰষ্ট হৈছোঁ। আজি সেই কাৰণেই জাপানত পুৰণি চিন্তাধাৰাৰ পুনঃ প্ৰৱৰ্ত্তনৰ একান্ত প্ৰয়োজন। আশঙ্কা হয় নানা ভাব আৰু ভাষাৰ সজ্ঘাতৰ মাজত সেই সুন্দৰৰ পূজা—আমাৰ নিজৰ সেই একক সাধনা জানোবা হেৰুৱাই পেলাওঁ! জাপানৰ কবিয়ে তেওঁৰ বন্ধুবিলাকৰ মৰমৰ ওপৰতেই নিৰ্ভৰ কৰিব লাগে। আনৰ সহানুভূতিতেই তেওঁৰ সাধনাই পূৰ্ণতা লাভ কৰে। জাপানী কাব্যৰ বিষয়েও তদ্ৰূপ। জাপানী সাহিত্যত কবিতা বুজিবলৈ দৰদী পাঠকবৰ্গৰ আৱশ্যক।

"জাপানী কাব্যত শ্ৰষ্টাৰ অভাৱ সেই কথা মানো। কিন্তু পাশ্চাত্য কবিসকলৰ নিচিনাকৈ জীৱনক নতুনকৈ গঢ়ি তোলা আমাৰ আদৰ্শ নহয়। আমাৰ কাৰণে কাব্য সাধনা আজৰিত খেলা বস্তু নহয়। ই আমাৰ জীৱন লগত ওতপ্ৰোতভাৱে জড়িত। পাশ্চাত্য কবিসকলৰ এই সৃজন আকাঙ্ক্ষা মই শ্ৰদ্ধা কৰোঁ। তথাপিও মনত হয়, কবি য'ত বুদ্ধি বৃত্তিৰ দাস তাতেই কবিতাৰ মৃত্যু।"

মিঃ নগুচিয়ে "চিত্ৰকলা আৰু ভাস্কৰ্য্যত জাপানী প্ৰতিভা" সম্পৰ্কে দিয়া দ্বিতীয় বক্তৃতাত সুকুমাৰ কলা বা আৰ্টৰ বিষয়ে এই বুলি কয়—

"আৰ্টৰ সংজ্ঞা কি 'সেই লৈ মতভেদ থাকিব পাৰে; কিন্তু আৰ্টৰ ভিত্তিয়েই হৈছে সঙ্গতি। সকলো দেশৰ সকলো মানুহৰ ওচৰত যি সুন্দৰ সি অহৈতুক নহয়। তাৰ অভিব্যক্তিৰ মাজেদি এটা সঙ্গতি আছে বুলিয়েই সি সুন্দৰ।

"মোৰ মনেৰে চিত্ৰই হওক বা মানব জগতৰ বাস্তৱ জীৱনেই হওক যাৰ প্ৰকাশৰ মাজত কৃত্ৰিমতা নাই কিন্তু যি নিজকে পৰিশেষত পৰিস্ফুট কৰি তোলে সেয়ে সুন্দৰ। মানুহে যেতিয়া একাগ্ৰভাৱে তেওঁৰ সাধনা বস্তুৰ প্ৰতি মনোনিৱেশ কৰে তেতিয়াই তেওঁ মনোৰম হৈ উঠে। লৰাই খেলি থাকোতে যেতিয়া তাৰ বল বা লাটুমৰ ওপৰত তীক্ষ্ণ দৃষ্টিপাত কৰে তেতিয়া তাৰ মুখত যে সৌন্দৰ্য্য ফুটি উঠে এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

"আমাৰ বাস্তৱ জীৱনৰ লগত যাৰ প্ৰত্যক্ষ সম্পৰ্ক নাই সি আচল কলা বা আৰ্ট নহয়। মন আৰু আত্মাৰ যি উৎকৰ্ষ সাধন কৰিব সিয়েই প্ৰকৃত আৰ্ট। আপোনা লোকে হয়তো সুধিব, বসন্তৰ ফুলবিলাক আমাৰ কি কামত আহিব পাৰে? আকাশৰ চন্দ্ৰ যিমানেই উজ্জ্বল নহওক লাগে বিজুলী বত্তিৰ কাম তাৰ দ্বাৰা সম্ভৱ হয়নে। আকৌ হয়তো সুধিব, এটা ফুল বা চন্দ্ৰৰ ছবিৰ লগত আমাৰ জীৱনৰ প্ৰত্যক্ষ সম্পৰ্ক কেনেকৈ থাকিব পাৰে! মোৰ উত্তৰ এই—এই ফুল, এই চন্দ্ৰই আমাৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰে সেই কথা আমি অস্বীকাৰ কৰিব পাৰোনে? এই ধৰক, আমি যাক ভালপোৱা বোলো সেই ভালপোৱা এটা বস্তু নহয়, তাক হাতেৰে ধৰিব নোৱাৰি তথাপি সকলোৱেই জানে যে একমাত্ৰ এই ভালপোৱাৰ দ্বাৰাই আমি জীৱনৰ পূৰ্ণতা লাভ কৰিব পাৰোঁ, যাক দেখিবলৈ পাওঁ, যাক ধৰিব পাৰোঁ তাতকৈ এই ভালপোৱাৰ শক্তি অতি বেছি। ফুলৰ প্ৰতি অনুৰাগ, চন্দ্ৰৰ প্ৰতি অনুৰাগ যেনেকুৱা, আটো অনেক কথাত তেনেকুৱাই—উভয়েই আমাৰ ভিতৰত এটা উচ্চ আৰু মহৎ ভাব জাগ্ৰত কৰে।"

# মৃত্যুৰ পিছত

কবিতা ]

—মহম্মদ ৰায়হান ছাহ

জীৱনত তোমাৰ মুখতে প্ৰথমে শুনিলোঁ আজি কোৱা, চিৰ-সুখ প্ৰেমিক জনৰ?
আপোন বিভোল হৈ থকা প্ৰেমিকক নোৱাৰে পশিব দুখ-শোক-তাপে জগতৰ।
মৰণ-বিজয়ী হেনো প্ৰেম, মৰণৰ সিপাৰতো থাকে সুখভোগ প্ৰচলিত তাৰ!
নোৱাৰোঁ বুজিব হেৰা, তুমি পালা ক'ত এনে দিব্যজ্ঞান বিজ্ঞানৰ ভাঙিলা দুৱাৰ!
অনভিজ্ঞ হৈ তুমি বাৰু কিদৰে বুজিবা কেনেকৈ কীট থাকে ফুলৰ মাজত;
তিল তিল কৰি কেনেদৰে বুকু তাৰ নিয়ে শেষ কৰি, অনুপম শোভা বাহিৰত!
সঁচা কথা? কোনে কলে সঁচা? ক'ত তাৰ দেখিলা প্ৰমাণ?-তেনে কোৱা দেখিছা বিস্তৰ?
আহাঁ বাৰু লগে লগে তেনে, চোৱা আহি নিঠুৰ বাস্তৱ, মযো তাৰ দিওঁ প্ৰত্যুত্তৰ।
সৌ সে দেখিছা আতৰত মাটিৰ মৈদাম এটি আছে আটোমটোকাৰীকৈ থোৱা,
থান্দি চালে তাৰে ভিতৰত চিতা ভস্ম অঙ্গাৰত বাজে আন আৰু একোকে নোপোৱা।
কিন্তু মানুহৰ স্বৰূপত তোমাৰ নিচিনাকৈয়ে তাৰ ভুল এটি আছিল বিশ্বাস।
নিৰ্দ্দয় বিধিয়ে কেনেকৈ দিলে ভাঙি তাৰ সেই ভুল জনা আছে সেই ইতিহাস।
সেই মৈদামৰ ওপৰতে দেখা পাবা এজনা গাভৰু থকা বহি অকলে অকলে,
থাকে মাথো এথস্তেক পৰ যায় দুটি ফুল ছটিয়াই আগেবেগে তাৰ চাৰিকালে;
প্ৰতিভা তেওঁৰে নাম, নিচিনিবা দেখিলে সন্ধিয়া থকা তাত যখিনীৰ দৰে
ৰণীনৰ ভৰি পথানত দেখা পাবা কৰা অনুতাপ কথা কলে নলৰে নচৰে।
অনুতাপ দগ্ধ হৈ যাক দেখা আজি বাউলীৰ দৰে মৈদামক কৰা প্ৰদক্ষিণ,
কলে শুনি হবা আচৰিত ৰণীনৰ জীৱন কালত ঘূৰি চোৱা নাই কোনোদিন।
কতদিন দেখিছোঁ বাটত, মৃগতৃষ্ণা লই অন্তৰত হতভাগ্য থকা থিয় হৈ,
লগৰীৰে আহোঁতে বাটত তাৰ সাদৰৰ প্ৰতিভাক এটিবাৰ দেখা পাবলই।
সেই সাদৰৰ প্ৰতিদান শুনা নাই পোৱা কেতিয়াও, পোৱা তাক শুনিছোঁ মাথোন
চিৰকাল ব্যঙ্গ অভ্যৰ্থনা, সাধনাৰ প্ৰতিফল তাৰ এগুণত ঘূৰাই দুগুণ।
পাষাণৰ পূজা এনেদৰে অসহনী হৈ দুৰ্ভগীয়া পূজাৰীয়ে নীৰবে এদিন
দলিয়াই পুষ্প-অৰ্ঘ্য তাৰ শূন্য প্ৰাণ দিলে বিসৰ্জ্জন, ৰ'ল মাথো তাৰে সেই চিন।
কিনো বাৰু আছে হেৰা তাত, আজি কিয় মৃত্যুৰ পিছত লাগে তাক আদৰ কৰিব?
তুমি কৰা 'প্ৰেম মৃত্যুঞ্জয়ী', ক্ষমা কৰা তেনে উচ্চ ভাষা, জীৱনতো নোৱাৰো বুজিব।
আজি আৰু কিবা আৱশ্যক, কিয় বাৰু যাব লাগে তাত মিছাকৈয়ে ফুল-মালা লৈ
দুবৰিয়ে ছাটি ধৰা সেই মৈদামত গৈ অনৰ্থক কিনো হব থাকিলেহি ৰ'ই।
জানে তেওঁ, জানে সকলোৱে হিয়াৰ কামনা সকলোটি হ'ল তাৰ সমূলে নিশেষ
অনন্তত গ'ল লীন হৈ সেই উগ্ৰ হুতাহৰ আৰু একণিকো নাই অৱশেষ।
ৰক্ত-মাংস কৰি অপমান যাক তুমি জীৱন কালত অনায়াসে পেলালা মোহাৰি
হব জানো প্ৰায়শ্চিত্ত তাৰ আজি তাৰ অনুভূতিহীন মৈদামক প্ৰদক্ষিণ কৰি।
শান্তিকামী প্ৰেতাত্মাক তাৰ, ইপুৰীৰ লাঞ্ছনাৰ কথা সোঁৱৰাই কিনো হব লাভ,
ভস্ম মাত্ৰ আছে তাত পৰি, কিয় তাত ঘিউ ঢালি মিছা শকতিৰ কৰা অপলাপ?
বিজ্ঞানৰ অভিমানী হেৰা চিৰসুখী প্ৰেমিকৰ সুখ চকু মেলি চোৱা এটিবাৰ
জীৱনত লাঞ্ছনাৰ বোজা, শান্তি নাই তপ্ত হৃদয়ৰ, মৰণতো নাই প্ৰেতাত্মাৰ।

# বৰপেটা বিদ্যাপীঠৰ প্ৰতিষ্ঠা দিন



বিদ্যাপীঠৰ প্ৰতিষ্ঠা দিন উপলক্ষে ৰাতিপুৱা ছাত্ৰসকলে নাম-কীৰ্ত্তন কৰি আহি স্কুলৰ কাষ পাইছে।



ছাত্ৰসকলৰ ভিতৰত দুপৰীয়া নৈত সাতোৰাৰ প্ৰতিযোগিতা



সাতোৰত ১ম পুৰস্কাৰ লাভ কৰিছে—(সোঁফালৰপৰা) শ্ৰীমান প্ৰাণগোপাল বায়ণ ৩য় মান—১০ বছৰ, ২য় পুৰস্কাৰ—শ্ৰীমান মদনমোহন দাস—৮ম মান—১৩ বছৰ, ৩য় পুৰস্কাৰ—শ্ৰীমান খোকাৰাম পাঠক—৫ম মান—১১ বছৰ।



৬ষ্ঠ আৰু ৮ম মানৰ ছাত্ৰসকলে খেল নাৱত উঠি প্ৰতিযোগিতাৰ বাবে সাজু হৈছে। ৬ষ্ঠ মান শ্ৰেণীয়ে জয়ী হৈ স্বৰ্গীয় পানোৰাম মেডেল পুৰস্কাৰ পায়।

# দেউৰী সম্প্ৰদায়

—শ্ৰীযুত সোমেশ্বৰ দেউৰী

**বসতি** :—দেউৰীচুতীয়াসকল অসমৰ এটি নিচেই সৰু সম্প্ৰদায়। তেওঁলোকৰ সৰহ ভাগেই বৰ্ত্তমান লক্ষীমপুৰ, যোৰহাট আৰু শিৱসাগৰ অঞ্চলত বসতি কৰে। ইয়াৰ বাহিৰেও শুনিবলৈ পোৱা গৈছে, নগাঁৱৰ ৰহাৰ ওচৰত কেইখনমান দেউৰী গাঁও আছে। কিন্তু তেওঁলোকৰ আচাৰ ব্যৱহাৰ উজনি অসমৰ দেউৰীৰ লগত মিলেনে, নিমিলে সেইটো আমি কব নোৱাৰো। শিৱসাগৰ জিলাত মুঠতে তিনিখন গাওঁ আছে। তাৰে দুখন গাঁৱত দুশৰো ওপৰ মানুহৰ বসতি। সেই কেইখন গাঁও হৈছে বৰগঞা দেউৰী গাঁও আৰু টেঙাপনীয়া দেউৰী গাঁও। এই দুয়োখন গাঁও শিৱসাগৰ জিলাৰ ডিছিংমুখ অঞ্চলত। ইয়াৰে প্ৰায় ওচৰাওচৰিকৈ বাকী দুখন গাঁও আছে। আমলখী নামৰ গাঁওখন টেঙাপনীয়া গাঁৱৰ লগত একে লাটতে। বাকী বেংবেলি নামৰ গাঁওখন বৰগঞা গাৱঁৰপৰা প্ৰায় এমাইলৰ অন্তৰত। এই আটাই কেইখন গাওঁ প্ৰায় এমাইলৰ আঁতৰে আঁতৰে অৱস্থিত। সকলোতকৈ বেছি সংখ্যক দেউৰীগাওঁ লক্ষীমপুৰ জিলাত আছে। ইয়াৰ গাৱঁৰ সংখ্যা প্ৰায় ১৫খন মান হব। তাৰ ভিতৰত নাৰায়ণপুৰৰ গাওঁখনেই সকলোতকৈ ডাঙৰ। যোৰহাট অঞ্চলত মুঠতে দুখন গাওঁ আছে। দুয়োখন গাওঁ প্ৰায় ওচৰাওচৰি। অনুমান হয় দেউৰীবিলাকৰ লোকসংখ্যা প্ৰায় দহ হেজাৰৰ ওচৰাওচৰি। দেউৰীবিলাক প্ৰায় চাঙৰ ওপৰত বাস কৰে। কাচিৎহে দুঘৰ এঘৰে মাটিত বাস কৰে। ইয়াৰ প্ৰধান কাৰণ হব পাৰে তেওলোক অতীজতে নৈৰ দাঁতিত বাস কৰিছিল আৰু নৈৰ পানীৰ পৰা ৰক্ষা পাবৰ কাৰণে চাঙঘৰ লৈছিল। এতিয়াও প্ৰায় বিলাক দেউৰী গাৱেঁই নৈৰ দাঁতিত। বৰ্ত্তমানে তেওঁ-লোকে আগতকৈ অলপ উন্নত ধৰণেৰে থাকিবলৈ শিকিছে।

**সামাজিক অৱস্থা** :—দেউৰীচুতীয়াবিলাকৰ সামাজিক অৱস্থা বৰ শোচনীয় আৰু আন পাকে সিমান শোচনীয়ও নহয়। তেওঁলোকৰ প্ৰধান ব্যৱসায় খেতি। খেতিৰ ওপৰতেই সকলো ভৰণ পোষণৰ ভাৰ নিৰ্ভৰ কৰে। তেওঁলোকে প্ৰায় সকলো বিধৰ খেতিকেই কৰে। অকল দ বা বাম খেতি কৰিয়েই নেৰে। চাবলৈ গলে তেওঁলোকে তলিৰ উপযুক্ত সকলো বিধৰ খেতিকে কৰে। গতিকে তেওঁলোকৰ অভাৱো বেছি নাই। বাণিজ্য ব্যৱসায়ত তেওঁলোক নিচেই পিছ পৰা। বৰ্ত্তমানে দুই এজনে বাণিজ্য আদিতো মন দিয়া দেখা গৈছে। পিন্ধা উৰা কাপোৰ ঘৰৰ তিৰোতাবিলাকেই বৈ লয়। শিক্ষা বিষয়তো দেউৰীচুতীয়াবিলাক বহুত পিছ পৰা। উচ্চ শিক্ষাত শিক্ষিত লোকৰ সংখ্যা নিচেই কম। বৰ্ত্তমানে দুই এজনে উপাধি আদি লাভ কৰিছে। আৰু উচ্চ শিক্ষাৰ্থে ধাউতি বঢ়াও দেখা গৈছে। দেউৰীচুতীয়াবিলাক শিক্ষাত পিছ পৰা হলেও তেওঁলোক বৰ সমাজপ্ৰিয়। অশিক্ষিত হলেও তেওলোকৰ সমাজৰ নিয়ম প্ৰণালীবিলাক বৰ শৃঙ্খলাবদ্ধ। তাত কোনো আঁসোৱাহ নাই। গাৱঁৰ প্ৰায়বিলাক মেল-দোৱান গাঁৱতে বিচাৰ হৈ সকলো সিদ্ধান্ত শেষ হৈ যায়। কাচিৎহে কাছাৰি ঘৰত আশ্ৰয় লব লগা হয়হি। সকলোবিলাক বিচাৰ কাৰ্য্য গাৱঁৰ মুখিয়াল মানুহবিলাকৰ দ্বাৰা সম্পাদিত হয়। তেওঁলোকৰ প্ৰত্যেক সমাজৰে ঐক্য ভাব থকা দেখিবলৈ পোৱা যায়।

**ধৰ্ম্ম** ঃ—অতীজতে দেউৰীচুতীয়াবিলাক শাক্ত পন্থাৰ আছিল ; আৰু এতিয়াও শক্তি পন্থাৰে। কিন্তু বৰ্ত্তমান লাহে লাহে বৈষ্ণৱ ধৰ্ম্মৰ ফালে ঢাল লৈছে। বৈষ্ণৱ ধৰ্ম্ম ললেও বৈষ্ণৱী সংখ্যা নিচেই কম। অতীজতে

তেওঁলোকৰ সদিয়াত চাৰিখন গোসানীৰ থান আছিল। তাতে তেওঁলোকৰ পূজা পাতল দিছিল। আজিকালি তিনিখন থানত পূজা-পাতল চলিছে। আন কেইখনৰ নাম—"তাম্ৰেশ্বৰী," "বলিয়া বাবা" আৰু "বুঢ়াবুঢ়ী মন্দিৰ"। তাৰ ভিতৰত "তাম্ৰেশ্বৰী" মন্দিৰেই সকলোতকৈ নামজলা। দেউৰীচুতীয়াবিলাক ঘোৰ শাক্ত আৰু তেওঁলোকে নিজৰ ধৰ্ম্মক বৰ বিশ্বাস আৰু সন্মান কৰে। আজিকালি সদিয়াৰ থান কেইখনত যি কেইজন পূজাৰী আছে তেওঁলোক পূজাৰী হিচাবে তাতে আদিৰেপৰা বাস কৰি অহা নহলে আগত উল্লেখ কৰা গাওঁ কেখনৰ পৰা উপযুক্ত লোক বাছি পূজা-পাতল দিবলৈ পঠিওৱা হয়। আদিতে তেওঁলোকৰ মন্দিৰৰ পুৰোহিত আছিল বুলি কয়। শেষত মানৰ আক্ৰমণত পুৰোহিত নথকাত দেউৰী খেলবিলাকৰপৰাই পূজাৰী বাছি লোৱা হয়।

তেওঁলোকৰ সদিয়াত আছল মন্দিৰ থাকিলেও সদিয়া এৰি আহিব লগা হোৱাত এতিয়া প্ৰত্যেক গাঁৱে গাঁৱে মন্দিৰ পাতি পূজা-পাতল দিয়ে। মন্দিৰ পৰিচালনা কৰিবলৈ চাৰিজন পূজাৰী বাছি লোৱা হয়। যেনে :— বৰদেউৰী, সৰুদেউৰী বৰভৰালী সৰুভৰালী। এই কেইজনৰ বাহিৰেও বৰা, বাৰিক আৰু পৰীয়া আদিও থাকে। বৰদেউৰী আৰু সৰুদেউৰীৰ গাত পূজা-পাতল দিয়া আৰু স্তব-স্তোত্ৰ আদি গোৱা ভাৰ থাকে। বৰভৰালী আৰু সৰুভৰালী কেইজনৰ গাত মন্দিৰৰ ভৰণ-পোষণৰ কাৰণে পা-পইছা তোলাৰ ভাৰ থাকে। কিন্তু ঠায়ে ঠায়ে চাৰিও জনৰে সমান স্বত্ব থাকে। বৰা, বাৰিক থকা ঠাইত তেওঁলোকেই পা-পইছা তোলে। পৰীয়াবিলাকৰ কাম মন্দিৰ পৰ দিয়া। পৰীয়া দুজনৰপৰা চাৰি পাঁচ জনলৈকে লোৱা হয়। মাত্ৰ গাওঁ চাই চাই। পৰীয়া কেইজনে সদায় মন্দিৰ পৰ দিব নালাগে। মাত্ৰ যেতিয়া পূজা-পাতল দিবৰ সময় পায়হি তেতিয়াহে ঘৰ-দুৱাৰবিলাক মচি পৰিষ্কাৰ কৰিব লাগে। তেওঁলোকেই মন্দিৰৰ বাহিৰ ভিতৰ সকলো কাম কৰে। পৰীয়াবিলাক বছৰে বছৰে সলনি হৈ থাকে। মন্দিৰত কাম কৰা সকলোবিলাক মানুহেই নিঘৃণ হব লাগিব ; কিবা পাপ থাকিলে তাক সকলোৰে আগ[ত] প্ৰকাশ কৰি প্ৰায়শ্চিত্ত হব লাগিব। তেহে মন্দিৰ[ত] প্ৰৱেশ কৰিব পাৰিব। দেউৰীচুতীয়াবিলাকে কোনো ব্ৰাহ্মণৰ দ্বাৰা প্ৰায়শ্চিত্ত নহয়। তেওঁলোকৰ দেউৰী জনেই স্তৱ স্তোত্ৰ গাই আৰু পূজা পাতল দি শান্তি-পানী খুৱাই প্ৰায়শ্চিত্ত কৰে। তেওঁলোকে কয় যে ব্ৰাহ্মণ মন্ত্ৰ পাঠে তেওঁলোকৰ মন্ত্ৰপাঠক জিনিব নোৱাৰে। যিমান ডাঙৰ পাপ হলেও তেওঁলোকৰ দেউৰীকেইজনে প্ৰায়শ্চিত্ত কৰিব পাৰে। এই প্ৰথা আগৰেপৰা চলি আহিছে আৰু এতিয়াও তেওঁলোকে বিশ্বাস কৰে। আগতে কোৱা হৈছে যে দেউৰী কেউজন নিঘৃণ মানু[হ] হব লাগিব। সেইবাবেই তেওঁলোকক সকলোৱে ম[ান] আৰু ভক্তি কৰে। সকলোৱে তেওঁলোকৰ সমাজত প্ৰে[...] আছে বুলি বিশ্বাস কৰে আৰু ই যিমান দূৰ সম্ভৱ ময়[...] মন্দিৰত প্ৰৱেশ কৰাৰ আগতে দেউৰী কেইজনে শৰী[ৰ] শুচি কৰি লয়। অশুচি শৰীৰেৰে মন্দিৰত প্ৰৱেশ কৰি[ব] নোৱাৰে। অৰ্থাৎ গা-পা ধুইহে মন্দিৰত প্ৰৱেশ কৰে[...] ঘৰত বা বংশত অশৌচ লাগিলেও অশৌচ নভঙালৈকে সে[ই] বংশৰ দেউৰীজনে মন্দিৰত প্ৰৱেশ কৰিব নোৱাৰে। মন্দিৰবিলাকত প্ৰত্যেক মাহেই পূজা হয়। তা[ক] মাহেকীয়া পূজা বোলে। আজিকালি ইয়াৰ অ[...] ব্যতিক্ৰম ঘটা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ ধৰ্ম্ম[...] নাটনি। মন্দিৰবিলাকত হাঁহ কুকুৰা, ছাগলি আদি পূ[জা] দিয়া হয়। কেইবছৰমান আগলৈকে বগা মহৰ বলি[...] দিয়া হৈছিল। অতীজতে মন্দিৰবিলাকত মানুহ বলি দি[য়া] হৈছিল। তাক নৰবলি বুলিছিল।

## উৎসৱ আদি

দেউৰীবিলাকৰ প্ৰধান উৎসৱ পৰ্ব্ব দুটা। বহাগ বি[হু] আৰু মাঘবিহু। ইয়াৰ ওপৰিও তেওঁলোকৰ আন এ[টা] প্ৰধান উৎসৱ পৰ্ব্ব আছে। তাৰ নাম "ন ভাতৰ পূজা[ৰ পৰ্ব্ব"।] ই বিশেষকৈ টেঙাপনীয়া খেলত প্ৰচলিত। এই পূ[জা] হয় যেতিয়া মানুহবিলাকে ধান আদি চপাই অটায়। [...] পূজা হয় শাওন মাহত। কিয়নো সেই মাহত শস্য[...] শস্যৰে ফল মূল পোৱা যায়। মানুহবিলাকেও এই মাহ[ত আহু]ধান চপাই অটায়। এই আহুধান খোৱাৰ উপলক্ষে [...ন] ভাতৰ পূজাৰ পৰ্ব্ব" পতা হয়। মাঘ বিহুত দেউৰী-[...]বিলাকে মেজিও জলায়। সেই বুলি তেওঁলোকে বিহুৰ [...]দিনাই অৰ্থাৎ সংক্ৰান্তিৰ দিনাই বিহু নাপাতে। সংক্ৰান্তিৰ [...] তেওঁলোকৰ কোনো সংশ্ৰৱ নাই। তেওঁলোকে মাহৰ [...] বুধবাৰটোলৈহে বিহু পাতে। সংক্ৰান্তি বুধবাৰে [...]বিলেহে আনৰ লগত মিলে। বহাগ বিহুৰো একে [কথ]া। বহাগ বিহুৱেই সকলোতকৈ ডাঙৰ উৎসৱ। [...]ই বিহু প্ৰায় দুসপ্তাহ থাকে। কিন্তু এই নিয়ম সকলোতে [...]নাই। এই বিহু মাহৰ প্ৰথম সপ্তাহৰ বুধবাৰৰপৰা [শ]ুক্ৰবাৰলৈকে মন্দিৰ ঘৰত হয়। শুক্ৰবাৰৰপৰা [দ্ব]িতীয় সপ্তাহৰ মঙ্গলবাৰলৈকে গাৱঁত হুচৰি গোৱা হয়। [...সপ্ত]াহৰ বুধবাৰে আৰু বৃহস্পতিবাৰে মন্দিৰত বিহু হৈ [...শু]ক্ৰবাৰে কোনো নৈৰ পাৰত চৰা নাও সাজি বিহু [...]কৰায়। বহাগৰ বিহুত তেওঁলোকৰ দেওধনী উঠে। [...বি]হু আটাইকেওখন গাৱঁতে বা মন্দিৰতে নহয়। এই [দ]েওধনীবিলাকে ভবিষ্যৎ বাণী কৰ পাৰে। আৰু [ত]েওঁলোকৰ বাণী সত্য বুলি সকলোৱে বিশ্বাস কৰে। [ত]েওঁলোকৰ বাণী সত্য বুলি বহুতো প্ৰমাণো পোৱা [...]গৈছে।

ইয়াৰ বাহিৰেও দেউৰীবিলাকৰ ৰাতি বিহু আছে। এই [ব]িহু ফাগুন মাহৰপৰা আৰম্ভ কৰি চ'তৰ বিষুৱ সংক্ৰান্তি [...]লৈকে তেওঁলোকৰ বিহুৰ উৰুকাৰ দিনলৈকে হয়। [এ]ই বিহু গোটেইবিলাক দেউৰীয়েই কৰে। এইবিলাক [...]নিয়মৰপৰা বুজিব পাৰি যে দেউৰীৰ মাজত যি নিয়ম [...প্ৰ]ণালী আছে সেই সকলোবিলাক আহোম ৰজাই চুতীয়া [ৰ]াজ্য দখল কৰাৰ লগে লগে তেওঁলোকৰ আচাৰ ব্যৱহাৰ [...চ]ুতীয়াবিলাকৰ মাজত প্ৰচলিত হ'ল। আজিলৈকে [ত]েওঁলোকে জ্ঞানৰ পোহৰ নোপোৱাত সেই একে [অৱ]স্থাতে ঠিহিৰা মাৰি আছে। ইয়াৰ প্ৰমাণ স্বৰূপে [...]দিত বৰদলৈ ডাঙৰীয়াৰ উপন্যাস কেখনেই। দেউৰী-[চ]ুতীয়াবিলাকে আজিও শোক প্ৰকাশ কৰে যে তেওঁলোক [...]দি আহোমৰ লগত সানমিহলি নহলহঁতেন তেন্তে [এ]তিয়াও তেওঁলোকৰ পূৰ্ব্বৰ নীতি নিয়মত থাকিবলৈ পালেহঁতেন। তেওঁলোকৰ মাজত প্ৰচলিত নিয়ম কাৰণ সকলোবিলাক আহোমৰ আৰু তেওঁলোকৰ নিজৰ নীতি নিয়ম ইয়াতকৈ উচ্চ আছিল বুলি কয়। এতিয়া পাহৰণিত পৰি সেইবিলাক সকলো লোপ পালে। সেই হেতুকে তেওঁলোকে আজিকালি আগতে কেনে আছিল তাক ডাঠি কব নোৱাৰে। যি নিয়ম-প্ৰণালী আছে তাতে সন্তুষ্ট।

## আদি কাহিনী

—দেউৰীচুতীয়াবিলাক বিশ্বামিত্ৰ মুনিৰ বংশধৰ বুলি কথিত আছে। ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰই পিতৃসত্য পালন কৰি বনবাসলৈ যাওঁতে শিক্ষাগুৰু বিশ্বামিত্ৰ মুনিও বেজাৰত ব্যাকুল হৈ নানা দেশ ফুৰিবলৈ যায়। গতিকে শ্ৰীৰামচন্দ্ৰই বনবাসৰপৰা ঘূৰি আহি শিক্ষাগুৰুক অযোধ্যাত লগ নাপালে। অশ্বমেধ যজ্ঞত গুৰু অনুপস্থিত থকাত লক্ষ্মণক বিচাৰিবলৈ পঠিয়ালে। লক্ষ্মণে মুনিক অযোধ্যাৰ উত্তৰ পূব "অসম" দেশত লগ পাই অযোধ্যাৰ বাতৰি জনোৱাত মুনিয়ে লক্ষ্মণৰ হাতত টোপোলা এটা দি অযোধ্যাৰ ফালে আগবাঢ়িবলৈ কলে। লক্ষ্মণে বাটত টোপোলা মেলি চাই তাত মাংস দেখি এজোপা গছৰ ডালত আঁৰি থৈ নগৰত ৰামক সকলো জনালেগৈ। ৰামে শাপৰ ভয়ত লক্ষ্মণক পুনৰ গৈ টোপোলাটো আনিবলৈ কলে। লক্ষ্মণে গৈ দেখিলে যে মাংস টোপোলাৰ পৰা গছ পাত হৈ খাদ্য ফল মূলেৰে ভৰি আছে। লক্ষ্মণে সেই ফলমূল আনি যজ্ঞত দিলেহি। ইতিমধ্যে মুনিয়ে নিজ শিষ্যবিলাকক গুণ-মন্ত্ৰ আদি দি আছে। এই শিষ্য সকলেই দেউৰী।

দ্বাপৰ যুগতো কৌণ্ডিল্য ৰাজ্যত দেৱীপূজক বুলিয়েই লিখা আছে। কৌণ্ডিল্যৰ ৰজা আছিল ভীষ্মক। ভীষ্মকৰ দুহিতা ৰুক্মিণীৰ ৰূপ লাৱণ্যৰ জাননী দ্বাৰকালৈ নিওঁতা বেদনিধি এজন দেউৰী আছিল। সেই যুগৰে অসমৰ ৰজা শিশুপাল, ভীষ্মক, বাণ আৰু ভগদত্ত আদি সকলোৱেই ঘোৰ শাক্ত আছিল। ভীষ্মক ৰাজ্যৰ দেৱী পূজকসকলক দেউৰী বুলিছিল। ইয়াৰ প্ৰধান শিশুপাল বধত শ্ৰীকৃষ্ণই শিশুপালৰ দুশ্চৰিত্ৰ বৰ্ণাওতে দেউৰী-

বিলাকক উল্লেখ কৰি গৈছে। এইবিলাক প্ৰমাণৰ পৰাই দেউৰীবিলাকক যে ভীষ্মকৰ বংশধৰ তাক ডাঠি কব পাৰি।

সদিয়া অতি পুৰণি ঠাই। তাৰ প্ৰমাণ ভীষ্মক নগৰৰ "পৰশুৰাম কুণ্ড" "বুঢ়াবুঢ়ী" "তাম্ৰেশ্বৰী" "বলিয়াবাবা" আদি মনোৰম পুৰণি কীৰ্ত্তি আৰু মন্দিৰেই তাৰ সাক্ষ্য দিছে। ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই দেউৰীবিলাক আৰ্য্যৰ এটা ঠাল আৰু তিব্বতেদি আহি উত্তৰ পূব কোণে অসমত সোমায়হি বুলি প্ৰমাণ দিছে। তেওঁ কয় যে সদিয়াৰ নাম স=সপ্ত+দি=নৈ+য়া=মিলিত, সাতখন নৈ যত মিলিছে তাকে সদিয়া বোলা হৈছে। এটা কিংবদন্তি আছে যে দেউৰীবিলাক পূৰ্ব্বতে অৰ্থাৎ অসমলৈ অহাৰ আগেয়ে অমৰ আছিল। শেষত অসমত সোমোৱাৰ লগে লগে তেওঁলোকৰ অমৰত্ব নাশ পায়। সেই গতিকে যত প্ৰথমে শ=মৰা দেহ+দিয়া=এৰা বা ত্যাগ কৰা অৰ্থাৎ আত্মাই শৰীৰক যত ত্যাগ কৰিছিল সেই ঠাইৰ নাম শদিয়া। এতিয়া দেখা গল সদিয়া আৰু শদিয়াৰ পাৰ্থক্য। সুধীবৃন্দই আলোচনা কৰিব। আনমতে চুতীয়া ৰজা ৰত্নধ্বজৰ পুত্ৰৰ সমাধি স্থান বুলি 'পাল—শৱ—দিয়া'=শদিয়া। শ্ৰীযুত আগৰৱালা ডাঙৰীয়াৰ মতে সদিয়া আৰু অভিধানত শদিয়া।

## বুৰঞ্জী

দেউৰীচুতীয়াবিলাক আৰ্য্যৰ এটা ঠাল বুলি বিশ্বাস হয়। কাৰণ আৰ্য্যবিলাক যেতিয়া মধ্য এছিয়াৰপৰা দলে দলে সিচৰতি হৈ যাবলৈ ধৰে তেতিয়া তাৰে এটা ঠালে তিব্বতৰ ফালেদি আহি অসমত সোমায়হি বুলি অনুমান হয়। তাৰ চিন স্বৰূপে দেউৰী চুতীয়াবিলাকে দেৱতাৰ আগত গোৱা স্তৱ-স্তোত্ৰ আৰু প্ৰাতঃ গীতবাজিৰ কিছুমানে তেওঁলোক কোনো ওখ আৰু দুৰ্গম ঠাইৰ পৰা নামি আহিছিল বুলি প্ৰমাণ দিয়ে। তাৰ উপৰিও চুতীয়াবিলাক যে অনেক কালৰ আগৰেপৰা অসমত বসতি কৰি আহিছে তাৰ বহুত প্ৰমাণ পোৱা যায়। আহোম ৰজা চুকাফা যেতিয়া সৌমাৰ পীঠ বা উজনি অসমত সোমায়হি তেতিয়া পোনপ্ৰথমে বৰাহী আৰু মৰাণ জাতীক লগ পায়। বৰাহীৰ ৰজা থাকুমথা আৰু মৰাণৰ ৰজা বদনছাই ( সম্ভৱতঃ বৰোছা ) ৰাজ্য খাইছিল। বৰাহী ৰাজ্য ডিহিং আৰু ডিচাঙৰ মাজত আছিল। এই বৰাহী ফৈদটো চুতীয়াবিলাকৰ এটা খেল। আৰু এতিয়া বৰাহীচুতীয়া বোলে। এই বৰাহীচুতীয়া খেলৰ মানুহ আজিও দেউৰী সম্প্ৰদায়ত আছে। তেওঁলোকে নিজক বৰাহী-চুতীয়া বুলি এতিয়াও চিনাকি দিয়ে। বৰ্ত্তমান তেওঁলোকক বোৰোক-চুতীয়া বোলা হয়। এই খেলৰ মানুহ চুতীয়াবিলাকৰ মাজতো আছে বোলা শুনা যায়। এই ফৈদৰ বিষয়ে এটা আমোদজনক পৌৰাণিক ইতিবৃত্ত আছে। অতীজতে তেওঁলোক অমৰ আছিল নাইবা কাচিৎহে কোনো মানুহ মৰিলে মৃতকৰ ... কৰা দহা শৰাধ আদিত মানুহে ভোজ আদি পায়। বৰাহী চুতীয়াবিলাকৰ মানুহ নমৰাত বহু দিনলৈকে ভোজ খাবলৈ নাপাইছিল। কিন্তু বাকীবিলাক ফৈদৰ মানুহ মৰাত সিহঁতৰ ভোজ আদি খোৱা দেখি তেওঁলোকে ভোজ খাবলৈ হেপাহ কৰি এদিন এটা ছাগলি মাৰি গৈ ছাগলিটোকে কোনো এজন বংশৰ মুখিয়াল মানুহ মৰিল বুলি হুৰাওবাৰে কান্দি কাটি শ্মশানত গোৱাঁই ফৈদৰ মানুহবিলাকে মিলি ছাগলিৰ মৰাশটো নিধৰি দি আহে গৈ। তাৰ পিছত দহা আদি পাতি ধুন-ধাম ভোজ আদি খালে। তেতিয়াৰপৰা ছাগলি তেওঁলোকৰ ককাক হল। সেই হেতুকে তেওঁলোকে কেতিয়াও ছাগলি নাখায়। ইয়াৰপৰা ধৰিব পাৰি যে চুতীয়াবিলাক বৰ বলী আৰু স্বাস্থ্যৱান আছিল। সেই কাৰণে তেওঁলোকৰ মৃত্যু সংখ্যা ইমান কম আছিল। এই বৰাহী-চুতীয়া ফৈদটো সকলো দেউৰীতকৈ মানী বুলি বহুতে কয়। তাৰ প্ৰমাণ মৰাশ খৰি দিয়াৰ দ্বাৰা পোৱা যায়। বৰাহীচুতীয়াবিলাকে সাত জাপ খৰি আৰু আনবিলাক দেউৰী ফৈদে ছয় ছয়জাপ খৰি দিয়ে। চুতীয়াবিলাকে পূৰ্ব্বৰেপৰা মৰা শ দাহ কৰিছিল। আহোমবিলাকে মৰা বৈষ্ণৱ ধৰ্ম্ম গ্ৰহণ কৰিবৰ পৰাহে দাহন কাৰ্য্য কৰিলে। কিয়নো আগৰ কালৰ আহোম ৰজাৰ মৈদামবোৰেই তাৰ সাক্ষী। চুতীয়াবিলাকে মৰা শ দাহ কৰে বুলি সকলোবিলাক শৱক দাহ নকৰে। বয়সিয়াল মানুহকহে দাহ কৰে।

সোৱণশিৰি নৈৰ আগলিত, 'স্বতি' নামে এটি সৰোবৰ আছে। এইটো ঠিৰাং কৰিব পাৰি যে তাৰ পাৰত বাস কৰাৰপৰাই চুতীয়া জাতিৰ নাম স্বতীয়া বা চুতীয়া হব পাৰে। ইয়াৰ পাছতো সদিয়াত তেওঁলোকে বাস কৰিব পাৰে।

দেউৰী চুতীয়াবিলাকৰ আদি মন্দিৰৰ নাম "বুঢ়াবুঢ়ী"। এই মন্দিৰৰ বিৱৰণৰপৰা বুজা যায় যে এই মন্দিৰ স্থাপন কৰোঁতা আৰু পূজাৰীসকল নিশ্চয় আৰ্য্য আছিল। ৰায়বাহাদুৰ শ্ৰীযুত আগৰৱালা ডাঙৰীয়াই এই মন্দিৰ অতি পুৰণি আৰু পৱিত্ৰ আৰু আৰ্য্যবিলাকৰ আছিল বুলি দেখুৱাইছে।

**বুঢ়া-বুঢ়ী আৰু তাম্ৰেশ্বৰী মন্দিৰৰ পৌৰাণিক ইতিবৃত্তৰ সমালোচনা :—** দক্ষ ৰজাৰ জীয়াৰী সতীয়ে স্বামী নিন্দাৰ সন্তাপত দেহ ত্যাগ কৰিছিল। পগলা হৰে মৰাশটোলৈ কান্দি ফুৰে আৰু সেই শৰীৰৰ পৰা ৫১ টা পীঠৰ সৃষ্টি হয়। তাৰে মূৰ ডোখৰ সদিয়াত পৰে। এই সম্পৰ্কে এফাঁকি গীত আছে ;—

"গুৰত গুৰুহা হাজত ককালি
পাট সদিয়াত মূৰ।"

অৰ্থ,—গুৰুত গুৰুহা=গুৱাহাটিত গুৰুহা, হাজত ককালি=বোধহয় হাজো আদি নামৰ ঠাইত ককাল আৰু পাট সদিয়াত মূৰ। গুৱাহাটীত গুৰুহা পৰাৰ পৰা গুৱাহাটীত কামাখ্যা মান্দিৰ আৰু সদিয়াত মূৰ পৰাৰ কাৰণে সদিয়াত বুঢ়া-বুঢ়ী মন্দিৰ প্ৰতিষ্ঠিত হয়। চুতীয়া ভাষাত বিচাৰলৈ গলে বুঢ়া-বুঢ়ী—গিৰিছি-গিৰা আৰু সংস্কৃতৰ অপভ্ৰংশ গিৰিজায়া আৰু গিৰিৰাজ ( শিৱ-পাৰ্ব্বতী )। দেউৰী-চুতীয়াসকলৰ মতে এয়ে বুঢ়াবুঢ়ী দেৱালয়ৰ বিৱৰণ। এইদৰে এসময়ত দুৰ্গাদেৱী শিলা স্বৰূপে দেওপানী নদীত ওপঙি আহিছিল। সেই দুৰ্গাদেৱীক কোনো মানুহেই নিব নোৱাৰিলে। শেষত চুতীয়াসকলৰ জনা-বুজা লোক আহি উচিত মতে তুতি-নতি কৰি স্তৱ-স্তোত্ৰ আদি গোৱাত দুৰ্গা মাতৃ নিজে পাতল হয়। তেতিয়া চুতীয়াসকলে দোলা কৰি সেই শিলাৰূপী মাতৃক লৈ গল। সেই কালৰেপৰা এই স্তুতি-নতি কৰোঁতা আৰু দোলা কঢ়িওৱা চুতীয়াসকলৰ বংশধৰসকল দেউৰী হ'ল। যি সকলে দেৱতাৰ বিষয়ে বিশেষকৈ জানিছিল তেওঁলোকেই দেউৰী। দেৱ+ৰী ( ( জানোতা ) যেনে পূজাৰী।

শ্ৰীযুত ৰজনীকান্ত বৰদলৈ বি, এ ডাঙৰীয়াৰ "তাম্ৰেশ্বৰী মন্দিৰ" নামৰ প্ৰবন্ধৰ মত এইদৰে,—"শদিয়া" অঞ্চলত কুণ্ডিলপানী নামেৰে এখন নৈ আছে। নৈখন উত্তৰৰপৰা দক্ষিণলৈ বোৱা। ব্ৰহ্মপুত্ৰত পৰা মুখৰপৰা প্ৰায় এটি বিঙৰ বাট উটানে নৈৰ পাৰত "বজিয়া বাবাৰ" থান আছে আৰু ইয়াৰ সাত কি আঠ ক্ৰোশ উজনিত প্ৰসিদ্ধ তাম্ৰেশ্বৰী মন্দিৰ। ওপৰৰ চালখন তামৰ আৰু বেৰবিলাক শিলৰ আছিল। এই মন্দিৰৰ ভিতৰত এটি শিলৰ দেৱী মূৰ্ত্তি। চুতীয়া আৰু দেউৰীসকলে এই দেৱীক "তামাৰ মাই" বোলে। প্ৰবাদ আছে যে এই দেৱী মূৰ্ত্তি মহাভাৰতৰ বিখ্যাত ভীষ্মক ৰজাৰ অধিষ্ঠাত্ৰী দেৱী আছিল। ভীষ্মকৰ পিছৰ ৰজাসকল ক্ৰমশঃ দুৰ্ব্বল হোৱা কালত ওপৰৰ পৰ্ব্বতৰপৰা নামি অহা মিছিমিসকলে চুতীয়াসকলৰ আৰু তেওঁলোকৰ আৰাধ্যা দেৱী মূৰ্ত্তিৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰাত এই মূৰ্ত্তিখনি হেনো ডিবং নৈৰ পানীত ডুবি আছিল। পিছত চুতীয়াসকলৰ ৰজা ৰত্নপাল পৰাক্ৰমী হৈ উঠিলত এদিন হেনো এই শিলৰ মূৰ্ত্তি নৈৰ পানীত ওপঙি উঠিছিল। পিছত এই মূৰ্ত্তিক হেনো হিন্দু আৰু আন আন জাতিৰ মানুহে তেওঁলোকৰ মন্দিৰত স্থাপিত কৰিবলৈ চেষ্টা কৰিও কেৱে নিব নোৱাৰিলে। আন কি মূৰ্ত্তিটিক ওপঙি উঠা ঠাইৰপৰা লৰাবকে নোৱাৰিলে। পিছত যেতিয়া চাৰিজন চুতীয়া বীৰে এই দেৱীক কাকুতি মিনতি কৰিলে তেতিয়া হেনো দেৱী মূৰ্ত্তি পাতল হ'ল। সেই চাৰিজন চুতীয়াই মূৰ্ত্তিটিক দোলাত তুলি লৈ গৈ তেওঁলোকৰ ঠাইত থাপি সেই ঠাইৰ ওপৰত তামৰ চাল আৰু শিলৰ বেৰ দি এটা মন্দিৰ সাজিলে। তেতিয়াৰে পৰা চুতীয়া কাঁড়ীৰবেই তাম্ৰেশ্বৰী মাতৃৰ বৰদেউৰী, সৰু দেউৰী, বৰ ভৰালী, সৰু ভঁৰালী ইত্যাদিৰূপে পূজক আৰু. সেৱা চলোৱা হ'ল।......................" এতিয়া

দেখা গল যে দেউৰী চুতীয়াবিলাকৰ "বুঢ়াবুঢ়ী" মন্দিৰৰ মত আৰু শ্ৰীযুত বৰদলৈ ডাঙৰীয়াৰ "তাম্ৰেশ্বৰী মন্দিৰৰ" মত একে। কিন্তু এইটো বিশ্বাস হয় যে যদি বৰদলৈ ডাঙৰীয়াই কোৱামতে তাম্ৰেশ্বৰী মন্দিৰেই সৰাতকৈ পুৰণি তেনেহলে সেই মন্দিৰৰ মূৰ্ত্তিটি "বুঢ়াবুঢ়ী" মন্দিৰৰ মূৰ্ত্তিয়েই। শ্ৰীযুত বৰদলৈ ডাঙৰীয়াৰ মতটো দেউৰী চুতীয়াবিলাকে মানিবলৈ অক্ষম। আৰু যিমান দূৰ তেওঁলোকে জানে বুঢ়াবুঢ়ী মন্দিৰৰ মূৰ্ত্তিয়েই সকলোতকৈ পুৰণি বুলি বিশ্বাস কৰে। ইয়াৰ উপৰিও দেউৰীচুতীয়াবিলাকে যি দেৱতাক পূজা কৰে সেই সকলোবিলাক দেৱতাৰ আদিতে "বুঢ়াবুঢ়ী"। গতিকে এই মূৰ্ত্তিয়েই যদি দেউৰীবিলাকৰ প্ৰথম দেৱীমূৰ্ত্তি হয় তেন্তে শ্ৰীযুত বৰদলৈ ড'ঙৰীয়াই কোৱা দেৱী মূৰ্ত্তিটিও "বুঢ়াবুঢ়ী" মন্দিৰৰ মূৰ্ত্তি বুলিয়েই বিশ্বাস হয়।

শ্ৰীযুত বৰদলৈ ডাঙৰীয়াৰ প্ৰবন্ধতে এইদৰে লিখা আছে,—তাম্ৰেশ্বৰী মন্দিৰৰ পূজা পাতল চলাবলৈ ব্ৰাহ্মণ বা আন কোনো হিন্দুৰে একো অধিকাৰ নাছিল আৰু আজিও নাই। দেউৰীসকলেই পূজাৰী, আঠপৰীয়া, পচাতোলা, বলিকটা আদি সকলো কাম কৰিছিল। এই তাম্ৰেশ্বৰী মন্দিৰত বছৰি দুৰ্গোৎসৱৰ সময়ত হাঁহ, পাৰ ছাগলি, মহ আদি আৰু অষ্টমীৰ দিনা অন্ততঃ এটা নৰবলি দিয়া হৈছিল। এই অনুষ্ঠানৰ আদিতে নৰবলিত নৰহত্যাকাৰী বা ৰাজদ্ৰোহী অপৰাধীকেহে বলি দিয়া হৈছিল। পিছলৈ বছৰি একোটা দোষী মানুহ নোপোৱা হ'লত দেউৰীসকলৰ নিবেদনত আহোম ৰজাই চুতীয়াসকলৰ এখেল মানুহক "ৰাড়খেল" নাম দি আৰু নিকৰ মাটি বাৰী দি এই "ৰাড়খেল"ৰপৰা একোটা নিযুগী অবিবাহিত উপন ডেকাক "তামাৰ মাই"ৰ আগত বলি দিয়াৰ নিয়ম কৰি দিছিল। দুৰ্গোৎসৱৰ সময়ত এই তাম্ৰেশ্বৰী মন্দিৰত নৰবলি চাবলৈ পশ্চিমৰপৰা ৰাজগড় আলিয়েদি অনেক কৰ্ম্মচাৰী তান্ত্ৰিক আহিছিল। আৰু পৰ্ব্বতবিলাকৰ ওপৰৰপৰাও মিছিমি, খামটি, আবৰ ইত্যাদি পৰ্ব্বতীয়া জাতিৰ মানুহো আহিছিল। তাম্ৰেশ্বৰী মন্দিৰৰ দেউৰীবিলাকক যে আন মানুহে ভয় কৰিছিলেই আন কি আহোম ৰজাইও ভয় কৰিছিল আৰু দেউৰী-বিলাকে বছৰি ৰজাক নিৰ্ম্মালি দি আশীৰ্ব্বাদ কৰিবলৈ আহোতে ৰজাই থিয় হৈ দেউৰীসকলক অভ্যৰ্থনা জনাইহে নিজৰ আসন গ্ৰহণ কৰিছিল। এই বিষয়ে W. B Brown B. A. I. C. S. ছাহাবে তেওঁৰ Deori Chutia Language নামৰ পুথিৰ পাতনিত এইদৰে লিখিছে—"It is said that the Deoris were treated with much respect by the Ahom Rajas. They were exempted from service and provided with guards and slaves, It is said that when any Hindu Gosain appeared before the Raja the latter remain seated while the Gosain put the garland on his neck and gave the blessings, but when the four Chief Deoris paid their visit to the Ahom court, the Raja rose and stood before them to receive their salutation." এইবিলাকৰপৰা বুজিব পাৰি যে সেই সময়ত দেউৰীবিলাকৰ কিমান প্ৰতাপ আছিল।

আহোমবিলাকে যে দেউৰীবিলাকক ভয় আৰু ভক্তি কৰিছিল আৰু সেই সময়ত দেউৰীবিলাকৰ প্ৰভাৱ কিমান আছিল তাৰ প্ৰমাণ মৌখিক হিচাবেও পোৱা যায়। শিৱসাগৰ মহকুমাৰ অন্তৰ্গত ডিহিং মুখৰ নিতাই পুখুৰী নামে এটা পুখুৰী থকাটো সকলোৰে বিদিত। আহোম কোঁৱৰ নিতায়ে খনাৰ বাবেই হেনো ইয়াৰ নাম নিতাই পুখুৰী হ'ল। এই প্ৰবাদটো সকলোৱে বিশ্বাস কৰে। নিতাই কোঁৱৰে এই পুখুৰীটো খনাওতে বাটৰ বাটৰুৱা সকলোকে ধৰি আনি পুখুৰীৰ মাটি একোচপৰাকৈ পেলোৱায়। দেউৰীবিলাকেও নিৰ্ম্মালি লৈ ৰংপুৰত আহোম ৰজাক দিবলৈ আহোঁতে বাটতে নিতাই কোঁৱৰে পাই তেওঁলোকৰ হতুৱাই মাটি পেলোৱাবলৈ বাধ্য কৰায়। দেউৰীবিলাকেও মাটি পেলাবলৈ বাধ্য হয়। কিন্তু তেওঁলোকে নেগুৰৰ বিষ নেপাহৰিলে। যেতিয়া তেওঁলোকে ৰজাৰ কাষেং পালেগৈ ৰজাক নিৰ্ম্মালি দি উপহাৰ খুজিলে। তেওঁলোকে উপহাৰ বিচাৰোতে দেশত প্ৰলয় আদি হব বুলি ৰজাক জনায়। আৰু কলে যে যদি ৰজাই তেওঁৰ অতি প্ৰিয় বস্তু এটা উপহাৰ দিয়ে তেহে প্ৰতিকাৰ হব পাৰে। ৰজাই দিবলৈ মান্তি হোৱাত দেউৰীবিলাকে তেওঁৰ অতি মৰমৰ পুতেক নিতাই কোঁৱৰক তেওঁলোকৰ দেৱালয়ৰ আগত বলি দিবলৈ খোজে। ৰজাই এই কথাত মৰ্ম্মান্তিক বেজাৰ পালে। ইফালে প্ৰতিজ্ঞাকৃত উপহাৰ নিদিও নোৱাৰি দেউৰীবিলাকে দিয়া নিৰ্ম্মালি পুত্ৰৰ শোকত গ্ৰহণ নকৰি জয়সাগৰত পেলাই দিলে। জয়সাগৰত নিৰ্ম্মালি পেলাই দিয়াত জয়সাগৰৰ পানীৰ খলকনি লাগি লাগি পাৰ ভাঙি ওলাই গৈ জান এটা কৰি হেনো দিখৌ নৈত পৰে গৈ। শিৱসাগৰ মহকুমাৰ ফুলপানীছিগ নামৰ জানটিৰ লগত ইয়াৰ সম্বন্ধ আছে বুলি কয়। দেউৰীবিলাকে ৰজাৰ নগৰৰপৰা ঘূৰি আহি নিতাই কোঁৱৰক নিতাই পুখুৰীতে ধৰি তেওঁলোকৰ দেৱতাৰ নাম লৈ বলি দিয়ে। বলি দি নিতাই কোঁৱৰৰ কটা মূৰটো সদিয়ালৈ লৈ গৈ তাৰ মন্দিৰৰ দুৱাৰ মুখৰ আগতে পোতেগৈ। এইদৰেই দেউৰীবিলাকে নিতাই কোঁৱৰৰ অত্যাচাৰৰ প্ৰতিশোধ লয়। বাকী গা ডোখৰ নিতাই পুখুৰীৰ ওচৰতে কবৰ দিয়ে। আজিও তাৰ চিন স্বৰূপে নিতাইকোঁৱৰৰ মৈদাম আছে। পুখুৰী আধা খনা হৈয়ে ৰ'ল। এতিয়াও পুখুৰীৰ চাৰিওটা পাৰ একে সমান নহয়। এটা প্ৰবাদ আজি ভালেমান দিনলৈকে চলি আহিছিল কিন্তু এতিয়া সেই প্ৰবাদটোৰ কোনো সত্যতা থকা দেখা নাযায়। প্ৰবাদটো এই,—নিতাই কোঁৱৰক দেউৰীবিলাকে বলি দিয়াৰ কাৰণে তেওঁলোকৰ কাৰণে সেই পুখুৰীৰ পানী অশুচি। সেই গতিকে সেই পুখুৰীৰ পানী খোৱাটো তেওঁলোকৰ মতে পাপ। কিন্তু আজিকালি তেওঁলোকে তাৰ পানী ব্যৱহাৰ কৰে। পানী ব্যৱহাৰ কৰিলেও তেওঁলোকৰ মুখে উল্লেখিত প্ৰবাদটো শুনিবলৈ পোৱা যায়। ই কিমান দূৰ সত্য আমি কব নোৱাৰো।

তাম্ৰেশ্বৰী মন্দিৰ আৰু সদিয়াত থকা মন্দিৰবিলাকেই যে সকল দেউৰীবিলাকৰ মন্দিৰ আছিল এনে নহয়। তেওঁলোকৰ গুৱাহাটীৰ কামাখ্যা মন্দিৰতো যথেষ্ট ক্ষমতা আছিল। কিন্তু আজিকালি দেউৰীবিলাকৰ তাত কোনো প্ৰভুত্ব নাই। কামাখ্যা মন্দিৰৰ আদি পূজাৰীবিলাকো দেউৰী আছিল বুলিয়েই আজিকালি দেউৰীচুতীয়াবিলাকে কয়। সেই পূৰ্ব্বৰ পূজাৰীবিলাকৰ বংশধৰ আজি দেউৰী চুতীয়া সম্প্ৰদায়ত আছে। তেওঁলোকে আজিও কামাখ্যা মন্দিৰ তেওঁলোকৰ আছিল বুলি দাবী কৰে। আন নহলেও আগত উল্লেখিত গীত ফাঁকিয়ে কামাখ্যা মন্দিৰ দেউৰীবিলাকৰ বুলি সাক্ষ্য দিয়ে।

### তাম্ৰেশ্বৰী মন্দিৰৰ কথা

দেউৰীচুতীয়াবিলাকৰ মন্দিৰৰ ভিতৰত তাম্ৰেশ্বৰী মন্দিৰেই প্ৰধান আছিল। ইয়াৰ ধ্বংসাৱশেষ এতিয়াও আছে। মেজৰ হোন ছাহাবে লিখা বিৱৰণৰপৰা জনা যায় যে সেই মন্দিৰত কামাখ্যা আৰু যোনি, শিৱ আৰু লিঙ্গ উভয়ৰে পূজা চলিছিল। তেওঁ ইয়াৰ প্ৰাচীৰত কটা বিষ্ণুৰ অৱতাৰবিলাকৰ মূৰ্ত্তি আৰু বাটচৰাত ইন্দ্ৰৰ ঐৰাৱতৰ দৰে এটা হাতী দেখি অনুমান কৰিছিল যে এই দেৱালয়টো বুঢ়াবুঢ়ী দেৱালয়তকৈ বহুত পাছে সজা। কাপ্তান ভেছ ছাহাবে এই তাম্ৰ মন্দিৰ চাই আহি এইদৰে বিৱৰণ দিছে যে এই মন্দিৰটো এটা শিলেৰে গঁথা বৰ্গৰ আকাৰৰ এটা সৰু ঘৰ। শিলবিলাক লোৰ শলাৰে গঁথা। মন্দিৰৰ চালখন তামৰ আছিল। কিন্তু এতিয়া মাটিত বাগৰি পৰি তাতে আছে। ভিতৰখন ইটাৰ। দীঘলে ৮ ফুট পথালিয়ে ৮ ফুট মাথোন। এই মন্দিৰৰ চাৰিওফালে ইটাৰ প্ৰাচীৰ আছিল। এই প্ৰাচীৰ বা গড় দীঘলে ২০০ ফুট পথালিয়ে ১৩০ ফুট আছিল।

এই মন্দিৰৰ ক্ষমতা আজিকালিও যথেষ্ট আছে। ইয়াক চাবলৈ দেউৰীচুতীয়াবিলাকে প্ৰায়ে গৈ থাকে।

### খেলবিভক্তি

দেউৰীবিলাক চাৰি খেলত বিভক্ত। থকা ঠাই আৰু তেওঁলোকৰ আৰাধ্য দেৱতাৰ নাম অনুসৰি খেলৰ ভাগ চাৰিটা হয়। খেলৰ নাম :—

১। টেঙাপনীয়া

২। বৰগঞা

৩। দিবঙ্গীয়া

৪। পাটবগঞা

এই চাৰি খেলৰ ভিতৰত প্ৰথম তিনি খেল আজিও আছে। শেষৰ পাটবগঞা খেলৰ কোনো গাওঁ বা মানুহ আছে বুলি আমি জানিবলৈ নাপাওঁ। কোনো কোনোৱে কয় যে পাটবগঞা খেলৰ মানুহ বৰগঞা খেলতে কিছু সানমিহলি হৈ আছে। তেওঁলোকে নিজৰ নাম আৰু খেল এৰি যি গাঁৱত আছে সেই গাৱঁৰ মানুহবিলাকৰ যি খেল সেই খেলতে মিলি গৈছে। সেই গতিকে তেওঁলোকক বাছি উলিওৱাটো কোনো উপায়ে সহজ নহয়, যেতিয়ালৈকে নিজে চিনাকি নিদিয়ে। ইয়াৰ উপৰিও দেউৰীচুতীয়া সম্প্ৰদায়ৰ মানুহ শিৱসাগৰ মহকুমাৰ অন্তৰ্গত বেটবাৰী মৌজা আৰু বকটা মৌজাত আছে বুলি শুনা যায়। তেওঁলোকে আজিকালি দেউৰীচুতীয়া সম্প্ৰদায়ৰ আচাৰ-ব্যৱহাৰ এৰি যি যি সমাজত আছে সেই সেই সমাজৰ আচাৰ-ব্যৱহাৰ লৈ সেই সমাজৰ মানুহ হৈ পৰিছে। তেওঁবিলাকেও নিজে চিনাকি নিদিলে আমি কোনোমতে জানিব নোৱাৰো।

১। টেঙাপনীয়া খেল :—টেঙাপানী নৈৰ দাঁতিত বাস কৰাৰ কাৰণে তেওঁলোকক টেঙাপনীয়া বোলা হৈছিল। তেওঁলোকৰ বসতি শিৱসাগৰ অঞ্চলৰ অন্তৰ্গত থকা গাঁও কেখনত। খোৱাঙৰ ওচৰত থকা ডিব্ৰুগৰ অঞ্চলৰ কলৌলোৱা গাওঁখনো এই খেলৰে। মুঠতে এই খেলৰ চাৰিখন গাওঁ আছে বুলিব পাৰি।

(ক) টেঙাপনীয়া গাওঁ আৰু ইয়াৰ লগালগিকৈ আমলখী গাওঁ।

(খ) ঘেলিঘেলি গাওঁ।

(গ) কলৌলোৱা গাওঁ। এইখন গাওঁ খোৱাঙৰ পৰা তিনি মাইল দূৰত। তেওঁলোকে "বলিয়া বাবা" বা "বলিয়া মাতাক" পূজা কৰে। তেওঁলোকৰ ফৈদ এই কেইটা :—

(১) মাচিয়টিকা—বৰদেউৰী

(২) বিক্ৰমীয়া ( বা থামাগুটিকা )—সৰু দেউৰী

(৩) খুটিয়টিকা ( বা বৰাহীচুতীয়া ) } বৰ ভৰালী / সৰু ভৰালী

(৪) ফাকুয়টিকা—

(৫) চিনাবাৰীয়—বাৰিক

(৬) ফাগি মেগেৰাটিকা—

(৭) চাকুচা—মূৰ ধৰা।

তেওঁবিলাকৰ এই সাত ফৈদৰ মানুহ পূৰ্ব্বৰেপৰা আছে।

২। বৰগঞা খেল :—বৰগাৱঁত বসতি কৰাৰপৰা বৰগঞা খেলৰ নামৰ উৎপত্তি। তেওঁলোকৰ বৰ্ত্তমান গাওঁ মুঠতে এখন। সিও শিৱসাগৰ অঞ্চলৰ দিহিং নৈৰ টেঙাপনীয়া আৰু ঘেলিঘেলি গাৱঁৰ দুমাইল দুমাইল আঁতৰত দুয়োখন গাৱঁৰ মাজত অৱস্থিত। তেওঁলোকে তাম্ৰেশ্বৰী মন্দিৰৰ কেচাইখাতী গোসানীক পূজা কৰে। এইহেতুকে অনুমান কৰে যে পাটবগঞা খেলৰ মানুহ এই বৰগঞা খেলতে সানমিহলি হৈ আছে। দুখৰ এতিয়া অলপ পৰিচয় পোৱা যায়। বৰ্ত্তমান বৰগঞা খেলতে মিহলি হৈ যোৱাত তেওঁলোকৰ অস্তিত্ব হেৰুৱালে।

বৰগঞা খেলৰ সাতোটা ফৈদ :—

(১) ইকোছাৰো—বৰদেউৰী

(২) লুফাৰু—সৰুদেউৰী

(৩) গুছাৰু—বৰভৰালী } এই দুই ঘৰৰ পৈত্ৰিক সম্বন্ধ।

(৪) সিজাৰু—সৰু ভৰালী

(৫) খাটোৱাল বৰা—লুফাৰু ঘৰৰ লগত পৈত্ৰিক সম্বন্ধ।

(৬) বাৰিক।

(৭) মূৰধৰা।

৩। দিবঙ্গীয়া খেল :—দিবং নৈৰ পাৰত বসতি কৰাৰপৰাই দিবঙ্গীয়া খেলৰ উৎপত্তি। আটাই কেইটা খেলতকৈ এই খেলৰ লোকসংখ্যা বেছি। সকলোৰে বসতি প্ৰায় লক্ষীমপুৰ অঞ্চলৰ অন্তৰ্গত। যোৰহাট অঞ্চলত থকা গাওঁ দুখনো এই খেলৰে। এই খেলৰ মানুহবিলাকে দেউৰীচুতীয়া ভাষা বা দেউৰী দোৱান কয়। এই খেলৰ কোনো মানুহে দোৱান নজনা নাই। সকলোৱে



...ৰেত। তেওঁলোকে সাধাৰণতে দোৱানেৰে কথা-বতৰা ...ত। দেউৰীচুতীয়া ভাষাক সকলোৱে সহজ বুলি ...ৰিব পাৰে। কিন্তু যিমান ভবা হয় সিমান নহয়। ...ৰ কথা-বাৰ্ত্তাবিলাক বুজি নেপালেও ভাষা কোৱা ...নিলৈ বৰ মধুৰ। কি কাৰণে কব নোৱাৰি এই হেন ...পূৰুৱীয়া ভাষা এটা ৪ খেলৰ ভিতৰত মাত্ৰ এখেলতহে ...ৱী হৈ থাকিল। তাৰ কাৰণে অৱশ্যে তেওঁলোক ...শংসাৰ পাত্ৰ। এওঁলোকৰ সকলোতকৈ ডাঙৰ ...ওঁৰৰ নাম নাৰায়ণপুৰ। এইখন উত্তৰ লক্ষীমপুৰৰ ...ত। এওঁলোকে "বুঢ়া-বুঢ়ী" বা "গিৰাছি গিৰা"ক ...া কৰে।

এই খেলৰ ফৈদ ১২টা।

(১) সুন্দৰিও } বৰদেউৰী আৰু

(২) পাটৰিও } সৰুদেউৰী দুজন।

(৩) আইৰিও } বৰ ভৰালী আৰু

(৪) কমতা } সৰু ভৰালী দুজন।

(৫) শিঙি গাওঁ বাৰিক।

এই কেইটা ফৈদকে প্ৰধান বুলিব পাৰি। ইয়াৰ ...ৰিও

(৬) মৰা

(৭) তেহাৰিও

(৮) নাগাশে

(৯) লুকাও

(১০) কুমাৰ

(১১) কলীয়া চকু

(১২) শুক্ৰাং

ইত্যাদি ফৈদ আছে।

তেওঁলোকৰ আচাৰ-ব্যৱহাৰৰ লগত বাকী কেইটা খেলৰ অলপ পাৰ্থক্য আছে। সমাজৰ ৰীতি-নীতি হিছাবে আটাই কেউটা খেল একে। তাত অলপমানো খুঁট নাই বুলিব পাৰি।

দেউৰীচুতীয়সকলক সৰলচিতীয়া আৰু সুখে স্বচ্ছন্দে বাস কৰে বুলি সকলো সমাজেই কয়। ই যদিও ষোলকলাই সত্য নহয় অথচ তিনিভাগৰ দুভাগ প্ৰায়েই সঁচা বুলি মানিব লাগিব। নহলে তেওঁলোকৰ প্ৰতি অন্যায় কৰা হব। এটা মানুহৰ ভাব আছে যে দেউৰী-বিলাক চহকী। কিন্তু বৰ দুখৰ বিষয় বৰ্ত্তমান তেওঁলোকৰ অৱস্থালৈ চালে অতি বেজাৰৰ বিষয় হৈ পৰে।

আজি তেওঁলোকৰ সেই জন সমাজত প্ৰচাৰিত আখ্যান বজাই ৰাখিবলৈ অপাৰগ হৈছে। ইয়াৰ প্ৰকৃত কাৰণ কি তাক বিচাৰ কৰা বৰ কঠিন বিষয়। বিশেষকৈ বৰ্ত্তমান অৰ্থ সমস্যাই ইয়াৰ এক কাৰণ বুলিব পাৰি।

তেওঁলোকৰ একোখন একোখন গাওঁ দেখিলে আচৰিত হব লাগে যে এই হেন শিক্ষাত পিছপৰা জাতি এটাই কেনেকৈ ইমান ডাঙৰ ডাঙৰ গাওঁ পাতি সমিল-মিলেৰে থাই বৈ সুখে সন্তোষে আছে। ইয়াৰ কাৰণ তেওঁলোক সৰলচিতীয়া, সমাজপ্ৰীয় আৰু লগতে তেওঁলোকৰ পৰিয়ালৰ আৰু সমাজৰ মাজত অকপটীয়া স্নেহ সততে বিৰাজমান।

# মায়াপুৰী

কবিতা ]

শ্ৰীযুত ভৱানন্দ ৰাজখোৱা

সেইদিনা শৰতৰ দোকমোকালিতে
কোনে জানো ফুলনিত
সিঁচিলে শেৱালি !

ফুলৰ মাধুৰীভৰা জুৰ মলয়াত
খঞ্জনী পখিটি উৰে
সুৰ তুলি তুলি।

ফুলনি মাজতে মই আছিলো তেতিয়া
শেৱালিৰ পৰশত
নাচিলে পৰাণ ;

সিদিনাৰেপৰা গাওঁ কিমান ৰঙেৰে
কুমলীয়া শেৱালিৰ
জীৱনৰ গান।

ৰচিছিলো উলাহৰ সোণৰ সপোন—
বসন্তত ধৰাখনি
হ'ল মধুপুৰী

সুখে ভৰা শৰতকে আৱাধি থাকিম
জীৱনত শেৱালিক
নাযাওঁ পাহৰি।

ভাগি গ'ল সেই মোৰ সোণৰ সপোন
বসন্তৰ পৰশত
ফুলে কত ফুল !

ফুলি আৰু কেতেকীৰ শুনি সুখ গান
দেখা দিলে সখি মোৰ
জীৱনত ভুল।

শেৱালি ফুলক মই পাহৰি পেলালো,
দেখা পাওঁ যেতিয়াই
ৰাঙলী সবিতা,

ফুলনি মাজত বহি মাধৱীকুঞ্জত
লিখো মই গোলাপৰ
জীৱন কবিতা।

হঠাতে এদিন দেখোঁ পৰাণত মোৰ
ফুলিল শেৱালি ফুল
গোলাপ কুৱঁৰী ;

শৰতৰ বসন্তৰ মধুৰ মিলন
খঞ্জনী কেতেকী ফুলি
গালে সুৰ ধৰি।

বুবুজিলো সুন্দৰৰ করুণা অপাৰ
কিয় বাৰু মায়াপুৰী
ৰচিলে হিয়াত ;

বোৱালে প্ৰেমৰ তাতে পূত মন্দাকিনী
হালি জালি দুয়োপাৰে
ফুলে পাৰিজাত।

সিদিনাৰে পৰা মই চেনেহৰ সখি !
বিশ্বৰ বন্দনা-গান
গাওঁ সুৰ ধৰি ;

সকলো আপোন মোৰ—সকলো সমান
সুন্দৰৰ কোনো দান
নাযাওঁ পাহৰি।

———

# কৃষ্ণকুমাৰী

( আগৰ সংখ্যাৰ পাছৰপৰা )

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী

## পঞ্চম অঙ্ক

### ২য় দৃশ্য

অন্তঃপুৰৰ উদ্যান—বহিৰ্ভাগ

কাল—প্ৰভাত

[ কৃষ্ণাৰ প্ৰৱেশ আৰু গীত ]

গান

মোৰ, সুখৰ সপোন—জোনোৱালী হাঁহি
ভাগি গ'ল ভগৱান।
মৰমৰ বীণ নাবাজে গহীন
সুতলে শুৱলা তান।
অন্তৰ ভেদি উঠে হাহাকাৰ,
পৰাণৰ দীপ নজলিব আৰু,
জীৱন-মাধুৰী. অমিয়া-নিজৰা
আজি হ'ল অৱসান।
আশাৰ জেউতি হৈছে বিলীন,
স্মৃতি পৰি ৰ'ল—অকৰুণ, খীণ,
নৱ ফাগুনৰ মলয়া পৱনে
গালে বিষাদৰ গান।

( প্ৰস্থান )

(গান প্ৰায় শেষ হবলগা হোৱাত যুৱনদাসৰ প্ৰৱেশ
আৰু আঁৰত এখন্তেক অৱস্থান।)

ৱন—সুৰৰ বিজুলী ৰেখা,
সঙ্গীতৰ মুৰ্চ্ছনা মধুৰ,
গোলাপৰ আধাফুলা বিনন্দীয়া কলি,
জোনৰ কিৰণ কণা—
স্নিগ্ধ, নিৰমল,
নিয়ৰৰ জল-ধৌত অনিন্দ্য অধৰ,
কম-কান্তি, অমৰাৰ ললিত-লৱনি,
কাৰ কিবা কৰে অপকাৰ ?
নিজ মনে হালি-জালি
আনন্দত হই মতলীয়া,
হাঁহিৰে বুৰাই বিশ্ব
ৰাকি দিয়ে যদি মউ
জগতৰ প্ৰতি ঘৰে ঘৰে—
কাৰ কিবা হানি তাত ?
কিন্তু,
ই আনন্দ মানুহে নামাগে।
মাগে মাথো
হিংসা, দ্বেষ, কুটিলতা,
দন্দ, খৰিয়াল,
খুন, হত্যা, নৰকৰ শোণিত-অঞ্জলি !
সেয়ে আজি কৃষ্ণাৰ মৰণ
ঘোৰ ষড়যন্ত্ৰ পাতি কৰিছে সুস্থিৰ।
—ৰূপে যদি টানি নিয়ে তোক,
মৰ্, তই নিজে মুগ্ধ নৰ !
নিমাখিত গাভৰুক মাৰিবি কি বুলি ?
( খনেক ভাবি )—
কিন্তু, কিবা অপৰাধ মোৰ ?
কৃষ্ণাৰ মৰণ মই
কৰা নাই
সপোনতো কল্পনা কদাপি ;
মোক লাগে—প্ৰতিহিংসা ঘোৰ !
দৰ্পী ৰাণা ভীমসিংহে যদি
প্ৰতিহিংসা লবলই

বাধ্য কৰে মোক,
মোৰ কিবা দোষ তাত ?—
য'ক বিশ্ব উটি-ভাহি ৰসাতললই,
ভ্ৰূক্ষেপ নকৰোঁ ;
প্ৰতিহিংসা—প্ৰতিহিংসা,
প্ৰতিহিংসা জীৱনৰ ধ্ৰুৱ লক্ষ্য মোৰ।

( প্ৰস্থান )

[ পট উঠে ]

### ৩য় দৃশ্য

অন্তঃপুৰ

কাল—গভীৰ ৰজনী

[ কৃষ্ণকুমাৰী পালেঙৰ ওপৰত শুই আছে ; মূৰ শিতানত চাকি এটি টিমিক্-টামাক্‌কৈ জ্বলিব লাগিছে। ছুৰী এখন লুকাই লৈ, ইফালে সিফালে চাই-চিন্তি অজিতসিংহৰ প্ৰৱেশ ; ছুৰীৰে কৃষ্ণাৰ বুকত আঘাত কৰিবলৈ আগুৱাই গৈ পাছ-হোহোকি আছে। ]

অজিত—হাতখন কঁপি উঠে !—এইবাৰ মুঠি টানকৈ মাৰোঁ ( পুনৰ আগুৱাই যায়—আকৌ পাছ-হুঁহকি ঘূৰি আহে )। নাই, নোৱাৰিলোঁ ( ছুৰীখন সশব্দে মজিয়াৰ ওপৰত পৰি যায়। কৃষ্ণা উচপ্ খাই সাৰ পায় আৰু বিছনাত উঠি বহে ) হাত দুখনে প্ৰতাৰণা কৰিলে ; বুকুখনত কমাৰৰ হাতুৰি মাৰিছে।

কৃষ্ণা—( বিছনাৰপৰা নামি ) কোন তুমি ?—চৰ্দ্দাৰ ?—এই দোভাগ নিশা গোপনে নাৰীৰ শয্যা বিচাৰি আহিছা ? ছি ছি, ছি ! কি ঘৃণা ! কি লাজ !—দূৰ হ নাৰকী !

অজিত—দেৱি ! চন্দাৱৎ চৰ্দ্দাৰে গোপনে, চোৰৰ দৰে নাৰীৰ নাৰীত্ব হৰণ কৰিবলৈ ঘিণ কৰে।

কৃষ্ণা—তেন্তে কি ?

অজিত—চোৱা—( আঙুলিৰ সঙ্কেতেৰে মজিয়াত পৰি থকা ছুৰীখন দেখুৱায় )—দেখিছা ? বু[illegible] পাৰিছানে ?

কৃষ্ণা—অ' ! বুজিছোঁ ! নিৰাশ প্ৰণয়ৰ প্ৰতি[illegible] বিচাৰি—এই গভীৰ ৰাতি নিদ্ৰিতা ৰমণীৰ শ[illegible] কাষত থিয় দিছাহি—হত্যা কৰিবৰ মনেৰে ! অ[illegible] সিংহ ! ঘূৰি যোৱা,—এই মুহূৰ্ত্তে ঘূৰি যোৱা, [illegible] কৰা তোমাৰ নহব।

অজিত—( স্বগত ) ঠিক্ ধৰিলে ! হয়, কিন্তু না[illegible] নহয় ; মিছা কথা।—আকৌ নহয়েই বা কেনে[illegible] তোমাক আনৰ হবলৈ দেখাতকৈ বধ কৰা ভা[illegible] কৃষ্ণা লোকৰ হব—সেই দৃশ্য অসহ্য ! (প্ৰকাশ্যে) [illegible] সুন্দৰি ! ই ৰাজ আজ্ঞা—তোমাৰ পিতৃৰ আজ্ঞা যে—

কৃষ্ণা—মোক হত্যা কৰিব লাগিব ?

অজিত—ঠিক্ সেয়েই।

কৃষ্ণা—ই কি আচৰিত কথা ! চৰ্দ্দাৰ ! তুমি [illegible] শুনিছা।

অজিত—মই নিৰ্ভুল শুনিছোঁ,—একো আচৰিত [illegible] নহয়। শুনা তেন্তে—তোমাৰ বিয়াৰ চিন্তাই ৰা[illegible] উন্মাদ কৰি তুলিছে, হত্যা, মৃত্যু, অবিৰাম যুদ্ধ, প্ৰ[illegible] মাজত হাহাকাৰৰ আৰ্ত্তনাদ তুলিছে। তো[illegible] বিয়াৰ কাৰণে ৰজা, ৰাজ্য—দুই ছাৰখাৰ হৈ [illegible] গ'ল। সেয়ে তুমি মৰিব লাগিব ; তোমাৰ মৃত্যু[illegible] ৰাজ-গৌৰৱ ৰক্ষা কৰিব লাগিব, কুমাৰীৰ মান[illegible] কৰিব লাগিব,—নহলে বিজয়ী মানসিংহৰ হা[illegible] তোমাৰ ঘোৰ লাঞ্ছনা আছে। প্ৰস্তুত হোৱা— ই ৰজাৰ আদেশ, তোমাৰ জন্মদাতা পিতৃ[illegible] আদেশ।

কৃষ্ণা—ৰাজ-আদেশ শিৰোধাৰ্য্য,—পিতাৰ আ[illegible] শিৰোধাৰ্য্য। মোৰ মৃত্যুত যদি পিতৃ দেৱতাই শা[illegible] পায়, অলেখ নৰ-নাৰী যদি সুখী হয়, যদি ৰাজ[illegible] গৌৰৱ উজ্জ্বল হয়, তেন্তে মৃত্যু মোৰ পৰম সৌভা[illegible] পৰম কাম্য ; এনে মৃত্যু জীৱনতকৈও অ[illegible] ৰমণীয়। পিতাৰ আদেশ পালিবলৈ মই নৰ[illegible] যাতনাকো ভয় নকৰোঁ, আত্মবলি তুচ্ছ কথা—আহা চৰ্দ্দাৰ ! ৰাজআজ্ঞা পালন কৰাহি। পিতৃ আজ্ঞা মই হাঁহি মুখে পালিম।—আহা, অস্ত্ৰ লোৱা ( পৰি থকা ছুৰীখন অজিত সিংহৰ হাতত তুলি দিয়ে। অজিতে অবাক্, হৈ চাই থাকে )।—দেৱি ! নামি আহা সতী শিৰোমণি ! এই পৰম খেণত, জীৱনৰ অন্তিম মুহূৰ্ত্তত, জীৱন-মৰণৰ সন্ধি খেণত, এবাৰ দেখা দিয়াহি। তোমাক দেখিলে মই অন্তৰত বল পাওঁ, হৃদয়ত শক্তি পাওঁ, দুৰ্ব্বল প্ৰাণৰ মায়া-মোহ আঁতৰাই থিয় হওঁ, এটি অপূৰ্ব্ব পুলকৰ আকুল শিহৰণ পাই সংসাৰ পাহৰি যাওঁ। আহা ! আহিলানে ?—সৌৱা, হাঃ, হাঃ ! কি সুন্দৰ ! কি মধুৰ ! কি নয়নাভিৰাম বিতোপন মূৰতি ! যাওঁ, যাওঁ দেৱি ! মই যাওঁ, আৰু মাতিব নেলাগে। মাথোন তোমাৰ দুখনি পৱিত্ৰ চৰণৰ তলত মই অভাগিনীক অকণমান আশ্ৰয় দিবা, আৰু একো নেলাগে—( আকৌ হাঁহে )।—অজিতসিংহ ! তুমি কৰিছা কি ? আহা, পলম নকৰিবা, মই প্ৰস্তুত।

[ অজিতসিংহ এখন্তেক নীৰৱে চাই থাকে আৰু তাৰ পিছত সাজু হৈ কৃষ্ণাক ছুৰীৰে আঘাত কৰিবলৈ উদ্যত হয় ; অকস্মাৎ যুৱনদাসে বাধা দিয়েহি। ]

যুৱন—খবৰ্দ্দাৰ অজিতসিংহ ! সাৱধান ! ( অজিতে অস্ত্ৰ নমায় )

অজিত—কোন তুমি ?—তুমি ৰাজ আজ্ঞাত বাধা দিছা।

যুৱন—জাহান্নামে য'ক তোমাৰ ৰাজ আজ্ঞা।

অজিত—নোৱাৰিলোঁ !—য'ক, মোৰ দ্বাৰা নহব আৰু। —কিন্তু কি সুন্দৰ, কি ৰমণীয়, কি পৱিত্ৰ ! সুন্দৰ কমনীয় মুখ মণ্ডলৰ কি অপূৰ্ব্ব স্বৰ্গীয় জেউতি ! তাৰ চৌপাশে পৰম উদাৰ, পৰম মহান্, পৰম শান্ত, পৰম নিৰ্ম্মল জ্যোতিৰ্ম্ময় ভাব এটি কি সুন্দৰকৈ বিৰিঙি উঠিছে ! কি মহিমাময়ী, দেৱী মূৰ্ত্তি !—উঃ, মই নোৱাৰোঁ—মই নোৱাৰোঁ, পিশাচেও নোৱাৰে, উঃ উঃ, উঃ !

[ অজিতসিংহে ছুৰীখন দূৰলৈ দলিয়াই চকুত হাত' দিয়ে। যুৱনদাসে অজিতসিংহৰ মুখলৈ চাই থাকে। অকস্মাৎ কৃষ্ণাই ছুৰীখন বুটলি লৈ মাটিত বহে আৰু নিজৰ বুকত ছুৰীখন বহুৱাই দিয়ে। যুৱনদাসে "কি কৰিলি—কি কৰিলি কৃষ্ণা" বুলি কৃষ্ণাৰ হাতত ধৰে কিন্তু কটাৰীখন আগেয়ে বুকত বহি গল। ]

কৃষ্ণা—একো কৰা নাই ; আত্মবলি মাথোন। কেৱে নোৱাৰিলে—চোৱা ( লাহে লাহে ঢলি পৰে )—মই পাৰিলোঁ।—উঃ—অজিতসিংহ ! আৰু—বেছি পৰ—নিজীওঁ ;—এবাৰ,—এবাৰ—নাই—নালাগে।—উঃ—বৰ—যাতনা—

ৰাণী—( নেপথ্যৰপৰা ) কৃষ্ণা—কৃষ্ণা ! ( প্ৰৱেশ—ব্যস্ত ভাৱে ) আই !—ইকি ! তেজৰ নৈ ?—মোৰ আইৰ কি হল—ইকি !—কোন তইঁত ? কোন তইঁত নৰ-ৰাক্ষস ? মোৰ বাছাক বধ কৰিলি, খুন কৰি মাৰিলি।—উঃ ! তেজৰ নৈ বৈছে,—আই, কৃষ্ণা !

কৃষ্ণা—আই,—আহিছা।—মৰণ কালত—তোমাৰ চৰণ দেখিবলৈ পালোঁ,—এয়ে—শান্তি।—নাকান্দিবা, মোৰ হকে—দুখ—নকৰিবা, আশীৰ্ব্বাদ দিয়া। —উঃ—বৰ—( এখন্তেক নিতাল মাৰে ) অজিত সিংহ,—আই—কেৱে মোক—মৰা নাই। মই—মই—নিজে—মাৰিলোঁ,—আত্ম—বলি দিলোঁ।—অজিতসিংহ—তোমাক—বহুতো—দুখ—কুবাক্য বুলিছোঁ গালি দিছোঁ—ক্ষমা ( মৃত্যু )।

যুৱন। গ'ল এটি অমূল্য জীৱন চিৰকাললৈ নিস্তব্ধ হৈ গ'ল। এটি বীণাৰ ঝঙ্কাৰ যুগ যুগান্তৰলৈ নীৰৱ হৈ গ'ল, এটি সোণোৱালী কিৰণৰ ৰেখা আন্ধাৰৰ বুকত হঠাতে মাৰ গ'ল—ৰক্ষা কৰিব নোৱাৰিলোঁ।

ৰাণী। আই !—আই !—এবাৰ মাত দে,—তোৰ জনম দুখিনী মাৰক এবাৰ মাত দি যা, এটি কথা কৈ যা। তোৰ অবিহনে মই কেনেকৈ জীওঁ—উঃ—ভগৱান—( মূৰ্চ্ছা )

[ পট পৰে। ]

# সাহিত্য

—শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতী

সাহিত্য ৰূপনে ৰস, ভাৱবস্তনে (matter), গঢ় (form) এই লৈ সাহিত্যিকসকলৰ ভিতৰত মতভেদ আছে। এদলে ভাবে যে সাহিত্যত ৰূপেই শ্ৰেষ্ঠ, ৰস গৌন, আৰু আনদলে ভাবে যে ৰসেইহে সাহিত্যৰ প্ৰাণ। ধৰক এটা কবিতা। সাহিত্যত তাৰ মূল্য কেনেকৈ নিৰ্দ্ধাৰণ কৰা হব? কবিতাটোৰ শ্ৰেষ্ঠত্ব প্ৰকাশ ভঙ্গিতনে নাইবা তাৰ ভিতৰেদি কবিৰ যি অন্তৰৰ ভাব প্ৰকাশ পাইছে তাৰ ওপৰত? শিল্পীৰ হাতত যেতিয়া শিল বা কাঠ এটুকুৰা মূৰ্ত্তিমান হৈ উঠে, শিল্পৰ ফালৰপৰা তাৰ মৰ্য্যাদা আমি কেনেকৈ ঠিক কৰিম? শিল্পীৰ মনৰ ভাব তেওঁৰ তুলিত কিমান দূৰ প্ৰকাশ কৰিব পাৰিছে তাৰৈ চামনে, নাইবা তেওঁৰ সুদক্ষ হাতত সি কি নতুন গঢ় বা সাজ লৈছে তালৈ চাম?

এই প্ৰশ্নবিলাকৰ উত্তৰত সাহিত্যত যি সকলে ৰূপৰ মৰ্য্যাদা বেছি দিয়ে তেওঁলোকে ৰব—প্ৰকাশভঙ্গিলৈ লক্ষ্য কৰিবলৈ। আনপক্ষে ভাৱবস্তুৰ ওপৰত যি সকলে জোৰ বেছি দিয়ে, তেওঁলোকে ৰব ভাবৰ উচ্চতা আৰু নতুনত্বলৈ লক্ষ্য কৰিবলৈ। এই দুই মতৰ সামঞ্জস্য কৰি কোনোৱে আকৌ ৰব সাহিত্যত ভাব আৰু ভাষা দুইটাৰ প্ৰতি সমান দৃষ্টি ৰাখিব লাগে। ভাব নাথাকিলে ভাষাই কি প্ৰকাশ কৰিব? কোনো উচ্চ ভাব প্ৰকাশ নকৰিলে শব্দৰ সুন্দৰ সমাবেশৰ দ্বাৰা সাহিত্যৰ সৃষ্টি নহয়। আকৌ উচ্চ-ভাব হলেও পৰিপাটিকৈ সজাই সুন্দৰ ভাষাত প্ৰকাশ কৰিব নোৱাৰিলে সাহিত্যত তাৰ ঠাই নাই।

ৰূপ-ৰস, ভাব-ভাষা, ওপৰত উনুকিওৱাৰ দৰে এই বিলাকৰ কোনো এটা বা দুয়োটাৰে সামঞ্জস্য বিধান কৰিলেই সাহিত্যৰ আছল কথাটো প্ৰকাশ পায় বুলি আমি কিন্তু নাভাবো। প্ৰকৃতপক্ষে সাহিত্য ভাবানুভূতিৰ প্ৰকাশ। মই দেশ বিদেশৰ অনেক কিতাপ পঢ়ি বহুতো ভাব সংগ্ৰহ কৰিব পাৰো, আৰু শিক্ষাৰ গুণত সেই বিলাক সুন্দৰ ভাষাত প্ৰকাশ কৰিবও পাৰো। কিন্তু তথাপি মোৰ লিখা উচ্চাঙ্গৰ সাহিত্য নহব যদি মই যি ভাব প্ৰকাশ কৰিছোঁ তাক আত্মাৰ গভীৰতম প্ৰদেশত অনুভৱ কৰি প্ৰকাশ কৰা নাই। কোনো ভাব যেতিয়া অন্তৰত সজীৱ হৈ উঠে, স্বাভাৱিকতেই তাৰ প্ৰকাশ সুন্দৰ হয় আৰু সকলোকে মুগ্ধ কৰে। ল'ৰাৰ বিপদৰ আশঙ্কাত অৰ্জ্জৰিত মাকে নিৰাপদে ঘৰলৈ উভতি অহা পুতেকক বুকত সুমুৱাই লওঁতে, যিমানেই কুৰূপা নহওক অন্তৰৰ আনন্দত মাকৰ মুখত যি সৌন্দৰ্য্য বিৰিঙি উঠে, কোনোবাই অন্তৰত গভীৰ ভাৱে অনুভৱ কৰি যদি সেই ছবিটো চিত্ৰত বা ভাষাৰে প্ৰকাশ কৰে, সি সুন্দৰ শিল্প বা উচ্চ সাহিত্য হব। মাকৰ অন্তৰৰ সেই বিনন্দীয়া আনন্দ নিবিড়ভাৱে অন্তৰত অনুভৱ কৰিব নোৱাৰিলে, সাহিত্যিকে বা শিল্পীয়ে তাক কেতিয়াও সুন্দৰকৈ প্ৰকাশ কৰিব নোৱাৰে। আনপক্ষে অন্তৰত সেই আনন্দৰ অনুভূতি হলে তাৰ প্ৰকাশ আপোনা আপুনি সুন্দৰ হব।

বিতোপন পাহাৰৰ নিজান প্ৰদেশত কুলু কুলুকৈ বৈ যোৱা নিজৰাই বা ভোমোৰাৰ গুন্‌গুননিৰে সৈতে ফুলি থকা ফুলনিৰ মনোমোহা দৃশ্যই কবিৰ মনত যি অনুভূতি সঞ্চাৰ কৰে তাৰ ফলত হয় প্ৰকৃত কবিতাৰ প্ৰকাশ। হীন স্বাৰ্থৰ কাৰণে মানুহে মানুহৰ ওপৰত কৰা উৎপীড়নে মনত যি ঘৃণাৰ উদ্ৰেক কৰে বা ৰোগ, শোক, দাৰিদ্ৰ্যক্লিষ্ট মানুহৰ প্ৰতি সমবেদনাত যি দুখানুভূতি হয়, তাৰ প্ৰকাশত হয় সাহিত্যৰ সৃষ্টি।

প্ৰকৃতি আৰু মনুষ্য সমাজত ভাল বেয়াৰ যি দ্বন্দ্ব, প্ৰকৃতিৰ কানুনৰ যি নিৰ্ম্মম জবৰদস্তি, অনিত্য বস্তুৰ কাৰণে যি



মানুহৰ খোৱা কামোৰা, তাক দেখি যি নিৰ্ম্মল হাঁহি বা গভীৰ দুখৰ অনুভূতি হয়, তাৰ ফলত সৃষ্টি হয় হাস্যৰসাত্মক বা বিয়োগান্ত সাহিত্য। এটা কথাকে দুই ফালৰ পৰা লব পাৰি আৰু সাহিত্যত ই দুই ৰকমে প্ৰকাশ পায়। মানুহৰ ৰোগ, শোক, মৃত্যু দেখি বুদ্ধৰ প্ৰাণ কান্দি উঠিল, মানুহৰ প্ৰতি মানুহৰ বা জীৱনৰ প্ৰতি মানুহৰ হিংসা দেখি তেওঁ হল মৰ্ম্মাহত। কিন্তু সেই কথাকে কৃষ্ণই লৈছিল অন্যভাৱে। কৃষ্ণই মানুহৰ শোক, দুখ, মৃত্যু, হিংসা-হিংসি এই সকলোবিলাক দেখি হাঁহিছিল! সৰু সৰু লৰা ছোৱালীয়ে সামান্য কথা এটা লৈ যেতিয়া খোৱা কামোৰা কৰে, ওচৰত থিয় হৈ ডাঙৰ মানুহ এজনে যেনেকৈ সেই-টোৰে আমোদ লয়, ঠিক তেনেকৈয়ে কুৰুক্ষেত্ৰ যুদ্ধখন লৰা খেমালি বুলি কৃষ্ণই আমোদ কৰিছিল! এই ৰকমে বুদ্ধৰ ভাবেই হওক বা কৃষ্ণৰ ভাবেই হওক, যি অনুভূতি হয়, তাৰ প্ৰকাশেই হয় সাহিত্য।

সাহিত্যৰ সেৱা সাধনাসাপেক্ষও। গভীৰভাৱে হৃদয়-ঙ্গম কৰিব নোৱাৰিলে আৰু বহলভাৱে সকলো কথা জানিবলৈ চেষ্টা নকৰিলে, সাহিত্য সেৱী হিছাবে কৃতকাৰ্য্য হব নোৱাৰে। সহানুভূতি আৰু ভালপোৱাৰ ভাব লৈ মানৱ চৰিত্ৰৰ গভীৰতম প্ৰদেশত সোমাই মানৱ প্ৰকৃতিৰ জটিলতা ভেদ কৰিব নোৱাৰিলে শ্ৰেষ্ঠ সাহিত্য সৃষ্টি নহয়।

জাতীয় সাহিত্য পৰিপুষ্টি সাধন কৰিব লাগিলে জাতীয় সম্পদো সকলো প্ৰকাৰে বৃদ্ধি কৰিব লাগিব। জাতীয় সাহিত্য জাতীয় চৰিত্ৰৰ দাপোনহে মাত্ৰ। জাতি ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলোপ্ৰকাৰে উন্নত হোৱা সুদূৰপৰাহত। আজি ৰাজনৈতিক পৰাধীনতাৰ কাৰণে ভাৰতীয় সাহিত্যই বিশ্বসাহিত্যৰ লগত সমানে খোজ দিব পৰা নাই। ভাৰতীয় জাতীয়তাৰ সুদিনত যি সাহিত্য সৃষ্টি হৈছিল তাকে লৈহে আজিও আমি বিশ্বত গৌৰৱ কৰোঁ। আজি আকৌ ৰাজনৈতিক আন্দোলনৰ ফলত ভাৰতৰ সুপ্ত আত্মা জাগ্ৰত হৈছে যিহেতু ভাৰতীয় সাহিত্যৰো উন্নতিৰ লক্ষণ দেখা গৈছে। আমাৰ অসমীয়া সাহিত্যতো পূৰামাত্ৰাই এই কথা খাটে। আমাৰ সাহিত্যৰ উন্নতি কৰিব লাগিলেও, আমি যেন নাপাহৰো যে অন্যান্য ক্ষেত্ৰটো আমাৰ কৰ্ম্ম প্ৰচেষ্টা বহু কৰিব লাগিব।


ভাষাৰ লগত সাহিত্যৰ অঙ্গাঙ্গী সম্বন্ধ। যি ভাষাক ভিত্তি কৰি কোনো সাহিত্য গঢ়ি তুলিব খোজা যায় সেই ভাষাৰ শিক্ষা প্ৰচাৰৰ কাৰণে বিশেষ মনোযোগ দিয়া আৱশ্যক। অসমীয়া সাহিত্য অসমীয়া ভাষাৰ ওপৰত নিৰ্ভৰ কৰে। সেই কাৰণে অসমীয়া ভাষাৰ শিক্ষা বিস্তাৰৰ চেষ্টা আমাৰ কৰ্ত্তব্য। অসমীয়া সাহিত্যৰ উন্নতিৰ এটা প্ৰধান বাধা এই যে অসমীয়া ভাষাৰ জৰীয়তে শিক্ষা পোৱা মানুহ বৰ্ত্তমান বৰ কম। দাঁতি কাষৰীয়া সকলোকে লৈ অসমীয়া জাতিৰ সকলোকে অসমীয়া ভাষা ভাল ৰকমে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিলে, অসমীয়া সাহিত্যই গা কৰা টান। সংখ্যাত যিহেতু আমি কম, এশ জনৰ ভিতৰত এশ জনকে শিক্ষিত কৰি লব নোৱাৰিলে, আমি আমাৰ সাহিত্য পৃথিৱীত পোহৰ কৰিবলৈ বেগ পাব লাগিব। অৱশ্যে এইটোও সঁচা যে বৰ্ত্তমান সময়ত অসমীয়া সাহিত্যৰ বিশ্ব সাহিত্যত ঠাই দিব পৰা দুই এখন কিতাপৰ এটাইতকৈ বেছি দৰকাৰ। বঙালী সাহিত্যৰ আজি সুনাম বাহিৰত ওলাইছে। তাৰ গুৰিত দুই এজন বঙালী সাহিত্যৰ ভিতৰেদি বিশ্ব সাহিত্যলৈ যি দান দিছে সি। মজলীয়া থাপৰ বঙালী আৰু অসমীয়া সাহিত্যিকৰ কিবা পাৰ্থক্য আছে বুলি আমি নাভাবো। কিন্তু জাতি সদায় ডাঙৰ কৰে দুই এজন মানুহেহে যাক গোটেই পৃথিৱীয়ে নমস্কাৰ কৰিবলৈ বাধ্য হয়! দুই এজন ৰবিঠাকুৰ, শৰৎ চট্টোপাধ্যায় নোলালে আমাৰ সাহিত্য, বঙালী সাহিত্যৰ দৰে প্ৰকাশ হোৱা টান আছে। দুই এজন বিশ্ব বিশ্ৰুত পুৰুষৰ কাৰণে আজি আমি গোটেই জাতিটোৱে সাধনা কৰিব লাগিব।

অসমীয়া সাহিত্যিকে যদি পৰিশ্ৰমেৰে সৈতে সাহিত্য সেৱাত নামে, অচিৰে তেনে সাহিত্যিক ওলোৱা সম্ভৱপৰ হব। ওখ থাপৰ সাহিত্যৰ কাৰণে অৱশ্যে সৃষ্টি প্ৰতিভা (Creative genius) লাগে। কিন্তু আমি গোটেই জাতিটোৱে যদি পৰিশ্ৰম কৰি সাহিত্য সেৱাত লাগো,

সৃষ্টি প্ৰতিভা তাৰ ভিতৰৰপৰা বিকাশ হব। আগৰ কথা নকৰেঁই আজিও আমাৰ মাজত তেনে প্ৰতিভাশালী লোক থকাৰ যথেষ্ট প্ৰমাণ আছে।

সাহিত্যৰ উন্নতিৰ কাৰণে আৰু এটা কথালৈ আমি আজি চাব লাগিব—সি হৈছে পঢ়ুৱৈ সমাজ। আমাৰ পঢ়ুৱৈ সমাজ ইমান সীমাবদ্ধ হৈ আছে যে অসমীয়া সাহিত্যসেৱীয়ে বৰ আৰ্থিক অসুবিধাত পৰিব লগা হয়। বঙ্গদেশতো প্ৰথমে এই অৱস্থা আছিল আৰু আজিও কম বেছি পৰিমানে সেই অৱস্থা বিদ্যমান। কিন্তু তেওঁলোকৰ এটা ধনী জমিদাৰ শ্ৰেণী থকাত, সাহিত্যৰ কাৰণেই সাহিত্য সেৱা কৰিবলৈ তেওঁলোকে সুযোগ পাইছে। কোনো বিশেষ ধনী সম্প্ৰদায় নথকাত টকাৰ কাৰণে নভবাকৈ সাহিত্য সেৱা কৰিব পৰা মানুহ আমাৰ নাই। কাজেই আমি সকলোৱেই জাতীয় সাহিত্যলৈ যথাশক্তি বৰঙনি (Contribution) দিব লাগিব। এটা ভাল পঢ়ুৱৈ সমাজ গঢ়ি তুলিব পাৰিলেই এই উদ্দেশ্য সিদ্ধ হব যেন পাওঁ।

অসমীয়া সাহিত্যৰ ওপৰত অসমীয়া কৃষ্টি বৈশিষ্ট্য নিৰ্ভৰ কৰে। আজি যেন আমি অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে চেষ্টা কৰি অসমীয়াৰ গৌৰৱ বঢ়াবলৈ চেষ্টা কৰোঁ।




# পূজাৰ ছুটীৰ কেইদিন

( আগৰ সংখ্যাৰ পাছৰপৰা )

ভ্ৰমণ কাহিনী ]

কুমাৰী ৰেখা সিংহচৌধুৰী

তেতিয়া ৰাতি প্ৰায় দহটা। গাৰী আহি দিল্লী ষ্টেচনত থামিল। গাৰীৰপৰা নামিয়েই আমাৰ মটৰ গাৰী খোৱাৰ গাৰী বিচাৰিবৰ দৰকাৰ নহল। কাৰণ আমাৰ



পুৰণি দুৰ্গ


ড্ৰাইভাৰ কাৰ'খন আগতেই তাত উপস্থিত আছিল। এৱাৰতে যি হোটেল পালো তাতেই গৈ প্ৰথমতে আমি



দিল্লী ফ'ৰ্ট আৰু সম্ৰাট টোগলকৰ সমাধিৰ দৃশ্য

উঠিলোগৈ। বৰ ক্লান্ত হৈ পৰিছিলো। মনে মনে ভাবিছিলো হোটেললৈ গৈ অলপ কিবা খায়েই শুই পৰিম; কিন্তু হোটেলত গৈ ইমান গৰম লাগিল যে আগতে গা ধুবলৈহে বৰ ব্যস্ত হৈ পৰিলো। হোটেলৰ 'বয়' বিলাক ভাল আছিল। কোৱা মাত্ৰকেই গা ধুবলৈ পানীৰ ব্যৱস্থা কৰি দিলে।

খাই বৈ উঠিয়েই শুই পৰিলো। অচিনা ঠাই ভয়ো লাগিছিল অলপ অলপ। ইমান ভাগৰি গৈছিলো যে নিদ্ৰাদেৱীৰ আগমনৰ লগে লগে মনৰ ভয় কৰবালৈ পলাই ফাট মাৰিলে।



মহাযুদ্ধত নিহত হোৱা ভাৰতীয় সৈনিকসকলৰ সোঁৱৰণী সমাধি

তাৰ পিছদিনা আমালোকে সেই হোটেলটো সলনি কৰি অইন এটা হোটেলত উঠিলোগৈ। আবেলি গলো নিউদিল্লীৰ মোৰ এজন বন্ধুৰ ঘৰলৈ। তালৈ গৈ কোনো ৰকমে আৰু অশোক ৰ'ড বিচাৰি নাপাওঁ। ইয়াৰ ৰাস্তাবোৰ চাৰিফালৰপৰা চাৰিটা আহি এঠাইত লগ লাগছে। আমি বাৰে বাৰে ঘুৰি আহি সেই চাৰি ৰাস্তাৰ মূৰত ঘূৰণীয়া ঠাই ডোখৰতহে ভুল কৰিছিলো। শেষত এটা পিয়নক সুধিহে কোনো ৰকম বন্ধুৰ ঘৰ

পালোগৈ। কিন্তু দুখৰ বিষয় বন্ধুক গৈ তাত লগ নাপালো। তেওঁ হেনো আগ্ৰালৈ গৈছে। অগত্যা 'কাইলৈ আহিম' বুলি চিঠি এখন লিখি থৈ গুচি আহিলো।



হৌজখাছ


পিছদিন পুৱা চাহ জলপান খাই ফুৰিবলৈ ওলালো। প্ৰথমতে গলো পঞ্চ পাণ্ডৱৰ দুৰ্গ চাবলৈ। দুৰ্গ চাই



কুতুব মিনাৰ

তাৰ পিছত গলো—কুতুব মিনাৰ চাবলৈ। উঃ কুতুব মিনাৰটো কিমান ওখ! আতা, আবু আৰু বাইদেউৰ লৰাটো তলত থাকিল; আমালোক সকলোৱে ওপৰলৈ উঠি গলো। উঠিবৰ সময়ত ভাব হৈছিল—যেন উশাহ বন্ধ হৈ মৰো!


আবেলি গলো বন্ধুৰ ঘৰলৈ। বৰ আনন্দ লাগি আমাৰ মাজত নানা কথা বাৰ্ত্তা হবলৈ ধৰিলে। দিল্লী চাবলগীয়া ঠাইৰ বিষয়েহে নানা কথা হ'ল। তাৰ পিছ



দিল্লীৰ দুৰ্গৰ আৰু এটা দৃশ্য

অতিথি সৎকাৰ। খাই লৈ বন্ধুৰপৰা বিদায় লৈ হোটে পালোহি।

তাৰ পিছদিনা হুমায়ুন টুম্ব চাবলৈ গলো। পি দিল্লী ফ'ৰ্ট। তাত মিউজিয়মত পুৰণি হাতৰ লে



যন্ত্ৰ-মন্ত্ৰ

কোৰাণ আৰু বহু কিবা কিবি পুৰণি জি দেখিলো।



মোৰ বন্ধুৱে ৰোছেনাৰাবাগ চাবলৈ কৈছিল। লৈ গলো। উঃ কি দুৰ্গন্ধ! আমাৰ মুৰ ঘুৰি । আৰু সোমাবলৈ নহল। লৰালৰিকৈ ওলাই আহিলো।

আৰু এদিন গলো যন্ত্ৰ-মন্ত্ৰ চাবলৈ। তাত খুব ওখত সূৰ্য্য ঘৰটো ৰাখিছে আমালোকে তাতো উঠিছিলো। কেনেকৈ তিথি গণনা কৰা হয়, কেতিয়া চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য্য গ্ৰহণ লাগে তাৰপৰাই সকলো বুজিব পাৰি।

দিল্লী ভ্ৰমণ শেষ কৰি পুনৰ আমি বেনাৰছলৈ ঘুৰি আহিলো। ছুটীৰ দিনো শেষ হৈ আহিল—আমিও চিৰ পৰিচিত কলিকতা বুলি ৰাওনা হলো।

ন৭৭১-ন/অ



# মহিলা জগত

## ভাৰতীয় নাৰী আন্দোলন আৰু নাৰী সমস্যা

আঘোণৰ আগ পৰত নিখিল ভাৰত নাৰী সম্মিলনৰ কলিকতা শাখাৰ এটি বিশেষ অধিবেশনত বেগম খা নেৱাজে বৰ্ত্তমান ভাৰতৰ নাৰী আন্দোলনৰ ক্ৰমবিকাশ



বেথুন কলেজৰ ইংৰাজীৰ প্ৰফেছৰ মিছ মৃণালিনী বেনাৰ্জ্জি এম-এ। বঙালী মহিলাক বিমান শিক্ষা লাভ কৰিবলৈ যি দাস-বসু মেমৰিয়েল ফাণ্ড প্ৰতিষ্ঠিত কৰা হৈছে তাৰ দ্বিতীয় বৃত্তি এখেতে লাভ কৰিছে।

আৰু নাৰী সমস্যা সম্পৰ্কে এটি হৃদয় গ্ৰাহী বক্তৃতা দিয়ে। তেখেতে কয়—

"১৮৮৬ খৃঃত পাঞ্জাবৰ এজনা শিক্ষিতা মহিলাই মহিলাসকলৰ কাৰণে এখন পত্ৰিকা প্ৰকাশ কৰে। তাত সেই কালৰ বিদুষী মহিলাসকলে অনেক সুচিন্তিত প্ৰবন্ধ লিখে। সৰু কালতে সেইবোৰ মই পঢ়িছোঁ আৰু তাৰপৰাই মোৰ ভবিষ্যত কৰ্ম্ম পন্থা স্থিৰ কৰিছ… তাৰ পিছৰপৰাই পাঞ্জাবত নাৰী জাগৰণৰ সূত্ৰপা… হয়। ১৯২৪ চনত আমি বুজিব পাৰিলো যে যদি এ… প্ৰাদেশিক নাৰী প্ৰতিষ্ঠানবিলাকক একত্ৰ কৰি কেন্দ্ৰীভূ… কৰা যায় তেনেহলে আমাৰ মাজত ভাবৰ আদান-প্ৰদা… হৈ অনেক উপকাৰ হব পাৰে। ১৯২৬ খৃঃত মিচ… কাজিন্স আৰু কেই গৰাকীমান মহিলাই এই মৰ্ম্মে এ… ইস্তাহাৰ জাৰী কৰে আৰু তাক সমৰ্থন আৰু বহন… গ্ৰহণৰ বাবে প্ৰত্যেক প্ৰদেশলৈ পঠোৱা হয়। ফ… ফলত ১৯২৭ খৃঃত বৰোদাৰ মহা ৰাণীৰ সভানেত্ৰী… পুনাত প্ৰথম নিখিল ভাৰত নাৰী সম্মিলনৰ অধিবেশ… হয়।......১৯২৮ চনত দিল্লীৰ দ্বিতীয় অধিবেশনত কোচি… ত্ৰিবাঙ্কুৰ, মাদ্ৰাজ আৰু উত্তৰ ভাৰতৰ নানা প্ৰদেশৰ…



ব্ৰহ্মদেশৰ প্ৰথম আকাশযান পৰিচালিকা মিছেছ ডি, আৰ্হিকৰ

প্ৰতিনিধিয়ে যোগদান কৰে। এই অধিবেশনত … জন ছাইমনেও যোগদান কৰিছিল। তেতিয়া যো… সেই সময়ত ভাৰতত আছিল। তেতিয়া তেখেতে নাৰী-সকলৰ মাজত যে উৎসাহ আৰু উদ্দীপনা দেখিছিল, তাৰ সকলোতেই ছাইমন কমিশ্যনৰ ৰিপৰ্টৰ ভিতৰত নাৰী আন্দোলনৰ কথা উল্লেখ কৰে।

"এতিয়া নিখিল ভাৰত নাৰী সম্মিলনীয়ে প্ৰকৃতপক্ষে কি কৰিছে দেখা যাওক। প্ৰথমতঃ তেওঁলোকে বুজিব পাৰিছিল যে বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা তেওঁলোকৰ ভনী আৰু কন্যাসকলৰ কাৰণে সমূলি অনুপযুক্ত। ইয়াৰ শিক্ষাৰ ব্যৱস্থা এনেকুৱা যে ইয়াৰে এই দেশৰ নাৰীসকল উপযুক্ত মাতা বা উপযুক্ত গৃহিণী হব নোৱাৰে। ইউৰোপৰ শিক্ষা পদ্ধতিৰ লগত ভাৰতৰ শিক্ষাৰ ইয়াতে মূলগত পাৰ্থক্য। তদনুসাৰে নিখিল ভাৰত নাৰী সম্মিলনৰ উদ্যোগত এটি পুঁজি প্ৰতিষ্ঠিত হয় আৰু তাৰে দিল্লীত "লেডি আৰৱিন কলেজ" প্ৰতিষ্ঠা কৰা হয়। এই কলেজৰ পৰা ওপৰোক্ত আদৰ্শ অনুযায়ী শিক্ষয়িত্ৰী তৈয়াৰী কৰি বিভিন্ন প্ৰদেশত শিক্ষা ব্যৱস্থাৰ কাৰণে তেওঁলোকক পঠোৱা হয়।"

সামাজিক উন্নতিৰ কথা উল্লেখ কৰি বেগম খা নেৱাজে কয়—

"পৰ্দ্দা-প্ৰথা আমাৰ কাৰণে এটা বিৰাট বাধা। ইয়াক দূৰ কৰিবলৈ আমি বিশেষ চেষ্টা কৰিছোঁ আৰু বহু পৰিমাণে সফলকামো হৈছো। তাৰ পাছত বাল্য-বিবাহ নিবোধ, বহু বিবাহ প্ৰভৃতি বন্ধ কৰিবৰ কাৰণে এই সম্মিলনে বৈধভাৱে চেষ্টা কৰিছে। এই কথা অস্বীকাৰ কৰাৰ উপায় নাই যে নাৰীৰ ভবিষ্যত উন্নতিৰ ওপৰত জাতিৰ উন্নতি অনেক পৰিমাণে নিৰ্ভৰ কৰে।"

সাম্প্ৰদায়িক সমস্যাৰ উল্লেখ কৰি তেখেতে কয়—"সাম্প্ৰদায়িক সমস্যা পুৰুষসকলৰ মাজত যেনেকৈ ভীষণ আকাৰে দেখা দিছে সি একেবাৰেই আশাপ্ৰদ নহয়। কিন্তু সৌভাগ্যৰ বিষয় নাৰীসকলৰ মাজত সাম্প্ৰদায়িক সমস্যা একেবাৰেই নাই।"



শ্ৰীমতী শোভনা দেবী সমৰ্থ—"অফেন অব্ ভোজাইটি" নামৰ এখন ফিল্মৰ নায়িকা।

পৰিশেষত তেখেতে কয়—"মোৰ দেশৰ ভনীসকলৰ ওচৰত এই অনুৰোধ যেন তেওঁলোকে সঙ্ঘবদ্ধভাৱে নিজৰ উন্নতিৰ চেষ্টাত ব্ৰতী হয়; যেন এলাহত কাল যাপন নকৰে। আমাৰ জীৱন যেন একেবাৰেই খেলাৰ জীৱন নহয়; আমি যেন আমাৰ জীৱনক প্ৰকৃত কামত নিয়োজিত কৰিব পাৰোঁ।"

# সম্পাদকীয়

### ৺অমৃত ভূষণ ঠাকুৰ অধিকাৰী

আঘোণৰ ১৩ তাৰিখে গোৱালপাৰাৰ কৃতী সন্তান অসমীয়া সাহিত্যাত লব্ধ প্ৰতিষ্ঠ অমৃত ভূষণ ঠাকুৰ অধিকাৰী দেৱ স্বৰ্গী হয়। তেখেত অসম সাহিত্য সভাৰ ৫ম অধিবেশনৰ সভাপতি আৰু অসম ভেলি টেক্সটবুক কমিটীৰ সদস্য আছিল, ইয়াৰ বাহিৰেও তেখেতৰ প্ৰণীত আৰু প্ৰকাশিত শ্ৰীমন্নাম ঘোষা অসমৰ প্ৰতি ঘৰে ঘৰে



স্বৰ্গীয় অমৃত ভূষণ ঠাকুৰ অধিকাৰী

বিৰাজমান। হাতে লিখা অৱস্থাতো তেখেতৰ কেখনমান [ কিতাপ থকা বুলি জানিব পৰা গৈছে। তেখেতৰ উপযুক্ত পুত্ৰসকলৰ চেষ্টাত অধিকাৰী দেৱৰ অপ্ৰকাশিত কিতাপ প্ৰকাশ পাব বুলি আশা কৰিলোঁ। তেখেতে আৰম্ভতে 'শ্ৰীকৃষ্ণ' বিষয়ক ওখ ভাবৰ প্ৰবন্ধ এটি আৰম্ভ কৰিছিল। কিন্তু তেখেতৰ বেমাৰৰ কাৰণে সি অসমাপ্ত অৱস্থাতে থাকিল। তেখেতৰ জ্ঞান পিপাসা প্ৰশংসনীয় আছিল। ছাত্ৰ জীৱনতে বেদান্ত শাস্ত্ৰ, সমস্ত পুৰাণ, আৰু ভাগৱত পঢ়ি এটাইছিল। এনেকৈ শাস্ত্ৰ চৰ্চ্চাৰ ফলত তেখেতৰ ধৰ্ম্ম জ্ঞান বাঢ়ি আহি সেয়ে তেখেতক ধৰ্ম্ম বিষয়ত অগ্ৰণী কৰি তুলিছিল।

তেখেতৰ ছয় পুত্ৰ, এক কন্যা আৰু বৈধৱীয়েক বৰ্ত্তমান। শোকসন্তপ্ত এই পৰিয়ালটৈ আমাৰ সমবেদনা জনালোঁ।

### ভাৰতীয় বীমা কোম্পানিত অসমীয়া ডেকা বিভাগীয় পৰিচালক

আমাৰ দেশত নিজা বীমা কোম্পানি নায়েই; আৰু উপৰি অসমত ব্যৱসায় কৰা অন্যান্য প্ৰদেশত স্থাপিত কোম্পানিৰ কামত থকা অসমীয়া ডেকাৰ সংখ্যা নাই বুলিলেই হয়। এজেন্সি লৈ কাম কৰাসকলৰ ভিতৰত কৃতিত্ব দেখুৱাসকলৰ সংখ্যা আৰু শোক লগা। কিন্তু আজি কেই বছৰমানৰপৰা দুই এজন অসমীয়া ডেকাই এই ক্ষেত্ৰত কৃতিত্ব দেখুৱাবলৈ আৰম্ভ কৰিছে। এইটো বৰ ভালৰ লক্ষণ। কৃতী অসমীয়া বীমা কৰ্ম্মীসকলেও কিন্তু কোম্পানিৰ হকে কাম কৰে সেই বিলাকৰপৰা পাবলগীয়া সুবিধা নাপায় আৰু কাম কাজতো তেওঁলোকক নিযুক্ত কৰা নহয়। বৰ সুখৰ কথা যে বীমা ব্যৱসায়ত কৃতিত্বৰ পৰিচয় দিয়া শ্ৰীযুত গোবিন্দচন্দ্ৰ ভট্টাচাৰ্য্য দেৱক ইণ্ডাষ্ট্ৰিয়েল আৰু প্ৰভিন্সিয়েল এছিয়ৰেন্স কোম্পানিয়ে অসমৰ কাৰণে বিভাগীয় পৰিচালক নিযুক্ত কৰিছে। ১৯২৮ চনৰপৰা একেৰাহে অধ্যৱসায়েৰে সৈতে উক্ত কোম্পানিৰ বীমা ব্যৱসায়ত লাগি থাকি কোম্পানিৰ ব্যৱসায়ৰ প্ৰচাৰ বৃদ্ধি কৰাৰ বাবে এইদৰে এটা দায়িত্বপূৰ্ণ কামত তেওঁক নিয়োগ কৰি পুৰস্কৃত কৰাটো অসমীয়াৰ কাৰণে আনন্দৰ কথা আৰু অইন কৰ্ম্মীৰ কাৰণেও উৎসাহ দায়ক। ইয়াতে মন কৰিবলগীয়া কথা এয়ে যে এই কোম্পানিৰ হেড অফিছো বোম্বাইত। যি একেৰা সুবিধা অসমীয়া কৰ্ম্মীয়ে পাইছে সেইখিনি বঙ্গপ্ৰদেশৰ বাহিৰে অন্য প্ৰদেশত স্থাপিত কোম্পানিৰপৰাহে। শ্ৰীযুত ভট্টাচাৰ্য্যাই ১৫ চেপ্টেম্বৰৰপৰা তেখেতৰ কাৰ্য্যালয় ডিব্ৰুগৰপৰা গুৱাহাটীলৈ স্থানান্তৰিত কৰিছে। তেখেতৰ উদাহৰণে এদল অসমীয়া শিক্ষিত ডেকাই ইণ্ডাষ্ট্ৰিয়েলৰ কৰ্ম্মীদল ভৰ্ত্তি হৈ বীমা কাৰ্য্যত লাগি গৈছে আৰু ইতিমধ্যে কামো বহু কৰিব পাৰিছে। ইণ্ডাষ্ট্ৰিয়েল বীমাৰ হাৰ লাভৰ অংশ আৰু অন্যান্য সুবিধাত আন কোনো কোম্পানিতকৈ একো পক্ষেই পাছ পৰা যে নহয়েই কোনো কোনো বিষয়ত এই কোম্পানিৰ সৰ্ত্ত আৰু নিয়মাদি আৰু সুবিধাজনকহে। 'ইণ্ডাষ্ট্ৰিয়েলৰ দৰে অন্যান্য বীমা কোম্পানিয়েও অসমীয়া কৰ্ম্মীক এইদৰে নিয়োগ আদিত সুযোগ দি উৎসাহিত কৰিব বুলি আশা কৰোঁ। এই সকলোবোৰ সত্বেও আমি অসমত এটা অসমীয়া বীমা কোম্পানি স্থাপন হোৱা সোন-কালে দেখিবলৈহে আশা কৰিছোঁ। শ্ৰীযুত ভট্টাচাৰ্য্যৰ দৃষ্টান্তই দেখুৱাইছে যে অসমত অসমীয়া বীমা কোম্পানিৰ বাবে উপযুক্ত কৰ্ম্মীৰ অভাব কেতিয়াও নহব।



# সমালোচনা

**গীতাসাৰ**—আজীৱন সাহিত্যসেৱী শ্ৰীযুত গোহাঁই বৰুৱাদেৱৰ লিখনীৰ এইখনেই এতিয়ালৈকে শেষ-দৃষ্টি। শ্ৰীযুত গোহাঁই বৰুৱাদেৱ অসমীয়া সাহিত্য ক্ষেত্ৰত দ্ৰোণাচাৰ্য্য। "ৰণে পৰ্য্যটতে দ্ৰোণঃ বৃদ্ধঃ ষোড়শবৰ্ষবৎ" ৮৫ বছৰীয়া বুঢ়া দ্ৰোণই কুৰুক্ষেত্ৰত ১৬ বছৰীয়া চেঙেৰা ডেকাৰ দৰে ধনুত আকৰ্ণটঙ্কাৰ দি ঘূৰি ফুৰিছিল, আৰু এই বৃদ্ধবয়সতো আমাৰ সাহিত্যাচাৰ্য্যৰ লিখনী যুৱকৰ হাতত চলাদি পূৰ্ণ উদ্যমে চলিব লাগিছে। অসমীয়া ৰাইজ তেখেতৰ ওচৰত চিৰঋণী। গোহাঁই বৰুৱা দেৱে সাংসাৰিক বিয়োগ সন্তাপ শাম কটাবৰ অৰ্থে, কৃষ্ণদত্ত মহৌষধি পান কৰাৰ ফলত, এই 'গীতাসাৰ' উদ্ভৱ হয়। তেখেতৰ ইচ্ছা, 'তাৰ ভাগস্বৰূপ সেই সঞ্জীৱনী সুধা অসমীয়া জনসাধাৰণ সকলে যাতে ইচ্ছা কৰিলেই উপভোগ কৰিবলৈ সুচল পায়'। আমি কওঁ তেখেত এই সুচল কৰি আগ বঢ়োৱাত কৃতকাৰ্য্য হৈছে। যি সকলৰ মূল গীতা পঢ়িবৰ যোগ্যতা বা ধৈৰ্য্য নাই অথচ হেপাহ আছে 'গীতাসাৰে' সেই সকলৰ অভাব মোচন কৰিব। মূল শ্লোকবিলাকৰ ভাঙনী সৰল আৰু ভাষা শুৱলা হোৱাত পঢ়ি কটুৰ নালাগে। তাৰ উপৰিও প্ৰত্যেক বিষয় অৱতাৰণা কৰাৰ পূৰ্ব্বেই গ্ৰন্থকাৰে চমুকৈ আগ পাতনি অলপ অলপ দি গৈছে। গ্ৰন্থৰ প্ৰত্যেক পৃষ্ঠাৰ নামনিত দাৰ্শনিক টান শব্দবিলাকৰ চমু ব্যাখ্যা দি যোৱাত বুজিবলৈ সুগম হৈ পৰিছে। কিন্তু গীতাৰ সাৰ যেতিয়া আৰু হুবহু অনুবাদ কৰাটো উদ্দেশ্য নহয় যেতিয়া, মূলৰপৰা আগবাঢ়ি হলেও ঠিক ভাঙনী নকৰি ঠাইয়ে ঠাইয়ে মুকলিকৈ বুজাই যোৱাটো বেছি উপকাৰত আহিলহেতেন। উদাহৰণ বুলি যেনে 'কোনো কোনোৱে জ্ঞান-যজ্ঞত জীৱাত্মাক আহুতি দিয়ে। অন্যান্য লোকে শ্ৰোত্ৰাদি ইন্দ্ৰিয়গণক সংযম ৰূপ অগ্নিত আহুতি দিয়ে আৰু কোনো যোগীয়ে সমস্ত ইন্দ্ৰিয়গণৰ কৰ্ম্ম আৰু ইন্দ্ৰিয়গণৰ কৰ্ম্মৰাশিক জ্ঞানেৰে জ্বলোৱা আত্মসংযম ৰূপ অগ্নিত হোম কৰে' গীতাৰ এই চতুৰ্থ অধ্যায়ৰ ২৫,২৭ আৰু ২৭ শ্লোকৰ ভাঙনী কৰিবলৈ গৈ কথাটি দুৰ্ব্বোধ্য কৰি ৰাখিলে, তাতকৈ ৰূপকটি মুকলি কৰি জ্ঞান-যজ্ঞত জীৱাত্মাৰ আহুতি দিয়া অৰ্থে কি বুজিব লাগিব ইন্দ্ৰিয়ৰ

কৰ্ম্মৰাশিৰ জ্ঞানেৰে জ্বলোৱা অগ্নিত হোম কৰাৰ প্ৰকৃত অৰ্থটো কি বুজাই লিখা হলে সাধাৰণৰ পক্ষে আৰু বেছি সুবিধা হলহেতেন। দ্বিতীয়তে গীতাৰ অধ্যায় বিলাকৰ নিজ নিজ নাম গুচাই ১৮ অধ্যায়ক ভাঙি ২১ অধ্যায় কৰাৰপৰা বিশেষ কিবা লাভ হৈছে বুলি আমাৰ মনে নধৰিলে। তথাপি গীতাসাৰে অসমীয়া সাহিত্যৰ এটি ডাঙৰ অভাব পূৰালে--গোহাই বৰুৱা দেৱ কৃষ্ণভক্ত, ভক্ত চকুৰে গীতাক প্ৰধানকৈ চাইছে, সকলো ভক্তই গীতাসাৰ পান কৰি সোৱাদ পাব। এই ভগৱৎ সম্ভাৰে আমাৰ সাহিত্যৰ শৰাই শোভন কৰিছে।

**সতী জয়মতী**—লিখক—শ্ৰীযুত ভৱদেৱ ভাগৱতী বেদান্ততীৰ্থ

সতী জয়মতী এখনি জয়মতীৰ আত্মদানৰ কাহিনীৰ অবলম্বনত লিখা সংস্কৃত ভাষাৰ কাব্য পুথি। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ নিয়ম অনুযায়ী এইখনক খণ্ডকাব্য বুলিব পাৰি। জয়মতীৰ কাহিনী সংস্কৃত ছন্দত সুন্দৰকৈ বৰ্ণোৱাত ভাগৱতী দেৱৰ কৃতিত্ব ফুটি ওলাইছে। সাধাৰণ ব্যৱহাৰত অপ্ৰচলিত এটি পুৰণি ভাষাত কাব্য ৰচনা কৰিবলৈ গ'লে কৃত্ৰিমতাৰ হাত এৰাব নোৱাৰি। মাঘ, শ্ৰীহৰ্ষ আদিৰ দৰে মহাকবিও এই সত্যৰ বাহিৰ নহয়। তথাপি ভাগৱতী দেৱৰ লিখনী সুৱলা, ভাষা সহজ আৰু ছন্দৰ গতি লালিত্যসনা। কাব্যখনিত তিনটাৰ প্ৰবা (অধ্যায়) আছে। প্ৰথমত কামৰূপৰ অতীত কী আহোমৰ প্ৰথম বুৰঞ্জীৰ আভাষ দিছে, দ্বিতীয় আৰু তৃতীয় প্ৰকৃত আখ্যান ভাগৰ বৰ্ণনা দিয়া হৈছে। প্ৰথম প্ৰবাহ কামৰূপৰ অতীত বৰ্ণনা পঢ়ি ভাল লগা। এইবিলি সভাসমিতিত আবৃত্তিৰ কাৰণেও উপযোগী হব। আমি দুফাঁকিমান তুলি দিলো—

কুসুমনিকুঞ্জন কসো ব্ৰাহ্মণঃ সৃষ্টি বৰ্য্যঃ
সুজল সুফলপূৰ্ণঃ পূতৰত্ন প্ৰকৃষ্টঃ
বিবিধ বিভৱধাৰ্ণাঃ পৰ্ব্বতৈৰীক্ষমানঃ
স্মৰতি পৰমভাগ্যং কামৰূপ প্ৰদেশঃ
প্ৰৱনসুভগশৈঙ্খঃ সান্ধ্য লালিত্য কাষ্ঠ্যা
গিৰিবৰ তৰুকৈঙ্কৰ্য্যাস্ত মঞ্জুনিকুঞ্জৈঃ।
ঋষিবৰ ইহ-হৃষ্টঃ পুণ্যবান্ সত্যৰূপো
বিমল তপসিযুক্তো বভূতবান্ বৈ বশিষ্ঠঃ॥

সতী জয়মতীৰ কথা সংস্কৃত ভাষাত লিখি সংস্কৃত জ্ঞ ভাৰতীয় মাত্ৰলৈকে অসমীয়াৰ এই গৌৰৱ কাহিনী প্ৰ কৰি দিয়াত আমি গ্ৰন্থকাৰৰ শলাগ লওঁ। অসম বাহিৰেও সংস্কৃত কেন্দ্ৰবিলাকলৈ আৰু সংস্কৃত পত্ৰি দুই চাৰিখনলৈ দুই চাৰিখন পঠিয়াবলৈ তেখেতক অনুৰো কৰিলো।

---

## সমালোচনাৰ বাবে পোৱা কিতাপ

**ৰূপহী**—উপন্যাস, মৌঃ আহমদ চাহ প্ৰণীত, ডিব্ৰুগড়

**মোৰ সত্য অন্বেষণৰ কাহিনী**—মহাত্মা গান্ধীৰ আত্ম জীৱন চৰিত, অনুবাদক শ্ৰীযুত অমিয়কুমাৰ দাস, গুৱাহাটী।

**অসমীয়া হিন্দী শিক্ষা**—শ্ৰীযুত শিৱসিংহাসন মিশ্ৰ প্ৰণীত, ডিব্ৰুগড়।

**সাধুকথা**—শ্ৰীযুতা ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানী প্ৰণীত, যোৰহা

**কাৰেঙৰ লিগিৰী**—নাটক, শ্ৰীযুত জ্যোতিপ্ৰসা আগৰৱালা প্ৰণীত, তেজপুৰ।

(আৰু আছে)

১৪ নং জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাছ প্ৰেছ লিঃত ডাঃ শ্ৰীদীননাথ শৰ্ম্মা দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।



শিল্পী—শ্ৰীপ্ৰকাশচন্দ্ৰ বৰুৱা

ৱাৰ্ড লেক—শিলং

আৱাহন

ফ্ৰেণ্ড অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা




৭ম বছৰ, ৩য় সংখ্যা ]    পুহ    [ ১৮৫৭ শক

# “কামৰূপা অসমা”

—শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী বি-এল

নমো, কামৰূপা—অসমা।
নীল শৈল-শিখৰিণী,
সজল-কজ্জল-কুন্তলা,
গিৰি-গৌৰৱ-গৰবিনী,
লীলায়িত-শ্যাম-অঞ্চলা !
প্ৰথম-প্ৰভাত-প্ৰতিপন্না,
বসন্ত-গীতি-গন্ধা,
তীৰ্থ-ৰাজ দ্বাৰ-পালিতা,
মুনি-মহাতপ-বন্দ্যা,
নিন্দি ইন্দ্ৰ-নন্দন—মোক্ষ্য-মুক্তি-পন্থা !!
লৌহিত্য-পূত-সলিলা,
কোটি-নিৰ্ঝৰ-ঝঙ্কৃতা,
নিষ্কলঙ্ক-শত-শতাব্দী
শৌৰ্য্য-সুযশ-মণ্ডিতা !
অনন্ত-ৰত্ন-সম্ভৰা, করুণাকুল-বেদনা,
হৰ্ষ পুলক-উৎস, চিৰ-উচ্ছল-প্ৰাণ-প্ৰেৰণা,
স্বপ্নালোক-জাগ্ৰতা মূৰ্ত্তি-মতী কল্পনা !

# বুৰঞ্জীৰ শেষ আধ্যা

—শ্ৰীযুত ভুবনচন্দ্ৰ সন্দিকৈ

( ১ )

পাট্‌কাইৰ সিপাৰে থাম্ জাঙত স্বৰ্গদেউ চুকাফাৰ সোণ ৰূপৰ মুখেৰে আদেশ হ'ল, "যেতিয়া যি কথা হয়, যি মৰে, যাক পাওঁ, সকলো কথা পণ্ডিতে লিখি ৰাখিব। আহোম পণ্ডিত দেওধাই, বাইলুঙে সোণালী আখৰেৰে সাঁচিপাত, মেজাঙ্কৰীত (কাপোৰ) সোমাৰত বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰিলে। সোমাৰলৈ অহা অনেক কালৰপৰা এই টাই জাতিৰ বুৰঞ্জী লিখাৰ অভ্যাস যে আছিল তাৰ ভূৰি ভূৰি প্ৰমাণৰ আটক নাই।

অসমত বুৰঞ্জী লিখাৰ প্ৰথা তেৰ শতাব্দীৰ আগ ভাগৰেপৰা আৰম্ভ হ'ল। তেতিয়া কাশ্মীৰৰ বাহিৰে গোটেই ভাৰতত বুৰঞ্জী লিখাৰ 'দস্তুৰ' নাছিল। এই বিষয়ত কাশ্মীৰেই অসমৰ লগত ফেৰ মাৰিছিল। বাৰ শতাব্দীৰ মাজভাগত কহ্লান নামেৰে ব্ৰাহ্মণ পণ্ডিত এজনে ৰাজতৰঙ্গিণী নামে কাশ্মীৰৰ ৰজাবিলাকৰ এখনি বহল বুৰঞ্জী লিখে। কিন্তু বুৰঞ্জী চৰ্চ্চাত অসমৰ লগত কাশ্মীৰ উজাব নোৱাৰিছিল। অসমত অলেখ বুৰঞ্জী। তাৰ সংখ্যা সঠিককৈ আজিও নিৰ্ণয় হোৱা নাই। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জীদাহ যজ্ঞয়ো অসমৰ বুৰঞ্জীৰ পুলিপোথা মাৰিব নোৱাৰিলে। এতিয়াও শই শই বুৰঞ্জী গোটেই দেশত সিচৰতি হৈ আছে। প্ৰায়বিলাক বুৰঞ্জীয়েই আহোম ভাষাত আৰু পুৰণি অসমীয়া ভাষাত লিখা।

শ্ৰদ্ধাস্পদ ৰায়বাহাদুৰ ভূঞাদেৱে এঠাইত লিখিছে— "বুৰঞ্জী সাহিত্যৰ অভাৱ ভাৰতীয় সভ্যতাৰ এটি চকুত লগা কেৰোণ।" "অসমীয়া বুৰঞ্জী সাহিত্য অসমীয়া, এনেকি ভাৰতবাসীৰো গৌৰৱৰ বিষয়।" কেৱাজনো য়ুৰোপ মহাদেশীয় বুৰঞ্জীবিদ্ পণ্ডিতে এই কথা একমুখে স্বীকাৰ কৰে। তাৰে এজনৰ মন্তব্য ইয়াত তুলি দিলো, তেওঁ ছাৰ জৰ্জ্জ গ্ৰেপ্পচন। তেওঁ এঠাইত কৈছে—"The Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of study in which India, as a rule, curiously deficient. The historical works or Buranjis, as they are styled by the Assamese, are numerous and voluminous. According to the custom of the country a knowledge of the Buranji was indispensable qualification to an Assamese gentleman."

দেশত শান্তি স্থাপনত বুৰঞ্জীৰ চৰ্চ্চা যেনেভাৱে চলিছিল ৰাষ্ট্ৰবিপ্লৱ, অকাল মহামাৰী আদি দেশৰ অপায় অমঙ্গল বিলাকতো বুৰঞ্জী লিখকৰ লিখনী ধীৰ স্থীৰভাৱে অবাধিত গতিৰেই চলিছিল। মুছলমানৰ ঘন ঘন আক্ৰমণ, কোচ কছাৰীৰ ৰণ, মোৱামৰীয়াৰ বিদ্ৰোহ, মানৰ আক্ৰমণ আদিতো বুৰঞ্জীলিখকৰ কাপ বন্ধ নহৈছিল। আমাৰ বুৰঞ্জীৰ গাতে গৰিলা লৈ আমি অসমৰ আন আন জাতি আৰু ৰাজশক্তিবিলাকৰ বিষয়ে জানিবলৈ পাওঁ। আমাৰ বুৰঞ্জী বাদ দিলে অসমৰ বিভিন্ন ৰাজশক্তিবিলাকৰ কথা জানিবৰ উপায় নাই। অসমীয়া বুৰঞ্জীবিলাকৰ এটি বিশেষত্ব আছে যে ই "আন্দাজৰ ফৰ্ম্মুটি নহয়।" যেতিয়াই যি ঘটনা হয় তাক বুৰঞ্জীলিখকে তপতে তপতে লিখি যায়। এই বিষয়ে ৰাজঘৰৰ বিশেষ চকু আছিল।

( ২ )

ৰাজ্য যোৱাৰ লগে লগে অসমৰ ভালেমান বুৰঞ্জী ইটালি, জাৰ্ম্মান, ফৰাছী আৰু ইংলণ্ডলৈ যায়। এসময়



গৱৰ্ণমেণ্টৰ ঘৰৰপৰা অসমৰ গাৱেঁ-ভূঞে থকা অনেক বুৰঞ্জী সংগ্ৰহ কৰি নিয়া হৈছিল। তাৰ আগতে মিঃগুনেৰিয়ে ভালেমান বুৰঞ্জী পুথি নিছিল। কিন্তু পুথিৰ মালিকিয়ে সেইবিলাক ঘূৰাই নাপালে। সেইকাৰণে গাঁৱত যাৰ যাৰ ঘৰত এতিয়াও বহুমূলীয়া বুৰঞ্জী পুথি আছে তেওঁলোকে সেই ভয়তে কোনো কোনো অনুষ্ঠানক নতুবা পঢ়িবলৈ স্পৃহা থকা লোকক বুৰঞ্জী পুথি দিবলৈ ইচ্ছা নকৰে।

( ৩ )

পাঁচশ বছৰে অসম বুৰঞ্জীয়ে স্বাধীন জাতিৰ বিজয় দুন্দুভি বজাই, গৌৰৱৰ বিজয়-নিচান জগতৰ আগত উৰাইছিল। সেই সময়ত সমগ্ৰ ভাৰত বিজয়ী মোগলৰ এবাৰ নহয়, দুবাৰ নহয়, চৌদ্ধবাৰ আক্ৰমণ অসমীয়াই ওফৰাইছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনত অসম বুৰঞ্জীৰ কীৰ্ত্তিকলাপে উন্নতিৰ উচ্চতম শিখৰত উঠিছিলগৈ। এনেতে অসমে নিয়তিৰ লগত ফেৰ মাৰিবলগীয়া হল। নিয়তিৰ চিৰন্তন ৰীতি—উত্থানৰ পাছত পতন। পৰ্ব্বতৰ একেবাৰেই ওখ টিঙত উঠিলে নমাৰ বাহিৰে উঠিবলৈ আৰু উপায় নাই। ই সকলো দেশতে সকলো সময়তে ঘটে। এইদৰে প্ৰতিভাশালী শ্ৰীছৰাজ্য আৰু প্ৰতাপশালী অসমৰো একে দশাই। ফুলেশ্বৰী আই কুঁৱৰীৰ দিনতে বাধাত ৰাজ বিদ্ৰোহৰ ফিৰিঙতি সিচৰতি হ'ল। স্বৰ্গদেৱ সিংহৰ দিনৰেপৰা আহোম ৰাজ্যৰ পতনৰ লক্ষণে দেখা দিবলৈ ধৰে। মোৱামৰীয়া মটকৰ বিদ্ৰোহে অসমৰ গৌৰৱময় বুৰঞ্জীৰ শেষ অধ্যায়ৰ সূচনা কৰিলে।

মনত ভাল ভাৱ পোষণ কৰিয়েই হক বা বেয়া মতিৰেই হক বঙাচিলা দুৱাৰৰ ঘৰৰ বদন বৰফুকনে গৃহকন্দলত লিপ্ত হৈ বৰ্ম্মাৰপৰা মান আনি অসমৰ স্বাধীনতাৰ ক'লা যৱনিকাখন টানি থলে। সেই আপাহতে জুনলী ৰাজমাও দেউতাৰ চক্ৰান্তত ৰূপচিং চিপাদাৰে, ছোঁচ কৰি আহি মাটি পানী লোৱাৰ সময়তে বৰফুকনক গোপনে কাটিলে। বিচক্ষণীয়া ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই সেইৰ এনে জীৱন মৰণৰ সমস্যাত কাল প্ৰাপ্ত হল, ৰাজ্যৰ বাই খুটা নৰিল, গুৰি নাইকিয়া ৰাজ্য গুৰিয়াল নোহোৱা নাৱৰ দৰে অথাই সাগৰত টলংভটং কৰিবলৈ ধৰিলে। ৰাজ্যত ভাগে ভাগে দল ( party ) সৃষ্টি হল। এফালে মানৰ আক্ৰমণ, ইফালে ৰাজসিংহাসন লৈ থপিয়া থপি, এদলে স্বৰ্গদেৱ চন্দ্ৰকান্তক, আনদলে স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ ঠালৰ ব্ৰজনাথ গোঁহাইৰ পুতেক পুৰন্দৰক ৰজা পাতিবলৈ কাৰবাৰ কৰিলে।

৩

গুৱাহাটীৰপৰা দিহিঙীয়া ফুকন, ৰাজখোৱা, বৰুৱা, চৌধাৰী আৰু অনেক চিপাদাৰ জামাদাৰ লৈ বিশ্বনাথ বুঢ়াগোঁহাই আৰু ব্ৰজনাথ গোঁহাই ৰণসজ্জাৰে আহি যোৰহাটৰ মহগড় পথাৰ পালেহি। চুৰচুৰীয়াকৈ ৰণ হ'ল। স্বৰ্গদেৱ চন্দ্ৰকান্তৰ দল হাৰ মানিলে। স্বৰ্গদেৱৰ পাট হৰণ কৰি বৃণীয়া কৰি পুৰন্দৰ সিংহই যোৰহাটতে ৰাজসিংহাসনত উঠিল। স্বৰ্গদেৱ চন্দ্ৰকান্তৰ ৰাজ্যনাশ, অঙ্গহীন, বনবাস। সামান্য পাইকৰ দৰে ভৰিৰে বুলি চেউনীয়ে তৰাতলিলৈ যাবলৈ ধৰিলে। শোকত প্ৰজাই কান্দিলে, দালৰ চৰায়ে মুখৰ টোপ মুখতে লৈ বিনালে, ভোগদৈ, মেলেং ৰবলৈ এৰি লোতক টুকিলে, শূন্যৰ বতাহে শূন্যতে হুমুনিয়াই পেলালে, বুৰঞ্জী লিখকৰ করুণ লিখনী চলিল।—

"চন্দ্ৰকান্ত মহাৰাজা। চন্দ্ৰৰ সমান তেজা॥
* * * *
কৰিলা অঙ্গক খুন। তভো শান্ত নহে মন॥
নগৰৰ বাজ কৰি। লৈয়া যায় ছুতে ধৰি॥
নাহি একো ৰথ যান। মেঘে কৰে বৰিষণ॥-
নাহি দণ্ড-ছত্ৰ তাত। মাথে এক জাপি মাত্ৰ॥
লগত নাহিকে কেও। দুই ৰহিনী আৰু মাও॥

পদ্য বুৰঞ্জী—

এই দৰে অসমৰ মহা প্ৰতাপশালী স্বৰ্গদেউ চন্দ্ৰকান্তক তৰাতলিলৈ ( বৰ্ত্তমান নকছাৰীৰ ওচৰত ) খেদি লগত যোগান দি নজৰবন্দী কৰি ৰাখিলে। যোৰহাটৰ ৰাজ-কাৰেঙত স্বৰ্গদেৱ পুৰন্দৰ সিংহ। চন্দ্ৰকান্ত সিংহৰ দলক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে।

বদন বৰফুকনৰ দুজনা পুতেক জন্মি আৰু পিয়লিয়ে

বাপেকৰ খোজতে খোজ বুলি বৰ্ম্মাদেশ পালেগৈ, আৰু এবাৰ মান আনি ভগাদেশ চুৰমাৰ কৰিবলৈ বুলি বৰ্ম্মাৰজাক অসমৰ সকলো কথা বিৱৰি কলে। আলুঙমিঙ্গ বৰগোঁহাইৰ তলত মানে-শ্যামে মুঠ ছ হাজাৰ সেনা বৰফুকনৰ দুই পুতেকক দি পঠালে। অসমৰ জুতি পোৱা মানে টকালি পাৰি উঠিল। মান আহি অসমৰ সীমাৰ পৰ্ব্বতত কোঠ মাৰি ৰ'লহি। মৰ সন্ধ্যা দিখলীঘাটৰ কাষৰ পৰ্ব্বতত একে ঠেঠাৰিয়ে কেবাদিনো জুই দেখি অসমীয়া প্ৰজাৰ মনত সন্দেহ হল। চোৰাং-চোৱাই সম্বেদ লৈ স্বৰ্গদেউৰ আগত জনালে। কাকতি ফৰিং যেন মানসেনা জাকে জাকে আহি দীখলীঘাট পাৰ হল। অসমীয়া সেনা সাজু হ'ল মৰঙ্গীখোৱা গোহাঁইৰ সেনাপতিত্বত। ফুলপানীছিগাত অসম-মানৰ তয়ামৰা ৰণ লাগিল। ঠাত-কটক, খাৰগুলীৰ অনাটন হৈ মৰঙ্গীখোৱা ঘাটি পলাল। স্বৰ্গদেৱে ডাৱৰ বাতৰি ডাবে পাই সপৰিয়ালে গুৱাহাটীলৈ পলাল। বিশ্বনাথ বুঢ়াগোঁহায়েও ৰজাক অনুসৰণ কৰিলে। দেশ অৰাজক মানৰ অত্যাচাৰ; প্ৰজাৰ আলৈ আথানি। আলুঙমিঙ্গে তৰাতলিৰপৰা চন্দ্ৰকান্তক আনি পুনৰ সিংহাসনত থাপি দেশলৈ উভতিল। মানে ভাৰে ভাৰে ধন সোণ অসমীয়া প্ৰজাৰ কানে মূৰে বোজা দি দেশ পালেগৈ।

( ৪ )

দ্বিতীয়বাৰ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱ যোৰহাটৰ ৰাজ সিংহাসনত বহিল। ৰাজ্যৰ ঘাই খুটা কেইটা গুচালে। নতুনকৈ বিষয় বাব দিলে। এই সূত্ৰতে স্বৰ্গদেৱে বৰ্ত্তমান বৰ্ম্মাৰজালৈ তুংখুঙীয়া কৈফদৰ হেমো আইদেউক উপহাৰস্বৰূপে দিয়ে। লগত আইদেউৰ ককায়েক টঙ্কেশ্বৰ আৰু মলো গোঁহাইও বৰ্ম্মালৈ যায়। টঙ্কেশ্বৰ বৰ্ম্মাৰাজ দৰবাৰত কৰ্ম্মচাৰী হিচাবে নিয়োগ হয় আৰু মলো গোঁহাই ৰজাৰ অনুগ্ৰহত কাঠা জিলাত শাসনকৰ্ত্তা হৈছিল বুলি বৰ্ম্মাৰ এখন বুৰঞ্জীত পোৱা যায়। বৰ্ম্মাদেশলৈ অসমৰ আৰু পাঁচ গৰাকী জীয়ৰী পৰিছিল বুলি সেইদেশৰ বুৰঞ্জীত আছে।

তাৰ ভিতৰত ৰঙিণী আইদেউ আৰু বদনমতি আইদেউ নাম পোৱা যায়। ঐতালিৰ আইদেউ কেইগৰাকীয়ে বৰ্ম্মাদেশত বিশেষ খিতাপী পাইছিল। তেওঁলোকৰ নাম নগৰ আৰু ফাঁয়া ( মন্দিৰ ) নিৰ্ম্মাণ হৈছিল। এইদৰে মানৰ লগত অসমীয়াৰ নানা সম্বন্ধ ঘটে। স্বৰ্গদেৱ ভৱিষ্যতলৈ মানৰ হাত সাৰিবৰ মনেৰে দিখলী ঘাটি পতাল বৰবৰুৱাক ৰাখি জয়পুৰ নামে প্ৰকাণ্ড কোঁঠ মৰালে। এনেতে "ভায়া ৰজাৰ" কুশল বাৰ্ত্তা জানিব কাৰণেই হক নতুবা নতুন ফিকিৰ পাতি অসম হৰা কাৰণেই হক বৰ্ম্মাৰাজে মিঙ্গিমাহা তিলোৱা, বজু, ৰণ্ডি নাথাম-নাবাক, মাজতি ফুকনক পুনৰ অসমলৈ পঠালে লগত অসংখ্য মান সেনা। জয়পুৰৰ কোঠ দেখি মান খেপ হল আৰু বিশ্বাসঘাটকতা কৰি বৰবৰুৱাক কাটিলে। স্বৰ্গদেৱৰ ওপৰত মানৰ সন্দেহ হ'ল। স্বৰ্গদেৱে মান আ খবৰ পাই গুৱাহাটীলৈ পলাল।

নাম মাত্ৰ তুঙ্গখুঙীয়া কৈফদৰ বগা কোঁৱৰৰ পুত্ৰ যোগেশ্বৰক ৰাজগাদিত বহুৱাই মিঙিমাহা, আলুঙমিঙ দেশৰ হৰ্ত্তা কৰ্ত্তা হল। নামনিত ভগা ৰজা চন্দ্ৰকান্তই হিন্দুস্থানী ছিপাহী, বিজনী ভোটাল, কামৰূপৰ বাৰে ৰৰণীয়া কিছুমান ৰণুৱা সংগ্ৰহ কৰিলে। বাটে বাটে দেশক ভালপোৱা বহুতো লোকেৰে লগ হৈ স্বৰ্গদেউ আহি মহগড় পথাৰ পালেহি। স্বৰ্গদেউক দেখি মানৰ ভয়ত পেপুৱা থকা অসমীয়া প্ৰজাৰ বুকু ডাঠ হ'ল। এইবাৰ মানৰ বিৰুদ্ধে ঠিয় হবলৈ অসমীয়া ৰণুৱা সাজি পাৰি উঠিল। অসমীয়াৰ তোপ, বৰহিটৈল, গঠিয়া, পাহলডি জুৰুৰী বোধ হয় শেষ বাৰলৈ গুৰুম গুৰুম শব্দৰে গুৰি উঠিল। স্বৰ্গদেৱক নিজে অস্ত্ৰ ধৰি ৰণ পথাৰত দেখি অসমীয়া প্ৰজা দৈব্য শক্তিৰে বলীয়ান হৈ উঠিল। মান তৰা নৰা ছিগি গ'ল! ঠিক অসমীয়া জিকো জিকো, এনেতে নিয়তিৰ পৰিহাস নতুনকৈ মান সেনা পালেহি। ইফালে অসমীয়াৰ খাৰ, গুলী শেষ হ'ল। যুদ্ধৰ গোঁ উভতি বলে। দলে দলে ডেকা অসমীয়া বীৰে দেশৰ হকে ভিঙি আগ কৰি দিলে। জন্মভূমিৰ ৰক্তত হেজাৰ হেজাৰ দেশভক্তৰ মহাগড় পথাৰত বলি হ'ল; স্বৰ্গদেৱে



নামনিলৈ বঙাল নাৱত উঠি ভটীয়ালে। অসমীয়া সেনাৰ পৰাজয়।

( ৫ )

এইবাৰ সম্পূৰ্ণ মানৰ দিন। বুৰঞ্জী এনে কাহিনী লিখিবলৈ অক্ষম। বুৰঞ্জীৰ পাত তেজেৰে ৰাঙলী হ'ল। মানেৰ গছকা সাপৰ দৰে খণ্ডত মান মতলীয়া হৈ নগৰে নগৰে, গাঁৱে-ভুঞে সোমাল। যাঠি, জোং, দা', জুই লৈ অসমীয়াৰ প্ৰাণেৰে পিশাচৰ ক্ৰীড়া আৰম্ভ কৰিলে। যেইফালে অপমান, অবিচাৰ, অত্যাচাৰ, অশান্তি। ৰংপুৰত স্বৰ্গদেৱ চন্দ্ৰকান্ত বন্দী। বাজুকেয়া ৰংপুৰত ৰজা। মানৰ লগত সম্ভাৱ ৰখা লোকৰ একো নহল। আনন্দিৰামে বাজ্য এৰি পলাল। মানৰ ৰণত অসমীয়া প্ৰজাও অসংখ্য হানি হ'ল। তেতিয়াৰেপৰা প্ৰজাৰ সংখ্যা অতিপাতকৈ কমে। E. A. Gait চাহাবে এঠাইত লিখিছে—"No less than thirty thousand Assamese had been taken away as slaves.... The invaders, by their barbarous and inhuman conduct, had destroyed more than one half of the population. The Ahom nobles and the great Gosains with few exceptions had retired to Goalpara and they were followed by large numbers of the common people. The former eventually returned to their home, but the poorer refugees did uot, and their descendants still form a large proportion of the inhabitants of the eastern part of Goalpara"

এইখিনিতে কৈ যোৱা যুগুত সেই সময়তে ভালেমান অসমীয়া প্ৰজা ঢাকা, মতিপুৰ, কাছাৰ, ৰংপুৰ, চিতাগঞ্জ, ত্ৰিপুৰা আদি ঠাইত গৈ আশ্ৰয় লৈ শেষত তাতে নিগাজী হলগৈ। সেই সময়তে ভালেমান অসমীয়া মানুহ বঙালী জাতিৰ লগত মিহলি হৈ শেষত তাতে লীন হ'ল!

মানে অসমত প্ৰভুত্ব চলাবলৈ পাই লাহে লাহে মন মেলাবলৈ ধৰিলে। সিহঁতৰ আকল বাঢ়িল। সিহঁতৰ লগত চামিল কৰি লবৰ অভিপ্ৰায়ে বৃটিছ ৰক্ষিত কাছাৰ ৰাজ্য আক্ৰমণ কৰে। ৰজা চৰজিৎসিংহই বৃটিছৰ সহায় ভিক্ষা কৰে। বৃটিছে মানক কাছাৰৰপৰা হাত কোচাই নিবলৈ টানি হুকুম দিলে। মানে বৃটিছৰ মানা মনা দূৰৈৰ কথা, তাৰ উত্তৰ স্বৰূপে বৃটিছৰ দখলত থকা চাহপুৰ আক্ৰমণ কৰিলে। এই দৰে সিহঁতে প্ৰবল ফৌজৰ লগত ফেৰ পাতি ললে। গৱৰ্ণৰ জেনেৰেল লৰ্ড আমহাৰ্ষ্টে ত'ৰে পৰা ৰণৰ আজ্ঞা দিলে। মান কাছাৰৰ বাজ হল! কিন্তু বৃটিছ ফৌজে সিহঁতৰ পাছ নেৰিলে। অসমৰপৰাও মানৰ ফৌজ বাজ হ'ব লগাত পৰিল। ছাৰ আৰ্কিবল্ড কেম্পবেলে বৃটিছ ফৌজেৰে গৈ ৰেঙুন অধিকাৰ কৰিলে। দনাবু যুদ্ধত মহামতি বন্দুলা ৰণত পৰিল। ইয়ান্দাবুত সন্ধি হ'ল। সেই সন্ধিমতে মানে অসম, আৰাকান, টেনাচেৰিমৰ স্বত্ব এৰিলে। কাছাৰ, জয়ন্তীয়া আৰু মণিপুৰত ভৱিষ্যতলৈ হাত ক্ষেপন নকৰিবলৈ স্থিৰ হ'ল। কোম্পানিৰ লগত বেহা বেপাৰৰ সম্বন্ধ স্থাপন হল, আৰু যুদ্ধৰ খৰচ হিচাবে এক কোটি টকা দিবলৈ গাত ললে। কিন্তু সেই সময়ত অসমৰ কথা কোম্পানিয়ে ভাবি চাবলৈ অৱসৰ নাপালে। তেওঁলোকে পূব সীমাত কোম্পানিৰ ৰাজ্য বিস্তাৰৰ সুযোগ পালে। অসম অৰাজক। দক্ষিণত ধনশিৰি, উত্তৰত বিশ্বনাথ আৰু ভৰলীকে মাজ কৰি উজনি নামনি নামে দুই খণ্ডত ( Upper & Lower ) আহোম ৰাজ্য ভাগ কৰিলে; নামনিত ডেভিড স্কট চাহাব আৰু উজনিত কৰ্ণেল কোপাৰ চাহাবে শাসন ভাৰ চলালে।

( ৬ )

কোম্পানিৰ দিন। স্বৰ্গদেৱ দুজনাক পেন্সন দিবলৈ স্থিৰ হ'ল। তেতিয়া ইং ১৮২৫ খৃঃ। দুই খণ্ডত দুজনা ইংৰাজ "কমিশ্যনাৰ" 'ছিনিয়ৰ' আৰু 'জুনিয়ৰ' নামে খিতাপী লাগিল। আগৰ নিয়মে কিছু বিষয়া বাব থাকিল। মাটি পিয়ল আৰম্ভ হ'ল। চাৰিওৰ জনাৰ্দ্দন বৰবৰুৱাক তহচিলদাৰ পাতি ২০০৲ টকা কমিশ্যন দিলে। লম্বোদৰক বৰফুকন পাতি শোধৰ অধিকাৰ দিলে। দৰ্ম্মহা হ'ল ৩৫০৲ টকা, ক্ষমতা পালে অপৰাধীক ৫০৲ টকা জৰিমনা

কৰা, ছমাহ ফাটেক দিয়া আৰু ৩০ গোট বেট মৰা। আহোম বণুৱাবিলাক এজন কাপ্তানৰ তলত ৰাখিলে।

বুৰঞ্জীৰ পাতত সৌৰ্য্য-বীৰ্য্যৰ ঘটনাৰ ঠাইত ৰাজ্যনাশ, অপযশৰ কথাই ঠাই পালে। জগতৰ আন আন সভ্যজাতিয়ে নতুনকৈ বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰিলে। অসমীয়া বুৰঞ্জীৰ কাপ মৈলাম সামৰিবৰ যো যা হ'ল। অসমে মানে ৰণ হ'ল। কোম্পানিয়ে ৰাজ্য পালে। পাছে পুৰন্দৰ সিংহ আৰু স্কট ছাহাবেই দেশৰ সৰ্ব্বে সৰ্ব্বা হোৱাত, আৰু স্বৰ্গদেৱৰ স্বত্বৰ কোনো বিবেচনা নকৰাত গুৱাহাটীৰ পৰা গভৰ্ণৰলৈ এই মৰ্ম্মে পত্ৰ দিলে—"মানে ৰাজ্য ললে, আপোনাৰ কোম্পানিয়ে মানক খেদালে। পাছে বলৱন্তজনে দুৰ্ব্বলীক সহায় কৰে—ই ৰাজনীতি। গতিকে মোক পুনৰ ৰাজ্য লাগে।" এই আৰ্জ্জিলৈ কলিকতাত পৰামৰ্শ চলিল। ছাহাব লোকে এক মুখে স্বীকাৰ কৰিলে যে অসমৰ ৰজাৰপৰা সমস্ত ৰাজ্য কোম্পানিয়ে লোৱাটো যুক্তিসঙ্গত নহব। আকৌ কোম্পানিৰ সমস্ত ফৌজ ব্ৰহ্মপুত্ৰ উপত্যকাৰপৰা একেবাৰেই উঠাই অনাটো সুবিধাজনক কথা নহয়, গতিকে এনে এটা পথ অৱলম্বন কৰিব লাগিব যাতে দুয়োটা কথাৰ এটা সুসম্পন্ন হয়। অসমৰ স্বৰ্গদেৱক ইয়াৰে কোনো অংশত শাসন ভাৰ দি তাত বৃটিছৰ স্বাৰ্থ জড়িত ৰাখিব। এই সম্পৰ্কে যি জনক তদন্তৰ ভাৰ দিছিল তাৰ ভিতৰত ৰবাৰ্টছন এজন।

১৮৩৩ চনত Mr. R. C. Robertson বঙ্গৰ গৱৰ্ণৰ বাহাদুৰলৈ স্বৰ্গদেউ পুৰুন্দৰ সিংহ সম্বন্ধে এই বিষয়ে ৰিপৰ্ট দিলে।—"I have had several interviews with Purandar Singha at Gauhati, and see no reason, from his outward apperance and manners, to doubt of his fitness for the dignity, for which all unite in preferring him to his rival Chandra Kanta. Purandar Singha is a young man, apparently about 25 years of age. His natural abilities seem respectable and his disposition mild and pacific."

ৰবাৰ্টছনৰ দৰে আৰু তিনিজনে স্বৰ্গদেৱ পুৰন্দৰক আহোম ৰাজসিংহাসনৰ উপযুক্ত বিবেচনা কৰিলে। "Major White and Lieutenants Mathie and Ruther Ford are all decidedly of opinion that Purandar Singh is the person best fitted to be at the head of the state which it has been decided to create"—Political proceedings of the govt. of Bengal, dated 4th Feb. 1833, Nos. 123—4

বঙ্গৰ গৱৰ্ণৰ বাহাদুৰৰ শেষ সিদ্ধান্ত হ'ল। পুৰন্দৰ সিংহ স্বৰ্গদেৱলৈ পত্ৰৰ উত্তৰ আহিল। ৰণত বহুত টকা ভগন হল। গতিকে অৰ্দ্ধৰাজ্যহে দিব পৰা যাব। গৱৰ্ণৰ বাহাদুৰৰ আজ্ঞায় 'ৰাট' ছাহাবে পুৰন্দৰ সিংহক যোৰহাটৰ কাৰেঙত পুনৰ আহোম সিংহাসনত বহুৱাই সম্মান দেখুৱালে। ৰাজ্য পালে শিৱসাগৰ আৰু লক্ষীমপুৰ জিলা দুখন। আগৰ ৰাজ ক্ষমতা সকলো পালে। বৃটিছৰ হাতত দেশৰক্ষাৰ ভাৰ থাকিল। সেইকাৰণে কোম্পানিক বছৰি পঞ্চাশ হাজাৰ টকা দিবলগীয়া হ'ল।

( ৭ )

স্বৰ্গদেৱ পুৰন্দৰ সিংহ শেষবাৰলৈ, আহোম ৰাজসিংহাসনত, যোৰহাট নগৰত বহিল। কিছু কিছু নতুন বিষয়াৰ সৃষ্টি কৰিলে। ৰতাহ ধুমুহা ডাৱৰ আঁতৰাৰ পাছত বেলিয়ে পুনৰ দেখা দিলে। ই আহোম ৰাজ ক্ষমতাৰ মৰ-শ্ৰী মাত্ৰ। অসমৰ ৰাজলক্ষী কোনোৱা কাহানিয়েই আত্মা বিদ্ৰোহতে অসম পৰিত্যাগ কৰি গৈছে। স্বৰ্গদেৱে পিতৃপুৰুষসকলৰ শৌৰ্য্য বীৰ্য্য অনুসৰণ কৰি পুনৰ ৰাজ্য স্থাপন কৰিবলৈ উঠি পৰি লাগিল। বুৰঞ্জীবিদ শ্ৰদ্ধাস্পদ ৰায়বাহাদুৰ ভূঞাদেৱে এঠাইত লিখিছে, "মান ভগনৰ পাছত ১৮৩৩ খৃষ্টাব্দৰপৰা ১৮৩৮ খৃষ্টাব্দলৈকে পুৰন্দৰ সিংহ মহাৰাজে বৃটিছৰ কৰতলীয়াৰূপে উজনি অসম শাসন কৰিছিল। ভগাদেশ আওতাবলৈ পুৰন্দৰ সিংহই খুব ভাৱে চেষ্টা কৰিছিল।" সঁচাকৈয়ে ভগা ৰাজ্যপুন স্থাপন কৰাত স্বৰ্গদেৱে যেনেভাৱে লাগিছিল, অসমীয়া প্ৰজায়ো যদি তেনেভাৱে সহায় কৰিলেহেঁতেন তেন্তে অসমে অসমতে আৰু এখন মণিপুৰ দেখিবলৈ পালেহেঁতেন। এতিয়া আৰু আগৰ দিন নহয়। স্বৰ্গদেৱৰ পক্ষে ই সঁচাকৈয়ে দুৰূহ কাম হৈ পৰিল। এখন ভগাৰাজ্য পুনৰ স্থাপন কৰিবলৈ হলে কিমান শৃঙ্খলাবদ্ধ হৈ কামত আগবাঢ়িব লাগে, টকা কড়িৰ কিমান আৱশ্যক, প্ৰজাৰ সহানুভূতি কিমান উপাদেয়, তাক ৰাজনীতি জ্ঞান থকা সকলোৱেই উপলব্ধি কৰিব পাৰিব।

ৰাজ্য নচলে, ৰাজ ভড়ালত টকাৰ আটক। গতিকে স্বৰ্গদেৱে প্ৰজাৰ ওপৰত কৰৰ মাত্ৰা অলপ বেছি কৰাটো ৰাজঘৰে উচিত বিবেচনা কৰিলে। নহলেতো আন উপায় নাই। ৰজাৰ কৰ-কাটল শাস্ত্ৰসিদ্ধ। ৰাজ্যৰ বিষয়াৰ ৰাজ-আজ্ঞায়ে দেশৰ চলিত প্ৰথাৰে প্ৰজাৰপৰা যেনেতেনে কৰ আদায় কৰা কৰ্ত্তব্য। ইফালে প্ৰজাৰো জুকলা অৱস্থা। আগৰ দৰে ৰাজ ঘৰৰ কটকটীয়া বান্ধন নাই। প্ৰজায়ো কৰ-কাটল দিয়াত লেহেম কৰিবলৈ ধৰিলে। কাজে কাজেই ৰজাঘৰ টানমুখীয়া হবলৈ বাধ্য হল। সেইকাৰণেই পুৰন্দৰসিংহৰ ৰাজত্ব কিছুমান অসমীয়া প্ৰজাৰ কাৰণে অসন্তোষৰ বিষয় হৈ পৰিল। তেওঁলোকৰ আৰু আহোমৰ শাসন ভাল নলগা হৈ পৰিল। তাৰ পিছত কি পাক প্ৰকাৰে আমাৰ জানিবৰ উপাই পাই, ১৮৩৮ চনৰ অক্টোবৰ মাহত পুৰন্দৰ সিংহক ৰজা ভাঙি, উজনি অসম সম্পূৰ্ণৰূপে বৃটিছৰ খাচ দখললৈ আনিলে। ছৰ্কাৰী ৰিপোৰ্টে কয় যে তিনি বছৰৰ দিবলগা টকা কোম্পানিৰ হাতত নপৰাৰ কাৰণেই ৰজাক অকৰমণ্য ভাবি কোম্পানিয়ে ৰাজ্য লয়। লক্ষীমপুৰ, শিৱসাগৰ যেন দুখন জিলাত সেই সময়ত ৫০,০০০ হাজাৰৰ কথাকে বাদ দিলেও দুই তিনিলাখ টকাৰ আটক হোৱাটোও ভাবিব লগীয়া কথা। আন ফালে প্ৰজাৰপৰা টকা উঠাই প্ৰবল প্ৰতাপী বৃটিছৰ লগত সেই সময়ৰ জুকলা হোৱা আহোম স্বৰ্গদেৱে কোম্পানিক দিব লগা টকা নিদিওঁ বুলি ফেৰ পাতিবলৈ মতলব কৰাটোও কাণত নোসোমোৱা কথা। দুৰ্বলৰ ওপৰত যাব লগা ৰাজ্য গ'ল। ই নিয়তিৰ বিধান।

( ৮ )

কোম্পানিৰ দিন। পুৰন্দৰৰপৰা ৰাজ্য কাঢ়ি ৰবতি ছাহাবক শাসন ভাৰ দিলে। স্বাধীন অসমৰ বেলি মৰাৰ পিছত মৰ আউসী। কছাৰী ঘৰ সাজি গোচৰ আদি লোৱাৰ নিয়ম হল। বঙাল দেশৰ পটু কৰ্ম্মচাৰীৰ আমদানী হ'ল। ছৰ্কাৰী 'অফিছ'বিলাকত ঘোষ, বসু, সেন, মিত্ৰ, চট্টোপাধ্যায়, বন্দোপাধ্যায়ে আগৰ বৰুৱা, ফুকন, ৰাজখোৱা, হাজৰীকাৰ আসন গ্ৰহণ কৰিলে। লগে লগে বঙলা ভাষাই অসমত গুটি পচালে, যাক শেষত যুদ্ধ বাগৰত হে উঠাব পাৰিছিল।

অসমীয়া প্ৰজায়ো ভাল খাবলৈ পিন্ধিবলৈ পাই, যুদ্ধ বাগৰ আৰু কঠোৰ ৰাজ্য চলোৱাৰপৰা অব্যাহতি পাই কোম্পানিৰ আমোলকে "Great comfort both as regard, living and clothing." Gait—বুলি ভাবি স্বাধীনতাৰ সুখ পাহৰি পেলালে। কোম্পানিয়ে পুৰন্দৰ সিংহ, যুৱৰাজ কামেশ্বৰ সিংহলৈ পেন্সন আগ বঢ়াইছিল। স্বাধীনমনা স্বৰ্গদেৱে অসমীয়া ৰজাৰ মৰ্য্যাদা অক্ষুন্ন ৰাখি, "নলৈলো আমাৰ ৰজা তাক ঘৃণা কই"। স্বৰ্গদেৱে দাম্ভিক ভাৱে উত্তৰ দিছিল—'আপোনাৰ প্ৰজাৰ ঘৰে ঘৰে অন্ন খুজি খাব লগা হলেও বিজেতাৰ অন্ন চুব নোৱাৰি।" যুৱৰাজেও কোম্পানিৰ যচা টকা উপেক্ষা কৰি পিতৃৰ ধনদৌলত ভোগ কৰিছিল। ইয়াৰ কেইদিন মানৰ পিছতে যোৰহাটৰ কাৰেঙত আহোমৰ শেষজনা স্বৰ্গদেৱে পৰাধীনতাৰ হাত সাৰি স্বৰ্গগামী হয়। কামেশ্বৰ সিংহয়ো কেইবছৰমানৰ পাছতে পিতৃস্বৰ্গদেৱৰ পদানুসৰণ কৰিলে। কামেশ্বৰ সিংহ স্বৰ্গী হোৱাত তেখেতৰ পুত্ৰ কন্দৰ্পেশ্বৰ সিংহক চাৰিঙীয়া ৰজা পাতে। সেই সময়ৰে কোম্পানিয়ে পতা সদৰামিন হৰনাথ পৰ্ব্বতীয়া বৰুৱাই "ৰৰলোক হৈবো বুলি"—চাৰিঙীয়া ৰজাই বিদ্ৰোহ কৰিছে বুলি কোম্পানিক লগালে। কোম্পানিয়ে তেখেতৰ সৰ্ব্বস্ব আগ্ৰহী কলিকতালৈ বন্দী কৰি নিলে। কিন্তু সুখৰ বিষয় বিচাৰত চাৰিঙীয়া ৰজাৰ কোনো দোষ নাপালে। কোম্পানিয়ে তেখেতক মাহে ৫০০৲ টকা পেন্সন দিলে। কন্দৰ্পেশ্বৰেও নিজৰ ধনদৌলত এৰি গুৱাহাটীতে ( বৰ্ত্তমান ব্ৰিভিং স্কুল আৰু কামৰূপ অনুসন্ধান সমিতি থকা স্থানতে ) পেন্সন খাই ৰ'ল। স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ পুতেক যুৱৰাজ ঘনকান্ত

সিংহ গুৱাহাটীতে পেন্সনভোগী হৈ আছিল। ইমানতে অসম বুৰঞ্জীৰ সামৰণি পৰে। বুৰঞ্জী লিখকে ছশ বছৰীয়া গৌৰৱৰ কাহিনী শেষ বাৰলৈ সামৰিলে।

( ৯ )

আহোম ৰাজ্য যোৱাৰ লগে লগে কছাৰী, জয়ন্তীয়া, সদীয়া, মটক আদি ৰাজ শক্তিবো লোপ পালে। সেই সময়ত কাছাৰত ৰাজগাদিত তুলাৰাম নামমাত্ৰ ৰজা হৈ আছিল। তেখেতৰ ৰাজ্যৰ সীমা, উত্তৰে দৈয়াং আৰু যমুনা, দক্ষিণে মাহুৰ নদী, নগা পৰ্ব্বত, পূবে ধনশ্ৰী আৰু পশ্চিমে দৈয়া নদী আছিল। তুলাৰামে কোম্পানিক প্ৰথমতে ৭০ পাউণ্ড ওজনৰ হাতী দাঁত দিব লাগিছিল। শেষলৈ তাৰ পৰিবৰ্ত্তে ৪৯০৲ টকা দিব লগা হল। টকা দিয়া আৰু ৰাজ্য চলোৱাত হীনডেৰি হোৱাত কোম্পানিয়ে তেওঁৰপৰা ৰাজ্য একেবাৰেই কাঢ়ি মাহে ৫০৲ টকা পেন্সন দিয়াৰ বন্দবস্ত কৰে। কাছাৰ ঢাকাৰ লগত চামিল কৰি এজন ডেপুটি কমিস্তনাৰৰ তলত ৰাখিলে। ১৮৪৪ চনত তুলাৰামৰ ছুজনা পুতেক নকুলৰাম বৰ্ম্মণ আৰু ব্ৰজনাৰায়ণ বৰ্ম্মণে বাপেকৰ ৰাজ্য ঘূৰাই পাবৰ কাৰণে কোম্পানিৰ ওচৰত আবেদন কৰিছিল। কিন্তু তাৰ কোনো ফলাফল নহল।

১৮৩২ চনত জয়ন্তীয়া ৰজাৰ তলত থকা গোবা ৰাজ্যৰ প্ৰজাই চাৰিজন বৃটিছৰ প্ৰজাক কালীৰ আগত বলি দিয়ে। জয়ন্তেশ্বৰে গোবা ৰজাৰ এই বিষয়ে কোনো বিচাৰ নোলোৱাত ১৮৩৫ চনত বৃটিছে ৰাজেন্দ্ৰ সিংহক ৰজা ভাঙি মাহে ৫০০৲টকা পেন্সন দি জয়ন্তীয়াপুৰ কোম্পানিৰ ৰাজ্যভুক্ত কৰিলে।

সদীয়াখোৱা গোহাঁয়ে বৃটিছৰ মানা নামানি বৰসেনাপতিৰ লগত যুজ লগাৰ কাৰণে সদীয়া কোম্পানিয়ে ১৮৩২ চনত পায়। লগে লগে মটকৰ ৰাজ্যও ১৮৪২ চনত যায়।

সেই যুগতো যেন ভাৰতৰ পক্ষে স্বাধীন শক্তিৰ পতনৰ দিন। অসমৰ দৰে ভাৰততো ভালেমান ৰাজশক্তিৰ পতন হল। তাৰ পিছত ১৮৫৭ চন আহি পৰে। ছিপাহী বিদ্ৰোহ। অসমতো তাৰ জুই জলিল। স্বাধীন অসমৰ সপোন দেখা লোকবো ইয়াতে শেষ হল। বুৰঞ্জীলিখকে ইমানতে তেজ আৰু চকুৰ পানীৰে লিখা অসম বুৰঞ্জীৰ শেষ অধ্যায়ৰ সামৰণি মাৰিলে। স্মৃতি পটৰ বাহিৰে অসমৰ গৌৰৱ কাহিনী চিৰকাললৈ লোপ পালে। ইমানতে নিয়তিৰ ইচ্ছা পূৰণ হল।



# গল্প

## অদৃষ্ট

—শ্ৰীযুত বিপিনকুমাৰ বৰগোহাঁই

হি হি হি হি হি—এই, তোমাৰ নাম কি ?

—তোমাৰ ?

—তোমাৰ কি, কোঁৱানা !

—মোৰ নাম অমিয়া।

—মোৰ নাম পোনা।

অমিয়াই যৌতুকত অনা নতুন পালেঙৰ ওপৰত বহি কোলাত এই সৰু ল'ৰাটিক লৈ মৰম কৰি আছিল।

—পোনা, অ' পোনা ! খুৰীয়েৰক কিয় আহুকাল কৰিছগৈ ? আহ, মোৰ ওচৰলৈ আহ।

খুৰী, আয়ে মাতিছে, যাওঁ দেই ; আকৌ তোমাৰ ওচৰলৈ পলাই আহিম গৈ।

আকৌ আহিবা দেই, সোণ।

নতুন খুৰীৰ কোলাৰপৰা ওলাই অকণমান ল'ৰাটি মাকৰ ওচৰলৈ লৰ মাৰিলে। ধুনীয়া ল'ৰাটি, চকু দুটি চালে চাওঁতাৰ বুকু মৰমত উঠলি উঠে। উদং গা, ফালকটা ক'লা ৰঙৰ হাফ পেন্ট এটিয়েই গাত লৈছে, গলধনৰ ওপৰলৈকে ওলমি পৰা চুলি নাপিতৰ কেঁচিৰ কাৰণে বাট চাই আছে, উদং শৰীৰ, আউল-বাউল দীঘল চুলিয়ে পোনাক যেন কি এটি মধুময় আকৰ্ষণী শক্তি দানি দি থৈছে। দেখিলেই ইচ্ছা হয়, লৰটিক টানি আনি কোলাত লৈ মৰম কৰোঁ।

পোনা শোৱাৰ পাছত অমিয়াই কোঠাৰ সকলো বস্তু থান-থিত লগাই থ'বলৈ ধৰিলে। শেহত দুৱাৰৰ মুখত আঁকি থোৱা শ্ৰীকৃষ্ণৰ ছবিখনিলৈ চাই হাত যোৰ কৰি বিশ্বৰ মহাপ্ৰাণ ঈশ্বৰৰ উদ্দেশ্যে ভক্তি জনাই নতুন কৈ এৰি অহা মৰমৰ সখী তৰুলৈ চিঠি লিখিবলৈ বহিল :—

প্ৰাণাধিক তৰু—আজি পুৱা মোৰ নতুন ঘৰ পালোহি। বাটত একো কষ্ট হোৱা নাছিল। কিন্তু তইঁতলৈ বৰ মনত পৰি আহিছিল। মোৰ নতুন সংসাৰৰ বিষয়ে তই জানিবলৈ নিশ্চয় হেপাহ কৰিছ, কওঁ শুন—

মই যেতিয়া লিখিবলৈ বহিছোঁ, বাহিৰত ৰ'দ। আমাৰ নতুন ঘৰটি তাৰ দৰে অট্টালিকা নহয়। পকী ঘৰ যদিও বেৰৰ জীৰ্ণ শীৰ্ণ অৱস্থা, খিৰিকীৰ কাঁচবোৰ ভগা ; শূন্য ঠাই কাগজেৰে ঢকা। দাৰিদ্ৰ্যই যেন ঘৰটিত ৰূপ লৈছে। তথাপি তৰু, ঘৰভৰা এটি পূৰ্ণ স্নিগ্ধ শান্তি। পূব খিৰিকীয়েদি বৈ বৈ বতাহ আহিছে। দুৱাৰত আৰি থোৱা মাঙ্গলিক আমপাতৰ মালা সেই বতাহত কঁপি কঁপি উঠিছে ; পাতবোৰৰ খৰ খৰ শব্দই শান্তিক মুখৰিত কৰি তুলিছে।

"তেখেত" নাই, ওলাই গৈছে। তেখেতৰ বিষয়ে তোক জনাবলৈ মোৰ এতিয়াও তেখেতৰ লগত ভালকৈ দেখা হোৱাই নাই। আইয়ে ৰান্ধনী ঘৰত কিবা কৰিছে। বোধকৰো আমাৰ কাৰণে কিবা খোৱাৰ দিহা কৰিছে। তৰু, ইয়ালৈ আহি মই যি জনা আইক পাইছোহি তেওঁ ধীৰ, গম্ভীৰ, শান্ত ; মাতৃত্বৰ মূৰ্ত্তিমান বিকাশ।

মোৰ জন্মদাত্ৰী আই কেনে আছিল মই নাজানিলো ; চিৰদিন মাতৃ-হীনা মই, আজি মোৰ মাতৃৰ সন্ধান

পাইছোহি। আৰু এটি খবৰ তোক দিওঁ। ৺বৰজনাৰ ল'ৰা পোনা, পোনাক যদি তই দেখিলিহেঁতেন! পোনাই মোৰ মন, প্ৰাণ কাঢ়ি নিছে। অকণমানি পোনাটি, তাৰ কি মৰম লগা কথা! পোনাই আমাৰ নয়নৰ মণি। মোৰ বৰ সৌভাগ্য যে এনে এটি বন্ধু, এনে এটি ভাই মই পাইছোঁহি।

—অ' আই অমিয়া, অলপ বাহিৰলৈ আহঁচোন। তোক চাবলৈ এই এখেতসকল আহিছে।

অমিয়াই চিঠি লিখা সামৰি ওৰণিখন ভালকৈ লৈ ওলাই গ'ল।

চাওঁ চাওঁ, ওৰণিখন গুচোৱাঁচোন। আমাৰ আগত কিহৰ লাজ?...বেচ, ধুনীয়া ছোৱালীটো!

—পিছে, আইটি, কিমানলৈকে পঢ়িছিলা?

—মাইনৰ ক্লাছলৈকে।

—ওঁ, পাছ কৰিবলৈ নহল হ'ব পায়?

—হয়, পাছ কৰিলোঁ। হাকিমনীৰ মুখ অলপক'লা পৰিল। কাৰণ নিজৰ ছোৱালী প্ৰতিভাই এইবাৰ মাইনৰ পৰীক্ষাত ফেʼল কৰি আহিছে।

—বেচ, গান বাজনা কিবা?

—শিকা নাই।

হাকিমনীয়ে মিচিককৈ হাঁহি মাৰি ক'লে,—

কোনো কথা নাই। সকলো ছোৱালীয়েই কিবা আৰু গান বাজনা কৰিব পাৰেনে? আমাৰ প্ৰতিভাকে জানো গান শিকাবলৈ কম কষ্ট কৰিবলগীয়া হ'ল? দেউতাকৰ কিমান চেষ্টাতহে তাই আজি সভাই সমিতিয়ে গাই ফুৰিব পৰা হৈছে। সিদিনা বৰছাহাবৰ বিদায়-মেলত গাই তাই মেডেলনে কি এটাও পাই থৈছে। হেৰ আইদেউ (প্ৰতিভা), ন-ছোৱালীক দেখুৱাবিহিচোন তোৰ মেডেলটো।

বোৱা কটা জানানে নাই? ইয়াৰ নতুন ঠাই কেনে লাগিছে? ভাই-ভনী আছেনে নাই—ইত্যাদি কিছুমান জেৰা কৰাৰ পিছত হাকিমনী যাবলৈ ওলাল।

যোৱাৰ সময়ত ন-ছোৱালী চোৱাৰ বেচ বাবদ অমিয়াৰ হাতত পাঁচটি টকা দি গ'ল।

পোনাই খুৰীয়েকৰ ওচৰলৈ গৈ কলে—খুৰী তোমাৰ হাতত কি?

—টকা।

—চাওঁ।—আও, ইমানবোৰ! খুৰী ইমানবোৰ টকাৰে তুমি কি কৰিবা?

কিয়, তোমাক লাগেনেকি?

মোক নালাগে। আমি বৰ দুখীয়া আইৰ চোলা নাই, আইক চোলা কিনি দিবা দেই খুৰী। আৰু খুৰা, খুৰাই বৰষুণত তিতি ফুৰে, ছাতি নাই। খুৰাই কয় পইচা নাই, ছাতি ক'ৰ পাম? তুমি খুৰাক ছাতি কিনি দিবা দেই। আৰু গুৱালটো আজিকালি আমাৰ ঘৰলৈ নাহে, মাতিলে কয় পাইছা নাই গাখীৰ খাবলৈ বিচাৰে? তুমি পাইচা দিবা, আমি গাখীৰ খাম।

অমিয়াৰ চকু ছল ছল কৰি উঠিল। পোনাৰ মুখেদি গিৰীয়েকৰ ঘৰৰ প্ৰথম পৰিচয়ত অমিয়াৰ বুকু ফাটি কান্দোন ওলাবলৈ চেষ্টা কৰিলে।

সেই দিনাই ৰাতি, মুকুল আৰু অমিয়া বিছনাত। নিস্তব্ধ নিশা, সুপ্ত জগত, কৃষ্ণপক্ষৰ চতুৰ্থীৰ জোন ম্লানমুখে শূন্যত পাৰি দিছে, মুকুলৰ কোঠাৰ পূব-খিৰিকীৰে সেই পোহৰ আহি সৰু কোঠাটি ধুই পেলাইছেহি। ... আনিছে সহচৰ কৰি ৰিব ৰিব বা আৰু শেৱালী ফুলৰ সুবাস।

স্তব্ধতা ভাঙি পুৰুষৰ স্বৰ বাজিল।

—অমিয়া, শুলানে কি?

—নাই শোৱা।

—অমিয়া...,

—কি?

—অমিয়া, তুমি ভুল কৰিলা।

—কি ভুল কৰিলো?

—মোক বিয়া কৰাই।

—কেনেকৈ?

—আমিযে বৰ দুখীয়া!

অ', সেয়ে? কিয় মইতো ঐশ্বৰ্য্যক বিয়া কৰাবলৈ পণ কৰা নাছিলো!

অমিয়া, তুমি আমাৰ ঘৰত যে বৰ দুখ পাবা!

তেনেহলে মই ওলাই যাম? কিয়, পোনা যি ঘৰতে, আই য'ত আছে, আপুনি য'ত আছে তাত মোৰ দুখ কিহৰ?

—তথাপি।

তথাপি কি, আপুনি কিয় এইবোৰ ভাব মনলৈ আনিছে? মই যে ইয়াত অপাৰ সুখ পাইছো। ঈশ্বৰ বোৰ বৰ মঙ্গলময়।

মুকুলে মাথো এটি হুমুনিয়াহ কাঢ়ে। বহু দূৰৰপৰা ...হত ভাহি আহে আকুল স্বৰ—"মই কেতেকী", "মই কেতেকী"। মুকুলে কয়—অমিয়া, ৰাতি বহুত হ'ল, টোপনি যোৱা।

* * * *

দিন ব'য়, ৰাতি আহে। চাওঁতে চাওঁতে অমিয়াৰ নতুন ঘৰত প্ৰায় এমাহ হ'লহি। এদিন শাহুৱেকে অমিয়াক মাতি ক'লে,—আই, তই মোৰ শূন্য ঘৰৰ লখিমী। অভাগা পোনাৰ মাকে মৰিবৰ সময়ত পোনাক মোৰ হাতত গ'টাই দি কৈ গ'ল—আই, পোনাকণক দি গ'লো, আমাৰ বাবে বেজাৰ নকৰিব। বাছা মুকুলমোৰ, ... সৰল লৰা, সি এই কোমল বয়সতে কিমান দুখকষ্ট পাইছে! ন-বৌয়েকক সি কিমান ভাল পাইছিল। ন-বৌয়েকেই তাৰ মাক যেন আছিল। তাৰ ককায়েক গ'ল, ৰবমৰ ন-বৌয়েক গ'ল। মোৰ চেনেহৰ পো-বোৱাৰী গ'ল, থাকি গ'লো আমি। তথাপি আই অমিয়া, মোৰ কোনো দুখ নাই। মোৰ মুকুল পোনা মোৰ বুকুত আছে। পো-বোৱাৰীহতো মোৰ হেৰোৱা নাই, সিহঁত মাথোন আমাতকৈ আগেয়ে গৈ বৈ আছেগৈ, আই, মই বুঢ়ী মানুহ, তই মুকুলক চাবি, পাৰ যদি তাৰ দুখৰ বোজা ববি, সি বৰ দুখী।

* * * *

মুকুলে পুৱা ল' কলেজত পঢ়ে, দুপৰীয়া উত্তৰ গুৱাহাটীৰ স্কুলৰ সামান্য দৰমহাত মাষ্টৰি কৰে; স্কুলৰ পাছত তাৰে মৌজাদাৰৰ ঘৰৰ ঘকৰা শিক্ষকতা কৰি ... নগৰৰ প্ৰান্তত থকা নিজৰ ভগা কুটীৰলৈ ফিৰি আহে। মুকুলৰ মন সদায় মৰা; ৰাতি টোপনিত কেতিয়াবা কেঁহুৰি কেঁকুৰি কান্দি উঠে। অমিয়াই নীৰৱে শুনি থাকে, নিজেও চকুৰ পানী টোকে। কিন্তু নজগায়, কাৰণ, যি কথা ক'লে মুকুলৰ অন্তৰৰ ব্যথা বাঢ়িহে উঠিব, তাক অমিয়াই মুকুলক জানিবলৈ নিদিয়ে। মুকুলৰো বুকুভৰা অথচ বাহিৰত প্ৰকাশ নকৰা কান্দোন সপোনতে প্ৰকাশ পাই মুকুলৰ হৃদয় আৰ্দ্ৰ কৰি তোলে।

পোনা, অকণমান ল'ৰাটি! পোনাই এই দুখীৰ ঘৰত শান্তিৰ নিজৰা। পোনাৰ অমায়িক কথা-বাৰ্ত্তা, প্ৰাণ খোলা হাঁহিৰ আগত দাৰিদ্ৰ্যৰ পৰশ বতাহতে গলি যায়। তথাপি, তথাপিতো দাৰিদ্ৰ্যৰে জয়।

অমিয়াৰ কিন্তু সদায় হাঁহি মুখ। শাহুয়েক বোৱাৰীয়েকৰ মাজত মাক জীয়েকৰ দৰে সম্বন্ধ। ক্ষুদ্ৰ সংসাৰৰ সকলো জঞ্জালৰ অমিয়াই হাঁহি হাঁহি আউল মাৰে। অৱসৰৰ সময়ত পোনাটিক লৈ ৰং ধেমালি কৰে। চিন্তা আৰু অমিয়া যেন দুয়ো সতিনী! কোনো কাৰো ওচৰ নাচাপে।

শাহুয়েকে কয়—আই অমিয়া, তই লেখাপঢ়া জনা ছোৱালী, ধনী মোমায়েৰৰ ঘৰত উঠা। তই যে ইমান কামবন জান, মই ভবাই নাছিলো। তোৰ ঈশ্বৰে মঙ্গল কৰক।

মুকুলে কয়—অমিয়া, তুমি আচৰিত।

পোনাই কয়—খুৰী, তুমি আমাক এৰি নাযাবা দেই!

আন আটায়ে কয়—অমিয়াৰ দৰে ছোৱালীহে ছোৱালী। সাক্ষাৎ লখিমী।

হাকিমনীয়ে আনৰ মুখৰপৰা অমিয়াৰ গুণ-গৰিমা শুনে, আৰু লগতে নিজৰ জীয়েকৰ গুণ বখানি কয়, আমাৰ প্ৰতিভা আইদেৱে আজিকালি নাচিবলৈও শিকিছে, কিবা বেলেনে অৰিয়েণ্টাল নাচ।

* * * *

আজি পুৱাৰপৰা বৰ কোবেৰে বতাহ দিছে। বিশাল ব্ৰহ্মপুত্ৰত আজি তাণ্ডৱ নৃত্য। আকাশত ক'লা ক'লা ডাৱৰৰ খণ্ড তীব্ৰ গতিত ইফাল সিফাল কৈ উটি ফুৰিছে। আজি যেন মহা প্ৰলয়ৰ সূচনা।

সন্ধ্যা নৌ লাগোঁতেই আমোলা মহৰী, ডেকা সকলোৱে প্ৰকৃতিৰ ঘোৰ দুৰ্য্যোগ আশঙ্কা কৰি ঘৰাঘৰি গৈছে। সূৰ্য্যদেৱেও আজি মেঘৰ আৰতে কোনোবা পাকত বিদায়

লগে। হাট বজাৰ আলি পদূলি জনশূন্য। বাটত বিজুলী চাকি ঠিক সময়তে জ্বলি উঠিল। ঘৰে ঘৰে লেম্প চাকি জ্বলোৱা হল। কিন্তু ক'তো মানুহ দুনুহৰ সঁহাৰি পাবলৈ নাই। ই যেন সেই ৰূপ কথাৰ পাতাল পুৰী য'ত বাটৰ দুয়ো কাষে শাৰী শাৰী দোকান পোহাৰ, সুন্দৰ ঘৰ-দালান। কিন্তু কতো প্ৰাণী এটিও নাই।

গধূলি হ'ল; অসময়ত ঘোৰ এন্ধাৰে ছাতি ধৰিলে।

এই দুৰ্যোগৰ দিনতো আজি মুকুল ঘৰত নাই। দিনতে কামলৈ ওলাই যোৱা, এতিয়ালৈকে ফিৰি অহা নাই। মুকুলৰ দূৰ সম্পৰ্কীয় বৰ দেউতাকে ঘাটত খবৰ লবলৈ গৈছে; তেওঁকো দেখা নাই।

মুকুলৰ মাকে বান্ধনী ঘৰত আগত শৰাই এখন লৈ দীপল দি সেৱা কৰি পৰি আছে। অমিয়া পদূলি মুৰত, আচলত ধৰি পোনা। কাৰো মুখত কথা নাই। গভীৰ আন্ধাৰৰ বুকু ভেদি সুদূৰত পাহাৰবোৰৰ শিখৰে শিখৰে জুইৰ মালা। ফাগুনী বতাহে বৈ বৈ সিমানে বেগে বতাহ ধৰিছে, পথাৰৰ জুইবোৰো সিমানে ভমক ভমককৈ জ্বলি উঠিছে। প্ৰকৃতিৰ আজি কি ভীষণ খেলা!

মুকুলৰ বৰদেউতাক ফিৰি আহিছে। পদূলিত অমিয়াক পাই ক'লে।—আই, ব'ল ঘৰলৈ ব'ল।

—তেখেত?

—মুকুল নাই, নাৱেৰে পাৰ হওঁতে নাও বৈত বুৰিল। পাৰত আন আন নাৱৰীয়াবোৰে চায়েই ৰল। চকুৰ আগতে তিনটি প্ৰাণী পানীত লুকাল।

অমিয়া মূৰ্চ্ছিত হৈ পৰি গল।

ভিতৰত মুকুলৰ মাক—মাকৰ প্ৰাণে আগেয়েই খবৰ পাই শোৱাতে মূৰ্চ্ছা গল। আৰু পোনা! পোনাই দি- থুৰীয়েকৰ আচলত ধৰি টানি কলে,—খুৰী, উঠা, মই আছো নহয়!

———

# প্ৰাচীন ভাৰতত আৰ্য্যসঙ্গীত পদ্ধতি

—শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা বি-এ

[ এই প্ৰবন্ধত বৈদিক যুগৰ আৰ্য্য সঙ্গীতৰ কেনে ৰূপ আছিল, তাৰ এটি আভাস দিবলৈ চেষ্টা কৰা হৈছে। বৈদিক যুগৰ সঙ্গীত বুলিলে ঘাইকৈ সামগানকেই বুজিব লাগিব। গতিকে সামগানৰ আলোচনাই প্ৰবন্ধৰ ভালেখিনি ঠাই লৈছে। এই প্ৰবন্ধত প্ৰাচীন মানে বৈদিক যুগকে বুজোৱা হৈছে। বাদ্য আৰু নৃত্য এই দুই বিষয়ো অলপ চৰ্চ্চা কৰা হৈছে—লিখক ]

যি কালৰপৰাই চোৱা যায় হিন্দু সভ্যতা আৰু সংস্কৃতিৰ গুৰি পম খেদি খেদি বেদতেই পোৱা যায়। যি সঙ্গীত কলাই মোগলদৰবাৰৰ কোলাত ৰাজ সমাদৰ পাই তানসেনৰ প্ৰতিভাৱে নদন বদন ৰূপ লৈ আজি হিন্দুস্থানৰ বিশিষ্ট সাধনাৰ পৰিচয় জগতক দিব পাৰিছে, তাৰো বীজ বৈদিক যুগৰ সামগানতে। ঋগ্বেদৰ কালতে আৰ্য্য-সঙ্গীত আদিম অৱস্থাৰপৰা বহুত ওপৰলৈ উঠিছিল। সূক্তবিলাকৰ * আবৃত্তিৰ নিয়ম আদিৰপৰাই গান কৰাটো কিমান আদৰণীয় আছিল বুজিব পাৰি। ঋগ্বেদৰ মন্ত্ৰবিলাকত গানৰ উল্লেখ অসংখ্যবাৰ পোৱা যায়। মৰুতগণক গায়ক বুলি বৰ্ণনা কৰিছে। সোমৰস ছেঁকি উলিয়াবৰ সময়ত সাত গৰাকী গায়িকাই গান গোৱাৰ উল্লেখ নৱম মণ্ডলৰ এটি সূক্তত পোৱা যায়। তিনি বিধ যন্ত্ৰৰ নাম পোৱা যায়, বেণু, বীণা বা ক্ষোণী আৰু দুন্দুভি। ইয়াৰ উপৰিও কিছুমান শব্দ যেনে, গাথাপতি, গাথানী, গাথিন্ ইত্যাদিৰপৰা গান সেইকালত কিমান সৰৱৰহী আছিল অনুমান কৰিব পাৰি। এই গাথাবিলাকক যজ্ঞৰ বেদগানৰ ভিতৰত ধৰা নৈহেছিল—ঐতৰেয় ব্ৰাহ্মণত ঋকবিলাক দৈৱ আৰু গাথাবিলাক 'মানুষ" বুলি কৈছে। ঋক্ মন্ত্ৰৰ অন্তত 'ওম" আৰু গাথাবিলাকৰ শেষত 'তথেতি" বুলি গোৱাৰ নিয়ম *। 'দানস্তুতি' বিলাকো ৰজা আৰু সম্ভ্ৰান্তসকলৰ স্তুতিগান (Ballad) আছিল। ইয়াৰপৰাই সেইকালতো যে সঙ্গীতৰ সাধাৰণ (Popular) আৰু উচ্চ (Scientific) দুট ভাগ আছিল অনুমান কৰিব পাৰি আৰু এই দুয়োটা সুতিয়েই দুটা ধাৰাত আজিলৈকে বৈ আহিছে—কাল আৰু স্থানৰ ৰুচি অনুযায়ী নিজৰ বৰণ লৈ লৈ। ঋক্ মন্ত্ৰবিলাকতকৈ পিছত ৰচনা হোৱা ব্ৰাহ্মণগ্ৰন্থ আৰু উপনিষদবিলাকত এই বিষয়ে যি উল্লেখ পোৱা যায় তাৰপৰা সেই কালত সঙ্গীতৰ উৎকৰ্ষ আৰু বাঢ়িছিল বুলি ধাৰণা হয়।

সেই যুগৰ সঙ্গীতপদ্ধতিৰ বিষয়ে মোটামোটি জ্ঞান হয় সামবেদৰপৰা। সামবেদ খন সংগ্ৰহ হিচাপে ঋগ্বেদতকৈ পিছৰ হলেও সামবিলাক অৰ্থাৎ সুৰবিলাক ঋগ্ মন্ত্ৰতকৈ আগৰ হলেও পিছৰ নহয় বুলি প্ৰমাণ কৰিব পাৰি। সকলো সাহিত্যতে পুৰণি আৰু প্ৰথম সৃষ্টি গীত বিলাকতে পোৱা যায়। তাৰ উপৰিও ঋগ্বেদৰ মন্ত্ৰ বিলাকতে 'সামৰ' উল্লেখ অনেক বাৰ আছে।

সামগান বুলিলে যজ্ঞত গায়ক পুৰোহিত জনে সুৰ ধৰি গোৱা কিছুমান ঋগ্বেদৰেই মন্ত্ৰকে বুজা যায়। ঋক্‌বিলাক উদাত্ত অনুদাত্ত আদি স্বৰত আবৃত্তি কৰা হয়; কিন্তু সামগানত এই ঋক্ ৰচনাখিনিকে আশ্ৰয় কৰি ষড়জ ঋষভ গান্ধাৰ আদিত গান কৰা হয়। সেই কাৰণেই ঋক্ বিলাকক সামৰ আশ্ৰয় বুলি কোৱা যায়। সামবেদ খন গায়ক পুৰোহিতসকলৰ স্মাৰক গ্ৰন্থ বুলি ধৰিব পাৰি। সামবেদ বুলিলে যদিও ঋগ্বেদৰ মন্ত্ৰ কিছুমানৰ সংগ্ৰহকেই আজিকালি ধৰি লোৱা হয়, 'সাম' শব্দৰ অৰ্থ কিন্তু পৃথক্। সাম মানে কিছুমান সুৰ, আজিকালি ৰাগৰ নিচিনাই সা ঋ গা মাৰ আলম লৈ গো'ৱা। আৰু সামবেদ হৈছে এই সুৰবিলাকৰে সংগ্ৰহ।

এই সামবিলাকৰ বেলেগ বেলেগ নাম আছে, যেনে 'ৰথন্তৰ' 'বৃহৎ' 'বামদেব্য' ইত্যাদি। এইবিলাক বেলেগ বেলেগ সুৰ আৰু এই সুৰতেই ঋগ্বেদৰ কিছুমান মন্ত্ৰ গান কৰা হয়। যদিও সাধাৰণতে কোনবিলাক মন্ত্ৰ কোন সামত গাব লাগে নিয়ম আছে তথাপি এনে কোনো কটকটীয়া নিয়ম নাই যে সেই সেই মন্ত্ৰ আন কোনো সামত গাব নোৱাৰি। "অভিত্বা শূৰ নোনুম—" ইত্যাদি তিনটা ঋগ্ মন্ত্ৰ ৰথন্তৰ সামত গোৱা হয়। আৰু 'কয়া নাশ্চিত্ৰ আভুৱৎ—" ইত্যাদি তিনটা মন্ত্ৰ বামদেব্য সামত গোৱা হয়—এই তিনটা মন্ত্ৰক 'কৱতী' বোলে। কিন্তু যেতিয়া নিৰ্দ্দেশ দিয়ে "কৱতীষু ৰথন্তৰম্" তেতিয়া বুজিব লাগিব 'কয়ানাশ্চিত্ৰ আভুৱৎ' এই তিনটা মন্ত্ৰ বামদেব্য সামত নাগাই ৰথন্তৰত গাব লাগে। ইয়াৰপৰা বুজিব পাৰি যে সামবিলাক একোটা সুৰ মাথোন *। ছান্দোগ্য উপনিষদৰ এঠাইত আছে—" কা সাম্নো গতিৰিতি স্বৰ ইতি হোৱাচ"—সামবিলাকৰ মূলবস্তু কি? উত্তৰত কোৱা হৈছে স্বৰ (ঋষভ গান্ধাৰ আদি)। সামগানৰ গোৱা প্ৰণালী, লিখা-নিয়ম স্বৰবৰ্ণবিলাকৰ হ্ৰস্ব দীৰ্ঘতাৰ নিৰ্দ্দেশ ইত্যাদি বিষয় লৈ পিছৰ কালত সামবেদক কেন্দ্ৰ কৰি অসংখ্য সূত্ৰগ্ৰন্থ আৰু শিক্ষাগ্ৰন্থ† ৰচনা কৰা হৈছিল। সেইবিলাকৰ সহায় লৈ আৰু সম্প্ৰদায় ক্ৰমে যি দৰে গোৱা হয় তাৰপৰাহে সামগান কেনে আছিল ধৰিব পাৰি। সামবেদী পণ্ডিত দুই চাৰিজনে আজিকালিও সামগান কৰে—কিন্তু এইদৰেই যে চাৰি পাচ হেজাৰৰ পূৰ্ব্বেও গোৱা

---

* কেইবাটাও মন্ত্ৰ গোট খাই সূক্ত হয়—এনেকুৱা কিছুমান সূক্ত সমষ্টিৰে ঋগ্বেদৰ একোটা মণ্ডল; গোটেই ঋগ্বেদত দহটা মণ্ডল।

* ওমিত্যৃচঃ প্ৰতিগৰ এবং তথেতি গাথায়াঃ ওমিতি ইতি বৈ দৈৱং, তথেতি মানুষং"—ঐতৰেয় ব্ৰাহ্মণ ৭।১৮

* সায়নাচাৰ্য্যই সামবেদ ভাষ্যৰ ভূমিকাত লিখিছে—"সামাঙ্গৱাচী সামশব্দো বিশেষ ৰাচিনো ৰথন্তৰ শব্দাশ্চ গান মাত্ৰে ৱৰ্ত্তন্তে নতু গান বিশিষ্টা যামৃচি।" সেইদৰে আজিকালিও এটি ভৈৰৱী সুৰ যি কোনো কথাকে অৱলম্বন কৰি গাব পাৰি।

† শিক্ষাগ্ৰন্থ—যিবিলাক গ্ৰন্থত উচ্চাৰণৰ নিয়ম, স্বৰৰ উপদেশ, গোৱা প্ৰণালী ইত্যাদি বিষয়ে বিৱৰণ পোৱা যায়।

হৈছিল তাক ঠাৱৰোৱা টান। এই বিষয়ে অধ্যয়ন আৰু গবেষণাৰ প্ৰয়োজন। আমি এতিয়া সামগানৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰিম।

সোমযাগবিলাকতেই বিশেষকৈ সামগান কৰা হয়। এই কামৰ কাৰণে বেলেগ পুৰোহিত নিয়োজিত হয়। ডাঙৰ ডাঙৰ সোমযাগবিলাকত চাৰিজন এনে গায়ক পুৰোহিত থাকে। তেওঁলোকৰ নাম উদ্গাতা, প্ৰস্তোতা প্ৰতিহৰ্ত্তা আৰু সুব্ৰহ্মণ্য। উদ্গাতাই প্ৰধান, বাকীনকল লগৰীয়া। সাম কেতিয়া গাব লাগে কোনটো সাম কি উদ্দেশ্যত প্ৰয়োগ কৰিব লাগে তাৰ ধৰা বন্ধা নিয়ম আছে; পুৰোহিতসকলৰ সেইবোৰ জনা থাকে। এটি সাম এটাই কেউজন পুৰোহিতে একে লগে নাগাই ভাগ ভাগ কৰি একো একো জনে নিজৰ অংশহে গায়, কেৱল শেহৰ ভাগ কেউজনে সমস্বৰে গায়। এই একো অংশক 'ভক্তি' বোলে। এটি সামৰ প্ৰথম ভাগৰ নাম 'প্ৰস্তাৱ' তাক গায় প্ৰস্তোতা বোলা পুৰোহিত জনে। দ্বিতীয় ভক্তিৰ নাম 'উদ্গীথ' এই ভাগেই ডাঙৰ, গায় উদ্গাতাই। তৃতীয় ভাগ গায় প্ৰতিহৰ্ত্তাই; এই ভাগৰ নাম 'প্ৰতিহাৰ'। আৰু শেহৰ কেই আখৰমান কেউজনে একেলগে গায়—এই অংশৰ নাম 'নিধান'।

সামগানত আদিতে মাত্ৰ চাৰিটা স্বৰৰ ব্যৱহাৰ কৰা হৈছিল, পিছত অৱশ্যে সাতোটা স্বৰৰে ব্যৱহাৰ হৈছিল। এই সাত স্বৰৰ নাম ষড়্জ, ঋষভ, গান্ধাৰ ইত্যাদি নাছিল। তাৰ নাম আছিল প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, মন্দ্ৰঃ, ক্ৰুষ্ট আৰু অতিস্বৰ :—

প্ৰথমশ্চ দ্বিতীয়শ্চ তৃতীয়োঽথ চতুৰ্থকঃ।
মন্দ্ৰঃ ক্ৰুষ্টোহ্যতিস্বাৰ এতান্ কুৰ্ব্বন্তি সামগাঃ॥

নাৰদীয় শিক্ষা ১।১২

সম্বিধান ব্ৰাহ্মণৰ মতে এই সাতোটা স্বৰৰ নাম—প্ৰথম দ্বিতা ত্ৰিতা চতুৰ্থ মন্দ্ৰ ক্ৰুষ্ট আৰু অন্ত্য। কিন্তু এই প্ৰথম স্বৰ আমাৰ ষড়জ (সা) নহয়; দ্বিতীয়ও সেইদৰে ঋষভ (ঋ) নহয়। সামগসকলৰ মতে স্বৰক্ৰম পৃথক্। তেওঁলোকৰ মতেৰে যিটো প্ৰথম আমাৰ মতে সেইটো মধ্যম স্বৰ (মা)। সামগান পদ্ধতিত স্বৰবিলাকে আৰোহণ ক্ৰম নলৈ অৱৰোহণ ক্ৰম লয়। অৰ্থাৎ এনেকুৱা হব :—

| পা | ধা | নি | সা | ঋ | গা | মা |
| --- | --- | --- | --- | --- | --- | --- |
| অতিস্বৰ | ক্ৰুষ্ট | মন্দ্ৰঃ | চতুৰ্থ | তৃতীয় | দ্বিতীয় | প্ৰথম |

লিখিবৰ সময়তো এই অনুক্ৰমে ১,২,৩,৪ কৈ সংখ্যাৰে স্বৰ বুজোৱা হয়। একেটা স্বৰতে তিনি চাৰিটা বৰ্ণ যোৱা হয়—যেনে ওগ্নায়ি অৰ্থাৎ চতুৰ্থতে ওগ্নায়ি তিনিওটা বৰ্ণ গোৱা হব। আজিকালিৰ দৰে তালৰ নিয়ম নাই; কিন্তু একোটা ভাগ আছে সেইবোৰ একেটা উশাহতে গাব লাগে এনে একোটা ভাগক 'পৰ্ব্ব' বোলা হয়। ইয়ে অনুৰূপ তালৰ কাম কৰে। উদাহৰণ স্বৰূপে চোৱা যাওক—

৩ ৰ ৪ ২ ২ ৪ ৰ ৫ ১ ৰ২ ১ৰ ২ ১
| কাহ ৫ য়া | নশ্চাও ইত্ৰাও আভুৱাং | উ | ভীসদা বৃধস্তৱ|

আৰু কেইডালে একোটা পৰ্ব্ব বুজাইছে; এনে প্ৰত্যেক ঠাইতে উশাহ সলাব লাগে। একো একোটা দীৰ্ঘ বা বৃদ্ধ কৰা হয়, দীৰ্ঘ মানে দীঘলাই গোৱা আৰু বৃদ্ধ বুলিলে জোৰ দি গাব লাগে। একোটা স্বৰ উৱ, হোই, হে, হাই, এনেকুৱা একোটা নতুন শব্দৰ সহায়ত দীঘল কৰা হয়—যেনে ত্বা মিন্তি হৱামহে, এইষাৰ গান কৰিবৰ সময়ত

২ ৰ ৰ ৰ ৰ ১ ২
এনেকুৱা হৈ পৰিব—ওঁহোঙ্গ ত্বামিস্তি হৱামহাত৫। গানৰ আগতে ওম্ বা হুম্ উচ্চাৰণ কৰি লোৱাৰ নিয়ম। এইটো বোধকৰো কণ্ঠশুদ্ধ কৰি লোৱাৰ উপায় আছিল। আজিকালিও এটা গান আৰম্ভ কৰাৰ আগত আ আ কৰি লোৱা হয়।

সামগান কৰিবৰ সময়ত গায়কে হাত আৰু আঙুলিৰ সহায়েৰে প্ৰত্যেক উদাত্তাদি স্বৰ accent আৰু প্ৰথম দ্বিতীয় আদি সুৰ (note) দেখুৱাই গৈ থাকে। গাওঁতে যাতে ভুল নহয় তাৰ কাৰণেই এনে কৰা হয়। প্ৰথমে স্বৰ সাধিবৰ সময়ত এই আঙুলি আদিৰ সঞ্চালন বৰ উপকাৰী। ইয়াৰপৰাই সামবেদী পুৰোহিত হবলৈ কিমান সাধনা আৰু অভ্যাসৰ প্ৰয়োজন হৈছিল উপলব্ধি কৰিব পাৰি। সামগান কৰোতে কোনো বাজনা বজোৱা নহৈছিল অথবা নৃত্য আদিৰো প্ৰয়োগ নকৰিছিল। এই হিচাপে সামগানক পাৰিভাষিক অৰ্থত সঙ্গীত বুলিব নোৱাৰি *। যজ্ঞত সামগান কৰোতে কোনো বাজনাৰ সঙ্গতি নাথাকিলেও স্বৰ সাধন কৰিবলৈ বোধকৰো বীণাৰ ব্যৱহাৰ কৰা হৈছিল। নাৰদীয় শিক্ষাত † সামগসকলৰ বীণাৰ কথা কৈছে—"গাত্ৰবীণা তু সা প্ৰোক্তা যস্যাং গায়ন্তি সামগা:"। এই নাৰদীয় শিক্ষাতে বীণাযন্ত্ৰটি গুৰুৰ অনুকৰণ কৰি কেনেকৈ ধৰিব লাগে, কি ভাবে আৰম্ভ কৰিব লাগে ইত্যাদি বিষয়ে আলোচনা কৰিছে।

আগেয়ে সামগান গুৰুপৰম্পৰাই মুখে মুখে শিকিছিল, লিপিবদ্ধ কৰাৰ প্ৰণালী পিছতহে ওলায়। সামবিলাক লিখোতে প্ৰথম দ্বিতীয় আদি স্বৰ বিলাক ১,২,৩,৪ আদি সংখ্যাৰ সহায়েৰে লিখা হয়। দীৰ্ঘতা বুজাবলৈ ওপৰত 'ৰ' আখৰটো লিখা হয়। একোডাল তলাওপৰা আঁকেৰে এক উশাহতে গাবলগা একোটা পৰ্ব্ব ভাগ কৰা হয়। দক্ষিণ ভাৰতৰ হাতে লিখা পুথিবিলাকৰ সাম লিপি প্ৰণালী কিছু বেলেগ আৰু প্ৰাচীন। তলত সামবেদৰ ১ম সামটি উত্তৰভাৰতীয় প্ৰণালীৰ নমুনাৰে তুলি দিয়া হল—

ওঁ অগ্ন আয়াহি ৱীতয়ে, গৃণানো হব্যদাতয়ে,
নিহোতা সৎসি বৰ্হিষি।

সাম—

১ ৰ২ ৰ ১
ওগ্নায়ি আয়াহী ৩ ৱীয়িতোয়া ২য়ি | তো য়া ২য়ি |
১১২২ ২১ ১ ১ ২ৰ ১
গৃণানোহ | ৱাদাতো য়া ২য়ি | তো য়া ২য়ি | নায়িহো তাসা
১ ৩ ৰ৫ ৰ ৩ ৫
২০| লো ২য়ি | ৱা ২৩৪ ঔ হোৱা | হী ২৩ ষী |

এই সামকে ইউৰোপীয় প্ৰণালীৰে স্বৰলিপি কৰিলে অন্য দৰণৰ হব। ইউৰোপীয় পণ্ডিত A. C. Burnell এ যেখেতৰ সম্পাদিত Arsheya Brahman of the Samaveda"ত এই সামটিৰ স্বৰলিপি দিছে।

**বাদ্য**—বৈদিক যুগত বাদ্য যন্ত্ৰৰ প্ৰচলন আছিল। অৱশ্যে আধুনিক যন্ত্ৰৰ তুলনাত সেইবিলাক কিমান ওখ থাপৰ আছিল কব নোৱাৰি; তথাপি সেই যুগৰ গানৰ কাৰণে উপযুক্ত যন্ত্ৰৰ অভাৱ নাছিল বুলিয়েই ধাৰণা হয়। ঢাক জাতীয় বাদ্যৰ ভিতৰত দুন্দুভিৰ প্ৰচলন আছিল। যুদ্ধত প্ৰেৰণা দিবলৈ আৰু আন সময়তো আনন্দ উৎসৱ উপলক্ষে ইয়াক ব্যৱহাৰ কৰা হৈছিল। কৰ্করী বুলি এবিধ যন্ত্ৰৰ নাম পোৱা যায়, বহুতে ইয়াক বীণা জাতীয় এবিধ তাঁৰৰ যন্ত্ৰ বুলিয়েই অনুমান কৰে। বীণা বা ক্ষোণীৰ প্ৰচলনেই আছিল আটাইতকৈ বেছি আৰু সৰ্ব্বব্যাপী। মকত দেৱতাসকলেও বীণা বজাইছিল বুলি মন্ত্ৰত পোৱা যায়। ঋগ্বেদৰ দশম মণ্ডলৰ ১৪৬ সংখ্যক সূক্তত আঘাতী বুলি এবিধ বাজনাৰ নাম পোৱা যায়। সায়নাচাৰ্য্যই আঘাতী আৰু বীণা একে যন্ত্ৰ বুলি ধৰিছে, বেলেগ বেলেগ ঘাত (Fret) স্পৰ্শ কৰি বিভিন্ন স্বৰ বাহিৰ কৰা হয় বাবেই আঘাতী বোলা হয়। মেকডনেল আৰু কীথৰ মতেৰে আঘাতী এবিধ তালৰ নিচিনা বাজনা আছিল। 'ৱেণু' বাঁহী আছিল নে নাই সঠিক কৈ কব নোৱাৰি। 'ৱাণ' নামৰ এটা মন্ত্ৰৰ উল্লেখ পোৱা যায়; বহুতে ৱাণৰপৰাই 'ৱেণু' হোৱা বুলি কব খোজে। বীণাযন্ত্ৰটি পিছৰ কালত আৰু উন্নত ধৰণৰ হৈ পৰে। ঐতৰেয় আৰণ্যকত বীণাৰ যি বৰ্ণনা পোৱা যায় তাকৈ চালে আজিকালিৰ বীণাৰ লগত অলপহে অমিল ধৰা পৰে। তুলনা কৰি চাওক—

"অথ খল্বীয়ং ইয়ং দৈৱী ৱীণা ভৱতি তদনুকৃতীৰসৌ মানুষী ৱীণা ভৱতি। যথাস্যাঃ শিৰঃ এৱমমুষ্যাঃ শিৰঃ, যথাস্যাঃ উদৰম্ এৱম্ অমুষ্যাঃ অম্ভনম্, যথাস্যৈঃ জীহ্বা এৱমমুষ্যৈ বাদনম্, যথা অস্যাঃ তন্ত্ৰয়ঃ এৱম্ অমুষ্যাঃ অঙ্গুলয়ঃ। যথা অস্যাঃ স্বৰাঃ, এৱম্ অমুষ্যাঃ স্বৰাঃ। যথা অস্যাঃ স্পৰ্শাঃ এৱমমুষ্যাঃ স্পৰ্শা—"ইত্যাদি

মনুষ্যশৰীৰৰ লগত বীণাৰ উপমা দিয়া হৈছে; কিন্তু উপমাৰ সামান্য শিৰ, অম্ভন তন্ত্ৰী, স্বৰ স্পৰ্শ এই সকলোৰে বীণাপক্ষত পাৰিভাষিক অৰ্থ আছে। এইবিলাক আধুনিক বীণাতো আছে। আজিও বীণা গোটেই ভাৰততে

---

* গীত বাদ্য আৰু নৃত্য তিনিওটা লগলাগিহে সঙ্গীত হয়, কিন্তু এই নিয়ম ঢিলা।

† নাৰদীয় শিক্ষা—সামগানৰ প্ৰণালীৰ বিষয়ে বিৱৰণ পোৱা যায়। ৰচনা কাল কিছু পিছৰ বুলি অনুমান হয়।

আদৰণীয় বাদ্য যন্ত্ৰ। বৰ্ত্তমান বীণাৰ প্ৰচলন দক্ষিণ ভাৰতহে বেছি। উত্তৰ ভাৰতত আৰঙ্গী ছেতাৰ আৰু ইছৰাবে বীণাৰ ঠাই দখল কৰিলে।

**নৃত্য**—বৈদিক যুগত যজ্ঞৰ উপলক্ষে নাচ হোৱাৰ কথা দুই এঠাইত পোৱা যায়। ঋগ্বেদৰ সূক্তবিলাকত মাজে মাজে নৃত্যৰ উল্লেখ আছে। কিন্তু নৃত্যৰ বিশেষ আলোচনা কৰিবলৈ এই প্ৰবন্ধত ঠাই কম। এই বিষয়ে এটি বেলেগ প্ৰবন্ধৰ খোৰাকিৰ যোগাৰ হয়।

আগত এবাৰ উনুকিওৱা হৈছে সাম সঙ্গীতৰ উপৰিও এক প্ৰকাৰ সাধাৰণ (popular) সঙ্গীত যাজ্ঞিক সমাজৰ বাহিৰত প্ৰচলিত আছিল। সময়ৰ লগে লগে যাজ্ঞিক সকলেও ইয়াক সমাদৰ কৰিছিল। গাথা আৰু দানস্তুতি বিলাক এনেধৰণৰ গীত আছিল। ইয়াৰ বাহিৰেও গাৱলীয়া আৰু প্ৰাদেশিক গীত প্ৰচলিত নিশ্চয় আছিল, আৰু পিছৰ যুগত ৰাগ-ৰাগিণীৰ গঠনত এনে গীতৰ প্ৰভাব অৱশ্যে পৰিছিল।


বৈদিক গানক মাৰ্গসঙ্গীত বোলা হয় আৰু কৰ্ণাটী বা হিন্দুস্থানী উচ্চ সঙ্গীতক দেশী আখ্যা দিয়া হয়। অনেকে পিছৰ বিধক মাৰ্গ বুলি ভাবে আৰু কীৰ্ত্তন, ভাটিয়ালী, গৰৱা (গুজৰাটৰ) আদিক দেশী নামেৰে অভিহিত কৰে। এইটো ভুল, সংস্কৃত সঙ্গীত গ্ৰন্থবিলাকত বৈদিক গানক স্পষ্টভাৱে মাৰ্গ সঙ্গীত বুলিছে *। "মাৰ্গিত্বং চতুৰ্বেদেষু অভিব্যক্তত্বাৎ"—কল্লিনাথ ( সঙ্গীত ৰত্নাকৰৰ টীকাকাৰ) "মাৰ্গ গীতং পুৰৈৱাসীৎ ইদং তুমানাভাৱাৎ নোদাহৃতম্"—ৰাগ-তৰঙ্গিনী।

দেশী সঙ্গীতৰ বিষয়ে সঙ্গীত সুধাকৰত এইদৰে কৈছে—

"অধুনা গীয়তে যচ্চানিয়তং কামচাৰতঃ।
দেশে দেশে প্ৰচৰিতং তৎসৰ্ব্বং দেশি সম্মতম্॥
তদপি দ্বিবিধং জ্ঞেয়ং দক্ষিণোত্তৰ ভেদতঃ।
কৰ্ণাটকং দক্ষিণেস্যাৎ হিন্দুস্থানী তথোত্তৰে"॥

ভাৰতীয় সঙ্গীতৰ মূল ভেটি এই মাৰ্গসঙ্গীতহে। মাৰ্গ সঙ্গীত গম্ভীৰ হলেও মধুৰ নহয়, আৰু এই কাৰণেই চৰ্চ্চা কালক্ৰমত কমি গ'ল ; কেৱল মূলসূত্ৰবিলাক ৰৈ গ'ল। ফলপ্ৰসূমনৰ প্ৰতিভাময়ী সৃষ্টিত ভাৰতীয় সঙ্গীতৰ নতুন ৰূপ পুনঃ দেখা পাওঁ ভৰতৰ নাট্য শাস্ত্ৰত। ভৰতৰ নাট্য শাস্ত্ৰত সঙ্গীতৰ যি বিকাশ দেখা পাওঁ বৈদিক সামগানতকৈ সি সঙ্গীত হিচাবে বহুত উন্নত। এইখিনি ক্ৰমোন্নতি মাজৰ কাল ডোখৰত হৈছিল ; কিন্তু সঠিক বিৱৰণ দিবলৈ সমল নাই। হয়তো গৱেষণা আৰু অনুসন্ধান কৰিলে ভাৰতীয় সঙ্গীত বুৰঞ্জীৰ এই এন্ধাৰ অধ্যায় জিলিকি উঠিব।

* Classical শব্দৰ প্ৰতিশব্দ ভাৰতীয় ভাষাত নাই। সেইদেখি বহুতে Classical music-অক উচ্চসঙ্গীত বুলি অনুবাদ কৰে। এই কাৰণেৰা চালে Classical music-অক মাৰ্গসঙ্গীত বুলিলে শুদ্ধ হৈ পৰে আৰু আন প্ৰাদেশিক গীতবিলাকক দেশী বোলা হয়। সঙ্গীত নায়কসকলৰ এইটো চিন্তনীয়।



# "ডমিছাইল্ড"ৰ "ডিগবাজি"

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

হিন্দীত এটা বচন আছে, বোধকৰোঁ ভক্ত কবি তুলসী দাসৰ লিখা—"যাহাঁ বয়ঠে ওহি সুন্দৰ দেশ।
যো প্ৰতিপালে ওহি শ্ৰেষ্ঠ নৰেশ॥"

নাগৰিকত্ব ( Citizenship ) সম্বন্ধে, লোকশিক্ষাৰ কাৰণে সংক্ষেপে প্ৰাঞ্জল ভাষা আৰু ছন্দেৰে এনে সুন্দৰ উপদেশ আৰু কি হব পাৰে ? যেয়ে যি ঠাইত থাকে তাৰ মানুহৰ লগতে তেওঁৰ জীৱন মৰণ সম্পৰ্ক। সেই ঠাইৰ বতাহ বৰষুণ, নৰিয়া-আজাৰ, উৎপন্ন বস্তু আদিৰ অভাব প্ৰাদুৰ্ভাৱ প্ৰভৃতিত আন আন অধিবাসীৰ লগতে তেওঁৰো ভাল বেয়া নিৰ্ভৰ কৰে ই নিশ্চিত। এতেকে তেওঁৰ চিন্তা, তেওঁৰ অভাব-অভিযোগ আদি সেই ঠাইৰ আন আন প্ৰতিবেশীৰ লগতে সমানে মিলি যোৱাটো সম্ভৱ। তেনেকুৱা ওচৰ চুবুৰীয়া সমফল ভোগীসকলৰ লগত সহানুভূতিসম্পন্ন হৈ আত্মীয়তা বৃদ্ধি হোৱাটোৱে স্বাভাৱিক। কিন্তু সি নহৈ যদি কোনোবাই চিন্তা কৰে হংকং দেশৰ কৃষি-বাণিজ্য, সমাজ, কৃষ্টি, ভাষা আদি লণ্ডন বা বোম্বাইৰ কৰপৰেশ্যনৰ ভাল বেয়া লৈ, নাইবা মিচৰৰ নাইল নদীৰ মথাউৰি বা দলং সম্বন্ধে, কিন্তু বাস কৰা ঠাই সম্বন্ধে থাকে সম্পূৰ্ণ উদাসীন, তেনেহলে তেনে মনোবৃত্তিক অস্বাভাৱিক বুলি কলে একো অন্যায় নহব। যি বিষয়ে নহক, এনে অস্বাভাৱিক মনোবৃত্তিৰ মানুহৰ মস্তিষ্কৰ দোষ আছে বুলি হয়তো ক্ষমা কৰিব পাৰি ; পিছে এটা দেশত থাকি অকল আন দেশৰ চিন্তাই নহয়, বাসকৰা দেশৰ অনিষ্ট কৰিবলৈ ওলোৱা মানুহক লৈহে হৈছে চিন্তাৰ সমস্যা।

প্ৰাচীন কামৰূপ তথা অসমত কোনোবা অতীত কালৰে পৰা নানা জাতীয় মানুহ আহি অধিবাসী হৈ গৈছিল। আৰ্য্য-অনাৰ্য্য, মঙ্গল-অমঙ্গল, দ্ৰাবিৰ-মঙ্গোলাবিৰ প্ৰভৃতি সকলো প্ৰকাৰৰ জাতিয়ে প্ৰকৃত অসমীয়া অৰ্থাৎ কামৰূপী হৈ বসবাস কৰি আছে।

এই প্ৰদেশৰ আদি মুছলমানসকলে—আমেৰিকাৰ ঔপনিবেসিকসকলে দেশৰ স্বাধীনতাৰ বাবে ইংলণ্ডৰ বিৰুদ্ধে যুদ্ধ কৰাৰ দৰে—এই দেশৰ নিমিত্তে দিল্লীৰ বাদছাহৰ বিপক্ষেও যুদ্ধ কৰিছিল, যাকে দেখি বাদছাহৰ সেনাপতিয়ে আচৰিত হৈ যি কৈছিল—সেই কথা আজি সকলোৰে মাজত জনাজাত। এনেকি বিজেতা শাসক আহোম জাতিও স্বৰ্গদেৱৰে সৈতে দেহেকেহে কামৰূপী হৈ যোৱাৰ মানসে নিজ ভাষা, ধৰ্ম্ম, কৃষ্টি আদি সমূলি বৰ্জ্জন কৰি এই দেশৰ ভাষাকে গ্ৰহণ কৰি এটা জাতি ( Nation ) গঢ়ি তুলিবৰ পক্ষে সহায় কৰি অতুলনীয় আদৰ্শ এটি ৰাখি গৈছিল। ঠিক এনেভাবে পশ্চিম ভাৰতত স্বনামধন্য বাদছাহ আকবৰ ছাহে যি কথা উপলব্ধি কৰি হিন্দুস্থানত এটা জাতি, এটা ধৰ্ম্ম কৰি তুলিবলৈ স্থানীয় আন ধৰ্ম্মাৱলম্বীৰ লগত বৈবাহিক সম্বন্ধ স্থাপন, কোনো ধৰ্ম্ম মতকে অবজ্ঞা নকৰি সকলো ধৰ্ম্মৰ সাৰ লৈ এটা নতুন ধৰ্ম্মমত প্ৰচাৰ আৰু উৰ্দ্দু ভাষা—যিটো ভাষা ভাৰতৰ বিভিন্ন প্ৰদেশ আৰু সম্প্ৰদায়ৰ মানুহৰ সংমিশ্ৰণত সৈন্যবিলাকৰ মাজত আপোনা আপোনি প্ৰচলিত হৈ গৈছিল—সেই ভাষা দৰবাৰত ঠাই দি সৰ্ব্ব ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা এটি সৃষ্টি কৰাৰ কাৰণে বিশেষ যত্নৱান হৈছিল। যিখিনি হৈ উঠিলে আজি ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক বিবাদৰ দৰে এনে আত্মধ্বংসী আপদ নাথাকিলহেতেন, এটা পৰাক্ৰমী নেশ্যনত পৰিণত হব পাৰিলেহেতেন।

যি হ'ক, অতীতৰ কথা অতীত হৈছে। বৰ্ত্তমানে, এই বিংশ শতিকাত, যি সময়ত গোটেই ভাৰতৰ স্বাৰ্থ এক বুলি বুজিব পৰা গৈছে, যেতিয়া দেশৰ-প্ৰতিপ্ৰদেশৰ

প্ৰত্যেক জিলাৰ প্ৰতিটি গাৱঁক শিক্ষা দীক্ষা দি উন্নত কৰি তুলিব পাৰিলেহে ভাৰতৰ কল্যাণ, নাইবা কোনো এখন ঠাইৰ কোনো সম্প্ৰদায় অনুন্নত থাকিলে দেশৰ এটা অঙ্গহীন হৈ থাকিব বুলি উপলব্ধি কৰিব পৰা গৈছে, আৰু তেনে কৰি লাগিলে সকলো বিধৰ উন্নতিৰ মূল যি শিক্ষা, তাৰ বাহন যে প্ৰাদেশিক ভাষাত হব লাগিব সিও অৱধাৰিত হৈ গৈছে; এনে স্থলত এই প্ৰদেশৰ জল-বায়ুতে ডাঙৰ দীঘল হোৱা কিছুমান বঙ্গদেশবাসীয়ে মুখ জোকাৰি যদি কয় "আমি যি ঠাইতে বহো তাতে অপকৰ্ম্ম কৰিম" তেনেহলে সেই মনোবৃত্তিৰ মানুহৰ দ্বাৰা যে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হব পাৰে তাত আৰু আচৰিত কি?

অসমত থাকিব লাগিলে ডাঙৰৰপৰা সৰুলৈকে সকলোৱে অসমীয়া ভাষা শিকিব লাগে, নহলে নচলে। এইকথা প্ৰমাণৰ নিমিত্তে বৰ বেছি দূৰলৈ যাব নালাগে। যি কেইজন বঙালীয়ে অসমলৈ আহি ভাত মোকলাইছে, তেওঁলোকৰ ওচৰলৈ মক্কেল ৰূপে, নাইবা বিচাৰ প্ৰাৰ্থী ৰূপে বা আন কোনো কাৰণে গলে অথবা 'আপা' ( চাকৰ) দোকানী পোহাৰী আদিৰ লগত কোন ভাষাৰে কথা কব লৈ বাধ্য হয় তাক সকলোৱে জানে। স্পষ্ট কথা—অসমত থকা বঙালীয়ে ভালদৰেই অসমীয়া জানে। কলিকতাত থকা অসমীয়াই যেনেকৈ বঙলা শিকিবলৈ বাধ্য হয়, প্ৰবাসী অসমীয়াৰ ল'ৰা ছোৱালীয়ে যি প্ৰদেশত থাকে সেই প্ৰদেশৰ ভাষাকে স্কুলত পঢ়ে বা পঢ়িবলৈ বাধ্য হয়। ঘৰত যদিও নিজ নিজ ভাষা শিকে নাইবা নিজভাষাত কথা বতৰা পাতে, তাতেই কাম চলি যায়; সেই দৰেই শিক্ষা পোৱা বাঙালী পৰিয়াল বঙলাৰ বাহিৰত যতে ততে দেখিবলৈ পোৱা যায়। তথাপি অসমত তেওঁলোকৰ ল'ৰা ছোৱালীক পঢ়ুৱাবৰ বাবে বেলেগ বঙলা স্কুলৰ দাবী কৰাটো বঙালীৰ বেলেগ অস্তিত্ব প্ৰমাণৰ চেষ্টাৰ বাজে আন একো নহয়। বেলেগ ভাবে থাকক তাত কাৰো আপত্তি হব নোৱাৰে; পিছে প্ৰদেশৰ শিক্ষাৰ টকাৰ কিছু অংশ এই স্বাতন্ত্ৰ্য ৰক্ষাৰ নিমিত্তে অপচয় কৰি দুখীয়া দেশৰ শিক্ষাৰ প্ৰতিবন্ধক হব খোজাটো ভাৰতৰ কল্যাণৰ বিৰোধিতা কৰা নহয়নে? এই কাৰণে এই ভা প্ৰদেশৰ সৰ্ব্বনাশ কৰিবৰ প্ৰবৃত্তিক অনিষ্টকাৰিতা লক্ষণ বুলি কলে অন্যায় কৰা হবনে? এই বাৰ চলিলে অকল যে বঙালী কেইজনে গৱৰ্ণমেণ্টৰ এই বিশে সুবিধা ভোগ কৰিব এনে নহয়—মাৰোৱাৰী, নেপালী, মাদ্ৰাজী, বেহাৰী, উড়িয়া আদিয়েও এনেভাৱে বেলে শিক্ষাৰ দাবী নকৰাকৈ কেতিয়াও নাথাকে। বৰং বি জন সংখ্যাৰ ফালৰপৰা কি অসমৰ বেহা বেপাৰ আদি অৰ্থাগমৰ ফালৰপৰা বঙালীতকৈ তেওঁলোকৰ দাবী হে বেছি লিব পাৰি।

এনে ভাবে প্ৰত্যেকৰ দাবী মঞ্জুৰ কৰিব লাগিলে প্ৰতিখন জিলাতে অন্ততঃ ৭।৮টা ভাষাৰ বেলেগ স্কু কৰিব লগাত পৰে। যেনে, গোৱালপাৰা জিলাত গোৱাল পৰীয়া বা অসমীয়া, বঙলা, বড়ো, ৰাভা, মাৰোৱাৰী, নেপালী, চাওতালী, শিখ, হিন্দী ইত্যাদি ভাষাৰ স্কু খুলিলেহে সকলোকে সন্তুষ্ট কৰিব পাৰি। যদি কোনোৱে কয় যে, অসমত যেতিয়া 'বঙাল' বুলি অভিহিত সকলোকে "ডমিছাইল্ড" বুলি ধৰা হৈছে তেতিয়া সকলোৱে নি অকল বঙলাকে শিকিব। আমি শোধো—"কোন দুখত?" কোনোবা মাৰোৱাৰীয়ে বঙলা ভাষাত স্কুল লাগে বুলি কৈ হেনো। ই অকল আচৰিতেই নহয়—হাঁহি ওলোৱা কথা যি বঙালীয়ে অসমত থাইবই অসমীয়া নিশিকি বঙলা ভাষাৰ স্কুল স্থাপনৰ প্ৰয়োজন বুলি ভাবিলে, তেওঁলোকে কেনেকৈ কল্পনা কৰিব পাৰে যে মাৰোৱাৰ দেশৰ নেপালৰ মানুহে অসমত থাকি অকাৰণ আৰু সম্প নপকা বঙলা শিকিবৰ কাৰণে নিজৰ মুখ ফালি হব পাৰে কোনো ব্যক্তি বিশেষৰ এনে এটা অদ্ভুত ইচ্ছা হৈছে, কিন্তু সৰ্ব্বসাধাৰণে কি নিমিত্তে এনে বঙ্গীয় কৰিবলৈ ওলাব? তেওঁলোকৰতো কোনো জোৰ নো নাই যে, অসম, বিহাৰ আৰু উৰিষ্যাই বঙালী ভাষা প্ৰমাণ কৰি বঙলা ভাষাক ভাৰতৰ সাৰ্ব্বজনীন ভা হব লাগে বুলি দাবী কৰিব আৰু তাকে কৰি বঙালী প্ৰধান্য আকৌ ভাৰতময় প্ৰতিষ্ঠা কৰিব লাগিব। এ দুৰাশা বঙ্গ দেশবাসী প্ৰকৃত বঙালৰ হব পাৰে। কি



হ'লে হব নোৱাৰে তাক প্ৰমাণ কৰিবলৈ অকণো পলম নহয়। কলিকতাত প্ৰতিষ্ঠিত 'টকী' চিত্ৰতোলা যি কেইটা কোম্পানি হৈছে সিবিলাকৰ ফালে চালেই ভাৰতত বঙলা ভাষাৰ ঠাই যে ক'ত তাক বুজিবলৈ পলম নহয়। প্ৰতিখন চিত্ৰৰ হিন্দী আন এখন ছবি সুঠালে নহলে।

পিছে বঙালীৰ এনে ভাবৰ চেষ্টাৰপৰা এয়ে মাথোন হব পাৰে যে, পশ্চিম ভাৰতত হিন্দী আৰু পূৰ্ব্ব ভাৰতত বঙলা ভাষা প্ৰচলিত হৈ থাকিব। অৰ্থাৎ গোটেই ভাৰতৰ এটা ভাষাৰ যি চেষ্টা সেইটো নহৈ দুটা হৈ থাকিব। অৰ্থাৎ এটা ৰাষ্ট্ৰ ভাষা তথা এটা নেশ্যন কৰি তুলিবৰ বাটত প্ৰতিবন্ধক হব। দুখ লগা কথা যে, যি বঙ্গবাসীয়ে কোলত ভাৰতৰ প্ৰকৃত কৰ্ণধাৰ ৰূপে "দুঃখ সাগৰ" পাৰ হবলৈ ওলাইছিল, যি সকল মুক্তি সাধনাৰ বীজ মন্ত্ৰ "বন্দেমাতৰম"ৰ স্ৰষ্টা আজি সেই বঙালীৰ বংশধৰ সকলে ভাৰত তৰণীৰ তলি ফুটা কৰি দি "মাজ দৰীয়াত বান চাল" অৰ্থাৎ ডুবাবলৈ মন মেলিছে। সাম্প্ৰদায়িক "ভাগ-বাটোৱাৰা"ৰপৰা অসমত যিখিনি মনোমালিন্যৰ সৃষ্টি হোৱা নাছিল আজি সেইখিনি হৈ উঠিছে এই "ডমিছাইল্ড" অৰ্থাৎ প্ৰবাসীৰ "ডিগবাজি" অৰ্থাৎ ওভোতা মতৰ উপদ্ৰৱৰপৰা - যাৰ বিষময় ফল ভোগিব গোটেই ভাৰতে।

এতেকে আমি খাটো, তেওঁলোকে যেন এইবোৰ আত্ম কলহৰ বাট এৰি দি সাধু তুলসীদাসৰ মহাবাণী গ্ৰহণ কৰি দেশৰ, ৰাষ্ট্ৰৰ আৰু তাৰ লগে লগে নিজৰ অশেষ কল্যাণ সাধন কৰে।

---

# শেষ-পথ

গল্প ]

—শ্ৰীযুত কৃষ্ণ ভূঞা

মৰমৰ বীণা,

কাইলৈ শুই উঠি তুমি যেতিয়া শুনিবা যে তোমাৰ মৰ আৰু নাই তুমি হয়তো খুব কান্দিবা—মোৰ কাৰণে খুব বেজাৰ কৰিবা আৰু তুমি চাগে জানিবলৈও খুব ইচ্ছা কৰিবা কিয় মই আত্মহত্যা কৰিলো। তুমি মোক খুব ভালপোৱা মই জানো, সকলৰেপৰা মোৰ জীৱনটোৰ সকলো কথাৰ মাজত তুমি সোমাই আছা, সেইকাৰণে আজিও তোমাকে কৈ যাম কিয় মই মৰিবলৈ ওলাইছো। তুমি হয়তো বুজিবা কিমান এটা ভীষণ আঘাতৰ নিৰ্ম্মম ঘনে মোক এফালৰপৰা দহি আনি আজি ইমান অকালকালে মৃত্যুৰ মুখত পেলাই দিলেহি।

সেই শৈশৱৰ মধুৰ দিন কেইটা তোমাৰ লগতে দেখো উমলি ফুৰো—দৰাকইনাৰ বিয়া পাতো, তেতিয়া তোমাৰে মোৰে বিশ্বধন আছিল একে, ধুনীয়া ৰংবিৰঙৰ ওমলাৰ বস্তু; সৰগৰ অসীম শান্তিৰ পৰশ লাগি থকা কিমান অমিয়াভৰা আছিল সেইদিনকিটা! তেতিয়া ভাবিব নোৱাৰিছিলো বীণা, মোৰ যে এটা ডাঙৰ বস্তুৰ অভাৱ। তেতিয়া মই জনা নাছিলো মোৰ বেয়া অকৰ্ম্মণ্য ভৰিটো মোৰ জীৱনৰ এটা অভিশাপ: সৰুকালৰ মুনুজাৰ আশীৰ্ব্বাদে মোৰ হীনতাৰ কথাখিনি মোৰপৰা লুকাই ৰাখিছিল। মোৰ বাওঁ ভৰিটো সোঁভৰিটোতকৈ কিমান সৰু, অকৰ্ম্মণ্য আৰু আপচু দেখিবলৈ—মই ঢুপিয়াই খোজ

কড়াটো চাগৈ তাতোকৈ কুৎসিৎ দেখি নহয়নে? কব নোৱাৰো। কিয় বিধতাৰ বান্ধোন নাইকিয়া খেয়ালৰ এটা ইঙ্গিতত সেইদিনা পৃথিৱীত বিকলাঙ্গী হৈ জন্ম গ্ৰহণ কৰিলো। সেই এটা অভাৱৰ শিলৰ ভৰি ছুখনেৰে জনা হোৱাৰেপৰা মোৰ নাৰী জীৱনটো এফালৰপৰা গচকি দলি আহি আজি ধ্বংসৰ গাঁতত পেলাই দিলেহি।

লাহে লাহে যেতিয়া জনাবুজা হৈ আহিলো তেতিয়াহে বুজিলো মই কিহৰ দুখীয়া। তোমালোকৰ লগতে স্কুললৈ যাওঁ, তোমালোকে ধীৰে স্থিৰে খোজ কাঢ়া আৰু মই খোজ কঢ়া—ইঃ কিমান বিশ্ৰী হয় চাগৈ! মই নিজে কেতিয়াবা ভাবো; মানুহৰ আগত বেয়া লাগে। তোমালোকৰ দৰে মইও ডাঙৰ হৈ আহিলো। ধুনীয়া বিশ্বৰ মাজত জীৱনটো উপভোগ কৰিব পৰাৰ চাতুৰীখিনি যৌৱনে মোকো শিকাই দিলে। মোৰো তৰুণ দেহত নতুনতাৰ চাঞ্চল্য আহি পৰিল। তেতিয়া তুমিয়ে ময়ে ছয়ো গাভৰু। কেতিয়াবা তোমাৰ লগত মই মোক বিজাই চাওঁ, তুমি মোতকৈ বেছি ধুনীয়া—কিন্তু মইও হেনো অকুৰূপা নহওঁ। মানুহে কয়—তুমিও কোৱা, মই হেনো ৰূপহী। কিন্তু বীণা মোৰ খোৰা ভৰিটো মোৰ দেহৰ তেজমাংসৰে গঢ়া মোৰ গাতে লাগি থকা এটা শত্ৰু নহয় জানো—পকা ফলটোৰ মাজত পোক এটাৰ দৰে নহয় জানো, বহুত অমৃতত এটোপ গৰলৰ দৰে! তেতিয়াহে ওলাই পৰে তোমাৰে মোৰে পাৰ্থক্য কোনখিনিত, মোৰ অযোগ্যতা অকৰ্ম্মণ্যতা, নাৰীসৌন্দৰ্য্যৰ অসম্পূৰ্ণতা কোনখিনিত। যৌৱনৰ ভৰানৈত নাও মেলি তোমালোক কেনোবা ৰূপকোঁৱৰৰ নন্দনবনলৈ উটি যোৱা, মই পাৰত বহি বালিৰ কল'ছাছ গঢ়ি তোলো। অদৃষ্টই যে মোৰ জীৱনটোৰ তলে তলে উত্তপ্ত বালিৰ ছাহাৰা মৰুভূমিখন গঢ়ি আনিছিল—বীণা।

তুমি পঢ়িবলৈ এৰি দিলা, মই কিন্তু পঢ়িয়েই আছিলো। বোধকৰো ৰূপহীনতাৰ মাত্ৰাখিনি গুণেৰে পূৰাবলৈকে দেউতাই মোক উচ্চ শিক্ষা দিলে। কিন্তু মোৰ থকা নথকা দোষ গুণ সোপাই আজি অতলস্পৰ্শী ধ্বংসৰ কুঁৱাটোৰ পাৰত বহি পৰিবলৈ গোট খাই আছেহি।

সেইদিনা শুনিলো বোলে মোৰ হেনো বিয়া হব। মোক চাবলৈ হেনো দৰা নিজে আহিব। তেওঁ হেনো দয়া আছে কেৱল মাত্ৰ মোক এবাৰ চাবলৈ বাকী। কৰাইতো ইতৰ মুখত তেওঁৰ গুণৰ কথাও বহুত শুনিলো। সেই দিনা তেওঁ অহাৰ বাৰ। ঘৰত তেওঁক অভ্যৰ্থনাৰ কাৰণে সকলো প্ৰস্তুত। সেইদিনা মোৰ কেনেকুৱা লাগিছিল মোৰ অনুভূতিবোৰৰ প্ৰকাশ মই দিব নোৱাৰো। কোনেও মোক তেতিয়ালৈকে ভালপোৱা নাছিল, সেই বাবেই হবলা মোৰ বৰ নতুন নতুন লাগিছিল। দুৰ্বল বুকুখন মাজে মাজে কঁপি উঠিছিল। ভাবিছিলো মোৰ আহিব—দেৱতা যাৰ চৰণত মোৰ নাৰী জীৱনৰ অৰ্ঘ্য দিম, যি মোক ভালপাব, মোক তেওঁৰ কৰি লব......। সেইদিনা তেওঁৰ আগমনিৰ অপেক্ষাত যেন মোৰ ফুলনিখন হাহনাহানা জুপিয়ে স্নিগ্ধ সুৰভি সিচিছিল, গুকান পাতৰ ওপৰত পৰা নিয়ৰৰ টোপাবোৰৰ শব্দত নিস্তব্ধ অন্তৰ মোৰ দৰেই কপি উঠিছিল। মানুহক ভাল পাবলৈ ইমান এটা বিৰাট ইচ্ছা যে মোৰ অন্তৰত লুকাই আছিল, মই সেইদিনাহে অনুভৱ কৰিব পাৰিছিলো।

কিন্তু মোৰ বিশ্ৰী ভৰিটোৰ কথা ভাবি ভয় আৰু বেজাৰ লাগিছিল—কিজানি গম পাই জানোচা উপেক্ষা অৱহেলা কৰে, জানোচা অযোগ্যা বুলি আঘাত দিয়ে।... যথাসময়ত তেওঁ আমাৰ ঘৰলৈ আহিল। মোকো চালে। ঘৰৰ মানুহবোৰৰ বুদ্ধি চক্ৰান্তত মোৰ বেয়া ভৰিটোৰ কথা তেওঁ গমকে নেপালে। মই হলে পিছত মনে মনে কান্দিছিলো, বেছ বুজিছিলো তেওঁক কিমান এটা ডাঙৰ প্ৰৱঞ্চনা কৰিলো। কিবা এটা আশঙ্কাত সেইদিনা শিয়ঁৰি উঠিছিলো। তেওঁ মোক দেখি সন্তুষ্ট হল। মোক বিয়া কৰাবৰ পূৰা সন্মতি জনাই তেওঁ আনন্দ মনেৰে ঘৰলৈ ঘূৰি গল। কবলৈ লাজ কিহৰ বীণা, তেওঁৰ নিচিনা সুপুৰুষ এজনক স্বামীৰূপে পোৱাৰ আশাত মোৰো নাৰী হৃদয় আনন্দত উপলি উঠিল।

তাৰ পিছত সেইদিনা মোৰ বিয়া। সেইদিনা নাৰীৰ সকলো উপকৰণ গোটাই লৈ ময়ো মহাপয়োভৰেৰে নাৰীৰ শ্ৰেষ্ঠ পূজাৰ আয়োজন কৰিছিলো; কিন্তু তাতে যে কেনেকৈ



মোৰ অনিচ্ছাকৃত এটা খুত ৰৈ গল, তাৰে আকৰ্ষণত মই পিছত দেৱতাৰ চৰণৰপৰা খহি পৰিলো। সি একো নহয়, কেৱল মোৰ বেয়া ভৰিটোৰ দোষ। বিয়া হৈ গল— ফুলশয্যাৰ ৰাতি ······তোমাক আৰু কি কম বীণা মোৰ কেনেকুৱা লাগিছিল, তুমিওতো তেনেকুৱা এটা দিন উপভোগ কৰিছিলা। তেওঁৰ কাষত শুই শুই কি এটা অবৰ্ণনীয় পুলকত শৰীৰৰ অণুপৰমাণু পৰ্য্যন্ত ঝঙ্কৃত হৈ উঠিছিল—কেনেকুৱা সপোন সপোন লাগিছিল; কি এটা আচৰিত মন্ত্ৰ শক্তিয়ে যেন মোক অৱশ কৰি তেওঁৰ এটা আঙুলিৰ এটা ক্ষীণ স্পৰ্শও অনুভৱ কৰি শিয়ঁৰি উঠিব পৰাকৈ সজাগ কৰি ৰাখিছিল। নিজস্বকণ হেৰুৱাই তেওঁৰ ইচ্ছাৰ ইঙ্গিতত ব্যৱহৃত হব পৰাকৈ অসাৰ কৰি ৰাখিছিল······। তেওঁ বীণা,—তথাপি সেই অৱস্থাটো কিবা এটা হীনতাৰ ভাবে মোক অশাস্তিত অস্থিৰ কৰি তুলিছিল। জনা হোৱাৰেপৰা সেই একেটা ভাবে জীৱনটো চেপি খুন্দি আনিছে—সেইদিনাও মই শান্তি পোৱা নাছিলো। তেওঁৰ কাষত শুই থাকি সেইদিনা ভাবি-ছিলো কোনোবাই যদি অদ্ভুত যাদুবিদ্যাৰ বলত সেই [illegible] ভৰিটোৰ ভিতৰতে মোৰ ভৰিটো ভাল কৰি দিলেহেতেন। * * * *

তাৰ পিছতে আৰম্ভ হল অভিশপ্ত জীৱনৰ বুকুভগা হাহাকাৰ। পিছদিনাই সকলোৱে জানিলে যে মই বিকলাঙ্গী অযোগ্যা নাৰী। স্বামীয়েও বুজিলে তেওঁ কিমান প্ৰতাৰিত হল। মোক তেওঁ দয়াও কৰিব নোৱাৰিলে, মাত্ৰ তেওঁক প্ৰতাৰণা কৰাৰ প্ৰতিশোধ মোৰ ওপৰতে লবলৈ ধৰিলে। তেওঁ মোক সমূলি দেখিব নোৱাৰা হল। মোৰপৰা সদায় আতৰি থাকিবলৈ ধৰিলে। ঘৰখন অশান্তিৰ অন্ধকূপ হৈ পৰিল। এদিন তেওঁ মোক গালি শপনি পাৰি ঘৰলৈ পঠিয়াবলৈকে ঠিক কৰিলে। শাহুৰ কিন্তু মোৰ ওপৰত অকৰ্ম্মণ্য বুলি হলেও কিবা এটা মমতা হৈছিল, তেওঁৱেই মেনিৰা আশ্ৰয় দিলে।......বীণা, কিমান আছিল জীৱনৰ আকিঞ্চন, কিমান মোৰ মনে পতা কথা, কিমান মনে সজা নতুনতাৰ সপোন আছিল! নাৰীহৃদয়ৰ কিবা এটা বিৰাট

পিয়াহ লৈ নতুন সংসাৰত প্ৰবেশ কৰিছিলো, কিন্তু বৰ সোনকালে সেইবোৰৰ ঠাইত আহি পৰিল স্বামীৰ অৱহেলাৰ দহন—অকৰ্ম্মণ্য জীৱনৰ পোৰণি ডেৱনি, ভগাবুকুৰ চকুলো। যাতনাত জ্বলি পুৰি মৰা বেমাৰীটোৱে সুখৰ সপোন দেখি সাৰ পাই উঠি আকৌ যেনেকৈ হাহাকাৰ কৰি উঠে তেনেকৈয়ে হয়তো মইও জীৱনৰ ভাল নোহোৱা বেমাৰত ভুগি কিছুপৰ সপোন দেখিছিলো, বৰ নিৰ্ম্মম ভাবেই সেই সপোন ভাগিল। কিমান সহো কিমান কান্দো, কিমান আশাৰে অৰুণমান মৰম বিচাৰি তেওঁৰ মুখলৈ চাই থাকো! দয়াহীন গিৰিহঁতৰ ঘৰৰ পৰা অনাহাৰী ভিখাৰীটো কিমান দুখেৰে ঘূৰে বীণা— মইওতো মৰমৰ ভিখাৰিণী মোৰ দুখ জানো তাতকৈ কম? কেতিয়াবা প্ৰবৃত্তিৰ তাৰণাত—কেতিয়াবা বিশেষ গৰজত তেওঁ মোৰ ওচৰ চাপিছিল; ক্ষন্তেক পৰ তাকে মাণিক বুলি সাবটি লৈ দিন নিয়াইছিলো। তাৰো অন্ত পৰিল যেতিয়া শাহু মৰিল। ইমান সোনকালে শাহু আইও মৰি থাকিল—ময়ে হেনো ছব সৰ্ব্বনাশৰ মূল। তাৰ পিছত কত অত্যাচাৰ, কিমান জঘন্য কাহিনী......!

* * * সেইদিনটো এটা ফাগুনৰ দিন। সেইদিনা ফাগুনৰ পছোৱা ছাটি বননিখনত বাগৰি ফুৰিছিল। বাহিৰত বেছ জুৰ পৰিছিল। মই মোৰ কোঠাত বহি কিবা কিতাপ এখন পঢ়িব খুজিছিলো—কিয় জানো পঢ়িব নোৱাৰিলো—মিচাকৈয়ে কান্দি পেলাবৰ মন গল। হঠাৎ কৰবাৰপৰা তেওঁ আহি ঘৰ সোমাল। মোৰ সজল চকুদুটা দেখিয়েই নে কি জানো তেওঁ মোৰ ওচৰ চাপি মোৰ গাত হাতখন থৈ মৰম কৰি সুধিলে, "কি হৈছে তোমাৰ?" মই মাতিব নোৱাৰিলো, জানোচা মাত মাতি সেই নিস্তব্ধ মুহূৰ্ত্তটোৰ ক্ষন্তেকীয়া পোৱাকণো হেৰুৱাই পেলাওঁ। ভাবিছিলো সেইকণ সময়েই মোৰ গোটেই জীৱনটো হোৱা হলে! মোক নমতা দেখি তেওঁ ওচৰতে বহি আকৌ সুধিলে, "ৰাণী সচাকৈয়ে বাৰু তুমি মোক ভাল পোৱানে?" কবৰ মন গৈছিল—মোৰ নিজৰ প্ৰাণটোত কৈও ভাল পাওঁ—কিন্তু কৈ দি মোৰ অন্তৰৰ ভালপোৱাৰ অৱমাননা কৰিবৰ মন নগল। কিমান ভালপাওঁ কৈ দি

সঙ্কীর্ণ সীমা এটাৰ মাজত সুমাই বুজাবৰ প্ৰয়াস নকৰিলো। তেওঁ মোৰ উত্তৰলৈ অপেক্ষা নকৰি কলে, "চোৱা ৰাণী, তোমাক কিমান ফাকি প্ৰবঞ্চনা কৰি মোলৈ বিয়া দিলে। সেইকাৰণেই কিজানি তোমাৰ লগত আৰু মোৰ সুখ নহব। তুমি যদি মোক ভালপোৱা তেনে তুমি তোমাৰ ঘৰলৈ গুচি যোৱা। মোক শান্তিৰে থাকিবলৈ দিয়া ৰাণী—মোৰ জীৱনটো মাটি কৰি নেপেলাবা।" সেই কথাষাৰ শুনাতকৈ যদি বধিৰকে হলোহেতেঁন—কিমান কান্দিম বীণা, জী থকাৰ শক্তিখিনি চকু পানীৰ লগতে নিঃশেষ কৰি দিব পৰা হলে নমৰো মানে কান্দি থাকিলো হেতেঁন। ইমান অকৰ্ম্মণ্যনে মই—এটুকুৰা মাটিৰ দৰে তেনে মই, দুৰ্গন্ধময় বোকাৰ পলস মই—মোৰ বুকুৰ ওপৰে ভৰি দি গলেও তেওঁৰ ভৰিত বোকা লাগিব……! ভাবিলো কিয় টানি আনো, মোৰ জীৱনৰ পঙ্কিল পথেদি মই অকলশৰে গুচি যাওঁ—তেওঁক কিয় টানি আনো। বোকাৰ তলৰ কাঁইটৰ আঘাতত ময়ে মোৰ শোণিত ঢালি বাট ৰাঙলী কৰি যাঁও, কিয় তেওঁৰ কোমল চৰণত আঘাত লাগিবলৈ দিওঁ। ভাবি চিন্তি ঘৰলৈ গুচি অহাকে ঠিক কৰিলো। পিছদিনা তেওঁক সম্মতি জনালো। তেওঁ আনন্দত আত্মহাৰা হৈ তেতিয়াই মোক পঠিয়াই দিবৰ যোগাৰ কৰিলে। মটৰ গাৰী আহি সাজু হল। মইও ওলালো। ঘৰৰপৰা কেনেকৈ ওলাই আহিলো কব নোৱাৰো—কান্দিবও পৰা নাছিলো, কথাবোৰ সচানে মিছা তাকো ভালকৈ অনুমান কৰিব পৰা নাছিলো, মাত্ৰ ভালকৈ দেখিছিলো মটৰখন মোৰ কাৰণে ৰৈ থকা। মই ভৰিটোৰ কথা পাহৰিয়েই গৈছিলো, মটৰত উঠিব খোজোতেই হামখুৰি খাই পৰি কপালখন কাটি গল। তেওঁলোকেই ধৰি মেলি তুলি দিলে। মই তেজবোৰ মচি মচি ভাবিছিলো মোক ঘৰত থৈ আহিবলৈ অন্ততঃ তেওঁ মোৰ লগত ওলাব। কিন্তু তেওঁ কাম আছে বুলি কৈ ভায়েকক মোৰ লগত পঠাই দিলে। মোৰ প্ৰাণৰ ৰুদ্ধ কান্দোনে, অন্তৰৰ ব্যাকুল চিঞৰে তেওঁৰ অন্তৰ স্পৰ্শ নকৰিলে। মই মাইকীমানুহ জনীক তেওঁ চিনি নেপালে। ভাল নোপোৱা আলহীক মানুহে বিদায় দিয়াৰ দৰে তেওঁ মোক সহজে বি… দিলে :

সেইদিনা ঘৰত আহি মৰাৰ কথা ভাবিছিলো। কি… তেতিয়া মৰিব নোৱাৰিলো। মৰিবৰ বৰ ইচ্ছা হৈছি… কিন্তু মৃত্যু আহে খুচিত—আহ্বানত নাহে।

আজি কিন্তু এটা নতুন ঘটনাই মীমাংসা কৰিলে… আজিহে মৃত্যু মোৰ নিতান্তই দৰকাৰী হৈ পৰিছে। … তাক বলেৰে মাতি আনিব লাগিব।……

মানুহে মোক পুতৌ কৰে বীণা, কিন্তু কোনেও হৃদ… সিহঁতৰ দৰে তেজ মঙহৰ পিয়াহে মোকো যেনেকৈ… ব্যাকুল কৰে। মানুহে মোক মৰম কৰে কিন্তু … কোনো নাই। সেইকাৰণেই মই তেতিয়াৰেপৰা… অকলশৰীয়া। কোনেও মনকাণ নকৰাত জীৱনটো … পুৰণি হৈ আহিছিল—ঠিক বহুত দিনীয়া পুৰণি প… দেৱালখনৰ দৰে,তাৰ ইটাবোৰ এছটা দুছটাকৈ খহি পৰা… দৰে মোৰো জীৱনৰ দিনবোৰ লাহে লাহে ভাগি পৰিছিল… এনেকুৱা সময়তে মোৰ ওচৰ চাপিল নবীন। নবীন… বোধকৰো তুমিও চিনি পোৱা। সি আমাৰ ঘৰৰ… আপোন মানুহৰ দৰে আহে যায়, আটায়ে তা… ভালপায়। মোৰ অৱস্থাৰ কাৰণে বেজাৰ কৰে সি; কিন্তু আনৰ দৰে নহয় বীণা, সি যেন পাৰিলে মো… সুখৰ কাৰণে তাৰ শক্তিৰ ভিতৰত থকা সকলো ক… দিবলৈ উৎসুক। প্ৰথমতে তাৰ ওপৰত মোৰ বিৰক্তি… হৈছিল। কেতিয়াবা ভাবো তাৰ ইমান আগ্ৰহ কিয়, মো… ভালবেয়া জানিবলৈ তাৰ ইমান ইচ্ছা কিয়—শ্মশান… দৰে নিস্তব্ধ মোৰ অকলশৰীয়া জগতখনৰ মাজত আহি… সি চিঞৰি কিয় নীৰৱতা ভাঙি দিয়ে—কিয় মোক চঞ্চল… কৰি তোলে। লাহে লাহে ভাল লাগি আহিছিল, মো… মনৰ দুই চাৰিটা কথা তাক কৈ ভাল পাইছিলো। এদি… সি কান্দিলে—মোৰ কিবা দুখৰ কথা এটা আবেগত … আগত কৈ পেলাই মইও কান্দিলো, মোৰ চকুৰ পানী দেখি… সিও দেখোন কান্দিলে। ইমান মৰম তাৰ মোলৈ বীণা! মানুহে মানুহৰ কাৰণে কান্দিবলৈ অন্তৰত কিবা এটা … থাকিব লাগে, মই ভাবিলো। তেতিয়াৰেপৰা তাক … …ৰ পাই আহিছো ; পুৰুষ সি, মোৰপৰা তাকো আৱত… খিছে অবিশ্বাসৰ এখন আবৰণে—তেও সেই ঢাকোন… …ৰ জলঙ্গাইদি দেখা চকামকা তাৰ ভিতৰৰ ৰূপটো… …ৰ চকুত বৰ মধুৰ হৈ উঠে। মই তাক তেতিয়াৰ… …া বৰ ওচৰত বিচাৰো—সি জানো গম পাইনে নেপায়। …ই তাৰ চকুত একুৰা জুই দেখো—ভূতৰ জুই জলে বীণা, …ৰ হেৰুৱাই পথিকে তাৰ পিছে পিছে গুচি যায়—হয়তো …াৰ চকুৰ জুইকুৰাও তেনেকুৱা, মইও তাৰ পিছে পিছে …বি আহিছো, শেষত গৈ কিজানি ব্যৰ্থতাৰ আন্ধাৰতে …ীন যাম। * * *

……এতিয়াও ভাল লাগে বীণা, এতিয়াও কেতিয়াবা …াৰ আগমনৰ অপেক্ষাত মই আত্মহাৰা হৈ থাকো। …াৰ লাগে, মন বান্ধিব নোৱাৰো, তাক ভাল পাবলৈ …াৰ হিয়াখনে চিঞৰি উঠে। নাৰী তুমি, তুমি হয়তো …বিবা কিহে মোক সেই বাটেদি টানি নিছে।……আজি …ুজিছো বীণা, বেছি দিন আৰু নীৰৱ হৈ থাকিব নোৱাৰো। …প্ৰকাশৰ যাতনাখিনিয়ে মোক বৰ কষ্ট দিছে, হয়তো কেতিয়াবা যেই কোনো মুহূৰ্ত্ততে মই তাৰ আগত নিজক …ুকলি কৰি দিম—নিজেই দুৱাৰখন মেলি তাৰ আগত …ুকাই থোৱা কথাবোৰ দেখুৱাই দিম।—তেতিয়াবা সি …োক কি ভাবে—ময়েই বা ক'ত গৈ পৰোগৈ। আৰু …েছি আগুৱাব নোৱাৰো—খহি যাব খোজা বালিৰ …াটোত এতিয়া এখন ভৰি দিলোৱেই আৰু ইখন মাত্ৰ …াকী, তাকো দিলে জন্ম জন্মান্তৰৰ কাৰণে তেজে পুঁজে …ৰা নৰকৰ নৈখনত পিছলি পৰিম। সেইদেখি মৃত্যুক …াতিছো আজি থাপ মাৰি ধৰি ৰাখিবলৈ।

হয়তো পাপকে কৰিছো, তুমি মোক ক্ষমা কৰিবা, কিন্তু বীণা আনে কৰিলেও দোষীয়ে কেতিয়াও নিজক ক্ষমা কৰিব নোৱাৰে ; মই মোৰ বুকুৰ তেজ ঢালি মোৰ …োৰবোৰ ধুই পেলাব খুজিছো, নোৱাৰিমনে ?

"'আজি মই মৰিম—এতিয়া ৰাতি ১টা বাজিছে, ঠিক এই চিঠিখন লিখা শেষ হলেই মই চিৰ কালৰ কাৰণে ওলাই যাম। কাইলৈ মোৰ অপদাৰ্থ ভৰিটোৰ কথা কোনেও নকয় বা নেভাবে। মানুহে মাত্ৰ কব এজনী মানুহ মৰিল। কিছুমানে হয়তো দুখ কৰিব, কিছুমানে কব-মৰিল ভাল হল, তাই আছিল কেৱল মাকৰ চিন্তাৰ স্থল আৰু নিজেই চেনেহৰ দুখীয়া। তুমিও কান্দিবা, মায়েও খুব কান্দিব। মাক বঢ়াই বুজাই তুমিয়েই সান্ত্বনা দিবাহি। মাৰ কথা ভাবিহে মোৰ চকুৰ পানী ওলাইছে। মোৰ অকণমান পোনা ভাইটিৰে কাইলৈ মোক বিচাৰি কান্দি ফুৰিব। তুমিয়েই তাক ফুৰাবলৈ লৈ যাবা দেই।

মোৰ কোঠাৰ তোমালোকৰ ঘৰৰ ফালৰ খিৰিকীখন খোলা আছে। আজি বাহিৰত বৰ এন্ধাৰ। মই তোমালোকৰ ঘৰটো দেখা নাই কিন্তু ঘৰটো এন্ধাৰৰ মাজতে যে লুকাই আছে সেইটো মই বেছ অনুভব কৰিব পাৰিছো। তুমি চাগৈ এতিয়া সপোন দেখিছা; নহলে হঠাৎ টোপনিৰপৰা সাৰ পাই এতিয়া দুপৰ ৰাতি তোমাৰ তেওঁৰ……। তোমালোকৰ বিয়া হবৰ আজি প্ৰায় দুমাহ মানহে হৈছে—এতিয়াও প্ৰথমতে আৰু নতুনতে বজা সুৰৰ কপনিটো মাৰ যোৱা নাই, এতিয়াও হঠাৎ সাৰ পাই লগৰ জনকো জগাই তুলিবৰ নীৰৱ চেষ্টাত তোমাৰ ঢেৰ আকুলতা আৰু হেপাঁহ আছে। তোমালোক আজি দহটা বজাতে শুইছা ; মই তোমালোক ঠিক কেতিয়া শোৱা কৈ দিব পাৰো, কাৰণ তোমালোকৰ ঘৰৰ ওপৰৰ খিৰিকী খনেদি অহা লাইটৰ পোহৰটো মই দেখি থাকো আৰু তোমালোক শুবলৈ গলেই লাইটতো নুমাই লোৱা। মোৰ শোওঁতে সদায় বহুত ৰাতি হয়, কাৰণ শোৱাৰ সুখ মোৰ নাই, বিছনাত পৰিলেই কাইটত বাগৰা যেন লাগে। আজি এতিয়াও সাৰ পাই আছো, কাৰণ আজি একেবাৰেই চিৰ-নিদ্ৰাৰ কাৰণে মই প্ৰস্তুত।… চিঠিলিখা লাহে লাহে শেষ হৈ আহিছে ; মোকো যেন মৃত্যুৱে লাহে লাহে সাবটি ধৰিছে—। বৰ আনন্দ লাগিছে বীণা, মৰিবলৈ মোৰ ইমান ভাল লাগিছে। কাইলৈ তুমি যেতিয়া শুনিবা ৰাণীয়ে আত্মহত্যা কৰিলে তেতিয়া তুমি হয়তো কল্পনাও কৰিব নোৱাৰিবা কেনেকৈ মৰিবলৈ মোৰ ইমান উদ্দাম বাসনা হৈছিল। মইহে বুজিছো, এতিয়া জী থাকিয়েই মৰণৰ সুশীতল বুকুত মোৰ উত্তপ্ত

হাতখন সুমাই দি কি স্নিগ্ধ শীতল পৰশ আৰু আৰাম অনুভব কৰিছো।

···বৰ ভাল লাগিছে বীণা, মইতো মৰিছোৱেই, এতিয়া কিজানি মৰাৰ পিছৰে এছোৱা জীৱন অনুভব কৰিছো। আজি কিয় জানো তেওঁলৈ মনত পৰিছে, কিন্তু বৰ আনন্দ লাগিছে কাৰণ আজি তেওঁৰপৰা এখন চিঠি পাইছিলো, তেওঁৰ বোলে বিয়া পাতিছে। বেছ হৈছে আজি তেওঁ একেবাৰেই মুক্ত।

সমাজে, মানুহে, যৌৱনে মোৰ জীৱনৰ এছোৱা অধিকাৰ কৰি সিহঁতৰ প্ৰতিপত্তিৰ কাৰণে চাৰিওফালে এখন দুৰ্ভেদ্য কলা প্ৰাচীৰ গঢ়ি তুলিছে। তাকে ভাঙি ছিঙি মুক্তি পাবলৈ আজি মোৰ এই নিঃসঙ্গ গোপন অভিযান।······আজি নৈখনত বান উঠিছে, ভেকুলীবোৰে বৰ চিঞৰিছে—আগেয়ে ভৰা নৈলৈ মোৰ ভয় লাগে আজি কেনেকুৱা লাগিছে জানা? আজি এবছৰমানৰ আগেয়ে তেওঁৰ ফুল শয্যাৰ কাষত পৰি মোৰ যেনেকুৱা পুলক লাগিছিল আজিও যেন নৈখনৰ বুকুত পৰি অনন্ত ফুল-শয্যাৰ আস্বাদ লবলৈ মই পুলকিত হৈ উঠিছো।

সৌ বননিখনত ঢেৰ জোনাকী পৰুৱা মোৰ চি[illegible] জ্বলা দি জ্বলিছে। বাহিৰত মৰ-চৰাইটোৱে মৰ মৰ ব[illegible] মোক আহ্বান কৰিছে; এই দুপৰ ৰাতি নৈখনৰ পাৰ[illegible] মই অকলৈ যাব নোৱাৰো বুলি মোক লগত লৈ যাবলৈ[illegible] সি বৈ আছেহি। বাহিৰত বৰ এন্ধাৰ দেখিছো, মো[illegible] বৰ ওলাই যাবৰ মন গৈছে। সমূলি ভয় কৰা নাই··· ভগৱানক বৰ বিশ্বাস কৰো মই—ভাবো তেওঁৰ সি[illegible] বীণাৰ অনন্ত সুৰবে মোৰো জীৱনটো এটা সুৰ; সেয়ে[illegible] আজি এই পাৰৰ সকলো জলাঞ্জলি দি শুনিবলৈ পাইছো[illegible] অনন্ত পাৰৰ এটা মধুৰ আহ্বান বাণী—অনন্ত গোহৰ[illegible] এটা দিপ্তীৰেখা। সেয়েহে আজি বাচি থাকিবৰ ইচ্ছা[illegible] ইচ্ছাকো জয় কৰি মৰণৰ পিছে পিছে লৰিবলৈ ওলাইছো[illegible] ভগৱানক ইমান প্ৰাণৰ ওচৰতে অনুভব কৰিছো; তেওঁক বুকুত বান্ধি লৈ এয়ে মোৰ শেষ পথে যোৱা। এয়ে মোৰ জীৱনৰ জয়যাত্ৰা।······চিৰবিদায় বী[illegible] সখি মোৰ···।

তোমাৰ হতভাগিনী বন্ধু,

—বাণী—



# নাগলোকৰ কথা

—শ্ৰীযুত কৰুণাকান্ত গগৈ

**আও নগা**—The Aos

[illegible]আগৰ দুটা প্ৰবন্ধত আঙ্গামী নগাৰ বিষয়ে চমু [illegible]লোচনা কৰা হৈছে। এতিয়া আও নগাৰ বিষয়ে [illegible]ৱা হব। নগা পৰ্ব্বতৰ ভিতৰত এই এজাতি উঠি [illegible] প্ৰধান নগা। আন নগাৰ ভিতৰত পাবলৈ [illegible]হোৱা অনেক বিশেষত্ব এওঁবিলাকৰ ভিতৰত আছে। [illegible]বিলাকৰ মধ্য মানুহ চাঙ সাজি আঁৰি থোৱা [illegible], আহল-বহল সুশৃঙ্খলা গাঁৱলীয়া সমাজ, [illegible]বিলাকৰ উৎপত্তিস্থান 'কেজাকেনমা'ত (ক) নহৈ [illegible] নৈৰ পূব পাৰে ছংলিইমডিৰ ওচৰত হোৱা বুলি [illegible] দাবী, এওঁবিলাকৰ একেডাল কাঠেৰে বিপুল [illegible]বিস্ৰ আৰু উৎসৱ সমাৰোহেৰে নিৰ্ম্মিত সুবৃহৎ মলঙ্ [illegible] (খ) (village drum); এওঁবিলাকৰ (গ) টাট্টু প্ৰিয় [illegible]বোতা সমাজ, কেইবাটাও বিভিন্ন দোৱান, জটিলতা- [illegible] খেল আৰু বংশৰ স্বত্ব,—এই সকলোবিলাকে এওঁ [illegible]কক ওচৰ চুবুৰীয়া চেমা, লঠা, কন্যাক, ফ'ম আৰু [illegible]সকলৰপৰা সম্পূৰ্ণ পৃথক জাতি বুলি প্ৰতিপন্ন কৰে।

[illegible] শব্দৰ অৰ্থ

আও শব্দটো 'আওৰ' শব্দৰ সময়ৰ সোঁতত পৰি হোৱা দূষিত উচ্চাৰণ। 'আওৰ' মানে [illegible]বিলাক আহিছিল'—(অৰ্থাৎ—দিখৌ নৈ পাৰ হৈ)। [illegible] সম্পূৰ্ণ ওভোতা অৰ্থ বুজোৱা আন এটা শব্দ 'মিৰিৰ'— [illegible]বিলাক অহা নাছিল—অৰ্থাৎ দিখৌ নৈ পাৰ হৈ) দিখৌৰ পছিম পাৰে থকা চাঙ্তাম্, চাঙ্ ফ'ম আৰু কন্যাকহঁতৰ প্ৰতি প্ৰয়োগ কৰা হয়। অসমীয়া মানুহৰ আগত এই পছিম পৰীয়া নগাসকলৰ বিষয়ে কবলৈ হলে পূব পৰীয়াসকলে—অৰ্থাৎ, আওনগাই, সৰ্ব্বসাধাৰণতঃ মিৰি নগা বুলিয়েই কয়।



নগা সাজত আঙ্গামী ছোৱালী

ইয়াত আও মানে মিৰোৰ নগাই ছংলি, মুংছেন, ছাংকি আৰু ছাংপুৰ দোৱান কয় সিবিলাককহে বুজোৱা গৈছে। শেহৰ বিধ দোৱান লংছা গাঁৱৰ ছাংপুৰ খেলত চলিছিল বুলি শুনা যায়; কিন্তু ই আনকিটা দোৱানৰ প্ৰাধান্যৰ প্ৰতিৰোধ কৰিব নোৱাৰি সিহঁতলৈ বাট এৰি দি অজিকালি একেবাৰে লুপ্ত হৈছে।

ছংলি, মুংছেন আৰু ছাংকি দোৱান কোৱা সকলোবোৰ

(ক) আঙ্গামী দেশৰ (কহিমা ছবডিভিজন) কেজাকেনমা [illegible]গাঁৱত থকা কিছুমান শিলৰপৰা সকলো নগাৰ উৎপত্তি হোৱা [illegible] আঙ্গামী লঠা, চেমা আদিয়ে কয়। এই শিলবোৰকে কেজাকেনমা [illegible] বোলে।

(খ) এবিধ কাঠৰ বাদ্য—এই প্ৰবন্ধৰ মাজলৈ ইয়াৰ বৰ্ণনা আছে।

(গ) টাট্টু—tattoo—বেজিৰে খুচি গাত দিয়া ছাপ বা চিত্ৰ। [illegible] বৰ্ণনা আছে।

মানুহেই আও হলেও প্ৰত্যেকৰে উৎপত্তি আৰু ক্ৰমবিকাশৰ বুৰঞ্জী সুকীয়া। প্ৰত্যেক দোৱানীয়ায়েই আকৌ বিভিন্ন খেল আৰু ফৈদত বিভক্ত।

আওসকলে নিজক দিখৌৰ পূব পাৰে থকা ছংলিইমডি পৰ্ব্বতৰ লংট্ৰক ( লং—শিল ; ট্ৰক—ছয় ) নামে ছটা শিলৰপৰা ওলোৱা বুলি কয়। তেওঁবিলাকৰ মতে ওৰিতে আও, চাঙ্ আৰু চেমাবিলাক একে ধৰণেই উৎপত্তি লভি একেঠাইতে লংট্ৰক বসতি কৰিছিল ; কিন্তু তাত ঠাইৰ নাটনি পৰি সিবিলাক যেনিয়ে তেনিয়ে



কহিমা বস্তিলৈ সোমাওতেই পোৱা সিংহ দুৱাৰ

আঁতৰি যাবলগীয়া হোৱাত, চেমাবিলাক একালে, চাঙবিলাক আনফালে আৰু আওবিলাক দিখৌ নৈ পাৰ হৈ পূব পাৰলৈ উঠি আহে। চেমা আৰু চাঙে কিন্তু এই বৰ্ণনা এনে ধৰণে নিদিয়ে ; বিশেষকৈ, চেমাবিলাকে আওৰ লগত কোনো প্ৰকাৰৰ সম্পৰ্ক থকা দেখুৱাব নোখোজে। চেমাৰ মতে তেওঁবিলাকৰ উৎপত্তিস্থান দক্ষিণফালে থকা জাপভু ( Japvo ) পৰ্ব্বত।

এতিয়াৰ লঠাদেশৰ দক্ষিণে ছিংকিনৈলৈকে আৰু চেমাদেশৰ দক্ষিণে ইমিলমী আৰু কিলেকী নৈলৈকে এই পাৰ্ব্বত্য ভূখণ্ড এসময়ত আওবিলাকৰ আধিপত্যত আছিল।

এতিয়াও ঈশান কোণৰপৰা যিবিলাক আওৱে ... হেঁচা সহিব নোৱাৰি উঠি আহিছিল সেইবিলাক ওৰি... লঠা ঠালৰপৰা ওলোৱা বুলি অনুমান কৰা হয়।

দিখৌৰ পূবপাৰে আওৰ সীমান্তত থকা মাছাম, ঈ... আৰু টংছাৰ মানুহবোৰৰে সৈতে আওনগাৰ ভাষেৰি... সামঞ্জস্য দেখিবলৈ পোৱা যায়। কিন্তু এইবোৰ মানুহ... ভাষা আওৰ লগত একেবাৰে নিমিলে।

যদিও আওৱে তেওঁবিলাকৰ বলবীৰ্য্যপৰাক্ৰমৰ হ... কৰা সততে শুনা যায় তথাপিও নিৰপেক্ষভাৱে চাবলৈ... গলে আন আন নগাৰ তুলনাত তেওঁবিলাকৰ শাৰীৰি... শক্তি সামৰ্থ্য জোৰৰ আগত বাতিৰ পোহৰৰ নিচিনা... হয়। ভাৰ কঢ়িউৱা আৰু শাৰীৰিক কষ্ট সহ্য কৰিব পা... গুণ অৱশ্যে এওঁবিলাকৰ যথেষ্ট আছে—এইটো কোনো... মতেই নুই কৰিব নোৱাৰি।

আও নাগিনীবোৰ সচৰাচৰ দেখিবলৈ ধুনীয়া, কি... নানকাম ( Nankum ) গাঁৱৰ বাহিৰে মতা মানু... বিলাক শাৰীৰিক গঠনত ওচৰ চুবুৰীয়া অন্যান্য নগাৰ... ভালেখিনি নিকৃষ্ট বুলি নকলেহে সত্যৰ অপলাপ কৰা হ... সাজ-পাৰ আৰু অস্ত্ৰ-শস্ত্ৰৰ বিষয়েও তেওঁবিলাকে ... চুবুৰীয়াৰপৰা ভালেখিনি ধাৰ কৰা প্ৰমাণ পোৱা যা... এতিয়া তেওঁবিলাকে পিন্ধি থকা লেঙটিগছো, লঠাবিলা... কোৱামতে তেওঁবিলাকৰ পৰাহে অনুকৰণ কৰা। উৎ... আদিত পিন্ধা লেঙটিগছৰ নাম 'মইয়া লাংটাম' ( Mai... Langtam ) চেমা কাপোৰ। ইয়াৰপৰা এইটো ... অনুমান কৰিব পাৰি যে এই সাজ তেওঁবিলাকে ... নগাৰপৰা পাইছে।

সাজ-পাৰ

সাধাৰণতঃ মতা মানুহৰ সাজপাৰ সমুখৰফালে... ডেৰ বেগেতমান দীঘল আৰু সেই অনুপাতে... বহল ঢাকনিৰে এগছ লেঙুটি ; ওপৰ ছোৱাত এখন ক'... বা ৰঙা বা ফুটুকী বছা কাপোৰ, দা খোৱা কাঁক ... কঁকালত মেৰিয়াই লোৱা এডাল পেটি আৰু বেতৰ ... আদিয়েই ঘাই। এইবোৰ অৱশ্যে সৰ্ব্বসাধাৰণ সাজপাৰ। ... উৎসৱাদিৰ কাৰণে বিভিন্ন কানি-কাপোৰৰ ... আছে।

... তিবোতাৰ গাত সচৰাচৰ তিনিখন কাপোৰ দেখা যায়, ... ঠাই আৰু অৱস্থাভেদে ইয়াৰ ব্যতিক্ৰমো যে নঘটে

...ৰ সাজ

এনে নহয়। পিন্ধাউৰা আঙ্গামীৰ নিচিনা সিমান চকুত লগা নহয় যদিও আৰু কানি-... কাপোৰবোৰো আঙ্গামীৰ দৰে জাকজমকীয়া নহলেও ... পিন্ধন প্ৰণালী প্ৰায়ে তেওঁবিলাকৰে সৈতে মিলে। আও ... তিবোতাই এখন কাপোৰ বুকুত মেঠনি মাৰি লৈ আৰু ... মেখেলাৰ দৰে কঁকালত মেৰিয়াই কাপোৰৰ পেটিৰে ... পিন্ধে। সকলোৰে ওপৰত এখন কাপোৰ গাত ... মাৰি লয়। সকলো খেলৰে তিবোতাই পিন্ধা কাপোৰ-... কানি ক'লা বোলেৰে বোলোৱা।

... মতা মানুহে টাট্টু নলয়, কিন্তু তিবোতাৰ বাউসী, বুকু, ... ভৰি খুঁতৰি আৰু ভৰিত টাট্টু দিয়া হয়। ছংলি আৰু

টাট্টু—Tattoo


মুংছেনৰ ভিতৰত ভৰি আৰু বাউসীত লোৱা টাট্টুৰ ভালেখিনি বিভিন্নতা আছে। কিন্তু কেইবাটাও পূৰণ চিন ইটোৰ ওপৰত সিটো ... কৰি দিলে যেনে দেখা যায় ঠিক তেনে আকৃতিৰ ...ৰিৰপৰা বুকুলৈকে বোৱাই লোৱা টাট্টুৰ নক্সা দুয়ো ...ৰে একে। এবিধ বাইছৰ গঢ়ৰ কাঠৰ মূৰত দাঁত



কহিমা বস্তি—চিতনমাখেল

...লোৱা বৃক্ষৰ দৰে দীঘল দীঘল বেতৰ কাঁইট লগোৱা যন্ত্ৰৰ ...কাঁইটৰ ফাল মণ্ডহত লগাই ওপৰত কাঠৰ সক হাতুৰিৰে ...টুকুৰিয়াই টুকুৰিয়াই এই টাট্টু দিয়া হয়। এই টাট্টু লোৱা ... কষ্টকৰ। টাট্টু দিয়া সময়ত ছোৱালীহঁতক দুটা

বা তিনটা মানুহে হেঁচা মাৰি ধৰি থাকিব লাগে আৰু কেতিয়াবা কেতিয়াবা এনে কৰোতে একোজনী কুমলীয়া ছোৱালী জীৱনলৈ ঘৃণীয়া হোৱাও দেখা যায়,



আঙ্গামী তিবোতাই নগা-মাকো বৈছে

আৰু কোনো কোনেৱে এনে অৱস্থাত লগা ঘুণৰপৰা প্ৰাণো এৰে।

তিবোতাবোৰে পিতলৰ কেৰা মেৰো থকা ডাঙৰ আঙঠি একোটা মূৰত বান্ধি লয়। এনে আঙঠি পূব আঙ্গামী

অন্য অলঙ্কাৰ আৰু চুলিৰ সাজ

আৰু কাচা নগা তিবোতাবোৰেও পিন্ধে। পিছে, সিহঁতৰ যেনিবা এমেৰহে থাকে। এই অলঙ্কাৰ পৰিধানৰপৰা স্বাভাৱিক সৌন্দৰ্য্যত ৰং চৰোৱা যেন আচহুৱা মানুহৰ চকুত নালাগে। কাণৰ বিন্ধাত একোডোখৰ কাঁচ ( পিন্ধিবৰ উপযোগীকৈ তৈয়াৰ কৰা ) পিন্ধে। এই কাঁচ ডোখৰ ইমান গধুৰ যে ইয়াৰ ভৰত কাণৰ লতিটো ওলমি থাকে। কেতিয়াবা কেতিয়াবা গোটেইখন কাণতে বিন্ধা দি এনে কাঁচ পিন্ধাও চকুত নপৰাকৈ নাথাকে। ইয়াৰ উপৰিও খেলে খেলে ভিন্ ভিন্ ধৰণৰ গক-হাৰ, গাহৰি-দাঁত, আৰু হাতী-দাঁতেৰে নিৰ্ম্মিত বিবিধ প্ৰকাৰৰ বন কৰা আৰু উকা কণ্ঠহাৰ পৰিধান কৰা হয়। সৰ্ব্বসাধাৰণতে পিন্ধা সাজপাৰতকৈ সেৱা পূজা আদি উৎসৱ সমাৰোহত পিন্ধা সাজ-পাৰ বিভিন্ন। অৱস্থাভেদে ইয়াক পৰিধান কৰিবপৰা স্বত্বৰো হীন-ডেৰি আছে। চহকী, মুখিয়াল, আৰু মূৰ চিকাৰ বা আন ধৰণৰ দুঃসাহসিক কাৰ্য্য

কৰি বীৰৰ খ্যাতি পোৱা মানুহে যি ধৰণে সাজপাৰ কৰিব আন সামান্যবিলাকে তেনে ধৰণে নোৱাৰে। কিন্তু গাৱঁলীয়া বৃদ্ধ-সমাজে কোনোক উপযুক্ত যেন বিবেচনা কৰিলে মূল্য লৈ এনে সুবিধা উপভোগ কৰাৰ স্বত্ব পোৱাৰ লগে লগে বৈৰণীয়েকহঁতেও পায়। ছংলি তিৰোতাই ছিগা চুলিৰে চুলিৰ চং তৈয়াৰ কৰি খোপা বান্ধে,—কেতিয়াবা কেতিয়াবা ছিগা চুলিৰে চেলা গুঠিও লয়; কিন্তু মুংছেন তিৰোতাই কপাহৰ চুলিচংহে ব্যৱহাৰ কৰে। টাট্টু আৰু চুলি বন্ধাৰ পাৰ্থক্যৰপৰাই চাই যাওঁতেই ছংলি আৰু মুংছেন তিৰোতা চিনিব পাৰি।



আঙ্গামীৰ ঘৰ ( চহকী মানুহৰ )

আও-নগা গাঁও আঙ্গামীৰ দৰে নহয়। এওঁবিলাকে পৰ্ব্বতৰ এটাইতকৈ ওখ টিঙতহে গাঁও পাতে। পৰ্ব্বতৰ টিঙৰ সাধাৰণতঃ মাজডোখৰ উঠা আৰু দুয়োফালে পৰা। এই মাজডোখৰেই মানুহ অহা যোৱা কৰা বাট। দুয়ো কাষে শাৰী শাৰীকৈ ঘৰ লয়। ঘৰবোৰৰ আগফাল মাটিত লাগি থাকে আৰু পাছডোখৰ ক্ৰমান্বয়ে চাং। পোনেই সোমায়ে মাটিতে এটা খোঁটালি পায়। এই খোটালিটোত ধান বনা প্ৰকাণ্ড উড়ালটো থাকে আৰু ৰাতি তাতে পোহনীয়া কুকুৰা গাহৰিয়েও জিৰণি লয়। ধানৰ তুঁহ, কুকুৰা-গাহৰিৰ গু-মূত আৰু অন্যান্য আৱৰ্জ্জনাৰে এই খোঁটালিটো স্বাভাৱিকতে অপৰিষ্কাৰ হৈ থাকে। এই খোঁটালি এৰিয়ে চাঙত উঠিব লাগে। তৈ

আও-গাঁও

পৰা পৰ্ব্বতৰ হেলনীয়া গাত শিলত গাত খানি ক… ওখ খুটা পুতি কট্‌কটীয়াকৈ এই চাং ঘৰবোৰ সম্ম… চাঙক নগা অসমীয়া কথাত 'মাছান' বোলে। চাং… খোঁটালি আহল-বহল আৰু মুকলি। প্ৰথমেই প্ৰৱেশ… দুৱাৰ মুখতে পাব, পানীৰ চুঙা থোৱা আছুতীয়া ঠাই… তাৰ পিছত সেই মূধতে এচুকে মধুৰ সাজ-সজুলি আ… অন্যান্য ঘৰুৱাহী ব্যৱহাৰত সততে লাগি থকা আহিলা… পাতি। ঘৰটোৰ মাজতে চাঙৰ ওপৰত মাটি তুলি ক… জুইশাল। এই জুইশালেই আথাশালো। জুইশাল… ওপৰত তৰপে তৰপে তিনি চাৰিখন চাং। এ… চাংবোৰত নথকা বস্তু নাই। শুকান মাছ-মঙহৰপৰা আ… কৰি বেতৰ বকটুলৈকে সকলো বস্তু আৰু নানাবি… এই চাংবোৰত পুৰুষ পৰম্পৰায় সংৰক্ষিত থাকে… বান্ধনীয়ে ভাত ৰান্ধিবলৈ বহি কোনো বস্তুৰ কাৰণে আ… এৰি উঠি যাব নলগীয়াকৈ এই চাঙতে সকলো সা… মজুত ৰাখে। সিমূধত বুঢ়া-বুঢ়ী ( ঘৰৰ গিৰিহঁত গি… হতনী ) আৰু সৰু ল'ৰা লুৰি শোৱা চাৰি-পাই… [সচৰাচৰ, অৱশ্যে জুইশালৰ চৌমেৰেহে মানুহ শোৱা দে… যায়। ] বুজন ল'ৰা ছোৱালী মাক বাপেকৰ ঘৰত নি… শোৱা নিয়ম নাই। বাহিৰৰপৰা চাঙলৈ উঠি … দুৱাৰৰ পোনে পোনে ইটো মূধলৈ পাছ দুৱাৰ। প… দুৱাৰে ওলাই গৈয়ে এখন মুকলি চাং। এইখনেই প… চোতাল। এই চাঙৰ ওপৰৰপৰা তললৈ চাই পঠিয়া… বুকু ঢিপঢিপাই হাত ভৰি কঁপি উঠে—এবাৰ পৰিলে… আৰু ৰক্ষা নাই—একেবাৰে বাগৰি গৈ পৰ্ব্বতৰ খোলো… পাবগৈ। এই চাঙৰ দাঁতিত নঙলা বা আন কোনো… প্ৰকাৰৰ বেৰা আদি নাথাকে। তথাপিও তাৰ ওপৰ… পৰা ঢাপলি মেলি ফুৰা ল'ৰা লুৰি আৰু মধু খাই গ… যুগুতি এৰা ডেকা গাভৰু কোনো কালে খহি পৰা … নাযায়। এই চাঙৰ ওপৰৰপৰাই মল-মূত্ৰ আদি পৰিত্যা… কৰা হয়; আৰু কুকুৰা গাহৰি নাইবা পৰ্ব্বতৰ আওঁৰীয়া… গাও ফেঁটী সাপৰ নেগুৰ ছিগা বেগেৰে বাগৰি যো… পৰ্ব্বতীয়া বৰষুণৰ সোঁতে মুহূৰ্ত্তৰ ভিতৰতে সেইবো… পৰিষ্কাৰ কৈ পেলায়। কৰ্ণেল উডথপে (Colonel Wood-



thrope ) ১৮৯১ চনৰ ছেন্সাছ ৰিপৰ্টত ( পৃঃ ২৪২ ) আও নগা গাঁৱৰ এটি সুন্দৰ বৰ্ণনা দিছে।

সকলো নগাৰ ভিতৰত আও নগা গাঁওবোৰেই অতি পৰিষ্কাৰ পৰিচ্ছন্ন। কিন্তু তেওঁবিলাকৰ খাৱনৰ প্ৰণালী অতি কদৰ্য্য। ৰন্ধা-বঢ়া আৰু খোৱা-বোৱা কৰা পাত্ৰবোৰ তেওঁবিলাকে কেতিয়াও নোধোৱে। বাটি গিলাছ আৰু মধু খোৱা সৰু সৰু কঁৰীয়াবোৰৰ তলিত সেইবোৰ ব্যৱহাৰত থটোৱা দিন ধৰি হোৱা মলিয়ে সাঁত চামনি বান্ধি থাকিলেও এওঁবিলাকৰ তালৈ ভ্ৰূক্ষেপ নাই। এই বিষয়ে লঠা, চেমা আৰু আঙ্গামীৰ লগত এওঁবিলাকৰ কোনোমতেই বিজনি হব নোৱাৰে। খোৱা বিষয় এৰিও এওঁবিলাকৰ গা আৰু কানি কাপোৰো অতি মলিয়ন চেমা-বিলাকতকৈয়ো ভালেমান গুণে লেতেৰা। আওবিলাক অতিপাত ধপাতপ্ৰিয়। এওঁবিলাকে পাইপত ধপাত লগাই অবিৰাম হুপিয়ে থাকে, অথচ ভুলতো কোনো দিনে পাইপবোৰ পৰিষ্কাৰ কৰি নলয়। কাপোৰে কানিয়ে লাগি থকা ধপাতৰ ধোঁৱাৰ শিয়ালকটহীয়া গোন্ধ আৰু 'নিকটিন'ৰ গেছ ওচৰত থিয় হলেই নাকত সোমায়হি। আও তিকতাবোৰেও পাইপ হোঁপে। এই পাইপ অনেক ৰংণৰ আছে।

আও সমাজবোৰ একোখন বয়সিয়াল লোকৰ মেলৰ দ্বাৰা ( Tatar = Council of elders ) পৰিচালিত হয়; আৰু তেওঁবিলাকে সুবিচাৰ বা অবিচাৰ কৰাৰ ব'বে মূল্য লয়,—অবিচাৰ কৰা বুলিছোঁ এই বাবেই যে এই মেলবোৰৰ বিচাৰ সদায়েই অকপটীয়া ধৰণৰ নহয়। এই টাট'ৰ বোৰেই মূল্য লৈ নিজ নিজ সমাজৰ কোনো কোনো লোকক গাহৰি দাঁতৰ কণ্ঠহাৰ, হাঁতী দাঁতৰ বাহুত পিন্ধা খাৰু, ( বাজু ) কৌড়িৰ হাতমোজা, ( কৌড়িৰে গোঁঠা কিলা-কুটিৰপৰা হাতৰ সৰু গাঁঠিলৈকে পৰা এবিধ আভৰণ ) যুদ্ধাকৰ সাজ-কাপোৰ আৰু আন আন যুদ্ধাৰু আৰু মুৰ টিকাৰীয়ে মাত্ৰ পৰিধান কৰিব পৰা সম্ভ্ৰমৰ চিন স্বৰূপ পোছাক পৰিচ্ছদ পিন্ধিবলৈ হুকুম দিয়ে। এই খ্যাতিলৈ হাবিলাস কৰোতাসকলে ( অৱশ্যে এনে হাবিলাস সকলো

আও সমাজ, টাটৰ বা Council of elders.

আওৱেই কৰে, পৰিপূৰণৰহে উপায় নাই ) সিমান কষ্ট কৰি আৰু প্ৰতিপদে বিবিধ বিপদৰ সন্মুখীন হৈ সম্ভ্ৰম ঘটাতকৈ দুই তিনি টকা সঁচি-ধন ভাঙি এনে মৰ্য্যাদা অৰ্জ্জাটো একো অলাভৰ কথা বুলি নেভাবে।

গেনাৰ বিষয়ে আওবিলাক আন নগাৰ তুলনাত একাঠি চৰা। বাৰটা মাহত তেৰটা উছৱ লাগিয়েই আছে। 'তিচজিমুং' বুলি এটা গেনাত ডেকাল'ৰা আৰু গাভৰু ছোৱালীবোৰে ৰছি টনাটনি ( Tug-of-war ) কৰে। পৰ্ব্বতৰ ওপৰফালে ডেকালৰাবোৰ হয় আৰু নামনিৰ ফালে ছোৱালীবোৰ

গেনা



আঙ্গামী ডেকা

থাকে। প্ৰতিযোগিতা হিচাপে চাবলৈ গলে ইয়াত একোৱেই নাই; কিয়নো খেমালিৰ ছলেৰেই জিকিবলৈ এৰি দিয়া হয়। পৰিশ্ৰমক্লান্ত, ঘামৰ মুকুটামণি ওলমা গোলাপী গালৰ আভা আৰু বিজয় গৰ্ব্বত বিৰিঙি উঠা হেঙুলি ওঁঠৰ মিচিকনি হাঁহি চাবলৈ পোৱাৰ লোভতেই ডেকাহঁতে ছোৱালীবোৰক জিকিবলৈ এৰি দিয়ে। ইয়াৰ পিছত পান-ভোজন, হাইচ-লাইচ আৰু আনন্দৰ কিৰিলিত পৰ্ব্বতৰ গুহাই গুহাই প্ৰতিধ্বনি উঠে। কোনো আভুৱা লোকে যদি এনে আনন্দৰ হাট বেহাবলৈ পাইছে তেওঁ

নিশ্চয়েই সেই মুহূৰ্ত্তৰ কাৰণে জীৱনৰ উচ্চ অভিলাস আৰু নশ্বৰতা সমূলক্ষে পাহৰি, সংসাৰখন কেৱল আনন্দ উছৱৰ অখণ্ডনীয় সোঁত বুলি ভাবিবলৈ বাধা নহে নোৱাৰে। আৰু এটা প্ৰধান গেনা হৈছে 'মলঙ্ বাস্তৰ' (Village war Drum) উপাসনা কৰাটো। ইয়াক আওবিলাকে গ্ৰাম্যদেৱতা বুলি ভাবে। গাঁৱত জুই লাগি কেতিয়াবা এই বাস্থ পুৰিলে সকলো মানুহে গোট খাই তলৰ জুবিত এক্সোপা বিয়াগোম বিবিধ বিচাৰি উলিয়াই নতুনকৈ এই বাস্থ কাটি পূজা সেৱা দি দি পৰ্ব্বতৰ টিঙত থকা গাঁৱলৈ চোচৌ ৰাই টানি আনে। এই বাস্থ দেখাত বৰ-নাও খনৰ দৰে,—



এটা আঙ্গামী পৰিয়াল

অৰণ্যে খোলনিৰ মুখৰফালে সিমান বহল নহয়, মুঠেই এবেগেত বা বৰ বেছি ডেৰ বেগেতমানহে বহল ; কিন্তু পেটটো তেনেই ফোঁপোলা। ওপৰত কাঠৰ হাঁতুৰিৰে টঙনিয়াই দিলে ঘুম ঘুমকৈ গহীন আৰু ডাঙৰ শব্দ উঠে। ডুফালে ডুশাৰী ডেকা লৰা ঠিয় দি অনেক চেৰেৰে হাঁতুৰি বুলায়,আৰু সেই চেও অনুযায়ী অনেক সুৰত ইয়াৰ আৱাজ উঠে। আগৰ কালত হঠাৎ শত্ৰুৱে গাঁও আক্ৰমণ কৰিলে বা যুদ্ধ যাত্ৰা কৰিবৰ সময়ত নাইবা কোনো কোনো ডাঙৰ উৎসৱত এই বাস্থ বজোৱা হৈছিল। মাইকী মানুহে ইয়াক কেতিয়াও নোছোৱে। সময়ে সময়ে ইয়াৰ মুৰত কুকুৰা গাহৰি কাটি তেজ দি পূজা কৰা হয় আৰু পুৰোহিতে গোটেই গাওঁখন অপদেৱতাৰ কবলৰপৰা ৰক্ষা কৰি থকাৰ উপৰিও ইন্দ্ৰিয় পীড়াৰ সংক্ৰমণৰপৰা হাত সকলোকে ৰাখিবলৈকো স্তুতি প্ৰাৰ্থনা কৰে। ইয়াৰ উপৰিও আৰু অনেক উল্লেখযোগ্য গেনা আছে,—তাৰ ভিতৰৰে গোটাদিয়েকৰ বিষয়ে 'নগাপৰ্ব্বতৰ শাসন পদ্ধতি' শীৰ্ষক প্ৰবন্ধত আলোচনা কৰি আহিছোঁ, গতিকে ইয়াত আৰু এই বিষয়ে বেছি কবলৈ নেযাওঁ।

### শপতখোৱা নিয়ম

আও নগাৰ শপতখোৱা নিয়ম পছিমপৰীয়া আন আন নগাৰ লগত নিমিলে। মাটি-বাৰী সম্পৰ্কীয় কথাত শপত খাবলৈ হলে দুয়ো দলে দন্দ লগা ঠাইৰ মাটি একোলডা কামুৰি নাইবা কুকুৰাপোৱালি কাটি শপত খাব লাগে। এই শপত ফলিউৱাৰ দিন এমাহ (৩০ দিন) ধাৰ্য্য কৰা হয়। এই নিৰ্দ্ধাৰিত দিনৰ ভিতৰত শপত খোৱা মানুহটো যদি মৰে বা নৰীয়া পৰে, নাইবা তাৰ প্ৰতিপালিত কুকুৰা-গাহৰি বা কুকুৰ পোৱালি এটাৰো যদি কিবা হানি বিঘিনি ঘটে তেনেহলে তাৰ শপতখোৱা মিছা পৰে, আৰু সি সেই মোকৰ্দ্দমাত হাৰে। কুকুৰ কাটিও শপত খোৱা হয়। একেঘাপে যিটোৱে কুকুৰৰ মূৰটো গাটোৰপৰা বেলেগ কৰি দিব পাৰিব সিয়েই জিকে আৰু যি নোৱাৰে সিয়ে হাৰে। অনেক সময়ত বলৱন্ত পুৰুষ একোটাই সামান্য কুকুৰা পোৱালিৰ ডিঙি এটাকে বৰ চোকা গধুৰ দাৰেও খাপ মাৰি ছিঙিব নোৱাৰা মই নিজ চকুৰেই দেখিছিলোঁ। আৰু ইয়াৰ পৰা সেই মানুহটো দোষী বুলি ভাবি লবলৈ ময়ো বাধ্য হব লগাত পৰিছিলোঁ।

### মৰঙ (ডেকা চাং) আৰু বাওলী চাং

তিৰোতাৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে আওবিলাক সম্পূৰ্ণ অমনোযোগী। সেই কাৰণে এৰা এবিও (তালাক) মা বেছি আৰু ঘনাই ঘটে। নিচেই কোমল বয়সৰেপৰা



ছোৱালীবোৰক যি ইচ্ছা তাকে কৰিবলৈ সুবিধা দিয়া হয় আৰু এনে সুবিধা লোৱাৰপৰা এবাৰ যি অভ্যাস গঠিত হৈ উঠে শেষ অৱস্থাতো তাক এৰিব নোৱাৰাত পৰেগৈ। আগতেই কৈ আহিছোঁ যে আওনগাৰ লৰা ছোৱালীবোৰ মৰপ বুজন হোৱাৰেপৰা মাক বাপেকৰ লগত নিশা থাকিবলৈ দিয়া নহয়। লৰাবোৰে নিশা মৰঙত * থাকে আৰু ছোৱালীবোৰে সেইদৰে ছই চাৰিজনীকৈ একেলগে বুঢ়া মানুহ নথকা একোটা ঘৰত থাকে। এনেকুৱাকৈ গাভৰু ছোৱালীয়ে নিশা কটোৱা ঘৰবোৰৰ নগা-অসমীয়া কথাত বাওলী চাঙ বোলা হয়।

প্ৰত্যেক আও গাৱঁতে সিংহদুৱাৰ (Village gate) পাৰ হৈয়ে প্ৰাচীৰৰ ভিতৰে একোটা মৰঙ্ পোৱা যায়। এই মৰঙ্ দেখিবলৈ ধুনীয়া আৰু অশেষ কাৰু-কাৰ্য্য বিশিষ্ট। সৰ্ব্বসাধাৰণতে ঘৰটো দীঘলে ৮০ ফুট, বহলে ২৫ ফুট আৰু সমুখৰ মুধটো ভেটিৰপৰা ৩০ ফুট ওখ। আগৰ দিনত এই ঘৰবোৰেই প্ৰহৰীৰ দুৰ্গ আছিল। এই মৰঙবোৰত সামাজিক আচাৰ-ব্যৱহাৰৰ অনেক গুৰুত্ব নিহিত আছে। লিখিবলৈ গলে অকল মৰঙৰ বিষয়েই একোটা প্ৰবন্ধ হয়। পিছে পৰে এই বিষয়ে বহলাই আলোচনা কৰিবলৈ মন থাকিল। তিৰোতাৰ মৰঙত সোমোৱাৰ অধিকাৰ নাই। প্ৰত্যেক মৰঙৰ সমুখতে একোখন আহল-বহল 'মাছান' (চাং) থাকে। তাতে বহি ডেকাহঁতে আজৰি সময়ত বং ধেমালি কৰে আৰু গা বদায়। আও মৰঙ সৰ্ব্বসাধাৰণতঃ ছুই প্ৰকাৰৰ। মৰঙৰ ডেকাহঁতে নিশা ইহঁতৰ লগত সমিলমিল হোৱাত একো হকা বধা নাই, বৰঞ্চ গাভৰুহঁতৰ লগত পান-ভোজন আৰু বং তামাচাৰে নিশা কটোৱাটো আইনসঙ্গতহে। সেই গতিকে এনে ঘটনা নিতৌ ঘটে। খৃষ্টিয়ানবোৰৰ ভিতৰত একোজনী বয়সস্থ বিধৱা ৰখীয়াস্বৰূপে থাকে যদিও সিহঁতো যে নীতি নিয়মত ইহঁতবোৰতকৈ কটকটীয়া তাক কোনোমতেই ধাৰণা কৰিব নোৱাৰি।

**মৃতকৰ সৎকাৰ** :—আওবিলাকৰ মৰা মানুহ চাং পাতি তাৰ ওপৰত শুৱাই তলত জুই দি আগ ঘৰডোখৰতে এসপ্তাহমান ধোৱা খুউৱা হয় ; তাৰ পিছত গাঁৱৰ নামনিত মানুহ অহা যোৱা কৰা ঘাটবাটৰ দাঁতিতে চাং পাতি আঁৰি থয় আৰু চাঙৰ চৌপাশে মৃতকে জীৱিতাৱস্থাত ব্যৱহাৰ কৰা দা, যাঠি, গিলাছ বাটি, কঁৰিয়া, হোৰা আদি বিধে বিধে সজাই থোৱা হয়। যিবিলাক বস্তু মূল্যবান্ হেতুকে উত্তৰাধিকাৰীসকলে পৰিত্যাগ কৰিবলৈ টান পায়, তাৰ পৰিৱৰ্ত্তে তেনে ধৰণৰ সঁজুলি একোটা কাঠেৰে সাজি উছৰ্গা কৰা হয়। আজিকালি গৱৰ্ণমেণ্টৰ তৎলৈ অহাবোৰ নগাই মৰাক ধোৱা খুউৱা আৰু চাঙত আৰি থোৱা প্ৰথা এৰিছে।

* মৰঙ (আৰিচু) [ আগৰ আঙ্গামী নগা প্ৰবন্ধ চাওক ]



অসমীয়া সাজত শিক্ষিতা নাগিনী ছোৱালী

**সাধু আৰু আখ্যান** :—আওবিলাক বৰ কথাচহকী। সাধু কোৱাতো এওঁবিলাক বৰ পাকৈত। এই সাধুবোৰ লঠা আৰু চেমাতকৈ চাঙ্ আৰু ছান্তামৰ লগতহে বেছিকৈ মিলে। মবুং চকুত, ভিবুয়া আৰু মলংইয়েমছেন গাঁৱৰ বুঢ়ামানুহবোৰৰ মুখে আমাৰ ৰজাদিনীয়া অনেক কথা মই শুনিবলৈ পাইছিলোঁ আৰু সেইবিলাক কথা মই বিশ্বাসযোগ্য বুলিয়েই ভাবো। আওসকলে কোৱা প্ৰেমৰ কাহিনীবিলাকো বৰ উপাদেয়। তাৰে এটি নমুনাস্বৰূপে যেনে শুনিলোঁ ঠিক তেনেভাৱেই পাঠকসকলৰ আগত দাঙি ধৰিলোঁ :—

## মৃত্যু-মিলন

[ ছিনাংছাবা আৰু ইটিভেনৰ কাহিনী ]

এসময়ত মবুংচকুত গাঁৱত ছিনাছাংবা নামেৰে এটা ৰূপহ ছংলি ডেকা আৰু ইটিভেন নামেৰে এজনী ৰূপহী মুংছেন গাভৰু আছিল। সিহঁত দুয়ো সৰুৰেপৰা একে লগে উমলি জামলি ডাঙৰ দীঘল হৈছিল। আৰু দুয়ো দুয়োকো অন্তৰেৰে ভাল পাইছিল। এই ভালপোৱাই বয়সৰ লগে লগে প্ৰাণৰ আকৰ্ষণত পৰিণতি লভেগৈ। ছিনাছাংবা দুখীয়া আছিল, গতিকে খোজা-বঢ়া কৰা সত্ত্বেও ইটিভেনৰ মাক বাপেকে তাৰ লগত জীয়েকৰ কোনোমতেই বিয়া হব নোৱাৰে বুলি কলে। এই বতৰা শুনি ছিনাছাংবা বজ্ৰ পৰা মানুহৰ দৰে হ'ল—দিনতে চৌদিশ এন্ধাৰ দেখিলে। তাৰ খোৱা বোৱাতো ৰুচি হেৰাল আৰু পথাৰৰ কাম বন কৰিবলৈকো এৰি দিলে। কিন্তু ইটিভেনে যে তাক এতিয়াও অন্তৰেৰে



নিজা সাজত আঙ্গামী মাক জীয়েক

ভাল পায় আৰু মৰম কৰে এই কথাষাৰেহে তাক জীয়াই ৰাখিছিল, নহলে সি প্ৰাণকো চাবিলেহেতেন। ছিনা-ছাংবাই সদায় ৰাতিপুৱা মৰঙৰ আগত থকা ডাঙৰ চাংখনত বহি ইটিভেনলৈ ৰৈ থাকে। এই সময়ত তাৰ উদং মনত অতীতৰ কত মৌসনা সোঁৱৰণিয়ে লুকালুকি খেলেহি! সি কত কথাকেই নেভাবে—ইটিভেনৰে সৈতে



আঙ্গামীৰ ঘৰ ( দুখীয়া মানুহৰ )

কেনেকৈ মুকলিমূৰীয়াকৈ পৰ্ব্বতৰ টিঙে টিঙে বগাই ফুৰিছিল—জুৰিটিৰ একাষে নিজান শিলনিত কেনেকৈ দুয়ো বহিছিল—ইটিভেনে গান গাইছিল আৰু সেই গানৰ সুৰ আৰু ইটিভেনৰ গোলাপী ওঁঠৰ কঁপনিয়ে তাৰ চঞ্চল প্ৰাণত কেনেকৈ উন্মাদনাৰ হেন্দোলনি তুলি-ছিল আৰু সি কেনেকৈ মুগ্ধ হৈ ইটিভেনৰ মুখলৈ ৰ লাগি চাই আছিল—চকু যেন নপচাৰিবই—চকু পচাৰিলেই যেন সপোনৰ ধন নয়নৰ মণি ঠাইতে লুকায়! এনে সমাধি অৱস্থাত আকৌ ইটিভেনে তাৰ গাত হেচুকি খিলখিলকৈ হাঁহি, কিনো ভাবিছা বুলি সুধিলেহে তাৰ গালৈ চেতনা আহিছিল। ইটিভেনে নাম নজনা বনৰীয়া ফুলৰ মালা গাঁঠি তাক পিন্ধাই দিছিলহি; আকৌ তাৰ ডিঙিৰপৰা সোলোকাই নিজে পিন্ধিছিলগৈ; পৰ্ব্বতীয়া জুৰিৰ কাষৰ শেলুক আৰু বনৰীয়া আলু আনি তাক খাবলৈ দিছিলহি। আৰু কত কি? কত কথাকেই সি নেভাবে! কত গুণাগঠাকেই সি নকৰে!! কিন্তু পিছ মুহূৰ্ত্ততে ভৱিষ্যতৰ এখন কলা যৱনিকাই ৰাহুৱে পূৰ্ণিমাৰ চন্দ্ৰ গিলাদি সকলোৰে মুৰ মাৰি থয়হি।

ইতি সময়তে ইটিভেন সমনীয়া ছোৱালীহঁতৰে লগ পাতি মৰঙৰ আগৰ বাটটিয়েদি পথাৰলৈ যায়হি। তাই সৈ



লগৰীতেই ছিনাছাংবালৈ এটা সঙ্কেট দি যায়,—তাই সোঁ হাতখন কানৰ ওপৰেদি নি পাঁজিসেৰা যেন আঙুলি কিটি পিঠিফালে আঁৰি নিয়া সৰুদৈয়া হোৰাটিত লগায়গৈ। তাই দুটা আঙুলিৰে হোৰাটো ছুলে ছিনাছাংবাই বুজিব পাৰে যে সেইদিনা তাইৰ মাক বাপেকো পথাৰলৈ গৈছে আৰু তাইক সিহঁতে চকুৱে চকুৱে ৰাখিব। সেই দিনটো ছিনাছাংবাৰ নেযায় সুপুৱায় হয়। কিন্তু যদি তাই এটা আঙুলিৰে হোৰাটো ছোৱে তেতিয়া সি সেইদিনা তাই অকলৈয়ে পথাৰলৈ গৈছে বুলি বুজিব পাৰে আৰু হৰিষ মনেৰে তাইৰ পাছ লয়। সেই দিনা সিহঁত দুয়ো মনৰ হাবিলাসেৰে গোটেই পৰ্ব্বততে অনাই বনাই ফুৰে আৰু এতিয়াও সেই অঞ্চলৰ অনেক জান জুৰি আৰু পৰ্ব্বতৰ গাৰীয়ে সিহঁতৰেই মধুময় স্মৃতি বুকুত লৈ কৃতাৰ্থ হৈ আছে। চানিৰেমছেনৰ ওখ টিংটোত সিহঁত দুয়ো বহেগৈ, লগে লগে ছিনাছাংবাই বাঁহী বজায় আৰু ইটিভেনে তাৰ তালে তালে সুৰীয়া মাতেৰে গীত ধৰে। সেই গীতৰ ধ্বনি শুনি মানুহৰ কথা নকৰেই বনৰ চৰাই পহুও মুগ্ধ হয়। সিহঁতে কাণত পিন্ধা ফুল কলিবোৰ লেৰেলা নপৰিবৰ কাৰণে জুৰু বিয়াই লোৱা পৰ্ব্বতৰ গাৰ সৰু সৰু খোলবোৰত জোঙাজোঙে ফটিকৰ ধাৰ যেন নিৰ্ম্মল পানী বন্ধ হৈ থকা আজিকোপতি দেখিবলৈ পোৱা যায়। জীৱনৰ এনে অন্ধকাৰময় ক'লা ডাৱৰে ডাঠকৈ ঢাকি থোৱা দিনতো মাজে মাজে এৰো চেৰেঙা সোণালী বেলিৰ ৰেঙনি পৰিলেও স্বৰূপাৰ্থত সিহঁতৰ জীৱন সম্পূৰ্ণ অসুখীয়া আছিল। মিলনৰ বাট চিৰকাললৈ ৰুদ্ধ দেখি সিহঁতে পেটে পেটে মৰণকেই বৰণীয় বুলি ভাবিছিল। কিন্তু এইভাৱেও মৰণক বুজনি দিবলৈ উপায় নাই, কিয়নো সিহঁতে এনে বিদ্যমান দ্ৰব্যগুণসম্পন্ন ফুল, পাত আৰু শিপা কাণত পৰিধান কৰিছিল যাৰ গুণত কোনো অপদেৱতায়েই সিহঁতক পশিব নোৱাৰিছিল। এই দৰেই, এদিন সিহঁতে ফুৰি ফুৰি এজোপা অপূৰ্ব্ব মিঠা গুটি লগা গছৰ তল পালেগৈ। সেই গছৰ গুটি সিহঁতে বুটলি খালে আৰু সেই দিনা সেই গছৰ তলতেই ইটিভেনে তাইৰ প্ৰণয়ীৰ মনত তাইৰ যথাসৰ্ব্বস্ব সঁপি দি আত্মসমৰ্পন কৰিলে।

দুৰ্ভাগ্যবশতঃ সেই দিনা তাই কাণত 'ৰক্ষা-মাদলি' পৰিধান কৰি যোৱা নাছিল আৰু সেই কাৰণেই কোনো অপদেৱতাৰ দৃষ্টি পৰাত তাৰ কেইদিনমানৰ পিছতেই তাই নৰীয়া পৰি উঠিব নোৱাৰা হয়। তাইৰ মাক-বাপেকৰ সাক্ষাতত ছিনাছংবাই সিহঁতৰ ঘৰলৈ গৈ তাইৰ লগত দেখাশুনাও কৰিবগৈ নোৱাৰে অথচ তাৰ বুকুৰ ধন নৰীয়া পাটীত পৰি এইভাৱে ছটফটাই থাকিব তথাপিও সি এফেৰা যত্ন প্ৰতিপাল কৰিবলৈ নেপায়—এই কথা তাৰ অন্তৰে কেতিয়াও সহিব নোৱাৰে। সেই কাৰণে সি এটা উপায় উলিয়ালে। এদিন এন্ধাৰ নিশা সি সিহঁতৰ চাঙৰ তলত সোমাই ইটিভেনৰ শয্যা আৰু বেৰৰ মাজেদি চাঙত এটা সুৰুঙা উলিয়াই ললে। এতিয়া, এই সুৰুঙাইদি সি তাৰ প্ৰণয়িনীক ফল মূল আৰু আন খোৱা বস্তু দিব পৰা হল।



প্ৰদৰ্শনীৰ বাবে পোছাক পিন্ধি আঙ্গামী নগা

কিবাস্বৰূপে তাই বাহিৰৰ কোনো মানুহৰ লগত সম্পৰ্ক ৰাখিছে বুলি আৰু খোৱা বস্তুৰ যোগান পাইছে বুলি তাইৰ বাপেক মাকে সন্দেহ কৰিছিল যদিও পদে-প্ৰমাণে হাতে লোতে ধৰিব পৰা নাছিল। সেইকাৰণে সিহঁতে নিশানিশটো ভালকৈ পহৰা দিবলৈকে মনত পাভিলে। তাইৰ বাপেকে জুইশালত একুৰা জুই ধৰি লাগনি খৰি এমুঠা সাজু কৰি থৈ ওৰে নিশাটো পৰ দি বহি থাকিল। এনেতে সি জীয়েকে কিবা খোৱা যেন গম পালে আৰু ঢিমিক ঢামাক জুইৰ পোহৰত এখন বগা হাত চাঙৰ মাজেদি

হঠাৎ অদৃশ্য হোৱা দেখা পালে আৰু হাতৰ ঠাৰিত পিন্ধি থকা অলঙ্কাৰৰপৰা সেইখন ছিনাছাংবাৰেই হাত বুলি বুজিব পাৰিলে। ইটিভেনৰ সন্ধানাভৰ কাৰণে ছিনাছাংবাৰ নেৰানেপেৰা যত্ন দেখি সি তাইৰ নৰীয়া ভাল হোৱাৰ লগে লগেই ছাংগ্ৰাংস্থ গাঁৱৰ টিনিয়ৰলৈ উলিয়াই দিবলৈ মনস্থ কৰিলে। যেনে ভবা তেনে কাম। লাহে লাহে বিয়াৰ দিন চমু চাপিলহি। ইটিভেনে কতনো প্ৰতিবাদ কৰিলে, কতনো বুজালে বাপেক-মাকে আৰু নুশুনিলে। ঠিক বিয়াৰ দিনা ৰাতিপুৱাই ইটিভেন ফুৰিবলৈ ওলাই গৈ গাঁৱৰ মাজৰ বাটটোতে পিছল খাই পৰি তাৰপৰা মুঠা হ'ল। তাইক তেনে অৱস্থাৰপৰা কোনেও তুলি আনিব নোৱাৰিলে। কত মানুহে চেষ্টা কৰিলে, কিন্তু সকলো



উৎসৱৰ বাবে খোজ কাঢ়ি খোৱা নগা

বিফল হ'ল। অৱশেহত ছিনাছাংবা আহিল। সি বাউসীত ধৰি হেলাৰঙে অথচ অতি সন্তৰ্পণে তাইক তাৰপৰা তুলি আনিলে। তেতিয়া আৰু সেই মুৰামুৰি সময়ত বিয়া ভাঙিবপৰা নহল যদিও গাঁৱৰ মুখিয়ালসকলে পৰামৰ্শ কৰি টিনিয়াৰৰ লগত তাইৰ বিয়া হৈ যোৱাৰ পিছত, গেনাৰ কিনিশা, ছিনাছাংবাৰ পৰিশ্ৰমৰ পুৰস্কাৰস্বৰূপে তাইক তাৰ লগত থাকিবলৈ অনুমতি দিয়া হ'ল। এই আদেশ প্ৰতিপালন কৰা হ'ল, কিন্তু গেনা উকলি যোৱাৰ পিছতো ইজনে সিজনক কোনোমতেই পাহৰি পেলাব পৰা নাছিল।

ইয়াৰ দিনদিয়েকৰ পিছতেই ইটিভেন আকৌ নৰীয়া পৰিল আৰু সেই নৰীয়া পাটীয়েই তাইৰ শেষ শয্যা হ'ল। তাইৰ মৰা শ শুকুৱাবলৈ কাঠখৰি আনিবলৈ তাইৰ বাপেক, টিনিয়ৰ আৰু ছিনাছাংবা হাবিলৈ গ'ল। সিহঁতে হাবিত ফুৰি ফুৰি হঠাতে সেই মিঠা-গুটি লগা আৰু ইটিভেনে পোন প্ৰথমেই প্ৰণয়ীৰ চৰণত আত্মসমৰ্পণ কৰা গছ জোপাৰ তলতে ওলালহি। গছতল পায়ে ছিনাছাংবাৰ গোটেই গা শিয়ৰি উঠিল। কিন্তু ইহে এটাইতকৈ আচৰিত কথা যে সেই হেন একজোপা নিপোতল সেউজীয়া গছ মৰি শুকাই আছে। সিহঁতে অথালি পথালিকৈ বাৰে কুবিয়াই গছ জোপা পেলালে আৰু তিনি চেও কৰি ললে। ছিনাছাংবাই এটাইতকৈ গধুৰ চেওটোৰে হেলাৰঙে পিঠিত পেলাই লৈ গাওঁমুৱা হ'ল। তাকে দেখি এনে এটা যোগ্যৱান বলৱন্ত পুৰুষলৈ তাৰ জীয়েকক নিদি তাইৰ বধৰ ভাগী হোৱা বাবে বুঢ়াই পেটে পেটে আপছোছ কৰিবলৈ ধৰিলে।

ইয়াৰ ছদিনৰ পিছত ছিনাছাংবাও মৰিল; আৰু তাৰ বাপেক-মাক, অঙহি-অঙহিয়ে সিহঁতৰ পূৰ্ব্বাপৰ প্ৰচলিত প্ৰথা অনুযায়ী তাকো আগঘৰতে চাংপাতি শুকুৱাবলৈ দিহা কৰিলে। জুই ধৰি দিয়াৰ পিছতেই সকলোৱে এটা আচৰিত দৃশ্য দেখি তম্বান মানিলে। ইটিভেন আৰু ছিনাছাংবাক শুকুওৱা ধুঁৱাকুৱা ধুঁৱা ধোৱা আকাশ মণ্ডলত একে ঠাইতে মিল হৈ পাক লৈ লৈ পাক লৈ লৈ ওপৰলৈ উঠি যাবলৈ ধৰিলে! ইয়াৰপৰা সকলো মানুহে বুজি উঠিলে যে সিহঁত যথাৰ্থ প্ৰেমিক আছিল আৰু সেইকাৰণেই সিহঁতক একে ঠাইতে সমাধি কৰিবলৈ গঞাইঁতে মনস্থ কৰিলে। সময় আহিলত ঠিক সেইমতেই কাম কৰা হ'ল—আৰু দুয়োকো গাঁৱৰ বাহিৰে একেখন চাঙতে শুৱাই থোৱা হলগৈ। কিন্তু কোনোৱা দুষ্টবুদ্ধি মানুহে সিহঁত দুইবো মাজতে এডাল বৰডাংৰো ব্যৱধান দি থৈ আহিল। নিশালৈয়ে ইটিভেনে বাপেকক সপোনত দেখা দি কলেহি যে সিহঁত দুইবো মাজত কোনোবাই এডাল বিয়াগোম বিৰিখ পেলাই থৈছে সেইডাল আঁতৰাই নিদিলে সিহঁতৰ মিলন হোৱা অসম্ভৱ। পিছদিনা বাপেকে বিচাৰি বিচাৰি সেই খেৰডাল গুচাই দিলেগৈ। ইয়াৰ পিছতো কোনোবাই বাহৰ চুঙাত এচুঙা পানী ভৰাই দুইবো মাজত থৈ আহিলগৈ। আগৰ দৰেই ইটিভেনে আকৌ সপোনত বাপেকক দেখা দি সিহঁত দুইকো এখন ডাঙৰ নৈয়ে বিভক্ত কৰি থৈছে বুলি কলেহি। এইবাৰো বাপেকে পানী চুঙা সিহঁতৰ মাজৰপৰা অতৰাই দিলেগৈ। ইয়াৰ পিছৰপৰা তাই আৰু কোনো দিনে বাপেকক দেখা দিয়া নাই। এতিয়া সকলোৱে বুজিব পাৰিলে যে, মানুহৰ স্বেচ্ছাচাৰিতাই ঢুকি নোপোৱা চিৰশান্তিময় ধামত অৱশেহত সিহঁত দুইবো চিৰমিলন ঘটিলগৈ।

আজিকালি আও নগাৰ মাজত এনে ৰীতি প্ৰচলিত আছে যে ডেকা গাভৰুৰ ইচ্ছাৰ বিৰুদ্ধে সিহঁতৰ মিলন আকাঙ্ক্ষাত মাক-বাপেকে হকা-বধা নিদিয়ে। অৱশ্যে মনঃপূত নহলে লৰা-ছোৱালীক বুজাই চাব পাৰে কিন্তু সিহঁতৰ ইচ্ছাৰ বিৰুদ্ধে কোনোমতেই বিয়া ভাঙিব নোৱাৰে।

---

# পেৰি ছাহাবৰ ডায়েৰিৰ কেইপাতমান

গল্প ]

—শ্ৰীযুত হৰিপ্ৰসাদ গোৰ্খা ৰায়

বুটিছৰ হাতলৈ আহিছিল নগাপাহাৰ; কিন্তু তেতিয়াও দাঁতি কাষৰীয়া নগাবিলাকে সম্পূৰ্ণৰূপে বশ মনা নাছিল—সভ্যতাৰ পোহৰৰ লগত সিবিলাক আছিল তেনেই অচিনাকি—তেতিয়াৰ কথা। পেৰি ছাহাবে 'এডভেঞ্চাৰ' কৰোঁ বুলিয়েই মুঠেই চাৰিজন লগৰীয়া লৈ মককচাঙৰ পৰা হাবিয়ে বননিয়ে নগাৰ দেশৰ মাজেদি গৈ কহিমা ওলাইছিল।

৫ মে',' ৭৯—আজি মই, এল্. টি, পেৰিয়ে হাবিৰ মাজে মাজে গৈ কহিমা ওলাম বুলি যাত্ৰা কৰিলোঁ। মোৰ সঙ্গী চাৰিজন। বাহাদুৰ আৰু অমৰসিং নামে দুজন নেপালী, জগচন্দ উৰিয়া আৰু ইজন মোৰ চাকৰ লৰা লৈছোঁ। আমাৰ প্ৰত্যেকৰ হাতত একোটাকৈ বন্দুক আৰু পিঠিত ১৫ সেৰকৈ বস্তুৰ বোজা আছে।

৭মে'—দিনে প্ৰায় ১৬ মাইল হিচাবে খোজ কাঢ়ি আজি দুদিনত প্ৰায় ৩২ মাইল বাট আগুৱাইছোঁ। আমি এতিয়া ঘোৰ অৰণ্যৰ গছৰ তলত। ওপৰত তাৰকা শোভিত সুনীল আকাশ। সকলোৱে হৰিণাৰ মঙহ পুৰি খাইছোঁ। সিহঁতৰ নিচিনাকৈ ভাতো খালোঁ। এনে আহাৰত অনভ্যস্ত হলেও, ভোকে ভাগৰে অৱসন্ন হোৱা অৱস্থাত, খাই বৰ তৃপ্তি পালো। বাটত পৰ্ব্বতীয়া সৰু নৈ পাৰ হব লগাত পৰিছিলো; পিছে নগাই সজা ওলমি থকা বেতৰ দলং থকাৰ কাৰণে বিশেষ একো অসুবিধা নহল। বাটত কিবা এখন নগাবস্তি ( গাঁও ) পাইছিলো। আমাক চাবলৈ দলে দলে নগা আহিছিল। আমি সিহঁতৰ মানত অদ্ভূৎ জন্তু! এটা নগাই জোপাৰ আঁৰত লুকাই লুকাই বহুদূৰলৈকে আমাৰ পাছে পাছে আহিছিল। কিবা অমঙ্গল ঘটিব পাৰে বুলি মই মোৰ বন্দুকটোত গুলী ভৰাই লৈছিলো। পিছে একো নঘটিল যেনিবা।

৮ মে'—মেপ আৰু মেগ্নেটৰ সহায়েৰে ঠিক উত্তৰ পুব চুকে কহিমাৰ ফালে আহিয়েই আছো। আজি বাটত সৰু পৰ্ব্বতীয়া জুৰিটিৰ পাৰত নানা ৰকমৰ নানা বৰণীয়া বনৰীয়া চৰাই দেখিলো। প্ৰত্যেকেই ঘৰচীয়া কুকুৰা

চৰাইতকৈ ডাঙৰ। কোনোবাটো ৰঙ', কোনোবাটো সোণ বৰণীয়া, কোনোবাটো আকৌ তেনেই শুকুলা। বাস্তবিকতে বৰ সুন্দৰ। জীয়াই জীয়াই ধৰিব পৰা নগল। শুনীয়াবলৈকো মৰম লাগে। যিহক সোণ বৰণীয়া ডৰিক এজনী মৰা হল। তাৰপৰা আগুৱাই গৈ নগাচাং এখন পালো। এই নগাবস্তিত এৰা ঘৰ এখন দেখিলো, ন-কৈ সজা নগাৰ চাংঘৰ! ওচৰতে আহল বহল বাগিচা; সুমথিৰা টেঙাবোৰ পকি ৰঙা হৈ আছে, কিন্তু থাওঁতাৰ অভাৱত তল সৰি পৰিছে! বাগিচাখনি চাই চাংঘৰ চালো। তাত নগাই ব্যৱহাৰ কৰা কাঠৰ বাছনবোৰ য'তে ত'তে পৰি থকা দেখিলো। মোৰ চাকৰ লৰাটোৱে মোক কলে বোলে এই জাতি নগাৰ মাজত হেনো এনে এটা প্ৰথা আছে যে নিজৰ পৰিয়ালৰ কোনোবা মানুহ অপহত্যাত মৰিলে ঘৰ বাৰী, ধন সম্পত্তি একেবাৰে এৰি দিব লাগে। নগাৰ মাজত কোনেও তেনেকুৱা এৰা বস্তু স্পৰ্শকে নকৰে। কোনোবাই তেনে বস্তত হাত দিলে তাক সমাজৰ বাহিৰ কৰি দিয়া হয়। পিছত সেই ঠাইৰে নগা এটাক সুধি আকাৰে ইঙ্গিতে উত্তৰ পালো বোলে সেই ঘৰৰ গাভৰু ছোৱালী এজনী আওগৰীয়া পৰ্ব্বতৰপৰা পৰি মৰিছিল।

১৬ মে'—আমি আছল বাট হেৰুৱাই কহিমা পাব হৈ আহিলো হ'বলা। আমি নিয়মমতে ১২ বা ১৩ তাৰিখেই কহিমা পাব লাগিছিল।

১৮ মে'—কালি আমাৰ আৰু নগাৰ মাজত চুচুৰীয়া যুদ্ধই হৈছিল। ঈশ্বৰৰ ইচ্ছাত ৰক্ষা যেনিবা সদয় হ'ল। যুদ্ধখনৰ বিষয়ে কম। কালি আমি আমাৰ গছপাতৰ বিছনাৰপৰা শুই উঠিছোঁহে এনেতে দেখিলো এটা লেংটা মৰা নগাই হাতত নগাদা এখন লৈ ওচৰতে ঠিয় হৈ দাঁত চেলাই হাঁহি আছে। আমি তাক ঠাৰে চিয়াৰে তাৰ ইয়ালৈ অহা উদ্দেশ্য কি বুলি সুধিলো; সি দেখোন একো নকয়, দাখন জোকাৰে আৰু হাঁহে। বাহাদুৰে তাৰ খুকুৰি উলিয়াই তাক আঁতৰ হ'বলৈ ক'লে। নগাটোৱে 'হুউউলুলু' কৈ বিকট চিঞৰ মাৰি গুচি গ'ল। মোৰ ভয় হ'ল আৰু এনে অনুমান হ'ল যেন ওচৰতে নগা বস্তি এখন আছে আৰু তাৰ নগাবোৰে আমাক এতিয়াই আক্ৰমণ কৰিব! বন্দুকত গুলী ভৰাই আমি আগন্তুক সম্ভাব্য আক্ৰমণৰপৰা আত্ম ৰক্ষা কৰিবৰ কাৰণে সাজু হৈ থাকিলো। মোৰ সন্দেহ যে অমূলক নহয় সোণকালে তাৰ প্ৰমাণ পালো। প্ৰায় দহ বাৰ জন নগা ডেকাই দীঘল দীঘল যাঠী লৈ চিঞৰি চিঞৰি আমাৰ ফালে আহিবলৈ ধৰিলে। আমাৰ পূৰ্ব্ব পৰিচিত অসভ্যটোৱে আমাক আঙুলিয়াই দেখুৱাই বিৰ বিৰ কৈ কিবা কিবি ক'বলৈ ধৰিলে। আমি সাজু হৈ আছিলো। সিইঁত আমাৰ ওচৰ চপা দেখিয়েই আমিও আমাৰ বন্দুক সিইঁতৰ ফালে টোৱাই ধৰিলো। তাকে দেখি সিইঁতে সিইঁতৰ যাঠীৰ জোঙা ভাগলৈ এবাৰ আৰু আমাৰ বন্দুকৰ নলৰ মুখলৈ এবাৰ চাই হাঁহি হাঁহি কিবা বলকিবলৈ ধৰিলে। পাছত আমি বুজিলো যে সিইঁতৰ যাঠীৰ মুখ জোঙা আৰু আমাৰ যাঠীৰ (বন্দুকৰ) মুখ ভোটা! এই বুলিয়েই সিইঁতে ইতিকিং কৰি হাহিছিল। পিছে যেতিয়া সিইঁতে যাঠী তুলি জপিয়াই জপিয়াই আমাক মাৰিবলৈ খেদি আহিল তেতিয়াই মই মোৰ সঙ্গীসকলক গুলী কৰিবলৈ ইঙ্গিত দিলো। 'গুৰুম! গুৰুম' কৈ আমাৰ গুলীয়ে চাৰিজন নগাক ধৰাশায়ী কৰিলে। বাকীবোৰে আচৰিত হৈ পৰি যোৱাবিলাকক চাবলৈ ধৰিলে! এনেতে 'গুৰুম' শব্দে আন এটাক ধৰাশায়ী কৰোৱা দেখিয়েই বাকীবোৰে পলাই পত্ৰং দিলে। আমি আমাৰ কৃতকাৰ্য্যতাত আনন্দ কৰি ৰাত্ৰি যাপনৰ নিমিত্তে তাৰপৰা মাইলচেৰেক দূৰত পৰ্ব্বতৰ গাত গুহা এটা পাই ঈশ্বৰক ধন্যবাদ দিলো। আমাৰ বন্দুক কম্পাছ আদিৰ বখীয়া হিচাবে জগছুল উৰিয়া আৰু লাহজুক থৈ আমি মগুহ পুৰিবলৈ ধৰিলো। এন্ধাৰ চাপি আহিছিল। কিছুপৰৰ পিছত নগাৰ চিঞৰ শুনি মূৰ ঘূৰাই চাওঁ যে সৰ্ব্বনাশ! আমাৰ সঙ্গী দুজনক বন্দী কৰি প্ৰায় এশজনমান নগা আনন্দত জপিয়াবলৈ ধৰিছে। সিইঁতৰ কেইজন মানে সুদৃঢ় লতা হাতত লৈ আমাৰ ফালে অহা দেখি নিশ্চয় বুজিলো যে সিইঁতে আমাকো অৰ্থাৎ মোক, বাহাদুৰ আৰু অমৰকো বন্দী কৰিবলৈ আহিছে। নেপালী যুবক দুজনে মগুহ কাটোতে ব্যৱহাৰ কৰা খুকুৰি লৈ



[..]ৰ ৰক্ষা কৰিবলৈ মোৰ আগফালে এজন আৰু মোৰ [..]ফালে এজন থিয় দিলে। আমি এতিয়া যুদ্ধ কৰিলে [..]ৰহে হানি হব বুলি মোৰ সাহসী নেপালী সহচৰ [..]ক শত্ৰুৰ হাতত আত্মসমৰ্পণ কৰিবলৈ ক'লো। [..]নো অস্ত্ৰ লৈ বাধা দিয়া দেখিলে নগাবোৰে তেতিয়াই [..]ক টুকুৰা টুকুৰকৈ কাটি পেলালেহেতেন। সেই [..]ৰি আমি নিৰীহভাৱে শত্ৰুৰ হাতত আত্ম সমৰ্পণ [..]ৰিলো।

[..] আমি বন্দী হলোঁ। আমাৰ শত্ৰু যে 'হেনিমা নগা' [..]ক পিছত জানিব পাৰিছিলোঁ। আমাক লতাৰে বান্ধি [..]ত এক ঘোৰ এন্ধাৰ কোঠালিত থৈ দিলে। সিদিনা [..]তি ভোকে ভাগৰে অৱসন্ন হৈ থকা সত্বেও [..]নসিক অশান্তিৰ বাবে টোপনি নাহিল। ক্ৰমে ৰাতিৰ [..]ৰ দূৰ হৈ উষাৰ সোণালী আভাই পূব গগন উজ্জ্বল [..]ৰি তুলিবলৈ ধৰিলে। প্ৰকৃতিৰ সেই মধুৰ পূৰ্ব্ব ৰাগতো [..]মাৰ অন্তৰ নাচি নুঠিল! কোনে জানে আৰু এক [..]ঠাৰ পিছতে আমাৰ ছিন্নমুণ্ডই নগাৰ দেশৰ মাটি স্পৰ্শ [..]ৰিবনে নকৰে! মৃত্যুৰ বিভীষিকাই জীৱন যে কেনে [..]ৰ তাক বেছ বুজাই দিলে! যিহ'ক আমি বিপদৰ [..]ৰ ঈশ্বৰক চিন্তি নীৰৱে ভাগ্য প্ৰতীক্ষা কৰিবলৈ [..]ৰিলোঁ। ৰাতি পুৱাৰ লগে লগে চাৰিটা বিকটাকৃতি [..]গা আহি আমাৰ বন্দীশালৰ দুৱাৰ মুকলি কৰিলে। [..]ইঁতক দেখি আমাৰ অন্তৰাত্মাৰো কঁপনি উঠিল। [..]নেতে দুজন নগা ডেকা আহি সিইঁতৰ দোৱানত কিবা [..]ক দিয়াত সিইঁতে আমাৰ হাতৰ বান্ধোন খুলি দিলে। [..]ই নবাগত ডেকা দুজনে কাঠৰ গিলাছত মদ ঢালি আমি [..]তিনজন বন্দীক খাবলৈ দিলে। গ'ল ৰাতি আমি পুৰিবলৈ [..]ৱা মগুহখিনিও সিইঁতে লৈ আহিছিল। এতিয়া [..]ই মগুহখিনি ওলোটাই দিলে। পিছত জানিব [..]ৰিছিলোঁ যে সিইঁতৰ ৰজাই আমি বন্দী হোৱা বিষয়ে [..]ৱলো ঘটনাৰ কথা শুনি ৰাতিপুৱাই আমাৰ বাবে মদ [..]ৰু মগুহ পঠিয়াই দিছিল। সিইঁতৰ ৰজাই যে আমাক [..]ৱো কৰিছে সিইঁতে তাকে ঠাৰে চিয়াৰে আমাক [..]নালে। আমাৰ আশাধাৰী হৃদয়ত জীৱনৰ আশা পুনৰ ঠন ধৰি উঠিল। সিইঁতৰ ৰজালৈ মনে মনে ধন্যবাদ জনাই আমিও মদ আৰু মগুহেৰে আমাৰ ভোক গুচালোঁ। এনেতে এটা নগাৰ মূৰত আমাৰ হৃত বস্তু বেহানি অৰ্থাৎ বন্দুক খুকুৰি আদি অস্ত্ৰ, পাঁচখন কম্বলেৰে সৈতে কাপোৰ কিছুমান আৰু টকা কিছুমান ইত্যাদিৰ 'ছুটকেছ' এটা লৈ নগা কৰ্ম্মচাৰী এজন আহি এটা এটাকৈ আমাক আমাৰ সকলো বস্তু গটাই দিলে। লগে লগে এই কথাও জনালে যে আমাক সিইঁতৰ ৰজাই চাব খুজিছে। আমি আচৰিত হলোঁ যে এনে অসভ্য জাতিৰ ৰজা এনে উদাৰ উচ্চমনা পুৰুষ! আমি সকলোৱে মনপ্ৰাণ ভৰি এবাৰ পৰম দয়াময় ভগৱানৰ উদ্দেশে মূৰ দোঁৱালো। জীৱনৰ আশাই আমাৰ উদ্যম বৃত্তি পুনৰ সজাগ কৰি তুলিলে। আমি পুনৰ মুক্ত হলোঁ। আমাৰ জীৱন দাতা নগাৰজা জানো কেনে মানুহ চাবলৈ মোৰ মন ছটফটাবলৈ ধৰিলে। আমি আমাৰ আহাৰ শেষ কৰি, বস্তু বেহানি পূৰ্ব্বৰ দৰে পিঠিত তুলি ৰজাৰ সভালৈ যাত্ৰা কৰিলোঁ।

এখন ওখ আসনত নগাৰজা বহি আছিল। তেখেতৰ চাৰিওফালে ৰাজ কৰ্ম্মচাৰীসকল থিয় হৈ আছিল। ৰজাৰ সাজ বৰ কৌতুকাবহ, মূৰত ধনেশ চৰাইৰ পাখীৰে শোভিত মুকুট, গাত পূৰণ চিনৰ নিচিনাকৈ ৰঙা নীলা কাপোৰ মেৰোৱা, কিলাকুটিৰ অলপ ওপৰ ছোৱাত বৰ ডাঙৰ ডাঙৰ হাতী দাঁতৰ খাৰু আৰু কঁকালৰ তলছোৱাত নানাবিধ সূতাৰে খেজিংমেজিংকৈ ফুলবছা আৰু কড়ি লগোৱা আঠুমূৰীয়া কাপোৰ এখন! আমাক বাট দেখুৱাই অনা নগাবোৰে ৰজাক মূৰ দোঁৱাই সেৱা জনালে আৰু আমালৈ দেখুৱাই ৰজাক কিবা ক'লে। আমিও দেখাক দেখি ৰজাক সেৱা জনালোঁ। ৰজাই আমালৈ চাই আনন্দসূচক ধ্বনি কৰিলে। আমাক বহিবলৈ দিয়া ঠাইৰপৰা প্ৰায় এশ গজ দূৰত কুকুৰা চৰাই এহাল বান্ধি থোৱা আছিল। ৰজাই আমাক আঙুলিৰ ঠাৰে জনালে যে আমি আমাৰ ভোটা যাঠীৰে সেই কুকুৰা চৰাই হাল মাৰি দেখুৱাব লাগে। সিইঁতে আমাৰ বন্দুকক যাঠী বুলিয়েই ভাবিছিল। সেইকাৰণে বোধকৰো যোৱা কালিৰ নগাবোৰে ৰজাক আমাৰ আচৰিত যাঠীৰ সন্ধান

দিছিল। মই তৎক্ষণাৎ কুকুৰা চৰাই হাল গুলী দি মাৰি পেলালোঁ। ভোটা যাঠীৰ ( বন্দুকৰ ) আচৰিত শব্দ আৰু কাৰ্য্য দেখি সভাৰ সকলো মানুহে মোৰ হাতত থকা বন্দুকটোলৈ অবাক হৈ চাই ৰল! মই ৰজাক আকাৰে ইঙ্গিতে গুলী ভৰাবলৈ আৰু গুলী এৰিবলৈ বুজাই দিলোঁ। ৰজাই বন্দুকটো এবাৰ ঘূৰাই পকাই চাই মোক ওলোটাই দিলে। মই কেইটামান গুলীৰে সৈতে বন্দুকটো আৰু ৰূপৰ টকা কিছুমান ৰজাক উপহাৰ দিলোঁ।

২০ মে'—* * মই ৰজাক উপহাৰ দিয়া টকাবোৰ হেনো ৰজাই সিজাই চাইছিল। সিজাই দাঁতেৰে কামুৰি চাই নিসিজা যেন পাই ৰজাই হেনো আচৰিত মানিছিল। সেইবোৰ ( টকা ) নো কি—খোৱা বস্তুনে আন কিবা তাকে জানিবলৈ ৰজাই আমাৰ ওচৰলৈ মানুহ পঠিয়াইছিল। আমাৰ কথাবতৰা হয় ঠাৰে চিয়াৰে; গতিকে টকানো কি বস্তু মই বুজাই কব নোৱাৰিলোঁ। * * দিনটো চিকাৰ কৰি ফুৰোঁ। মনত ভাবনা হয় কিমান দিননো এইদৰে দিগভ্ৰষ্ট হৈ বহি থাকিব লাগিব। আমাক চাবলৈ বহুত নগা আহে আমি যেনিবা সিহঁতৰ 'ছিৰিয়াখানা'ৰ জন্তুহে! আমাক চাবলৈ অহা দলটোৰ ভিতৰত এটি প্ৰাণীয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিছে—তাই এজনী নাগিনী ছোৱালী; মই ভাল পাওঁ তাই সদায় আহে! কথাবতৰাও পাতে বেছ, মই কিন্তু বুজি নাপাওঁ। মাথো তাই পূৰ কালৰ সৰু আন এখন নগাৰ গাঁৱৰ ফালে আঙুলিওৱা দেখি বুজো তাই সেই গাঁৱৰপৰা আহে।

২৩ মে'—মোৰ পৰিচিতা শৈলবালা নহা দেখি মনটো উচ্‌পিচ্‌ কৰিবলৈ ধৰিছে। মন অধৈৰ্য্য হৈছে দেখি অমৃতক লগত লৈ তাইৰ বস্তিৰ ফালে যাবলৈ ওলালোঁ। ঘণ্টাচেৰেকৰ পিছত তাইৰ বস্তি পালোঁগৈ। ভাগ্যক্ৰমে আমি আমাৰ পূৰ্ব্ব পৰিচিতা ছোৱালী জনী লগ পালোঁ—তাই আমাক দেখি আচৰিত হল।—মোৰ শিৰাই উপশিৰাই বিদ্যুৎ খেলি গল! ঘোৰ অৰণ্যবাসী শৈলবালাৰ লগত প্ৰণয়! যিহক, তাই আমাক তাইৰ চাওঁলৈ নিলে। আমাক তাই মদ আৰু মঙল দিলে। মঙহ খাবলৈ ঘিণ লাগিল; মদকে এঢোকা পিবলৈ লৈছোঁ, এনেতে দেখি ... ৰেৰত মানুহৰ কটা মূৰ! মোৰ গা চিবিংকৈ গ'ল, ... নোম ডাল ডাল হল। অমৃতক দেখুৱালোঁ—সি ইঙ্গি... মাথোন! মই পিছ মুহূৰ্ত্ততে শান্ত হ'লো। আৰ ... পৰিচিতা নাগিনীজনী নৰখাদকৰ কন্যা! তাইৰ প্ৰী... ভাল পোৱা ঘৃণাত পৰিণত হল! ক'ত মোৰ কল্পি... ৰাণী শৈল বালা, ক'ত এই মোৰ নৰখাদক না... ছোৱালী! ক্ৰমে এন্ধাৰ চাপি আহিল। আমাৰ মনত ... ভয় সোমাবলৈ ধৰিলে; এনেতে দুৰৈত এজাক নগা... 'হ'হ হ'হ' কৈ চিঞৰি অহা দেখিলো। আমি তাইক ... বিদায় লৈ যাব খোজোতে তাই সেই চিঞৰি অহা না... জাকলৈ আঙুলিয়াই দেখুৱালে। আমি আমাৰ ... লাইট'ৰ পোহৰত সেই ফাললৈ চাই দেখিলো এজাক নগা... মতা মাইকী মিহলি হৈ পিঠিত থাং লৈ নিজ নিজ চাঙৰ ... আহিছে! বোধকৰো পথাৰৰপৰা উলটি আহিছিল ... 'টৰ্চ্চ লাইট'ৰ পোহৰ দেখি সিহঁত অবাক বিস্ময়ত ৰৈ ... ৰল। আমাৰ পৰিচিতা ছোৱালীজনীও 'টৰ্চ্চ'ৰ পোহৰ ... দেখি আচৰিত হল। সিহঁতে 'টৰ্চ্চ লাইট'ৰ পোহৰ ... ভৌতিক বুলিয়েই ভাবি লৈছিল হবলা! বিস্ময়... নগাজাক অলপ পৰৰ পিছতে দিহা দিহি গুচি গ'ল ... আমাৰ পৰিচিতা ছোৱালীৰ সম্ভৱতঃ ককায়েক আৰু ... বৌয়েকো আমি থকা চাঙলৈ উঠিল। নগা ডেকাটোৱে ... আমাক দেখি ককালত ওলমি থকা দাখনত হাত দি... আমাৰ পৰিচিতা জনে সিহঁতৰ দোৱানত কিবা এটা ... বলকিলে। তেতিয়াহে সি শান্ত হল। সিহঁতৰ মো... বোৱা হলত আমাৰ বন্দুক টৰ্চ্চ আদি চাই হাঁহিবলৈ ... ধৰিলে। সিহঁতে আমাৰ লগত কথা পাতিব খোজে কি... আমি নুবুজো। এনেতে সেই ডেকাজন ওলাই গ'ল ... মোৰ ভয় হল জানোচা সিহঁতে আমাকো বধ কৰে ... আমিও বন্দুকত গুলী ভৰাই সাজু হৈ থাকিলো। কি... সেয়ে নহল; বৰঞ্চ সুঘটনহে ঘটিল। নগা ডেকাজনে ... যাক লগত লৈ উভতি আহিল, সি এটা দ্বভাষী অৰ্থাৎ ... ইংৰাজৰ কাছাৰীত কাম কৰা, আন আন ভাষা কব পা... নগা! সেই ৰঙা কাপোৰ পিন্ধা নগাটোৱে মোক দেখি ... মানুহে 'ছেলাম' দি ভঙা ভঙা অসমীয়াত কথা পাতিবলৈ ... ধৰিলে। সি কলে—

"হজুৰ, তুমি কত পাৰা আহিছে ?"

মই—"মই মকচুং পাৰা আহিছে। তুমি কহিমা নাগা ... কাছাৰীতে দ্বভাষী আছিলেনে কি ?"

সি—"হয়। ছুটী পাইছে নিমিত্তে আহিছে।"

... ৰেৰত ওলমি থকা কটামূৰৰ বিষয়ে সোধাত সি কলে ... যিজন ডেকাই যিমান মানুহ মাৰি যিমান ছিন্নমুণ্ড আনে, ... সমাজত সি সিমানে মান পায়। সিহঁতে অৰণ্যে আন বস্তিৰ ... মানুহক হত্যা কৰে হেনো। মানুহৰ মঙহ নেখায়; কেৱল ... সমাজত প্ৰতিপত্তি লাভ কৰিবলৈহে মনুহ বধ কৰে। ... ইত্যাদি কথা বতৰাৰ পিছত আমি তাক লৈ ৰাতিয়েই ... ঘৰলৈ বহালৈ. উলটি আহিলো। দ্বভাষী জনে আমাক ... মকচুং পাৰালৈকে বাট দেখুৱাই নিবলৈ গাত ললে।

২৪ মে'—আজি নগাৰ 'গেনা' অৰ্থাৎ উৎসৱ। সিহঁতে ... সকলোৱে বাই লৈ নৃত্যাকাৰে দা যাঠী ইত্যাদি হাতত লৈ নাচে! ... সকলোৱে মিলিত কণ্ঠে আমি নুবুজা কিবা গানো গায়। ... আমি গেনা চাবলৈ যাওঁতে দ্বভাষী জনকো লৈ গৈছিলো ... তাক লগতে ইয়াকো কৈছিলো যেন সি আমাক একেবাৰে ... টিনি নেপায় এনে ভাও জোৰে। নগাৰ মাজত কি ... কথাবতৰা হয় তাকো আমাক জনাবলৈ কলো। গধূলি দ্বভাষী জনে আহি আমাক বিপদ বাৰ্ত্তা দিলে। সি কলে যে আজি ৰাতি নগাই আমাক আক্ৰমণ কৰিব। মোৰ চালখন বৰ বগা দেখি সিহঁতে মোক বধ কৰি হেনো মোৰ মঙহ খাই চাব খুজিছে! ৰজাই যাদুকৰবিলাকক ( সিহঁতে আমাক যাদুকৰ বুলি ভাবিছিল ) বেছিকৈ মৰম কৰা দেখি নগাইত বিদ্ৰোহী হৈ উঠিছে হেনো!

সাঁজৰ লগে লগে আমি বস্তু বেহানি পিঠিত তুলি হাতত সাৰে ভৰিত সাৰে চোৰৰ দৰে চাঙৰপৰা নামি হাবিৰ বাট ললো। নগাহঁত তেতিয়াও উৎসৱত মগ্ন! আমি প্ৰায় দুঘণ্টামান হাবিৰ মাজে মাজে গৈ উলটি চাই ঘৰত জুই লগাৰ নিচিনাকৈ আকাশত ধোঁৱা দেখা পালো। বোধকৰো আমি পলাই গৈছোঁ বুলি নেজানি নগাহঁতে আমি থকা চাঙত জুই দিছিল! আমাৰ উপকাৰী ৰজা-জনলৈ মনত পৰিল, ভয়ো হল, জানোচা ৰজাকো সিহঁতে বন্দী কৰে! আমি সকলোৱে ঈশ্বৰৰ ওচৰত ৰজাৰ মঙ্গল কামনা কৰিলো।

* *তিন দিনৰ দিনা দ্বভাষী জনৰ সহায়ত কহিমা নগৰৰ ৰাজ আলি পাই ঈশ্বৰক নথৈ ধন্যবাদ দিলো! দ্বভাষী জনৰ উপকাৰৰ পুৰস্কাৰ স্বৰূপে তাক তিনি শ ৰূপ দিলো। মই জানো যে এই দ্বভাষী জনে সিহঁতৰ ৰজাৰ দৰে টকা সিজাই কামুৰি নেচাব!



দিছিল। মই তৎক্ষণাৎ কুকুৰা চৰাই হাল গুলী দি মাৰি পেলালোঁ। ভোটা যাঠীৰ ( বন্দুকৰ ) আচৰিত শব্দ আৰু কাৰ্য্য দেখি সভাৰ সকলো মানুহে মোৰ হাতত থকা বন্দুকটোলৈ অবাক হৈ চাই ৰল! মই ৰজাক আকাৰে ইঙ্গিতে গুলী ভৰাবলৈ আৰু গুলী এৰিবলৈ বুজাই দিলোঁ। ৰজাই বন্দুকটো এবাৰ ঘূৰাই পকাই চাই মোক ওলোটাই দিলে। মই কেইটামান গুলীৰে সৈতে বন্দুকটো আৰু ৰূপৰ টকা কিছুমান ৰজাক উপহাৰ দিলোঁ।

২০ মে'—* * মই ৰজাক উপহাৰ দিয়া টকাবোৰ হেনো ৰজাই সিজাই চাইছিল। সিজাই দাঁতেৰে কামুৰি চাই নিসিজা যেন পাই ৰজাই হেনো আচৰিত মানিছিল। সেইবোৰ ( টকা ) নো কি—খোৱা বস্তুনে আন কিবা তাকে জানিবলৈ ৰজাই আমাৰ ওচৰলৈ মানুহ পঠিয়াইছিল। আমাৰ কথাবতৰা হয় ঠাৰে চিয়াৰে ; গতিকে টকানো কি বস্তু মই বুজাই কব নোৱাৰিলোঁ। * * দিনটো চিকাৰ কৰি ফুৰোঁ। মনত ভাবনা হয় কিমান দিননো এইদৰে দিগভ্ৰষ্ট হৈ বহি থাকিব লাগিব। আমাক চাবলৈ বহুত নগা আহে আমি যেনিবা সিহঁতৰ 'চিৰিয়াখানা'ৰ জন্তুহে! আমাক চাবলৈ অহা দলটোৰ ভিতৰত এটি প্ৰাণীয়ে মোৰ দৃষ্টি আকৰ্ষণ কৰিছে—তাই এজনী নাগিনী ছোৱালী ; মই ভাল পাওঁ তাই সদায় আহে! কথাবতৰাও পাতে বেছ, মই কিন্তু বুজি নাপাওঁ। মাথো তাই পূৰ ফালৰ সৰু আন এখন নগাৰ গাঁৱৰ ফালে আঙুলিওৱা দেখি বুজো তাই সেই গাঁৱৰপৰা আহে।

২৩ মে'—মোৰ পৰিচিতা শৈলবালা নহা দেখি মনটো উচ্ পিচ্ কৰিবলৈ ধৰিছে। মন অধৈৰ্য্য হৈছে দেখি অমৃতক লগত লৈ তাইৰ বস্তিৰ ফালে যাবলৈ ওলালোঁ। ঘণ্টাচেৰেকৰ পিছত তাইৰ বস্তি পালোঁগৈ। ভাগ্যক্ৰমে আমি আমাৰ পূৰ্ব্ব পৰিচিতা ছোৱালী জনী লগ পালোঁ— তাই আমাক দেখি আচৰিত হল।— মোৰ শিৰাই উপশিৰাই বিদ্যুৎ খেলি গল! ঘোৰ অৰণ্যবাসী শৈলবালাৰ লগত প্ৰণয়! যিহক, তাই আমাক তাইৰ চাওলৈ নিলে। আমাক তাই মদ আৰু মঙল দিলে। মঙহ খাবলৈ ঘিণ লাগিল ; মদকে এঢোকা পিবলৈ লৈছোঁ, এনেতে দেখি… …ৰেৰত মানুহৰ কটা মুৰ! মোৰ গা চিৰিংকৈ গল, … নোম ডাল ডাল হল। অমৃতক দেখুৱালোঁ—সি হাঁ… মাথোন! মই পিছ মুহূৰ্ত্ততে শান্ত হ'লো। আ… পৰিচিতা নাগিনীজনী নৰখাদকৰ কন্যা! তাইৰ প্ৰ… ভাল পোৱা ঘৃণাত পৰিণত হল! ক'ত মোৰ কবিতা… ৰাণী শৈল বালা, ক'ত এই মোৰ নৰখাদক ন… ছোৱালী! ক্ৰমে এন্ধাৰ চাপি আহিল। আমাৰ মন… ভয় সোমাবলৈ ধৰিলে ; এনেতে দূৰৈত এজাক নগা… 'হ'হ হ'হ' কৈ চিএৰি অহা দেখিলো। আমি তাইৰপৰা… বিদায় লৈ যাব খোজোতে তাই সেই চিএৰি অহা মানু… জাকলৈ আঙুলিয়াই দেখুৱালে। আমি আমাৰ … লাইট'ৰ পোহৰত সেই ফাললৈ চাই দেখিলো এজাক নগা… মতা মাইকী মিহলি হৈ পিঠিত থাং লৈ নিজ নিজ চাঙৰ… আহিছে! বোধকৰো পথাৰৰপৰা উলটি আহিছিল… 'টৰ্চ্চ লাইট'ৰ পোহৰ দেখি সিহঁত অবাক বিস্ময়ত থিয় … ৰল। আমাৰ পৰিচিতা ছোৱালীজনীও 'টৰ্চ্চ'ৰ পোহ… দেখি আচৰিত হল। সিহঁতে 'টৰ্চ্চ লাইট'ৰ পো… ভৌতিক বুলিয়েই ভাবি লৈছিল হবলা! বিস্ময়… নগাজাক অলপ পৰৰ পিছতে দিহা দিহি গুচি গ… আমাৰ পৰিচিতা ছোৱালীৰ সম্ভৱতঃ ককায়েক অ… বোৱেকো আমি থকা চাঙলৈ উঠিল। নগা ডেকাটো… আমাক দেখি ককালত ওলমি থকা দাখনত হাত দিয়… আমাৰ পৰিচিতা জনে সিহঁতৰ দোৱানত কিবা এযো… বলকিলে। তেতিয়াহে সি শান্ত হল। সিহঁতৰ বো… বোৱা হলত আমাৰ বন্দুক টৰ্চ্চ আদি চাই হাঁহিবলৈ… ধৰিলে। সিহঁতে আমাৰ লগত কথা পাতিব খোজে কি… আমি নুবুজো। এনেতে সেই ডেকাজন ওলাই গ… মোৰ ভয় হল জানোচা সিহঁতে আমাকো বধ কৰে… আমিও বন্দুকত গুলী ভৰাই সাজু হৈ থাকিলো। কি… সেয়ে নহল ; বৰঞ্চ সুঘটনহে ঘটিল। নগা ডেকাজনে… যাক লগত লৈ উভতি আহিল, সি এটা দুভাষী অৰ্থা… ইংৰাজৰ কাছাৰীত কাম কৰা, আন আন ভাষা কওঁ… নগা! সেই ৰঙা কাপোৰ পিন্ধা নগাটোৱে মোক দেখিয়ে… …মুৰে 'ছেলাম' দি ভঙা ভঙা অসমীয়াত কথা পাতিবলৈ …দিলে। সি কলে—

"হুজুৰ, তুমি কত পাৰা আহিছে?"

মই—"মই মকচুং পাৰা আহিছে। তুমি কহিমা নাগা …াছাৰীতে দুভাষী আছিলেনে কি?"

সি—"হয়। ছুটী পাইছে নিমিত্তে আহিছে।"

…ৰেৰত ওলমি থকা কটামুৰৰ বিষয়ে সোধাত সি কলে …ৰান ডেকাই যিমান মানুহ মাৰি যিমান ছিন্নমুণ্ড আনে, …মাজত সি সিমানে মান পায়। সিহঁতে অৰণ্যে আন বস্তিৰ …মানুহক হত্যা কৰে হেনো। মানুহৰ মঙহ নেখায় ; কেৱল …সমাজত প্ৰতিপত্তি লাভ কৰিবলৈহে মনুহ বধ কৰে। …ইত্যাদি কথা বতৰাৰ পিছত আমি তাক লৈ ৰাতিয়েই …নিজৰ বহালৈ উলটি আহিলো। দুভাষী জনে আমাক …অহিনালৈকে বাট দেখুৱাই নিবলৈ গাত ললে।

২৪ মে'—আজি নগাৰ 'গেনা' অৰ্থাৎ উৎসৱ। সিহঁতে …গাই লৈ বৃত্তাকাৰে দা যাঠী ইত্যাদি হাতত লৈ নাচে! …সকলোৱে মিলিত কণ্ঠে আমি নুবুজা কিবা গানো গায়। …আমি গেনা চাবলৈ যাওঁতে দুভাষী জনকো লৈ গৈছিলো …আৰু লগতে ইয়াকো কৈছিলো যেন সি আমাক একেবাৰে …নিমিনি নেপায় এনে ভাও জোৰে। নগাৰ মাজত কি …কথাবতৰা হয় তাকো আমাক জনাবলৈ কলো। গধূলি দুভাষী জনে আহি আমাক বিপদ বাৰ্ত্তা দিলে। সি কলে যে আজি ৰাতি নগাই আমাক আক্ৰমণ কৰিব। মোৰ চালখন বৰ বগা দেখি সিহঁতে মোক বধ কৰি হেনো মোৰ মঙহ খাই চাব খুজিছে! ৰজাই যাদুকৰবিলাকক ( সিহঁতে আমাক যাদুকৰ বুলি ভাবিছিল ) বেছিকৈ মৰম কৰা দেখি নগাইত বিদ্ৰোহী হৈ উঠিছে হেনো!

সাঁজৰ লগে লগে আমি বস্তু বেহানি পিঠিত তুলি হাতত সাৰে ভৰিত সাৰে চোৰৰ দৰে চাঙৰপৰা নামি হাবিৰ বাট ললো। নগাইত তেতিয়াও উৎসৱত মগ্ন! আমি প্ৰায় দুঘণ্টামান হাবিৰ মাজে মাজে গৈ উলটি চাই ঘৰত জুই লগাৰ নিচিনাকৈ আকাশত ধোঁৱা দেখা পালো। বোধকৰো আমি পলাই গৈছোঁ বুলি নেজানি নগাইতে আমি থকা চাঙত জুই দিছিল! আমাৰ উপকাৰী ৰজা-জনলৈ মনত পৰিল, ভয়ো হল, জানোচা ৰজাকো সিহঁতে বন্দী কৰে! আমি সকলোৱে ঈশ্বৰৰ ওচৰত ৰজাৰ মঙ্গল কামনা কৰিলো।

* *তিন দিনৰ দিনা দুভাষী জনৰ সহায়ত কহিমা নগৰৰ ৰাজ আলি পাই ঈশ্বৰক নপৈ ধন্যবাদ দিলো! দুভাষী জনৰ উপকাৰৰ পুৰস্কাৰ স্বৰূপে তাক তিনি শ ৰূপ দিলো। মই জানো যে এই দুভাষী জনে সিহঁতৰ ৰজাৰ দৰে টকা সিজাই কামুৰি নেচাব!



# মিলন-মন্ত্র

কবিতা ]

—শ্ৰীযুত সুৰেন্দ্ৰনাথ বৰুৱা বি-এ

কাৰ দৰিশন লভি আজি এই
মধুৰ পুৰা,
উঠিছে উথলি উলাহত মোৰ
নবীন হিয়া!

—ভুবন ভুলোৱা প্ৰিয়তমা মোৰ
বিভুৰ দান,
বিপুল হৰ্ষত বাজে অন্তৰত
বিজয়-গান।

কিন্তু কিয় মোৰ সঘনে ভয়ত
কঁপিছে হিয়া?
—সম্বল বিহীন কিহেৰে মই
সম্ভাষো প্ৰিয়া!

তথাপিও ক্ষীণ শকতিৰে আজি
কৰিছোঁ পণ—
প্ৰেয়সী তোমাৰ ৰূপৰ পূজাত
ঢালিম মন।

যাচিম হৃদয় স্নেহ মৰমৰ
ডেউকা মেলি,
প্ৰাণ বিতৰিম প্ৰীতি সাগৰৰ
লহৰী তুলি।

বিশ্বত তোমাৰ কৰিম প্ৰচাৰ
মহিমা বাণী,
স্বৰ্গলৈ' গঢ়িম সোণৰ সোপান
হে মোৰ ৰাণি।

শুনাচো প্ৰিয়া মিলন সঙ্গীত
উঠিছে বাজি,
তোমাৰে মোৰে পৰিছে আহ্বান
সৃষ্টিত আজি।

বান্ধি আজি আহা ছুটি পৰাণৰ
মিলন সুৰ,
উটাওঁ জীৱন বিৰচি প্ৰেমৰ
অলকা পুৰ।

কৰোঁ আহা প্ৰিয়ে অনন্ত আলোত
উভয়ে স্নান,
সৃষ্টিৰ যজ্ঞত কৰো নিবেদন
আমাৰ প্ৰাণ।

———

# ৰুবাইয়াত

—মহম্মদ মুহিবুল্লা বি-এ, ই-এ-ছি

ৰুবাইয়াত বুলিলে আজিকালি সচৰাচৰ ওমৰ খাইয়ামৰ চতুষ্পদীকে বুজায়, যদিও বহুত ফাৰ্চী কবিয়ে ৰুবাইয়াত লিখি থৈ গৈছে। এই ৰুবাইয়াত আলোচনা কৰাৰ আগতে ইয়াৰ লিখোতাৰ পৰিচয় এটি দিয়াটো অপ্ৰাসঙ্গিক নহব। আজিকালি শিক্ষিত সমাজত ওমৰ খাইয়ামক নজনা বা তেওঁৰ নাম নুশুনা অতি বিৰল। তেওঁৰ পূৰা নাম গিয়াচুদ্দিন আবুল ফতেহ ওমৰ-বিন-ইব্ৰাহিম আল খইয়ামী। তেওঁৰ পিতাকে চাপপ বৈ জীৱন কটাইছিল বুলি কয়। তাৰ পাছত এই ব্যৱসায় এৰি তম্বু তৈয়াৰ কৰা কামত ধৰিছিল আৰু এই কাৰণে তেওঁক খইয়ামী অৰ্থ্যাৎ তম্বু সাজোঁতা বুলিছিল। আৰু ওমৰেও এই ব্যৱসায়কে কৰাৰ বাবে খাইয়াম নাম পাইছিল বুলি বহুতে ভাবে। কিন্তু পুৰণি চৰিতাভিধানত এই ব্যৱসায় লৈছিল বুলি কোনো উল্লেখ পোৱা নাযায়, বৰঞ্চ তেওঁৰ গোটেই জীৱন বিজ্ঞান, দৰ্শন, গণিত, জ্যোতিষ ইত্যাদি জ্ঞান চৰ্চ্চাত সাধকৰ দৰে কটোৱাহে পোৱা যায়। তেওঁ খোৰাছানৰ থাইঠাই নিছাপুৰত ৪৯০ হিজৰীত (১০১৯ খৃঃ) জন্ম গ্ৰহণ কৰে। সেই সময়ত পাৰস্য সাম্ৰাজ্যৰ ভিতৰত খোৰাছান চহৰখন জ্ঞান-বিজ্ঞানৰ কেন্দ্ৰ স্থল আছিল। সেই কালৰ সভ্যতানুযায়ী সকলোৱে বিদ্যা শিক্ষা কৰিছিল। অশিক্ষিতৰ সংখ্যা নাছিল বুলিলেই হয়। সেই সময়ত ছাত্ৰসকলে সাহিত্য, দৰ্শন বিজ্ঞান, গণিত, জ্যোতিষ, চিকিৎসা, ৰসায়ণ প্ৰভৃতি অধ্যয়ন কৰিছিল। ওমৰেও নিছাপুৰতে শিক্ষা লাভ কৰে। তেওঁৰ পিতাক যদিও দুখীয়া আছিল ওমৰৰ শিক্ষাৰ নিমিত্তে বৰ যত্ন লৈছিল। ওমৰে যিজন শিক্ষা-গুৰুৰ তলত অধ্যয়ন কৰিছিল তেওঁৰ নাম মোৱাফিক উদ্দিন। খোৰাছানৰ ভিতৰত এজন শ্ৰেষ্ঠ জ্ঞানী পুৰুষ আছিল। তেওঁৰ তলত শিক্ষা পাবৰ নিমিত্তে দেশ বিদেশৰ পৰা ছাত্ৰ আহি গোট খাইছিলহি। এই আলিমৰ গুৰিতে ওমৰে মুছলিম ধৰ্ম্মতত্ব, হদিচ, কোৰাণ, ফেকা (ব্যৱস্থা শাস্ত্ৰ) সাহিত্য, দৰ্শন, গণিত, জ্যোতিষ, ইত্যাদি অধ্যয়ন কৰি সুখ্যাতি লাভ কৰিছিল। তেওঁৰ গণিত আৰু জ্যোতিষ শাস্ত্ৰত বৰ অনুৰাগ আছিল। আৰু সময়ত এজন ডাঙৰ গণিতজ্ঞ আৰু জ্যোতিৰ্ব্বিদ হৈ উঠিছিল। ওমৰে যেতিয়া মোৱাফিক উদ্দিনৰ বিদ্যালয়ত সৰ্ব্বোচ্চ শিক্ষা শেষ কৰি ঘৰলৈ উভতি আহে তেতিয়া তেওঁৰ পিতাক ইহ সংসাৰত নাছিল। তেওঁৰ আৰ্থিক অৱস্থা সুচল নোহোৱাৰ বাবে ওমৰে টকা পইছাৰ নাটনিত পৰে। তেওঁ পেট ভাতকে মোকলাবনে জ্ঞান বিজ্ঞানৰ গবেষণাকে কৰিব এই কথাই তেওঁৰ মনত উগুল-থুগুল লগাবলৈ ধৰিলে। কিন্তু এই দিন যেনে-তেনে দিন নাছিল। জগত গুৰু হজৰত মহম্মদৰ বাণী মন্ত্ৰত দীক্ষা লাভ কৰি আথৰে আথৰে পালি এই যুগৰ মুছলমানসকল কেৱল যে একেডাল ডোলেৰে বান্ধ খাইছিল এনে নহয় তেওঁবিলাকে জ্ঞান-বিজ্ঞান চৰ্চ্চাতো এক যোগ হৈ দ্ৰুতগতিত জ্ঞান সঞ্চয় কৰিছিল আৰু জগতত জ্ঞানৰ বিস্তাৰ কৰিছিল। এই দৰে ৭০০।৮০০ বছৰ ধৰি আৰবসকলে যি সভ্যতাৰ আৰু জ্ঞানৰ প্ৰতিভা পৃথিৱীত বিস্তাৰ কৰিলে তাৰ ফলতহে বৰ্ত্তমান বিজ্ঞান আৰু সভ্যতাৰ উন্নতি। এনে দিনত ওমৰৰ নিচিনা এজন প্ৰতিভাশালী মানুহক যে টকাৰ অভাৱত জাহ যাবলৈ দিব সি নহয়। এজন গুণগ্ৰাহী আবুতাহিৰ নামে আমিৰে তেওঁক সহায় কৰিবৰ নিমিত্তে তৎক্ষণাত সাজু হল। এই আমিৰৰ অৰ্থ সাহায্যই ওমৰৰ বৈজ্ঞানিক গবেষণাৰ বাট মোকলাই দিয়ে। এই সদাশয় আমিৰৰ সহায় নোহোৱা হলে কিজানি ওমৰে

তেওঁৰ ওমৰত্ব প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। ওমৰে পেটৰ দায়িত্বৰপৰা হাত সাৰি বৈজ্ঞানিক গবেষণাত মন পুতি লাগি গল। ইয়াৰ ফলত তেওঁ এখন 'আলজবৰ আলমোকাবিলা' উলিয়ায় আৰু তেওঁৰ কৃতজ্ঞতাৰ নিদৰ্শন স্বৰূপ আমিৰ আবু-তাহেৰক উছৰ্গা কৰে। ইয়াৰ আগেয়ে কেৱল ৩ খণ্ড 'আলজবৰ আলমোকাবিলা' প্ৰকাশিত হৈছিল। কালক্ৰমে আলমোকাবিলা শব্দ উঠি যায় আৰু আবু জাকাৰিয়া আল হাছাবে তেওঁৰ গণিত গ্ৰন্থত কেৱল আলজবৰ শব্দ ব্যৱহাৰ কৰে আৰু ইয়াকে প্ৰতীচ্য গণিতবিদসকলে গ্ৰহণ কৰে আৰু আজিকালি ইংৰাজীত Algebra নামে পৰিচিত হয়। ওমৰে জ্যামিতি পৰিমিতি আৰু ত্ৰিকোণমিতিৰো ব্যাখ্যা লিখে। পাটিগণিতৰো বৰ্গমূল আৰু ঘন মূল বিষয়ক এখন কিতাপ প্ৰচাৰ কৰে।

ওমৰ জ্যোতিষ শাস্ত্ৰতো মহাপণ্ডিত আছিল। চুলতান মালিকছাহে পঞ্জিকা সংস্কাৰৰ ভাৰ তেওঁৰ ওপৰত দিয়াত তেওঁ এখন পঞ্জিকা তৈয়াৰ কৰি জেলালি পঞ্জিকা নাম দিয়ে। এই জেলালি পঞ্জিকা জুলিয়াছ ছীজাৰ প্ৰবৰ্ত্তিত পঞ্জিকাতকৈ বহুগুণে উচ্চ আছিল। ঐতিহাসিক গিবনে এই দুই পঞ্জিকাৰ তুলনা কৰি কয় যে, জেলালি পঞ্জিকা নিৰ্ভুল আৰু সূক্ষ্ম, গণনাত জুলিয়াছ ছীজাৰৰ পঞ্জিকাক চেৰ পেলাইছিল। ওমৰ খাইয়ামৰ দৰ্শন প্ৰতিপত্তি তেওঁৰ ৰুবাইয়াতত প্ৰকাশ পাইছে। এই বিষয়ে দুনাই কবৰ সকাম নাই।

'ৰুবাইয়াত' 'ৰুবাই' শব্দৰে বহুবচন। 'ৰুবাই' 'ৰুবাআ'ৰ পৰা ওলাইছে। 'ৰুবাআ' মানে চাৰি। আৰু 'ৰুবাই' মানে চতুষ্পদী। প্ৰাচীন অন্ধ কবি ৰুদকী এই ছন্দৰ জন্মদাতা। প্ৰায় ৫০০০ মান ৰুবাই ওমৰৰ নামত মেৰ খাই আছে। কিন্তু সকলোবিলাক তেওঁৰ ৰচিত নহয়। যিখন অতি পুৰণি পাণ্ডুলিপিৰপৰা তেওঁৰ ৰুবাই বিলাক সঙ্কলিত হৈছে সেইখন পাণ্ডুলিপিও ওমৰৰ মৃত্যুৰ প্ৰায় ৩৫০ বছৰৰ পিছতহে গ্ৰন্থবদ্ধ হয়। আজিকালি বিশেষজ্ঞসকলে ২৫০ কি ৩০০ মান ৰুবাইহে ওমৰৰ আছল বুলি ধৰিছে। Dr. Thomas Hydeএ প্ৰথমে ১৭০০খৃঃত ওমৰৰ কেইটিমান ৰুবাই আবিষ্কাৰ কৰে; [illegible] পাছত ঐতিহাসিক Elphinstone ছাহাবে কাবুল[illegible] ইতিহাস প্ৰকাশ কৰিবৰ সময়ত আৰু কেইটিমান আবিষ্কা[illegible] কৰে। আৰু ১৮১৮ খৃঃত Hammer Purgstal[illegible] কেইটিমান তৰ্জ্জমা কৰে আৰু ১৮৫৭ খৃঃত Garcin-de-Tassyএ আৰু কেইটিমান নতুন ৰুবাই তৰ্জ্জমা কৰে। তাৰ পাছতহে Fitzerald ছাহাবে তৰ্জ্জমা কৰে। ইয়াৰ ফলত এতিয়া ইউৰোপৰ প্ৰায় সকলো ভাষাত আৰু আমেৰিকাত ওমৰৰ ৰুবাইৰ অনুবাদ প্ৰকাশ পাইছে। বঙলা ভাষাতো ইয়াৰ অনুবাদ ওলাইছে। আৰু আমাৰ অসমীয়া ভাষাতো আমাৰ নামজাদা কবিতা লিখক মোৰ সহপাঠী বাল্যবন্ধু শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা ডাঙৰীয়াই অতি সুৰলা আৰু সুবোধ ভাষাৰে কিছুমান ৰুবাই অনুবাদ কৰি 'ওমৰ তীৰ্থ' নামে এখনি কবিতা পুথি ৰচনা কৰি প্ৰকাশ কৰিছে। তেওঁৰ এই পুথিৰপৰাই কেই ফাঁকি মান দি ওমৰৰ গভীৰ ভাৱৰ এটি আভাস দাঙি ধৰিবলৈ চেষ্টা কৰিম। দুৱৰা ডাঙৰীয়াৰ মূল গ্ৰন্থ বোধকৰো Fitzerald ছাহাবৰেই। Fitzerald ছাহাবৰো অনুবাদ তেওঁৰ নিজৰ ইচ্ছাধীন তৰ্জ্জমা, নিজৰ মাচত পেলাই পদ্য লিখা। মূল গ্ৰন্থৰ সোৱাদ তৰ্জ্জমাত পোৱা টান, তাতোকৈ টান পদ্য তৰ্জ্জমা। কিন্তু Fitzerald ছাহাবৰ অনুবাদ অতি ধিতোপন আৰু এই ধিতোপন অনুবাদৰপৰা দুৱৰা ডাঙৰীয়াৰ স্বভাৱগত পদ্যও আমাৰ হিচাবে বেচ ডাঙৰ হৈছে। ওমৰৰ আছল ফাৰ্চী ভাষাৰ ৰুবাইবোৰৰ সবহঁখিনি মানুহৰ বোধগম্য নহৰ গতিকে ইয়াত দিয়াৰ নিষ্প্ৰয়োজন। দুৱৰা ডাঙৰীয়াৰ ওমৰ তীৰ্থৰপৰা কেইফাকিমান [illegible] ওমৰৰ ভাৱৰ গতি দেখুৱাবৰ নিমিত্তে তলত দিয়া হল।

ওমৰৰ ৰুবাইয়াতত সামঞ্জস্য দেখা নাযায়। [illegible] যাবই বা ক'ৰপৰা? তেওঁ যে ভাবুক, পুৱাৰ সোণালী কিৰণে, ফুলৰ গোন্ধত আমোলমোল গুলবাগিচাৰ বুলবুলৰ গানে, দুপৰ ৰ'দৰ মৰুভূমিৰ তপত বালিৰ বতাহৰ হহ শব্দই, আবেলি নিকুঞ্জ বনৰ তটিনীৰ কুল কুল ধ্বনিয়ে, সন্ধিয়াৰ শীতল বতাহে, ৰাতি নিৰ্ম্মল আকাশৰ তৰাবোৰৰ চিকমিকনিয়ে তেওঁক যে সদায় বিভোৰ কৰি থয়। এই



[illegible] সুন্দৰ ধৰাখনি ইয়াৰ গৰাকী কোন, কাৰ ইঙ্গিতত এইবিলাক চলিব লাগিছে; চামে চামে মানুহ আহে আৰু চামে চামে যায় ইয়াৰ কাৰণ কি, ইহঁতনো ক'ৰপৰা আহে আৰু কলৈ যায়, ইহঁতৰ কিয়নো বা সৃষ্টি আৰু কিয়নো বা ধ্বংস, ইয়াৰ গুৰিত কোন—এইবোৰ চিন্তাত তন্ময় থাকে। এই বাবেই কৰুণাপূৰ্ণ ভাৱ পোৱা যায়। তেওঁ সৃষ্টিৰ [illegible] ওপৰত ব্যস্ত আছিল। যেতিয়া কোনো উত্তৰ দিহ নেপাই [illegible] গৈছিল তেতিয়াই "আন ছাকি দেছেৰাৰ পিয়লা [illegible]ৰাই—" ভাৱ। আৰু যেতিয়া হতাশ হৈছিল তেতিয়া খোদাৰ প্ৰতি বিদ্ৰূপ আৰু ধৰ্ম্মৰ প্ৰতি বিদ্ৰূপ ভাৱ।—

ইয়াৰ আগেয়ে ক'তৰা আছিলোঁ
    কাকনো সুধিম কথাটি মোৰ?
ইয়াৰ পাছত কোন দেশলৈ—
    নোৱাৰো বুজিব ৰহস্য ঘোৰ?
ঢালা তেন্তে সখা জীৱনৰ সুৰা—
    চিন্তা ভাবনা দূৰতে থক
ধৰিব নোৱাৰা নিয়তিৰ লীলা
    পিয়লা ভৰাই পাহৰা য'ক।
নিৰ্ম্মম কালৰ চকৰি ঘূৰিছে
    ত্ৰিলোক জগত কৰিছে চূৰ?
দয়াৰ সাগৰ নাম যদি তযু
    নকৰা কিয় এই কলঙ্ক দূৰ?
পাপৰ গাঁতত পৰে যদি তেওঁ
    আন্ধাৰ বাটত পিছলি পৰি
কিয় দিবা তাক দোষৰ বোজাটি
    তুমিয়েই দোষ সৃজন কৰি?

[illegible] যি যুগত ওমৰ জন্ম গ্ৰহণ কৰিছিল সেই যুগত তেওঁক এজন অসাধাৰণ দাৰ্শনিক, গণিতজ্ঞ আৰু জ্যোতিৰ্ব্বিদ বুলি সকলোৱে মানিছিল। কিন্তু তেওঁ সাধক আছিল [illegible]নে নাই বা তেওঁৰ খোদাপ্ৰাপ্তি বা ভগৱৎ মিলন হৈছিল নে নাই এই কথা তেওঁৰ ৰুবাইয়াতৰপৰা একো বুজা নাযায়। কিন্তু তেওঁ যে সত্যান্বেষণকাৰী দৰৱেছ আছিল ইয়াৰ কোনো ভুল নাই।

—সমুখত দেখো এখনি দুৱাৰ
    কাঠিটি বিচাৰি নাপালো তাৰ
ঢাকিছে সমুখ আন্ধাৰ ঢাকোনে
    জুমি চাবলৈকো সাধ্য কাৰ।

এই দুনিয়াত যিমানবোৰ বস্তু আছেমানে সকলো অনিত্য। আজি যিটো বস্তু নতুন কাইলৈ পুৰণি, তাৰ পাছত ধ্বংস। ইয়াৰ কাৰণ কি? কিয়বা এইবিলাকৰ সৃষ্টি আৰু কিয়বা ধ্বংস? মানুহ ওপজে আৰু মৰে। ইহঁত আহে ক'ৰপৰা আৰু কলৈ যায়? এই প্ৰশ্নবোৰ ল'ৰালি আৰু ডেকাৰ তেজ গলে বুঢ়া বয়সত মানুহৰ মনত ওপজে। ওমৰেও এই ভাৱাপন্ন হৈ গভীৰ চিন্তাত পৰিছিল আৰু তাৰে এটা সম্ভেদ দি যাবলৈ তেওঁৰ ৰুবাইয়াতৰ সৃষ্টি। তেওঁ যিভাৱে জীৱনটোক লৈছিল তাকে তেওঁৰ ৰুবাইয়াতত লিপিবদ্ধ কৰি গৈছে। তেওঁ গভীৰ সাধনা আৰু চিন্তা কৰিও সত্যান্বেষণত বিফলমনোৰথ হৈ কেতিয়াবা খোদাৰ ওপৰত নাৰাজ—কেতিয়াবা ইছলামৰ ওপৰত নাৰাজ ভাৱ দেখুৱাইছিল যদিও সি প্ৰকৃত ভাৱ নাছিল। খোদা পৰম পিতা। পৰম পিতাৰ ওপৰত ওফোন্দ পাতি কেতিয়াবা যদি বিৰক্তি প্ৰকাশ কৰিছিল ই স্বাভাৱিক। পুত্ৰই যেনেকৈ পিতাৰপৰা কোনো কথাত বঞ্চিত হৈ "কিহৰ বোপাই, এনেকুৱা বোপাই হোৱাতকৈ নোহোৱাই ভাল" এনে বিধৰ কথা কয় আৰু ইয়াৰ দ্বাৰাই এইটো সুবুজায় যে সেই ল'ৰাই বাপেকক বাপেক বুলি নেমানে। ঠিক ওমৰেও তেনেকৈ সত্যক নেপাই পৰম পিতা খোদাতালাৰ ওপৰত, ইছলামৰ ওপৰত নাৰাজ হোৱা দেখুৱাইছিল; সেই বুলিয়েই যে খোদাক নেমানিছিল বা ইছলামক নেমানিছিল এনে নহয়। "কণাবিধাতা" বুলি আমি ঈশ্বৰক কিমান যে গালি পাৰিবই লাগিছো তাৰ ইয়ত্তা নাই। আমি যদি কোনো এটা কথা ধৰ্ম্মৰ জৰীয়তে উপলব্ধি কৰিব নোৱাৰোঁ তেন্তে আমি ধৰ্ম্মক দোষ দিওঁ। সেই বুলিয়েই যে আমাৰ মনত ঈশ্বৰ বা ধৰ্ম্ম বেয়া সেইটো নহয়। যদি সেয়ে হয় তেন্তে আজিকালি শতকৰা ৯৯ জন অধৰ্ম্মী। ওমৰৰ খোদাৰ ওপৰত অটল বিশ্বাস আৰু ভক্তি আছিল।—

সংসাৰ হাটত উমলি জামলি
ধুলি মাকটিৰে লেতেৰা হৈ
গধূলি পৰত ভাগৰি জুগৰি
তোমাৰ ওচৰ চাপিলে মই,

জানো তুমি প্ৰভু হাত মেলি মোক
নিবা কাষলৈ মৰম কৰি
জীৱনৰ মোৰ পাপৰ কালিমা
ধুৱাবা তুমিয়েই যতন কৰি।

কোনো কোনোৱে কব পাৰে যে সুৰা আৰু ছাকি লৈয়ে ওমৰ। য'ত সুৰা আৰু ছাকি নাই ত'ত ওমৰ নাই। ঠিক কথা। ওমৰৰ ৰুবাইয়াতত আমি কি পাওঁ? সুৰাৰ পিয়লাৰ ভিতৰেদি এটি হুতাহ, এটি হুমুনিয়াহ আৰু এটি আশ্বাস, ঠিক যেন কল। ডাৱৰত বিজুলীৰ চিকমিকনি। সেই যুগত পাৰস্যত যিমানবিলাকেই কবি আছিল সেই সকলৰ প্ৰায় বিলাকেই দৰৱেছ আছিল আৰু এখেতসকলৰ প্ৰায়বোৰ কবিতাতে সুৰাৰ সুৰ বাজিছিল। প্ৰসিদ্ধ কবি হাফেজৰ কবিতাত তেওঁ সুৰা আৰু ছাকি লৈয়ে ব্যতিব্যস্ত। কিন্তু এই সুৰা সঁচাসঁচি আঙুৰৰ ৰসৰ মদনে? নিশ্চয় নহয়, ই তন্ময়তাৰ এটি মন্ত্ৰ মাত্ৰ আৰু ছাকি স্বয়ং খোদা। জীৱনটোক ভাল পোৱা আৰু জীৱিতাৱস্থাত সমুখত যিহকে পোৱা যায় তাকে সন্তোষেৰে গ্ৰহণ কৰি ভোগ কৰি খোৱাটোৱেই ৰুবাইয়াতৰ আছল উদ্দেশ্য। ওমৰৰ মতে তুমি সীমাবদ্ধ মানৱ। জীৱনৰ ৰহস্য ভেদ কৰা তোমাৰ সাধ্যাতীত, আৰু কৰিবৰ নিমিত্তে বৃথা চেষ্টাও নকৰিবা। অতীত পাহৰি যোৱা, ভবিষ্যতলৈ আশা নকৰিবা, বৰ্ত্তমানে যি পোৱা তাকে আকোৱালি ধৰি সদ্ব্যৱহাৰ কৰি খোদাৰ ওপৰত আত্ম সমৰ্পণ কৰি শান্তি লাভ কৰা—

অতীত ভবিষ্য ভাবিলে কি হ'ব
ভাবনাৰ দেখো বিৰাম নাই,
ঢালা সুৰা ঢালা পিয়লা ভৰাই
প্ৰতি নিমিষতে সময় যায়!
"আজি" যদি মোৰ ৰঙতেই যায়!
অতীতৰ "কালি" দূৰতে থক
"কাইলৈ" কি হ'ব? ভৱিষ্য ভাবনা
সুৰাৰ সোঁতত উটোৱা যক।

এয়ে ওমৰৰ মূল মন্ত্ৰ আৰু ইছলাম ধৰ্ম্মৰ কাৰ্য্যকৰী (Practical side) ফাল। ইছলামৰ অৰ্থই হৈছে তোমাৰ কৰ্ত্তব্য কৰি যোৱা, ফলাফল খোদাৰ হাতত অৰ্পণ কৰি শান্তি লাভ কৰা।

ওমৰৰ মৃত্যু কেনেকৈ হয় এই কথা ইমাম মহম্ম নামে তেওঁৰ এজন ছাত্ৰই কৈছে যে, 'ওম খাইয়ামে আবু-চিনাৰ দাৰ্শনিক গ্ৰন্থ পাঠ কৰি আছিল। সেই গ্ৰন্থৰ যি অধ্যায়ত 'ওহদত' আৰু 'কচৰত'ৰ অৰ্থাৎ একত্ব আৰু বহুত্বৰ কথা আলোচনা কৰা আছে সেই অধ্যায়টি পঢ়োতে পঢ়োতে হঠাৎ পাতখনত দাঁতকাঠিটো থৈ গ্ৰন্থখন বন্ধ কৰি মোক আদেশ কৰিলে, 'সকলোকে মাতা, মই শেষ উপদেশ দি যাওঁ'। আদেশানুযায়ী সকলো ছাত্ৰই গোট খাই তেওঁক ঘেৰি ধৰিলো; কিন্তু তেওঁ আমি গোটখোৱা কৰকে নোৱাৰিলে। আৰু মৰিবৰ সময় হোৱা দেখি নামাজ পঢ়িবলৈ থিয় হ'ল। সেইদিন তেওঁ ৰোজা ৰাখিছিল। যি কাৰ্পেটৰ ওপৰত নামাজ পঢ়িছিল তাতে নতশিৰ হৈ হঠাৎ চিঞৰি কবলৈ ধৰিলে,—'হে খোদা, যথাসাধ্য মই তোমাকেই বিচাৰিছোঁ। আমি মোৰ এই প্ৰাৰ্থনা যেন তোমাৰ করুণা আৰু ক্ষমাৰপৰা মই বঞ্চিত নহওঁ।' ইয়াৰ পাছত তেওঁৰ মুখ আৰু মাত নাথাকে। তাতেই ইহলীলা সম্বৰণ কৰিলে।" এই ছাত্ৰ কথাষাৰি চহৰজুৰিৰ ইতিহাসেও সমৰ্থন কৰে। ইয়াৰ দ্বাৰা এইটিকে বিশেষ প্ৰমাণ পোৱা যায় যে ওমৰ প্ৰকৃত মুছলমান হৈ ইহকাল পৰিত্যাগ কৰি স্বৰ্গধামলৈ যায়।

হে মহাকবি ওমৰ খাইয়াম! কোনো কোনো মানুহে তোমাক চিনি নাপাই কয় তুমি খোদাদ্ৰোহী, তুমি তোমাৰ ধৰ্ম্ম ইছলাম দ্ৰোহী, তুমি কেৱল সুৰা আৰু ছাকিৰ ভক্ত। কিন্তু এইবোৰ কথা অজ্ঞতাৰহে পৰিচায়ক। তুমি প্ৰকৃত খোদাভক্ত, তোমাৰ ইছলাম ধৰ্ম্মত অটল অগাধ বিশ্বাস। তুমি প্ৰতীচ্যত Epicurus আৰু প্ৰাচ্যত Cynic। তোমাক যি যেনেকৈ ভাবে তুমি তেনেকৈ তাৰ আগত থিয় দিয়া। তোমাক সকলোৱে ভাল পায়। তুমি প্ৰকৃত মানৱ। ভূত ভবিষ্যত নাভাবি বৰ্ত্তমানত নিজৰ কৰ্ত্তব্য কৰি যোৱা, ফলাফল খোদাৰ হাতত দি তেওঁত আত্ম সমৰ্পণ কৰা এইয়ে ইছলাম ধৰ্ম্ম। আৰু তোমাৰ সাধনাইও তাকেই পাইছে। তুমি প্ৰকৃত মুছলমান। পৃথিৱী থাকেমানে তোমাৰ ৰুবাইয়াতৰ আদৰ-কদৰ অটুট থাকিব। তোমাৰ যশোগান সকলোৱে গাই থাকিব আৰু ইয়াৰ প্ৰতিধ্বনি তোমাৰ আত্মাই স্বৰ্গৰাজ্যতো অনুভৱ কৰিব।—আমিন!


আৱাহন



কংগ্ৰেছৰ সোনালী জুবিলী উপলক্ষে জাতীয় পতাকা উত্তোলন

[ গুৱাহাটী জুবিলী পাৰ্কত, ২৮ ডিছেম্বৰ—ৰাতিপুৱা ৮॥ বজাত ]

জুয়েল অফ্ ইণ্ডিয়া প্ৰেছ, কলিকতা ফটো—বি-কে শৰ্ম্মা



কংগ্ৰেছৰ সোণালী জুবিলী উপলক্ষে বিৰাট জনসভা—গুৱাহাটী

# তিলোত্তমা

গল্প ]

—শ্ৰীযুত দীননাথ শৰ্ম্মা

দুখীয়াৰ ঘৰত ওপজা বুলিও তিলোত্তমা আছিল নিখুঁত সুন্দৰী! হাঁহিভৰা উজ্জ্বল মুখ, বৈপৰা চেলাউৰী, হাপনেজীয়া চুলি এইবিলাকেই আছিল তাইৰ সৌন্দৰ্য্যৰ গহনা। কবলৈ গলে তাইৰ ৰূপৰ পোহৰে গাওঁখনকে পোহৰাই থৈছিল। অচিনাকিয়েও তাইৰ ফালে এবাৰ চাই থৈছিল; চিনাকিৰতো কথাই নাই। মধু বসন্তৰ পৰশত তাইৰ যৌৱন সৌৰভ কেউফালে বিয়পি পৰিছিল।

হঠাৎ এদিন নবীন শইকীয়াৰ লগত তিলোত্তমাৰ দেখা হয়! নবীন আছিল কণ্ট্ৰেক্টৰ! সেইদিনা কিবা কাম চাবলৈ আহোঁতে তিলোত্তমাহঁতৰ ঘৰৰ ওচৰতে চাইকেলখন পিছল খালে আৰু লগে লগে তেওঁ চিৎ তোলোঙা খাই গৈ ওচৰৰ খালটোত পৰিলগৈ। ঠিক তেনে সময়তে কেইজনীমান ছোৱালীৰ লগত তিলোত্তমা কৰবাৰপৰা গাওঁ ফুৰি আহিছিল। সন্মুখত এনে এটা ঘটনা দেখি সিহঁতে বেজাৰ বা সহানুভূতি দেখুৱাওক ছাৰি মুখত বিহাৰ আচলৰ সোপা দি খিক্ খিক্ কৈ হাঁহি দিলে। লাজ আৰু অপমানত তেওঁ ম্ৰীয়মাণ হৈ লৰালৰিকৈ উঠি নিজৰ বৈ পৰা তেজলৈকো আওকাণ কৰি ছাইকেলখন লৈ তাৰপৰা আতৰ হল। যাওঁতে এবাৰ তিলোত্তমাৰ ফালে চাই গল। তাকে দেখি তিলোত্তমাক সমনীয়া ছোৱালী এজনীয়ে ঘোকোটা মাৰি কলে—"বুঢ়াৰ চকুত পৰিছ, এইবাৰ ঠিক নাই।" আকৌ আটাই কেইজনীয়ে হাঁহি দিলে। কথাটোৰ ইমানতে শেষ।

কিন্তু নবীন শইকীয়াৰ মনত ঘটনাটো ছাপ বহি ৰল। ছাইকেলৰপৰা পৰি আঠু কটাৰ কাৰণে বা ছোৱালীহঁতে তেওঁলৈ চাই কাপোৰৰ সোপা দি হাঁহি ফিচিঙা ফিচিঙি কৰাৰ কাৰণে নহয়। মনত ৰল তিলোত্তমাৰ অনিন্দ্য সুন্দৰ মুখখন। নবীনে ভাবিলে আজি নিশ্চয় তেওঁৰ কোনোবা শুভ যোগ আছিল। নহলেনো তেওঁ ছাইকেলৰ পৰা পৰিবই কেনেই আৰু ছোৱালীহঁতেও বা তেওঁক দেখিব কিয়? ঈশ্বৰৰ কৰ্ম্ম সকলো শুভ! ছাইকেলৰপৰা নপৰা হলে তেওঁতো কেতিয়াও তিলোত্তমাক দেখিবলৈ নাপায়। আহা কি মনোমোহা ৰূপ! কি বিতোপন হাঁহি! তিলোত্তমাৰ ৰূপ-কল্পনাত আদহীয়া নবীন ইমান তন্ময় হল যে তেওঁ সেইদিনা আৰু কোনো কামতে ভালকৈ মন বহুৱাব নোৱাৰিলে। যিমানে কল্পনা কৰে সিমানে কল্পনা বাঢ়ি যায়! পাহৰা তৃষ্ণাই তেওঁক আজি পুনৰ আকুল কৰি তুলিলে!

বহুত দিনৰ আগতে নবীনে বিয়া কৰাইছিল। লৰা এটি থৈ ঘৈণীয়েক স্বৰ্গী হয়। তেতিয়াৰপৰা তেওঁ অবিবাহিত আছিল। তেওঁৰ তিৰোতাৰ ওপৰত সিমান আস্থাও নাছিল। তেওঁ ভাবিছিল ল'ৰাটো আছে, সেয়ে যথেষ্ট। টকা হলেই হল। সংসাৰত আৰু কি লাগিছে? কিন্তু আজি তিলোত্তমাক দেখি তেওঁৰ ভাবৰ আমূল পৰিবৰ্ত্তন ঘটিল। তেওঁ মনে মনে ঠিক কৰিলে তিলোত্তমাক তেওঁ বিয়া কৰাবই! নহলে জীৱন ধৰাই মিছা।

অৱশেষত দুপৰীয়া চিন্তাক্ৰান্ত মন লৈ তেওঁ ঘৰলৈ উভতিল; ওলটোতেও সেই একেটা বাটেদি আহিল। মনতে ইচ্ছা আনোচা তিলোত্তমাক আকৌ দেখেই। কিন্তু তেওঁৰ আশা নুপূৰিল! হতাশ মনে ঘৰ পালেগৈ।

* * * *

বৰোবাম আছিল গাওঁখনত নীচেই দুখীয়া! কোনো মতে মাটি ছহালিছাৰ উপাৰ্জ্জনতে সংসাৰখন চলায়! নিৰীহ বুলি গাৱৰ মানুহেও অলপ মৰম কৰে। গতিকে পেটে-ভাতে কোনোমতে সি প্ৰৱৰ্ত্তিব পাৰে।

তাৰ পৰিয়ালৰ ভিতৰত জীয়েক তিলোত্তমা, পুতেক ভদ্ৰাম আৰু সি আৰু তাৰ ঘৈণীয়েক সেউতী। তিলোত্তমা ডাঙৰ, ভদ্ৰাম সৰু বয়স মুঠেই পাঁচ বছৰ। ছোৱালী বয়সত ডাঙৰ হৈ আহিল। মাক বাপেকৰ মনে মনে মহা চিন্তা! ক'তনো ছোৱালীটী গটায়? দুখীয়া মানুহৰ ছোৱালী খোজেই বা কোনে? ইয়ে সিয়ে ছোৱালীৰ বিয়াৰ কথা সুধিলে সি কয়—কিনো কৰিম! তায়ে মোৰ একেজনী ছোৱালী। ল'ৰাৰনো কি আশা আছে? কান সমনীয়া ল'ৰাৰ মূৰ খাইছোঁ যেতিয়া ইয়াৰো আৰু মই আশা ৰখা নাই। ছোৱালীটীকে কৰবাত ভাল ল'ৰা এটাত গটাব পৰা হলে তেও ভাল পালোহেঁতেন! কিন্তু......। সি আৰু কথা কব নোৱাৰে। পাহৰি থকা পুত্ৰশোকে তাক খুন্দা মাৰি ধৰে। সি চকুলো টোকে।...

সেইদিনা ভাত-পানী খাই বৈ উঠাৰ পিছত ঘৈণীয়েকক মাতি নি বলোৰামে কলে—"শুনিছ বোলো, এনে ল'ৰা এটাও আছে! তাতেনো কি? মোৰ ছোৱালীয়েই হবগৈ ঘৰৰ ঘৈণী! ধন-বস্তু—"

ঘৈণীয়েকে বাধা দি কলে—"নবীনৰ কথা কৈছে? সেই বুঢ়াটোলৈনো মোৰ এই হেন সোণামুৱা ছোৱালীজনীক দিমনে? নাই নাই কেতিয়াও নিদিওঁ।"

"নহয় তই আৰু ইবোৰ সিবোৰ নকৰিবি। নগদ পাঁচ কুৰি টকা দিম বুলিছে। তাৰ উপৰি ছোৱালীক গঢ়না গাঠৰি যি হয় দিবই। ছোৱালীৰ সুখলৈ নাচাইনো আৰু কিহলৈ চাবি? ধন সম্পত্তি সকলোবোৰ ছোৱালীয়েই পাব। ভাই ককাই নাই যে কেতিয়াবা ভাগ বাতি নিব! শাহু-শহুৰো নাই—তালৈকে ঠেৰেহা গেৰেহা খাবলৈ! এনে স্থলত তেনেকুৱা ল'ৰালৈ ছোৱালী নিদি আৰু ক'লৈ দিবি? বুঢ়া যে বুলিছ—মুনিহৰনো কি বুঢ়া আছে? এই যোৱা বছৰত মাথোন দুকুৰি দুবছৰৰ দেওনা পাৰ হৈছে! মানুহ জানো সদায় সমান হৈয়ে থাকে!"

ইমানবোৰ লোভৰ কথা শুনি সেউতীৰ মন অলপ কুমলিল। তাই সুধিলে—"নবীনৰ লগত জানো ৰাহি-যোৰা আহিছে?"

গিৰীয়েকে কলে—"ৰাহি যোৰাৰনো কি কথা আছে! আজিকালি সেইবিলাক নমনাই হৈছে। তথাপি মোহন-দেউৰ হতুৱাই চোৱাইছিলো। তেওঁ সকলো ভালেই বুলি কৈছে। পিছে গণটোহে হেনো ছোৱালীৰ নৰগণ, ল'ৰাৰ ৰাক্ষস হ'ল! তাৰো প্ৰতিকাৰ হিছাবে ৰাহ্মণ এজনক ভোজন এটা দিবলৈ কৈছে।"

সেউতীৰ আৰু প্ৰতিবাদ কৰিবলৈ একো নাথাকিল। থাকিলেও পাঁচকুৰি টকাৰ লোভ আৰু ছোৱালীৰ উজ্জ্বল ভবিষ্যতৰ কল্পনাই সকলো তল পেলালে। শেহত আৱোপৰ ভিতৰতে বিয়াৰ যোগাৰ কৰিবলৈ থিৰ কৰি দুয়ো শুবলৈ গল।

কামৰে পাটীত শুই থকা তিলোত্তমাই মাক বাপেকৰ সকলো কথা শুনিলে। তাইৰ তেতিয়াও টোপনি অহা নাছিল। নবীনৰ নাম শুনাৰ লগে লগে তাইৰ সিদিনাৰ কথালৈ মনত পৰিল। তাই মনে মনে ভাবিলে—কি কুক্ষণত নবীনক তাই দেখিছিল?

* * * *

দুদিনতে গাৱঁত ৰাষ্ট্ৰ হৈ পৰিল যে ধনে-ধানে উজ্জ্বলী নবীন শইকীয়াই টোকোনা বলোৰামৰ ছোৱালীক বিয়া কৰাব। কথাটো শুনি কিছুমানে বিশ্বাসেই নকৰিলে, কিছুমানৰ বলোৰামৰ ওপৰত পেটে পেটে হিংসাও হল। কিছুমানে আকৌ নাক কোচালে। নাক কোচোৱা সকলৰ ভিতৰত বিশেষকৈ বোৱাৰী জীয়াৰীবোৰ। সিহঁতে পানী অনা ঘাটত কোৱা-মেলা কৰিলে—"এ আই বৰী বুলিয়েই সোণৰ প্ৰতিমা হেন ছোৱালীজনীকনো সেই বুঢ়া শাল চকুৱাটোলৈ দিব পায়নে? মৰিবলৈ বা সেইটোৰ কেইটা দিন আছে!"

তাৰে এজনীয়ে কলে—"নিদিবনো কিয়? ধনৰ আকল জানো কম! পাঁচ কুৰিকৈ টকা পাইছে! ইমানবোৰ ধন সম্পত্তি, ঘৰ-দুৱাৰ জীয়েকেই পাব; তেনে স্থলত বুঢ়া বা ঠেৰাই হল—তাত কি আছে?"

এজনীয়ে আকৌ কলে—"থ থ আই, ধননো কোনে কাললৈ খাব? মানুহটোৱেই যদি দুদিনতে মৰি যায়, তেনেহলেনো ধন গাল বুকুত লৈ কি কৰিব? মই হলে কওঁ সেইবিলাক বাপেক নহয় শত্ৰুহে!"



আন এজনী তিলোত্তমাৰ সখীয়েকে কলে—"সেইহে আজি কেইদিনমান 'তিলো'ৱে মনটো মাৰি ফুৰিছে। তাইৰ বৰ দুখ দেহি! নহবই বা কিয়? মুখ ফুটাইনো বাপেকক সেইটোলৈ নাযাওঁ বুলি কেনেকৈ কয়?"

"এৰা, কথাটো হয়। তিলোৰ মনত বৰ বেজাৰ। মই তাইক তাঁতখনত কিবা এটা কৰা লাগিছিল চাই দিবলৈ মাতিছিলো 'গা বেয়া' বুলি নাহিল। মই বোলো কিবা ঠেহহে লাগিছে! পিছে এতিয়াহে আচল কথাটো জানিছোঁ। আমাৰ লগত তাই আজি কেইদিনমান একেবাৰে ওলোৱাই নাই নহয়।"

"আকৌ হেনো ভিতৰে ভিতৰে তাই নৰামক বিয়া কৰাম বুলি কৈছিল! সেইহে বোলে দুখটো ইমানকৈ লাগিছে।"

নৰামৰ নাম ওলোৱাত এজনীয়ে কলে—"নৰামটো হলে বৰ দেখনীয়াৰ ল'ৰা দে। তিলোৰ লগত বৰ যোৰ হব নহয়।"

'অ' সেইহে তিলোৱে আমাৰ আগত কথাই কথাই নৰামৰ কথা উলিয়ায়। আগতে নৰামকো কেইবাদিনো সিহঁতৰ ঘৰলৈ যোৱা দেখিছিলো! নৰামটো দুখীয়া হলেও সি বৰ লায়ক ল'ৰা। তেজে-পানীয়েও যেন হাতিকটোহে! কিন্তু যাৰ চাউল-মাহ খাই আছিছে তালৈহে পৰিব! তিলো যদি বুঢ়াটোলৈকে পৰিব লগা আছে তালৈকে পৰিব। মানুহে আৰু কি কৰিব?" এই ৰকমেই সিহঁতৰ আলোচনাই গাৱঁত বিয়পি পৰিল।

কথাটো নৰামেও শুনিলে। কিন্তু শুনি বিশ্বাস নহল। শেহত যেতিয়া তাৰ বিধবা মায়েকে বলোৰামৰ ঘৰলৈ গৈ সেউতীৰ মুখে সকলো কথা বিতংকৈ জানি আহি নৰামক কলেহি, তেতিয়া আৰু সি কথাটোত অবিশ্বাস কৰিব নোৱাৰিলে। সি সেইদিনেই একেবাৰে হতাশ হৈ পৰিল। কি কৰিব কি নকৰিব একো ঠিক কৰিব নোৱাৰি মনে ছটু ফটু ছাটু ফাটু কৰিবলৈ ধৰিলে! তিলোত্তমালৈ মনত পৰি তাৰ গোটেই হিয়াখন বিৰহ বেদনাত আকুল হৈ পৰিল।

নৰামৰ মাক বাপেক নাই—নিচেই দুখীয়া ল'ৰা। দুখীয়া হলেও সি বৰ কৰ্ম্মী। নিখুত স্বাস্থ্য, নিখুত সৌন্দৰ্য্য লৈ সি সুখেৰেই জীৱন কটাইছিল। তাৰ নিজৰ বুলিবলৈ বিধৱা মায়েক সোণপাহিৰ বাহিৰে আন কেওঁ নাই। সি আলু, কচু, মাহ-সৰিয়হৰ খেতি কৰে। তাৰে দুপইছা উলিয়াই আনে,—মায়েকে ভায়েকে সুখেৰে খায় বৈ থাকে।

তিলোত্তমাক সি ভাল পাইছিল। তিলোত্তমাইও তাক ভাল পাইছিল। নৰামে ভাবিছিল তিলোত্তমাক সিয়ে বিয়া কৰাব। সেই কথা সি তাইকো কৈছিল। তিলোত্তমাইও আনন্দেৰে তাত সম্মত হৈছিল। সিহঁতৰ মিলনৰ বাটতো কোনো বাধা নাছিল। কিয়নো নৰামৰ যেনে অৱস্থা বলোৰামৰো তেনে অৱস্থাই। জাতি কুল হিছাবেও দুয়োৰো একে। গতিকে সিহঁতৰ বিয়া হোৱাত যে কোনো বাধা হব নোৱাৰে এইটো দুয়ো ভাবি লৈছিল। মাথোন কিছুদিন বাট চাইছিল নৰামৰ আৰু অলপ উপাৰ্জ্জন হবলৈ। তাৰো সি কিছু দিহা কৰিছিল। মাজতে নবীন ধুমকেতু ওলাই সকলো মাটি কৰি দিলে।

নৰামে কেউফালে অন্ধকাৰ দেখিলে। সি ভাত পানী খাবলৈ এৰি গোটেইখনত অনাই বনাই ফুৰিবলৈ ধৰিলে। কোনোবাই মাতিলেও নামাতে। কথা সুধিলেও ভেবা লাগি চাই থাকে। মায়েকে ভায়েকৰ গতি-গোত্ৰ দেখি শঙ্কিত হৈ উঠিল। সিয়েই যে তাইৰ একমাত্ৰ আপোন! গতিকে মায়েকে ভাবিলে—বিয়াখন কৰাই দিলেই ভায়েক ভাল হব! তিলোত্তমাক নাপালে নাই। আন এজনীকে বিয়া কৰাবলৈ ঠিক কৰি সোণপাহিয়ে ছোৱালী চাবলৈ লাগিব। দেশত কিবা তিলোত্তমাইহে ছোৱালী আছেনে? ঈশ্বৰে যেতিয়া খোৰালৈ খুৰী, কণালৈ কাণী প্ৰজিছে, নৰামলৈকো সোণপাহিয়ে ছোৱালী বিচাৰি পালে।

ৰাতি ভাত খাবলৈ বহোঁতে নৰামক তাই ই সি কথাৰ পাছত তাৰ বিয়াৰ কথা উলিয়ালে। নৰামে মনে মনে সকলো শুনি থাকিল। এটা কথাৰো উত্তৰ নিদিলে। শেহত মায়েকে কলে "মই শুদো মায়নৰ ছোৱালীজনীকে ঠিক কৰিছোঁ! সিহঁতেও দিওঁ বুলিছে। টকা কড়িও

একো নালাগে। আঘোণতে বিয়াৰ দিনো আহিছে।"

নৱামৰ অসহ্য হৈ উঠিল। সি একেচাবেই ভাত খোৱাৰ পৰা উঠি কলে"—

"তই দেখিছোঁ মোক ভাত খাবলৈ নিদিয়। বিয়া যদি কৰাবৰ মন গৈছে তয়ে কৰাগৈ। মোক একো নুশুনিবি।" তাৰ পাছত সি মুখ ধুই বাহিৰলৈ ওলাই গল। বায়েকে হিতে বিপৰীত দেখি সৰগ পৰা মানুহৰ দৰে থিয় দি থাকিল। তাইৰ খঙে বেজাৰে আৰু সেই দিনা ভাত খোৱা নহল।

তাৰ পিছৰপৰা আৰু তাই ভায়েকক একো নোকোৱা হল।

* * *

মানুহে পাতে ঈশ্বৰে ভাঙে। নৱাম আৰু তিলোত্তমাৰ অদৃষ্টতো সেয়ে হল। তীক্ষ্ণ বেদনা আৰু চিন্তা লৈ সিহঁতৰ দিনবোৰ কাটি গৈছে।


গৰু গাই নিবৰ হৈছে। সৰু নদীখনৰ বুকু বোলাই বেলিয়ে শীতল শয্যাত ঢলিব খুজিছে। চৰাই চিৰিকতিৰ কণ্ঠ কলৰছে সন্ধিয়াৰ আৰতিৰ যোগান ধৰিছে। লাহে লাহে এটা শান্ত গভীৰ বিষাদভাৱে প্ৰকৃতিক আবৰি আনিছে।

আন দিনাৰ দৰে আজিও তিলোত্তমাই ঘাটৰপৰা পানী নিবলৈ আহিছে। সদায় তাই ইমান সময়তে পানী নিবলৈ আহে। তাৰ অৱশ্যে এটা কাৰণ আছিল। এনে সময়ত ঘাটলৈ আহিলে ঘাটত কোনো নাথাকে। গাঁৱৰ আন আন ছোৱালীবোৰে দিনতেই পানী নি শেষ কৰে। গতিকে সেই সময়ত ঘাটত নৱামৰ লগত কথা বতৰা পাতিবলৈ তাইৰ সুবিধা হয়। সিহঁতে সেইটো জানি শুনিয়েই সুবিধা কৰি লৈছিল। সেই সময়তে নৱামেও ঘাটলৈ আহি বাট চাই থাকেহি। সেই একে আশাতে আজিও তিলোত্তমাই পানী নিবলৈ আহিছে।

আজি কেইদিনমান ঘাটত নৱামক নেদেখি তাই মনে মনে হতাশ হৈ পৰিছিল। কি কৰিব তাই? মনৰ বেদনাত নিজে নিজেই দহিছে; কিন্তু মুখ ফুটাই একেষাৰ কথাও কব পৰা নাই।

আজিও ঘাট পাই তাই ইফালে সিফালে চালে। কি নৱামক নেদেখিলে। তেতিয়া এটা দীঘল হুমুনিয়াহ কাঢ়ি লাহে লাহে পানীত নামি কলহটো ভৰাই পাৰলৈ উঠিবলৈ ধৰোতেই তিলোত্তমাই দেখিলে—সমুখত নৱাম। অজ্ঞাতে তাইৰ গোটেই শৰীৰ পুলক-বেদনাত জিকাৰি উঠিল। কিন্তু পিছ মুহূৰ্ত্ততে দেখিলে ইকি? ই যেন নৱাম নহয়। তাৰ প্ৰতিমূৰ্ত্তিহে! মূৰৰ চুলি আউল বাউল, চকু দুটা জুইৰ দৰে ৰঙা, মুখখন শুকান—নীৰস। কাপোৰ-কানি বোৰ বিশৃঙ্খল! তাইৰ মনে মনে ভয় হল জানোচা নৱাম বলিয়াই হল! তাই ভয়ে ভয়ে পাৰলৈ উঠি আহি কলহটো মাটিত থৈ নৱামৰ কাষ চাপি সুধিলে "কি হৈছে তোৰ, নৱাম?" নৱামে স্থিৰ দৃষ্টিৰে তাইলৈ চাই থাকিল। একো উত্তৰ নিদিলে। তিলোত্তমা আৰু বিচলিত হল। তাই তাৰ একেবাৰে কাষ চাপি হাত এটাত ধৰি বৰ কৰুণ ভাৱে আকৌ সুধিলে—"নৱাম, তোৰ কিবা হৈছে?"— হঠাৎ টোপনিৰপৰা সাৰ পোৱা মানুহৰ দৰে নৱামে তাইৰ হাতৰপৰা হাতখন আজোৰ মাৰি একৰাই আনি কৰ্ক্কশ মাতেৰে কলে "যা যা লেণ লগাব নালাগে! এই খিনিয়েই আটিছে। নবীনক বিয়া কৰাবি তাত মোৰ কি?"

তিলোত্তমাই হতবুদ্ধি হৈ তাৰ ফালে চাই থাকিল। তাৰ পাছত তাইৰো অলপ খং আৰু অভিমান হ'ল। তায়ো খঙেৰেই কলে—"মোৰ গাত দোষ কি? আগে যে মোক খুজিব পাৰিলে তইনো নোৱাৰিলি কিয়? মই কিবা তেতিয়া তোলৈ নাযাম বুলিলোহেঁতেননে?" এই বুলি তাই কলহ লৈ যাবলৈ ওলাল। মুহূৰ্ত্ততে নৱামৰ জ্ঞান হল। সি তীব্ৰ আবেগ দমন কৰিব নোৱাৰি তিলোত্তমাৰ দুই হাতেৰে সাবটি ধৰি বুকুলৈ চপাই আনি ব্যাকুলভাৱে কলে—"তিলো, তই কি বুজিবি, তোৰ বিয়াৰ কথা শুনি মোৰ কি হৈছে। বুকুখন চাচোন—যেন ফাটি চিৰা চিৰ হৈ গৈছে? মোৰ মূৰৰ একো ঠিক নাই! মই তেনেকৈ কোৱা বাবে তই বেয়া নাপাবি।" নৱামৰ এই ব্যথিত কৰুণ কথা কেইটা শুনি আৰু লগে লগে তাৰ মধুৰ স্পৰ্শত তিলোত্তমাৰ খং অভিমান তৎক্ষণাৎ




কংগ্ৰেছৰ ১ম অধিবেশনৰ সভাপতি
মিঃ ডব্লিউ, চি বেনাৰ্জ্জী

কংগ্ৰেছৰ বৰ্ত্তমান সভাপতি
বাবু ৰাজেন্দ্ৰ প্ৰসাদ

কেনিবাদি উৰি গ'ল। পুঞ্জীভূত হৈ থকা তাইৰ অন্তৰৰ বেদনাৰাশি হঠাৎ স্নিগ্ধ কোমল পৰশত মূৰ্ত্ত হৈ উঠিল। তাই নবামৰ বুকুৰ মাজত মুখ লুকাই কান্দিবলৈ ধৰিলে।.........

কিছু সময় তেনেদৰেই দুয়ো নিস্তব্ধ হৈ থাকিল। তাৰ পাছত লাহে লাহে নবামে এটা দুটাকৈ তিলোত্তমাৰপৰা সকলো কথা সুধি ললে। কেনেকৈ নবীনে তাইৰ বাপেকক পাঁচ কুৰি টকা দি কুচুলাই তাইক বিয়া কৰাব খুজিছে, বাপেকে কেনেকৈ মত দিছে, আৰু কেনেকৈ তাই এইবোৰ শুনি দিনে ৰাতিয়ে জ্বলি পুৰি মৰিব লাগিছে—এটা এটাকৈ সকলোবোৰ কলে।

তেতিয়া নবামে সুধিলে—"বাৰু তিলো, মই যদি এতিয়া বাপেৰক গৈ তোক খোজো তেন্তে নবীনক নিদি জানো মোলৈ তোক দিব ?"

তিলোত্তমাই কলে—"দিবও পাৰে। আয়েতো বুঢ়া বুলি তালৈ প্ৰথমতে দিবই খুখুজিছিল। পিতায়েহে টকাৰ লোভ দেখুৱাই আইৰপৰা মত লৈছে।"

"কিন্তু মই টকা পাম ক'ত ?"

"তই লাহে লাহে টকা দিম বুলি কবি।"

নবাম তাতে মান্তি হল। আশাৰ ক্ষীণ জ্যোতিয়ে তাৰ মনত ভুমুকি মাৰিলে। সি আপে-বেপে তিলোত্তমাৰ মুখন তুলি এটা চুমা খালে। তেনে সময়তে এটা চৰায়ে মাতি উঠিল। বিক্ৰপৰ হাঁহিৰ দৰে সি আছি সিহঁতৰ কাণত পৰিলহি! সিহঁতে বিদায় লৈ ঘৰমুৱা হল। তেতিয়া ভালকৈয়ে আন্ধাৰ হৈছিল।.........

আশাৰ শেষ সম্বল কুটাগছিও হেৰালে পানীত পৰা মানুহ যেনে হতাশ হয়, নবামো সেইদৰে এইবাৰ নিৰাশ হ'ল! সেই দিনা সি আহিয়েই বায়েকক ভাঙি পাতি সকলো কথা কৈ পাছ দিনা ছোৱালী খুজিবলৈ বলোৰামৰ ঘৰলৈ যাবলৈ তাইক কলেহি। সোণপাহিয়েও ভায়েকৰ মনটো অলপ ভাল দেখি পেটে পেটে বং পালে, আৰু তাৰ কথামতেই পিছ দিনা ৰাতিপুৱাই যথা নিয়মে গৈ বলোৰামক ছোৱালী ধৰিলে গৈ।

বলোৰামে সোণপাহিৰ কথা শুনি কলে যে সি নবীন শইকীয়াৰ লগত সকলো বন্দবস্ত আগতে কৰিলে। বিয়াবো ঠিক-ঠাক হল। এতিয়া আৰু সি এবাৰ কথা দি নবীনক আকৌ কি বুলি ছোৱালী নিদিওঁ বুলি কব? কলেও নবীনেইবা কিয় এৰিব? লাগে যদি সি মোকৰ্দ্দমা-মামলা কৰি তাক জুলুম কৰক তেতিয়া সি কি কৰিব? গতিকে নবামলৈ তাৰ ছোৱালী দিয়া নহব। আগতেনো সি কি কৰিছিল? নবামে যদি ছোৱালী খুজিলেহেতেন তেওঁতো নবীনক কথা নিদিলেহেতেন! ইত্যাদি কথাৰ পাছত সোণপাহিয়ে আৰু কি মাতিব? তাই বেজাৰ মনেৰে ঘৰলৈ উভতি আহিল।

বাপেকে সোণপাহিৰ লগত কি কথা হয় তিলোত্তমাই বেবৰ আঁৰৰপৰা সকলো শুনি আছিল। বাপেকে যেতিয়া তাইক নবামলৈ নিদিওঁ বুলি কলে তেতিয়া তাই মনে মনে কান্দিবলৈ ধৰিলে। তাইৰ ইচ্ছা হ'ল বাপেকক কব, তাই নবীনলৈ নাযায়। কিন্তু মুটাই একেবাৰ কথাও কব নোৱাৰিলে! নাৰী হৃদয়ৰ নীৰৱতাৰে সকলো সহি থাকিল।......

ঘৰলৈ আহিয়েই সোণপাহিয়ে নবামক সকলো কথা কলেহি। নবামে দেখিলে এইবাৰ আৰু একো আশা নাই। তাৰ হিয়াখনে হাহাকাৰ কৰি উঠিল। সমনীয়া বোৰে কলেহি—"তাইক ধৰি আন। ধৰি আনিলে বলোৰামেনো কি কৰিব?" নবামে জানো সেইটো ভবা নাই! ৰূপমুগ্ধ যক্ষ-নবীনে জানো এই খবৰ পালে তাক সুদাই এৰিব? কেৱল তাকেই ধৰি ক'ত এৰিব, তিলোকোতো সুদাই নেৰিব?

যেতিয়া সি তিলোত্তমাক ধৰি আনিবলৈ ৰাজী নহল তেতিয়া সিহঁতে তাইক লৈ পলাই যাবলৈ নবামক উপদেশ দিলে! তাতো জানো কম লেঠা!

তিলোৱে যদি নাযাওঁ বুলি কয়! যাওঁ বুলিলেও বায়েকক বা সি কত থৈ যাব? নৰপশু নবীনে যদি বায়েকৰ ওপৰতে অত্যাচাৰ কৰে সি পলাই যাবই বা ক'লৈ? নবীনে পুলিচক লগাই দিলে পুলিচে দুদিনতে হাতকেৰি দি ধৰি আনিব। গতিকে সি পলাই যাবলৈও সম্মত নহল।

সি তিলোত্তমাৰ আশা একৰকম একেবাৰে এৰিয়েই দিলে। তাইক পাহৰিবলৈকো চেষ্টা কৰিলে কিন্তু হিয়াৰ পটৰপৰা তিলোত্তমাৰ মূৰ্ত্তিটো একেবাৰে মছি পেলাবৰ সাধ্য তাৰ নহল।

*　　*　　*　　*

আহাৰৰ ভিতৰতে নবীনৰ লগত তিলোত্তমাৰ বিয়া হৈ গ'ল। তাৰ বাবে তিলোত্তমাৰ বাপেকক তেওঁ হুকুৰি ৰূপ বঢ়াই দিলে। বিয়াৰ পাছত ছোৱালী দৰাৰ ঘৰলৈ গ'ল। মাক বাপেকে পাৰেমানে কান্দিলে। কিন্তু তিলোত্তমাই অকণো চকুলো নুটুকিলে।

বুঢ়া নবীনে তৰুণী ভাৰ্য্যাৰ মন তুষ্টিৰ অৰ্থে নানা ৰকম চিক্‌চিকীয়া গহনা, হৰেক ৰকমৰ কাপোৰ কানি দিলে। ধন-সম্পত্তি ঘৰ দুৱাৰৰ ওপৰত তিলোত্তমাক দুদিনতে অধিকাৰিণী পাতিলে! কিন্তু তিলোত্তমাই সেইবোৰলৈ চকু দিও নাচালে। তাইৰ মুখৰ আগৰ সেই জ্যোতি, প্ৰাণৰ সেই আনন্দ কেনিবাদি উৰি গৈছিল।

প্ৰথমতে কেইদিনমানলৈ নবীনে ভাবিলে—"ছোৱালী মানুহ পোনে পোনে পৰৰ ঘৰলৈ আহিছে দেখি মনত বেয়া লাগিছে। পাছলৈ লাহে লাহে ভাল হব!" কিন্তু লাহে লাহে বুলিও যেতিয়া ছমাহেও নবীনৰ প্ৰাণৰ তৃপ্তি নপলাল, তিলোত্তমাৰ মনোমোহিনী হাঁহি নেদেখিলে তেতিয়া তেওঁ বাধ্য হৈ ইয়াৰ অন্য কাৰণ অনুসন্ধান কৰিবলৈ ধৰিলে। সঙ্কীৰ্ণ মনৰ মানুহৰ পক্ষে সন্দেহ কৰাটোৱেই স্বাভাৱিক। গতিকে নবীনেও তিলোত্তমাক সন্দেহৰ চকুৰে চাবলৈ লাগিল। খোৱা-লোৱা, ফুৰা-চকা সকলোতে সতৰ্ক সজাগ পহৰীয়াৰ দৰে নবীনে তিলোত্তমাক পহৰা দিবলৈ ধৰিলে। তিলোত্তমায়ো সকলো জানিলে। জানি লাজে বেজাৰে মৰ্ম্মাহত হৈ পৰিল। কিন্তু কি কৰিব তাই? নাৰী হৃদয়ৰ সহিষ্ণুতাৰে এই সকলো গঞ্জনা তাই নীৰৱে মূৰ পাতি সহিবলৈ ধৰিলে।

লাহে লাহে নবীনে তিলোত্তমাৰ আগৰ সকলো কথা জানিব পাৰিলে। নৰামৰ লগত যে তাইৰ কিবাকিবি গোপন সম্বন্ধ আছিল এই কথাও জানিবলৈ ধূৰ্ত্ত নবীনৰ বেছি টান নহল! জানি সি খং আৰু বিদ্বেষত জ্বলি উঠিল। নৰামৰ ওপৰত প্ৰতিশোধ লবৰ কাৰণে তলে তলে ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। প্ৰতিশোধ লোৱাৰ চেলুও পালে।

এদিন তিলোত্তমাই শুনিলে নৰামক ছমাহ ফাটেক দিয়াইছে—তাইৰ গিৰীয়েক নবীনে! শুনি তাই সকলো বুজিলে। নিৰ্দ্দোষী নৰামৰ কাৰণে তাই গোপনে হুমুনিয়াহ কাঢ়িলে, চকুলো টুকিলে। আন কিবা কৰিব তাইৰতো উপায় নাই! তিৰোতাৰ চকুলোৱেই যে একমাত্ৰ সম্বল!

নৰামে কেনেকৈ ফাটেকলৈ যাবলৈ পালে তাকো এদিন তিলোত্তমাই জানিলে। কথাই কথাই নবীনেই এদিন সকলো কথা কৈ পেলালে। কিছুদিনৰ আগতে নবীনৰ এহাল গৰু হেৰাইছিল। বহুদিন বিচাৰিও গৰু হাল নাপাই থানাত ইস্তাহাৰ দিলে। শেহত গৰুহাল এটা নেপালী খুটীত ওলাল। নেপালীটো আছিল নবীনৰ ধকৰা। গতিকে সি নবীনে শিকাই দিয়ামতে নৰামে গৰু হাল বেচা বুলি থানাত কলেহি। পুলিচেও সেই মুহূৰ্ত্ততে গৈ নৰামক হাতকেৰি দি ধৰি আনিলেহি। নৰামে আসৈ মাতিলে হয় কিন্তু তেতিয়া আৰু কোনে শুনে তাৰ কথা? গাৱঁৰ মানুহেও নবীনৰ ভয়ত একো নকলে। কাজেই তাক ছালান দিয়া হল। যথা সময়ত কাছাৰীত মোকৰ্দ্দমা উঠিল। নবীনে সাক্ষীবো সকলো বন্দবস্ত ৰাখিছিল।

সেই কাৰণে মোকৰ্দ্দমাত প্ৰমাণ হল যে নৰাম চোৰ হয়। আৰু লগে লগে তাৰ ছমাহ জেল হয়। নৰামে তাৰ অদৃষ্টকে দোষ দিলে। বায়েক সোণপাহিয়ে মাগোন হিয়াঢাকুৰি পাৰেমানে কান্দিলে।...

নবীনে প্ৰতিশোধ পূৰ্ণ হোৱাত মনে মনে আনন্দ পালে।

*　　*　　*　　*

তিলোত্তমা কিন্তু সেই একে ৰকমেই থাকিল। নবীনে তাইৰ একো পৰিৱৰ্ত্তন নেদেখি তাৰ ধৈৰ্য্যচ্যুতি ঘটিল। তেওঁ ৰাতিয়ে দিনে গালি, মাৰ আদিৰে তিলোত্তমাৰ অত্যাচাৰ কৰিবলৈ ধৰিলে। তিলোত্তমাই ইমান



মানসিক দুখ বেজাৰৰ ওপৰত এই শাৰীৰিক অত্যাচাৰ আৰু কিমান সহিব? তাই দিনে দিনে ভাগি যাবলৈ ধৰিলে। অৱশেষত উঠিব নোৱাৰা হৈ পাটী ললে। নবীনে অগত্যা তাইক মাক বাপেকৰ ঘৰলৈ পঠাই দিলে।

মাকৰ ঘৰলৈ আহিয়েই তাই মাকৰ ডিঙিত ধৰি পাৰেমানে কান্দিবলৈ ধৰিলে। মাকেও জীয়েকৰ অৱস্থা দেখি চিঞৰি কান্দিবলৈ ধৰিলে। বাপেকেও চকুলো টুকিলে। সিহঁতে দেখিলে আগৰ সেই সোণৰ প্ৰতিমা তিলোত্তমা আৰু নাই। এই ডেৰ বছৰৰ ভিতৰতে তাই বুঢ়ী হৈ পৰিছে। হাৰ আৰু ছাল মাত্ৰ সম্বল লৈ তাই মাক বাপেকৰ ঘৰলৈ উভতি আহিছে। গাৱঁৰ জীয়ৰী বোৱাৰীয়েও তাইক দেখি চকুলো নুটুকি নোৱাৰিলে।

মাক বাপেকৰ ঘৰত যদিও তাই অনেক গুণে শান্তি পালে তথাপি বিচনা এৰিব নোৱাৰিলে। তাই দিনে দিনে মৃত্যুৰ ফালে আগ বাঢ়ি যাবলৈ ধৰিলে।

........জেলৰপৰা ওলাই আহি ঘৰ পায়েই নৰামে শুনিলে, তিলোত্তমা ঘৰত আছেহি—তাইৰ বৰ টান। সি আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। একেবাৰে গৈ তিলোত্তমাইতৰ ঘৰ ওলালগৈ। তাক দেখি বলোৱামে তলমূৰ কৰিলে। মাকে চিঞৰ মাৰি এচাৰ খাই পৰিল। সি সেইবোৰলৈ লক্ষ্য নকৰি একেবাৰে গৈ তিলোত্তমাৰ কাষ পালেগৈ! তেতিয়া তিলোত্তমাৰ শেষ সময়। তাইৰ অৱস্থা দেখা মাত্ৰকে তাক শোকে থুন্দা মাৰি ধৰিলে। সি চকু-পানী মচি লাহে লাহে তিলোত্তমাৰ হাতখনত ধৰি বিছনাৰ ওপৰতে বহিল।

তিলোত্তমাই এবাৰ চকু মেলি তাক সমুখত দেখি চিনি পাই চকু চলচলীয়া কৰি চালে। তাৰ পাছত লাহে লাহে তাৰ হাতখন নি তাইৰ বুকুৰ মাজত ললে। লগে লগে এটা দীঘল উশাহে তাইৰ গোটেই শৰীৰটো কঁপাই তুলিলে।

নৰামে বুজিলে তাৰ চিৰ আদৰৰ 'তিলো' আৰু ইহ সংসাৰত নাই। খন্তেকতে এটা বিৰাট হাহাকাৰে ঘৰ খন আবৰি ধৰিলে।.........

---

# ৰাম মিশ্ৰৰ "খোবাৰি চৰিত"

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

অসমত কেইবাজনো পুৰণি অসমীয়া সাহিত্যিকে শিৱপুৰাণৰ অন্তৰ্গত নন্দী সংহিতাৰ ( ছাপ্পন্ন অধ্যায়ৰ ) "ফোঙফুভি" আখ্যানৰ অসমীয়া পদ ৰচি থৈ গৈছে. কামৰূপ জিলাৰ কেইবা ঠাইতো সাঁচিপতীয়া 'খোবাখুৰি' পুথি আছে; তাৰ ভিতৰৰে "ৰামমিশ্ৰ" নামেৰে এজন কবিয়ে ৰচি থৈ যোৱা এখন পদপুথি সম্প্ৰতি আমাৰ হাতত পৰিছেহি। পুথিখনত সৰ্ব্বমুঠ ১৩৫টি পদ আছে। গ্ৰন্থকাৰৰ পদাৱলীৰ সহজ সৰল গতি আৰু লালিত্য আদিৰ কাৰণে আমি এই পুথিখনৰ বিষয়ে অলপ আলোচনা কৰিবলৈ আগ বাঢ়িলোঁ। শুৱলা আৰু ক'তো আৰ নলগা 'কণ্টিনিউৱাছ ক্ল'ৰ পদবোৰেই এই পুথিৰ এটা বিশেষত্ব। আলোচনাৰ আৰম্ভণিৰ আদিতে এই ৰাম মিশ্ৰ কোন, ক'ৰ আৰু কেতিয়াৰ মানুহ আছিল চাই লোৱা যাওক।

"ফোঙফুভি" পুথিৰ বাহিৰেও ৰাম মিশ্ৰই পুতলা চৰিত্ৰ, মহাভাৰতৰ ভীষ্মপৰ্ব্ব, আৰু বিষ্ণুশৰ্ম্মাৰ হিতোপদেশ অসমীয়ালৈ ভাঙি থৈ গৈছে। কবিৰ "আত্মপৰিচয়ৰ" পৰা আমি জানিবলৈ পাইছোঁ যে তেওঁৰ জন্ম কলাপচন্দ্ৰৰ

বংশত, তেওঁলোকৰ গোত্ৰ পৰাশৰ, ঘৰ উজনিৰ দিচৈ গাঁৱত আৰু তেওঁ জয়ধ্বজ সিংহ ৰজাৰ ৰাজত্বৰ সময়ৰ মানুহ আৰু খৃষ্টীয় ১৬৫৪-১৬৬৩ খৃঃৰ ভিতৰতে তেওঁ তেওঁৰ গ্ৰন্থৰাশি ৰচনা কৰে।

ভীষ্মপৰ্ব্বত তেওঁ তেওঁৰ পৰিচয় দিবলৈ গৈ লিখিছে :—

"নাৰায়ণপুৰে আছিলেক বিপ্ৰবৰ।
নামত কলাপচন্দ্ৰ নিজ বংশধৰ॥
তাহান তনয় ভৈলা হৰিভাৰতীনাথ।
মাধৱ কন্দলি তান পুত্ৰ ভৈলা যায়॥
গৃহাশ্ৰম ধৰ্ম্ম আছা কৰ্ম্মক আচৰি।
ছুতৰ তনয় ভৈলা কাল অনুসৰি॥
কনিষ্ঠ তনয় ভৈলা **ৰাম মিশ্ৰ** নাম।"

এই আত্মপৰিচয়মতে কবিৰ বংশলতা তলত দিয়াৰ দৰে ওলাই পৰে।

কলাপচন্দ্ৰ
|
হৰিভাৰতী
|
মাধৱকন্দলি
|
**ৰামমিশ্ৰ**

উত্তৰ লক্ষীমপুৰ যে অতীজৰেপৰা আৰ্য্যৰ বসতিস্থল এই বিষয়ে আজিকালি আৰু প্ৰমাণ দিবলৈ যোৱাৰ আৱশ্যকেই নাই। একালত এই উত্তৰ লক্ষীমপুৰ জ্ঞানী মানী পণ্ডিত ব্ৰাহ্মণাদিৰ বসতিস্থল আছিল। সেই ঠাইৰে ৰুচিনাথে "চণ্ডী" আৰু "কল্কীপুৰাণ" অসমীয়ালৈ ভাঙে। ৰুচিনাথে নিজেই লিখি থৈ গৈছে—

"লৌহিত্যৰ উত্তৰ কুলত অনুপাম।
দেশ এক আছে **নাৰায়ণীপুৰ** নাম॥
নৃগাঙ্ক ৰাজাৰ সি তো স্থান প্ৰিয়তৰ।
তথাতে আছিলা বত্ন কন্দলী (১) ধৰ্ম্মাদি।
কাশ্যপগোত্ৰত জাত বিপ্ৰ সত্যবাদী॥
তানবংশে জাত ভৈলা বিপ্ৰ ৰমাপতি।
তামোল বাৰীত তান ভৈলেৰ বসতি॥
পদক কৰন্তে বিপ্ৰ আছিলা প্ৰধান।

* * *

কল্কীপুৰাণৰ পদ কৰিলো হেঁ৷ আগে।
ৰচিলো চণ্ডীৰ (২) পদ আৰে অনুৰাগে॥
পূৰ্ব্বকবি সকলৰ কবিতাক দেখি।
আৰম্ভিলো পদ নিজ শকতি নাপেক্ষি॥"

— ৰুচিনাথৰ "চণ্ডী"

ৰামমিশ্ৰই আত্মপৰিচয়ত উল্লেখ কৰা কলাপচন্দ্ৰ আৰু "ৰামায়ণ-চন্দ্ৰিকাৰ" ৰচক আৰু শঙ্কৰ দেৱৰ শিক্ষা-গুৰু কলাপচন্দ্ৰ দুজন বেলেগ বেলেগ মানুহ নে একেজনেই এই কথা ঠিৰাং কৈ কব পৰা নহল। ৰামমিশ্ৰৰপৰা গড়হিছাপে ডেৰকুৰি বছৰকৈ পুৰুষে পতি ধৰি উজাই গলে আমি কলাপচন্দ্ৰৰ সময় পাওঁগৈ ১৬১৪—১২০=১৫০৪ খৃষ্টাব্দ। শঙ্কৰদেৱৰ জন্ম শক ১৪৪৯ খৃঃ যেতিয়া এই জন কলাপচন্দ্ৰ শঙ্কৰদেৱৰ জীৱনৰ আগছোৱাত জীয়াই থকাটো সম্ভৱপৰ। সিফালে শঙ্কৰদেৱক কলাপচন্দ্ৰই ওচৰলৈ ৰুকাক সূৰ্য্যৱৰে লৈ গৈছিল আৰু আমি আমাৰ আগেয়ে ওলাই যোৱা এটা প্ৰবন্ধত সূৰ্য্যৱৰ যে কপালচন্দ্ৰ অধ্যাপকৰ যুৱীয়া তাৰ প্ৰমাণ দিছোঁ (ক)। কিন্তু এই খিনিতে চাবলগীয়া কথা হ'ল যে ৰামমিশ্ৰই উল্লেখ কৰা কলাপচন্দ্ৰৰ বসতি স্থল হ'ল উত্তৰ লক্ষীমপুৰ। এই দেখিয়েই এই বিষয়ে একো স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নহল। সেইদেখি একেজন মানুহ হবও পাৰে নহবও পাৰে।

(১) "বত্নাকৰ কন্দলি পণ্ডিত গীতাচয়।
বিয়াদ কলাই নামে জনেক আছয়॥
তাৰ সম গুণি নাই জাতিত ব্ৰাহ্মণ।
শঙ্কৰ দেৱতো তেহো লৈয়াছে শৰণ॥"
—দৈত্যাৰী ঠাকুৰ

(২) ৰুচিনাথৰ 'চণ্ডী' পুথিখন সৰ্ব্বপ্ৰথমে ইং ১৯০৬ চনতে আমাৰ দেউতাই (পণ্ডিত শ্ৰীযুত গৌৰীদত্ত মিশ্ৰ বিদ্যাভূষণ) আঠবৰীয়াৰ শ্ৰীযুত নবীনচন্দ্ৰ ভট্টাচাৰ্য্য দেৱৰ ঘৰত পাই তেজপুৰলৈ নিয়ে আৰু সেই সময়ত "উষাত" এই গ্ৰন্থৰ এটি বিৱৰণ আৰু আলোচনা প্ৰকাশ হয়। এতিয়া শ্ৰীযুত ভট্টাচাৰ্য্যৰ যত্নত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি-এ, ডিঃ দেৱৰ পাতনিৰে সৈতে প্ৰকাশ হৈছে।

(ক) "কলাপচন্দ্ৰ আৰু তেওঁৰ ৰামায়ণ চন্দ্ৰিকা"। লিখক— শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ। আৱাহন ৫ম বছৰ চাওক।



ৰামমিশ্ৰই ভীষ্ম পৰ্ব্বত দিয়া আত্মপৰিচয়ত তেওঁৰ গুৰু ভদ্ৰসেন গোহাঁইৰ গুণ গানো কৰিছে :—

(খ) "খৰগ্ৰাম নগৰৰ ৰাজাৰ শ্বশুৰ বৰ
নেয়োগৰ মধ্যম তনয়।
মন্ত্ৰীমাঝে অগ্ৰগণী পক্ষীৰ গৰুড় যোনি
যাৰ গুণ দেশে দেশে কয়॥
দানীমানী সন্ত শিষ্ট হৰিপদ চিত্ত নিষ্ঠ
দাতা যেন ৰাধাৰ তনয়।
মন্ত্ৰণাত ৰাজধৰ নাছিলেক যাতপৰ
পত্ৰবো নাছিলা যাত পৰ॥
বৃহস্পতি বিদুৰত মন্ত্ৰণা আছিল যত
সেই মন্ত্ৰ জানিবা কিঞ্চিত।
পাত্ৰ সকলৰ আগে কইছিলা মহাভাগ
নৃপতিৰ সাধি সদা হিত॥
হেন মন্ত্ৰী গৃহে আসি লৈয়া পূৰ্ব্ব পুণ্যৰাশি
কনিষ্ঠ তনয় ভৈলা যাত।
দন্তৰ কমল প্ৰাই যাত পৰে আন নাই
ভদ্ৰসেন নামত প্ৰখ্যাত॥
হৰিপদ কমলৰ যাৰ সুখ মধুকৰ
মধুপানে মত্ত সৰ্ব্বদাই।"

হৰি পদ কমলৰ মধুকৰ এই ভদ্ৰ সেন গোহাঁইৰ অনুৰোধতে "হিতোপদেশ" তেওঁ অসমীয়ালৈ ভাঙে।

"হিতউপদেশ শাস্ত্ৰ পাৰিজাত তুল্য ইতো
ভ্ৰমৰ পৰিল ঘ্ৰাণ পাই॥
ৰাজনীতি কৰি ৰতি ভদ্ৰসেন শুদ্ধ মতি
আদেশিলা পদ নিবন্ধনে।
দোষ গুণ পৰিহৰি বোলা সবে হৰি হৰি
অল্পমতি ৰাম মিশ্ৰ ভণে।
পৰাশৰ গোত্ৰে জাত ৰামমিশ্ৰ নামে খ্যাত
দিচৈ গ্ৰামে যাহাৰ বসতি।
গুৰুৰ আজ্ঞা পাই হিত উপদেশ চাই
বিৰচিলো পদ যথা মতি॥"

ভীষ্ম পৰ্ব্ব মহাভাৰত আৰু হিতোপদেশৰ পদ কৰিয়ে ভদ্ৰসেন গোহাঁইৰ অনুৰোধত ৰচনা কৰে আৰু "পুতলা চৰিত্ৰ" বা বত্ৰিশ সিংহাসনৰ পদ কৰে আৰু "বৃহত কুকন" তৰুণ দুৱৰাৰ অনুৰোধত কৰে।

"তাক পদ বন্ধে কৰি যাক মনে।
কৰিলা আদেশ দেৱ বৃহত কুকনে॥
তৰুণ দুৱৰা দেৱ মহা শান্ত মতি।
নখণ্ডয় বাক্য যাৰ কিঞ্চিতো নৃপতি॥"

—পুতলা চৰিত্ৰ

আজি আমি বিশেষকৈ আলোচনা কৰিম আৰম্ভণিতে উল্লেখ কৰি অহা ৰাম মিশ্ৰৰ "কোভকুভি" আখ্যানৰ বিষয়েহে।

মঙ্গলাচৰণ

"কোভকুভি" পুথিৰ আৰম্ভণিতে ৰচোঁতাই কৰা মঙ্গলাচৰণখিনি ইয়াত তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

"নমো নমো ৰামচন্দ্ৰ নমো ভোলানাথ।
প্ৰণামো দুইহানো চৰণত দিয়া মাথ॥
নমো হৰি হৰ দেৱ ভগবান।
যাহাৰ প্ৰসাদে লোকে পায় পৰিত্ৰাণ॥
জয় জয় নাৰায়ণ জগত কাৰণ।
জয় জগন্নাথ নমো ব্ৰহ্ম সনাতন॥
নমো কুৰ্ম্ম অৱতাৰ মন্দাৰ ধাৰক।
নমো ভৃগু পতিৰাম ক্ষত্ৰ কুলান্তক॥
নমো ৰাম অৱতাৰ ৰাৱণ নাশন।
বলি-মদ হৰ নমো নমস্তে বামন॥
তুমি ইন্দ্ৰ তুমি যম তুমি পশুপতি।
ত্ৰিজগত নাথ তুমি অগতিৰ গতি॥
সৰ্ব্বশাস্ত্ৰ বীজ হৰি নাম দ্বি অক্ষৰ।
আদি অন্ত নাহি তাহা বেদে অগোচৰ॥
হেন দেৱ দামোদৰ প্ৰভু ইষ্টদেৱ।
তোমাৰ প্ৰসাদে ৰচো খোবাৰি চৰিত॥
অথৰ্ব্ব বেদৰ কথা শিৱ পুৰাণত।
উপজিলে যেন মতে শুনিয়ো সমস্ত॥"

এই ৰামমিশ্ৰ-ৰচিত খোবাৰি চৰিত্ৰৰ আৰম্ভণিৰে সৈতে

(খ) খড়গাওঁ

মূল নন্দী সংহিতাৰ ছাপ্পন্ন অধ্যায়ৰ আৰু অইনবোৰ পদ পুথিৰ আৱস্তৰ্ণৰ প্ৰভেদ আছে। অইনবোৰৰ মতে সদাশিৱৰ অনুপস্থিতিত তেওঁৰ ঘৰলৈ লক্ষ্মী আৰু সৰস্বতী ফুৰিবলৈ আহিছিল, আৰু পাৰ্ব্বতীয়ে আলহীক সোধপোছ কৰিব নোৱাৰি লাজ পায় আৰু দেৱী ভুগৱতীয়ে সদাশিৱক খেতি কৰিবলৈ কবলৈ কৈ দিহাদিহি যায়। দিনটো মাগি মাগি মগনীয়াৰ জোলোঙা লৈ যেতিয়া ৰাতি আহি সদাশিৱ ঘৰ পালেহি, পাৰ্ব্বতীয়ে দুৱাৰ খুলি নিদি সোধে—তুমি কোন? শিৱই কয়– মই হে,– শূলী। ভিতৰৰপৰা উত্তৰ আহে—শূল-বেমাৰী যদি বেজৰ ঘৰলৈ যোৱা ইয়ালৈ আহিছা কিয়? শিৱই উত্তৰত কয়—মইহে,—নীলকণ্ঠ, দুৱাৰখন খুলি দিয়া। ভিতৰৰ পৰা আকৌ উত্তৰ আহে—তুমি যদি নীলকণ্ঠহে (মৰাচৰাই) তেনে তুমি হাবিৰ মাজলৈ গৈ তাত কেক্ৰো কেক্ৰো কৰাগৈ। ইয়াত কিয়? এই দৰে ভালেমান পৰ বাক-বিতণ্ডা আৰু খটবাঙ্কৰ পিছতহে দুৱাৰ মেল খালে। পাৰ্ব্বতীয়ে তাৰ পাছত বৰকৈ খেতি কৰিবলৈ টানি ধৰাত শিৱ ৰাজী হ'ল। ইয়াৰ পিছৰখিনিৰে সৈতে আমাৰ আলোচ্য পুথিত আখ্যানৰ তেনে কোনো ধৰিবলগীয়া অমিল নাই।

এদিন দিনৰ শেষত শিৱ আহি ঘৰ পোৱাত পাৰ্ব্বতীয়ে

আৱস্তণি

কলে—ডম্বৰু বজায়া ঘৰে ঘৰে ফুৰা মাগি।
দহয় শৰীৰ মোৰ হেন দুঃখ লাগি। এই কথা

যাৰৰ মাজত স্বাভাবিকতাৰ এটা স্পৰ্শ আছে; কিয়নো অপমান আৰু দুঃখ কষ্ট দেখি অন্তৰ দহি যোৱাটো সজ ঘৈণীমাত্ৰৰেই স্বভাৱ। স্বামীৰ সন্মানেই স্ত্ৰীক এটা মৰ্য্যাদা দিয়ে। গিৰীয়েক টুলুঙা, মান নোহোৱা হ'লে ঘৈণীৰো মান নোহোৱা হয়। শিৱই জোলোঙা এটা লৈ মাগি ফুৰা দেখি হিন্দুৰ দেৱী পাৰ্ব্বতীয়ে সহি থাকে কেনেকৈ? দেৱাদিদেৱ মহাদেৱ উমানাথ ত্ৰিজগতপতি, তেওঁ মহেশ্বৰ কিন্তু "সৰ্ব্বত্যাগী শঙ্কৰ" তেওঁ অথৰ্ব্বা, তেওঁৰ ঘৈণী (ঘৰিণী) পাৰ্ব্বতী কাজে কাজেই অঘৰিণী। সেইদেখিয়েই পাৰ্ব্বতীয়ে ক'লে—তুমি খেতত ধৰা, খেতি কৰি ধান চপাই আনি ভঁৰালত থবাহি আৰু মযো ঘৰ-ভঁৰাল থকা গৃহস্থৰ গৃহিণী হব পাৰিম। শিৱৰ শুনি উঠিল হাহি—বৰাজ বৰা, তুমিতো কৈছাই খেতি কৰিব লাগে, পিছে ইয়া মই পাৰিলেহে হৈছে; বাপুৰ দেখোন খেতিৰ সঁ বুলিবলৈ একোৱেই নাই। উত্তৰো হ'ল জোখাৰে জগ দিয়া বিধৰ—তুমি তিনিও জগতৰ গৰাকী, সুৰাসু মনুষ্য আদি তোমাৰ তলতীয়া, তুমি আকৌ মোক কা বলৈ এনেটো প্ৰশ্ন কৰিলা কিয় হেঁ? ইমানতো তোমাৰ মাটি খুজিবহে লগা হল তেন্তে ইন্দ্ৰক খুজিবা চোন যিমান মাটি লাগে সিমান পোৱা। কঠিয়াৰ কাৰ নো কি ভাবিবলগীয়া কথাটো হৈছে? কুবেৰক কয় যেই বিধ শহৰ কঠিয়া লাগে সেই বিধ শহৰেই কঠী পাবা। নাঙল বলভদ্ৰৰটো খুজি আনিলেই হ তোমাৰ বলদটো আছেই, তাৰ লগতে যম বজাৰ ম খুজি আনি যুতি দিলেই কেঠা ছিগিল। ত্ৰিশূলডাল ভঙাই ফাল এছটা গঢ়াই পেলোৱা। (ত্ৰিশূল মৰিশালিত বহি আৰু ঘৰে ঘৰে ডম্বৰ বজাই মাগি ফু বাট পাৰ্ব্বতীয়ে একেবাৰে বন্ধ কৰিবৰ মতলবে বোধকৰো এইটো দিহা দিলে) আৰু খেতি বাতি লাগিবা যেতিয়া ত্ৰিশূলডালনো আৰু লাগিছে কেলৈ হাল হলেই আৰু ইফালে বলদটো (লগতে যমৰ মহটো চৰাবলৈ মই কাৰ্ত্তিকক লগাই দিম আৰু বজাৰ কাৰণে তোমাৰ মুখ ঘমাবৰ দৰ্কাৰেই নকৰে; কিয় বন্ধাবঢ়াত "আছোহো শকত মই ৰাখিবে অন্নক।"

দেৱীৰ দিহামতে য'ৰপৰা যি খুজি আনিব লাগিছি আনি গোটাই লৈ মহাদেৱে দেখে যে "নাহিকে যুৱ জৰী লাঙ্গলৰ ডিলা।" উপায় নাই, এতিয়া কৰা য কি? কাটৰ কাম জনা থকাহেতেনে গা ব'লহেতেন তেতিয়াই বিশ্বকৰ্ম্মাৰ শুৰি পালেগৈ:–খেতিৰ দৰক 'সম্ভাৰ' গোটোৱা হ'ল এতিয়া যুৱলী জৰী লাঙ্গ ডিলাৰ দৰ্কাৰ, কিবা এটা ব্যৱস্থা কৰা।

"আনিলন্ত বিশ্বকৰ্ম্মে টাঁচ যে বটালি
গমাৰী কাঠৰ সাজি আনিলা যুৱলী॥
গমাৰী কাঠৰ সাজি দিলা আনি ঈশ।"

যুৱলী লৈ আহি 'আৰুনো কিহৰ দৰ্কাৰ' ভাবি



ৰে "লাগে যোট জৰী আৰু লাঙ্গল বান্ধনী।" খেতি টো আৰু নহয় দেখিছোঁ। পোন কোবেই বৰুণৰ পালেগৈ, পাই তেওঁৰ 'পাশজৰী'কে লৈ আহিলগৈ। ৰ আৰু কোনে পায়।

"কৰিবে লাগিলা কৃষি এৰি যোগধ্যান।
আহু-শালী-যৱ-গম বহু বিধ মান॥
মাহ-মুগ-সৰিয়হ-খেচাৰী-মচুৰ।
আকু-ভাঙ-নতুবাক কৰিলা প্ৰচুৰ॥"

খেতিত শিৱই মনপাৰি ভালকৈয়ে লাগি গৈছে। ৰ নিদ্ৰালৈও শেহত গৈ ত'ৰ কেৰেপ নোহোৱা গৈ।

"কতো পকে কতো গজে হুয়া আছে পোৰ।
গৃহকে আনিবে হবে নপাৰন্ত ওৰ।"

খেতিৰ 'চেহেৰা' দেখিয়েই হৰৰ ভোক পিয়াহ এনেয়ে নোহোৱা হৈছে। চয়ে সন্তোষ। ত'ত সিফালে ভাত আহিব আহিব বুলি বাট চাই গোসানীৰ আমনি লগিল।

অন্ন ৰাখি গোসানীয়ে আছন্ত বাট চাই।
কাৰ্ত্তি-গণপতি মাতিবাক শক্য নাই॥

আমাৰ দেশৰ কত কৃষক গৃহিণী যে এনেকৈ পথাৰৰ গৃহস্থ উভতিব উভতিব বুলি বাট চাই থাকে। এই টো স্মৰণ হোৱা মাত্ৰকে এই দুৰাৰী পদৰ সৌন্দৰ্য্য মাৰ মনত কেইবাগুণেও বেছি হৈ উঠা নাইনে? ভাবিকতাৰ স্পৰ্শত পদ দুফাকি মধুৰ হৈ উঠিছে। গোসানীয়ে ভাবি চিন্তি চাই ইয়াকে পালেগৈ যে পথাৰতে হৰান কৰিব নোৱাৰিলে আমাৰ গিৰিহত আৰু মাৰৰপৰা ঘৰমুৱা হোৱা টান। তেতিয়াই জোক, ডাঁহ, ৰ, কেটকুৰি পৰুৱাকে আদি কৰি বিধে বিধে পতঙ্গ ৰ প্ৰজি শিৱৰ পথাৰলৈ পঠিয়াই দিলে। গৰু আৰু হটোৰ নাকে মুখে কামুৰি বোৰোলা বোৰোল কৰিলে। শিৱে উঠিল খং; তৎক্ষণাৎ নিজৰ পিন্ধা কাপোৰখনৰে এলাহ ফালি লৈ জোক-ডাঁহ-পৰুৱা সোপাকে খেদি দিলে। পাৰ্ব্বতীয়ে তেতিয়া বাঘ এটা স্ৰজি পঠিয়াই দিলে। বাঘে আহি বলদটো খাবলৈ চুপি চুপি ফুৰা দেখা পাই শিৱই খিতাতে ভুইমাৰী লৈ একে টাঙোনেই বাঘৰ ককালৰ জোৰা সোলোকাই পঠিয়ালে। গোটেইবোৰে গৈ দেৱীৰ আগত গোচৰ দিলেগৈ, "খেদাইলা আমাক হেন কৰিয়া বিলাই। কেঙ্কাইবে লাগিলা সিটো ব্যাঘ্ৰে দণ্ড ভিৰি। উঠিবে নপাৰি কৰে বগৰাবাগৰি"

পাৰ্ব্বতীৰ "হুকুম তামিল" কৰিবলৈ গৈহে বনৰজাৰ এই বিলৈ দেখি দেৱীয়ে বৰ দিলে:—

"হইবে বল বুদ্ধি তোৰ সময়ত জানি।
এক ৰাত্ৰে সাত চোনা ফুৰিব পাৰিবি।
অপাৰ বলক তই সময়ত পাবি॥"

ভালেটিহে বাঘে একে ৰাতিয়ে কোনো এখন ঠাইৰ পৰা কোনোবা এখন মুলুক ওলায়গৈ? সদাশিৱই ভোক পিয়াহ আৰু টোপনি পাহৰি খেতিত সেইভাবে নলগা হেতেন দেবীয়ে উৎপতীয়া মহ ডাঁহ আৰু বনৰজাক স্ৰজনকে নকৰিলেহেতেন আৰু আমি মনুষ্যই নিজেতো বাঘৰ হাতত কাহানিবা পৰাৰ ভয়ৰপৰা সাৰি থাকিলো হেতেনেই, আমাৰ গাখীৰ আৰু খেতিৰ সম্বল গৰু গাই কেইটিয়েও নিশ্চিন্তে য'তে ইচ্ছা ত'তে মনৰ সুখেৰে শুই থাকিব পাৰিলেহেতেন। এইবাৰ পাৰ্ব্বতী নিজেই ওলাল—কথাটো কি হৈছে চাই আহোগৈ বুলি।

নানা মত কৃষি সব দেখিয়া অপাৰ।
লয়লাস কৰি আসি কৰিলা হুঙ্কাৰ॥

উস্! ভালেটিহে ঘৰলৈ মনত নপৰাই হৈছে। খেতিৰ লগৰ খেতি। এই বুলি কবলৈ পালেহে সেই খোবাখুবি মুখৰপৰা ওলাই হৰৰ কৃষি এফালৰপৰা পুৰি নিবলৈ ধৰিলে। শিৱই বোলে—কোন? কোন ই? ইমান সাহ মোৰ শহ পোৰেহি? শাও দিওঁ ৰ? ভয়ত উধাতু খাই শিৱৰ চৰণত পৰি তুতি-মিনতি কৰি কবলৈ ধৰিলে আমি তোমাৰ হে লৰাছোৱালী। দেৱীয়ে হুঙ্কাৰ কৰিহে আমাক স্ৰজিলে। পিতৃ নাশাপিবা *। স্থান মান দিয়া প্ৰভু তোমাৰ লৰাছোৱালীক। "বাৰু

* সেইহে আজি কিছুমান ধানৰ বং ক'লা কিছুমানৰ চিলা পখৰা, কিছুমান বঙা। খোবাখুবিয়ে পোৰাৰপৰাই এনে হল।

তইতক ক্ষমিলো তইত ঢেঢেয়া পৰ্ব্বতলৈ যাইক, তাতে ভালেমান বিধৰ শষ্য আছে, তাকে নাশ কৰি থাকগৈ।" শিৱৰ আদেশমতে তাতে সিহঁত দুয়ো বাস কৰি আছে। কিছু কালৰ পিছত ত্ৰেতা যুগত হনুমানে সাগৰত সেতু বান্ধিবলৈ পৰ্ব্বত উভালি উভালি আনি আছে এনেতে এদিন ঢেঢেয়া পৰ্ব্বতটোও ভাঙি লৈ আহিল। মানুহৰ উস আসত হনুমন্ত ভাঙৰীয়াৰ গাত খোবাখুবি লাগিল। যেই লাগিল সেই হনুৰ গাৰ গোসাই কেনিবা পলাল; টানিমুনি আনি ৰামচন্দ্ৰৰ ওচৰ পাই ক'ত থওঁ কত থওঁ বুলি সোধাত ৰামচন্দ্ৰই কলে (ৰামৰ) বুঢ়া আঙুলিতে পোৱা বুলি। ৰামৰ আঙুলিত পৰ্ব্বতটো হনুয়ে থবলৈহে পালে ৰামচন্দ্ৰৰ জ্বৰে বিষে তত হেৰাই গ'ল। শাও দিবলৈ ওলালত দুয়ো ভয় খাই কাতৰ কৰি ৰামক পূৰ্ব্বৰ সকলো বৃত্তান্ত ভাঙি ছিঙি কৈ থাকিবলৈ এডোখৰ স্থান খোজাত ৰামে এইমতে ব্যৱস্থা দিলে—

"শনি, ৰবি, সোম বাৰে যিবা ওপজয়।
তাহাৰ মুখত স্থান দিলোঁহো নিশ্চয়॥
বত্ৰিশ দশন যাৰ মুখত থাকয়।
তাহাৰ মুখত তই থাকিবি নিশ্চয়॥
যিটো জনে যাক দেখি কৰে উসআস।
তেখনে কৰিবি গৈয়া তাক সৰ্ব্বনাশ॥

* * * *

বিবাহৰ দিনা সজাইবেক কন্যাবৰ।
দেখা যাইবে বৰ কন্যা সবাতো সুন্দৰ॥
কৰিবে হুঙ্কাৰ সবে ইটো যোৰা চাই।
যেন মতে খোবাখুবি কৰিবি অন্যায়।
বিবাহৰ শেষে তিনি দিবস অন্তৰে।
কৰিবে তোমাৰ পূজা বিধি ব্যৱহাৰে॥
লিখিবেক খোবাখুবি পুতলী বাৰত।
নানা উপহাৰ বস্ত্ৰ থং শুক্তি যত॥
লোণ জালুকীয়া পিঠা গুৰিবে অপাৰ।
গন্ধ পুষ্পে পূজা কৰিবেক হৰিহৰ॥
পাতিবেক সভাখান নাৰী পুৰুষেৰে।
সবাকো তুষিবে তেল তাম্বুল সিন্দূৰে॥
ইটো কথা সভাত কহিবে একজনে।
বৰকন্যা দুই হামু শুনিব এক মনে॥
ক্ষাণকো তহাত যেবে যাক তই ৰই।
মোৰ কোপ অগণিত যাইবি ভষ্ম হই॥

আমাৰ দেশত ঘাইকৈ উজনি অসমত* ম... কইনাৰ গাৰপৰা খোবাখুবি আতৰাবলৈ "না... পুৰুষেৰে" সভা পাতি, বিয়াৰ তিনদিনৰ দিনা খোবাখু... আখ্যান পাঠ কৰি শুনুৱা দস্তৰ আজিলৈকে চলি আছে... খোবাখুবিৰ "পুতলী" বেৰত অকা নিয়মটোহে আজিকা... অপ্ৰচলিত হৈ পৰিছে। এই আখ্যানৰ গুৰিত বৈজ্ঞানি... সত্য কিবা আছেনে নাই বৈজ্ঞানিকসকলে বিচাৰ ক... চাব। আমি আজিকালি শুনিছোঁ যে এজন মানুহৰ হৃ... মানুহে চাবলৈ ধৰিলে তেওঁৰ শৰীৰৰ হিমগ্লবিনৰ সং... টুটি যায়। এই আখ্যানৰ পিছফালে তেনেহলে সত্য কিবা মাত্ৰা থকাটো সেয়ে হয় যদি অসম্ভৱ নহয়।


* মন কৰিবলগীয়া যে "খোবাখুবি চৰিত্ৰ" মতোঁতাও উ... অসমৰে মানুহ। লিখক।




# বৈজ্ঞানিক জগত

## "লুছিটানিয়া"ৰ সোণ উদ্ধাৰ

...কুৰি বছৰৰ আগতে মহাযুদ্ধত শত্ৰুপক্ষই লুছিটানিয়া নামৰ এখন সমুদ্ৰ জাহাজ টৰ্পেডো' দি ধ্বংস কৰি সাগৰত ...। এই জাহাজ খনত এক মিলিয়ন পাউণ্ড বা




লুছিটানিয়া ডুবা ঠাইত এটি "বুঅয়"ৰে চিন দি ৰখা হৈছে।

...কোটি বিশ লাখ টকা মূল্যৰ সোণ আছিল। এই সোণখিনিও জাহাজৰ গৰ্ভতে সমুদ্ৰত লীন হল।

কিন্তু অলপ দিনৰ ভিতৰতে এই সোণ উদ্ধাৰ কৰিবলৈ ...মান আয়োজন চলিছে। এতিয়া আটলান্তিক সাগৰৰ অৱস্থা বৰ ভয়াবহ দেখি অলপ দিন অপেক্ষা কৰা হৈছে মাথোন।

প্ৰথমতে জাহাজ খন ডুবাৰ আছল ঠাইডোখৰ নিৰ্ণয় কৰিবলৈ বৰ টান হৈছিল। কিন্তু বৰ্ত্তমান "অৰফিৰ" নামেৰে উদ্ধাৰক জাহাজ ( Salvage ship ) এখনে এই স্থান নিৰ্ণিত কৰিছে। এই জল ভাগৰ ওপৰত বৰ্ত্তমান এটা "বুঅয়" চিন স্বৰূপে ৰখা হৈছে।



৩। হওৰ গধুৰ "বুঅয়"ৰ সহায়েৰে অৰফিৰ নামৰ এই উদ্ধাৰক জাহাজখনে পানীৰ তললৈ বুৰ মাৰিব।

সামুদ্ৰিক বতৰ শান্ত হোৱাৰ লগে লগে উদ্ধাৰক জাহাজ এই ঠাইলৈ গৈ আঢ়ৈ 'টন' গধুৰ লঙ্গৰ পেলাব আৰু সেই

জাহাজৰপৰা প্ৰথম বুৰিয়াওঁতাই সাগৰৰ তলিলৈ বুৰ মাৰি ডুবা জাহাজ লুছিটানিয়াৰ গৰ্ভত থকা সোণৰ সন্ধান কৰিব। অৱশ্যে ২৮৫ ফুট পানীৰ তলত থাকি কাম কৰিলে অনেক বিপদৰ সন্মুখীন হব লাগিব। প্ৰথমতঃ, কুৰি বছৰ কাল সাগৰৰ তলিত পৰি থাকোতে জাহাজখন সমুদ্ৰৰ তলত গজা বনেৰে অন্ততঃ আধা আবৃত হৈছে। দ্বিতীয়তঃ, ইমান গভীৰ পানীত সম্পূৰ্ণ আন্ধাৰৰ সন্মুখীন হব লাগিব। যদিও পানীৰ তলত বিজুলী টৰ্চ্চ ব্যৱহাৰ কৰা হব তথাপি এই পোহৰৰ পৰিধি মাখোন ছফুটৰ ওপৰ নহব। তাৰ পাছত সাগৰৰপৰা জাহাজ খনলৈ যোৱা পথত বায়ু দূষিত হোৱাৰ সম্ভাৱনা। ইয়াৰ উপৰিও এটা বিপদ আছে---সাগৰৰ শ্বাৰ্ক আদি ভীষণ মাছৰ আক্ৰমণ। উদ্ভাৱক সকলে এইবোৰ বিপদ অতিক্ৰম কৰিব পাৰিব বুলি ভাবিছে।

ডুবা জাহাজখনৰ যি ঠাইত সোণ জমা আছে সেই খিনিও হঠাতে পোৱা টান। সেই ঠাই পাবলৈ হলে তাৰ আগতে জাহাজ খনৰ ডেকবোৰ ভাঙি নাশ কৰিব



প্ৰতিধ্বনি শুনা যন্ত্ৰ

লাগিব। ইয়াৰ পাছত সোণ থোৱা ভৰালটো পালেগৈ তাক ফুটাই সোণ উলিয়াবলৈকো বেছি খৰচৰ আৱশ্যক হব; কিয়নো ভৰালটো বেছি শকত লোৰ তক্তাৰে নিৰ্ম্মিত। এই তক্তাবোৰ ফালিবলৈ বিস্ফোৰ (Explosive) আৱশ্যক হব।

যদি জাহাজখন চিৎ খাই পৰি আছে অৰ্থাৎ তলভাগ ওপৰলৈ মুৰৈক হব গৈছে তেনেহলে বুৰিয়াওঁতাসকলে "ব্ল' লেম্প" বুলি এবিধ বন্তি ব্যৱহাৰ কৰি জাহাজখন



গভীৰ সাগৰৰ তলিলৈ বুৰ মৰা পৰিচ্ছদ

আৱশ্যকীয় অংশ পৰ্য্যবেক্ষণ কৰি লব। এই "ব্ল' লেম্প" সহায়ত লোহাৰ তক্তাবোৰক বগা বৰণত পৰিণত কৰি পাৰি।

বুৰিয়াওঁতাবিলাকে মূৰত হেলমেট বা বুৰিওৱা টুপী পিন্ধি লব লাগিব। তেনেকুৱা ছটা হেলমেট লগ লগাই ব্যৱহাৰ কৰিলে শুনাত সহায় কৰে।

## যক্ষ্মা নিবাৰণৰ আচৰিত পৰীক্ষা

আমেৰিকাৰ লছ এঞ্জেলিছৰ ডাক্তৰ ৰেল্‌ফ ৰিলিয়াৰ্ডে অলপতে যক্ষ্মা নিবাৰণৰ এটি অতি আচৰিত আৰু অভিনৱ উপায় উদ্ভাৱন কৰিছে। তেওঁ যক্ষ্মাৰোগী বান্দৰ এটাক চেঁচা কৰি মাৰি পাঁচ দিনৰ পিছত আকৌ জীয়াই সম্পূৰ্ণ নিৰোগী কৰিছে। ডাক্তৰ ৰিলিয়াৰ্ডে ভাবিছে যে তেওঁৰ ই এটা অতি অভিনৱ যক্ষ্মা আৰোগ্যকাৰী চিকিৎসা। তেওঁৰ মতে বোধহয় তেওঁ যক্ষ্মাৰোগী এটি ডেকাৰ গাত এই চিকিৎসা পৰীক্ষা কৰি চাব খুজিছে যদিও তেওঁক এই বিষয়ে অনান্য ডাক্তৰে বিৰত কৰিছে।





ডাক্তৰ ৰিলিয়াৰ্ড আৰু তেওঁ যক্ষ্মাৰোগৰপৰা আৰোগ্য কৰা বান্দৰ

## চোৰ বশ কৰাৰ নতুন উপায়

স্পেনিছ দেশৰ ছিৰিল' হাৰলেন্ ডেজ ডিয়াজ' নামৰ এজন বৈজ্ঞানিকে চোৰ বশ কৰাৰ এটি নতুন উপায় উদ্ভাৱন কৰিছে। "ইয়াৰ নাম হৈছে ইলেক্‌ট্ৰিক শ্বক গ্ল'ভ" অৰ্থাৎ বিজুলী সঞ্চাৰ কৰা মোজা। এই যন্ত্ৰটি আজিকালি আমেৰিকাৰ পুলিছে বাহুল্যভাৱে ব্যৱহাৰ কৰে। পুলিছৰ ককালত থকা হ'লষ্টাৰৰ লগত বিজুলীৰ সংযোগ কৰি দি তাৰপৰা এডাল শিকলিৰে কোট ছোলাৰ হাতৰ তলেদি মোজাৰ ওপৰ ভাগত এই বিজুলী শক্তি সংযুক্ত কৰা হয়। এই মোজাযুক্ত হাতেৰে চোৰৰ গাত ধৰিলে চোৰৰ বিশেষ অপকাৰ নহলেও তাৰ বাধা



বিজুলী শক্তিৰ সহায়েৰে চোৰ বশ কৰা যন্ত্ৰৰ আৱিষ্কাৰক, ছিৰিল' ডিয়াজ'

দিয়া শক্তি লোপ পায় আৰু সি ততালিকে পুলিছৰ হাতত ধৰা পৰে।

---

# মুকুতা-মালা

কেৱল পৰিশ্ৰম কৰা, কেৱল উপযুক্ত হোৱা আৰু অকৃতকাৰ্য্যতালৈ কেতিয়াও ভয় নকৰিবা। অন্তৰত সাহস আৰু একাগ্ৰতা বান্ধি লোৱা, দেখিবা তুমি কৃতকাৰ্য্য হবাই।

—টুপাৰ

শিলৰ দেৱালে কাৰাগাৰ নিৰ্ম্মাণ নকৰে, লোহাৰ শিকলিয়েও সজা তৈয়াৰ নকৰে। যিবিলা মন সবল আৰু শান্তিপ্ৰিয় সেইবিলাকে এইবোৰ কেৱল আশ্ৰম বুলিহে বিবেচনা কৰে।

—লাভলো

বিপদৰ পথবোৰ অতি মনোৰম। কুৰূপ আৰু বিষযুক্ত সাপৰ দৰে বিপদেও মূৰত এটি মূল্যবান মুকুতা পৰিধান কৰে।

—শেক্সপিয়েৰ।

হাত সাবটি বহি থকা, জীৱনটো এনেয়ে অতিবাহিত হবলৈ আৰু মামৰে খাবলৈ এৰি দিয়া আৰু কাম কৰি জিলিকি উঠা—কেনেকুৱা নিৰানন্দ আৰু নিৰ্ব্বোধতাৰ কথা!—যেন উশাহ-নিশাহ লোৱাটোৱেই জীৱনৰ কাম!

—টেনিছন।

ডাঙৰ ডাঙৰ ঘৰ নিৰ্ম্মাণ কৰাতকৈ দেশবাসী মন উন্নয়ন কৰিলে জন্মভূমিৰ মহৎ সেৱা ক হয়। কাৰণ নীচমনা গোলামবিলাকে অট্টালিকা চোৰৰ দৰে জীৱন কটোৱাতকৈ মহাত্মাসকলে কুটি ঘৰত থকাটোহে বেছি ভাল।

—এপিক্টেটাছ

তোমাৰ মনৰ পৰিকল্পনাৰ কথা পৰাপক্ষত আনৰ আগত প্ৰকাশ নকৰিবাই। যেতিয়ালৈকে ই কাৰ্য্যত পৰিণত নহয় তেতিয়ালৈকে অপেক্ষা কৰিবা। ধৰা, তুমি যদি শাক-তলিত কিছুমান গুটি পচোৱা তেনেহলে তোমাৰ কৌতূহলযুক্ত বন্ধু সকলক বাৰে বাৰে গুটিবোৰ খান্দি দেখুৱাবানে? তেনে কৰিলে যে তোমাৰ শহ গজিবলৈকে এৰিব।

—বেঞ্জামিন জনছন

## কিয় ?

কবিতা ]

—শ্ৰীযুত লক্ষ্মীনাথ ফুকন

কিয় তুমি বাৰু ভুমুকি মাৰিয়ে দুৱাৰ-মুখৰপৰা
নীৰৱে উলটি গলা,
কিয় তুমি বাৰু ইমান দিনৰ মনৰ কথাটি মোৰ
বুজিও নুবুজা হলা ?

অতিকে কোমল সোণালী সন্ধিয়া লাসতে পৰিছে হলি
পৰাণ পুলকে পূৰি,
সুৰদি সুবাস নিজৰি জৰিছে গুপুতে গোপনে ধীৰে
সৰগে-মৰতে জুৰি।

অহা হলে তুমি ভিতৰ সোমাই মোহন মদিৰা মই
কৰালোঁহেঁতেন পান,
উতলা হিয়াত শিহৰণ তুলি যৌৱন-মাধুৰী মোৰ
কৰিলোহেঁতেন দান।

চকুৰ টোপনি চকুতে সামৰি পুৱালোহেঁতেন ৰাতি
বুকুত স্পন্দন তুলি,
তুমি, বুজিলাহেঁতেন ইমান তৃপ্তি ইমান অমিয়া-মউ
আৰু ক'তো নাই বুলি।

# বিবিধ

## প্ৰথমে গাভৰু, তাৰ পিছত পুৰুষ

জেকোস্লভেকিয়াৰ প্ৰসিদ্ধা ব্যায়াম-বীৰাঙ্গনা মিছ কৌভকৌভা বৰ্ত্তমান পুৰুষত পৰিণত হৈছে। এইবাবে তেওঁ অস্ত্ৰোপচাৰ কৰাইছিল। বৰ্ত্তমান তেওঁৰ নাম ষ্টেনিয়া কৌবেক।

## অসাৱধানতাৰ কাৰণে সৌভাগ্য

উদ্রপেষ্ট নামে নগৰ এখনৰ ওচৰত এঘৰ দুখীয়া মানুহৰ এটা কাঁচৰ পাত্ৰ আছিল। এই পাত্ৰটো যদিও একেবাৰেই কামত নাহিছিল তথাপি ঘৰৰ গৃহস্থজনে পাত্ৰটো বৰ আটোম-টোকাৰীকৈ ৰাখিছিল। কিন্তু এদিন এই পাত্ৰটো ঘৰৰ এজনী সৰু ছোৱালীয়ে অসাৱধানতাবশতঃ ভাঙি চুৰমাৰ কৰিলে। অতি আচৰিত কথা এয়ে যে, ভগা পাত্ৰটোৰ পৰা কিছুমান সোণৰ লডা, দুটা সোণৰ ঘৰী, নখন সোণৰ গধুৰ ডুগডুগী, ১৬ ডাল সোণৰ শিকলি আৰু ৪১টা সোণৰ মোহৰ বাহিৰ হল।

## চুঙা চাই সোপা

জুলীবেলগা নামেৰে হাঙ্গেৰিৰ এজনী চাকৰণীক তাইৰ গিৰিহঁতনীৰ কৃত্ৰিম দাঁত কিপাৰি চুৰকৈ নিয়াৰ বাবদ আদালতে বিচাৰ কৰি তিনি মাহ ফাটেক দিছে। তাই জবানবন্দী দিওঁতে বিচাৰকৰ আগত এই বুলি কৈছিল—"মই তেখেতৰ দাতবোৰ বাতি চুৰ কৰি দলিয়াই পেলাই দিলোঁ। কাৰণ তেখেতে মোক আহাৰ-পাতি নিদিয়া হৈছিল; সেইদেখি মঞো তেখেতৰ দাতখিনি পেলাই দি আহাৰ খাব নোৱাৰাকৈ ৰাখিবলৈ বিচাৰিছিলো।"

## জবৰদস্তি চুমা

এদিন নিউয়ৰ্কৰ এজন ছ ফুট ওখ ধুনীয়া পুলিছ কৰ্ম্মচাৰীক এজনী আদবয়সীয়া মানুহে বাটতে জোৰকৈ গৰা মাৰি ধৰি দুই গালত চুমা ৰৰষিবলৈ ধৰিলে। কথা দেখি দীঘলা পুলিছ অবাক। তেওঁ মানুহ জনীৰ হাত কেৰেয়া মাৰি আদালতত গোচৰ দিলেগৈ—"এই মানুহ জনীয়ে মোক এবছৰবো ওপৰ কাল আমনি কৰি আছে।" উত্তৰত চুমা খাতীয়ে কলে—"মোৰ অনিষ্ট কৰাৰ একো অভিপ্ৰায় নাছিল। মাথোন অলপ সুৰা পান কৰি মোৰ জন্ম দিন পালন কৰিছিলো। সেইদেখি মই চুমা......।" আদালতে তাইক আঁঠ ছিলিং জৰিমনা আৰু তাৰ অনাদায়ত ২ দিন ফাটেকৰ হুকুম দিলে। মানুহ জনীয়ে খঙ্গুলি ফাটেকত দুদিন আলহী খোৱাটোকে ইচ্ছা কৰিলে।

## চোৰাংচোৱা স্বৰূপে মৌমাখি

জাৰ্ম্মেনিৰ এজন বৈজ্ঞানিক আৰু মৌ পোহনীয়াই ধাৰণা কৰিছে মৌমাখিক যুদ্ধত চোৰাংচোৱা স্বৰূপে ব্যৱহাৰ কৰিব পৰা যায়। কাৰণ মৌ মাখিবোৰৰ নিজৰ বাঁহলৈ উৰি অহাৰ এটা তীক্ষ্ণ প্ৰবৃত্তি আছে। তেওঁ কৈছে যে নিচেই পাতল তুলাপাতত লিখি মৌমাখিৰ গাত বান্ধি দিলে সেই খবৰ সিহঁতে পাৰচৰাইৰ দৰে অতি দ্ৰুতবেগে উৰি লৈ আহিব। কিন্তু এটা মস্কিল এয়ে যে যুদ্ধ হব লাগিব গৰম কালি।

## তিনি শ বছৰ জীবলৈ ইচ্ছা

হাঙ্গেৰি দেশৰ আটাইতকৈ স্বাস্থ্যৱতী মানুহ গৰাকীৰ নাম বেৰিয়া ফাৰকাছ। তেওঁ এগৰাকী ভিক্ষাৰিণী আৰু বয়স ১০৪ বছৰ। তেওঁ ভিক্ষা কৰি অনা খুদ কণবিলাক তেওঁৰ পাৰ চৰাইবিলাকক খুৱাই জীৱনত বৰ আনন্দ উপভোগ কৰে। তেওঁ এতিয়া কৈছে যে তেওঁ ৩০০ বছৰ বয়সলৈকে জীৱিত থাকিব।

---

# কালিদাসৰ উপমা

—শ্ৰীযুত কিৰণচন্দ্ৰ গোস্বামী

ভাৰত তথা জগতৰ কবি-সম্ৰাট কালিদাসৰ কথা কাৰো অবিদিত নাই। এই জনা কবিয়ে আজি প্ৰায় আঢ়ৈ হাজাৰ বছৰ পূৰ্ব্বে ভাৰতত জন্মগ্ৰহণ কৰি স্ব কবিত্ব প্ৰভাৱেৰে ভাৰতভূমি আলোকিত কৰি থৈ গৈছে। আঢ়ৈ হাজাৰ বছৰ পূৰ্ব্বেই সংস্কৃত ভাষাৰ যি কিখন কাব্য, মহাকাব্য, খণ্ডকাব্য আৰু নাট কালিদাসে লিখিলে, সেই কিখনৰ বাহিৰে ভাৰতবাসীয়ে আজিকোপতি অন্য কাব্য, মহাকাব্য খণ্ডকাব্য আৰু নাটৰ আস্বাদ পোৱা নাই। যিজনা কবিয়ে কাব্যজগতৰ যুগান্তৰ আনিলে, সেইজনা কবি ঐশ্বৰিক গুণেৰে বিভূষিত নোহোৱাহেতেন আজি আমি ভাৰতীয়ই কাব্য সাহিত্যৰ একো মোল নেপালোহেঁতেন।

যিসময়ত ভাৰতৰ কবি সম্ৰাট বিশ্বসাহিত্যৰ চিৰ-গৌৰৱ শ্ৰেষ্ঠতম মহাকবি কালিদাসে জন্ম গ্ৰহণ কৰিছিল, সেই সময়ত ভাৰতৰ যে কি গৌৰৱৰ দিন আছিল, সি বৰ্ণনাতীত। কোনো এটা জাতিৰ সাহিত্যৰ প্ৰভাৱতহে সেই জাতি কিমান সভ্য সি প্ৰকাশ পায়; যি জাতিৰ সাহিত্য যিমান প্ৰাচীন, সেই জাতিৰ সভ্যতাও সিমান প্ৰাচীন। ইউৰোপত যি সময়ত অ'ক বৃক্ষৰ বাকলি পিন্ধি হাবিবননিয়ে ঘূৰি ফুৰিছিল, সেই সময়ত ভাৰতে সভ্যতাৰ দীৰ্ঘস্থান অধিকাৰ কৰি নিজগৌৰৱত সভ্যতা বিস্তাৰ কৰিছিল।—এইটো অবিসংবাদিত সত্য; ইয়াৰ কোনো প্ৰমাণৰ আৱশ্যক নকৰে।

মহাকবি কালিদাসৰ ৰচনাবিলাক আলোচনা কৰি চালে দেখা যায়, যে কবিৰ ৰচনা চাতুৰ্য্য অতি প্ৰখৰ, আৰু তাৰ বাহিৰেও কবিৰ উপমা প্ৰয়োগ চাতুৰ্য্যত সৰ্ব্বাপেক্ষা নৈপুণ্য প্ৰকাশ পাইছে। এনে হৃদয় দ্ৰবকাৰী উপমা প্ৰয়োগ কোনো কবিৰ কাব্যতে পোৱা নাযায়। কথিত আছে—

উপমা কালিদাসস্য ভাৰবেৰৰ্থগৌৰৱম্।
নৈষধে পদমাধুৰ্য্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ॥

যিজন কবিয়ে এই শ্লোকটি ৰচনা কৰিছিল, তেওঁৰ অভিপ্ৰায়, যদিও মাঘ কবিকে শ্ৰেষ্ঠ আসন দিবলৈ বিচাৰে তথাপি তেওঁ এনে কৰিবলৈ বিচাৰোতে প্ৰকৃত সত্য গোপন কৰিব পৰা নাই। সেই কাৰণে প্ৰথমতেই স্বীকাৰ কৰিছে—"উপমা কালিদাসস্য"।

কালিদাসক সকলোৱে একবাক্যে মহাকবি বুলি স্বীকাৰ কৰিছে। বাণভট্টই 'হৰ্ষচৰিতৰ' আৰম্ভতে কালিদাসক প্ৰশংসা কৰি এটা শ্লোক লিখিছে। শ্লোকটো এই :—

নিৰ্গতাসু ন বা কস্য কালিদাসস্য সূক্তিষু।
প্ৰীতিমধুৰ সান্দ্ৰাসু মঞ্জৰীষিৱ জায়তে॥

গঙ্গা-যমুনাৰ সঙ্গম সকলোৱে দেখিছে। কিন্তু কোনো কবিয়ে এনে হৃদয় মনোৰঞ্জন কৰি উপমা দি কবিতা লিখিব পৰা নাই. শ্ৰীৰামচন্দ্ৰই যেতিয়া লঙ্কাৰপৰা সীতাক লৈ 'পুষ্পক' ৰথেৰে অযোধ্যালৈ আহে, তেতিয়া দূৰৈৰ পৰা গঙ্গা যমুনাৰ সঙ্গম দেখি তেওঁ প্ৰিয়তমা সীতাক তাৰ বৰ্ণনা দিছে। ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গত কবিয়ে কিদৰে বৰ্ণনা দিছে পাঠকসকলে মন কৰক।

কচিৎপ্ৰভালেপিভিৰিন্দ্ৰনীলৈ
মুক্তাময়ী যষ্টিৰিবানুবিদ্ধা।
অন্যত্ৰমালা সিতপঙ্কজানাম্
ইন্দীবৰৈৰুৎ খচিতান্তৰেৱ॥ ৫৪

ক্বচিৎ খগানাং প্ৰিয়মানসানাং
কাদম্বসংসৰ্গবতীৱ পংক্তিঃ।
অন্যত্ৰ কালাগৰুদত্ত পত্ৰা
ভক্তিৰ্ভুৰ্বশ্চন্দন কল্পিতেৱ॥ ৫৫

কচিৎপ্ৰভা চান্দ্ৰমসী তমোভি
শ্ছায়া বিলীনৈঃ শকলীকৃতেৱ।
অন্যত্ৰ শুভ্ৰা শৰদভ্ৰলেখা
ৰন্ধ্ৰেষিৱা লক্ষ্যনভঃ প্ৰদেশা॥ ৫৬
কচিচ্চ কৃষ্ণোৰগভূষণেৱ
ভস্মাঙ্গ ৰাগা তনুৰীশ্বৰস্য।
পশ্যানৱদ্যাঙ্গি বিভাতি গঙ্গা
ভিন্ন প্ৰৱাহা যমুনাতৰঙ্গৈঃ॥ ৫৭

ভাবাৰ্থ—গঙ্গাক যমুনাৰপৰা পৃথক কৰা দৃশ্য এনে যে শিৱই বগা শৰীৰত ভস্ম সানিলে যেনে হয়, আৰু কোনো কোনো ঠাইত চৰাইবিলাক শাৰী পাতি মানস সৰোবৰৰ ওচৰলৈ যোৱা, আৰু কোনো ঠাইত ইন্দ্ৰনীল মণিৰ মালা গাথিলে যেনে দেখায় তেনেকুৱা। মুঠতে এনে উপমা অন্য গ্ৰন্থত পোৱা কঠিন।

প্ৰাচ্য আৰু প্ৰতীচ্য দুয়ো ঠাইতে সমানে সম্মানিত কবি পৃথিবীত অতি বিৰল। কবিয়ে যিবিলাক গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে, সেইবিলাকৰ ভিতৰত 'শকুন্তলা' নাটখনিয়েই সৰ্ব্বোৎকৃষ্ট বুলি পণ্ডিতসকলে একবাক্যে স্বীকাৰ কৰিছে। সেই নাটখনিত আগৰপৰা শেহলৈকে উপমাৰে ভৰপূৰ। দুষ্যন্তই যেতিয়া শকুন্তলাক কণ্ব মুনিৰ আশ্ৰমত ফুলত পানী দিয়া দেখিলে, তেতিয়া তেওঁৰ ভুৱনমোহিনী ৰূপ দেখি বৰ্ণনা কৰিছে—

ইদং কিলাব্যাজ মনোহৰং বপুঃ
তপঃ ক্ষমং সাধয়িতুং স ইচ্ছতি।
ধ্ৰুবং স নীলোৎপল পত্ৰ ধাৰয়া
শামীলতাং ছেত্তুমৃষিৰ্ব্যৱস্যতি॥

যি এনে অলোক সামান্যা ৰমণীৰ দ্বাৰাই ফুলৰ গুৰিত পানী দিয়াব পাৰে, তেওঁ নিশ্চয় পদুম ফুলৰ পাতেৰে সমিধ কাটিব পাৰিব। কেনে মনোৰম উপমা! শকুন্তলাৰ প্ৰতি ছত্ৰে ছত্ৰে উপমাৰে ভৰি আছে। বাহুল্যৰ ভয়ত উদ্ধৃত কৰা নহল।

পাৰ্ব্বতীয়ে মহাদেৱক পতিলাভ কৰিবৰ অৰ্থে তপস্যা আৰম্ভ কৰিলে। দিনৰাতি, জাৰ-জহ, একো নেমানি তপত লাগিল। মহাদেৱে ছদ্মবেশে পাৰ্ব্বতীৰ সন্মুখত মহাদেৱক নিন্দা কৰি পাৰ্ব্বতীৰ মনোভাব বুজিবলৈ ধৰিলে। পাৰ্ব্বতীৰ মন অচল অটল। কিন্তু যেতিয়া সতীয়ে পতিৰ নিন্দা সহিব নোৱাৰি উচাট মাৰি যাব খোজে, তেতিয়া মহাদেৱে নিজৰূপ ধাৰণ কৰি আগভেটা দিলত, পাৰ্ব্বতীৰ অৱস্থা কেনে হৈছিল, কবিয়ে উপমা দি কেনে সুন্দৰ বৰ্ণনা কৰিছে:—

তং বীক্ষ্য বেপথুমতী সৰসাঙ্গ যষ্টি
নিক্ষেপনায় পদমুদ্ধৃতমুদ্বহন্তী।
মাৰ্গাচলব্যতি কৰা কুলিতেৱ সিন্ধুঃ
শৈলাধি ৰাজতনয়া ন যযৌ ন তস্থৌ॥

কালিদাস অতি দৰিদ্ৰ আছিল; তেওঁৰ দৰিদ্ৰতা কেনেদৰে উপমা দি বৰ্ণনা কৰিছে।

দৰিদ্ৰস্য গুণাঃ সৰ্ব্বে ভস্মাচ্ছাদিত বহ্নিৱৎ।
অন্নচিন্তা চমৎকাৰা কাতৰে কবিতা কুতঃ॥

অৰ্থাৎ দৰিদ্ৰৰ গুণৰাশি যেনেকৈ ভস্মাচ্ছাদিত বহ্নিৰ নিচিনাকৈ ঢাক খায় থাকে, তেনেকৈ অন্নচিন্তাত কাতৰ মানুহৰো কবিতা প্ৰকাশ নাপায়।

কালিদাসে প্ৰতিষ্ঠা অৰ্জ্জন কৰাৰ পিছতে কি দাৰ্শনিক, কি নৈয়ায়িক, কি বৈদান্তিক, কি মীমাংসক সকলো পণ্ডিতৰ পৰা আদৰ পাইছিল। জৈমিনীয় ন্যায়মালাৰ গ্ৰন্থকাৰ মাধৱাচাৰ্য্যৰ উক্তিয়েই তাৰ প্ৰমাণ। গ্ৰন্থৰ এঠাইত বেদ পৌৰুষেয় বা অপৌৰুষেয় বিচাৰ কৰোতে লিখিছে—'কালিদাসাদি বাক্যৱৎ'। ইমানবিলাক কবিৰ ৰচনা থকাতো কালিদাসৰ নাম উল্লেখেই তেওঁক সম্মান কৰাৰ প্ৰমাণ দিয়ে।

কালিদাসৰ উপমাবিলাক ইমান মধুৰ যে পঢ়িলেই মনলৈ এটা নতুন ভাৱৰ উদ্ৰেক হয়। মুঠতে কবিসম্ৰাট কালিদাসে উপমাজগতত শ্ৰেষ্ঠ আসন পাই অমৰত্ব লাভ কৰিছে। আমাৰ নিচিনা অল্প বুদ্ধিৰ মানুহে তেনে এজন মহাপুৰুষৰ বিষয়ে আলোচনা কৰাটো লোণৰ পুতলা হৈ সমুদ্ৰ পাৰ হবলৈ যোৱা কথাৰ নিচিনা।

---

# উপন্যাস

## ছদ্মবেশী

—শ্ৰীযুত শান্তিৰাম দাস বি-টি

### তৃতীয় খণ্ড

#### প্ৰথম আধ্যা

চিতাৰ আয়োজন

এবছৰৰ ওপৰ কাল পাৰ হৈ গল। জাৰ্ম্মানিৰ স্বাস্থ্য-... ঠাইবোৰ শৰতকালৰ আগমনিৰ লগে লগে লোকে ...লোৱাৰণ্য হৈ পৰিল। ষ্টকেন্‌বাৰ্গ নামে ঠাই এখনত ...ছবি পৰিয়ালে ইংলণ্ডৰপৰা ঘৰবাৰী সকলোকে এৰি ...আহি বসতি কৰিছেহি—প্ৰায় দুবছৰ কাল। ক্ৰছবি পৰিয়ালৰ ভিতৰত—মিঃ ক্ৰছবি, ক্ৰছবি দম্পতী হেলেনা ...নামৰ ১৬।১৭ বছৰীয়া গাভৰু জীয়েক এজনী আৰু হেলেনাৰ বাবে বৰ্ত্তমান শিক্ষয়িত্ৰী এজনী, নাম—মেডাম্ ভাইন।

মেডাম্ ভাইন কোন?

এৱেঁই ভূতপূৰ্ব্ব কাৰ্লাইল দম্পতী লেডী ইছাবেল ...। কিন্তু কি কাৰণে তেওঁৰ এনেকুৱা চিনিব নোৱাৰা আচৰিত পৰিবৰ্ত্তন! হবৰে কথা। ৰেলৱে ...টনাই তেওঁৰ সেই দুৰ্দ্দশা কৰিলে। যি বাকী থাকিল ...ত জীৱনৰ শোক আৰু অনুতাপে তাকো পূৰ কৰিলে। ...ওঁ খোজ কাঢ়োতে অলপ লেকেচিয়ায় আৰু কুঁজা পৰে। ...ৰ তলৰপৰা কাণৰ ওচৰলৈ দীঘলগীয়াকৈ ক'লা দাগ ...টোৱে তেওঁৰ মধুৰ আকৃতিকে নষ্ট কৰি পেলালে। তাতে ...আৰু দুই চাৰিটা দাঁতো সৰি পৰিল কপা কণ্ঠতে ...ৰ টিপা মাৰি ধৰে। গাভৰু কালৰ শুৱনি কলা ...টিৰ একেবাৰে ৰূপ যেন বগা হল। লেডী ইছাবেল বুলি মানুহজনীক চিনিবলৈ কোনো চিন-চাব নাথাকিল। ইমানতো সন্তুষ্ট নহৈ যাতে কোনো মিতিৰ কুটুম, আত্মীয়-স্বজনে কোনো কালে এনেকি মিঃ কাৰ্লাইলেও তেওঁক চিনিব নোৱাৰে তাৰ বাবে তেওঁ নিজে আকৌ কৃত্ৰিম ছদ্মবেশ ললে—কপাললৈকে ঢাক খোৱাকৈ এটা কলা টুপি পিন্ধিলে; চকুত সেউজীয়া বৰণৰ এযোৰ বিতচকু লগালে; সমস্ত শৰীৰ ঢাকি এটা হলো চোলা পিন্ধিলে। বৰ্ত্তমান মেডাম্ ভাইন্ আৰু লাহ-বিলাহৰ ৰাণী লেডী ইছাবেলৰ মাজত আকাশ-পাতাল প্ৰভেদ হৈ উঠিল। ছদ্মবেশী মেডাম্ ভাইনক লেডী ইছাবেল বুলি ভাবে কোনে? চিনে কোনে?

ক্ৰছবি পৰিয়ালৰ লগত থাকিবৰ মেডাম্ ভাইনৰ দুবছৰ হল। ৰেলৱে দুৰ্ঘটনাৰ পিছত যেতিয়া তেওঁ ভাল হল, তেতিয়া ষ্টকেনবাৰ্গত কিছুদিন ইফাল সিফালকৈ ঘূৰি ফুৰি ক্ৰছবি পৰিয়ালৰ ঘৰত মিছ হেলেনাৰ শিক্ষয়িত্ৰীৰূপে সোমালহি। তেওঁলোকৰ আগত পৰিচয় দিলে তেওঁ ইংৰাজ জীয়াৰী—কিন্তু এজন ফৰাছী ভদ্ৰলোকৰ বিধৱা। সি যি হওক তেওঁ অতি সোনকালে ক্ৰছবি পৰিয়ালৰ আদৰ সম্মানৰ পাত্ৰী হৈ উঠিল। তেওঁক যে কোনো বন্ধু-বান্ধৱে চিনি নাপায় সিও প্ৰমাণ হল; সেই নিমিত্তে এতিয়া তেওঁ নিৰ্ভয়ে চলাফুৰা কৰিব পৰা হল।

কিন্তু এতিয়া তেওঁৰ মানসিক অৱস্থা? তেওঁৰ অলীক কল্পনা, আন্তৰিক হা-হুতাশ, নিৰৱচ্ছিন্ন দুৰাকাঙ্ক্ষা বৰ্ণনাৰ অতীত! কিহৰ বাবে? নিজৰ লৰাছোৱালী পোনা কিটিৰ বাবে। ৰজাৰ ৰাণীয়েই হওক বা ফলফুল

বেচোঁতা পোহাৰীয়েই হওক মহিৰী মাত্ৰেই লৰা-ছোৱালীবপৰা আতৰত থাকিলে কেনেকুৱা কষ্ট বোধ কৰে তেওঁ নিজেহে জানে আন কোনে বুজিব? পোৱাতীয়েহে বুজে পোৱাতীৰ বেদনা। তেওঁ সুখ সাগৰত ভাহি ফুৰিব পাৰে দুদিনৰ বাবে, কিন্তু নিজৰ পোনাকিটিৰ মুখ কেইখন দেখিবলৈ, সিহঁতৰ আধা ভগা ঠানাক্ ঠুনুক্ মাত-এষাৰ শুনিবলৈ, সিহঁতৰ আকলুৱা চুমাৰ পৰশ পাবলৈ নিভৃত অন্তৰত আশা মৰীচিকা জলি থাকে। যিমানে দিন পলম হয় সিমানে অন্তৰত আকুল হেন্দোলনি জাগি উঠে। মেডাম ভাইন ওৰফে লেডী ইছাবেলৰো সেয়ে হল। তেওঁ লৰাছোৱালীহঁতৰ বাবে সচাঁকৈয়ে পগলা আছিল। সিহঁতৰ সুখ শান্তি তেওঁৰ জীৱনৰ বস্তিগছ হৈ উঠিছিল। এনেস্থলত সিহঁতক কোন সতেৰে পৰৰ হাতত সঁপি দিছে? অপৰিচিত জনৰ দ্বাৰা সিহঁতক শিক্ষা-দীক্ষা দিয়ে কেনেকৈ? লোকে সিহঁতক সঙ্গ শিক্ষা দিব? মেডাম ভাইন বাউলী হৈ উঠিল।

তাতে আকৌ জুইতে ঘিউৰ ছিটনি। ৱেষ্টলিনিৰ লাটিমাৰ নামৰ মহিলা এগৰাকীয়েও সেই সময়ত ষ্টকেন-বাৰ্গত ক্ৰছবি পৰিয়ালৰ বাহৰৰ ওচৰতে বাহৰ লৈছিলহি। তেওঁৰ লগত একি হেলিজান ফুৰিবলৈ আহিছিল। ক্ৰছবি দম্পতী আৰু লাটিমাৰ দম্পতী দুয়ো পৰম বন্ধু—দুয়োৰো মাজত আহ-যাহ আৰু বৰ সম্ভাৱ আছিল।

যিদিনা মিছ হেলেনাৰ বিয়াৰ দিন ধাৰ্য্য হল আৰু হেলেনাৰ বিয়াৰ লগে লগে আৱশ্যক নোহোৱাত মেডাম ভাইনকো বিদায় দিয়াৰ ঠিক হল, সিদিনাখন গধুলি মেডাম্ ভাইন অকলে অকলে ওলাই গল আৰু নঙলামুখতে ফুলনি এখনৰ মাজত আওহতীয়াকৈ পাৰি থোৱা বেঞ্চি এখনত বহি আকাশ পাতাল ভাবি থাকিলগৈ। অলপ পৰৰ পিছতে একিও ফুৰিবলৈ আহি সেইখিনি পালেহি। নিলাজী একিয়ে বহু দিনৰ চিনাজনা ঘনিষ্ঠতা থকা মানুহজনীৰ দৰে মেডাম ভাইনক নমস্কাৰ জনালেগৈ আৰু নিজে নিজে অযাচিতভাৱে কৈ গল, "মোক আপুনি চিনি নাপায় হবলা? মই মিছেছ লাটিমাৰৰ লগত আহিছো। মই এনেকৈ তেওঁৰ লগতে ফুৰি ফুৰিছো—অলপতে আমি ৱেষ্টলিনিতো মাহচেৰেক প্ৰবাস খাটি আহিছো।"

ৱেষ্টলিনিৰ নাম শুনি মেডাম ভাইনৰ বুকুখন ধপছ ধপছকৈ কঁপি উঠিল। কঁপি কঁপি সুধিলে, "ইষ্টলিনি জানানে?"

"নিশ্চয় জানো। তাত মোৰ বাইদেউ জেছি, মি[illegible] কাৰ্লাইলৰ ঘৰত গৈ হাত লিগিৰী হৈ আছে। কেলেই আপুনি ইষ্টলিনি জানেনেকি?"

মেডাম ভাইনে কলে, "তাৰ ওচৰচুবুৰীত কিছু দিন আছিলো। কাৰ্লাইল পৰিয়ালৰ কথা জানো। ব[illegible] সুখৰ ঘৰ। তেওঁ লোকৰ বিষয়ে শুনিবলৈ ইচ্ছা হয়।"

"হয় মেডাম্ বৰ সুখৰ ঘৰ আছিল। কিন্তু পোৱা[illegible] কপালী লেডী ইছাবেলে মিঃ কাৰ্লাইলৰ সোণৰ সংসা[illegible] ছাৰখাৰ কৰি গল। তেওঁ নিজেও মৰিল, আনকো মাৰিলে। মেডাম জানেনে—ইছাবেলে কাৰ্লাইৰ নিচিন[illegible] মহানুভৱ পুৰুষ স্বামী, নিজৰ লৰাছোৱালী, ঘৰ-বাৰী সকলোকে এৰি কোনোবা দুষ্ট লম্পটৰ লগত পলাই গৈছে?"

ভাইনে হুমুনিয়াহ এৰি সুধিলে, "লৰাছোৱালী কেইটি জীয়াই আছেনে?"

"এৰা আছে, এজন মৰিবলৈ ওলাইছে।"

ভাইনৰ অন্তৰেদি বিজুলী প্ৰৱাহ বৈ গল, বকুখন কঁপিবলৈ ধৰিলে, চকু চলচলীয়া হল। সুধিলে "কোন জনৰ?"

"ডাঙৰ জন লৰা—উইলিয়ামৰ।"

"বাকী দুজনৰ অৱস্থা কেনে?"

"লুছি ভালে আছে। মিঃ কাৰ্লাইলে ছোৱালী জনীৰ নাম মাক পলোৱা দেখি 'ইছাবেল' গুচাই 'লুছি' দিছে [illegible] মাষ্টাৰ আৰ্কি—আজিকালি লৰি ধাপৰি ফুৰে; বৰ ধুনীয়া নোদোকা লৰাটো।"

"তোমাৰ নামটো শুনা শুনা যেন লাগে।"

"পিতাৰ হত্যাকাণ্ডৰ কথা শুনিছেনে?"

"অলপ শুনা যেন মনত পৰে।"

"পিতাক হত্যা কৰিলে—ৱেষ্টলিনিৰ সেই জাষ্টি[illegible] হেয়াৰৰ পুতেক ৰিচাৰ্ডে। সেইদিনাৰপৰা মই অনাই বনাই ফুৰি ফুৰিছো।



"কেলেই তুমি ৰিচাৰ্ডৰ লগত পলাই যোৱা [illegible]হিলানে?"

"নাই যোৱা মেডাম নাই। কিন্তু মিঃ কাৰ্লাইলৰ [illegible]ৰিৰে আটায়ে মোক ৰিচাৰ্ডৰ লগত পলাই যোৱা বুলি [illegible]ৰিছে।"

"মিছ কৰ্ণিক জানানে, তেওঁ আজিকালিও তাতেই [illegible]ছেনে?"

"জানো। তেওঁ তাত কেনেকৈ থাকিব? আনিলেই [illegible] কাৰ্লাইলৰ লগত দন্দ-হাই কৰোতেই যাব।

মেডাম ভাইনৰ এটাই কেউডাল নাড়ীৰ তেজ বন্ধ [illegible]। নিজে নিজে কলে,—"মিছেছ কাৰ্লাইল? কোন [illegible] কাৰ্লাইল?"

"কাৰ্লাইলৰ বৈণীয়েক—আৰু কোন হব পাৰে?"

"তেওঁ কাক বিয়া কৰালে? মিছ বাৰবাৰা হেয়াৰক?"

"নহলে কাক হব পাৰে। সেইবোৰ কথা শুনিবলৈ [illegible] নালাগে মেডাম। তেওঁলোকৰ ভিতৰত কতকি [illegible] খেলা আগতে হৈছিল। তেওঁ জানো লেডী ইছাবেলৰ [illegible] ভাবিছিল? কিন্তু সেইবোৰ যি হওক লেডী ইছাবেল [illegible] হলে তেওঁ কেতিয়াও বিয়া নকৰিলেহেঁতেন। [illegible]নীৰ খবৰ আহিছিল—কিন্তু লেডী ইছাবেলৰ নিশ্চিত [illegible] খবৰ পাইহে মিছ হেয়াৰক বিয়া কৰালে। এতিয়া [illegible] কেচুৱা লৰাও।"

"লৰাও পাইছে?

"হয়। কিন্তু মিছেছ কাৰ্লাইল মিঃ কাৰ্লাইলক পূজা [illegible]তেই ব্যস্ত—লৰাৰ ফালে বেছি চকু নাই।"

"তেওঁ আগৰ লৰা ছোৱালীহঁতক ভাল পাইনে?"

"তাল কৈছে মেডাম! এইটোও সম্ভৱনে? সতিনীৰ [illegible]ছোৱালীতো?"

মেডাম ভাইনৰ অন্তৰ বিদীৰ্ণ হ'ল, শোকে খুন্দা মাৰি [illegible]। একিয়ে কৈ গল "কিন্তু লৰাছোৱালীহঁতৰ বাবে [illegible]জনী শিক্ষয়িত্ৰী ধাত্ৰী ৰাখি দিছে। ধাত্ৰীজনীও অলপতে [illegible] গোমাবগৈ—সকলো ঠিক হৈছে। মিঃ কাৰ্লাইলে [illegible] ভাল শিক্ষিতা নতুন ধাই বিচাৰিছে।

মেডাম্ ভাইন অস্থিৰ হৈ উঠি যাবলৈ ওলাল। একিয়েও নমস্কাৰ জনাই নিজৰ ঠাইলৈ গুচি গলগৈ। মেডাম ভাইন ভিতৰলৈ গৈ শোৱাপাটীত পৰিলগৈ—ৰাতি টোপনি নাহিল, শোৱাপাটীত ছটফটাই বাগৰি থাকিল। লৰাছোৱালীহঁতৰ কথা নিজৰ কৰ্ম্মফল অদৃষ্টফল বুলি ভাবি থাকোঁতে ৰাতি পুৱাল। গালৈ জ্বৰ আহিল, প্ৰলাপ আৰম্ভ হ'ল।

ৰাতিপুৱা ৮৷৯ বজাত ক্ৰছবি দম্পতী আহি মেডাম্ ভাইনক পাওনা পাতি হিছাপ কৰি দি বিদায়ৰ কথাবতৰা হ'ল। লাটিমাৰ দম্পতী ভিতৰলৈ আহি তেওঁলোকৰ কথাবাৰ্ত্তা শুনি এই প্ৰস্তাৱ কৰিলে যে মেডাম ভাইন ইংলণ্ডলৈ যাব লাগে। তাত কাৰ্লাইল নামৰ উকীল এজনৰ ঘৰত শিক্ষয়িত্ৰী আৰু ধাই কাম কৰিব লাগিব। বেতন মাহে ১০০ এশ পাউণ্ড। তেওঁলোক ইষ্টলিনি নামে বৰ সুন্দৰ ঠাই এখনত থাকে। তেওঁ তাত বৰ সুখেৰে থাকিব পাৰিব। ছোৱালী এজনীক পঢ়াব লাগে আৰু লৰা এজনক চাব লাগে।"

সেই কাৰ্লাইল পৰিয়াল! সেই হাবিলাসৰ নন্দন কাননতুল্য ইষ্টলিনি! সেই ঘৰতে নিজৰ লৰাছোৱালীহঁতৰ শিক্ষয়িত্ৰী-ধাত্ৰী! ইছাবেলৰ উশাহ বন্ধ হ'ল। লাটিমাৰ দম্পতীয়ে কৈ গ'ল, "তেওঁলোকৰ আগৰ ধাইজনী গলগৈ। তেওঁলোকক যেনেকুৱা মানুহ লাগে, তুমি সৰ্ব্বতোভাৱে উপযুক্তা হবা। এতেকে মোৰ বোধেৰে তুমি যেনেতেনে তালৈ গৈ কামটো কৰাই ভাল। তোমাৰ মতামত কি?"

তেওঁ আৰু কি কব? তেওঁৰ মূৰ ঘূৰিবলৈ ধৰিলে। "যোৱা হব বুলি লিখিমনে?"

"মোক অলপ সময় দিয়ক—ভাবিচিন্তি কাইলৈ ৰাতিপুৱা উত্তৰ জনাম।"

শোৱাপাটীত পৰি মেডাম ভাইনৰ টোপনি নাহিল, ভাৱনা সাগৰত ভাহি ফুৰিবলৈ লাগিল। এবাৰ ভাবিলে, "যাওঁগৈ, কপালত যি আছে যেয়ে হব।" তাৰ পিছ মুহূৰ্ত্ততে ভাবিলে, "নাই, আশা এৰি দিওঁ, ইয়াৰপৰা পলোৱা ভাল।" তাৰ পিছতে আকৌ ভাবিলে, "ঈশ্বৰে এই সোণালী সুযোগ দিছে—নিজৰ লৰাছোৱালীহঁতক

এনে অৱস্থাত চাবলৈ—জীৱনৰ চিৰ আকাঙ্ক্ষা।" তেতিয়া কোনোবাই যেন কাণৰ ওচৰত ফুচফুচাই কৈ গল, "উস নাযাবা—বৰ টান কাম, সৰ্ব্বনাশ হব পাৰে।" আকৌ এবাৰ চিন্তাৰ সোঁত বৈ গ'ল। মিঃ কাৰ্লাইলক আন এজনীৰ চেনেহৰ গিৰিয়েক হোৱা কেনেকৈ সহি থাকিম? তেওঁলোকৰ চকুৰ আগতে একে ঘৰতে? কাৰ্লাইলৰ আকলুৱা চকুৰ চাৱনি, অন্তৰভৰা প্ৰেমমন্দাকিনী আন এজনীৰ ওপৰত পৰা মই নিজ চকুৰে কোন সতে চাই থাকিম?" বাস্তৱিক বৰ টান কাম! কিন্তু মেডাম ভাইনে প্ৰতিজ্ঞা কৰিছিল, "সকলো নিৰ্য্যাতন অকাতৰে সহিম মৃত্যুপৰ্য্যন্ত নিজৰ লৰাছোৱালীইঁতৰ বাবে।" মেডাম ভাইনে সংযম শিক্ষা কৰিছিল; তেওঁ শেষত মনক দমালে।

দুষ্টমনৰ কথামতে নাথাকি নিজৰ জীৱন পণ ৰাখি সেই হাবিলাসৰ ইষ্টলিনিলৈ—মিঃ কাৰ্লাইলৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলে। সেই ঘৰ, সেই সোণৰ সমুখৰ সংসাৰ তেওঁ এদিন ভৰিৰে নেওচি, হৃদয়দেৱতা কাৰ্লাইল যেন পুৰুষৰ স্বামীত্ব অস্বীকাৰ কৰি, গিৰিয়েকৰ নামত, স্বভাৱ চৰিত্ৰত নেওচি-কেওচি, এতিয়া মৰমতে দহি পুৰি মৰা লৰাছোৱালীইঁতকো দলিয়াই পেলাই দুষ্টৰ প্ৰতিমূৰ্ত্তি লেভিছন লাঠুৱাৰ লগত পলাই যোৱা নাছিলনে?

লাটিমাৰ দম্পতীয়ে কাৰ্লাইলক বাতৰি জনালে। মেডাম ভাইনৰ আকৃতি প্ৰকৃতি হুবহু জনালে। চিঠি পঢ়ি কাৰ্লাইল আৰু বাৰবাৰাৰ গিৰিয়েক ঘৈণীয়েক দুয়ো হাঁহিলে। কাৰ্লাইলে কলে, "শিক্ষয়িত্ৰী ধাত্ৰীৰ কপলৈ নাচাই গুণলৈ চোৱাই মঙ্গল।" দুয়ো কোৱা মেলা কৰি মেডাম ভাইনক, লেডী ইছাবেলৰ লৰাছোৱালীইঁতৰ শিক্ষয়িত্ৰী আৰু ধাই-মাককপে নিযুক্ত কৰিলে। চিঠি গ'ল।

মেডাম ভাইনে চাকৰী পালে। পাপৰ পৰাচিত, লগে লগে মৰণৰ আগেয়ে চিতাখন নিজ হাতে সাজিলে। ৰাতি শোৱাপাটীত পৰি টোপনি নাহিল। ওৰে নিশ বহি বহি ইষ্টলিনিলৈ নিবলৈ বস্তু বেহানি ঠিক কৰিলে। আগৰ কোনো বস্তুৰে, এনেকি কাকত এটুকুৰাৰো চিন মোকাম নাৰাখিলে। সাজপাৰ আদি এনেভাবে ঠিক কৰি ললে যেন কোনোৱে, এনেকি মিঃ কাৰ্লাইলেও মেডাম ভাইনক এদিনৰ লেডী ইছাবেল বুলি কোনোকপে চিনিব বা সন্দেহ কৰিব নোৱাৰে। তেওঁ সম্পূৰ্ণ ভেশছন কৰিলে। চিঠি লিখিলে কাৰ্লাইল দম্পতী বাৰবাৰালৈ! এদিন আছিল কাৰ্লাইলৰ অঙ্কশোভিনী, আজি এজনী দীন হীনা সমাজৰ কলুষিতা—বান্দীকপে! যি এদিন ৰ্হ তেওঁ নিজে ৰাজ্য কৰিছিল, তাতেই আজি তেওঁ বান্দীৰূপে, তাতে আকৌ সকলো অনৰ্থৰ মূল বাৰবাৰা সতিনীৰ! মেডাম ভাইনৰ অন্তৰ ডেইপুৰি ছাই হ'ল। কিন্তু উপায় তেওঁ সকলো সহ্য কৰিব লাগিব। যি গুটি পচোৱা যায়, সি গছগছনি হবই, এদিন আৰু তাৰ ফল ভুগিবই লাগিব। চিঠিৰ ভিতৰত থকা "বাৰবাৰা কাৰ্লাইল" দস্তখতটোৰ ওপৰত চকুৰ পানী পৰি ভাহি গ'ল।

পিছদিনাখন ৰাতিপুৱা মেডাম ভাইন ইষ্টলিনিলৈ যাত্ৰা কৰিলে। যাত্ৰাৰ সময়ত লাটিমাৰ দম্পতীয়ে কলে, "কেনেকুৱা লৰাছোৱালীৰ তত্ত্বাৱধান লবলৈ যাবলৈ ভাবিছা জানানো? তুমি সিহঁতৰ আগত কেতিয়াও সিহঁতৰ মাক নাই বা পলাই গৈছে ইত্যাদি কোনো কথা তুলিয়াবা।" মেডাম ভাইনে হুমুনিয়াহ ছাৰি উত্তৰ কৰিলে, "ভাল সেয়ে হব।"

"যিজনী মাকে সিহঁতক অনাথা কৰি কলঙ্ক চাই দি এৰি গ'ল, তেনেজনী মাকৰ কথা লৰাছোৱালীইঁতৰ আগত তুলিওৱা ভাল। মিঃ কাৰ্লাইলে সেইবোৰ ভাল নাপায়। তেওঁৰ একান্ত ইচ্ছা—সিহঁতে বাৰবাৰাকে যেন মাক যেন ভাবে আৰু দেখেও।"

মেডাম ভাইনে সকলো কথাতে ব্যথিত অন্তৰেৰে সম্মতি জনাই যাত্ৰা কৰিলে।

# মোৰ সোঁৱৰণি

—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ বি-এ

এই বেলি পাটবাউসী সংৰক্ষণৰ নিমিত্তে গুৱাহাটীৰ ... সভাৰ শোৱালকুচিৰ শাখা সভা, বাইহাটাৰ শাখা ... সভাৰ আহ্বানত, শ্ৰীযুত ৰজনীকান্ত গোস্বামীৰ আৰু "... খাতৰি" কাকতৰ সুপৰিচিত, মোৰ কুলগুৰু ৺দক্ষিণপাট ... অধিকাৰ প্ৰভুৰ খৰচত আৰু আদেশত গুৱাহাটী, ... আৰু বাউসীলৈ যাব লগা হোৱাত মোৰ থকা ঠাই ... মাকুম জংশ্যনৰ ওচৰৰ হেবেদা চাহ বাগিচাৰপৰা ...।১১।৩৫ তাৰিখে সপৰিবাৰে অৰ্থাৎ মই আৰু মোৰ সহধৰ্ম্মিণী বেলা ৪টা বজাত মাকুম জংশ্যনৰ ৰেলত উঠোঁ। ... তিনিচুকীয়াত ডিব্ৰু-সদিয়া ৰেল এৰি, অসম বেঙ্গল ৰেলৰ ... ক্লাছ গাৰী এখানত উভয়ে উঠি একে ফালৰ ... দুখান বিছনা পাৰি ললোঁ। যদিও কোনো ... নতুন যাত্ৰী উঠিছিল আৰু নামিছিলো, তথাপি ... কোনো কষ্ট নোপোৱাকৈ নিশ্চিন্ত মনে থাই শুই ... ছিলোঁ। ৰাতি পুৱাওতেই লামডিং জংশ্যন পালোঁ। এই লামডিং জংশ্যন আজিকালি ঘৰে-দুৱাৰে, বঙলাই, ... সুশোভিত। আগেয়ে ই এখান অৰণ্যানি আছিল। মনত পৰিছিল তাহানিখন গোলাঘাটৰ ফালৰ ... হাটীৰ ফাললৈ বদলি হৈ যাওঁতে এই জংশ্যনৰ ... এনিশা ভাত ৰান্ধি আমি উভয়ে বাহিৰতে থাই, ... ভাত তুলি নিছিলোঁ, লৰা ছোৱালীইঁতৰ নিমিত্তে ... শ্ৰেণীৰ গাৰীলৈ। সেই সময়ত আগৰ ৰৱণ নামৰ, ... ভাতৃসকলৰ মাজত মুখাৰ্জ্জী নামৰ আৰু চাহাব ... মিষ্টাৰ মেকাঞ্জি নামৰ বৰ্ত্তমান ৰায়বাহাদুৰ শ্ৰীযুত ... মুখাৰ্জ্জীৰ বৰ ককায়েক গুৱাহাটীৰ ডেপুটি কমিচনাৰ অফিচৰ ফৌজদাৰী ছিৰস্তাদাৰ প্ৰাতঃস্মৰণীয় ...সাধন মুখাৰ্জ্জীৰ প্ৰথম পুত্ৰ আছিল ষ্টেশ্যন মাষ্টৰ। ... আমাক ৰান্ধি বাঢ়ি খোৱাত সহায় কৰিছিল; কিয়নো এওঁৰে সৈতে মোৰ সৰু কালৰেপৰা জনা-শুনা। আজি সেই বন্ধু ৰৱণ নাই। আগেয়ে এই লামডিং মেলেৰিয়াই ভৰ-পূৰ আছিল, আজিকালি এই ঠাইৰ স্বাস্থ্য ভাল। এই লামডিঙৰপৰা এখান ৰেল পাহাৰৰ মাজে মাজে ৩৮টা টনেল বা সুৰঙ্গ পাৰ হৈ বদৰপুৰ পাইছেগৈ আৰু তাৰপৰা চাঁদপুৰ, চিটাগঙ্ ইত্যাদিলৈ গৈছে; ইটো লাইন গুৱাহাটী আৰু পাণ্ডুলৈকে গৈছে। অসম বেঙ্গল ৰেলৰ ডাঙৰ ডাঙৰ সকলো ষ্টেশ্যনতেই, চাহ, মিঠাই, পুৰী, কচুৰি, কল, সুমথিৰা টেঙা, ঠায়ে ঠায়ে এৱাঁ গাখীৰ সকলো পোৱা যায়। আমি ঘৰতে পুৰী, তৰকাৰি তৈয়াৰ কৰি নিছিলোঁ; মাথোন মাজে মাজে হিন্দু ফেৰিয়ালাই অনা চাহ, কল, আৰু সুমথিৰা টেঙা কিনি কিনি লৈছিলোঁ। ডায়েবেটিচ্ অৰ্থাৎ বহুমূত্ৰ বেমাৰৰ কাৰণে একেবাৰে ৬ বছৰে ভাত এৰি মোৰ পক্ষে এইবিলাকেই যথেষ্ট খাদ্য হৈছিল, মই কোনো দুখ অনুভৱ কৰা নাছিলোঁ। পিছদিনা অৰ্থাৎ ১৪।১১।৩৫ তাৰিখে বেলা ৩টা বজাত গুৱাহাটী পালোঁ। গুৱাহাটী ষ্টেশ্যনৰপৰা আমাক কটন কলেজত বি, এ পঢ়া সৰ্ব্বকণিষ্ঠ পুত্ৰ শ্ৰীমান দেৱকান্ত বাপাই মটৰত তুলি শ্ৰীমান নবীনচন্দ্ৰ বৰদলৈৰ ঘৰলৈ লৈ গল। সেই সময়ত শ্ৰীমান নবীন বৰদলৈ ঘৰত নাছিল, বৰপেটালৈ গৈছিল। আমাক অসমৰ বিখ্যাত মহিলা কবি মোৰ বিয়নী শ্ৰীমতী নলিনী আইদেৱে সাদৰ সম্ভাষণ কৰি ৰাখিলে। জা-জলপান খাই মোৰ বন্ধু বৰ্ত্তমান ছুটীত থকা ডেপুটি কমিশ্যনাৰ শ্ৰীমান দুৰ্গেশ্বৰ শৰ্ম্মা বি-এলদেৱক দেখা কৰি নানা কথা বতৰা হলোঁ। তাৰ পিছত শ্ৰীমান প্ৰবোধ বৰদলৈ ই, এ, ছিদেৱেৰে সৈতেও কথা বতৰা হলো। গধূলিৰ গাৰীত প্ৰায় ৬টা নে ৭টা বজাত শ্ৰীমান নবীন বৰদলৈ

পালেহি। ১৪.১১.৩৫ তাৰিখৰপৰা ২০।১১.৩৫ তাৰিখলৈকে গুৱাহাটীত আছিলো। এই সময়ৰ ভিতৰত পাটবাউসী সংক্রান্ত কামত ফুৰিছিলো। জনা-শুনা অনেক ভদ্রলোকৰ ঘৰলৈ গৈছিলো; পুৰণি বন্ধুবর্গকো দেখা কৰিছিলো। পুৱাই শুই উঠিয়েই উজান বজাৰৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰত নিতৌ ফুৰিছিলো। কি সুন্দৰ মহান্ দৃশ্যবিলাক! ফ্ৰী অক্সিজেন অৰ্থাৎ অম্লজানভৰা ব্ৰহ্মপুত্ৰৰ মুকলি বতাহ। সৰুতে যেতিয়া গুৱাহাটীত স্কুলত পঢ়া অৱস্থাত ফুৰিছিলো তেতিয়াও গুৱাহাটীৰ সৌন্দৰ্য্য পৰ্ব্বত-পাহাৰ, মঠ-মন্দিৰ, ব্ৰহ্মপুত্ৰ নৈ দেখিছিলো; তেতিয়া এইবিলাক সৌন্দৰ্য্য ভালকৈ উপলব্ধি কৰিব পৰা নাছিলো; কিন্তু এতিয়া আজি ৬৯ বছৰ বয়সত ভালে-দিনৰ মূৰত বিশাল ব্ৰহ্মপুত্ৰ নৈৰ মাজত উমানন্দ, উৰ্ব্বশী, বৰদমৰা, সৰুদমৰা, কৰ্ম্মনাশা—সিফালে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অতি পূবে দীৰ্ঘেশ্বৰী পাহাৰ, উত্তৰ গুৱাহাটীৰ পূব মূৰে মণিকৰ্ণেশ্বৰ, ৰজাদুৱাৰৰ পাহাৰৰ ওপৰত ধুনীয়া বঙলা, পশ্চিমফালে আঁৰ-পৰ্ব্বত, অশ্বক্লান্ত; গুৱাহাটী নগৰৰ পূবে ছত্ৰাকাৰ দেৱালয়ৰ মঠ, পশ্চিমে সুদূৰ ভুবনেশ্বৰী পাহাৰৰ ওপৰত ভুবনেশ্বৰী দেবীৰ বগা মঠটি, এইবিলাক দেখি প্ৰাণত যেনেকুৱা আনন্দ লাগিছিল, সেইদৰে আকৌ মনলৈ এটা দীঘল হুমুনিয়াহো আহিছিল। বোধকৰো কেৱেঁ নজনাকৈ চকুত এফেৰা লোও বৈছিল। ভাব হৈছিল, কি কৰ্ম্মদোষত, কিনো গ্ৰহৰ ফেৰত মই এনেকুৱা সৌন্দৰ্য্যশালী মহীয়সী জন্মভূমিক এৰি ক'ত চাহ বাগিচা এডোখৰৰ মাজত বনবাস খাটি আছো। তাত নাই নিজৰ ইষ্টকুটুম ওচৰত; নাই এনেকুৱা সৌন্দৰ্য্য! গুৱাহাটীত যি পিনেদিয়েই গৈছিলো সেই পিনেদিয়েই দেখো কেৱল সৌন্দৰ্য্য। সুন্দৰ সুন্দৰ ঘৰ-দুৱাৰ, চিকুণ আলি পদূলি, সৌন্দৰ্য্যশালী পাহাৰ পৰ্ব্বত-আশ্ৰম। আগেয়ে গুৱাহাটীৰ পূবৰ ফালৰ পাহাৰবিলাক গছে-বনে অৰণ্যানি আছিল—বাঘ চৰি ফুৰিছিল, এতিয়া এই পাহাৰবিলাকৰ ওপৰত বগা ধকধকীয়া বঙলাবিলাক। আগেয়ে যিবিলাক ঠাই কোবোকানি, বকৰাণি হোলা, ডোবা আছিল, সেইবিলাক ঠাই আজিকালি ডাঙৰ ডাঙৰ টিনৰ বঙলাৰে ভৰা। উজান বজাৰৰ নদীৰপৰা যিটো আলি কুকুৰমুতালৈ গৈছে, মোৰ স্কুলত পঢ়া কালত সেই আলিটোৰ দাতিত ঠায়ে ঠায়ে দুই চাৰিটা সৰু সৰু খেৰী ঘৰ আছিল; তাত দুখীয়া মানুহে বাস কৰিছিল আৰু অনেক দুখীয়া মানুহ কালা-আজাৰত নিকাৰ ভুগি মৰিছিল। ঠায়ে ঠায়ে শূন্য বকৰাণি আৰু ডোবা আছিল। এতিয়া সেইবিলাক ঠাইত লাইন পতা ডাঙৰ ডাঙৰ টিনৰ বঙলা ঘৰ। এতিয়া য'ত ভেটাৰেণাৰি অফিছ হৈছে, সেই ঠাইত আগেয়ে এটা ডোবা আছিল। যি ঠাইত এতিয়া শ্ৰীযুত সূৰ্য্যকুমাৰ বৰুৱা হাকিমৰ দোতালা বঙলা আছে আৰু তেওঁৰ দক্ষিণে আন আন বঙলা আছে, সেই ঠাইত আগেয়ে এটা পুখুৰী আছিল সেই পুখুৰীত লৰা কালত বৰশীৰে সৰু সৰু মাছ ধৰিছিলো। আজি সেই সেই পুখুৰীৰ চিনচাবেই নাই; আগৰ সেই দুখীয়া মানুহ বিলাকো নাই। শ্ৰীযুত পম্পূ সিং হাকিমৰ য'ত ঘৰ হৈছে সেই ঠাইতো আগেয়ে কেঘৰমান দুখীয়া মানুহ আছিল। যি ঠাইত কলেৰা নে কালা-আজাৰৰ ৰোগীৰ হাছপতালাদি হৈছে, সেই ঠাইত আগেয়ে এখান মুছলমান বস্তি আছিল। আগেয়ে শিলপুখুৰীলৈ যোৱা আলিৰ উত্তৰ ফালে ৺বাপুৰাম দেৱৰ আৰু ৺শম্ভুৰামদেৱৰ ঘৰত বাজে দুই চাৰি ঘৰ দুখীয়া কাম-বন কৰি খোৱা মানুহ আছিল। আলিটোৰ দক্ষিণফালে এডোখৰ পথাৰ আৰু এখান কোচ মানুহৰ বস্তি আছিল। আজি সেইবিলাক ঠাইত বঙলা উঠিছে। শৈশৱৰ খেলৰ লগৰীয়া, ললিত, মিনাক্ষি, বলাই, শৰত্, হোমাই কেৱেঁই নাই। আজি ৩৫ বছৰৰ মূৰত মই এজন ৰিপ-ভেন-ৱিংকিলহে হৈছো। বৰ্ত্তমানে য'ত কটন কলেজৰ নিউ হোষ্টেল হৈছে, সেই ডোখৰ ঠাইতে আমাৰ তাহানি স্কুলৰ দ্বিতীয় মাষ্টৰ মিষ্টাৰ সিন্ধুৰাম দাসৰ এটা সৰু চাৰিচলীয়া ঘৰ, আগত পূবলৈ যোৱা দাঁতিত এখান দেশী চেৰাপৰ দোকান, মিষ্টাৰ দাসৰ ঘৰৰ ওচৰতে এটা পুখুৰী ইত্যাদি আছিল। আঠগাওঁ চলাবিলৰ পাৰ, উলুবাৰী, সেই কানত জঙ্গল, বকৰাণি এতিয়া সেইবিলাক ঠাইয়ো ভালমানুহৰ ঘৰে-দুৱাৰে জাতিষ্কাৰ. চলাবিলৰ পাৰত এমেৰিকান বাপ্‌টিষ্ট



...মিছনৰ কি প্ৰকাণ্ড আশ্ৰম! এই দৰে যি পিনলৈকে ...ছিলো সেই পিনেই সকলো নতুন, সকলো সুন্দৰ ...দেখিছিলো। কিন্তু মোৰ পুৰণি সহপাঠী বন্ধু বিপিন ...ন, ললিত, দৈবকী, মথুৰ, নবীন, লক্ষ্মীপ্ৰসাদ বৰুৱা, ...নন্দী, সাৰদা, বিৰজা; খেলৰ লগৰীয়া মোতকৈ বয়সে ...ডাঙৰ হৰনাৰায়ণ বৰা, কৃষ্ণ চৌধুৰী, গৰ্গ নাজীৰ, ভোলা ...নাথ ছৱডেপুটি কলেকটৰ, জীৱন ফুকন, নবীন ফুকন, ...লোক ভূঞা, এইসকল কত? মাথোন আছে সেই ...৫।৬ জন বৃদ্ধ বন্ধু আৰু কুটুম্ব। কামত ব্যস্ত ...থাকিলেও একো একোবাৰ মনলৈ ভাব আহিছিল "আজি ...ই অকলশৰীয়া"।

গুৱাহাটীত দেখিলো আজিকালি সকলোৱে ভাল ঘৰ ...ত, ভাল শুৱনি বঙলা বন্ধাত ব্যস্ত। এইটো ...টোতি কিমান ভাল, কিমান বেয়া কব নোৱাৰো। ...লিকৰ পুৰুষানুক্ৰমে থাবলৈ স্থায়ী আয় বা উৎপন ...আছে সেইসকলে ১৫।২০ হাজাৰ টকা খৰচ কৰি ...একতলা, দুতলা ভাল ঘৰ-দুৱাৰ কৰি ললে বেয়া নহয়; ...যাৰ তেনেকুৱা স্থায়ী আয় নাই, কেৱল চাকৰীৰ ...ওপৰত নিৰ্ভৰ, সেইসকলে সৰহ ধন ভগন কৰি ...অট্টালিকা বন্ধা বোধকৰো যুগুত নহয়, কিয়নো পিছৰ ...ফালে যদি ভাল চাকৰী বা আন পিনে ৰোজগাৰ নহয়, ...তেনেহলে ঘৰৰ খাজানা, মাটিৰ খাজানা, মিউনিছিপেল ...ট্যাক্স আদি দি তেনেকুৱা ঘৰ ৰখা টান হব।

গুৱাহাটী নগৰখান শিক্ষা আৰু বিদ্যাৰ কেন্দ্ৰ। ...ত কটন কলেজেই আৰু কলেজৰ সংশ্লিষ্ট হোষ্টেলেই ...টিনৰ ঢেৰ ঠাই লৈছে; অসম ইউনিৰ্ভাৰ্ছিটি এই ...গুৱাহাটীত স্থাপিত হলে, গুৱাহাটী আৰু উন্নত হব।

এই জীৱনৰ ভিতৰত এই নিঃকিনে কেইখানমান ...উপন্যাস আৰু আন আন কেইখানমান পুথি ৰচি ...আইছো। মাজে মাজে বাতৰি কাকত, মাহেকীয়া ...কাকত আদিতো কিবা-কিবি লেখো, আৰু অ'ত-ত'ত দুই ...এটা বক্তৃতাও দিছো। এইখিনিৰ কাৰণেই মই যে নিজ ...জন্ম ঠাইত কিবা এটা শলাগণি পাম এইটো মই ...সপোনতো আশা কৰা নাছিলো; কিন্তু মোৰ কি পৰম সৌভাগ্য! এই বেলি ১৬।১১ ৩৫ ইং তাৰিখে গুৱাহাটীৰ শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকীদেৱৰ উদ্যোগত একতা সভাই আৰু অ, ভা, উ, সা, সভাই নিঃকিনক এখান আশাতীত অভিনন্দন পত্ৰ দিলে। এই অভিনন্দন পাই এই নিঃকিনৰ প্ৰাণত এটা বৰ ডাঙৰ ব্যৰ্থতাৰ ভাব আহিছিল। হাঁয়! মই এনেকুৱা শিক্ষাৰ কেন্দ্ৰ ঠাই এৰি হেবেদা বাগিচাৰ হাবিত সোমাই থাকি সাহিত্য হেৰুৱাইছো। মই শলাগণি দিওঁতে আপোনা-আপুনি মুখত ওলাইছিল ৰবীন্দ্ৰনাথ ঠাকুৰৰ সেই গীতটি:—

আমাৰ কবিতা হাৰায়ে গিয়েছে
এই বনে আমি কাঁদি, আমি কাঁদি।

১৭।১১ ৩৫ তাৰিখে শ্ৰীমান নবীনচন্দ্ৰ বৰদলৈ, শ্ৰীমান যোগেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীমান শিৱৰাম দত্তৰ লগত এখান সৰু নাৱেৰে ব্ৰহ্মপুত্ৰ নদ পাৰ হৈ উত্তৰ গুৱাহাটীলৈ গৈছিলো। নদ পাৰ হওঁতে ভালেমান পুৰণি কথা মনলৈ আহিছিল। স্কুলত পঢ়া কালটোত মাহটোৰ ভিতৰত যদি কুৰি দিন কুকুৰমূতাৰ নিজ ঘৰত আছিলো, অন্ততঃ দহ দিন মোৰ অভিভাবক মোমাইদেউ ৺দুৰ্ল্লভচন্দ্ৰ চাং কাকতিদেৱৰ ঘৰত আছিলো। সেই কালত ব্ৰহ্মপুত্ৰ নদ কেতিয়াবা পাৰ ঘাটৰ জাহাজেদি, কেতিয়াবা সৰু নাৱেদি পাৰ-ইপাৰ হৈছিলো। নাৱেদি পাৰ হওঁতে দুবেলিও মোৰ জীৱন শঙ্কটাপন্ন হৈছিল। এবেলি খৰালি পছোৱা বতাহৰ ঢৌত, এবেলি বাৰিষা ডকা আৰু চাকনৈয়াৰ মাজত পৰি। মনলৈ আহিছিল কেনেকৈ মোৰ শ্ৰদ্ধাস্পদ সোদৰপ্ৰতিম ৺ভিবিৰাম ককাইদেউৰ বৰটো লৰা যাক আমি বাছা বুলি মৰমতে মাতিছিলো, নাও ডুবি আন আন কেগৰাকীমান ভাল মানুহৰ লগত প্ৰাণ এৰিছিল! মনত পৰে সেই বাছাৰ শোকতে ৺ভিবিৰাম ককাইদেউ অসময়তে বৃদ্ধাৱস্থা হৈছিল। এই ৺ভিবিৰাম ককাইদেউ শ্ৰীমান যোগেন্দ্ৰনাথ বৰুৱা বি-এলৰ পিতৃদেৱ আৰু মোৰ বন্ধু শ্ৰীযুত কনকলাল বৰুৱা ৰায় বাহাদুৰ মন্ত্ৰীদেৱৰ শহুৰ। শিলসাকো পাই এই ডোখৰ ঠাই আগৰ লেখিয়াই দেখিলো কিন্তু আগৰ তিনিজন মানত বাজে বয়সীয়া মানুহ নাই। এটাইবিলাক সি

পুৰিত। সেই কালত এই উত্তৰ গুৱাহাটীত সৰু টিলাটোৰ ওপৰত মাথোন এখান মাইনৰ স্কুল আছিল। আন একো নাছিল। সুখৰ বিষয় এতিয়া সেই টিলাটোত এখান ডাক্তৰখানা আছে। উত্তৰ গুৱাহাটীত এটা হাই স্কুল হৈছে আৰু অসমৰ সৰ্ব্বাগ্ৰগণ্য সুপুত্ৰ ছিভিলিয়ান, সংস্কৃতত অগাধ পণ্ডিত ৺আনন্দৰাম বৰুৱাৰ স্মৃতি স্বৰূপে "আনন্দ" নামৰ এটা লাইব্ৰেৰি থাপিত হৈছে। এই লাইব্ৰেৰিত ভাল ভাল কেখানমান সাঁচিপতীয়া পুথি আছে আৰু ভাল ভাল কেতখিনি কিতাপ আছে। অৰ্থৰ অভাবত লাইব্ৰেৰিটো বেছি উন্নত কৰিব পৰা নাই। তাহানিখন উত্তৰ গুৱাহাটীত কাকতি, কটকী, দলৈ এই তিনি খেল মানুহ আছিল—তাৰ ভিতৰত কাকতি আৰু দলৈ এই দুটা খেল প্ৰবল আছিল। খাটে-পামে, ঘৰে-দুৱাৰে, চাকৰীয়ে-ব্যৱসায়ে প্ৰায়বিলাক পৰিয়ালেই চহকী আছিল। এতিয়া কোন কি অৱস্থাত আছে লৰৰ বেগত জানিব নোৱাৰিলো; কিন্তু এইটো জানিলো যে আমাৰ দলৈ খেলত অৰ্থাৎ দৈৱজ্ঞ ব্ৰাহ্মণ খেলত ৪।৫ ঘৰ মানুহে ভাতে-ভঁৰালে খাইছে। উত্তৰ গুৱাহাটীৰপৰা গুৱাহাটী নগৰখান চাই পঠালে বঙলাই, ঘৰে দুৱাৰে পাহাৰে, জাহাজে অতি বিতোপন ৰম্য পুৰী যেন দেখি। উত্তৰ গুৱাহাটীৰ হাৱা-বতাহ অতি স্বাস্থ্যকৰ, কিন্তু পানীৰ দোষত মাজে মাজে হাইজা, টাইফয়ড ইত্যাদি বেমাৰ হয়। বৰনৈৰ সুতিটো উত্তৰ পাৰে দিয়েই বৈছে। উত্তৰ গুৱাহাটীৰ মানুহে ব্ৰহ্মপুত্ৰৰ পানীৰ লগত এই বৰনৈৰ পানীও খাব লাগে। বৰ নৈৰ ওপৰৰ ফালে ইয়াৰ দাতিত থকা গাৱঁত কলেৰা বা টাইফয়ড হলে অনেক সময়ত সেই ৰোগত মৰাশবিলাক নৈত পেলাই দিয়ে, অথবা বেমাৰীৰ কানি-কাপোৰবিলাক নৈত ধোৱে। নৈৰ পানী বিষাক্ত হয় আৰু সেই পানী খালেই উত্তৰ গুৱাহাটীত কলেৰা, টাইফয়ড ইত্যাদিৰ উদ্ভৱ হয়। মনত আছে তাহানি সৰুতে, স্কুলত পঢ়োতে এবেলি মোমাইদেউৰ ঘৰত থাকোঁতে মোমাইদেউৰ ঘৰত কলেৰা লাগি বৰ মামীদেউ, ৺লক্ষ্মীচন্দ্ৰ মোমাইদেউ, এটা চাকৰ, এজনী বেটী ছোৱালী মৰিছিল, গধূলি হলেই সকলোৱে দুৱাৰ ঘৰ মাৰি ভিতৰ সোমাইছিল। জেঠাইদেৱে মোক ঘৰৰ ভিতৰত গধূলিতে সুমুৱাই লৈ আৰু ওলাবলৈ নিদিছিল। পিছত যেতিয়া ৪ জন ঢুকাল মোক ততাতৈয়াকৈ জেঠায়ে মোৰ নিজ ঘৰ কুকুৰমূতালৈ পঠাই দিছিল। সেই কালত কলেৰাৰ হ'মিঅ'পেথিমতে বা এল'পেথিৰ মতেও Saline Injection আদি ভাল চিকিৎসা নাছিল। এই সময়ত মোৰ বয়স ১৩ কি ১৪ বছৰ আছিল—মানি ৫৪ বছৰৰ আগৰ কথা। বৰ্ত্তমানে উত্তৰ গুৱাহাটীৰ বাসিন্দাসকলে বেমাৰৰ সময়ত যে পানী তপত কৰি চেচা কৰি খাব লাগে, খোৱা বস্তুত মাখি পৰিবলৈ দিব নালাগে, ইত্যাদি ব্যৱস্থা বোধকৰো জানে।

গধূলি সুৰুয দেৱতা প্ৰায় ডুবো ডুবো হওঁতে আমো নাৱেদি নদ পাৰ হৈছিলো। সেই সময়ত কবি ৱাৰ্ডছৱাৰ্থৰ

"How richly grows the water's breast,
Tinged with the evening hues
While facing them the crimson West
The boat her silent course pursues."

এই কবিতাটি মনত পৰিছিল।

ইয়াৰ পিছত ১৮।১৯ ২০ এই তিনদিন গুৱাহাটীত থাকি পাটবাউসী সম্পৰ্কে পুৰণি বন্ধুবৰ্গক দেখা কৰিছিলো, পুৱা-গধূলি গুৱাহাটীত ঘূৰি ঘূৰি ফুৰিছিলো।

২১।১১।৩৩ তাৰিখে পুৱাই ৰেলত উঠি সপৰিবাৰে লগত এটা চাকৰ আৰু শ্ৰীমান শিৱৰাম দত্তক ভাটি বেলা প্ৰায় ল'কেল ৩ বজা সময়ত বৰপেটা পালোহি। ৰেলেদি যাওঁতে বাটে বাটে তাহানিখনৰ গুৱাহাটীত ছৱডেপুটি কলেকটৰি কাম কৰা সময়ৰ আৰু পাটীদৰং তহচিলদাৰি কৰা সময়ৰ দৃশ্যবিলাক আৰু পুৰণি কথা-বিলাক মনত পৰিছিল। এতিয়া য'ত আমিন গাৱঁৰ ৰেল ষ্টেশ্যনটো আছে তেতিয়া অৰ্থাৎ ১৯০৯ খৃষ্টাব্দত তাত এখান দুখীয়া কৈবৰ্ত্ত গাঁও আছিল। এতিয়া সেই গাঁৱৰ চিনচাবো নাই। যেতিয়া চিলাৰ পাহাৰৰ কাষেদি ৰেলখান গৈছিল, তেতিয়া মনত পৰিছিল তাহানিখনৰ চিলাৰ চকি। মোমাইকটা গড় আৰু চিলাৰ পাহাৰৰ ...নতে এই চকিখান আছিল। সোমাই কটা গড় ...ৱাও পৰি আছে, কিন্তু সেই আহোম ৰজাৰ চাকিয়াল ...নাই। চকি পাৰ হৈ ৰেল আলিৰ কাষে কাষে থকা ...লিবাটটো দেখি মনত পৰিছিল, এই আলিয়েদি ঘোৰাত ... ৰতবাৰ চুটীয়া পাৰা, কমলপুৰ, হুমনিচকি ৰঙ্গিয়া, ...ৱাৰী, তামুনপুৰ, বৰমা ইত্যাদি ঠাইলৈ অহা-যোৱা ...ৰিছিলো। তেতিয়া এই ৰেল নাছিল। চুটীয়াপাৰা ...। অ', ইয়াতেই তাহানি তহচিল অফিছটো আছিল, ... মোৰ ককা ৺হৰকান্ত সদৰআমিনদেৱৰ দ্বিতীয় পুত্ৰ ...গান্ত বৰুৱা তহচিলদাৰ আছিল। এতিয়া সেই ...চিল আফিছৰ চিনচাবেই নাই। বাইহাটা পাওঁতে ...ত পৰিছিল ইয়াৰ ওচৰতে কমলপুৰ থানা আৰু ...চিল আছিল; সেই তহচিলত এই নিঃকিনে ১১ মাহ ...চিলদাৰি কামো কৰিছিলো। ৰঙ্গিয়া ষ্টেশ্যন পাওঁতে ...ত পৰিছিল এই ঠাইতে কেম্প কৰি জিকেৰিৰ হাবি ...চিলোগৈ, পুৰণি মণ্ডলসকলৰ মুখে হৰদত্ত বীৰদত্তৰ ...নী শুনিছিলো আৰু সাচিপাতত লেখা বুৰঞ্জী এখানো ...ছিলো। নিঃকিনৰ "দন্দুৱা দ্ৰোহ" নামৰ উপন্যাসৰ ...ঠাই এই ৰঙ্গিয়াই। নলবাৰী পালোঁ, টিহু পালো; ...ত পৰিছিল এইবিলাক ঠাইতো মাটি জুখি মণ্ডলৰ ...চাই ফুৰিছিলো। টিহু পাওঁতে "অ মোৰ পাটা-...কুচি ক'ত" এই কথা মনত পৰাত ৰেলৰ সহযাত্ৰী ...ক সোধাত কলে ৰেল লাইনৰ উত্তৰ পাৰে আতৰত ...। বাং, বামাখাটা ইত্যাদি গাৱঁো উত্তৰত আছে। ...পালো—অ' ইয়াতে কেম্প কৰি আছিলো। ...টা ষ্টেশ্যন পাওঁতে তাহানিখনৰ ভবানীপুৰ আৰু ...মৌজাদাৰ ৺ভনুৰাম চৌধুৰীলৈ মনত পৰিল। ...ৰ ফুলগুৰি, মৰিচা, নকঁয়াকুচি ইত্যাদি গাৱঁলৈ মনত ...ছিল। এবেলি নকয়াকুচিলৈ গধূলি পৰত গাৱঁলীয়া ...সুৰসুৰীয়া বাটেদি অকলৈ যাওঁতে মটমট কৰি নল ...ৰি ভাঙি এটা প্ৰকাণ্ড ঢেকীয়াপতীয়া বাঘে কেনেকৈ ...ঘোৰাবে সৈতে আক্ৰমণ কৰিবলৈ ধৰিছিল আৰু ...মানুহক বিভিয়াই মাতোতে মোৰ চাপ্ৰাচী ...নে হাই উকমি কৰি লৰি অহাত সেই বাঘ যিখিনি ঠাই পাইছিল (মোৰ ঘোৰাৰপৰা দুনলমান আঁতৰত) তলকা মাৰি বহি বৈছিল—মই ৰক্ষা পৰি গাৱঁত গৈ কেম্প কৰিছিলো। বৰপেটা ৰ'ড ষ্টেশ্যন পালো। এই ডোখৰ ঠাই হয়তো আগৰ হস্তিনাপুৰ নে বিজনী মৌজাৰ এলেকাৰ অটব্য অৰণ্য আছিল। এতিয়া ইয়াত ৰেলৰ ষ্টেশ্যন, গুদাম ঘৰ আদি হৈছে। ৰেল আলিৰ উত্তৰৰ ফালে য'ত অটব্য অৰণ্য আছিল, আৰু যিবিলাক ঠাই সেই কালত মই মণ্ডল, ৺ভগীৰথ কাননগুহ ইত্যাদিক লৈ প্লেন টেবিলেদি জৰীপ কৰি কৰি মেপ তৈয়াৰ কৰিছিলো সেইবিলাক ঠাইত ধেনুভজীয়া ঘৰ কেতখিনিমান দেখিছিলো, ৰেল আলিৰ দাতিত ধানতলী, সৰিয়হতলী দেখিছিলো। বুজিব পাৰিছিলো সেইবিলাকেই মৈমনসিঙীয়া মুছলমানসকলৰ বস্তি আৰু খেতিৰ পথাৰ। বৰপেটা ৰড ষ্টেশ্যনত নামি অসমীয়া মানুহ দুজননে এজনত বাজে কেৱল বিদেশী মানুহহে দেখিছিলো। ৰেলৰপৰা নামি বাছত উঠিছিলো; বাছৰপৰা ষ্টেশ্যনৰ ওচৰত হাটবজাৰ দেখিছিলো। কিছুদূৰ আহি হাউলীবোলা ঠাই ডোখৰ পালো। অ' এয়েনে মোৰ সেই হাউলী য'ত মনাহ নৈৰ পাৰত মই চণ্ডী বৰুৱাৰ ঘৰ-দুৱাৰৰ, মনোমতী থকা ঘৰৰ কল্পনা কৰিছিলো, যি হাউলীত মই মহামান্যবৰ সেই কালৰ ডিৰেক্টৰ গেইট ছাহাবৰ আদেশত হাউলীৰ হাবি সোমাই চণ্ডীবৰুৱাৰ ঘৰৰ ভেটি আদি চাইছিলো। এয়ে যদি সেই হাউলী হয় তেন্তে মোৰ হেলা-পাকৰি ক'ত য'ত তেতিয়াৰ ডেপুটি কমিশ্যনাৰ গৰ্ডন ছাহাব, এছিছটেণ্ট প্লেফেয়াৰ ছাহাব, গোপাল ছিৰস্তাদাৰ, ৰদিয়াল হক্ পুলিছ ইন্সপেক্টৰৰ সৈতে কেম্প কৰিছিলো। বাছৰ লগৰীয়া এজনে কলে সোঁহাতলৈ দুবৈত আছে। অ' যুগীৰ পাম ক'ত? কেৱেঁ কব নোৱাৰিলে। মনলৈ এটা হুমুনিয়াহ আহিল। বৰ পেটাৰ চাউলখোৱা ঘাট পালোহি। আগেয়ে এই চাউলখোৱা কেতিয়াবা মাৰ নাৱেদি, কেতিয়াবা সৰু নাৱেদি পাৰ হৈছিলো—এতিয়া ইয়াৰ ওপৰত ডাঙৰ লোৰৰ দলং। চাউলখোৱা নৈৰ বুকত দেখোন পানীমেটেকা (কচুৰি পান্না)! নৈখানত দেখোন সোত দক্ষিণফাললৈ নাযেই, আছে পশ্চিমৰপৰা পুবলৈ এটা

সোত—এই সোতটো নথানা নৈত পৰিছেগৈ। চাউল-খোৱাৰ দলং পাৰ হৈয়ে পোনেই মহকুমাৰ হাকিমৰ বঙলা পালো। এই বঙলাটো আগৰ দৰেই আছে। ১৯০৭ নে ১৯০৮ ত মই এই বঙলাতে তিনিমাহ বৰপেটাৰ মহকুমাধিপতি হৈ আছিলো। তাৰ পিছত ছাৰ্কুট বঙলা, কছাৰীঘৰ পালো। এইবিলাক সেই আগৰ ঠাইতেই আছে। পোন আলিটোৱেদি আগৰ নগা বাবাৰ আথাৰাৰ উত্তৰেদি পূবে গৈ উত্তৰলৈ ঘূৰি শ্ৰীমান ধনীৰাম তালুকদাৰ বি-এ বাপাৰ টিনৰ সুন্দৰ বঙলা ঘৰ পালোঁ। আগৰ নাগা বাবাজীৰ আথাৰাৰ চিনচাৰ একো নাই, আছে মাথোন তেওঁৰ গুৰুৰ সমাধিটো আৰু মন্দিৰটো। ধনীৰাম তালুকদাৰ থকা ঠাইডোখৰত আগেয়ে এটা ওখ ভেটিৰে চাৰি-চলীয়া ঘৰ আছিল। এই ঘৰতেই মই ১৯০০ খৃঃ ত দ্বিতীয়বাৰ বৰপেটালৈ ছবডেপুটি কলেক্টৰি কাম কৰিবলৈ যাওঁতে ১১ মাহ অছিলো। মনত পৰিছিল কেনেকৈ এই চনৰ জুলাইনে আগষ্ট মাহত নথানা নদী বাঢ়ি পাৰ বাগৰি এৰাতিৰ ভিতৰতে বৰপেটা ডুবাইছিল। মহকুমাধিপতিৰ বঙলাটোৰ পাত মুঠেই পানীৰপৰা ছয় ইঞ্চি মানহে ওপৰত আছিল; আৰু বৰপেটাৰ কীৰ্ত্তন ঘৰৰ ভেটিটোও পানীৰ সিমান ওপৰত আছিল। মই থকা সেই ঘৰটোৰ ভেটিৰ ওপৰত এবুকু পানী হৈছিল। লোকেলবৰ্ডৰ মোৰ বন্ধু, শ্ৰীযুত সৰ্ব্বানন্দ অভাৰছিয়াৰ দেৱৰপৰা বাঁহ কেডালমান আৰু তক্তা কিছুমান আনি ঘৰটোৰ বাৰান্দাত, প্ৰত্যেক খোটালিতে বাঁহৰ খুটা পুতি তাত ধাম দি তক্তা পাৰি লৈ বগাই ফুৰিছিলো। মাজৰ খোটালিত তক্তা পাৰি একাষে তক্তাৰ ওপৰত মাটি তুলি লৈ তাতে পানী উঠাৰ আগেয়ে ওপৰত তুলি ৰখা চাঙৰ থৰিৰে কেৱল খিচিৰি ভাত খাই ১২।১৩ দিন আছিলোঁ। শোৱনী খাট পালেং আৰু ডাঙৰ ডাঙৰ লোটা-কলহ বাছন-বৰ্ত্তন পানীৰ তলতে ডুবি থাকিবলৈ এৰি দি কেৱল দুটা কেৰাহী আৰু টিন আৰু ৪ খান কাঁহি তুলি ৰাখিছিলোঁ। শুৱলৈ বিছনাখন পানী বঢ়াৰ লগে লগে বাহৰ খুটা পুতি চাং কৰি লৈ আছিলো। চাঙৰ চাৰিও কাষে বাহৰ ডাং বান্ধিছিলোঁ

যাতে লৰা ছোৱালী পানীত নপৰে। লগতে এখা
চৈ দিয়া নাৱো ৰাখিছিলোঁ। শৌচ কৰিবলৈ হ
ইপিনে সিপিনে নাও লৈ লৈ গৈছিলো। সেই ১৫ দি
স্কুল, কছাৰী সকলো কাম বন্ধ আছিল। বৰপেটা ডু
বাতৰি পাই সেই কালৰ ডেপুটি কমিশ্যনাৰ কৰ্ণেল গৰ্ডে
জাহাজ লৈ বৰপেটাৰ বিলৈ চাই গোৱালপাৰাৰপ
চাউল অনাই দুখীয়া ৰায়তক সহায় কৰিছিল। ভিত
বৰপেটাৰফালে অনেকেই গছৰ ওপৰত আছিল; পানী
তল নোযোৱা ভিতৰৰপৰা বাট কাটি ছাতা লৈ কৰ
দুখান লৈ—চাউলৰ পাচি লৈ ঘৰৰ মুধতে লৰা
ছোৱালীয়ে বহি বহি দিন কটাইছিল। যাৰ যাৰ ঘৰবিলা
ডুবি গৈছিল সেই সকলে ই গছৰপৰা সি গছলৈ বাঁহ বান্ধি
তক্তা বান্ধি সেইবিলাকৰ ওপৰতে আছিল। কত
গৰু মহ উটি গৈছিল! তাৰ লেখ-জোখ নাছিল। চা১০
কেচুৱাও পানীত পৰি পৰি মৰিছিল। ঘৰৰ চাল
ওপৰতে শৌচ, পেছাব, প্ৰসৱ ইত্যাদি সমস্ত কাৰ্য্য হৈছিল
খোৱাৰ ভিতৰত অনেকেই শুকান চাউল মুঠামুঠাকৈ গি
গিলি পানী খাই খাই আছিল। ভিতৰ বৰপেটাত এটা
দুটা দুমহলীয়া ঘৰৰ ওপৰত যি সকল মানুহ আছিল সে
সকলে পুৱা-গধুলি খাই-বৈ বেহেলা ঢুলুকি আদি বজা
ফুৰ্ত্তি কৰিছিল। কিছুমান মানুহে ২।৩খান নাও ল
লগাই মাৰ বান্ধি সেই মাৰৰ ওপৰতে বহি গান গাই বজা
মাৰ চলাই লৈ ফুৰিছিল। এই সকলোবিলাক কথা মন
পৰিল। যেতেকে পানী শুকাবলৈ ধৰিলে তেতেকে আমা
ঘৰটোৰ ভেটিৰ ওপৰতে পানীত সাপ মাছ এইবিলাক
চৰি ফুৰা পাইছিলোঁ। ভাগ্য ভাল, সাপে আমাৰ কোনে
অনিষ্ট কৰা নাছিল। সেই সময়ত মোৰ মানুহ ৩টা, বানু
এটা প্ৰত্যেকটো মানুহৰ জিম্মাতে একোটাকৈ লৰা
ছোৱালী দিছিলোঁ আৰু আমি প্ৰত্যেকেই নিশা
সজাগে আছিলো। এই বানপানীৰ সময়ত মহকুমাধিপতি
আছিল ৺মৌলবী মহিবুদ্দিন ছাহাব।

তালুকদাৰৰ ঘৰত অলপ জিৰাই সত্ৰ
পেন্সনপ্ৰাপ্ত ডেপুটি ইন্সপেক্টৰ জনৰ অনুৰোধ
মতে শ্ৰীযুত যাদবচন্দ্ৰ দাসৰ লগত বৰপেটাৰ



র্ত্তন ঘৰলৈ গলো। অঃ! কি মনপ্ৰাণ হৰা, মোৰ পুৰণি
তি উদ্ধৰ কৰা মহান পৱিত্ৰ ঠাই! কাষৰ দোকান
বিলাকো আগতকৈ উন্নত। বাটচৰাটো প্ৰকাণ্ড
দুনীয়া মহান্। ধন্য মোৰ বৰপেটা নিবাসী মহাপুৰুষীয়া
সকলৰ ধৰ্ম্মপ্ৰাণতা, তেওঁলোকৰ কীৰ্ত্তিকলাপ!
পাৰ হৈ সত্ৰৰ ভিতৰত সোমালো—সম্মুখত প্ৰকাণ্ড
র্ত্তন ঘৰটো। মহাপুৰুষৰ মঠৰ আগৰ চোতালত বহিলো--
শ্ৰীশ্ৰীযুত নাৰায়ণদেৱ মিশ্ৰক তেওঁৰ বহাতে সেৱা
আহি। মনত যে কিমান পুৰণি কথা জাগৃত হল
এটাৰ নোৱাৰো। ছবডেপুটি কলেক্টৰ থাকোতে
৺মাতৃদেৱী, পত্নী, সন্তান আদিক লৈ যে কেইবেলি
এই সত্ৰত সেৱা কৰিছিলো লেখ দিব নোৱাৰো।
অকলৈ অকলৈ যে কেইবেলি আহিছিলো তাৰ
জোখ নাই। এই বৰপেটাত থাকোঁতেই এজন
সংগুৰু পাওঁ যি জনাই প্ৰাণায়ামেৰে মৈতে বীজ
জ্ঞান চকু মুকলি কৰি দিছিল। আৰু এই সত্ৰলৈ
যোৱা কৰোতে কৰোতে ৺শ্ৰীশ্ৰীগোবিন্দ সত্ৰীয়া,
বাম বাঢ়িয়া আতৈ এইসকলৰ সৎসঙ্গ কৰি ধৰ্ম্মজীৱন
ছিলো—হিন্দু ধৰ্ম্মত প্ৰগাঢ় ভক্তি লভিছিলো।
সেইকালৰ ধৰ্ম্মপ্ৰাণ এই দুজনা আৰু বৈষ্ণৱ
ৰাম উকীল, ৺ৰামদাস উকীল, ৺বলৰাম উকীল,
উকীল ৺সৰ্ব্বেশ্বৰদেৱ মৌজাদাৰ, হৰিশ্চন্দ্ৰ
দাৰ, তেওঁৰ পিতৃ ৺সোণাৰাম দাস যাক লগত লৈ
মইনবৰি আৰু বৰ চাপৰিলৈ যাওঁতে
দুদিন, দুৰাতিৰ ভিতৰত "মিৰি-জীয়ৰী"
ছিলো। নোপান ছিৰস্তাদাৰ, হুণুৰাম চৌধুৰী, হৰেশ্বৰ
তহছিলদাৰ, ছানাৰাম পেস্কাৰ, উমাকান্ত কাননগুহ,
পেস্কাৰ, ললিত মৌজাদাৰ এইসকল বৈষ্ণৱ আৰু
গুৱনি মানুহ নাই। বৰপেটাত মাত্ৰ মোৰ আগৰ
বন্ধুৰ ভিতৰত আছে মহীৰাম দাস পেন্সনপ্ৰাপ্ত
ডেপুটি ইন্সপেক্টৰ, শ্ৰীযুত ৰামপ্ৰসাদ দাস বি, এল,
লোহিতচন্দ্ৰ নায়ক বি, এল, শ্ৰীযুত যাদবচন্দ্ৰ দাস,
দীঘলা মাধৱ। ওপৰৰ পাঁচ জনক দেখা পাইছিলো;
বিষয় মোৰ শ্ৰীমান দীঘলা মাধৱক লগ নাপালো।

কিমান যে ফাগুৱাৰ উৎসৱ, কিমান যে জন্মাষ্টমীৰ উৎসৱ এই বৰপেটাত চাইছিলো সেইবিলাক অতীতৰ সপোন যেন লাগিছিল।

চোতালত উপস্থিত হোৱা মহাপুৰুষীয়া ভাতৃসকলক পাটবাউসীৰ দুৰ্দ্দশা জনাই সহায় ভিক্ষা কৰাত মোৰ অতি শ্ৰদ্ধাৰ মহাপুৰুষীয়া ভাতৃসকলে "বাৰু বিবেচনা কৰি যি পাৰো আমি সহায় কৰিম" বুলি কৈ পৰম সন্তোষ দিলে।

নিশা শুৱলৈ মোক শ্ৰীমান শান্তপাল দাস বাপাই তেওঁৰ নিজৰ শোৱা খোটালিটো আৰু বাথৰূমটো এৰি দিলে। আমি পৰম সুখেৰে তাত শুলো। শ্ৰীমান শান্তপাল বাপা স্কুলৰ ডেপুটি ইন্সপেক্টৰ। শ্ৰীমান বাপাই মোক জানিবলৈ দিলে যে তেওঁ মোৰ পুত্ৰ ৺গোলোককান্তৰ সহপাঠী আছিল। তেওঁ আৰু তেওঁৰ পৰিবাৰে আমাক যেন নিজৰহে পিতৃ এনেকুৱা জ্ঞান কৰি যি সেৱা-শুশ্ৰূষা আষ্ট-আদৰ কৰিলে এইটো পাহৰিব নোৱাৰো। মই এনেকুৱা আদৰ প্ৰায় সততে সেই ৺কালৰ সহপাঠী প্ৰফেছাৰ শ্ৰীমান সূৰ্য্যকুমাৰ ভূঞা বাপাৰপৰাও পাই আছো। ঈশ্বৰে এওঁবিলাকক সপৰিবাৰে সপুত্ৰবান্ধৱে দীৰ্ঘায়ু কৰি সুখী কৰক।

২২।১১।৩৫ তাৰিখে পুৱাই শুই উঠি মোৰ পুৰণি বন্ধু শ্ৰীযুত মহীৰাম দাসক লগ পাই তেখেতক লগত লৈ শ্ৰীযুত ৰামপ্ৰসাদ দাসৰ ঘৰলৈ গলো। শ্ৰীযুত ৰামপ্ৰসাদ দাস বি, এল মোৰ কলিকতা সহপাঠী আছিল। আজি ভালেমান বছৰৰ মূৰত তেওঁক দেখা পাই মনত বৰ আনন্দ লাগিছিল। তেওঁ মোতকৈ তিনি বছৰমানে ডাঙৰ। শ্ৰীযুত মহীৰাম দাস ডাঙৰীয়াৰ বয়স প্ৰায় ৮৩।৮৪ বছৰ। এতিয়ালৈকে তেখেত বেছ সুস্থ শৰীৰে আছে। দাঁতো সৰা নাই, চুলিও সৰহকৈ পকা নাই। পুৱা-গধূলি বেছ ফুৰে। আলিবাটেদি বন্ধুৰ ঘৰলৈ যাওঁতে উত্তৰফালে সুন্দৰীদিয়া বামুণা সত্ৰ ইত্যাদি দেখি সেইবিলাক ঠাইত থকা অৰ্থাৎ সুন্দৰীদিয়াত মহাপুৰুষ গুৰুৰ সত্ৰ, বামুণাত দৈত্যাৰি ঠাকুৰৰ সত্ৰ এইবিলাকলৈ মনত পৰি দূৰৰেপৰা মনে মনে সেৱা জনাইছিলোঁ। বন্ধুৰ লগত গলাগলি কোলাকুলি কৰি উলটি আহি ৮ মান বজাত মহকুমাধি-

পতিৰ তাৰে সপৰিবাৰে গলো আৰু তাত তেখেত আৰু তেখেতৰ সহধৰ্ম্মিণী আমেৰিকান মেমে সৈতে কথা বতৰা হৈ আমাৰ শ্ৰদ্ধা জনাই বাহাৰৈ উলটি আহি নিত্য নৈমিত্তিক কৰ্ম্ম কৰি শ্ৰীমান ধনীৰাম তালুকদাৰ বোপাই ঠিক কৰি থোৱা সুন্দৰ নাওখানত সপৰিবাৰে আৰু লগতে তেওঁৰ আৰু শ্ৰীমান শান্তপাল বাপাৰ পৰিয়াল আদিৰে সৈতে আগত ব্যসকুচি সত্ৰৰ শ্ৰীশ্ৰীযুত হৰিদেৱ গোস্বামীৰে সৈতে পাটবাউসীলৈ নথান্দা নদীয়েদি গৈছিলোঁ। কেনে সুন্দৰ নদীখান! কেনে মন-প্ৰাণ শীতল কৰা মুকলি বতাহ! দুয়ো পাৰে গাওঁ-ভূই বননিৰ কেনে সুন্দৰ দৃশ্য! নদীৰ দুঠাইত ঘাটজাল পাতি বঙালী মাছুৱৈয়ে মাছ ধৰি শুকাই থোৱা দেখিলোঁ। শুকান মাছৰ দুৰ্গন্ধত আমাৰ নাক বন্ধ কৰি গৈছিলোঁ। গোস্বামী প্ৰভুজনা জনা-শুনা বিশিষ্ট লোক। নিজ দামোদৰী সম্প্ৰদায়ৰ সকলো তথ্য জানে। পাটবাউসীৰ নৈৰ ঘাট পাই উক্ত গোস্বামী প্ৰভুক আগ ধৰি পঠিয়ালোঁ। পিছত মই ঘাটতে বামুণা সত্ৰৰ ৮৫ বছৰ বয়সীয়া বৃদ্ধ অধিকাৰ জনাক লগত পাই তেখেতৰ লগতে পাটবাউসী সত্ৰ পালোগৈ। মহিলা সকলক সত্ৰৰপৰা ঢেৰ ভকতনী আহি আগবঢ়াই লৈ গল। সত্ৰ পায়েই মনিকূটৰ ভিতৰ সোমাই বাসুদেৱ মূৰ্ত্তিত সেৱা জনালোঁ, অধিকাৰক সেৱা কৰিলোঁ; তাৰ পিছত শ্ৰীশ্ৰী৺ভট্টদেৱে থাপিত কৰা মঠটো চালোঁগৈ। মঠটোৰ দুৰ্দ্দশা দেখি মনত বৰ বিষাদ লাগিল। এই মঠ থকা ঠাইতে বহি প্ৰভু ভট্টদেৱে তেৰাৰ "কথা গীতা," "কথা ভাগৱত" ৰচি অসমীয়া জাতিক ভাৰতৰ ভিতৰত গদ্য সাহিত্য ক্ষেত্ৰত ওখ আসনৰ দাবী কৰিব পৰা শক্তি দি গৈছে। আজি সেই ঠাইৰ কি ঘোৰ দুৰ্দ্দশা! মঠটো ভাগি ছিগি যাব ধৰিছে। একাষৰ ইটাও খহি পৰিছে। মঠৰ গাত ঠায়ে ঠায়ে ইটা ভেদ কৰি এজোপা আঁহত গছ গজি ডাঙৰ হৈছে। এই আঁহত গছডাল কাটি মঠটোৰ সংস্কাৰ নকৰিলে আৰু কেই বছৰ মানৰ মূৰত মঠটোক গছডালেই ধ্বংস কৰিব। মই শ্ৰীশ্ৰীযুত ৰামদেৱ গোস্বামী সত্ৰাধিকাৰক তেওঁ কিয় চৰকাৰৰ ঘৰত (এন্সিয়েণ্ট মনুমেণ্ট প্ৰিজাৰ ভেশ্যন Ancient monument preservation আইন অনুসাৰে নিবেদন জনোৱা নাই, এই কথা সোধাত, প্ৰভুদে[...] কলে যে তেওঁ দৰ্খাস্ত কৰিছিল; এজন নৈষ্ঠিক মাৰা[...] ব্ৰাহ্মণ অফিছাৰে চাইও গৈছিল। তথাপি এই জীৰ্ণ মঠ[...] সংস্কাৰ নহল। চৰকাৰৰ ঘৰে বোধকৰোঁ এইটো ধৰ্ম্মমন্দি[...] বুলি হাত নিদিলে; কিন্তু এই নিঃকিনে এইটো জনা[...] যে অসমীয়া গদ্য সাহিত্যৰ এই ঠাইতে জন্ম হৈছিল[...] এই হিচাবেও মঠটো সংৰক্ষণীয়। অসমীয়া সাহিত্যিক[...] পক্ষে এই মঠ পৱিত্ৰ তীৰ্থ। আজি এই মঠৰ এ[...] বিলৈ! অসমীয়া ৰাইজ! বিশেষকৈ সাহিত্যসেৱীসকল[...] এবেলি এই মঠৰ দুৰ্গতিটো পাৰে যদি চাই যাওক হ[...] সত্ৰখানৰ ভিতৰত নামঘৰ বা কীৰ্ত্তনঘৰ নাই। আগ[...] থেৰৰ প্ৰকাণ্ড কীৰ্ত্তনঘৰটোক অগ্নিয়ে দহি ভস্মসাৎ কৰি[...] থৈছে। কীৰ্ত্তনঘৰৰ প্ৰকাণ্ড ভেটিটোৰ এচুকত অৰ্থা[...] উত্তৰ ফালে খুটা আৰু বাঁহৰ ধাৰৰ ওপৰত কেইখনমা[...] ফটা-ফুটা টিনপাত আছে। সত্ৰৰ অধিকাৰদেৱে সপৰিবা[...] থাকে—টিনপাতৰ বেৰা দিয়া টিনৰ চালি এডোখৰ[...] তলত। মানুহ দুনুহ বহুৱাবলৈ আছে—এডোখৰ স[...] তিনি খুটলীয়া টিনৰ ঘৰ। বাসুদেৱ বিগ্ৰহ আছে[...] নামঘৰৰ ভেটিৰ উত্তৰত টিনৰ চালৰ, টিনৰ বেৰা[...] মনিকূটটোত। এই হৈছে ভট্টদেৱৰ বংশধৰসকল[...] আৰু তেৰাৰ থাপিত মঠ মন্দিৰৰ অৱস্থা! এখা[...] চামিয়ানৰ তলত পাটবাউসী সত্ৰ সংৰক্ষণ অৰ্থে সভা[...] বহিছিল, সেই সভাত যোগ দি ৩ ঘণ্টামানৰ পিছত আকৌ[...] বৰপেটাৰ হাইস্কুলত সভা এখনত উপস্থিত হ[...] লগীয়া হোৱাত প্ৰায় চাৰি বজাত খোজ কাঢ়ি আহি নদী[...] ঘাট পালোঁ। বাটৰপৰা দূৰত থকা প্ৰভু শঙ্কৰদেৱৰ[...] থাপিত পাটবাউসীৰ কীৰ্ত্তনঘৰ আদি দেখি যাব নোৱাৰি[...] দূৰৰেপৰা সেৱা জনালোঁ আৰু শুনিলোঁ যে সেই ঠাইৰ[...] সকলো বন্দবস্ত ভাল আৰু ঘৰ দুৱাৰ সুন্দৰ পৰিপাটিকৈ[...] সজোৱা। ধন্য মোৰ মহাপুৰুষীয়া ভাতৃসকলৰ আদিগুৰু[...] প্ৰতি ভক্তি! আজি দামোদৰী পাটবাউসীৰ কি দুৰ্দ্দশা![...] গল বেলি হেনো পাটবাউসী সত্ৰৰ কেৰেঁ কেৰেঁ মিলি[...] অধিকাৰে মানা কৰা সত্বেও দেৱী পূজা কৰিলে। শোৱাঁ[...] কুচিতো হেনো ১৪০ ঘৰ দামোদৰীয়ে ১৪০ ঘৰ মহাপুৰুষীয়া[...]



[...]ৰ মনত অসুখ জন্মাই দুৰ্গা-পূজা কৰিছিল। অৱশেষে [...] স্বাধীন যুগত কেৰে কাৰো পূজা-সেৱাত বাধা দিব [...]ৱাৰে; আৰু যিসকলে নিৰাকাৰ ঈশ্বৰক [...]কাৰে পূজিব খোজে সেইসকলে সেই দৰে পূজক, [...] হানি নাই; কিন্তু যি স্থলত প্ৰভু দামোদৰদেৱে [...] দেৱীপূজা কৰা কথাটো আৰু তেৰাৰ সাধাৰণ শিষ্য-[...] দেৱীপূজা কৰিবলৈ দিয়া কোনো কথা তেৰাৰ [...]িত পোৱা নাযায়, তেনেস্থলত জেদা-জেদি কৰি এদলে [...]ৰ মনত কষ্ট দি এই দৰে পূজা কৰাটো মই সমীচীন [...] নোৱাৰোঁ। প্ৰভু দামোদৰদেৱে অগত্যা এবাৰ [...]ৰি কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণক বিনা বলিৰে [...]পূজা জলে-ফুলে নৈবেদ্যে ধূপ-ধূনাৰে কৰিবলৈ দিছিল, [...] তেৰাই সাধাৰণ প্ৰজাবৃন্দ অৰ্থাৎ দামোদৰী পন্থী [...] নিমিত্তে সেই ব্যৱস্থা দি থোৱা নাই। অসমৰ [...] প্ৰধান উদাসীন ব্ৰাহ্মণ গোস্বামীসকলৰ অধিকাৰিত্বত [...]দৰী সত্ৰ আছে, যেনে দক্ষিণপাট, আউনিআটি, গড়মূৰ [...]ৱাহী এইসকলত দেখোন দেৱীপূজা কস্মিন কালেও [...] নাই। এনেস্থলত প্ৰধান বৈষ্ণৱ পন্থীয় দামোদৰী [...] ভিতৰত দেৱীপূজা কৰাটো মোৰ সাধাৰণ বিবেচনাৰে [...]চিত হোৱা নাই। নিঃকিনৰ এই কথা কেইষাৰ [...] দামোদৰী ভাতৃসকলে ভাবি চায়।

[...] নথান্দা নৈ পাৰ হৈ কেইখোজমান গৈয়েই বাসুদেৱ [...] পালো; এমাইলমান গৈ গণককুচিৰ নামঘৰ [...]লো। গধূলি হৈছিল জুমে জুমে আইসকলে গধূলিৰ [...]লৈ অহা দেখি মনত কি যে এটা আনন্দ উপজিছিল [...] নোৱাৰো। প্ৰভু মাধৱদেৱে পতা এই নামঘৰ [...] নামঘৰৰ চাৰিও দিশৰ ঠাই কেনে পৱিত্ৰ! কেনে [...]! এইবিলাক ঠাইৰ আগৰ মহাপুৰুষসকলৰ চৰণ-[...] পাই আৰু এতিয়াও বৈষ্ণৱ আৰু বৈষ্ণৱী মাতৃসকলৰ [...]াই প্ৰত্যেক ধূলি-কণাই পৱিত্ৰ হৈছে! হিন্দুৰ পৱিত্ৰ [...] প্ৰায় সকলো ঠাইতেই এই মাতৃজাতিয়েহে ৰক্ষা কৰি [...]। প্ৰায় আঢ়ৈমাইল বাট খোজ কাঢ়ি ৫॥ বজাত [...]পেটাৰ স্কুলঘৰ পালো। তাত শ্ৰদ্ধাস্পদ শিক্ষকসকলে [...] চেনেহৰ ছাত্ৰবৃন্দে এই নিঃকিনক এখান অভিনন্দন দিলে। অভিনন্দনৰ উত্তৰ শগাগৰ শৰাই আগবঢ়াই আৰু দুষাৰমান কথা কৈ এঘণ্টামানৰ পিছত আকৌ শঙ্কৰ হললৈ গলো। তাত মোৰ পুৰণি বন্ধু শ্ৰীযুত লোহিতচন্দ্ৰ নায়ক বি, এলদেৱৰ সভাপতিত্বত বৰপেটা ৰাইজেও নিঃকিনক মৰম কৰি অভিনন্দন দিলে। এই নিঃকিনে ধন্যবাদ দিয়াৰ লগে লগে ৰাইজক পাটবাউসীৰ অৰ্থে ভিক্ষা খোজাত সকলোৱে দিম বুলি প্ৰতিশ্ৰুতি দিলে। ধন্য মোৰ বৰপেটাৰ ৰাইজসকল! নিশা ৮ মান বজাত বহা পালো। তাত দুই তিনিখান টেলিগ্ৰাম পালো যে ঘৰত মোৰ মাজিউ জনী বোৱাৰীৰ টান নৰিয়া; আমি শীঘ্ৰে উলটিব লাগে। বৰপেটাৰ একোকে চাবলৈ নাপালো, সুন্দৰীদিয়া আদি ঠাইলৈকো যাবলৈ নাপালো। মনৰ হেপাহ মনতে মাৰি পিছদিনা পুৱাই গুচি আহিবলৈ থিৰ কৰিলো।

পিছদিনা ২৩।১১।৩৫ তাৰিখে পুৱা ৪ বজাতে উঠি গা পা তিয়াই গুৰুসেৱা কৰি অলপ চাহ-জলপান খাই শ্ৰীমান ধনীৰাম তালুকদাৰ আৰু শ্ৰীমান শান্তপাল বাপাত বিদায় লৈ ৬ বজাত মটৰ বাছত উঠি ঘৰমুৱা হলো। আহিবৰ পৰত মনলৈ আহিছিল সেই বঙালী গীতটো:—
"আমাৰ সাধ না পুৰিল, আশা না মিটিল, সকলি ফুৰায়ে গেল মা।" প্ৰভু কলীয়া ঠাকুৰ! সুন্দৰীদিয়া! বাৰাদি আদি সত্ৰসকল! তোমালোকক এই বেলি নিঃকিনে সেৱা কৰিবলৈ যাব নোৱাৰিলো; কৃপা থাকে যদি আকৌ আনিবা। ৮ বজাত ৰেল পালো। সেই ৰেলেৰে আহি ১১টামান বজাত ৰাইহাটা ষ্টেশ্যনত আমি শ্ৰীমান শিৱৰাম দত্তৰ আৰু শ্ৰীমান গুৰুচৰণ দত্তৰ ঘৰত জা-জলপান খাই জিৰাই সতাই ভাটীবেলা ৰাইহাটা ষ্টেশ্যনত বহা সভাত দুই চাৰিষাৰ কথা কৈ পাটবাউসীৰ অৰ্থে ভিক্ষা খোজাত সকলোৱে দিম বুলিলে; ৰছিদ বহী আদি গ্ৰহণ কৰিলে। তাৰ পিছত নৈ পাৰ হৈ পাণ্ডু পালো। পাণ্ডুত মটৰ লৰী লৈ কনিষ্ঠ পুত্ৰ শ্ৰীমান দেৱকান্তে আগবঢ়াই নি লৰীত তুলি গুৱাহাটীত মাত্ৰ আধা ঘণ্টামান ৰাখি আকৌ গুৱাহাটীৰ ৰেলত তুলি দিলে। ওৰে ৰাতি আহি ২৪ তাৰিখে গধূলি মাকুম জংশ্যন পালোহি।

# কৃষ্ণকুমাৰী

—শ্ৰীযুত প্ৰভাতচন্দ্ৰ অধিকাৰী

## ৪ৰ্থ দৃশ্য

উদয়পুৰ

**ৰাজপথ**

[ অজিতৰ প্ৰৱেশ ; হাতত তেজ-সনা। ]

অজিত। ( উচ্চস্বৰে হাঁহি সোমায় )—প্ৰতিহিংসা, প্ৰতিহিংসা, প্ৰতিহিংসা !—প্ৰতিহিংসা কাৰ ? মোৰ ; নহয়—মোৰ নহয়—যুৱণদাসৰ। কাৰ জৰত কোনে দৰব খালো দেখিছানে ? সেই মুখ, সেই ধুনীয়া চকুজুৰি ! নাই, উৰি গ'ল,—কাহত উৰি গ'ল কেনিবা ! কলৈ যাওঁ ? ইচ, হাত দুখনত তেজৰ চেকা ! এ, এইবোৰ পালো ক'ত ? কিয় ? তেজৰ কিবা আকাল পৰিছেনে ? উঃ, তপতনেকি ? চাওঁ ( গালত হাতৰ তলুৱা লগাই পৰীক্ষা কৰে ) কোনোবা এজন আহিছে হব পায়। মই পলাওঁ—লৰি পলাওঁ ( লৰ মাৰিব খোজে ; কিন্তু যুৱণদাসক সোমাই অহা দেখি উলটি আহে )।

( যুৱণদাসৰ প্ৰৱেশ )

যুৱণ। অজিতসিংহ ! পলাব খুজিছা কিয় ?

[ যুৱণদাসৰ ওচৰলৈ গৈ অজিতে তাৰ মুখলৈ জুমি জুমি চায়। ]

অজিত। ওঁ, চিনিলো। তুমি আকৌ আহিলা ? আহিলা, ভালেই কৰিলা। কিন্তু মই হলে তোমাক চিনিছোঁ, মুখত স্বৰ্গৰ জ্যোতি, গাত নন্দনৰ পুষ্প-গন্ধ, বুকত প্ৰেমৰ মন্দাকিনী, চকুত মৰম-ভৰা হাঁহি ;—তুমি সেই, ঠিক সেয়েই। তুমি মৰা নাই ! তোমাৰ গাত আকৌ কনিয়াৰ সাজ ? আহা তেন্তে, লগুণ গাঁঠিটো মাৰি লওঁ। হেঃ, আকৌ নো কি ? কিহৰ লাজ ! বিয়াত বহিবলৈ আকৌ লাজ লাগে কাৰবাৰ কোৱাচোন ?

যুৱণ। উন্মাদ হ'ল, স্মৃতি, বিস্মৃতিৰ বুকুত মাৰ গ'ল। বন্ধু, মই যুৱণদাস !

অজিত। যুৱণদাস ? ভাল কথা কোৱা ! যুৱণদাস মৰিছে, এই চোৱা ( হাতৰ তেজ দেখুৱায় )। যুৱণদাসেইতো এইখন কৰিলে, কৰিবলৈ আৰু বাকী ৰাখিলে কি ? সি প্ৰেত ; প্ৰেতো কৰবাত জীয়াই থাকেনে ? থাকিলে থাকক ; যুৱণদাস হলে মৰিছে। আহা, আহা, তোমাক মই বৰ ভাল পাওঁ। তোমাৰে মোৰে বিয়া হলে, বৰ মজাখন হব—নহয়নে বাৰু ?

যুৱণ। সাগৰ মথি বিহ তুলিলো। অনাঘ্ৰাত ফুলপাহি কৃষ্ণাক বধ কৰিলে কোনে ? স্পষ্ট কথা—মই। বন্ধু আৰু ৰাণীক সন্তানৰ মৃত্যু-শোক দিয়ালে কোনে ? মই। এটা গভীৰ গ্লানি, এটা গুৰুতৰ অনুতাপ, এটা গা-মুৰ কামুৰি খোৱা, অন্তৰ-বাৰ শুকাই খৰিকা ক্লান্তি বুকৰ ভিতৰত অবিৰাম অনুভব কৰিব লাগিছোঁ। বুজিছোঁ, মই ঘাটিলো, অবিসম্বাদিতৰূপে ঘাটিলো। কৃষ্ণাৰ আত্মহত্যা, মোৰ কপালত পৰাজয়ৰ এটি অতি উজ্জ্বল চাব মাৰি দি গ'ল। এতিয়া পৰাচিত হব লাগিব—হ'ক। ( খন্তেক নীৰৱ ) বন্ধু ! অজিত সিংহ ! চোৱা, প্ৰকৃতিস্থ হোৱা, মই যুৱণদাস।

অজিত। আকৌ যুৱণদাস ! খুন কৰিম, হত্যা কৰিম, ডিঙিত চেপি ধৰি মাৰিম। যুৱণদাস—জাৰজ, ৰক্ষিতাৰ সন্তান ! তুমি তাক চিনি নোপোৱানে ? মই পাওঁ। তাৰ বুকৰ ভিতৰৰ কলিজাখনত নৰকৰ বিষ-ভৰা কীট কিছুমানে তল-ওপৰ কৰিছে—ইচ্ ( মুখ বিকৃত কৰে ) !—তুমি মৰিলে ভাল পোৱা যদি, মৰা। এটা



মাৰিছো, লাগিলে আৰু এটা মাৰিম, এশটা মাৰিম, এহেজাৰটা মাৰিম ;—গম পাইছা এতিয়া ?—একো নাই, কেৱল খোৱা-কামোৰা, কটাকটি, মৰামৰি। ভাইয়ে ভনীয়েকক খাইছে, পুতেকে তিৰোতাক কলিজাত কামোৰ মাৰি ধৰিছে, স্বামীয়ে তিৰীক জুইত পুৰি খাইছে, প্ৰেমিকে প্ৰণয়িনীৰ বুকৰ কামি হাড় কিডাল চোবাই খাইছে ! খা, খুব খাই ল। কি, আকৌ যুৱণদাস ! মাৰ ডালেগা—( খেদি গৈ ডিঙিত ধৰি উলিয়াই দিয়ে )। ভাল সাৰিলো ; নহলে খাওঁ বুলি মুখখন মেলি আহিছিল ; বন্ধু, বন্ধু বুলি এতিয়াই গিলি পেলালেহেঁতেন। নাই, ইয়াত আৰু থাকিব নোৱাৰি,—কেউপিনে ৰাক্ষস, চাৰিওফালে তেজ। উস্ ! খুন কৰিলে, কৃষ্ণাক খুন কৰিলে—

( প্ৰস্থান )

## ৫ম দৃশ্য ।

**ৰাণাৰ চ'ৰা।**

কাল—দোভাগ নিশা।

[ ভীমসিংহৰ প্ৰৱেশ। ]

ভীম। নিমাত, নিতাল, নিস্তব্ধ। জগতৰ চকুত টোপনিৰ ঘোৰ মদিৰা ! নৰ নাৰী, পশু-পিতাম—সকলোৱে নিশ্চিন্ত মনে নিদ্ৰাৰ কোলাত জিৰণি লৈছে ; বাকী কেৱল মই। উন্মাদৰ অস্থিৰতা, নৰঘাতীৰ সতৰ্কতা সিংহৰ বুভুক্ষা, বাঘৰ লোলুপতা, চণ্ডালৰ হীনতা, বিধবাৰ বুকু-ফটা আকুল ক্ৰন্দন—এই আটাইকেইটা একেলগে মিলি মোৰ মূৰৰ মগজু খুলি খুলি খাইছে। মোৰ প্ৰাণৰ পুতুলা কৰবাত হেৰাল, ময়েই হেৰালো —আৰু বিচাৰি নাপাওঁ, মোৰ নয়নৰ মণি পানীত পৰিল, ময়ে পেলালো—আৰু বিচাৰি নাপাওঁ, হিয়া ধুনি কান্দি মৰিলেও নাপাওঁ।

( শিৱদাসৰ প্ৰৱেশ )

শিৱ। মহাৰাণা !—

ভীম। দূৰ হোৱা, আঁতৰি যোৱা ! মহাৰাণা নাই ; মহাৰাণা কোন ? ৰাণা ভীমসিংহ মৰিছে ; পৰি আছে তাৰ কঙ্কাল, তাৰ হাৰ হাড় মূৰ অস্থি। যোৱা যোৱা, নজলাবা, আমনি নকৰিবা। মই আহিছোঁ প্ৰাণৰ পোৰণিত অস্থিৰ হৈ নিৰ্জ্জনতা বিচাৰি—এখন্তেক জিৰণি লবলৈ। তুমি আৰু নজলাবা, যোৱা।

শিৱ। ৰাণা ! এতিয়া অস্থিৰ হবৰ সময় নহয়।

ভীম। তেন্তে, কেতিয়া মন্ত্ৰী ? মোৰ আদৰৰ কন্যাৰ মৃত্যুৰ মহোৎসৱ মিলিছে ! এতিয়া অস্থিৰ নহৈ কেতিয়া হব লাগিব মন্ত্ৰী ?

শিৱ। বিপদত ধৈৰ্য্য ধৰাই পুৰুষৰ কাম।

ভীম। ধৈৰ্য্য, ধৈৰ্য্য, ধৈৰ্য্য ! লোকে ধৈৰ্য্য ধৰে কেনেকৈ মন্ত্ৰী ? মই পুৰুষ, কিন্তু নাৰীত্ব স্বীকাৰ কৰিবলৈ ৰাজী আছোঁ, তেও ধৈৰ্য্য ধৰিবলৈ মান্তি নাই। ধৈৰ্য্য ধৰাৰ সীমা পাৰ হৈছোঁ।

শিৱ। কিন্তু, তাৰ বাহিৰে আন একো উপায় নাই ৰাণা !

ভীম। মন্ত্ৰী ! এটা নিশাৰ ভিতৰতে মানুহৰ কি ঘোৰ পৰিৱৰ্ত্তন হব পাৰে, তাক তুমি কল্পনা কৰি চাব পাৰানে ?—সৌৱা, চোৱা ; কোন আহিছে কোৱাচোন ?

( আধা-পাগলীৰ নিচিনাকৈ ৰাণীৰ প্ৰৱেশ )

ৰাণী। ইচ্ ! ইয়াতো দেখোন তেজৰ গন্ধ ! য'লৈকে যাওঁ, তপত তেজ—শুদা তপত তেজৰ ধোঁৱা পাছে পাছে খেদি ফুৰিছে !

ভীম। ৰাণী ! তুমি আহিলা কিয় ?

ৰাণী। মোৰ বুকুৰ মাজত এটা দানৱ সোমাইছে প্ৰভু ! সি মোক চাৰিওফালে ঠেলি লৈ ফুৰে, এতিয়া ইয়ালৈ আনিছে। ইয়ালৈ নাহিলে কলৈ যাম ? মহাৰাজ ! মোৰ কৃষ্ণাক আনি দিয়া। বাছাই মোৰ বুকুখন শুদা কৰি গৈছে—আৰু উলটি নাহিব। তুমি ৰজা, মন কৰিলে মোৰ সোণৰ পুতুলাক আনি দিব পাৰা। আনি দিয়া, কাবৌ কৰিছোঁ, তোমাৰ ভৰিত ধৰিছোঁ ( ভৰিত ধৰে )—আনি দিয়া।

ভীম। ৰাণী, উঠা ( হাতত ধৰি তোলে )। তোমাৰ কৃষ্ণাক ঘূৰাই আনিবৰ শক্তি মোৰ নাই ; থকা হলে

নিজৰ প্ৰাণ দিও আনিলোঁহেতেন। বন্ধা মই, কিন্তু ভগবানে সেই শক্তিৰপৰা মোক বঞ্চিত কৰিছে। শোক এৰা ৰাণী! মোৰ বুকুখন কি হৈছে, দেখিছানে? চোৱা, বাৰণৰ চিতা জ্বলিছে!

ৰাণী। বন্ধা! অন্তৰৰ শোক অন্তৰত হেচি ৰাখিব খোজোঁ—নোৱাৰো, বুকু ফালি বাজ ওলাই আহে, চকুৰ পানীত পৃথিবী নেদেখা হওঁ। মাটিত বাগৰি পৰি থাকোঁ, মোৰ বাছাৰ লনি মুখখনি চকুৰ আগত ভাহি উঠে। এনে শোকৰ জুই কেনেকৈ নুমাওঁ প্ৰভু, কিহেৰে নুমাওঁ—উপায় দিয়া।

শিৱ। উঃ, কি কৰুণ দৃশ্য! সন্তানহীন পিতৃ-মাতৃৰ কি শোক লগা, মৰ্ম্মস্পৰ্শী কৰুণ বিননি! চকুৰে চাব নোৱাৰি। এনে দৃশ্য দেখিলে পাথৰো পমি যাব, বুকত পানীৰ নিজৰা উঠলি উঠিব। অভাগিনী জননী! আপোন সন্তানক কোন মৰিশালিৰ জুইত নিজ হাতেৰে পুৰি আহিলি? অঃ অঃ অঃ—

ভীম। তোমাক আৰু কি প্ৰবোধ দিম ৰাণী! কি ৰাণী শুনাই তোমাৰ জুই-লগা হিয়াত শান্তিৰ প্ৰলেপ দিম! ময়ে যে তোমাৰ কৃষ্ণাক বধ কৰিছোঁ, ময়ে যে তোমাৰ চকুৰ পোহৰ কাঢ়ি নি তোমাক চিৰদিনলৈ অন্ধ কৰিছোঁ! পিতা হৈ ময়ে যে মোৰ আপোন সন্তানক এই সংসাৰৰপৰা চিৰকাললৈ বিদায় দিছোঁ। পশুতকৈ অধম, নৰকৰ কীটতকৈও ঘিণ-লগা। হায়, হায়, মই কি কৰিছোঁ—মই কি কৰিছোঁ!

( বেগাই যুৱণদাসৰ প্ৰৱেশ )

যুৱণ। ( অলপ পৰ ৰৈ সকলোৰে মুখলৈ চাই ) মই পাৰিছোঁ, মোক বোধকৰো আপোনালোকে চিনিব পৰা নাই! হবৰে কথা; কিন্তু চিনিব—চিনাকি দিলে, অৱশ্যে চিনিব। মন্ত্ৰী ডাঙৰীয়া! এই ফুলে ফুলে জাতিকাৰ কুলনিৰ নন্দন-কুঞ্জত, মদোন্মত্ত বনৰীয়া হাতীৰ জাক এটা মেলি দিলে কোনে, কব পাৰেনে? এই ধন, ৰত্ন, শান্তিময় ৰাজ্যলৈ শনিৰ কুদৃষ্টি, ৰাহুৰ অমঙ্গল, কেতুৰ কাৰসাজি মাতি আনিলে কোনে, জানেনে? এই সোণৰ সংসাৰ, চিতাৰ জুইত পুৰি ছাই কৰিলে কোনে, কব পাৰেনে? এই বন্ধা আৰু ৰাণী—ইহঁতৰ চকুত ৰাৱিষাৰ বান বোৱালে কোনে কব পাৰেনে? সি এটা জাৰজ, এজনী ৰাজ-ৰক্ষিতাৰ গৰ্ভজাত দয়াহীন, মায়াহীন, মনুষ্যত্বহীন, হীনতকৈও হীন এক জাৰজ সন্তান।—মহাৰাজ! এতিয়া চিনিব পাৰিছেনে?

ভীম। যুৱণদাস, ভাই! বুজিছোঁ যেন তুমি আ[জি] অপমানৰ প্ৰতিশোধ লবলৈ আহিছা। লোৱা, মান[,] অপমানৰ ভয় আৰু নাই, ৰাণা ভীমসিংহও আৰু নাই। এটি ভুল কৰিছিলো, আঘাতৰ ওপৰ[ত] সহস্ৰ আঘাত দি সেই মহা ভুল আজি শুধৰাই দিয়া।

যুৱণ। আৰু নহয়। এটা প্ৰকাণ্ড মৰিচীকাৰ পাছে পাছে লৰি ইমান দিন অনৰ্থক হাবাথুৰি খালোঁ; নিজে মৰিলো, তোমাকো মাৰিলো। তুমি ৰজা, দেৱতুল্য অগ্ৰজ—তোমাৰ বুকত এখন তৰোৱাল মুঠিলৈকে বহুৱাই দিছোঁ। মাতৃসমা ভাতৃজায়া কোমল প্ৰাণত এপাত কাঁৰ হানিছোঁ—যাৰ যাতনাত সেই দেৱবালা মৃত্যুলৈকে তিলে তিলে ডেই-পুৰি মৰিব। আৰু, আৰু এটি ফুলো ফুলো হোৱা সোণৰ পদুম-কলি এই ডুখনি নিষ্ঠুৰ হাতেৰে মহাৰি চিন-চাব নোহোৱা কৰিছো। ৰক্ষিতাৰ সন্তান মই, মোৰ বাৰে আৰু ইয়াতকৈ ভাল কাম কি হব পাৰে? ( ৰাণীলৈ ) দেৱি, কৰুণাময়ি! এই জাৰজে তোমাৰ অপাৰ কৰুণাৰাশিৰ উপযুক্ত প্ৰতিদান দিছে, আৰু কি দিব খোজা। য'ক, ৰাণা! এতিয়া বিদায় দিয়ক মহাৰাজ! ক্ষমা নামাগোঁ, পৰাচিত নিবিচাৰো; যি নাৰকীয় প্ৰতিহিংসা লবলৈ পিশাচৰ দৰে প্ৰতি মুহূৰ্ত্তে একোটা নতুন মহাপাতকৰ অনুষ্ঠান কৰিছিলো তাৰ ক্ষমা নাই, দয়া, মায়া, মৰম, বাৎসল্যৰ সলনি প্ৰতি মুহূৰ্ত্তে যি একোটা ভয়ঙ্কৰ ষড়যন্ত্ৰ ৰচনা কৰিছিলো তাৰ পৰাচিত আত্মহত্যা—( কাপোৰৰ ভিতৰৰপৰা ছুৰী এখন উলিয়াই তৎক্ষণাৎ নিজৰ বুকত বহুৱাব খোজে, ৰাণাই বাধা দিয়ে )।

ভীম। অভিমান এৰা; মিছাতে তোমাক লাঞ্ছনা দিছিলো তাৰ প্ৰতিফল মই পালো। তোমাৰ একো দোষ নাই। জানো মই, তুমি উদাৰ, মহৎ, প্ৰাণৱন্ত; কিন্তু ভুল কৰিছিলো। কালৰ দুৰ্ব্বলতাই এনেকৈ জীৱনত বহুবাৰ ছেগ পাইছে। কিন্তু সেই কথা থাওক, যি ভুল কৰিছিলো তাৰ পৰাচিতো হল। এতিয়া আহা, বুকুত বুকু ৰাখি এটিবাৰ আলিঙ্গন দিয়া যেন এই বুকুৰপৰা আৰু কেৱে তোমাক এৰুৱাই নিব নোৱাৰে।

[ জিৰণি-পট। ]

শেষ

# সতী

(২)

—শ্ৰীযুত সোণাৰাম চৌধুৰী

## ৪ৰ্থ আখ্যা

কিছু দিনৰ মূৰত এদিনাখন দেৱৰ্ষি নাৰদে দক্ষালয়ত উপস্থিত হৈ দক্ষক কলেহি,—হে প্ৰজাপতি, আপুনি [...] শিৱনিন্দা কৰি থাকে বুলি শুনি মহেশ্বৰৰ বৰ [...] হৈছে। তেখেতে আপোনাক তাৰ প্ৰতিফল দিবৰ [...] যেনে চেষ্টা কৰিছে শুনক। মহেশ্বৰে নিজৰ [...] ভূত-প্ৰেতবিলাকে সৈতে আপোনাৰ পুৰীলৈ আহি [...], শ্মশানৰ ছাই-ভস্ম আদি দলিয়াই উৎপাত কৰিব, [আ]পুনি কোনো ৰকমে সেইবোৰ নিবাৰণ কৰিব [নো]ৱাৰিব। আপোনাক এই আগ জাননী দিলো; আপুনি [...] প্ৰতিবিধানৰ যেনে চেষ্টা কৰিব পাৰে কৰক। [এই] বুলি কৈয়ে দেৱৰ্ষি শূন্যপথেদি গুচি গল। ইফালে [...] মহা চিন্তাত পৰিল; তেওঁ মন্ত্ৰীবিলাকে সৈতে কি [...] তাৰ আলোচনাত লাগিল। অৱশেষত এইটো [কৰ্ত্ত]ব্য স্থিৰ হল, যদিহে দেৱতাবিলাকে সৈতে পুৰৰ [ভি]তৰত কোনো পুণ্য ক্ৰিয়া আৰম্ভ কৰা যায়, তেনেহলে [...] পুৰীৰ ভিতৰত শিৱ ভূত-প্ৰেতাদি লৈ কেতিয়াও [...] নোৱাৰিব। প্ৰজাপতিয়ে এইদৰে সকলো কথা নিশ্চয় কৰি এটা শিৱদ্বেষী যজ্ঞ আৰম্ভ কৰিলে। তালৈ দেৱতা, ৰাক্ষস, কিন্নৰ, সিদ্ধ, [...], গন্ধৰ্ব্ব, অপ্সৰ, পিতৃলোক, চাৰণ, মুনিসকল, দৈত্য, [...] আদি সকলোকে নিমন্ত্ৰণ কৰিলে, কেৱল নিজ [...] সতীক আৰু জোঁৱায়েক শিৱক নিমন্ত্ৰণ [ন]কৰিলে (২৮)। আৰু এই কথা শুনাই দিলে,—"মই শিৱ [...] শিৱপ্ৰিয়া সতীক আহ্বান কৰা নাই;—নিমন্ত্ৰিতৰ [...] এই যজ্ঞলৈ নাহিব তেওঁলোকো আজিৰপৰা (শিৱ শিৱাৰ দৰে) যজ্ঞভাগৰপৰা বাহিৰ হব (২৯)।

দক্ষৰ এনে আদেশ শুনি সুৰাসুৰ সকলোৱে ভয় খাই সেই শিৱহীন যজ্ঞলৈ গল। দক্ষে পৰ্ব্বতসমান দ্ৰব্য-সম্ভাৰ কাপোৰ কানি আদি গোটোৱাই যজ্ঞস্থলিত থোৱালে। সুৰাসুৰ গন্ধৰ্ব্ব কিন্নৰ আদিৰে দক্ষৰ পুৰী দল্দোপ হেন্দোলদোপ লাগিল। ইফালে দাক্ষায়ণী সতীয়ে কৈলাসত থাকি পিতৃদেৱতাৰ মহাসমাৰোহেৰে পতা যজ্ঞৰ বাতৰি শুনি পিতৃগৃহলৈ যাবলৈ বৰ ইচ্ছা কৰিলে আৰু মহাদেৱক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। তেতিয়া মহাদেৱে সতীক তেওঁৰ মনৰ কথা কি ভাঙি কবলৈ দিলে। সতীয়ে কলে,—"ত্ৰিলোচন, আপোনাৰ শহুৰ দক্ষে এটা ডাঙৰ যজ্ঞ পাতিছে; ত্ৰিভুবনৰ সকলোৱে তালৈ যাব লাগিছে; যদি আপুনি অনুমতি কৰে তেনেহলে আমি দুয়ো তালৈ যাব পাৰো। প্ৰজাপতিয়ে নিশ্চয় আমাক সম্মান কৰিব।" শিৱে কলে,—"প্ৰিয়ে, এনে চিন্তা মনতো ঠাই নিদিবা। অনিমন্ত্ৰিত হৈ যজ্ঞাদিলৈ যোৱা মৃত্যু তুল্য। তোমাৰ পিতাৰে নিজক ধনে কুলে বিশ্বাই শ্ৰেষ্ঠ বুলি ভাবি গৰ্ব্ব কৰি মোক অৱহেলা কৰিছে। এতেকে তালৈ যোৱা একেবাৰে অনুচিত। তাৰ উপৰি আজি আকৌ ৰবিবাৰ, আজি পশ্চিমফালে যোৱাও যুক্তিসঙ্গত নহয়। দেৱি, তুমি নাজানা, শহুৰে মোক অপমান কৰিবৰ অভিপ্ৰায়েই এই যজ্ঞ পাতিছে। এনে অৱস্থাত তুমি তালৈ যাবলৈ কেনেকৈ অভিলাষ কৰিছা।" জোঁৱায়েকে শহুৰেকৰ ওচৰত সদায় পৰম আদৰ পাবৰ আশা কৰে আৰু শহুৰেো কৰ্ত্তব্য জোঁৱাইৰ প্ৰতি বিষ্ণুতুল্য আচৰণ কৰা (৩০)।

(২৮) সৰ্ব্বানাহূতবান্ দক্ষো বিনাদাক্ষায়ণীশিৱৌ। ৯—৬ষ্ঠ অধ্যায়।

(২৯) যথা শিৱস্থ নাহূতঃ সতী নাপি শিৱপ্ৰিয়া।
এবং যে নাগমিষ্যন্তি তে যজ্ঞভাগবহিষ্কৃতাঃ। ১০

(৩০) জামাতা শ্বশুৰস্থানেঽপেক্ষতে পৰমাদৰম্।
বিষ্ণুং জামাতৰং যথা শ্বশুৰোঽপি সমাচৰেৎ। ২৪

যি জোঁৱায়েকক দেখি মাতকে নিদিয়ে, কিন্তু তাৰ প্ৰতি দুৰ্ব্বাক্যহে ব্যৱহাৰ কৰে, কোনো বস্তু দান নকৰে, আৰু বাৎসল্যভাব প্ৰকাশ নকৰি অন্যথাহে আচৰণ কৰে, তেনেজন শহুৰৰ ধৰ্ম্মকৰ্ম্ম সকলো বিফলে যায়। আন পক্ষে যাক কন্যাদান কৰা হৈছে, সেই জামাতাই যদি তাৰ শহুৰৰ প্ৰতি অসদাচৰণ কৰে, তেনেহলে সিও শহুৰৰ পক্ষে মৃত্যুতুল্য (৩১)। গতিকে জামাতায়ো শহুৰৰ প্ৰিয়কাৰ্য্য কৰা উচিত। শহুৰৰ ঘৰত জোঁৱায়েকে অসন্মান পালে তালৈ কেতিয়াও যোৱা উচিত নহয়। জোঁৱায়েক শহুৰেকৰ প্ৰীতিপাত্ৰ হলে ৰূপ বৃদ্ধি আৰু প্ৰজা বৃদ্ধি হয়। এইৰূপে শহুৰেকৰ ওচৰত জোৱায়েকেই সন্মান যে পাব লাগে এনে নহয়, তাৰ বাপেক-মাক, ভায়েক সকলোৱেই সন্মানিত হোৱা উচিত। জোৱাইৰ প্ৰিয় কামনা কৰিলে নিজ কন্যাৰো সন্মান কৰা কৰ্ত্তব্য। কাৰণ কন্যাৰ অপমান, হলে, জামাতাৰো অপমান হয়। আৰু শহুৰৰ পুত্ৰ আদি যিবিলাক থাকে, সিহঁতেও বয়সেদি জ্যেষ্ঠ ভগিনীপতিক (ভিনিহিয়েকক) দেৱতাৰ দৰে পূজা কৰিব লাগে। প্ৰিয়ে, তোমাৰ পিতাৰে এইবোৰ শাস্ত্ৰবিধি নমনা হৈছে, নতুবা আমাক নিমন্ত্ৰণ নকৰি কেনেকৈ যজ্ঞ পাতিছে? প্ৰিয়ে, আৰু এটা কথা; তোমাক প্ৰজাপতিয়ে নিজ ইচ্ছাৰে মোক দান কৰা নাই; তুমি আপোন ইচ্ছাৰে মোক লাভ কৰিছা। এতিয়া মোৰ আজ্ঞা লঙ্ঘন নকৰিবা; পতিৰ আজ্ঞা লঙ্ঘন কৰিলে ভাৰ্য্যাই নিজ সুখৰ পৰা বঞ্চিত হয় (৩২)।" সতীয়ে কলে,—"প্ৰভো, আপুনি যিবোৰ শাস্ত্ৰবিহিত কথা কলে সকলো সত্য তাত কোনো সন্দেহ নাই; কিন্তু কন্যাই পিতৃগৃহত মহোৎসৱ হোৱা শুনি কেনেকৈ ধৈৰ্য্য ধৰি থাকে? যি যজ্ঞস্থলিত সন্মানৰ অনুপযুক্ত লোকসমূহো নিমন্ত্ৰিত হৈ সন্মান লাভ কৰিছে সেইবোৰ শুনি কেনেকৈ বা ধৈৰ্য্য ধৰো? মই পিতৃৰ আদৰৰ কন্যা, মোক নিমন্ত্ৰণ নেলাগে; পিতাই চাগৈ মোৰ সমাগম ইচ্ছা কৰিয়ে অপেক্ষা কৰি আছে। সেইদেখি প্ৰভো, অনুমতি কৰক মই যাওঁ; মোৰ তাত সন্মান হলে আপোনাৰে সন্মান আৰু যদি পিতাই মূৰ্খতা হেতুকে আপোনাক শিৱ বুলি নেজানে আপুনিয়েই বা অভিমান কৰি নিজৰ যজ্ঞভাগ কি নিমিত্তে উপেক্ষা কৰিব? পিতা মূৰ্খ যদি তেওঁক দিব্যজ্ঞান দান কৰা কৰ্ত্তব্য। সেইকাৰণেই আকৌ কওঁ আপুনি আৰু মই দুই জনেই যজ্ঞলৈ যোৱা উচিত।" শিৱে কলে—"প্ৰিয়ে, তুমি যি কৈছা আৰু যি কৰিবা মই পূৰ্ব্বেই বুজিছো। যি হওক, তোমাৰ আৰু মোৰ দুয়োৰে তালৈ যোৱা কোনো ৰকমে যুক্তিযুক্ত নহয়। সেই প্ৰজাপতিয়ে মোকে অনাদৰ কৰি দেৱতাবিলাকে সৈতে লগ লাগি, যজ্ঞ কৰাৰ ফল অবিলম্বে পাব আৰু তাৰ লগে লগে তেওঁৰ মূৰ্খতাও দূৰ হব। মই দেখাত তুমি তালৈ গৈ নিজৰহে অনিষ্ট কৰিবা; তোমাৰ পিতাৰে তোমাক দেখি মোৰ নিন্দা অৱশ্যে কৰিব, তেতিয়া তুমি স্ব-কাণেৰে সেইবোৰ শুনি বৰ অসহনীয় দুখ পাবা। এতেকে দক্ষপুত্ৰি, ক্ষান্ত হোৱা, তালৈ যোৱা আৱশ্যক নাই। তোমাক বেছি কি বুজাম, নিজে তুমি সকলো জানা; মোৰ বাক্য উলঙ্ঘন নকৰিবা।" সতীয়ে কলে,—"আপোনাৰ যুক্তিমতে আমাৰ দুয়োজনৰে তালৈ যোৱা উচিত নহয় বুলি কৈছে, কিন্তু আনৰূপে বিচাৰ কৰি চালে, গমন কৰাহে উচিত বুলি বোধ হয়। ত্ৰিদশেশ্বৰ, আপুনি সকলো দেৱতাৰ অধিপতি, আৰু সকলো যজ্ঞৰ ঈশ্বৰ। লোকে যজ্ঞ, দান, তপ, হোম আদি যিৰূপেই কৰক, সকলো আপোনাতে সমৰ্পিত হয়। আপোনাক আদৰ বা অনাদৰ কৰি যজ্ঞ পাতিলেও মোৰে সৈতে আপুনিয়েই তাত পূজিত হৈছে। পিতাৰ কন্যা হৈ, আপোনাক যেনেকৈ পাইছো সেইদৰে তেওঁ কৰা এই যজ্ঞও আপুনি নিমন্ত্ৰিত নহলেও আপোনাৰ চৰণতে অৰ্পিত হব। এতেকে প্ৰাৰ্থনা কৰো আপুনি দৰ্শন দি যজ্ঞভাগ গ্ৰহণ কৰকগৈ। আপোনাৰ আহ্বান বা অনাহ্বান উভয়তে কোনো বিশেষ নাই, কিয়নো আপুনি যোগী, আপোনাৰ পূজা বা অপমান দুয়ো সমান।" শিৱে কলে,—দেৱি, আহ্বান বা অনাহ্বান এই দুয়োটাৰ বিশেষ কৰা যোগীৰ উচিত নহয়, এই কথা ঠিক। কিন্তু তালৈ যোৱাৰে বা বিশেষ

(৩১) যস্মৈ প্ৰদীয়তে কন্যা জামাতা যদি তৎপ্ৰতি।
অসদাচৰণং ভাতি মৃতঃ স্যাৎ শ্বশুৰ স্তদা। ২৭
(৩২) ভাৰ্য্যা পতিমতিক্ৰান্তা ন কচিৎ সুখমাপ্নুতে।



...য়োজন কি? যাৰ ওচৰত মান পোৱা নাযায়, এনে ...ৰ ওচৰলৈ পূজ্যজন যোৱা উচিত নহয়; কিয়নো ...হীনৰ পূজা, পূজা বুলি গণ্য নহয়। এইদৰে যি ...জনৰ অনাদৰ কৰি পূজা কৰে, তাৰ পূজা সফল হোক ...ৰি, সি বিপদৰহে কাৰণ হৈ উঠে। পূজ্যজনৰ পূজাৰ ...তিক্ৰম হলে অভিষ্ট সিদ্ধিত ব্যাঘাত হয়। সেই নিমিত্তে ...ৰি, তোমাৰ কি মোৰ যজ্ঞলৈ যোৱা কোনো প্ৰকাৰে ...যুক্ত নহয়। তুমি তালৈ গলে মোৰ নিন্দা শুনিব লাগিব ...ৰ শুনি অসহনি হলে প্ৰাণত্যাগ কৰিবা আৰু দক্ষও ...ৰ সহিত বিনষ্ট হব। আৰু যদি মই তালৈ যাওঁ, মোৰ ...দা শুনি সেই দুৰ্ম্মুখক মই ক্ষমা নকৰিম। তেতিয়া ...মি তোমাৰ পিতৃবধ কৰাত মোক ভাল নেপাবা। ...তিয়া দুয়োজনৰ পক্ষে ক্ষোভত অপ্ৰীতি জন্মিব, ...প্ৰীতি হলে মৰণ তুল্য হব। এইবোৰ বিবেচনা কৰি ...ি কৰ্ত্তব্য হয় কৰা।

মহাদেৱৰ কথা শুনি দেৱী দাক্ষায়ণীয়ে খণ্ডতে চকু ...ৈ কৰি একেপৰে মৌনভাৱে মহাদেৱৰ ফালে চাই ৰল; ...িৱে সুন্দৰনয়না সেই সতীৰ তবধ লাগি থকা চকু তিনটি ...দেখি বিয়ামোহ হল; ক্ষন্তেক পাছতে পুনু চাই দেখিলে, ...ৰ চকু জ্বলিব লাগিছে; তৃতীয় চকুৰপৰা জুইৰ আঙনি ...ৰ লাগিছে, ওপৰৰ দাঁত পাৰিত অট্টহাঁহিয়ে দেখা ...িছে, মুখখনি ৰঙা পৰিছে, গাটো ঘামি-জামি উঠিছে, ...িয়া ভাবত যেন গেৰৌগেপৌ; চাই থাকোঁতে উজ্জ্বল ...োণৰ দৰে শৰীৰৰ বল ক'ৰবাত লুকাল; তেওঁ ঘোৰ ...ন্ধকাৰৰ দৰে প্ৰভা ধাৰণ কৰিলে। সৰ্ব্ব শৰীৰ লোমাঞ্চিত ...ল, চুলিতাৰ মুকলি হৈ পৰিল; দিগ্‌বাসিনী হৈ চাৰিবাহু ...ৰণ কৰিলে আৰু বীৰ পুৰুষৰ দৰে শৰীৰৰ ভৰেৰে ...কৈলাসক কম্পিত কৰিব ধৰিলে। সেই সময়ত দেৱীয়ে ...ীৱ যৌৱনমদত মত্ত হৈ মহেশ্বৰকো গণাগণ নকৰিছিল। ...পদ্মলোচনা সতী দেৱীয়ে এই শ্যামামূৰ্ত্তি ৰূপ ধৰি হঠাৎ ...উঠিল। মহেশ্বৰে সেই ভয়ঙ্কৰ মূৰ্ত্তি দেখি অধৈৰ্য্য হল, আৰু আন উপায় নেদেখি সাধাৰণ লোকৰ দৰে বিয়ামোহ ...হৈ পলাবৰ অভিপ্ৰায়ে লৰ মাৰিলে। দেৱীয়ে মহাদেৱক ...পলোৱা দেখি "ভয় নাই, ভয় নাই" বুলি অভয় দিলে। কিন্তু ভূতনাথে তথাপি পলোৱাত ক্ষান্ত নোহোৱা দেখি, দেৱীয়ে দহ দিশে দহ মূৰ্ত্তি ধৰি আগুৰি ধৰিলে। ভয়তে উধাতু খাই ভূতনাথে যি দিশেই যাব খুজিছিল সেই দিশেই দাক্ষায়ণীৰ সেই ভীষণ মূৰ্ত্তি দেখি ভয় খাইছিল। পিছত শম্ভুৱে যেতিয়া কোনো ফালে পলাব নোৱাৰা হল, তেতিয়া তেওঁ সেই ঠাইতে থিয় দি চকু মুদি ৰল। অলপ পৰৰ পিছত চকু মেলি দেখিলে, দেৱীয়ে সুন্দৰ শ্যামৰূপ ধৰিছে, মুখপদ্মত ঈষৎহাঁহি; দক্ষিণলৈ দৃষ্টি কৰি আছে, চুলিতাৰ মুকলি, পীনোন্নতা। এনে সুন্দৰ ৰুচিৰ-নয়না, শ্যামবৰ্ণা হাস্যমুখী দেৱীক দেখি শিৱে ভয়ে ভয়ে সুধিলে, "চাৰুনয়না উজ্জ্বল শ্যামবৰ্ণ শৰীৰেৰে তুমি কোন? মোৰ সহচৰী দাক্ষায়ণী সতী কলৈ গল?"

দেৱীয়ে কলে,—"ময়ে দাক্ষায়ণী সতী; মোৰ বৰ্ণটো পৰিৱৰ্ত্তন হোৱাতে মোক চিনিব নোৱাৰা হলনে?

দশ মহাবিদ্যা ৰূপ-ধাৰণ,

আপোনাৰ কি হল, মোক যে এনেকৈ আন বুলি চাব লাগিছে?" শিৱে কলে,—"তুমি কি কাৰণে এনে ভয়-লগা শ্যাম বৰণীয়া মূৰ্ত্তি ধৰিছা? আৰু এই দেৱী মূৰ্ত্তিবিলাকেই বা কাৰ? তুমি ইহঁতৰ কি হোৱা?" সতীয়ে কলে—"মই মূলপ্ৰকৃতি; এই দেৱী মূৰ্ত্তিবিলাক মোৰ ঐশ্বৰ্য্যৰপৰা আবিৰ্ভূত হৈছে। তেওঁবিলাক মোৰ অংশমাত্ৰ হলেও সকলো মহাবিদ্যা। নিজে শিৱৰূপী পৰমপুৰুষ হৈ এইৰূপ কিয় ধৰিছোঁ বিচাৰ কৰি চাওক।" শিৱে সুধিলে,—"এই দহজনা মহাবিদ্যাৰ নাম কি মোক কোৱা?" সতীয়ে কলে,—"আপুনি যাক দিগম্বৰী বেশে সমুখত দেখিছে, তেওঁৰ নাম কালী, অন্তৰীক্ষত যাক কালৰূপিণী শ্যামবৰ্ণা দেখিছে, তেওঁৰ নাম তাৰা, আপোনাৰ দক্ষিণত ছিন্নমস্তা, বামদিশে ভুবনেশ্বৰী, পাছত বগলামুখী, অগ্নিকোণত ধূমাৱতী, নৈঋতত সুন্দৰী, বায়ুকোণত মাতঙ্গী, ঈশানকোনত ষোড়শী মই আৰু ভৈৰৱী-ৰূপে আপোনাৰ শৰীৰত বিৰাজ কৰিছোঁ। এতিয়া আপোনাৰ অনুমতি হলে এই সকলো মহাবিদ্যাৰ সৈতে প্ৰজাপতিক যজ্ঞ সমন্বিতে নষ্ট কৰিবলৈ যাব পাৰোঁ। এয়ে মোৰ শ্যামামূৰ্ত্তি ধৰাৰ কাৰণ।" শিৱে কলে,—"তুমি যদি মূল প্ৰকৃতি, তোমাৰপৰা চৰাচৰ উৎপত্তি হৈছে; তোমাক

নিষেধ কৰিবৰ মোৰ কি শক্তি? তোমাৰ যি অভিৰুচি হয়, তাকে কৰা।" শিৱৰ এনে বাক্য শুনি দক্ষকন্যা সেই মুক্তকেশী নীলাম্বৰবিনিন্দিত চতুৰ্ভুজা কালীমূৰ্ত্তি ধৰিয়ে আকাশ পথেদি যাবলৈ ধৰিলে; তেতিয়া তেওঁৰ উজ্জ্বল ত্ৰিনেত্ৰেৰে মুখমণ্ডল ভয়ঙ্কৰ হৈ উঠিছিল! দশ মহাবিদ্যা তেওঁতে লীন হল।

## পঞ্চম আধ্যা

সতীৰ দক্ষালয় গমন।

সতী গৈ দক্ষালয়ত উপস্থিত হল। তেতিয়া 'সতী আহিছে, সতী আহিছে' বুলি দক্ষপুৰীত এটা হুলস্থুল লাগিল; লৰা বুঢ়া, ডেকা ডেকেৰী সকলোৱে সতীক চাবলৈ লৰ ধৰিলে। দেৱীয়ে অন্তৰপুৰত সোমাই নিজ মাতৃ প্ৰসূতীৰ কাষ পালে গৈ। প্ৰসূতীয়েও বহুদিনৰ মূৰত সতীক দেখা পাই সাবট মাৰি ধৰিলেহি; ধৰি চকুৰ পানী টুকিবলৈ ধৰিলে; তেওঁৰ চকুৰ পানীৰে সতীৰ গোটেই শৰীৰ তিতিল। অলপ পৰৰ মূৰত প্ৰসূতীয়ে কলে,—"আইটি, তুমি সৰ্ব্বদেৱৰ অধীশ্বৰ মহেশ্বৰক পতি পাইছা আৰু তেওঁৰ হৃদয় বল্লভা হৈ আমাক একেবাৰে পাহৰি গৈছা। আমি দিনে ৰাতিয়ে তোমাৰ নিমিত্তে বেজাৰকৈ থাকোঁ। আজি ভালেদিনৰ মূৰত অলপ জুৰণি পালোঁ। বাছা, তোমাৰ পিতৃদেৱতাৰ দুৰ্ব্বুদ্ধিৰ কথা কি কম? তেওঁ সদায় শিৱদ্বেষী, সেই কাৰণেই তোমালোকক নেমাতি যজ্ঞ পাতিছে। আইটি, গল ৰাতি মই যি স্বপ্ন দেখিছোঁ সেই স্বপ্নৰপৰাই মোৰ বোধ হৈছে, তুমিয়ে স্বপ্নত দেখা কালৰূপিণী মহেশ্বৰী নতুবা শ্যামাঙ্গী হৈ মোৰ ওচৰলৈ আহিবা কিয়? মই স্বপ্নৰ কথা এফেৰিও মিছা বুলিব নোৱাৰো। শিৱনিন্দাকাৰী প্ৰজাপতিয়ে শিৱনিন্দাৰ প্ৰতিফল পালেহে তোমালোকক চিনিব পাৰিব। বাছা, তোমাৰ মুখ চায়ে কৃতকৃত্য হৈ সকলো শোক বেজাৰ পাহৰিম।" সতীয়ে কলে,—"আই স্বপ্নৰ বিৱৰণ মই জানিছোঁ, সকলো কথা মিলিব, কোনো কথা বিফলে নেযাব; এতিয়া আজ্ঞা কৰক মই পিতৃৰ লগত সাক্ষাৎ কৰো গৈ।" এই বুলি কৈ সতীয়ে মাকৰ ওচৰত আদৰ স্নেহ পাই মাকক প্ৰণাম কৰিলে আৰু ভনীয়েকসকলে সৈতে লগ লাগি যজ্ঞস্থলত উপস্থিত হল গৈ।" তাত তেওঁ দেখিলে ব্ৰাহ্মণবিলাকে বৈদিক মন্ত্ৰ উচ্চাৰণ কৰিব লাগিছে। প্ৰজাপতিয়ে আন কোনো দেৱতাৰে সৈতে শিৱৰ কথাকে ৰটি আছে। যেতিয়া দক্ষকন্যাসকলে দক্ষৰ ওচৰত থিয় দিলে গৈ, তেতিয়া তৰাৰ মাজত ৰোহিনীৰ দৰে ভনীয়েকইতৰ মাজত কমল-লোচনা সতী শোভা পোৱা দেখি দক্ষে তেওঁক সুধিলে,—"তুমি কোন্? কাৰ কন্যা? তুমি শ্যামবৰ্ণা হলেও মোৰ সতীৰ দৰে দেখিছোঁ,—অথবা তুমি মোৰ কন্যা সতীয়েনে কি স্বয়ং যজ্ঞস্থললৈ আহিছা?"

সতীয়ে কলে,—"পিতা মই আপোনাৰ আদৰৰ কন্যা সতী। আপুনি জানো মোক চিনিব পৰা নাই? আপুনি প্ৰজাপতি; পিতা, আপোনাক প্ৰণাম কৰিছোঁ।" তেতিয়া দক্ষে সতীক চিনিব পাৰি কলে,—"হা মোৰ কন্যা, হায় মোৰ সোণৰ প্ৰতিমা তুমি ভূত অধিপতিক পতিগ্ৰহণ কৰি তোমাৰ শৰীৰৰ কান্তি এনে ঘোৰ শ্যামবৰণীয়া কৰিলা! তুমি যাৰ কাষত থাকি উজ্জ্বল সোণৰ দৰে গৌৰাঙ্গী হৈও শ্যামৰূপ ধাৰণ কৰিছা, সেই দুৰন্ত ৰুদ্ৰৰ চৰিত্ৰ মই সকলো জানো,—তাৰ নানা দোষৰ কাৰণেই তুমি মোৰ কন্যা হলেও তোমাক মই যজ্ঞলৈ মতা নাই। যিহওক, এতিয়া আৰু দুনাই শিৱৰ তালৈ যাবৰ আৱশ্যক নাই; তুমি বৰ দুখ পাইছা; কন্যাই পতিসুখৰপৰা বঞ্চিত হলে পিতৃ-গৃহতে থকা উচিত;—এতেকে তুমি মোৰ ইয়াতে থাকা; নেযাবা।" সতীয়ে এই প্ৰকাৰ পিতৃবাক্য শুনি খঙতে জ্বলি উঠিল আৰু চকু-মুখ ৰঙা কৰি দক্ষক কলে,—

দক্ষৰ শিৱনিন্দা

(৩৩) শ্ৰুত্বৈৱং দক্ষকন্যা শিৱবচনমথো
মুক্তকেশী সুৱেশী
কালী কানাম্বৰাভা গগনপথগতি
বাহুদণ্ডৈশ্চতুৰ্ভিঃ।
ধাৱন্তী বেগযুক্তা * *
* *
* * ভয়দতৰমুখী
দীপ্তনেত্ৰত্ৰয়াভূৎ॥ ১৫০।



"প্ৰজাপতি, যদি কল্যাণ ইচ্ছা কৰা,—বাক্য সংযত কৰা; ...ৰ্বাহ থাকে যদি শিৱনিন্দা কৰা জিভাখন কাটি ...লোৱা দুগুত। মহাদেৱ সৰ্ব্বভূতৰ আত্মা, আৰু ...মাৰো প্ৰভু। সেই সৰ্ব্বভূতাত্মা শিৱৰ নিন্দা কৰি ...ঘাতী হোৱা কিয়? তোমাৰ এই সভাৰ যিসকলে শিৱনিন্দা শুনিব লাগিছে সকলোৱেই মূৰ্খ আৰু শিৱনিন্দা-কাৰী বুলি দণ্ডৰ যোগ্য; ইয়াৰ প্ৰতিফল অচিৰে হাতে হাতে মিলিব তাত সংশয় নাই।" দক্ষে কলে,—"তুমি অলপ ...ীয়া ছোৱালী হেতুকে শিৱক পতি বৰিছা আৰু সেই ...কে নিজৰ যোগ্য সুখ বুলি মানি লৈছা। কিন্তু শিৱৰ ...নাদি মই সমস্তকে জানো, ইয়াত তাৰ প্ৰশংসা কৰিবৰ আৱশ্যক নাই। মই প্ৰজাপতি দক্ষ, মোক নজনা, মোক ...মান নকৰা কোন আছে? সকলো দেৱ-দেৱীৰ ওচৰত ...ই পৰিচিত। মোৰ ওচৰত শিৱৰ প্ৰশংসা বৰ ...নীয়। সি তোমাৰ মনোমত হব পাৰে। আনৰ ...ত কেতিয়াও নহয়।" সতীয়ে কলে, "দক্ষ, মই পুনঃ ...কৈছোঁ, তুমি ক্ষান্ত হোৱা, পাপমতি ত্যাগ কৰা, মোৰ ...বচন শুনা। মহাৰুদ্ৰক প্ৰণাম কৰা। মই তোমাৰ কন্যা। তোমাৰপৰা মোৰ জন্ম, কন্যাৰ বাক্য গ্ৰহণ কৰা। সাধুসকলে সত্য বাক্য হলে কনিষ্ঠৰপৰাও গ্ৰহণ কৰে, আৰু যাৰ সৎ অসৎ জ্ঞান আছে, সেয়ে সাধু বুলি ...হয়; কিন্তু দেখিছো, তুমি পাপমতি আৰু সাধুত্বহীন; তুমি জন্মাবধি শিৱবিদ্বেষী হোৱা ফল পাবা; মহেশ্বৰক নিন্দা কৰি বৃথা জীৱন নকটাবা; শম্ভু সকলোৰে বন্দিত; তোমাৰ দ্বাৰা নিন্দিত কিয়; শম্ভু সকলোৰে বন্দিত, তোমাৰ দ্বাৰা অপূজিত কিয়?" সতীৰ কথা শুনি দক্ষে ...ঙ্কাৰ কৰবলৈ ধৰিলে,—"হে সভাসদসকল, মই প্ৰজাপতি, এই মোৰ কন্যা, এই কিবোৰ বকিছে তোমালোকে শুনা ...ইনে, এতিয়া এইক সান্ত্বনা কৰা আৰু ইয়াৰপৰা ...কৈ দিয়া। আজিৰপৰা শিৱৰ দৰে, শিৱগতা সতীও মোৰ চকুৰ শাল হল। ঐ দুশ্চৰিত্ৰা শিৱপ্ৰিয়া, তই মোৰ ...ৰ আগৰপৰা যা; যি দিনাৰপৰাই তই শিৱক পতি ...লৈ, সিদিনাৰপৰাই মই তোক মৰা বুলি এৰিছোঁ। তই ...ৰ পতি ৰুদ্ৰৰ নাম বাৰে বাৰে স্মৰণ কৰাই তুই জুইৰ দৰে অন্তৰত থকা ক্ৰোধ কিয় বঢ়াইছ? তই মোৰ কুলত জন্মি মোৰ কন্যা হৈ ইয়াকো জনা নাইনে—তই ৰুদ্ৰৰ হাতত পৰাত প্ৰজাপতি মই কি অপমান লৈ জীয়াই আছোঁ? মোৰ ঘৰত জটাধাৰী, হাতত শূল লোৱা একাদশ ৰুদ্ৰ বাস কৰিছে; দুৰ্ম্মতে, তই সেই একাদশ ৰুদ্ৰৰ নিচিনা আন কোনো শিৱনামধাৰী মহাৰুদ্ৰক পতিৰূপে বৰণ কৰিছ। ইয়াতকৈ আৰু কিবা অপমান আছেনে?" সতীয়ে কলে,—"পিতৃ, মাতৃ, গুৰু, বন্ধু, পিতামহ প্ৰভৃতি সকলোৱেই পূজিত আৰু ধৰ্ম্মস্বৰূপ এই বিষয়ে সন্দেহ নাই; কিন্তু তুমি অধৰ্ম্মমতি, আৰু ময়ে বা ধৰ্ম্মমতি হৈ কেনেকৈ তোমাৰ কন্যা হৈ থাকো? যিবিলাক তোমাৰ কন্যা, তুমি সিবিলাককে ৰক্ষা কৰা; আজিৰপৰা মই আৰু তোমাৰ কন্যা নহওঁ। মই ভগৱান ত্ৰিলোচনত শৰণাপন্ন হৈছোঁ; সেই শান্ত, বন্ধু, কৃপাময় মহাদেৱেই মোৰ ভৰ্ত্তা, তেওঁ অদ্বেষী, কূটস্থ আৰু জগদীশ্বৰ, কিন্তু তুমি নিজ মূৰ্খতা হেতুকে সদায় তেওঁৰ প্ৰতি দ্বেষ কৰা, হিংসা কৰা। যাৰ 'শিৱ' এই দুটি অক্ষৰৰ নামটিয়েই অমঙ্গলনাশক, যাক স্মৰণ কৰা মাত্ৰকে সকলো পাপ বিনষ্ট হয়, যাৰ নামত ত্ৰিভুৱনৰ এনে উপকাৰ হয়, তেওঁক সাক্ষাৎ ভজনা কৰিলে উপকাৰৰ কথা কি কব পাৰি? বিধাতাই তোমাক শিৱভক্তিসুখ নিদিলে—তুমি সেই সুখৰপৰা বঞ্চিত। শিৱদ্বেষৰ পৰিণাম কি তাক তুমি অনুভৱ কৰা নাইনে? শিৱদ্বেষীৰ কল্যাণ নাই, সি মঙ্গলশূন্য। মই এতিয়াও তোমাৰ উপকাৰৰ নিমিত্তে কৈছোঁ তুমি যত্নৰে সৈতে মহাদেৱ ৰুদ্ৰৰ ভজনা কৰা; মোৰ বচন শুনা, শিৱক স্তৱেৰে সন্তুষ্ট কৰা।" দক্ষে কলে,—"তই স্তৱৰ কথাহে কৈছ, মই সেই শব্দক বিপৰীত 'বস্ত'* কৰিহে পাঠ কৰিম। তই পুনঃ পুনঃ কিবোৰ কথা কব লাগিছ? তই জানিবি সকলোৰে ৰুচি সমান নহয়। তই মোৰ চকুৰ আৰ হৈ যা, তোক দেখি মোৰ মনৰ দুখ বনৰ জুইৰ দৰে বাঢ়িবহে লাগিছে।" সতীৰ আৰু সহ্য নহল, তেওঁ গৰ্জ্জি কবলৈ ধৰিলে, "এই মূৰ্খ, এতিয়া তই শিৱনিন্দাৰ

* 'বস্ত' মানে ছাগলি; ইয়াত দক্ষে শিৱক 'বস্ত' পদেৰে ছাগলি বুলি গালি পৰাহে বুজাইছে।


প্রতিফল পা, অধমাচাৰ তই যেনেকৈ স্তৱ শব্দক বিপৰীতকৈ বস্ত ( ছাগ ) কৰি পাঠ কৰিলি, তোৰ মুখো তাৰ দৰে হওক, অৰ্থাৎ তোৰ মুখতো ছাগলিৰ দৰে গন্ধ ওলাওক,—যাতে আনে কেতিয়াও তোৰ দৰে শিৱনিন্দা নকৰে। আৰু যে মই তোৰ চকুৰ আতৰ হম, অকল সেয়ে নহয়, যি দেহ তোৰপৰা উৎপন্ন হৈছে অচিৰে তাৰপৰাও বাহিৰ হম।" সতীয়ে এনেকৈ কৈ উঠিছে মাথোন, সভাত থকা, দেৱতা দৈত্য, মুনি-ঋষিয়ে দেখি আচৰিত মানিলে যে দক্ষে কথা কব নোৱাৰি ছাগলিৰ দৰে কক্‌বক্‌ কৰা হল! সতী সেই মুহূৰ্ত্তত সভাৰ পৰা ওলাল। তেওঁ ওলোৱাত ইন্দ্ৰাদি দেৱগণৰ সৈতে গোটাইখন সভা কঁপি উঠিল ; তাৰ লগে লগে পৃথিবীও উঠা যেন লগিল ; সভাৰ সকলোৰে মাত-বোল হৰিল ; কোনো জনৰে তেওঁক কোনো কথা কৈ নিবাৰণ কৰিবলৈ সাহ নহল। এনে কি তেওঁৰ মুখৰ ভীষণ ভঙ্গিমা দেখি তেওঁৰ মুখৰ ফালে কোনেও চাবলৈ সাহ নকৰিলে। ক্ষন্তেকতে সতী অদৃশ্য হল। অদৃশ্য হোৱাত চাৰিদিশে হাহাকাৰ পৰি গল। দক্ষে উঠি 'সতী' এই কথা কবলৈ গৈ ছাগলিৰ দৰে অস্পষ্ট শব্দ কৰিবলৈ ধৰিলে। কি পৃথিবী কি আকাশ সকলোতে 'সতী' 'সতী' এই বাক্যত বাজে আন একো শুনা নগৈছিল। সকলোৱে 'সতী ক'ত সতী কত' বুলি লৰা-ধপৰা লগালে। সিফালে শিৱপ্ৰিয়া সতী সভাৰ পৰা সকলোৰে অদৃশ্য হৈ গৈ হিমালয়ৰ

সতীৰ দেহত্যাগ

ওচৰৰ কোনো দুৰ্গম অৰণ্যৰ মাজত উপস্থিত হলগৈ ; তাতে তেওঁ দক্ষৰপৰা জন্মা দেহ ত্যাগ কৰি হিমালয়লৈ গলগৈ।

* * * *

ইফালে কিছুপৰৰ মূৰত হাই-উৰুমি নোহোৱা হোৱাত পুনৰ সকলো যজ্ঞত লাগিল। কিন্তু কাৰো মনত সুখ নেলাগিল ; কিয়নো স্বয়ং যজ্ঞৰ গৰাকি দক্ষে মন্ত্ৰ উচ্চাৰণ কৰিব নোৱাৰি ছাগলিৰ দৰেহে শব্দ কৰিছিল। ইয়াতকৈ আৰু অসুখৰ কথা কি আছে? .. কোনোৱে কবলৈ ধৰিলে, দক্ষকন্যাৰ অদ্ভুত শক্তি ; তেওঁ শিৱনিন্দাৰ প্ৰতিফল দি শম্ভুৰ তালৈ গল ; কোনোৱে কলে কৰবাত অপমানত জাহ দি মৰিল গৈ। অন্তঃপুৰত মাক প্ৰসূতীয়ে এইবোৰ শুনি একো দুখ নকৰিলে। তেওঁ জানিছিল, সতী মূল প্ৰকৃতি, তেওঁৰ প্ৰতি তেওঁলোকে যি কন্যা বুদ্ধি কৰিছিল, সি ভ্ৰম মাত্ৰ।



কথা ]

# সপোনত এছোৱা

—মুকলিমুৰীয়া

সেই দিনা ব'দটো কোমল আছিল। ভেট, ...মেৰে ভৰা সৰোবৰটোৰ মাজত বিলাহাঁহ, আৰু ...ালিবোৰে চৰি ফুৰা চাই চাই পদুমৰ চকা বিচাৰি ...হলে নুহিয়ানি আৰু থাগৰি জোপাবোৰৰ সুৰুঙা ...টোৱেদি পাৰ হ'লো। এছাটি বতাহত থাগৰি আৰু ...হিয়াবোৰ সো-সো কৰে লৰাত চক খাই উঠিলো। ...ৰি চালো, কাকো নেদেখিলো—কেউফালে নিজান। ...হজাকিৰ লগে লগে পদুমৰ লেহুকা নলাবোৰ ...ৰত হালি জালি নাচিছে। বিলাহাঁহ সৰালিবোৰে ...টোৱে সিটোক খেদি, সিটোৱে ইটোক খেদি ...ৰপাতৰ আঁৰে আঁৰে লুকাভুমুকা কৰিছে। সিহঁতৰ ...খেলিত বৰ ভাল লাগিল। চাই চাই মনৰ হেপাহত ...ে আছো, হঠাৎ দুখ পালো,—পদুম লওঁ বুলি পানীত ...ৰি আহি থাকোতে কাঁইটে ফুটিলে। অতৃপ্তিৰ দুখ ...ৰ বেজাৰত উঠি আহি পাৰত বহিলো। পানীৰ ...ৰৰ সৰু সৰু ঢউবোৰৰ লগত তেতিয়াও বনৰীয়া-...হাঁহবোৰে নিজৰ হেঁপাহত লৰি ধাপৰি ফুৰিছে। সিহঁতৰ ...পোনপাহৰা মুকলিমুৰীয়া আনন্দৰ জুৰণি অকণো পাব নোৱাৰিলো—বেজাৰত চকুৰ পানী দুগালে বাগৰি পৰিল।

'বলা যাওঁ"—অকলশৰীয়া ঠাইডোখৰত কাৰবাৰ ...কোমল মাতষাৰ শুনি উচপ খাই ঘূৰি চালো। ধুনীয়া ...ৰ লগা মোৰে নিচিনা লৰা এটি, হাতত এসোপা ...ৰিৰে সতে পদুমফুল আৰু পদুমৰ চকা। "তুমি ভয় খাই ...গা নহয়নে? আজিৰপৰা বাৰু ভয় নুখুৱাওঁ। এইয়া ...তোমালৈ পদুম ফুল আনিছো লোৱা আৰু এইয়া পদুমৰ ...ৰা তোমাক ভাঙি দিওঁ খোৱা"—বুলি মোক এটা এটাকৈ ...দিলে। মনৰ বেজাৰ তেওঁৰ মৰমিয়াল আৰু পদুমফুলীয়া হাঁহিটোৱে কেনিবা নিলে। আধামেলা পদুম এপাহ ললো, তাৰো মেলখোৱা পাহীবোৰ সৰি গ'ল। ভাল নালাগিল—পেলাই দিলো। মই ইয়াতকৈও কিবা এটি বেছি আনন্দ আশাৰে আহিছিলো। মুখত শুকান হাঁহি এটাৰে তেওঁৰ ফালে চালো। তেওঁৰ ৰাঙলি হাঁহিটোৱে মোক তেওঁৰ আৰু আপোন কৰিলে। মই একে থৰে চায়ে আছো তেওঁ পদুমপাত এটাৰে বিচি দিলে। তাৰ পিছত লাহেকৈ মোৰ ভৰিৰ পতাখন দাঙি কাঁইটটো উলিয়াব খোজাত মই আচৰিত হলো। "তুমি কেনেকৈ জানিলা—"বুলি মই সুধিলো। "মই সৌ তাৰপৰা দেখি আছিলো"—বুলি ক'লে।

ঠাৰিয়ে-চাৰিয়ে পদুম ফুল আৰু চকাবোৰ মোৰ কোচত ভৰাই দিলে। একে লগে ইমানবোৰ ধুনীয়া ফুল পাই মনৰ সুখতে তেওঁক সাৱট মাৰি ধৰিলো। "এনে ধুনীয়া পদুমবোৰ, তুমি কেনেকৈ আনিলা?" "মোতকৈও ধুনীয়ানে?" বুলি তেওঁ সুধিলে। "ওঁ" বুলি ক'ব খুজিছিলো। হঠাৎ তেওঁৰ হাঁহিভৰা ফটিক যেন পোহৰ মুখখনি দেখি নকলো। হেপাহঁত তেওঁৰ মুখলৈকে একেৰাহে চালো—ইমান ভাল দেহি! সদায় যদি মোৰ লগতে থাকিল হেঁতেন! "নকলা নহয়?" বুলি সুধিয়ে "হোৱা বাৰু, আৰু পদুম লোঁৱা, তুমি তাকে নিম বুলিহে পানীত নামিছিলা" বুলি মোক ক'লে। "নহয় তুমিহে ধুনীয়া" বুলি ক'ব খুজিছিলো, ক'বলৈ লাজ লাগিল নক'লো। আনন্দতে ফুলবোৰ দলিয়াই পেলাই দিলো। ঠিয় হৈ তেওঁৰ ফালে চালো। বলা যাওঁ গৈ বুলি মোক ক'লে। তেতিয়া দুয়ো তাৰপৰা পশ্চিমমুৱাকৈ যাবলৈ ধৰিলো। গৈ গৈ এটা সৰু ঘাট পালো। তাত এখন কলগছৰ ভুৰ বন্ধা আছিল। দুয়ো উঠিলো। যাওঁতে মাজৰ গহীন দ পানী

দেখি মোৰ ভয় লাগিছিল। তেওঁ কিন্তু অলপো ভয় কৰা দেখা নাছিলো।

সিপাৰ পালো। আমি দুটা অকলশৰীয়া ল'ৰা। আগেয়ে নহা ঠাই—একেবাৰে আচহুৱা। তথাপি ঠাই ডোখৰ বৰ ভাল লাগিছিল। হেপাঁহ পলাই কেউপিনে চাই গৈয়ে আছো। এছোৱা গৈয়ে এখন সৰু উপবন পালোগৈ। আমাতকৈ অলপ ওখ কেবাবিধৰ গছগোৰ তাত ফুলি থকা দেখিলো। তাৰ মাজে মাজে ওখ ডাঙৰ গছবোৰে ছাঁ দি আছে। ফুলধৰা গছ আৰু ছা দিয়া গছবোৰৰ কাষেদি জুৰি এটা কেৰা সোঁতাও হৈ সৰোবৰ-টোৰপৰা ওলাই গৈছে। পানীবোৰ ফটিকৰ ধাৰ যেন। সিও দুই এটা শিলত খুন্দা খাই দেখিবলৈ আৰু মনোমুগ্ধকৰ হৈ পৰিছে।

ইফালে সিফালে ঘুৰিলো। কেউফালে ফুলনিয়েইহে। ইমান সুন্দৰ ঠাই! উলাহতে তেওঁৰ হাতখন ধৰিলোঁ। মোলৈ চাই এটা তৃপ্তিৰ আৰু আনন্দৰ সৰল হাঁহি মাৰিলে। কোনোবাই গুৱলাকৈ নাম গোৱা যেন শুনিলো। তেওঁ কলে, জুৰিৰ পানীবোৰ সৰু সৰু শিলগুটিবোৰৰ মাজেদি যোৱাৰ কাৰণে তেনে শুনিছা। চৰাই এজাক দেখিলো। বৰ ধুনীয়া। "সোঁবোৰ দেখোন পহুৰ পোৱালি! ইচ্ কেনেকৈ চৰি ফুৰিছে। চোৱাচোন সেইবোৰ মুকুতা।" তেওঁ ক'লে সেইয়া নিয়ৰহে। নিয়ৰৰ টোপালবোৰ মুখত সানি ললো। তেওঁকো দিলো। আৰু খুজিলে আৰু দিলো। তোমাৰ ভোক লাগিছে ৰ'বা, বুলি তেওঁ ফুলৰ চুপহিবোৰৰপৰা সোৱাদ ৰস আনি দিলে। চেলেকি হেপাহ পলাই খালো। সৰু সৰু শিলগুটিবোৰ কোচত লৈ পাৰো মানে পানীৰ মাজলৈ দলিয়াই ধেমালি কৰিলো। এবাৰ ধেমালি কৰি থাকোতে শেলুৱৈ লগা শিল এটাত পিছল খাই তেওঁ মুখ দি শিলতে পৰিল। নাকেদি সো-সো কৰে তেজ ওলালত মই আতুৰতে একো উপায় নাপাই তেওঁক সাৰটি ধৰিলো। তেওঁ ক'লে, মোক ধৰা মই পানীৰে ধুই দিলে তেজ ৰ'ব।

তেজ যোৱা ভাল হ'ল। মোৰ মনৰ আনন্দ তেতিয়া নাইকিয়াই হৈছিল। পিছত এবাৰ তেওঁ মোৰ মুৰত হাত ফুৰাই সুধিলে, মই কিয় ইমান ধুনীয়া আৰু পোহৰ হৈ আহিছো। "তোমাৰ লগত আহিছো দেখিয়ে তুমি মোক তেনে দেখিছা। মই বৰ অশুৱনি।" "তুমি নিজকে দেখাই নাই, কেনেকৈ ক'বা তুমি কেনেকুৱা দেখিবলৈ। ফুলনিখন দেখিছা, সিও ইমান মৰমলগা নহয়।" "ফুলবোৰ আছে দেখিয়ে ভাল দেখিছা। যেতিয়া সিহঁত মৰিব তেতিয়া তাত শুৰি পৰুৱা লাগিবহি। বৰ বেয়া লাগিব তেতিয়া" কথাষাৰৰ লগে লগে তেওঁৰ মুখত কলা বৰণ এটা পৰি গৈছিল। তেওঁৰ হাঁহি মুখখন শেতা হৈ যোৱা দেখি মোৰ হুমুনিয়াহ এটা পৰিল।

তাৰপৰা লাহে লাহে আহিলো। আন এখন ঠাই পালোহি। ওপৰত গছ গছনিয়ে ছাতি আছে। মাজেদি গিহি দুবৰি বনৰ ওপৰে বাট। বনবোৰ বেঙেনাৰ বৰণেৰে ফুলিছে। ৰামধনুৰ সাতোটা বোল লৈ বেলিয়ে পোহৰ দিছে। প্ৰকৃতিৰ সৌন্দৰ্য্যৰ মাজত আমি জিলিকি উঠিছিলো। ইয়াৰপৰা অলপ গৈয়েই ওখ টিলা এটা পালো। তাৰ কাষেদি আমি পাই অহা জুৰিটো অলপ বহল হৈ বৈ গৈছে। পানীবোৰ অলপ ঘোলা দেখিলো। তেওঁ হঠাতে ক'লে বোলে সেই একে পানীয়েইহে। বালি আৰু বোকাৰ বৰণত তেনে দেখিছা। যেতিয়া তলত জিৰণি ল'ব সোঁতৰ পানীধাৰ ফটিক যেন হ'ব। তেওঁ কোৱাৰ লগে লগে দুয়ো ধৰাধৰি কৈ গৈয়ে আছো। এই দৰে গৈ ওপৰ উঠিলো। আমাৰ ভাগৰ লাগিছিল। ওচৰৰ গছ এজোপাৰ ছাঁত জিৰণি লবলৈ বহিলো। ভাগৰত তেওঁ শুলে। মোৰ টোপনি নাহিল। তেওঁৰ ভাগৰুৱা মুখখনৰ ওপৰত গছপাতৰ জিলিঙনিয়েদি আহি বেলিৰ পোহৰে তেওঁৰ বৰণ উজ্জলাই তুলিছিল।

ওখ টিলাটোৰপৰা কেউফালে ভালকৈয়ে দেখি। সকলোতে মই আনন্দ পাইছিলো। দূৰৈৰ চৰাই-চিৰিকতিৰ চি-চিয়নি, পহু গাহৰিৰ মাত, বৈ যোৱা জুৰিটোৰ বুজিব নোৱাৰা সুফুটা শব্দ, আঁতৰত এৰি অহা ফুলি থকা গছবোৰ, আকাশত এচটা দুচটা বগা ডাৱৰ, সুৰুযৰ সাটোতা পোহৰ, গছৰ ছাঁ, এই সকলোবোৰে নিজৰ নিজৰ এটা সুকীয়া বোল লৈ আমাক সুখী কৰিব পাৰিছে। মোৰ ভাগ



িৰ; আমি দুয়ো তাৰ মাজত সোমাই পৰিব পাৰিছো। ৰা এৰা-এৰি হোৱা নাই।

তেওঁ সাৰ পাই চকু দুটা আধামেলা আধামুদাকৈয়ে সুধিলে, মই শুশুলোনে কি? মোৰ ভাগৰ বৰকৈ নাছিল কাৰণে টোপনি নাহিল বুলি কলো। তেওঁ নকৈ লাহে লাহে মোৰ গাত আউজি বহিল। ৰ'লা বুলি মই ক'লত তেওঁ উঠিল। অলপ দূৰ গৈয়েই তেওঁ আৰু ক'লে যে তেওঁ আৰু মোৰ লগত নাযাব। তেনে নাযাওঁ বুলি ক'লো।

"তুমি যোৱা। সৌ যে দূৰণিত গাওঁখন আছে তাৰ তুমি এবাৰ গৈ আহাঁগৈ। তাত তোমাৰ লাগতিয়াল বহুত আছে, সেইবোৰ চাই লৈ আহাঁ গৈ। যেতিয়া পিনে আকৌ আহিবা, মই ইয়াতে তোমালৈ বাট চাই কিমহি। মোলৈ যদি কিবা মৰমলগা বস্তু পোৱা, লৈ হিবা।" তেওঁৰ লগ এৰি অকলৈ ইমান দূৰ যাব লাগিব বেজাৰতে দুগালে চকুলো বাগৰি গ'ল। তোমাক লগ পোৱা হ'লেই ভাল আছিল। তুমি কিয় মোক তেনে ধৰিছিলাহি বুলি কন্দনামুৱা হৈ ক'লো। মোক ৰ ভাবেৰে গালত আৰু মুখত চুমা দুটা দি ক'লে, কেইকালে বৈ যোৱা আনন্দৰ মাজত তুমি বেজাৰ কৰি লোকে মোলান পেলাইছা। তোমাৰ বেজাৰে মোকো নি কৰিব, তাক জানো তুমি সহিব পাৰিবা? যোৱা আজৰি হৈ আহিলেহে আমাৰ দুয়োৰে মন মুকলি িব। তলৰ সৌ বাটটোৰেদি কিমান মানুহ অহা কৰিছে চোৱা। তুমি সেই বাটেদিয়েই যোৱা। ই মানুহেই অকলশৰেই আহিছে গৈছে চোৱা। উপৰি তুমি তালৈকে যাম বুলি আহিছিলাই। এই বাট মোৰ লগত আহিয়েই পাহৰি গ'লা? ঘৰত কি বুলিব? মই ভাগৰুৱা দেহাৰে তোমাৰ লগত সোনকালে ঘুৰিব নোৱাৰিম। বেলিৰ বৰণ শীন হৈ আহিছেই। আৰু হ'ব। পোহৰ যাব আন্ধাৰ আহিব। তেতিয়া আমাক বেৰি থকা দহোটা দিশৰ ৰূপ হেৰাব। সকলোকে ভয় লগা হ'ব। তেতিয়া ভয় আৰু বেমেজালিৰ মাজত ঘৰলৈ যোৱাৰ বাট বিচাৰি উলিয়াব নোৱাৰিম। আন্ধাৰৰ আগতে তুমি অকলে গ'লে ঘূৰি আহিবগৈ পাৰিবা। মোক নাপাহৰিবা। মোৰ মৰম আৰু সোঁৱৰণিয়ে তোমাক ইয়ালৈ আহিবলৈ মনত বল দিব। তোমাৰ সোঁৱৰণিয়ে মোক উজলাই ৰাখিব। তোমাৰ কাৰণে মৰম আৰু আশাৰে বাট চাম। তুমি তাত যি পোৱা মোলৈ লৈ আহিবা। তোমাৰ জুটিৰ কাৰণে, তোমাৰ ভাগৰ গুচাবৰ কাৰণে তুমি ভাল পোৱা ফুলকলি, তুমি ভাল পোৱা গছৰ গুটি, পিয়াহ গুচাব পৰা জুৰিৰ শীতল পানী আৰু সন্ধিয়া পৰৰ শাত-লগা বতাহ গোটাই ৰাখিম। তুমি ইয়াত বৈ থাকিলে পোহৰতে নাপাবাহি। আন্ধাৰ যেতিয়া হ'ব কেনেকৈ আহিবা? আহিলেও মোক জানো চিনিব পাৰিবা? মোক চিনিব নোৱাৰিলে তোমাৰ দুখত মোৰ বেজাৰ বাঢ়িব। যি পিনে মানুহবোৰ যোৱা দেখিছা সেইপিনেই যোৱা, পাবাগৈ। তোমাৰ মৰমতে মই ইয়াতে তোমাৰ কাৰণে বাট চাম। তুমি যেতিয়া ঘূৰি পাবাহি দুয়ো একেখন ঘৰলৈকে এইবাটে যামগৈ। তেতিয়া আমাৰ আনন্দ আৰু বাঢ়িব। দুয়ো দুয়োৰে মৰম আৰু সাদৰত জীয়াই থাকিম। যাওঁতে বাটত মানুহে হিংসা কৰিলে চকুলো নেপেলাবা। মোৰ কথা মনত পেলাবা।" এই বুলি কৈয়েই মোৰ গালে মূৰে হাত ফুৰাই মোক আতৰাই পঠিয়ালে। জোপাৰ আঁৰ হ'লো। অলপ পিছত মানুহৰ জাক পালোহি। বহুতক যে চিনিয়েই পাওঁ। মনৰ বেজাৰ গ'ল। মনত আনন্দ লাগিল। এবাৰ এৰি অহা ঠাই ডোখৰলৈ উলটি চালো। চকুৰে নমনা হ'লো। বেলি তলমুৱা হোৱা দেখি ভাল লাগিল। দুখ আৰু বেজাৰত তেওঁৰ সোঁৱৰণিয়ে মোৰ মনত বল দিব। তেওঁৰ মৰমে মোৰ আদৰ্শৰ বোজা লঘু কৰিব। তেওঁক আকৌ লগ পাই আনন্দেৰে ঘৰমুৱা হ'ম—ইয়াৰ আশা আৰু আনন্দৰ গৌৰৱতে আজৰি হ'বৰ হেপাহেৰে আগবাঢ়িলো।

---




## হাইদৰাবাদৰ ওছমানিয়া টেকনিকেল ইনষ্টিটিউট



এপ্লাইড মেকানিকেল লেবৰেটৰিৰ এটা বিভাগ

যোৱা ১৯২২ চনতে হাইদৰাবাদৰ নিজামে ওছমানিয়া ছেন্ট্ৰেল টেকনিকেল ইনষ্টিটিউট নামে এটা ইঞ্জিনিয়াৰিং স্কুল প্ৰতিষ্ঠা কৰে। এই ইনষ্টিটিউটৰ প্ৰধান উদ্দেশ্য হৈছে হাইদৰাবাদৰ ছাত্ৰসকলৰ বাহিৰেও ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ ছাত্ৰ সকলক নিপুণ ইঞ্জিনিয়াৰ হবৰ কাৰণে সকলো প্ৰকাৰৰ সুযোগ আৰু সুবিধা প্ৰদান কৰা।

এই স্কুলটো নিজামৰ টাক-শালৰ চৌহদৰ ভিতৰত নিৰ্ম্মিত হৈছে। ইয়াৰ উদ্দেশ্য হৈছে টাক-শালৰ কাৰখানা আৰু বৈদ্যুতিক বিভাগৰ লগত একেলগে কাম কৰিবলৈ সুবিধা হব। স্কুলঘৰৰ বিল্ডিংটো অতি চমৎকাৰ কৈ সজা হৈছে আৰু স্কুলটোৰ পৰিপূৰ্ণতাৰ বাবে বাহুল্যভাৱে খৰচ কৰা হৈছে। স্কুলটোত এটা এছেম্ব্লি হল, ৰেফাৰেন্স লাইব্ৰেৰি, শিক্ষকৰ কোঠা, অফিচ, বক্তৃতা হল, চিত্ৰাঙ্কন অফিছ, বিজ্ঞানাগাৰ, মেকানিকেল আৰু ইঞ্জিনিয়াৰিং লেবৰেটৰি আদি সংযুক্ত আছে।

টাক শালৰ কাৰখানা আৰু বৈদ্যুতিক কাৰখানা দুটা অতি আধুনিক ধৰণেৰে নিৰ্ম্মিত আৰু সজ্জিত। ইয়াতেই শিক্ষাৰ্থীসকলক কাৰ্য্যকৰী শিক্ষা প্ৰদান কৰা হয়।

এই স্কুলটোত প্ৰধানতঃ দুটা বিভাগ আছে। এটা হৈছে নিপুণ কাৰিকৰ বা শ্ৰমশিল্পী হবলৈ শিক্ষা দিয়া আৰু আনটো হৈছে ব্যৱসায়িক মেকানিকেল আৰু ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ হবলৈ শিক্ষা দিয়া। এই স্কুলত ইউৰোপৰ ধৰণেৰে



ওছমানিয়া ইনষ্টিটিউটৰ বৈদ্যুতিক বিভাগ।

ভাৰতীয় ছাত্ৰৰ উপযোগীকৈ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। অথচ এতিয়ালৈকে ছাত্ৰসকলৰ পৰা কোনো ফীজ লোৱা হোৱা নাই। বৰঞ্চ অধ্যক্ষৰ




অনুমোদন অনুসৰি উপযোগী ছাত্ৰক বছৰে বছৰে বৃত্তি দিয়া হয়।



ইলেক্ট্ৰিক মেছিন লেবৰেটৰি।

## ৰাস্তা নিৰ্ম্মাণকাৰীৰ বেশত মুছলিনি

যোৱা নৱেম্বৰ মাহত মুছলিনিয়ে জেনোৱাৰ পৰা উত্তৰ ইটালিৰ বাণিজ্যৰ কেন্দ্ৰ মিলান আৰু টুৰিণ আদিলৈ এটা বৃহৎ ৰাস্তা মুকলি কৰিছে। এই ৰাস্তাটো কেৱল মোটৰ-বেপাৰৰ মটৰ লৰী আদি যাতায়াতৰ কাৰণে নিৰ্ম্মিত হৈছে। ৰাস্তাটো গৈছে পৰ্ব্বতৰ ওপৰেদি। এই বিধৰ খালি পৃথিবীৰ ভিতৰত এইটোৱেই প্ৰথম বুলি জানিব



ইটালিৰ পৰ্ব্বতৰ ওপৰেদি নতুন ৰাস্তা।

পৰা গৈছে। ছিনৰ মুছলিনিও এই ৰাস্তা নিৰ্ম্মাণকাৰীৰ ভিতৰত এজন।

## বিলাত ফেৰৎ কৃতী অসমীয়া সন্তান

অসম চৰকাৰৰ স্বায়ত্ব শাসন বিভাগৰ মন্ত্ৰী, ৰায়বাহাদুৰ কনকলাল বৰুৱা ডাঙৰীয়াৰ সুযোগ্য পুত্ৰ শ্ৰীযুত ননীলাল বৰুৱাই প্ৰায় পাঁচ বছৰ কাল বিলাতত শিক্ষা লাভ কৰি সম্প্ৰতি অসমলৈ প্ৰত্যাৱৰ্ত্তন কৰিছে। তেখেতে বিলাতত লণ্ডন স্কুল অৱ্ ইকনমিক্সত সন্মানেৰে সৈতে যথাক্ৰমে বি-এছ-ছি আৰু বি-কম পৰীক্ষাত উত্তীৰ্ণ হৈছে। তাত তেখেতে বিশ্ববিশ্ৰুত প্ৰফেছাৰ লাস্কি আৰু গ্ৰেগ'ৰি



শ্ৰীযুত ননীলাল বৰুৱা বি-এ ( কলি ), বি-এছ-ছি ( লণ্ডন )

তলত শিক্ষা লাভ কৰিছিল। শেষত তেখেতে মিডলেণ্ড বেংকত এবছৰ কাৰ্য্যকৰী শিক্ষা (Practical Training) লাভ কৰে। বৰ্ত্তমান তেখেতে ডক্টৰ অৱ ফিলছফি উপাধি লাভৰ কাৰণে কোনো এক বিষয়ৰ গৱেষণাত ৰত আছে।

## কণাৰ কিতাপ পাঠ



কণাৰ কিতাপ পাঠ।

"অল-উক্ৰেনিয়ান একাডেমি অৱ চায়েন্স"ৰ প্ৰফেছাৰ এ, জি, গ'ল্ডমেনে অন্ধই কিতাপ প'ঢ়িব পৰা এটি নতুন উপায় উদ্ভাৱন কৰিছে। এই উদ্ভাৱনটো হৈছে—এটা

মাইক্ৰছক'পৰ তলত কিতাপখন ৰখা হয় আৰু গাৰীৰ নিচিনা এটা যন্ত্ৰই কিতাপখন আগ বঢ়াই দি থাকে। তাৰ ফলত এশাৰীৰ পাছত এশাৰীকৈ আখৰ ওলাই গৈ থাকে। "ছবি-বিদ্যুত"ৰ সহায়েৰে আখৰবোৰ অলপ ওখ কৰি দিয়ে। এই ওখ আখৰবোৰ কণাই হাতৰ আঙুলি বুলাই বুলাই পঢ়ি যাব পাৰে।

## এবিছিনিয়াৰ বিষয়ে জাৰ্ম্মেনিত বাপ



জাৰ্ম্মেনিৰ ভালেমান কিতাপৰ দোকানত এবিছিনিয়া সম্পৰ্কীয় কিতাপ আৰু মেপ আদি দ্ৰুত বেগে বিক্ৰী হব লাগিছে। এই মেপ, কিতাপ আৰু ছবিবোৰ দোকানৰ খিৰিকীৰ আগত বিক্ৰীৰ কাৰণে সজাই থোৱা হৈছে।

## বাৰ্লিনত এসজীয়া প্ৰথা



প্ৰায় ছবছৰ হল, জাৰ্ম্মেনিৰ সৎ নাগৰিকসকলে মাথোন এসাঁজ আহাৰ কৰাৰ প্ৰথা অৱলম্বন কৰিছে। যোৱা অক্টোবৰ মাহৰ ১৩ তাৰিখে তেওঁলোকে বাৰ্লিন চহৰৰ এখন স্কোয়েৰত মুকলিভাৱে এইদৰে এসজীয়া আহাৰ ৰাজহুৱাকৈ গ্ৰহণ কৰিছিল।

## ইটালিৰ ভাবী যুজাৰু



ইটালিক "কুকুৰনেচীয়া বাঘৰ পোৱালিয়ে" নিজৰ দলক ড্ৰাম আৰু ট্ৰাম্পেট বজাই মাতিছে।



জেনোৱা নগৰৰ মাজেদি 'মাৰ্চ্চ' কৰি যোৱা "কুকুৰনেচীয়া বাঘৰ পোৱালি"ৰ দল।

ইটালিৰ সৰু সৰু লৰাৰ কাৰণে এটি সৈন্থিক সংঘ আছে। ইয়াৰ নাম "ফিগ্‌লি ডে'লা লুপা" বা কুকুৰনেচীয়া বাঘৰ পোৱালি। এই সংঘটোত ইটালিৰ সকলো ঠাইৰে সৰু সৰু লৰাবোৰ সভ্য ভুক্ত হৈছে। ইটালি এবিছিনিয়াৰ যুদ্ধৰ লগে লগে হেজাৰ হেজাৰ লৰাই ইয়াত যোগদান কৰিছেহি। এই লৰাবিলাকৰ সৰহ ভাগৰে বয়স আঠ বছৰৰ অধিক নহয়। এওঁলোকক সৰু কালৰেপৰাই সৈন্যৰ হাব-ভাবত দীক্ষিত কৰা হয়। অৱশ্যে এই লৰাবিলাকক ৰাইফল বা বন্দুক আদি দিয়া নহয়। এই শৈশৱ সেনাবিলাকৰ নেতাসকলৰ উদ্দেশ্য হৈছে এওঁলোকক সৰু কালৰেপৰাই সৎ নাগৰিক, নিপুণ সৈন্য আৰু ফেচিষ্ট মতবাদৰ পৰিপোষক কৰি গঢ়ি তোলা। বৰ্ত্তমান এবিছিনিয়াৰ বিৰুদ্ধে যুদ্ধ কৰা ফেচিষ্ট সৈন্যবিলাকো সকতে এনে শিক্ষাত দীক্ষিত হৈছিল।

# পৰিভাষা

—শ্ৰীযুত নন্দীপ্ৰসাদ কটকী এম-এছ-ছি

## ভূবিজ্ঞান

### B

1. Bacteria—জীৱাণু
2. Borrier—প্ৰতিবন্ধক বা, বেৰা
3. Barysphere—গুৰু মণ্ডল
4. Basal—মূল
5. Base—আধাৰ, পীঠ
6. Basal plane—পীঠ তল
7. Basal pinacoid—পীঠ পিনাকয়দ
8. Basement rock—মূল প্ৰস্তৰ
9. Base level—নিম্নতম স্তৰ
10. Basin—অৱবাহিকা
11. Batholite—বেথলিথ্
12. Bay—অখাত
13. Beach—উপকূল
14. Beak—ঠোঁত
15. Bed—স্তৰ
16. Beryl ( emerald )—পন্না, মৰকত
17. Bioxial—দ্বি-অক্ষীয়
18. Binory—যৌগিক, যুগ
19. Biochemical—প্ৰাণী ৰাসায়নিক
20. Biosphere—প্ৰাণীজগৎ
21. Biotite—বায়টাইট্
22. Bivalue—দ্বি পুটক
23. Blade—ছটা
24. Blood relation—এক বংশ, সগোত্ৰ
25. Blow hole—বায়ুৰন্ধ্ৰ
26. Bombs—বোমা
27. Borax—সুৰগা
28. Bort—ব'ৰ্ট
29. Boss—বছ
30. Botroydal—আঙুৰগুচ্ছবৎ
31. Boulder—উপল
32. Brachy—হ্ৰস্ব
33. Brackish—লৱণাক্ত
34. Breccia—খণ্ড শিলা প্ৰস্তৰ
35. Brecciation—খণ্ডীকৃত
36. Brittle—ঠুনুকা

### C

1. Cainozoic—নব্যজীৱক, কেইনজয়িক
2. Calamin—কেলামিন
3. Calcareous—চূৰ্ণময়
4. Calcite—কেলছাইট
5. Cannel coal—কেনেল কয়লা
6. Canine tooth—কুকুৰ দাঁত
7. Capillary—কৈশিক
8. Cambrian—কেম্ব্ৰিয়ান
9. Carboniferous—কাৰ্ব্বনিক
10. Cataclesis—পিহা
11. Cat's eye—বৈদুৰ্য্যমণি
12. Canyon—কন্দৰ
1৪. Cave—গুহা
14 Cavern—গহ্বৰ
15. Cavity—গাঁত
16. Cement—ছিমেণ্ট
17. Chalk—চক্, বগামাটি

# সাময়িক আলোচনা

## সংৰক্ষণ নীতি

নগাৱঁত বহা অসম সংৰক্ষিণী সভাৰ যোৱা দশম অধিৱেশনৰ অভ্যৰ্থনা সভাৰ সভাপতি শ্ৰীযুত যোগসিং ছেত্ৰী বি-এল ডাঙৰীয়াই অসমত বিদেশী সমস্যা সম্পৰ্কে অন্যান্য কথাৰ মাজত তলত দিয়া কথাখিনি কয়—

আজি অলপ দিনৰপৰা অসম আৰু অসমীয়াৰ জীৱনৰ শান্তি ভঙ্গ কৰিবলৈ এমুঠি দুই নাৱত দুই ভৰি দিয়া উৰণীয়া মানুহে অশেষ চেষ্টা কৰিছে। এই উৰণীয়া লোকসকল অসমত চিৰস্থায়ীকৈ বসতি কৰিবলৈ অহা নাই, অসমত খেতিবাতি কৰি জীৱন নিৰ্ব্বাহ কৰিবৰ তেওঁলোকৰ অভিপ্ৰায় নাই। তেওঁলোক আহিছে যাইকৈ অসমত চাকৰী কৰিবলৈ, উকীল, ডাক্তৰী, ঠিকাদাৰ আদি ব্যৱসায়ৰ পোহাৰ মেলিবলৈ। চাকৰী জীৱনৰ শেষ হ'লে, পোহাৰৰ বস্তু সকলোখিনি বিক্ৰী কৈ জোলোঙাত ধন পূৰ হ'লে তেওঁলোকে এই ব্যৱসায়ৰ ক্ষেত্ৰৰপৰা সকলো সম্বল লৈ নিজ দেশলৈ আতৰিব। এওঁলোক স্বাৰ্থপৰ আৰু সুবিধাবাদী। তেওঁলোকে সুবিধাৰ অন্বেষণত ঘূৰে; নিজ দেশত জাতীয় পৰিচয় দি আৰু বিদেশত সুবিধা লৈ মুহূৰ্ত্তলৈ নিজ জাতীয়তা ত্যাগ কৰে। এনে বিধ লোকত সঁজাত নাই। এইবিধ লোকে অসমত একেবাৰে অসমীয়া হৈ গ'লে স্বদেশৰ সুবিধা পুনৰ নেপাব বুলি ভাবি অসমীয়াৰ উন্নতিত ঠিয় যুঁজ ধৰিব লাগিছে। ইফালে অসমত এনে তৰপৰ মানুহৰ সংখ্যা নিচেই তাকৰ হোৱাত তেওঁলোকে নানা দুৰভিসন্ধি কৰি অসমত চিৰস্থায়ীকৈ বসতি কৰিবলৈ অহা অন্য সম্প্ৰদায়ৰ লোকসকলক নিজৰ লগত সুমুৱাবলৈ আন্দোলন চলাব লাগিছে। আন্তৰিকতাহীন ঘোৰ স্বাৰ্থৰে পৰিপূৰ্ণ এই আন্দোলন যে ব্যৰ্থ হ'ব তাক নকলেও হ'ব; তেওঁলোকৰ কুচক্ৰ-চক্ৰান্তই কিমান দিন আৰু অন্য সম্প্ৰদায়সকলক ভুৱা দি ৰাখিব।

১৯৩১ চনৰ ছেন্সাছ ৰিপোৰ্ট প্ৰকাশ হোৱাত এই মুষ্টিমেয় দুৰভিসন্ধি উৰণীয়া বঙালীসকলে সপোন দেখিলে যে অসমত বঙালীৰ জনসংখ্যা সৰহ হ'ল; গতিকে এই দেশৰ নাম অসম গুচাই পূৰ্ব্ববঙ্গ কৰিব লাগে; আৰু ইয়াৰপৰা অসমীয়াক দূৰ কৰি দি ভাৰতৰ উত্তৰ পূৰ সীমান্ত কোণত খেদি লাগে। অসমীয়াৰ ভাষা আৰু সংস্কৃতি দলিয়াই দি তাৰ ঠাইত বঙলা প্ৰচলন কৰিব লাগে। অসমত ... অসম কামধেনুৰ দুগ্ধেৰে দেহ মনৰ পৰিপুষ্টি সাধন কৰি, ... থাকি বুকতে কামোৰা, এই স্বাৰ্থপৰ বিদেশীসকলক সভ্যজগতে ... বুলি সম্বৰ্দ্ধনা কৰিব?

ইয়াৰ পিছত শ্ৰীযুত ছেত্ৰী ডাঙৰীয়াই বঙালীসক... কেনেকৈ ছেন্সাছ ৰিপৰ্টৰ ভুল গণনাৰ আলম লৈ অস... তেওঁলোকৰ অৱথা সৰহ লোকসংখ্যা দেখুৱাবৰ চে... কৰিছে সেই ভ্ৰান্ত যুক্তি পৰিষ্কাৰকৈ খণ্ডন কৰি বঙা... সকলৰ ষড়যন্ত্ৰৰ বিষয়ে এই বুলি কয়—

মই আপোনালোকক জল্‌জল্ পট্‌পট্‌কৈ আঙুলিয়াই দেখু... খুজিছো যে যি গাঁকিয়াল, মিৰি, চুতীয়া, কচাৰী, মিকিৰ, ... সবায় অসমীয়া হৈয়ে আছে—তেওঁলোকক ভাষাবিজ্ঞানৰ অন্যা ... আৰু ছেন্সাছ ৰিপৰ্টৰ আছল অৰ্থ মুখুজা কেইজনমান হিন্দুস্থা... আমাৰ মাজৰপৰা আঁতৰাই ৰাখিব খুজিছে। অসমৰ ভিতৰুৱা ... নজনা, অসম প্ৰদেশখন বগানে ক'লা কেতিয়াও চকুৰে নেদেখা ... ষড়যন্ত্ৰত যোগ দিওঁতা কলিকতাৰ ওপৰ চকুৱা বঙালী কাকতৰ ... সম্পাদকইতলৈ আপোনালোকৰ পুতৌ নহয়নে?

ছেন্সাছ কমিচ্চনাৰেই লিখিছে যে যোৱা গণনাৰ সময়ত অনেক Enumerator পিয়ল কৰোঁতাই বিদেশীমাত্ৰকেই বঙালী বুলি ধৰিলে ... ইফালে স্বাৰ্থপৰ গণনাকাৰীয়ে পূৰ্ব্বৰে পৰা কি কৰি আহিছিল ... মিঃ মুলেনৰ ১৯২১ চনৰ ৰিপৰ্টৰ পৰা উদ্ধৃত কৰি দিলোঁ। ১৯৩১ চ... ছেন্সাছ ৰিপৰ্টত কচাৰী-ভাষীসকলৰ বিষয়ে আলোচনা কৰোতে ... মুলানেও এই কথা উল্লেখ কৰিছে:—

"Many bi-lingual hillmen or interested enumera-tors, return the language as Bengali" এইসকল স্বাৰ্থ... লোক কোন তাক আপোনালোকে নিজে অনুমান কৰিব নোৱাৰেনে!

অসমৰ লোক গণনাত যে অনেক আসোঁৱাহ আছে তা... পূৰ্ব্বৰ ছেন্সাছ কমিচ্চনাৰ সকলেই সম্পূৰ্ণ আসোঁৱাহযুক্ত ... স্বীকাৰ কৰি থৈ গৈছে। অসম উপত্যকাৰ বঙালী সংখ্যা... (অন্য প্ৰদেশৰপৰা লোকসকলক বাদ দিও) বিশ্বাসযোগ্য...



... যোৱা ছেন্সাছ কমিচ্চনাৰে নিজেই ৰিপৰ্টৰ নানা ঠাইত ... কৰিছে। তেখেতে এঠাইত লিখিছে:—

"In the Asam Valley the statistics of the number ...engali speakers cannot be accepted as accurate ...g to the—of the term Bengali to any foreign ...guage." ছেন্সাছ ৰিপৰ্টৰ কথাৰপৰাই, বন্ধুসকলে, বিশেষকৈ ... বন্ধুসকলে এতিয়া বেছকৈ বুজিব পাৰিছে যে অসমত ... অসমীয়াৰ সংখ্যা সৰহ বুলি যি এটা মিছা আন্দোলন চলাইছে সি ... ভ্ৰান্তিমূলক। মোৰ দৃঢ় বিশ্বাস যে তেওঁলোকে কেতিয়াও এনে ... যোগ দি নিজৰ ভৰিতে নিজে কুঠাৰ মাৰিবৰ চেষ্টা ...।

সেইত তেখেতে অসমীয়া জাতীৰ অতীত গৌৰৱৰ ... কয়;—

... এটা কথা, অসমলৈ অহা বিদেশীসকলে ভালকৈ গমি চোৱা ... যে অসমীয়া ভাষা অতিকে পুৰণি ভাষা; পুৰণি সাহিত্যত ... কৰিবলৈ অসমীয়াৰ অনেক সম্বল আছে। শ শ বছৰৰ পৰা ... আন্দোলনি সহ্য কৰিও অসমীয়া ভাষাই নিজৰ অস্তিত্ব হেৰুওৱা ... ভবিষ্যতে কেতিয়াবা হেৰুৱাব বুলিও পৃথিবীৰ কোনো জাতিয়ে ... ভুল হ'ব; যি মুলান ছাহেবে সময়ত শিৱসাগৰতহে অসমীয়া ... মানুহ ৰবগৈ বুলি কৈছে, সেই মুলানেই আকৌ উক্ত ... ৰিপৰ্টতেই লিখিছে:—

"It is clear from the figures of increase in the ...speakers of Assamese at this census and from this ...ble that the language is at present, in no danger of suppression and that the Assamese are deter-...ined to preserve their national tongue."

(Indian Census. Vol. III ch I p 177.)

অসমীয়া জাতিৰ আৰু ভাষাৰ অতীত অতি গৌৰৱময়, ভবিষ্যত আৰু ...। অসমীয়া জাতি আৰু ভাষাভাষীৰ লগত নিজকে বিলাই দি ... অতীতৰ উত্তৰাধিকাৰী হও আহক, মোৰ দৃঢ় বিশ্বাস প্ৰবল প্ৰতাপী ... অন্যতম শ্ৰেষ্ঠ জাতি শিংৰ বংশধৰ হৈ আমি নিজকে যি স্থলত ... অসমীয়া বুলি পৰিচয় দি গৌৰবান্বিত বোধ কৰিছো, তেনে স্থলত ... আজি দ্বিতীয় জাতি নাই যি অসমীয়াৰ লগত নিজকে বিলাই দি ... গৌৰবান্বিত হব পাৰিছে বুলি ভাবিব নোৱাৰে।

## অসমত "বঙাল খেদা" আন্দোলন

অসমৰ, ভাষা স্বাতন্ত্ৰ্য আদি সংৰক্ষণৰ বাবে বৰ্ত্তমান অসমত যি এটা সাধু আন্দোলন চলিছে তাক বঙালী কাকত কেইখনমানে অন্যায়ভাৱে "বঙাল খেদা" আখ্যা দি অসমীয়া জাতিক অযথা আক্ৰমণ কৰিবলৈ প্ৰয়াস পাইছে। ইয়াৰ উত্তৰ স্বৰূপে বৰ্ত্তমান অসমৰ এচেম্‌ব্লিৰ মেম্বাৰ শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈদেৱে "আনন্দ বাজাৰ পত্ৰিকাৰ" সম্পাদকলৈ যি সুদীৰ্ঘ পত্ৰ লিখিছিল তাৰ কিছু অংশ তুলি দিয়া হল। তেখেতে লিখিছিল—

যি আন্দোলনক আপোনালোকে "বঙাল খেদা আন্দোলন" বুলি অভিহিত কৰিছে, সেই সম্পৰ্কে আপোনালোকৰ ধাৰণা ভ্ৰমাত্মক বুলি ভাবো। সচাকৈয়ে "বঙাল খেদাৰ" নিমিত্তে কোনো আন্দোলন ইয়াত হোৱা আমি দেখা নাই। যি দেখিছো সি অসমীয়া জাতিৰ আত্মৰক্ষাৰ আন্দোলন। আমি "বঙাল খেদা" আন্দোলনত সংশ্লিষ্ট নহয়। কিন্তু আমাৰ নমস্য শিক্ষাগুৰু ছাৰ পি, ছি, ৰায় মহাশয়ে প্ৰকাৰান্তৰে বাৰে বাৰে বঙালীসকলক সঙ্ঘবদ্ধ হ'বলৈ আৰু বঙ্গদেশ যে অকল বঙালীৰ বুলি যি স্বদেশ হিতৈষণা দেখুৱাইছে, অসমৰ তৰুণদলে যে সেই নীতি অনুকৰণ নকৰিব এনে আশা কৰিব নোৱাৰি।

এজন মহাপ্ৰাণ বঙালী ছাৰ আশুতোষ মুখোপাধ্যায়ে য়ুনিভাৰ্ছিটি কমিচ্চনত আহি পুঙ্খানুপুঙ্খৰূপে তদন্ত কৰি লিখি থৈ গৈছে যে "শ্ৰীহট্টত য়ুনিভাৰ্ছিটিৰ প্ৰয়োজন নাই, যিহেতু শ্ৰীহট্ট বঙ্গদেশৰেই এক অংশ, কেৱল শাসনৰ সুবিধাৰ কাৰণে অসমত আছে। কিন্তু অসমীয়া জাতিটিৰ সভ্যতা, ইতিহাস, ভাষা, অৰ্থ নৈতিক সমস্যা সকলোৱেই বঙলাৰপৰা পৃথক। কটন কলেজতেই Cultural University হোৱা নিতান্ত উচিত।"

এতিয়া অসমীয়া সকলে এটি বিশ্ববিদ্যালয় বিচাৰোতেই শ্ৰীহট্টৰ বাতৰি কাকতবিলাক তিভিৰি তুলা হৈ উঠিল। কত অকথ্য ভাষাত শ্ৰীহট্টৰ তথা বঙালী কাকতবিলাকে অসমীয়া কৃষ্টি সভ্যতা শিক্ষা দীক্ষা আৰু সম্মানৰ ওপৰত অযথা কালিমা ঘহি দিবলৈ চেষ্টা কৰিছে, তাক ভাবিলেও অন্তৰ বেজাৰেৰে পূৰ হয়। অপৰাধ অসমীয়াসকলে তেওঁলোকৰ শিক্ষা দীক্ষাৰ সুবিধাৰ নিমিত্তে নিজৰ কৃষ্টি আৰু সভ্যতাৰ অনুকূলে এটি য়ুনিভাৰ্ছিটি বিচাৰিছে, শ্ৰীহট্টক কিন্তু সেই য়ুনিভাৰ্ছিটিৰ ভিতৰলৈ আনিবলৈকো চেষ্টা কৰা নাই।

ইয়াৰ পিছত শ্ৰীযুত বৰদলৈয়ে ছিলেটীয়া সকলৰ মিছা আব্দাৰৰ বিষয়ে এই বুলি লিখে—

এই গালাগালিৰ ভিতৰত আপোনালোকে অসমীয়া যুৱক আৰু অসমীয়া নেতাসকলৰ প্ৰতি যথেষ্ট গ্লানিসূচক আৰু অপমানজনক কথা লিখিছে। অসমীয়াসকলে তাক নীৰৱে সহ্য কৰি আহিছে। শ্ৰীহট্টবাসী সকলৰ আব্দাৰ আপত্তিৰ ভিতৰত এই এটা যে—অসম য়ুনিভাৰ্ছিটিৰ

নিমিত্তে টকা নাই। আপোনালোকে নেজানেনে যে অকল অসমভেলীৰ পৰা যি টকা জোৰ জবৰদস্তি কৰি কৰ বুলি আদায় কৰে, তাৰ পৰাই জমীদাৰী প্ৰধান জিলা শ্ৰীহট্টৰ নিমিত্তে সৰ্ব্বমুঠ প্ৰায় ষোল লাখ টকা বছেৰেকত খৰচ হয়। নিশ্চেষ্ট অসমীয়া জাতিয়ে এই শোষন আজি বহু বছৰৰপৰা সহ্য কৰি আহিছে। এই লুণ্ঠনৰ নিমিত্তে কেৱল দায়ী অসম গৱৰ্ণমেণ্ট। কিন্তু যাৰ নিমিত্তে আজি অসমৰ এই অৰ্থহীনতা, সেই সকলেই যদি অসমভেলীৰ অন্নেৰে পৰিপুষ্ট হৈও অসমভেলীৰ যি কোনো উন্নতিৰ বিৰুদ্ধে ঈৰ্ষামূলক আন্দোলন চলাবলৈ আৰম্ভ কৰে তেনেহলে অসমভেলীয়ে খং নকৰিব কিয় ?

গুৱালপাৰাৰ সৰহ সংখ্যক অধিবাসীক ভ্ৰান্ত যুক্তিৰে কিছুমান আক্ৰোশী বঙালী কাকতে কেনেকৈ বঙালী বুলি ধৰিবলৈ প্ৰয়াস পাইছে ইয়াক বৰদলৈদেৱে নিজৰ ভ্ৰমণ জনিত অভিজ্ঞতাৰে খণ্ডন কৰি লিখিছে—

আপোনালোকে সদায়েই কিছুমান ভুল কথা কাগজত লিখি প্ৰচাৰ কৰি আছে। আপোনালোকে লিখিছে যে গুৱালপাৰাত একমাত্ৰ বঙ্গভাষা-ভাষী লোকৰহে বাস। বোধহয় শুনি আচৰিত হ'ব যে গুৱালপাৰা হাইস্কুলত প্ৰকৃত বঙালী ছাত্ৰ ছজন কি ৭জন মাত্ৰ। তাৰ মুছলমান বালিকা স্কুলত প্ৰায় ৮০ জনীমান গুৱালপৰীয়া ছোৱালী আছে—যি বিলাক অসমীয়া ভাষা-ভাষী আৰু অসমীয়া পঢ়ে। গুৱাল পাৰাৰ বালিকা মাইনৰ স্কুল আৰু লৰাৰ স্কুল আদি যি বিলাক স্কুল আছে সেই সকলোবিলাক মই পৰিদৰ্শন কৰি চাইছো। কতো এটিও বঙলা ভাষা-ভাষী ছাত্ৰ বা শিক্ষক নেপালো। ছেন্সাছ ৰিপৰ্টবিলাক চালেও দেখিব যে গুৱালপাৰা ছাৰ ডিভিজনৰ প্ৰায় সকলো লোকেই অসমীয়া কয়। মৈমনসিংহ জিলাৰপৰা বহুত মুছলমান আহি প্ৰায় ৩০ বছৰ পৰ্য্যন্ত ইয়াত বসতি কৰি আছে—যিসকলে অসমীয়া মুছলমান সকলেৰে মিলা-প্ৰীতিৰে আছে আৰু অসমীয়াৰ লৈতে যি সকলৰ স্বাৰ্থ জৰিত। দৰং আৰু নগাঁও জিলাৰ পমুৱা মুছলমানবিলাকেও তেওঁলোকৰ লৰা ছোৱালীক অসমীয়া পাঠশালাত পঢ়ুৱাইছে। অনেকৰ অসমীয়া মুছলমানৰ লগত বিয়াও হৈছে।

ছিলেঠ জিলাৰ ভোটাৰৰ সংখ্যা সৰহ হোৱা সত্বেও আইন সভালৈ যোৱা তাৰ মেম্বৰৰ সংখ্যা অসম ভেলীতকৈ কম হোৱাৰ কাৰণ দৰ্শাই এবাৰ যি আপত্তি তোলা হৈছিল তাৰ এটি সুন্দৰ উত্তৰত শ্ৰীযুত বৰদলৈ ডাঙৰীয়া লিখিছে—

আপুনি লিখিছে যে আয়তনত সৰু হলেও শ্ৰীহট্টৰ ভোটাৰৰ সং... অনেক বেছি, তথাপি শ্ৰীহট্টৰ কাৰণে সদস্যৰ আসন কমকৈ দি... হৈছে। বোধকৰো আপুনি নেজানে যে অসম উপত্যকাৰ ৭০ ... সাত টকাৰ কম খাজনা নাই বা ২৲ টকা মিউনিছিপেলিটিৰ টেক্স নি... ভোটাৰ হ'ব নোৱাৰে; কিন্তু শ্ৰীহট্টত ১।০ অনা চকীদাৰীটেক্স বা ... টকা মিউনিছিপেলিটিৰ টেক্স দিলেই ভোটাৰ হ'ব পাৰে। ... লোকসংখ্যা আয়তন আদি সকলো বিষয়তেই শ্ৰীহট্ট অসমভেলী... তুলনালৈ আহিব নোৱাৰে। এনে অৱস্থাত অসমভেলীত অধিক সংখ্য... সদস্য পদ দিয়াত কি আপত্তিৰ কাৰণ থাকিব পাৰে বুজিব নোৱাৰিলো... কিছুমান সঙ্কীৰ্ণমনা স্বাৰ্থপৰলোকৰ প্ৰৰোচনাত আৰু মিথ্যা প্ৰচাৰ... বঙ্গদেশৰ কাকতবিলাকেও অসমীয়া জাতীয়তাবাদীৰ সম্পৰ্কে ভ্ৰান্ত ধাৰ... পোষণ কৰিবনে। এইবিলাক দেখি দুখ হয় যে অসম প্ৰবাসী কেইজন... মান বঙালীৰ একচেতীয়া অসমীয়া বিদ্বেষৰ ফলত আজি কংগ্ৰেছপন্থী... সকলৰ আপ্ৰাণ চেষ্টা প্ৰায় ব্যৰ্থ হৈ গৈছে।

বঙালীসকলৰ শ্ৰেষ্ঠতা আৰু সভ্যতাৰ বিষয়ে এ... নমুনা দাঙি ধৰি শ্ৰীযুত বৰদলৈদেৱে কয়—

আপোনালোকে কৈছে যে অধিক জ্ঞান আৰু বুদ্ধি সম্পন্ন বঙা... সকলে যাতে কোনো প্ৰাধান্য লাভ কৰিব নোৱাৰে তাৰ নিমি... কৰ্ত্তৃপক্ষই বঙালীসকলৰ প্ৰতি এই প্ৰদেশত অবিচাৰ কৰিছে। বোধ... আপুনি শুনি আচৰিত হ'ব যে ১৯২১ চনৰ আন্দোলনত যেতিয়া অস... প্ৰায় কোনো অসমীয়া পৰিয়ালেই গৱৰ্ণমেণ্টৰ দমন-নীতিৰ ঢৌৰ পৰা... পৰা নাছিল, যেতিয়া অসমৰ প্ৰায় সম্ভ্ৰান্ত পৰিয়ালৰ লৰাবিলা... কাৰাবৰণ কৰি দেশৰ কাৰণে প্ৰাণ বলি দিবলৈ সাজু হৈছিল, যেতিয়া... আপোনাৰ উল্লিখিত এই "২ লাখ ১০ হাজাৰ" অসমবাসী বঙালী... ভিতৰত সমস্ত অসমভেলীৰ ভিতৰত গুৱাহাটী জেলত মাত্ৰ এটি বঙালী... আশ্ৰয় লৈছিল। তেজপুৰৰ এজন ভমিছাইল্ড বঙালীনেতাই গৱৰ্ণমেণ্ট... জনাইছিল যে অসমীয়াসকলে যদি চাকৰীবিলাক এৰি দিয়ে তেনেহলে... তেওঁ বঙ্গদেশৰ পৰা অনেক বঙালী আনি তেওঁলোকৰ দ্বাৰা সেই প... পূৰণ কৰিব। কি গুণত যে অসমবাসী বঙালীসকল অসমীয়াতকৈ শ্ৰে... বুজাই দিবনে ?

---

# মালৱাৰ উপকূলৰ পাৰেদি এপাক

ভ্ৰমণ কাহিনী ]

—শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা বি-এ

...ভাৰতবৰ্ষৰ অন্তিম দক্ষিণ চুকৰপৰা আৰম্ভ কৰি ...ৱাৰ উপকূলৰ পাৰেদি এপাক মাৰিবৰ ইচ্ছাতেই ২৮মে ...১৯৩২) চন তাৰিখে কুমাৰিকা অন্তৰিপ এৰিলো। ...ৰিলো, কাশ্মিৰৰপৰা আৰম্ভ কৰি কৰমণ্ডল উপকূলৰ ...দি কুমাৰিকা পালোগৈ যেতিয়া মালৱাৰ উপকূলনো ...ৱা কিয় ? কুমাৰিকাৰপৰা ছমাইল গৈয়েই সুচীন্দ্ৰম ...বিখ্যাত তীৰ্থ-ক্ষেত্ৰতো ভুমুকি এটা মাৰি গলো। ...থকা দ্ৰাবিড়ীৰ কাৰুকাৰ্য্যতাৰ চানেকি স্বৰূপ




সাগৰৰপৰা ওভতনি মৰা পানীৰ খাল। ( মালৱাৰ )

...াপন মন্দিৰটোৰ ধুনীয়া ধুনীয়া কলচী আৰু তাৰে ... কাটি যোৱা মূৰ্ত্তিবোৰ চাবলগীয়া। মন্দিৰটোৰ ...াধিক অৱস্থা এতিয়াও সুৰক্ষিত হৈ আছে আৰু ...ৰি নানা পৰ্ব্বত অনেক উৎসৱো ইয়াত পালিত হয়। ...দিনা পুৱাই মটৰবাছ ধৰি গৈ ত্ৰিবাঙ্কুৰ ৰাজ্যৰ ...ধানীত সোমালোগৈ।

...ত্ৰিভান্দ্ৰাম নগৰ পায়েই মোৰ মন উগুল থুগুল লাগি ...লি। একালে হৈছে দেশীয় ৰাজ্য আৰু তাতে হৈছে কোনো চিনা পৰিচয় নোহোৱা আচহুৱা ঠাই। সাতে পাঁচে মই "কিং কৰ্ত্তব্যম" হৈ বিমোৰত পৰিলো। লগতে যোৱা সহযাত্ৰী এজনৰ সহায়েৰে কোনোমতে মই ৰজাৰ কাৰেঙৰ সিংহদ্বাৰৰৰ ওচৰ পালোগৈ যেনিবা, পিছে তাৰ পিছত বা হব কি ? ৰাজকাৰেঙৰ ওচৰ পায়েই ৰাজ ভৱনৰ মাজত আকাশ লঙ্ঘি ঠিয় হৈ থকা এটি মন্দিৰ দেখিবলৈ পাই মোৰ জিভাত পানী আহিল—কাৰণ মোৰ বেছ জনা আছে যে দাক্ষিণাত্যৰ য'তে দেৱমন্দিৰ আছে, ত'তে থকা খোৱাৰ কাৰণে চিন্তা ভাবনাও বেছিকৈ কৰিবৰ দৰ্কাৰ নকৰে। সকলো দ্ৰাবিড়ীয় মন্দিৰতে পোৱা "দধ্যোদনম প্ৰসাদ" আৰু শীতল শিলাসনৰ বুলনি থাকে মানে খোৱা-শোৱাৰ বাবে ভ্ৰমণকাৰীৰ মুৰ ঘমাবৰ দৰ্কাৰ নপৰে। সেইকাৰণে মন্দিৰ মাত্ৰেই দেৱপূজাৰ থলিৰ উপৰি অতিথিশালাও বুলিব পাৰি। হিন্দুৰ মন্দিৰ স্থাপনৰ উদ্দেশ্যৰ ভিতৰতে ইয়ো এটা আৰু সেই কাৰণেই কব লাগিব হিন্দুমন্দিৰ কেৱল বিগ্ৰহ দেৱতাৰ বাস ভৱনৰ থলিয়েই নহয়, আশ্ৰয়হীন অতিথিৰ আশ্ৰয়ৰো থলি। অনাশ্ৰয়ক আশ্ৰয় দিয়া হিন্দুৰ যে এটা প্ৰধান ধৰ্ম্ম তাক এই মন্দিৰ সংস্থানেই ভালদৰে দেখুৱাই দিয়ে। হ'ব পাৰে আজি হিন্দুৰ হিন্দুত্ব নিহিত আছেগৈ জাত বৰ্ণত, হব পাৰে আজি হিন্দুৰ হিন্দুত্ব ব্যস্ত আছে ভেদাভেদ ভাবত, কিন্তু সেই ধৰ্ম্ম সংস্থানৰ নীতি আৰু আদৰ্শ হৈছে—নিৰাশ্ৰয়ক আশ্ৰয় দিয়া নৰনাৰায়ণ সেৱাত। এয়েই হিন্দুধৰ্ম্মৰ প্ৰকৃত বীজমন্ত্ৰ বুলি কব লাগিব আৰু এই বীজ মন্ত্ৰ লৈয়েই হিন্দু ধৰ্ম্ম আজিও জীৱিত হৈ আছে।

দূৰৈৰপৰা মন্দিৰটো দেখি আনন্দ লাগিল হয়, কিন্তু ওচৰলৈ গৈ পেটতে হাত্ ভৰি লুকাল। মহাৰাজ ত্ৰিবাঙ্কুৰাধিপতিৰ ৰাজ কাৰেঙৰ মাজ বুকুতে যে ই অৱস্থিত! কাজে কাজেই লাগিল আৰু খোকাখোদা। কিন্তু সহযাত্ৰীৰ মুখে মন্দিৰৰ বিষয়ে কিছু কথা শুনি সকলো দ্বিধাভাব আতৰি গ'ল আৰু বুজিব পাৰিলো যে হিন্দু ৰজাৰ ৰাজভৱনৰ ভিতৰেদি মন্দিৰলৈ সকলোৰে প্ৰবেশ মুকলি। মনত পৰিল মণিপুৰাধিপতি মহাৰাজৰ ৰাজভৱনৰ ভিতৰত থকা গোবিন্দজীৰ মন্দিৰটোলৈ।



ত্ৰিভাঙ্কুৰ মহাৰজাৰ নেতৃত্বত যোৱা শোভাযাত্ৰা

মন্দিৰটোৰ নাম "শ্ৰীপদ্মনাভম" ৰজাৰ উপাস্য দেৱতা শ্ৰীপদ্মনাভম্ বা শ্ৰীবিষ্ণুৰ নামেই এই মন্দিৰৰো নাম, আৰু মহাৰাজৰ ৰাজভঁৰালৰ ধনেৰেই এই মন্দিৰ পোষিত। ছয়ো বেলাকৈ দিনে প্ৰায় আঠৈশ ব্ৰাহ্মণক ইয়াত ব্ৰহ্ম ভোজন কৰোৱা হয়, আৰু সেই কাৰণেই তাত থকা ব্ৰাহ্মণসকলৰ নিজঘৰৰ চৰুৰ চৌকাত ভাতৰ কাৰণে এবেলাও জুই জ্বলোৱা নহয় বুলি কলেও বঢ়াই কোৱা নহয়। তাৰ ওপৰিও বছৰেকৰ বাৰটি মাহৰ তেৰটি পৰবত ভাৰতৰ নানা ঠাইৰপৰা তীৰ্থ যাত্ৰী আহি মন্দিৰত পূজা সেৱা কৰি যায়হি। লোককথিতমতে শ্ৰীৰামানুজা-চাৰ্য্য, শ্ৰীশ্ৰীমাধবাচাৰ্য্য, শ্ৰীচৈতন্য আৰু সুদূৰ আমাৰ অসম ভূমিৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আদি ধৰ্ম্ম যাজকসকলে এই মন্দিৰ দৰ্শন কৰি গৈছিল বুলি জনপ্ৰবাদ আছে। তামিল পঞ্জিকামতে অৰ্পাচি আৰু পান্‌গুনীমাহত ( অৰ্থাৎ আমাৰ মতে আহিন আৰু ৰহাগ মাহত ) বছেৰেকত দুবাৰকৈ মন্দিৰৰ 'উৎসব বেৰম'ক মহাৰাজৰ নেতৃত্বত সমৰ্থত হোৱা এটা বৃহৎ শোভাযাত্ৰাৰে সাগৰৰ পাৰেদি ফুৰাই অনা হয়; তাত হাতী, ঘোৰা, বাগী, পাল্কী আৰু সকলো ৰকম সাজ সজ্জাৰে সজ্জিত ৰজা আৰু ৰাজ পৰিয়াল সমৰ্থন পাতি যায়। সেই উৎসব চাবলগীয়া হৈ পৰে। ইয়াৰ উপৰিও ছবছৰৰ মূৰে মূৰে "মুৰাজপম" নামে একলাখ বন্তি জ্বলোৱা দেৱালীৰে সৈতে অনু পেলায়। এই উৎসৱৰ বিষয়ে বৰ্ণাবলৈ ইয়াত ঠাইৰ অভাব দেখি এফলীয়া কৰি থোৱা হ'ল।

আগৰ প্ৰবন্ধবোৰৰ কোনো এঠাইত উল্লেখ কৰি অহা হৈছিল যে, মোৰ দ্ৰাবিড় দেশ ভ্ৰমণৰ নানা ঠাইত থকা মেলা লৈ সাধাৰণতে ছুটা সুবিধাৰ মই যোগাৰ কৰি আছিছিলো। সেইটো "থিয় ছফিকেল ছোছাইটিৰ" ( Theosophical society ) মেম্বৰ হিছাবে প্ৰত্যেক "থিয় ছফিষ্ট" আৰু ( Theosophist ) লগত এডাল ভাতৃৰ বান্ধোনত আৱদ্ধ হৈ যলৈকে যাওঁ তাতে এখন "থিয়ছফিষ্ট" অৰ ঘৰত আলহী হবৰ সুবিধা পাওঁ, নাইবা The Sanatanist কাগজৰ সম্পাদক বিখ্যাত সনাতনী পন্থী আৰু প্ৰচাৰক মিঃ ইউ, পি কৃষ্ণমাচাৰ্য্যদেৱৰ লগত বা তেখেতৰ কোনো বন্ধুৰ লগতে থকা হয়লৈ। কাজে কাজেই থকা মেলা, খোৱা বোৱাৰ কাৰণে মই বিশেষ একো খৰচ পাতি কৰিব লগাত নপৰিছিলো। যি খৰচ হৈছিল সি মোৰ ৰেল আৰু মটৰ ভাৰাতহে গৈছিল। মোৰ দেশ ভ্ৰমণৰ কোনো ঠাইতে ঈশ্বৰৰ কৃপাত কোনো হোটেল বা ৰেষ্টুৰেন্টলৈ গৈ থকা-শোৱাৰ বন্দোবস্ত কৰিব মোৰ নেলাগিছিল বা নিজেই নগৈছিলো। মই মোৰ গিৰিহঁত বন্ধু লগত একেডাল



...চলিবলৈকে সময়মতে মই হেট, পেণ্ট, ...বেজ পিন্ধি 'মডাৰ্নিষ্ট' ( Modernist ) হৈ ...ছিলো আৰু সময়মতে নৈষ্ঠিক ব্ৰাহ্মণ ব্ৰহ্মচাৰী ...দৰে সাধাৰণ জীৱী হৈ ফুৰিব লগতো ...ছিলো। মুঠতে য'তে যাৰ লগত যেনে দৰে ফুৰিব ...তেনেদৰেই ফুৰিছিলো। ভ্ৰমণকাৰী হলেই এনেদৰে ...কাল পাত্ৰ চাই ভাও ধৰি ফুৰিব লাগিবও—তাত ...নাই, ভণ্ডামিও থাকিব নোৱাৰে বুলি মই দেখি ভুগি ...জ্ঞতা লাভ কৰিছো। বিদেশত ফুৰা ...কাৰী মাত্ৰেই এইকথা স্বীকাৰ কৰিব ...। এইখিনিতে ইয়াকো কোৱা দৰ্কাৰ যে ...বুজি অন্ততঃ চাউল কঠিৰ নিমিত্তেই ...ব্ৰহ্মচাৰী ব্ৰাহ্মণ ৰূপ সাজি ওলাব ...পৰিছিলো—নহলে যে ব্ৰাহ্মণৰ ৰান্ধনী ...বা খোৱা ঘৰৰ দুৱাৰডলিকেই পৰ্শিব ...বি বা ৰান্ধন্তৰা ভোজত পাত লৈ বহিবলৈ ...নেপায়। সেইকাৰণে যি দেশত যি নিয়ম ...নিয়মবৰ্ত্তী হৈ নচলিলে যে ভ্ৰমণকাৰীৰ ৰক্ষা ...তাক অইনে বুজা টান। মুঠতে এইটো ...স্বীকাৰ কৰিব লাগিব যে, দাক্ষিণাত্যত ...তা আৰু নাস্তিকতাৰ মাজত যি ...ৰি, টনাটনি চলিব লাগিছে সেই যুজৰ ...হিন্দু ধৰ্ম্মৰ ভেটি কেনেদৰে পিট- লয়গৈ তাক ঠিক ...ক'ব নোৱাৰি। তাৰ ফলত মাদ্ৰাজতেই নৈষ্ঠিক ...উহাৰ আদৰ্শৰ মাজত অত্যন্ত ব্যৱধান দেখিবলৈ ...গৈছে।

...ত্ৰিভাণ্ড্ৰমলৈ যোৱা মোৰ হঠাতেই হোৱাৰ কাৰণে ...ত উল্লেখ কৰা এটা সুবিধাবো যোগাৰ কৰিব পৰা ...। সাতে পাঁচে মই বাটৰ বাটকুৱা হৈ পৰিলো। ...কাজেই একমাত্ৰ আশ্ৰয়ৰ থলি মন্দিৰলৈকে গতি ...ৰাহিৰে মোৰ অন্য উপায়ো নাছিল। সহযাত্ৰীৰ ...বিদায় লৈ মই অকলশৰেই মন্দিৰৰ ভিতৰলৈ গলো। ...ৰাজকাৰেঙৰ সিংহদুৱাৰৰ ভিতৰ সোমায়েই ...লৈ কাপোৰ কানি আৰু লাম-লাকটুথিনি ৰখীয়াৰ জিম্মাত থৈ মই পোনে পোনেই ওচৰৰ 'পদ্মতীৰ্থম' নামৰ পুখুৰীত স্নান কৰি ললো। গা ধুই উঠি পোন পতিয়াকৈ মই মন্দিৰৰ অভিমুখে গতি কৰিলো। বাটত ৰাজপ্ৰাসাদৰ কোনো সৌন্দৰ্য্যৰ দৃশ্যৰ আকৰ্ষণে মোৰ কেলধোপ কেল্‌ধোপ কৰি থকা ভোকৰ ৰাক্ষস মূৰ্ত্তিৰ আগত তিষ্ঠিব নোৱাৰিলে, ইফালে ওচৰত পহৰা দি থকা ছস্তবিহঁতলৈকো মোৰ ভ্ৰক্ষেপকে নহল। এনে ততাতৈয়াকৈ গৈয়েই মই এটা নোযোৱা বাটেদি সোমাই



মালৱাৰ উপকূলৰ সাগৰৰ পাৰ

গলো আৰু ফলত ছস্তবিহঁতৰ ভেকেহনিত মোৰ গা কপি উঠিল। কুচি মুচিকৈ নিজৰ বাট ঠিক কৰি গৈ মই ভোজনালয় কোনোমতে বিচাৰি উলিয়ালোগৈ আৰু তাতে মোৰ সহযাত্ৰী বন্ধুজনকো আগত ভোজৰ পাত লৈ বহি থকা পালোগৈ। তেতিয়া ভাবিলো ইটিতকৈ সিটিহে চৰা। লাজতে তুয়ো তললৈ মূৰ কৰিলো হয়, কিন্তু সেই লাজ বা থাকিব কিমান সময়লৈ? এনেই লাগিছে পেটৰ কলমলনি তাতে ওচৰৰ সকলোৰে চকু ভাতৰ পাতত আৰু হাতৰ মুঠিত! ভাত পোৱাৰ অন্য উপায়বিহীন যেন দেখি পেটৰ পোৰণিৰ খাতিৰতেই আগৰ চিনাকিৰ আলম লৈ সহযাত্ৰীৰ ওচৰলৈকে 'তাহানিৰ আইৰ ফালৰ কুটুম' হিছাবে ওচৰ চাপি গলো আৰু সাদৰিকৈ মাত এষাৰ লগাই কলো "অ' আপুনিও ইয়াতে; দেখিছো

আমাৰ বিচ্ছেদ নহবই।" অতবেলি খোৱাপাতৰ শিৰগণা সহযাত্ৰী বন্ধুৱে মোৰ মাতষাৰ শুনি নেমাতি নোৱাৰিলে। তাৰ পাছত তেওঁৰ অহতেই কি হ'ল তাক জনাবলৈ নগৈ ইয়াকে মুঠতে কৈ থলেও হ'ব যে সেই বেলালৈ যেনিবা তাতেই চাউল কঠা মুকলি হ'ল।

চাউল কঠাৰ যোগাৰ কৰিহে মোৰ হৰি কথাৰ বিষয়ে ভাবিবৰ ধাতু আহিল ; তেতিয়াহে মই অনুভৱ কৰিবলৈ ধৰিলো যে মই দেশীয় ৰাজ্যৰ ৰাজধানীৰ মুক্ত বায়ুৰ মুকলি মন্দিৰত. তেতিয়াহে মই অনুভৱ কৰিব পাৰিলো হিন্দু ৰজাৰ কাৰণে ৰাজপুৰীয়েই ধৰ্ম্মপুৰী আৰু ধৰ্ম্মপুৰীয়েই ৰাজপুৰী। তেতিয়াহে অনুমান কৰিব পাৰিলো স্বৰাজৰ আমোলত পোৱা বিনন্দীয়া সুখৰ আছল অনুভোগ আৰু তেতিয়াহে থস্তেকৰ কাৰণে কল্পনা কৰিব পাৰিছিলো তাহানিৰ ফকৰাত পোৱা "ৰাম ৰাইজ"ৰ অতুলনীয় সুযোগ। দেশীয় ৰাজ্যত সোমায়েই মোৰ শিৰৰ ভিতৰে ভিতৰে কিবা এটা অনুপ্ৰেৰণানে অনুভাবনাৰ স্মৃতি বৈ যোৱা গম পালো আৰু চুলিবপৰা ভৰি আঙুলিলৈকে সকলো অঙ্গ প্ৰত্যঙ্গই শিঞৰি উঠিল—যেন কোনো এটি দৈব্য শক্তিয়েহে শক্তিমন্ত কৰি তুলিলে। ই অইন একো নহয় মুক্ত বায়ুৰ থস্তেকীয়া শক্তিৰ সঞ্চাৰ। ধন্য মই, কিয়নো ক্ষুদ্ৰ জীৱনৰ ভিতৰতে কেইবাটিও আপুৰুগীয়া চাবলগীয়া বস্তু চাই বা দেখি মোৰ নয়নযুগল ধন্য হৈছে। এয়েই মোৰ মনলৈ অহা সেই সময়ৰ ভাব আৰু এই ভাবৰ মাজেদিয়েই ভাহি গৈ মোৰ ভাব ৰাজ্যত ওপঙি পৰিলো।

ৰাজভৱন চাই গৈয়েই ভিক্টোৰিয়া জুবিলী হল পালোগৈ, তাত নগৰৰ ডাঙৰ ডাঙৰ সভা সমিতিবোৰ হয় আৰু তাৰ ওচৰতেই ছাৰ টি, মাধৱৰাও নামে এগৰাকী মনিষী পুৰুষৰ প্ৰতিমূৰ্ত্তি বাটৰ কাষতে থিয় হৈ থকা দেখা পালো। তাৰপৰা পোনে পোনে মিউজিয় মলৈ বাট ললো। ত্ৰিভান্দ্ৰামৰ যাদুঘৰ ভাৰতৰ ভিতৰতে প্ৰসিদ্ধ মিউজিয়াম। এই যাদুঘৰো ত্ৰিভাঙ্কুৰ মহাৰাজৰ দ্বাৰাই ৰক্ষিত আৰু পালিত। এই যাদুঘৰৰ ভিতৰতে পুস্তকাগাৰ আৰু জীৱ জন্তুবো জু ( Zoo ) আছে। এই যাদুঘৰৰ নানা বস্তুবোৰ চাই এটা পাক মাৰি আহিবলৈকে অতি কমেও চাৰি ঘণ্টা সময় লাগে। মই প্ৰায় এবাৰমান বজাত সোমাই তিনি বজাতহে যাদুঘৰ চাই ওলাই আহিব পাৰিলো এই চাৰি ঘণ্টাৰ ভিতৰতে মই সকলোবোৰ বস্তুকে এবাৰ চাই আছিছিলো। তাৰ সকলো বস্তুকে বেলেগে বেলেগে ৰখা হৈছে। মুদ্ৰা কড়িৰ ভিতৰত তুৰ্কী, জাৰ্মান ফৰাচী, ডাচ, পাঠান, মহীশুৰ আদি নানা ঠাইৰ মুদ্ৰা ৰখা হৈছে। বাছন বৰ্ত্তনৰ ভিতৰত দাক্ষিণাত্যৰ মন্দিৰত ব্যৱহাৰ কৰা বাছনবোৰৰ কথা উল্লেখযোগ্য। পুৰণি ভাৰতৰ ৰণ সজ্জাৰ সকলো সজুলিকেই তাত ৰখা হৈছে তাৰ ভিতৰত আৰ্য্যসকলৰ ধনু কাড় আৰু টুন চাবলগীয়া এইবোৰৰ উপৰিও বন্দুক, হিলৈ, ঢাল, তৰোৱাল লাঠি মুৰৰ শিলমুকুট আদিৰ নমুনা দেখিলে এতিয়াও তেওঁলোকৰ বীৰ্য্যৰ পূৰ্ব্বৰ আভাস বুজিব পাৰি। সঙ্গীত যন্ত্ৰৰ ভিতৰত 'নাগেশ্বৰম' ( ভাৰতীয় ক্লেৰিঅ'নেট ) শ্ৰুতি ( নাগেশ্বৰম লগত বজোৱা পেপা ) 'মুখবীণা' ( মুখেৰে বজোৱা হাৰমনিয়ম ), পুলাঙ্কীছল ( বাঁহী ), কিছুভিদি ( মন্দিৰত বজোৱা দুন্দুভি ), সৌবন্দ ( এবিধ পেপা ) চিদম্ ককালত অৰা বাজনা ) 'কেচুম' ( নাচোতে বজোৱা বাদ্য ) আৰু ঠাপ্পাটান ( অস্পৃশ্যসকলে বজোৱা বাদ্য ) আদি দ্ৰাবিড়ীয় বাদ্যবোৰ চাবলগীয়া। ইয়াৰ উপৰিও পুৰণি দ্ৰাবিড়ীৰ পেৰাকাকত, তামৰ ফলি, বুদ্ধ আৰু জৈন মূৰ্ত্তি আদি পুৰণি বস্তুবোৰো তাত ৰখা হৈছে, কুটিৰ শিল্পত যে দাক্ষিণাত্য অত্যন্ত চহকী তাৰ নমুনাবোৰেই চিনাকি দিয়ে। পুৰণি দ্ৰাবিড়ী মানুহৰ থকা যেনাৰ ঘৰ বাহনৰ ছবি কাঠৰ কটা মূৰ্ত্তিত ভালদৰে বুজিব পৰাকৈ ৰাখিছে। মুঠতে দ্ৰাবিড়ী জাতীয় আৰু লগে লগে ভাৰতৰ বেলেগ বেলেগ ঠাই আৰু জাতিৰ সকলো বিশেষত্বৰে কৃতিত্ব সকলোবোৰ বস্তুৱেই সেই যাদুঘৰত দেখিবলৈ পোৱা যায়। এই যাদুঘৰৰ যোগেদি জনসাধাৰণক যে কিমান শিক্ষা দিয়া হয় তাক দেখোতা জনেহে ভাবিব পাৰে। অসমৰ নানা ধৰণৰ বৈশিষ্টপূৰ্ণ সম্পত্তি সজুলি গোটালেও যে এনে এটা ডাঙৰ যাদুঘৰ হব তাক নিঃসন্দেহে কব পাৰি কাৰণ, জাতি হিচাবে অসমীয়াৰ বিশিষ্টতাপূৰ্ণ সম্পত্তি



সজুলি দ্ৰাবিড়ী দেশীয়তকৈ কোনো গুণে কম নহব। এনে এটা যাদুঘৰৰ অভাৱ তেতিয়াই অনুভৱ কৰি আহিছিলো আৰু এতিয়া কুকংকাৰাংকৈ সেই বিষয়ে আগবাঢ়িছে বুলি জানিব পাৰি ভালো লাগিছে। সেই ত্ৰিবাঙ্কুৰ মহাৰাজ অসমত নেথাকিলেও অন্য বহুত মানুহ আছে যি এই জাতীয় অনুষ্ঠানৰ স্থাপনাৰ্থে যথেষ্টৰূপে সাহায্য দিবলৈ পিছ নুহুহকিব।

যাদুঘৰ এৰি গৈয়েই অলপ ওখ টিলা এটাৰ ওপৰত এটি 'দৃষ্টিঘৰ' ( Observatory) আছে। তাৰ ওপৰলৈকে উঠি ত্ৰিভাঙ্কুৰ নগৰৰ চাৰিও পাৰে চকু ফুৰাই চাই আহিলো। এই ঠাইৰপৰা ত্ৰিভান্দ্ৰাম নগৰ আৰু দূৰৈত



টেংকোলী ষ্টেশ্যনৰ ওচৰৰ জলপ্ৰপাত

থকা সমুদ্ৰও দেখিবলৈ পোৱা যায়। দূৰৈৰ সাগৰৰ দৈতে দেখা প্ৰাকৃতিক সৌন্দৰ্য্যৰ দৃশ্য দেখিলে মনটো বৰ ফৰকাল লাগে আৰু প্ৰকৃতিৰ কাম্যবন অসম দেশলৈ মনত পৰে।

যাদুঘৰৰপৰা আহি আকৌ 'ভিক্টোৰিয়া জুবিলী হল' পোৱাৰ আগতে এটা ডাঙৰ লাইব্ৰেৰি আৰু মহাৰাজৰ আইন কলেজ পোৱা যায়। তাতো ভুমুকি এটা মাৰি আহি গধূলি বেলিকা অকণশৰীয়াকৈ আহিয়েই মহাৰাজৰ ধৰ্ম্মমন্দিৰ পালোগৈ। তাতেই ৰাতিটো থাকি পিছদিনা ত্ৰিভান্দ্ৰাম ষ্টেশ্যনতে ৰেল ধৰি মালৱাৰ উপকূলৰ পাৰেদি পাক এটা মাৰিবলৈ যাত্ৰা কৰিলো। কোৱা বাহুল্য যে যদিও ত্ৰিবাঙ্কুৰ ৰাজ্যৰ ভিতৰত ৰেলৰ যাতায়াত নিচেই কম আৰু কুমাৰিকা অন্তৰীপ, নাগৰক আদি ঠাইলৈ ৰেল নচলে তথাপি ত্ৰিভাঙ্কুৰ ৰাজ্যৰ ৰাজধানী ত্ৰিভান্দ্ৰামলৈকে এছ, আই ৰেলৱেৰ এটা শাখা চলে। এই শাখা মাদ্ৰাৰপৰা ফাটি আহি ত্ৰিণেভেলীৰ মাজেদি সিপাই আহি সমুদ্ৰৰ পাৰৰ 'কুইলন' (Quilon) বন্দৰক ছুই ত্ৰিভান্দ্ৰাম্ নগৰত শেষ হৈছেগৈ। 'কুইলন' বন্দৰৰপৰা ত্ৰিভান্দ্ৰামলৈকে এই ছোৱা বাট ৰেলখন সাগৰৰ পাৰে পাৰেই গৈছে আৰু এই ছোৱা ঠায়েই গোটেই দাক্ষিণাত্যৰ ভিতৰত অত্যন্ত বিতোপন আৰু আমোদজনক। ত্ৰিভান্দ্ৰামৰপৰা 'কুইলন'লৈ প্ৰায় চাৰি ঘণ্টাৰ বাট আৰু চাৰিঘণ্টা৹ সময়নো কেতিয়া যায় কবই নোৱাৰি। ৰেলৰ আলিৰ পাৰে পাৰে অনেক ধৰণৰ বনফুলৰ গছ শাৰী পাতি কই দিয়া হৈছে আৰু বাটত অনেক সুৰঙ্গও পোৱা যায়। এই সুৰঙ্গৰ মাজেদি যোৱা যদিও তাতেই মোৰ জীৱনত প্ৰথম সুবিধা হৈছিল তথাপি তাত মই কোনো ভয় বা আতঙ্ক নেথাইছিলো। এনে আমোদৰ মাজেদি গৈ সাগৰৰ পাৰৰ 'কুইলন' বন্দৰ আৰু ইয়াত প্ৰায়বিলাক জাহাজেই থামে। দুফালৰপৰা দুভাল ৰেলৰ লাইন আৰু সমুদ্ৰৰপৰাও জাহাজ—এই তিনি সংযোগৰ কাৰণেই ই অত্যন্ত কাৰবাৰী ঠাই হৈ পৰিছে। ইয়াত ভগা নাও জাহাজ আদি মেৰামতি কৰা তিনটা কাৰখানা আছে। ষ্টেশ্যনৰপৰা আধামাইলমান উত্তৰে সাগৰৰপৰা সোমোৱা পানীৰ 'যমুনা'ৰ পাৰৰ পাহাৰ এটাৰ ৰজাৰ ( ত্ৰিবাঙ্কুৰ মহাৰাজৰ ) 'আশ্ৰমম্' নামৰ উদ্যান এখন এটি ঘৰৰ সৈতে আছে। এই 'আশ্ৰমম'ৰ পোনে পোনে 'অষ্টমুদি' হ্ৰদৰ সিপাৰে থকা "পাৰলী" নামৰ ৰাজভৱনৰ দৃশ্য অতি মনোহৰ আৰু ইয়াৰপৰা হাবিতলীয়া বাট আৰু পানীৰ গৰখাৰৈবোৰ চাবলগীয়া। ইয়াতেই ত্ৰিভাঙ্কুৰ মহাৰজাই গ্ৰীষ্মকাল কটায় আৰু সেইকাৰণে ইয়াক ত্ৰিবাঙ্কুৰ মহাৰাজৰ 'ছিমলা' বুলি কব পাৰি।

মাৰ্চ্চ এপ্ৰেল মাহত ইয়াত থকা শিৱ আৰু বিষ্ণু মন্দিৰ দুটাত এটা বছেৰেকীয়া উৎসৱ হয়। শিৱমন্দিৰটো সদাশিৱ আৰু ভগৱতী অন্নদাৱতী আৰু বিষ্ণুমন্দিৰটো শ্ৰীকৃষ্ণৰ উদ্দ্যেশ্যেই অৰ্পণ কৰা হৈছে। এই দুয়োটা মন্দিৰতে ৰক্ষাধৰীয়াভাৱে নিয়মিতৰূপে পূজা অৰ্চ্চনা চলি থাকে। ইয়াৰ উপৰিও 'মুলকাদাৱো' আৰু 'ত্ৰিকদাৱো' নামৰ ঠাইত 'মীনম"আৰু "মেদম" মাহত ( অৰ্থাৎ মাৰ্চ্চ এপ্ৰেল আৰু মেইত ) দুখন "কুটুৰায় কুট্টম" (অৰ্থাৎ বুদ্ধৰ ঘোৰামেলা) হয় আৰু সেই মেলালৈ ধৰ্ম্মত মতি



সাগৰৰ উপকূলত

থকা বহুত লোক সমাগম হয়। তেতিয়া অসংখ্য ছাগলি] ভেড়া আৰু কুকুৰা তাত বলি দিয়া হয় আৰু মানুহবোৰেও তাত ব্ৰত আদি ধৰি পূজা কৰে। সাধাৰণতে এই বলি দিয়া ৰীতি তল শ্ৰেণীৰ হিন্দুৰ, যথা যাদৱসকলৰ ভিতৰতে প্ৰচলিত। তেওঁলোকে ব্ৰত আদি কৰি অটাই সেই বলি দিয়া মাংসৰে এটা বৰভোজ খায়।

'কুইলনৰ'পৰা ১৮ মাইল দক্ষিণে সাগৰৰপৰা প্ৰায় আধা মাইলৰ ভিতৰতে "জনাৰ্দ্দনম" বা "বৰকালয়" নামে এখন তীৰ্থ ক্ষেত্ৰ আছে। ইয়াক পৱিত্ৰতাত কাশীৰ নিচিনা জ্ঞান কৰে। বছৰে বছৰে হাজাৰ হাজাৰ হিন্দু ভাৰতৰ বেলেগ ঠাইৰপৰা এই জনাৰ্দ্দন ক্ষেত্ৰত তীৰ্থ কৰিবলৈ আহে। ইয়াত কিছুমান উহো আছে—দেখিলে গোলাঘাটৰ গৰমপানীৰ উহলৈ মনত পৰে। এই উহত যাত্ৰীসকলে গা ধোৱে আৰু ইয়াত গা ধুলে শৰীৰৰ ৰোগ ব্যাধি নাইকিয়া হয় বুলি বিশ্বাস কৰে। সেই উহৰ অৱস্থা আৰু আদৰ দেখি আমাৰ গোলাঘাটৰ গৰমপানীৰ উহৰ অৱস্থালৈ মনত পৰি নিজৰ দেশৰ মানুহক আৰু লগে লগে নিজকে ধিক্কাৰ দিবলৈ বাধ্য হওঁ। অসমৰ যে সকলোৱেই ন-সম! জনাৰ্দ্দন মন্দিৰ থকা পাহাৰৰ নামনিতে 'চক্ৰতীৰ্থম্' নামে এটি সৰু পুখুৰীও আছে। ইয়াত গা ধুলেও গাৰ সকলো পাপ ক্ষয় হয় বুলি যাত্ৰী সকলে বিশ্বাস কৰে। দেখা গল, এই ঠাইতে গাৰ মলি আৰু মনৰ মলি দুয়োকো নাশ কৰিব পাৰি, সেই কাৰণে এই ঠাই বাস্তবিকতে পৱিত্ৰ ঠাই। মোৰ ক্ষুদ্ৰ জ্ঞানেৰে পুৰণি ঋষিমুনিসকলে এইদৰে ঠাই বাচিয়েই তেওঁলোকৰ আশ্ৰম বা তীৰ্থক্ষেত্ৰ চাই উলিয়াইছিল—য'ত মন আৰু দেহ দুয়োটাৰে মলিনতা গুচাই পৰিষ্কাৰ কৰি দিয়ে। কিন্তু, আজি সেই আদৰ্শ কলৈ গ'ল। সকলো ধনঘটাৰ বেপাৰৰ থলি হৈ পৰিলগৈ।

মালৱাৰ উপকুল বুলিলে দক্ষিণ কানাডাৰ কিছুমান জিলা, উত্তৰ আৰু দক্ষিণ মালৱাৰ আৰু ত্ৰিভাঙ্কুৰ আৰু কোচিন দেশীয় ৰাজ্যভাগকে বুজায়। এই মালৱাৰ উপকূলৰ মাজেৰি এছ্‌, আই ৰেলৱে (South Indian Railway) ভালদৰে শিপাই পৰিছে। মাদ্ৰাজৰপৰা এই ৰেলৱেও 'ব্ৰড গজে'দি ( Broad Gauze ) আহি পোদানুৰ ( Podanur ) পায়হি। তাৰপৰা এটা শাখা মাদ্ৰাজৰ গ্ৰীষ্ম ৰাজধানী অটাকামুণ্ডলৈ "নীলগিৰি মাউন্‌টেইন্ ৰেলৱে" দি গৈছে আৰু ইটো লাইন পোনে পোনে সাগৰৰ পাৰলৈ গতি লৈ 'শোৰাণুৰ' (Shoranur) জংশ্যনৰপৰা এঢলীয়াকৈ কালিকাট বন্দৰ ছুই সাগৰৰ পাৰে পাৰে প্ৰায় ১০০ মাইল দূৰৰ মাঙ্গালোৰ বন্দৰলৈকে গৈছে। শোৰাণুৰ জংশ্যনৰপৰা আৰু এটা শাখা তললৈ নামি গৈ কোচিন ৰাজ্যৰ এৰণাকুলম্ ( Ernakulam ) নগৰ পাগিছেগৈ। মালৱাৰ উপকূলত



...ক যাবিবলৈ হ'লে এই 'ব্ৰডগজ'ৰ শাখাকে ধৰিব ...। তাৰেই গৈ 'কোচিন' ৰাজ্যত সোমাই তাৰপৰা ...ৰ ওভোতনিৰপৰা হোৱা 'যমুনা'বোৰেদি নাৱেদি গৈ ...ঙ্কুৰ ৰাজ্যত ওলাবগৈ পাৰি। এই গতিটোৱে ওভোতা ...লৈ মই ভ্ৰমণ কৰিছিলো।

কোচিন ৰাজ্য শোৰাণুৰ ষ্টেশ্যনলৈকে ব্যাপি আছে। ...ই ৰাজ্যখন ধনে-ধানে, গছে-বৰ্ণে শ্যামলা দেশ। ইয়াৰ ...বিত নানা ৰকমৰ গছ পোৱা যায়। এই ৰাজ্যৰ ...তৰত ত্ৰিচুৰ (Trichur) নগৰেই প্ৰধান ঠাই। ইয়াত ...টা অতি প্ৰাচীন মন্দিৰ আছে। 'চালাকুদি' নগৰ ...কোচিন ৰাজ্যৰ কাঠ থোৱা থলি বুলিব লাগে আৰু তাৰ ...ত থকা আল্‌ৱী এখন স্বাস্থ্যকৰ ঠাই। তাৰপৰা গৈয়েই ...ৰণাকুলম্ ষ্টেশ্যন পায়। এই নগৰ সাগৰৰ ওভতনিৰপৰা ...'যমুনা'ৰ পাৰতে আৰু এই 'যমুনা' পাৰ হৈ গলেই ...কোচিন' দ্বীপটো পোৱা যায়। ইয়াতেই বেপাৰীসকলে ...তি কৰে। এই বেপাৰীসকলৰ সুবিধাৰ কাৰণে ...কোচিন দ্বীপৰ ওচৰতে এটা প্ৰকাণ্ড বেপেৰুৱা কুঠী (harbour) কৰি লৈছে। এই কুঠীলৈকে অনায়াসে ...পেৰুৱা জাহাজ অহা যোৱা কৰিব পৰা হৈছে। এতিয়া ...ই কাৰণেই এইটো ডাঙৰ বন্দৰ হৈ পৰিছে। এই যমুনা ...হবলৈ "মটৰ বুটে"ৰে (Motor Launch) প্ৰায় ...ৰি মিনিট সময় লাগে। ইয়াৰপৰা ২।৩ মাইলৰ আতৰতে ...ৰ থিৰুপনিতুৰ ( Thirupanitur Palace) ৰাজভৱন ...ছে। এই ৰাজকাৰেং এটা সৰু টিলাৰ ওপৰত আছে ...ক দেখিবলৈ বৰ ধুনীয়া। ইয়াৰ উপৰিও কোচিন দ্বীপটো ...লেই য়ুৰোপীয়ৰ দখলতৈ আছে। সেইকাৰণে এই ...ই দুৰন্নী প্ৰসিদ্ধ। ইয়াৰ ওচৰতে এডোখৰ বৃটিছৰ ঠাই ...ছে। তাৰ বাহিৰে প্ৰায় গোটেই ঠায়েই কোচিন ৰাজ্যৰ ...ৰী ৰজাৰ অধীনত।

কোচিন ৰাজ্য পাৰ হৈ গৈয়েই শোৰাণুৰ জংশ্যনৰপৰা ...জনীয়া কাটি গৈ বৃটিছ মালৱাৰ দেশত সোমালোগৈ। বৃটিছ মালোৱাৰ দেশৰ ৰাজধানী হৈছে কালিকাট (Calicut)। এই কালিকাট এটা ডাঙৰ বন্দৰ আৰু বেহাবেপাৰৰ সুবিধাৰ ঠাই। এই কাৰণেই বৃটিছে পোন প্ৰথমে এই ঠাই হাত কৰে। এতিয়াও ই ভয়ঙ্কৰ কাৰবাৰৰ ঠাই। ইয়াৰপৰা যথেষ্ট পৰিমাণে নাৰিকল ৰপ্তানী হয়। ভাৰতৰ নানা ঠাইলৈ ইয়াৰ নাৰিকল চালান দিয়া দেখা পাই আহিছো। তাৰ পৰিমাণ দেখিলে মনতে প্ৰশ্ন হয়—ইমানবোৰ নাৰিকল ভাৰতৰ মানুহে খায়নে ?

কালিকাটৰপৰা ১০০ মাইল বাট ৰেলেৰে সাগৰৰ পাৰেদি গলে মাঙ্গালোৰ নগৰ পায়গৈ। ইয়াতে ৰেলৰ লাইনৰ অন্ত পৰিছে আৰু ইয়াতেই মালৱাৰ উপকুলো অন্ত পৰিছে। এই ছোৱা বাটৰ কাষে কাষে থকা তাল আৰু খাজুৰি গছবোৰ দেখিলে মনলৈ বাস্তবিকতে অত্যন্ত আনন্দৰ ভাব আহে। সাগৰৰ পাৰে পাৰে গৈ মনটো ভাল লগাৰ উপৰিও শৰীৰো শান্ত লাগে। মোৰ ভ্ৰমণৰ ভিতৰত এই ডোখৰ ভ্ৰমণেই অতি উপাদেয় হৈছিল।

এই দৰেই ত্ৰিভাঙ্কুৰ ৰাজ্যৰ ৰাজধানী ত্ৰিভাণ্ড্ৰাম নগৰৰ পৰা আৰম্ভ কৰি ত্ৰিভাঙ্কুৰ আৰু কোচিন দেশীয় ৰাজ্য, বৃটিছ মালৱাৰ আৰু দক্ষিণ কানাড়া দেশ ভ্ৰমণ কৰি আহি আকৌ 'পোদনু'ৰ জংশ্যনলৈকে উভতি আহিলো। এয়েই মোৰ "মালৱাৰ উপকূলৰ পাৰেদি এপাক।" এই ভ্ৰমণে মোৰ অন্তৰৰ আন্তৰিক হেপাহ পলুৱাৰ উপৰিও মোক নি এক ভাব ৰাজ্যত সুমাই দিলেগৈ য'ত দেশ ভ্ৰমণৰ অহাযোৱা, ঘূৰি ফুৰা সপোনবোৰে মনত লুকা-ভুকা কৰি খেলিবলৈ ধৰিলে। সেই ভ্ৰমণৰপৰা মোৰ ভ্ৰমণৰাগী আৰু চোকা হৈ যাবলৈ ধৰিলে আৰু বাকী থকা ঠাই কেখন চাই যাবলৈ বেছিকৈ হাবিয়াস কৰি মন বান্ধিলো—ভাবিলো, মন কৰিলেই সকলো চন হয় ; আৰু সেয়েই হলো।

---

# ৰঙামুৰা বীৰ

কবিতা ]

—শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা বি-এ

[ ১ ]

"অ ৰঙামুৰা. অ ৰঙামুৰা চোতাল পালেহি মান ,
জামুগুৰি চাপৰিত,গিৰ্জ্জনি মাৰিছে,চিঞৰত ফালিছে কাণ।
মানৰ ৰণ-চালি, কিনো তালি-ভুলি, কিনো নিঠকৰা প্ৰাণ ;
স্বৰ্গদেৱ ঈশ্বৰৰ, সোণৰ দেশ ভাঙিছে,গছকত ভাঙিছে ধান।
গগৈ সেনাপতি, অকলে আহিছে, চাপৰিত পাতিব ৰণ ;
যোৰহাট নগৰত, স্বৰ্গদেউ ঈশ্বৰে, থৰকৈ শুনিছে ক্ষণ।
অসমীয়া সেনা, অতি তাকৰীয়া, তথাপি জীৱন পণ,
ৰাখিব লাগিব, সোণৰ অসম, দেশৰ জীৱন ধন।
বনৰ বন-ৰজা, মানৰ শতক, দেশ ৰাখিবৰ হই ;
সিধাৰ গন্ধ নিলে, কোঠত সোমাই, মানকো কামুৰি থই।
অ' ৰঙামুৰা, দুপুনী বীৰৰ, এটি আঁচলৰ ধন,
তথাপি লাগিব, যুঁজলৈ যাব, থৌকি বাথঁউ মন।
উঠ ৰঙামুৰা, ফেহুজালি দিলে, শুবৰ সময় নাই,
দা যাঁঠী লৈ, যা লৰালৰি, বেগেতে এমুঠি খাই।
ৰাতিতে যঁতাই, থৈছো কৰচ, পিন্ধিব পাৰিবি তই
মানৰ যুঁজত, পিতাৰো চুকাল, যুঁজলৈ কিহৰ ভয়!"

* * * *

এই দৰে কৈ, ৰাঙলী বুঢ়ীয়ে, ৰঙাক যুঁজলৈ পাছি,
জীৱন মৰণ, ভৰিবে গচকি, যশ-মান ললে বাচি।

[ ২ ]

দেওদি ধৰিলে, ৰঙামুৰা বীৰে, চোতালত ৰণচালি ;
যুঁজৰ বেশেৰে, সজালে শৰীৰ, যেন তিঞহৰ জালি।
ৰজাক সুঁৱৰী, প্ৰজাক সুঁৱৰী, সুঁৱৰী গুৰুৰ পাৱ,
চৰণত পৰি, মাগিলে মেলানি, সাক্ষাতে গোসানী মাৱ।
ৰাঙলী বুঢ়ীয়ে, ৰঙাক সাৱটি, চুলিৰে ধৰণী ধৰি,
মুৰ সুঙি তাৰ, চেনেহ ঢালিলে, হৃদয় উদঙ কৰি।
পদূলিৰ ধূলিতে, শেহৰ খোজ পেলালে, দেও দি উঠিলে গড়,
আৰু ৰঙা হল, ৰাঙলীৰ মুখ উভতি সোমালে ঘৰ।
যুঁজলৈ সাজু, গগৈ সেনাপতি, ৰঙাই ধৰিলে পাছ,
তলবল কৰি, জামুগুৰি চাপৰি, মৰণে ধৰিছে নাচ।
হুঙ্কাৰি উঠিলে, অসমীয়া সেনা, জিকাঁৰি উঠিলে মান ;
হিলৈ বৰতোপে, খলকি লগালে, শবদত ফাঁটিলে কাণ।
মৰো জীও কৰি গগৈ সেনাপতি, বাঢ়িছে যুঁজত আগ,
হাতত হেংদান, বুকত সাহস, মুৰত মথুৰা পাগ।
গুলীৰ ওপৰত, গুলী বৰষিছে, কাঁড়ৰ ওপৰত কাঁড়,
যাঁঠী তৰোৱালে, বুকু বিদাৰিছে, বইছে তেজৰ ধাৰ
দিভি ওপৰৰ, মুৰ হেকুৱাই, ধৰফৰ কৰিছে গা,
জামুগুৰি চাপৰি, তেজেৰে ৰাঙলি, বইছে মৰণ বা।
যুঁজি লালকাল, হল সেনাপতি, অথিৰ অথিৰ দেহ,
তথাপি যুঁজিছে, হয়তো জিকিব, নহয় জীৱন শেহ।
ইটোৰ ওপৰে, সিটো মান সেনা, পৰিছে বিৰাম নাই,
এটা যদি পৰে, আহি থেদি দহে, গগৈৰ ওচৰ পায়।
ওচৰত আছে, মাঁথো ৰঙামুৰা, শৰীৰ ৰথী হই,
তেজেৰে ৰাঙলি, গোটেই শৰীৰ, বলেৰে সেহাটি ৰই!
গগৈৰ বুকলৈ, হঠাৎ আহিল, পোনাই এপাত কাঁড়,
যায় সেনাপতি, নোৱাৰে ৰাখিব, পায় মৰণৰ পাৰ।
নেদেখি উপায়, ৰঙামুৰা বীৰে, আৱৰিলে সেনাপতি,
নিজৰ বুকেৰে, কাঁড় পাতি ললে, ৰাখিলে বীৰৰ খ্যাতি।
পৰে ৰঙামুৰা, সন্ধিয়া বেলিকা, ৰঙা পছিমৰ বেলি,
ৰঙাৰ তেজেৰে, এধাৰি বোৱাই, বোলালে খাটৈৰে পানী।

[ ৩ ]

তেতিয়া গধূলি, মৰাশৰে ভৰি, আছে চাপৰিটি পৰি,
লাহে লাহে চাপি, নিশাচৰ আহি, আছে টনা টনি কৰি।



...লী বুঢ়ীয়ে, পুতেকক বিচাৰি, চাপৰি, পিটে পিটাই,
...তে যোৰ ধৰি, মেলি চুলিতাৰি, বিচাৰি ফুৰিছে চাই।
...ৰ পাৰত, আছে পৰি পৰি, কত সৈনিকৰ দেহা,
...হাটত, আছে যেন যম, মৰণৰ পাতি বেহা।
...লে বুঢ়ীয়ে, ৰঙামুৰা আছে, শেঁতামুৰা হৈ পৰি,
...ৰ তেজৰ, এসুঁতি ওলাই, জানত পৰিছে, জৰি।
...উ ধৰিলে, পুতেকক, বুঢ়ী হুগালে হুচুমা খাই,
...ছে, "কিমান মানক মাৰিলি," যদিও জীৱন নাই।
...সেনাপতি, দলে বলে আহি, দেখিলে বুঢ়ীক তাত,
...ধৰি নিজে, কলে ধীৰে ধীৰে, পাতি লৈ দোষ গাত।
...ৰ কাৰণেই, ৰঙামুৰা গলি, এৰি ধৰণীৰ মায়া,
...মাজত, লগে লগে মোৰ, ফুৰিছিল যেন ছাঁয়া।
...মানক মাৰিলে পুতেৰে, মোকো ৰাখে বুলি লৈ,
...ন শুনিবি, হেৰ বুঢ়ী তই, নোৱাৰে পেলাব কৈ"
...ধীৰে বুঢ়ী, চকু মেলি চাই, হাঁহি এটি মাৰি কলে,
...কে যদি কৰি, মৰে ৰঙামুৰা, কাললৈ খিয়াতি থলে।
বাপেকো মৰিল, মানৰ ৰণত ; পুতেকো মৰিল তাতে,
সিপুৰিত গৈ, সৰগৰ ভাগ, মোকো লবলই মাতে।
এই দৰে কৈ, পৰি গল বুঢ়ী, মুখেৰে হাঁহিটি মাৰি,
সন্তোষৰ মুখ, উজলি উঠিল, প্ৰাণ গল দেহা এৰি।
গগৈ সেনাপতি, তবধ মানিলে, হুমুনিয়া এটি কাঢ়ি,
চকুলো ছুধাৰি, বলে ধীৰে ধীৰে, গল আৰু আগ বাঢ়ি।

* * * * *

এনেয়ে ৰণৰ, শত সেনানীৰ, বুকুৰ শোণিত পৰি,
ৰঙা হৈ থকা, জানটিয়ে পালে, ৰঙাৰো তেজৰ ধাৰি।
তাৰপৰা হল, ৰঙা জান নাম, আজিও জনাই জানে,
বাৰিষা খৰালি, ওকন্দি শুকাই, বইছে আপোন মনে।

* ১৭৪৯ শকত জাজীৰ বৰ্ত্তমান জামুগুৰি চাপৰিৰ আশে পাশে যোৰহাটৰপৰা আহি গগৈ সেনাপতিয়ে মানক আগভেটি ধৰে। এই ৰণক বুৰঞ্জীত মাছখোৱা গড়ৰ ৰণ, ফুলপানীছিগা ৰণ আদি বুলি কয়। মানুহে এই ৰণক জামুগুৰি চাপৰিৰ ৰণ বুলিও কয়। কবিতাৰ উল্লিখিত ঘটনা ইয়াৰ লগৰ কিম্বদন্তি। জামুগুৰি চাপৰিত আজিকালি বছৰি 'নাচিত মেলা' হয়। ৰঙাজান ইয়াৰ দাঁতিতে আছে। এই ৰণত ঘাটি টাঁয়কৰ চিন্তামনি গড় বান্ধে।

## কংগ্ৰেছ জুবিলী উৎসৱত যোৰহাট



(ওপৰত) কংগ্ৰেছ জুবিলী সভাত শ্ৰীযুত কৃষ্ণনাথ শৰ্ম্মা চৌধুৰীয়াই বিৰাট জনতাৰ আগত বক্তৃতা দিছে (তলত) জুবিলীৰ শোভাযাত্ৰাৰ এটা অংশ—কেঞ্ৰাপটিৰ মাজত—যোৰহাট।



( ওপৰত ) জুবিলীৰ সভামণ্ডপৰ একাশ—ইয়াত কৃষ্ণলীলা হৈছিল (তলত) জুবিলীৰ শোভাযাত্ৰা আৰম্ভ—যোৰহাট।
ফটো—শ্ৰীঅনিলচন্দ্ৰ বৰুৱা

# কংগ্ৰেছ জুবিলী উৎসৱত গুৱাহাটী



(ওপৰত) কংগ্ৰেছ জুবিলী উৎসৱৰ সন্দল (তলত)
কংগ্ৰেছ জুবিলী প্ৰদৰ্শনীৰ তোৰণদ্বাৰ—গুৱাহাটী।



(ওপৰত) কংগ্ৰেছ জুবিলীৰ শোভাযাত্ৰাত মহিলাসকল (তলত) গাওঁৰপৰা আহি যোগ দিয়া মহিলাসকলৰ শোভাযাত্ৰাৰ এটা অংশ।

ফটো—বি, তালুকদাৰ।

# মাটিতেলৰ জন্ম কথা

—শ্ৰীযুত যুগলকুমাৰ দাস বি-এছ-ছি

মাটিতেলৰ পোন প্ৰথম ব্যৱহাৰৰ কথা বাইবেলতহে পোৱা যায়। ইবাকত চাৰি হেজাৰ বছৰৰ আগেয়ে ই ঔষধৰূপে ব্যৱহাৰ হৈছিল।

মাটিতেল বুলিলে পেট্ৰল, কেৰাছিন আদি অনেক বিধ বস্তু বুজায়। আধুনিক সভ্যতাত মাটিতেল এটি প্ৰয়োজনীয় বস্তু। সভ্য জগতত ইয়াৰ ব্যৱহাৰ বিদিত, লীগ-অৱ-নেশ্যনৃছ ইটালি আবিছিনিয়া যুদ্ধত অয়েল ছেংশ্যনৰ কথাই ইটালিক কি দৰে শঙ্কিত কৰি তুলিছে, সিও মাটিতেলৰে অতীব প্ৰয়োজনীতাৰ এটি নমুনা। সকলো ৰকমৰ ইঞ্জিন চলাবলৈ পেট্ৰলৰ বেছি প্ৰয়োজন। দুখীয়াৰ পজাতো চাকি এগছত এটুপি হলেও থাকে। এনেহেন চিৰ প্ৰয়োজনীয় মাটিতেল! ইয়াৰ জন্ম বৃত্তান্ত কি? ভূগৰ্ভত ইয়াৰ ভড়াল কেতিয়াবা হৈছিল নে? এইবোৰ বৈজ্ঞানিকসকলৰ জটিল প্ৰশ্ন।

আজিলৈকে বৈজ্ঞানিকসকলে মাটিতেল উদ্ভৱনৰনো কাৰণ কি এই বিষয়ে একমতাৱলী হব পৰা নাই। নানা জনে নানা মত আগবঢ়ায়।

এদলৰ মতে জন্তুৰ মৰাশবোৰৰ অৱশিষ্টৰপৰা মাটিতেল পোৱা যায় আৰু আন এদলৰ মতে উদ্ভিদ জগতহে মাটিতেলৰ আদি মূল।

কয়লা বা নাগমাটি যেনেকৈ মাটিত হোৱা গছবোৰৰ পৰা কালক্ৰমত উৎপন্ন হয়, সেইদৰেই মাটিতেল সাগৰৰ তলিত হোৱা গছবোৰৰপৰা উদ্ভৱ হয় বুলি বিশিষ্ট বৈজ্ঞানিকসকলৰ অনুমান। এই সাগৰৰ গছবোৰৰ ওপৰত পানীৰ কাষত থকা শিল মাটি খহি জহি এটা ঢাকনি হয়। গছবোৰ তেতিয়া হলে চাপ খাই মৰি যায়। ইয়াৰ উত্তৰোত্তৰ স্তৰ প্ৰস্তুত হয়। তেনে অৱস্থাত তলিৰ এই পদাৰ্থবোৰৰ পচন ক্ৰিয়া আৰম্ভ হয়। পৃথিৱীৰ গৰ্ভৰ অতিপাত গৰমেও অৱশ্যে এই ক্ৰিয়াত যথেষ্ট সহায় কৰে। তাৰে ফলত আমি পাওঁ মাটিতেল।

ভূতত্ত্ববিদসকলৰ মতে, পৃথিৱীৰ ওপৰত যি স্থল ভাগ আছে সৃষ্টি পাতনিত তেনে নাছিল। পৃথিৱীখন আছিল জলময়। অতি উচ্চ পৰ্ব্বতো অক্ষয় আৰু চিৰস্থায়ী নহয়। তাৰো পৰিৱৰ্ত্তন ঘটি থাকে, তিলতিলকৈ হলেও। পৃথিৱীৰ ডাঙৰ ডাঙৰ মাটিতেলৰ পুংবোৰৰ স্থিতি পৰ্য্যবেক্ষণ কৰি দেখা যায় যে এই ঠাইবোৰ সময়ত পৰ্ব্বতৰ নামনিত থকা সাগৰৰ পাৰবোৰত অৱস্থিত আছিল। বৰষুণ আৰু নৈবোৰৰ সোঁতে সমতল ভূমিৰ বহুখিনি উৰ্ব্বৰতা নাশ কৰে; ইফালে আকৌ সমুদ্ৰ উপকূলত এইবোৰ ওপচাব ধৰে। এই প্ৰকাৰে উপকূলৰ ৰেখা ক্ৰমাগত পৰিৱৰ্ত্তন হয়।

নৈৰ পানীৰ লগত বহু পৰিমানে নাশ পোৱা গছ-গছনি আৰু অইন প্ৰাণীজ পদাৰ্থ মাটিৰ কাষত থকা সাগৰলৈ উটি যায়। তাৰো কিছুমান উদ্ভিদ পদাৰ্থ নানা প্ৰক্ৰিয়াৰ মাজেৰে কয়লাত পৰিণত হয়। বাকীখিনিৰ পচন ক্ৰিয়াৰ ফলত মাটিতেল উৎপন্ন হয়।

কাৰো কাৰো মতে জন্তুজগতৰ অৱশিষ্টহে মাটিতেলৰ আদিমূল। সাগৰৰ মাছ আদি জলজন্তুবোৰ মৰি জহি সাগৰৰ তলিত এক প্ৰকাণ্ড মৰিশালী প্ৰস্তুত কৰে। তাৰ পিছত পচন ক্ৰিয়াৰ ফলত নাইট্ৰোজেনযুক্ত ভাগটো গেছ বা অইন কিবা গলনীয় পদাৰ্থৰূপে উৰি যায় বা পানীৰ লগত উটি যায়। অৱশিষ্ট চৰ্ব্বিযুক্ত পদাৰ্থখিনিৰ পৰাই মাটিতেল প্ৰস্তুত হয়। কিন্তু কথা হৈছে সাগৰৰ তলিত বাৰু ইমানবোৰ মৰা প্ৰাণী লগ লাগে কেনেকৈ? সাগৰৰ ডাঙৰ জলজন্তুবোৰে মৰা প্ৰাণীবোৰ খাই নেপেলায় নে? এই প্ৰশ্নৰো সমিধান পোৱা হৈছে। সাগৰৰ

গভীৰ তলিত কিছুমান ঠাই আছে। এইবোৰ ঠাইত অপৰিমিত "ছালফাৰেটেড্ হাইড্ৰজেন" বোলা এবিধ বিষাক্ত গেছ পানীৰ লগত থাকে। কাৰ্য্যতঃ অৱস্থা এনেকুৱাই হয়। কোনো প্ৰাণী এই এলেকাত সোমোৱা-মাত্ৰে পঞ্চত্ব প্ৰাপ্ত হয়। এইদৰেই এক বিশাল জল-জন্তুবোৰৰ মৰাশালী প্ৰস্তুত হয়। এইবোৰৰ ওপৰত ক্ৰমে ক্ৰমে স্তৰ প্ৰস্তুত হয়। কালক্ৰমত তাতেই পেট্ৰলিয়াম বা মাটিতেলৰ উদ্ভাৱনা হয়।

পৃথিবীখন কি দৰেনো প্ৰস্তুত হল তাক সঠিককৈ কওঁতা মানুহ নাই। আমাৰ তলত ভূগৰ্ভতো সেই দৰে কোন দিনাৰপৰা কি প্ৰকাৰে মাটিতেলৰ উৎপত্তি হল তাকো থাতাংকৈ কৈ দিয়া কিছু টান কথা।

মূল্যৱান বস্তুবোৰ সকলোৱে যতনাই গুপুত ঠাই থৈ দিয়ে। পৃথিবীৰো অতি মূল্যৱান পদাৰ্থবোৰ সেইদ সুৰক্ষিত। মাটিতেলৰ পুংবোৰ হঠাত মাটিৰ ওপ পোৱা বস্তু নহয়। নষ্ট পায় বুলি প্ৰকৃতিয়ে ইয়াক তলত গচ্ছিত কৰি থৈছে। ইয়াক বিচাৰি উলিও সঁচাকৈয়ে কিছু কষ্টসাধ্য। অৱশ্যে দৈৱাৎ ক'ৰো পানীৰ কাৰণে নাদ খানিবলৈ গৈয়ো মাটিতেলৰ নদ পোৱা গৈছে।

পুংবোৰ বহু সহস্ৰ ফুট দ হব পাৰে। কেইটামা পুং ছমাইলতকৈও বেছিকৈ খানিব লগাত পৰিছে বৰ্ত্তমান পৃথিৱীৰ সকলো ঠাইতে অবিৰাম তেলৰ অনুসন্ধা চলিব ধৰিছে।

———

# অসমীয়া বৰগীত

( মাধৱ দেৱভণিত )

( ৭ম বছৰৰ ১ম সংখ্যাৰ পাছৰপৰা )

—শ্ৰীযুত জগৰাম বৰুৱা

(৮) গীত—

যমুনাৰ বালিতে, কানাই বহি আছে,
মাথাৰে মুকলি চুলি।
সিপাৰবে পৰা, ৰাধাই ডাক দিলে,
মোকে পাৰ কৰা বুলি॥

পদ

কিকৈ পাৰে কৰিম, সুন্দৰী ৰাধিকা,
ঘাটত নাইকিয়া নাও।
যেনে তেনে কৰি মোকে পাৰ কৰা,
মথুৰা হাতলৈ যাওঁ॥
কলিয়া কলিয়া, চিকুণ বিনন্দিয়া,
আমি কত মানৰ ভৰা।
যেনে তেনে কৰি, আমাক পাৰে কৰা,
খসাই দিম গলৰে হৰা॥
বিয়লী বেলিকা, কানাই নাও মেলে,
সাতো সাগৰৰ ধোঁৱা।
পাৰো কি নোৱাঁৰো, ভাৱনা কৰিছা,
তথাপি মেলিছোঁ খোৱা॥
নাও হেম্বুলীয়া, বৈঠাও হেম্বুলীয়া,
আৰু হেম্বুলীয়া চৈ।
চৈৰে তলতে, ৰাধিকা বহিছে,
সোনৰে শৰ্ক্বা লৈ॥
দীঘলে ছভৰী, পুতলে এভৰী,
কানাইৰে চেঙেঙ্গি নাও।



ক'তে থৈ যাম, দধিৰে পশাৰে,
কতে থৈ যাম গাৱ॥
দক ও নহয়, সুৰাও নহয়,
নাওঁ গমাৰিবে সাৰ।
তুমিনো ৰাধিকা, কিমানবে ভৰা,
হস্তী কৰিছোঁ পাৰ॥
এচাৰ ছচাৰ কৰি, মাৰে দাঁৰে বৈঠা,
মাজতে মোছোকাই ভাগিল।
নাওৰ টাঁগৰ পৰা, ৰাগৰি পৰিয়েই,
পেটৰ কামোৰ নিলগিল॥
ৰাখৰে আগৰে, ছাগৰ দেৱা দেই,
বিৰালী আগৰে দৈ।
বুঢ়াৰে হাততে, চেঙেলী পৰিলা,
সাৰিবানো কেনেকৈ॥
কানায়ে ৰাধায়ে, কৰে ৰঙ্গৰূপ,
থাকে দেৱগনে ছাই।
কৃষ্ণৰ চৰণ, হৃদয়ে ধৰিয়া,
দীন মাধৱদেৱে গাই॥

——*——

(৯) গীত— ৰাগ-ভুপালী।

কান্দে কুলবতী নাৰী শিৰে দিয়া হাত।
মন্দিৰে চলিছে ধীৰে কানু প্ৰাণনাথ॥

পদ

আননে সি—কলনে সি পৰি গৈল ভোল।
স্বপ্নত দেখিলোঁ কানু নাহিকয় কোল॥
আমি সম অভাগিনী ত্ৰিভুবনে নাই।
হাতে চন্দ্ৰ দিয়া মোক বঞ্চিলা গোসাঁই॥
নমাগিলোঁ হৰগৌৰী নমাগিলোঁ বিধি।
হাতে পাই হৰুৱাইলো স্বামী গুণনিধি॥
কহয় মাধৱে এহ ৰাধা ভাগাৱতী।
জনমে জনমে হৌক কৃষ্ণত ভকতি॥

——*——

(১০) গীত—

মন ভাই কিদেখি পাগল ভেলি।
ভাৰ্য্যাপুত্ৰধন, তাতে দিয়া মন,
সমুলক্ষে তল গৈলি॥

পদ

পুত্ৰ পৰিৱাৰে, আলোচ কৰয়,
কৈত থৈলা ধন কড়ি।
একোকে সিধান্ত, দিবাক নপাৰি,
মৰি গৈলা দাস্ততৰি॥
পুত্ৰ-পৰিৱাৰে, ছনাই শোধই,
বহু ধন ভৈলা হানি।
ভাল ভাল বস্ত্ৰ, খসাই আনিয়া,
পিন্ধাৱয় চিৰা কানী॥
বুকে বাঁহ দিয়া, মমত তেজিয়া,
আপোন তনয়ে বান্ধে।
থৈয়া নদী তীৰে, কুটুম্বে বেঢ়িয়া,
আৰু চাৰি আসাৰ কান্দে॥
আপোন কামিনী, পৰে লৈয়া যাই,
সম্পদ ৰহিলা পৰি।
চিতাত তুলিয়া, বুকত হানয়,
সেহিসে পুনৰ বৈৰী॥
কহয় মাধৱ, ভকত বান্ধৱ,
জীৱৰ তৰণ জানি।
হেন পুত্ৰ-ভাৰ্য্যা, মমত তেজিয়া,
ভজিও সাৰঙ্গপানী॥

——*——

(১১) গীত—ৰাগ-ললীত।

মন ভাই তোৰা সঙ্গে জীৱ ভৈল বন্দি।
মায়াৰ মাধুৰী পাই, আনন্দৰ সীমা নাই,
এৰাইতে নপাইলোঁ ঘোৰ সন্ধি॥

পদ

হৰিসে হৰিষে যাইবা, ভকতৰ সঙ্গ পাইবা।
গুৰুপদে চপৰাইবা মাথা।
ভক্তক চকুৰে চাবা, মুখে হৰি নাম ল'বা,
কৰ্ণে শুনিবাহা কৃষ্ণ কথা॥
জলৰ মধ্যত থাকে, কুকলীয়া বৃক্ষদালি,
তথাপি শুকান তাৰ কায়া।

ভক্তৰ মধ্যত থাকে, মইবৰ ভক্ত বুলি,
তথাপি নচাৰে লোভমায়া ॥
পৰ্ব্বত শৃঙ্গত থাকে, কন্দলীয়া বৃক্ষদালি,
ৰষ ধৰি হোৱে ভৰপূৰ।
প্ৰিয় সঙ্গে ভকতৰ, জানা সেহি পটন্তৰ,
কালমায়া তেজি হোৱে দূৰ ॥
পাঞ্চনামে পাঞ্চ খুটা, সহস্ৰ নামৰ জুমুটা,
হৰিনাম ৰসৰ মাৰলি।
চাৰিনামে হোৱে বাৰ, মহাভাগৱত সাৰ,
তাৰ মাজে মানিক পুটলী ॥
হেন বৈকুণ্ঠৰ মাজে, পূৰ্ণ কৃষ্ণ ৰহি আছে,
শুনি থাকে বৈকুণ্ঠৰ ধ্বনী।
কহয় মাধৱ দাসে, নিজ ভকতৰ কাছে,
হৰিনাম ধৰ্ম্ম শিৰোমণি ॥

———

(১২) গীত—

এপ্ৰাণ গোপাল গোপাল।
পাতিলি মায়াৰ খেলি মোৰ দয়াল ॥

পদ

ঘৰগুটী বান্ধা যত্নে থাবৰ জীৱৰ আসে।
সিউঘৰ লৈয়া গৈল ধুমুহা বতাসে ॥
ঘৰগুটী বান্ধি মনাই দুৱাৰখনি চান্দা।
আপোনাৰ ঘৰ এৰি পৰকলাগি কান্দা ॥
কৰা দিলা পাতিপাতি মাৰলি দিলা জুটা।
ভালমতে লগাই থৈছে একেজুৰি খুটা ॥
চাৰি ফালে বেৰ দিয়া কৰিয়া আন্ধাৰ।
ন-ফালে লগাই থৈছে ন-খনি দুৱাৰ ॥
নৱফালে ৰহি আছে নৱটী দুৱাৰী।
তাৰ মাজে বশি আছে পূৰ্ণানন্দ হৰি ॥
একগুটী কন্যা আছে ঘৰৰ ঘৰিণী।
তাৰসঙ্গে যিটো নযায় সিটো মহামুনি ॥
আৰু এক নদী আছে বয় তীক্ষ্ণ ধাৰে।
কাল বিকাল দুটী পক্ষী ইপাৰে সিপাৰে ॥

হেঙ্গুলীয়া পক্ষী দুটী কাঁজলীয়া পাক্ষি।
জনমে জনমে তাৰ নাই দেখাদেখি ॥
উৰি গৈল ৰাজহংস পৰি ৰৈল পাক্ষি।
সিউ দেহা পৰি ৰৈল যমুনাৰ বালী ॥
কহয় মাধৱদাসে এই বাৰে বাৰ।
গুৰুৰ চৰণ বিনে গতি নাহি আৰ ॥

———

(১৩) গীত—

গুৰু মোক দয়া নচাৰিয়া প্ৰভু মোক চৰণে ৰাখিবা।
মই বৰ পাপেৰ পাপী চৰণে ৰাখিবা ॥

পদ

দয়া মোৰে দয়া মোৰে দয়া মোৰে প্ৰাণ।
কোন বস্তু হব পাৰে দয়াৰ সমান ॥
ইকুলো নপাইলোঁ গুৰু সিকুলো নপাইলোঁ।
সাগৰৰ মাজে মই জাজী হুইয়া ৰৈলোঁ। ॥
ৰৈলোঁ ৰৈলোঁ জাজী হুইয়া মাণিকৰ আশে।
সাগৰো শুকাল মাণিকো লুকাল মোৰ কৰ্ম্ম দোষে।
ঘৰ ভৈলা বাহিৰ গুৰু বাহিৰ ভৈলা ঘৰ।
পৰ ভৈলা আপোন আৰু আপোন ভৈলা পৰ ॥
অগৰু চন্দন গন্ধে শৰীৰ ভৈলা ক'লা।
গৌৰাঙ্গ চৰণ প্ৰভু মোৰ গলে বনমালা ॥
কহয় মাধৱ দাস দীন হীন মতি।
গুৰুৰ চৰণ বিনে নাহি আন গতি ॥

———

(১৪) গীত—ৰাগ-ললিত

মই পাপী কেনে আইলোঁ পুনৰাগমন।
দেখিলোঁ প্ৰভুৰ মুখ কমল নয়ন ॥

পদ

পূৰ্ব্বে পশ্চিমে দেখো সিংহৰ দুৱাৰ।
জগন্নাথ আগে দেখো অন্নৰ পোহাৰ ॥
মাহৰ যে শাক ৰান্ধে লফাৰ ব্যঞ্জন।
আগে চাকি পাছে কিনে ব্ৰাহ্মন সজ্জন।
যাৰ কড়াকড়ি নাই হাতে চলি যাই।
চাকিবাৰ চলে অন্ন পেট ভৰি খাই ॥



খোল ভৰি ব্যঞ্জন লৱে কোছ ভৰি ভাত।
চৌত্ৰিশ জাতিয়ে খাই চুৱা নাই তাত ॥
দাঁতত খৰিকা নলয় নপখালে ভৰি।
কহয় মাধৱ দাসে ওৰেষা নগৰি ॥

———

(১৫) গীত—

যাদৱ তেৰি লীলা ক'য়ো কতদূৰ।
আপুনি পৰমব্ৰহ্ম, জগতত অৱতৰি,
লীলা কৰি ফুৰা গোপপুৰ ॥

পদ

সুন্দৰী ৰমনী ৰাধা, মাথাত দধিৰ বোজা,
মথুৰা হাতক চলি যাই।
যমুনাৰ বালি পাই, শুদ্ধ দিয়া আছে চাই,
নাও লৈ আসৰে কানাই ॥
তোক বলে পাৰো মই, মোক পাৰ কৰ তই,
যিৱা লাগে ল'য়ো বেচ বান।
বেচকো নালাগে তোৰ, নাৱঁত দুঠৰি মোৰ,
তই ৰাধা চল অন্যস্থান ॥
বেচ দিও বুলি গৈ, আগত পোষাৰ থই,
খালি নাও মাজতে বসিলা।
আগ ভগা নাও খনি, গুৰি ধৰি চক্ৰপানী,
ভাটী মুখে খোৱাক মেলিলা ॥
ভৰা যমুনাক পাই, নাও খনি বৰ হাই।
একো দিকি নলৰে নচলে।
অ'ৰে ৰাধা কি কৰিলি, মোৰ বেচ হৰুৱাইলি
তোক নিব খোজে নাগ বলে ॥
ৰাধাৰ কেশত ধৰি, জোৰোৰাস্ত শ্ৰীহৰি,
নাকটীলে উশাস যোগাই।
ৰঙ্গে চঙ্গে বনমালী, কাখৰি চপাইলা আনি
দীন মাধদেৱে এহ গাই ॥

———

(১৬) গীত—ৰাগ-ভাটিয়ালী

জয় জয় বৰদোৱা বৈকুণ্ঠ দূতয়।
শ্ৰীমন্ত শঙ্কৰ তৈতে ভৈলন্ত উদয় ॥

পদ

সেহি স্থানে নিজগুৰু পাৱিলন্ত পাট।
ৰামনাম মহাৰঙ্গে বৈশাইলন্ত হাট ॥
মধ্যে পদ শিলা স্থান দক্ষিণে নাম ঘৰ।
মণিকূট গৃহ সাজি ৰহিলা শঙ্কৰ ॥
চাৰি পাৰে চাৰি হাটি মহাভক্তগন।
চাৰিও পৰে প্ৰশং কৰে শ্ৰৱন কীৰ্ত্তণ ॥
উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
নিশাভাগে নিৰ্ম্মিলন্ত শ্ৰীমন্ত শঙ্কৰ ॥
পশ্চিমে শিলিখাবৃক্ষ হালিয়া আছয়।
তাহাত আউজি গুৰু পুস্তক লিখয় ॥
দাক্ষিণে ফাগুৱা দৌল শঙ্কৰে নিৰ্ম্মিলঃ।
সাতো বৈকুণ্ঠৰ চিহ্ন নগায়া দেখাইলা ॥
দ্বিতীয় বৈকুণ্ঠ বটদ্ৰৱাৰ লক্ষণ।
কহয় মাধৱে ভজা হৰিৰ চৰণ ॥

———

(১৭) গীত—ৰাগ-আসোয়াৰী

চিনি ধৰা শুদ্ধ জীৱ ভকতি ভণ্ডাৰ।
প্ৰকাশ কৰিছা তিনি যোজন ওপৰ ॥

পদ

নাহি চাল গুটী শিপা ৰষে ভৰপূৰ।
আৰৱণে ধাকি আছে দেৱতা দণ্ডুৰ ॥
ভাগৱতী বৃক্ষ চয় অবিনাশী ফল।
সন্তজনে পাৰি খাই—পাপী নাযায় তল ॥
কহয় মাধৱ গুৰু চিন্তি সুখ পাই।
গুৰু নিচিন্তিলে জানা যাতনা ভুঞ্জাই ॥

———

(১৮) গীত—

ব্ৰহ্মা বোলে নমো নমো নমো নন্দ সুত।
ধৰি আছা ৰূপ হৰি কিনো অদভুত ॥

পদ

শ্যামতনু পিতবাস সোভে কলেৱৰ।
নবিন মেঘত যেন বিজুলী উজৰ ॥
ইসত বয়ন জলে অৰুণ অধৰ।
কণ্ঠে কষ্টুভ শ্ৰীবৎচ হেমহাৰ ॥

বনমালা বৈজ্যয়ন্তী কৰন্ত প্ৰকাশ ।
অ'াঠোতা ঐশ্বৰ্য্য কটি অম্বৰ আবাস ॥
উৰবত তিনি ৰেখা জলয় সাখ্যাত ।
উকত লক্ষ্মীৰ চটা উঝস্তি পদত ॥
ধ্বজ ব্ৰজ পঙ্কজ যৱ অঙ্কুশ ।
যাক মনে ধৰি পাৱে ভকতে সন্তোষ ॥
বাম কাসে শিঙ্গা বেণু বেৰেতিত থৈ ।
ভুঞ্জন্ত লৱহু আৰু বাম হাতে লৈ ॥
কহয় মাধৱ দীন হীন পাপমতি ।
চৰণে সৰণ লৈলো ৰাখা যদুপতি ॥”

---

( ১৯ ) গীত—

কিনোমায়া জাল, পাতিলা গোপাল,
এৰাইতে নপাৰোঁ সন্ধি ।
ভৱ সাগৰতে, পৰি তল গৈলোঁ,
বিষয় গলত বান্ধি ॥

পদ

বিষয়াক নাতিলে, বিষয় জঞ্জালে ।
ৰজাক নাতিলে ধনে ।
সাধু মহন্তক, নাতেকৰ ভাৱে,
ভকতক নাতিলে নামে ॥
জপাৰে কাপোৰ, জপাতে সাঁচিলোঁ,
কেনৈ সাঁচিলোঁ ধন ।
ধন ৰব পৰি, দেহা যাব চলি,
হাৰতো গজিব বন ॥
কস্তুৰাৰ বাহতে, মস্তুৰা ৰহিলে,
কালে আছিলেক ছাই ।
ভেল কাটা কৰি, জীৱ কৰৈ যাব,
আলহী ঘৰতে পাই ॥
হাবিৰ বটাধৰি, নেবান্ধ বৰ কৰি,
পুৰিলে হুই যাব ছাই ।
মৰা তো মৰিলে. নেকান্দ বৰ কৰি,
পুনৰাই পাবলৈ নাই ॥
ছোটালৰ আগৰে, এজুপী জাতি বাঁহ,
ওৰি চপাই দিয়া মাতি ।
জীয়াই থাকে মানে, কৰে কাঠি কানি,
মৰিলে লগৰ সাৰথি ॥
লাহৰী শৰীৰত, উকমী লাগিলে,
চিগিল বাসনাৰ জৰী ।
কহয় মাধৱ, ভকত বান্ধৱ,
ডাকি বোলা হৰি হৰি ॥

---

( ২০ ) গীত—শ্যাম

উদ্ধৱ হে আৰকি আসিব হৰি ।
বান্ধৱহে দেখিবো নয়ন ভৰি ॥

পদ

যাঁহেক লাগিয়া, আকুল কৰে মন,
গাৱে লাগে যেন জুই ।
হামাক বিচুৰি, গৈল মধুপুৰী,
ৰাম কৃষ্ণ ভাই দুই ॥
গিৰি গোবৰ্দ্ধন, কালিন্দি বৃন্দাবন,
ইসবো প্ৰাণৰ বৈৰী ।
ধ্বজ ব্ৰজ যৱ, অঙ্কুনা আলয়,
চিহ্ন আছে পৰি পৰি ॥
কহয় মাধৱ, প্ৰাণৰ বান্ধৱ,
ইতো খেদ পৰি হৰা ।
আপুনি গোবিন্দ, ইথানে আসিব ।
শ্ৰৱন কীৰ্ত্তণ কৰা ॥

—*—

উপৰোক্ত বৰগীতবিলাক সংগ্ৰহ কৰোঁতে যি লোকৰ মুখত বা যি কাগজত যেনে দৰে শুনিছোঁ আৰু দেখিছোঁ, ঠিক সেই দৰেই নকল কৰা হৈছে। কোনো কোনো ঠাইত অৰ্থ নোহোৱা যেন শব্দ পালেও তাকো লৰ চৰ নকৰি তেনেদৰেই ৰখা হৈছে। গতিকে পাঠকসকলে কোনো ভুল ভ্ৰান্তি পালে লিখকৰ গাতে দোষ দি নথি নেথাকি আচল শুদ্ধখিনি এই কাকতৰ যোগেই জানিবলৈ দিলে, লিখকে আছল কপি সংশোধন কৰি লবলৈ সুবিধা পাব।

সংগ্ৰহ কৰা বৰগীতৰ সম্প্ৰতি মাধৱদেৱৰ ভণিতাৰ খিনি এই সংখ্যাত শেষ হৈছে। আগলৈ গোপালদেৱৰ ভণিতাৰ বৰগীত পপোৱা হব। —সংগ্ৰাহক।

# তেওঁৰ কথা আৰু মোৰ ৰাতি

গল্প ]

—শ্ৰীযুত নলিনীকান্ত বৰুৱা বি-এ

“যোৱাগৈ ?”

“এৰা, যাওঁগৈ—”

“তুমি যে ছবিখন খুজিছিলা, অঁকা হোৱা নাই। হলেই [ঠি]য়াই দিম দেই—”

“হলেই পঠিয়াই দিবা ?—বাৰু, নেপাহৰিবা আকৌ [ক]ই।”

তেওঁ মুৰ জোকাৰে—নেপাহৰে।

গাৰী এৰে। গুম্‌গুমনিতে পৃথিবী কঁপে, ভাপৰ [ক]ৰিত বতাহ ভৰে। যন্ত্ৰপুৰীৰ মন্ত্ৰেৰে চলা ৰেলগাৰী [উৰ]ি যায়। লোহাৰ চকা লোহাৰ ছিৰিত বাগৰি পিছলি [পি]ছলি যায়। গাৰী চলে। এতিয়া তেওঁ বহুত আঁতৰত [—]নিব নোৱাৰা হয়। শেষত ষ্টেশ্যনটো গছৰ আঁৰত [লু]কায়। তেওঁক নেদেখো।

“কিহৰ ছবি হেৰি ? বন্ধুৱে সোধে।

মই চক খাই উঠো।—“এই মানে কিবা ছবি এখন।”

“ৰ' মানে কিবা ছবি এখন।” বন্ধুৱে হাঁহে। মই [লা]জ পাও। একো নেমাতো। বন্ধুৱে ঠাট্টা কৰে।

তেওঁ কৈছিল হলেই পঠিয়াই দিব—। হব কেতিয়া ?—মই ভাবো। বন্ধুৰ টোপনি আহে। ৰেলগাৰীৰ ঠেক [বি]ছনত শুই শুই মই ভাবো। তেওঁৰ ছবি সদায় [দেখি]ছিলো, সদায় পোৱা নাই। সদায় তেওঁ কয়, “শেষ [হ]লেই দিম ?” কিন্তু ছবি শেষ নহয়।

তেওঁৰ ছবি! সুন্দৰ হাতৰ নিপুণ পৰশেৰে তেওঁ [ছবি]ত প্ৰাণ দিয়ে; তেওঁৰ সৃষ্টি বুলিয়েই বোধকৰো ছবিখন [ইম]ান ভাল। তেওঁ সুন্দৰ, তেওঁৰ কল্পনা সুন্দৰ, তেওঁৰ [সৃ]ষ্টি সুন্দৰ।—দেখি সচাকৈয়ে ভাল লাগিছিল—বৰ ভাল [লা]গিছিল। সেইদেখিয়েই তেওঁক ছবিখন খুজিছিলো। [তে]ওঁ কৈছিল, “হলেই দিম”—সদায় কৈছিল। আজিলৈকে [হো]ৱা নাই।

খখাউৰিৰ দাঁতিত বহি তেওঁ ছবি আঁকে। মই চাওঁ, [তে]ওঁৰ তুলিৰ প্ৰতি পৰশে ছবিত নতুন ৰূপ, নতুন প্ৰাণ [দি]য়ে।

ছবি খনৰ নাম” “ৰাগদেশ।” দিনত শুই যুৱতীয়ে গধুলি বেলিকা সাৰ পায়। মাৰ যোৱা বেলিৰ ৰাঙ্গনী ৰদে যুৱতীৰ মেলা নেমেলা চকু মুদাই দি গাল সোণোৱালী আভাৰে বুৰাই দিয়ে। বস্ত্ৰ অসংবৃত, চুলি মুকলি। অলসভাৱে যুৱতী পালেঙত বহি গান গায়। সেয়ে হেনো ভাৰতীয় সঙ্গীত বিজ্ঞানত দেশৰাগৰ ধ্যান;—সেই কল্পনাকে হেনো তেওঁ ছবিত আঁকিব। ছবি অঁকা নৌ হওঁতেই তেওঁ মোক তেওঁৰ কল্পনা বুজাই দিয়ে। তেওঁ চিত্ৰকৰ বুলি জানো, তেওঁ কবিও নেকি ? নহলেনো বাৰু কেনেকৈ ইমান সুন্দৰকৈ সজাই তেওঁ কথা কয় ? তেওঁ চিত্ৰকৰ, তেওঁ কবি!—আৰু তেওঁ সুন্দৰ।

যুৱতীৰ চকু দুটাৰ বাহিৰে ছবিখন সম্পূৰ্ণ হয়। তেওঁ তুলি হাতত লৈ ভাবে “বাৰু”, তেওঁ হঠাৎ কৈ উঠে, “বাৰু, চকু দুটা কেনেকৈ দিওঁ ?”—যুৱতী কালিদাসৰ যক্ষপ্ৰিয়াৰ দৰে চকিত হৰিণপ্ৰেক্ষণী, নে গ্ৰেটা গাৰ্ব্বোৰ দৰে ৰহস্যময়ী. মইতো নেজানো।—আকৌ তেওঁ সোধে। মই কব নোৱাৰো।

“গাৰ্ব্বোৰ চকু সাগৰৰ দৰে গভীৰ, তাত লুকাই আছে সৃষ্টিৰ ৰহস্য, জীৱনৰ প্ৰহেলিকা। কালিদাসৰ নায়িকাৰ চকু বিজুলীৰ দৰে—বিজুলীৰ দৰে চঞ্চল, আৰু উজ্জ্বল!—“সাগৰ আৰু বিজুলী!” তেওঁ আপোন মনে কৈ যায়। আকৌ ৰয়, আকৌ ভাবে—হঠাৎ আকৌ কৈ উঠে, “সাগৰ আৰু বিজুলী!—সাগৰৰ গাম্ভীৰ্য্য আৰু ৰহস্য, বিজুলীৰ চাঞ্চল্য আৰু উজ্জ্বলতা—হয়, দুয়ো লগ-লাগিয়েই তেওঁৰ দৃষ্টি সৃষ্টি কৰিব”।—অসম্ভৱ কল্পনা, মই ভাবো। তেওঁ সদায় চেষ্টা কৰে, সদায় বিফল হয়। সেই অসম্ভৱ চকু তেওঁ আঁকিব নোৱাৰে।

দিন যায়। তেওঁ সদায় কয়, “ছবি শেষ হোৱা নাই, হলেই দিম।”—মই ভাবো, দিব। ছবি শেষ নহয়—তেওঁ নিদিয়ে।

সদায় তেওঁ সেই একেটা কথাকে কৈ আহিছে। মযো সেই কথাকে সদায় ভাবি আহিছো। সেই কথাকে ভাবি বহুত ৰাতি উজাগৰে কটাইছো।

ৰাতি টোপানি নাহে। ৰাতিপুৱা গাৰী সলনি কৰো।

# উদীয়মান অসম

—শ্ৰীযুত জীৱনৰাম ফুকন এম-এছ-ছি

চাকনৈয়াত পৰি জীৱন-তৰীখনি মাজ নৈত বুৰোঁ বুৰোঁ—সেই সময়তো অসমীয়া ডেকাই ভাই ভনীইতক কৈ যাবলৈ নাপাহৰিলে—"অসম মৰিলে আমিও মৰিম এই কথা নাপাহৰিবা। দেশৰ ডেকাসকলক উদ্বুদ্ধ কৰি তোলা, কৃষকসকলক জগাই তোলা। অসম আকৌ মহান, আকৌ গৌৰৱমণ্ডিত হৈ উঠিব।" উঠন অসম আজি ইয়াৰ সত্যতা বিচাৰি পোৱাৰ বাটত। "কৰ্ত্তব্য সাধন মাথো জীৱনৰ মূল" এয়েই উঠন অসমৰো জীৱনৰ মূলমন্ত্ৰ।

কামৰ হেঁচাত আগ নিশা বহুপৰলৈকে সজাগ হৈ থকাৰ ভাগৰ পলুৱাওঁতেই পিছদিনা পুৱাৰ বেলি বহুখিনি পাৰ হৈ যায়। অসমৰো আজি অনুৰূপ অৱস্থা। শত্ৰুৰ ঘনাই আক্ৰমণ, নানা ঘাত-প্ৰতিঘাতৰ পাছত অসমীয়া জাতি ভাগৰি পৰা স্বাভাৱিক। সেইহে আজি অসমীয়াই জিৰণিৰ পিছত দেখিছে—বেলি বহুপৰ হ'ল—আনে এতেখিনি পৰত বহুত আগুৱাইছে। সমানে খোজ দিবলৈ হলে অলপ খৰধৰ কৰিবলগীয়া হ'ল।

ভাৰতৰ সৈতে অসমৰ ছিঙিব নোৱাৰা সম্বন্ধ। পাৰিলেও আমি তাক নিছিঙো। আন আন প্ৰদেশৰ দৰেই অসমেও এই কথা বিশ্বাস কৰে। কিন্তু অকল বিশ্বাস কৰিলেই নচলিব।

ভাৰতীয় জাতি গঠনত আন আন সম্প্ৰদায়ে নিজক সবল শক্তিমন্ত কৰি তোলাত মনপ্ৰাণ ঢালি দিছে; আমি অসমীয়াইও তাকেই কৰিব লাগিব! তাৰ অন্যথা নাই। ভাৰতীয় জাতীয়তাৰ যি শিলৰ খুটা থিয় কৰা হ'ব তাৰ কাৰণে অসমীয়াই নিজ শিলৰ খণ্ড যোগাবই লগিব।

অসমৰ বৰ্ত্তমানৰ বুৰঞ্জীয়ে কয়—আমাৰ আগৰ ডেকা ছপুৰুষৰ যত্নতেই জাতীয়তাৰ ঘাই ধৰণী ভাষা জননীক পালো। অসমীয়া ভাষাৰ স্থিতি সম্পৰ্কে আমি মাতি অনা আমাৰ শাসকসকলৰ অজ্ঞতা আৰু আওকাণৰ সুবিধা লৈ আমাৰ গাতে লাগি থকা এক সম্প্ৰদায়ে যেতিয়া অসমীয়া ভাষা তেওঁলোকৰ ভাষাৰ অপভ্ৰংশ বুলি কবলৈ প্ৰয়াস পাইছিল—অসমীয়াৰ দৈনন্দিন জীৱনতো যেতিয়া বিদেশী ধৰণ-কৰণৰহে আদৰ হৈছিল, তেতিয়া এবুঢ়ি অসমীয়াই আমাৰ ভাষা, সাহিত্য, জাতীয়তাক জাহ যাবলৈ নিদি তাক পুনৰ গঢ় দিলে। সেই সময়ত চকুৰ আগত যি কৰ্ত্তব্য দেখিলে তাকেই মাথো তেওঁলোকে পালি গ'ল। লাহে লাহে লোপ পাব খোজা অসমীয়া নাম উদ্ধাৰ হ'ল। কৃতজ্ঞতাৰ সুৰত সেইহে আজিও অসমীয়াই গায়—

"ভাষাক সাৰথি ধৰি,
সুমাৰ লগীয়া অসমীয়া নাম
ৰাখিলে জিলিকা কৰি।"

আমাৰ ভাষা পুনৰুদ্ধাৰৰ চেষ্টাত আমেৰিকান পাদ্ৰী সকলৰ নেতৃত্ব আৰু সহায়ৰ বাবে অসমীয়াই তেওঁলোকক সদায় সুঁৱৰিব।

তাৰো পিছৰ কথা। অসমীয়াই সম্পূৰ্ণকৈ নিজক তেতিয়াও চিনি পাবলৈ বাকী। অসমীয়া ভাষা দুখন মান জিলালৈ গতাই থৈ যেতিয়া আন কেইখনমানে এই ভাষাৰ সৈতে সম্বন্ধ নাই বুলি কবলৈ প্ৰয়াস পাইছিল সেই সময়তো কেইজনমান মাত্ৰ ডেকা অসমীয়াই আন্দোলন চলাই অসমীয়া ভাষাক কুচিমুচি থকা অৱস্থাৰপৰা হা… ভৰি মেলি থকা অৱস্থালৈ আনিলে। তেওঁলোকৰ বেক… (Beacon) সদৃশ জোনাকী, বিজুলী, বন্তি আৰু ক্লেৰিয়… (Clarion) সদৃশ বাঁহীয়ে অসমীয়া জাতিক …ক্ষ্যৰ কৰি সোঁৱৰাই বাট বুলাই নিলে। তাৰ লগে লগেই অসমীয়া নিজ সুকীয়া অস্তিত্ব স্বীকাৰ কৰাই লবলৈ সক্ষম হ'ল।

অসমীয়া জাতীয়তাৰ যুজাৰুসকলে ভাষাৰ কাৰণে …



…বিবলগীয়া হৈছিল তাত জয়যুক্ত হৈ নিজ উদ্দেশ্য সিদ্ধি …বুলি ভাবিছিল। সেইকাৰণে শ্ৰীহট্ট জিলাখনক …ৰৰ গাত আঁউজিবলৈ দিয়াত অসমীয়াই বিশেষ একো …পত্তি কৰিবৰ কাৰণ নেদেখিলে। আজি অসমৰ …স্থা তেনেই সুকীয়া। অসমৰ গাতে লাগি আছে ধনে …নে বলী বঙ্গদেশ। কিন্তু নিজদেশত প্ৰতিপত্তি বজাই …খিলেও আন আন প্ৰদেশত বঙালীসকল দিনে হতি …হিব লাগিছে। এনে অৱস্থাত অন্যায় আবদাৰৰ …শ্ৰয় লোৱা তেওঁলোকৰ পক্ষে স্বাভাৱিক। এই কাৰণেই …সৱতো তেওঁলোকৰ বৰ্ত্তমানৰ প্ৰতিপত্তি হেৰুৱাৰ ভয়ত …নবুৰকৈ যিহকে তিহকে কৰি পেলাব খুজিছে। তেওঁ-…লোকৰ এই অন্যায় আবদাৰৰপৰা যে কেৱল অসমীয়া …ঙালী ভেদভাবে দেখা দিছে তেনে নহয়। দৰাচলতে …তেওঁলোকৰ প্ৰাদেশিকতা বা বঙালীয়তাই (Bengalism) …গোটেই ভাৰতৰে জাতীয়তা গঠনত মহা অন্তৰায় ঘটাব …খুজিছে। অসমীয়াই বঙালীসকলৰ এই আচৰণৰ বিপক্ষে …থিয় হ'বই লাগিব। উদীয়মান অসমে মন বান্ধিলে বঙালী …সকলৰ এনে অন্যায় আবদাৰ সৰহ দিন নিটিকে। অলপ …যোগৰ ধৈৰ্য্যৰ প্ৰয়োজন।

…অসমৰ ভবিষ্যতেই অসমীয়া ডেকাগাভৰুৰো …ভবিষ্যত। এই কথা অন্তৰৰ সৈতে বিশ্বাস কৰি অদম্য …উৎসাহ আৰু বাহুত বল গোটাই কৈ কামত হাত দিবৰ …হ'ল। আগলৈ এনে দিন হয়তো আহিব, যিদিনা অসমীয়াই …আন আন ভাৰতীয়সকলৰ সৈতে সমানে খোজ দি যাওঁতে …মাজে সময়ে ছপোজ আগবাঢ়ি গৈ আনক বাট দেখুৱাবও …লাগিব। তেতিয়া অসমে আগৰণুৱা হবলৈ পাছ …চোহোকা মাৰিলে নচলিব। এই কাম সাধিবলৈ আমি …এতিয়াৰেপৰা সাজু হৈ অলপ খৰ-ধৰ লগালেহে আমাৰ …অসমীয়াইতৰ লগ ধৰিব পাৰিম। গতিকে অসমীয়া ডেকা …গাভৰুৱে অসমৰ বৰ্ত্তমানৰ আন্দোলনত যোগ দিয়াৰ …বাহিৰেও ভবিষ্যতত নিজ ঠাইৰ কথা গভীৰভাৱে চিন্তা কৰিবৰ হ'ল। বৰ্ত্তমানৰ আন্দোলনে আমাক নিজকে চিনি পাবলৈ শিকাব। নিজকে চিনি লৈ ভবিষ্যতে আমি নিজ বিশিষ্টতা সগৰ্ব্বে আনৰ আগত দাঙি ধৰিবলৈ সক্ষম হব লাগিব। নহলে আমাৰ হাজাৰ বছৰীয়া স্বাধীনতা, ভাষা, সাহিত্য, জাতীয়তা, আন্দোলন সকলোবোৰেই অৰ্থহীন হ'ব।

অসমীয়া ডেকা গাভৰুৱে নিজ নিজ লক্ষ্য, নিজ নিজ কৰ্ত্তব্য বিচাৰি লবৰ হ'ল। অসমীয়াই প্ৰথমে জাতীয় ভাৱাপন্ন হৈ ভাষা, সাহিত্য, দৰ্শন, বিজ্ঞান, ঔষধ, অস্ত্ৰ-চিকিৎসা, কলা, ইঞ্জিনিয়েৰিং, উন্নত কৃষি শিল্প আদি নিজ ৰুচি আৰু ৰাপ অনুযায়ী আন্তৰিকতাৰে শিকিব মেলিবৰ সময় হ'ল। আধা শতাব্দী মাত্ৰ পাৰ হৈ গৈছে জছিদা টৰাজিৰ'ৰ (Yoshida Torajiro) অনুগামী ডেকা সকলৰ চেষ্টাতেই অন্ধবিশ্বাসৰ অতল তলিৰপৰা ওলাই আহি জাপানে আজি নিজকে ক্ৰমাগত উজ্জ্বলতৰ কৰি জগতৰ চকুত চমক লগাব পাৰিছে। জছিদা টৰাজিৰই যি বিপুল বাধা-বিঘিনিৰ বিপক্ষে যুজি নিজ মত তেওঁৰ অনুগামীসকলক দি গ'ল, প্ৰায় সেইবিলাক বিপদ বিঘিনিৰ মাজতেই জাপানী ডেকাসকলে অন্তৰত একমাত্ৰ অদম্য সাহ আৰু নিজ চৰিত্ৰবলৰ সহায়ত আজিৰ জাপান গঢ়ি তুলিলে। অসমীয়াইও অতীতৰ উন্নত শিৰ উন্নততৰ কৰিবই লাগিব।

অসমৰ অৱস্থা সকলো পিনে নদনবদন কৰিবই লাগিব। ভাৰ ডেকাগাভৰুৰ গাত। অসম মাতৃৰ সেৱাৰ জৰীয়তেই অসমীয়াই ভাৰত মাতৃৰ সেৱা কৰিব লাগিব।

অসমীয়াৰ উন্নতি সুনিশ্চিত। অসমীয়া ডেকা-গাভৰুৰ এই বিজয় অভিযানত উদগণি দি অসমীয়া কবিয়ে কোন কাহানিয়েই গোৱা সেই গুৰু গম্ভীৰ স্বৰ বজ্ৰ গম্ভীৰ ৰবে অসমৰ পৰ্ব্বতে-কন্দৰে হাবিয়ে-বননিয়ে প্ৰতিধ্বনিত হৈছে—কাণ পাতি শুনা অসমীয়া—

"অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।"

# মহিলা জগত

## মুক্তি ফৌজ আৰু এভেঞ্জেলিন বুথ


মুক্তি ফৌজৰ (Salvation Army) বৰ্ত্তমান জেনেৰেল জনৰ নাম জেনেৰেল ইভাঞ্জেলিন বুথ—এজনা মহিয়সী তিৰোতা। এই ফৌজত বৰ্ত্তমান ২৫,০০০



জেনেৰেল ইভাঞ্জেলিন বুথ

কৰ্ম্মচাৰীয়ে ৮৮ খন বিভিন্ন দেশত কাম কৰে। এই বিৰাট ফৌজ বা সংঘত হেজাৰ হেজাৰ সেনা বা সভ্য আছে আৰু এই সংঘক সহানুভূতি দেখুৱা মানুহৰ সংখ্যা তাতোকৈ বেছি।

"বৰ্ত্তমান মোৰ মন নানা ৰকম ধাৰণা আৰু পৰিকল্পনাৰে পৰিপূৰ্ণ;"—ইভাঞ্জেলিন বুথে কয়, "কিন্তু এতিয়া এটা গুৰু বিষয়ত হাত দিম বুলিহে স্থিৰ কৰিছোঁ। সেইটো হৈছে, অহা কেই বছৰমানৰ ভিতৰত আমা ফৌজে পৃথিবীৰ সকলো সভ্যকে সংঘবদ্ধ কৰি তুলি আৰু সকলো জাতিৰ মাজতে মিলন সৃষ্টি কৰিবলৈ ব্র ব্ৰত গ্ৰহণ কৰিব। মই ইয়াৰ দ্বাৰা কেৱল প্ৰস্তাৱ গ্ৰহ কৰি লিপিবদ্ধ কৰাকেই কোৱা নাই। মই কৈছে পৃথিবী ব্যাপি এনে এটা আন্দোলন চলাব লাগিব ব' সকলো গীৰ্জ্জাই মানৱ জাতিক ঘৃণা, হিংসা আৰু অতীত ঈৰ্ষা পৰিহাৰ কৰি তাৰ ঠাইত মানুহৰ মাজত হি আকাঙ্ক্ষা কৰিবলৈ উদগণি দিব।"



ডক্টৰ মিলড্ৰেড হিমৰুণ—আমেৰিকাৰ এগৰাকী তিৰোতা বৈজ্ঞানিক। এখেতে ৱাশ্বিংটনৰ ষ্টেণ্ডাৰ্ড বুৰ'ৰ পেট্ৰলিয়াম গৱেষণাত আছে। অলপতে এখেতে অণু পৰমাণু জুখিব পৰা এটি যন্ত্ৰ আবিষ্কাৰ কৰিছে।

"আপোনাৰ এই আন্তৰ্জ্জাতিক সংঘটো বৰ্ত্তমান জাতীয়তা বাদে কোনো বাধা জন্মাব বুলি নাভাবেনে?"—



...বুলি কোনো এখন কাকতৰ এজন সংবাদদাতাই সোধাত ...ঞ্জেলিন বুথে কয়—"এই জাতীয়তাবাদৰ দ্বাৰা আমি ...বাধা পাব পাৰোঁ। কিন্তু মই ইয়াৰ লগতে ইয়াকো ...যে বতাহ সকলো দেশ ভেদ কৰি বয়; দেশ



...ভিঅৰাৰ হ'লজাৰ—এই ১৯ বছৰীয়া ছুইছ গাভৰু ছোৱালীজনীয়ে ...মাহ দিন ধৰি দিনৌ আকাশীযানেৰে ইংলণ্ডৰ ক্ৰইডনলৈ আহিব লাগিছে; অথচ এতিয়ালৈকে লণ্ডন মহানগৰী দেখিবলৈ সমৰ্থ হোৱা নাই।

...স্থৰতো ৰেডিঅ' শুনিব পাৰি; ৰেলিৰ পোহৰ ...দেশ সীমা অতিক্ৰম কৰি সকলোতে পৰে। নদীবিলাক ...ন দেশৰ সীমা ভেদ কৰিও প্ৰৱাহিত হয়। ঠিক ...তেনেকৈ যেতিয়ালৈকে আমাৰ মুক্তি ফৌজৰ নিচান ...ব তেতিয়ালৈকে আমাৰ নীতিও কোনো ৰাজ্যৰ ...বাই সেইদেশত সোমাবলৈ বাধা দিব নোৱাৰিব।"

জেনেৰেল ইভাঞ্জেলিন বুথৰ গাত বিশেষকৈ ছটি ...গুণ পৰিলক্ষিত হয়। এফালে, তেওঁ এগৰাকী ...মোদপ্ৰিয়, সহানুভূতিশীল, উৎসাহী আৰু সুন্দৰী ...তিৰোতা। ৰঙ্গমঞ্চত প্ৰৱেশ কৰাহেঁতেন তেওঁ এগৰাকী ...তি বিখ্যাত অভিনেত্ৰী হব পাৰিলে হেঁতেন। আনফালে, ...ৰেবাহে কামত লাগি থাকিব পৰা স্বভাৱ, ধীৰ, স্থিৰ ...চাৰ, নিয়মানুৱৰ্ত্তিতা আৰু কৰ্ম্ম-পটুতা আদি অতি ...প্ৰশংসনীয় গুণেৰে তেওঁ বিভূষিত। "সদায় আগবাঢ়া" এইটোৱেই হৈছে তেওঁৰ জীৱনৰ বীজমন্ত্ৰ। তেওঁ সদায় এখন "মনোৰম সংসাৰৰ' মধুৰ সপোন দেখে। কিন্তু সেইবুলি তেওঁ মায়া-মৰীচিকাৰ কাৰণে সদায় সাৱধান। সাহায্য আৰু সুখ-শান্তিৰ এজনা অপেশ্বৰী বুলি তেওঁক মানুহে অভিহিত কৰে। তেওঁ কিন্তু অপেশ্বৰী হোৱাৰ নামকে নুশুনে—"নিজৰ দেশত অপেশ্বৰীবোৰ বৰ ধুনীয়া। কিন্তু পৃথিবীৰ কাৰণে তেওঁলোক উপযুক্ত নহয়। তেওঁলোক বৰ ওপৰত উৰি ফুৰে। মই মাটিতে ভৰি লগাই থাকিবলৈ বিচাৰোঁ।"

জেনেৰেল ইভাঞ্জেলিনৰ মুখত সদায় হাঁহি। তেওঁ যি কথা কয় তাক বৰ সোৱাদ লগাই কয়। তেওঁ বৰ বিনয়ী; তেওঁৰ কথা-বতৰাত সদাচৰণ ফুটি ওলায়।

প্ৰায় ১৮৮৩ খৃষ্টাব্দৰপৰাই তেওঁ দুখীয়াৰ দুখ আৰু অশান্তি বিমোচনৰ কাৰণে নিজকে উছৰ্গা কৰে। তেতিয়াৰেপৰা তেওঁ জীৱনত নানা ধৰণৰ নিৰ্য্যাতন সহিব লগা হৈছে।

তেওঁ এগৰাকী সঙ্গীতজ্ঞা, নিজে গান আৰু নাটক ৰচনা কৰে আৰু বীণা বজায়।



ভাৰতীয় তৰোৱাল সঞ্চালিকা মিছ সীতাবাঈ ৰানুণী—জালগাওঁ। এওঁ অলপতে তৰোৱাল সঞ্চালনত ৰেকৰ্ড ভঙ্গ কৰিছে। একেৰাহে ১৫ ঘণ্টা ১৪ মিনিট প্ৰায় ২৫,০০০ দৰ্শকৰ আগত তৰোৱাল ঘূৰাই সকলোকে স্তব্ধ কৰিছিল। এওঁ অনেক পুৰস্কাৰ লাভ কৰিছে।

# সম্পাদকীয়

## কলিকতা বিশ্ববিদ্যালয়ত স্বৰ্গীয় প্ৰতিভা দেৱীৰ স্মৃতি



পোনা দুটি আৰু স্বৰ্গীয়া ঘৈণীয়েকৰে সৈতে প্ৰফেছাৰ শ্ৰীযুত উমাকান্ত গোস্বামী এম-এ, বি-এল ডাঙৰীয়া।

গুৱাহাটী কটন কলেজৰ অধ্যাপক শ্ৰীযুত উমাকান্ত গোস্বামী এম্-এ, বি-এল্ দেৱে তেখেতৰ পৰলোক গতা পত্নী প্ৰতিভাদেৱীৰ স্মৃতি ৰক্ষাৰ অৰ্থে বি-এ পৰীক্ষাত ইকনমিক্সত ( অৰ্থ-শাস্ত্ৰ আৰু অৰ্থনীতিত ) অনাৰ্ছ সৈতে উত্তীৰ্ণ হৈ অসমত প্ৰথম হোৱা ছাত্ৰক বছৰি এটি পদক দিবৰ নিমিত্তে কলিকতা বিশ্ব বিদ্যালয়ত ৫০০ টকা দিয়ে। এই পদক তলত লিখা নিয়মে দিয়া হব।

(১) এপিঠিত "প্ৰতিভাদেৱী ( আমৰঙা ) অসম, আৰু অইন পিঠিত কলিকতা বিশ্ববিদ্যালয়ৰ চিহ্ন (University Arms) অঙ্কিত থাকিব।

(২) গুৱাহাটী কটন কলেজ, শ্ৰীহট্ট মুৰাৰিচাঁদ কলেজ নাইবা অসমৰ আন কোনো কলেজৰ পৰা আগতে বি-এ ইকনমিক্সত অনাৰ্ছ সৈতে প্ৰথম হোৱা ছাত্ৰক এই পদক দিয়া হব।

(৩) এই পদক প্ৰত্যেক বছৰে কলিকতা বিশ্ব বিদ্যালয়ৰ কনভোকেশ্যনত দিয়া হব আৰু পদক লাভ কৰা ছাত্ৰৰ নাম বিশ্ববিদ্যালয়ৰ বিৱৰণিত আৰু কলিকতা আৰু অসম গেজেটত প্ৰকাশ কৰা হব।

(৪) ভবিষ্যতে অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় হ'লে এই টকাখিনি এই উদ্দেশ্যে অসম বিশ্ববিদ্যালয়ত পুজিত জমা দিয়া হব।

গোস্বামীদেৱৰ এই পৱিত্ৰ দানৰ বাবে আমি সৰ্বান্তঃকৰণে তেখেতৰ শলাগ লৈছোঁ।




৮ম বছৰ, ৫ম সংখ্যা ] ব'হাগ [ ব'হাগ, ১৮৫৮ শক

## নবীন-স্মৃতি

—শ্ৰীযুত তৰুণৰাম ফুকন বাৰ-এট-ল

স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়া বয়সত মোতকৈ উভতি আহি ওকালতি আৰম্ভ কৰিলে। মই গ'লো ... আছি মই হাইকোৰ্টত ... বছৰমানে ডাঙৰ। মই ১৮৯৬ চনত ...

শেহত কংগ্ৰেছে অসহযোগ পন্থা গ্ৰহণ কৰাত বৰদলৈ ডাঙৰীয়াই সেই পন্থলৈ অসমত অসহযোগ মন্ত্ৰত দীক্ষা দিবলৈ আৰম্ভ কৰিলে। দীক্ষা ল'লে পোণতে ডেকা উকিল শ্ৰীযুত গোপীনাথ বৰদলৈ, মৌলবি তৈয়বউল্লা, শ্ৰীযুত কালিপ্ৰসাদ বৰুৱা আৰু জনদিয়েক ডেকাই। মোৰ তেতিয়া 'প্ৰেক্টিছ' ভাল দৰে চলিছে; তদুপৰি মই ল কলেজৰ শিক্ষক। সাতে পাঁচে সেই আন্দোলনত মই যোগ দিয়া নাছিলোঁ। সেই কথা লৈ বৰদলৈ ডাঙৰীয়াই প্ৰায়ে মোক ঠাট্টা বিদ্ৰূপ কৰে আৰু সেই বাবেই মই তেওঁৰপৰা আঁতৰি চলিছিলোঁ, ফলত মই এবছৰ সেই আন্দোলনত যোগ দিয়া নাছিলো। এদিন তেওঁ মোৰ ঘৰলৈ আহি যোগ দিবলৈ বিশেষকৈ অনুৰোধ কৰিলে, আৰু ক'লে "মই যথেষ্ট চেষ্টা কৰি চালোঁ, কিন্তু আপুনি যোগ নিদিলে মই অকলে এই আন্দোলন চলোৱা অসম্ভৱ; দিয়ে যদি যোগ দিয়ক, নহলে ময়ো এৰি দিম।" কথা যি দৰে ক'লে মোৰ মনত লাগিল। মই প্ৰতিশ্ৰুতি দিলো যে ভাবি-চিন্তি তিনিদিনৰ মূৰত সমিধান দিম। তেখেতৰপৰা বিশেষ উদগনি নোপোৱা হ'লে সম্ভৱতঃ মোৰ অসহযোগ আন্দোলনত যোগ দিয়া নহঃহেতেন। যোগ দিওৱা বাবে মই তেখেতৰ ওচৰত ঋণী। তেওঁৰ ঐকান্তিকতা আৰু আগ্ৰহ মোৰ এতিয়াও মনত আছে, আৰু মনত আছে আগেয়ে বিদ্ৰূপ কৰি মোক তেওঁৰ ফলীয়া কৰিবৰ চেষ্টা কৰা বাবে তেওঁৰ অকপট আক্ষেপ। তিনিদিনৰ দিনা মোক [illegible]

মাৰি ধৰি কিমান যে সমাদৰ জনালে তাক ভাবি[illegible] শোকে থুন্দা মাৰি ধৰে। যদিও অকণমান কথা[illegible] তেখেতৰ টিকিচাই থং উঠিছিল, সেই থং খন্তেকীয়া[illegible] নিমিষতে নুমাই যায়। যদিও কৰ্ম্মত স্বভাৱ দৃঢ় আ[illegible] ধীৰ, প্ৰকৃতিত তেখেত শিশুসদৃশ আছিল। শত্ৰু হওঁ[illegible] মিত্ৰ হওক নিজৰ দুখ নিবেদন কৰিলেই পমি গৈছিল[illegible] শত্ৰুভাৱে তেখেতক জয় কৰা টান আছিল; কিন্তু মি[illegible] ভাৱে তেখেতক বশ কৰি ৰখা অতি সহজ কথা আছিল[illegible] তাৰে সুবিধা লৈ কিছুলোকে তেখেতক মোৰপৰা আঁতৰা[illegible] ৰাখিবৰ চেষ্টাও কৰিছিল। ভাৱপ্ৰৱণতা তেখেত[illegible] অত্যাধিক পৰিমাণে আছিল আৰু অতিশয় সৰল আছি[illegible] বুলিয়েই স্পষ্ট কথা কৈ সময়ত অনেকৰ বিৰক্তিভাজনে হৈছিল। কিন্তু উদাৰতাত শত্ৰুকো জয় কৰিব পৰা শক্তি ভগৱন্তে তেখেতক দিছিল। তেওঁ একনিষ্ঠ দেশ-সেৱক আছিল, তাত কাৰো সন্দেহ থাকিব নোৱাৰে। নিজৰ মত প্ৰৱৰ্ত্তাৱৰ ইচ্ছা কৰিলে তেখেতৰ মতৰ প্ৰতিবা[illegible] নকৰি তেওঁৰ মতৰেই পোষকতা কৰিব লাগে, তেতিয়া অতি সহজেই তেওঁক নিজ মতলৈ আনিব পৰা সহজ হয়। আৰ্থিক অৱস্থা বিষয়ে তেখেত উদাসীন আছিল। কালিলৈ কি হ'ব এই কথা তেখেতে অকণো নাভাবিছিল। অসহযোগ আন্দোলন চলি থাকোঁতে আৰু বিশেষকৈ ১৯৩০ সনৰ আন্দোলনৰ সময়ত মই তেখেতক বিশেষকৈ অনুৰোধ কৰিছিলো কাউন্সিললৈ গৈ মন্ত্ৰীপদ গ্ৰহণ কৰিবলৈ। মই বাহিৰত থাকিম, তেখেতে ভিতৰত



[illegible]য়া অটল অচল দৃঢ়প্ৰতিজ্ঞ, কংগ্ৰেছৰ লগত মৰো [illegible]সিও ভাল কিন্তু কংগ্ৰেছ পাতিবই লাগিব। এই [illegible]জ্ঞাৰপৰা ভঙাই ভুলায়ো বিচলিত কৰিব নোৱাৰিলো। [illegible]মত আমাৰ কি দুৰৱস্থা হৈছিল তাক সকলোৱে [illegible]নে। দেশৰ কাৰণে আত্মত্যাগ কৰিব পৰা মানুহ [illegible] অসমত আছে তেওঁ সেইসকলৰ অগ্ৰগণ্য নবীনচন্দ্ৰ [illegible] বুলি ডাঠি কব পাৰো। যথাৰ্থতে তেখেত [illegible] আছিল। শৰীৰৰ বল নাই; স্বাস্থ্যৰ পিনে [illegible] নাই, পথ্যাপথ্যৰ বিচাৰ নাই, পৰিবাৰৰ সচ্ছন্দতাৰ [illegible] লক্ষ্য নাই; একনিষ্ঠ দেশ-সেৱক আছিল নবীনচন্দ্ৰ। [illegible] দুৰ্ঘটনা হোৱাৰ পিছত এদিন কোনোবাই সহানুভূতি [illegible] কৰিবৰ মনেৰে "বুঢ়াবয়সত এইদৰে মটৰ চলোৱা [illegible] নহয়" এই বুলি কলে; কোৱা মাত্ৰকে তেখেত [illegible] হৈ কৈ উঠিল "কিহৰ বুঢ়া? বুঢ়াৰ লক্ষণ কি [illegible]; তোমাৰ দৰে জুহালত বহি উম লৈ থাকিলেহে [illegible] মই নোৱাৰো তেনেকৈ চলিব"। বিচনাত পৰি থকাতকৈ মৃত্যুও ভাল এই কথা মৃত্যু-শয্যাত শুই শুই মোক কৈছিল! কোনে ভাবিছিল—ভগৱন্তে তাতেই তথাস্তু বুলিব! অসমৰ দুৰ্কপাল! এনে সময়ত এনেকুৱা বীৰসন্তান তিৰোহিত হ'ল।

বৰ্ত্তমান সময়ত চকু ফুৰাই চালে দেখা যায় যেন বিধাতাই দেশমাতৃকাৰ ওচৰত প্ৰত্যেক প্ৰদেশৰ শ্ৰেষ্ঠ দান বিচাৰিছে। দাতাকৰ্ণই নিজ পুত্ৰক দান দিয়াৰ দৰে অসমী আয়ে তেখেতক শ্ৰেষ্ঠদান স্বৰূপে আগ বঢ়াই দিলে তেওঁৰ সুযোগ্য পুত্ৰ বীৰ নবীনক! শোকাতুৰা জননী আজি ম্ৰিয়মানা; কিন্তু দানৰ গৌৰৱত ধন্যা। কৰ্ম্মক্লিষ্ট নশ্বৰদেহা ধাতৃ ধৰিত্ৰীৰ কোলাত থৈ অক্ষয়কীৰ্ত্তি নবীনচন্দ্ৰই মাতৃকোলাত আশ্ৰয় ললে। তেখেতৰ পুণ্যআত্মাই অসমক ধন্য পৱিত্ৰ আৰু শ্ৰীসম্পন্না কৰি ৰাখক এয়েই আমাৰ কামনা, এয়েই আমাৰ প্ৰাৰ্থনা। তেখেতৰ পুণ্য স্মৃতি ৰক্ষাৰ কাৰণে সদৌ অসমবাসীয়ে যত্ন কৰা উচিত।

[ প্ৰতিভা ]

---

# গ্ৰীক নাটকৰ গান

—শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম্-এ (কলিকতা, অক্সফ'ৰ্ড)

[illegible]ঃপূঃ পঞ্চম-চতুৰ্থ শতিকাত ৰচা গ্ৰীক সাহিত্যৰ [illegible]ত ট্ৰেজেডি বা শোকনাটকবিলাক বাস্তৱতে পদ্যত [illegible] একোখন সৰু সৰু নাট্যকাব্য। এই নাটকবিলাক [illegible] গৰ্ভাঙ্কত বিভক্ত নহয়। মূল নাটকবিলাকৰ কোনো [illegible]লৈ উল্লেখ কৰিব লগা হলে শাৰী হিচাবে উহুকিৱা [illegible] একোখন একোখন নাটকত প্ৰায় বাৰ শ পোন্ধৰ শ [illegible] গান এই নাট্যকাব্যবিলাকৰ এটা প্ৰধান [illegible] ট্ৰেজেডিৰ এইটো এটা ডাঙৰ [illegible] সময়ত বৰদলৈ ও po[illegible] প্ৰতিনিধি স্বৰূপে [illegible] mother, [illegible]থোপকথনৰ [illegible]পৰ্কে আৰু [illegible]গত নাটকখনৰ অন্তৰঙ্গ সম্বন্ধ থাকে, গ্ৰীক নাটকত ঠাই বুজি আধুনিক অপেৰাৰ নিচিনাকৈ গানেৰেও কথোপকথন চলিব পাৰে। সাধাৰণতে গ্ৰীক নাটকবিলাকত কেইবা বিধৰো গান থাকে, তাৰ ভিতৰত ক'ৰাছ বা সমস্বৰ গান প্ৰধান আৰু সকলো নাটকতে থাকে। ইয়াৰ বাহিৰেও কম্মছ, মনডি আৰু "ৰঙ্গমঞ্চৰ গান" বুলি কিছুমান গান আছে। কম্মছ প্ৰায়বিলাক নাটকতে পোৱা যায়, মনডি আৰু "ৰঙ্গমঞ্চৰ গান" সকলো নাটকতে পোৱা নাযায়।

ধৰ্ম্মৰ ক্ৰিয়া-কাণ্ডৰপৰা গ্ৰীক ট্ৰেজেডিৰ উদ্ভৱ হয়। সুৰা আৰু আনন্দৰ দেৱতা ডিয়নিছাছৰ উৎসৱত হোৱা

নাচগানৰপৰা গ্ৰীক ট্ৰেজেডিৰ ক্ৰমবিকাশ হয়। এই উৎসৱবিলাকত ক'ৰাছ বা সমস্বৰ গানৰ প্ৰাধান্য আছিল। গ্ৰীক নাটকত এই বিধ গানৰ প্ৰাধান্য হোৱাৰ ই এটা ঐতিহাসিক কাৰণ। কিন্তু গভীৰ অনুভূতি আৰু ভাবৰ ভুমুল খৌকিবাখৌ প্ৰকাশ কৰিবৰ কাৰণে গানতকৈ ভাল উপায় নাই। বিখ্যাত সমালোচক ৱাল্‌টাৰ পেটাৰে অচল কথাকে কৈছে যেবস্তু আৰু ৰূপ অথবা বিষয় আৰু প্ৰকাশ-ৰীতিৰ সম্পূৰ্ণ ঐক্য সুকুমাৰ কলাৰ লক্ষ্য আৰু এই লক্ষ্য সিদ্ধ হয় গান আৰু গীতি কবিতাত। অৱশ্যে এই গান 'ফুল ফুলিছে, মলয়া বলিছে' বিধৰ গান নহয়। ভাবৰ বৈচিত্ৰ্য, অনুভূতিৰ গাম্ভীৰ্য্য আৰু ভাষাৰ চঞ্চল বিলাসত গ্ৰীক ট্ৰেজেডিৰ গানৰ তুলনা বিশ্বসাহিত্যত পাবলৈ নাই। গানত অকল মাধুৰ্য্যৰ পৰিমাণ বেছি হলে গাম্ভীৰ্য্য নাথাকে, গাম্ভীৰ্য্য বেছি হলে কোমলতা নাথাকে। এই দুটা বস্তুৰ সামঞ্জস্য ৰাখি এস্কিলাছ, ছফক্লিছ আদিয়ে গান হিচাবে গানৰ এটা গম্ভীৰ ৰূপ সৃষ্টি কৰিছিল। গ্ৰীক ভাষাৰ স্বাভাৱিক মাধুৰ্য্যই এই গীতি সাহিত্যৰ সৃষ্টিত সহায় কৰিছিল। গ্ৰীক ভাষাৰ দৰে সংস্কৃত ভাষাও মধুৰ, কিন্তু সংস্কৃত ভাষাৰ গতি দ্ৰুতবিলম্বিত, গ্ৰীকভাষা অতি ক্ষিপ্ৰগামী। কিছুমান পলাই অহা কুমাৰীক ধৰি নিবলৈ আহি এখন নাটকত এজন দূতে চিঞৰি চিঞৰি গাইছে—

**'টিল্‌ময় টিল্‌ময় কায় ষ্টিগময়'**

ওপৰত দিয়া কথা ফাঁকি শুনিবলৈ বৰ মধুৰ আৰু বৰ খৰকৈ গাব পাৰি। ইয়াৰ অৰ্থ সেই অনুপাতে শুৱলা নহয়। দূতে এই কেইটা কথাৰেই ভয় দেখুৱাই কৈছে বোলে 'তইঁত ফিৰি নাহিলে তইঁতক খুঁচিম আৰু বিন্ধিম'!

ক'ৰাছ গানবিলাক ৰঙ্গমঞ্চৰ আগত এডোখৰ বিশেষ ঠাইত গোৱা হৈছিল। ইয়াৰ নাম অৰকেষ্ট্ৰা। সাধাৰণতে পোন্ধৰজন গায়ক মিলি ৰাহীৰ সুৰত গাইছিল আৰু নাচিছিল। গায়কসকলে অনেক সময়ত কুমাৰীৰ বেশ ললেও কোনো কোনো নাটকত তেওঁবিলাকে বুঢ়াৰ ৰূপ লৈছিল। কেতিয়াবা আকৌ গায়কদলে কোনো এখন ৰাজ্যৰ মন্ত্ৰী-পৰিষদৰ ৰূপ লৈছিল। ইয়াৰপৰাই বুজা যায় গ্ৰীক ট্ৰেজেডিৰ ক'ৰাছগান আৰু নাচ কিমান গম্ভীৰ আৰু মৰ্য্যাদাপূৰ্ণ। কিন্তু গানত অকল গাম্ভীৰ্য্য থাকিলেই নহয়, মাধুৰ্য্য আৰু লালিত্যৰ ফালেও গ্ৰীক নাট্যকবি সকলে সদায় চকু ৰাখিছিল। এস্কিলাছৰ 'পাৰস্যবাসী' নাটকত ৰাজমন্ত্ৰী বেশধাৰী গায়কদলে ধীৰে ধীৰে সোমাই আহি গ্ৰীছ জয় কৰিবলৈ যোৱা পাৰস্য বাহিনীৰ যুদ্ধযাত্ৰা বৰ্ণাওঁতে ঘৰত এৰি যোৱা বিৰহিণীবিলাকৰ অৱস্থাও মধুৰ ছন্দত সংযতভাৱে বৰ্ণাইছে। পাৰস্যসেনাৰ পৰাজয় বাতৰি পোৱাৰ পিছত এই বিৰহিণীবিলাকৰ শোকবৰ্ণনাৰ গানো বৰ মনোৰম। "মৃদুবিলাপিনী পাৰস্যৰ তৰুণীয়ে নৱ বিবাহিত স্বামীক দেখাৰ হেপাহত সুকুমাৰ যৌৱনৰ ভোগবিলসিত শয়নতল এৰি চিৰ অতৃপ্ত বিলাপধ্বনিৰে কান্দিব লাগিছে!" (ক) সংস্কৃত সাহিত্যত ইমান প্ৰাচীন বিৰহগাথা পোৱা নাযায়।

গ্ৰীক কাব্যসাহিত্যত স্বদেশপ্ৰেমৰ সুৰ যেনেকৈ শুনা যায় সংস্কৃত সাহিত্যত তেনেকৈ শুনিবলৈ পোৱা নাযায়। স্বদেশৰ কাৰণে জীৱনদানৰ গৌৰৱময় চিত্ৰ ইউৰিপিডিছে তেওঁৰ এখন নাটকত আঁকিছে। ছফক্লিছে তেওঁৰ এখন নাটকৰ ক'ৰাছগানত এথেন্সৰ ওচৰৰ কলনাছ চহৰৰ যি বৰ্ণনা দিছে সি গোটেই গ্ৰীক সাহিত্যতে বিখ্যাত। কবিৰ সেই গানত আকাশী নিয়ৰ পাই থন ধৰি উঠা মনমোহা থোপাৰে ফুলি থকা নাৰ্বিচ্ছাছ ফুল আৰু স্বৰ্ণকান্তি কুস্কুম কুসুমৰ শোভা জিলিকি উঠিছে। আৰু এখন গ্ৰীক নাটকত গ্ৰীছদেশৰ কেফিছাছ নৈৰ কথা উন্নুকিয়াই ক'ৰাছৰ দলে গাইছে—"মানুহে কয়, বন্য সলিল কেফিছাছৰ পানী তুলিবলৈ জুৰ বতাহৰ মৃদু মধুৰ নিশ্বাসৰ সুৰৰ লগে লগে এই দেশলৈকে প্ৰণয়ৰ দেৱী পাল মেলি আহিছিল। কেশপাশত গোলাপৰ সুৰভি মালা গাঁথি কলাবিদ্যাৰ সহচৰ আৰু সকলো সুগুণৰ লগৰীয়া প্ৰেমৰ অধিষ্ঠাতৃ দেৱকুমাৰৰ দলকো সঙ্গী কৰি আনিছিল।" ছফক্লিছৰ এখন নাটকৰ ক'ৰাছ এদল গ্ৰী[illegible] বহুদিন ধৰি ট্ৰয়যুদ্ধত প্ৰা[illegible]

(ক) [illegible]
গদ্য অ[illegible]

[illegible]ৰ গানত স্বদেশৰ স্মৃতি আৰু দেশলৈ ঘূৰি যোৱাৰ [illegible]পাহ বৰ মধুৰ আৰু অৱশ সুৰত প্ৰকাশ কৰিছে।

[illegible] সাগৰৰ বিৰাট ৰূপৰ উপলব্ধি গ্ৰীক কবিসকলে [illegible]ৰে কৰিছিল ভাৰতীয় কবিসকলে সেই দৰে কৰিব [illegible] নাছিল। গ্ৰীক কাব্যৰ লগত সাগৰৰ সঙ্গীত জড়িত [illegible] আছে। ইউৰিপিডিছৰ এখন নাটকত এদল কুমাৰীৰ [illegible]'ৰাছে গাইছে—

**কুৱানেয়াই কুৱানেয়াই ছুনদয় থালাছ্‌ছাছ**

"সুনীল সুনীল সাগৰৰ বাটপথ"! এই গানত [illegible]ৰাছে সাগৰ যাত্ৰীৰ ভাগ্য বৈচিত্ৰ্য বৰ্ণাইছে। ছফক্লিছে [illegible] ক'ৰাছ গানত সাগৰৰ ভয়াবহ ৰূপৰ আভাস দিছে—"[illegible]তিয়া পেছৰ ভয়ঙ্কৰ সাগৰ ধুমুহাৰ লগে লগে সাগৰৰ [illegible] অন্ধকাৰৰ ওপৰেদি ঢৌবিলাকে ঢাপলি মেলে, [illegible] সাগৰতলৰপৰা কলা বালিবিলাক ওপৰলৈ মাৰি [illegible], আৰু ধুমুহাই কোবোৱা উপকূলবিলাক ঢৌৰ [illegible] খুন্দা খাই প্ৰৱল হুঙ্কাৰেৰে গৰজি উঠে।"

গ্ৰীক নাটকৰ ক'ৰাছ গান অকল বৰ্ণনামূলক নহয়। [illegible]তে ক'ৰাছৰ প্ৰধান উদ্দেশ্য হৈছে নাটকৰ ঘটনা [illegible]ৰ ওপৰত মন্তব্য প্ৰকাশ কৰা, নায়কৰ ভাগ্য [illegible]ত সহানুভূতি জ্ঞাপন কৰা আৰু বিশেষকৈ জীৱনৰ [illegible] ভাঙৰ সমস্যাবিলাকৰ বিষয়ে আৰু ভাগ্যবিপ্লৱৰ [illegible] প্ৰগতিৰ বিষয়ে নিজৰ অভিমত কবিত্বপূৰ্ণ ভাষাত [illegible]ৰ সুৰেৰে প্ৰকাশ কৰা। জাৰ্ম্মাণ সাহিত্যৰ প্ৰধান [illegible] ছিলাৰে তেওঁৰ এখন নাটকৰ পাতনিত গ্ৰীক [illegible]ৰ স্বৰূপ এই দৰে বৰ্ণাইছে, "ক'ৰাছে নাটকৰ [illegible]ৰ সঙ্কীৰ্ণ ক্ষেত্ৰ এৰি অতীত আৰু ভৱিষ্যতৰ [illegible], দূৰণিৰ যুগ আৰু জাতিৰ বিষয়ে আৰু মানৱজাতি [illegible]য় সকলো কথা লৈ আলোচনা কৰে। ক'ৰাছে [illegible] ফলাফল নিৰ্ণয় কৰে আৰু জ্ঞানৰ শিকনি [illegible] কৰে।" মোটতে নাটকত প্ৰতিফলিত হোৱা [illegible]গাপৰিণতিৰ চিত্ৰ দেখি মনত যিবিলাক [illegible] সেইবিলাক ক'ৰাছে কল্পনা, [illegible]। [illegible]ৰাজ্যৰ বহিভূ'ত নহয়, কিয়নো কোনো কোনো গ্ৰীক নাটকত সমাজনীতিমূলক প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। মিডিয়াক এৰি জেছনে যেতিয়া আন এগৰাকী ভাৰ্য্যা বিয়া কৰায় তেতিয়া এদল তিৰোতাৰ ক'ৰাছে এই অন্যায় আচৰণৰ বিৰুদ্ধে প্ৰতিবাদ গাব লাগিছে—

**আন্‌ৱাছি মেন ডলিযায় বোলায়···**

"পুৰুষৰ মন কপটেৰে ভৰা" এই বুলি কৈ ক'ৰাছে এই মৰ্ম্মে কৈছে যে এতিয়াৰপৰা আৰু কোনেও মাইকী মানুহক দোষ নিদিয়ে। প্ৰাচীনকালৰেপৰা পুৰুষ কবি সকলে তিৰোতাৰ বিশ্বাসঘাতকতা বৰ্ণাই আহিছে, কিন্তু তিৰোতাৰ কবিত্বশক্তি থকা হলে তিৰোতায়ো পুৰুষৰ বিষয়ে নিজৰ বক্তব্য কলেহেতেন। তিৰোতাৰ দৰে পুৰুষৰ বিষয়েও অনেক কবলগীয়া আছে! জগতৰ সাহিত্যত স্ত্ৰী সমস্যাৰ এয়ে সূত্ৰপাত। কেতিয়াবা কেতিয়াবা ৰাষ্ট্ৰীয় সমস্যাৰ কথাও ক'ৰাছ গানত পোৱা যায়। এস্কিলাছৰ এখন নাটকৰ ক'ৰাছে তেওঁবিলাকৰ গানত ন্যায়পৰায়ণতাৰ কাৰণে ৰাষ্ট্ৰত ভয়ৰ ৰাখোনৰ আৱশ্যকতা বুজাই কৈছে যে উচ্ছৃঙ্খল শাসনো ভাল নহয় আৰু স্বেচ্ছাচাৰী শাসনো ভাল নহয়। ইংৰাজী এনাৰ্কি আৰু টিৰেণি এই দুয়োটা শব্দ মূলতে গ্ৰীক।

কেতিয়াবা কেতিয়াবা ক'ৰাছে অৰকেষ্ট্ৰাৰপৰা সন্মুখৰ ৰঙ্গমঞ্চৰ ওপৰত থকা ভাৱৰীয়াৰ সৈতে কথা পাতে। ভাৱৰীয়াই সাধাৰণ পদ্যৰ ছন্দত কয় আৰু ক'ৰাছে গীতিছন্দত কয়। কিন্তু কেতিয়াবা ভাৱৰীয়া আৰু ক'ৰাছ দুয়ো গীতিছন্দ ব্যৱহাৰ কৰে। তেতিয়া ক'ৰাছৰ দৰে ভাৱৰীয়ায়ো গান গায় আৰু তেওঁবিলাকৰ কথাবাৰ্ত্তা গানত চলে। এই নিচিনা গানক গ্ৰীক নাটকত কম্মছ গান বোলে। এস্কিলাছৰ এখন নাটকত ৰজা আগামেম্‌ননৰ হত্যাকাণ্ডৰ পিছত তেওঁৰ পুতেক, জীয়েক আৰু ক'ৰাছৰ কথোপকথন লৈ এটা দীঘলীয়া কম্মছগান ৰচা হৈছে। তাত তেওঁবিলাকৰ নিদাৰুণ শোক, প্ৰতিহিংসাৰ তীব্ৰ অভিলাস আৰু ভৱিষ্যৎ আশাৰ মিহলি সুৰ অতি স্পষ্টভাৱে শুনা যায়। ইয়াতকৈ সংক্ষিপ্ত অনেক কম্মছ গান গ্ৰীক নাটকত পোৱা যায়।

কেতিয়াবা কেতিয়াবা দুজন ভাৰবীয়াই গানেৰে কথা কয়, এজনৰ পিছত ইজনে গায়। এনেকুৱা গানক "ৰঙ্গমঞ্চৰ গান" বোলা হয়, কাৰণ ক'ৰাছে অৰকেষ্ট্ৰা বোলা এডোখৰ বিশেষ ঠাইত গায়, কিন্তু এনেকুৱা গান ভাৰবীয়াই ৰঙ্গমঞ্চৰ ওপৰত গায়। অনুভূতি 'আৰু আবেগৰ ভৰ বেছি হলে দুজন ভাৰবীয়াই এইদৰে গানত নিজৰ বক্তব্য প্ৰকাশ কৰে। তেতিয়া ক'ৰাছ নিমাত হৈ থাকে। ট্ৰয়যুদ্ধত ট্ৰজান বিলাক হৰাৰ পিছত ৰাণী হেকুবাক বন্দী কৰি নিয়া হৈছে আৰু বাটত তেওঁৰ কুমাৰী জীয়েকক বলি দিবলৈ থিৰ কৰা হৈছে। এই নিদাৰুণ বাতৰি পাই মাক জীয়েকে যিবিলাক কথা কৈছে সেইবিলাক গানত কোৱা হৈছে। ইউৰিপিডিছৰ হেকুবা নাটকৰ এই গান অতি কৰুণ আৰু মৰ্ম্মভেদী!

এজন ভাৰবীয়াই অকলে গোৱা গাথাক মনডি বোলে। এইবিধ গানো ইউৰিপিডিছৰ নাটকত বেছিকৈ পোৱা যায়। তেওঁৰ "ইয়ন" নাটকত ডেকা পুৰোহিত ইয়নে ৰাতিপুৱা এপল' দেৱতাৰ মন্দিৰ পৰিষ্কাৰ কৰোতে নিজৰ অজ্ঞাত অনিশ্চিত জীৱন বৰ্ণাই দেৱতাৰ স্তুতি গাইছে আৰু গীতৰ এভাগত চৰাইবিলাকক সম্বোধন কৰি মন্দিৰত সোমাবলৈ হাক দিছে। ইয়নৰ এই গীতৰ সমান মধুৰ কোমল মনডি অতি কমেই আছে। গ্ৰীক ট্ৰেজেডিত মাজে মাজে এইটোও দেখা যায় যে গভীৰ শোক আৰু আবেগৰ ভৰ বৰ বেছি হৈ উঠিলে ভাৰবীয়াই নিজৰ উক্তি গানেৰে কৈ হৃদয়ৰ ভাৰ পাতলায়, যেন অনুভূতিৰ চেপাত হিয়াৰ তন্ত্ৰী আপোনাআপুনি বাজি উঠিছে। ভাব আৰু আবেগৰ চৌৰ তাল-মান বিলাক সুক্ষ্মভাৱে প্ৰকাশ কৰিবৰ কাৰণে গীতিছন্দ আৰু সঙ্গীতৰ অনিৰ্ব্বচনীয় শক্তিৰ আৱশ্যক—এই ধাৰণা শোক নাটক ৰচোতা গ্ৰীক কবিসকলে উপলব্ধি কৰিছিল। ছফক্লিছৰ এখন নাটকত প্ৰবল প্ৰতাপী বীৰ আজাক্‌চে মাৰাত্মক অপযশৰ হাত সাৰিবৰ কাৰণে আত্মহত্যা কৰাৰ আগতে তেওঁৰ কোনো কোনো উক্তি গানত প্ৰকাশ কৰিছে। "আন্ধাৰেই মোৰ পোহৰ" আদি গীতিকথাবিলাক বৰ মৰ্ম্মস্পৰ্শী আৰু শোক লগা। আধুনিক সাহিত্যৰ হেমলেট, ৰজা লিয়েৰ আদি শোক-নাটকৰ কোনো কোনো উক্তি গ্ৰীক ট্ৰেজেডিৰ গীতিছন্দেৰে প্ৰকাশ কৰা হলহেতেন।

আধুনিক নাট্য সাহিত্যৰ ক'ৰাছ গানৰ মূলত যে গ্ৰীক ক'ৰাছ তাত সন্দেহ নাই। গ্ৰীক ট্ৰেজেডিৰ লগত ক'ৰাছৰ যি সম্পৰ্ক আধুনিক নাটকৰ লগত ক'ৰাছ গানৰ সেই সম্পৰ্ক অৱশ্যে নাই। আধুনিক নাটকৰ ক'ৰাছ বহুত গায়ক বা গায়িকাই মিলি গোৱা স্বতন্ত্ৰবীয়া সমবেত গান মাথোন। নাট্যকাৰৰ প্ৰতিভা অনুসৰি এনেকুৱা এনেক ক'ৰাছ গানতো কবিত্ব আৰু সৌন্দৰ্য্য পোৱা যায়। ষোল শতিকাৰ ইটালীয় সাহিত্যত কোমল অনুভূতিৰ কবি টাচ্ছোৰ "আমিন্তা" নাটকৰ ক'ৰাছগান অমৰ সৌন্দৰ্য্যেৰে পৰিপূৰ্ণ। তেওঁৰে সমসাময়িক গুৱাৰিনিৰ "বিশ্বাসী গৰখীয়া প্ৰেমিক" নাটকৰ এটা দৃশ্যত এজন কিশোৰীৰ ক'ৰাছে গীতমাত আৰু সঙ্গীতৰ লগে লগে নায়িকাৰ লগত লুকালুকি খেলাৰ চিত্ৰ কলাপূৰ্ণ আৰু মনোৰম। সোতৰ শতিকাৰ ফৰাছী নাট্যকাৰ ৰাছিনে তেওঁৰ দুখন নাটকত যিবিলাক তৰুণী গায়িকাৰ ক'ৰাছ দিছে সেইবিলাকো কবিত্বপূৰ্ণ ৰচনানীতিৰ কাৰণে ফৰাছী সাহিত্যত জনাজাত। জাৰ্ম্মাণ সাহিত্যৰ অমৰ নাট্যকাব্য "ফষ্টতো" নানা ক'ৰাছ গান পোৱা যায়। ইংৰাজী সাহিত্যত এলিজাবেথ যুগৰ নাট্যকাৰ বেন জনছনে তেওঁৰ এখন নাটকৰ পাতনিত গ্ৰীক ধৰণৰ ক'ৰাছ গান কোনেও অনুকৰণ কৰিব পৰা নাই বুলি লিখিছিল যদিও তেওঁ নিজেই তেওঁৰ "কাটিলিন" নাটকত কিছুমান নীৰস ক'ৰাছ গান দিছে। উনৈশ শতিকাত গীতিকবি শেলীয়ে তেওঁৰ "প্ৰমিথিয়াছৰ মুক্তি" আৰু "হেলাছ" নামৰ দুখন নাট্য-কাব্যত আৰু সমসাময়িক ইংৰাজী সাহিত্যত টমাছ হাৰ্ডিয়ে তেওঁৰ বিৰাট নাট্যকাব্য Dynasts অত বহুত ক'ৰাছ গান দিছে। ইয়াৰ কোনো কোনোবিলাক গান কবিত্ব হিচাবে চমৎকাৰ, কি... তিনিখন নাট্যকাব্যৰ এখনৰো ... নাই।

গ্ৰীক ...



প্ৰচেষ্টাও আধুনিক ইউৰোপীয় সাহিত্যত দেখা যায়। কিন্তু এই নিচিনা অনুকৰণত কবিত্বৰ মূল্য থাকিলেও সি যে আধুনিক ৰঙ্গমঞ্চৰ উপযোগী নহয় তাকো বুজা যায়। ওঠৰ শতিকাত জাৰ্ম্মাণ সাহিত্যৰ প্ৰতিভাশালী নাট্যকাৰ ছিলাৰে তেওঁৰ "মেছিনাৰ কুমাৰী" নামে এখন নাটক গ্ৰীক ট্ৰেজেডিৰ অবিকল অনুকৰণ কৰি লিখিছিল। এই নাটকত গ্ৰীক ট্ৰেজেডিৰ মূলভাব ৰক্ষিত হৈছেনে নাই হোৱা সেই বিষয়ে মতভেদ আছে আৰু এই নাটক ৰঙ্গমঞ্চতো বেছি দিন নিটিকিল। কিন্তু তাৰ ক'ৰাছ গান বিলাকত কবিত্ব আৰু কল্পনাৰ সম্ভাৰ পোৱা যায়। আধুনিক ইংৰাজী সাহিত্যত মেথু আৰ্ণল্ড আৰু গীতিকবি ছুইনবাৰ্ণে গ্ৰীক ট্ৰেজেডি অনুকৰণ কৰিবলৈ বিশেষ চেষ্টা কৰিছিল। বিশেষকৈ ছুইনবাৰ্ণৰ বিখ্যাত "আটালাণ্টা" নাটক আধুনিক কাব্যসাহিত্যৰ এটা উৎকৰ্ষশালী সৃষ্টি। কোনোৱে ইয়াক শব্দৰ আড়ম্বৰ বুলি উপহাস কৰিছিল যদিও, ইয়াৰ ক'ৰাছ গান বিলাক যে কবিত্বপূৰ্ণ আৰু ...মণ্ডিত তাত সন্দেহ নাই। এই নাটকৰে এটা ক'ৰাছ গানত আছে

Would god ye could carry me
Forth of all these ;
Heap sand and bury me
By the Chersonese
Where the thundering Bosphorus answers
the thunder of Pontic seas.

"আটালাণ্টা" নাটকৰ মৌলিক সৌন্দৰ্য্য থাকিলেও ই যে ঠিক গ্ৰীক ট্ৰেজেডিৰ নিচিনা হোৱা নাই সেইটো ছুইনবাৰ্ণে বুজিছিল আৰু ইয়াৰ পিছত তেওঁ "ইৰেক্‌থিয়াছ" বুলি আন এখন শোকনাটক খাটি গ্ৰীক ধৰণে লিখে। কিন্তু গ্ৰীক নাটকৰ লগত ইয়াৰ সামঞ্জস্য বেছি যদিও মৌলিক সৃষ্টি হিচাবে ই "আটালাণ্টাৰ" সমকক্ষ নহয়। কিন্তু এই নাটকৰো ক'ৰাছ গানবিলাক সৌন্দৰ্য্যপূৰ্ণ আৰু শ্ৰুতিমধুৰ।

... the depth of the springs of my
... poured of thanksgiving,
...y mother, for thee,

...পৰ্কে আৰু এটা কথা কৈ থোৱা আৱশ্যক যে দুয়োখন বাস্তৱতে নাট্যকাব্য, ৰঙ্গমঞ্চত অভিনয় কৰা নাটক নহয়। গ্ৰীক ট্ৰেজেডি-বিলাকে কিন্তু ৰঙ্গমঞ্চ আৰু সাহিত্য উভয় ক্ষেত্ৰতে সিদ্ধি লাভ কৰিছিল।

গ্ৰীক ট্ৰেজেডিৰ গানবিলাকত সুৰ সম্পৰ্কে বিশেষ একো জনা নাযায়। কবিত্বৰ বলতহে গ্ৰীক নাটকৰ গানে বিশ্ব সাহিত্যত ওখ ঠাই লাভ কৰিছে। বাস্তৱতে কবিত্ব নাথাকিলে কোনো গানেই অকল সুৰৰ বলত সাহিত্যত চিৰস্থায়ী আসন পাব নোৱাৰে। ইউৰোপীয় ৰঙ্গমঞ্চৰ বিখ্যাত অপেৰাবিলাকৰ সঙ্গীত আৰু গান অতি মনমোহা, কিন্তু দুখন এখনৰ বাদে সেইবিলাকৰ সাহিত্যিক মূল্য বিশেষ একো নাই।

কবিতা আৰু সঙ্গীতৰ পাৰিপাৰ্শ্বিক অভিব্যক্তি গ্ৰীক কাব্যপ্ৰতিভাৰ এটা বিশেষ লক্ষণ। প্ৰাচীন গ্ৰীক কবি সকলৰ স্নিগ্ধ গম্ভীৰ গীতিকবিতাবিলাক খ্ৰীঃপূঃ সপ্তম আৰু ষষ্ঠ শতিকাতে ৰচা হৈছিল, তাৰ পিছতহে গ্ৰীক ট্ৰেজেডিৰ বিকাশ হয়। কবিতা আৰু সঙ্গীতৰ এই যুগল অভিব্যক্তিৰ ফল স্বৰূপে প্ৰাচীন গ্ৰীকসাহিত্যত সঙ্গীতমূলক গীতি কবিতাৰ যি বিকাশ হৈছিল তাৰ তুলনা প্ৰাচীন ভাৰতীয় সাহিত্যত পোৱা নাযায়। ভাৰতীয় সাহিত্যত ঋগ্‌বেদৰ সূক্তবিলাকত কাব্যৰীতি ভালেখিনি আগুৱাইছিল। সামবেদৰ সাহিত্যত ঋক্‌ মন্ত্ৰবিলাক সুৰ লগাই গাবৰ কাৰণে ভিন ভিন প্ৰণালী বা সাম উদ্ভাৱন কৰা হৈছিল, কিন্তু সঙ্গীতমূলক নতুন মৌলিক মন্ত্ৰ বা সূক্ত ৰচনা কৰাৰ প্ৰয়াস সামবেদীসকলে প্ৰায়েই কৰা নাছিল। তেওঁ-বিলাকে "স্তোম" ৰচনা কৰোতে একোটা একোটা ঋক্‌মন্ত্ৰ দহ-বাৰ বাৰ পৰ্য্যন্ত ঘূৰাই ঘূৰাই গাইছিল, কিন্তু নতুন সূক্ত ৰচা তেওঁবিলাকৰ উদ্দেশ্য নাছিল। পালি সাহিত্যত কেতিয়াবা কৰবাত কবিত্বপূৰ্ণ গান পোৱা যায়। দীঘ-নিকায় গ্ৰন্থত পঞ্চশিখ গন্ধৰ্ব্বই ভগৱান বুদ্ধৰ আগত বীণা বজাই গোৱা সুন্দৰ প্ৰণয়গীত আছে, কিন্তু এই নিচিনা নিদৰ্শন অতি বিৰল। মোটতে গ্ৰীক সাহিত্যত কবিতা আৰু সঙ্গীতৰ যেনে অন্তৰঙ্গ সহযোগ হৈছিল প্ৰাচীন ভাৰতীয় সাহিত্যত তেনে সহযোগ সেই পৰিমাণে হোৱা নাছিল। বিৰাট সংস্কৃত কাব্যসাহিত্যত গানৰ সংখ্যা বৰ কম।

# কৰ্ণধাৰ নবীনচন্দ্ৰ বৰদলৈ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

অসমত "মাল-মছলাৰ" অভাৱ নাই ; অভাৱ মাথোন তাৰে লাগতিয়াল বস্তু প্ৰস্তুত কৰোঁতাৰ। ভাৰত বিয়পি হোৱা অসহযোগ আন্দোলনত তাৰ চিন পোৱা গৈছিল। লাচিতৰ দিনত অসমীয়াৰ গাত যোগলে দেখা পোৱা বল বীৰ্য্য আজিও অসমীয়াৰ গাত আছে ; কিন্তু বিয়পি থকা সেই বল বীৰ্য্য মথি উলিয়াই দিবলৈ বুদ্ধিয়ক বীৰ লাগে। লাচিত আছিল তেনে ; সেইদেখি তেওঁৰ গুণত, অসমীয়াৰ জয়-জয়-ময়-ময় অৱস্থা হৈছিল। এৱা গাখীৰত মাখন আছে ; কিন্তু বিয়পি থকা সেই মাখন মথি তুলি একেঠাই কৰিবলৈ এজন মথিব জনা মানুহ লাগে। লুইত চৰা-নাও উটি আছে, তালৈ ভাল গুৰিয়াল লাগে ; নতুবা সেই নাও যিমানেই ওখ আৰু পানী নসৰকা হওক, সি টুলুংভুটুং।

আমাৰ নবীনচন্দ্ৰ বৰদলৈয়ে, যাক অকালতে হেৰুৱাই আজি অসমে হাম্‌বাও কাঢ়িছে, তেনে গুৰিয়ালৰ গুণ গাত লৈ আমাৰ মাজলৈ আহিছিল। বেজাইৰ ওপৰত বেজাই যে নিৰ্দ্দয় নিয়তিয়ে তেনেজন গুৰিয়ালৰ হাতৰপৰা গুৰি-বঠাপাট কাঢ়ি লৈ তেওঁক লৈ গ'ল। এই বেজাৰৰ কথা মনত পৰিছে আজি আমাৰ বুকুখনে হম্‌হমাইছে। অন্ততঃ আৰু দহ বছৰ মান যদি তেওঁক পালোহেঁতেন, আইমাতৃ অসমৰ অনেক অনেক কুশল হলহেঁতেন। "নিয়তি কেন বাধতে।"

দেশৰ সেৱা সকলোৰে কৰ্ত্তব্য ; আৰু অসমৰ সৰহভাগ সন্তানে কৰিছেও ;—অৱশ্যে নিজ নিজ শকতি মতে, নিজৰ নিজৰ কাৰ্য্যক্ষেত্ৰত। সেইদেখি সেই সকলোবোৰ সন্তান অসম আইৰ বুকুৰ ধন। খেতি-বাতি, বাণিজ্য-ব্যৱসায়, সমাজ-সংস্কাৰ, ধৰ্ম্ম-সংস্কাৰ আৰু প্ৰচাৰ, সাহিত্য চৰ্চ্চা ইত্যাদি নানা ক্ষেত্ৰত লাগি থকা সকলোবোৰ অসমীয়াই আমাৰ নমস্য, কাৰণ সকলোবোৰেই আই অসমৰ সুসন্তান বগুৱা। বৰদলৈ নবীনচন্দ্ৰ ৰাজনীতি ক্ষেত্ৰত অকল বগুৱাই নহয়, মহাবীৰ কৰ্ণধাৰ আছিল। তেওঁৰ অবিহনত সেইদেখি আজি আমি কাতৰ। ঈশ্বৰে কৰক যেন, সেইজন কৰ্ণধাৰ বগুৱাৰ ঠাই আমি পিছৰবোৰে পূৰাব পৰা হওঁ।

প্ৰকৃত কৰ্ণধাৰ হবলৈ হলে, আন আন অনেক গুণৰ লগতে ঘাইকৈ এই কেইটা গুণ সেই জনৰ গাত থাকিব লাগে ; যথা ;—

(১) সত্যপ্ৰিয়তা ; (২) স্বাৰ্থ শূন্যতা ; (৩) নিৰ্ভীকতা ; (৪) মুখৰ কথাতকৈ কাৰ্য্যৰে দেখুৱা আহি ; (৫) একাগ্ৰতা ; (৬) নিজক সঁচাকৈয়ে বাইজৰ ধূলি বুলি ভবা ; (৭) অন্তঃকৰণটোত কপটতা নথকা ; (৮) হৃদয়ত উদাৰতা, ইত্যাদি।

এই প্ৰত্যেকটোকে বহলাই কৈ গলে, অনেক কথা কব লগীয়া হয়। আজি তেনে প্ৰয়াস নকৰোঁ।

মুঠতে কওঁ, আমাৰ নবীন বৰদলৈৰ গাত ওপৰত লেখ দিয়া গুণবোৰৰ অনেক খিনি আছিল, সেইদেখি তেওঁ সকলোৰে মন আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল ; আৰু সেই দেখিয়েই তেওঁৰ অভাৱ এনে দুৰ্দ্দিনত,—অৰ্থাৎ যেতিয়া তেওঁক আমাৰ যুজৰ কৰ্ণধাৰ স্বৰূপে লগা হৈছিল—অসমীয়াই ইমানকৈ অনুভৱ কৰিছে।

আহাঁ আমি সকলোৱে আজি গোসাইৰ আগত মূৰ দোৱাঁই কোঁচ পাতোহঁক! দেখিবা, গোসায়ে আমাৰ কোঁচত আৰু এজন বৰদলৈ প্ৰসাদ স্বৰূপে … দিবই। এতেকে "মাভৈঃ!"

---

# স্বৰ্গীয় কৰ্ম্মবীৰ বৰদলৈ

—শ্ৰীযুত নীলমণি ফুকন বি-এ

ৰেওৱাৰে পুৱা ৯৷৫০ মিনিট যোৱাত কৰ্ম্মবীৰ …নচন্দ্ৰ বৰদলৈ ডাঙৰীয়াৰ কৰ্ম্মময় জীৱনৰ অৱসান হয়। …াৰ এঘণ্টাৰ পূৰ্ব্বতে তেখেতে বন্ধু-বান্ধৱক চাই ল'বলৈ …া আৰু পুত্ৰ-পৰিবাৰ বেষ্টিত অৱস্থাত, গোটেই …বাসীৰ আৰোগ্য কামনা প্ৰাৰ্থনাৰ মাজত দেশবাসীৰ …লোতস্নান কৰি পৱিত্ৰ আত্মা লৈ স্বৰ্গগামী হ'ল। দেশৰ …ৰ সন্ধিক্ষণত তেনে জন কৰ্ম্মীপুৰুষ কৰ্ম্মক্ষেত্ৰৰপৰা শেষ …া লোৱাত কৰ্ম্মথলী উদং হোৱাদি হ'ল। সকলো …ল বৈ-বৈ যোৱা পৰিয়াল এটিত জন্ম গ্ৰহণ কৰিও …ৰ ডাঙৰীয়াই কোনো কালে কৰ্ম্মক্লেশ অনুভৱ কৰা …িল। যি ধৰণৰ কৰ্ম্মক্ষেত্ৰতে তেওঁ ভৰি দিছিল তাতেই …াৰ আগ বাঢ়ি গৈছিল। পিছ-হোঁহোঁকা মৰা তেওঁৰ …ত নাছিল। সেই কাৰণেই তেওঁৰ জীৱন কৰ্ম্মময় …িল। শিক্ষা সাং কৰি তেওঁ ওকালতি ব্যৱসায় …ৰাৰাটীত আৰম্ভ কৰি শেহত হাইকোৰ্টৰ এডভোকেট্ …কলিকতাত কিছুকাল ওকালতি কৰে। ব্যৱসায়ৰ …লগে তেওঁ ৰাজনীতি ক্ষেত্ৰতো কাম কৰিবলৈ ধৰে। …িত্য ক্ষেত্ৰতো তেওঁৰ যথেষ্ট নাম আছে। সঙ্গীত …াতো তেখেত এজন পাৰগ লোক আছিল। শাৰীৰিক …তেওঁৰ যথেষ্ট আছিল। তাতোকৈ বেছি আছিল …ৰ মনোবল আৰু সাহ। এইদৰে তেওঁৰ জীৱন …ৰ সুন্দৰ হৈ নিজৰ, দহৰ, দেশৰ কামত ভাল দৰে …াৰ পাৰিছিল।

…তৰুণ অসমক সঞ্জীৱিত কৰি তোলোতা অগ্ৰজন …বীৰ স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মাৰ মৰসাহৰ বলত নতুন …ৰ সময়ত বৰদলৈ ডাঙৰীয়া ৰাইজৰ হৈ বিলাতলৈ …ৰ প্ৰতিনিধি স্বৰূপে শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা ডাঙৰীয়াৰ সৈতে ডেপুটেশ্যন হৈ অসমৰ ষ্টেটাছ সম্পৰ্কে দক্ষতাৰে কাম কৰি আহে।

১৯২০ চনত যেতিয়া অসহযোগ আন্দোলনৰ সূত্ৰপাত হয় তেতিয়া কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়াই ওকালতি এৰি দি এই আন্দোলনত গা ঢালি দিয়ে। অসমৰ ই মূৰৰ পৰা সি মূৰলৈকে কংগ্ৰেছ স্থাপন কামত তেওঁ আত্মনিয়োগ কৰে। কংগ্ৰেছ কৰ্ম্মীসকলৰ ভিতৰত তেখেত যথাৰ্থতে কৰ্ম্মবীৰ আছিল। এই অসহযোগ আন্দোলনৰ সময়ত তেওঁ কেবাবাৰো কাৰাবৰণ কৰিছিল। কিন্তু সেই কথাই তেওঁৰ প্ৰাণৰ অদম্য দেশসেৱাৰ আকাঙ্ক্ষা দমাব পৰা নাছিল। স্বৰ্গীয় হাতীবৰুৱাৰ একান্ত মৰসাহৰ বলত যেতিয়া কংগ্ৰেছ মহাসভাৰ ৪১ শ অধিবেশন দেশে পাণ্ডু নগৰত পতা স্থিৰ কৰিলে সেই সময়ত বৰদলৈ ডাঙৰীয়াই কংগ্ৰেচ অধিবেশনৰ ছেক্ৰেটেৰী হিচাপে দিনে ৰাতিয়ে যিদৰে খাটিছিল সেই কথা আজি অসমবাসীৰ চকুৰ আগত দেখা কথা।

স্বৰাজিষ্ট হিচাপে তেখেতে যেতিয়া অসম কাউন্সিলত সোমায়, তেতিয়াও তেওঁ নিৰ্ভীকচিত্তে কাম কৰিছিল। এছেমব্লীতো তেখেতে যথেষ্ট সাহসেৰে দেশৰ কাম কৰিবলৈ আগ বাঢ়িছিল। কিন্তু নিঠুৰ কালে তালৈ তেওঁক সময় নিদিলে।

তেওঁৰ কৰ্ম্ম নিপুণতা দেশবাসীয়ে ভালদৰে অনুভৱ কৰিব পাৰিছিল বাবেই প্ৰাদেশিক সকলোবিধ সভা-সম্মিলনত তেখেতৰ নেতৃত্ব বিচাৰিছিল আৰু পাইছিল। সকলো প্ৰশ্নকে গৰাহ মাৰি ধৰিব পৰা তেওঁৰ ক্ষমতা আছিল। কৰ্ম্মক্ষেত্ৰত তেওঁ বুকুটাৰি যুজ কৰিবপৰা বিধৰ যুজাৰু আছিল। যুদ্ধত বিপক্ষলৈ যি দৰে শৰসন্ধান

কৰিব পাৰিছিল, নিজেও বুকু পাতি সেই দৰে শৰ লব পাৰিছিল। অসমীয়া জাতিৰ আত্মসন্মানত কোনোৱে আঘাত দিলে তেওঁ প্ৰাণান্তেও সেই কথা সহ্য কৰা নাছিল।

আজি আমি এই কৰ্ম্মী দেশনেতাৰ কৰ্ম্মময় জীৱনৰ কাহিনী দেশবাসীক শুনাব খোজা নাই। দেশবাসীয়ে সেই কথা আমাৰ মুখত শুনাৰ পূৰ্ব্বতে প্ৰত্যেকে নিজ হৃদয়ত প্ৰতিফলিত হোৱা দেখিছে। অসম জননীৰ ৰৰঘৰৰ এটা মাৰলি যে খহি পৰিল এইটোহে আজি ডাঙৰ দোপ ল'লে। ইয়াক আকৌ তোলা টান হৈ পৰিব। বৰদলৈ ডাঙৰীয়াই আজীৱন দেশ সেৱাত যি দৰে আত্মনিয়োগ কৰিছিল তেনে দৃষ্টান্ত বিৰল। গুৱাহাটীৰ দুমূৰে দুজন দেশনেতা যোৰ তাল গছ যেন হৈ মূৰ দাঙি গুৱাই আছিল। তাৰে এজুপি উভলি পৰাত আন জুপি স্বভাৱতে লঠঙা হোৱা দি হৈছে। কৰ্ম্মবীৰ বৰদলৈৰ কৰ্ম্ম-প্ৰৱণতা দেশভক্ত ফুকনৰ দেশ-প্ৰেমৰ নিজৰা আছিল বুলিব লাগে।

বিধতাৰ বিধানৰ ওপৰত মানুহৰ হাত নাই। সকলো তেওঁৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছে। বৰদলৈৰ কৰ্ম্মময় জীৱনে দেশৰ যি কাম কৰিবলৈ বাকী থাকিল তেওঁৰ স্মৃতিয়ে দেশবাসীক সেই কাম কৰিবলৈ উদগাব। তেওঁৰ সুযোগ্য ককাই ভাই, পুত্ৰ পৰিয়াললৈ সমবেদনা জনাই মৃতকৰ পৱিত্ৰ আত্মাৰ সদগতি কামনা কৰিছোঁ। নবীন বৰদলৈৰ স্মৃতি অসমীয়াৰ প্ৰাণত সদায় নবীন হৈ থাকিব। তেওঁৰ আত্মাই অশৰীৰী-লোকৰ পৰাও জন্মভূমিৰ মঙ্গল কামনা কৰিব।

[ সম্পাদকীয়, দৈনিক বাতৰি। ]

---

# প্ৰেম-পত্ৰ

কবিতা ]

—৺নবীনচন্দ্ৰ বৰদলৈ

[ বহু শতাব্দীৰ পূৰ্ব্বে ফৰাচী দেশৰ এজন ডাঙৰ মানুহৰ ছোৱালী এজনীৰ তেওঁৰ শিক্ষকৰ লগত গুপ্ত প্ৰণয় হয়। শিক্ষক জন অলপ তল শ্ৰেণীৰ মানুহ আছিল। এই কথা ব্যক্ত হ'লত ডাঙৰীয়া জনে আত্মগৌৰৱত বৰ আঘাত পাই ছোৱালীজনীক এটা 'কনভেণ্টত' (Convent) বন্দী কৰি থলে আৰু শিক্ষক জনক মানুহ লগাই অস্ত্ৰাঘাত কৰাই বহুত অপমান কৰালে। ছোৱালীজনীয়ে আৰু এই জীৱনত বিয়া নকৰালে। বহুত দিন এইদৰে থকাৰ পিছত দুয়োৰো এৰাব চিঠি-পত্ৰ লিখা লিখি হৈছিল। এই বিষয়ে ফৰাচী ভাষাত এটা বৰ সুন্দৰ কবিতা আছে। লিখকে সেই গল্পটি লৈ স্বাধীন ভাবেৰে এই কবিতাটি লিখিছে।—লিখক ]

প্ৰিয়তমে ! কি বুলিনো সম্বোধন কৰিম তোমাক
কিবা ভাষা কৰিম আশ্ৰয় ;
মৰতীয়া ভাষা এনে কিবা আছে দেৱি
যাৰে মোৰ ভাব ব্যক্ত হয় ?
মনুষ্য ভাষাৰে ভাব মোৱাৰো বৰ্ণাব
দেৱ ভাষা নাজানো যে তাক,
দেৱকন্যা শাপভ্ৰষ্টা নাৰীৰূপা তুমি
কিবা কথা জনাম তোমাক ?
যিদিনা প্ৰথমে তুমি ছাত্ৰী ৰূপে মোৰ
সোমালাহি শিক্ষাৰ আলয়,
মনত আছেনে দেৱি, আজি সেই কথা
নাছিল ভাবৰ বিনিময়।
(তুমি) স্বভাৱ চপলা ক্ষুদ্ৰ দেৱবালা যেন
হাঁহি মাতি নাচি ফুৰিছিলা
(মই) আদৰীয়া গুৰুদেৱ—অতি যতনেৰে
শিকালো জ্ঞানৰ কত কলা।
অলপ দিনতে পাছে দেখিলো তোমাৰ
কি সৌন্দৰ্য্য মৰ জগতত,
অপূৰ্ব্ব অমূল্য জ্যোতি স্নেহৰ ভঁৰাল
জিলিকিছে তোমাৰ দেহত।



লাহে লাহে মুগ্ধ হিয়া মন্ত্ৰমুগ্ধ যেন
আকৰ্ষিত হ'ল তোমালই,
কত যত্ন, কত শ্ৰম, কৰিলোঁ কতনা
নোৱাৰিলোঁ ঘূৰাবযে মই !
নজনা সুগুনা এটি আনন্দৰ ঢৌৱে
হিয়া মোৰ দিলে ওপচাই,
জগত সংসাৰ জুৰি দেখিলো সুন্দৰ
এনে সুখ আৰু ক'তো নাই।
মনে মনে চাই চাই কত সুখ পাওঁ
নিদিলোঁ তোমাক জানিবলৈ,
অন্তৰত গঢ়ি লৈ সোণৰ প্ৰতিমা
পূজিছিলো সুখে মত্ত হৈ।
আসক্তি বিহীন মোৰ পৱিত্ৰ প্ৰেমৰ
নাছিল যে প্ৰতিদান আশ—
তোমাৰ হাঁহিতে মোৰ প্ৰাণৰ পিয়াহ
গুচিছিল, নাছিল হেপাঁহ।
ৰাতিপুৱা পখীবোৰে সুমধুৰ গায়—
তাতে শুনোঁ তোমাৰ মাতটি,
ফুলনিত ফুলি থাকে লাহৰী গোলাপ
তাতে দেখোঁ তোমাৰ ৰূপটি।
পৰ্ব্বতৰ জুৰি এটি কুল্ কুল্ কই
কই যায় তোমাৰ কথাটি,
নীলিমাত সুশীতল ৰূপহী জোনায়ে
পৰকালে তোমাৰ আভাটি।
শুকায় হৃদয় মোৰ মৰুভূমি যেন
তোমাৰ ছাঁয়াটি পৰি তাত,
স্বৰ্গীয় নন্দন বন কৰিলে সৃজন
দেৱবালা তোমাৰ কৃপাত।
দেখা পালোঁ, অকস্মাৎ পঢ়োতে পঢ়োতে
উচুপি উঠিলা তুমি কান্দি,
মগ্ন হ'ল হিয়া মোৰ ব্যাকুল তৰাসে
ধৰিলো তোমাক আকোঁৱালি।
ভাগি গ'ল, উটি গ'ল শিষ্যৰ বান্ধোন
প্ৰেমে কৰে সকলোকে জয়,
সিদিনাৰপৰা মোৰ নতুন জগৎ
সিদিনাই শেষ মৃত্যু ভয়।
গভীৰ কৰ্ত্তব্য জ্ঞান কেনিবা পলাল
প্ৰাণত বাজিল প্ৰেম বাঁহী,
নতুন বসন্ত হ'ল উদয় প্ৰাণত
তোমাৰ প্ৰেমত গ'লো ভাঁহি।

তাৰ পিছে অজানিতে কেনেবাকে' প্ৰিয়ে
ব্যক্ত হ'ল এই সমাচাৰ,
পৱিত্ৰ নিৰ্দ্দোষ এই প্ৰেমৰ কাহিনী
বুজ পালে পিতাৰে তোমাৰ।
সিদিনাই অন্ত হ'ল সুখৰ জীৱন,
কিয় প্ৰাণ নগ'ল সিদিনা ?
ধৰিনি তোমাক হায় নিঠুৰ ভাবেৰে
বন্দিনী কৰিলে প্ৰিয়তমা !
শেষ হ'ল কত কাল তাৰ পিছে আজি
আশ্ৰমত তুমি সন্ন্যাসিনী ;
(মই) লক্ষ্য হাৰা লক্ষ্য ভ্ৰষ্ট বাতুল স্বৰূপ,
জ্ঞান, গৰ্ব্ব অতীত কাহিনী !
অলপ সান্ত্বনা পাওঁ শুনো যদি তুমি
ধৰ্ম্ম চৰ্চ্চি সুখে আছা বুলি,
তুমি সুখী হ'লে সখী, ময়ো সুখী হওঁ
নাই আন কামনা সমূলি।
(তুমি) জগতৰ সৌন্দৰ্য্যৰ সাৰ বস্তু যেন
ধনে মানে বৈভৱে অতুল,
নিচলা দৰিদ্ৰ এই পণ্ডিতৰ প্ৰতি
কিয় এনে আসক্তি ব্যাকুল !
কত ৰজা, ৰাজপুত্ৰ তোমাৰ কাৰণে
এতিয়াও প্ৰেমে দিশহাৰা,
পাহৰা ই অভাগাক, অতীতৰ স্মৃতি
আঁতৰোৱা হৃদয়ৰ পৰা।
পোহৰোৱা দেৱকন্যা গুণে অতুলনা
ভাগ্যৱান ধনীৰ প্ৰাসাদ,
পোহৰোৱা পিতৃকুল বঢ়াই সন্মান
ভোগ কৰা প্ৰাণৰ সোৱাদ।
(মই) নিহকিন শিক্ষা গুৰু থাকিম সততে
আশীৰ্ব্বাদি প্ৰভুৰ আগত,
তোমাৰ সুখত মোৰ প্ৰাণে শান্তি পাব,
বিয়াকুল তোমাৰ দুখত।
তুমি সুখে আছা দেৱি, ইয়াকে জানিলে
নকৰোঁ যে মৃত্যুল'কো ভয়,
নগ্ন শৰীৰত পালোঁ কত অস্ত্ৰাঘাত
পুহু লম আনন্দে নিশ্চয়।
পাহৰা, পাহৰা, দেৱি, অতীতৰ ভাব
দুৰ্ভাগাৰ এই অনুৰোধ,
নহ'লে কতনো প্ৰিয়া, কন্দাবা, কান্দিবা,
প্ৰাণে মোৰ নামানে প্ৰবোধ।

---

# গল্প

## অপ্ৰকাশৰ বেদনা

—শ্ৰীযুত মুনীন বৰকটকী

—এক—

কবি ঠিক হওঁনে নহওঁ কব নোৱাৰো, তথাপি নিজক কেতিয়াবা কবি যেন লাগি যায়, আনেও বোধকৰো তাকে ক'ব। বেছ ভাল লাগিছিল ছুপৰীয়াটো সপ্তাহটোৰ অন্তত এটা দিনৰ ছুটীত। পথাৰমুৱা খিৰিকিখন মেলি দি তাৰ গাতে লগাই টেবুলখন পাতি বহি ল'লো। টেবুলখনত হাতখন থৈ তাতে মূৰটো গুজি চাই আছো বহুত দূৰলৈ,—সৌ দূৰণিত বতাহত নাচি থকা গছৰ পাতবোৰ। কবিতাময় যেনেই হৈ উঠিছিল চাৰিওফালৰ পাৰিপাৰ্শ্বিক অৱস্থাটো।

......"কিহেঁ.দাদা খবৰ কি? কবি হ'বলৈ শিকিছা নেকি? একেবাৰে দেখোন বৈৰাগ্য নিজৰ ফালে? প্ৰাণ নোহোৱা ধাননিৰ ফালে চাই থাকিলে হ'ব কি, তাততো আৰু তোমাৰ......"

লিলি!......

আৰু ক'বলৈ নিদিলো লিলিক।

......"হয় হয় 'ডাঙৰীয়ানী' হৈছে আৰু। ঠিক ধৰিছে আপুনি। অনুগ্ৰহ কৰি এতিয়ালৈ ইমানতে থক।"......

নিজৰ ঘৰৰ ছোৱালীৰ দৰে তাই। ঠাট্টা কৰি কথা কৈ ভাল লাগে—তায়ো কৰে, ময়ো কৰো।

তাই কিন্তু নেৰিলে।......"সেইটো নহৈছে আজি। কৰই লাগিব কোননো সেই গৰাকী। এনেয়ে নেৰো আজি তোমাক। কাৰ কাৰণেনো ইমান......

"কিনো যিহকে পোৱা তাকে বলকি থাকাহেঁ লিলি... তোমালোকৰ পৰা এক মিনিটো শান্তিত কটাব নোৱাৰো... ছোৱাই নোহোৱাই বৰ বিগদাৰি......

......"হয়, হয়। স্বীকাৰ কৰিছো "ছাৰ," আমা... পৰা আপোনাৰ সুখ শান্তি সকলো ছাৰখাৰ হৈ গ'ল... এয়া চাওক, কাণ ছুই শপত খাইছোঁ আৰু কেতিয়া... নকৰো। কৰো যদি "যিৱা" শান্তি বিহিব আপুনি..." বুলি দুষ্টামিৰ হাঁহি হাঁহি তাই যি অমৃত্ৰাক্ষৰ ছন্দ... কবিতা সুৰ লগাই আৰম্ভ কৰিলে মোৰ আৰু গাম্ভীৰ্য... ভাও ধৰি থকা অসম্ভৱ হৈ উঠিল। বাধ্য হৈ হাঁহি... দিলোঁ।

......অ' আই! গুৰুৱেনো কৰবাত শিয়া... ওচৰত হাঁহেনে। ইচ......বুলি তাই আকৌ জিভাখন... উলিয়াই মোৰ অমাৰ্জ্জনীয় পাপৰ গুৰুত্ব বুজাবলৈ... ধৰিলে।

......"ভাল পাগলীজনী"!...বুলি মই মোৰ ... কবিতা প্ৰয়াস এৰি দি বাস্তৱৰ গন্ধৰাজ্যত সোমালোহি।

তাই আকৌ আৰম্ভ কৰিলে।

......"কোৱাচোন দাদা। মোক ক'লেনো কি হ'... বাৰু? কিনো হানি মই জানিলে?......

হঠাৎ মনটোত ক'ৰপৰা আহি দুষ্ট বুদ্ধিয়ে বা... সাজিলে। ভাবিলোঁ অলপ খঙকে তোলা যাওক... তাইৰ।

......"সঁচাকৈ কব লাগেনেকি? বাৰু ক'ম, কি...



...ৰ পিছত গালি নাপাৰিবা হ'লে। কোন জানা, তেওঁ? ...ই আমাৰে লি......

......'ধেৎ' বুলি তাই ৰঙা পৰি গ'ল। ইমান ধুনীয়া ...লিজনী; তাইক আজি আৰু বেছি ধুনীয়া যেন ...গিছে।......

লাজত ৰাঙলী লিলিয়ে আৰু কথা নকলে। প্ৰতি... ...ৰ কৃতকাৰ্য্যতাত হাঁহি হাঁহি মই কলো—"এতিয়া? ...নে মজা? আৰু সুধিবা?......

তাই চকুৰ পচাৰতে পলাল।

—দুই—

লক্ষ্যহীন এই জীৱনটোৰ সেই এছোৱা।......

লিলি!......মোৰ জীৱনটোৰ বহুত খিনিৰ লগত ...ই মিহলি হৈ আছে। আৰু নিৰ্ব্বিবাদে বহুতখিনি ...ই মোৰপৰা কাঢ়ি নিছে।

...হ বছৰীয়াতে দেখিছো তাইক! মাষ্টৰী জীৱনৰ ...ত ঘূৰি ঘূৰি ছবছৰৰ আগতে যিদিনা কোন দূৰণিত ...ৰ ঘৰ এৰি থৈ আহি এই ঘৰটোত উঠিলোহি সেই ...ৰ পৰা তাইক মই কোনো অধিকাৰ নোহোৱাকৈয়ে ...নী পাতি লৈছোঁ, তায়ো মোক অকণো সন্দেহ নকৰাকৈ ...দা' কৰি লৈছে। 'তৰুণদা' মই,—'পাগলী' তাই।

মোৰ ডাক্তৰ খুৰাৰ লগত চিনাকি কেতিয়াবাৰে। ...মানতে মোক দেখিছে তেখেতে ডিব্ৰুগড়ত। দেউতাই ...নি পায় তেখেতক। উপজিয়েই মাক হেৰুৱা বাবে ...ৰ কোলে বৰ মৰম কৰিছিলে খুৰীয়ে। তাহানি ...তাই কয় কেতিয়াবা। ঘৰৰ পৰা বদলিহৈ যেতিয়া ...হাটি পালোহি বাধ্য কৰিলে তেখেতে মোক তেখেতৰে ...ত থকা এই ঘৰটোত থাকিবলৈ। মোৰ আপত্তি ...নিলে। তেখেতে একৰকম জোৰ কৰিয়েই মোক এই ...হৰ তেখেতে সুমাই থৈছে তেওঁবিলাকৰ লগত। ...ৰ পাছত বছৰ বাগৰি গ'ল আৰু লগে লগে ললিত ...হৈ পৰিল মোৰ "ডাক্তৰ খুৰা" ডাক্তৰণী মোৰ ...ৰী", লিলি মোৰ ভনী আৰু অকণমান পুতুল মোৰ ...ইটো"। আৰু তেওঁলোকেও মোক বিনা বিচাৰে ...মিনা" কৰি থৈ দিলে, লিলিয়ে পুতুলে পাতিলে দাদা।

ডিব্ৰুগড়ীয়া মই আৰু গুৱাহটীয়া তেওঁলোক। এইদৰেই একেটা পৰিয়ালত সোমাই পৰিলো। দেউতা ঢুকাল আৰু লগে লগে ঘৰ বুলিবলৈ মোৰ একো নোহোৱা হ'ল। ডাক্তৰ খুৰাই মনে মনে কেতিয়াযে ঠিক দেউতাৰ চকীখনতে নিজক বহুৱাই পেলালে কবই নোৱাৰিলো। বহুতে আজিকালি মোক তেখেতৰ লৰা বুলি ভবাৰ বাহিৰে আন ভাবিবলৈ টান পায়।

আৰু লিলি? অকণমানজনীৰ পৰা তাইক দেখিছো। বেছ মনত পৰে লিলিয়ে সেই সিদিনা "ফ্ৰক" পিন্ধি "স্কিপিং" কৰি ফুৰা, আবেলি তাইক ফুৰিবলৈ লৈ যোৱা। সিদিনাৰ সাত-বছৰীয়া লিলি আজি যোল বছৰীয়া। বাহিৰা পৃথিবীৰ বয়সৰ হিচাপ থকাৰ চকুত তাই আজি বহুত ডেলেগ, পৃথিবীয়ে তাইক বছৰৰ পিছত বছৰত বেলেগ বেলেগ চকুৰে চাইছে। অকণমানি লিলি মোৰ কাৰণে অকণমানি হৈয়ে থাকিল, আনৰ কাৰণে তাইৰ জীৱনৰ ৰেলখনে কেবাটাও 'ষ্টেশ্যন' পাৰহৈ আহিল, সৰু, মজলীয়া,...গাভৰু আৰু কিবাকিবি। আমি সলনি নহলো। তাই মোক আগৰ দৰেই ভাবি থাকিল, মই তাইৰ দাদা, তাইৰ ঠাট্টাৰ আহিলা, তাইৰ হাঁহিৰৰ উপলক্ষ্য। মোৰ তাই 'পাগলী' আৰু কিবাকিবি। বয়স তাইৰ আগবাঢ়ি আহিল কিন্তু তাই থাকিল পিছ পৰি। সৰুৰ সেই নাচি থকা স্বভাৱ তাইৰ নগল। 'মেট্ৰিকুলেশ্যন' দিলে তথাপি তাই অকণমান যদি গহীন হল! সেই তেতিয়াৰ দৰে তাই আহে মোৰ কাষতে গান গাবলৈ, মোৰ কিতাপবোৰ ডালডাল কৰিবলৈ, মই অকণমান মনে-মনে বহা দেখিলে বাৰে-ভচহু কথা উলিয়াই মোৰ খং তুলি ৰং চাবলৈ।

কিন্তু......কিয়যে কিবোৰ হয়। জীৱনটোৰ গতিৰ লগত নিমিলা কিছুমান কথা কেনেকৈয়ে আহি পৰে। নিজেই নিজক বুজি উঠিব নোৱাৰো। কব নোৱাৰো কিয় নিজকে কেতিয়াবা অবিশ্বাস কৰিবলৈ ধৰো।...... লিলি মোৰ কোন?......সিদিনা হঠাতে কিয় মনত পৰিল লিলি তিৰোতা, লিলি শুদা 'লিলিয়ে' নহয়......। ছিঃ লিলি মৰমৰ ভনীটী মোৰ।......

আজি। কিয় কৈ দিলো লিলিক সেইদৰে? তাই যদি বেয়া পায়। ভাবোঁ। বেয়া কিয় পাব? তাই জানো নাজানে মই পুৰুষ, কিয় বিশ্বাস কৰে তাই মোক?......

মুৰটো ঘূৰিবলৈ ধৰে। বৰ বেয়া হৈছে মূৰটো কিছুমান দিনৰপৰা। একোতে মন নবহে, মনটোৰ চাৰিওকালে কিহৰ যেন এসোপা আহুকাল আঁতৰাই লৈ ভালকৈ চাবই নোৱাৰোঁ নিজক।

লিলিৰ কাৰণে মোৰ চিন্তা কিয়?......তথাপি ভাবোঁ তাইৰে কথা। আজি যে তাই ৰঙা পৰি গ'ল তেতিয়া! বাওলী লিলি।...ইমান আঁতৰাই দিব খোজে তথাপি যে কিয় তাইৰ সেই মুখখনে মোক আমনি কৰি থাকে।

...ইস্ কালি এসোপা পৰীক্ষাৰ বহি আনি থৈছোঁ। চোৱাই হোৱা নাই।...

বহীৰ টোপোলাটো খুলিবলৈ বহি চাবলৈ ধৰো।

...লিলিয়ে লাজ পালে কিয়?......কথাটো কওঁতেই তাই পলাল কিয়?......দোষ?...কাৰ? .....

...লিলি ভনীটো মোৰ।...

## —তিনি—

কেদিনমানৰ পৰা গাটো ভাল নহয়। স্কুলৰ পৰা ছুটি লৈ ঘৰতে আছোঁ। ভাল নালাগে একোকে।

দুপৰীয়া ভাত খাই উঠি বিছনাখনতে ইকাতি সিকাতি কৰি আছোঁ। একো কৰিবৰ মন যোৱা নাই।

"দাদা?"......বুলি সোমাই আহিল লিলি। বহুত যেন পৰিৱৰ্ত্তন তাইৰ। তাঁহিৰ সেই স্বাধীনতা নাই, মুখখনত যেন কিহৰ ডাৱৰে ছাঁ পেলাইছে। অলপ কৰুণ।......ভৰাই তুলিলে আজি লিলিয়ে।

..."লিলি, তোমাৰ গা বেয়ানে কি?......"

কৈ জানিবা জুইতহে ঘিউ ঢালিলোঁ।

..."হৈছে, হৈছে, নালাগে বাৰু মোৰ গাৰ খবৰ লব। নিজৰ ফেৰাবে লৈ পাব কৰক।...সঁচা দাদা, ক'বই লাগিব। কি হৈছে তোমাৰ, তুমি দিনে দিনে এনেকুৱা হৈ গৈছা কিয়? ভালকৈ নোগোৱাঁ, নামাতা নাহাঁহা। কি হৈছে তোমাৰ কোৱাচোন?...

একে মুহুৰ্ত্ততে গোটেই অৱস্থাটো সলনি হল।...ইস কিয় যে সুধি পেলালো সেই আপদীয়া কথাটো। কি বুলি যে কম তাইক।

কথাটো তল পেলাবৰ চেষ্টা কৰিলো।...'ধেৎ পাগলী, মোৰ আকৌ কিটো হোৱা দেখিলা? পৰীক্ষা হৈছে, কেইদিনমান বেছিকৈ খাটনি পৰিছে, অলপ হয়তো কিবা হেৰফেৰ হৈছে। হ'ব আকৌ কি!......

......"ও হ'ব আকৌ কি? তোমাৰ কি হ'ব পাৰে, তুমিয়ে 'জানা'।..."বাৰু। তেন্তে মোৰনো আকৌ কিটো গা বেয়া দেখিলা? .....

কিবা এটা কওঁ বুলি লওঁতেই তাই আহি মোৰ মূৰৰ ওচৰতে বহি ললে।..."সঁচা দাদা তুমি বৰকৈ শুকাই গৈছা! মোৰ ওচৰত নো তুমি কিয় কথা লুকাব খোজা...তেন্তে নোকোৱা নহয়?"...বুলি তাই উঠি যাবলৈ ওলাল। মই খাপ মাৰি হাত খনত ধৰিলো। "কম, কম বহা, লৰ মাৰিব নালাগে।"...

কি যেন হৈ গ'ল। লিলিৰ হাতত ধৰিলো কিয়? কি ভাবিলে হয়তো তাই! ভুল বুজে যদি তাই?...পাহৰি গলো তাইৰ কথাৰ উত্তৰ দিবলৈ কিয় যে অলপ কথাতে ইমান চঞ্চল হৈ উঠোঁ আজিকালি। লিলিয়েও পাহৰি গ'ল তাইৰ প্ৰশ্ন।

লিলিৰ ফালে চালোঁ। মুগাৰ মেখেলাখনৰ ওপৰত কপাহী বগা চাদৰ এখন ছটিয়াই লৈছে! ইকালে সিফালে তাইৰ চুলিবোৰ।

মুখখন যেন নতুনকৈ ৰঙা পৰি উঠিছে।

লিলিকো মই চাওঁ। কিয় কব নোৱাৰোঁ। 'ভনীৰ' মাজত লুকাই থকা লিলিক আজিকালি নতুনকৈ আৱিষ্কাৰ কৰিছোঁ মই। মোৰ এই নতুন আৱিষ্কাৰটো মোৰ ভনী বুলি মই কিয়যে লব নোৱাৰোঁ।

বহুত পৰ দুয়ো নিৰ্ব্বাক হৈ থাকিলো।

লিলিয়েও চাইছে মোৰ ফালে...কিয়...তাই যদি বুজে মোৰ চঞ্চলতা, তাই যদি জানি পেলায় মোৰ বুকুৰ এই লুকাই-থোৱা গুমগুমনি। ......কিহৰ যেন এটা আশঙ্কাই মোক ছাতি ধৰিলে। যদি বুজে লিলিয়ে, যদি



...ল মুবুজি ঠিক বুজি যায় তাই!......চকুৰ আগত পোহৰ ...হৈ উঠিল সাতবছৰীয়া লিলিজনী......'দাদা, অ'দাদা', ...জি কুৰিবলৈ নোযোৱা"..........লিলি ভনীটি মোৰ ...ছিঃ।......পাহৰি গলো অতীত, পাহৰি গলো বাধাৰ ...সংকোচ।

কিয় বেয়া পাব তাই; তায়োতো মানুহ, তাইৰোতো ...মোৰে দৰে উন্মত্ত যৌৱন।...ময়েই যদি ভুল বুজিছো ...তাইক।

অপ্ৰকাশৰ বেদনা! কতদিন ভাবিছোঁ কৈ দিওঁ লিলিক, মোক তাই জানক তাইৰ দাদা নহয় বুলি। জানক তাই পঁচিচ বছৰীয়া মোৰ এই যৌৱন নিলাজ, উশৃঙ্খল, বুজক তাই—যৌৱনৰ অসংযম। তথাপি পৰা নাই। ভৰা কথা ভাবতে দহি জহি গৈছে, কোৱা আৰু হোৱা নাই। কিন্তু কোৱাৰ জানো দৰকাৰ, তাই জানো ...বুজে নিজক? কিয় বিশ্বাস কৰে তাই, কিয় ইমান ...মন তাই?.........

...কিয় তাই ৰঙা পৰি গল হাত খনত ধৰোঁতে। ...কিয় তাই মাতিব নোৱাৰা হ'ল?...সংযমৰ বান্ধ মোৰ ...ঢিলা হৈ যায়। লিলিৰ হাতখন ধৰি মোৰ আজি কিয় যে ...এনেকুৱা লাগি গ'ল। আকৌ তাইকৈ চাবলৈ ধৰিলো। ...ধৰি কিন্তু তাই শুচি নগল।

"দাদা, কি ভাবিছা? ক'ত্তা নোকোৱা তেন্তে? ...দিনে দিনে তুমি কিযে হৈছা"।......লিলিয়ে হাতখন ...মোৰ কপালত থৈ কৰবলৈ ধৰিলে।

"লিলি!......আৰু নোৱাৰিলো দাদা হৈ থাকিব ...লিলিৰ। হাত খনত ধৰি টানিলো তাইক।......দাদা!.. .....ছিঃ!"

...ভৰিৰ তলুৱাৰপৰা পৃথিবীখন যেন একেটা আঘাততে ...ঘূৰি গ'ল।......ছিঃ। ভুল তেন্তে সকলো। ভুল ...বুজিছো লিলিক। লিলি শুচি গ'ল। জীৱনটোৰ ...চাৰিওফালে ঠিয় হ'ল অপমানৰ এখন পাৰ হ'ব ...নোৱাৰা বেৰা। অপমান কৰিলে লিলিয়ে মোক?...... ...নিলাগিল মোৰ নিজক, মোৰ অৱমানিত পৌৰুষক।

...মানুহে মানুহক ইমান বেছি ভুল বুজিব পাৰে বুলি ভৰা নাছিলো। মোৰ লিলি, ইমান মৰমৰ মোৰ লিলি, তায়ো মোক অপমান কৰিব পাৰিলে। আৰু ভবিষ্যত?

গোটেই গাটো শিৰে শিৰে কঁপি উঠিল। কি ভাবিলে লিলিয়ে আজি মোক। মই পশু, পশুৰ দেহতৃষ্ণা মোৰ মাজত। তাইৰ ইমান মৰমৰ দাদা, ইমান শ্ৰদ্ধাৰ বস্তু মই। নিজকে নিজে আজি দেৱতাৰ বেদীৰ পৰা চোচোৰাই নি নৰকৰ পলসৰে পোত খোৱা খালটোত পেলাই দিলো। লিলিৰ দাদা হোৱাৰ অধিকাৰ নিজে ধ্বংস কৰি দিলো..."দাদা!"... লিলিৰ সিদিনাৰ সেই আচৰিত ৰকমৰ টান মাতটো।

কিন্তু লিলি জানো মানুহ, লিলি জানো তিৰোতা? ইমান আচৰিত ছোৱালী তাই, ভাবিব নোৱাৰো। ভাবিছিলো, কিতাপত থাকে তেনেকুৱা তিৰোতা, ভাবত থাকে। কিন্তু জীৱনৰ বাস্তৱতাত, পুৰুষৰ চকুত, তেনেকুৱা নাৰী থাকিব পাৰে বুলি ভাবিব নোৱাৰিছিলো। ভাবিছিলো আত্মসমৰ্পণ নাৰীৰ এৰাব নোৱাৰা দুৰ্ব্বলতা।......আৰু লিলি?

ভুল বুজিলো তেন্তে লিলিক। জানিলে তাই, তাইৰ তৰুণদা দ দা নহয় সাপ।...ক্ষমা?...কিহৰ কাৰণে ক্ষমা খুজিম তাইৰ ওচৰত? দেৱতাতো মই নহওঁ,—কি হ'ব মিছামিছি নিজক প্ৰৱঞ্চনা কৰি? পশুৱেইতো মই, জানক তাই সেয়ে বুলি। কিয় ক্ষমা খুজিম? মোৰ যৌৱনক তাই অপমান কৰিছে, মোৰ ইমান আগ্ৰহৰ দানটোক তাই পাপৰ কালিমাৰে ক'লা কৰি দিছে! ক্ষমা কৰিবলৈ, কি দোষ কৰিছো মই? নালাগে তাইৰ ক্ষমা মোক, তাই নালাগে জানক আটায়ে পশু মই। যৌৱন জন্তুৰ দৰে বৰ্ব্বৰ, নিলাজ।

লিলিয়ে তেন্তে মোক ভাবিছিল তাইৰ দাদা বুলি।... হাঁহো কিয় কব নোৱাৰো। মনলৈ আহে তাইৰ বাৰিষাৰ বানপানীৰ দৰে বাঢ়ি অহা যৌৱন, তাইৰ সেই দিনা লাজত ৰঙা পৰি উঠা মুখ। মই তেন্তে পশু? বুকুৰ ভিতৰত জ্বলি উঠে মোৰ অপমানৰ আঘাতৰ একুৰা জুই, পুৰুষত্বৰ অৱমাননাত জাগি উঠে প্ৰতিহিংসাৰ নগ্ন মূৰ্ত্তি। ক্ষমা? ক্ষমা খুজিম লিলিৰ পৰা? কিহৰ কাৰণে?...

ভৰিপথানত থকা কপোৰখন মূৰলৈকে টানি লওঁ। কাপোৰৰ তলৰ অসম্পূৰ্ণ আন্ধাৰখিনিৰেই ঢাকি পেলাবৰ মন যায় মোৰ এই অৱমানিত পুৰুষত্বক।......"দাদা" !... লিলি, ভনীটী মোৰ।"......

—চাৰি—

কামৰ চকাই ঘূৰাই আনি আজি পোৱালেহি এইখিনি। ডিব্ৰুগড়ৰপৰা গুৱাহাটী, গুৱাহাটীৰপৰা তেজপুৰ। আজিও সেই তেতিয়াৰ দৰেই দহ বজাতে ভাত এমুঠি কাণে মুখে গুজি স্কুললৈ লৰ ধৰোঁ আৰু গধূলি উলটি আহোঁ। আজিও সেইদৰে চকডোখৰ লৈ লবুকৰণ কৰোঁ বোৰ্ডখনত।

মাষ্টৰ মই মাষ্টৰেই থাকিলোঁ। কিন্তু জীৱনটোৰ চাৰিওফালে ঘটি গ'ল এটা যুগান্তৰ। জীৱনক গতিয়ে তাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত ভাল ৰাখি কত যে কি আদৰি ললে। গুৱাহাটীৰ তৰুণ লাহে লাহে গুচি হৈ পৰিলোঁ তেজপুৰীয়া নতুন মানুহ এটা।

চহৰৰ একুকৰ ঘৰটো মোৰ। গধূলি আগচোতালত আধা ফটা আৰামীখন পাৰি বহি ভাবি থাকোঁ। মাষ্টৰী জীৱনৰ পুনৰুক্তিৰ বিৰক্তিৰপৰা আঁতৰি ভাবৰ নাৱত নিজক তুলি পাৰি দিওঁ কোনোবা অতীতত খুন্দা লাগি আঁতৰি আহে মোৰ নাও।

মনত পৰিছে সেই দিনটো। স্কুলতে পালোঁ এখন চিঠি। ৰঙা লেফাফাটো দেখিয়েই জানিছিলোঁ বিয়াৰ কাৰবাৰ। চাবৰ দৰকাৰ নাই বুলি তেতিয়াই জেপ এটাত সুমাই থৈ দিছিলোঁ। বিয়াৰ চিঠি পঢ়াতকৈ মোগল সাম্ৰাজ্যৰ অধঃপতনৰ কাৰণ বিচাৰি লৰাইতক দিয়াটো সেইদিনা মোৰ কাৰণে হৈ পৰিছিল বেছি দৰকাৰী আৰু বেছি আনন্দৰ বস্তু। আবেলি চাহৰ বাটিটো হাতত লৈ আনমনা হৈ লেফাফাটো খুলিছিলোঁ, আচৰিত হৈছিলোঁ চিঠিৰ তলত লিলিৰ নামটো দেখি।···"দাদা, তুমি নাহিলে আমাৰ সকলো অসম্পূৰ্ণ হৈ যাব। তাহানিৰ সৰু ভনীজনীক তুমি পাহৰি যোৱা নাই বুলি আশা কৰোঁ। ক্ষমা কৰিবা। আহিবা দাদা।"...

লিলিৰ বিয়া। নতুন বিলাত ফেৰত দেৱীবৰুৱাৰ লগত তাইৰ বিয়া পাতিছে। মোৰ নিমন্ত্ৰণ। মন্ত্ৰমুগ্ধৰ দৰে বহি চাহ খাবলৈ পাহৰি গৈছিলোঁ সেইদিনা।...... লিলিৰ বিয়া। মই যে লিলিৰ 'দাদা' আৰু দেৱী। ইমান দিনৰ মূৰতো সেইদিনাও লিলিক মই মোৰ নিজৰ কোনোবা বুলি নাভাবি নোৱাৰিছিলোঁ। দেৱীয়ে লিলিক লৈ যোৱাৰ কথাটোত কিয় জানো সেইদিনাও মনে মনে প্ৰতিবাদ কৰিছিলোঁ—সি মোক বঞ্চিত কৰিছে মোৰ দাবীৰ পৰা, কাঢ়ি নিছে মোৰ বুকুৰ মাজৰপৰা মোৰ নিজৰ বস্তু এটা।

মনত পৰে আৰু এটা দিন। বিয়াৰ পিছত তাই এদিন মোৰ ওচৰলৈ আহিছিল। তাই সেই দিনা কান্দি পেলাইছিল, আজিও দেখিছোঁ গালেদি টপ্ টপকৈ বাগৰি পৰা তাইৰ চকুৰ পানীৰ টোপালবোৰ।..."দাদা, তুমি যে মোৰ বৰ মৰমৰ আছিলা...ক্ষমা জানো কৰিবা মোক?" ...আচৰিত হৈছিলোঁ তাইক দেখি সেইদিনা। কি আচৰিত মানুহ এই জনী! নিজৰ হাতেৰে, নিজ ইচ্ছাৰে যি মাৰি পেলাইছে মোক, তায়ে আকৌ কান্দিছে। সেই দিনাৰ লিলিক মই বুজিব নোৱাৰি আঁকৰা হৈ আছিলোঁ। হৈ হৈ উঠিছিল মনত তাইৰ ভণ্ডামি। তাইৰ চকুপানীক ভাবিছিলোঁ চাওডাঙৰ দা-খন হাতত লৈ কন্দা চকুৰ পানী বুলি। কিন্তু তথাপি নোৱাৰিলোঁ তাইক ভণ্ড বুলি ভাবিব,—কি দৰকাৰ তাইৰ ভণ্ডামি কৰিবৰ মোৰ লগত? কি কৰিম মই তাইক, তাই মোক মোৰ সেই অসভ্যালিৰ কথা ভাবি ঘিণ কৰিলে? ভণ্ডামি কৰি তাই কান্দিব কিয়, তাইৰ চকুপানী পাবৰ দাবী মোৰ আছিল কোন খিনিত?......আচৰিত তিৰোতা বুলি ভাবিছিলোঁ তাইক সেইদিনা। আজিও নুবুজিলোঁ তাই কিয় কান্দিছিল। বুকু মোৰ ভাগি গৈছিল। একালে চকুপানীৰ কোমলতা আৰু ইফালে মোৰ নিজৰ অদৃষ্টৰ নিৰ্য্যাতনৰ মাজত মই বোবা হৈ আছিলোঁ। লিলিৰ বিৰুদ্ধে মোৰ অতবোৰ প্ৰতিশোধৰ হেঁপাহ, ইমান খং, ইমান ঘিণ-লগা; সকলো উটি গৈছিল তাইৰ সেই দিনাৰ চকুলো কিটোপালত।......



...ৰ আৱৰি থকা দেহটোৰ ওচৰত। নিজক মাৰি ...ক তাই জীয়াবলৈ বিচাৰিছে। জানিছে তাই, ...ৰ সকলো দিও তাই মোক ঘূৰাই নাপায়, বুজিছে ...ই আৰু ঘূৰি অহাৰ এই অনন্ত যাত্ৰা, মোৰ তথাপিতো ...ই মোক এৰি নিদিয়ে। এটা মৰাশৰ কাৰণে তাইৰ ...ৰে ঐকান্তিক আগ্ৰহ কি যে আচৰিত নিষ্ঠা! মানৱীনে ...ৱী এই অকণিজনী?

...ঁচাটোকো সন্দেহ কৰোঁ। অকণিক ভক্তি কৰোঁ, ...ণা কৰোঁ, তাইক দেৱী বুলি ভাবোঁ। এনে অকণি, ...ইকো মই এদিনৰ কাৰণেও ভাল পোৱা নাই, এদিনো ...ৰ ভালপোৱা তাইক দিয়া নাই। তাইৰ সৰ্ব্বহাৰা ...িক্তাৰ আগতো মই নিজক লৈ অহঙ্কাৰ কৰোঁ। ...াপি সন্দেহ কৰোঁ, বুজিব নোৱাৰোঁ, কিবা সুধিবলৈ ...ে তাইক কিবা সুধি পেলাওঁ। ......"সঁচানে অকণি? ...োমাৰ এই ভালপোৱা সঁচানে অকণি? সঁচানে তুমি ...ক ভালপোৱা, অকণি?···কিয়?"······বলিয়াৰ দৰে ...ুৰ কিছুমান প্ৰশ্ন কৰিবলৈ ধৰোঁ। অকণিয়ে নুবুজিলে ...ৰ প্ৰাণৰ ভাষা, নুবুজিলে তাই মোৰ বলিয়ালি। ...ুজিলোঁ তাই যে তাইৰ জীৱন দিয়া এই স্বাৰ্থত্যাগকো ...ই সন্দেহৰ চকুৰে চাব পাৰোঁ। কি মাতিব তাই? ...েখিলোঁ তাইৰ চকুহুটা চলচলীয়া; মুখখন কন্দনামুৱা।

......"সঁচা অকণি, ইয়াতকৈ সঁচা আৰু কি আছে? ...ান্দিছা কিয় অকণি,......সন্দেহ মই কৰা নাই তোমাক ......ছিঃ নাকান্দিবা। অকণি! তোমাক মই সন্দেহ ...িৰিম?......বাৰু অকণি তুমি মানুহ হৈ উপজিছিলা ...িন? তোমাৰ গাত আছে কি? তোমাৰনো জীৱনটোত ...কো পাবলে নাইনৈ, বিচাৰিবলৈ নাইনে? তুমি জানো ...াজানা তোমাৰ ভবিষ্যৎ? তুমি জানা বা নাজানা ...ৰ হাতৰ পৰা তুমি মোক ঘূৰাই আনিব নোৱাৰা। ...িয় মোক ভাল পোৱা অকণি, কিয় গুচি নোযোৱা ...ুমি এই মৰাশটোক এৰি থৈ।......কিয় কষ্ট পোৱা ...কণি তুমি মোৰ এই অভিশপ্ত জীৱনটোৰ কাৰণে।

অকণি! তাই শুনে আৰু কান্দে! আজলী বেছেৰী ...োৰ।···

মূৰটোত গোলমাল লাগি গ'ল—শুদাকৈ থাকিবৰ মন হ'ল। অকণিক কৈ দিবৰ ইচ্ছা গ'ল বহুত কথা। আৰু কম—কেৱল কোৱাৰ কাৰণেই এই আকুলতা মোৰ। অকণিৰ মূৰটো বুকুখনত শুৱাই লৈ শুদা কথা কবলৈ ধৰিলোঁ। আজি মোৰ কবৰ দিন। যোৱাৰ আগতে কথাৰেই অকণিৰ প্ৰতি কৰা জীৱনভৰা অন্যায়ৰ এচিকটা প্ৰায়শ্চিত্ত কৰি যাবৰ দিন।

বিদ্ৰোহী হৈ উঠিলোঁ। ক্ষয়ৰোগে খুলি খুলি নাইকিয়া কৰা এই বুকুখনৰ ভিতৰত মৰিশালীৰ জুই জলি উঠি, সৃষ্টিৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবৰ ইচ্ছা কৰে। বলিয়াৰ দৰে সমাজক আক্ৰমণ কৰোঁ।...সমাজ, মিছাৰে ভৰা এই সমাজ! মানুহৰ সুখৰ, মানুহৰ শান্তিৰ, মানুহৰ কামনা-বাসনাৰ চিৰন্তন শত্ৰু এই সমাজখন। ইচ্ছা হয় লৰ মাৰি গৈ এই বৰ্ব্বৰ সমাজ খনৰ টেটুত চেপা দি গৰকি ধৰোঁ, চিৰদিনৰ কাৰণে মানুহৰ এই চিৰন্তন শত্ৰুটোক ধ্বংস কৰি দিওঁ। পাহৰি যাওঁ ক'ত আছোঁ, কি কৰিছোঁ, আত্মবিস্মৃত মই অকণিক সোধোঁ "সমাজ মানানে তুমি অকণি, ভয় কৰানে এই বৰ্ব্বৰ তেজ-খকুৱা সমাজ খনলৈ? মানানে এই সমাজ খনক যি তোমাক টানি আনি মোৰ ওচৰত বলি দিছে, তোমাক মোৰ পৰা মুক্তিৰ বাট দুৰ্গম কৰি থৈছে।—

অকণিয়ে নামাতে। অকণিয়ে নাজানে সমাজ কিয় মানুহৰ শত্ৰু, নাজানে কিহত সমাজৰ সাৰ্থকতা। বিদ্ৰোহৰ তুঁহ জুই তাইৰ অন্তৰত জ্বলা নাই, তাই জানে মাথোঁ অনন্ত শান্তি আৰু তাৰ আনন্দ। তাই জানে সমাজৰে তায়ো এটি জীৱ, তাৰে মাজত তাইৰ জীৱনৰ ভূত ভবিষ্যত, তাতে তাইৰ সাৰ্থকতা বা অসাৰ্থকতা।

অকণিয়ে নামাতে; তথাপি বলকি থাকোঁ। বাধাৰ বান্ধোন আজি ছিগি গৈছে মোৰ। ভাবোঁ অকণি বিদ্ৰোহিনী নহয় কিয়, বিদ্ৰোহ নকৰে কিয় অকণিয়ে এই মানুহৰ হিয়াৰ দাম নুবুজা সমাজ খনৰ বিৰুদ্ধে।

......"নিদিবা অকণি, স্বাৰ্থপৰ এই সমাজ খনৰ স্বাৰ্থৰ কাৰণে তোমাৰ এই দীঘল ভবিষ্যতটো বলি নিদিবা। সমাজ নামানিবা তুমি, একো কৰিব নোৱাৰে তোমাক

এই ঠুনুকীয়া সমাজ খনে। শুচি যাবা তুমি, জীৱনটোক সাৰ্থক কৰি তুলিবা, যাকে ভাল পোৱা তাকে তোমাৰ কৰি লবা। বাৰৌ হৈ কান্দি কান্দি মৰিবলৈ তোমাক মই অনুৰোধ কৰিলো, অকণি। মোক চিনি লোৱা তুমি। আজীৱন তোমাৰ লগত মই জুৱা খেলিছোঁ। চিৰকাল তোমাক ঠগিছোঁ, এদিনো তোমাক তোমাৰ প্ৰাপ্য দিয়া নাই। মোৰ কাৰণেই তোমাৰ এই পৰিণতি অকণি জানিশুনি ইচ্ছাকৰি মৰিবলৈ তোমাক মাতি আনিছোঁ, নিজ হাতেৰে তোমাক মাৰিছোঁ। কিন্তু মৰিবৰ আগেয়েহে তোমাক চিনি পাইছোঁ অকণি, কিন্তু এই চিনাকি যে আৰু নহয়। তথাপি মোক তুমি মানুহ কৰিলা অকণি......পিশাচ মোকো তুমি তোমাৰ নাৰীত্বৰ মহিমাৰে মানুহ কৰি থৈ গলা।......

ভাওনাৰ ভাও মুখস্থ কোৱাদি কিবোৰ যে কৈছোঁ, ক'ব নোৱাৰোঁ। ওচৰত কোনোবা থকা হ'লে হয়তো ক'লেহেঁতেন—বলিয়া। অকণিয়েও হয়তো ভাবিলে তাকে। আমলী অকণিয়ে উচুপি উচুপি ক'লে...... "এইবোৰ কিনো বলকি আছে আপুনি। শুই থাওক মনে মনে। মই কি কৰো ভাবিব নালাগে বাৰু। পৰমেশ্বৰ আছে, তেৱেঁই এনেকুৱা কৰিছে, তেৱেঁই উপায় দিব, বাট দেখুৱাব।......

..."মিছা, মিছা অকণি, শিলৰ ঈশ্বৰে তোমাক উপায় নিদিয়ে, বাট নেদেখুৱায়। ঈশ্বৰ নাই অকণি, বলিয়াৰ বলিয়ালি সেইবোৰ। এচপৰা শিলৰ ওপৰত ভাৰসা কৰি নিজেই নিজক মাৰিবা তাৰ বাহিৰে আৰু একো নহয়।"......

..."ইস্! ইস্! নাপায় তেনেকৈ কব ছিঃ। দয়াময় নৰনাৰায়ণ"..."অকণিয়ে দুই হাত জোৰ কৰি ওপৰৰ ফালে হাত তুলি সেৱা কৰিলে। ভাবিলে বোধ কৰোঁ, তাইৰ ক্ষমা ভিক্ষাত গলি তাইৰ ঈশ্বৰে মোৰ দোষ ক্ষমা কৰিব।...মই কেৱল চাই থাকিলো একেবাহে অকণিৰ ঈশ্বৰ-ভক্তি। মূৰ্খামি?...মূৰ্খামি জানো, বলিয়ালি জানো তাইৰ এই আচৰিত ঈশ্বৰ-ভক্তিটো? লিখা-পঢ়া নজনা সৰল অকণি। হাঁহি উঠে তাইৰ ঈশ্বৰটোৰ কথা ভাবিলে। সেই ঈশ্বৰেই মাৰি বেচেৰীক এদিন!......হঠাৎ মনত পৰি গ'ল লিলিলৈ অকণিক যদি কওঁ সতী বুলি?...লিলিক?......

## —ছয়—

ঠিক ডাৱৰ চপৰাৰ দৰেই জীৱনটো অকণ অকণকৈ বিশাল শূন্যতাত মিলি যাবলৈ ধৰিছে। হোলোকা হোলোক তেজৰ লগত জীৱনীশক্তিটো টুকুৰা-টুকুৰ কৈ সৰি পৰিছে। চিকিৎসা! সঁচা কথা ক'বলৈ গ'লে চিকিৎসা মই কৰোৱা নাই। কি হ'ব জীয়াই থাকি কিহেৰেই বা জীয়াই থাকিম? কি যে ভীষণ অৱস্থা এইটো—মৰিম মৰিম বুলি জীয়াই থকা—নিশ্চিত মৃত্যুৰ কাৰণে হাত সাৱটি বাট চাই বহি থকা!

অকণি আছে, সকলো আছে আগৰ দৰে। মই হয়তো দুখোজমান বেছি আগবাঢ়িছোঁ মোৰ যাত্ৰাপথত কিনো বৰ ডাঙৰ কথা সেইটো! ঈশ্বৰৰ আগবাঢ়ি থকা অত্যাচাৰটোৰ বিভীষিকাই অকণিৰ ঈশ্বৰ-নিষ্ঠা কঁপাই তুলিছে, অকণিয়ে হয়তো লাহে লাহে সন্দেহ কৰিবলৈ আৰম্ভ কৰিছে তাইৰ সেই সকলো দয়াৰ আধাৰ ঈশ্বৰ জনক।

......"তৰুণদা, তৰুণদা...তৰুণদা আছেনে ঘৰত .. কোন আছে ঘৰত? অলপ বাহিৰলৈ...

পুতুলক পঠিয়াই দিলো। শুনিলো তাক সুধিছে কোনোবাই—"তৰুণদা আছেনে ইয়াত?" তুমি যেখেত কিবা হোৱানেকি"...নতুন মাত যেন লাগিল, তথাপি যেন আগেয়ে শুনিছোঁ কৰবাত। 'তুমি তেওঁৰ কিবা হোৱা নেকি'—কোমল মাতৰাৰ সতা মানুহৰ মাত নিশ্চয় নহয় কোননো...লিলি নহয়তো!......অকণমান লৰা দি লৰ মাৰি আহি কলেহি দেউতা এজনী তিৰোতা আহি কোনোবা এজনে তোমাক মাতিছে।

...এজনী তিৰোতা'......মোক মাতিছে। বৰ কষ্টেৰে লাহে লাহে মাত দিলো—"কোননো, ভিতৰলৈকে সোমাই আহক।" সতা মানুহ অহা শুনি তিৰোতাজনী কোন চাবলৈকো হেপাহ নকৰি অকণিয়ে ওৰণিখন টানি একেচাৰে ৰতে ভিতৰ সোমালগৈ।



..."কিয়ে হলা দাদা তুমি। বিচনাত পৰি পৰি এনেদৰে ভুগিবা তথাপি খবৰ নিদিয়া"......মূৰটো তুলি চালোঁ—ভৰিপথানত লিলি। সকলো ঘূৰিবলৈ ধৰিলে মোৰ চাৰিউকালে। লিলি...লিলিয়েইতো...এইজনী লিলি নহয় কোন? নিজকে বিশ্বাস কৰিব পৰা নাছিলো।

হঠাৎ টোপনি ভগা মানুহটোৰ দৰে সাৰ পাই বাস্তৱলৈ উভতি আহিলোঁ। হয় লিলি।..."ইস্ ইস্ কিয় বহিছা ভৰিপথানত ছিঃ, নাপায়, উঠা।...নোৱাৰা সত্বেও নিজৰ হাতেৰে তাইক ঠেলি দিলোঁ ভৰিপথানৰ পৰা।..."সেই চকীত বহা লিলি!... শুভক্ষণ এক মিনিটৰ কাৰণে পাহৰি গৈছিলো, পাহৰিছিলো মোৰ দেহত শিপাই উঠা যক্ষ্মা বেমাৰটোক। নোহোৱা হ'লে লিলিক সুচুলোহেঁতেন, যক্ষ্মাত পঙ্গু এই দেহটোৰে তাইৰ গাত বেমাৰৰ বীজ সিচি নিদিলো-হেঁতেন...ভুল কৰিলো। যক যি হবৰ হ'ল।

লিলিৰ চকুত পানী।..লিলি আহিছে, সপোন নহয় সঁচাকৈয়ে আহিছে। যক্ষ্মাত মৰিবলৈ বাট চাই থকা তৰুণ দাদাকক তাই আজি চাবলৈ আহিছে শেষবাৰৰ কাৰণে। ই আকৌ কি নতুনৰ সূচনা, যাবৰ বেলিকা ই আকৌ কিহৰ আকৰ্ষণ, কিহৰ মায়া। কিয় আহিছে লিলি যাবৰ বেলিকা মোক বাধা দিবলৈ?

মৰণৰ দুৱাৰদলিটোৰ ওপৰত এখন ভৰি দিয়ো লিলিক দেখিলে মোৰ জীয়াই থাকিবৰ হেঁপাহ হয়। মই মৰো, লিলিক মই পাম! তাইৰ আগত মোৰ সুমাব নোৱা জীৱন শলিতাডাল সুমাওঁ সুমাওঁকৈও সুমাব নোৱাৰে—ধৈ ধৈ জ্বলি উঠে।

আবেগত অধীৰ হৈ পৰিলো। লিলি...লিলি। চিঞৰি দিলো—"অকণি, অকণি, বেগতে আহা, চোৱাহিচোন এইজনী কোন! অকণি..."

অকণি নাহিল, পৰপুৰুষৰ আগত ওলোৱা নিয়ম হয়তো তাইৰ নাই।

আকৌ মাতিলো। কিন্তু চক খাই গলো। বুকুখন ঢপ্‌ঢপ্‌কৈ কঁপি উঠিল, কিয় মাতিছো তাইক—তাই যদি জানি পেলায় এইজনীয়েই সেইজনী যাৰ কাৰণে তাইৰ জীৱনভৰা পূজাক মই ভৰিৰে লথিয়াই দিছোঁ, তাইৰ জীৱনটোক ব্যৰ্থ কৰি দিছোঁ,...বুজে যদি তাই এইজনীৰে কাৰণেই তাইক এদিনো হিয়াৰ ভালপোৱা দিব নোৱাৰিলো মই। কি বুলি ভাবিব তাই মোক?

কল্পনাই উটুৱাই লৈ গৈছিল মোক, সাৰ পালো—আকৌ উভতি আহিলো লিলিৰ ওচৰলৈ।...ইস কিয়ে অভদ্ৰ মই, অথনিৰেপৰা আহি বহি আছে এষাৰ মাতো দিয়া নাই। কি বুলি ভাবিছে চাগৈ মোক। একৰকম অসংলগ্ন ভাবেৰেই ক'লো "বেয়া নাপাব,......অতপৰ বহি আছে কথা এটাও সুধিব পৰা নাই।...আপুনি...আপুনি বোধহয় চিনি নাপায় মোক, নহয়নে?...নাপাব কিয় মইহে কিবাথন কৈছোঁ...লিলিয়ে নিশ্চয় আগতে মোৰ কথা কৈছে আপোনাক...সেই অকণমানৰেপৰা দেখিছো তাইক, ইমানটিৰেপৰা...ভনী তাই মোৰ, বৰ মৰমৰ সক ভনী তাই মোৰ...।

তেওঁ হয়তো আচৰিত হৈছিল মোৰ কথা কোৱাৰ ধৰণ দেখি। ইমান থৰকৈ...ইমান লাগবান্ধ নোহোৱাকৈ কথাবোৰ কৈছিলো মই। হওক,...বুজিছেতো মই লিলিৰ কোন।...

তেওঁ উত্তৰ দিবলৈ নাপালে, আধা ভঙা মাতেৰে লিলিয়ে ক'বলৈ ধৰিলে—

..."ইমান নিষ্ঠুৰ তুমি দাদা! এনে বেমাৰত ভুগিছা, ইমান কষ্ট পাইছা, তথাপিতো এবাৰ মোক খবৰ দিবলৈ তোমাৰ মনত নপৰিল। তোমাৰ মই মৰমৰ, বৰ মৰমৰ ভনী, সেইকাৰণেইতো মনতে নপৰিল তোমাৰ"...আৰু ক'ব নোৱাৰিলে তাই। কান্দিবলৈ ধৰিলে।

..."বহুত কথা লিলি! "পাৰিলোহেঁতেন খবৰ দিব তোমাক; কিন্তু...দিয়া আৰু হৈ নুঠিল।...মন গৈছিল কৈ দিম তাইক খবৰ দিবলৈ মোৰ একো নাই। খবৰ দিয়াৰ দৰকাৰো নাই, লাভো নাই। মিছাতে তাইক একমুহূৰ্ত্তৰ কাৰণেও দুখ দিবৰ ইচ্ছা মোৰ নহল। এদিন পাপ কৰিছিলোঁ, কিন্তু ক্ষমা বিচাৰিবলৈ পাহৰি গৈছিলোঁ। সিমান ডাঙৰ দোষত দোষী মই...কি বুলি খবৰ দিম তাইক?...কিন্তু নকলো।

লিলিৰ গিৰীয়েক দেৱীয়ে নিৰ্ব্বাক হৈ চাই বল আমি ছুটাৰ কালে। তেওঁ:তো নাজানে মই লিলিৰ কোন, লিলি মোৰ কোন। তেওঁতো নাজানে তেওঁৰ লিলিৰ লগত বাহিৰা এজন "দাদাৰ" কি সম্বন্ধ।

বেমাৰৰ কথা সুধিলে দেৱীয়ে—চিকিৎসা কেনে কৰাইছোঁ। কি ক'ম? লাজ লাগিল। যি হক ক'লো "কৰাইছোঁ যি পাৰিছোঁ।"

..."কৰাইছা কিটো? চিকিৎসা কৰাইছা তুমি দাদা!" ...মোৰ কথাষাৰ অন্ত হবলৈকে নাপালে, লিলিয়ে মুখৰ ওপৰতে কৈ দিলে।..."কিযে অদ্ভুত মানুহ তুমি!"... লিলিয়ে শেষ কৰিলে।

অদ্ভুত মানুহ মই, অদ্ভুত? ভাবিলো, কিহত পালে তাই অদ্ভুত মোক? অদ্ভুত হৈছোঁ কিয়? লিলিয়ে নাজানে? কোনে জানে? হয়তো নাজানেই তাই।...মই যে তাইৰ মৰমৰ দাদা।.....কিয় নাজানিব, জানিবই লাগিব তাই, জানিবলৈ তাই বাধ্য।

বহুত কিবাকিবি কবৰ মন গৈছিল। কোৱা আৰু নহল। অৱস্থাৰ বিপৰ্য্যয় আৰু জীৱনৰ সোঁতে আনি আজি যত পেলাইছেহি তাত আছে শুদা ভাব, ভাষা নাই; আছে অনুভূতি, প্ৰকাশ নাই; আছে বেদনা, সহানুভূতি নাই।

লিলিয়ে হয়তো পাহৰি গ'ল দেৱী আছে বুলি। অকণো ভয় নকৰিলে তাই...কৈ পেলালে..."কিয় মোক ভুল বুজিলা দাদা? ক্ষমা মোক তুমি নকৰিলা। সেই পাপে, তোমাক দিয়া আঘাতে মোকো যে চুলে, মোৰ জীৱন যে ধ্বংসৰ বাটত।" লিলি উচুপিবলৈ ধৰিলে।

নুবুজিলোঁ লিলিৰ কথা। কি ভুল বুজিলোঁ তাইক মই? তায়ে নুবুজিলেনে ময়ে নুবুজিলোঁ?

...কথা নাই বতৰা নাই কান্দি থকা লিলি একে আপে ঠিয় হ'ল......"নকওঁ ক'তা, নকওঁ ক'তা দাদা?"... তাই ভিতৰ পালেগৈ। ..পাগলী লিলি, মনত পৰিল অতীতৰ সেই লিলিলৈ।...অকণি আহিছে, লিলিয়ে তাইক একৰকম টানি লৈ আহিছে। "আমাৰ ওচৰত আকৌ তোমাৰ লাজ!"...বেচেৰী অকণি, নিস্পন্দ তাই...লাজতে তাই মুচকচ যোৱা যেন হৈছে।

মুখৰ মাত আটাইবে হৰিল। নিস্তব্ধ এই নবীয়াৰ কোঠালীত চাৰিটা প্ৰাণীয়ে নীৰৱে থাকিও কিহবাৰ এটা গোলমাল আনি দিলে। কথাৰ নহয়, কথা নোহোৱাৰ— ভাবৰ, দৃষ্টিৰ, উশাহৰ, বেদনাৰ।

...অপ্ৰকাশৰ বেদনা মোৰ।



# জনপ্ৰিয় নবীন বৰদলৈ

—শ্ৰীযুত মহাদেৱ শৰ্ম্মা

অভিশপ্ত অসম!! তোমাৰ ভাগ্য বিপৰ্য্যয়ৰ তুলনা জগতত বিৰল! তোমাৰ দুঃখ-দৈন্যৰ বেদনা, তোমাক কটু-কাটব্য, বিদ্ৰূপ বিদ্বেষ কৰাৰ বেদনা, আওকাণ-অৱহেলা কৰাৰ বেদনা, তোমাৰ আশা-আকাঙ্ক্ষাৰ প্ৰতি অনাহুত তীব্ৰ কটাক্ষ কৰাৰ বেদনা, যাৰ মুখলৈ চাই অলপ পাহৰিছিলা সেই 'নবীন বৰদলৈ' আৰু ই জগতত নৰ দেহা লৈ নাই! তুমি পৰাৰ্থে নিজক তিলে তিলে দান কৰিও যেনেকৈ লাঞ্ছিতা, অপমানিতা, সেই ভাগ্য বিপৰ্য্যয়ৰ ফলতেই আজি তোমাৰ আচলৰ ধন, তোমাৰ শ্ৰেষ্ঠ ৰত্ন অপ্ৰত্যাশিত ভাৱে তোমাৰ হাজাৰ হাজাৰ আন সন্তানৰ কৰুণ নিবেদন আওকাণ কৰিও ভগৱানে নিজৰ কাষলৈ টানি নিলে! তোমাৰ মুখ জুৰাবৰ ঠাই আৰু অন্ধকাৰ হ'ল! 'বৰদলৈৰ' কাল হ'লেও আজি গোটেই অসমে অকাল মৰণৰ কথা কিয় কয়? 'বৰদলৈ' হেন পুৰুষৰ অকাল মৰণ হ'ব পাৰেনে? যিমানেই কি নহওক বৰদলৈদেৱৰ তেনে ভাগ্যহীন লোক নাছিল। বৰং তেওঁ ভাগ্যৱান পুৰুষহে। অকাল মৰণ বুলিছো আমাৰ পক্ষে। দেশৰ পক্ষে এই প্ৰয়াণ অকাল মৰণ। দেশৰ এই দুৰ্দিনত বৰদলৈৰ দৰে এজন কৰ্ম্মবীৰৰ মহাপ্ৰস্থান নিশ্চয় অকাল বুলিব লাগিব। যি সময়তে যাৰ প্ৰয়োজন বেচি হ'ল সেই সময়তে অসম মাতৃৰ কোলা উদং কৰি কালে দুৰ্ভাগ্যৰ আমাক খিয়াল কৰাত আমাৰ জননী অভিশপ্তা নহয় নে? আমাৰ জননী অকল ৰাজনীতি ক্ষেত্ৰতে, ভাৰতৰ জগতত কৰ্ত্তাসকলৰ অৱহেলাত অভিশাপগ্ৰস্তা যেন নহয়; ভগৱানৰ বিধানেও তাকেই সময়ত সমৰ্থন কৰা দেখা পালে হৃদয় আকুল হৈ উঠে! ভবিষ্যতৰ ফালে আশাৰ ক্ষীণ ৰেখা এটাও দেখা পোৱা নাযায়।

কিন্তু নশ্বৰদেহা পৰিত্যাগ কৰি যোৱাৰ পিছতো 'বৰদলৈদেৱৰ' অসমৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰি গৈছিল তাৰ ঘাই বিশেষত্ব কি? এজন নিৰ্ভীক যোদ্ধা! 'বৰদলৈ' বুলিলে আমি অকল ৺নবীনচন্দ্ৰ বৰদলৈকে বুজোঁ। আমাৰ চকুৰ আগত ফুটি উঠে এটি বীৰোদৃপ্ত, উন্নতশিৰ, তেজোগৰ্ব্ব ছবি, আমাৰ অন্তৰত জাগি উঠে কৰ্ম্মৰ প্ৰেৰণা আৰু হৃদয় শ্ৰদ্ধাত ভৰি উঠে। যাৰ স্মৃতি মাত্ৰে মানুহক কৰ্ম্ম প্ৰেৰণা দিয়ে তেওঁ নিজে কিমান খিনিলৈকে নিজক কৰ্ম্ম প্ৰচেষ্টাৰ ভিতৰত আবদ্ধ ৰাখিবৰ শক্তি পাইছিল ভাবি চাওক। দেশে সেই কাৰণে হাহাকাৰ কৰি ক'ব লগাত পৰে কৰ্ম্মবীৰ নবীনচন্দ্ৰ আজি মৰ জগতত নাই।

বৰদলৈদেৱৰ জীৱনৰ আগডোখৰ কালৰ কথা নকওঁৱেই ১৯১৪ চনৰ পৰাই বিশেষকৈ তেখেতক দেশ সেৱা কাৰ্য্যত আত্মনিয়োগ কৰা দেখা পাওঁ। তেতিয়াৰ পৰা কি শ্ৰদ্ধাৰে কি ঐকান্তিক নিষ্ঠাৰে মাতৃসেৱা কৰি গ'ল জীৱনৰ শেষ নিশ্বাস থাকে মানে! জীৱনত আপোন মাতৃতো বৰ ভক্ত আছিল। কলিকতা হাইকোৰ্টত এড্‌ভোকেট থকাত যেতিয়া মাতৃদেৱীৰ অসুখৰ খবৰ শুনিলে তাৰ কাম এৰি থৈ ততালিকে মাকৰ ৰোগ শয্যাৰ কাষ চাপিল। মাকৰ আগ্ৰহ আৰু আন জঞ্জালত বাধ্য হৈ হাইকোৰ্টৰ ওকালতি এৰি দি আকৌ গুৱাহাটীত নিগাজী হৈ ৰহিল। মাতৃৰ সেই আহ্বান যদি অস্বীকাৰ কৰে তেন্তে উকীল 'বৰদলৈ' আজি 'জনপ্ৰিয়' বৰদলৈ হ'ব পাৰিলেহেঁতেননে সংশয়ৰ কথা। অকল শক্তিমান হ'লেই নহয় সেই শক্তি প্ৰকাশৰ সুযোগো মানুহৰ হাতত পৰিব লাগে।

সেই ১৯১৪ চনৰপৰা আৰম্ভ কৰি দেশত যিমানবিলাক সমস্যাই দেখা দিছে সেইবোৰ সমাধান কৰাত বৰদলৈদেৱৰ আছেই দেখিব। সৰু ডাঙৰৰ ব্যৱধান নাই। যতে বিচাৰে

বৰদলৈদেৱক পাবই। সম্প্ৰতি আমাৰ দেশত যি সাম্প্ৰদায়িক বিৰোধ ভাব অসমীয়া আৰু আন-অসমীয়াৰ মাজত দেখা দিছে তাৰ মূলীভূত কাৰণ বিশ্লেষণ কৰি সিদিনা ৰোগ শয্যাৰ পৰাও যি মুকলি চিঠিৰ জৰিয়তে কলিকতাৰ "আনন্দ বাজাৰ পত্ৰিকাৰ" যোগে প্ৰথম প্ৰকাশ কৰিলে তাত অন্তৰ্দৃষ্টি কিমান আছে পঢ়িলে বুজা যায়। সেই চিঠি খনে উভয় দলকে মীমাংসাত যে যথেষ্ট সহায়তা কৰিব এই বিষয়ে সন্দেহ নাই। আন্তৰিকতাৰে কোনো কথা অনুভৱ নকৰিলে প্ৰকৃত তথ্য প্ৰকাশ কৰিব নোৱাৰি বৰদলৈদেৱে প্ৰকৃত তথ্যকে তাৰ জৰিয়তে প্ৰকাশ কৰিলে।

বৰদলৈদেৱৰ জীৱনৰ প্ৰধান লক্ষণ আছিল এই আন্তৰিকতা! যি কথাত ধৰিব, মৰিমুজি লাগিব, এই আছিল তেখেতৰ স্বভাৱ। সেই কাৰণে দেশ-সেৱা ভাব আন্তৰিকতাৰে গ্ৰহণ কৰা বাবেই তেখেতে সেই ১৯২০-২১ চনৰ পৰা শেষলৈকে কংগ্ৰেছ মহাসভাৰ কাৰ্য্যপন্থাতে অবিচলিত বিশ্বাস ৰাখি যথাশক্তি সেই মতে কাম কৰি গৈছে। সককালৰে পৰা সুখত উঠি, নিজে সুখত থাকিবৰ যোগ্য হৈও দেশৰ কাৰণে কি কষ্টকে তেখেতে বৰণ নকৰিলে? তথাপি অবিচলিত চিত্ত। কৰ্ত্তব্য কাম নিৰূপিত সময়ত নিয়মমতে কৰি যাবই। এই আন্তৰিকতা থকা বাবেই আজি দেশবাসীয়ে হতাশ হৈ ভাবিছে—আমাৰ হকে আৰু কোনে এনে ভাৱে আন্তৰিকতাৰে কাম কৰিব?

কৰ্ত্তব্যৰ সময়ত বৰদলৈদেৱ বৰ কঠোৰ আছিল যদিও সকলোৱে তেখেতক অতি কোমল অন্তঃকৰণৰ মানুহ বুলিয়েই সদায় গণ্য কৰি আহিছে। পৰৰ দুঃখত কোমল হ'লেও কৰ্ত্তব্যৰ সময়ত কোমল হৈ তেখেতে কেতিয়াও জীৱনত লক্ষ্যভ্ৰষ্ট হোৱা নাই। কেতিয়াবা কৰবাত কিবা অলপমান ত্ৰুটী দেখিলে কেতিয়াও সহ্য নকৰে আৰু তেখেতৰ স্বভাৱ সুলভ স্পষ্টবাদীতাৰে ভাল বেয়া বিচাৰ নকৰি মুখৰ ওপৰত ক'ব লগা কথা নিঃসঙ্কোচে কৈ পেলায়। আমি এনে ধৰণৰ ব্যৱহাৰত কেতিয়াবা পোনতে অপদস্থ হোৱা যেন পাইছোঁ। কিন্তু পিছত দেখো যে 'বৰদলৈদেৱে' ঠিকেই কৰিছিল। এটা সাধাৰণ উদাহৰণ দিলেই এই বিষয়ে স্পষ্ট ধাৰণা হ'ব।

সেই সময়ত তেজপুৰত ৪ টা ৰাজনৈতিক মোকৰ্দ্দমা (১ ৪ ক আৰু ১০৮ ধাৰাৰ)। এটা তাৰিখত বৰদলৈদেৱ গৈছিল আচামীৰ পক্ষ সমৰ্থন কৰিবলৈ। মোকৰ্দ্দমা কেইটাত তেজপুৰত যথেষ্ট চাঞ্চল্য দেখা গৈছিল। ২০।২২ মাইল দূৰৰপৰাও কংগ্ৰেছ সেৱকসকল ৰাতি থকাকৈ আহি মোকৰ্দ্দমা চাইছিল। স্বাভাৱিকতে 'বৰদলৈদেৱ' যোৱাত সেৱকসকলে মোকৰ্দ্দমাৰ অন্তত সেৱাদলৰ নিয়মমতে তেখেতক সম্মান জনাবলৈ দল বান্ধি গ'ল। স্বৰ্গীয় পৰমানন্দ আগৰৱালা ডাঙৰীয়াৰ ঘৰৰ সমুখৰ বহল চোতালত সকলোৱে ঠিয় হৈ অভিবাদন জনালে। উত্তৰত বৰদলৈ ডাঙৰীয়াই সেই সেৱকসকলক ধন্যবাদ দিয়াৰ কথাই নাই বৰং টান কথাহে শুনাই দিলে। তেওঁবিলাকৰ প্ৰতি তেনে কঠোৰ ব্যৱহাৰত আমি বৰ বেয়া পাইছিলোঁ। আমাৰে আলহী হিচাবে তেখেতক পোনপতীয়াকৈ একো ক'বও নোৱাৰিলোঁ। পিছত তেখেত যাবৰ সময়ত ভিতৰুৱাকৈ সোধাত তেখেতে ক'লে "সেৱকসকল যেন কৰ্ত্তব্য কামত কঠোৰ হ'ব পাৰে সেইবাবে মই কোনো কোমল মাত দিয়া নাই। যাকে ভাল পাম প্ৰয়োজন হ'লে টান কথাও শুনাম"। এনে আন্তৰিকতা, স্পষ্টবাদীতা, সৰল স্বভাৱ কেইজনৰ, কত?

ৰাজনীতি ক্ষেত্ৰত তেখেত কোনো অনুষ্ঠানতে নতুন নহলেও সম্প্ৰতি ভাৰতীয় ব্যৱস্থা পাৰিষদত প্ৰৱেশ কৰি নিজৰ যোগ্যতা অনুসাৰে গোটেই ভাৰতৰ শ্ৰদ্ধা, আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ লগে লগে নিঠুৰ কালে টানি নিলে আমাৰ মাজৰ পৰা। কম দুঃখত অভিশপ্ত অসম আৰু অসমীয়া জাতি বোলা নাই। বৰদলৈদেৱৰ অন্তৰ্দ্ধানত অকল যে অসম ক্ষতিগ্ৰস্ত হৈছে এনে নহয় ভাৰতমাতাৱো এটি শ্ৰেষ্ঠৰত্ন হেৰাইছে। স্বাধীনতা লাভৰ কাৰণে কঠ্ৰ-তাগ মন্ত্ৰত দীক্ষিত হোৱা অগ্ৰণিসকলৰ ভিতৰত কৰ্ম্ম যোগ্যতাৰে নিজক প্ৰতিষ্ঠা কৰিছিল এচুকৰ অসমৰ বৰদলৈয়ে নিজ প্ৰতিভাৰে ভাৰতত।

তেখেতৰ বহুমুখী প্ৰতিভাৰ কথা ইমান কম কথাৰে



...ৰে পৰিচয় দিয়া অসম্ভৱ। তথাপি স্মৃতিমাত্ৰে মনত ...২।৪ টা গুণৰ মাথোন আলচ কৰি আমাৰ যে কিমান ...ৰ নোৱাৰা ক্ষতি হ'ল তাকে আমি অতি সংক্ষেপে ...ৰ চাবলৈ চেষ্টা কৰিছোঁ। জীৱনী আলোচনাৰ লগে ...ে তেখেতৰ আন আন বিষয়ৰ প্ৰতিভাৰ বিষয়ে ক্ৰমাৎ ...শিত হ'ব। গুণমুগ্ধসকলে তৎপৰতাৰে সৈতে সেইবোৰ ...ে প্ৰকাশ কৰিব বুলি আমাৰ ডাঠ বিশ্বাস।

বৰদলৈদেৱে অসমীয়া সমাজৰপৰা সদায় সম্মান পাই ...হিছে। পোণেই তেখেত তেতিয়াৰ দিনৰ একমাত্ৰ ...জনৈতিক প্ৰতিষ্ঠান "অসম এছ'ছিয়েশ্যনৰ" সভাপতি ...। সকলোৱে তেখেতৰ গুণৰ আভাষ আগেয়ে পায়েই ...ই সম্মান দিলেও এই কাৰ্য্য এনে দক্ষতাৰে পৰিচালনা ...ৰিলে যে তেতিয়াৰপৰা সমাজত তেখেতৰ প্ৰতিষ্ঠা ভাল ...ৰ লাভ হ'ল। অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ ...লৈকে অসমত কংগ্ৰেছ মহাসভাৰ কাম সিমান দৰে ...ৱা নাছিল। আবেদন-নিবেদনৰ যুগতো বৰদলৈদেৱৰ ...যোগ কংগ্ৰেছত আছিল। তেতিয়া আছিল সেৱক ...হিচাবে। যেতিয়া কৰ্ম্মপন্থা অৱলম্বন কৰি কংগ্ৰেছৰ ...ৰিয়তে ভাৰত স্বাৱলম্বী হিছাবে নিজক যোগ্যৱান ...কৰিবলৈ চেষ্টা কৰিছিল, সেই প্ৰচেষ্টাত অসম পাছ পৰা ...নাই। আৰু সেই প্ৰচেষ্টাৰ গুৰিত যি সকল আছিল তাৰ ...শ্ৰেষ্ঠতম জনপ্ৰিয় নেতা আমাৰ বৰদলৈ ডাঙৰীয়া।

কাৰ্য্যক্ষমৰ উপৰিও বৰদলৈদেৱৰ আছিল উদাৰ প্ৰকৃতি। এই উদাৰতাৰ কাৰণেই সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল। ছাত্ৰ সমাজ আৰু হৰিজনসকলেও এই উদাৰতাৰ কাৰণে ভাল পাইছিল। গৰীব-দুখীয়ে বৰদলৈৰপৰা আৰ্থিক সহায়, আতুৰ বিপন্নই সাহায্য আৰু পৰামৰ্শ উপদেশ আদি সমানে পাই আহিছিল। বৰদলৈদেৱ সেই কাৰণেই আছিল সৰ্ব্বজনপ্ৰিয়। তেখেতৰ অকপট সৰল স্বভাৱত সকলো মুগ্ধ হৈছিল।

বৰদলৈদেৱৰ অভাৱত অকল অসমৰে যে ক্ষতি হ'ল এনে নহয়, ভাৰত মাতৃৰো যথেষ্ট ক্ষতি হ'ল। সিদিনা ব্যৱস্থাপক সভাত তেখেতৰ বিয়োগ বাতৰি পাই সভা স্থগিত প্ৰস্তাৱ প্ৰসঙ্গত বেলেগ দলৰ নেতাসকলে বক্তৃতা দিওঁতে এই কথাকেই সমৰ্থন কৰিছে। কলিকতাৰ বাতৰি কাকতবিলাকতো একবাক্যে এই কথাই স্বীকাৰ কৰি সকলোৱে দুখ প্ৰকাশ কৰিছে আৰু লগে লগে শ্ৰদ্ধা জ্ঞাপন কৰিছে।

আজি গোটেই অসমদেশ জুৰি হাহাকাৰ উঠিছে। প্ৰত্যেক ঠাইতে নানা অনুষ্ঠানৰ জৰিয়তে শোক প্ৰকাশ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছে। * * *

বৰদলৈদেৱৰ তিৰোভাৱত আমি অকল শোক বেজাৰ কৰিলেই নহ'ব। বৰদলৈদেৱৰ গুণৰাজী অৱলম্বন কৰি আমি প্ৰকৃতভাৱে তেখেতৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাহে কৰ্ত্তব্য। * * *

—সম্পাদকীয়, প্ৰতিভা।



# স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ

—শ্ৰীযুত ঈশ্বৰপ্ৰসাদ চৌধুৰী বি-এল

**কুলপৰিচয় ঃ**—জন্ম, উত্তৰ গুৱাহাটীৰ মাজভাগত। জন্মৰ সময়ত সপোনত উমানন্দৰ সন্ন্যাসীয়ে কৈছিল যে সুন্দৰ লৰা এটিৰ জন্ম হ'ব আৰু বংশৰ মুখ উজলাব। পিতৃদেৱতাই কৈছিল যে চাৰিজন লৰাৰ ভিতৰত এজন
কপাল জ্বলে।



৺ নবীনচন্দ্ৰ বৰদলৈ

**বাল্যজীৱন ঃ**—গুণ—দয়াৰ্দ্ৰ। মাকৰ গাৰ কাপো
টানি নি মগনীয়াকক দিছিল। ধু
আছিল, অথচ প্ৰিয়বস্তু দান কৰি
পৰিছিল। তেখেতৰ পিতৃভক্তি আদৰ্শ
আছিল। পিতাকৰ বৃদ্ধ বয়সত সকলে
কাৰ্য্যৰ ভাৰ গাত লৈ, তেখেত
অভয় দিছিল। পিতাকৰ মৃত্যু
পিছত মাকক সেৱা নকৰাকৈ তেখে
অন্ন গ্ৰহণ নকৰিছিল। তেখে
পীতৃবৎসল আৰু নিৰ্ভীক আছিল
সৰু কালত তেজপুৰত লিখা প
শিকিছিল। ছাত্ৰজীৱনত সঙ্গীত আ
সাহিত্য বৰ প্ৰিয় আছিল। স্কু
থাকোঁতে ধৰ্ম্মসঙ্গীত লিখি ছপাইছি
পঢ়াশুনাত আগডোখৰত ধাউ
নাছিল। ছেকেণ্ড ক্লাছৰ
দেউতাকৰ উপদেশ মতে ধাউ
বাঢ়ে আৰু শ্ৰেণীত সদায় প্ৰথম হ
এণ্ট্ৰেন্স পৰীক্ষা ডিব্ৰুগড়ত দি
জৰৰ গাৰেই পৰীক্ষা দি বৃত্তি প
কলিকতাত প্ৰথমে ছেণ্টজুভিয়া
(St.Xaviers) কলেজত এফ-এ আ
প্ৰেছিডেন্সি কলেজৰপৰা বি-এ, প
কৰে। প্ৰেছিডেন্সি কলেজত এম
আৰু বি-এল পঢ়ে

**কলিকতীয়া জীৱন ঃ**—এ
অসমীয়া-লৰাক বঙালী লৰাই অপম
কৰাত ২৫ জন লৰাৰ বিৰুদ্ধে অক
যুদ্ধ কৰিছিল। "জোনাকী"ৰ এ
পষ্ঠলিখক আৰু উৎসাহী পৰিচাল



ছিল। অসমীয়াৰ নামৰ আগত "বাবু" গুচাই
"শ্ৰীযুত" লিখিবলৈ গৱৰ্ণমেণ্টক ছাত্ৰ অৱস্থাতে আবেদন
কৰি জনাইছিল। অসমীয়া ভাষা অসমৰ স্কুলত চলাবলৈ
তেখেতে আবেদন নিবেদন আৰু চেষ্টা কৰিছিল।



৺বৰদলৈদেৱৰ সহধৰ্ম্মিনী শ্ৰীযুতা হেমন্তকুমাৰী দেৱী

**গুৱাহাটীয়া জীৱন ঃ**—কটনকলেজ স্থাপন কৰোঁতে
তেখেতে গৱৰ্ণমেণ্টলৈ টানি লিখা লিখি কৰিছিল।
গুৱাহাটীতে তেখেতে ওকালতি ব্যৱসায় আৰম্ভ কৰে।
গুৱাহাটীত তেখেতৰ প্ৰতিটো জনহিতকৰ কাৰ্য্যৰ লগতে
যোগ আছিল। সঙ্গীত, চিকাৰ আদিত বেছি ধাউতি
আছিল। তেখেত ধনীৰ সন্তান আছিল, ব্যৱসায়ত ভাল
আছিল, ধনৰ অভাৱ নাছিল, ওকালতিত বৰ নাম
কৰিছিল। পিছত আকৌ কলিকতালৈ যায়।

তেখেতে আৰ্ল ল কলেজ চলোৱা স্কীম কৰিছিল।
সেই স্কীম গৱৰ্ণমেণ্টে গ্ৰহণ কৰে। তেখেতে ৰিপন কলেজত
বহুদিন লেকচাৰাৰ আছিল। গুৱাহাটী ল কলেজতো
বহু দিন লেকচাৰাৰ আছিল।

গুৱাহাটীলৈ পুনৰ ১৯১৫ চনত আহে। অসম
এছ'চিয়েশ্বনৰ ডিব্ৰুগড় অধিবেশনত সভাপতিত্ব
কৰিছিল।

**সাহিত্যসাধনা ঃ**—"জোনাকী", "আসাম বান্ধৱত" কবিতা প্ৰকাশিত হৈছিল।

**নাটক ঃ**—কলিকতাত লিখা,—"গৃহলক্ষ্মী" ( ছপা ), জেইলত লিখা—"কৃষ্ণলীলা" ( ছপা ), "বিষাদ কাহিনী" ( King Lear ), "দন্দুৰী দমন" ( Taming of the Shrew ), "ভ্ৰান্তি বিনোদ" ( As you Like it ), ( "Mid summer night's dreamৰ অনুবাদ খন এজন ভদ্ৰলোকে চাবলৈ নি হেৰোৱা বুলি ক'লে )।

উপন্যাস—"প্ৰশান্ত শান্তি"।

জীৱনী—"অনিতা গেৰিবল্ডি" ( ছপা ), জীৱনত ব্যস্ত থাকিও ইয়াৰ বাহিৰে গল্প, প্ৰবন্ধ আদি "চেতনাত" প্ৰকাশ কৰে। "মিলন", "বাহী" "আৱাহন" আদিতো নানা প্ৰবন্ধ প্ৰকাশ হয়।

**বুৰঞ্জী গবেষণা ঃ**—শৰাইঘাটৰ যুদ্ধৰ বৰ্ণনাত দৈৱজ্ঞ-জনৰ বিষয়ে উপলুঙা কৰি ৺হেমচন্দ্ৰ গোস্বামীদেৱে যি প্ৰবন্ধ লিখিছিল তাৰ প্ৰতিবাদ কৰি ৺বৰদলৈদেৱে প্ৰথমে লিখে আৰু সেই কলঙ্ক দূৰ কৰে।



কাৰাবাসত কৰ্ম্মবীৰ ৺বৰদলৈদেৱ

অসমত চৈতন্যদেৱৰ প্ৰাধান্য প্ৰতিপন্ন কৰিবলৈ ৺হেম গোসাঁইৰ দ্বাৰা পৰিচালিত, যি আন্দোলন হয় বেজবৰুৱাদেৱৰ লগ লাগি হুয়ো তাৰ প্ৰতিবাদ কৰে।

"ধাহীত" "কেনাৰাম ঢোল" নাম দি কিছুমান ব্যঙ্গ ৰচনা উলিয়ায়। দ্বিপীকা ছন্দৰ প্ৰাচীনত্ব সম্বন্ধে পণ্ডিত পদ্মনাথ বিদ্যাবিনোদে যি নতুনকৈ লিখা মিছা বুলি কৈছিল



৺বৰদলৈদেৱে কংগ্ৰেছৰ স্বেচ্ছাসেৱক দল পৰিদৰ্শন কৰিছে

তাক বৰদলৈদেৱে সঁচা আৰু পুৰণি সাহিত্য বুলি প্ৰমাণ কৰে।

**সঙ্গীত সাধনা :**—যদিও ভাৰতীয় সঙ্গীত বৈজ্ঞানিক প্ৰণালীৰে জানিছিল, তেখেতে তেখেতৰ ভাবপ্ৰৱণতা আদিত বেছি জোৰ দিছিল। তেখেতে ভাবানুভূতিপূৰ্ণ সঙ্গীত বেছি ভাল পাইছিল। সুৰৰ ভাবময়ী শক্তিত আত্মহাৰা হৈ থকা দৃশ্য বহুতবাৰ দেখা গৈছিল। তেখেত বৰ কৃষ্ণভক্ত আছিল। কীৰ্ত্তন, নামঘোষা, বৰগীত আদি অপূৰ্ব্ব সুৰেৰে গাই নিজে কান্দিছিল। "কৃষ্ণলীলা"ৰ গীত নিজে ৰচনা কৰিছিল। তাৰ বাহিৰেও স্বৰচিত জাতীয় সঙ্গীত বহুত আছে। ছাত্ৰজীৱনৰপৰাই তেখেত এজন সুগায়ক আছিল। অসম সাহিত্য সভাই তেখেতক সঙ্গীত শাখাৰ সভাপতিৰ পদ লবলৈ খাটিছিল কিন্তু সময়ৰ অভাৱত গ্ৰহণ কৰিব নোৱাৰিলে।

**সমাজসেৱা :**—তেওঁ সঙ্কীৰ্ণ আচাৰ ব্যৱহাৰ আদিত সীমাবদ্ধ নাছিল ; কিন্তু ৰীতিমতে সন্ধ্যা আহ্নিক কৰিছিল। গীতাৰ জ্ঞানানুসৰণকেই তেখেতে ধৰ্ম্ম বুলি ভাবিছিল। ধৰ্ম্ম বা সম্প্ৰদায়তকৈ তেখেতে মানৱ, জাতি আৰু স্বদেশক ওখ আসন দিছিল। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোৱে তেখেতৰপৰা বিপদত অৰ্থ সাহায্য লাভ কৰিছিল। তেখেতে কৃষ্ণক আৰাধ্য দেৱতা বুলি জ্ঞান কৰিছিল আৰু প্ৰত্যেক লোকৰ অন্তৰত দেখা পাইছিল।

সুসাহিত্যিক শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাই তেখেতক Reformsৰ কামত বিলাতৰপৰা ঘূৰি অহাৰ পাছত সুধিছিল, তেখেতে কি বিশেষত্ব দেখিলে। তেখেতে উত্তৰ দিছিল, মানৱৰ ভিতৰত নাৰায়ণ মূৰ্ত্তি বিলাতত উপলব্ধি কৰিলোঁ। সন্তান সন্ততি আৰু আত্মীয় স্বজনক উপদেশ দিছিল—নৰনাৰায়ণ আৰু দেশতকৈ ডাঙৰ দেৱতা নাই, কৰ্ত্তব্যতকৈ ডাঙৰ ধৰ্ম্ম নাই। ১৯২৮ চনৰ জুলাই মাহত কাৰ্জ্জন হলত বহা একতা সভাৰ বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰোঁতে দেশবন্ধুয়ে কোৱা তেখেতৰ চিৰপ্ৰিয় বাক্যশাৰী আবৃত্তি কৰিছিল সেই শাৰী হৈছে, "The service of country and nationality is service of humanity. Service of humanity is worship of God."



৺বৰদলৈদেৱৰ শৱ-শোভাযাত্ৰাৰ আগত কৈৱৰ্ত্তসকলে খোল তাল বজাই যাব লাগিছে। শোভাযাত্ৰাৰ মাজত "×" চিন দিয়া জন ৺বৰদলৈদেৱৰ জ্যেষ্ঠ পুত্ৰ ডাঃ শ্ৰীযুত উমেশচন্দ্ৰ বৰদলৈ, এম, বি।

ৰোগশয্যাত পৰি থাকোঁতে সদায় ব্ৰহ্মমুহূৰ্ত্তত ঈশ্বৰ উপাসনা কৰিছিল, চকুৰ আগত এখনি কৃষ্ণমূৰ্ত্তিৰ বেদী স্থাপন কৰিছিল। মনৰ অহঙ্কাৰ গুচাই বৈৰাগ্য দিলৈ ভগৱানক আৰাধনা কৰিছিল, প্ৰেম-ভক্তিৰ চকুৰ লোৰে গাৰু তিতি গৈছিল। মৃত্যুৰ সময়লৈকে আত্মীয় আৰু ঘৰৰ কথা নাভাবি কেৱল দেশৰ আৰু নৰনাৰায়ণৰ চিন্তা কৰিছিল। আতুৰ দৰিদ্ৰ, অভাৱগ্ৰস্ত সকলোৰে বাবে তেখেতৰ হৃদয় উদাৰ আৰু ভঁড়াল মুক্ত আছিল। কোনোবা বিপদত পৰিছে খবৰ পালেই বিপদ দূৰ কৰিবলৈ চেষ্টা কৰিছিল।

১৯২৯ আৰু ১৯৩৪ চনৰ নগাৱঁৰ বানপানীত আৰু ১৯৩০ চনৰ কামৰূপৰ বানপানীত জীৱন বিপন্ন কৰি ডেকাৰ দৰে আতুৰৰ সেৱা কৰিছিল।



শোভাযাত্ৰাৰ এটা অংশ

**ৰাষ্ট্ৰসেৱা :**—দেশৰ, জাতিৰ, শিক্ষাপ্ৰচাৰৰ বিষয়ে সদায় চেষ্টা কৰিছিল। চিকিৎসা আৰু স্বাস্থ্যৰক্ষাত সদায় ব্ৰতী আছিল। তেখেতে যেতিয়া গুৱাহাটী লোকেল ব'ৰ্ডৰ চেয়াৰমেনৰ আসন গ্ৰহণ কৰে তেতিয়া তাৰ পুঁজি নিচেই দুৰ্ব্বল, তাৰেই তেখেতে গাৱঁলীয়া সমাজৰ ভিতৰত তেখেতৰ উদ্দীপনাতে গুৱাহাটী ছবডিভিজনত ১৫ খন নতুন আস্পতাল, অসংখ্য স্কুল, আলি-পদূলি গঢ়ি উঠিল। ৰোগশয্যাত ভাইচ-চেয়াৰমেন শ্ৰীযুত সিদ্ধিনাথ শৰ্ম্মাক মাতি নি গৱৰ্ণমেণ্টৰপৰা পোৱা টকা গাৱঁত কি উপায়ে খৰচ কৰিব লাগে তাৰ উপদেশ দিছিল। অসমীয়া জাতিৰ উন্নতি, শিক্ষাপ্ৰচাৰ, ব্যৱসা-বাণিজ্য আদিৰ উন্নতিৰ বিষয়ে বিশেষ যত্নৱান আছিল।

উত্তৰ গুৱাহাটীৰ আউনিআটী কমলদেৱ ইনষ্টিটীউশ্যন, উত্তৰ গুৱাহাটীৰ আনন্দলাইব্ৰেৰী আদি তেখেতৰ চেষ্টাতে স্থাপিত হয়। আনন্দ লাইব্ৰেৰীত তেখেতে নিজৰ



শোভাযাত্ৰাৰ আন এটা দৃশ্য

বহুমূলীয়া বহুত কিতাপ দান কৰিছিল। নিজে অসীম যত্ন কৰি বহুত স্কুল পতাত সহায় কৰিছিল আৰু কামৰূপ একাডেমি স্থাপনত তেখেত প্ৰধান উদ্যোক্তা আছিল। অসহযোগ আন্দোলনৰ আগলৈকে কটন কলেজৰ কাৰ্য্যকৰি কমিটীৰ সদস্য আৰু পিছত কামৰূপ একাডেমিৰ মেনেজিং কমিটীৰ সভ্য হয়। তেখেত উত্তৰ



শোভাযাত্ৰাৰ আৰু এটা দৃশ্য

গুৱাহাটী স্কুলৰ মেনেজিং কমিটিৰ প্ৰেছিডেণ্ট আছিল। তেখেতে ঘৰত ৰাখি খুৱাই মাছুল দি বহুত ছাত্ৰক সহায় কৰিছিল।

তেখেতৰ হাতিজান চাহ বাগিছাত অসহযোগ আন্দোলনত নিৰ্য্যাতিত লোকেহে কাম পাইছিল।

বাণিজ্যত অসমীয়াক বাট দেখুৱাবলৈ তেখেতৰ যত্নৰ ফল অসম সেৱাশ্ৰম আৰু গুৱাহাটী খাদি ভাণ্ডাৰ। অসমত



ব্ৰহ্মপুত্ৰৰ বালিত শোভাযাত্ৰাৰ দৃশ্য। আতৰত অশ্বক্ৰান্ত পাহাৰ দেখা গৈছে।

ইন্সিওৰেন্স কোম্পানি আৰু এটা ডাঙৰ বেঙ্ক স্থাপনৰ চেষ্টা বহুত দিনৰপৰা কৰিছিল। সেই সম্বন্ধে ধনী আৰু শিক্ষিত লোকক জনাইছিল। জীয়াই থকা হ'লে তাৰ অঙ্কুৰ অসমীয়া বাইজে নিশ্চয় দেখিবলৈ পালেহেঁতেন। অসম উপত্যকাত ভাৰতীয় চাহ খেতিয়কসকলৰ সম্মিলন ডিব্ৰুগড়ত প্ৰথম স্থাপন কৰোঁতা তেখেতেই। ১৯০৫ চনত কামৰূপৰ শিল্প সমিতিও তেখেতৰ চেষ্টাতে স্থাপন হয়।

"ভাৰতীয় জাতীয় যজ্ঞৰ হোতা মহাত্মা গান্ধীয়ে এসময়ত কংগ্ৰেছৰ গঠন তন্ত্ৰ তৈয়াৰ কৰাৰ নিচিনা অতি জটিল আৰু গুৰুতৰ কাম সম্পাদন কৰিবলৈ বাচি উলিয়াইছিল কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়া আৰু ৺ৰঙ্গস্বামী আয়েঙ্গাৰক। এই দুই ৰাজনীতিবিদে কংগ্ৰেছৰ যি নিয়মাৱলী ৰচনা কৰি দিছিল, সেই নিয়মাৱলীয়েই প্ৰায় সম্পূৰ্ণ অপৰিৱৰ্ত্তিত ভাৱে যোৱা বছৰ কংগ্ৰেছৰ আগলৈকে চলিছিল।"

বি-এ পাছ কৰাৰ পিছত চৰ্কাৰে ছবডেপুটি কলেক্টৰৰ পদ দিব খুজিছিল; কিন্তু তেখেতে প্ৰত্যাখ্যান কৰে। ঢাকালৈ অসমৰ প্ৰতিনিধি হিছাপে ৺মাণিক বৰুৱাৰ লগত ভাৰতীয় শিল্প সম্মিলনীলৈ (Indian Industrial Conferance) গৈছিল। তাৰ পিছতেই তে... ই,এ,ছিৰ পদ যাচিছিল।

### অসম এছ'ছিয়েশ্যন

ইং ১৯১৫ চনত তেখেত অসম এছ'ছিয়েশ্য... সভাপতি আৰু ১৯১৬ চনৰপৰা ১৯২০ চনলৈকে উক্ত এছ'ছিয়েশ্যনৰ জেনেৰেল ছেক্ৰেটৰী আছিল। ১৯১৭ চনত মণ্টেগু চেমছফ'ৰ্ড ৰিফৰ্ম্ম সম্বন্ধে কলিকতাত ৰিফৰ্ম্ম কমিটীৰ আগত সাক্ষ্য দিবলৈ তেখেত অসমৰপৰা গৈছিল। লগত আছিল শ্ৰীযুত তৰুণৰাম ফুকন বাৰ-এট-ল, ৺গঙ্গাগোবিন্দ ফুকন, ৺ঘনশ্যাম বৰুৱা, শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা। ৺বৰদলৈ ডাঙৰীয়াই উক্ত এছ'ছিয়েশ্যনৰ মুখপাত স্বৰূপে কাম কৰিছিল। তেখেতে অসম এছেছিয়েশ্যনৰ আন বহুত লাগতিয়াল কাম কৰিছিল।

### ভাৰতীয় জাতীয় কংগ্ৰেছ

ভাৰতীয় জাতীয় কংগ্ৰেছৰ কেইবাখনো অধিবেশনত তেখেতে যোগ দিছিল আৰু বক্তৃতা দিছিল।

### অসম ব্যৱস্থাপক সভা

অসম ব্যৱস্থাপক সভাত থাকোতে পন্ত্ৰীপদ ল'বলৈ তেখেতক দুবাৰো ভিতৰুৱাভাৱে আহ্বান কৰা হৈছিল।



নাওৰ ওপৰত ৺বৰদলৈদেৱৰ মৃতদেহ

সেই সময়ৰ মন্ত্ৰী ৰেভাৰেণ্ড নিকোলছ ৰায়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ ( Vote of non-confidence ) তুলিছিল।

...ই সুধিলে—"তুমিতো এজন বৰ তীক্ষ্ণ জ্ঞান-বিবেকপূৰ্ণ ...; সকলো কথা ভাবি বুজি মোক এই সহায় বিচাৰিছা-...?" ছাত্ৰজনে উত্তৰ দিলে যে তেওঁৰ সকলো কথা ...-বাজিয়েই সেই সহায় বিচাৰিছে। বৰদলৈ ডাঙৰীয়াই ...ৰে তোমাৰ লগত আৰু আলোচনা নকৰো" বুলি ...ৰিলৰে ছাত্ৰজনক সেই অৰ্থ-সাহায্য দি তেওঁৰ মঙ্গল ...মনা কৰিলে। এক হিছাবেই দুৰ্ব্বোধ্য কাৰ্য্য! কিন্তু ...ৰ কালৰ এক ঘটনা প্ৰসঙ্গত বৰদলৈ ডাঙৰীয়াই দিয়া ...া "কৈফিয়ত"ৰপৰা তেখেতৰ এই কাৰ্য্যৰ যুক্তি ...বুজিব পৰা গ'ল। ১৯৩৪ চনৰ ব্যৱস্থা পৰিষদৰ ...ৰ্বাচন যুদ্ধৰ সময়। অসমৰ কোনো এখন বাতৰি ...তে বৰদলৈ ডাঙৰীয়াৰ প্ৰতিদ্বন্দীজনৰ পক্ষ অৱলম্বন ...ৰি বৰদলৈ ডাঙৰীয়াৰ যিমান পাৰে দোষ উলিয়াবলৈ ...ৈ কৰি এটা অভিযোগ আনিছে। তেখেতে ১৯২৬ চনৰ ...হযোগ আন্দোলনৰ সময়ত বহুত ল কলেজৰ ভাল ভাল ...ৰ ভৱিষ্যত নষ্ট কৰিলে, সিহঁতক নানা উত্তেজনামূলক ...ক ভাৱপ্ৰৱণ কথাৰে স্কুল-কলেজ বৰ্জ্জন কৰাই সিহঁতক ...ত নিঃসহায় অৱস্থাত এৰি দিলেহি।—এই অভিযোগৰ ...ত বৰদলৈ ডাঙৰীয়াই আমাক ব্যক্তিগত ভাৱে ...হিল—"মইনো...কাকতৰ লগত এই কথা লৈ কি তৰ্ক ...ৰ্ক কৰিম? মোক এইদৰে অভিযোগ দি তেওঁলোকে ...ৰ প্ৰতি নিতান্ত অন্যায় কৰিছে। মই কোনো ছাত্ৰকে ...া উত্তেজনামূলক কথাৰে প্ৰতাৰিত কৰি স্কুল-কলেজ ...ৰ্জন কৰোৱা নাছিলো। স্কুল-কলেজ এৰি আহি দেশৰ ...ৰ কৰাৰ বিনিময়ত মই তেওঁলোকক কোনো ৰকমে ...ত কৰিম বা তেওঁলোকৰ ভৱিষ্যতৰ ব্যৱস্থা কৰি দিম ...িও কোৱা নাছিলো। মই আহ্বান কৰিছিলো ছাত্ৰ-...ক পৰপদানতা আইৰ সেৱা কৰিবলৈ, শৃঙ্খলাবদ্ধা ...নী জন্ম-ভূমিৰ মুক্তিৰ কাৰণে সন্তানক যুদ্ধ কৰিবলৈ—...ি তেওঁলোকৰ কাৰাবাৰ প্ৰাণে জননীৰ এই অৱস্থাৰ ...ণে কান্দে। কিন্তু এই মুক্তিৰ যুদ্ধ যে সহজ কাম নহয়, ...ীৰ্ঘকাল ব্যাপি চলিব আৰু ইয়াত অপাৰ দুখ-কষ্ট আছে, সেই কথা মই বাৰে বাৰে কৈছিলো। যিসকল ছাত্ৰই জননী জন্মভূমিৰ কাৰণে অন্তৰ কান্দি স্কুল-কলেজ এৰি আহি জননীৰ সেৱাত আত্মনিয়োগ কৰি কষ্ট ভুগিছে, মোৰ বিশ্বাস সেইসকলে কেতিয়াও এই কষ্টৰ কাৰণে আপত্তি বা অনুতাপ নকৰে। যিসকল ছাত্ৰৰ অন্তৰ জননীৰ এই দুৰৱস্থাই স্পৰ্শ কৰিব পৰা নাছিল, আৰু যি সকল ছাত্ৰই স্কুল-কলেজ বৰ্জ্জন কৰিবৰ ইচ্ছা নকৰে, সেই সকলক মই স্কুল-কলেজ এৰিবলৈ কেতিয়াও টানি ধৰা নাছিলো; বৰং তেওঁলোকৰো মঙ্গল কামনা কৰি দুই একক পঢ়াত সহায় হে কৰিছিলো।" তৎক্ষণাৎ আমাৰ মনত পৰিছিল উপৰোক্ত ছাত্ৰজনৰ কথালৈ আৰু তেখেতক সেই কথা মনত পেলাইও দিলো। উদাৰমতি বৰদলৈয়ে উত্তৰ দিলে—'নুলিয়াবা দেও এতিয়া সেইবোৰ কথা; তেওঁ হা'কিম মানুহ, শুনিলে কৰবাত বেয়া পাব।" ( ইতিমধ্যে উক্ত ছাত্ৰজন এজন ই-এ-ছি হৈ গৈছিল। )

এইদৰেই এই মহাপ্ৰাণ কৰ্ম্মবীৰজনৰ বহুমুখী কীৰ্ত্তি-কলাপ কিমান বখানিম? ঘনে ঘনে মাথো মনলৈ আহিছে আমাৰ এই মহাপুৰুষৰ ঠাই কোনে পূৰাব? আটাইতকৈ অভাগী অসম জননী! কোনে জানিছিল ইমান সোনকালে তেওঁৰ আঁচলৰ মাণিক নিয়তীয়ে এইদৰে হৰণ কৰিব? হ'ব পাৰে কৰ্ম্মযোগী নবীনচন্দ্ৰই ভৰ ডেকা কালৰপৰা প্ৰায় ডেৰকুৰি বছৰ কাল তেওঁৰ সেৱা কৰি গৈছে, হ'ব পাৰে তেওঁৰ এই অদ্বিতীয় সন্তানে অমৃতসৰ কংগ্ৰেছৰ পৰাই প্ৰায় কুৰি বছৰ কাল কংগ্ৰেছৰ সেৱা কৰি নিখিল ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰত অসমক এটি সম্মানজনক স্থান দি গৈছে। কিন্তু দুখুনী জননীৰ মনত, হতভাগা জনসাধাৰণৰ মনত সিও যে যথেষ্ট নহয়। যোৱা ১২ ফেব্ৰুৱাৰি তাৰিখে সদৌ অসমত তেখেতৰ আৰোগ্য প্ৰাৰ্থনা কৰিলে। কিন্তু হায়! সমগ্ৰ দেশবাসীৰ এনে কাতৰ প্ৰাৰ্থনাৰ প্ৰতিও ভগৱানৰ এনে পৰিহাস! তোমাৰেই ইচ্ছা পূৰ্ণ হওক ভগৱান!

—সম্পাদকীয়, অসমীয়া

Missing Page(s)

# দিন আৰু ৰাতি

—শ্ৰীযুত হৰিপ্ৰসাদ গোৰ্খাৰায়

চহৰৰ মাজতে সেই সৰু কটেজটি। তাৰ 'ছুট' ছুটা। বিজয়ে তাৰে এটা 'ছুট' ভাৰা কৰি আছে। বেচেৰা বিজয়ৰ এই সুদূৰ কলিকতাত আপোন বুলিবলৈ কোনো নাই। সি কোনোবা এখন ৰাতৰি কাকতৰ অফিছত কাম কৰে। দিনটো কাম কৰি গধূলি আহে। নিৰ্জ্জনতাই তাৰ সঙ্গী। ভাত ৰান্ধনি পছিমীয়া বামুণ ৰঘুৱাত বাজে তাৰ লগত আন কোনো নাই। এই দৰেই তাৰ দিন যায়।

এদিন গধূলি সি অফিছৰপৰা উলটি আহি দেখিলে যে তাৰ ওচৰৰ কোঠালীটো কোনোবা নতুন মানুহে ভাৰাত থাকিবলৈ লৈছে। আন দিন সেই কোঠালীটোত তলা মৰা থাকে আৰু দুৱাৰত কেৱল এখনত 'টু-লেট্' লিখা থাকে। নৱাগত পৰিয়ালৰ দুটি প্ৰাণী এ—জন প্ৰৌঢ় আৰু আন জনী গাভৰু। ছোৱালীজনী সেই প্ৰৌঢ় ভদ্ৰলোকৰে জীয়েক। বিজয়ে উপন্যাস বহুত পঢ়িছে। সি ভাবিলে এই নতুন পৰিয়ালৰ আগমনকে ঘটনাৰ সূত্ৰ লৈ এটি অভাৱনীয় উপন্যাস-সঙ্গত কাণ্ডও ঘটিব পাৰে। যিহক, তাৰ অলপ উশাহ আহিল হয়তো এই নৱাগত পৰিয়ালৰ আগমনত সি তাৰ এক সুৰীয়া জীৱনৰ নিৰ্জ্জনতাৰ হাত সাৰিবও পাৰে। সেই দিনা ৰাতি শুই শুই সি কল্পনা কৰিবলৈ ধৰিলে। সি সেই গাভৰুৰ প্ৰণয়ত মুগ্ধ হ'বও পাৰে, বিচিত্ৰ কি? একেলগে থিয়েটাৰ-চিনেমালৈ যাব নাইবা একেলগে ইডেন উদ্যানৰ মাজে মাজে ফুৰোঁতে হয়তো সি কত ৰহস্যজনক কথা পাতিব; হয়তো সেই গাভৰুজনীয়ে তাইৰ এটি হতাশ প্ৰণয়ৰ গল্প, গল্প নহয় সত্য ঘটনাকে বিবৃত কৰিব। শুনি শুনি সি তাইৰ দুখত দুখী হৈ সমবেদনাসূচক এটি হুমুনিয়াহ কাঢ়িব। এইদৰেই সি কল্পনাৰ ৰথত উঠি ফুৰিবলৈ ধৰিলে। এনেতে হঠাৎ মনত পৰিল তাৰ ঘৰলৈ। অসময়ৰ এটি চুকত তাৰ আজলী পতিপ্ৰাণা প্ৰিয়তমা... হয়তো তাৰ কাৰণে বাট চাই আছে। সি ইমান নিঠুৰ... যে নিজৰ প্ৰাণসমা পত্নী থাকোঁতে এই বিদেশী... বিজাতি ছোৱালীৰ প্ৰণয় বিচাৰিছে!

...ৰাতি তাৰ বহুত পৰলৈকে টোপনি নাহিল। "... টং" কৈ দুটা বাজি গ'ল। তাৰো চিলমিলকৈ টোপনি... আহিল। সপোনত সি অসমলৈ উলটি আহিছে। সি অহা... মাকে বৰ ৰং পাইছে। বিদেশত দুখ পাই আহিছে বুলি... আপে-সেপে পুতো কৰিছে। খোৱাৰ নানা যোগা... কৰিছে। 'তই সৰুতে অমুক পিঠা ভাল পাইছিলি, তমু... ভাল পাইছিলি' এই বুলি ইমান যে বস্তু খাবলৈ দিছে, ... যেন কেইবা বছৰো খাবলৈ নাপাই শুকাই ক্ষীণাই... আহিছে! * * সমাজিকতে সি তাৰ লজ্জাশীলা ... ধৰ্ম্মিনীকো লগ পাইছে। তাই আনন্দতে চকুলো টুকিছে... সি যেন কত কথাই পাতিছে তাইৰ লগত ...কথা ... শেষেই নহয়। সি যেন তাইক সাৱটি ধৰি কৈছে 'মো... ৰবা তৰা, (তাইৰ নাম তৰা) এনেভাৱে ধৰা যেন ... আৰু পলাই গুচি যাব নোৱাৰো। মই আৰু কলিক... নাযাওঁ। ইয়াতে কিবা এটা কাম বিচাৰ কৰি লৈ ... লাগিব। অৱশ্যে আমাৰ গাঁৱত নহয়—যোৰহাটত। ... বোলে মাষ্টৰ কাম এটা খালি হৈছে। মযো তাৰ ... চেষ্টা কৰি চাম।

...কিন্তু...ঘড়িৰ এলাৰ্ম্মৰ শব্দৰ লগে লগে সি... পাই দেখিলে যে সি কলিকতাৰ 'ফাইন কটেজ'ৰ ... খোটালীত। পিছে পৰিৱৰ্ত্তনৰ মাজত এয়ে যে তাৰ চ... চকুলো চটুপী।

সপোন যদিও সপোন, তথাপি তাৰ মূৰ্ত্ত স্মৃতিৰ ... বহুত পৰলৈকে তাক আনন্দ দিছিল। মূৰ্ত্ত বুলি কৈ... এই কাৰণে যে বিজয়ৰ এনে লাগিছিল, যেন সি সঁচাকৈ...



...তিটোৰ ভিতৰতে তাৰ পূজনীয়া মাকক আৰু মৰমৰ ...নীয়েকক লগ পাই আহিছে! সপোনৰ স্মৃতিয়ে আন ...কো কৰক নকৰক তাৰ মনত এটি পৰিৱৰ্ত্তন ...নিলে। নৱাগতা তৰুণীৰ বিষয়ে তাৰ কৌতূহলৰ ...ৰিমাণ কমিল।

পিছদিনা সি অফিছলৈ যাবলৈ ওলাইছে। আন ...নতকৈ সি সেইদিনা অলপ ভালকৈয়ে সাজি পাৰি ...লাইছে। আগদিনা পিন্ধা চুৰিয়াখন নিকা হৈয়ে ...আছিল তথাপি আন এখন ইস্তিৰি কৰা চুৰিয়া পিন্ধিছে। ...য়াৰ ভাজবোৰ ভাগি নোযোৱাত বৰ সুন্দৰ দেখা গৈছে। ...ৰ পাঞ্জাবী, ভৰিত নাগ্ৰা জোতা, হাতত অ'মেগা ...ৱাচ পিন্ধি বিজয় অফিছলৈ বুলি ওলাল। যাওঁতে ২ নং ...ঠালীত চকু পৰিল। সি দেখিলে ড্ৰইংৰুমত বহি ...ধুনিক সাজপাৰত সজ্জিতা সেই তৰুণী। তাই কিবা ...ৰি আছিল। নাগৰা জোতাৰ মচ্মচ্ শব্দ শুনি মূৰ ...দি চাই বিজয়ক দেখিলে। বিজয়েও চালে; দুয়োৰে ...ৰ বিনিময় হ'ল।

...দিনা কিবা পৰ্ব্ব উপলক্ষ্যে সিহঁতৰ অফিছ বন্ধ ...। বিজয় ঘৰতে বহি আছিল। তাৰ চুবুৰীয়া ...ক জন আৰু তেখেতৰ ছোৱালীজনী কৰবালৈ ...আছিল। বোধহয় কৰবাত নিমন্ত্ৰণ আছিল। প্ৰায় ...া বজাত পিয়ন আহিল। বিজয়ৰ চিঠি পত্ৰ দি ...য়নে মিষ্টাৰ এম্, কে, ভাস্বানি বি, ই' আৰু মিছ ...ভাস্বানিৰ নামৰ চিঠিবোৰ দেখুৱাই সুধিলে,— ...জৰ ঠিকনাৰ তেখেত সকল বৰ্ত্তমান ইয়াত ...?" বিজয়ে ২নং ৰলৈ আঙুলিয়াই ক'লে— ...কল তাতে থাকে, পিছে এতিয়া কেনিবা ওলাই ... চিঠিবোৰ বাৰু মোৰ হাততে দি থৈ যোৱা', ...দিম।" পিয়নেও বিজয়ৰ হাততে চিঠিবোৰ দি ...। বিজয়ৰ অন্তৰত পুনৰ ভাৱৰ ঢৌ উঠা নমা ...ৰুআৰম্ভ কৰিলে। সি ভাবিবলৈ ধৰিলে মিষ্টাৰ ...লোগত চিঠিবোৰ দিয়াৰ ছেলুৱৈ চিনাকি হ'বৰ ...ন ভাল সুবিধা। মিছ ভাস্বানিকেইবা কি ...া কৰিব, তায়ে বা তাক কত আদৰ সাদৰ কৰি বহুৱাব আৰু কথা পাতিব ইত্যাদি। আকৌ ভাৱে কিজানি 'থেঙ্ক ইউ" বুলিয়ে বিদায় দিয়ে, কিজানি তাৰ লগত ভালকৈ কথাই নহয়! নাই, তেনে হ'ব নোৱাৰে নিশ্চয় মাতি নি বহুৱাব! গল্প পাতিব! মিছ ভাস্বানিৰ কৰমৰ্দ্দনৰ মধুৰ পৰশ অসম্ভৱ নহয়। ইফালে হ'লে মন বান্ধিছে যে সি মিছ ভস্বানিৰ প্ৰণয়ত নিশ্চয় নপৰে। সি তাৰ বিবাহিতা স্ত্ৰীৰ প্ৰতি বিশ্বাস ঘাটকতা নকৰে, ই ধ্ৰুৱ। বেচেৰা বিজয়ৰ মনৰ গতি দুই নাৱত দুই ভৰি।

বিজয়ে বাট চাবলৈ ধৰিলে কেতিয়া তেওঁলোক আহে। কিন্তু বাৰ, এক, দুইকৈ ক্ৰমে চাৰিটা বাজিল, তথাপি তেওঁলোকক উভতা নেদেখি বিজয় ফুৰিবলৈ গ'ল। অন্যমনস্ক ভাৱে ফুৰোঁতে সি গৈ ওলাল ফুটবল ফিল্ডত। ফিল্ড সেইদিনা লোকাৰণ্য। পয়চা নিদিয়াকৈ কোনেও ভিতৰলৈ যাব নোৱাৰে। চাইকেলৰ লগত চাইকেল থিয় কৰাই কিছুমানে তাৰ ওপৰত উঠিছে। কিছুমান আকৌ মটৰৰ 'পাদানি'তে উঠিছে। কিছুমানে ৰাকচৰ ওপৰতে উঠি চাইছে। বেছিকৈ মজা পাইছে চেমনীয়া লৰাবোৰে। বান্দৰৰ নিচিনাকৈ সিহঁতে উঠিছেগৈ গছৰ ডালত। সিহঁতৰ ভৰত ডালবোৰ দোঁ খাইছে, যেনিবা 'ফল ভৰে ভাগে ডাল!' আজি হেনো মুছলিম ইউনিয়ন আৰু মোহন বাগানৰ মাজত খেলা। দুয়োটাই নামকৰা টিম্। গতিকে ৰাকৈকৈয়ে মানুহৰ সোঁত বব লাগিছে। চাৰিওফালে উত্তেজনা! 'ফৰৱাৰ্ড ইউ ছেণ্টাৰ মেন্', 'কিক্ কিক্', 'এহ, এই উইংছে একেবাৰে মাটি কৰিলে', 'ফাউল', 'নট ইয়েট' 'হুইছেল' ইত্যাদি উত্তেজনাৰ চিঞৰ ওলাব লাগিছে। খেলখনত যেন এটা জাতিৰ ভৱিষ্যত এই হৰা-জিকাৰ ওপৰতেই নিৰ্ভৰ কৰিছে! গোটেই ফিল্ড জুৰি আলোচনা চলিছে ৰেফাৰি 'পাৰশ্যিয়েল', কোনোবা ছেণ্টাৰমেন প্ৰফুল্ল নহাত বোলে মোহন বাগানে স্ক'ৰ কৰিব পৰা নাই, মুছলিম ইউনিয়নৰ বোলে আটাৱৰ নহাত খেল ভাল হোৱা নাই ইত্যাদি। পাণ, বিড়ি, ছ'ডা লেমনেড, ঝুৰি-মিঠাই বেচোঁতাই চিঞৰি চিঞৰি সিহঁতৰ বয়বস্তু বেচিব লাগিছে।

বিজয়ে ফিল্ডৰপৰা উলটি আহোঁতে সাঁজ লাগিল। কটেজ পাওঁতে চাকি প্ৰায় জ্বলাবৰেই হৈছিল। সি মিষ্টাৰ আৰু মিছ ভাস্বানিহঁতৰ চিঠি পত্ৰ লৈ ২ নম্বৰৰ দুৱাৰ মুখ পাই দেখিলে ড্ৰইংৰুমত ইলেক্ট্ৰিক লাইটৰ পোহৰত বাপেক জীয়েক দুয়ো বেছ গল্প জুৰি বহি আছে। বিজয়ক মিছ ভাস্বানিয়ে আহ্বান জনালে, আহক বহক ; আজি আমাৰ কি সৌভাগ্য ! ইত্যাদি মধুৰ বচনেৰে অভ্যৰ্থনা কৰিলে। বিজয়ে বিস্ময় মানিলে আৰু মনে মনে ৰঙো পালে যে তাৰ পৰিচয় মিছ ভাস্বানিয়ে পূৰ্ব্বৰে পৰা জানিছিল। যিহক, বুঢ়া ভাস্বানিৰ লগত চিনাকি হৈ বিজয় মেহগনি কাঠৰ চকীখনত বহি পৰিল। বিজয়ে তেওঁলোকৰ চিঠিবোৰ দিলে। মিছ ভাস্বানিৰ হুকুমমতে তেওঁলোকৰ ঠাকুৰে ট্ৰেত চাহ আৰু কেক্ দি গল। চাহ খোৱাৰ লগে লগে গল্পও আৰম্ভ হ'ল। বুঢ়া ভাস্বানিয়ে ক'লে, তেখেত দাক্ষিণাত্যৰ মানুহ ; ই, বি, আৰ্ ৰেলৰ ফ'ৰমেন হিচাবে চাকৰি কৰি বৰ্ত্তমান কামৰপৰা অৱসৰ লৈছে। অসমতো আছিল হেনো ! তেখেতৰ সহধৰ্ম্মিনী হেমাঙ্গিনী হেনো কোনোবা অসমীয়া ফুকন পৰিয়ালৰ ছোৱালী আছিল। মনোৰমা বা মিছ ভাস্বানি হেমাঙ্গিনীৰে দান। মনোৰমা হেনো ঠিক তাইৰ মাকৰ নিচিনাই হৈছে। মনোৰমা মাউৰী হ'বৰ আজি দুবছৰ হৈছে। বুঢ়াই কথা কওঁতে কওঁতে চকুলো ওলাবৰ উপক্ৰম হৈছিল। শেষত দীঘল হুমুনিয়াহ এটা কাঢ়ি বুঢ়াই তেখেতৰ যোৱা চোৱা জীৱনৰ কথা কৈ শেষ কৰি মুঠতে কৈ থলে যে হেমাঙ্গিনী আছিল তেওঁৰ সৰ্ব্বগুণসম্পন্না আদৰ্শ ঘৈণীয়েক। দেহি ! অতীত স্মৃতি মনত পৰি হ'বলা বুঢ়াৰ চকুৰেদি ছটুপি চকুলো বৈ পৰিল।

এইদৰেই ভাস্বানি পৰিয়ালৰ লগত বিজয়ৰ পৰিচয় শেষ হ'ল। তাৰ পিছত সাধাৰণতে যি হয়, সেয়ে হ'ল। তেওঁলোক্ একে লগে লেকৰ পাৰে পাৰে, পাৰ্কৰ মাজে মাজে ফুৰে, থিয়েটৰ চিনেমালৈ একেলগে যায়। ওপৰ চকুৰাই দুয়োৰো মাজত প্ৰণয় খেলা আৰম্ভ হোৱা বুলি ক'লেও কিন্তু দৰাচলতে তেনে হোৱা নাছিল। বিজয়ৰ মনৰপৰা তাৰ বিবাহিতা স্ত্ৰীৰ প্ৰতি শ্ৰদ্ধা ভাৱ আঁতৰা নাছিল। সেইকাৰণেই তেওঁলোকৰ এনে অবাধ মিলনে সাধাৰণ বন্ধুতাৰ সীমা পাৰহৈ যাব পৰা নাছিল। বুঢ়া ভাস্বানিয়ে মাথোঁ মাজে মাজে মন্তব্য প্ৰকাশ কৰিছিল,—You two would make a fine pair (দেখিছো তোমালোকে বেছ জোৰ পাতিছা।) এই মন্তব্য শুনি মনোৰমাই মাথো এটি স্নিগ্ধ হাঁহি মাৰি কৈছিল, I wonder paper if it is so (আচৰিত কথা পিতা !) বিজয়ে কেৱল মনে মনে অস্বস্তিৰ ভাৱ অনুভৱ কৰিছিল যদিও বাহিৰত তাক প্ৰকাশ নকৰি বলেৰে হাঁহিবলৈ চেষ্টা কৰিছিল।

বুঢ়া ভাস্বানিৰ কিবা প্ৰয়োজন থকাত সিদিনা এলাহাবাদলৈ গ'ল। প্ৰায় দহ দিনমানৰ পিছত আহিব। ঘৰত মনোৰমা অকলে। অৱশ্যে চাকৰহঁত থাকিব। তাতে আকৌ মিষ্টাৰ শৰ্ম্মাও ওচৰতে আছে, গতিকে মনোৰমাক অকলশৰীয়া বুলিব নোৱাৰি।

মিঃ ভাস্বানি যোৱাৰ পিছদিনা কিবা উৎসৱ থকাৰ কাৰণে বিজয়হঁতৰো অফিচ বন্ধ। আজি বিজয় আৰু মনোৰমা একেলগে বহি কথা পাতি আছে। কথাৰ মাজতে মনোৰমাই হঠাৎ বিজয়ক শুধিলে,—"আপুনি কেতিয়াবা কোৰোবাক ভাল পাইছিলনে ?

"প্ৰণয়ৰ কথা সুধিছে ?"

"হয়।"

"নাই, ক'তা মনত নপৰে দেখোন। প্ৰণয় ক[illegible] কি সেই বিষয়ে মই আজিও অনভিজ্ঞ। আপোনাৰ [illegible] সোধাৰ কাৰণ কি জানিব পাৰোনে ?"

"এনেয়েহে সুধিলো।"

কথাতোৰ সিমানতে ওৰ পৰিল। বিজয়েও [illegible] সুধিলে ভয়ত, জানোছা মিছ মনোৰমাই কৈ দিয়ে—"পুৰুষ জাতিৰ প্ৰণয় ৰামধেনুৰ বৰণৰ নিচিনা সুন্দৰ দি'ৰ [illegible] দৰেই ক্ষণস্থায়ী আৰু অসাৰ।" গল্পৰ পাক অগ'লৰ চা[illegible]। মনোৰমাই ক'বলৈ আৰম্ভ কৰিলে তাইৰ মাকলৈ [illegible]

"শৰ্ম্মা, আপুনি মোৰ আইৰ বৃত্তান্ত শুনিনিৰ [illegible] ঘিণ কৰিব। মই কিন্তু তাৰ বাবে ভয় নকৰোঁৱেই [illegible] জানো যে মোৰ আয়ে যি কৰিলে ভাল কামধন [illegible] কৰিলে। [illegible]ৰি সমাজত পুৰুষৰ প্ৰায়শ্চিত্ত সহজ, কিন্তু তিৰোতাৰ প্ৰায়শ্চিত্ত নাই আৰু দুৰ্ণাম কলঙ্কৰ চিন মচিব নোৱাৰি ; সেই সমাজ এৰি মোৰ আয়ে একো বেয়া কাম কৰা নাই। [illegible]ত ঘিণ কৰিবৰো একো কাৰণ নাই। মোৰ আইৰ বিষয়ে আপোনাক ক'বলৈ মোৰ ইমান আগ্ৰহ কিয় হৈছে ক'ব নোৱাৰোঁ। পৰাপক্ষত মই কাকো নকম বুলিয়েই ভাবিছিলোঁ আৰু মোৰ মৰমৰ স্বৰ্গীয়া আইৰো ইচ্ছা আছিল তেখেতৰ অভিশপ্ত কাহিনী কাকো শুনোৱা। [illegible]হক আপোনাৰ খিতাপ শৰ্ম্মা হোৱাৰ বাবেই [illegible]বলা আপোনাক কবলৈ মোৰ ইমান ইচ্ছা হৈছে। মোৰ আইৰ আচল নাম হিৰণ্যবালাহে, হেমাঙ্গিনী নহয়। মোৰ আয়ে এজন শৰ্ম্মাক ভাল পাইছিল। তেখেতৰ নামটো আছিল বোধহয় প্ৰমোদ। মোৰ আই আৰু প্ৰমোদ দুয়ো আছিল একে গাৱঁৰে। সৰুৰেপৰা দুয়ো দুয়োকে ভাল পাইছিল। কিন্তু তেওঁলোক দুয়োৰে জাতি একে নোহোৱাৰ বাবে বিয়া হোৱা অসম্ভৱ আছিল। বয়স বাঢ়ি যোৱাৰ লগে লগে হিৰণ্যবালা (মোৰ আই সুবুলি হিৰণ্যবালা বুলিয়েই কৈ যাওঁ) আৰু প্ৰমোদৰ লগ পোৱা অসম্ভৱ হৈ পৰিল। মাকবাপেকে তেওঁলোকক কথাও পাতিবলৈ নিদিয়া হ'ল। কিন্তু বান্ধোনৰ টান বেছি হোৱাৰ লগে লগে দুয়ো দুয়োকো বেছিকৈহে ভাল পাবলৈ ধৰিলে। প্ৰমোদ আৰু হিৰণ্যবালাৰ গুপ্ত মিলন হ'বলৈ ধৰিলে। শেষত পাপ ওলাই পৰিল। অবৈধ মিলনৰ ফল স্বৰূপে হিৰণ্যবালাই এটি মৃত সন্তান প্ৰসৱ কৰিলে। গোটেই গাৱঁতে ৰাষ্ট্ৰ হৈ পৰিল এই কলঙ্কৰ কথা। তাৰ পিছত, তাৰ পিছত আৰু কলঙ্কৰ ঢৌ চৰিল বাটে ঘাটে ; ৰাতি আঠুৱাৰ ভিতৰতো সকলোৱে কোৱাকুই কৰিবলৈ ধৰিলে। বিষয় এই কলঙ্ক কাহিনী। গাৱঁৰ ৰৰমূৰীয়া সকল গোট খাই বিচাৰ কৰিলে। প্ৰমোদে নিজে অকুণ্ঠিত ভাৱে স্বীকাৰ কৰিলে দোষী সিয়েই। প্ৰমোদৰ বাপেক সেই গাৱঁৰ প্ৰতিপত্তিশালী ৰৰমূৰীয়াসকলৰ এজন আছিল। গতিকে বিচাৰৰ ভেকোভাৱনা হৈ গ'ল। প্ৰমোদৰ শাস্তি হ'ল নিচেই সামান্য। সি সমাজৰ দণ্ড হিচাবে ছকুৰি ৰূপ দিব লাগিব আৰু হিৰণ্যবালাৰ পুনৰ্বিবাহ নোহোৱালৈকে মাহে ৮৲ টকা কৈ খোৰাকি দিব লাগিব।

ঘটনাটো মাৰ গ'ল এইদৰেই। প্ৰমোদৰ মাক বাপেকে প্ৰমোদক পৰাচিত কৰালে, আৰু গাঁৱৰ সৱৰ্ণ ছোৱালী এজনীৰে সৈতে বিয়া দি দিলে প্ৰমোদৰ ইচ্ছাৰ বিৰুদ্ধেই। প্ৰমোদৰ হেনো আজীৱন কুমাৰ হৈয়েই থাকিবৰ ইচ্ছা আছিল। যাহক, মুঠতে পৰাচিত আৰু বিয়া এই দুই কাৰ্য্যৰ দ্বাৰাই প্ৰমোদৰ পূৰ্ব্ব কলঙ্ক একেবাৰেই প্ৰক্ষালিত হ'ল। তাক ছেই-ছেই লেই-লেই কৰোঁতা নোলাল। কিন্তু সমাজৰ ঘৃণা আৰু কলঙ্কৰ ভাৰ মূৰ পাতি ল'ব লগীয়া হ'ল হিৰণ্যবালাই। সকলোৱে ঘৃণাৰ দৃষ্টি পেলাবলৈ ধৰিলে হিৰণ্যবালাৰ ওপৰত। তাইক বালিকা উচ্চ ইংৰাজী স্কুললৈ পঠিওৱা হ'ল। কিন্তু হিৰণ্যবালাই এমাহ ইংৰাজী স্কুলত পঢ়াৰ পিছত পূজাৰ বন্ধত ঘৰলৈ আহোঁতে মোৰ দেউতাৰ লগত পলাই গৈ হেমাঙ্গিনী নাম লৈ দিনাজপুৰত ঘৰ সংসাৰ পাতিলে। মোৰ আই হেনো সৰু হৈ থাকোঁতেই মাউৰী হৈছিল। গতিকে কলঙ্কিনী জীয়েকৰ খবৰ লওঁতা ককাদেউতাত বাজে কোনো নাছিল। কিন্তু তেখেতেও হিৰণ্যৰপৰা 'মই নাথাওঁ, মোক নিবিচাৰিব' বুলি এশাৰী আখৰ চিঠি পাই নিবিচৰা হ'ল।"

গল্প শুনোতে শুনোতে ইপিনে গধূলি হ'ল। লাহে লাহে এন্ধাৰ হ'বলৈ ধৰিলে। মনোৰমাই উপৰোক্ত কাহিনী কৈ এটাই ছুইছ টিপি দিয়া মাত্ৰকে গোটেই ঘৰ পোহৰ হৈ পৰিল। সেই পোহৰত মনোৰমাই মন কৰা হৈতেন দেখিলেহেঁতেন বিজয়ৰ চকুৰে মুখে ঘৃণাৰ ভাৱ। বিজয়ে ভাবিলে কি আচৰিত এই ছোৱালী জনী। স্বচ্ছন্দে নিজৰ মাকৰ কলঙ্ক কাহিনী কৈ গ'ল ! ছিঃ।

"মিষ্টাৰ শৰ্ম্মা !" মনোৰমাই মাতিলে।

"কি কয় ?"

"মই কোৱা নাছিলোনে, আপুনি মোক ঘিন কৰিব পাৰে বুলি ?"

"কতা, কৰা নাইতো" বিজয়ে ক'লে।

"কৰিলেও মোৰ ভয় নাই শৰ্ম্মা। মোৰ আয়ে নিজৰ সমাজতে থকাহেঁতেন, তেওঁলোকৰ নিষ্ঠুৰ আচৰণ সহিব নোৱাৰি আত্মহত্যা কৰিবলৈ বাধ্য হলহেঁতেন। পুৰুষ সামান্য পৰাচিতৰ দ্বাৰাই শুদ্ধ হ’ব পাৰে আৰু নাৰীয়ে নীৰৱে নিষ্পেষিত হোৱাৰ বাহিৰে আন উপায় পাব নোৱাৰে, ই কেনে কথা?"

বিজয়ে কি কব একো বিচাৰি নাপালে; তেওঁ গুণি ভাবি ইয়াকে ক’লে—‘গুৰিতে ভুল যৌৱনৰ, কিন্তু যৌৱনক দোষ দিলেই নচলে। প্ৰমোদ আৰু হিৰণ্যবালাদুয়োৰে দোষ আছে, তেওঁলোকে পিতৃমাতৃৰ অবাধ্য নহৈ সংযমী হোৱাহেঁতেন...’ আৰু কিবা ক’ব খুজিছিল; কিন্তু মনোৰমাই বাধা দি ক’লে, "থক্ থক্ ক’ব নালাগে, শৰ্ম্মা।"

"ভাল, তেনেহলে মই আহিলোহে এতিয়া।"

"শৰ্ম্মা, ৰাতিটো আমাৰ ইয়াতে থাকিব; আপুনি আহি থাকিলে মোৰ ভাল লাগে।"

"বাৰু চেষ্টা কৰি চাম" বুলি বিজয় গুচি আহিল। ইমান টান বান্ধোনেও তাক বিচলিত নকৰিলে। তাৰ মনত মিছ্ মনোৰমা ভাস্বানিৰ ওপৰত ভীষণ বিতৃষ্ণা! ৰাতি ভাত-পানী খাই উঠি চাকৰৰ মুখে মনোৰমালৈ কৈ পঠিয়ালে, ‘শৰ্ম্মাৰ গা অসুখ। ৰাতি আহিব নোৱাৰিলে।’ আচলতে বিজয়ৰ একো গা অসুখ হোৱা নাছিল। মাথো মনোৰমাৰ মাকৰ তেনে কাণ্ড শুনি মনে মনে মনোৰমালৈ তাৰ ঘিণ লাগিছিল।

গং ক্লাৱত দহোটাৰ ঘণ্টা বজাৰ লগে লগে সি বিছনাত কাতি হ’ল। তাৰ টোপনি আহোঁ আহোঁ কৰিছে এনেতে শুনিলে ২নংত হাৰমোনিয়মৰ সুৰে সুৰে মনোৰমাই গাইছে,—"ন’ই আজি মাধৱী জোনোৱালি ৰাতি সুপোৱাবি..." বিজয়ে এই সুদূৰ কলিকতাত এই জোনাকনিশা অসমীয়া গান শুনি মনে মনে পুলক শিহৰণ অনুভৱ কৰিলে। সি আছিল কবি—সি আছিল তাৰ চিৰ চেনেহী ভাষা জননীৰ পূজাৰী। মনোৰমাৰ প্ৰতি তাৰ বিতৃষ্ণা খন্তেকতে শূন্যত বিলীন হৈ গ’ল। তাৰ পূৰ্ব্বৰ মনোভাৱৰ অনুশোচনাত বুকু ঢপ-ঢপকৈ উঠিল। মনোৰমাৰ সু গৌৰ কান্তি, নিপোটল বাহুদুটি, বিননী বন্ধা চুলিতাৰি, ওখ বুকু, সকলো তাৰ মানস চকুত সুন্দৰৰ ৰূপ লৈ লুকা-ভুমুকা খেলিবলৈ ধৰিলে। মনোৰমাক ভাল পাবলৈ হিয়া তাৰ আকুল হৈ উঠিল। মনে বান্ধোন নামানিলে। মনোৰমা, মনোৰমা বাস্তৱিকতে বিশ্বৰ মনোৰমা!

"পাহৰণিত যক বিশ্ব উট
জাগি থাকোঁ মাথো আমি দুটি
মুখত মুখে লগাই, ৰূপত ৰঙে চৰাই
তন্দ্ৰাত হালি-জালি কটাম ৰাতি..."

গানৰ প্ৰতিধ্বনি আহিছিল স্বৰ্গীয় সুধালৈ বতাহত উটি বন্ধ দুৱাৰ ভেদ কৰি বিহ্বল বিজয়ৰ কাণলৈ। লাহে লাহে গানৰ সুৰ মাৰ গ’ল। কিন্তু তাৰ মূৰ্চ্ছনা তেতিয়াও বিজয়ৰ কাণত বাজিবলৈ ধৰিলে ৰিণি ৰিণি! মনে ম... সি যেন ক’বলৈ ধৰিলে জগতৰ বা’বে দায়ী মনোৰমা ন... মনোৰমা বস্তুৱিকেই মনোৰমা! কামনা তাৰ উ... উঠিল। তাৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গৰ মাজেদি বৈদ্যুতিক শিহৰণ খেলি গ’ল! সি হিতাহি... হেৰুৱালে।

"টং" কৰি ৰাতি এটা বাজিল। ঘণ্টাৰ শব্দত ... প্ৰকৃতিস্থ হৈ দেখিলে যে সি কঁপিছে। সি ঘামি... ধৰিলে। মূৰ ঘুৰিবলৈ ধৰিলে। সি এনে বোধ কৰি... যেন ভূঁইকপ আহিছে, তাৰ ভৰিৰ তলৰ ঠাই ... যেন লৰিবলৈ ধৰিছে। অলপ পৰ সি শান্ত হব... কৰিলে; কিন্তু মিছা, নোৱাৰিলে। তাৰ অন্ত... কামনা খন্তেকতে মূৰ্ত্ত হৈ উঠিল। ইচ্ছা হ’ল, ... মনোৰমা কৈ চিঞৰে! কিন্তু নিচিঞৰিলে। ... অতপৰে মনোৰমা গভীৰ প্ৰসুপ্তিৰে টোপনি... বিজয়ে বিছনা এৰি নামিল। দুৱাৰ মেলি ... বাৰান্দালৈ ওলাই আহিল। কেইবাৰ মান বাৰান্দা ইফাল সিফাল কৰি ইজি চেয়াৰখনত বহি পৰিল।

বিজয়ে দুৱাৰ খোলাৰ শব্দ শুনি মনোৰমাও দুৱাৰ মেলি ওলাই আহিল। বাৰাণ্ডাৰ ছুইচ টিপি দিয়া মাত্ৰেই ইলেকট্ৰিক লাইটৰ উজ্জ্বল পোহৰে গোটেই বাৰাণ্ডা পোহৰাই পেলালে।

"মিষ্টাৰ শৰ্ম্মা, আপোনাৰ কিবা অসুখ হৈছে নেকি?"

"ধন্যবাদ, সামান্য মূৰ কামোৰণি।" মনোৰমাই ভিতৰলৈ গৈ ‘অডিকলোন’ আনি বিজয়ৰ কপালত ঘহিবলৈ ধৰিলে। কাৰো মুখত কথা নাই। দুয়ো নীৰৱ। কিন্তু এই নীৰৱতা ভঙ্গ কৰি মনোৰমাই কৈ উঠিল—"শৰ্ম্মা, এয়ে চিৰন্তনি সৃষ্টি পাতনিৰ যি প্ৰদীপ জলোৱা হৈছিল, যুগ-যুগান্তৰ ধৰি আজিলৈকে সেই প্ৰদীপ অনিৰ্ব্বাপিত! ভবিষ্যতেও এই দৰেই জলি থাকিব।"

তাৰ কিন্তু একো অৰ্থ বুজিব পৰা নহল।

# অপেক্ষা

গল্প ]

—শ্ৰীযুত প্ৰেমানন্দ বৰুৱা

দেশভক্ত মানুহ এটা সি মনৰ হেঁপাহেৰে কাম কৰিছে। অৱস্থাৰ কঠিন বান্ধে যদিও আজি স্বাধীন হ’বলৈ দিয়া নাই, তথাপি তাৰ মনৰ স্বাধীনতা মাৰ যোৱা নাই। কিয়নো সি লোকৰ তলতীয়া দেশবাসী নহয়। যদিও এতিয়া সি এটা নগণ্য সৈনিক, যদিও আজি তাৰ ...ত সৈনিকৰ আৱশ্যকীয় গুণবিলাক বৰ্ত্তমান, তথাপি ...দিন আছিল, যিদিনা সি নিৰ্ম্মমতাৰ ওচৰেদি বাট ...বলৈকে টান পাইছিল; কিন্তু আজি, আজি নিৰ্ম্মম ...ৰে নিষ্ঠুৰ ভাৱেৰে তাৰ হৃদয় ভৰপূৰ। তাৰ হৃদয় ...াৰি পা...ণৰু দূৰে কঠিন। নিষ্ঠুৰতাৰ বেদীৰ আগত ...সকলো মমতা বলি দি...ছে......

...সি যুদ্ধত কতবাৰ কতৰে... ...ই বা প্ৰাণ লৈছে, কতকেই ...হত কৰিছে। হায়! ...ভ হৈযে অকল দয়া মমতাৰ ... চিনেই নহয়;—... ...য়ে নিষ্ঠুৰতাৰ পৰাকাষ্ঠা! ... পিছ হৈ... ...হোকা নাই। দয়া, মমতা, হাঃ ... যা... ...বছৰেই যে সি এনেবিলাক ভাৱ তাৰ ...াপৰলৈকে দিয়া নাই, হয়তো সময়ত আহিলেও দূৰ কৰি দিবলৈ অভ্যস্ত হৈছে...

* * * *

জগতত তাৰ মাকৰ বাহিৰে আপোন বুলিবলৈ আৰু কোনো নাই। কেতিয়াবা বৰ বেজাৰ লাগিলে সি মাকৰ কোলাত মূৰ গুঁজি কান্দে, মাতৃত্বৰ আহ্বানত আয়ো তাইৰ জঠৰ হাত দুখনি তাৰ মূৰত ফুৰাই দি কয় "ভোলা, কিয় কান্দিছ অ’, কান্দিলেনো কি হ’ব, নাকান্দিবি, নাকান্দিবি;" কঁপা মাতেৰে বুঢ়ীয়ে কথা কিষাৰ কয় আৰু লগে লগে খন্তেকতে তাৰো বেজাৰ-বিষাদৰ যৱনিকা পৰে।......এইদৰেই তাৰ দিন যায়, ৰাতি আহে।

[ ২ ]

সংসাৰত পাঁচ বছৰৰপৰাই সি পিতৃহীন—ইমান দুৰ্ভগীয়া সি! বিধৱা মাকেই অশেষ দুখ-কষ্টৰ মাজতো তাক ডাঙৰ দীঘল কৰিলে। ভাবিলে, খুজি মাগি হ’লেও তাক পঢ়াব......

স্কুলত নাম লগাই দিলে, বুধিয়ক লৰা সি দোপত দোপে তাৰ উন্নতি হ’ল। শ্ৰেণীৰ সকলোকে সি চেৰ পেলালে। সকলোকে চমক লগালে। খেল-ধেমালিতো আছিল সি আগৰণুৱা।

* * * *

প্ৰাথমিক শিক্ষা এনেকৈয়ে শেষ হ’ল। ইংৰাজী স্কুলত আহি সি ভৰ্ত্তি হ’ল; মাকে তাক সদায় মুকলি আকাশৰ তলত বহুৱাই লৈ নানা উপদেশ দিয়ে, অৱশ্যে সেই বিলাকলৈ কাণ দিয়াহে তাৰ বৰ অভ্যাস নাই।

মাকৰ যত্নত সি বহু দুখ কৰি পঢ়িলে। প্ৰতি শ্ৰেণীতে সি দ্বিতীয়ৰ তললৈ নাযায়; তাক লৈয়েই সমনীয়াবিলাকৰ বহুত সময়ত আলোচনা, নানা তৰ্ক, নানা চাংকি কৰিও তাক সিহঁতে চেৰ পেলাব নোৱাৰে। ষষ্ঠমান শ্ৰেণীলৈকে তাৰ এইদৰেই গ’ল; ৭ম শ্ৰেণীলৈ প্ৰমোশ্বন পালে। লগে লগে তাৰ আনুসঙ্গিক নানা ভাৱনাও উপস্থিত হ’ল। এই অত বছৰ মাকে অশেষ কষ্ট কৰি অশেষ উদ্যমেৰে তাক পঢ়ালে কিন্তু এতিয়া, এতিয়া তাইৰ আৰু আগৰ অৱস্থা নাই। এতিয়া তাই শক্তিহীনা; পুতেকক পঢ়াবলৈ তাইৰ আৰু সামৰ্থ্য নহ’ল। কিমান কষ্ট কৰিব তাই এই বুঢ়া বয়সত! পুৱাৰপৰা দিনৰ দিনটো ফুৰি ফুৰি গধূলি ঘৰ সোমায়হি কোনোমতে এমুঠি নিজেও খায় পুতেককো খুৱায় আৰু তাইৰ সেই সাতাম পুৰুষীয়া কঠাখন গাত পেলাই খেৰৰ বিছনা খনত বাগৰি থাকোঁতেই তাইৰ

Missing Page(s)

ৰাতিটো যায়। ভোলাক লৈ তাইৰ বিশেষ চিন্তা; ভোলাক পঢ়াব নোৱাৰিলে যে তাইৰ মনৰ ইচ্ছা পূৰ্ণ নহয়।

* * * *

যথাসময়ত ফিজ দিব নোৱাৰাত তাৰ নাম স্কুলৰ হাজিৰা বহীৰপৰা কটা গ'ল। সমনীয়াবিলাকে লগ পালে তাক "নামকটা চিপাহী" "নামকটা চিপাহী," বুলি জোকাবলৈ ধৰিলে। এতিয়াহে তাক ঘোৰ চিন্তা ভাৱনাই বেৰি ধৰিলেহি। এতিয়া সি বুজিলে মাকে তাক পঢ়াওঁতে কিমান কষ্ট কৰিব লগীয়া হৈছিল।...

স্কুলৰপৰা বিদায় লোৱাৰ আগতে কতদিন সি ধনৰ অভাৱত কত ধনী মানুহৰ ওচৰলৈ গৈ কাকুতি কৰিলে, কতৰ ভৰিত ধৰিলে; কিন্তু তাৰ করুণ প্ৰাৰ্থনাই কাৰো মন গলাব নোৱাৰিলে। সকলোৱে চেই চেই কৈ তাক আঁতৰ কৰিলে। বিষাদপূৰ্ণ ভগা হিয়া থনেৰে সি তাৰ পঁজাঘৰটোলৈ ঘুৰিল। বুঢ়ী মাকে তাৰ অৱস্থা দেখি চকুপানী টোকে সি নথকাত বা নেদেখাত। কিন্তু তাক দেখুৱাই তাই উৎসাহ দিছিল। যেতিয়া দেখিলে তাৰ সকলো চেষ্টা ব্যৰ্থ হ'ল তেতিয়া আৰু তাই নোৱাৰিলে ক'লে,—"ভোলা, এইয়ে সংসাৰ, যি ধনী তাৰেই সংসাৰ সুখৰ; কিন্তু নিধনীৰ, খাবলৈ নোপোৱা ভিকহুৰ কাৰণে ধনীৰ এই সুখময় সংসাৰখন ঘোৰ নৰকতুল্য। তাৰ নিমিত্তে দুখেই ইয়াত ভৰি আছে। এতিয়া পাৰিলে তই কিবা কাম কাজ এটাহে বিচাৰ।"

মাকৰ কথাত ভোলাৰ চকুপানী ওলাল। কিন্তু কি হ'ব; কান্দিলেতো একো নহয়। ইপিনে ভোলাৰ নাম কটা যোৱাত তাৰ লগৰীয়াইতে ভালকে পালে। এতিয়া যেনিবা সিহঁতৰ সেই তৰ্কাতৰ্কিৰ অন্ত পৰিল; এতিয়া আৰু প্ৰতিদ্বন্দীতাৰ বাবে সিহঁতৰ মাজত ভোলা নাই।

[ ৩ ]

ভোলাইঁতৰ ঘৰৰ ওচৰতে চুবাদাৰ মঙ্গলচিঙৰ ঘৰ। সেই অঞ্চলত আৰু আন মানুহৰ ঘৰ নাই। মঙ্গলচিং চুবাদাৰ যি চুবাদাৰেই। দীৰ্ঘকায়, শকত-আৱত মঙ্গল চিঙে যেতিয়া হাতত বেত-ডাল লৈ নিজৰ কামত ওলাই যায় তেতিয়া ভোলাক তেওঁ প্ৰায়েই পায়। তাৰ হৃষ্ট-পুষ্ট আৰু বলিষ্ঠ দেহটোৰে সি যে কত কামকেই কৰিব পাৰে! এইবিলাক ভাবি তেওঁৰ তাৰ প্ৰতি স্নেহ ওপজে। বহুত সময়ত তেওঁ তাৰ লগত ধেমালিও কৰে।...

এদিন ৰাতিপুৱা। সদায় যোৱাৰ দৰে সেই দিনাও চুবাদাৰে ভোলাইঁতৰ ঘৰৰ আগেদি খোজ ললে। কিবা ভাবি ভাবি তেওঁ গৈ আছিল আৰু সিহঁতক প্ৰা অতিক্ৰম কৰিছিলেই এনেতে তেওঁ পাচলৈ ঘূৰি চাই দেখে, ভোলা, সি বৰ বেজাৰ মনেৰে আলিবাটৰ কাষত গছৰ মুঢ়া এটাত বহি আছে। কিবা ভাবিছে। চুবাদা থমকি ৰ'ল; হাত বাউল দি তাক মাতিলে। সুধিলে তাৰ কিবা অসুখনেকি, নে তাৰ বুঢ়ী মাকৰ কিবা অসুখ। সি নিমাত সি একেবাৰে হতাশ হৈ পৰিছিল। এদিন সি এটা পয়চাৰ বাবে সকলোৰে অপ্ৰিয় উঠিছে সকলোৱে চেই চেই কৈ তাক আঁতৰ কৰি তাৰ ভয় হ'ল, জানোচা আৰে শুনিব লগা হয়। পয়চাৰ কথা তাক থং কৰে ইতাদি ভাবি দ্বিতীয়বাৰ সোধাত সি তেওঁৰ আগত ক'লে। কথা প্ৰতি পুতৌ হ'ল। ভাবিলে তাক পাৰিনে? শেহত ক'লে, 'ভোলা, তোক মই একোকে কৰি দিব নোৱাৰোঁ, তোৰ অৱস্থা দেখি মোৰ বৰ পুতৌ হৈছে। যদি ভাল পাৱ মই তোক কিবা এটা কামকে দিব পাৰোঁ। কৰিবি জানো? ভাবিচা। তলমূৰ কৰি সি কথাখিনি মন কৰি শুনিলে। পিছত মূৰ তুলি চায় যে সি অকলৈ তাতে ঠিয়হৈ আছে তাৰ ওচৰত চুবাদাৰ বা আন কোনো নাই।

কথা শেষ হোৱাৰ লগে লগেই চুবাদাৰ কামলৈ গুচি গৈছিল।...ভোলা দোমোজাত পৰিল। খাবলৈ নেপাই ভোকত কলমলাই থকা কষ্টৰ হেঁচাত পৰি তাৰ প্ৰাণটিয়ে তাক উদ্গনি দি ক'লে,—"ভোলা, এই সুযোগ এৰি নিদিবি এতিয়াই এটা সংস্থান কৰিল।" পিছ



...তে আকৌ তাক মনৰ উচ্চতাই আগ ভেটি ধৰে আৰু যেন কয়, "নাই ভোলা, তোৰ পক্ষে ই অসম্ভৱ; প্ৰাণ গ'লেও তই ইমান নিষ্ঠুৰ হ'ব নোৱাৰিবি, আৱশ্যক হতে কৰ্ত্তব্যৰ কঠিন বান্ধোনত পৰি হ'লেও সৈনিক বেশেৰে এজনৰ বুকুত তৰোৱাল বহুৱাটো তোৰ পক্ষে অসম্ভৱ, তোৰ দ্বাৰা এনে কাম ন'হব; ছিঃ, এনে ভাৱকো তই মনত ঠাই দিয়!"

এনে নানা ভাৱে তাক উত্তেজিত কৰি তুলিলে। সি একো থিৰ কৰিব নোৱাৰিলে; ঘৰলৈ গৈ ভগা চকী এখনত বহি পৰিল। খুজিবলৈ গৈ মাক তেতিয়াও ঘূৰি অহা নাই। বুঢ়া লাখুটি ডাললৈ ভৰ দি ওলালহি; কোনোমতে দুয়ো দুমুঠি খালে। তাৰ পিছত সি মাকক তাৰ সকলো কথা ক'লে; কিন্তু মাকৰপৰা সি বিশেষ সহায় নাপালে। নিজে অশেষ কষ্ট কৰিব লগা হ'লেও পুতেকক তাক একো ক'ব নোৱাৰিলে। মাক হৈ পুতেকক ...ক এনে এটা কষ্টকৰ কামলৈ ঠেলি দিয়ে? ক'লে তুই যেনে ভাল দেখ কৰ, তাকে মাথোঁ তেনে। ...তে আকৌ ......

...জীৱন তৰী টুনটুনাই যোৱা দেখি চকুপানী টুকিলে ...গাভকৰে।... ভিতৰতে সি বৰকৈ শুকাই ...ত। তে

* * *

...কৰ কষ্ট আৰু ভোলাই সহিব নোৱাৰিলে। সি বুজিলে তাৰ কৰ্ত্তব্যত ত্ৰুটী হৈছে। মাকক ...বয়সত সি খুৱাওক ছাৰি মাকেহে তাক পোহপাল দিব লগা হৈছে তাৰ অৰু সহ্য নহ'ল।...

গধুলি চুবাদাৰক লগ পাই সি তাৰ মনৰ কথা ক'লে আৰু কিবা ভাবি ভাবি ঘৰলৈ উলটিল।...

চুবাদাৰৰ যত্নৰ ফলত সি এমাহ মানৰ ভিতৰতে সৈনিক দলত ভৰ্ত্তি হ'ল আৰু আজিও সি এটা সৈনিক। তাৰ আৰু আগৰ সেই সুকোমল চেহেৰা নাই, ...এতিয়া আগৰ ভোলা নহয়। এতিয়া সি নিষ্ঠুৰ ...স্বভাৱৰ।

[ ৪ ]

ছবছৰৰ পিচৰ কথা। দেশত চাৰিওপিনে হাঁহাকাৰ। সকলোৰে মুখত মাথোঁ একে কথা। শত্ৰু সৈন্যই সিহঁতৰ দেশ জয় কৰিব হেনো। ৰজা, প্ৰজা সকলোৰে থালি একেটা চিন্তা কেনেকৈ স্বদেশক শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰে।

যুদ্ধৰ কাৰণে সকলো সাজু হ'ল। সৈনিকবিলাকক নানা নতুন শিক্ষা দিলে। কৰ্ত্তব্যৰ আহ্বানত, স্বদেশ ৰক্ষাৰ্থে শত্ৰুৰ লগত যুঁজিবলৈ ভোলাও সাজু হ'ল। মাকক সেৱা কৰি সি আশীৰ্ব্বাদ ল'লে।

পিছদিনা ৰাতিপুৱাতে ভোলা গ'ল আৰু তাৰ বুঢ়ী মাকে অকলে নিজান প্ৰান্তত সেই পঁজাঘৰটোতে তাৰ বাবে অপেক্ষা কৰি ৰ'ল।

[ ৫ ]

ভোলা যোৱা আজি পাঁচ দিন হ'ল। নিৰাশ্ৰয়া মাকে তাৰ অবিহনে চকুৰে ধুৱঁলি কুৱঁলী দেখিছে।

ইপিনে ভোলাই অসীম সাহসেৰে যুঁজ কৰি অধিস্থিত নহলেও এজন নায়কৰ দৰে হৈ পৰিল। ভোলাইঁতৰ সৈন্যবল কম হোৱাত ক্ষতি বেছি হ'ল। সাত দিনৰ দিনা সিহঁতৰ ভীষণ যুদ্ধ হ'ল। এবাৰ হঠাৎ চিঞৰ মাৰি ভোলা মাটিত বাগৰি পৰিল। লগৰ সৈন্য দুটামানে তৎক্ষণাৎ তাক বাহৰৰ আস্পতাললৈ লৈ গ'ল।

* * *

অকস্মাতে কৰবাৰপৰা বন্দুকৰ গুলি এটা তাৰ গাত পৰাত সি এইদৰে বাগৰি পৰিছিল। ভোলাৰ আৰোগ্যৰ বাবে নানা চেষ্টা চলিল; কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। তাৰ অৱস্থা বেয়া হৈ আহিল। পিছদিনা ৰাতি পুওৱাৰ আগে আগে ভোলাই একেবাৰে চকু মুদিলে। যাবৰ সময়ত আধাফুটা মাতেৰে মাথোঁ ক'লে,—"ক্ষমা কৰিবা আই, মই আহিলোঁ।"

ভোলা গুচি গ'ল আৰু তাৰ নিঃসহায়া বুঢ়ী মাকে সেই পঁজাটীতে তাৰ কাৰণে অপেক্ষা কৰি থাকিল।

———

# বিহুনে বিহ ?

কবিতা ]

—ইক্ৰামআলি হাজৰিকা

বছৰে ঘূৰিছে   ব'হাগৰ বিহুটি
মুখতে হাঁহিটি লই,
ডিহিঙে-ডিপাঙে   যায় ডেকা লৰা,
বিহুতে বলিয়া হই।

লুইতৰ চাপৰিত   উঠিছে কঁপনি
নামৰো উঠিছে বান,
ঢোলৰ চেৱে চেৱে   টকায় মাতে মাতে,
নাচনীৰ ফাটিছে কাণ।

তিহিলি তিহিলি   বাজে কেঁহোকলি,
কিনো ঐ অমৃয়া সুৰ,
এমুৱা সুৰটো   মন মোৰ নানাচে,
হিয়াও নপৰে জুৰ।

কিনো গুণা কটা   খনিয়া মেৰিয়াই,
বিহুৱাই বিহু বাই যায়,
মোৰনো কপালত   কোনেনো শপিলে
গামোছা এডোখৰ নাই।

সকতে এৰি গ'ল   চে...
নেকেৰাত বোপা...
নিকৰুণ পৃথিবীত   মে...
যেনে ঐ ডলাৰ বগ...

ভৰা যৌৱনতে   যাকে আশা কৰি
বান্ধিলো বলিয়া মন,
সিও যে নেওচি   নিৰাশা কৰিলে
ভাইগৰ অখণ্ড লিখন।

(মোৰ) ঘৰতো নপৰে   মনে সমনীয়া
পথাৰতো নপৰে মন,
কমোৱা তুলা হৈ   উৰি ঐ ফুৰিছে
মোৰে ঐ বলিয়া মন।

আজি বৰ-বিহু   আহিছে আনন্দৈ
সুখৰে চপৰা লই,
মোলৈ আনিছে   মিচিমিৰ বৰে বিহ
তাকে ঐ সামৰিম মই।

---

# ৰাসলীলা

—শ্ৰীযুত গোবিন্দৰাম দাস বি, এ

ৰাসলীলা বৈষ্ণৱ সম্প্ৰদায়ৰ আৰু বৈষ্ণৱ সাহিত্যৰ ...ট আদৰৰ ধন। ইয়াত কিবা বৈজ্ঞানিক সত্য নিহিত ...কক বা নাথাকক, ই মানুহৰ হৃদয়গ্ৰাহী মধুৰ ৰসেৰে ...ৰ্ণ। আমি এই প্ৰৱন্ধত নিৰপেক্ষ সমালোচনাৰে ...াসলীলাৰ প্ৰকৃত তথ্য উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰিম। ...নুহে যাতে ভাববাঞ্জক ৰসাল মধুৰ ভাবত উদ্বুদ্ধ নহৈ ...কৃত সত্যৰ আভাস পায় তাৰ বাবেও চেষ্টা কৰা হ'ব।

...গৰখীয়া, গোপাল কৃষ্ণ লাহে লাহে গৈ যৌৱন অৱস্থা ...লে। যৌৱনৰ আনুসঙ্গিক প্ৰবৃত্তিবিলাকে সচৰাচৰ ...াৰণ প্ৰাণীৰ ওপৰত যি দৰে প্ৰভুত্ব চলায় তেওঁৰ ...ৰতো তেনে বিধৰ প্ৰভাৱে হেঁচা দিলে। এনেয়ে বুঢ়ী ...ী তাতে আকৌ নাতিনীয়েকৰ বিয়া যৌৱনৰ প্ৰৱল ...ত জীৱন তৰী টুলবুল ; তেনেস্থলত লগ ললে আহি ...গাভৰুৱে। এই ডেকা গাভৰুৰ দলেই গোপী ...ত। তেওঁলোকৰ ভাব ভঙ্গী কাম কটাক্ষ শৰে ...অধীৰ কৰি তুলিলে। কোনেনো এনেদৰে ...ঐহী বস্তুৰ মমতা এৰি দিব পাৰে? সহজতে ...ৱন কালত এটি বৈদ্যুতিক শক্তিৰ প্ৰৱল সোঁতক বাধা ...া বৰ টান আৰু তল ওপৰ নাচাই সেই শক্তিক নিৰ্মূল ...কৰিবলৈ গ'লে শেহত বিপদহে মাতি আনিব লগাত পৰে। ...ই শক্তিৰ নাম পিতৃ আৰু মাতৃ শক্তি। যুৱকে যুৱতীৰ ...লত থাকিবলৈ ভাল পায় আৰু যুৱতীয়েও যুৱকৰ ...আমোদত মত্তহৈ নিজকে জলাঞ্জলি দিয়ে। পৰস্পৰৰ ...িৰত এনে আকৰ্ষণৰ মূলত এই পিতৃ আৰু মাতৃ শক্তি। ...ই দুয়ো শক্তিয়েই সদায় সম্মিলীত হবলৈ ব্যগ্ৰ। সেই ...াৰণেহে যুৱক যুৱতীয়ে একে লগে থাকিবলৈ ভাল পায় ...ৰু যৌৱন অৱস্থাতেহে এই শক্তিয়ে পূৰ্ণ ৰূপে ক্ৰিয়া ...ৰে। এই শক্তিৰ কাৰ্য্য উদ্ভিদ আদি অচেতন প্ৰাণী পৰ্য্যন্ত বিদ্যমান। এই শক্তি যে অনাদি অনন্ত চিৰন্তন তাক "দ্বিতীয়া কা মমা পৰা" আদি শাস্ত্ৰীয় প্ৰমান বাদ দিলেও জগতৰ প্ৰৱাহিত জীৱসোঁতৰ পৰা ধৰিব পাৰি। প্ৰকৃতিয়ে এই তথ্য সদায় আমাৰ আগত দাঙি ধৰিব লাগিছে।

শ্ৰীকৃষ্ণও এজন দেহধাৰী জীৱ ; যদিও আমি তেওঁক শ্ৰীবিষ্ণু, পূৰ্ণব্ৰহ্ম, স্বয়ং ভগৱান আদি আখ্যা দিওঁ। তেওঁ এই শক্তিৰ প্ৰভাৱত মন প্ৰাণ ডুবাই দিলে। শৰৎ কালৰ চন্দ্ৰাৱলী ৰাতি বৃন্দাবনৰ মাজত ৰাসলীলা বা প্ৰেমলীলা আৰম্ভ কৰিলে। ইন্দ্ৰিয়ৰ পিপাসা মাৰ নিয়াবলৈ মানুহৰ যিমান দূৰ শক্তি তাতোকৈ অধিক পৰিমাণে মজি গল। 'নাগ্নিস্তৃপ্য তি কাষ্ঠানাম্ ; নপুংসাং বামলোচনা।' জুইক যেনেকৈ খৰিয়ে তৃপ্তি দি শেষ কৰিব নোৱাৰে পুৰুষকো হাজাৰ হাজাৰ ৰমণীয়ে সন্তুষ্ট কৰিব নোৱাৰে। এই কাৰণেই মহাৰাজ যযাতিয়ে পুত্ৰৰ যৌৱনেৰে সহস্ৰ বছৰ ভোগ বিলাসত মত্ত থাকি শেহত কৈছিল :—"নজাতু কামঃ কামান্ উপভোগেন শাম্যতি। হৱিষা কৃষ্ণ বৰ্ত্মেৱ ভূয়ঃ এনাভি বৰ্দ্ধতে।" কামক ভোগৰ বস্তুৰ দ্বাৰা সংযত কৰি ৰাখিব নোৱাৰি। কাৰণ ; "যৎ পৃথিব্যাং ব্ৰীহি যবং হিৰণ্যং পশৱঃ প্ৰিয়ঃ একস্যাপি ন পৰ্য্যাপ্তং তস্মাৎ অতিতৃষং ত্যজেৎ॥" সংসাৰত যিমান ধন ধান সোণ পশু পক্ষি আৰু তিৰোতা আছে তাৰে এজনৰে হাবিলাষ নপলায়। গতিকে অতি তৃষ্ণা ত্যাগ কৰিব লাগে।

শ্ৰীকৃষ্ণ আজি গোপীৰ প্ৰেমত মত্ত। তেওঁৰ এই প্ৰেমলীলা নিষ্কণ্টক কৰিবৰ অৰ্থে গোকুল বাসীক অসুৰৰ ভয় দেখুৱাই বৃন্দাবনলৈ নিয়াৰ ইয়ো এটা ঘাই কাৰণ। প্ৰেমত মুগ্ধ হৈ মানুহে কি কৰিব নোৱাৰে? প্ৰেমে পাষণ্ডক মহাত্মাত পৰিণত কৰে, কুক্ৰিয়া ৰত কামুকক

ভগৱন্তৰ মহিমা প্ৰচাৰ কৰিবলৈ শিকায়, নিকৰুণ হিয়াতো কৰুণাৰ সঞ্চাৰ কৰে আৰু কাপুৰুষকো মহাবীৰ কৰি তুলিব পাৰে। প্ৰেমে নিৰ্ব্বলৰ বল, নিৰাশ্ৰয়ৰ আশ্ৰয় আৰু নিৰ্ধনৰ ধন। কৃষ্ণ ৰাধাৰ প্ৰেমত মজিল। প্ৰেমিক প্ৰেমিকাৰ ঘনিষ্ঠ সম্বন্ধৰ ফলত যেনে তুচ্ছ তাচ্ছিল্য ভাৱৰ আদান প্ৰদান হয় তেওঁলোকৰ ভিতৰতো তেনে হল। শেহত এই খিনিও কৰবলৈ নেৰিলে 'দেহি পদ পল্লৱ মুদাৰম্।' অৰ্থাৎ তোমাৰ পদুমৰ নিচিনা ভৰি দুখন মোৰ মূৰত দিয়া।

"মদন বৈসে বাম নয়নে। মাদন বসে দক্ষিণ কোনে॥
শোষণ বানেতে উপানে চাই। মোহন কুচেতে ধৰহে তাই॥
স্তম্ভন শৃঙ্গাৰে সদাই স্থিতি। চণ্ডীদাস কহে ৰসেৰ ৰীতি॥"

মদন, মাদন, শোষন, মোহন, স্তম্ভন আদি কামদেৱৰ পঞ্চবানৰ প্ৰভাৱ গীতি কাব্যত সুৱলা ভাষাৰে বৰ্ণনা কৰা কবিবৰ চণ্ডীদাসে কোৱাৰ মতে :—

"ৰূপ দেখি আঁখি জুৰে গুনে মন ভোৰ।
প্ৰতি অঙ্গ লাগি কান্দে প্ৰতি অঙ্গ মোৰ॥"

কিন্তু "কাম গন্ধ নাহি তায়॥" ই কেনে ধৰণৰ কথা! ৰাধাভক্তৰ বা কৃষ্ণভক্তৰ মুখতহে এনে কথা শোভা পায়। কামৰ গন্ধ নোহোৱাকৈ কাৰ মনত এনে ভাৱ হ'ব পাৰে? বোধকৰো তেনে ভক্ত যোগী মানুহৰ মাজত নোলাব। কুকুৰে লাই পালে মূৰলৈকে উধায়। কৃষ্ণক এনে দৰে গোপীভক্ত হোৱা দেখি গোপীবিলাকে তেওঁৰ কান্ধত উঠিবলৈ ইচ্ছা কৰিলে। কামাচাৰী গোৱালীৰ উদ্ভতালি সহিব নোৱাৰি তেওঁ মনে মনে আঁতৰ হ'ল। বেচেৰি ইতে তেওঁক নেদেখি ব্যাকুলহৈ কান্দিবলৈ ধৰিলে আৰু শেহত নিজৰ মূৰ্খামি বুজি অশেষ অনুতপ্তা হ'ল। প্ৰেমিকৰ মুখৰ বাণী কেনে মধুৰ! কেনে সুন্দৰ!! তাক অনুভৱ কৰিব ধৰিলে।

প্ৰেম জগতৰ হাৰে হাৰে 'সূত্ৰে মণি গনাইৱ' প্ৰোথিত সম্বন্বিত। আৰু অদৃশ্য শক্তিৰে বিৰাজিত। প্ৰেম আৰু কামৰ ভিতৰত স্বৰ্গ মৰ্ত্ত্য প্ৰভেদ থাকিলেও প্ৰেমৰ উৎপত্তিৰ স্থল কাম। বিখ্যাত ছাৰ ৱালটাৰ স্কটে প্ৰেমকেই জগতৰ সৰ্ব্বস্ব বুলি কয় :—

"Love rules the court the camp the grov[illegible]
Saints below and heaven above
For love is heaven and heaven is love"

কিন্তু মহামতি এৰিষ্টোটলে প্ৰেমৰ উদ্ভতালি[illegible] লক্ষ্য কৰি কয় যে ই ব্যক্তিত্ব ধ্বংস কৰে আৰু মনুষ্য[illegible] হীনতা আনে :—"In excessive love, the love[illegible] do not like to remain separate but becom[illegible] one in blood and flesh at the expense of t[illegible] one" অতিপাত প্ৰেমত প্ৰেমিক প্ৰেমিকা তেজ [illegible] মিলাই একেটা হৈ যাব খোজে। তেনে কৰোতে এক[illegible] পতন অনিবাৰ্য্য আৰু লগতে মনুষ্যত্বৰো বিকাৰ ঘটে।

ৰাধা আৰু কৃষ্ণৰ প্ৰেম কামজয়েই হওক বা ক্ষণস্থায়ী[illegible] হওক নাট কাব্যৰ আদৰ্শৰ বিষয়। এনে প্ৰেম জগ[illegible] বিৰল। কাল্পনিক লয়লা মজনুৰ প্ৰেম, শকুন্তলা দুষ্[illegible] প্ৰেম, ৰোমিও জুলিয়েটৰ প্ৰেম ইয়াৰ লগত তুলনা না[illegible] ৰাধাকৃষ্ণৰ প্ৰেমে ত্যাগৰ অপাৰ মহিমা ঘোষণা কৰি[illegible] কৃষ্ণই একালে ৰাধাক যেনেকৈ প্ৰাণৰ প্ৰতিমা [illegible] কৰিছিল আনকালে কৰ্ত্তব্যৰ অনুৰোধত অকাতৰে [illegible] প্ৰাণৰ প্ৰতিমা বিসৰ্জ্জন দিব পাৰিছিল। এদিনৰ [illegible] নহয়, দুদিনৰ বাবে নহয়, চিৰদিনলৈ। "প্ৰেমপূজা [illegible] সাঙ্গ কৰেছি প্ৰতিমা ফেলেছি ভাঙ্গিয়া।" এনেদৰে [illegible] উপযুক্ত কৃষ্ণহে মাথোন। কৃষ্ণ যদিও পৰৰ তিৰো[illegible] প্ৰেমত মত্ত হৈছিল তথাপি তাত আসক্ত হৈ [illegible] বিমূঢ় হোৱা নাছিল। যদিও কিছুপৰিমানে হোৱা[illegible] অনেকে অনুমান কৰে তথাপি সি লেখত লব [illegible] কিয়নো মহৰ্ষি মনুৱেও কৈ গৈছে "কামত্মতা ন [illegible] নচৈবাস্তি অকামতা।" মানুহ একেবাৰে অনাসক্ত নি[illegible] হব নোৱাৰে, গীতায়ো ইয়াক সমৰ্থন কৰে :—"অনা[illegible] কৰ্ম্মফলং কাৰ্য্যং কৰ্ম্ম কৰোতি যঃ। স সংন্ন্যাসী চ [illegible] চ ন নিৰগ্নিৰ্ন চাক্ৰিয়ঃ॥"

এতিয়া কথা হৈছে তেওঁ ইচ্ছাপূৰ্ব্বক পৰৰ তিৰো[illegible] লগত এনেদৰে লীলা খেলা কৰিছিল নে তিৰোতাবিল[illegible] আহি তেওঁক ৰতি দান মাগিছিল। কথাতো পৌৰা[illegible] কাহিনীত যিমানেই অতিৰঞ্জিত কৰি নিখিত [illegible]



[illegible]ৰ্ম্মতে নাৰীয়ে পুৰুষক নানা ভাৱ ভঙ্গিৰে মন উতলা কৰিলেও পুৰুষক নিজে আহি সাৱটি নধৰে ; বৰং পুৰুষহে [illegible]ই বিষয়ত আগৰণুৱা। যদিও তিৰোতাৰ স্বভাৱ—

"নতাদৃশীং প্ৰীতিমু পৈতি নাৰী
বিচিত্ৰ শয্যা শয়িতাপি কামম্ ;
যথাহি দূৰ্ব্বাদি বিকীৰ্ণ ভুমৌ
প্ৰয়াতি সুখং পৰকান্ত সঙ্গাৎ।"

এনে ধৰণৰ তথাপি তেওঁলোকৰ কাম পুৰুষতকৈ [illegible]ঠগুনে "কামঃ অষ্টগুণো স্মৃতঃ" বেছি বলী বুলি কোৱা [illegible]ছে। কিন্তু স্বভাৱ সুলভ লজ্জাই তেওঁলোকক অগ্ৰবৰ্ত্তী [illegible]ব নিদিয়ে। পুৰুষে লাজ ভাঙ্গি দিলে, তেওঁলোকৰ [illegible]চাৰ নাই। সুবেশ পুৰুষ দেখিলে ভাই বন্ধু এনেকি [illegible]ৰ্ভীয় পুত্ৰকো নাবাচে। "সুবেশং পুৰুষং দৃষ্টা ভ্ৰাতৰং [illegible]বা সুতং ; যোনিঃ ক্লিদ্যতি নাৰীনাং সত্যং সত্যং হি [illegible]ৰ।" এনে ঘটনা নৰসমাজত বিৰল নহয়। সেই [illegible]বিয়েই বোধহয় প্লেটো আৰু চক্ৰেটিছে ভাৰ্য্যা হিচাবে [illegible]ন উচ্চৈহতীয়া তিৰোতা Community of wives [illegible]খিবৰ ব্যৱস্থা দিছিল। আমাৰ আৰ্য্য হিন্দুসকলৰ [illegible]তো এনে প্ৰথা বহুতদিনলৈ প্ৰচলিত থকাৰ প্ৰমাণ [illegible]ৱা যায়। আগৰ কালত নাৰী স্বেচ্ছাচাৰিনী আছিল। [illegible]নো নিৰ্দ্দিষ্ট পতিৰ লগত চিৰকাল প্ৰণয় [illegible]ত আবদ্ধ নাছিল। বৰ্ত্তমানৰ Companionate [illegible]arriageঅৰ দৰে ৰীতি আছিল। পিছত সমাজৰ [illegible]মোন্নতিৰ গুণত আৰু স্বৈৰিণী নাৰীৰ অযথা আচৰণত [illegible]াজ কলুষিত হোৱা দেখি বিবাহ বিধি নিবদ্ধ কৰা হয়। [illegible]বাৰ অষ্টপ্ৰকাৰ বিবাহে আৰ্য্য সমাজত নাৰী প্ৰগতিৰ [illegible]ভিন্ন প্ৰকাৰ সূচনা কৰে মাথোন। তথাপি শ্ৰীকৃষ্ণৰ [illegible]লৈ অসুৰ আৰু গন্ধৰ্ব্ব বিবাহৰ বহল প্ৰচলন আছিল [illegible] নাৰীৰ সতীত্বও আন ধৰণৰ আছিল। কুমাৰী [illegible]স্থাত কুন্তিয়ে কৰ্ণ আৰু সিন্ধুৰাক জন্ম দিছিল আৰু [illegible]ৰ মৃত্যুৰ সময়তো স্বামীৰ আজ্ঞা মতে হেনো পঞ্চ [illegible]ৱৰ যুধিষ্ঠিৰ ভীম আৰু অৰ্জ্জুনক লাভ কৰিছিল। [illegible]নেদৰে ক্ষেত্ৰজ পুত্ৰৰ হকে পৰ পুৰুষৰ লগত সঙ্গম [illegible]ৰলৈ বিধি আছিল। দ্ৰৌপদীৰ নিচিনা তিৰোতায়ো একেলগে পাঁচ জনলৈকে স্বামী ৰাখিব পাৰিছিল আৰু তাৰা, মন্দোদৰীৰ নিচিনা তিৰোতায়ো দেৱৰৰ স্ত্ৰীৰূপে কাল নিয়াইছিল। ৰামায়ণতো মায়ামৃগ দৰ্শনৰ সময়ত সীতাই ৰামৰ মৃত্যুৰ পিছত লক্ষ্মণৰ স্ত্ৰী হৈ নাথাকো বুলি প্ৰতিজ্ঞা কৰিছিল। পুত্ৰাৰ্থে দুজন ভাই ককায়ে পৰস্পৰৰ পত্নীৰ লগত সহবাস কৰিব পাৰিছিল। এনেকি বিধবায়ো পুত্ৰ লাভাৰ্থে পৰ পুৰুষৰ সঙ্গ লোৱা বিধি আছিল। ভগবান মনুৱে নিজেই এনেবোৰ মত সমৰ্থন কৰিছে। গতিকে ৰাধা আদি গোৱালীবোৰ পৰৰ তিৰোতা হ'লেও সেই সময়ৰ ৰীতি অনুসৰি শ্ৰীকৃষ্ণৰ লগত প্ৰেমকৰাতো দোষনীয় নহবও পাৰে ; কিন্তু মহামানৱ হিচাবে শ্ৰীকৃষ্ণক সেই পাপে স্পৰ্শ কৰিব। ৰাধা একালে মায়েক আৰু আনকালে পৰ স্ত্ৰী। তেওঁক দুয়োটা দোষেই চোৱে। দুষ্যন্তই শকুন্তলাক ভাৰ্য্যাৰূপে গ্ৰহণ কৰি আহি প্ৰমাদ বশতঃ মোহিত হৈ শকুন্তলাক চুব খুজি কৈছিল

"পৰস্ত্ৰী পাংসুলঃ" মই পৰৰ তিৰোতা চুই পাপী হ'মনে।

আগৰ সমাজ আজিৰ সমাজৰ লগত কোনোমতে বিজাব নোৱাৰি। আগৰ ৰীতি-নীতি, চলনফুৰন, আদৰ আচৰন, আজিৰ দিনত তেনেই বেলেগ। সেই গতিকে আগৰ দিনৰ ঘটনাবিলাক আজি কালিৰ জোখ কাঠিৰে জুখি আগৰ চলিত দস্তুৰ মতে সমালোচনা কৰাহে যুগুত।

শ্ৰীকৃষ্ণই স্ত্ৰীসম্ভোগ আদি আমোদ প্ৰমোদ কৰাৰ লগতে দুৰ্দ্দান্ত ৰিপুবিলাকৰ প্ৰভাৱ ভালকৈ অনুভৱ কৰিছিল। মানুহ যি বিলাক কৰ্ম্মকাণ্ডত লিপ্ত থকাৰ আৱশ্যক সেই সকলোবোৰতে তেওঁ আত্মনিয়োগ কৰিছিল। কাম ক্ৰোধৰ পৰিণাম কেনে ভীষণ তাক তেওঁ গীতাত অৰ্জ্জুনৰ আগত বহলাই কৈছে :—"আবৃতং জ্ঞানমেতেন জ্ঞানীনো নিত্য বৈৰিণা কামৰূপেন কৌন্তেয় দুষ্পুৰেণা নলেনচ॥"

সেই কাৰণে যেই সেই উপায়ে "জহিশত্ৰুং মহাবাহো কামৰূপং দুৰাসদং" কাম ৰিপুক সংযত ৰাখিবলৈ উপদেশ দিছে। তিৰোতা বিষয়তো কেনে দৰে সংযত হোৱা দৰ্কাৰ তাকো নিজে আহি স্বৰূপে দেখুৱাইছে।

যদি ৰাসলীলা সঁচা বুলি মানি লোৱা যায় তেন্তে তিৰোতাক ইচ্ছামতে চলিবলৈ দিলে সমাজৰ কেনে দুৰ্গতি হ'ব পাৰে তাকো গোপীবিলাকক উপদেশ দিয়াৰ চলেৰে ভাঙ্গি পাতি কৈছে। তেওঁ তিৰোতাৰ লগত লীলা খেলা কৰাৰ লগতে তেওঁলোকৰ স্বভাৱজনিত "অসত্যং সাহসং মায়া মাৎসৰ্য্য চাতি লুব্ধতা; নিগুৰ্ণত্বম শৌচত্বং স্ত্ৰীণাং দোষাঃ স্বভাৱ-জাত।" এই দোষবোৰো উদ্ধুকিয়াইছে।

ৰাধা কৃষ্ণৰ মিলন আৰু বিচ্ছেদ বৈষ্ণৱসকলৰ আৰু বৈষ্ণৱ কাব্য শাস্ত্ৰৰ অতি আদৰৰ ধন। ৰাধা কেতিয়া কেনেকৈ উপাস্যদেৱীৰ গাদীত বহিল তাৰ সঠিক সময় নিৰ্ণয় কৰিব নোৱাৰিলেও বৈষ্ণৱাচাৰ্য্য নিম্বাৰ্কৰ দিনৰ পৰা যে ৰাধা নামৰ নাৰীৰ উপাসনা চলে সেইটো সঠিক। আভীৰসকলে যেনেকৈ সাত্বত ক্ষত্ৰিয় জাতিৰ বিষ্ণু পূজাৰ লগত কৃষ্ণ পূজা মিহলাই বিষ্ণু কৃষ্ণৰ অভেদ ভাবৰ সৃষ্টি কৰিলে তেনেকৈ ৰাধা গোৱালীকো নিম্বাৰ্কয় উচ্চাসন দিলে। এইদৰে ইজিপ্তৰ ৰাণী ক্লিওপাট্ৰা, গ্ৰীচৰ সুন্দৰী হেলেন আৰু আমাৰ কুন্তী, দ্ৰৌপদী, তাৰা, মন্দোদৰী আদি সম্ৰান্ত নাৰীসকল ব্যভিচাৰিণী হ'লেও কালক্ৰমে দেৱীৰ স্থান লাভ কৰিলে। পিছত তেওঁলোকক স্মৰণ কৰিলেই সৰ্ব্ব পাপ বিনাশ হোৱাত পৰিল। তেনে অযৌক্তিকৰ কথাৰে সৰ্ব্বসাধাৰণক ভুৰা নিদিলে শাস্ত্ৰৰ গুৰুত্ব নাথাকে আৰু পৌৰাণিক গল্পৰ বাহাদুৰি ৰসাতলে যায়। এইদৰেই ব্যভিচাৰী লম্পট লোকবো কালৰ গতিত এদল ভক্ত ওলাই পৰে। ৰাধাৰো সেয়ে কথা। নিম্বাৰ্কৰ পিছতো অনেক বৈষ্ণৱ কবিয়ে ৰাধাক শ্ৰীকৃষ্ণৰ প্ৰিয়তমা ৰূপে উচ্চাসন দিছে। এইবোৰৰ ভিতৰত ভাগৱত, হৰিবংশ, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আদিয়েই উল্লেখ যোগ্য। ভাগৱত বোপদেৱৰ দ্বাৰা ৰচিত। ১১৮২ শকত বোপদেৱৰ জন্ম হয়। তেওঁ নিজাম ৰাজ্যৰ অন্তৰ্গত দেৱগিৰিৰ ৰজা হিমাদ্ৰিৰ সভাপণ্ডিত আছিল। দেৱ-গিৰিৰ বৰ্ত্তমান নাম দৌলতাবাদ। তেও মুগ্ধবোধ, হৰিলীলা, ভাগৱত আদি গ্ৰন্থ ৰচনা কৰে। তেওঁ যে নিজে বৈষ্ণৱ আছিল তাক মুগ্ধবোধৰ মঙ্গলাচৰণ শ্লোকৰ পৰাই জানিব পাৰি

"মুকুন্দং সচ্চিদানন্দং প্ৰণিপত্য প্ৰণীয়তে।
মুগ্ধবোধং ব্যাকৰণং পৰোপকৃতয়ে ময়া॥"

তদুপৰি তেওঁ হিমাদ্ৰি গ্ৰন্থত ভাগৱত ৰচনাৰ কথা স্পষ্ট উল্লেখ কৰিছে। যেতিয়া হিমাদ্ৰিয়ে গোটেইখন ভাগৱত শুনিবৰ সময় নাই বুলি কয় তেতিয়া তেওঁ সূচীপত্ৰ তৈয়াৰ কৰি শুনায়। তাক তলত উল্লেখ কৰা শ্লোকৰ পৰা বুজিব পাৰিব—

"হিমাদ্ৰেঃ সচিবস্যাৰ্থে সূচনা ক্ৰিয়তেহধুনা।
স্কন্ধ অধ্যায় কথানাঞ্চ যৎ প্ৰমানং সমাসতঃ॥
শ্ৰীমদ্ভাগবতং নাম পুৰাণঞ্চ ময়েৰিতম্।
বিদুষা বোপদেৱেন শ্ৰীকৃষ্ণস্য যশোন্বিতম॥"

এতিয়া কেনেকৈ ৰাধা কৃষ্ণক দেৱ দেৱীৰ আসন বহুৱা হ'ল তাক সহজে অনুমান কৰিব পাৰিব। ইয়াৰ পিছত সহজীয়া কবি বিদ্যাপতি, জয়দেৱ আৰু চণ্ডীদাস তেওঁলোকৰ গীতিকাব্যত ৰাধাক অমৰত্ব দিয়ায়। ১২ৰ শকত মিথিলাৰ অন্তৰ্গত বিশকী গাৱঁত বিদ্যাপতিৰ জ ১৩০৯ শকত বীৰভুম জিলাৰ নান্নুৰ গাৱঁত চণ্ডীদাস জন্ম হয়। গতিকে তেওঁলোকে বোপদেৱৰ ৰাধাক সমৰ্থন কৰে। এওঁলোকৰ আহিলৈয়ে চৈতন্যও ৰাধাৰ ভাবত নাচি ফুৰে। ১৪০৭ শকত অৰ্থাৎ ১৪৮৫ চৈতন্যৰ জন্ম হয়। তেওঁ ৰাধাক ভক্তি স্বৰূ সৰ্ব্বাৰাধ্যা দেৱীত পৰিণত কৰে। "কৃষ্ণৰ অনন্ত শ তাতে তিন প্ৰধান। চিচ্ছক্তি মায়াশক্তি জীৱ শক্তি না

* * * *

প্ৰেমেৰ পৰম সাৰ মহাভাব জানি। সেই মহা ভাব
ৰাধা ঠাকুৰা

এইদৰেই ভক্তি প্ৰিয় বৈষ্ণৱসকলে ৰাধা গোৱালি মহাশক্তিত পৰিণত কৰিলে। শঙ্কৰদেৱেও একাধিক ৰাসলীলা গুৱলা ছন্দত অনুবাদ কৰি আনপাকে চৈ শৃঙ্গাৰ ৰসক সমৰ্থন কৰিছে।

"শৃঙ্গাৰ ৰসে যাৰ আছে মতি। আকে শুনি হৌক
নিৰ্ম্মলমতি।
ইটো কামজয় কৃষ্ণৰ কথা। শুনা নৰ দেহ নকৰা
—কীৰ্ত্তনঘোষা



ব্যভিচাৰ কামজ ৰাসলীলাৰ কথাকেই তেওঁলোকে কিয়বে কামজয় বুলি বৰ্ণাবলৈ সাহকৰিলে সেইটোহে জ্ঞানীসকলৰ বিচাৰ্য্য। তদুপৰিও তেওঁ অমূল্য ৰত্নত ৰাধা নামৰ মাহাত্ম্য বৰ্ণাইছে।

"দেৱতাৰ দেৱ যিটো ভগৱন্ত
অনন্তে অন্ত নাপায়।
নন্দৰ নন্দন ব্ৰজৰ ভূষণ
ৰাধাৰ পায়ে লুকায়॥
এহিসে কাৰণে পূৰ্ণ ৰাধা নামে
শুনিয়ো মাধৱ তুমি।
কৃষ্ণ নিজ পূৰ্ণ তাতো কৰি পূৰ্ণ
ৰাধা নামে কৈলো আমি॥"

এইদৰে ব্ৰহ্মবৈবৰ্ত্ত পুৰাণতো ৰাধানামৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। কৃষ্ণই ৰাধাক যেনেকৈ ভাল পাইছিল তেনেকৈ অস্তেকতে ত্যাগ কৰিবও পাৰিছিল। সুদামৰ শাপৰপৰা হেনো এনে কৰিছিল। ভাৰত ত্যাগীৰ জন্মভূমি, মহিমাৰ ৰঙ্গস্থলী আৰু সাধনাৰ কৰ্ম্মক্ষেত্ৰ। শ্ৰীকৃষ্ণৰ দৰে বুদ্ধ চৈতন্য আদিয়েও ত্যাগৰ মহিমা দেখুৱাইছে। একালে প্ৰেমৰ মহিমাময়ী মূৰ্ত্তি আৰু আনকালে ত্যাগৰ কঠোৰ প্ৰতিপত্তি। কেইজনে এনেদৰে প্ৰেমধন অকাতৰে জলাঞ্জলি দিব পাৰে? দিলেও তেওঁলোকে পাপে চুব বুলি সঙ্কুচিত হ'ব। সেই ভ্ৰান্তি দূৰ কৰিবলৈ যাজ্ঞবল্ক ঋষিয়ে তেওঁৰ পত্নী মৈত্ৰেয়ীক বৃহদাৰণ্যউপনিষদত কৈছে:—

"নবাঅৰে জায়ায়ৈ কামায় জায়া প্ৰিয়ো ভৱতি।
আত্মনস্ত কামায় জায়া প্ৰিয়ো ভৱতি॥" আত্মাৰ সদ্গতিৰ অৰ্থেহে জায়াৰ দৰ্কাৰ। আত্মাৰ হিতাৰ্থে জায়াকো ত্যাগ কৰিব পাৰি। কিন্তু আত্মাৰ সদ্গতিত কিয়ো অধিক প্ৰশংসাৰ কাম হৈছে সকলো জীৱকে শান্তি দান, প্ৰপীড়িতক অভয়দান আৰু অধৰ্ম্মৰ নিৰ্য্যান কৰা। এনে প্ৰেৰণাত অনুপ্ৰাণিত হৈহে শ্ৰীকৃষ্ণই স্নেহৰ বৃন্দাবন এৰি বিপদসঙ্কুল মথুৰালৈ প্ৰস্থান কৰিছিল।

ৰাসলীলা উপাখ্যান আমাৰ জনসাধাৰণে ৰাধাকৃষ্ণৰ প্ৰেমলীলা ভাবতেই নিয়ে আৰু কৃষ্ণৰ ঐশী শক্তিৰ প্ৰভাৱ বুলি তবধ মানে। তত্বদৰ্শী লোক সকলে তত্ব কথাৰে জীৱাত্মা পৰমাত্মা ভেদে গ্ৰহণ কৰিব খোজে। তেনে ভাৱে নিলে সহজ "খাও মাগুৰ মাছেৰ জোল; লও যুৱতী নাৰীৰ কোল; বোল হৰি বোল।" এনে অশ্লীল কথাতো তত্ব ব্যাখ্যা কৰিব পাৰি আৰু বামাচাৰী সকলে ৰাতি যেতিয়া মদ খাই নৃত্যকৰি উলঙ্গ হৈ মাতৃ, কন্যা, আদি সকলোকে "অহং শিৱঃ তং হি দুৰ্গা" বুলি ৰমণ কৰে। তাতো ধৰ্ম্মৰ নিগূঢ় তথ্য উলিয়াব পাৰি। ৰাসলীলাৰ ভাওনা কৰি বঙ্গদেশত 'কিশোৰী ভজন' অৰ্থাৎ দীক্ষা গ্ৰহণ কৰাৰ পিছত কিশোৰীয়ে গুৰুক "শান্তি" দিব লাগে। শান্তিৰ অৰ্থ সহবাস কৰিব লাগে। সেইদৰে কিছুমান ঠাইত ৰাসলীলা আৰু বস্ত্ৰহৰণ অভিনয়ো দীক্ষা দাতাসকলে ভক্তিৰ চুণ্ডাত ভৰাই লৈছে। আমাৰ অসমতো ৰাতিখোৱা, পুঞ্জধৰীয়া, মেক সেৱা আদি পাতি ভকতনীসকলে মহন্ত এজনক মাজতলৈ ৰাতি ঘূৰি ঘূৰি নাচে আৰু "আমি গোপীনবে ভাৰন্তক আহিলো ঐ" আদি গীত গাই শ্ৰীকৃষ্ণৰ প্ৰতিমূৰ্ত্তি মোহান্ত মহাজনক সকলো ভাবে সন্তুষ্ট কৰে আৰু সময়ত উলঙ্গ নৃত্যও কৰি 'শাল শিঙ্গি গুৱাৰ ই তিনি ভক্তিৰ দুৱাৰ' সাদৰে ভক্ষন কৰে। এনে ব্যভিচাৰ ভাববিলাক যেয়ে যি ভাৱত গ্ৰহণ কৰে কৰিব, তাত আমাৰ ক্ষতি নাই। কেৱল সত্যাৰ্থ প্ৰকাশৰ কাৰণে আমি প্ৰকাশ্য অপ্ৰকাশ্য সকলো ফালৰপৰা বিচাৰি চোৱা উচিত। শ্ৰীকৃষ্ণক অৱতাৰি পুৰুষ বুলি ধৰিলেই যে তেওঁ এনে নকৰিব তাৰ কোনো যুক্তি নাই। মহৰ্ষি টলষ্টয়েও ডেকাকালত এনে কাৰ্য্যত লিপ্ত আছিল; মহাত্মা গান্ধীও বৰ কামুক আছিল। সেই বুলি আমি শ্ৰীকৃষ্ণক 'ৰাসপুতনিৰ' শাৰীত বহুৱাব খোজা নাই বৰং ৰাসলীলা তথ্য শ্ৰীকৃষ্ণৰ জীৱনত ঘটি-ছিলনে নাই তাকেহে বিশ্লেষণ কৰি দেখুৱা হ'ব।

সেই কালত স্ত্ৰী, মদ, মাংস সাধাৰণ উপভোগ্য বস্তু আছিল। বিশেষকৈ বলৰাম ঘোৰ মদপী আছিল। যদুবংশ ধ্বংসৰ কাৰণো এই বাৰুণী মদিৰা। আৰ্য্যসকলৰ সোমৰস, শ্ৰীকৃষ্ণৰ দিনৰ বাৰুণী মদিৰা, বিদেশী ৰিফাইন স্প্ৰিট আৰু আমাৰ দেশৰ ফটিকা লাওপানীৰ গুণাগুণৰ

হীনদেঢ়ি হিচাবে একে শ্রেণীৰে বস্তু। সময়ৰ তাৰতম্য আৰু দেশৰ ব্যৱধান হিচাবে চালেও দেখা যায় যে প্রত্যেক দেশতেই সময়ৰ অনুৰূপে এবিধ সাধাৰণ ৰাগীয়াল বস্তু সৰ্ব্বসাধাৰণতে ব্যৱহাৰ কৰে। যেই সেই এবিধ পনীয়া ৰাগীয়াল বস্তু নহলে মানুহ ৰব নোৱাৰে। বৰ্ত্তমানৰ চাহ, কফি, আদি এনে ধৰণৰ বস্তু। ইয়াৰ এখোপ চৰিলেই ব্যভিচাৰে লাগ দিয়ে। "কামাতুৰাণাং নলজ্জা নভয়ো" কামাতুৰে লাজ চৰম সকলোকে বাদ দিয়ে।

পৌৰাণিক প্ৰবাদৰ ওপৰত নিৰ্ভৰ কৰিলেও ৰাসলীলা আধ্যাত্মিক ভাৱত নিব নোৱাৰি। পূৰ্ব্বকালত নৰনাৰায়ণ নামেৰে দুজন ঋষিয়ে ভগবানক বৰ উপাসনা কৰিছিল। এওঁলোকৰ কঠোৰ ব্ৰত দেখি ইন্দ্ৰই ভয় খাই এদল অপেশ্বৰী পঠিয়াই দিলে। সিহঁতে আহি নানা ভাৱ ভঙ্গি দেখুৱাই নাচ গান কৰিও তেওঁলোকৰ তপ ভঙ্গ কৰিব নোৱাৰিলে। নাৰায়ণে অলপ কষ্ট হৈ তেওঁলোকৰ ব্যভিচাৰ দেখি যোগৰ বলত নিজৰ শৰীৰৰ পৰা তেওঁলোকতকৈ শতগুণে ৰূপৱতী কন্যা সৃজন কৰিলে। এই দলৰ ৰূপ লাৱণ্য দেখি ইন্দ্ৰৰ অপেশ্বৰাবোৰে লাজ পাই তেওঁক স্তুতি কৰিব ধৰিলে যে তেওঁ তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণকৰিব লাগে। নাৰায়ণে ক'লে যে তেওঁ সেই যোগী শৰীৰেৰে তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ কৰিব নোৱাৰে; বৰং পৰজন্মত বৃন্দাবনত কৃষ্ণৰূপে তেওঁলোকৰ কামনা সিদ্ধি কৰিব।

পৌৰাণিক আখ্যানে এইদৰে বৃন্দাবন লীলাৰ ব্যাখ্যা কৰে। ইচ্ছা কৰিলেই যেই সেই কথাকে আধ্যাত্মিক ভাৱত নি তাক দাৰ্শনিক যুক্তিৰে সমৰ্থন কৰিব পাৰি। মহাভাৰত আৰু ৰামায়ণৰ ঐতিহাসিক কাহিনীবিলাকো অনেকে এনেদৰে তত্ত্ব কথাৰে ব্যাখ্যা কৰিব খোজে। তেনে লোকে পানীৰ বুৰবুৰণিতো ঈশ্বৰৰ লীলা উলিয়াব পাৰে। খিলহৰিবংশ আৰু ভাগৱতৰ ৩য় স্কন্ধৰ ২য় আধ্যাৰ ২৬ শ্লোকৰ বিদুৰৰ আগত কোৱা উদ্ধৱৰ উক্তি মতেও ৰাসলীলা ঘটনা অসত্য প্ৰতিপাদন হয় উদ্ধৱে শ্ৰীকৃষ্ণ এঘাৰ বছৰলৈহে বৃন্দাবনত থকা বুলি কৈছে। তেনে হলে এঘাৰ বছৰীয়া লৰা এটিয়েনো কেনেকৈ এদল কামাতুৰ গোপীক সন্তুষ্ট কৰিব পাৰে? হৰিবংশৰ মতেও সত্যভামা আদিক বিয়া কৰোৱা সময়ত শ্ৰীকৃষ্ণই লৰা অৱস্থাত পাইছিল পূৰ্ণ যৌৱনত ভৰি দিয়া নাছিল। এই বিলাকৰপৰা প্ৰমাণ হয় যে, কাম প্ৰবৃত্তিক আশ্ৰয় দিয়া আৰু শৃঙ্গাৰ ৰসক ভক্তিৰ মূল সোপান বুলি গণ্য কৰা ৰাধা ভক্তসকলে মিছাতে শ্ৰীকৃষ্ণক ৰাসলীলাৰ ব্যাভিচাৰিতা দোষত অভিযুক্ত কৰিছে। ৰাধাৰ উপাসনা কেনেকৈ প্ৰচলিত হ'ল তাক আগেয়ে দেখুৱাই অহা হৈছে। ভাগৱতৰ নবম স্কন্ধৰ শেহত শুকদেৱে কৈছে যে তেওঁৰ পিতৃ ব্যাসদেৱে জটিল নিগূঢ় তত্ত্ববিলাক প্ৰকাশ কৰাৰ উদ্দেশ্যে ভাগৱত ৰচনা কৰে আৰু সেইবিলাক সুগম কৰিবলৈ ঐতিহাসিক জীৱনীৰ লগত লগ লগাই ব্যাখ্যা কৰিবলৈ যত্ন কৰে। শ্ৰীকৃষ্ণৰ জীৱনী সুবিধা যেন দেখি ধৰ্ম্মৰ তত্ত্ববিলাক তেওঁৰ জীৱনীৰ অন্তৰ্গত কৰে।

শ্ৰীকৃষ্ণৰ গভীৰ দাৰ্শনিক যুক্তিবোৰ উপলব্ধি নকৰাকৈ কোনোৱে ৰাসলীলা তেওঁৰ জীৱনত জাপি দিবলৈ যত্ন নকৰিব। আন পাকে তেওঁ বাঁহী বজাই সুললিত সুৰে গান গাওঁতেই যদি উতলা হৈ এদল গাভৰুৱে তেওঁক ৰতি দান দিয়ে তেন্তে তাতো তেওঁক দোষনীয় কৰিব নোৱাৰি। শ্ৰীকৃষ্ণও এজন ষড়ৰিপুসম্পন্ন মানুহ। হাড় মাংসৰ শৰীৰ যেতিয়া 'ষড়ুৰ্ম্মি ৰহিতং শিৰং' হ'ব নোৱাৰে। শ্ৰীচৈতন্য চৰিতামৃতে তেওঁৰ গাত অলপো দোষাৰোপ নকৰে। ভাগৱতৰো সেয়ে মত। বিশেষ কাৰণত তেওঁলোকে ৰাসলীলা তত্ত্বকথাৰ ভিতৰতে নিয়ে। যাক যি ইচ্ছা তেওঁ তেনে ভাৱে গ্ৰহণ কৰক, কিন্তু আমি হলে প্ৰকাশ্য অপ্ৰকাশ্য কোনোটো মতকে গ্ৰহণ নকৰো। ৰাসলীলা আমি অলীক বুলিহে গণ্য কৰিম। প্ৰকাশ্য ঘটনা মতেও এনে কাম সাধাৰণ মানুহৰ ক্ষমতাৰ বহিৰ্ভূত; কিয়নো বিন্দুসিদ্ধি নহলে কোনেও এৰাতিৰ ভিতৰতে অসংখ্য তিৰোতাৰ মনোবাঞ্ছা পূৰ্ণ কৰিব নোৱাৰে। ই ঊৰ্দ্ধৰেতা সিদ্ধযোগীসকলৰহে সাধ্যৰ অন্তৰ্গত। সিহঁত "বলে ন কিং যো ৰিপুণ ন বাধতে।" কোনো বিশেষ শক্তি আয়ত্ত কৰি তাক অসৎ কামত নিযুক্ত কৰাটো কোনো জ্ঞানী লোকৰ কাম নহয় আৰু তাৰ পৰা কৰ্তাৰ মাহাত্ম্য প্ৰকাশ হোৱা বুলি বিবেচনা কৰাও অযুক্ত। নিৰপেক্ষ সমালোচকে কেতিয়াও তাক সমৰ্থন নকৰে। যদি সেয়ে হয় তেন্তে বামাচাৰী কাপালিক, ৰাচপুটলা নিচিনা লোকসকল আৰু "মাতৃযোনিং পৰিত্যজ্য বিহৰেৎ সৰ্ব্ব যোনিষু"।—তান্ত্ৰিক সকলো প্ৰশংসাৰ যোগ্য হ'ব। কাৰণ তেওঁলোক একাধিক ৰমণী সম্ভোগ শক্তি সম্পন্ন।

# ৰমণী-শক্তি

( সামাজিক নাটক )

[ ৪ৰ্থ সংখ্যাত ওলোৱাৰ পাছৰপৰা ]

—শ্ৰীযুত হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য বি-এ

## দ্বিতীয় অঙ্ক

২য়—দৃশ্য

[ সময় আবেলি। ভদ্ৰকান্তৰ পদূলি। প্ৰফুল্ল আৰু প্ৰেমদা ফুৰি আছে। হাতত লাঠি আৰু হাত ঘৰী, চকুত চচ্মা, কোট পেন্ট, পিন্ধি হৰনাথৰ প্ৰৱেশ। লগত এজন শিক্ষিত যুৱক। ]

হৰ—মিছা, সকলো মিছা, অমূলক, অসত্য। আপোনাসকলে যে কয় বাৰু চাওক হিন্দুৰ ধৰ্ম্মশাস্ত্ৰবোৰ বেদ পুৰাণ ইত্যাদি এইবোৰ বাৰু বিশ্বাস কৰো কেনেকৈ? হনুমানে আঙুলিৰ ওপৰত পৰ্ব্বত এটা তুলি লৈ লঙ্কাদ্বীপলৈ সাগৰৰ ওপৰেদি জাপ মাৰিছিল, শ্ৰীকৃষ্ণৰ গৰ্ভত বোলে ত্ৰিভুবন ব্যাপি আছিল। এইবোৰ বিশ্বাস কৰিব পাৰি জানো? আমিতো আৰু কেচুৱা নহওঁ।

যুৱক—এৰা, কথাটো হয়। পিছে, সেইবোৰ কথা যেনে আছে তেনে ভাৱে বিশ্বাস কৰিব নোৱাৰিও, নালাগেও। সেইবোৰ কাহিনী অতিৰঞ্জিত আৰু গভীৰ সাহিত্যপূৰ্ণ। প্ৰকৃত শিক্ষিতসকলে তাৰপৰা অশেষ নীতিবচন আৰু গূঢ় তত্ত্ব আৱিষ্কাৰ কৰি উলিয়ায়। যেনে—

হৰ—নালাগে, নালাগে, মোক আৰু বুজাব নালাগে। আপোনালোকৰ হিন্দুধৰ্ম্মই কি দিছে, কি শিকাইছে তাক আমি বেছ বুজিছো; আৰু মোক নকব। আমি বাৰু খ্ৰিষ্টীয়েই, যাওক।

যুৱক—বুজিছো, হিন্দুধৰ্ম্মত কেৰোণ লাগিছে। এতিয়া তোমালোকৰ কৰ্ত্তব্য তাক সংস্কাৰ কৰা, বৰ্জ্জন কৰা নহয়। অযথা আত্মনিন্দা কৰি থাকিলে কি হব? তোমাৰ নিজৰ শৰীৰটো যেতিয়া ক্ষত বিক্ষত হয় অথবা ঘা কোহঁ আদিয়ে তাক হেঁচা মাৰি ধৰে তেতিয়া তুমি তাক উপযুক্ত ঔষধ প্ৰয়োগ কৰি ভাল কৰিব খোজানে তাক পৰিত্যাগ কৰি চিৰ দিনলৈ জগতবাসীৰ অদৃশ্য কৰি থব খোজা?

হৰ—যাওক, যাওক, একো শুনো। বেদ, বেদাঙ্গ, উপনিষদবোৰ তাহানিখনৰ কিছুমান গৰু ৰখীয়া আৰু ভেৰা ৰখীয়াৰ গীত মাথোন। তদুপৰি হিন্দু ধৰ্ম্ম সন্ন্যাসীৰ ধৰ্ম্ম। আমি জানো, সংসাৰত যি কেইদিন থকা যায় সেই কেইদিন আমোদ প্ৰমোদ কৰি থকাই ভাল। হিন্দু হৈ হিন্দুৰ অখাদ্য খাবলৈ কুণ্ঠিত নহওঁ। আমাৰ পূৰ্ব্ব পুৰুষৰ সুকাৰ্য্য আমাৰ মানত কুকাৰ্য্য। সন্ধ্যা পূজা শ্ৰাদ্ধপদ্ধতি যাগ যজ্ঞ তৰ্পনাদিৰ কোনো আৱশ্যক নেদেখো। মাথোন অৰ্থব্যয়, সেইবোৰ কেৱল সমাজ বিশৃঙ্খলাৰ হেতু। সেই পয়ছাকেইটা থিয়েটাৰ চিনেমা আদিত খৰচ কৰাও যে ভাল। চকুৰ তৃপ্তি মনৰ আনন্দ হয়।

যুৱক—ইয়াকে বোলে "ইতো নষ্টস্ততো ভ্ৰষ্টঃ", বোলো ইকুলো নহলি সিকুলো নহলি। হিন্দু হৈ হিন্দুৰ হিন্দুত্ব পাহৰিছ। যদি শুদ্ধ খ্ৰিষ্টীয়ান হলিহেতেন, যদি শুদ্ধ মুছলমান হলিহেতেন সিও যে ভাল আছিল। আজিৰ শিক্ষা প্ৰণালীয়ে আত্মজ্ঞান লোপ কৰাইছে, নিজত্ব পাহৰাইছে। ভাবিছো, নিজানত বহি বহুতদিন ভাবিছো, আপোনা আপুনি প্ৰশ্ন কৰিছো। শূন্য পথৰপৰা গহীন গম্ভীৰ সুৰে উত্তৰ আহিছে—"ৰাজা হিকালস্য কাৰণম্।"

( যুৱকৰ প্ৰস্থান )

হৰ—এই যে প্ৰেমদা। হৰনাথৰ হৃদয়েশ্বৰী প্ৰেমদা। সুন্দৰীৰ ৰূপমাধুৰী এবাৰ পিব পাৰিলে ! আহাঁ, আহাঁ মোৰ দেবি ! আঁহা মোৰ হৃদয়েশ্বৰি ! আহাঁ (প্ৰেমদাৰ পিনে দুই এখোজকৈ আগ বাঢ়ি যায়।)

প্ৰেমদা—( প্ৰফুল্লক ) পিশাচটোক দূৰ কৰি দিয়া দাদা।

হৰ—কি মোক চিনিব পৰা নাই, হাঃ হাঃ [ মাজে মাজে ছিগাৰেট হুপি লাঠিৰ ওপৰত ভৰ দি নাচ আৰু গান ] :—

অ', মাই ডিয়েৰ্ ডিয়েৰ ডাৰ্লিঙ্
অ', মাই ডিয়েৰ প্ৰাণৰ ভূষণ
আহাঁহে আহাঁ প্ৰাণৰ প্ৰতিম
ছিট ডাউন্ ছিট ডাউন্ অন্ বুজম্।
তুমিয়ে যে মোৰ বাসনা কামনা
কম্ অন্, কম্ অন্, কম্ এনন্।

প্ৰফুল্ল—ভাই হৰনাথ, বাল্যকালৰ সখা তুমি। উচ্চ শিক্ষা লাভ হেতু ভিন ঠাইত আছাগৈ। হিন্দু বালক তুমি। সনাতন হিন্দুত্ব তোমাৰ অতীত গৌৰৱ নহয়নে ? অথচ এনে এটি জগৎব্যাপী পৱিত্ৰ ধৰ্ম্মৰ ওপৰত তোমাৰ এনে অনাস্থা ! তেন্তে এয়েনেকি আধুনিক শিক্ষাৰ পৰিণাম। সহ্য নহয় বন্ধু, তোমাৰ মুখত এনে ঘৃণিত আলাপ মোৰ সহ্য নহয়। ( স্বগতঃ ) আৰু প্ৰেমদা ! ভনীটী মোৰ ! জান, এওঁৱেই তোঁৰ ভাবী দৰা। এওঁৱেই চণ্ডিকা আইৰ মানস জোৱায়। [ হৰনাথৰ পুনৰ গীত ]

অ', মাই ডিয়েৰ ডিয়েৰ ডাৰলিঙ্
অ', মাই ডিয়েৰ প্ৰাণৰ ভূষণ।

( এনেতে ভদ্ৰকান্তৰ প্ৰৱেশ। ভদ্ৰকান্তক দেখি হৰনাথৰ প্ৰস্থান )।

ভদ্ৰ—আকৌ কওঁ প্ৰফুল্ল, উচ্চ বিদ্যালয়ৰ উচ্চ শিক্ষা লাভ কৰিবলৈ যাবি হয়, কিন্তু সদায় সতৰ্ক হৈ থাকিবি বাচা। যেন লোকনিন্দা নহয়। সদায় মনত ৰাখিবি তইঁত ভাৰতবাসী, অমৃতৰ পুত্ৰ তইঁত আৰ্য্যবংশধৰ। ভাৰত মাতাৰ ভবিষ্যত উন্নতিৰ স্থল তইঁতেই। এদিন তইঁতেই দেশৰ নেতা হব লাগিব। গেলি পচি নষ্ট হৈ যোৱা হিন্দুধৰ্ম্ম সংস্কাৰ কৰি স্বকুল উদ্ধাৰ কৰিব লাগিব আৰ্য্যধৰ্ম্ম ৰক্ষা কৰিব লাগিব। জাতিৰ হকে, দেশৰ হকে প্ৰাণ ত্যাগ কৰিবলৈ শিকিব লাগিব। কিন্তু কথা গলে অন্তৰ্বেদনাত বুকু ফাটি যায়, চকুৰ পানী গিৰ্‌গিৰকৈ ওলাব ধৰে। তইঁতে যি শিক্ষা পাবি তাৰদ্বাৰা স্বদেশ প্ৰেম শিক্ষা নহব। তইঁতৰ অন্তৰৰ ধৰ্ম্মৰ স্বভাৱ সজীৱ পুলিটি দিনে দিনে মুছকছ যাব। ইংৰাজী শিক্ষা বিদেশী শিক্ষা, মই বেয়া বুলি কব খোজা নাই। কিন্তু আমাৰ বৰ্ত্তমান শিক্ষা প্ৰণালী দোষপূৰ্ণ।

প্ৰফুল্ল—সন্দেহ নকৰিব পিতা, বৰ্ত্তমান শিক্ষা প্ৰণালীত দোষ থাকিব পাৰে স্বীকাৰ কৰো। কিন্তু মন চঞ্চল নহলে স্বভাৱ যে নষ্ট হব পাৰে মোৰ বিশ্বাস নহয়।

ভদ্ৰ—তেন্তে ভাল। অ', আৰু এটা কথা মনত ৰাখিবি সঙ্গদোষৰ প্ৰাধান্য। তাত তোৰ প্ৰধান শত্ৰু হব হৰনাথ।

প্ৰফুল্ল—ভয় নকৰিব পিতা, যেনে তেনে উপায়ে আত্মগ্লানি হবলৈ নিদিওঁ। ( ভদ্ৰকান্ত যাব খোজে ) কামাখ্যাদেৱী দৰ্শনৰ বাবে আজিয়েই যাত্ৰা কৰিব লাগিব, নহয়নে পিতা ?

ভদ্ৰ—এৰা, আজিয়েই।

প্ৰফুল্ল—প্ৰেমদা !

প্ৰেমদা—কি কোঁৱা দাদা ?

প্ৰফুল্ল—কামাখ্যা মন্দিৰলৈ আমিতো আজিয়েই যাম। তই যাবি জানো ?

প্ৰেমদা—মই নাযাওঁ দাদা। মোৰ জন্মদাতা পিতা জীয়াই থাকোতে, জন্মদাত্ৰী আই বৰ্ত্তমান থাকোতে, জ্যেষ্ঠ ভাই তুমি সাক্ষাৎ থাকোতে তীৰ্থ পৰ্য্যটনত মোৰ কি আৱশ্যক হব পাৰে দাদা ? শাস্ত্ৰতো কোৱা নাই জানো—"পিতা ধৰ্ম্মঃ পিতা স্বৰ্গঃ পিতা হি পৰমন্তপঃ। পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্ব্বদেৱতাঃ॥" মোৰ আপোনাক বহুতদিন সেৱা শুশ্ৰূষা কৰিবলৈ নাপাওঁ পিতা। দিয়ক ভৰিধূলা দিয়ক।

( আঠু কাঢ়ি ভদ্ৰকান্তক সেৱা কৰে )



ভদ্ৰ—আহা ! বিদ্যাৰ কি অতুল মহিমা ! উঠ, আই প্ৰেমদা ! ভবিষ্যতলৈ তোৰনো ভাগ্যত কি লিখা আছে মই ভাবিয়েই অস্থিৰ। যা আই, এতিয়া কি কৰিব লগা আছে কৰগৈ।

প্ৰফুল্ল—বলক পিতা, আমিও কামাখ্যা যাত্ৰাৰ উদ্যোগ কৰোগৈ। ( সকলোৰে প্ৰস্থান। চণ্ডিকাৰ প্ৰৱেশ )।

চণ্ডিকা—এয়ে উপযুক্ত সময়। পিতা পুত্ৰ দুয়ো কামাখ্যালৈ যাত্ৰা কৰক। এই সুযোগতে মোৰো উদ্দেশ্য সাধন কৰো। সোণালী সুযোগ, বাঃ। যেনে তেনে কৰি প্ৰেমদাৰ বিবাহ সম্বন্ধে হৰনাথৰ সৈতে সকলো মিমাংসা কৰি থওঁ। মোৰ এটা মহৎ আশা পূৰ্ণ হওক।

---

# আহোম মহাজাতি

—শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা

আহোম জাতিটো মঙ্গল জাতিৰ ভিতৰুৱা টাই জাতীয় মানুহ, ...বিলাকক শ্যান নামেও জনা যায়। বৰ্ত্তমান শ্যাম ৰাজ্যৰ শ্যামবিলাকৰ ...এওঁবিলাকৰ গুৰি একে। এই শ্যানবিলাক প্ৰায় দুহেজাৰমান ...পূৰ্ব্বে চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলত বসতি কৰিছিল। তাৰপৰা ...বিলাক মান বা ব্ৰহ্মদেশৰ ছোৱেলা উপত্যকাত সোমায়হি। ক্ৰমে ...দক্ষিণ মুৱা হৈ কিছুমান শ্যাম সাগৰৰ ফালে যায় আৰু কিছুমান ...আৰু পশ্চিম মুৱা হৈ আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৌমাৰ খণ্ডত ...সোমাই আহোম ৰাজ্য স্থাপন কৰেহি। এই আহোম ৰাজ্য স্থাপন ...সকলেই হৈছে আহোম। ইং ১২২০ চনত আহোমৰ চুকাফা ...লগত অলপসংখ্যক মানুহ লৈ আহি সৌমাৰ খণ্ডত সোমাই ...ৰবাহী, মৰাণ, চুটীয়া, কছাৰী প্ৰভৃতিক জয় কৰি আহোম ৰাজ্য ...বিস্তাৰ কৰিবলৈ ধৰে। চুকাফা বৰ পৰাক্ৰমী আছিল। তেওঁৰ ...কাল প্ৰায় ৩০ বছৰ। ইয়াৰ ভিতৰতে তেওঁ গোটেই সৌমাৰ খণ্ড ...আহোম ৰাজত্বৰ ভিতৰুৱা কৰিছিল। আৰু তাৰ বাহিৰে কামৰূপৰ ...কোনো কোনো খণ্ডৰ ৰজাবিলাকেও তেওঁৰ আধিপত্য স্বীকাৰ ...কৰিবলৈ বাধ্য হৈছিল। সৌমাৰ খণ্ড বৰ্ত্তমান গোটেই লক্ষীমপুৰ আৰু ...শিৱসাগৰ জিলা ; নদিয়াৰপৰা নগাঁৱৰ শেষ সীমালৈকে। কিন্তু ইমানতো ...বৰ্ত্তমান যুগৰ কোনো কোনো বুৰঞ্জীবিদ প্ৰত্নতাত্ত্বিকে ক'ব খোজে যে ...আহোমবিলাকে হেনো আৰ্য্যসভ্যতাৰ সহায় পাইহে সৌমাৰত ৰাজ্য ...বিস্তাৰ কৰিব পাৰিছিল। আমি কিন্তু জানিব পৰা নাই, প্ৰত্নতাত্ত্বিক ...সকলে আৰ্য্যসভ্যতা অসমৰ কোন জাতিৰ সভ্যতা বুলি ঠাৱৰাইছে। যদিহে বৰাহী, মৰাণ কোচ, কছাৰী, চুটীয়া প্ৰভৃতিৰ সভ্যতাকে আৰ্য্য-সভ্যতা বুলি ধৰিছে, তেনেহলে হ'ব পাৰে। কিন্তু সেই সভ্যতাক আৰ্য্য সভ্যতা বুলি প্ৰমাণ কৰিবলৈ গ'লে প্ৰত্নতাত্ত্বিকসকলে সিবিলাকৰ গন্তব্যপথ সুগম নাপাব হ'বলা।

টাই মানুহবিলাক সৌমাৰ খণ্ডত সোমাওঁতে তাৰ মানুহবিলাকে সিবিলাকক "আনৰ বশ্যহ নহয়, দেও মানুহ, যি বুলি কয়, সেয়ে হয়। ই সকল অসম, আন ইসকলৰ সম নহয়," এই বুলি কোৱা-কুই কৰাত ক্ৰমে সিবিলাক "অসম" নামে পৰিচিত হ'ল। আৰু সেই অসমৰ পৰাই ক্ৰমত আজিকালি "আহোম" নাম পাইছে। আৰু আহোমৰ ৰাজ্য বুলি দেশখনৰো নাম 'অসমৰ দেশ' বা 'অসম' দেশ হৈছে। কিন্তু এই কথা আজিকালি কোনো কোনো প্ৰত্নতাত্ত্বিকে স্বীকাৰ কৰিব নোখোজে। সিবিলাকে কব খোজে যে এই দেশ পৰ্ব্বত পাহাৰেৰে ভৰা আৰু অসমান গতিকে অসমানৰ পৰাই 'অসম' হৈছে। এই কথাত কিন্তু সিমান সাৰ-পদাৰ্থ আছে বুলি ধৰি লব নালাগে। কাৰণ, আহোম বিলাক এই দেশলৈ অহাৰ পূৰ্ব্বেও পৰ্ব্বত-পাহাৰ আছিল। এই দেশ তেতিয়াও অসমান, কিন্তু তেতিয়া দেখোন এই দেশক অসমান বা অসম দেশ বুবুলি কামৰূপহে বুলিছিল ! কোনো কোনো প্ৰত্নতাত্ত্বিকে আকৌ এই ধৰেও কব খোজে যে ত্ৰেতাযুগত বভ্ৰু ৰজা নে কোনোবা এজন ৰজাৰ অশ্বমেধৰ ঘোঁৰা লৈ ফুৰাওঁতে অসম দেশৰ ফালে কোনো এটাইত হেনে! "অশ্ম" নামে এখন দেশ পাইছিল। তাৰ পৰাই সিবিলাকে ঠাৱৰাব খোজে যে "অশ্ম"ৰ পৰাহে অসম দেশৰ নাম হৈছে। তাৰ

উত্তৰত আমি কব খোজো যে ৰঘু ৰজাৰ দিনত "অসম" নামে কোনো দেশ পাব পাৰে,—কিন্তু ৰঘু ৰজাৰ দিনৰপৰা আহোমবিলাক সৌমাৰ সোমোৱাৰ আগলৈকে এই সুদীৰ্ঘ কালত এই দেশক অসম দেশ বুলি কিয় "কামৰূপ" বোলা হৈছিল? ইমান সুদীৰ্ঘকাল "অসম" শব্দই কুম্ভকৰ্ণৰ দৰে ঘোৰ নিদ্ৰাত পৰি থাকি আহোম অভ্যুদয়ৰ লগে লগে কিয় সাৰ পালে? এই সম্বন্ধে প্ৰত্নতাত্ত্বিকসকল কিন্তু নিমাত।

চুকাফাৰ পিছত ক্ৰমে ৩৮ জন আহোম ৰজাই আহোম সিংহাসন আৰোহণ কৰি এই দেশত ৰাজত্ব কৰে। ইং ১২২৯ খৃষ্টাব্দৰপৰা ১৮২৪ খৃষ্টাব্দলৈকে এই ডোখৰ কালত ন্যূনাধিক ছশ বছৰৰ ভিতৰত আহোম ৰাজত্বৰ ইতিহাস মুছলমানৰ আক্ৰমণ, আহোমৰ অন্তৰ্বিপ্লৱ, মানৰ আক্ৰমণ প্ৰভৃতি নানা ঘটনাৰে পৰিপূৰ্ণ। মানৰ আক্ৰমণৰ শেষত ইং ১৮২৬ চনত হোৱা ইয়ান্দাবু সন্ধিৰ স্বৰ্ত্ত মতে এই দেশ ইংৰাজৰ হাতলৈ আহে আৰু "চিনিয়ৰী-জুনিয়ৰী এজেন্সী মোটালক" নাম লৈ গৱৰ্ণৰ জেনেৰেলৰ তাৰে দেশ শাসন কৰা হৈছিল। ইয়াৰ প্ৰায় ৭ বছৰৰ পিছত ইং ১৮৩৩ চনত সেই সময়ৰ এজেণ্ট আৰু কমিচনাৰ মিঃ ৰবাৰ্টছন চাহাবৰ অনুমোদন মতে সেই চনৰ ব'হাগৰ ১লা তাৰিখে পুৰন্দৰ সিংহক মাতি আনি উজনী খণ্ডত ৰজা পতা হয়। বন্দৱস্ত আছিল তেওঁ ইংৰাজ গৱৰ্ণমেণ্টক লালবন্দী স্বৰূপে ৩৫ হেজাৰ টকা প্ৰতি বছৰ দিব আৰু গৱৰ্ণমেণ্টে তেওঁৰ ৰাজ্য বিদেশীৰ আক্ৰমণৰপৰা ৰক্ষা কৰিব। সেই নিয়মমতে পুৰন্দৰ সিংহই পাঁচ বছৰ কাল ৰাজ্য চলোৱাৰ পিছত ইং ১৮৩৮ চনত দেখা গ'ল যে তেওঁ কিছুমান কু-চক্ৰীৰ চক্ৰান্তত পৰি নিৰ্দ্ধাৰিত টকা গৱৰ্ণমেণ্টক দিবলৈ অক্ষম হ'ল। সেই কাৰণে ইং ১৮৩৮ চনৰ অক্টোবৰ মাহত এই ৰাজ্য ইংৰাজ গৱৰ্ণমেণ্টে পুনৰ নিজৰ হাতলৈ লয়। সেই সময়ৰেপৰা গোটেই আহোম ৰাজ্য ইংৰাজ শাসনাধীন হয় আৰু আহোম ৰজাৰ নাম লুমায়। পুৰন্দৰ সিংহৰ হাতৰপৰা ৰাজ্য যোৱা প্ৰায় ৯৮ বছৰ হ'ল।

আন আন জাতিৰ বুৰঞ্জী পঢ়িলে বুজিবপৰা যায় যে আহোম জাতিৰ দৰে এনে দীঘলীয়া ৰাজত্ব কৰোতা জাতি পৃথিৱীত প্ৰায়েই বিৰল। আহোমৰ ছশ বছৰীয়া দীঘলীয়া ৰাজত্ব যে এনে ভাৱে হঠাৎ অস্ত পৰিল, তাৰ প্ৰধান কাৰণ হৈছে আহোমৰ হিন্দু ধৰ্ম্ম গ্ৰহণ, অন্তৰ্বিপ্লৱ, ঘৰুৱা আত্ম-কন্দল ইত্যাদি। প্ৰকৃত কথা ক'বলৈ গ'লে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰে সৈতে গুৱাহাটীৰ বদন বৰফুকনৰ যি আত্ম কন্দল, সেই আত্ম-কন্দলেই আহোম ৰাজ্যৰ ভেটি খহাই পেলালে।

আহোমবিলাক পূৰ্ব্বতে বৌদ্ধ ধৰ্ম্মী মানুহ আছিল। সিবিলাকৰ ভাষা আৰু সাহিত্য সুকীয়া। সিবিলাক বুৰঞ্জী লিখাত বৰ কাজুৱা আৰু পৃথিৱীৰ ভিতৰত অগ্ৰগণ্য আছিল। আহোম ভাষাৰ পুথি-পাঁজিৰ ভৰালো নিচেই সৰু-সুৰা বিধৰ নাছিল। এতিয়াও বিচাৰিলে তেনে পুথি-পাঁজি অনেক পাবলৈ আছে।

আহোমবিলাকে নিজ ভাষা এৰি অসমীয়া ভাষা গ্ৰহণ কৰে। অসমীয়া ভাষা আৰু তাৰ সাহিত্যৰ উন্নতিৰ অৰ্থেও যথেষ্ট চেষ্টা গৈছে। ৰজাঘৰীয়া সহানুভূতি পাই আশাতীত ৰূপে উন্নতি নোৱাৰা হ'লে আজি আমাৰ অসমীয়া ভাষাই ইমান উন্নত অৱস্থা টান হ'লহেঁতেন। আহোমবিলাক পূৰ্ব্বৰেপৰা বৰ বলী, সাহিত্যা আৰু যুদ্ধ-বিদ্যাত বৰ পাৰ্গত আছিল বুলি মুছলমান বুৰঞ্জী লিখকসক মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে। তেনেকুৱা কিছুমান কাৰণৰ নিমি সেই কালত সম্ভৱতঃ সৌমাৰৰ লোকবিলাকে সিবিলাকক দে বংশধৰ বুলি সম্মান কৰিছিল আৰু ৰজাসকলক স্বৰ্গদেউ বা স্বৰ্গ দে বুলি সম্বোধন কৰিছিল।

ছশ বছৰীয়া ৰাজত্ব কালত আহোমে অনেক পৰিবৰ্ত্ত কৰি বহুত উন্নতি কৰি গৈছে। সুদক্ষ মালীয়ে ফুল, লতা, গছ আদিৰে সজোৱা দি আহোম ৰজাসকলেও নানা দেশৰ অনেক লোক এই দেশ আনি বসতি কৰাই দেশৰ অনেক উন্নতি সাধন কৰিছিল। প্ৰ ভাষা, প্ৰজাৰ ধৰ্ম্ম লোৱাৰ লগে লগে, সেই সকলে হিন্দু ধৰ্ম্মৰ উ সাধিবৰ অৰ্থে অহোপুৰুষাৰ্থ কৰি অনেক ঠাইত ডাঙৰ পুখুৰী আৰু পাৰত দৌল-দেৱালয় কৰায়। আৰু অনেক ঠাইত সত্ৰ স্থাপন ক গৈছে। আহোম ৰজাসকলে সেই সত্ৰৰ গোসাঁই-মহন্তসকল অনেক সজ ব্ৰাহ্মণ আদিকো দেৱোত্তৰ আদি মাটি বৃত্তি কৰিছিল। তেনেকুৱা বৃত্তি বিধানৰ ফলতে, তেনেকুৱা অনেক গ্ৰহিতা গোসাঁই-মহন্ত ব্ৰাহ্মণ আদিয়ে একো একোজন ক্ষুদ্ৰ ৰাজ ৰজাৰ দৰে আজিও কাল যাপন কৰি আছে।

ৰাজ্য ভ্ৰষ্ট হোৱাৰ লগে লগে আহোম জাতিৰ সেই মান স সকলো হেৰাল। আজিকালিৰ আমাৰ আহোম মানুহ দেখি কোনে ভাবিব নোৱাৰে যে এই জাতি এদিন বীৰৰ জাতি আছিল আৰু বছৰকৈ ৰাজত্ব কৰিছিল। কোনেও বিশ্বাস কৰিব নোৱাৰে যে এ জাতিয়ে এদিন ভাৰত বিজয়ী মোগল সেনাকো পৰাস্ত কৰি এই অ মাতৃৰ স্বাধীনতা ৰক্ষা কৰিব পাৰিছিল। ৰাজ্য গ'ল, মান-সন্মান গ আহোমৰ শৌৰ্য্য-বীৰ্য্য সকলো লোপ পালে। এতিয়া আহোম কাৰ্য আৰু সোৰোপা। আহোমৰ মাজত যে ৰাজনীতি ক্ষেত্ৰত চক্ৰধ গদাধৰ, ৰুদ্ৰসিংহ, পূৰ্ণানন্দ, কলিয়া ভোমোৰা প্ৰভৃতিৰ নিচি ৰাজনীতিজ্ঞ মহাপুৰুষ উপজিছিল আৰু ৰণ-ক্ষেত্ৰত মুলাগাভৰু, সৰ্ব্বা বৰফুকন আৰু মহাবীৰ লাচিতৰ নিচিনা বীৰ পুৰুষ আৰু বীৰাঙ্গনাসক জন্ম গ্ৰহণ কৰিছিল, আজি আহোমলৈ চাই কোনেও বিশ্বাস কৰি নোৱাৰে। স্বামী আৰু স্বদেশৰ ভৱিষ্যত মঙ্গলৰ অৰ্থে প্ৰাণ দিওঁ আহোম কুল ললনা মহাসতী জয়মতীৰ কাহিনীও আজিকালি অনে অতিৰঞ্জিত বুলিহে ভাবিব খোজে। গতিকে দেখা গৈছে ৰাজ যোৱাৰ লগে লগে আহোম জাতিৰ সকলো গ'ল। ৰাজ্য থকা দিন আছিল, আহোমবিলাক তেতিয়া দেৱবংশী, কিন্তু আজি ৰাজ্যহ অৱস্থাত সিবিলাকক সমাজে "অনাৰ্য্য" প্ৰভৃতি বিশেষণেৰে ভূষিত কৰি



চকুৰে চাবলৈ আৰম্ভ কৰিছে। ইয়াত আমাৰ সমগ্ৰ আহোম তিয়ে মনত বৰ কষ্ট পাইছে আৰু তেনে কষ্ট অনুভৱ কৰাটো নিশ্চয় ভাৱী। ৰাজত্ব থকা কালত দেৱতা হৈ থাকি ৰাজ্য পতনৰ লগে হঠাৎ 'অনাৰ্য্য' 'অন্ত্যজ' হোৱাটো এক ৰকমে অসম্ভৱ আৰু ৰ্য্যজনক বুলি ধৰিব লাগিব। আহোমে দিয়া বৃত্তি বিধান ভোগ , আৰু উপাধি আদিৰে ভূষিত হৈ আজি সমাজত সকলোবিলাক মানুহ, কিন্তু আহোমবিলাক হ'লে হীন আৰু অন্ত্যজ। বাস্তৱিকতে বিধ বিধান বুলিহে ধৰিব লাগে।

যি কি নহওক, 'অনাৰ্য্য' আখ্যাটো লৈ আমাৰ অলপ ক'ব লগীয়া ছে। অনাৰ্য্য মানে যদি সমাজে "অসভ্য" হীন কুলীয়া বুলি ধৰিছে, হলে আমি কম যে আহোম কেতিয়াও অসভ্য বা হীন কুলীয়া । যি জাতিৰ ভাষা পৃথক আৰু সাহিত্য চহকী, যি জাতি বীৰৰ , যি জাতিয়ে অসম বুৰঞ্জীৰ পাতত অনেক কীৰ্ত্তি ৰাখি থৈ গৈছে, াতিৰ প্ৰদত্ত দান গ্ৰহণ কৰি গোসাই-মহন্তসকলে আজিও আমাক যোৱা পথ দেখুৱাব পৰা হৈয়েই আছে, সেই জাতি নিশ্চয় অসভ্য হীন কুলীয়া নহয়। পূৰ্ব্বত আৰ্য্য মানে "হালোৱা" আৰু অনাৰ্য্য "অ-হালোৱা" আছিল। আৰ্য্যবিলাক হালোৱা-চহা মানুহ, তিবাতি কৰি জীৱন ধাৰণ কৰিছিল। আৰু অনাৰ্য্যবিলাকে খেতি-ৰ কালে বৰকৈ মন নকৰি, আৰ্য্যবিলাকৰ ওপৰতে চহ দি খাইছিল। কোনোৰ মতে যিবোৰৰ বৰণটো "বগা" সেইবিলাক আৰ্য্য যিবিলাক অলপ "ক'লা" চানেকীয়া সেইবিলাকেই হেনো ৰ্য্য' নাম পাইছিল। আজিকালি এই আৰ্য্যবিলাকক ককেচীয়ান' অনাৰ্য্যবিলাকক "মঙ্গ'লীয়ান" বা "মঙ্গল জাতীয় মানুহ" বলা যায়। আমি আহোম, চুটীয়া, কোচ, কছাৰী এইবিলাক ল জাতীয় মানুহ, মঙ্গল জাতি কিন্তু আস্পৰ্দ্ধাৰ পাত্ৰ নহয়। ত যিবিলাকে আমাক মঙ্গল জাতীয় বুলি হেয় কৰিব খোজে, টো আমি সিবিলাকৰ ভুল বুলিহে ধৰিব লাগে। মঙ্গল জাতি মহাদেশৰ আদিমবাসী। ককেচীয় বা আৰ্য্যবিলাক যেতিয়া থমে ভাৰত ভূমি সোমায়হি তেতিয়া সিবিলাকৰ লগত সংঘৰ্ষ হয়। আৰ্য্যবিলাকে অনাৰ্য্যবিলাকৰ লগত সন্ধি কৰিবলৈ হয়। ফলত আৰ্য্যবিলাকে কিছুমান মঙ্গল-সন্তান সিবিলাকৰ সুমাই লয়, মঙ্গল-জাতীয় তিব্বতী-সন্তান হৰ-হৰ দিগম্বৰ োলা মহাদেৱ তেনেকুৱাই এজন। আৰ্য্যবিলাকে আজিও সেই ক পূজা কৰিয়েই আছে দ্ৰাবীড় কুমাৰী "কালী ানী" আৰু গিৰি নন্দিনী উমাও সেয়েই। আজিও আৰ্য্য- সকলোৱে সিবিলাকক পূজা কৰি "অজনন্দন"ৰ মাংস প্ৰসাদ গ্ৰহণ কৰিয়েই আছোহঁক। ভাৰতত যি ভগৱন্তৰ, যি দশ অৱতাৰৰ বৰ্ণনা কৰা আছে, সেইটো সম্ভৱতঃ সৃষ্টিৰ ক্ৰমবিকাশ মাথোন। কি নহওক, আমি যদি সেই দশাৱতাৰক মাছ বা কাছ প্ৰভৃতি নাভাবি কেৱল কোনো খ্যাতিমন্ত অৱতাৰ পুৰুষে জন্ম গ্ৰহণ কৰিছিল বুলি ধৰি লওঁ, তেনেহলে দেখা যায় যে এক পৰশুৰামক এৰি বাকী সকলোৱেই অনাৰ্য্য বা মঙ্গল জাতীয় সন্তান। ভগৱান শ্ৰীকৃষ্ণ যাক সমগ্ৰ হিন্দুৱে ঈশ্বৰৰ অৱতাৰ বুলি ভাবি পূজা কৰে তেৱোঁ আৰ্য্য সন্তান নহয়, প্ৰভু শ্ৰীৰামচন্দ্ৰকো আৰ্য্য সন্তান বুলি ধৰিবলৈ টান যেন হে অনুভৱ হয়। মহাদেশ এছিয়া খণ্ডত যি কেইখন স্বাধীন ৰাজ্য আছে আটাই কেইখন মঙ্গল জাতিৰহে, ককেচীয় বা আৰ্য্য হিন্দুৰ ৰাজ্য আজি এছিয়াত দেখা নাযায়।

'অন্ত্যজ' আখ্যা সম্বন্ধেও সেই একে কথাই খাটে। অন্ত্যজ বুলিলে যি কেইটা অৰ্থ হয়, তাৰ এটাও আহোম জাতিৰ লগত খাপ খাব নোৱাৰে। নিচেই চমুকৈ ক'বলৈ গ'লে যি আহোম জাতিয়ে জন্মগত জাতি, এই নিয়মৰো ব্যতিক্ৰম ঘটাই আপোন ইচ্ছাৰে নানা জাতিৰ মানুহ গঢ়িব পাৰিছিল, যি আহোম জাতিয়ে দান দিয়া মাটি-বৃত্তি প্ৰভৃতি গ্ৰহণ কৰি গোঁসাই ব্ৰাহ্মণ মহন্ত আদিও পতিত নহৈ আজিও শিষ্যক বৈকুণ্ঠলৈ নিবপৰা ক্ষমতা চলাই থাকিব পাৰিছে আৰু যি আহোম জাতিয়ে দিয়া 'ফুকন' 'বৰুৱা' প্ৰভৃতি উপাধি লৈ আজিও অসমীয়া সমাজত গৌৰৱ কৰে; সেই জাতি নিশ্চয় অন্ত্যজ নহয়। সমাজে সিবিলাকক অন্ত্যজৰ শাৰীত পেলোৱা নিশ্চয় ভুল হৈছে। সেই বুলি কিন্তু আমি সিবিলাকৰ লগত খৰিয়াল পাতিব নালাগে। সমাজে বেছকৈ জানে যে ছশ বছৰীয়া ৰাজত্ব কৰোতা আহোম জাতিয়ে কাৰো দাসত্ব কৰি হীন কৰ্ম্ম কৰা নাছিল; আনৰ ওপৰত প্ৰভুত্বহে খটাইছিল। সেই সকলো কথা জানিও যদি সমাজে নজনা আৰু শুনুনাৰ ভাও ধৰে তেনেহলে চিঞ'ৰ বাখৰ কৰাৰ বাহিৰে আমাৰ আৰু আন উপায় নাই।

শূদ্ৰ মেধীসকলে যি আজিকালি শূদ্ৰ মহন্ত বা শূদিৰ গোঁসাই বুলি পৰিচিত সেইসকলৰ কোনো একোজনে আমাৰ আহোম সমাজৰ ওপৰত বৰ অত্যাচাৰ আৰম্ভ কৰিছে। সিবিলাক পূৰ্ব্বে কেনে অৱস্থাৰ লোক আছিল, কেনেকৈ গোসাই মহন্ত হ'বলৈ পালে সেইবিলাকৰ বিশদ-বিৱৰণ বুৰঞ্জীৰ পাতত (বিশেষকৈ গদাধৰ সিংহ আৰু ৰুদ্ৰসিংহৰ ৰাজত্ব কালত) লিখা আছে। সেইবিলাক কৈ সম্প্ৰতি সময় নষ্ট কৰা নিষ্প্ৰয়োজন। সেই শূদ্ৰ মহন্তসকলৰ ঠাই আছিল, আহোম ৰাজ সভাৰ খলাতহে। এতিয়া আহোমৰ দৈন্য অৱস্থা দেখি সিবিলাকৰ কোনো কোনোৱে হেনো "মৰং চোৱা সংহিতা" নে "বিপুল্লয় স্মৃতি"ৰ টীকাভাষ্য লিখি আহোম জাতিক "অন্ত্যজ" "ম্লেচ্ছ"ৰ শাৰীত পেলাই আমাৰ ভিতৰত এক বিষম চাঞ্চল্যৰ সৃষ্টি কৰিছে।

আজিকালি আমাৰ দেশত প্ৰত্নতাত্ত্বিক আৰু বুৰঞ্জীবিদৰ সংখ্যা অনেক; দেশৰ ই অৱশ্যে উন্নতিৰ চিন বুলি ধৰি ল'ব লাগিব। কিন্তু হাঁহি উঠা কথা, কোনো কোনো প্ৰত্নতাত্ত্বিকে হেনো "কটকী চৰিত্ৰ" নে "আলধৰা পুৰাণ"ৰ নিচিনা গৱেষণামূলক প্ৰবন্ধ লিখি আহোম

জাতিৰ বল-বিক্ৰম, সাহস আৰু বুদ্ধিমত্তাৰ পৰিচয় দিবলৈ গৈ আহোমক নানা প্ৰকাৰে ইতিকিং কৰিছে।

এই মহান্ সম্প্ৰদায়ৰ চমু ইতিবৃত্ত নিবেদন কৰাৰ উদ্দেশ্য আত্ম-প্ৰচাৰ নহয়, ইয়াৰ উদ্দেশ্য আত্ম-পৰিচয়। আহোমৰ অতীত গৌৰৱ লৈ থৰিয়াল কৰা আজিৰ মহা মিলনৰ উদ্দেশ্য ভৱিষ্যতৰ উন্নতি। আহোমৰ গৌৰৱ ৰবি অস্ত হোৱাৰ আজি ৯৮ বছৰৰ পিছত এই জাতিৰ কি ভয়াবহ দৈন্য অৱস্থা প্ৰাপ্ত হৈছে তাক ভাবি চোৱা উচিত। আহোমৰ অতীত ইতিহাস স্মৰণ কৰিলে আপোনাসকলে বুজি উঠিব যে এই জাতি সকলো বিষয়তে কিমানখিনি যোগ্যতাৰ উত্তৰাধিকাৰী আছিল তাকে দেখুৱাবৰ উদ্দেশ্যেই এই চমু কাহিনী কীৰ্ত্তন কৰিলো। বাজহাড় ভাগি পৰি থকা আমাৰ এই আহোম জাতিটোৱে মুক্তি-পথৰ সন্ধান পাব পাৰিব বুলি পৰম আশা কৰি হে আমি এই কেশাৰ লিখিলো। অধঃপতিত জাতিৰ অতীতৰ ভেটিত বৰ্ত্তমানৰ সমলেৰে সৈতে ভৱিষ্যত গঢ়ি তুলিব লাগিব।

অসমীয়া জাতিৰ উমৈহতীয়া স্বাৰ্থ আৰু আশা আকাঙ্ক্ষাৰ লগত আহোমসকলৰ স্বাৰ্থ আৰু আশা আকাঙ্ক্ষা সম্পূৰ্ণৰূপে জড়িত আছে। মাথোন বৰ্ত্তমান এই সমাজৰ বিশৃঙ্খল ৰীতি-নীতিৰ সংস্কাৰ আৰু অশিক্ষিতসকলৰ মাজত শিক্ষা বিস্তাৰ আদিয়েই আমাৰ মুখ্য উদ্দেশ্য হ'ব লাগিব। এই মহৎ কাৰ্য্য সাধনত সকলো ব্ৰতী হ'লে এই সম্প্ৰদায়ৰ আৱশ্যকীয় উন্নতি অচিৰে সাধন হ'ব পাৰিব। এই বিষয়ত আনৰ ওপৰত নিৰ্ভৰ নকৰি নিজ সমাজৰ তৰফৰপৰা হোৱাটো অতি সুশোভন কথা। আহোমসকলৰ এনে সৎ আৰু মহৎ উদ্দেশ্য সাধনত অসমীয়া মাত্ৰেই নিশ্চয় সহানুভূতি দেখুৱাব।

* আহোম মহাসভাৰ যোৰহাট অধিবেশনৰ আঃ সঃ অভিভাষণৰ সাৰাংশ।

---

# "বিহু ৰৰবিহু"

কবিতা ]

—শ্ৰীযুত ভৰপ্ৰসাদ ৰাজখোৱা

( ১ )

মলয়াৰ আচলে নাহৰ ফুল সৰালে
ভুৰবিতে সৰি পৰে,
কোনোবা দূৰণিত প্ৰিয়ই মোৰ কান্দিছে
চকুলো পাছিতে জৰে।

( ২ )

আন্ধাৰৰ মাজেদি নিলগত কোনোবাই
জুৰীয়া পেঁপাটি বাই,
নিশাৰ বতাহত প্ৰিয়ৰ প্ৰাণৰ কথা
দূৰত উটি ভাঁহি যায়।

( ৩ )

চকুৰে নমনাৰ নৈ পাৰৰ আমনি
কুলিয়ে কি বিনাই তাতে,
কোনোবা অসীমত প্ৰিয়ই চাগে উচুপে
তাকে কয় সুবুজা মাতে।

( ৪ )

মইযে প্ৰবাসত প্ৰিয় মোৰ নিলগত
বিহুযে ৰৰবিহু হয়,
কোনে চুমাদি যাব কঁপা মোৰ চ-ওঁঠ
বিহুবান কোনেনো কয়।

---

# বিবিধ

## নিগনিৰ ক্লাব

ইংলণ্ডত জাতীয় নিগনি-ক্লাব নামৰ এটা ক্লাব আছে। যোৱা বছৰ ।০ থকাকী তিৰোতা মানুহ নতুনকৈ এই ক্লাবৰ সভ্যা হৈছে। কেইমাহমানৰ আগতে ক্ৰিষ্টেল কাৰেও আন্তৰ্জাতিক প্ৰদৰ্শনীত নানাবিধ নিগনি দেখুওৱা হৈছিল। নিগনি বিভাগেই আটাইতকৈ ভাল হৈছিল। নিগনি ক্লাবৰ সম্পাদিকাই প্ৰদৰ্শনীত কৈছিল যে ৪০০ শ মান নিগনিৰ ছালেৰে ১০০০ টকামান দামৰ ভাল নোমৰ কোটচোলা তৈয়াৰ কৰিব পৰা হ'ব।

## সিংহৰ ভাগত গাৰী টনা কাম

আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ কেলিফৰ্ণিয়া নামে চহৰৰ জীৱ-জন্তু শালাত টিবু আৰু কিং নামে দুটা সিংহ আছে। সিংহক লৈ মাজে-সময়ে মনোহৰিত ছবি তোলা হয়। কিন্তু ছবি তোলা কাম নাথাকিলে সিংহতে জীৱ-জন্তুশালাত দিনে দুবাৰকৈ জন্তু থকা গঁৰালবোৰৰ মুখে-মুখে মঙহৰ গাৰী টানি লৈ ফুৰিব লাগে।

## আচৰিত ভালপোৱা

যোচেফ মেলচেষ্টস্কি নামৰ মানুহ এজনে আস্পতালৰ নাৰ্চ গৰাকীৰ ওচৰত থাকিবলৈ পোৱাৰ হেঁপাহত ২৫ বাৰ বিহ খাইছিল। যোচেফ মেল'চেভস্কিয়ে এবাৰ বেমাৰি অৱস্থাত আস্পতালত থাকোঁতে নাৰ্চগৰাকীৰ প্ৰেমত পৰে। বেমাৰ ভাল হৈ আস্পতালৰপৰা ওলাই যাব লগা হ'লে দেখিলে যে তেওঁৰপৰা তেওঁ আঁতৰি থকা অসম্ভৱ। তেতিয়া এটা ৰসায়নিকৰ উপদেশ মতে অলপীয়া বিহ খাই সেই নাৰ্চ গৰাকীৰ কাষত থকাৰ সুবিধা কৰি ল'লে। তেওঁ এইদৰে ২৫ বাৰ বিহ খাইছিল। শেষত ডাক্তৰে সন্দেহ কৰাত সৈ কাঢ়িলে আৰু তাৰ ফল স্বৰূপে নাৰ্চ গৰাকীৰ কাষত থাকিবলৈ সুবিধা পালে।

## কাঠৰ গুড়িৰপৰা চেনি

কেইবছৰমানৰ আগতে জেনিভাৰ ওচৰত বৈজ্ঞানিক উপায়েৰে বহুতৰ কটা কাঠৰ গুড়িৰপৰা চেনি তৈয়াৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। কাঠৰ গুৰিৰ ওজন অনুসৰি শতকৰা ৬৫।৭০ মোন চেনি পাব পৰা যায় বুলি প্ৰমাণ হৈছে।

১৯২৭ চনৰ শেষ ভাগত ষ্টকহলম নগৰত কয়লা আৰু কাঠৰ গুড়িৰ ৰসায়নিকতত্ব সম্বন্ধে আলোচনা কৰিবৰ কাৰণে এখন সভা বহিছিল। তাত প্ৰফেচৰ এৰিক হেই গ্লাণ্ডে কৈছিল যে চুইডেন দেশখন বৰ কাঠনি হোৱাৰ কাৰণে তাত কাঠৰ গুড়িৰপৰা চেনি কৰা কাৰ-বাৰটো ভাল দৰে চলাব পাৰিব।

## জাৰ্ম্মেনিত নোহোৱা নোপোজা আইন

অলপতে জাৰ্ম্মেনিত এখন আইন কৰা হৈছে যে জাৰ্ম্মেনিত কোনো মানুহৰ নাম 'লেনিন' ৰাখিব নোৱাৰে। জাৰ্ম্মেনিৰ সকলো মতা তিৰোতাই জাৰ্ম্মান নামহে ৰাখিব পাৰিব।

## পৃথিবীৰ ভিতৰত সকলোতকৈ ওখ মানুহ

ইথিয়পীয়াৰ ড্ৰাম মেজৰ ৰাম্নু নামে এজন মানুহ পৃথিবীৰ ভিতৰত সকলোতকৈ ওখ বুলি জনা গৈছে। তেওঁ ৭ ফুট ৭ ইঞ্চি ওখ। মানুহজন হত্যাৰ অপৰাধত অপৰাধী কৰি বিচাৰৰ কাৰণে সম্ৰাট হেইলে চেলাছিৰ ওচৰলৈ অনা হৈছিল। বিচাৰত মানুহজন মৃত্যু দণ্ডত দণ্ডিত হৈছিল যদিও সম্ৰাটে মানুহজন ইমান ওখ দেখি তেওঁৰ মৃত্যু দণ্ড স্থগিত ৰাখি ৰাজকাৰ্য্যত নিয়োগ কৰে আৰু কিছু দিনৰ পিছত তেওঁক ড্ৰাম মেজৰ উপাধিৰে বিভূষিত কৰে।

## মেকুৰীৰ আচৰিত প্ৰভুভক্তি

উত্তৰ বেছেৰীয়াৰ বাৰ্হ নামে এখন ঠাইত এজন মাছ-ব্যৱসায়ী লোকৰ এটা পোহনীয়া মেকুৰীয়ে তাৰ গিৰিহঁতৰ মৃত্যুৰ সময়ত উপস্থিত নথকাতো এনাআভুৱাকৈ গৈ মৰিশালিখন পাই তাতে ৭ মাহ দিনৰাতি পৰি থাকি মৰিশালি ৰখীয়া হৈ আছিল। তালৈ কোনোবা মানুহ গ'লে সি বৰ বেজাৰৰ ভাৱ প্ৰকাশ কৰে।

ওচৰ-চুবুৰীয়াৰ তালৈ বৰ মৰম লাগি কিবা-কিবি খাবলৈ লৈ যায় আৰু সি খাবলৈ ইচ্ছা নকৰিলেও বলেৰে খাবলৈ দিয়ে।


## পৃথিবীৰ ভিতৰত আটাতকৈ গধুৰ দম্পতি

দক্ষিণ-পশ্চিম আফ্ৰিকাত পৃথিবীৰ ভিতৰত গিৰীয়েক ঘৈণীয়েক দুগৰাকী আটাইতকৈ গধুৰ দম্পতি বুলি পৰিগণিত হৈছে। তেওঁলোকৰ ভিতৰত গিৰীয়েকৰ ওজন ৬ মোন ৬ সেৰ আৰু ঘৈণীয়েকৰ ওজন ৫ মোন। বৰ্ত্তমান গিৰীয়েকৰ বয়স ৪০ বছৰ আৰু ঘৈণীয়েকৰ ২৪ বছৰ।




## বংবহইছৰ জগতত ন-উদ্ভাৱন

ফ্ৰান্সত তৈয়াৰ হোৱা এই ১৬ মিলি মিটাৰ 'চিনেমেটগ্ৰাফ প্ৰজেক্টৰ'টো ( পৰ্দ্দাৰ ওপৰত ছাঁয়া ছবি



১৬ মিলিমিটাৰ চিনেমেটোগ্ৰাফ প্ৰজেক্টৰ

পেলোৱা যন্ত্ৰ ) যে কেৱল বৰ্ত্তমানৰ আন ডাঙৰ প্ৰজেক্টৰ বিলাকৰ সমানে উপযোগী এনে নহয়, ইয়াক এনে হিছাবে তৈয়াৰ কৰা হৈছে যে ইয়াৰ দ্বাৰা ছয়োবিধ শব্দ প্ৰণালী-কেই প্ৰয়োজন মতে সাল-সলনি কৰিব পৰা যায়। ইয়াক চলোৱা সময়তো শব্দ কিম্বা বিনা-শব্দে চলাব পৰা হয়। ৭৫ ফুট দূৰত থকা এখন পৰ্দ্দাত ইয়াৰ সহায়েৰে ১০ফুট দীঘল আৰু ৭ফুট ৫ ইঞ্চি বহল ছাঁ পেলাব পৰা হয়।

## শ্ৰম কম কৰাৰ উপায়

প্ৰত্যেক খন চেকতে চহী কৰাতকৈ একেখন যন্ত্ৰ চেকত চহী কৰি আন বিলাকত এই যন্ত্ৰৰ সহায়েৰে চহী ছপাব পৰা হয়। হোৱাইট চিটিৰ কৰ্তৃপক্ষ সকলে ইয়াৰ কাৰ্য্যকৰী কৰি দেখুৱাইছে আৰু বেঙ্কৰ কৰ্তৃপক্ষই এই মেছিনৰ প্ৰতি আগ্ৰহ দেখুৱাইছে। ইয়াৰ সহায়ত একো-একোটা ডাঙৰ ব্যৱসায় অনুষ্ঠানৰ ডিৰেক্টৰসকল বছৰেকত বহুত সময় ৰাহি হ'ব।




চেক চহী কৰা যন্ত্ৰ

## উদ্ভাৱনাৰ পথত ভাৰতীয় বৈমানিক শক্তি

ভাৰতৰ বৈমানিক বিভাগ ৰক্ষাৰ হেতু ১৯৩২ চনৰ ৮ অক্টোবৰৰ দিনা 'ভাৰতীয় বৈমানিক দল' গঠন কৰা




হয়। সেই দিনাই প্ৰথমে ভাৰতীয় কৰ্ম্মচাৰী দলক কামত মকৰল কৰা হয়।



ভাৰতীয় ব্ৰি ৰ'ডৰ ফৰ্চৰ কোঠত গ্ৰাউণ্ড ইঞ্জিনিয়াৰ দুজনমানে এখন নতুন প্লেন তৰিছে।


কমাণ্ডাৰ ইন-চীফৰ অধীনত 'ৰয়েল এয়াৰ ফৰ্চৰ' এয়াৰ অফিচাৰ কমাণ্ডিঙৰ 'পৰিচালনাত' ১নং ইণ্ডিয়ান স্কোয়'ড্ৰণ' নামে এক স্কোয়াড্ৰণ বৰ্ত্তমান ইয়াত আছে। ইয়াৰ অফিচাৰসকলক প্ৰথমেই 'কৰ্ণৱেল'ৰ ৰয়েল এয়াৰ ফৰ্চ কলেজত শিক্ষা দি ছ-মাহ কাল ইংলণ্ডৰ কোনো বিমান কেন্দ্ৰত শিকনি দিয়া হয়। তাৰ পিছত




বাট্‌চেসকলে ১নং ইণ্ডিয়ান স্কোয়াড্ৰনৰ যুদ্ধৰ ৰথ এখনৰ ইঞ্জিন নতুনকৈ তৰিছে। এই স্কোয়াড্ৰনৰ ইঞ্জিনিয়াৰসকলৰ কিছুমান বাট্‌চে আৰু আন কিছুমান গ্ৰাউণ্ড ইঞ্জিনীয়াৰ। এই সকলৰ ভিতৰৰপৰাই কেইজনমানক বাছি পাঁচ বছৰৰ কাৰণে ৰথ চলাবলৈ দিয়া হয়।

তেওঁলোকক ইণ্ডিয়ান এয়াৰ ফৰ্চত চিৰস্থায়ীকৈ মকৰল কৰা হয়। এই ৩ নং স্কোয়াড্ৰণক ১৯৩৩ চনৰ এপ্ৰিলত মঞ্জুৰ কৰা হয়। ইয়াৰ ইঞ্জিন বিলাকৰ ভিতৰত কিছুমান 'ওৱেষ্টলেণ্ড ৱাপিটি আৰু কিছুমান হকাৰ অদেক্।

বৰ্ত্তমানে এই ইণ্ডিয়ান এয়াৰ ফৰ্চৰ কোঠ কৰাচীত অৱস্থিত। ইয়াতেই ৰয়েল এয়াৰ ফৰ্চৰো প্ৰধান কাৰখানা আৰু মেৰামতি ঘৰ আছে। ১ নং স্কোয়াড্ৰণত বৰ্ত্তমান তিনি খুতি ওৱেষ্টলেণ্ড এপিটি আৰু হকাৰ অদেক্‌চ আকাশীযান আছে।



ম' ছিৰ ( কমাণ্ডিং অফিচাৰ ) সৈতে ভাৰতীয় বৈমানিক দলৰ অফিচাৰ সকল। বাওঁফালৰপৰা ৫ম জন অ', ছি, ৬ষ্ঠ জন তেওঁৰ তলৰ জন অফিচাৰ। তিনি বছৰৰ আগেয়ে যেতিয়া ইণ্ডিয়ান এয়াৰ ফৰ্চ গঠন হয় তেতিয়াই এই কেইজন অফিচাৰক মকৰল কৰা হয়। কৰ্ণৱেলত শিক্ষা লাভ কৰাৰ পিছত শিকলি লৈ ছ-জন ভাৰতীয় দ্বাৰা গঠিত প্ৰথম পাইলত অফিচাৰ সকলো এই ছবিতে আছে।



জিৰণিৰ শিক্ষা। এজন ইনষ্ট্ৰাক্টৰে সৈতে ১নং স্কোয়াড্ৰনৰ ভাৰতীয় অফিচাৰসকল। যোৱা বছৰৰ অক্টোবৰত ইণ্ডিয়ান এয়াৰ ফৰ্চৰ এই দলত ন-জন ৰথ চালক আছিল।

# মুকুতা-মালা

কাৰ্য্যক্ষম আৰু সাহস থাকিলে পৃথিবীত অসম্ভৱ বোলা কথাতো অৰ্থহীন, আকৌ ভয়াতুৰ আৰু দোধোৰমোৰত পৰা মানুহৰ কাৰণে পৃথিবীৰ একোৱেই সম্ভৱ নহয়।

—ছাৰ ৱালটাৰ স্কট

বহুত বিপদ-আপদৰ সন্মুখীন হ'ব লগা হ'লেও যশস্যা অৰ্জ্জনৰ বাট স্বৰ্গলৈ যোৱা বাটৰ নিচিনা।

—ষ্টৈৰ্ণ

আদৰ্শবিলাক চন্দ্ৰ, সূৰ্য্য আৰু নক্ষত্ৰৰ নিচিনা। আমি সেইবিলাক পাবলৈ আশা নকৰিলেও তাৰ পোহৰপৰা নিশ্চয় উপকাৰ পাব পাৰোঁ।

— * * *

যি দাৰিদ্ৰ আৰু নিৰ্জ্জনতাই কৰ্ম্মীৰ কৰ্ম্মশক্তি বিকাশৰ কাৰণ, তেনে দাৰিদ্ৰ আৰু নিৰ্জ্জনতাৰ বাবে জ্ঞানী কৰ্ম্মী-পুৰুষে কোনো কালেই দুখ নকৰে।

—ইমাৰ্চ্চন



# অসমত আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰি ইউনিয়ন

—শ্ৰীযুত ৰাজীবলোচন বৰুৱা

## অসমত ইংৰাজৰ প্ৰৱেশ

ইং ১৮২৪ খৃষ্টাব্দত পোন প্ৰথমে ইংৰাজ আহি অসমত ...ৱেশ কৰে। ইয়াৰ কাৰণ হ'ল ইংৰাজ আৰু বাৰ্ম্মিজ ...মানবিলাকৰ ভিতৰত হোৱা ৰণ। এই চেলু লৈয়েই ...ৰাজে অসমত শিপাই পেলায় আৰু ১৮২৬ খৃষ্টাব্দত ...ৰ আৰু ইংৰাজৰ ভিতৰত ইয়াণ্ডাবু সন্ধি হয়। এই ...ৰিপৰাই ইংৰাজে অসমত নিগাজিকৈ খুঁটি পোতে ...ৰু আজি পৰিমিত সেই খুঁটি অলৰ অচৰ হৈ আছে।

## ...সমত আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰিৰ প্ৰৱেশ

ইয়াণ্ডাবু সন্ধিৰ ১০ বছৰৰ পিছত অৰ্থাৎ ইং ১৮৩৬ ...ৰ্দত পোন প্ৰথম আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰি ...উনিয়ন পুব ফালৰপৰা আহি অসমত প্ৰৱেশ কৰে। ...য়াতে মিশ্যনেৰিসকলে পোন প্ৰথম খৃষ্ট ধৰ্ম্মৰ কঠীয়া ...য়।

সেই সময়ত অসম প্ৰদেশ বঙ্গদেশৰ সৈতে একেলগ ...আছিল আৰু শাসনো কৰিছিল বঙ্গৰ লেফটেনেণ্ট ...ৰ্ণৰেই। সেই সময়ত অসমৰ মাটিকালি আছিল সৰ্ব্বমুঠ ...,৭১০ বৰ্গমাইল। তাৰ ভিতৰত ২০,৮৩৯ আছিল ...পুত্ৰ উপত্যকাত, ৯,৫৮১ আছিল চুৰমা উপত্যকাত ...ৰু ১৪,৩৩০ আছিল গাৰো, খাছীয়া আৰু নগা পৰ্ব্বতত। প্ৰায় ৫০ বছৰ কাল (ইয়াণ্ডাবু সন্ধিৰপৰা) অসম প্ৰদেশ ...ৰ দেশত ধুটীয়া শাসনতন্ত্ৰৰ অধীনত চলিছিল। কিন্তু ...৭৪ খৃষ্টাব্দত বৃটিছে বুজিব পাৰিলে যে অসমত স্বকীয়া ...নৰ দৰকাৰ। সেই কাৰণে তেতিয়াৰপৰা অসম প্ৰদেশৰ ...ন ভাৰ এজন বিষয়াৰ হাতত গতাই দিয়া হ'ল। সেই ...য়াজনক চিফ্ কমিশ্যনাৰ বোলা হৈছিল।

## শদিয়াত আমেৰিকান বেপ্টিষ্ট মিশ্যন

ইং ১৮৩৫ খৃষ্টাব্দতে বৰ্ম্মা বা মানদেশৰপৰা আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰি সকল শদিয়ালৈ আহিবলৈ চেষ্টা কৰে। শ্ৰীযুত কিনকেয়াৰ্ড চাহাব তেতিয়া আভাত আছিল। তেওঁ বহুত খাটি-খুটি বৰ্ম্মাৰ বা মানদেশৰ উত্তৰ প্ৰদেশবোৰত ফুৰিবলৈ মানৰজাৰপৰা অনুমতিলৈ সেই চলতে ভামো আৰু কেইখন মান গাওঁ পৰিদৰ্শণ কৰে। তাৰ পিছত তেওঁ আভাৰপৰা ৩৫০ মাইল দূৰ মোগঙলৈ আহে। মোগঙৰপৰা ৰিণি ৰিণি দেখাত ছকং ভেলী, ছকঙৰপৰা বহুত দূৰলৈকে নিজান অটব্য অৰণ্য; সেই অৰণ্য পাৰ হৈ গ'লেহে শদিয়া পায়গৈ। শ্ৰীযুত কিনকেয়াৰ্ডে মোগঙত মানুহ জনুহৰ সহায় সাৰথি নাপাই আকৌ আভালৈ উভতি গল গৈ। ১৮৩৬ খৃষ্টাব্দত অসমৰ কমিশ্যনাৰ মেজৰ জেনকিঞ্চে কলিকতাৰ বেপ্টিষ্ট মিশ্যনলৈ পুব সীমান্তত যাইকৈ চান আৰু খাম্‌টি দেশত মিশ্যন খুলিবলৈ চিঠি-পত্ৰ লিখা-লিখি কৰে। কলিকতাৰ মিশ্যনে আকৌ সেই কাম কৰিবলৈ মানদেশত থকা আমেৰিকান বেপ্টিষ্ট মিশ্যনলৈ লিখে। সেই চিঠিত উল্লেখ কৰে যে মানদেশৰ মিশ্যনে এই কাম হাতত ললে মানদেশ আৰু অসমৰ মাজত থকা অসংখ্য মানুহ মুকলি কৰা হ'ব। এয়েই ঐশ্বৰিক কৃপাৰ সূত্ৰপাত।

## শিৱসাগৰত আমেৰিকান বেপ্টিষ্ট মিশ্যন

১৮৪৬ খৃষ্টাব্দত আমেৰিকান বেপ্টিষ্ট মিশ্যন ইউনিয়নৰ পৰা ৰেভ, কাটাৰ আৰু ডঃ ব্ৰাউন আহি শিৱসাগৰত সোমায়। তেওঁলোকে শিৱসাগৰৰ পকাঘাটৰ ওচৰত ধাই আলিৰ মূৰত মিশ্যনৰ এটা ছাপাখানা পাতেহি। এই ছাপাখানাৰপৰাই তেওঁলোকে ইং ১৮৪৬ খৃষ্টাব্দত "অৰুণোদয়" নামৰ অসমীয়া মাহেকীয়া আলোচনীখন প্ৰকাশ কৰে। এই কাকতৰ বছেৰেকীয়া বৰঙনি আছিল ১৲ টকা। মিশ্যনেৰিসকলে এই কাকতত ৺পণ্ডিত কাশীনাথ শৰ্ম্মাৰ

বিশেষ সহায় লব লগীয়া হৈছিল। ৺শৰ্ম্মাদেৱে কিছুকাল এই কাকতৰ সম্পাদকীয় কামো চলাইছিল।

শিৱসাগৰত উক্ত ছাপাখানা ১৮৮৩ খৃষ্টাব্দলৈকে থাকে। কিন্তু সেই বছৰত উক্ত ছাপাখানা নাজিৰাৰ অসম কোম্পানিয়ে কিনি লয়।

### অৰুণোদয়ৰ সম্পাদকসকল

১৮৪৬ পৰা ১৮৫১ খৃষ্টাব্দলৈকে কাটাৰ, ব্ৰাউন, হোৱাইটিং।

১৮৫৩ খৃষ্টাব্দত কাটাৰে শিৱসাগৰ পৰিত্যাগ কৰে।

১৮৫৫ খৃষ্টাব্দত ব্ৰাউনে শিৱসাগৰ এৰে।

১৮৫৬ খৃষ্টাব্দত অৰুণোদয়ৰ সম্পাদক আছিল হোৱাইটিং।

১৮৬৫ খৃষ্টাব্দত আছিল ডাঃ ব্ৰন্সন। সেই বছৰতে তেওঁৰ অসমীয়া ইংৰাজী অভিধান খনো তাত ছপা হয়।

১৮৬৭ খৃষ্টাব্দত ডাঃ ৱাৰ্ড আৰু তেওঁৰ পৰিবাৰ।

১৮৬৯ খৃষ্টাব্দত, ৰেভ ক্লাৰ্ক।

১৮৭৪ খৃষ্টাব্দত, ৰেভ এ, কে গৰ্নী।

১৮৮৪ খৃষ্টাব্দত মিঃ উইটাৰ আৰু তেওঁৰ পৰিবাৰ।

এইদৰে ইবাৰ এজন সিবাৰ এজনকৈ মিছনেৰি সকল আহি শিৱসাগৰত প্ৰচাৰ কাৰ্য্য চলাইছিল। অৰুণোদয় নামৰ মাহিলী আলোচনী খনৰ প্ৰভাৱত বহুত নিৰক্ষৰ মানুহৰ চকু গজিছিল বুলিব পাৰি।

### নগাৱঁত আমেৰিকান বেপ্টিষ্ট মিছন

ইং ১৮৪১ খৃষ্টাব্দত ডাঃ মাইলছ ব্ৰন্সনে পোনপ্ৰথম নগাৱঁলৈ খৃষ্ট ধৰ্ম্ম প্ৰচাৰাৰ্থে আহে।

### ডাক্তৰ মাইলছ ব্ৰন্সনৰ বিষয়ে একাষাৰ

ইং ১৮১২ খৃষ্টাব্দত নৱেম্বৰত মাইল্‌ছ ব্ৰন্সনৰ জন্ম হয়। ২৪ বছৰ বয়সত তেওঁ অসমলৈ মিছনেৰি ৰূপে নিযুক্ত হৈ আহে। তেওঁ অসমত ৪০ বছৰো ওপৰ কাল ধৰ্ম্ম প্ৰচাৰ কৰি ১৮৮৩ খৃষ্টাব্দৰ ১০ নৱেম্বৰ তাৰিখে মিছিগনত মৃত্যু হয় গৈ। দুবছৰৰ ভিতৰতে তেওঁ অসমীয়া আৰু চিংফৌ ভাষা শিকে। চিংফৌৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ তেওঁ কিছুমান কিতাপো লিখিছিল। কিন্তু পিছত চিংফৌলৈ গৈ নগাৰ মানুহ বেছি দেখি নগা ভাই সকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলাবলৈ স্থিৰ কৰিলে। এই ন… কৰি তেওঁ দুৰ্গম বাটকো সুগম কৰি, বিপদ-বিঘিনি… নেওচি নামচাঙৰ নগাগাৱঁৰ মাজত সোমাল গৈ। যে… দেখিয়েই নগাবিলাকে ইমান আদৰ সাদৰ কৰি… ধৰিলে যে তেওঁৰ নিমিত্তে সিবিলাকে বেলেগ ঘৰ… দিলে। ব্ৰন্সন ছাহাব, তেওঁৰ মেম আৰু মেৰী নামে… ছোৱালীটীয়ে সৈতে শদিয়াৰপৰা উঠি জয়পুৰত সন্ম… ঘৰটিলৈকে উঠি আহিল। তাত ব্ৰন্সন ছাহাব, যে… লগৰীয়া অসমীয়া মানুহ জন আৰু কটকী, এই কেইজ… গোট খাই আঠ মাহ মান পঢ়াশালি পাতি নগা লৰাবিল… পঢ়ুৱাবলৈ লৈছিল। কিন্তু সিইঁতৰ স্বভাৱ এনে… পছুৰ মাত বা কুকুৰৰ ভুক-ভুকনি শুনা মাত্ৰকেই সিইঁ… তাৰ কিতাপ কলি তাতে পেলাই ধেনু কাঁড় লৈ সেই… চিকাৰ কৰিবলৈ লৰ ধৰে। জয়পুৰ ঠাই ডোখৰে দু… বাবে ব্ৰন্সণ ছাহাব ভৈয়ামলৈ নামিব লগীয়া হ'ল। যে… জয়পুৰ এৰিলত নগাবিলাকে বৰ দুখকৈ কৈছি… "আপোনাক আমি ইয়াত থাকিবলৈ কব নোৱাৰো, ইয়া… মৰিবলৈও কব নোৱাৰো, এতিয়া যাওক বাৰু, ভাল… আকৌ ইয়ালৈকে আহক গৈ।" এশ বছৰীয়া বুঢ়া ন… গাম......তেওঁৰ লৰাছোৱালীবোৰ লৈ ছাহাবৰ ওচ… আহি কলেহি, "আপুনি ঘূৰি অহালৈ মই বোধক… নেথাকিম। মোৰ চুলি পকিল। মই মৰিলেও মোৰ লৰা… আছে। আপোনাৰে শপত খাই কৈছো, মই মৰি… সিহঁতেই আপোনাৰ লগৰীয়া হ'ব।"

তাৰ পিছত ব্ৰন্সণ ছাহাব নগাৱঁলৈ আহিল।

### নগাৱঁত ডাঃ ব্ৰন্সন

ইং ১৮৪ খৃষ্টাব্দত ডাঃ ব্ৰন্সনে নগাৱঁলৈ আহি দেখি… নগাৱৰ অধিবাসী ২০০,০০০ মানুহৰ ভিতৰত সৰহ ভাগ… হিন্দু। বাদ বাকী যি আছিল সেইবিলাক মুছলমান আ… পাহাৰী মানুহ। তেতিয়া ডাঃ ব্ৰন্সনে তাত লৰাছোৱা… বিলাকৰ শিক্ষাৰ নিমিত্তে স্কুল পাতিলে। ১৮৪২ খৃষ্টা… তেওঁৰ স্কুলত ৮০ জন ছাত্ৰ হ'ল। সেই স্কুলত তেওঁ… দৰে কৃতকাৰ্য্য লাভ কৰিব নোৱাৰিলে। তাৰ পি… তেওঁ মাউৰা লৰাছোৱালীক শিক্ষা দিবৰ কাৰণে এ… পাতিলে। এই স্কুল স্থাপন কৰি তেওঁ বৰ সুখ্যাতি …ৰ্জ্জন কৰিলে। গোটেই অসমৰ খৃষ্টিয়ান বন্ধুসকলৰপৰা …স্কুলৰ উন্নতি সাধন কৰিবলৈ ব্ৰন্সনে হেজাৰ হেজাৰ …া পাবলৈ ধৰিলে। ১৮৪৮ খৃষ্টাব্দলৈকে এই গোটেই …ৰ কাল ডাঃ ব্ৰন্সন আৰু তেওঁৰ পৰিবাৰে লৰা …ৱালীক শিক্ষা দিয়াতে কটালে। তেওঁলোকৰ অশেষ …ত অশিক্ষিত জনসমাজত শিক্ষাৰ বিনন্দীয়া পোহৰ …লিত হ'ল। তাৰ পিছত ডাঃ আৰু তেওঁৰ পৰিবাৰৰ …া বেয়া হোৱাত আমেৰিকালৈ বাৰণা কৰিলে। …তিয়া তেওঁবিলাকৰ কামৰ বোজা ললেহি মিঃ ষ্টডাৰ্ড …ক তেওঁৰ পৰিবাৰে।

ইতিমধ্যে নগৱত ১৮৪৫ খৃষ্টাব্দত এটা বেপ্টিষ্ট গিৰ্জ্জা …ষ্ঠা কৰা হয়। গিৰ্জ্জা আৰু স্কুলৰ কাম তেওঁলোকে …মে চলাবলৈ ধৰিলে। ১৮৫১ খৃষ্টাব্দত ডাঃ ব্ৰন্সন …ক তেওঁৰ পৰিবাৰ আমেৰিকাৰপৰা ঘূৰি আহি …লেহি। তেওঁবিলাকৰ লগত কুমাৰী চ বুলি এগৰাকী …কো লৈ আহিছিল। এই কোৰত নগাৱৰ বেপ্টিষ্ট …ন দল গজগজীয়া হৈ পৰিল। কাৰণ তেওঁলোকৰ …ৰ কেইবাজনো উপযুক্ত মানুহ গোট খালে। তেওঁলোকে …য়াবোহেৰে প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰিলে।

১৮৫১ খৃষ্টাব্দৰ নৱেম্বৰ মাহত এই গিৰ্জ্জা ঘৰৰ পৰা …প্ৰচাৰৰ কাৰণে পোনপ্ৰথম দুজন মানুহক লাইচেন্স …য়। লাইচেন্স দিয়া মানুহ দুজনৰ এজনৰ নাম …িৱেন বি, হেডেন আৰু আন জনৰ নাম জেমচ্ ট্ৰিপ।

১৮৫৪ খৃষ্টাব্দত ৰেভ, ডাঃ পেকে আমেৰিকান বেপ্টিষ্ট …নেৰি ইউনিয়নৰ এছিয়াটিক চছাইটি প্ৰদৰ্শন কৰিবলৈ … প্ৰতিনিধিৰ দল পঠিয়ায়। তেওঁলোকে ১৮৫৩ খৃষ্টাব্দৰ …ৰ মাহত গুৱাহাটী আৰু তাৰপৰা ১৮৫৪ …ত শিৱসাগৰ পায়গৈ। ১৮৫৪ খৃষ্টাব্দত কাৰ্য্য-…তিৰ আলোচনা কৰিবলৈ সদৌ অসমৰ মিছনেৰিসকল …ত গোট খায়।

১৮৫৫ খৃষ্টাব্দৰ জুন মাহত ঘিনাই নামেৰে এজন …ক ধৰ্ম্ম প্ৰচাৰৰ কাৰণে নগাৱঁৰ গিৰ্জ্জাৰপৰা লাইচেন্স …হয়।



১৮৫৭ চনত ডাঃ ব্ৰন্সন আৰু তেওঁৰ পৰিবাৰৰ স্বাস্থ্য বেয়া হোৱাৰ কাৰণে আকৌ আমেৰিকালৈ যাবলৈ বাধ্য হয়। তেওঁলোক যোৱাৰপৰা প্ৰায় ২০ মাহ কাল তেওঁলোকৰ সকলো কাম চলাই আছিল সোণাৰাম টমাছ নামেৰে এজন দেশীয় খৃষ্টিয়ানে।

১৮৫৯ খৃষ্টাব্দত ৰেভ টলমেন আৰু তেখেতৰ পৰিবাৰ নগাওঁ পায়হি। তেওঁলোকে মিকিৰবিলাকৰ মাজত বৰ উৎসাহেৰে প্ৰচাৰ কাৰ্য্য চলায়। কিন্তু মিকিৰ পাহাৰতে টলমেনৰ মেলেৰিয়া হয়। সেইকাৰণে ১৮৬১ খৃষ্টাব্দত তেওঁ আমেৰিকালৈ বাৰণা কৰে। ইতিমধ্যে তেওঁ যোৱাৰ এবছৰৰ আগতে অৰ্থাৎ ১৮৬০ খৃষ্টাব্দত ব্ৰন্সন আৰু তেওঁৰ পৰিবাৰ আমেৰিকাৰপৰা ঘূৰি আহি নগাওঁ পায়হি।

ইকালে মিকিৰবিলাকৰ মাজত প্ৰচাৰ কাৰ্য্য চলাবৰ কাৰণে ৰেভ স্কট আৰু তেওঁৰ পৰিবাৰ মনোনীত হৈ আহে।

১৮৬৩ খৃষ্টাব্দৰ মে' মাহত দৰং জিলাৰ দেশীয় খৃষ্টিয়ান ভুবনক তেওঁৰ নিজ গাৱঁত প্ৰচাৰ কাৰ্য্য চলাবলৈ লাইচেন্স দিয়া হয়। কিন্তু তেওঁ সেই কামত কৃতকাৰ্য্য হব নোৱাৰিলে।

১৮৬৩ খৃষ্টাব্দত পোনপ্ৰথমে মিকিৰক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰা হয়। মিঃ স্কট কিন্তু মেলেৰিয়াৰ কাৰণে বেছি দিন টিকিব নোৱাৰি আমেৰিকালৈ ঘূৰি গ'ল।

১৮৬৮ খৃষ্টাব্দত কলেৰা ৰোগত মিঃ স্কটৰ নগাৱঁতে মৃত্যু হয়। ডাঃ ব্ৰন্সনৰ পৰিবাৰো ১৮৬৯ খৃষ্টাব্দত আমেৰিকাত ঢুকাই।

তাৰ পিছত ৰেভ নিবৰ আৰু তেখেতৰ পৰিবাৰ আহি মিকিৰৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়হি। তেওঁলোকে মিকিৰবিলাকক শিক্ষা দিবৰ কাৰণে গৱৰ্ণমেণ্টৰপৰা বছেৰেকত ১,৫০৲ টকা পাইছিল।

এই সময়তে ডাঃ ব্ৰন্সনে মৃত ৰেভ, এ, এইছ ডেনফ'ৰ্থৰ বিধৱা পৰিবাৰক বিয়া কৰায়। কিন্তু এই গৰাকী পৰিবাৰো স্বাস্থ্যোন্নতিৰ কাৰণে মানদেশলৈ যাওঁতে তাতে মৃত্যু হয়। বিপদ অকলৈ নাহে, ডাঃ ব্ৰন্সনৰ জীয়েক কুমাৰী মেৰীও মাহীয়েকৰ সৈতে মানদেশলৈ গৈছিল। নগাৱঁলৈ

ঘুৰি আহোতে জাহাজত কলেৰা হৈ গুৱালপাৰাৰ ওচৰতে তেওঁৰ মৃত্যু হয়।

তেতিয়া ড': ব্ৰন্সন নগাওঁ এৰি গুৱাহাটীলৈ গ'লগৈ। নগাৱঁৰ সকলো কামৰ ভাৰ দিয়া হ'ল নিবৰ আৰু তেওঁৰ পৰিবাৰৰ ওপৰত। এনে সময়তে কুমাৰী চুইট নামে এগৰাকী আহি তেওঁলোকৰ লগ লাগে।

১৮৭৭ খৃষ্টাব্দত নগাৱৰ চাৰ্লছ সোণাৰাম টমাছ আৰু গুৱাহাটীৰ কন্দুৰা আৰু স্মিথক অসমীয়া মানুহক খৃষ্টধৰ্ম্মত দীক্ষিত কৰিবলৈ ভাৰ দিয়া হয়।

১৮৭৮ খৃষ্টাব্দত মিঃ নিবৰ আমেৰিকালৈ ঘূৰি যায়।

উক্ত বছৰতে ডাঃ ব্ৰন্সনো আমেৰিকালৈ যায়। প্ৰায় ৪০ বছৰকাল অসমত থাকি তেওঁ চিংফৌ, খামটী, নগা আৰু অসমীয়া মানুহৰ মাজত ধৰ্ম্মপ্ৰচাৰ কৰি আৰু সেইবোৰ শিকাই বুজাই কম কাম কৰা নাই। ১৮৬৬ খৃষ্টাব্দত তেওঁৰ কীৰ্ত্তিস্তম্ভ অসমীয়া-ইংৰাজী অভিধানখন ছপাখানালৈ দিয়া হয়। কবি, লিখক আৰু অনুবাদক, পোন প্ৰথম অসমীয়া খৃষ্টান নিধিলেভী ফাৰৱেলক ব্ৰন্সনে ১৮৪১ খৃষ্টাব্দত খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰে।

১৮৭৮ খৃষ্টাব্দত তেওঁ আমেৰিকালৈ ঘূৰি যাবৰ সময়ত নৈ ঘাটত তেওঁক বিদায় দিবলৈ যোৱা মানুহৰ আগত কৈছিল, "মই যাব খোজা নাই মোৰ আত্মাটো ইয়াতে আছে।" শিষ্য এজন তেওঁৰ কাষ চাপিলত তেওঁ ইয়াকে মাথোন উপদেশ দিলে, "খৃষ্টৰ প্ৰচাৰ কৰা, খৃষ্টক জীয়াই ৰাখা। দেশীয় খৃষ্টানবিলাকৰ ওপৰত বহুত কথা নিৰ্ভৰ কৰিছে। সঁচাকথীয়া আৰু সৰল চিতীয়া হবা। ভাইটি, তেনেহলে তোমাক ঈশ্বৰে মঙ্গল কৰিব।"

নগাঞা মানুহে ব্ৰন্সনক ইমান ভাল পাইছিল যে তেওঁ যোৱাৰ পিছত এজন অনাগুনা মানুহে এই বুলি কৈ বেজাৰ কৰিছিল, "ছাহাবে নিজৰ মানুহবোৰতকৈ অসমীয়া মানুহক বেছি ভাল পাইছিল। ৭১ বছৰ বয়সত ব্ৰন্সন স্বৰ্গগামী হ'ল, কিন্তু স্মৃতি জাউতি খুৰীয়া হৈ থাকি গ'ল।

ইফালে মিঃ নিবৰ আমেৰিকালৈ যোৱাৰ পিছত গুৱাহাটীৰপৰা কুমাৰী কিলাৰ আহি তেওঁৰ কামৰ ভাৰ ললেহি। কিছু দিনৰ পিছত ৰেভ চি, ডি কিঙৰ লগত কুমাৰী কিলাৰৰ বিয়া হয়। তেওঁলোক দুয়ো আ… নগাৰ মাজত একগোট হৈ প্ৰচাৰ কাৰ্য্য চলাইছিল।

১৮৮০ খৃষ্টাব্দৰ জানুৱাৰি মাহত ৰেভ পি, এইচ… আৰু তেওঁৰ পৰিবাৰ আমেৰিকাৰপৰা আহি কু… কিলাৰক কামৰপৰা অজৰাই তেওঁক পূৰ্ব্বৰ কাম… তিৰোতা বিভাগলৈ পঠিয়াই দিলে।

১৮৮৩ খৃষ্টাব্দত কুমাৰী কিলাৰ আমেৰিকালৈ যো… ম'ৰৰ পৰিবাৰে তেওঁৰ কাম চলায়।

১৮৮৫ খৃষ্টাব্দত কুমাৰী কিলাৰ আমেৰিকাৰপৰা … আহি নিজৰ কাম বুজি লয়হি। এইবাৰ তেওঁৰ … কুমাৰী এন, এল পূৰছেল বুলি এগৰাকী গাভৰু আহি… এওঁলোক দুয়ো আহি তিৰোতা বিভাগৰ কামত লাগি গ'… এইদৰে নগাৱঁত আমেৰিকান বেপ্টিষ্ট মিচনেৰিসক… উদ্যোগত শিক্ষা আৰু ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য চলিবলৈ ধৰিলে…

নগাৱঁত আমেৰিকান মিচনেৰিসকল সোমোৱা… পৰা তাত বসতি কৰা মানুহৰ সংখ্যা বাঢ়িব… ধৰিলে। ইয়াৰ ভিতৰত বেছি ভাগেই হিন্দু আহি… অকল যে লোকসংখ্যাই বাঢ়ি আছিল এনে নহয়। শি… সভ্যতা, আলি পদূলি আৰু ডাক বিভাগতো অসাধাৰণ … উন্নতি হৈছিল। মিচনেৰিসকল তাত সোমোৱাৰপ… ১৮৮৬ খৃষ্টাব্দলৈকে নগাওঁ জিলাত সৰ্ব্বমুঠ ১৫৩টা … হৈছিল আৰু ছাত্ৰৰ সংখ্যা হৈছিল ৫,৩৭৭ জন। ইয়া… পৰাই বুজিব পাৰি তেৰ সাগৰ সাত নৈ পাৰহৈ আ… আমেৰিকান বেপ্টিষ্ট মিচনেৰিসকলে নগাঁও বাসী … অসমীয়াৰ কিমান উপকাৰ সাধন কৰিছিল বা কৰিছে।

## গুৱাহাটীত আমেৰিকান বেপ্টিষ্ট মিচন

ইং ১৮৪৩ খৃষ্টাব্দত মিঃ বাৰকাৰ নামৰ এজন পাদ্ৰী… গুৱাহাটীত প্ৰৱেশ কৰে। তেওঁ তাতে ঘৰ দুৱাৰ সা… খৃষ্ট ধৰ্ম্ম প্ৰচাৰত প্ৰবৃত্ত হয়।

এওঁৰেই আমেৰিকান বেপ্টিষ্ট মিচন ইউনিয়নৰপ… পোন প্ৰথমে গুৱাহাটীত পদাৰ্পন কৰে। গুৱাহাটী… তেওঁ ৬ বছৰতকৈ কম সময় থাকে। তাৰপৰা … আমেৰিকা নৌ পাওঁতেই তেওঁৰ মৃত্যু হয়।

মিঃ বাৰকাৰ যোৱাৰ ডেৰ বছৰৰ আগতে ১৮৪৮ খৃষ্টাব্দ… মিঃ ডেনফ'ৰ্থ আহি গুৱাহাটী পায়হি। তেওঁ কিছুকাল গুৱাহাটীত প্ৰচাৰ কাৰ্য্য কৰি শিৱসাগৰলৈ একেবাৰে গুচি যায়।

তাৰ পিছত এজন দুজনকৈ মিঃ ৱাৰ্ড, মিঃ স্কট, মিঃ ষ্টডাৰ্ড আৰু তেওঁৰ পৰিবাৰ, মিঃ কমফ'ৰ্ট আৰু তেওঁৰ পৰিবাৰ, ডাঃ ব্ৰন্সন আৰু তেওঁৰ পৰিবাৰ, কুমাৰী মেৰী ডি, বেস্কিং, কুমাৰী অৰিল কিলাৰ ৰেভ, কন্দুৰা, স্মিথ, মিঃ ক্ৰুডিটি আৰু তেওঁৰ পৰিবাৰ প্ৰভৃতিয়ে গুৱাহাটীত প্ৰচাৰ কাৰ্য্য চলাইহি। গুৱাহাটীত মিচনেৰিসকলৰ কাম দুভাগে বিভক্ত আছিল। ভিতৰুৱা আৰু বাহিৰা। কছাৰী, গাৰো, মিকিৰ প্ৰভৃতিৰ মাজত প্ৰচাৰ কাৰ্য্য চলোৱাটোকে বাহিৰা কাম বুলি ধৰিব লাগিব। কিন্তু এই মানুহবোৰক ধৰ্ম্ম শিক্ষা দিয়াতো বৰ টান কাম হৈছিল। এওঁলোকে ইংৰাজী ভাষা নেজানিছিল। যি অলপ জানিছিল মাথো অসমীয়া ভাষা। মিচনেৰিসকলে অসমীয়া ভাষাৰ সহায়তে ধৰ্ম্ম প্ৰচাৰ কৰি কৃতকাৰ্য্যতা লাভ কৰিছিল।

১৮৪৭ খৃষ্টাব্দত ইয়াৰ গিৰ্জ্জাত মুঠতে ২৭ জন মানুহে শৰণ লৈছিল। এই সকলোখিনি হৈছিল ৰেভ বাৰ্কৰ পৰা। ৮ বছৰৰ পিছত গুৱাহাটী নিবাসী ইংৰাজসকলৰ সহায়ত ইয়াত এটা পকী গিৰ্জ্জাৰৰ সজা হয়।

১৮৫০ খৃষ্টাব্দত ইয়াত এটা স্কুল প্ৰতিষ্ঠা কৰা হয়। এই প্ৰতিষ্ঠানত ইংৰাজ সকলেও সহায় কৰিছিল। স্কুল সজা হৈছিল দুটা। এটা লৰাৰ আনটো ছোৱালীৰ। ছোৱালী স্কুলটোত আছিল গাৰো আৰু অসমীয়া ছাত্ৰী।

## ডেন ফ'ৰ্থৰ দান

গুৱাহাটীত আৰু এটা মন কৰিব লগীয়া কথা হৈছে— ১৮৫০-৫১ খৃষ্টাব্দত মিঃ ডেন ফ'ৰ্থৰ ধৰ্ম্ম পুথি দান। তেওঁ উক্ত চনত চাৰি হেজাৰ দুশ আঠত্ৰিচ জন মানুহক একোখনকৈ ধৰ্ম্ম পুথি দান কৰিছিল।

১৮৫১ খৃষ্টাব্দত এখন সভা গঠিত হয় আৰু এই সভাৰ-পৰা সাত জন সভ্য বেলেগ বেলেগ ঠাইলৈ প্ৰচাৰ কাৰ্য্যৰ কাৰণে পঠোৱা হয়। তেওঁলোক দিহা দিহি গ'ল। গ'লহে গ'ল, কিন্তু বিশেষ একো কৰিব নোৱাৰিলে। ভাগ্য বিপৰ্য্যয়ত সকলোবোৰ ঠান ঠান বান বান হ'ল। ইয়াৰ পিছত গাৰোইতৰ বিশেষ খাটনিত আকৌ এই প্ৰচাৰ কমিটী গঠিত হয়। এই কমিটীয়ে হলে বৰ কোৰ দিলে। পিছ পৰা গাওঁবোৰত সোমাই উদ্যোগেৰে প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰিলে আৰু ভালদৰে কৃতকাৰ্য্যও হ'ল।

১৮৮৩ খৃষ্টাব্দৰ অক্টোবৰ মাহত তেৰজন লোকৰে এটা দল গুৱাহাটীলৈ আহে আৰু তেওঁলোকক কন্দুৰা নামে দেশীয় খৃষ্টীয়ান এজনে খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰে। এইদৰে গুৱাহাটী চহৰত মিচনেৰিসকলে ধৰ্ম্ম প্ৰচাৰ কৰে। অশিক্ষিত বৰ্ব্বৰ মানুহৰ মাজতো শিক্ষাদান কৰি ধৰ্ম্মপ্ৰচাৰ কৰাতো কিমান আনন্দৰ বিষয় ৰাইজ সকলে ভাবি চাওকচোন!

## গাৰোৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ

১৮৪৭ খৃষ্টাব্দত দুৰ্দ্দান্ত গাৰোবোৰক শাসনৰ মুঠিত ৰাখিবলৈ গৱৰ্ণমেণ্টে গোৱালপাৰাত গাৰো লৰাছোৱালী বিলাকৰ কাৰণে এটা স্কুল খোলে। অৱশ্যে এই স্কুলত যে অকল গাৰো লৰাছোৱালীয়েই পঢ়িছিল এনে নহয় অন্যান্য জাতিৰ লৰাছোৱালীয়েও সেই স্কুলত স্থান পাইছিল। আমেৰিকান বেপটিষ্ট মিচনেৰিসকলে এনেয়ে বিচাৰিছে ফুৰিছিল শিক্ষিত মানুহ, কাজেই এই স্কুলৰপৰা তেওঁলোকৰ বিশেষ উপকাৰ হ'ল।

অমেদ আৰু ৰামখি বোলা গাৰো দুজনেই পোন প্ৰথম খৃষ্ট ধৰ্ম্ম গ্ৰহন কৰে। এওঁলোকক শৰণ দিছিল ডাঃ ব্ৰন্সনে ১৮৬৩ খৃষ্টাব্দৰ ৮ ফেব্ৰুৱাৰি তাৰিখে। ডাঃ ব্ৰন্সনৰ জীৱনত ইও এটা কীৰ্ত্তিমন্ত কাম। উক্ত গাৰো দুজনে শিক্ষা লৈছিল---গোৱালপাৰ স্কুলতে। শিক্ষা সাঙ্গ কৰি তেওঁলোকে গৱৰ্ণমেণ্টৰ চাকৰী কৰিছিল। ডাঃ ব্ৰন্সনে তেওঁলোকক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰাৰ পিছত তেওঁলোক বৰ ধৰ্ম্মপৰায়ণ হয়। খৃষ্ট ধৰ্ম্মৰ নিমল তত্ত্ব উপলব্ধি কৰি এই গাৰো দুটি মতলীয়া হৈ চাকৰি ইস্তফা দি তেওঁলোকৰ নিজৰ মানুহৰ ভিতৰত প্ৰবল উৎসাহেৰে ধৰ্ম্ম প্ৰচাৰ কৰে।

এইদৰে গাৰোবিলাক খৃষ্ট ধৰ্ম্মত দীক্ষিত হবলৈ ধৰে আৰু শিক্ষিত হয়। ১৮৬৮ খৃষ্টাব্দত মিঃ ষ্টডাৰ্ডে বহুতো গাৰো গাওঁ ভ্ৰমণ কৰে আৰু প্ৰায় ৭২ জন গাৰোক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰে।

## নগা পৰ্ব্বতত আমেৰিকান বেপ্টিষ্ট মিস্তন আও নগাৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ

১৮৫১ খৃষ্টাব্দত ৰেভ, এছ, ডব্লিউ, হোৱাইটিঙে শিৱসাগৰত মিস্তনৰ কাম চলাই আছিল। সেই সময়তে তেওঁ মৰাংকং গাৱৰ এটা আও জাতীয় নগাক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰে। কিন্তু এই নগাটোক তাৰ শত্ৰু নগাই মাৰি পেলায়। ইয়াৰ আগতে ৰেভ, মাইলছ আৰু ব্ৰন্সনে নগাৰ মাজত যদিও প্ৰচাৰ কাৰ্য্য চলাবলৈ চেষ্টা কৰিছিল তথাপিও কৃতকাৰ্য্য হ'ব নোৱাৰিলে। ১৮৭১ খৃষ্টাব্দত শিৱসাগৰত থকা পাদ্ৰী ৰেভ, ই, ডব্লিউ ক্লাৰ্কে গধূলা নামে এজন অসমীয়া খৃষ্টিয়ানৰ ওপৰত নগাৰ মাজত প্ৰচাৰ কাৰ্য্য চলাবলৈ ভাৰ দিয়ে। ইয়াতে গধূলাই এজন অসমীয়া ভাষাৰ শিক্ষক লৈ ডেকা হাইমুং নামে এখন নগা গাৱঁত সোমায় গৈ। তাৰ কিছুদিনৰ পিছত তেওঁ আহি ঘৈণীয়েকৰো নগা গাৱলৈ লৈ যায়হি। ১৮৭২ খৃষ্টাব্দৰ নৱেম্বৰ মাহত গধূলাই খৃষ্ট ধৰ্ম্মত শৰণ দিয়াবলৈ ভালেমান নগা শিৱসাগৰলৈ লৈ আহে আৰু শৰণ দিয়ায়। এই দৰেই নগাসকলৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ হয়।

নগাসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলোৱাত ৰেভ, ই, ডব্লিউ, ক্লাৰ্কক ব্ৰন্সন বুলিব পাৰি। তেওঁ অসমত ১৭ বছৰ থাকি ১৮৮৫ খৃষ্টাব্দত আমেৰিকালৈ যায়। এই ১৭ বছৰৰ ভিতৰত ৯ বছৰ কাল তেওঁ নগাপৰ্ব্বতত কটালে। তেওঁ নগাভাষা বঢ়িয়াকৈ শিকিছিল। মিস্তনেৰি কামৰ উপৰিও তেওঁ কেবাখনো কিতাপ লিখিছিল।

মলঙত ১৮৭৮ ৰৰ পৰা ১৮৮৬ খৃষ্টাব্দলৈকে সৰ্ব্বমুঠ ৫৫ জনক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰা হয়।

| | | |
|---|---|---|
| ১৮৭৮ খৃষ্টাব্দত | ৭ | জন |
| ১৮৮০ | " ৫ | " |
| ১৮৮১ | " ২ | " |
| ১৮৮২ | " ৯ | " |
| ১৮৮৩ | " ৬ | " |
| ১৮৮৫ | " ২৪ | " |
| ১৮৮৬ | " ২ | " |
| | ৫৫ | জন |

## আঙামি নগাৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ

১৮৭৮ খৃষ্টাব্দত ৰেভ চি, ডি কিঙক আঙামি নগাৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ মনোনীত কৰা হয়। তেওঁ বহুত কষ্টেৰে পোনপ্ৰথমে কহিমাত প্ৰচাৰ কাৰ্য্য চলাবলৈ চেষ্টা কৰে। এই উদ্দেশ্যে তাত তেওঁ এটা স্কুল স্থাপন কৰে। ৰেভ কিং আৰু তেওঁৰ পৰিবাৰৰ বাহিৰেও পুনাৰাম নামে এজন দেশীয় খৃষ্টিয়ানে তেওঁলোকৰ স্কুল পাতি শিক্ষা দিয়া কামত সহায় কৰিছিল। ১৮৮৭ খৃষ্টাব্দত কহিমাৰ গিৰ্জ্জাত সৰ্ব্বমুঠ ৭টা নগাই খৃষ্ট ধৰ্ম্মত শৰণ লয়। এয়ে আঙামি নগাৰ প্ৰথম খৃষ্টিয়ান। এই চলতে কৈ থোৱা ভাল যে নগাৰ ভিতৰত আঙামি নগায়েই সকলোতকৈ বুধিয়ক, সাহসী, বলী আৰু ৰণপ্ৰিয়।

## লঠা নগাৰ মাজত খৃষ্ট ধৰ্ম্ম প্ৰচাৰ

লঠা নগাৰ মাজত প্ৰচাৰ কাৰ্য্য চলাবৰ কাৰণে ৰেভ উইটাৰ সপৰিবাৰে উখালৈ যায়। পোনপ্ৰথমে এওঁলোকে শিক্ষা প্ৰচাৰ হে কৰিছিল। ১৮৮৫ খৃষ্টাব্দৰ অগষ্ট মাহৰ দেওবাৰৰ দিনা ৰাতিপুৱা উইটাৰৰ পৰিবাৰে লঠা নগাৰ কিছুমান ল'ৰাছোৱালী গোটাই খৃষ্ট ধৰ্ম্মৰ বিষয়ে ভালেমান উপদেশমূলক কথা কয়। লঠানগাৰ মাজত এয়েই পোন প্ৰথম খৃষ্টধৰ্ম্মৰ সূত্ৰপাত। অন্যান্য পাদ্ৰীয়েও এওঁলোকৰ মাজত প্ৰচাৰ কাৰ্য্য চলাইছিল। এই সকলৰ লগত অসমীয়া খৃষ্টিয়ানসকলেও প্ৰচাৰ কাৰ্য্যত বিশেষ ভাবে সহায় কৰিছিল।

## অসমত অন্যান্য চছাইটিৰ প্ৰচাৰ কাৰ্য্য

ৰেভ, ই, জি ফিলিপ্‌ছৰ মতে আমেৰিকান বেপ্টিষ্ট মিস্তনৰ বাহিৰে মাথোন আন ছটা মিস্তন দলে অসমত প্ৰচাৰ কাৰ্য্য চলায়। ইয়াৰ এটা হৈছে ৱেলছ কেল ভিনিছটিক মেথদিষ্ট চছাইটি আৰু আনটো হৈছে এছ,পি,জি চছাইটি। ইয়াৰ প্ৰথমটোৱে ১৮৪১ খৃষ্টাব্দৰ ২২জুন তাৰিখে খাছিয়াসকলৰ মাজ সোমায়হি। লাহে লাহে এই মিস্তনে খাছিয়া আৰু জয়ন্তীয়া পৰ্ব্বতৰ অধিবাসীসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়। দ্বিতীয়টোৱে তেজপুৰৰ কছাৰী বিলাকৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়। কিন্তু অসম আৰু কাচাৰ মিস্তনৰ কাম মাজতে বন্ধ হৈ আছিল। এওঁলোকৰ



পোনপ্ৰথম কাম আৰম্ভ হয় ১৮৬৮ খৃষ্টাব্দত। ইয়াৰ কিছু দিনৰ পিছতে কাম বন্ধ হয়। ১৮৭১ খৃষ্টাব্দত এওঁলোকে ৬১ জন মানুহক খৃষ্টিয়ান কৰে।

ইয়াৰ বাহিৰেও ধুবুৰীৰ উত্তৰফালে গোৱালপাৰা জিলাত ইণ্ডিয়ান হ'ম মিস্তন চছাইটিয়ে এটা ক'লনি স্থাপন কৰে।

ইংলিছ বেপ্টিষ্ট মিস্তন চছাইটি, অসম আৰু কাচাৰ মিস্তন চছাইটি আদি সকলোবোৰেই অসমত প্ৰচাৰ কাৰ্য্য চলাইছিল বুলি জনা যায়। ডাঃ কেৰীয়ে বাইবেলৰ নিউ টেষ্টামেণ্ট অসমীয়ালৈ ভাঙে আৰু ১৭৯৭ খৃষ্টাব্দত এদল মিস্তন ভোটানলৈ যায়। সেই মিস্তন দলেই অসমলৈও আহিছিল বুলি ধৰিব লাগিব।

## আমাৰ সাহিত্য ভৰাললৈ বেপ্টিষ্ট মিস্তনৰ দান

**অৰুণোদয়**—১৮৪৬ খৃষ্টাব্দত এই মাহেকীয়া কাকতখন আমেৰিকান বেপ্টিষ্ট মিস্তনৰ উদ্যোগত শিৱসাগৰৰ পৰা প্ৰকাশিত হয়। এই খনেই আমেৰিকান বেপ্টিষ্ট মিস্তনেৰিসকলে উলিওৱা পোন প্ৰথম অসমীয়া মাহিলী আলোচনী।

**ব্ৰন্সনৰ অভিধানঃ**—১৮৬৭ খৃষ্টাব্দত তেওঁৰ বিখ্যাত ইংৰাজী-অসমীয়া অভিধান খন উলিয়ায়। এয়েই সৰ্ব্বপ্ৰথম ইংৰাজী-অসমীয়া অভিধান।

## অসমীয়া ভাষাৰ ব্যাকৰণ

এই ব্যাকৰণ এন, ব্ৰাউনে লিখে আৰু ১৮৪৮ খৃষ্টাব্দত শিৱসাগৰৰ আকেৰিকান বেপ্টিষ্ট মিস্তন প্ৰেছৰপৰা ছপা হৈ ওলায়।

## অসমীয়া ভাষা সজীৱ কৰিবলৈ পাদ্ৰীসকলৰ চেষ্টা

চৰকাৰে ভুল বুজি অসমত যেতিয়া অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা চলাবলৈ চেষ্টা কৰে আৰু সেই চেষ্টা কাৰ্য্যত পৰিণত কৰিবৰ অৰ্থে শিক্ষা বিভাগৰ ইন্সপেক্টৰ মিঃ ৰবিন্সন আৰু অসমৰ ৰেভিনিউ কমিস্তনাৰ জেনেৰেল জেনকিন্সকে আদি কৰি উচ্চ পদস্থ কৰ্ম্মচাৰীসকলে বঙলাৰ পক্ষে বঙ্গদেশৰ ছুৱলীয়া লাটলৈ চিঠিৰ উপৰি চিঠি লিখিছিল তেতিয়া অসমত থকা অসমীয়াৰ হিতাকাঙ্খী আমেৰিকান বেপ্টিষ্ট মিস্তনৰ মহানুভৱ পাদ্ৰীসকলে তাৰ বিৰুদ্ধে তুমুল সংগ্ৰাম চলাবলৈ আৰম্ভ কৰিলে। শিক্ষা বিভাগৰ ইন্সপেক্টৰ ৰবিন্সনৰ দহদহীয়া মত ওফৰাবলৈ সিমানবোৰ যুক্তিপূৰ্ণ অভিমতৰ আৱশ্যক, সিমানবোৰ সংগ্ৰহ কৰি পাদ্ৰীসকলে চাৰিওফালে প্ৰচাৰ কৰিবলৈ ধৰিলে। গুৱাহাটী আৰু শিৱসাগৰৰ পৰা সেই সম্পৰ্কে লিখা কেইখনমান চিঠি আজিও বহুতৰ মানত নতুন যেন লাগিব।

**অসমীয়া বাইবেল**—১৮১৩ খৃষ্টাব্দত আত্মাৰাম শৰ্ম্মাৰ দ্বাৰাই গোটেইখন ইংৰাজী বাইবেল ভঙোৱাই শ্ৰীৰামপুৰৰ মিস্তনেৰিবিলাকে প্ৰকাশ কৰে আৰু শ্ৰীৰামপুৰ মিস্তন প্ৰেছৰ পৰাই ১৮৩৩ খৃষ্টাব্দত তাৰ দ্বিতীয় সংস্কৰণ ওলায়। অসমৰ বুৰঞ্জীবিদ্ পণ্ডিত স্বৰ্গীয় পূজনীয় হেমচন্দ্ৰ গোস্বামীদেৱে তেখেতৰ "অসমীয়া ভাষা" শীৰ্ষক ৰচনাত লিখিছে—"শ্ৰীৰামপুৰৰ পাদ্ৰী ছাহাবসকলে কলিয়াবৰৰপৰা এজন আত্মাৰাম শৰ্ম্মা নামেৰে অসমীয়া পণ্ডিতক শ্ৰীৰামপুৰলৈ নিয়াই তেওঁৰ হতুৱাই গোটেইখন বাইবেল পুথি অসমীয়া ভাষালৈ ভঙাই ১৮১৩ চনত ছপা কৰি উলিয়ালে।"

এতিয়া আকৌ চাওক, ১৮৮৬ চনৰ অসম বেপ্টিষ্ট মিস্তনৰ জুবিলী কনফেৰেন্সত ৰেভাৰেণ্ড এ, কে, গৰ্নীয়ে অসমীয়া ভাষাৰ বাইবেলৰ কথা কি কৈছিল, "অসমীয়া জাতিক গোটেই বাইবেল পুথিখন দান কৰাৰ অভিপ্ৰায়ে অসমত অসম বেপ্টিষ্ট মিস্তন স্থাপিত হোৱাৰ পূৰ্ব্বেই, শ্ৰীৰামপুৰ মিস্তনৰ ডাক্তৰ কেৰীয়ে ( Dr. Carey ) ভাৰতবৰ্ষৰ সকলো ভাষাতে বাইবেল পুথিখন তৰ্জ্জমা কৰি উলিয়াবলৈ সঙ্কল্প কৰি এখন সূচীপত্ৰ আঁওতে। তাত তেওঁ অসমীয়া ভাষালৈও ঠাই দিছিল। সেই কাৰণে, ১৮১১ চনত অসমীয়া ভাষালৈ বাইবেল অনুবাদ কৰিবলৈ হাতত লোৱা হয়। নিউ টেষ্টামেণ্টৰ বা নতুন নিয়ম খণ্ডৰ তৰ্জ্জমা শেষ হয় ১৮৩৯ চনত আৰু ১৮৩৩ চনত গোটেইখন বাইবেলৰ তৰ্জ্জমা শেষ কৰি ছপাই উলিওৱা হয়। কিন্তু ডাক্তৰ কেৰীয়ে অসমীয়া ভাষা নজনা বাবে, আৰু ভাঙনীৰ গোটেই ভাৰ

এজন অসমীয়া পণ্ডিতৰ হাতত গতাই দিয়া বাবে ইয়াৰ ভাষা সংস্কৃতীয়া হ'ল ;. সেইদেখি এই ভাঙনী বৰ ভাল নহল। পাছত ডাঃ ব্ৰাউন, হোৱাইটিং, নিধিলেভি ফাৰেল, ডাঃ ব্ৰাৰ্ড আৰু এ, কে, গৰ্নীয়ে ইয়াক শুধ ঘৰুৱা অসমীয়ালৈ ভাঙিলে।

নিউ টেষ্টামেণ্টৰ যেতিয়া দ্বিতীয় তাঙ্গৰণ হয় তেতিয়া ইয়াৰ প্ৰকাশক আছিল নগাৱঁৰ পাহুৰী মুৰ ছাহাব। কিতাপখন কলিকতাৰ বেপ্টিষ্ট মিশ্যন প্ৰেছতে তাৰ আহি কাকত চাবলৈ কলিকতাৰ অ, ভা, উ, সা সভাৰ সম্পাদক শ্ৰীযুত ৰমাকান্ত বৰকাকতি বি-এল আৰু কেইবাজনো সভ্যক ভাৰ দিয়া হয়। তেখেতসকলে বহুত চেষ্টা কৰি তাত থকা বহুত ভুল গুচালে, চাবলৈ গলে কলিকতাৰ অ, ভা, উ, সা সভাও বাইবেল প্ৰকাশত যোগ আছিল।"

Gowhatty Nov. 3. 1854.

My dear Bronson,

...Anol when we cosider that he has devoted ( Mr. Brown ) to it 20 years of careful study, it provokes a smile to hear an individual, who, I presume, does not claim to have made a study of the language, talk of "paring away its deformities" and "uncouthness" because, forsooth, it does not correspond to the favourable Bengalee. Instead of the Assamese language being "slovenly" and "uncouth" it is on the contrary, as every one familiar with it agrees, smooth, agreeable & euphonious"

W. M. Ward.

Assam Baptist Mission, Gowhatty.

"The spoken Assamese is in fact peculiar for its ( excluding of course Dhekeries of Kamrup ) stability and uniformity, while as Mr Robinson informs us, the Bengalee has been changing the Assamese remains the same, that it has been for some centuries. It never came from Bengal. It has much greater affinities, particularly in the mode of pronunciation with other branches of the Sanskrit than with the Bengalee. It is a more easy flowing agreeable language, and not less copious. It is fully entitled, notwithstanding the statement of Mr. Robinson to the contary, to be considered as the Vernacular language of the people. It is very easy to caricature a language that one knows but little of to call it "Slovenly" "Crude" and "Vulgar" make extracts from the ludicrous letters of Punch to illustrate our spelling, but we must take the people as we find them, and labour among them in the language they use, if we hope to do them any present good."

N. Brown

Sibsagor.

## অসম প্ৰবাসী আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰি সকলৰ ৫০ বছৰীয়া জুবিলী

অসম মিশ্যনৰ কৰ্ম্মীসকলে বহুত দিনৰপৰা একে ঠাইতে গোট খাই এখন সভা পাতিবলৈ ইচ্ছা কৰি আছিছিল। সেই কাৰণে এই ৫০ বছৰ পূৰ হোৱাত মিশ্যনেৰিসকল গোট খাই তেওঁলোকে কৰা কাম-কাজৰ আলোচনা আদি কৰিবলৈ একান্ত আৱশ্যক বোধ কৰিলে। এয়েই এই ৫০ বছৰীয়া জুবিলীৰ কাৰণ।

জুবিলী সভা ১৭৮৬ খৃষ্টাব্দৰ ডিছেম্বৰ মাহৰ ১৮ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে নগাৱঁত বহে।

### সভাত উপস্থিত থকা মিশ্যনেৰিসকল

১। গুৱাহাটী—ৰেভ, চি, ই, ক্ৰুডেট আৰু তেওঁৰ পৰিবাৰ।



২। নগাৱঁ—ৰেভ, ই, ডব্লিউ ক্লাৰ্ক আৰু তেওঁৰ পৰিবাৰ।

৩। শিৱসাগৰ- ৰেভ, এ, কে, গৰ্ণী আৰু তেওঁৰ পৰিবাৰ।

৪। টুৰা—ৰেভ, এম, ছি মেছন, ৰেভ ই, জি, ফিলিপছ আৰু তেওঁৰ পৰিবাৰ। কুমাৰী ই'লা, চি, ব'ন্দ, ৰেভ, টেলা, এইছ, মেছন।

৫। নগাওঁ—ৰেভ, পি, এইছ, ম'ৰ আৰু তেওঁৰ পৰিবাৰ, ৰেভ, অৱিয়েল কিলাৰ, ৰেভ, নিতি পুৰছেল।

৬। [illegible]—ৰেভ, ডব্লিউ, ই, উইটাৰ আৰু তেওঁৰ পৰিবাৰ।

**অন্যান্য চছাইটিৰ পাদুৰীসকল :**—ৱেলচ [illegible] মেথদিষ্ট মিশ্যন ছিলং, ৰেভ, টি, জাৰ্ম্মান [illegible]।

[illegible] ইণ্ডিয়ান ইভাঞ্জিলিজেছন চছাইটি বেঙলোৰ [illegible], ইছাক, এফ, ৰ'।

### জুবিলী সভাৰ সংক্ষিপ্ত বিৱৰণ

**শনিবাৰ ১৮ ডিছেম্বৰ :**—গধূলি সভা বহে। ৰেভ, [illegible], ছি মেছনক চেয়াৰমেন নিযুক্ত কৰা হয়। ৰেভ, ই, [illegible], ফিলিপছক সোমবাৰলৈকে সম্পাদক নিযুক্ত কৰা [illegible]।

**দেওবাৰ, ১৯ ডিছেম্বৰ :**—দিনৰ ৯ বজাৰ পৰা [illegible]ভাৰ কাম আৰম্ভ হয়। আৰম্ভণি উপাসনা সমাপ্ত কৰে [illegible], ই, জি, ফিলিপচে। তাৰ পিছত ৰেভ, ইছাক এফ, [illegible]ই এটি ধৰ্ম্মোপদেশ দিয়ে। আকৌ আবেলি ৩ বজাত [illegible] বহে। এই বাৰ আৰম্ভণি উপাসনা শেষ কৰে ৰেভ, [illegible]নি, জে, গ'ল্ডস্মিথে। উপাসনা অসমীয়া ভাষাত [illegible]ছিল। তাৰ পিছত ৰেভ এ, কে, গৰ্ণীয়ে মেঠুৰপৰা [illegible] আৰু ২০ শ্লোক অসমীয়া ভাষালৈ ভাঙি ভালেমান [illegible] দিয়ে। ইমানতে সভাৰ অন্ত পৰিল। গধূলি ৭॥ [illegible] আকৌ সভা বহে। এইবাৰ আৰম্ভণি [illegible] কৰে ৰেভ, এছ, ডব্লিউ, ৰিভেণবাৰ্গে। তাৰ পিছত ৰেভ, টি, জাৰ্ম্মান জন্‌চে ক'ৰৰ ১৩—১৬ শ্লোক লৈকে ব্যাখ্যা কৰে।

ম'ৰ, উইটাৰ আৰু ফিলিপছৰ পৰিবাৰক সোমবাৰৰ সভাৰ আগগুৰি ধৰিবলৈ এটা কমিটী হিছাপে গঠন কৰা হয়। ৰিভেনবাৰ্গ, উইটাৰ আৰু কুমাৰী পুৰচেলক কেউদিনৰ সভাত গান-বাজনা চলোৱাৰ ভাৰ দিয়া হয়। তাৰ পিছত ৰেভ, পি, এইছ ম'ৰৰ প্ৰাৰ্থনা গীত লগাই দিয়ে। ইয়াৰ লগে লগে সভা ভঙ্গ হয়।

### সোমবাৰ ২০ ডিছেম্বৰ

৮॥ বজাৰপৰা ৯ বজালৈকে আৰম্ভণি উপাসনা। ৰেভ, ই, জি, ফিলিপছৰ নেতৃত্বত। তাৰ পিছত গধূলিলৈকে সভাৰ কাম চলে।

### মঙ্গলবাৰ ২১ ডিছেম্বৰ

পুৱা ৮॥ বজাৰপৰা ৯ বজালৈকে আৰম্ভণি উপাসনা ৰেভ, আই, এফৰ'ৰ নেতৃত্বত। তাৰ পিছত গধূলিলৈকে সভাৰ কাম চলে।

### বুধবাৰ ২২ ডিছেম্বৰ

পুৱা ৮॥ বজাৰপৰা ৯ বজালৈকে আৰম্ভণি উপাসনা। ৰেভ, এছ, ডব্লিউ ৰিভেনবাৰ্গৰ নেতৃত্বত। তাৰ পিছত সভাৰ কাম আৰম্ভ হয়। আবেলি ২ বজাত ৰেভ, ই, জি, ফিলিপছে অসমত অন্যান্য চছাইটিয়ে কৰা কামৰ বিষয়ে এখনি লিখিত বিৱৰণ পাঠ কৰে। ইয়াৰ পিছত আকৌ সভাৰ কাম আৰম্ভ হৈ গধূলি সভা ভাগে।

### বৃহস্পতিবাৰ ২৩ ডিছেম্বৰ

আন দিনৰ দৰেই আৰম্ভণি উপাসনা হয় ৰেভ, টি জাৰ্ম্মান জনচৰ নেতৃত্বত। তাৰ পিছত সভা ঘূৰি সপ্তাহৰ সোমবাৰৰপৰা বুধবাৰলৈকে চলি থাকিব বুলি প্ৰস্তাৱ গৃহীত হয়।

### শুকুৰবাৰ ২৪ ডিছেম্বৰ

পুৱা ৯ বজাৰপৰা ৯॥ বজালৈকে আৰম্ভণি উপাসনা। ৰেভ, ছি, ই, ক্ৰুডিটৰ নেতৃত্বত। তাৰপৰা গধূলিলৈকে সভাৰ কাম চলে। সভাত নানা ৰকমৰ আলোচনা হয়।

### শনিবাৰ ২৫ ডিছেম্বৰ

পুৱা ১০ বজাত ৰেভ, ইছাক, এফৰ'ৰ নেতৃত্বত

খৃষ্টমাছ ছার্ভিচ সমাপ্ত হয়। তেওঁ লিউকৰ ১৪ অধ্যায় ৰাখ্যা কৰাৰ পিছত সভা ভঙ্গ হয়।

### দেওবাৰ ২৬ ডিচেম্বৰ

পুৱা ১০ বজাত আৰম্ভণি উপাসনা শেষ হয় ৰেভ, এছ, ডব্লিউ বিভেনবাৰ্গৰ নেতৃত্বত। তাৰ পিছত গধূলিলৈকে সভাৰ কাম চলে।

### সোমবাৰ ২৭ ডিচেম্বৰ

পুৱাৰ আৰম্ভণি উপাসনা সমাপ্ত হয় ৰেভ, এম, ছি, মেছনৰ নেতৃত্বত। তাৰ পিছত সভাৰ কাম আৰম্ভ হয়। গধূলি মিশ্বন চছাইটিৰ ছেক্ৰেটেৰিসকলৰ আৰু অসমলৈ আগেয়ে অহা মিশ্বনেৰিসকলৰ চিঠি সভাত পঠিত হোৱাৰ পিছত সভা ভঙ্গ হয়।

### মঙ্গলবাৰ ২৮ ডিচেম্বৰ

পুৱা ৯ বজাৰ পৰা ৯॥ বজালৈকে ডব্লিউ, ই, উইটাৰৰ উদ্যোগত আৰম্ভণি উপাসনা চলে। তাৰ পিছত সভাৰ কাম আৰম্ভ হয়। গধূলি সভা ভঙ্গ হয়।

### বুধবাৰ, ২৯ ডিচেম্বৰ

পুৱা, আৰম্ভণি উপাসনা, ৰেভ, এছ, ডব্লিউ, বিভেনবাৰ্গৰ নেতৃত্বত হৈ যায়। তাৰ পিছত সভাৰ কাম আৰম্ভ হয়। গধূলি আমেৰিকান বেপ্টিষ্ট মিশ্বনৰ এই জুবিলী সভাৰ অন্ত পৰে। ৩ বছৰৰ পিছত আকৌ এই সভা বহিব বুলি সভা ভঙ্গ হয়।

### সভাত গৃহীত হোৱা প্ৰস্তাৱ সমূহৰ চমু টোকা

সভাত সৰ্ব্বমুঠ ১০টা প্ৰস্তাৱ গৃহীত হয়:—

১। এংলো-ইণ্ডিয়ান ইভানজিলিজেছন চছাইটিয়ে য়ুৰোপীয় আৰু অসমৰ ইংৰাজী ভাষা কোৱা মানুহসকলৰ প্ৰতি কাম কৰাৰ কাৰণে তেওঁলোকক আন্তৰিক শলাগ জনোৱা হওক আৰু তেওঁলোকে কৰা কামৰ সম্পূৰ্ণ খবৰ-বাতৰি আমাক জনাবলৈ কোৱা হওক।

২। খাছিয়াসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলোৱা ৱেলছ্ কেলভিনিষ্টিক মেথদিষ্ট মিশ্বনৰ ৰেভ, টি, জাৰ্ম্মান জন্‌ছে এই সভাত যোগদান দিয়াৰ কাৰণে তেখেতক ধন্যবাদ দিয়া হৈছে।

৩। ৰেভ, ছি, ডি, কিং আমেৰিকালৈ যোৱাত কহিমা মিশ্বন ষ্টেশ্বন খালিহৈ পৰি আছে। গতিকে এই সভাই ৰেভ, এছ, ডব্লিউ বিভেনবাৰ্গক জনাইছে যাতে তেওঁ অনতিপলমে কহিমা ষ্টেশ্বনলৈ গৈ ৰেভ, কিঙৰ খালি পদ পূৰণ কৰি আঙামি নগাভাইসকলৰ পাৰ্শ্বত হয়গৈ।

৪। নিউটন, হেমিলটন; ৰছেছটাৰ আদি ঠাইত থকা বেপ্টিষ্ট থিয়লজিকেল ছেমিনেৰিৰ ডেকাসকলৰ প্ৰতি শলাগ জনাই আৰু মঙ্গল কামনা কৰি এই জুবিলী সভাই গোহাৰি পঠোৱা হওক আৰু এই গোহাৰি লিখাৰ ভাৰ দিয়া হওক বাৰ্ডিট, উইটাৰ, বিভেনবাৰ্গ, ম'ৰ আৰু ক্লাৰ্কক।

৫। মধ্য আফ্ৰিকাৰ কংগ উপত্যকাত আমেৰিকান বেপ্টিষ্ট মিশ্বনেৰিৰ প্ৰচাৰ কাৰ্য্য শুনি আমি বৰ আনন্দ প্ৰকাশ কৰিছো আৰু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰো যেন সেই পিছপৰা ঠাইৰ অধিবাসীসকলৰ উন্নতি হয়।

৬। আমাক যিশু খৃষ্টৰ মহাবাণী প্ৰচাৰ কৰিবলৈ এদল উপযুক্ত প্ৰচাৰক লাগে। এনেকুৱা এটা দল সৃষ্টি কৰিবলৈ কিছুমান উপায় উদ্ভাৱন কৰিব লাগিব।

৭। ৰেভ, কিং আৰু তেওঁৰ পৰিয়ালৰ শৰীৰ অসুস্থ হোৱাৰ গতিকে তেওঁলোক আমেৰিকালৈ যাব লগা হ'ল। তেওঁলোকে আঙামি নগাৰ মাজত যি প্ৰচাৰ কাৰ্য্য চলালে তাৰ কাৰণে ধন্যবাদ জনোৱা হওক আৰু ঈশ্বৰে যাতে তেওঁলোকৰ ভবিষ্যত জীৱন মঙ্গলময় কৰে তাৰ কাৰণে প্ৰাৰ্থনা কৰা হওক।

৮। এই সভাই আমেৰিকাৰ খ্ৰীষ্টিয়ানসকলক অনুৰোধ কৰে যেন তেওঁলোকে ঈশ্বৰৰ চৰণত এই বুলি প্ৰাৰ্থনা কৰক যাতে ভাৰতৰ সকলো নৰ-নাৰীয়ে পৃথিৱীৰ ত্ৰাণকৰ্ত্তা যিশুৰ প্ৰতি অনুৰক্ত হয়।

৯। এই সভাই পি, এইছ, ম'ৰ, কিলাৰৰ পৰিয়াল আৰু পুৰচেলক এই সভাৰ আগগুৰি ধৰি সহায় কৰাৰ কাৰণে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

১০। অসমত কাম কৰিযোৱা ভূত-পূৰ্ব্ব মিশ্বনেৰি সকলে চিঠি-পত্ৰ দি সম্বৰ্দ্ধনা জনোৱা গতিকে তেওঁলোক সকলৰ শলাগ লোৱা হৈছে।



[…]কেৰালে। চাকৰৰ হতুৱাই টকা ধাৰ কৰি আনি আকৌ […]কেৰালে। মুঠতে ৮৪০০০ হেজাৰ ফ্ৰাঙ্ক মুদ্ৰা তেওঁ […]কেৰালে। তেতিয়া ভলটেয়াৰে ইংৰাজীৰে মাৰ্কুয়িছক […]কলে—"তুমি এটা কথা পাহৰি গৈছা। তুমি যাৰ লগত […]খেলিছা তেওঁলোক হৈছে জুৱাচোৰৰ জাত।" ওচৰত […]থকা অনুচৰ এজনে এই কথা ৰাণীক বুজাই কলে। […]ৰাণীয়ে বজাৰ কাণত জনালেগৈ। গতিকে বজাৰ হাতৰ […]পৰা ৰক্ষাৰ কাৰণে সেই ৰাতিয়েই দুয়োজনেই পলায়ন […]কৰিলে।

এজন ডাছেছ্ ৰ ঘৰত তেওঁলোকে আশ্ৰয় পালে। […]কিন্তু ভলটেয়াৰক আশ্ৰয় দি ডাছেছ জন মহা চিন্তাত […]পৰিল। তেওঁ ভলটেয়াৰক এটা বন্ধ খোটালীত গোটেই […]দিনটো বন্ধ কৰি থৈ নিশা ২টা বজাত নিজে গৈ আহাৰ […]দি আহে। আৰু এই সময় খিনি নিৰ্জ্জনে থাকি […]ভলটেয়াৰে যি লিখে সেইবোৰ তেতিয়া তেওঁক পঢ়ি […]শুনায়। এইদৰেই ফৰাচী সাহিত্যত ভলটেয়াৰে পাঁচ খন […]আছিল দান কৰি যায়।

ইয়াৰ পাছত ভলটেয়াৰে পেৰিছ এৰি গুচি গল। […]জেনিভাৰ ওচৰত কোনো এটা অট্টালিকাত ভলটেয়াৰে […]কুৰি বছৰকাল সেই ঠাইৰ কৃষকসকলৰ লগত কাম কৰি, […]সিহঁতৰ দুখ দৈন্যৰ কথা শুনি বৰ বেজাৰ পালে। আনকি […]দুখীয়া খেতিয়কবিলাকৰ প্ৰতি সহানুভূতি দেখুৱাবৰ […]কাৰণে তেওঁ নিজ হাতে হাল বাই খেতি কৰিছিল। আৰু […]নিজৰ উপাৰ্জ্জিত সকলো ধন সিহঁতৰ উন্নতিৰ কাৰণে […]খৰচ কৰিছিল। নিবনুৱাবিলাকৰ কাম যোগাবৰ কাৰণে […]ঘড়ী তৈয়াৰ কৰিবৰ কাৰণে এটা কাৰখানা খুলি দিছিল। […]২০ বছৰ ধৰি বৃদ্ধ ভলটেয়াৰে ইয়াত বাস কৰিছিল। […]মানুহৰ ওপৰত মানুহে কৰা অত্যাচাৰৰ বিৰুদ্ধে ভলটেয়াৰে […]৩০ বছৰ বয়সৰপৰা সম্পূৰ্ণ তিনিকুৰি বছৰ ধৰি সমানে […]অবিশ্ৰান্ত যুদ্ধ চলাই আহিছিল। কোনো ৰাজশক্তিৰ […]ভ্ৰুকুটিয়ে তেওঁৰ অন্তৰত লেশমাত্ৰ ভয়ৰ সঞ্চাৰ […]কৰিবপৰা নাছিল।

[…] বহুত দিনৰ পাছত বৃদ্ধ বয়সত যেতিয়া ভলটেয়াৰ […]জন্মভূমি পেৰিছলৈ ঘূৰি আহে, তেতিয়া শ শ লোকে তেওঁক দেখা কৰিবলৈ আহিছিল। কিন্তু প্ৰথমতে তেওঁ দেখা কৰিবলৈ গৈছিল তেওঁৰ প্ৰণয়িনী মাৰ্কুয়িছক। মাৰ্কুয়িছক দেখি তেওঁ হতাশ হৈ উভটি গুচি আহিল। কাৰণ বাৰ্দ্ধক্যৰ হেঁচাত সৌন্দৰ্য্যৰ লেশমাত্ৰও তেওঁ দেখা নাপালে। সেইদৰে মাৰ্কুয়িছেও বৃদ্ধ ভলটেয়াৰৰ স্থবিৰ অৱস্থা দেখি আতঙ্কত পিছুৱাই গল।

ভলটেয়াৰ আছিল নাস্তিক কবি। কেতিয়াও তেওঁ ধৰ্ম্ম বিশ্বাস কৰা নাছিল। যেতিয়া তেওঁৰ বৃদ্ধাৱস্থাত বেমাৰ হৈ প্ৰলাপ বকিবলৈ ধৰিলে তেতিয়া তেওঁৰ ওচৰলৈ এজন ধৰ্ম্মযাজক আহিল। তেওঁৰ ওচৰত এয়ে সৰ্ব্বপ্ৰথম ধৰ্ম্মযাজক। প্ৰলাপত হঠাৎ এবাৰ কগ্ন ভলটেয়াৰে কৈ উঠিল—"কোনোবা দিনা যদি গিৰ্জ্জাঘৰৰ অপমান কৰিছিলো, তেন্তে ভগবানে যেন মোক ক্ষমা কৰে।" কিন্তু এই কথা শুনি যেতিয়াই ধৰ্ম্মযাজকে পবিত্ৰ পানী তেওঁৰ মুখত দিব খুজিলে তেতিয়াই বৃদ্ধ ভলটেয়াৰ গৰ্জ্জি উঠিল—"Remember, I am still spitting blood; you must be careful not to mix God's blood with my own!" তাৰ পাছত খঙেৰে ভলটেয়াৰে ধৰ্ম্মযাজকক তাৰপৰা ওলাই যাবলৈ কলে। ভলটেয়াৰ লাহে লাহে ভাল হৈ উঠিল। ফ্ৰান্স একাডেমিত তেওঁক সমগ্ৰ ফৰাচীৰ শিক্ষিত সমাজে প্ৰকাশ্যভাৱে অভিনন্দন জনালে। অভিনন্দনৰ আড়ম্বৰ দেখি চিৰ অবিশ্বাসী ভলটেয়াৰৰ চকুতো চকুলো দেখা দিলে। কিন্তু মুহূৰ্ত্তৰ পাছতে তেওঁৰ চকুলো শুকাই গল। তেওঁ অবিশ্বাসৰ কাঠ হাঁহি মাৰি কৈ উঠিল—"ইহঁতৰ একো বিশ্বাস নাই। কছা'কো ইহঁতে এইদৰে এদিন অভিনন্দন জনাইছিল। কিন্তু তাৰ পিছ দিনাই ফ্ৰান্সে কছা'ক নিৰ্ব্বাসিত কৰে।" ইয়াৰ দুসপ্তাহৰ পাছতে বিদ্ৰোহী কবি ভলটেয়াৰে মহানিদ্ৰা কৰিলে। বোধকৰো একাডেমিৰ শেষ অভিনন্দনৰ কাৰণেই তেওঁ বেমাৰৰপৰা ভাল হৈ উঠিছিল।

ধৰ্ম্মযাজকসকলে ঘোষণা কৰিলে যে গিৰ্জ্জাৰ ওচৰত ভলটেয়াৰৰ কবৰ দিব নোৱাৰিব। গিৰ্জ্জাৰ পৰা হুকুম শুনোৱা হল যে ফ্ৰান্সৰ ক'তো যেন এই নাস্তিকৰ মৃত্যুত শোক প্ৰকাশ কৰা নহয়। কোনো সভা সমিতি আনকি

কোনো বাতৰি কাগজতো তেওঁৰ মৃত্যু সংবাদ প্ৰকাশ পৰ্য্যন্ত বন্ধ কৰা হল। ধৰ্ম্মদ্ৰোহীৰ উপযুক্ত শাস্তি বিহা হল। তেওঁৰ ডাঙৰ মূৰটো পৰীক্ষাৰ কাৰণে ডাক্তৰসকলে কাটি ৰখালে। কলিজাটো বন্ধুসকলে কাটি নি সযত্নে ৰাখি থলে। মৃতদেহৰ বাকী থকা অংশ মনে মনে তেওঁৰ গাৱঁত কবৰ দিয়া হল। ভলটেয়াৰৰ মৃত্যুৰ চাৰি দিনৰ পিছতে ৰুছো'ৰো মৃত্যু হয়।

ইয়াৰ ঠিক বাৰ বছৰৰ পিছতে ফৰাচীৰ ৰাজসিংহাসন কঁপি উঠিল। ফৰাচী বিপ্লৱৰ বিজয় হুঙ্কাৰে ৰাজশক্তি চূৰ্ণ বিচূৰ্ণ কৰি পেলালে। এই হোমাগ্নিৰ প্ৰথম হোতা ভলটেয়াৰৰ দেহাৰ অৱশিষ্ট গাৱঁৰ কবৰ থানাৰপৰা খানি আনি মহাসমাৰোহেৰে চহৰৰ মধ্যস্থলত ৰুছো' আৰু ভলটেয়াৰৰ সমাধি তৈয়াৰ কৰা হল। ভলটেয়াৰৰ কবৰৰ গাত লিখা হল "তুমিয়েই আমাৰ নৱশক্তি মুকলি কৰিছা, কবি, দাৰ্শনিক আৰু ঐতিহাসিক হিচাবে। আমাৰ স্বাধীনতা প্ৰয়াসত তুমিয়েই সঞ্জীৱনী ঢালিছিলা বিপ্লৱ বাণীৰে।"

কিন্তু ইমানতো নিস্তাৰ নাই। ইয়াৰ ঠিক ২৪ বছৰৰ পিছত ১৮১৪ চনত আকৌ যেতিয়া ৰাজবংশ ঘূৰি আহিল অষ্টাদশ লুই ৰজা হল তেতিয়া ভলটেয়াৰ আৰু ৰুছো'ৰ কবৰ খানি উলিওৱা হল। ঠিক এনেকৈয়ে এদিন ইংলণ্ডতো ষ্টুৱাৰ্ট ৰাজবংশ ঘূৰি আহি প্ৰথমেই কবৰৰপৰা ক্ৰমৱেলৰ মৃতদেহ উলিয়াই আনি লাঞ্ছিত কৰা হৈছিল।


মে' মাহৰ এদিন গভীৰ ৰাতি কিছুমান ৰাজ কৰ্ম্মচাৰীয়ে কবৰৰপৰা ৰুছো' আৰু ভলটেয়াৰৰ কঙ্কাল মূৰ্ত্তি তুলি আনি, সেইবোৰ ভাঙি টুকুৰা টুকুৰকৈ ... থৈলাত ভৰাই এটুকুৰা নিৰ্জ্জন ঠাইত এটা গাঁত খানি একে লগে হাৰবোৰ পুতি থলে। ইয়াতকৈ আৰু বিবে... হীন প্ৰতিশোধ থাকিব পাৰেনে? যি ভলটেয়াৰক এদিন জাৰ্ম্মান সম্ৰাট ফ্ৰেডেৰিক দি গ্ৰেটে গুৰু বুলি সভক্তিৰে মূৰ দোৱাইছিল, সেই মহাপুৰুষ ভলটেয়াৰৰ কি শোচনীয় পৰিণাম।

ভলটেয়াৰৰ জীৱনীৰপৰা ইয়াকে বুজা যায় যে যেতিয়া লৈকে ৰাজশক্তিৰ সীমাৰ ভিতৰত থাকি প্ৰতিভাৰ বিকাশ পায় তেতিয়ালৈকে সাহিত্য স্ৰষ্টাই পায় সন্মান, আদৰ আৰু কুটুম্বিতা। কিন্তু গণ্ডীৰ বাহিৰ হলেই ৰাজ-শক্তিৰপৰা অত্যাচাৰ আৰু লাঞ্ছনাৰ বাহিৰে আন আশা কৰাতো মিছা। নিৰ্ভিক স্ৰষ্টাই এই অত্যাচাৰ অবিচাৰ আৰু ভ্ৰূকুটিলৈ লক্ষ্য নকৰি আগবাঢ়ে মুক্তি পথত, নতুন সৃষ্টিৰ উন্মাদনাত। বিশ্ব সাহিত্যৰ বুৰঞ্জীত এনে মহাপুৰুষৰ নাম বিৰল নহয়। ইংলণ্ডত ক্ৰমৱেল, ফ্ৰান্সত ৰুছো', ভলটেয়াৰ, ৰুছিয়াত গোগল, ম্যাক্সিম গৰ্কী আদিৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য। এওঁলোকৰ প্ৰতিভাৰ আগত ৰাজশক্তিৰ বাধা, পুলিছৰ দৌৰাত্ম্য, অভিজাত্যসকলৰ বিষম ভ্ৰূকুটি সদায় লাগিয়েই আছে। ফৰাচী সাহিত্যিক ভলটেয়াৰে যি আদৰ্শৰ সপোন দেখিছিল আৰু যাৰ কাৰণে তেওঁ আজীৱন বিৰুদ্ধ শক্তিৰ লগত যুঁজি আহিছিল—সেই আদৰ্শই শেহত তেওঁৰ মৃত্যুৰ পিছত হলেও মূৰ্ত্তিমান হৈ উঠিল আৰু এয়েই ভলটেয়াৰৰ লাভ।

# জাতীয় যুদ্ধৰ সেনাপতি কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

—শ্ৰীযুত হৰেন্দ্ৰনাথ কলিতা

জাতীয় যুদ্ধত ভাৰত মাতৃৰ যি সকল সুসন্তানে নিজৰ ...ক্তিগত সকলো স্বাৰ্থ বলি দি দেশ আৰু দহৰ হকে ...আত্মনিয়োগ কৰিছিল কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ সেই



এই বিছনাৰ ওপৰতে ৩৫ দিনকৈ শয্যাগত হৈ থাকি কৰ্ম্মবীৰ বৰদলৈ ছাত্ৰীয়াই শেষ নিশ্বাস পেলায়। ফটো—এম্. বেজবৰুৱা

...সকলৰ অন্যতম আছিল। সেই কাৰণেহে চেনেহী অসম ...মাইৰ উজ্জলৰত্ন বৰদলৈদেৱৰ মৃত্যুত আজি গোটেই দেশ ...জুৰি শোকাশ্ৰু পৰিছে।

শ্ৰীযুত বেণুধৰ শৰ্ম্মাই ক'বৰ দৰে ৺বৰদলৈ আছিল ...অসমৰ এজন ইন্দ্ৰজিতৰ নিচিনা তৰ্কযোদ্ধা, ...বিশ্বামিত্ৰৰ নিচিনা খঙাল অথচ বশিষ্ঠৰ নিচিনা ক্ষমাশীল। ...মাতৃভূমিৰ গৌৰৱত সুমেৰুৰ সমান উচ্চশিৰ দেখুৱা ...অপ্ৰতিদ্বন্দী নায়ক আছিল তেখেত। সেইগুণে তেখেতৰ ...মৃত্যুত শোকাশ্ৰু পেলাই লেজিছ্লেটিভ্ এছেম্ব্লীৰ মেম্বাৰ ...মিঃ ভুলাভাই দেছায়ে কোৱাৰ দৰে সঁচাকৈ তেখেত ...আছিল আমাৰ এজন মুকুট-বিহীন ৰজা।

অসমৰ সকলো ফালে বৈ-বৈ যোৱা পৰিয়াল এটিত ...১৭ শকৰ কাতি মাহৰ ১৩ তাৰিখে এই হেন মহাপুৰুষৰ ...জন্ম হয়। তেখেত স্বৰ্গীয় ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈদেৱৰ দ্বিতীয় পুত্ৰ। তেখেতে অসম গৱৰ্ণমেণ্টৰ একস্ট্ৰা এছিষ্টেণ্ট কমিশ্যনাৰৰ কাম কৰিছিল। অসমীয়াৰ ভিতৰত তেখেত আছিল এজন গণ্য মান্য আৰু উদাৰ মনৰ মানুহ।

কৰ্ম্মবীৰ বৰদলৈ পোনতে ১৮৯২ চনত তেজপুৰ হাইস্কুলৰ পৰা এন্‌ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত উচ্চ শিক্ষা লবলৈ কলিকতালৈ আহে আৰু মিশ্যনেৰি কলেজ ছেণ্ট জেভিয়াৰ্ছত ভৰ্ত্তি হয়। ১৮৯৪ চনত সেই কলেজৰ পৰা এফ্-এ পাছ কৰি প্ৰেছিডেন্সি কলেজলৈ বি-এ পঢ়িবলৈ আহে। দুবছৰৰ পিছত প্ৰেছিডেন্সি কলেজৰ পৰা বি-এ পাছ কৰি এম্-এ আৰু ল পঢ়িবৰ কাৰণে ৰিপন কলেজত নাম লিখে। সকৰে পৰা ল পঢ়িবলৈ তেখেতৰ বৰ ধাউতি আছিল। সেই বাবেহে বি-এ পাছ কৰাৰ পিছতো চাকৰিলৈ চেষ্টা নকৰি স্বাধীনচেতা বৰদলৈয়ে আইন পঢ়িবলৈ ল'লে। ১৮৯৯



শান্তিভৱনৰ সন্মুখত কৰ্ম্মবীৰৰ মৃতদেহ শ্মশানলৈ নিবলৈ আয়োজন কৰিছে। ফটো—এম্, বেজবৰুৱা

চনত ৰিপন কলেজৰপৰা সুখ্যাতিৰে তেখেতে বি-এল্ পৰীক্ষা পাছ কৰিলে। তেখেতে গুৱাহাটীৰ নিজ ঘৰতে

থাকি পোনতে ওকালতি আৰম্ভ কৰে। ১৮৯৯ চনৰ পৰা ১৯০৮ চনলৈকে তেখেতে একেৰাহে গুৱাহাটীত ওকালতি কৰিছিল। তাৰ পিছত উচ্চ আকাঙ্ক্ষা আৰু হেঁপাহ মাৰ নিয়াবলৈ ১৯০৮চনত তেখেতে কলিকতা হাই-



ভৰলু মুখত ভুবনেশ্বৰীৰ উচ্চ চূড়াক পাছ পেলাই যোৱা বৃহৎ সমদলৰ দৃশ্য। ফটো—এম্, বেজবৰুৱা।

কৰ্টত ওকালতি কৰিবলৈ ললেহি। তাত তেখেতে অতি সুখ্যাতিৰে কাম কৰিছিল আৰু যথেষ্ট অৰ্থও উপাৰ্জ্জন কৰিছিল। সেই সময়তে তেখেত কিছুদিনৰ কাৰণে ৰিপন কলেজৰ আইনৰ অধ্যাপক আছিল। ১৯১৮ চনত তেখেতৰ মাতৃ বিয়োগ হয়। মাতৃ-ভক্ত বৰদলৈদেৱে আকৌ গুৱাহাটীলৈ গৈ ওকালতি আৰম্ভ কৰিলে। পিছৰ বাৰ তেখেতে মাত্ৰ ছবছৰ কালহে ভাল ভাৱে ওকালতি কৰিছিল।

সৰুৰে পৰা বৰদলৈ বৰ তীক্ষ্ণ বুদ্ধিৰ আছিল। তেখেতৰ নিচিনা নিৰ্ভীক হৃদয়ৰ মানুহ অতি বিৰল। ওকালতি পাছ কৰাৰ লগে লগে তেখেতে ৰাজনীতিত যোগ দিছিল। স্বদেশী আন্দোলন আৰু অসমৰ সমস্যা বিলাকৰ বিষয়ে নানা ভাৱে আন্দোলন চলাইছিল।

অসমী আইৰ সু সন্তান ৺মানিকচন্দ্ৰ বৰুৱা আৰু ৺ঘনশ্যাম বৰুৱা আদিৰ দিনতে অসম এছছিয়েশ্যন্ প্ৰতিস্থিত হৈছিল। কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱ তাৰ অন্যতম সভ্য আছিল। ৺মানিক বৰুৱাৰ মৃত্যুৰ পিছত বৰদলৈ এই অনুষ্ঠানটিৰ প্ৰাণ স্বৰূপ হৈ পৰিছিল। এবাৰ তেখেত ইয়াৰ সভাপতি হৈছিল আৰু অসহযোগ আন্দোলনত যোগ নিদিয়ালৈকে অসম এছছিয়েশ্যন্‌ৰ সম্পাদক আছিল। তেখেত সম্পাদক থকা কালত মণ্টেগু-চেমছফৰ্ড শাসন সংস্কাৰৰ বিষয়ে ... কৰিবলৈ কলিকতালৈ আহিছিল। অসমৰ কৰ্ত্তব্য ... ক'বলৈ যি ডেপুটেশ্যন আহিছিল তাৰ অন্যতম ... আছিল স্বৰ্গীয় বৰদলৈ। অসম সকলো বিষয়তে পিছ... পৰা আৰু অনুন্নত বুলি মণ্টেগু-চেমছফৰ্ড শাসন সংস্কাৰৰ পৰা অসমক বঞ্চিৎ কৰিব খুজিছিল। এই শাসন সংস্কাৰ কথালৈ দেশত ঘোৰ আন্দোলনৰ সূত্ৰপাত হৈছিল। ইয়াৰ মূ ত আছিল আন এজন চেনেহী অসম আই... বৰ ৺চন্দ্ৰনাথ শৰ্ম্মা। এই তৰুণ অসমক সঞ্জীৱিত কৰি তোলোতা আজন্ম কৰ্ম্মবীৰ ৺চন্দ্ৰনাথৰ চেষ্টাতে কৰ্ম্মবীৰ বৰদলৈয়ে বিলাতলৈ গৈ অসমক মণ্টেগু-চেমছফৰ্ড শাসন সংস্কাৰৰ পৰা বঞ্চিত কৰি থোৱাৰ প্ৰতিবাদ কৰে। তেখেতৰ লগত গৈছিল শ্ৰদ্ধেয় শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা। তেওঁলোক গৈ ৰিফৰ্ম্মছ কমিটীৰ আগত সাক্ষ্য দিয়ে। কৰ্ম্মবীৰৰ অক্লান্ত পৰিশ্ৰম আৰু আন্দোলনৰ ফলত অসম সেই শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত হ'ল। আজি আমি যে গৱৰ্ণৰ আৰু তেওঁৰ কাউন্সিল পাইছোঁ—তাৰ গুৰিতে আমাৰ কৰ্ম্মবীৰ বৰদলৈ। ১৯১৯ চনত কংগ্ৰেছৰ



সমদল গৈ মৃতদেহৰ সৈতে ফাঁচিবোৰ ঘাটৰ বালিলৈ নামিছে। ফটো—এম্, বেজবৰুৱা।

অধিবেশন অমৃতচৰত বহে। তাৰ সভাপতি আছিল ৺পণ্ডিত মতিলাল নেহেৰু। কৰ্ম্মবীৰ বৰদলৈ ৺চন্দ্ৰনাথ শৰ্ম্মা আদি কেবাগৰাকীও অসমীয়াই কংগ্ৰেছৰ এই অধিবেশনত যোগ দিছিল। তাতে পণ্ডিত মতিলালৰ ... বক্তৃতা শুনি বৰদলৈ আদি অসমৰ প্ৰতিনিধিসকলৰ মত ... পৰিৱৰ্ত্তনি হৈ যায়। তাৰপৰা আহি তেওঁলোকে অসহযোগ আন্দোলন অসমৰ সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ কৰে। ... অসমত এই অসহযোগ আন্দোলনৰ গুটি সিচোঁতা ৺চন্দ্ৰনাথ শৰ্ম্মা আৰু কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। কংগ্ৰেছৰ ... নিয়ম অনুসৰি বৰদলৈদেৱে কাউন্সিল বৰ্জ্জন কৰিলে।

... পৰাধীন দেশত জাতিৰ দুৰ্ভাগ্যৰ সুযোগ লৈ যি ... সকলে দেশৰ আৰু স্বজাতিৰ বিৰুদ্ধতা কৰি বিনা অনুতাপে ... মৰ্য্যাদা আৰু পদ মৰ্য্যাদা ভোগ কৰে, পৰিপূৰ্ণ যৌৱনৰ



বালিৰ ওপৰেদি অসংখ্য জনতাৰ মাজেদি মৃতদেহ নৈৰ পাৰলৈ নিব ধৰিছে। ফটো—বি, কে, শৰ্ম্মা।


... আৰম্ভতে সেইবোৰৰ পথ বৰদলৈদেৱে ঘৃণাৰ সৈতে পৰিত্যাগ কৰিছিল। বিষয়ী সুবিধাবাদীসকলৰ দলৰ ... তেখেত কোনো দিনেই নাছিল। যি ঠাইত দুখ, যি ঠাইত পৰাধীনতাৰ বেদনা আৰু অপমান, জাতিৰ সেই ... সকলোবোৰৰ লগতে তেখেতে নিজৰ ভাগ্যকো বিলাই ... দিছিল।

১৯২২ চনত অসমত কানি প্ৰচলন সম্পৰ্কে তদন্ত কৰিবলৈ কংগ্ৰেছৰ পৰা এটা কমিটি নিযুক্ত কৰা হৈছিল। ... ডাঃ ছি, এফ এনড্ৰুজ আছিল ইয়াৰ সভাপতি। বৰদলৈ ... দেৱে এই কমিটিৰ সদস্যহৈ যথেষ্ট কাম কৰে আৰু ... সকলোৰে প্ৰশংসাৰ পাত্ৰ হয়।

১৯২৫ চনত স্বৰাজ্যদল গঠন হোৱাৰ পিছত তেখেতে ... অসম কাউন্সিলত সোমায় আৰু স্বৰাজ্যদলৰ দলপতি




হয়। কাউন্সিল বহাৰ সময়ত যি সকলে দৰ্শক হিচাবে চাইছিলেগৈ তেওঁলোকে নিশ্চয় তেখেতৰ বক্তৃতা শুনিছে। তেখেতৰ ওজস্বিনী বক্তৃতা শুনি কোনো মুগ্ধ নহৈ থাকিব নোৱাৰিছিল।



নিচান থকা নাও থনত মৃতদেহ পাৰ কৰিবৰ আয়োজন। ফেৰি জাহাজলৈ যোৱা বাঁহৰ দলঙৰ ওপৰত জনতা। ফটো—বি, কে, শৰ্ম্মা।

১৯২৬ চনত ৺ৰোহিণী হাতীবৰুৱা আদিৰ সৰসাহত দেশভক্ত ফুকন আৰু কৰ্ম্মবীৰ বৰদলৈ লগ লাগি কংগ্ৰেছক অসমলৈ মাতে। তেওঁলোকৰ যত্নতে কংগ্ৰেছৰ ৪১ শ অধিবেশন গুৱাহাটীত বহে। কৰ্ম্মবীৰ বৰদলৈ আছিল অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক। কংগ্ৰেছ সাফল্য কৰিবৰ কাৰণে তেখেতে যথেষ্ট পৰিশ্ৰম আৰু ক্ষতি স্বীকাৰ কৰিছিল।



তিনি বৰণৰ পতাকাৰ তলত মৃতদেহলৈ লুইতৰ মাজত। ফটো—এম্, বেজবৰুৱা

১৯২৯ চনত লাহোৰ কংগ্ৰেছত কাউন্সিল বৰ্জ্জনৰ প্ৰস্তাৱ গৃহীত হয়। তেতিয়া স্বৰাজ্য-নেতা বৰদলৈদেৱে

পদ ত্যাগ কৰে। ১৯৩০ চনত আকৌ আইন অমান্য আন্দোলন আৰম্ভ হ'লত তেখেতে তাত যোগ দিয়ে আৰু দ্বিতীয়বাৰ কাৰাবৰণ কৰে। কংগ্ৰেছ আন্দোলনত তেখেত ১৯২১ চনৰ পৰা তিনিবাৰ গ্ৰেপ্তাৰ হৈছিল আৰু দুবাৰ কাৰাদণ্ড ভোগ কৰিছিল।



ইপাৰৰ পৰা আতৰি গৈ নাও সিপাৰৰ কাষ চাপিছে।
ফটো—এম্, বেজবৰুৱা

১৯৩৪ চনৰ ভাৰতীয় ব্যৱস্থা পৰিষদৰ নিৰ্ব্বাচনত অসম উপত্যকাৰ পৰা তেখেত প্ৰতিনিধি নিৰ্ব্বাচিত হৈছিল। ব্যৱস্থা পৰিষদলৈ গৈ পোনপ্ৰথমে তেখেতে এছেমব্লীৰ বৈঠকত শ্ৰীযুত শৰৎ বসুক বিনা বিচাৰে কাৰাদণ্ড দি আটক কৰি ৰখাৰ প্ৰতিবাদ কৰে আৰু গৱৰ্ণমেণ্টৰ ওপৰত গৰিহনাৰ প্ৰস্তাৱ দাখিল ধৰে। তাত কৃতকাৰ্য্য হৈ সকলোৰে তেখেত শলাগৰ পাত্ৰ হয়। এনেকি ষ্টেট্ছমেন কাকতেও তেখেতৰ এই প্ৰস্তাৱৰ কাৰণে প্ৰশংসা কৰে। যি কেইদিন তেখেত ব্যৱস্থা পৰিষদত আছিল তাত সুবিধা পালেই আমাৰ অভাৱ অভিযোগৰ কথা মুক্তকণ্ঠে প্ৰকাশ কৰিছিল। যোৱা বছৰ মাৰ্চ্চ মাহত পৰিষদৰ বাজেট আলোচনা সম্পৰ্কে অসমৰ অভাৱ অভিযোগৰ কথা উল্লেখ কৰি কানি প্ৰচলনৰ বিষয়ে তেখেতে এটি বৰ যুক্তিপূৰ্ণ বক্তৃতা দিছিল।

কংগ্ৰেছৰ বাহিৰেও তেখেত বহুত সাৰ্ব্বজনীন প্ৰতিস্থানৰ লগত সংশ্লিষ্ট আছিল। ১৯৩৩ চনত তেখেতে যোৰহাটত অসমৰ সৰ্ব্বপ্ৰথম কৃষক আৰু ৰায়ত সম্মিলনৰ সভাপতিৰ আসন গ্ৰহণ কৰিছিল। ১৯২৫ চনৰ শিৱসাগৰত বহা অসমীয়া ছাত্ৰসম্মিলনৰ সভাপ[তি] আছিল কৰ্ম্মবীৰ বৰদলৈ। মৃত্যুৰ সময়ত তেখে[তে] কংগ্ৰেছ পাৰ্লেমেণ্টৰি বৰ্ডৰ কংগ্ৰেছীদলৰ কাৰ্য্যনিৰ্ব্বাহ[ক] সমিতিৰ সদস্য আছিল আৰু অসম সেৱাশ্ৰম আদি সভ[াৰ] সভাপতি আৰু গুৱাহাটী লোকেল বৰ্ডৰ চেয়াৰমে[ন] আছিল। ইয়াৰ বাহিৰেও প্ৰাদেশীক কংগ্ৰেছ কমি[টিৰ] চেক্ৰেটেৰি, সভাপতি আৰু নিখিল ভাৰত কংগ্ৰেছ কমি[টিৰ] সদস্যৰ পদ কেবা বাৰো তেখেতে অধিকাৰ কৰিছিল[।] এক কথাত ১৯১৯ চনৰপৰা মৃত্যুৰ আগমুহূৰ্ত্তলৈকে তেখে[ত] কংগ্ৰেছৰ একান্ত সেৱক আছিল।

বৰদলৈদেৱ কেৱল বাগ্মীয়েই নাছিল সঙ্গী[ত] আৰু সাহিত্য আদি ক্ষেত্ৰতো তেখেতৰ ভাল দখল আছিল। ১৯৩১ চনত ছিলেট জেইলত থাকো[ঁতে] তেখেতে কেবাখনো কাব্য আৰু উপন্যাস ৰচনা কৰিছিল[।] তেখেতৰ নাট কৃষ্ণলীলাৰ পৰা "অ' ছুৱৰী তইতৰ ব[...] কৃষ্ণ বলৰাম আমাৰো প্ৰাণৰে প্ৰাণ" কীৰ্ত্তন এটা ৰেক[ৰ্ড] শ্ৰীমান চাৰুচন্দ্ৰ বৰদলৈয়ে দিছে। তেখেতে "আৱাহন[" ] আদিতো মাজে সময়ে প্ৰবন্ধ আদি লিখিছিল।

বৰদলৈদেৱৰ জীৱন বিশ্লেষণ কৰি চালে আমি বহু[...] কথাই তাত দেখিবলৈ পাওঁ। তেখেতে যদিও ভাৰ[...]



অশ্বক্লান্তৰ অৱপদৰ তলত নাও বান্ধিছেগৈ। ফটো—এম্, বেজবৰুৱা

আৰু অসমৰ ডাঙৰ ডাঙৰ বিষয়বোৰত দৃষ্টি[...] আছিল তথাপি সদায় জনসাধাৰণৰ অভাৱ অভিযোগ[ৰ] লক্ষ্য ৰাখিছিল। সৰ্ব্বসাধাৰণতকৈ তেখেতৰ চিন্তা[...] ধাৰা যদিও বহুত ওপৰত আছিল তথাপি সামান্য ক[...]



বুলি কোনো জনহিতকৰ কামকে তেখেতে বাদ নিদিছিল। তেখেতে সদায় চেষ্টা কৰিছিল সৰ্ব্বসাধাৰণৰ উপকাৰৰ অৰ্থে।



[চিতাৰ আগত বৰদলৈ ডাঙৰীয়াৰ মৃতদেহ শেষবাৰলৈ ৰাইজক দেখুওৱা হৈছে। ফটো—এন্, বেজবৰুৱা।

কিন্তু সিদিনা হঠাতে যে তেখেতক আমি চিৰকাললৈ হেৰুৱালোঁ তাক ভাবিবই নোৱাৰি। সিদিনা কলিকতাৰ অসম ক্লাবত শ্ৰীমতী অমৃত কাউৰে কৰৰ দৰে যাক আমি বিচাৰোঁ ভগৱন্তও তাকে বিচাৰে। তেখেতক আমি আমাৰ মাজত বিচাৰিছিলোঁ বুলিয়েই ভগৱানৰো তেখেতৰ ওপৰত চকু পৰিল। গুৱাহাটী আৰু শ্বিলং আলিৰ ওপৰত মোটৰ দুৰ্ঘটনা হয়। তেখেতে নিজে মটৰ চলাই আহিছিল। তাতে তেখেত অলপ আহত হয় আৰু কেবা ঠাইতো ঘা লাগে। শেষত সেয়ে গৈ 'চেলুলাইটিস্ত' পৰিণত হ'লগৈ। এই ৰোগত এমাহ ভোগী কৰ্ম্মবীৰ বৰদলৈয়ে চিৰকাললৈ চকু মুদিলে।

অতি দুঃসময়ত আমি তেখেতৰ নিচিনা এজন বিশিষ্ট সৰ্ব্বজনশ্ৰদ্ধেয়নেতা হেৰুৱাই দুখীয়া হ'লো। কোনে জানিছিল গুৱাহাটী আৰু শ্বিলং আলিৰ ওপৰত হোৱা মটৰ দুৰ্ঘটনাই তেখেতৰ যম হ'ব। তেখেতৰ মৃত্যুত কেৱল অসমৰে নহয় গোটেই ভাৰতৰে এটি অপূৰণ ক্ষতি হ'ল।

---

# অসমত "বঙাল খেদা" আন্দোলন

—৺নবীনচন্দ্ৰ বৰদলৈ

আপোনাৰ মূল্যৱান কাকতৰ দুসংখ্যাত মোৰ সম্বন্ধে আপোনাৰ মতামত প্ৰকাশ কৰিছে সেই বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ। সি আন্দোলনক আপোনালোকে "বঙাল খেদা অন্দোলন" বুলি অভিহিত কৰিছে, সেই সম্পৰ্কে আপোনালোকৰ ধাৰণা ভ্ৰমাত্মক বুলি ভাবোঁ। সঁচাকৈয়ে 'বঙাল খেদাৰ' নিমিত্তে কোনো আন্দোলন ইয়াত হোৱা আমি দেখা নাই ; যি দেখিছোঁ সি অসমীয়া জাতিৰ আত্ম-ৰক্ষাৰ আন্দোলন। আমি "বঙাল খেদা" আন্দোলনত সংশ্লিষ্ট নহয়। কিন্তু আমাৰ সমস্ত প্ৰকাৰান্তৰে শিক্ষাগুৰু ছাৰ, পি, ছি, ৰায় মহাশয়ে বাৰে বাৰে বঙালীসকলক সজ্ঘবদ্ধ হ'বলৈ আৰু বঙ্গদেশ অকল বঙালীৰ বুলি যি স্বদেশহিতৈষণা দেখুৱাইছে, অসমৰ তৰুণ দলে যে সেই নীতি অনুকৰণ নকৰিব এনে আশা কৰিব নোৱাৰি।

মই কংগ্ৰেছৰ কাৰ্য্য উপলক্ষে গুৱালপাৰালৈ গৈছিলো। কংগ্ৰেছৰ কামত যে কোনো প্ৰাদেশিকতা বা সঙ্কীৰ্ণতা থকা উচিত নহয় এই কথা আজি ১৫।১৬ বছৰৰপৰা শিকি আহিছোঁ, আৰু অনুভৱ কৰিছোঁ। বাস্তৱিকে আজি দেশে দেশে যে এই হৈতাওপৰা সি কিহৰ নিমিত্তে? তাৰ কাৰণ আন একো নহয়, কেৱল কিছুমান সৰু ডাঙৰ

চাকৰি। আজি বঙ্গদেশৰ দৰে অসমতো বহুত কৃতবিদ্যলোক নিষ্কৰ্ম্মা। সেই সকলে যেতিয়া দেখিবলৈ পায় যে, তেওঁলোকৰ আগতেই বেছি ভাগ চাকৰিত বিদেশী সকল নিযুক্ত হৈছে, অথচ উপযুক্ত লোক থকাতো স্থানীয় মানুহে চাকৰি পোৱা নাই ; তেতিয়া তেওঁলোকে অনুসন্ধান কৰি জানিব পাৰিছে যে উচ্চতৰ ৰাজ-কাৰ্য্যত বিদেশী সকল নিযুক্ত থকাৰ নিমিত্তেই তেওঁলোক বঞ্চিত হৈছে। তেতিয়া তৰুণ দলে এতিয়া কি কৰা উচিত বুলি উত্তেজিত হৈ উঠিল।

যি হওক, যি সকলক লৈ আপোনালোকৰ এনে তীব্ৰ আলোচনা চলিছে সেই অসমীয়া তৰুণদলে যে আপোনালোকৰ কি অপকাৰ কৰিছে তাক এতিয়াও বুজিব পৰা নাই। ছিলেটৰ আলি বাট, মেডিকেল স্কুল আদি অসমীয়াসকলৰ সহায়তেই ছিলেটে পাইছিল।

এজন মহাপ্ৰাণ বঙালী ছাৰ আশুতোষ মুখোপাধ্যায় য়ুনিভাৰ্ছিটি কমিশ্যনত আহি পুঙ্খানুপুঙ্খৰূপে তদন্ত কৰি লিখি থৈ গৈছে যে "শ্ৰীহট্টত য়ুনিভাৰ্ছিটিৰ প্ৰয়োজন নাই, যি হেতু শ্ৰীহট্ট বঙ্গদেশৰেই এক অংশ, কেৱল শাসনৰ সুবিধাৰ কাৰণে অসমত আছে। কিন্তু অসমীয়া জাতিটিৰ সভ্য, ইতিহাস, ভাষা, অৰ্থনৈতিক সমস্যা সকলোৱেই বঙলাৰ পৰা পৃথক ; কটন কলেজতেই Cultural University হোৱা নিতান্ত উচিত।"

মই সেই কমিশ্যনত সাক্ষ্যও দিছিলো। এতিয়া অসমীয়াসকলে এটি বিশ্ববিদ্যালয় বিচাৰোতেই শ্ৰীহট্টৰ বাতৰি কাকতবিলাক তিতিৰি তুলা হৈ উঠিল। কত অকথা ভাষাত শ্ৰীহট্টৰ তথা বঙালী কাকতবিলাকে অসমীয়া কৃষ্টি সভ্যতা শিক্ষা দীক্ষা আৰু সম্মানৰ ওপৰত অপযশ কালিমা ঘঁহি দিবলৈ চেষ্টা কৰিছে, তাক ভাবিলেও অন্তৰ বেজাৰেৰে পূৰ হ'ব! অপৰাধ অসমীয়াসকলে তেওঁলোকৰ শিক্ষা দীক্ষাৰ সুবিধাৰ নিমিত্তে নিজৰ কৃষ্টি আৰু সভ্যতাৰ অনুকূলে এটি য়ুনিভাৰ্ছিটি বিচাৰিছে, শ্ৰীহট্টক সেই য়ুনিভাৰ্ছিটিৰ ভিতৰলৈ আনিবলৈকো চেষ্টা কৰা নাই।

এই অপৰাধৰ বাবেই আপোনালোকে অসমীয়া যুৱক আৰু অসমীয়া নেতাসকলৰ প্ৰতি যথেষ্ট গ্লানি সূচক আৰু অপমানজনক কথা লিখিছে। অসমীয়াসকলে তাক নীৰৱে সহ্য কৰি আছিছে। শ্ৰীহট্টবাসীসকলৰ আপত্তিৰ ভিতৰত এই এটা যে—অসম য়ুনিভাৰ্ছিটিৰ নিমিত্তে টকা নাই। আপোনালোকে নাজানেনে যে অকল অসমভেলীৰ পৰা যি টকা জোৰ জবৰদস্তি কৰি কৰ বুলি আদায় কৰে, তাৰপৰাই জমিদাৰী প্ৰধান জিলা শ্ৰীহট্টৰ নিমিত্তে সৰ্ব্বমুঠ প্ৰায় যোল লাখ টকা বছেৰেকত খৰচ হয়। নিশ্চেষ্ট অসমীয়া জাতিয়ে এই শোষণ আজি বহু বছৰৰ পৰা সহ্য কৰি আছিছে। এই লুণ্ঠনৰ নিমিত্তে কেৱল দায়ী অসম-গৱৰ্ণমেণ্ট। কিন্তু যাৰ নিমিত্তে আজি এই অৰ্থহীনতা, সেই সকলেই যদি অসমভেলীৰ অন্নেৰে পৰিপুষ্ট হৈও অসমভেলীৰ যি কোনো উন্নতিৰ বিৰুদ্ধে ঈৰ্ষামূলক আন্দোলন চলাবলৈ আৰম্ভ কৰে তেনেহলে অসমভেলীয়ে থং নকৰিব কিয় ?

আপোনালোকে সদায়েই কিছুমান ভুল কথা কাগজত লিখি প্ৰচাৰ কৰি আছে। আপোনালোকে লিখিছে যে গুৱালপাৰাত একমাত্ৰ বঙ্গ ভাষা-ভাষী লোকৰহে বাস। বোধহয় শুনি আচৰিত হ'ব যে গুৱালপাৰা হাইস্কুলত প্ৰকৃত বঙালী ছাত্ৰ ৬ জন কি ৭ জন মাত্ৰ। তাৰ মুছলমান বালিকা স্কুলত প্ৰায় ৮০ জনীমান গুৱালপৰীয়া ছোৱালী আছে—যিবিলাক অসমীয়া ভাষা-ভাষী আৰু অসমীয়া পঢ়ে। গুৱালপাৰাৰ বালিকা মাইনৰ স্কুল আৰু লৰাৰ স্কুল আদি যিবিলাক স্কুল আছে সেই সকলোবিলাক মই পৰিদৰ্শন কৰি চাইছোঁ। ক'তো এটিও বঙলা ভাষা-ভাষী ছাত্ৰ বা শিক্ষক নেপালোঁ। চেন্সাছ ৰিপৰ্টবিলাক চালেও দেখিব যে গুৱালপাৰা ছাৰ-ডিভিজনৰ প্ৰায় সকলো লোকেই অসমীয়া কয়। মৈমনসিংহ জিলাৰপৰা বহুত মুছলমান আহি প্ৰায় ৩০ বছৰ পৰ্য্যন্ত ইয়াত বসতি কৰি আছে যিসকল অসমীয়া মুছলমানসকলেৰে মিলা-প্ৰীতিৰে আছে আৰু অসমীয়াৰ লৈতে যিসকলৰ স্বাৰ্থ জৰিত। দৰং আৰু নগাওঁ জিলাৰ পমুৱা মুছলমানবিলাকেও তেওঁলোকৰ লৰা-ছোৱালীক অসমীয়া পাঠশালাত পঢ়ুৱাইছে। অনেকৰ অসমীয়া মুছলমানৰ লগত বিবাহো হৈছে।

ছৰকাৰি পক্ষৰপৰা মুছলমান সম্প্ৰদায়ৰ কি অসমীয়া, কি মৈমনসিঙীয়া, কি ছিলেটী, সকলোকে এক কৰি লৈ দুই উপত্যকাৰ কাউন্সিলৰ আসন ভাগ কৰি দিছে। এই সকলৰ লগত হিন্দু বঙালীৰ চাকৰি কিম্বা কাউন্সিলৰ আসনৰ কোনো সম্পৰ্ক নাই। আজি আন বঙালীসকলে যদিও এই মুছলমানসকলক বঙ্গ ভাষা-ভাষী বুলি দল ধৰাবলৈ বিচাৰিছে, তথাপি তাৰ দ্বাৰাই অন্যান্য বিষয়ত কোনো প্ৰতিকাৰ নহব। যদি মুছলমান বুলিয়েই এওঁলোকক বঙ্গ ভাষা-ভাষী বুলি সকলো বঙালীৰ লগত দপ লগাই দিয়া হয় তেন্তে ব্যৱস্থা পৰিষদত আসনৰ সংখ্যা অন্য প্ৰকাৰ হ'ব।

আৰু এঠাইত আপুনি লিখিছে—"অসমত বঙ্গ ভাষা-ভাষী লোকৰ সংখ্যা অন্যান্য ভাষা ভাষীৰ তুলনাত অধিক।" মই জোৰ কৰি কব পাৰো যে বঙালী হিন্দুৰ সংখ্যা সমস্ত অসমভেলীত দহ হেজাৰৰ বেছি নহব। প্ৰধানকৈ অসমৰ নগৰ কেইখনত মাত্ৰ বঙালী হিন্দু বাস কৰে। গাৰ্ড ৰেলষ্টেশ্যন, ডাকঘৰ আদি দুই ঠাইৰ বাহিৰে বঙালী আৰু ক'তো দেখিবলৈ পোৱা নাযায়। চেন্সাছৰ সময়ত অসমৰ অধিক সংখ্যক গণনাকাৰীয়েই বঙালী আৰু অনভিজ্ঞ স্থানীয় লোক নিযুক্ত আছিল সেই কাৰণে বিদেশৰপৰা অহা সকলো লোকক বিশেষকৈ যিসকলে বাগিচাৰ বাহিৰে বস-বাস কৰি অসমীয়াৰ লগত মিলি গৈছে সেই সকলকো "বঙাল" বুলি অভিহিত কৰা হৈছে। বাস্তৱিকতে আজিও অসমৰ বাহিৰে ভাৰতৰ যি কোনো দেশৰ লোকক অনভিজ্ঞ অসমীয়া সকলে "বঙাল" বোলে। বঙালীৰ সংখ্যা আজি দহ হেজাৰৰ ঠাইত চেন্সাছ ৰিপৰ্টত প্ৰায় দুলাখ কৰিছে। আজিও যদি চেন্সাছ ৰিপৰ্টৰ ফলবিলাক পৰীক্ষা কৰা হয় তেনেহলে নিশ্চয় আমাৰ কথাই সত্য হ'ব।

চেন্সাছ ৰিপৰ্ট লেখক স্বয়ং মূলান চাহাবে ভাষা-ভাষী সম্পৰ্কে আৰু চেন্সাছ অঙ্কৰ সম্বন্ধে যি লিখিছে তাক ৰিপৰ্টৰ পৰা তলত দিয়া হ'ল।

"All the previous census reference has been made to the inaccuracies of the returns of the languages of Assam—an inaccuracy absolutely inevitable in view of the Tea-garden coolie, and foreign popula tion." আৰো "In Assam Valley the statistics of the number of Bengali speakers cannot be accepted as accurate owing to the use of the term Bengali to signify any foreign language. There is general tendency of the Assamese enumerators to use the word Bengali for any language which is not Assamese."

বঙ্গৰ বাতৰি কাকতত আজি ৪।৫ মাহৰ পৰা অনেক অঙ্ক দেখিলো। কেতিয়াবা দেখিলোঁ যে অসমত ১১ লাখ বঙালীৰ বাস। তাৰ পাছত দেখিলোঁ যে ১১ লাখ ঠিক নহয়, ২১ লাখ বঙালীৰ বাস। অনা অসমীয়া বাদ দি নেপালী, কছাৰী, মাৰোৱাৰী, মুণ্ডা, গাৰো আদি সকলোকে প্ৰকৃত বঙালীৰ লৈতে একত্ৰ কৰিলে ১১ লাখ বা ইয়াৰ ওচৰা-ওচৰি কিবা এটা হ'ব পাৰে। আপোনাৰ ১৭ আঘোণৰ কাকতত দেখিলো যে বঙালী মোট ২ লাখ ১৯ হাজাৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰে। সি যি হওক ১১ লাখৰপৰা অনেক কম আশা কৰিব পাৰি, আৰু কিছু দিনৰ পাছত আপোনাৰ সম্বাদদাতাই সংখ্যা আৰু কিছু কমাই প্ৰায় দহ হেজাৰৰ ওচৰলৈয়ো আনিব পাৰে। অৱশ্যে অহা চেন্সাছৰ পাছত বোধকৰো এইবোৰৰ কোনো দৰকাৰ নহ'ব।

আপুনি লিখিছে যে আয়তনত সৰু হলেও শ্ৰীহট্টৰ ভোটাৰৰ সংখ্যা অনেক বেছি, তথাপি শ্ৰীহট্টৰ কাৰণে সদস্যৰ আসন কমকৈ নিৰ্দ্দিষ্ট হৈছে। বোধকৰো আপুনি নাজানে যে অসম উপত্যকাৰ ৭॥০ ছাৰে সাত টকাৰ কম খাজনা নাইবা ২৲ টকা মিউনিছিপেলিটিৰ টেক্স নিদিলে ভোটাৰ হ'ব নোৱাৰে ; কিন্তু শ্ৰীহট্টত ১।০ অনা চকীদাৰী টেক্স বা ১৲ টকা মিউনিছিপেলিটিৰ টেক্স দিলেই ভোটাৰ হ'ব পাৰে। তদুপৰি লোক সংখ্যা আয়তন আদি সকলো বিষয়তেই শ্ৰীহট্ট অসমভেলীৰ তুলনালৈ আহিব নোৱাৰে। এনে অৱস্থাত অসমভেলীত অধিক সংখ্যক সদস্য পদ দিয়াত

কি আপত্তিৰ কাৰণ থাকিব পাৰে বুজিব নোৱাৰিলোঁ। কিছুমান সঙ্কীৰ্ণমনা স্বাৰ্থপৰলোকৰ প্ৰৰোচনাত আৰু মিথ্যা প্ৰচাৰত বঙ্গদেশৰ কাকতবিলাকেও অসমীয়া জাতীয়তাবাদীৰ সম্পৰ্কে ভ্ৰান্ত ধাৰণা পোষণ কৰিবনে ? এইবিলাক দেখি দুখ হয় যে অসম প্ৰবাসী কেইজনমান বঙালীৰ এক-চেতীয়া অসমীয়া বিদ্বেষৰ ফলত আজি কংগ্ৰেছপন্থীসকলৰ আপ্ৰাণ চেষ্টা প্ৰায় ব্যৰ্থ হৈ গৈছে।

আপোনালোকে কৈছে যে অধিক জ্ঞান আৰু বুদ্ধি সম্পন্ন বঙালীসকলে যাতে কোনো প্ৰাধান্য লাভ কৰিব নোৱাৰে তাৰ নিমিত্তে কৰ্তৃপক্ষই বঙালীসকলৰ প্ৰতি এই প্ৰদেশত অবিচাৰ কৰিছে। বোধহয় আপুনি শুনি আচৰিত হ'ব যে ১৯২১ চনৰ আন্দোলনত যেতিয়া অসমৰ প্ৰায় কোনো অসমীয়া পৰিয়ালেই গৱৰ্ণমেণ্টৰ দমন-নীতিৰ হেঁচা এৰাব পৰা নাছিল, যেতিয়া অসমৰ প্ৰায় সম্ভ্ৰান্ত পৰিয়ালৰ লৰাবিলাকে কাৰাবৰণ কৰি দেশৰ কাৰণে প্ৰাণ বলি দিবলৈ সাজু হৈছিল, তেতিয়া আপোনাৰ উল্লিখিত এই "২ লাখ ১৯ হাজাৰ" অসমবাসী বঙালীৰ ভিতৰত সমস্ত অসমভেলীৰ ভিতৰত গুৱাহাটী জেলত মাত্ৰ এটি বঙালীয়ে আশ্ৰয় লৈছিল। তেজপুৰৰ এজন ডমিছাইল্ড বঙালী নেতাই গৱৰ্ণমেণ্টক জনাইছিল যে অসমীয়াসকলে যদি চাকৰিবিলাক এৰি দিয়ে তেনেহলে তেওঁ বঙ্গদেশৰ পৰা অনেক বঙালী আনি তেওঁলোকৰ দ্বাৰা সেই পদ পূৰণ কৰিব। কি গুণত যে অসমবাসী বঙালীসকল অসমীয়াতকৈ শ্ৰেষ্ঠ বুজাই দিবনে ?

আপুনি আকৌ লিখিছে যে "মোট কথা যোগ্য অভিজ্ঞ আৰু জাতীয় ভাবাপন্ন লোকৰ যাতে অতি অলপ সংখ্যক সদস্য কাউন্সিলত প্ৰবেশ কৰিব পাৰে তাৰ নিমিত্তে আশ-পাশ বন্ধা হৈছে।" এই যোগ্য অভিজ্ঞ বঙালীসকল কোন জানিবলৈ বৰ ইচ্ছা হৈছে। সেই ১৯২১ চনত,—যেতিয়া প্ৰায় সমস্ত অসমীয়া উকীল "শ্ৰীঘৰ"ত, তেতিয়া যিসকলে খুব জোৰেৰে ওকালতি কৰি অৱস্থাৰ উন্নতিৰ চেষ্টাত আছিল, সেই সকলেইনে ? "অনাগ অসমৰ ভাগ্যত অনৰ্থ অৱশ্যম্ভাৱী।" এই কথা আমি মানি ল'লো। আপোনাৰ মতে জ্ঞানে-গুণে গৰিমাত অতি শ্ৰেষ্ঠ যি বঙালী অধিবাসীসকল ইয়াত আছে সেই সকলক (আমি গুৱাহাটী পাবাত যি ৰকমে কৈছিলো) আপুনিও কওক যে পৰাধীন জাতিৰ ক্ষুদ্ৰ স্বাৰ্থপৰতাৰ কোনো অৰ্থ নাই। সকলোৱেই জাতীয় ভাৰত উদ্বুদ্ধ হৈ ক্ষুদ্ৰ স্বাৰ্থ আৰু সঙ্কীৰ্ণ পক্ষপাতিত্ব পৰিহাৰ কৰিলেই দেশৰ মঙ্গল হ'ব। যি সকলে "বিজ্ঞ" বুলি গৰ্ব্ব কৰি থাকে আৰু অসমৰ অন্নত প্ৰতিপালিত হৈছে, সেই সকলেই প্ৰথমে অসমত বিদ্বেষ ভাৱ এৰি দি যাতে অসমীয়াৰ লগত মিলি দেশৰ কল্যাণ সাধিব পাৰে তাৰ চেষ্টা কৰা উচিত। মই যতদূৰ বুজো, উচ্চস্বৰে ক'ব পাৰো যে অসমীয়াসকলে বঙালী প্ৰবাসীক খেদিবৰ নিমিত্তে কোনো আন্দোলন কৰা নাই ; তেওঁলোকে কেৱল দেশৰ লোকৰ সভ্যতা, শিক্ষা, কৃষ্টি আৰু অন্যান্য স্বাৰ্থ বঙালীৰ হাতলৈ এৰিদিবলৈ নাৰাজ। ই অসমীয়াৰ দোষনে গুণ ভাবি চাব।

অসমীয়াৰ ভিতৰত যি সকলে বিদেশীৰ প্ৰতি কটু কথা কৈছে সেই সকলকো কওঁ যে স্বাৰ্থপৰ তৃতীয় পক্ষই আমাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কথাবিলাক ইফাল সিফাল কৰি আমাৰ ভিতৰত খৰিয়াল লগাইছে। তৃতীয় পক্ষৰ সুবিধাৰ নিমিত্তে অনৰ্থক কন্দল কৰাৰ লাভ নাই।......" *

* ৺বৰদলৈ ডাঙৰীয়াৰ লিখিত বঙালী "আনন্দ বাজাৰ পত্ৰিকা"ত প্ৰকাশিত উপৰোক্ত নামৰ প্ৰবন্ধৰ অসমীয়া অনুবাদ।

# সাময়িক আলোচনা

ভাৰতীয় জাতীয় কংগ্ৰেছৰ যোৱা অধিৱেশনৰ সভাপতি পণ্ডিত জৱাহৰলাল নেহেৰুৱে ভাৰতৰ সমস্যাবিলাকৰ আলোচনা কৰি তেখেতৰ অভিভাষণত কয়,—

"ভাৰতৰ জাতীয়তা, ভাৰতৰ মুক্তি আৰু বৃটিছ সাম্ৰাজ্যবাদৰ ভিতৰত কোনো প্ৰকাৰৰ মিল হ'ব নোৱাৰে। সেই কাৰণে যদি আমি সাম্ৰাজ্যবাদৰ বুকতে সোমাই থাকোঁ তেতিয়া আমাৰ নাম বা খিতাপ যিয়েই হওক লাগে আৰু শাসন-ক্ষমতা চকুৰে দেখাত যিমানেই হও লাগে, তথাপি আমি প্ৰতিক্ৰিয়া শক্তি আৰু ধন-পতিৰ বৃহৎ যাউতিযুগীয়া আৰ্থিক স্বত্বৰ দ্বাৰা শাসিত হৈ সিহঁতৰ নাগপাশত কোঙাহৈয়ে থাকিব লাগিব।"

"জনসাধাৰণৰ ওপৰত তেতিয়াও শোষণ নীতি চলি থাকিব আৰু আমাৰ মূল সামাজিক সমস্যাবোৰৰ একো সমাধান নহ'ব। আৰু বাস্তৱ ৰাজনৈতিক মুক্তিও আমি হয়তু নোপোৱাতে থাকিব। সমাজৰ আমূল পৰিৱৰ্ত্তনৰ কথা আৰু নিলগৰ কথা হৈ পৰিব।"

"জগত জোৰা মুক্তি সংগ্ৰাম বঢ়াৰ লগে লগে বহুত ধন-সাম্ৰাজ্যবাদ দেশৰ একেধাৰে হোৱা অৱনতিৰ অগ্ৰসৰতা আমি দেখা পাইছো আৰু ফেছিষ্ট নীতি আৰু তলত তাৰ প্ৰতিক্ৰিয়া (প্ৰগতি বিৰোধী) শক্তিৰ মাৰ-বন্ধাৰ চেষ্টা হৈছে। যোৱা কিবছৰত ভাৰতবৰ্ষতো সেই গতিয়েই আমাৰ চকুত প্ৰকাশ পাইছে আৰু জাতীয় আন্দোলন যিমানে শক্তিশালী হৈছে, সিমানে সাম্ৰাজ্য শাসকসকলে আমাৰ ছত্ৰভঙ্গ দল ধ্বংস কৰি দেশৰ প্ৰতিক্ৰিয়া শক্তিবিলাক তেওঁবিলাকৰ পতাকাৰ তলত গোটাবৰ যত্ন কৰিছে।"

"ইতিমধ্যে ভাৰতত বৃটিছ সাম্ৰাজ্যবাদৰ অৱসান আৰু সেহি স্পষ্ট ভাৱে স্বাধীনতা অস্বীকাৰ কৰি পৰিলক্ষিত হৈছে। ঘোৰ অত্যাচাৰৰ গুণতহে আজি ই প্ৰবৰ্ত্তি আছে।"

## আমাৰ দুৰ্ব্বলতা সম্পৰ্কে

"মোৰ বোধ হৈছে যে আজি আমাৰ দুৰ্ব্বলতা কিছু পৰিমাণে মজলীয়া শ্ৰেণী মানুহৰ অৱনতি হোৱাৰ কাৰণে আৰু আমি জনসাধাৰণৰপৰা নিলগ হৈ থকাৰ কাৰণেহে হৈছে। আমাৰ আদৰ্শ আৰু নীতি আজি বেছি পৰিমাণে ৰাইজৰ অভাৱ-অভিযোগৰ বুজ-বিচাৰেদি পৰিচালিত নহৈ, মজলীয়া শ্ৰেণী মানুহৰ বোধ-জ্ঞানৰ দ্বাৰায়ে হৈছে। আনকি আজি আমাৰ মুৰ ঘূৰোৱা সমস্যাবোৰো যাইকৈ সাম্প্ৰদায়িক সমস্যাৰ দৰে মজলীয়া শ্ৰেণীৰ সমস্যাহে, যিবিলাক সাধাৰণ প্ৰজাৰ কাৰণে কোনো ৰকমৰ মূল্য নাই।"

"আজি আমাৰ মূল সমস্যা হৈছে, কেনেকৈ আমাৰ মুক্তি-সংগ্ৰামত আমি সকলোবিলাক সাম্ৰাজ্যবাদ বিৰোধী শক্তিবিলাক গোট খুৱাব পাৰো আৰু কেনেকৈ স্বাধীনতা প্ৰয়াসী মজলীয়া শ্ৰেণীৰ লৈতে জনসাধাৰণক এক মুঠ কৰি ঠিয় কৰাব পাৰো। এক মুঠ হোৱাৰ কথা-বতৰা আজি কিছুদিনৰপৰা চলিছে, কিন্তু মই যিমান দুৰ বুজিব পাৰিছো ই কেৱল ওপৰ শ্ৰেণী মানুহৰ লগ থোৱা কথাহে আৰু সেয়ে জনসাধাৰণৰ স্বাৰ্থ তল পেলায়। এনে ভাৱ কংগ্ৰেছৰ কেতিয়াও হ'ব নোৱাৰে আৰু যদিহে কংগ্ৰেছে সমৰ্থন কৰে তেনে যাৰ প্ৰতিনিধিত্ব কৰিছো বুলি দাবী কৰিছে তেওঁলোকক বিশ্বাস ঘাটকতা কৰা হ'ব আৰু তেতিয়া হ'লে কংগ্ৰেছ জীয়াই থকাৰে কাৰণ নাথাকিব। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে হ'ব লগীয়া এক মুখীয়া বাধাৰ মূলতে থাকিব লাগিব অসহযোগী বিৰোধীতা আৰু ইয়াৰ শক্তি কৃষক আৰু বনুৱাসকলৰ কাৰ্য্যকৰী সহযোগীতাৰপৰা অখণ্ডনভাৱে আহিব লাগিব।"

## একমাত্ৰ উপায়

"মোৰ বিশ্বাস হৈছে যে সমগ্ৰ পৃথিৱীৰ আৰু ভাৰতৰ সমস্যা সমাধানৰ একমাত্ৰ উপায় সমস্বত্ববাদতহে আছে আৰু মই এই কথা কৈছো বৈজ্ঞানীক আৰু অৰ্থনীতিক

অৰ্থতহে কোনেও বুজিব নোৱাৰাকৈ জনহিতকৰ-ভাৱে কোৱা নাই। সমন্বত্ববাদ এটা অৰ্থনৈতিক নীতি হিছাবত কৈ বহুত বেছি। ইয়েই জীৱনৰ মূল দৰ্শন আৰু সেই কাৰণেই মোক মুগ্ধ কৰে। মই দৰিদ্ৰতা, নিবনুৱাৰ অৱস্থা, ভাৰতৰ প্ৰজাৰ অধোন্নতি আৰু পৰাধীনতাৰ নিৰ্ম্মূল উপায় সমন্বত্ববাদৰ বাহিৰে আন একো দেখা নাই।"

"এইটো কৰিবৰ হ'লে ৰাজনৈতিক আৰু সামাজিক গঠন, ব্যৱসায় আৰু মাটি সম্পত্তিৰ যাউতিযুগীয়া স্বাৰ্থ আৰু লগতে তলতীয়া আৰু একছত্ৰী ভাৰতীয় মিত্ৰ ৰাজ্যৰ প্ৰণালীবোৰৰ আমূল পৰিৱৰ্ত্তন কৰিব লাগিব। সেয়ে হ'বৰ হ'লে থকুৱা সম্পত্তি এটা সীমাৰ বাহিৰে উঠাব লাগিব আৰু সহযোগ-সেৱাৰ উচ্চ আদৰ্শেৰে বৰ্ত্তমান লাভখোৱা প্ৰথা পূৰাব লাগিব। ইয়াৰ ফলত বৰ্ত্তমান ধনবাদ গতিৰ একেবাৰে পৰিৱৰ্ত্তন হৈ এটা নতুন সভ্যতা হ'ব।"

## এটা মুল কথা

"এই কাৰণে সমন্বত্ববাদ অকল অৰ্থনৈতিক নীতি হিছাবেই মই সমৰ্থন কৰা নাই ; মই অন্তৰ আৰু বিশ্বাসেৰে গ্ৰহণ কৰা এটা মূল কথা। মই ভাৰতৰ স্বাধীনতাৰ কাৰণে যত্ন কৰিছো। এই কাৰণেই জাতীয়তাবাদী মোৰ অন্তৰে বিদেশীৰ শাসন সহ্য কৰিব পৰা নাই। সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ সালসলনি কৰিবৰ কেৱল এইটোৱেই বাট বুলিয়েই ইয়াৰ কাৰণে মই যত্ন কৰি আহিছোঁ। মই ইচ্ছা কৰো যে কংগ্ৰেছো এটা সমন্বত্ববাদী অনুষ্ঠান হ'ব লাগে আৰু নতুন সভ্যতাৰ কাৰণে চেষ্টা কৰা পৃথিবীৰ আন শক্তিবিলাকৰ লগত লগ লাগিব লাগে। কিন্তু মই অনুভৱ কৰিছো যে বৰ্ত্তমানভাৱে গঠিত কংগ্ৰেছৰ সৰহীয়া ভাগে আজি ইমান দূৰ আগবাঢ়িবলৈ সাজু হ'ব নোৱাৰিব পাৰে।"

সমন্বত্ববাদ এই দেশত ভাল দৰে আগবঢ়াতো যদিওবা মই বৰ ভাল দৰে সমৰ্থন কৰো তথাপি কংগ্ৰেছত জোৰ কৰি এই প্ৰশ্নটো সুমাই আমাৰ মুক্তি সংগ্ৰামৰ বাটত আহুকাল তোলা মোৰ ইচ্ছা নহয়। মুক্তিৰ কাৰণে সমন্বত্ববাদৰ পথ সমৰ্থন নকৰা লোকসকলৰ লগতো সন্তোষেৰে সহযোগ কৰিম। কিন্তু মই তেনে কংবো[...] অৱস্থা খুলি দেখুৱাম আৰু সময়ত কংগ্ৰেছ আৰু দেশক[...] সমন্বত্ববাদী কৰিব পাৰিম বুলি আশা ৰাখিম আ[...] এইদৰেহে স্বাধীনতা পোৱাৰ কথা ভাবিম।"

"বৰ্ত্তমান কংগ্ৰেছৰ আদৰ্শৰ লগত সমন্বত্ববাদ খাপ খা[...] পাৰে বুলি মই নাভাবো। গোটেই দেশখনতে ঘৰ-পচ[...] শিল্পবিস্তাৰ কৰাতো মই সমৰ্থন কৰো আৰু মোৰ ধাৰণ[...] যে অকল এই উপায়েৰেহে জনসাধাৰণৰ প্ৰৱৰ্ত্তন অৱস্থ[...] উন্নত আৰু দৰিদ্ৰতা নিবাৰণ হ'ব।

## নতুন শাসনাৱলী

"এই শাসনাৱলীৰ প্ৰতি আমাৰ কেৱল বিদ্বেষতা[...] হ'ব পাৰে আৰু ইয়াক সোনকালে ধ্বংস কৰিবলৈ[...] আমাৰ মাজত অবিৰাম চেষ্টা চলা উচিত।"

"মোৰ বোধেৰে, নতুন প্ৰাদেশিক ব্যৱস্থাপক সভা[...] আৰম্ভ হোৱা ঠিক হ'লে তাৰ নিৰ্ব্বাচনত আমি যো[...] দিয়াৰ বাহিৰে অন্য উপায় আমাৰ নাই। আঁতি-গুৰি মৰ[...] অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰোগ্ৰাম আৰু শক্তিশা[...] ব্যৱস্থাপক সভাৰ দাবি লৈ আমি নতুন নিৰ্ব্বাচনত লগাতে[...] উচিত হ'ব। আৰু সকলো বয়সীয়া মানুহৰ ভোট[...] ওপৰত নিৰ্ব্বাচিত হোৱা শক্তিশালী ব্যৱস্থাপক সভা[...] মাজেদিহে আমাৰ ৰাজনৈতিক আৰু সাম্প্ৰদায়ীক সমস্যা[...] নিৰ্ণয় হ'ব।"

## অৰ্থনৈতিক সমস্যা

"কংগ্ৰেছৰ বাণী হেজাৰ হেজাৰ সাধাৰণ প্ৰজাৰ মাজ[...] সুমাবৰ উদ্দেশ্যেহে আমি নিৰ্ব্বাচনত সোমাব খোজা[...] মূল কাৰণ, জনসাধাৰণক আমাৰ ভৱিষ্যত কামৰ তালিকা[...] আভাস দিব লাগিব আৰু তেওঁবিলাকক অনুভৱ কৰিবলৈ[...] দিব লাগিব যে কংগ্ৰেছে তেওঁবিলাকৰ কাৰণে[...] যুঁজিব আৰু তেওঁবিলাকৰ অৰ্থনৈতিক আৰু সামাজি[...] সমস্যাবোৰৰ সমাধান কৰাত সহায় কৰিব।"

## মন্ত্ৰীত্ব গ্ৰহণ

"আমি যদি নিৰ্ব্বাচনত জয়ী হ'ব পাৰো তেতিয়া আ[...] কি কৰিম ? মন্ত্ৰীত্ব গ্ৰহণ কৰা হ'বনে নহয় ? বোধক[...] এইটো সামান্য কথা। কিন্তু সামান্য হ'লেও ইয়াৰ ওপৰ[...]



[...]আৰু বিবেচনাৰ ডাঙৰ প্ৰশ্ন নিৰ্ভৰ কৰিছে। আৰু [...]ৰ নিৰ্ণয়তাৰ ওপৰত গুৰুতৰ কথা প্ৰকাশ পাব।"

[...] যদি আমি শাসনাৱলীৰ প্ৰতি বিদ্বেষ ভাৱ দেখুৱাও [...] গোটেই আঁচনি খনকে গ্ৰহণ নকৰো তেন্তে যুক্তি [...]সাৰে চাবলৈ গ'লে ইয়াকে বুজাবনে যে আমাৰ [...]শাসনাৱলীৰ লগত কৰিব লগীয়া একো নাই আৰু এই [...]শাসনাৱলী যাতে অকামি। হয় তাৰ বাবে যিমান দূৰ [...]ৰিব পাৰে চেষ্টা কৰা যুগুত হ'ব।"

[...] সাধাৰণ জ্ঞানৰপৰাই ধৰিব পাৰি যে শাসনাৱলী [...]যায়ী হোৱা মন্ত্ৰীত্ব গ্ৰহণ কৰিলে আমাৰ লাভ কম [...] হানি বহুত। এই শাসনাৱলী লৈ আমি দেশৰ কাৰণে [...] একো কৰিব নোৱাৰো, নহলে আমাৰ সমালোচনাই [...]। কিন্তু আমি জানো যে সেইটো নহয়। যদি [...]ৱস্থাপক সভাত আমাৰ সংখ্যা সৰহীয়া হয় তেনে মন্ত্ৰীত্ব [...] প্ৰশ্ন উঠিব। আৰু সৰহীয়া সংখ্যা হ'লেহে আমি [...]ৱস্থাপক সভা আমাৰ হাতত থাকিব আৰু সাম্ৰাজ্যবাদী [...] প্ৰগতি বিৰোধীসকলে সুবিধা লোৱাত বাধা দিব [...]ৰিব। মন্ত্ৰীত্ব গ্ৰহণ কৰিলে আমাৰ শক্তি নাবাঢ়ে [...] বেয়া পোৱা বহুত বিষয়ৰ দায়ীত্ব লোৱাৰ কাৰণে [...]মাৰ অৱস্থা দুৰ্ব্বলহে হ'ব।"

## সাম্প্ৰদায়ীক মিমাংসা

"শাসনাৱলীত থকা আৰু এটা কথালৈ আমাৰ মাজত [...] বাদানুবাদ হৈ আহিছে। এইটোৱেই হৈছে [সা]ম্প্ৰদায়ীক মিমাংসা। বহুতে টান মাতেৰে এই মিমাংসাক [...] দিছে। মোৰ মনেৰে তেওঁবিল'কে গৰিহনা [দি]য়া ঠিকেই হৈছে। আমি যদি প্ৰজাতান্ত্ৰিক ভাৱে [...]সনৰ কাৰ্য্য চলোৱাৰ চেষ্টা কৰোহঁক তেনেহঁলে এই [মি]মাংসাৰ অন্ত পৰিব লাগিব। আৰু ইয়ে যাব তাত [...] অলপো সন্দেহ নাই।"

"কিন্তু এই মিমাংসা বিৰুদ্ধবাদীসকলৰ প্ৰণালী মতে [...] পৰা নাযাব। বিৰুদ্ধবাদীসকলৰ বিদ্বেষ আৰু [...]ৰ বিৰুদ্ধে লোৱা প্ৰণালীয়ে সাম্প্ৰদায়ীক মিমাংসা [...] পৰা অৱস্থা গঢ়ি এই মিমাংসা সুবিবেচনা কৰিবলৈ [সু]বিধা নিদিব।"

"সাম্প্ৰদায়িক প্ৰশ্ন বাদদিও, হিন্দু বা মুছলমান সাম্প্ৰদায়ীক নেতাসকল ৰাজনৈতিক প্ৰগতি বিৰোধী। তেওঁবিলাকে যাই কথাবোৰত কেনেকৈ বৃটিছ সাম্ৰাজ্যবাদৰ লগ লাগিছে তাক ভাবিলে বেজাৰ লাগে। ভাৰতৰ মুক্তিৰ কথা বাদদি সামান্য লাভৰ কাৰণে মানুহৰ সাধাৰণ স্বাধীনতা নষ্ট কৰিবলৈ বৃটিছ সাম্ৰাজ্যবাদীসকলক তেওঁবিলাকে সহায় কৰিছে তেওঁবিলাকৰ লগত কোনো ধৰণৰ সহযোগীতা হ'ব নোৱাৰে। কাৰণ তেওঁবিলাকৰ লগত সহযোগ কৰা মানে বিৰুদ্ধবাদীসকলৰ লগত সহযোগ কৰা।"

"কিন্তু মই নিশ্চয়কৈ জানো যে জনসাধাৰণ আৰু মজলীয়া শ্ৰেণীৰ মানুহ যদিওবা সাম্প্ৰদায়ীক মিমাংসাৰ ফুচুলনীত আঁতৰি গৈছে, অৱশেষত তেওঁবিলাকৰ লগত আমাৰ পূৰা সহযোগীতা হ'ব লাগিব। সেয়ে হ'লেহে সাম্প্ৰদায়ীক মিমাংসাৰ সুদিহা হ'ব পাৰিব।"

## আইন অমান্য আন্দোলন

"আইন অমান্য আৰু তেনেবিধৰ আন্দোলনবিলাক যেতিয়াই ইচ্ছা তেতিয়াই চলাব বা বন্ধ কৰিব নোৱাৰি। ই আমাৰ শাসন নথকা বহুত কথাৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু আজিকালি আমূল পৰিৱৰ্ত্তন আৰু ঘনে ঘনে জগতত হোৱা দুৰ্দ্দিনৰ দিনত ঘটনাবিলাক আমাতকৈ বহুত বেগাই চলিছে। সেই কাৰণে আমি সুবিধাৰ অভাৱত নপৰিম।"

## মূল সমস্যা

"গাৱঁৰ দৰিদ্ৰতা, নিবনুৱা আৰু আজিকালিৰ লগত একেবাৰে ৰাহি নখা খাজনা প্ৰণালীয়েই আমাৰ ঘাই সমস্যা হৈছে। নানা অৱস্থাৰ অভূতপূৰ্ব্ব মিশ্ৰনত যোৱা কিবছৰত ভাৰতক এনেদৰে ৰাখিছে যে বৰ্ত্তমানে অৰ্থ-নৈতিক আৰু ৰাজনৈতিক অনুষ্ঠানবিলাক দেশৰ অৱস্থাৰ লগত খাপ নোখোৱা হৈছে।"

## উৰিষ্যা প্ৰদেশৰ ভৱিষ্যত

উৰিষ্যা স্বকীয়া প্ৰদেশ হোৱাত উৰিয়ানেতা মিঃ বি, দাস এম-এল, এৰ উক্তি :—

"দেশকৰ্ম্মী সকলৰ ত্ৰিছ বছৰ অক্লান্ত পৰিশ্ৰম আৰু মোৰ বাৰ বছৰ কঠোৰ চেষ্টাৰ ফলত মই মোৰ উৰিষ্যা প্ৰদেশখন পাইছোঁ। যি সকল বন্ধুৱে ইংৰাজ আৰু ভাৰতীয় ৰাজনীতিবিদলোকে আমাৰ এই উদ্দেশ্য সাধনত কোনোবা এঠাইত নহয় এঠাইত সহায় কৰিছিল আজি তেওঁবিলাকৰ কথা কৃতজ্ঞতাত সুঁৱৰিছো। পাঁচ শ বছৰৰ পূৰ্ব্বে উৰিষ্যাই স্বাধীনতা হেৰুৱাই ভাষা আৰু সংস্কৃতিত সুকীয়া মানুহৰ লগত সাঙোৰ খাই থাকি নিজৰ আৰ্থিক আৰু সংস্কৃতিৰ স্বতন্ত্ৰ স্থান লোপ নিয়ালে। ইষ্ট ইণ্ডিয়া কোম্পানিক উৰিষ্যাতে প্ৰথম আতিথ্য দান কৰা হৈছিল, কিন্তু কলিকতাৰ উন্নতি সাধন কৰাৰ কালত উৰিষ্যাৰ কথা আওহেলাত পৰি আছিল। ডেৰশ বছৰৰ বৃটিছ শাসনে এইদৰে উৰিষ্যা জাতিৰ সুকীয়া স্থিতি ধ্বংস কৰি দিলে।

উৰিষ্যাই আজি প্ৰাকৃতিক শত্ৰু বান-পানী, আকা... মেলেৰীয়া আৰু নিঃকিন আৰ্থিক অৱস্থা গৱৰ্ণমেণ্ট অ... ৰাইজৰ স্বাৰ্থ একে হোৱাৰ অভূতপূৰ্ব্ব সুবিধাৰ মা... জয় কৰিবৰ আশা কৰিছে। গৱৰ্ণমেণ্ট আৰু ৰা... উভয়ে উৰিষ্যা জাতিৰ উদ্গতিৰ কাৰণে জীয়াই থা... আৰু সেই উদ্দেশ্যে যত্ন কৰিব।

উৰিষ্যাই আজি জঠৰ অৱস্থাৰপৰা উদ্ধাৰ... বুদ্ধদেৱৰ দিনত বা তেৰ শতিকাৰ সময়ত যি... বৃহৎ কাৰু-কাৰ্য্য আৰু চিত্ৰ-শিল্প গঢ়ি তুলি... আজি আকৌ তেনে ভাৱে উৰিষ্যা জাতি... কৰিব। আৰু ইমান দিনে অসমৰ হৈ থকা বহুমুখী প্ৰ... নিজ সংস্কৃতি আৰু সভ্যতাৰ অৰ্থে সংগ্ৰহ কৰিব। ... উৰিষ্যা প্ৰদেশৰ চেষ্টা কৰাৰ কালত আৰু তাৰ... জীয়াই থাকোঁতে মই এই সপোনকে দেখি আছিলো...

---

# জাতীয় সঙ্গীত

৺নবীনচন্দ্ৰ বৰদলৈ

( ১ )

নীল আকাশত জোনৰ দৰে
ভাৰতৰ পতাকা উৰ।
প্ৰতি ঘৰে ঘৰে অতি পয়োভৰে
বিজয় নিচান উৰ॥
কোটি সন্তানৰ প্ৰেমৰ চানেকী
তিনি ৰৰণীয়া উৰ।
সহস্ৰ লাঞ্ছনা অপমান হেলি
বিজয় জয়ন্তী উৰ॥
তোৰ যে তলত আজি ভাৰতত
সন্তানৰ সমাবেশ।
কত অপমান কত অত্যাচাৰ
লাঞ্ছনাৰ নাই শেষ॥

তথাপি ওখত মূৰ্ত্ত স্বাধীনতা
ত্ৰিৰঙা লাহৰি তোৰ,
উৰাই ৰাখিছে প্ৰাণ পণ কৰি,
উৰ ঔ লাহৰি উৰ॥

শত বজ্ৰপাত মেঘৰ গাজনি
ধুমুহা-বতাহ ঘোৰ,
মূৰ পাতি লৈ উৰি উৰি থাক
মূৰ যেন নোদোঁৱে তোৰ॥

স্বাধীন ভাৰত স্বতন্ত্ৰ ভাৰত
বতাহত বাজে সুৰ,
ভাৰত সন্তান জীয়াই থাকোঁতে
ই সুৰ নপৰে ওৰ॥



কুমাৰি কাশ্মীৰ সদিয়া সিন্ধু
সুদূৰ লঙ্কাপুৰ,
ডঙ্কা উঠোক স্বাধীন ভাৰত
উৰ ঔ লাহৰি উৰ॥

( ২ )

আমাৰ নিয়ম পণ,
...

সকলো সহিম হেলে,
আই ঔ তোৰ মুখ খনি ভাবি
"বন্দে-মাতৰম" বোলে॥
জয় মা ভাৰতি আই,
সন্তান তোৰ প্ৰেমত বিকল
চৰণত দে ঠাই॥
...পি ৰাখোক
...জয়॥

# বিশ্ব-প্ৰৱাহ

অা
"আৱাহন
বছতো
দে

তিনি বছৰ
আগৰৱালা



...ৰ্ণমেণ্টক দৃঢ়তাৰ সৈতে আৱশ্যকীয় ব্যৱস্থা হাতত ...ৰিবলৈ টানি ধৰিছে।




জেনেৰেল হ'ৰ প্ৰধান কোঠৰ বাহিৰত জাপানৰ কাৰ্য্যৰ প্ৰতিবাদ কৰিবলৈ সমবেত হোৱা ছাত্ৰ-ছাত্ৰীসকল।

"এই বিক্ষোভৰ চিন কেণ্টন্ আদি আন আন ঠাইতো ...বিয়পি পৰিছিল।

## ৭ ফুটীয়া তাচ পাত

ফ্ৰান্স আৰু এমেৰিকাৰ মাজত হোৱা তাচৰ প্ৰতিযোগীতাত দৰ্শক মণ্ডলীয়ে খেলৰ চাল বুজিবলৈ তলৰ



প্ৰতিযোগিতাত দৰ্শকসকলে খেলৰ চাল বুজিবলৈ উলিওৱা অভিনৱ উপায়।

...ছবিখনত থকা উপায় উলিৱা হৈছিল। খেলুৱৈসকলে ...যি যি তাচ পাত পেলায় সেই সেই ৰঙৰ ফুটীয়া তাচ পাতবিলাক দেখুৱাই দৰ্শক মণ্ডলীক খেলৰ চাল বুজিবলৈ দিয়া হৈছিল।

## ইটালিৰ ৰাজদূতৰ বাহৰত ইথিয়পীয় সম্ৰাট

দেছিৰ ইটালিয়ান ৰাজ দূতৰ বাহৰ নিজৰ প্ৰধান



আগত কিছুমান জীৱিত বোমাৰে সৈতে এবিছিনীয়াৰ সম্ৰাট (নেগাছ)

কোঠ হিচাবে ব্যৱহাৰ কৰি এবিছিনীয়াৰ সম্ৰাট 'নেগাছে' কথা-বতৰা হৈছে। আগত কিছুমান জীৱিত বোমা।

## চান-ফিছ




মানুহৰ মূৰৰ আকৃতিৰ চান-ফিছ (বেলি-মাছ)

নৰ্থ আট্লাণ্টিকৰ গাল্ফ ষ্ট্ৰীম (গৰম পানীৰ সোঁত)ত উটি ফুৰা এবিধ মাছৰ আকৃতি ওপৰত দিয়া ছবিটোৰ

দৰে। কিছুদিনৰ আগতে কৰ্ণৱালৰ এখন মাছমৰীয়া গাৱঁৰ জালোৱা এজনৰ জালত এই মাছটো ধৰা পৰে। ইয়াৰ মুখৰ আকৃতি মানুহৰ মুখটোৰ দৰে। সেই অঞ্চলত ইয়াক চান-ফিছ ( বেলি-মাছ ) বোলা হয়।

## চাৰি চকুৱা মাছ

আমেৰিকাত এবিধ চাৰি চকুৱা মাছ আছে। ইয়াৰ চকু দুটা হলেও প্ৰত্যেকটো চকুৱেই এখন পাতল পৰ্দ্দাৰ দ্বাৰা দুভাগত বিভক্ত। ওপৰ ভাগেৰে পানীৰ ওপৰ



চাৰি চকুৱা মাছ

ফালে দেখে আৰু তলৰ ভাগেৰে পানীৰ তললৈ দেখে। এই উপায়েৰে ই একে সময়তে পানীত উটি ফুৰা খোৱা বস্তু আৰু পানীৰ তলত থকা শত্ৰুকো দেখে। এনে এহাল মাছ এমেৰিকাৰ নে'চাৰেল হিষ্ট্ৰিৰ মিউজিয়মত আনি ৰখা হৈছে।

## পৃথিৱীৰ আটাইতকৈ ধনী পৰিয়াল



জাপানী ধনী পৰিয়ালৰ ঘৰ-মুৰা বেৰণ মিটছুই টাকাহাক

পৃথিবীৰ আটাইতকৈ জাপানী ধনী পৰিয়ালৰ ঘৰ-মুৰা বেৰণ মিটছুই টাকাহাক। এখেত সকল যোৱা দুশ বছৰ পৰা স্বাধীন ব্যৱসায়ত লিপ্ত আছে। তেখেতৰ তলতীয়া কৰ্ম্মচাৰীবিলাকে উপযুক্ত বানচ পোৱাৰ উপৰিও লাভৰ কিছু অংশ পায়। কাচিৎহে কৰ্ম্মচাৰীক কামৰ পৰা আঁতৰোৱা হয়।

# ছদ্মবেশী

—শ্ৰীযুত শান্তিৰাম দাস বি, টি

## তৃতীয় অধ্যা

### অলা জুইত ঘিউৰ ছিটনি

...ষ্টিহেয়াৰ কিছুদিনলৈ লণ্ডনত থাকিবলৈ গ'ল। ...ৱাৰাই সেই চলতে কাৰ্লাইলৰ সৈতে এদিন গৈ মাকক ...দিবিলৈ লৈ আহিছ্ গৈ। হেয়াৰ দম্পতী জীয়েকৰ সুখৰ ...ত আনন্দেৰে প্ৰৱাস খাটিবলৈ ল'লে। হেয়াৰ দম্পতী ...ক মেডাম ভাইনৰ চিনাপৰিচয় হ'ল, দুয়োৰে মাজত ...নাৰকম সুখ দুখৰ কথা বতৰা হল। হেয়াৰ দম্পতীয়ে ...ডাম ভাইনক অতি কষ্ট মনেৰে কপালে মূৰে হাত দি ...ই থকা দেখি বৰ দুখকৈ ক'লে, "আপোনাৰ গা ভাল ...য়া বোধহয়।" মেডাম ভাইনে লাহেকৈ ধন্যবাদ দি ...ৰ দিলে, "হয়, বৰ ভাল নহয়; মুখটো বৰ বিষাইছে।"

"এৰা আপোনাৰ দুখৰ কথা শুনি মনটো কেনেবা ...লিছে। বাৰবাৰাই ক'লে যে আপুনি লৰাছোৱালী, ধন-...ন, মনপ্ৰাণ সকলোকে হেৰুৱাইছে; ভগবানে আপোনাক ...শোকত পেলাইছে। বাস্তৱিকে আপোনাৰ দুখত বৰ ...অনুভৱ কৰিছোঁ। কি কৰিব ইচ্ছাময়ীৰ ইচ্ছা।"

কথাশুনি মেডাম ভাইনে নিজকে পাহৰিলে, উতলা ...য়া মনক দমাব নোৱাৰিলে। চকুভৰি চকুলো ...ৰি গ'ল। বলিয়াৰদৰে কৈ উঠিল "নহয় মোৰ উপযুক্ত ...ই হৈছে। মোৰ কপালত দুখ লিখা আছে। ...কোনে খণ্ডাব!"

"সকলোৰে দুখময় জীৱন মেডাম ভাইন, সংসাৰত কোনো ...ত সুখী নহয়। ভালকৈ গমি পিটিকি চালে প্ৰত্যেকৰে অলপ নহয় অলপ দুখৰ কাৰণ আছেই। অইন নালাগে মোৰ কথাকে কওঁ মই কি কম দুখত জীৱন পাত কৰিব ধৰিছো! মোৰ মনত ধনিষ্ঠামানো সুখ নাই।" কথাশুনি মেডাম ভাইনে জেদকৰি কলে, "কিন্তু অতি অলপ সংখ্যকেহে এনেকুৱা জীৱন্ত দুখৰ বোজা বহন কৰে—আটায়ে নহয়।"

"আপুনি যিকি নকওক—কিন্তু এইটো জানিব যে প্ৰত্যেকেই এদিন নহয় এদিন দুখ ভুগিব লাগিব; কাৰো ভাগ্যে আজি, কাৰো ভাগ্যে দুদিন পিছত এই খিনিয়েই বিশেষত্ব। নহলে সকলোৰে একে অৱস্থা। সুখৰ মাজতে দুখ লাগি আছে। সংসাৰ নিৰ্যাতনতেই কাকো স্বৰ্গলৈ কাকো নৰকলৈ নিয়ে। ইয়াৰ একমাত্ৰ গৰাকী প্ৰভু ভগৱান। সকলো দুখৰে শান্তিময় ছাঁয়া ভগৱানৰ শ্ৰীচৰণ। যিদিনা এই নশ্বৰ শৰীৰ মাটিত লয় পাব সেই দিনাৰ পৰা সকলো দুখকষ্ট, নিৰ্য্যাতন, লোভ, মোহ, পাপ আদি ৰিপুৰ তাৰণা সমুদায় মাটিত পোত যাব! লীন হব!! শেষ হব!!!"

মেডাম ভাইনে হেয়াৰ দম্পতীৰ সাৰগৰ্ভ আশ্বাসৰ কথা শুনি চকু মুছি ক'লে, "আহা! সেয়ে মোৰ শেষ গতি।"

"তুমি ইমান কম বয়সতে ইমান নিৰ্য্যাতন ভুগিলানে?"

"ই বয়স কম বেছিলৈ কথা নহয়। আমি জীৱনৰ সমস্ত নিৰ্য্যাতন কষ্ট এদিনৰ এক মুহূৰ্ত্তৰ তাৰণাতে ভুগিব পাৰো। এইবোৰ আমি কিন্তু নিজে নিজে মাতি চপাই আনো। আমাৰ যেনেকুৱা স্বভাৱ সেই অনুসাৰে সুখ দুখো ভুগিব লগা হয়।"

কথা বেয়াৰ ফালে ঢাল খালে মেডাম ভাইনে কলে "কিন্তু সকলোৰে ভাগ্য সমান নহয়। মিঃ আৰু মিছেছ কাৰ্লাইলৰ কি দুখ আছে? তেওঁলোকৰদৰে জগতত কেইজন সুখী।"

হেয়াৰ দম্পতীয়ে হাঁহি মাৰি কলে "অৱশ্যে, বাৰবাৰাৰ কোনো দুখ নাই। তাই গিৰিয়েকক বৰ ভালপায় আৰু তেওঁ তেনে প্ৰতিদানৰ যোগ্যও। তেওঁৰো কপালত দুখ আছে। আপুনি বোধহয় তেওঁৰ আদি জীৱনৰ কথা শুনিছে। তেওঁৰ প্ৰথমজনী তিৰোতাই লৰাছোৱালী, ঘৰ দুৱাৰ, মৰমৰ গিৰিয়েক আটাইকে এৰি থৈ গৈছিল। তেওঁ অন্তৰৰ এই মৰ্ম্মান্তিক বেদনা জগতৰ চকুত নিৰ্ভীকভাৱে বহন কৰিছিল হয়, কিন্তু তেওঁ অন্তৰত কেনে গভীৰ বেদনা অনুভৱ কৰিছিল তাক মই জানো। লেডী ইছাবেলৰ ব্যৱহাৰত তেওঁৰ অন্তৰ ভাগি গৈছিল। লেডী ইছাবেল তেওঁৰ অন্তৰৰ পুতলা আছিল।"

"লেডী ইছাবেল! বাৰবাৰা নহয়!" বুলি কৈ জাপমাৰি উঠিল। বাৰবাৰাৰ নাম উচ্চাৰণ কৰিয়েই তেওঁ জিভাত কামোৰ মাৰিলে; তেওঁ চক খাই উঠিল, সাৰ পালে নিজৰ চেতনা লভিলে, "মই শিক্ষয়িত্ৰী ধাত্ৰী মেডাম ভাইনহে, কাৰ্লাইল দম্পতী লেডী ইছাবেল নহওঁ" বুলি নিজে নিজে ক'লে।

হেয়াৰ দম্পতীৰ সিফালে বেছি কাণ নাছিল। তেওঁ নিজৰ ভাৱনাতে তলগৈ থাকি ক'লে "বাৰবাৰা? নিশ্চয় নহয়। তেওঁৰ প্ৰথম প্ৰণয় বাৰবাৰাৰ প্ৰতি হোৱা হলে তেওঁ তেতিয়াই তাইক বিয়া কৰালেহেঁতেন। কিন্তু তেওঁৰ প্ৰথম প্ৰণয় লেডী ইছাবেলত সঁপিছিল।"

কিন্তু এতিয়া সেই প্ৰণয় ঘৈণীয়েকক সমৰ্পিছে।"

হেয়াৰ দম্পতীয়ে হাঁহি মাৰি কলে, "অৱশ্যে কেলেই আপুনি মৃতজনৰ লগত মৰিবলৈ পৰামৰ্শ দিয়েনে? আৰু বিশেষকৈ যি জনী তেওঁৰ প্ৰতি বিশ্বাস ঘাটকিনী আছিল সেই জনীৰ লগত? কিন্তু মেডাম ভাইন, তাই হলে বৰ মৰম লগা তিৰোতা আছিল লেডী ইছাবেল হতভাগিনী। মই তাইক বৰ ভাল পাইছিলো, এতিয়াও পাহৰিব পৰা নাই। আনে তাইক দোষ দিলেও মই হলে তাইক পুতৌহে কৰিছিলো। সিইঁতৰ বেছ জো মিলিছিল কাৰ্লাইল যেনে মহানুভৱ আৰু লেডী ইছাবেলে তেনে দেখনিয়াৰ গাভৰু জনী।"

"আৰু তায়েই এনে হেন পুৰুষ জনক দলিয়াই এ থৈ গ'ল" বুলি কৈ মেডাম ভাইনে হুমুনিয়াহ কাঢ়িলে।

আৰু কত কি দুখৰ কথা ওলাল। হেয়াৰ দম্পতী ইমানতো লেডী ইছাবেলক চিনি নাপালে। লেডী ইছাবেলৰ অন্তৰত জলি থকা জুইত ঘিউৰ ছিটি দিলে। মেডাম ভাইনৰ দুখময় জীৱনৰ কাহিনী শু প্ৰবোধ বাক্যৰে সান্তনা দিলে। মেডাম ভাইনৰ হি দেই পুৰি জলি থাকিল।

কিছু সময় বহি থাকি হেয়াৰ দম্পতী লাহে লাহে চ'ৰ ঘৰলৈ উঠি গ'ল। তাত গীত বাজনা হৈছিল। বাৰবাৰা বহি গীত গাইছিল। কাৰ্লাইলে পিছফালে ঠিয় হৈ বাৰবাৰাৰ কান্ধৰ ওপৰত হাত দুখন দি মাজে মাজে গীতৰ প্ৰশংসা কৰিছিল আৰু লগে লগে গালত চুম শোধাই পুৰস্কাৰ দিছিল।

অভাগিনী লেডী ইছাবেলক কিহে তালৈ টানি নিছিল কোনোৱে নেদেখাকৈ এখন খিৰিকিৰ মুখত পৰ্দ্দাৰ আঁৰ ঠিয় হৈ কি কাৰণে চ'ৰা ঘৰৰ ভিতৰলৈ চকু দিছিল কোন সতেৰে কাৰ্লাইল আৰু বাৰবাৰাৰ প্ৰণয় সম্ভাষ চকু মেলি চাই আছিল! এদিনাখন—যি দিনা তে লেডী ইছাবেল কাৰ্লাইল ৰূপে সেই ঘৰত আছিল, তেওঁ ঠিক তেনেকৈ কাৰ্লাইলৰ দুইবাহুৰ মাজত আজি বাৰবাৰা সুৰ লগাই গোৱা সেই একে প্ৰণয় গীতটোকে গাইছিল আজি কোনে গাইছে? তাৰ ওলোটা! বাৰবাৰা সতিনী মেডাম ভাইন ওৰফে লেডী ইছাবেল সেইপিনেই সেঁত পৰি মৰহি গ'ল, গা জম্‌জমাই গল। কঁপা ভৰিৰে কোনো মতে নিজৰ শোৱনি ঘৰলৈ খোজ ললে। বাটতে কৰ্ণেলিয়াৰ লগ পালে। আগেয়ে তেওঁলোকৰ মাজত দেখা দেখি হোৱা নাছিল। কৰ্ণিয়ে কিবাকিবি সুধিলে। কি মেডাম ভাইনে ধৰা পৰাৰ ভয়ত মুখেৰে নামাতিলে কোনোমতে শোৱনি ঘৰলৈ গৈ পাটিত পৰি অন্তৰৰ জুই কুৰা ফুৱাবলৈ ধৰিলে।



তাৰ পিছ দিনাখন দেওবাৰ। আটায়ে আবেলি গিৰ্জ্জালৈ গ'ল। মেডাম ভাইনে লৰাছোৱালী হালক ৰ লৈ গিৰ্জ্জাত উপস্থিত হলগৈ। তাত গৈ দেখে যে কাৰ্লাইল তাহানি য'ত বহিছিল, সিদিনাও তাতে বহিছেগৈ। তেওঁৰ সোঁহাতে য'ত এদিন লেডী ইছাবেলে শোভা পাইছিল ত'ত বাৰবাৰা কাৰ্লাইল। আজি লেডী-ইছাবেল তাৰপৰা বঞ্চিত, চিৰ বঞ্চিত! ইছাবেলৰ ৰ সেইপিনেই দেই পুৰি গ'ল। দুচকুৰে দুধাৰি অগনি যেন চকুলো বাগৰি গ'ল।

সকলো ঘৰাঘৰি গ'ল। কাৰ্লাইল আৰু বাৰবাৰা লগত মেডাম ভাইন লিগিৰী ৰূপে (লেডী ইছাবেল কাৰ্লাইল) লৰাছোৱালী হালৰ হাতত ধৰি তেওঁলোকৰ পিছে পিছে ঘৰমুৱা হ'ল। তেওঁ গিৰ্জ্জাঘৰৰ চোতাল খন হওঁতেই পিতাকৰ মৈদামটোৰ ফালে কেৰাহিকৈ চাই টোপা চকুলো টুকিলে। তেওঁৰ অন্তৰ ভৰি শোকৰ বেগ উঠিল, "আহাঁ! ময়ো তাতে একেলগে পোত যোৱা হলে! মই ইষ্টলিনিলৈ আকৌ কিয় মৰিবলৈ আহিলোঁ!"

কেলেই? ঠিকেই হৈছে। একো অন্যায় বা অধৰ্ম্ম নাই। যেয়ে যি কৰে, সেয়ে তাৰ ফল পাব, ভুগিব কোনে পাব? ভাল কৰিলে ভাল, বেয়া কৰিলে বেয়া। লেডী ইছাবেলে নিজ কৰ্ম্মফল ভুগিবলৈ আহিছে। কৰ্ম্মফলৰ আৰম্ভণিতে তেওঁ অধৈৰ্য্য হলে কেনেকৈ হ?

মেডাম ভাইনে ৰাতিপুৱা দৈনিক কাম খিনি শেষ কৰি লুছি আৰু আৰ্চিক লগত লৈ ওপৰ তলাৰ বাৰান্দাত থাকেগৈ। লৰাছোৱালীহঁতে ধেমালি কৰি থাকে; তেওঁ বাৰান্দাৰ বেৰত হাতদি ঠিয়হৈ বাহিৰৰ দুৱাৰ মুখলৈ চাই থাকে। কাৰ্লাইল যথাসময়ত বাৰবাৰাৰ লগত ধৰাধৰি কৰি পদূলি মুখলৈকে গৈ তাৰ পিছত অফিছলৈ যায়। তেওঁৰ গোটেই শৰীৰ শিয়ৰি উঠে। অফিছৰ আগেয়ে তেওঁ লেডী ইছাবেলেই গৈছিল তেনেকৈ, আজি কালি বাৰবাৰা সতিনীও যায় তেনেকৈ। লেডী ইছাবেলৰ প্ৰাণে সহঁনে? আৰু নসয়েবা কৰিব কি? নিজে খৰিখেৰ যোগাৰ কৰি চিতা জলাইছে, তাতে আকৌ ঘিউৰ ছিটনিত জুই দপদপাই জলিছে! সেই জুইত আন কোনে জাপ দিব? নিজৰ অগনিত নিজে পুৰি মৰিছে!

ৰাতিপুৱা কাৰ্লাইল অফিছলৈ গৈ দেখে অফিছঘৰৰ ভিতৰে বাহিৰে মানুহৰে ভৰপূৰ। ইষ্টলিনিৰ সম্ভ্ৰান্ত মুখিয়াল সকল ঘৰৰ ভিতৰত বহি কাৰ্লাইলৰ কাৰণে বাট চাই আছে। বাহিৰতো মানুহৰ লেখ নাই। কাৰ্লাইল গৈ পোৱাত সকলোৱে আনন্দধ্বনি কৰিলে তাৰ পিছত সকলোৱে যুক্তি পৰামৰ্শ কৰি বিলাতৰ পাৰ্লেমেণ্টলৈ তেওঁক ইষ্টলিনিৰ প্ৰতিনিধি নিৰ্ব্বাচন কৰিলে। প্ৰথমতে কাৰ্লাইলে ওজৰ-আপত্তি কৰিলেও, ৰাইজৰ তেওঁৰ প্ৰতি আগ্ৰহ, মান-সম্মান, ভাব-ভক্তি দেখি শেষত তেওঁ মান্তি নহৈ নোৱাৰিলে। তেৱোঁ নিজকে নিজে গৌৰৱান্বিত বোধ কৰিলে।

আনন্দ মনেৰে গধুলি ঘৰলৈ আহি দেখে বাৰবাৰাই কিবা অহংকাৰৰ কথালৈ ঠেহ পাতি আছে। কাৰ্লাইল ওচৰ চাপোঁতেই কৈ উঠিল, "যদি সেইখিনি নাপাওঁ তেন্তে তুমি আজিৰপৰা এসপ্তাহ সময় মোক চুমাদি যাব নোৱাৰা।" কাৰ্লাইলে অভিমানিনীৰ অভিমান দেখি হাঁহি মাৰি কলে, "ইমানেই শাস্তিৰ যোগ্যনে?" "নহয় কি?" বাৰবাৰাৰ চকু চলচলীয়া হল; দুধাৰি প্ৰেমাশ্ৰু বৈ গল। কাৰ্লাইলে বাৰবাৰাক দুবাহুৰ মাজলৈ টানি আনি চুমা খাই দুয়োখন গাল ৰঙা কৰি দি। কলে, "এতিয়া হৈছেতো?"

হতভাগিনী মেডাম ভাইনক (লেডী ইছাবেলক) কিহে টানিলে! কি কাৰণে সোধ-পোছ নোহোৱাকৈ মুহূৰ্ত্ততে সোমাইছিলহি! কাৰ্লাইলে আগেয়ে ঘৈণীয়েক লেডী ইছাবেলক মৰম চেনেহ কৰিছিল। এতিয়াও তেওঁ তেওঁৰ ঘৈণীয়েক বাৰবাৰাক মৰম চেনেহ কৰিছে। ই একো নতুন নহয়। মেডাম ভাইন চকু মুদি যেনেকৈ আহিছিল তেনেকৈ ঘূৰি ওলাই গল।

কাৰ্লাইলে বাৰবাৰাক দুবাহুৰ মাজতে ৰাখি কলে, "শুনিছানে, ইষ্টলিনিৰ ৰাইজে মোক পাৰ্লেমেণ্ট মহাসভাৰ প্ৰতিনিধি নিৰ্ব্বাচন কৰিছে। ময়ো মান্তি

নহৈ নোৱাৰিলোঁ। ই বৰ গৌৰৱৰ কথা। মই বছৰৰ ভিতৰত ২।৪ মাহ লণ্ডনত থাকিব পাৰিম। কথা শুনি বাৰবাৰাৰ হিয়া আনন্দেৰে উপচি পৰিল। দুয়ো নানাৰকম কথাত মগ্ন হল।

হতভাগিনী মেডাম ভাইন আকৌ সেই প্ৰেমদৃশ্যৰ আগত উপস্থিত হ'লহি। বাৰবাৰাৰ চকুত পৰিল; তৎক্ষণাৎ কাৰ্লাইলৰ হাতৰ মাজৰপৰা আঁতৰি গল। কাৰ্লাইলে ঘূৰি চাই দেখে সমুখত মেডাম ভাইন। মেডাম ভাইন সেঁতা পৰি কিবা কওঁ কওঁকৈ আগবাঢ়ি গল। ইষ্টলিনি লৈ আহিবৰ আজি ৬।৭ মাহ হ'ল। এতিয়া তেওঁৰ হঠাৎ ধৰাপৰিবৰ ভয় নোহোৱা হৈছে। তেওঁ কাৰ্লাইলৰ ওচৰ চাপি কলে, "দেউতা, উইলিয়ামক এবাৰ চাই আহিব লাগে।"

উইলিয়ামৰ কাঁহ অসুখ বেছি হৈছে। ৰাতি অৱস্থা আৰু বেয়াহৈ উঠে। দিনক দিনে উইলিয়ামে মৃত্যুৰ ফালে খোজ ললে। উইলিয়ামৰ অৱস্থা দেখি মেডাম ভাইনৰ দিন ৰাতি টোপনি নহা হল। কত কি পৰিচৰ্য্যা কৰে, কত আলফুলকৈ তাক কোলাত সুমাই লৈ ওৰে নিশা বহি কটায়! হাজাৰ হওক নিজৰ পেটৰ পোনাতো! লেডী ইছাবেলে নিজ কপ মেডাম ভাইনৰ কথা পাহৰিলে। গধূলি উইলিয়ামৰ অৱস্থা বেয়া দেখি কাৰ্লাইল ঘৰলৈ অহাৰ গম পাই বুকত হাত দি লাহে লাহে কাৰ্লাইলৰ ঘৰ পালেগৈ। সন্মুখতে কাৰ্লাইল আৰু বাৰবাৰা গিৰিয়েক ঘৈণীয়েকৰ প্ৰেমসম্ভাষণ দেখা পাই উভতি গল আৰু উইলিয়ামৰ বিছনাৰ ওচৰতে মূৰে কপালে হাতদি বহি থাকিলগৈ। মাকৰ হিয়াত পুতেকৰ মুমূৰ্ষু অৱস্থাৰ শোকৰ আৱেগ উথলি উঠিল। কেইমিনিট মানৰ পিছতে আকৌ পাগলিনী হৈ কাৰ্লাইলৰ ঘৰত উপস্থিত। সকলো চিন্তাকে দমাই ৰাখি কৈ উঠিল, "দেউতা, অনুগ্ৰহকৈ এবাৰ উইলিয়ামক চাই আহকচোন।" কাৰ্লাইলে উত্তৰ দিলে, "নিশ্চয়, এই যাওঁ।"

বাৰবাৰাই সুধিলে—"কেলেই, কি কাৰণে?"

মেডাম ভাইনে কঁপাসুৰেৰে কলে, "তাৰ অৱস্থা ভাল নহয়; আগতকৈ বহুত বেয়া হৈছে। মই হলে ভাল দে[...] নাই।"

তিনিও উইলিয়ামৰ নৰিয়া পাটিৰ ওচৰ পালেগৈ[...] কাৰ্লাইলে থমকি উইলিয়ামৰ সেঁতা পৰি থকা মুখখনি[...] ফালে তধালাগি চাই থাকি মাতিলে, "উইলিয়াম! বাপ।"

উইলিয়ামে চকু মেলিলে; সুধিলে, "সেইজনী কো[...] পিতা?"

কা—"গা ভাল পোৱা নাইনে?"

উই—"ভাল পাইছোঁ; কিন্তু মোৰ বৰ ভাগৰ লাগিছে[...] পিতা।" কাৰ্লাইলে হুমুনিয়াহ ছাৰি সুধিলে, "তুমি[...] মাটিত কেলেই শুইছা?" "মই ইয়াতে শুবলৈ ভা[...] পাওঁ।" মেডাম ভাইনেও সেইকথাকে সমৰ্থন কৰি[...] ক'লে "তাক মই ইমান চেষ্টা কৰিও তাৰপৰা তুলি[...] নোৱাৰিলোঁ। দি সদায় ৰাতি হলে তেনেকৈ মাটিত[...] শুই থাকেগৈ। মই হাজাৰ মাতিলেও তাৰপৰা নুঠে[...] তাত শুলে তাৰ হেনো গাটো ভাল লাগে, জ্বৰ পৰে।"

কা—বাপ, কিবা খাবলৈ মন গৈছেনে?"

উইলিয়ামে চকুলো মুছি কলে, "মোক আৰু ঔষ[...] খুৱাবা পিতা। সেই কেঁচা মাছ কেঁচা মাছ বে[...] গোন্ধোৱা কড্‌লিভাৰ তেল আৰু মই নাখাওঁ।"

কাৰ্লাইল নীৰৱ হ'ল। দীঘলকৈ হুমুনিয়াহ পেলাই[...] কলে, "ডাক্তৰকে মতা হক তেনেহলে মেডাম ভাইন" এ[...] বুলিকৈ ইছাবেলৰ ফালে চাই থাকিল। লেডী ইছাবেলে[...] কপালে মূৰে হাত দি নিজৰ ছদ্মবেশ মেডাম ভাইন না[...] পাহৰি বহি থাকিল।

এনেতে বাহিৰত মিছ কৰ্ণিৰ মাত শুনা গল[...] কাৰ্লাইলৰ বিচাৰ লোৱাত তেওঁ ভয়তে আগভেটি কৰি[...] আগত ঠিয় হলগৈ। কৰ্ণিয়ে চকু পকাই কাৰ্লাইল[...] পাৰ্লেমেণ্টৰ মেম্বাৰ নিৰ্ব্বাচনৰ কথা সুধিলে। ইষ্টলি[...] বুঢ়া-বুঢ়ী, ডেকা-ডেকেৰী, লৰাছোৱালী আটায়ে কাৰ্লাই[...] ভাল পাইছিল; তেওঁ মেম্বাৰ নিৰ্ব্বাচিত হোৱাতো আটা[...] সুখ পাইছিল, কিন্তু কৰ্ণিৰ মনত ধনিষ্ঠামানো স[...] নজন্মিল। বায়েক ভায়েকৰ তৰ্কাতৰ্কি লাগিল।

দুদিন পিছতে স্থানীয় বাতৰি কাকতত খবৰ ও[...] মিঃ কাৰ্লাইল পাৰ্লেমেণ্টলৈ ইষ্টলিনিৰপৰা প্ৰতি[...] নিৰ্ব্বাচিত হৈছে। ইপিনে আলিবাটৰ দুয়ো কাষে[...] গছনি, ছাল-বেৰত চিত্ৰ বিচিত্ৰ বিজ্ঞাপন উঠিল—[...] কাৰ্লাইল, মিঃ কাৰ্লাইল, মিঃ কাৰ্লাইলক আটায়ে[...] দিবা।"

# বীজাণুৰ চমু পৰিচয়

—ডাঃ কমলেশ্বৰ গগৈ

বীজাণু এবিধ 'অণুবীক্ষণ যন্ত্ৰৰ' সহায়েৰে চাব পৰা [...]নিচেই সৰু জীৱ। ই দুই প্ৰকাৰৰ, এভাগ জন্তু আৰু [...]আন ভাগ উদ্ভিদ্ বিশেষ, যদিও বা ইয়াক আকৌ [...]নানান প্ৰকাৰে বিভক্ত কৰা হয়। প্ৰথম বিধৰ থকা ঠাই [...]কোনো কীট, পটঙ্গ, মাখি, ম'হ, নানা ৰকমৰ জন্তু আৰু [...]মানুহৰ শৰীৰৰ বাজে ভিতৰে দুয়োতেই থাকে; অন্য বিধ [...]জল, স্থল, বায়ু সকলোতে বিৰাজমান। আমাৰ নিচিনাকৈ [...]ইহঁতৰো আহাৰৰ আৱশ্যক; খাদ্য, অখাদ্য, ভক্ষ্য [...]অভক্ষ্য, বিষাক্ত, পুষ্টিকাৰী ইহঁতৰো আছে; বৰ গৰম বা [...]ঠাণ্ডাত আগাৰ থকা যেনে সম্ভৱপৰ নহয়, ইহঁতৰ পক্ষেও [...]নহয়। প্ৰত্যেক ৰকমৰ বীজাণুৰ প্ৰায়েই বেলেগ [...]বেলেগ আহাৰ, থকা মেলাও বিভিন্ন, এই বিলাকৰ [...]কোনো কোনো ক্ষেত্ৰত যথেষ্ট ৰুচি পৰিলক্ষিত হয়। [...]গৱেষণালয়ত ( Laboratory ) অনেক ৰকমৰ বীজাণু-[...]ক পৃথক পৃথক কৃষ্টিৰ পোহন ৰসত ( Culture medium ) [...]পুহি ৰখা হৈছে। এইবোৰ যে বহুত গৱেষণা কৰি [...]উলিয়াব কৰা হৈছে তাক কোৱা বাহুল্য মাথোন। মানুহ [...] অন্য জীৱ জন্তুৰ নিচিনাকৈ সতি-সন্ততি বাঢ়ি যোৱা [...]ইহঁতৰো নীতি। দীৰ্ঘ, হ্ৰাস আয়ু, আকস্মিক বিপদ [...]সকলো আছে। কবলৈ গলে, চকুৰে দেখা নেপালেও [...]এনে বিৰাট বীজাণু সংসাৰ আছে, যাৰ লগত সদায় আমি [...] কৰিছোহঁক। বীজাণু বুলিলেই সাধাৰণতে কোনো [...]ৰোগৰ কাৰণ বুলি ধৰা হয়, কথাষাৰ বৰ সঁচা, কিন্তু [...]নিৰপৰাধীবো সংখ্যা কম নহয়, তাৰোপৰি আমাৰ গাত [...]বীজাণু বোধক শক্তিও থাকে।

[...]বীজাণুবিহীন কোনো মৰা জীৱ, গছ, লতা, শাক [...]নি পঁচি ধ্বংস হৈ জন্তুৰ আহাৰ বা মাটিৰ সাৰৰ [...]হ'ব পাৰ নোৱাৰে। গৰুৰ গোবৰ, আমাৰ শৌচ আৰু আন আন জন্তুৰ মল মূত্ৰ যে কিছুদিনৰ মূৰত নোহোৱা হোৱা দেখা যায়, সি কোনো বীজাণুৰেই কাম; এইবোৰেই অৱশেষত গৈ মাটিৰ সাৰ হয়। বাস্তৱিকে ইহঁতে আমাক মেতৰৰ কাম কৰি দিয়ে। কেইবা প্ৰকাৰো খোৱা আৰু দৰকাৰী বস্তু ইবিলাকে আমাক তৈয়াৰ কৰাত সহায় কৰে, এৱাঁ গাখীৰ দৈ হোৱাৰ কাৰণ এবিধ বীজাণু; ইয়াক ইংৰাজীত ( Lactic acid Bacillus ) বোলে। সেই দৰে কেইবা বিধো এছিদ্, মদ, চাৰাপ, চিৰকা (Vinegar) ইত্যাদি তৈয়াৰ কৰাৰ গুৰিত কোনো প্ৰকাৰ বীজাণু। নাম Yeast cells।

"হলেহে হলক কাঢ়ে" বোলা আমাৰ কথাষাৰ এই বীজাণুতেই বেছ প্ৰতীয়মান হয়। কিছুমানে যদিও মাৰাত্মক ব্যাধি আনে তথাপিও সিহঁতৰ গাত প্ৰতিষেধ অন্য কি উপশম কৰিবপৰা শক্তিও আছে। এই নিহিত শক্তি ঠিক আৰু বাহিৰ কৰি ৰোগত ব্যৱহাৰ কৰিবপৰা কথাটো যে বৰ সূক্ষ্ম বিজ্ঞান, বহু জনৰ বহু চেষ্টা, পৰিশ্ৰম, আৰু অধ্যৱসায়ৰ বলত যে হৈ উঠিছে তাক কোৱাই নিষ্প্ৰয়োজন। বসন্ত, কলেৰা, সন্নিপাত আদি ৰোগৰ প্ৰতিষেধক চিটা ( Protective Inoculation and Vaccination ) বুলি অনেকে জানে আৰু সেইবোৰৰ গুণাগুণো উপলব্ধি কৰিছে। এইবোৰ সেই বীজাণুৰে ঘাই বিষটো হ্ৰাস কৰি কৰা হয়। অৱশ্যে প্ৰত্যেকৰে তৈয়াৰ কৰা প্ৰণালী বেলেগ। ছাহাবসকলে বিলাতৰপৰ, আহিবৰ আৰু যাবৰ সময়ত প্ৰায়েই এনে চিটা লয়, বেমাৰৰ সময়ততো সুকীয়া কথা। আমিও এই বিষয়ে তৎপৰ হব লাগে।


কোনো কোনো বীজাণুৰ দ্বাৰা, ব্যাধি অনুযায়ী আৰোগ্যকাৰী বেজীও তৈয়াৰ কৰিব পৰা গৈছে। এইবোৰ

প্ৰায়েই প্ৰতিষেধক ৰূপে ব্যৱহাৰ কৰা হয় ; চমু বিৱৰণ—স্বভাৱ অনুসৰি এই বীজাণু বা ইয়াৰপৰা ওলোৱা বিষাক্ত ৰসখিনি সৰু গ্লাছৰ পাত্ৰত ধৰি অলপ অলপকৈ মাত্ৰা কৰি কেইবাদিনো সাধাৰণতে ঘোঁৰাৰ গাত ( অন্য জন্তুও হব পাৰে ) বেজী দি সুমাই দিয়া হয়, অলপ দিনৰ ভিতৰতে তাৰ শৰীৰত এবিধ বীজাণু ধ্বংসকাৰী পদাৰ্থ স্বভাৱতে উৎপন্ন হয়। তেতিয়া সেই জন্তুটোৰ তেজৰ পৰা তাৰ পনীয়া ভাগ বাহিৰ কৰি সৰু সৰু চিচাত পালি কৰি বতাহ পাব নোৱাৰাকৈ বন্ধ কৰি থোৱা হয়।
এবিধ বীজাণুৱে তাৰপৰা হোৱা বেমাৰত হে কাম কৰে।

বীজাণুভূক ( Bacterophage ) স্বভাৱতে জন্ম হোৱা একপ্ৰকাৰ বীজাণু ধ্বংসকাৰী। বীজাণু কণিকা। ডি হেৰিলৰ মতে এই কণিকাবোৰ বীজাণু শৰীৰৰ পৰজীৱী। (parasite )। বীজাণু বৃদ্ধিৰ লগে লগে বীজাণু দেহতেই ইয়াৰ বৃদ্ধি হয়, আৰু শেষত অনুকূল অৱস্থা আৰু সুবিধা পালেই বীজাণুক ধ্বংস কৰে। বৰ্ত্তমানলৈকে এই বীজাণুভূক বেছিকৈ বীজাণু মূলক গ্ৰহণীত ( Bacillary Dysentery ) আৰু হাইজা ব্যৱহৃত হৈছে, যদিও বহুত বেমাৰত লগাব পৰা যাবগৈ বুলি আশা কৰা গৈছে। এনে ৰোগৰপৰা ভাল হোৱা ( Convalescent ) বেমাৰীৰ মলমূত্ৰৰপৰা ফিলটাৰেৰে চাকিলে এই বীজাণু কণিকা বাহিৰ হয়। এই সংক্ৰামক ব্যাধিৰ উঠন পতন আপোনা আপোনি উদ্ভৱ হোৱা বীজাণুভূকৰ ওপৰতেই যাইকৈ নিৰ্ভৰ কৰে।

ইয়াত বাজেও কিছুমান বীজাণুৰ দ্বাৰা অনেক ৰোগ নিৰ্ণয়ত সহায় লোৱা হয়। সৰ্ব্বসাধাৰণতে সন্নিপাত জ্বৰ বীজাণুবোৰ একে ঠাইতে থূপ বান্ধে ; অন্ত্ৰৰোগ হলে তেনে নহয়। অন্যান্য কেইবা প্ৰকাৰ ৰোগতো সেই একে কথাই। অৱশ্যে কিছু তাৰতম্য আছে। এইবিলাকৰপৰা কোৱা নাই যে বীজাণুৱে আমাৰ প্ৰশ্ৰয় পাব লাগে।

বীজাণু আমাৰ শৰীৰৰ ভিতৰলৈ প্ৰৱেশ কৰাৰ দ্বাৰ হৈছে (১) ছালৰ মাজেদি (২) খোৱাবস্তুৰ লগত (৩) নিশ্বাসত (৪) প্ৰস্ৰাবৰ নলীয়েদি,(৫) পোনে পোনে তেজেৰে মিহলি হৈ। ছালত যেতিয়া ঘা বা কটা কুটা থাকে তেতিয়াই সিহঁতে প্ৰবেশ কৰিবলৈ সুবিধা পায়। এতেকে এইবোৰ সামান্য সুবুলি প্ৰতিকাৰ কৰা দৰকাৰ। খোৱাবস্তু যাতে পৰিস্কাৰ পৰিছন্ন হয় আৰু সদায় ঢাকি থোৱা হয় তাৰ তত্বাৱধান লব লাগে। বিশুদ্ধ বতাহৰ কথা নকলেও হয়। চতুৰ্থ বাট বন্ধ কৰাৰ উপায় আমাৰ স্বভাৱ নিৰ্ম্মল কৰা। মহ, উৰহ নানা প্ৰকাৰৰ কামুৰিব পৰা মাৰী ইত্যাদিয়েই যাইকৈ বীজাণু আমাৰ তেজত সুমাই দিয়ে। নিকাকৈ থকা মেলা, বিছনা সদায় ৰদত দিয়া, আঁঠুৱা ব্যৱহাৰ আদিয়েই প্ৰৱেশ নিষেধৰ উপায়।



# "হৰগৌৰী বিবাহ"

—শ্ৰীযুত নলিনীকুমাৰ মিশ্ৰ বি-এ

"হৰগৌৰী বিবাহ"—এই নামৰ পুথি এখন আমাৰ ...তত পৰিছেছি। ৰচোতাৰ নাম ৰামৰাম দাস। ...ৰাম দাস কোন, কেতিয়াৰ আৰু ক'ৰ মানুহ এই-...ৰ কথাৰ পুথিত একো উল্লেখ নাই। পুথিৰ ভাষা ...ৰু তাত উল্লিখিত সামাজিক আচাৰ ব্যৱহাৰৰ পৰাহে ...মি পুথি ৰচোতাক নামনি অসমৰ কামৰূপৰ অধিবাসী ...লি সিদ্ধান্ত কৰিছো। এই প্ৰৱন্ধৰ সামৰণিৰ ফালে ...ই বিষয়ে অলপ বহলাই আলোচনা কৰা হ'ল।

পুথিৰ আৰম্ভণি—তাৰকাসুৰে অমৰাৱতী চন...ৰিলত সকলো'বোৰ দেৱতা একেলগ হৈ মহাদেৱৰ ওচৰ ...লেগৈ। নন্দী ভৃঙ্গী আদি ভূতগণ পৰিবেষ্টিত মহাদেৱক ...খি দেৱতাসকলে পৰি পৰি প্ৰণাম আৰু স্তৱ কৰি ...নালে যে ব্ৰহ্মাৰ আদেশত তেওঁলোক তেওঁৰ ওৰি ...হৈছেহি। তাৰকাসুৰক মহাদেৱৰ পুতেকৰ বাহিৰে ...ইনে বধিব নোৱাৰে আৰু সেইদেখিয়েই বিয়া কৰাবলৈ ...তেওঁক টানি ধৰিবলৈ তাত আহি উপস্থিত হৈছেহি। তেওঁলোকে শিৱক জনালে—

"ব্ৰহ্মাদেৱে পঠাই দিলা তোমাৰ পাশক।
তোমাৰেসে পুত্ৰে বধিবেক তাৰকাক ॥"

শিৱৰ উঠিল হাঁহি। উঠিবৰ কথাই। তেওঁৰ ...সম্পত্তি নাই। তেওঁ শ্মশানবাসী ব্যোমকেশ, তেওঁ যে ...দিগম্বৰ! দিগম্বৰৰো আকৌ বিয়া!

"শুনি শিৱে হাসি ৰঙে বুলিলেক পাছে।
মঞি দিগম্বৰ মোৰ দাৰা কৈত আছে।"

শিৱৰ উত্তৰ কোমল পাই দেৱতা সকলে বুজিলে যে ...টো তেওঁলোকে যিমান টান বুলি ভাবিছিল সিমান ...ন নহব। উদ্দেশ্য সিদ্ধি হোৱাৰে পূৰা সম্ভৱ। ছোৱালী ...য়া হব আপুনি মাত্ৰ কৰাম বুলি কথা দিয়ক।" শিৱই ...—বাৰু কৰিম বিয়া তোমালোকে মাত্ৰ—

"ৰূপে গুণে ভুবন-মোহিনী সুলক্ষিণী।
সেহি কন্যা বিবাহ কৰিবো দিয়া আনি ॥"

মহাদেৱে তেনেহলে এইবুলি ভাবিছিলনে কি—মোৰ বিয়াখন তেওঁলোকৰ বিশেষ প্ৰয়োজন হৈ উঠিছে আৰু সেই দেখিয়েই এওঁলোকে যত্নৰ ক্ৰটী যে নকৰে ই ঠিক। এই সুবিধাতে এলাপেছা ছোৱালী নহয় একেবাৰে 'ৰূপে গুণে ভুবন মোহিনী সুলক্ষিণী' ছোৱালী এটি বিয়া কৰাই থোৱা যাওক। সৃষ্টিকৰ ব্ৰহ্মাইহে জানে কত তোমাৰ ছোৱালী আছে, আমি ব্ৰহ্মাক সোধোগৈ—এই বুলি দেৱতাসকল দিহাদিহি গ'ল। সময়মতে ব্ৰহ্মাৰ আদেশত নাৰদ মুনি গৈ 'হেমৱন্ত' ৰজাৰ দেশ ওলালগৈ। ৰজাই অতিথিক যথাযোগ্য সমাদৰ কৰি আগমনৰ কাৰণ সোধাত ব্ৰহ্মাই মহাদেৱলৈ তেওঁৰ ছোৱালীটী ধৰিবলৈ পঠিয়াইছে বুলি জনালে। ৰজাই অতি সন্তোষেৰে এই সুপ্ৰস্তাৱত সম্মতি দিলে, কিয়নো তেওঁ জানেই যে—

"ব্ৰহ্মা বিষ্ণু মহেশ্বৰ একে কলেৱৰ।
হেন মহাদেৱ যদি জিৱ হোৱে বৰ ॥
যদি মহাদেৱ কন্যা বিবাহ কৰায়।
কৰিলো কবুল বিয়া দিবহ নিশ্চয় ॥"

ৰজাক আশীৰ্ব্বাদ কৰি বিদায় হৈ মুনি গৈ দেৱীৰ ওচৰ পালেগৈ। মুনিক ৰজাই কৈ থৈছিল যে 'জিয়ে যদি বৰে তেবে কাৰ্য্য হবে ভাল।' সেই কাল স্বয়ম্বৰৰ কাল যেতিয়া, এনে কাৰ্য্যহে ভাল। মুনিয়ে এই কাৰণেই জীয়েকৰ মনটোও জুখি থৈ যোৱাটো ভাল হব বুলি ভাবিলে।

"দেবীৰ মন্দিৰে গৈয়া ঋষি প্ৰৱেশিলা।
বসিয়া আছন্ত মুনি নাৰদে দেখিলা ॥
কৰযুৰে আসিৰ্ব্বাদ কৰিলা প্ৰণতি।
তুমি জগতৰে মাতৃ ভবানি পাৰ্ব্বতি ॥

অসুৰদলনি মুক্তি দায়িনি প্ৰমদা।
ৰুচিৰ ছন্দন চাৰু দেৱি যে সুভদ্ৰা॥
জগতৰ বৰ দাতা তুমি সে গোসানি।
হৈবও তোমাৰ বৰ প্ৰভু শূলপাণি॥
দিবো বুলি গিৰিৰাজে মোত কৈলে কথা।
তুমি দেৱি মাৱ নকৰিবাহা অন্যথা॥"

দেৱীয়ে নাৰদক যথাৱত উত্তৰকে দিলে। এই উত্তৰ নাৰদৰ কাৰণে মিঠা ভৎসনাহে হল। নাৰদৰ কথাত দেৱীয়ে ঘপৰাই উত্তৰ দিলে :—

"দেৱি বোলে শুৰু মই নহ স্বতন্ত্ৰৰি।
পিতৃৰ অধীন মই চয়াল কুমাৰি॥
পিতৃ যদি দিবোঁ বাক্য বুলিয়া আছয়।
ভজিবো শিৱক মই বুলিলো নিশ্চয়॥"

কুমাৰী অৱস্থাত স্ত্ৰীজাতি পিতৃৰ অধীন। বিয়াৰ বিষয়ে পিতাকৰ মতেই খাটাং। পিতাকে যদি দিওঁ বুলিছে শিৱলৈ তেনে তাত দেৱীৰ ওজৰ আপত্তি কি থাকিব পাৰে? নাৰদে দেৱীৰ কথাত ৰং পাই এইবাৰ অন্তঃপুৰৰ ফালেও এপাক মাৰি আহিবলৈ ওলাল।— বাপেকৰ আৰু ছোৱালীৰ মত পালোৱেই এতিয়ানো মাকৰ মততোনো লৈ নাযাওঁ কিয় এই বুলি। মাকে আকৌ শেষত বা কি কৰে বুজা টান। মুনিয়ে গৈ মেনকাৰ আগত কথাটো উলিয়াবলৈহে পালে ৰাণী জ্বলি উঠিল, সেই নাঙ্গং নবস্ত্ৰং তপস্বী শিৱলৈ মোৰ ছোৱালীজনী দিম বুলি কথা দিলেইনে? তেতিয়াই ৰজাক টান টান কথা কেতবোৰ দিলেগৈ শুনাই।—

"কাত বিহা দিব খোজা হুগ্ধৰ ছৱালী।
কোনোবা তপস্বী তাৰ গাৱে ফটাকানি॥
তাক কোন মতে দিবা মোৰ জীউ খানি।
একগুটি বলদ আছয় তাৰ ঠাই।
তাত বিহা দিবা কেনে দুই চক্ষু খাই॥
বাঘ চাল পিন্ধে তাৰ বস্ত্ৰ নাহি ঘৰে।
তাক দেখি আই মোৰ মৰিবেক ডৰে॥
সৰ্পৰেষে অলঙ্কাৰ গাৱত পিন্ধয়।
সুবৰ্ণ ৰজত তাৰ কিছু নাহিকয়॥
এসুৱা ৰৰত জিক নেদিবা সমুলি।
নিতে নিতে তিনি সাজে লাগে ভাঙ তিনি ডুলি
পুৰা চাৰি পাঞ্চ লাগে ধুতুৰাৰ গুটি।
তাক সুমৰন্তে মোৰ প্ৰাণ যাই ফুটি॥"

এনে দৰালৈনো কোন মাকে জীয়েকক দিব খোজে? ধন সম্পত্তিৰ পিনে সেই বলদটি, অলঙ্কাৰৰ পিনে সেই, ভোগৰ পিনে ভাং আৰু ধুতুৰাৰ সেই নিত্য প্ৰয়োজনীয় জোখ! নাৰদৰ আশঙ্কা অনৰ্থক নহল। মুনিয়ে যাইক মহাদেৱক জনালে গৈ যে ৰূপে গুণে ধন্যা পাৰ্ব্বতী তেওঁৰহে পত্নী হবৰ যোগ্য, হেমৱন্ত ৰজাই তেওঁলৈকে দিব বুলি কথা দিছে ইত্যাদি। মুনিৰ মুখে সকলো শুনি লৈ নন্দী আৰু ভৃঙ্গীক 'গুৱাপাণ' লৈ দেশ দস্তুৰ মতে "কন্যা সুধি পুচি" আহিবলৈ পঠিয়াই দিলে। দুয়ো গৈ হেমৱন্ত ৰজাৰ পুৰি পাই শিৱৰ আদেশমতে 'গুৱাপাণ,' দি "মহাদেৱে কন্যা খোজে" বুলি ৰজাক জনালে। "গুৱাপাণ"ৰ কেতবোৰ সমজুৱাৰ মাজত ভগাই দিলে আৰু কেতবোৰ ভিতৰলৈ পঠিয়ালে।

"মেনকা বোলয় দেখি কাৰ গুৱাপাণ।
কন্যাৰ নিমিত্তে কোনে আসে মোৰ থান॥
দাস দাসী বোলে নন্দী ভৃঙ্গী আসে দুই।
মহাদেৱে কন্যা খোজে আই মহাদই॥
মেনকা বোলয় নালাগয় গুৱাপাণ।
কি কাৰণে জিক দিম তপস্বীৰ থান॥
জটিয়া ভাঙুৱা তাৰ নাহি ঘৰবাৰি।
কেনেমতে দিবো তাত দয়াৰ জিয়াৰি॥
হৰি হৰি গিৰিৰাজ দুই চক্ষু খাইলি।
তপস্বী গোটক তই জগ্ৰাই খুজি পাইলি॥

* * *

* * *

আদৰিয়া জিই মোৰ কান্দি ভাত খাই।
ভাঙ্গ খুন্দা ডাঙ্গ দেখি মৰিবে ডৰাই॥"

"গুৱাপাণ" লৈ ভিতৰ পালেগৈ মেনকা যে জ্বলিপকি উঠিব এই কথা জানি গিৰিৰাজ অন্তঃপুৰ পালেগৈ। ৰজাই ৰৰকৈ বুজালতো ৰাণীয়ে কৈ উঠিল—



"কাঠৰ ঠগিত আসি আছে গুৱাপাণ।
এগুৱা দৰিদ্ৰ পিতলৰ ঠগি নাই॥
ৰাজা বোলে ঐশ্বৰ্য্য বিভুতিমন্ত বৰ।
মেনকা বোলন্ত তেবে আসন্তোক বৰ॥
ইষ্ট মিত্ৰে যদি ভাল বোলন্ত জগ্ৰাই।
তেবেসে জিউক দিবো তপস্বিৰ ঠাই॥"

ৰাৰু যদিহে দৰা ভাল আৰু আমাৰ অঙ্গহী [illegible]গী ইষ্টমিত্ৰই চাই ভাল বোলে তেহে বিয়া হব নহলে [illegible]ব। অনেক তৰ্কবিতৰ্কৰ পিছত ৰজাৰ কথাতে [illegible]োৱালী দিবলৈ ৰাণী মান্তি হল। জ্যোতিষীয়ে দিন [illegible]ৰ চাই দিলে। মহাদেৱে সিফালে ব্ৰহ্মাক কলে :—

"মই ভোলানাথ কিছু নজানু কাৰণ।
তুমি ইন্দ্ৰ চন্দ্ৰ সূৰ্য্য দিগপাল গণে।
বিবাহৰ ব্যৱহাৰ কৰিবা ইথান॥"

তেওঁ ভোলানাথ কি জানে। ইন্দ্ৰ, চন্দ্ৰ, ব্ৰহ্মা আদিয়ে [illegible]াধন পাতে যদি তেওঁ গৈ হোমৰ গুৰিত বহিবলৈ [illegible]ৰি। বিয়াৰ যোগাৰ কৰাৰ নিচিনা হেমগেমীয়া [illegible]াত তেওঁ নাই। তাৰ পিছত—

"মঙ্গলবাৰ আসি যেহি দিন ভৈলা।
তৈল-ভাৰ দিবে লাগি ব্ৰহ্মা আদেশিলা॥"

পাঠকে তেলৰ ভাৰৰ ফৰ্দ্দখন এবাৰ চাই লওক। [illegible]দি হলে ইয়াত এই ফৰ্দ্দখন তুলি নিদিয়াকৈ থাকিব [illegible]াৱাৰিলো।

"দধি দুগ্ধ ঘৃত মধু চিনি পৰ্কামৃত।
মিঠৈৰ কলৰ লাৰু পিঠাৰ প্ৰস্তুত॥
ফল সন্দেশৰ ভাৰ দিলন্ত অপাৰ।
মৎস্য কচ্ছপক দিলা তিনি হাজাৰ।
হৰিণ পশুক দিলা এক শত কুৰি।
লোণ তেল আগ্ৰাক দিলন্ত ভৰি পুৰি॥
সুগন্ধি তৈলক দিলা শতেক কলস।
সিন্দুৰে বান্ধি থৈলন্ত ভাৰ দশ॥"

ইত্যাদি আৰু কত যে কি দিলে লেখ জোখ নাই। [illegible]ৰ পিছত বিয়া। বিয়াৰ পানীতোলা কইনা নোওৱা-[illegible]ৱা, দুলৰি পতা, সুৱাগ তোলা, বিয়াৰ নাম আৰু উৰুলি আদিৰ বিৱৰণে পাঠকক অসমীয়া ঘৰৰ বিয়া এখনলৈ হে মনত পেলাব।

"সুবৰ্ণৰ কুম্ভ ভৰি আসিলেক জল।
গাৱে বিবাহৰ গীত কৰি সুমঙ্গল॥

* * * * *

অসংখ্যাত ঢোল দবা ৰাজায়ে তবোলা।
উৰুলি জোকাৰ পৰি কৰে টলবল॥
নানা দিব্য অলঙ্কাৰ পিন্ধিলন্ত হৰ।
কোটি সূৰ্য্য সম জলে চন্দ্ৰ সমসৰ॥
যবে বুধবাৰ দিৱস বহি গৈলা।
বাৰ চাৰি দণ্ড আসি সুভক্ষণ ভৈলা॥
বিষ্ণু আসি বসিলন্ত বিবাহ ঘৰত।
ব্ৰহ্মঋষি ৰাজঋষি দেৱঋষি যত॥"

দৰাৰ ঘৰৰ বিষয়ে ইমানেই। ইফালে কইনা ঘৰত কইনাৰ বাপেক হেমৱন্ত ৰজাই নান্দিমুখ শ্ৰাদ্ধ সমাপন কৰিলে। যথা সময়ত দৰা আহি পালত মেনকাই লগত নিমন্ত্ৰিত সকলক লৈ দৰা আদৰিলেগৈ—

"বিবাহ কৰিতে বসিলন্ত শিৱনাথ।
জয়জয় আন্দোল মিলিল সি বেলাত॥
সুবৰ্ণৰ দীপ ঘট শাৰী শাৰী থৈলা।
পৰ্ব্বত মুনিয়ে বিধি পঢ়িবাক লৈলা॥
ব্ৰহ্মা শ্ৰুকশ্ৰুৰ ধৰি বসিলা সিঠাই।
সাস্থি হৈয়া হেমৱন্ত আসিলা সিঠাই॥"

দেৱ-পুৰন্দৰ, ব্ৰহ্মা, বিষ্ণু আৰু দিগপালসকলে গাই, ধনৰত্ন উছৰ্গা কৰিলে। ছোৱালী হোমৰ গুৰিলৈ অনা হ'ল—

"মঙ্গল জোকাৰ কৰি দেবি আসিলন্ত।
মুখ চন্দ্ৰায়নি কৰি জগতৰে আই॥
শিৱৰ দক্ষিণ পাসে বসিলন্ত আই।

* * *

লগ্ন গাঠি বান্ধিলেক বস্ত্ৰে বস্ত্ৰে ধৰি।

* *

ব্ৰহ্মা হোম কৰিলেক লক্ষেক হাজাৰ।
চতুৰ্দ্দিতি হৰিধনি পাৰন্ত জোকাৰ॥

কুবেৰেও মিত্ৰঘট ধৰিলেক জাই।
সথিত কৰিয়া বসিলন্ত সেহি ঠাই॥
বিবাহৰ কাৰ্য্য সমাপতি কৰিলন্ত।"

বিয়াৰ পাছত হেমৱন্ত ৰজাই আঠদিন জী-জোৱাঁইক ঘৰত ৰাখি একেবাৰে আঠমঙ্গলা খুৱাইহে পঠিয়ালে।

"শিৱক দেবিক আঠদিন ৰাখিলন্ত।
আঠদিন ৰাখি আঠমঙ্গলা দিলন্ত॥"

আঠমঙ্গলাৰ পিছত জীয়েৰক লৈ জোৱাঁই লৰা নিজ ঘৰলৈ যাবলৈ ওলাল। মাক মেনকা কান্দি-কাতি বিয়াকুল হল।

"মেনকায়ে কান্দিলা আগত পৰি জাই।
জিউ খানি প্ৰতিপাল কৰিয়ো জৱাঁই॥"

তাৰ পিছত দেৱীক দোলাত তুলি লৈ কৈলাসলৈ লৈ যোৱাৰ লগে লগে পুথিৰ সামৰণি।

### গ্ৰন্থকাৰৰ বিষয়ে আলোচনা

আৰম্ভণিতে আমি কৈ আহিছো যে পুথি ৰচোতা কৰ মানুহ আৰু কেতিয়াৰ তেওঁ নিজে উল্লেখ কৰি যোৱা নাই আৰু অইন পুথিতো আমি এওঁৰ বিষয়ে একো উল্লেখ পোৱা নাই। তেলৰ ভাৰ, তেলৰ ভাৰত মাছ দি[…] প্ৰথা কামৰূপতহে চলি আহিছে। আজিও এই প্ৰ[…] প্ৰচলিত। ছোৱালী খোজা প্ৰথাও উচ্চবৰ্ণৰ মাজ[…] উজনি অসমত নাই, কিন্তু কামৰূপত আছে। কিছুমা[…] দিনৰ আগলৈকে উচ্চবৰ্ণৰ ভিতৰতো বাপেকে 'গা-ধন[…] লৈ ছোৱালী বেচা দস্তুৰো আছিল; এতিয়া অৱশ্যে[…] দৰাঘৰীয়াইহে খৰচ পাতি দিব লগা হৈছে। (কন্যা[…] নিমিত্তে কোনে আসে মোৰ থান। দাসদাসী বোলে[…] নন্দী ভৃঙ্গী আসে দুই। মহাদেৱে কন্যা খোজে আ[…] মহাদই) কাঠৰ ঠগি, জোকাৰ, জঞাই, "সুগন্ধি তৈল[…] দিলা শতেক কলস।" (আয়তীবোৰৰ মাজত বিলা[…] দিবৰ জোখাৰে) আৰু ব্ৰহ্মা, বিষ্ণু আৰু অন্যান্য দেৱতা[…] ধন বস্ত্ৰ উছৰ্গা কৰা—এইবোৰ প্ৰথাৰ কাৰণে আমি[…] গ্ৰন্থকাৰক কামৰূপৰ বুলি সিদ্ধান্ত কৰিলো। আৰু "কবুল" আদি শব্দৰপৰা আমি ঠাৱৰালো যে অসমলৈ মুছলমান[…] অহাৰ পাছতহে এই গ্ৰন্থ ৰচিত হৈছিল কাৰণ বিয়া[…] বিষয়ে কবুল আদি শব্দৰ ব্যৱহাৰ কৰিবলৈ হলে মুছলমান[…] সমাজৰ বিষয়ে ৰচোতা অভিজ্ঞ হবই লাগিব[…] বৰ্ত্তমানলৈ ইমানকে আলোচনা কৰা হল।

---

## মনোৰমা

—শ্ৰীযুত দেৱকান্ত বৰুৱা

চকুত তোমাৰ সপোনৰ মায়া,
মুখত জোনৰ কোমল ছাঁ;
নিশাহত যেন নতুন ধাঁহৰ
সুৰভিৰে পূৰ, মৃদুল বা।
ক'লা চুলিটাৰি, কোনে সানি দিলে
জাঁউসী নিশাৰ সুষমা তাত?
কেতিয়া শিকালে কপৌৱেনো তাৰ
মন কিবা কৰা উকণ্ডা মাত?
আগ বাৰিষাৰ বা ৰিব্ ৰিব্
বতাহৰ দৰে তোমাৰ হাঁহি,
উলাহতে তাৰ কঁপিছে কলঙ্,
পানীমেটেকাই মেলিছে পাহি!
দহোটি আঙুলি, চঁপাকলি হেন,
পদুমৰ ঠাৰি দুখনি হাত
দুই দোৰ্ পতি থৰক বৰক,
তত্ নাইকিয়া মাকোৰ গাত!
নিপোটল বুকু, লাটুমণি ওঁঠ,
দুয়ো পাৰি দাঁত ডালিম গুটি;
মৰুময় মোৰ পৃথিবীত সখি!
তুমি কবিতাৰ একেটি স্ফূৰ্তি।

---

কথা ]

## মোৰ সাহিত্য জগতত এভুমুকি

—শ্ৰীযুত ভট্টবৰুৱা

[ ১ ]

[…]চ'তৰ শেষ। মোৰ জীৱনৰো প্ৰায় শেষেই। বৰ [..]গাহ আছিল শেষ সময়ত এটা শেষ ভুমুকি মাৰিবলৈ [সা]হিত্য জগতত। ঘৰতো বহুতদিনৰেপৰা আপত্তি চলিয়েই [আ]ছে—"সকলোৱে দেখোন 'আৱাহন'ত ভাল ভাল প্ৰবন্ধ [লি]খে আমাৰনো কবি বা কিবা এটা হ'ব নোৱাৰেনে?" [..]ই কিন্তু তিৰোতাক লাই দিয়া বিধৰ মানুহ নহওঁ। চকু [..]াই উঠিলো—"কেলেই আমাৰনো শাক পাচলিৰ এনে [..]তাৱ ক'ত হৈছে যে মই আৱতৰীয়া কবি হ'ব লগা [..]"। কিন্তু সঁচাকৈয়ে দেখোন এইবাৰ বিহু অহাৰ [..] লগে মোৰ ভাৱ-প্ৰৱণতা বাঢ়ি আহিবলৈ ধৰিছে। [..]গৰ কোৰ, পেঁপাৰ মাতত দেখোন এই বয়সতো নাচি-[..]হে মন যায়। আম গছৰ কুলিটোৰ মাতটোৱে পতি [..]য়াখন যেন চিৰিংকৈ উঠে। দক্ষিণৰ বা-ছাতিয়ে [..]খান আজি কেইবা দিনৰেপৰা এই বুঢ়া জকাটোৰ [..]ড়কিডাল জোকাৰি দি যাবলৈ ধৰিছে। * * * নাই, [..]ণৰ এনে পুলক হিয়াৰ এনে স্পন্দন অপলে যাব দিব [নো]ৱাৰি। * * * * মই কবি হ'বৰ মন কৰিলো।

[ ২ ]

এতিয়া মই ভাব ৰাজ্যত। কত যে ভাব আহিছে [..]ছে তাৰ সীমা সংখ্যা নাই। কিন্তু কি হ'ব কোনোটিকে [..]খান আধুনিক ৰীতিৰে প্ৰাঞ্জল ভাষাত, মধুৰ ছন্দত [..]ইবা জতুৱা ঠাঁচত ফুটাই তুলিব নোৱাৰোঁ। ইফালে [আ]জিকালি 'পেৰেম পীৰিতি'ৰ কথা থকা নহলে হেনো [..] কোনো প্ৰথম শ্ৰেণীৰ আলোচনীতে নছপায় আৰু [..]গলেও তাক কোনো ডেকা গাভৰুৱে নপঢ়ে। তেনে, [..]াইক ময়ো 'পেৰেম'ৰ গল্প লিখা বুধি এটা পাইছোঁ। চাৰ [..]নিলে দেৱতাসকলৰ ভিতৰতে কত ৰকমৰ Comedy দেখিবাহঁক। * * * সৌ যে উষা আইটীৰ ৰঙা টুকটুকীয়া গাল দুখন তাকেই অৰুণ বোপাটীৰ আগত দাঙ্গি ধৰোঁ, ৰবাহঁক, চুমা এটি খাই Courtship আৰম্ভ কৰেনে নকৰে চাওঁ। * * * আও, এইবাৰ অৰুণ তাহানিৰ গ্ৰীচদেশৰ Apollo হ'ল আৰু Nymph Dafue উষাৰ পাছে পাছে লৰ ধৰিলে। * * সৌ দেখিছানে উষাৰ ফুলাম ৰিহাৰ আচল খানি কেনেকৈ পিছলৈকে নিলাজ বতাহে উকৰাই নিছে। আহা ভগৱানৰ কি বিচিত্ৰ লীলা। * * এইবাৰ, এইবাৰ বোধহয় অৰুণে ধৰেই। আহাহা! কি কঠোৰ বাস্তৱতা। ক'তো একো নাই দেখোন। উষাও নাই অৰুণো নাই। চিঃ মিছাতে এইখন বলকিছোঁ। নাই, দেৱতাৰ লীলাৰ গল্প লিখা আৰু নহ'ল। নৰ মনুষ্যৰ লীলাৰেহে কিবা হয় যদি।

[ ৩ ]

কিন্তু এটা কথা। মানুহৰ লীলা বুলিলে মোৰ নিজৰ কীৰ্ত্তি কলাপো বাদ নপৰে। ইপিনে মোৰ জীৱন কাহিনীৰ বিশেষকৈ আগছোৱাৰ গোটাদিয়েক পাতত ক'লা চিয়াঁহী তেনেই বিয়পি গৈছে। গতিকে ভয় হয় জানোছা মোৰ কাহিনীত কিজানি মোৰ লিখনীৰে মই নিজেই নায়ক হৈ ওলাওঁ আৰু সেইকালৰ বাটে ঘাটে প্ৰেম কৰি ফুৰা কথাৰে এটা এটাকৈ 'আৱাহন'ৰ পাত ভৰি যায়।...এনে ভয় অমূলক। সত্যক লুকাই ৰাখিব পাৰে কোনে? সঁচা কথা কেইটিমানকে যদি লিখি সাহ কৰি উলিয়াই দিব পৰা যায় তেন্তে সেয়ে সাহিত্য হ'ব বিশেষকৈ ব্যক্তি-গত জীৱনৰ কথা কেইটিমান গাই বাই শুনাব পাৰিলেহে আজিকালি সাহিত্যিক নাম পাব পাৰি আৰু পাঠক বৰ্গকো বেছ ৰং লগাব পাৰি। আৰু নিজৰ কথা নিজে লিখাত বা তাৰ আভাস হেঁপেহুৱা বাইজক দিয়াত

আপত্তিৰ কাৰণেই বা হ'ব পাৰে কিতো? দেখা নাইনে সেই আঁউলীৰ আন্ধাৰৰ ক'লা ঢাকনিৰে ঢাকি পোৱা অসমীয়া সাহিত্যৰ আকাশত কেনেকৈ জোৰা জোৰাকৈ তৰাৰ উদয় হৈ নিৰাশাবাদী জাতিটোৰ আৰু সাহিত্য সেৱীসকলৰ মুখ পোহৰ কৰি থৈ গ'ল।...বিশেষকৈ ভাবিবৰ কি আছে? মই যেনিবা "Spiritual Love" ৰ সলনি "Physical love"অৰ কথাকে দু-আষাৰ বেছিকৈ লিখিম। আৰু যদি তাক কোনোবাই বেয়া বোলে তেন্তে সেই খিনিতেই মোৰ "Freedom of will"অৰ দাবি।

[ ৪ ]

বিষয় বস্তুৰ অভাৱ ভট্টৰকৰাৰ নাই। কলিকতা থন নেদেখিলেও গুৱাহাটীখন দেখিছো। ইয়াতেই কলেজত সহ অধ্যয়নৰ বিশেষ ব্যৱস্থা আছে। ঠায়ে ঠায়ে পুৱা গধূলি clubঅৰ মিটিং বোৰো বহে আৰু প্ৰায় ভাগ কন্যাদায়-গ্ৰস্ত ভদ্ৰলোকৰ ঘৰতেই ইয়াত 'টিউশ্যনী'ৰো বন্দোবস্ত আছে বহুত। গতিকে মোৰ 'গল্পপ্ৰয়াস' আৰু ক'ত! এইবোৰৰপৰাই বাছকবনীয়া দুজনক থাপ মাৰি নি Shakespeareএ কোৱাৰ দৰে 'At the first-sight they have changed their eyes' বুলি আৰম্ভ কৰি দিলেই মোৰ বোমাক্কে ডেকাসকলক ৰোমাঞ্চিত কৰি দিব নহয়! ভট্টৰকৰাৰ এই খিনিতে 'আপচোচ'ৰ বিষয় যে দেশৰ এই জীৱন মৰণৰ সন্ধিক্ষণতো অসমত নাৰী জাগৰণৰ একো চিন দেখা পোৱা নাই। এতিয়াও মানুহৰ মনৰ "Pessimistic turn of mind"টো যোৱা নাই। গোটেই দেশখন কুসংস্কাৰেৰে ভৰা। তাহানি মান্ধাতাৰ আমোলত তিৰোতাসকল অসূৰ্য্যম্পৰ্শ্যা হৈ আছিল বুলি যে আজিও তেনে ভাবে থাকিব তাৰ কি অৰ্থ আছে? তেওঁলোকে জানো বৰ্ত্তমান সভ্যতাৰ পোহৰত জিলিকিবলৈ মন নকৰে? নিশ্চয় কৰে আৰু যদি কৰে তেন্তে এই সজ ইচ্ছাৰ স্বাধীনতাৰ ওপৰত মুনিহসকলৰ অনধিকাৰ চৰ্চ্চা কৰা অন্যায় নহৈছেনে? আৰু যদি এইটো নিয়তিৰ নিয়ম বুলি কোৱা যে তেওঁলোক তেওঁৰ ডঁৰিয়লিত পুতলাৰ দৰে বান্ধ খাই থাকিব লাগিব তেন্তে তেনে নিয়তিৰ নিয়মৰ বিৰুদ্ধে সদৌ উঠি অহা ডেকাসকলৰ হকে মই দোৰ্য্যোৰ প্ৰতিবাদ কৰোঁ। আগলৈ যেন নিয়তিয়ে দেশৰ, দহৰ, সাহিত্যৰ, জাতিৰ আৰু কৃষ্টিৰ সংৰক্ষণৰহকে তেওঁলোকৰ তেওঁৰ ডঁৰিয়লিৰ বান্ধ মোকোলাই দিয়ে তেতিয়া ভট্টৰকৰাই নিজে ঘৰত চাহ টুপি কৰি থাওঁতে হাতেৰে পোৱক। ভট্টৰকৰাই আজি দেশৰ হকে এইখিনি কথা হেংৰাজ স্বীকাৰ কৰিব, যদি তেওঁ আজি নতুনকৈ গজি উঠা কবি পোৱালীবোৰৰ সাৰ গোৱৰৰ অভাৱ নোহোৱা দেখা পায়। যদি অসমীয়া তিৰোতাৰ মাজতো তাহানিৰ মীৰাবাঈকে পায়, নাইবা Kant, Hume, Mill, Freud আদিৰ দাৰ্শনিক তত্ত্ববোৰৰ ব্যাখ্যাত্ৰীসকলক কলঙ আৰু লুইতৰ পাৰত ভাবৰাজ্যত ঘূৰি ফুৰি থকা দেখা পায়।

[ ৫ ]

* * মহা বিপদ। এটা বিপদৰপৰা হাত নো সাৰোতেই আন এটা বিপদে আগচি ধৰে। বোমাক লিখোঁ বুলিছোঁ যেতিয়া শৃঙ্গাৰ ৰস প্ৰধান কৰি নিদিলেও নহয় ইপিনে তেনে কৰিবলৈ গ'লে জানোচা 'ইটো গৃধ্ৰো অৰদ্ধাৰ:' হ'ব লাগে তাৰো ভয়। কাৰণ, নায়ক নায়িকাসকলৰ ভিতৰত প্ৰেম সম্বন্ধে আন মানুহতকৈ বিশেষকৈ মোৰ ধাৰণা বেলেগ ধৰণৰ। মোৰ মতে লৰাছোৱালীৰ মাজত প্ৰথমতে যি ভাব ওপজে তাৰ নাম Intellectual friendship অৰ্থাৎ মানসিক বন্ধুত্ব। এই সম্বন্ধ সময়ৰ লগে লগে উৎকৰ্ষ সাধন হৈ হৈ Physical Love অৰ বেৰ নোচোৱাকৈ মাজেদি পাৰ হৈ আধ্যাত্মিক প্ৰেমত পৰেগৈ। গতিকে মোৰ নায়ক নায়িকাবো প্ৰেম-ৰহস্যৰ গুৰি যদি মানসিক বন্ধুতাহে হয় আৰু দৈহিক প্ৰেমৰ চুবচ কিছুমান অভিনৱ চিত্ৰৰ মাজেদি ই প্ৰতিপালিত হয় তেনেহলে-নো সমাজৰ সঙ্কীৰ্ণ গণ্ডীৰ ভিতৰত থকা অভিভাৱক সকলে জানো মোক শুদাই এৰিব? ভট্টৰকৰা খোলা খুলি কথাৰ মানুহ যি দেখিছে তাকে লিখিছে বুলি মোক শেষত বেহাই দিলেও সকলো গূঢ় তত্ত্ব জানিশুনি তেওঁলোকৰ লৰ'ছোৱালীবোৰক স্কুল কলেজৰপৰা হালে হালে উলিয়াই নিনিয়াকৈ থাকিব জানো? সেয়ে যদি হয় তেন্তে সকলো সাং। দেশ উদ্ধাৰৰ কাৰণে ইমান বোৰ জল্পনা কল্পনা কৰি অৱশেষত ভট্টৰকৰাই দেখোন নিজহাতে সিবোৰৰ মূৰত বাগীকুঠাৰ বসুৱাব। হিত কামনা কৰোতে বিপৰীতহে হ'ব। নাই, তেনে কাম অন্ততঃ ভট্টৰকৰাৰদৰে প্ৰেমিক হৃদয়ৰ মানুহৰ দ্বাৰা সম্ভৱপৰ নহ'ব তেহেলৈ তেওঁক তোমালোকৰ সাহিত্যিক পদবীকে নালাগে।

# অষ্ট্ৰেলিয়া ভ্ৰমণ

[ ৭ম বছৰৰ ২য় সংখ্যাৰ পাছৰপৰা ]

শ্ৰীযুত বনমালী ভট্টাচাৰ্য্য বি-টি

## মাদ্ৰাজ

তি-বেলা ৪টা বজাত মাদ্ৰাজ পালোঁ। ষ্টেশ্যন টো দুমহলীয়া। ওপৰৰ মহলাত ইংৰাজী ধৰণে জনৰ বন্দবস্ত আছে। মাদ্ৰাজৰ স্কাউটাৰবিলাকে ৰ কাৰণে তাতে চাহ-জলপানৰ আয়োজন কৰিছিল; মি গৈ জলপান শেষ কৰি চহৰ চাবলৈ ওলালো।

মাদ্ৰাজ ভাৰতৰ তৃতীয় চহৰ বুলি প্ৰখ্যাত। ইয়াৰ দ্ৰত বহুদূৰলৈ তৰাং পানী, গতিকে বন্দৰৰ কাৰণে বিধা ঠাই নাই; তথাপি গৱৰ্ণমেণ্টে বহুত টকা খৰচ ৰি এটা বন্দৰ সাজিছে। ডাঙৰ ডাঙৰ জাহাজ বন্দৰলৈ হাৰ সুবিধাৰ কাৰণে দ পানীৰপৰা পাৰলৈ সদায় এটা ইবাট খান্দি ৰাখিব লগা হয়। এই কাৰ্য্যাত বছৰি ত টকা খৰচ হয়।

গৰৰ পাৰে পাৰে এটা ওখ, বহল, পৰিস্কাৰ আলি-টা। এই বাটৰ কাষে কাষে বহুত ধুনীয়া ধুনীয়া লিকাৰ আছে; কিছুমান ঘৰ চাৰি পাঁচ মহলীয়া। লি হ'লে চহৰৰ সৰহভাগ মানুহেই খোজ কাঢ়ি ৰু মটৰ গাৰীৰে ইয়ালৈ সাগৰৰ বতাহ ল'বলৈ আহে। বাটটোৰ নাম 'মেৰিণা'। ইয়াৰ এমূৰে ছেণ্ট্ টমাচৰ ৰ্জ্জা আৰু আন মূৰে হাইকোৰ্ট আৰু ল কলেজ। ৰ ওচৰতে ছেণ্ট জৰ্জ্জ দুৰ্গ।

মহাসমৰৰ সময়ত ভাৰত মহাসাগৰত আতঙ্ক লগাই ন জাৰ্মান ক্ৰুইজাৰ 'এমডেনে' বঙ্গোপসাগৰৰপৰা বৰ্ষণ কৰি মেৰিণাৰ কাষত থকা চৰ্কাৰি ঘৰৰ ইকোৰ্টৰ দেৱালত আঘাত কৰা চিন্ আজিকালিও বলৈ পোৱা যায়।

ল্লী আৰু আগ্ৰাৰ দুৰ্গ চাই অহাৰ পিছত মাদ্ৰাজৰ ছেণ্ট জৰ্জ্জ দুৰ্গ চাবলৈ গলে দৰ্শকৰ মনত সেইটো নিচেই সাধাৰণ যেন লাগে। দেৱালবিলাক চাপৰ; কোনো কোনো ঠাইত সহজে পাৰ হ'ব পাৰি। আজি কালি সৰহভাগ চৰ্কাৰি অফিচ এই দুৰ্গৰ ভিতৰতে।

দুৰ্গৰ উত্তৰে 'জৰ্জ্জ টাউন' নামে চহৰৰ এটা অংশ; ইয়াত চহৰৰ প্ৰায়বোৰ শ্বেতাঙ্গ বাস কৰে; ইয়াৰ চাৰিও পিনে ৰেল লাইনেৰে ঘেৰা; পূবে বন্দৰ।

দুৰ্গৰপৰা প্ৰায় দুমাইল মান দক্ষিণে সাগৰৰ পাৰত এটা 'একোৱেৰিয়ম্' অৰ্থাৎ জলজন্তুবিলাক স্বাভাৱিক অৱস্থাত ৰাখি দেখুৱাবৰ কাৰণে কৃত্ৰিম জলাশয় আছে। ই যদিও আকাৰত সৰু তথাপি বহুত আচৰিত ধৰণৰ সাগৰৰ মাছ আৰু আন আন জলজপ্ৰাণী ইয়াত সুন্দৰ বন্দবস্ত কৰি ৰাখিছে। এটা ঘৰৰ ভিতৰত ডাঠ কাঁচৰ কিছুমান ডাঙৰ ডাঙৰ বাকচ সাজি তাৰ ভিতৰত পানী আৰু উপযুক্ত ৰকমৰ জলজ-উদ্ভিদ দি অদ্ভুত ৰকমৰ সাগৰৰ মাছবোৰ জীয়াই ৰাখিছে; মাছবিলাকে তাৰ ভিতৰতে নানা ৰকমে খেলা কৰি আছে; ঘৰৰ বেৰবোৰত কাঁচ লগাই ভিতৰলৈ পোহৰ নিয়াৰ ব্যৱস্থা আছে। ই এটা অপূৰ্ব্ব দৃশ্য।

মাছবোৰৰ ভিতৰত 'ৰাচেল্চ স্কৰ্পিয়ণ ফিছ' নামে এজাতীয় সাগৰৰ মাছ আছে। ইয়াৰ ভাৰতীয় নাম কি কব নোৱাৰোঁ, কিন্তু 'ৰাচেল্' নামে এজন ইংৰাজে কৰমণ্ডল উপকূলত কিছুমান মাছৰ স্বভাৱ পৰীক্ষা কৰিছিল আৰু তেওঁৰ নাম চিৰস্মৰণীয় কৰিবৰ কাৰণে এই মাছৰ সেই নাম হৈছে। একোৱাৰিয়মত থকা মাছবোৰৰ ভিতৰত কোনো কোনো বিষয়ত ই আটাইতকৈ বেছি মনমোহা আৰু চিত্তৰঞ্জনকাৰী। ইয়াৰ

গাৰ আকৃতিৰ তুলনাত পাখিবিলাক ইমান ডাঙৰ যে তাৰ বাবেই ই খৰকৈ সাঁতুৰিব নোৱাৰে। পূৰা বয়সীয়া স্কৰ্পিয়ণ এটা মূৰৰপৰা ফিচালৈ প্ৰায় ৬ ইঞ্চি দীঘল। কাণৰ পাখি দুখন প্ৰায় ৪ ইঞ্চি দীঘল আৰু পাখিত থকা কাঁইটবোৰ বিষাক্ত ; ইয়াৰেই ই শত্ৰুক আঘাত কৰে। পানীত সাঁতুৰিবলৈ ধৰিলে ভিক্টোৰিয়ান্ যুগৰ ভদ্ৰ মহিলা আলি বাটত বতাহ খাই ফুৰা যেন দেখি। লাহে লাহে সাঁতুৰি যাওঁতে কাণৰ ডাঙৰ ডাঙৰ পাখিবোৰ ই হাতীৰ কাণ লৰোৱাদি লৰায় ; কিছু দূৰ গৈ হঠাৎ একে ঠাইতে নিশ্চল হৈ ৰৈ থাকে—যেনিবা দৰ্শকসকলৰপৰা তাৰ অপৰূপ সৌন্দৰ্য্যৰ প্ৰশংসাহে পাবলৈ বিচাৰিছে। ৰৈ থাকিবৰ সময়ত গাটো নিশ্চল হৈ থাকে, কিন্তু ফিচা আৰু পাখিবোৰ লাহে লাহে লৰি থাকে। তাৰ পিছত লাহেকৈ ঘূৰে,—যেনিবা দৰ্শকক তাৰ গোটেইটো গা ভালকৈ দেখুৱাব হে খুজিছে।

ডাঙৰ ডাঙৰ মাছবোৰে এইদৰে খেলা দেখুৱাবৰ কাৰণে আহল বহল ঠাই পোৱা নাই, গতিকে সিহঁতে ধৰি অনা বান্দৰৰ নিচিনা জলাশয়ৰ এচুকত লুঠুং ঠুঙীয়া হৈ পৰি আছে।

আন এটা জলাশয়ত সাগৰৰ সৰু সৰু বিষাক্ত সাপ কিছুমান আছে। ইহঁতৰ কিছুমান ফেটী সাপতকৈও বেছি বিষাক্ত কিন্তু দেখিলে ধোদ যেন লাগে।

ই মানুহক কামুৰিলে দুই তিনি মিনিটৰ ভিতৰতে মৃত্যু হয়। ইহতৰ গতি ধীৰ আৰু আঘাত নকৰিলে প্ৰায়ে নাকামোৰে। ইহঁতৰ লগত সাগৰৰ সৰু সৰু মাছ কিছুমান আছে। খোৱা বস্তু জলাশয়ত পেলাই দিলে মাছবোৰে সৰ্বাগ্ৰে আগেয়ে খাই পেলায়, তথাপি ইহঁতে সিবিলাকক আঘাত নকৰে।

একোৱাৰিয়মৰ ভিতৰলৈ যাব খুজিলে এক অনাৰ এখন টিকট কিনি লব লাগে। টিকট বেচি পোৱা টকাৰেই একোৱাৰিয়মৰ সকলো খৰচ চলিব পাৰে। ইয়াৰ বাহিৰেও তাত থকা জীৱজন্তুবিলাকৰ বৰ্ণনা আৰু বুৰঞ্জী লিখি কিতাপ উলিয়াই দৰ্শকবিলাকৰ ওচৰত বেচি কৰি বহুত টকা পায়। এইদৰে একোৱাৰিয়মৰ কৰ্তৃপক্ষই কাৰো ওচৰত হাত নপতাকৈয়ে এনে এটা অনুষ্ঠান চলাবলৈ সমৰ্থ হৈছে।

ভাৰতৰ আন আন প্ৰদেশৰ তুলনাত অসম মাছৰ কাৰণে বেছি বিখ্যাত, কিন্তু দুখৰ বিষয় যে গুৱাহাটীৰ নিচিনা ঠাইতো এনেকুৱা এটা অনুষ্ঠান পাতি অসমৰ জলচৰ নাইবা স্থলচৰ জীৱ-জন্তুবোৰ দেখুৱাবৰ কোনোৰকম বন্দবস্ত আজিলৈকে হৈ উঠা নাই। অসম গঁড়ৰ কাৰণে বিখ্যাত, কিন্তু স্কুলীয়া ল'ৰা ছোৱালী বিলাকে মাটিৰ গঁড় চাই সন্তুষ্ট হৈ থাকিব লগাত পৰিছে। আমাৰ দেশৰ গঁড় নি অষ্ট্ৰেলিয়াত চহৰে চহৰে ল'ৰা-ছোৱালী বিলাকক দেখুৱাব লাগিছে। ইয়াতকৈ অনুতাপৰ বিষয় আৰু কিবা আছেনে ?

একোৱাৰিয়ম্ চোৱা শেষ কৰি চহৰৰ ভিতৰলৈ গ'লো। দুৰ্গৰ পৰা প্ৰায় এমাইল মান দক্ষিণ পশ্চিমে গৱৰ্ণৰৰ অট্টালিকা। তাৰ ওচৰত এখন ডাঙৰ খেল্-মাটী আছে। আমি যাবৰ দিনাখন গৱৰ্ণৰৰ বিদায় উপলক্ষে সেই খেলমাটিত 'স্কাউট-ৰেলী' পাতিছিল আৰু আমাকো তালৈ নিমন্ত্ৰণ কৰিছিল। ৰেলীত মাদ্ৰাজৰ প্ৰায় ৬০০ মান স্কাউট আৰু গাৰ্ল্গাইডে যোগদান দি নানা ৰকমৰ খেলা দেখুৱাইছিল। আমাৰ লগৰ দুজনমান স্কাউটে লাঠী খেল, সুদৰ্শন চক্ৰৰ খেল আদি দেখুৱাই গৱৰ্ণৰক মোহিত কৰিছিল।

তাৰ পিছত সাগৰৰ পাৰত থকা স্কাউট হেড্ কোৱাৰ্টাৰ্চত মাদ্ৰাজী ধৰণে আমাৰ কাৰণে এটা ভোজৰ আয়োজন কৰি সকলোকে তালৈ নিমন্ত্ৰণ কৰিছিল।

মাদ্ৰাজী ভোজ বুলিলে প্ৰায়ে সাত্বিক ৰকমৰ নিৰামিষ ভোজন হে বুজায়। মাদ্ৰাজী স্কাউটাৰ কেইজনমান আৰু হগছাহাবকে আদি কৰি আমাৰ কণ্টিনেণ্টৰ সকলো সভাই দুশাৰী হৈ সমুখা-সমুখিকৈ এখন পকা মজিয়াত কলপাত আগত লৈ বহি গ'লো। দুজন মাদ্ৰাজী বামুণে পৰিবেশন কৰিবলৈ ধৰিলে। তেওঁলোকে পৰিবেশন কৰা সময়ত প্ৰায়েই কথা নকয় ; কিন্তু কাৰ্যাত বৰ খৰ, গতিকে আজ্ঞা আদি লাগিলে অপেক্ষা কৰি থাকিব নালাগে।



প্ৰথমতে এখন এখনকৈ প্ৰায় চাৰিখনমান চাটনি আনি পাতে পাতে দি গ'ল। তাৰ পিছত ভাত দিলে। আমি খাবলৈ আৰম্ভ কৰিলো। লাহে লাহে এখন এখনকৈ যে কেইখন আঞ্জা দিলে আমি তাৰ হিচাব ৰাখিব নোৱাৰা হ'লো। আঞ্জাবোৰ বেছিভাগেই টেঙা ; খাবলৈ ভাল লাগে। হগ ছাহাবেও নানা ৰকমৰ ৰমণীয়া কথা কৈ তৃপ্তিৰে কলপাতত খোৱা লোৱা শেষ কৰিলে।

তেওঁলোকৰ অতিথি সৎকাৰ দেখি, ভাৰতৰ ভিতৰত মাদ্ৰাজীবিলাক যে এই বিষয়ে বহুততকৈ শ্ৰেষ্ঠ, এই কথা সকলোৱে স্বীকাৰ কৰিবলৈ বাধ্য হ'লো। খাই বই উঠি ৰাতি ৯টা বজাত মাদ্ৰাজৰপৰা বিদায় ললো।

পিছদিনা দুপৰীয়া মনমাডুৰী জংশনত মধ্যাহ্ন ভোজন কৰি সকলোৱে পৰিতৃপ্ত হৈ মাদ্ৰাজীৰ অতিথি সৎকাৰৰ বিষয়ে আকৌ প্ৰশংসা কৰিছিলো।

ভাটী-বেলা ৩ টা মান বজাত গাৰী গৈ ভাৰতৰ শেষ সীমা মণ্ডপম্ ষ্টেশন পালে। গাৰী ৰোৱা মাত্ৰকে ষ্টেশনৰ বিপৰীত কালে গাৰীৰপৰা নামি এবাৰ সাগৰৰ পিনে চালো ; তাৰ পিছত জগত আৰাধ্যা ভাৰত মাতৃৰ মুখৰ পিনে একেলিৰে চাই থাকিলো। কোনে জানে যে জীৱনত এয়েই আইৰ মুখ শেষবাৰ চোৱা নহ'ব পাৰে ? কোনে ক'ব পাৰে যে জগদ্ধাত্ৰী আইক আজিৰ নিচিনাকৈ আকৌ চিনিব পাৰিম ? কোনে ক'ব পাৰে যে আকৌ ঘূৰি আহি আইৰ কোমল কোলাত শুই বিমল আনন্দ অনুভৱ কৰিব পাৰিম ?

এই দৰে নানা ৰকমৰ অমূলক ভাৱ আহি হৃদয়ত আঘাত প্ৰতিঘাত কৰিবলৈ ধৰিলে। হঠাৎ আপোনা আপুনি চকুহাটা পানীৰে ভৰি পৰিল, লগে লগে মূৰ দো-খাই গ'ল।

তাৰৰ উচ্ছাসত কবিতাৰ দৰে কিবা কেশাৰীমান মনলৈ আহিল। নোট বুকত তাক টুকি ললোঁ। ভাৱৰ দফালেদি তাৰ মূল্য মোৰ ওচৰত বহুত যেন লাগিলেও কবিতা হিচাবে সি সাহিত্যিক সমাজক সন্তুষ্ট কৰিব পাৰিব নে নোৱাৰে নাজানি তাক ইয়াত তুলি নিদিলোঁ।

আইৰ চৰণ-ৰেণু শিৰত লৈ থিয় হ'লো এনেতে হঠাৎ পাছৰপৰা এজন স্কাউটাৰ আহি তেওঁৰ হাত এখন মোৰ কান্ধত দি কলে,—" A Scout smiles and whistles under all difficulties' অৰ্থাৎ স্কাউটে বিপদে আপদে সদায় প্ৰফুল্ল থাকিব লাগে। সৰ্বালৰিকৈ চকুৰ পানী মচি তেওঁৰ মুখৰ ফালে চাই জোৰকৈ অলপ হাঁহিলো। তাৰ পিছত দুয়োজনে গৈ গাৰীত উঠিলো। বিদায় পৰত আইৰ চৰণত অৰ্পণ কৰা কথা ফাকি নোট বুকত টুকি ৰাখিলো।

ষ্টেশ্যন হিচাবে মণ্ডপম্ নিচেই সৰু। গাৰীৰপৰা খিৰিকিৰে মুখ উলিয়াই প্লেটফৰ্ম্মত থকা মানুহবোৰৰ ভাব-ভঙ্গী চাবলৈ ধৰিলো। ষ্টেশ্যনত ডাব-নাৰিকল দ'ম লাগি আছে। কিছুমান ল'ৰাই হাতত দা লৈ মূৰ কাটি কাটি ডাব বেচিবলৈ ধৰিছে ; দাম গোটে পয়ছা। কোনোবা এজনে ডাব এটা কাটি আনি মোৰ হাতত দিলে। ডাবৰ পানীটোপা খাই বৰ ভাল লাগিল। এজনে ক'লে, ৰঘুকুল শিৰোমণি শ্ৰীৰামচন্দ্ৰই সীতাদেৱীক উদ্ধাৰ কৰিবৰ অৰ্থে লঙ্কালৈ যাবৰ সময়ত এই ডাবেই তেওঁৰ পিয়াহত বাটে বাটে পানী যোগাইছিল।"

ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰই সাগৰত সেতু বান্ধিবৰ সময়ত এই ঠাইতে তেওঁৰ বাহৰ পাতিছিল বুলি অনুমান হয় কাৰণ ইয়াৰেপৰাই ৰামেশ্বৰ সেতুবন্ধ আৰম্ভ।

## সেতু বন্ধ

মণ্ডপম্ ষ্টেশ্যন এৰি গৈ 'আডাম্চব্ৰীজ' নামে বিখ্যাত দলঙৰ ওপৰেদি পাম্বন-প্ৰণালী পাৰ হ'লেই পাম্বন দ্বীপ পোৱা যায়। ১৯১৪ খৃষ্টাব্দত ৰামেশ্বৰ সেতুবন্ধৰ শিলসাঁকোৰ এটা অংশৰ ওপৰত প্ৰায় এমাইল দীঘল এই দলং খন সাজি ৰেলেৰে পাম্বন দ্বীপলৈ অহা যোৱাৰ সুবিধা কৰিছে।

শিল-সাঁকোখন প্ৰায় ৫০ ফুট মান বহল। বৰ্ত্তমান প্ৰায় এফুট মান পানীৰ তলত আছে। গাৰীৰ পৰা সাঁকোৰ ডাঙৰ ডাঙৰ শিলৰ চটাবোৰ ফট-ফটীয়াকৈ দেখা যায়। কোনো কোনো ঠাইত সাঁকোৰ ওপৰত মাত্ৰ ৪।৫ ইঞ্চিমানহে পানী আছে। কথিত আছে যে এই দলং

সজাৰ আগেয়ে শিল-সাঁকোৰ ওপৰেদি মানুহে খোজ কাঢ়ি পাম্বন দ্বীপলৈ অহা-যোৱা কৰিছিল। সাঁকোৰ একোচটা শিল দেখিলেই মানুহে কৰা কাম বুলি বিশ্বাস কৰিব নোৱাৰি। ঐতিহাসিকৰ অনুমান মতে শ্ৰীৰামচন্দ্ৰই পাঁচ হাজাৰ বছৰৰ পূৰ্ব্বে এই সাঁকো নিৰ্ম্মাণ কৰিছিল; এতিয়া সেই সাঁকোৰ ওপৰত খুব বহুৱাই ৰেলৰ দলং সাজি তাৰ নাম আড'ম্‌চব্ৰীজ, অৰ্থাৎ মান্ধাতাৰ দলং ৰাখিছে।

দলং খনৰ প্ৰায় সোঁমাজতে সৰু সৰু জাহাজ অহা-যোৱা কৰাৰ সুবিধাৰ কাৰণে এটা জোৰা আছে। জাহাজ যাবৰ সময়ত এই জোৰাটো গুচাই দিয়ে আৰু ৰেল যাবৰ সময়ত আকৌ লগাই দিয়ে। সেই ডোখৰত পুৰণি শিল-সাঁকোৰ শিলবোৰ গুচাই জাহাজ যোৱাৰ সুবিধা কৰি দিছে। লঙ্কালৈ বাকী ডোখৰ সেতুবন্ধৰ আজিকালি একো চিন দেখা নাযায়।

## পাম্বন দ্বীপ

পাম্বন প্ৰণালী পাৰ হলেই পাম্বন-দ্বীপ পোৱা যায়। এই দ্বীপটো দীঘলে প্ৰায় ২১ মাইল আৰু বহলে—যি ডোখৰত বেছি বহল তাত—প্ৰায় ১১ মাইল। এই দ্বীপ প্ৰথমে শ্ৰীৰামচন্দ্ৰই আৱিষ্কাৰ কৰিছিল বুলি কয়। ইয়াতেই বিখ্যাত ৰামেশ্বৰম্ মন্দিৰ প্ৰতিষ্ঠিত আৰু সেই কাৰণেই কিছুমানে ইয়াক ৰামেশ্বৰম দ্বীপ বুলিও কয়।

এই দ্বীপৰ পশ্চিম অংশত দীঘলে প্ৰায় ৭ মাইলমান ঠাই অলপ সাকৰা। তাত নাৰিকল আৰু তালগছ দেখিবলৈ পোৱা যায়; ইয়াৰ বাহিৰেও কিছুমান সৰু সৰু গছ আছে; সামান্য ৰকমে খেতি বাতিও হয়। ইয়াতেই হিন্দুৰ আদৰৰ ধন, দ্ৰাবিড়ীয় সভ্যতা আৰু স্থাপত্য বিদ্যাৰ অক্ষয় কীৰ্ত্তি, ভাৰতীয় আৰ্য্যৰ মহা-মিলনৰ জীৱন্ত প্ৰতিমূৰ্ত্তি ৰামেশ্বৰ মন্দিৰ বুৰঞ্জীৰ পূৰ্ব্ব যুগৰপৰা ভাৰত মহাসাগৰৰ ধুমুহাৰ ঘাত-প্ৰতিঘাতলৈ ভ্ৰুক্ষেপ নকৰি আজিও নীৰৱে ভাৰতৰ আৰ্য্যবংশধৰসকলৰ দুৰ্দ্দশা চাই থিয় হৈ আছে। দীন হীন বেশে আজিও আৰ্য্যৰ সন্ততিসকলে সেই মন্দিৰৰ মলিন পদূলিত নতশিৰে থিয় হৈ অতীতৰ ভাৰতীয় মহামিলনৰ জেউতি ধিমিক্-ধামাকৈকৈ জ্বলাই ৰাখিছে। স্বাৰ্থপৰ বুৰঞ্জীবিদৰ কূট নীতিয়ে ভাৰতীয় ভ্ৰাতৃত্বৰ মূলত কুঠাৰাঘাত কৰি[…] খোজাত পাম্বন দ্বীপৰ তালগছৰ মাজৰপৰা ৰামেশ[…] মন্দিৰে মূৰ উলিয়াই বিঙিয়াই ক'ব লাগিছে,—'সাৱধা[…] আৰ্য্যবংশধৰ, অতীতৰ ৰাখিবি খবৰ।'

ৰামেশ্বৰ মন্দিৰত ভাৰতৰ প্ৰায় সকলো ঠাইৰে মানু[…] দুই এজন সদায় লগ পোৱা যায়। হিন্দি ভাষা অল[…] জানিলেই ইয়াত কথা-বাৰ্ত্তা কোৱাত এক[…] অসুবিধা নহয়। যদিও এই দ্বীপৰ লোক-সংখ্যা নিচে[…] কম তথাপি যাত্ৰীৰ সমাগমতে ই সদায় বোৰৱা হৈ থাকে।

পাম্বন-প্ৰণালী পাৰ হৈয়েই পাম্বন জংচন পোৱা যায়। তাৰপৰা ৰেলৰ এটা শাখা ৭ মাইল দূৰৈত থকা ৰামেশ্বৰ মন্দিৰৰ ফালে আৰু আনটো প্ৰায় আধামান বাট বালিৰ চটৰ মাজে মাজে ১৭ মাইল দূৰৈত থকা ধনুষ্কোটি বন্দৰলৈ গৈছে।

দ্বীপৰ পূব অংশ কেৱল বালিৰ চট; মাজে মাজে কাণকুল্যা আৰু কাঁহিবনৰ বাহিৰে তাত আন গছ-গছনি নাই। সেই অংশত ৰেলৰ আলি অস্থায়ী ভাৱে বন্ধোৱা; গাড়ী লাহে লাহে যায়। আলিৰ কাষে কাষে দুই এডোখৰ তৰাং পানী; পানীৰ ধুৰলিত বগা পৰি লোনবিলা[…] দ'ম লাগি আছে; কিন্তু হায়! আজি ভাৰতৰ ভাগ্যত সেই প্ৰকৃতি দত্ত লোনবিলাক নি বিক্ৰী কৰাও দোষৰ কথা।

ধনুষ্কোটি বন্দৰটো নিচেই সৰু; জাহাজ নিচেই ওচৰলৈ আহিব নোৱাৰাৰ কাৰণে পাৰৰপৰা দ পানীলৈ এখন কাঠৰ দলং সাজিছে। সেই দলঙৰ ওপৰেদি গাড়ী কিছুদূৰ সাগৰৰ ভিতৰলৈ সোমাই যায়। দলং খন বহল আৰু গাড়ীৰ দুয়ো কাষে মানুহ নামিবপৰা ভাল বন্দৱস্ত আছে।

ভাটী বেলা ৪॥ টা বজাত ধনুষ্কোটি বন্দৰৰ দলঙৰ ওপৰত আমাক নমাই দিলে। ইয়াৰপৰা ফেৰি জাহাজেদি পক্ প্ৰণালী পাৰ হলেই লঙ্কাৰ টেলাইমেনাৰ বন্দৰত নমাই দিয়ে। পক্‌প্ৰণালী বহলে প্ৰায় ২৫ মাইল; পাৰ হওঁতে সময় দুঘণ্টা লাগে। ধনুষ্কোটিৰপৰা লঙ্কা দেখিবলৈ পোৱা[…]

আৱাহন



প্ৰিয় বিদায়ত

শিল্পী—শ্ৰীচন্দ্ৰধৰ গোস্বামী

ভয়েল অক ইণ্ডিয়া প্ৰেছ, কলিকতা




৭ম বছৰ, ৬ষ্ঠ সংখ্যা ]

[ জেঠ, ১৮৫৮ শক

# নৈষধচৰিত আৰু ভাৰতীয় চিত্ৰকলা

—শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম্-এ (কলিকতা, অক্সফ'ৰ্ড)

[ ১ ]

ভাৰতীয় চিত্ৰকলাৰ তিনটা প্ৰধান ধাৰা—বৌদ্ধ, মোগল আৰু ৰাজপুত। অজন্তা গুহাৰ চিত্ৰাৱলীত বৌদ্ধ কলাৰ চৰম নিদৰ্শন দেখা যায়। খ্ৰীষ্টীয় সপ্তম শতিকাত ভাৰতীয় বৌদ্ধ চিত্ৰকলাৰ অৱসান হয়। ইয়াৰ আগেয়ে প্ৰায় হেজাৰ বছৰ জুৰি বৌদ্ধ চিত্ৰকলাৰ ক্ৰমবিকাশ হৈছিল আৰু সপ্তম শতিকাৰ পিছতো ইয়াৰ চৰ্চ্চা আছিল। জাপানৰ নাৰা নগৰৰ হৰিয়ুজি মন্দিৰৰ Golden Hall বা স্বৰ্ণশালাৰ দেৱালত যিবিলাক বৌদ্ধ ছবি আছে সেই বিলাকো সপ্তম শতিকাত অঁকা হৈছিল বুলি বিশেষজ্ঞ সকলে কয়।

মোগল আৰু ৰাজপুত চিত্ৰকলাৰ বিকাশ ষোল শতিকাৰপৰা হয়। মোগল চিত্ৰকলাৰ বিষয়ে এটা মন কৰিব লগীয়া কথা এই যে আকবৰৰ দিনত মোগল দৰবাৰত কিছুমান বিখ্যাত হিন্দু চিত্ৰকৰেও ঠাই পাইছিল। ৰাজপুত চিত্ৰকলা হিন্দু চাৰুশিল্পৰ উৎকৃষ্ট নিদৰ্শন।

মোগল আৰু ৰাজপুত সম্প্ৰদায়ৰ অসংখ্য ভাল ভাল ছবি ভাৰতৰ বাহিৰ হৈ গৈছে। সেইবিলাকে এতিয়া ইউৰোপ আৰু আমেৰিকাৰ নামজলা মিউজিয়ামবিলাকৰ শোভা বঢ়াইছে। বিশেষকৈ আমেৰিকাত নিউয়ৰ্কৰ মেট্ৰপলিটান মিউজিয়াম, ৱাছিংটনৰ ফ্ৰিয়েৰ গেলেৰী আৰু বষ্টনৰ Museum of Fine Arts অত ভাৰতীয় চিত্ৰকলাৰ অসংখ্য নিদৰ্শন অজস্ৰ টকা খৰচ কৰি অতি সাৱধানে ৰখা হৈছে। ছবিবিলাক নি অকল মিউজিয়ামত থোৱাটোৱেই উদ্দেশ্য নহয়। প্ৰত্যেক ছবিৰে পৰীক্ষামূলক বিবৰণ, চিত্ৰকলাৰ ৰীতি আৰু বুৰঞ্জীৰ অনুসন্ধান

আৰু বিশেষকৈ ছবিবিলাকৰ নিদৰ্শন ছপাই প্ৰকাশ কৰাটোহে মিউজিয়ামবিলাকৰ প্ৰধান কাম হৈ পৰিছে। পূৰ্ব্বোক্ত বষ্টন মিউজিয়ামৰ ভাৰতীয় শাখাৰ অধ্যক্ষ পদত সম্প্ৰতি ডক্টৰ আনন্দকুমাৰ স্বামী ডাঙৰীয়া নিযুক্ত আছে। এখেত ভাৰতীয় চিত্ৰকলাৰ জগদ্বিখ্যাত বিশেষজ্ঞ। এখেতে বষ্টন মিউজিয়ামৰ খৰচত ৰাজপুত, মোগল আৰু জৈন চিত্ৰকলা, আৰু ভাৰতীয় ভাস্কৰশিল্পৰ যিবিলাক সুবৃহৎ কেটেলগ বা বৈজ্ঞানিক প্ৰণালীৰে লিখা বিবৰণ গ্ৰন্থ প্ৰকাশ কৰিছে সেইবিলাক ভাৰতৰ পক্ষে কম গৌৰৱৰ কথা নহয়। এই প্ৰকাণ্ড গ্ৰন্থবিলাকত ছবিবিলাকৰ ফটো নিদৰ্শন, বিবৰণ আৰু চিত্ৰকলাৰ বুৰঞ্জী সম্পৰ্কে নানা তথ্য পোৱা যায়। ভাৰতত এনে ধৰণৰ কিতাপ ছপাই উলিওৱাটো অতি দুৰূহ কাম আৰু তাৰ কাৰণে প্ৰথমতে টকাৰ যোগাৰ হোৱাই টান। বহুত দামৰ এই গ্ৰন্থবিলাক জগতত প্ৰচাৰ হোৱাটো ভাৰতবাসীৰ পক্ষে গৌৰৱৰ কথা। ইয়াৰপৰা সভ্য জগতত ভাৰতীয় ললিত কলা আৰু কৃষ্টিৰ কিমান আদৰ তাকো বুজা যায়।

[ ২ ]

ৰাজপুত চিত্ৰকলাৰ কাংৰা বা পাহাৰী শাখা অতি বিখ্যাত। এই শাখাৰ চিত্ৰকৰসকলে যিবিলাক ছবি আঁকিছিল তাৰ ভিতৰত নলদময়ন্তীৰ উপাখ্যান অৱলম্বন কৰি অঁকা ছবিবিলাক বিশেষজ্ঞসকলে আটাইতকৈ উৎকৃষ্ট বুলি কয়। কিন্তু এই ছবিবিলাক বাস্তৱতে কি গ্ৰন্থ অৱলম্বন কৰি আঁকিছিল তাক চিত্ৰকলাৰ বিশেষজ্ঞসকলে উলিয়াব পৰা নাছিল। মহাভাৰতত যি নলৰ উপাখ্যান পোৱা যায় তাৰ সহায়েৰে এই চিত্ৰবিলাক ব্যাখ্যা কৰিব নোৱাৰি আৰু এই কাৰণেই ডক্টৰ কুমাৰস্বামীয়ে এই চিত্ৰবিলাক কোনো প্ৰাদেশিক ভাষাৰ অজ্ঞাত গ্ৰন্থ অৱলম্বন কৰি অঁকা হৈছে বুলি মত প্ৰকাশ কৰিছিল।

১৯৩৪ চনৰ শেহ ভাগত সংস্কৃত মহাকাব্য নৈষধচৰিতৰ আমি ৰচা সটীক ইংৰাজী অনুবাদ লাহোৰৰপৰা এজন জৈন ব্যৱসায়ীয়ে ছপা কৰি উলিয়াই আৰু অচিৰে সি ইউৰোপ আমেৰিকা আদি ঠাইত প্ৰচাৰ হ'বলৈ ধৰে। উক্ত গ্ৰন্থৰ অনুবাদ অংশ পঢ়ি চিত্ৰকলাবিদ্‌সকলে থিৰ কৰে যে কাংৰা সম্প্ৰদায়ৰ নল দময়ন্তী বিষয়ক চিত্ৰবিলাক মহাকবি শ্ৰীহৰ্ষৰ নৈষধচৰিত অৱলম্বন কৰি অঁকা হৈছিল। এই বছৰৰ আৰম্ভণতে ডক্টৰ কুমাৰস্বামীয়ে এই কথা আমাক চিঠিৰে জনায় আৰু বষ্টন মিউজিয়ামৰ কৰ্তৃপক্ষই কুমাৰস্বামীয়ে সঙ্কলন কৰা পূৰ্ব্বোক্ত ৰাজপুত চিত্ৰকলাৰ কেটেলগ বা বিবৰণ গ্ৰন্থ এখন আমি পৰীক্ষা কৰি চাবৰ কাৰণে পঠাই দিয়ে। এই বহুমূলীয়া সুবৃহৎ গ্ৰন্থখনিত ৰাজপুত চিত্ৰকলাৰ বহুত ফটো নিদৰ্শন আৰু ডক্টৰ কুমাৰস্বামীৰ পাণ্ডিত্যপূৰ্ণ পাতনি আছে। নল-দময়ন্তীবিষয়ৰ ছবি ডেৰকুৰিমান হ'ব। এই বিষয়ৰ বাকী ছবিবিলাক অন্যান্য মিউজিয়ামত সিচৰতি হৈ আছে বুলি কুমাৰস্বামী ডাঙৰীয়াই কৈছে।

[ ৩ ]

নৈষধচৰিতৰ নিচিনা এখন দুৰূহ কাব্য অৱলম্বন কৰি ৰাজপুত চিত্ৰকৰসকলে ছবি আঁকিছিল এই কথাটো সম্পূৰ্ণ নতুন। উক্ত কাব্যৰ ব্যাখ্যা লিখোঁতে এই কথা সপ্নতো আমাৰ মনলৈ অহা নাছিল। ৰামায়ণ, মহাভাৰত আৰু পালি জাতকসমূহ অৱলম্বন কৰি ছবি অঁকাৰ কথা সকলোৱে জানে। কিন্তু পৰৱৰ্ত্তী যুগৰ সংস্কৃত কবিসকলে আৰু বিশেষকৈ নৈষধৰ নিচিনা এখন কাব্যই ভাৰতীয় চিত্ৰকলাৰ ওপৰত কিবা প্ৰভাৱ বিস্তাৰ কৰিছিল নে নাই সি এটা অবিজ্ঞাত কথা। পণ্ডিতসমাজে জানিবৰ কাৰণে নৈষধচৰিত আৰু উক্ত চিত্ৰবিলাকৰ সম্পৰ্ক দেখুৱাই এটা ইংৰাজী প্ৰবন্ধ কোনো গৱেষণা পত্ৰিকাত প্ৰকাশ কৰা হ'ব। এই বিষয়ত কুমাৰস্বামী ডাঙৰীয়াৰ সৌজন্য আৰু উদাৰতা মন কৰিব লগীয়া। তেখেতে ইচ্ছা কৰা হ'লে আমাক নজনোৱাকৈ আৰু আমাৰ গ্ৰন্থৰ কোনো উল্লেখ নকৰাকৈয়ে মূল সংস্কৃত কাব্যখনৰ শ্লোকৰ লগত চিত্ৰবিলাকৰ সম্পৰ্ক দেখুৱাই ভাৰতীয় চিত্ৰকলাৰ এই নতুন তথ্যটো প্ৰচাৰ কৰিব পাৰিলেহেঁতেন আৰু খল বিশেষে অনেকে ইয়াকেহে কৰিলেহেঁতেন। সি যি হক, বেলেগ বেলেগ মিউজিয়ামত



...থকা নল-দময়ন্তী বিষয়ক এই ৰাজপুত চিত্ৰবিলাক ...টাই একেলগে প্ৰকাশ কৰাটো উচিত হ'ব বুলি ডক্টৰ ...স্বামীয়ে মত প্ৰকাশ কৰিছে। তেখেতে আৰু ...য়ে বষ্টনৰ মিউজিয়ামতকৈ ৱাছিংটনৰ ফ্ৰিয়েৰ ...ৰীত এই কাম সুচাৰুৰূপে হ'ব পাৰিব। এই কামৰ ...ৰণে সিবিলাকৰ টকাৰ অভাৱ নাই। অসুবিধা হৈছে ...লেগ বেলেগ ঠাইৰ পৰা চিত্ৰবিলাক গোটোৱাত, কাৰণ ...নো কোনো ছবি ভাৰততো থাকি গৈছে। ছবিবিলাক ...লেগে উলিয়াব পাৰিলে ছবিৰ তলত ব্যাখ্যাস্বৰূপে ...মাৰ অনুবাদৰপৰা নিৰ্ব্বাচিত অংশ তুলি দিবলৈকে ...ৰ্তৃপক্ষই ইচ্ছা কৰে।

[ ৪ ]

সাহিত্যৰ বুৰঞ্জীত মাজে মাজে কাব্য আৰু চিত্ৰকলাৰ ...নিষ্ঠ সম্পৰ্ক দেখা যায়। কবিৰ সৃষ্টি অৱলম্বন কৰি ...ত্ৰকৰে ছবি আঁকে আৰু কবিয়ে চিত্ৰ বৰ্ণায় বা চিত্ৰ-...লাৰ কথা কাব্যৰ লগত জুৰি দিয়ে। পুৰণি গ্ৰীচত ...মেৰৰ কাব্যৰপৰা চিত্ৰকৰসকলে ছবি আঁকিছিল ...ৰু বিশেষকৈ খৃ-পূ ষষ্ঠ শতিকাৰ গীতিকবি ষ্টেছিকৰাছৰ ...ব্যত বৰ্ণোৱা দৃশ্য সমসাময়িক চিত্ৰকৰসকলে তেওঁ-...বিলাকৰ ছবিত আঁকিছিল। আনপক্ষে গ্ৰীক কবি...সকলেও ঠায়ে ঠায়ে ছবিৰ সুন্দৰ বৰ্ণনা দিছে বা ছবিৰ ...থা উল্লেখ কৰিছে। কাব্য আৰু চিত্ৰকলাৰ এনে সাময়িক ...ঘনিষ্ঠতাপূৰ্ণ সম্পৰ্ক ভাৰতীয় সাহিত্যত দেখা নাযায়। ...ন্তু প্ৰাচীন ভাৰতীয় চিত্ৰকৰসকলেও বৌদ্ধ সাহিত্য ...অৱলম্বন কৰি ছবি আঁকিছিল আৰু সংস্কৃত কবিসকলৰ ...ৰচনাতো চিত্ৰৰ বৰ্ণনা আৰু চিত্ৰকলাৰ কথা অনেক পোৱা ...য়। আমাৰ প্ৰস্তাৱিত এখন গ্ৰন্থত গ্ৰীক আৰু ...সংস্কৃত কাব্যৰ তুলনাপ্ৰসঙ্গত এনে ধৰণৰ কথাৰ অৱতাৰণা ...কৰা হ'ব। বিম্বোক নামেৰে এজন অজ্ঞাত সংস্কৃত কবিয়ে ...নায়িকাই কেনেকৈ নায়কৰ ছবি আঁকিছে তাক এই ...দৰে বৰ্ণাইছে—

অত্ৰৈৱ স্বয়মেৱ চিত্ৰফলকে কম্পস্খলল্লেখয়া
সংতাপাৰ্ত্তিবিনোদনায় কথমপ্যালিখ্য সখ্যা ভৱান্।
বাষ্পব্যাকুলমীক্ষিতঃ সৰভসং চূতাঙ্কুৰৈৰৰ্চিতো
মূৰ্দ্ধ্ণা চ প্ৰণতঃ সখীষু মদন ব্যাজেন চাপস্তুতঃ॥

[ ৫ ]

খ্ৰীষ্টীয় সপ্তম শতিকাত বৌদ্ধচিত্ৰকলাৰ বেলিমাৰ আৰু ষোল শতিকাত মোগল আৰু ৰাজপুত চিত্ৰকলাৰ অভ্যুদয় —এই কথা আগেয়ে কৈ অহা হৈছে। ইয়াৰ মধ্যৱৰ্ত্তী যুগত ভাৰতীয় চিত্ৰকলাৰ কি হ'ল? এই যুগত অঁকা ছবি আৱিষ্কাৰ হোৱা নাই বুলিলেও বেছি কোৱা নহব আৰু এই কাৰণে কোনোৱে ভাৰতীয় চিত্ৰকলাৰ এই যুগক "blank" বা সুদা বুলিব খোজে। কিন্তু এই কথা ঠিক নহয়। এই যুগৰ সংস্কৃত আৰু প্ৰাকৃত সাহিত্যত, হিন্দু আৰু জৈন লিখকসকলৰ নানা গ্ৰন্থত চিত্ৰ, চিত্ৰকলাবিধি, চিত্ৰৰ গুণ বিবেচন ( art criticism ) আদিৰ বিষয়ে অসংখ্য তথ্য নিহিত হৈ আছে। আন কি পুৰাণ, তন্ত্ৰ আৰু দাৰ্শনিক সাহিত্যতো চিত্ৰকলাৰ বিষয়ে নানা সঙ্কুলি পোৱা যায়। মধ্যযুগৰ বৌদ্ধতন্ত্ৰ আৰ্য্যমঞ্জুশ্ৰীমূলকল্পত যিবিলাক চিত্ৰৰ বিবৰণ আছে অকল সেইবিলাকৰ বিষয়েই এখন অনুসন্ধান গ্ৰন্থ ( সম্ভৱতঃ ডক্টৰ উপাধিৰ কাৰণে লিখা প্ৰবন্ধ ) এগৰাকী ফৰাছী বিদুষী মহিলাই প্ৰকাশ কৰাৰ কথা আছে। কিন্তু এইখন তন্ত্ৰৰ বাহিৰেও আন আন অনেক তন্ত্ৰত চিত্ৰকলাৰ বিষয়ে নানা কথা পোৱা যায়। সপ্তম আৰু ষোল শতিকাৰ ভিতৰত ৰচা সংস্কৃত আৰু প্ৰাকৃত গ্ৰন্থসমূহত চিত্ৰকলাৰ বিষয়ে যিবিলাক কথা লুকাই আছে সেইবিলাকেই সেই যুগৰ চিত্ৰকলাৰ সম্পদ আৰু বিস্তাৰৰ চিনাকি দিয়ে। আমাৰ প্ৰস্তাৱিত সংস্কৃত কাব্য সাহিত্য সম্পৰ্কীয় এখন গ্ৰন্থৰ প্ৰথম খণ্ডৰ পৰিশিষ্টত এই বিলাক সঙ্কুলিৰ এটা তালিকা গৱেষণাৰ সুচলাৰ্থে দিয়া হ'ব। কাব্যবিলাকৰ ভিতৰত নৈষধচৰিতত চিত্ৰকলাৰ বিষয়ে অনেক কথা পোৱা যায়।

# গল্প

## বিজয়া

—শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী

পেন্সন ভোগী ই এ ছি, বামদেৱ বুজৰবৰুৱাৰ বৈঠকখানাখন আছিল বচন বাগীশ ৰৰমুৰীয়া ডাঙৰীয়া সকলৰ এটা ডাঙৰ আড্ডা। ৰৰঙনি দিব নালাগে, তদুপৰি তামোল-পান, ধপাত, চাহ-পানী আদি পালে ক্লাব নবহিবৰ একো কাৰণ নাই। ৰাজনীতি, সমাজনীতি, সাহিত্য আদি কৰি জগতত এনে কোনো নীতি নাছিল, যি সম্বন্ধে সেই ঠাইত আলোচনা বা চৰ্চ্চা নহৈছিল।

সিদিনা এটা বৰ ডাঙৰ প্ৰত্নতাত্ত্বিক সমস্যা লৈ তুমুল তৰ্ক-বিতৰ্ক চলিছিল—গদাপানি কোঁৱৰৰ আঙুলিৰ আঙঠি কেতিয়াবা কেতিয়াবা জয়মতী কুঁৱৰীয়ে খাৰু ৰূপে ব্যৱহাৰ কৰিছিলনে নাই। এনে সময়তে ৰস ভঙ্গ কৰি কৰুণা কাকতী “যাওঁ” বুলি উঠিল।

সকলোৱে “বহক বহক” বুলি গিৰ্জ্জনি মাৰি উঠিল। তেখেতে অনুনয় কৰি ক’লে,—“লৰা-ছোৱালীৰ নিমিত্তে পূজাৰ কাপোৰ-কানি একো কিনা হোৱা নাই, মই আৰু নবহোঁ, যাওঁ।”

মহেন্দ্ৰ মেধীয়ে তেওঁৰ হাতত খাপ মাৰি ধৰি ক’লে “অ’ ককাই, পূজাৰ কাপোৰ! আপুনি অসমীয়া নহয় জানো? ই আমাৰ জাতীয় উৎসৱ নহয়, আপুনি বহক।”

আলোচনাৰ বিষয় বদলি গ’ল। কৰুণা কাকতী বহিল। আমাৰ জাতীয় উৎসৱনো কি, এই লৈ আৰু অসমত দুৰ্গোৎসৱৰ সৃষ্টি কেতিয়াৰপৰা হ’ল, তাকে লৈ দুৰ্ঘোৰ তৰ্ক উঠিল! এজনে ক’লে—“ই বঙালৰ পূজা। আমাৰ দেশত বঙাল সোমোৱাৰ লগতে এই পূজা ব[illegible] উৎসৱো সোমাইছিল। কিন্তু এতিয়ালৈকে ই বঙালী প্ৰধান[illegible] চহৰ, চাহ-বাগিচা আৰু ৰেলৱেষ্টেশ্যনবিলাকতে আৱদ্ধ[illegible] আছে। দেশৰ মজ্জাৰ ভিতৰত সোমাব পৰা নাই।

আন এজনে তাৰ প্ৰতিবাদ কৰি ক’লে,—“কিয় হ’ব[illegible] নহয়। কোচবিহাৰৰপৰা এই পূজা এই দেশলৈ প্ৰথম[illegible] চালান হৈছিল। বঙ্গদেশতো গাঁৱে-ভুঁঞে এই পূজা[illegible] নহয়।”

বাধা দি আন এজনে উত্তৰ কৰিলে, “নহয়, নহয়[illegible] বঙালী গোসাঁইসকলে এই পূজা লৈ আহিছিল।”

হেৰম্ব হাজৰিকা শদিয়াৰ মানুহ। বুৰঞ্জী বা প্ৰত্নত[illegible] লৈ তেখেতৰ সিমান মন নাছিল যদিও এই সংসৰ্গত পৰি[illegible] তেওঁৰ তৃতীয় পক্ষৰ বিৰহৰ জ্বালা লাঘৱ কৰিবৰ চেষ্টা[illegible] কৰিছিল। অহা দুৰ্গা পূজাৰ ছুটীৰ সময়ত ঘৰলৈ গৈ[illegible] নৱজাত শিশুৰ মুখ দেখিব আৰু তৰুণী ঘৈণীয়েকক লৈ[illegible] কৰ্ম্মস্থলত উপস্থিত হ’ব বুলি ভাবি আছিল। কিন্তু বৰ্ত্তমা[illegible] আলোচনাই তেওঁৰ মনত এটা আশঙ্কা আনি দিলে[illegible] জানোবা এইবোৰ আলোচনাৰপৰাই চৰকাৰে পূজা[illegible] দীঘলীয়া বন্ধ কমাই দি আন কিবা সৰু সুৰা ছুটী মঞ্জু[illegible] কৰি নতুন ‘ব্যাঙ্ক হলিডে’ৰ সৃষ্টি কৰে। তেওঁ প্ৰতিবা[illegible] কৰি ক’লে,—“যেতিয়াৰপৰাই অসমত দুৰ্গাপূজাৰ সৃ[illegible] নহক কিয়, হিন্দুৰ বাৰটা মাহত তেৰটা পাৰ্ব্বন আছেই[illegible] দোল, দুৰ্গোৎসৱ, মাঘ-বিহু, বহাগ-বিহু, জন্মাষ্টমী আ[illegible] সকলো বিলাক বঙ্গদেশতো আছে, ইয়াতো আছে। হিন্দু[illegible]



[illegible]ত কোনোটোৱেই সৰু নহয়, কোনোটোৱেই কম নহয়, [illegible]কলোবিলাকেই উৎসৱ। জাতীয় উৎসৱ একো নাই। [illegible]কাৰণ হিন্দুৰ অকল জাতহে আছে, কিন্তু জাতি বা [illegible]জাতীয়তা তাত নাই। দুৰ্গা পূজাকে দীঘলীয়া পূজা বুলি [illegible]ফিচ আদিত দীঘল ছুটী পোৱা যায়। সেইকাৰণে চাকৰি[illegible]জীৱীসকলে আপোন আপোন কৰ্ম্মস্থলৰপৰা ঘৰলৈ গৈ [illegible]কেইদিনমান জিৰণি পায়, মিতিৰ-কুটুম, বন্ধু-বান্ধৱ [illegible]কলোৱে লগত পৰস্পৰ দেখা শুনা হ’বলৈ সুযোগ পায়; [illegible]তিকে প্ৰীতি-ভোজ, উপহাৰ আদিৰ বিনিময়ৰ সুবিধা [illegible]য়। আচলতে ক’বলৈ গ’লে দুৰ্গোৎসৱটো বঙালীৰো [illegible]নহয়; ই গোলাম জাতিৰ দীঘলীয়া কঠোৰ কামৰ [illegible]হেঁচাৰ ভিতৰত অলপ দীঘলীয়া জিৰণিৰ উপায়।”

এখন মটৰ আহি দুৱাৰ মুখত থামিল; কথা আৰু [illegible]বেছি আগবাঢ়িব নোৱাৰিলে। বামদেৱ বুজৰবৰুৱা [illegible]উঠি গ’ল—তেওঁৰ জীয়েক বিজয়া শহুৰেকৰ ঘৰৰপৰা [illegible]আহিছে!

[ ২ ]

গুৱাহাটী নগৰত পূজাৰ বৰ ধুম পৰিছে। যি [illegible]কাৰণতে হক, আজি কালি বঙালীযাত্ৰা গানলৈ মানুহৰ [illegible]বিতৃষ্ণা উপজিছে। স্থানীয় ডেকাসকলৰ থিয়েটাৰ চাবৰ [illegible]কাৰণেহে সকলোৱে ইচ্ছুক হৈ দলে দলে ওলাইছে। [illegible]স্কুল কলেজৰ ডেকাবিলাকে কলিকতা প্ৰবাসী ডেকা[illegible]বিলাকৰ নতুন ‘ফেশ্যন’ নকল কৰি দেখুৱাবৰ সুযোগ পাই [illegible]ৰং মনেৰে ফুৰিছে; কলেজ স্কুল এৰা নিবনুৱা ডেকাবিলাকে [illegible]বায়স্কোপৰ “হিৰো” অৰ্থাৎ নায়কৰ অনুকৰণেৰে চুলি কটাই [illegible]যু জোকাৰি ফুৰিছে। তেওঁলোকৰ প্ৰতিদ্বন্দী হ’ল মটৰ [illegible]ড্ৰাইভাৰ, ছপাখানাৰ কম্পোজিটৰ আদি। কোনে [illegible]আগে ‘ফেশ্যন’ নকল কৰিব পাৰে এইটোৱেই হ’ল [illegible]কম্পিটিশ্যনৰ’ বিষয়। কোনোবাই আকৌ লৰালৰি [illegible]কৰিবলৈ গৈ তিৰোতাৰ নিচিনা ‘বৰ হেয়াৰ’ কৰি [illegible]পেলাইছে। তেনে অৱস্থাত বাৰ্ণিজ লুঙি পিন্ধি ফুৰি [illegible]অকল হিন্দু-মুছলমানেই নহয়; মতা-তিৰোতাৰ ভেদ গুচাই [illegible]সকলোকে অবাক কৰি তুলিছে। আনপিনে তিৰোতা [illegible]সকলেও বিহা এৰি দি মেখেলাৰ ওপৰত ব্লাউজ আৰু তাৰ ওপৰত অকল এখন ওৰণী মেৰিয়াই ফুৰিছে। তাৰ ভিতৰত বহুতে অসমৰ চিৰ পৱিত্ৰ পাট-মুগা এৰি কপাহি কাপোৰৰ ফুলাম মেখেলা পিন্ধি অসমীয়াৰ জাতীয় বিশেষত্ব নোহোৱা কৰিছে নগৰৰ তিৰোতাক দেখি গাৱঁৰ তিৰোতায়ো তাকে অনুকৰণ কৰি জাকে জাকে নৈ পাৰ হৈ পূজাৰ ৰং চাবৰ কাৰণে আহিছে। তেওঁলোকৰ ভিতৰতো ‘হাই হিল শু’ পিন্ধাৰ অভাৱ নাই। পিছে অনভ্যাসত ভৰিত কৰ ফুটা বা ছাল যোৱাৰ বাবে খোজ কঢ়াত কষ্ট হোৱা দেখি কোন্ জনী নগৰৰ আৰু কোন জনী গাৱঁৰ তাক অনুমান কৰি হিংসুকীয়া নগৰৰ ছোৱালীবিলাকে মিচিকিয়াই হাঁহিছে। সি যি নহক, সকলোৰে লক্ষ্য—বিদেশী গোন্ধ তেল আৰু বিদেশী কাৰিকৰৰ ঠুনুকা মাটিৰ পুতলা কিনাত। কিন্তু গাৱঁৰ ডেকাবিলাকৰ দৃষ্টি অলপ বেলেগ ঠাইত। তেওঁলোক গোট খাইছে যি দোকানত কোনো ৰূপহীৰ অৰ্দ্ধ বা পূৰ্ণ নগ্ন চিত্ৰ আঁকি থোৱা আছে।

বামদেৱৰ জোৱায়েক শ্ৰীমান শশধৰ শৰ্ম্মা আহি পাইছে ষষ্ঠী পূজাৰ দিনাখন। পূজাৰ ৰতাহে তাক অস্থিৰ কৰি তুলিলে। বিশেষকৈ তাৰ ধাৰণা আছিল শহুৰেকৰ ঘৰত তিনি ৰাতিৰ বেছি থকা উচিত নহয়। পূজা উপলক্ষে আজি চাৰিদিন হৈ গ’ল। সেই কাৰণে সকলো অনুৰোধ-উপৰোধ অগ্ৰাহ্য কৰি বিজয়া দশমীৰ দিনাই যেনে তেনে ঘৈণীয়েকক লৈ যাব বুলি কৈ দিলে।

ইফালে বিজয়াৰ আছিল পুত্ৰ সম্ভাৱনা। অৱশ্যে এতিয়াও আৰু বহুত পলম আছে। বাপেক আৰু মাকৰ ইচ্ছা—এই সময়ত ডাক্তৰ বেজ নথকা গাৱঁলৈ জীয়েকক নপঠিয়াই এই নগৰতে ৰাখে। কিন্তু শশধৰৰ দৃঢ় প্ৰতিজ্ঞা, ঘৈণীয়েৰক লৈ যাবই। বুজৰবৰুৱাই দুখ কৰিলে, বিজয়াৰ মাকে চকুৰ পানী টুকিলে; কিন্তু জোঁৱায়েক অচল অটল। উপায় কি! * * *

শশধৰ শৰ্ম্মাই কাৰো কাৰণে বাট চাই নাথাকি নিজে গৈ এখন টেক্সি মাতি আনিলে। ইফালে বিজয়াৰ কিন্তু থিয়েটাৰ চোৱা, নিমন্ত্ৰণ খোৱা আদি লগালগি কিছুমান অত্যাচাৰৰ কাৰণে পেট-কামোৰণীৰ লগত জ্বৰ

উঠিছে।..."অলপৰ আগতে ভাল আছিল, এতিয়া ঘৰৰ পৰা ওলাবৰ সময়ত কি হ'ল? সকলো ফাঁকি! এইবোৰ ব্যভিচাৰিণীৰ লক্ষণ! একোতে এৰা নহৱ" বুলি শশধৰে টান কৈ ক'লে—"যাবলৈ দিবনে নিদিব, তাকে কওক?"

বামদেৱৰ খং উঠিল; কৈ দিলে—"বোপা ঘৈণীয়েকৰ প্ৰতি গিৰীয়েকৰ আন্তৰিক আকৰ্ষণ থকা বৰ স্বাভাৱিক, কিন্তু ই তোমাৰ কেনে ব্যৱহাৰ? মোৰো এটা কৰ্ত্তব্য আছে। মই তাইৰ দেউতাক; এই কথাবোৰ নাপাহৰিবা! মই বলিয়া হোৱা নাই যে তোমাৰ খামখেৱালিত যিহকে ইচ্ছা তাকে কৰিবলৈ দিম।"

শশধৰে কাৰো কথালৈ কাণ নকৰি নিজৰ বস্ত খিনি নিজে মটৰত তুলি দি—"ৰ'ল আপোনালোকৰ ছোৱালী; মই পলম কৰিব নোৱাৰো" বুলি কৈ মটৰত উঠি গুচি গ'ল।

ঘৰৰ ভিতৰৰপৰা বিজয়াৰ মাকে কান্দি কান্দি ক'বলৈ ধৰিলে—"কিয় বাধা দিয়ে; যক, লৈ যক। তাৰ যি ইচ্ছা কৰক গৈ; জোঁৱাই আৰু যমক দিয়া একে কথা।"

গিৰীয়েকে উত্তৰ দিলে—"কেতিয়াও নহয়! যমে নিলে অন্ততঃ নিশ্চিন্ত হ'ব পাৰি; কিন্তু অবুজন জোঁৱাইৰ হাতত ছোৱালী তুলি দিলে যে তেনে হ'ব নোৱাৰি।"

বামদেৱ বুজৰবৰুৱাই আন এখন টেক্সিত ষ্টেশ্চনলৈ বুলি গ'ল—আকৌ এবাৰ বুজাই বৰাই লৈ আহিবৰ চেষ্টা কৰি চাবলৈ। ষ্টেশ্চনত সোমাই তেঁও জোঁৱাই থকা গাৰী খনৰ ভিতৰ সোমাইছেহে এনেতে ট্ৰেইন এৰি দিলে। শহুৰেক আৰু জোৱায়েকে চকুৱে চকুৱে দেখা হোৱা মাত্ৰকে শশধৰে মুখখন একলীয়া কৰি খং দেখুৱালে।

[ ৩ ]

বিজয়াৰ টাইফয়েড্ অৰ্থাৎ সন্নিপাত জ্বৰ। '৪১ দিনৰ মূৰত জ্বৰ এৰিলে। কোনোমতে এইবাৰ ৰক্ষা পালে যদিও—তাইৰ এখন হাত অকৰ্ম্মণ্য হ'ল। দুৰ্ব্বলতাৰ কথা কবই নালাগে। প্ৰসৱলৈ এতিয়াও ৩.৪ মাহমান পলম আছে। ইতিমধ্যে যদি অলপ সবল হ'ব পাৰে তেনে হ'লে ৰক্ষা, নহলে সেই সময়ত কি হ'ব তাক চিকিৎসকে এতিয়াই সাহ কৰি একো ক'ব নোৱাৰে। গতিকে শকত, সুস্থ, সবল আদিৰ আদৰ্শ যি কাবুলৰ দেশ ( কলিকতীয়া ডাক্তৰৰ চকুত ) তাৰে কেচা, শুকান নানা বিধ ফলৰ ৰস কিছু খুৱাই অতি সোনকালে সবল কৰি তুলিবৰ ব্যৱস্থা কৰা হ'ল।

জ্বৰ এৰাৰ খবৰ পাই জোঁৱাইয়েকৰ ঘৰৰপৰা বিজয়াক নিবলৈ মানুহ আহিল। কিন্তু জীয়েকৰ সকলো অৱস্থা বৰ্ণাই বামদেৱে তেওঁক বিদায় দিব খুজিলে। আগন্তুকে কিন্তু সিবোৰ কথা শুনিব নোখোজে। ক'লে,—"মোৰ ওপৰত আদেশ আছে, যি অৱস্থাতে নাথাকক যেনে তেনে লৈ যাব লাগে।" বামদেৱ বুজৰবৰুৱাৰ আৰু সহ্য নহল। খঙত গা কঁপিবলৈ ধৰিলে। টানকৈ উত্তৰ দিলে,—"কি কুক্ষণত এনে পাষণ্ড জোঁৱাই পাইছিলো মই! ছোৱালীৰ জীৱন-মৰণৰ ফালেও চাব নোখোজে। যোৱা, গুচি যোৱা! নিদিও, মোৰ ছোৱালীক এৰি। যি হয় হ'ব। মোক নাজানা, মই কোন?" লগতে এটা হুমুনিয়াহ কাঢ়িলে।

অহা মানুহগৰাকী শশধৰ শৰ্ম্মাৰ দূৰ সম্পৰ্কীয় আত্মীয়—বয়স ভাটি দিছে। তেওঁ পেন্সন পোৱা হাকিমৰ খং দেখি অন্তৰতে হাঁহিলে—'তই এতিয়া ঢোৰা সাপ।' ফুটাই ক'লে,—"মই কি কৰিম? মই তেওঁৰ আশ্ৰিত। যিহকে ক'বলৈ কৈছে, তাকে মই কৈছোহি। বাৰু, মই আপোনাৰ জোঁৱাইক বুজাই কম।"

বিজয়াৰ মাকে সকলো শুনি, মানুহ গৰাকীক ভিতৰলৈ মাতি জা-জলপান খুৱাই চুৰীয়া এজোৰ আৰু ৰূপ পাঁচ টকা হাতত দি জোৱায়েকক ভাল কৰি বুজাই, শহুৰেকৰ ঘৰলৈ পঠিয়াই দিবৰ কাৰণে বিশেষ অনুৰোধ কৰিলে। তেওঁ "ভাল বাৰু, বুজাই কম" বুলি বিদায় ল'লে। * *

বামদেৱে ঘৈণীয়েকক ক'লে,—"সকলো মিছা, এই পাঁচ টকা আৰু চুৰীয়াজোৰ অথলে গ'ল। এনে কথা মই ক'তো দেখা শুনা নাই। এনে এটা টান বেমাৰ হৈ গল, এবাৰ চাবলৈ আহিল জানো? এতিয়াও ছোৱালীজনী



...লৈকে পিয় হ'বই নোৱাৰে, কঁপে। তাৰ উপৰিও সমুখত ...িপদ, বোলে যি অৱস্থাতে থাকক লৈ যাব লাগে!"

কাণ্ড কাৰখানা দেখি শুনি বিজয়াৰ শুকান মুখ আৰু ...ুকাই গ'ল। দুৰ্ব্বলতাৰ ওপৰত দুশ্চিন্তা পৰি আকৌ জ্বৰ ...উঠিল। মাক-বাপেকে মহা দুৰ্ভাৱনাত পৰি মঙ্গলময় ...গৱানক কায়মনোবাক্যে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

বামদেৱ বুজৰবৰুৱাই আগৰ দৰে মেল পাতি বহে ...ৱঙ্গে, কিন্তু ঘৰত জীয়েক নৰীয়া পৰি আছে গতিকে মনত ...শান্তি নাই। সিদিনা মেল পাতি বহি থাকোতে জোঁৱায়েকে ...ৰা চিঠি এখন পাই তেওঁ অগ্নি শৰ্ম্মা হৈ উঠিল। ...লিখিছে— ঘৰত ৰাখি থোৱাই যদি মতলব আছিল তেনে-...হ'লে ছোৱালীক বিয়া নিদিয়াটোৱেই উচিত ইত্যাদি। তাত ...ৰু আছিল যে সাত দিনৰ ভিতৰতে বিজয়াক পঠিয়াব ...পাৰিলে হে ৰক্ষা, নহলে বিজয়াৰ চিৰ বিসৰ্জ্জন।

উপস্থিত সকলোৱে বৰ উৎকণ্ঠিত হৈ বৰুৱাদেৱৰ মুখৰ ...ফালে চাই ৰ'ল। তেখেতে মনৰ উত্তেজনাত কৈ পেলালে ...জোঁৱাইৰ আকলটো চাওক। এতিয়ালৈকে ছোৱালীৰ ...ঘৰপৰা জ্বৰ যোৱা নাই; হুকুম আহিছে তাইক পঠিয়াব ...লাগে। আকৌ ভয় দেখুৱাইছে, বিয়া কৰিব বুলি। কৰক ...যিহকে ইচ্ছা। মযো এবাৰ তাৰ মহতালি চাই লওঁ।"

ৰুণা কাকতীয়ে জোঁৱাইৰ সেকা পোৱা মানুহ। ...তেওঁকে হুমুনিয়াহ এটা কাঢ়ি ক'লে—"আৰু ক'ব নালাগে ...ৰঙৌয়া। যেতিয়া দেশত শিক্ষা-দীক্ষাৰ অভাৱ আছিল ...তেতিয়াৰ কথা বেলেগ আছিল। কিন্তু আজি কালিৰ ...নিষ্ঠ লিখা-পঢ়া জনা শিক্ষিত ডেকাবিলাকৰ ব্যৱহাৰ, ...কাণ্ড-কাৰখানা দেখিলে মন বিদ্ৰোহী হৈ উঠে। সিহঁতৰ ...সিহঁতবিলাকেই শিক্ষা!"

মহেন্দ্ৰ মেধীয়ে অলপ হাঁহি ক'বলৈ ধৰিলে—"মজা ...হ'বলৈ ভাল। আকৌ এই তৰুণৰ দলেই পাশ্চাত্য শিক্ষা ...সভ্যতাৰ দোহাই দি বুঢ়াবিলাকক 'গ টু হেল্' ...বুলি কৈ নাৰী শিক্ষাৰ আৱশ্যকতা সম্বন্ধে বক্তৃতা দিবলৈ ...যায়। নাৰীৰ জাগৰণ, নাৰী-প্ৰগতি আদিৰ বাট ...মুকলাবৰ কাৰণে হাতত জ্ঞানৰ দা লৈ ফুৰে। 'যত্ৰ নাৰ্য্যাস্তু ...পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ। যত্ৰৈ তাস্ত ন পূজ্যন্তে সৰ্ব্বাস্ত ত্ৰাফলাঃ ক্ৰিয়ঃ॥' আৰু 'জামযো যানি গেহানি শপন্ত্য প্ৰতি পূজিতঃ। তানি কৃত্যাহতানীব বিনশ্যন্তি সমন্ততঃ॥' মনুসংহিতাৰ এনে কিমান শ্লোক সিহঁতৰ মুখে মুখে শুনিবা। দেশত কোনো ভাল শিক্ষিতা ছোৱালী পাবলৈ নাই এই কৈফিয়ৎ দি কিছুমান শিক্ষিত ডেকাই আন দেশ-প্ৰদেশৰ ফালে চকু দিবলৈকো ইতস্ততঃ নকৰে। ইফালে কিন্তু সিহঁতৰ কুশিক্ষাৰ উপদ্ৰৱত এতিয়াৰ পৰাই হাহাকাৰ উপস্থিত হ'বৰ উপক্ৰম হৈছে। বেচাৰাহঁতে বুবুজে যে বিদ্যা আৰু শিক্ষা ঠিক একেটা নহয়। কিন্তু এটা কথাত দোষ শহুৰবিলাকৰ গাতো আছো। আজি কালি শাস্ত্ৰমতে কোনোৱাই পাত্ৰ নিৰ্ব্বাচন কৰে জানো? বংশৰ বিচাৰ নাই, স্বাস্থ্যৰ বিচাৰ নাই, স্বভাৱ চৰিত্ৰৰ বিচাৰতো সমূলি নায়েই বৰং বিয়া হৈ গ'লে ল'ৰাৰ স্বভাৱ ভাল হৈ যাব বুলি হে মানুহক কোৱা শুনিবলৈ পোৱা যায়। 'ইল্লত ( মলি ) যায় ধুলে আৰু স্বভাৱ গুচে ম'লে (মৰিলে)। এই পটন্তৰটোক কোনেও গ্ৰাহ্য নকৰে। অকল টকা নহলেও চাকৰি থাকিলেই হ'ল। নগদ টকাৰ কি মূল্য তাকতো বহুতে দেখিছে। স্বভাৱ ভাল নহলে তাক উৰাই দিওতে কিমান পলম লাগিছে। আৰু চাকৰিৰ মূল্য? এইটো বুজৰবৰুৱাদেৱৰ জোৱাইকে চাওক—চাৰি বছৰ নৌ যাওঁতেই এনে ভাল ছাব-ডেপুটি গিৰি গুচিল। ই কঠুৱা মেজাজৰ ফল। অকল ন্যায়ৰ বাটত চলিলেই নহব—চালাকি লাগে; বিনয় লাগে। মগজ গৰম কৰি দেখুৱালে শহুৰেকে ভয় খাব পাৰে—ছোৱালীৰ ভৱিষ্যত আশঙ্কা কৰি, কিন্তু ওপৰৱালাই হাতত থাকিব কোন দুঃখত?"

বামদেৱ বুজৰবৰুৱাই একো উত্তৰ নিদি মাথোন এটা হুমুনিয়াহ কাঢ়িলে।

[ ৫ ]

শশধৰৰ আন এখন বিয়া হৈ গ'ল। সেই খবৰ বুজৰবৰুৱাদেৱে যথাসময়তে পালে। তেওঁ গহীন হৈ অকল ঘনে ঘনে জীয়েকৰ মুখৰ ফালে চাবলৈ ধৰিলে আৰু গালি শাও-শপনিৰে কোঢ়াল তুলিলে আন আত্মীয়বিলাকে।

বিজয়াৰ মাকৰ অলপ চকুৰ পানী ওলাল। তাক মছি পেলাই জীয়েকৰ ওচৰলৈ গৈ বহিল। বিজয়াৰ মুখত একো মাত বোল নাই, মুখৰ ফালে মুখ তুলি চাবলৈ কাৰো সাহ নহল। মাকে এই করুণ দৃশ্য বেছি পৰ সহিব নোৱাৰি তাইৰ ডিঙিত ধৰি হুকহুক কৰে কান্দি পেলালে। বিজয়াৰ মনৰ বান্ধ চিগি গ'ল। দুই গালেদি অনৰ্গল চকু-লো বাগৰিবলৈ ধৰিলে। মাকৰ কান্ধত তাই মূৰ পেলাই ৰ'ল।

এই দৃশ্যত বামদেৱৰ চকুৰ পানী ওলাবৰ উপক্ৰম হোৱা দেখি মুখখন আনফালে ঘূৰাই লৈ প্ৰকৃতিস্থ হ'ল। পিছত ঘৈণীয়েকক মাতি ক'লে,—"হৈছে আৰু এতিয়া সকলোৱে মনে মনে থাকা। আজিৰ পৰা ভাবা, জোঁৱাই আৰু জীয়াই নাই; মোৰ আই বিধৱা হ'ল। কথাৰ লগে লগে আকৌ তেওঁৰ চকুৰ পানী আহিল। তাকে দেখি বিজয়াই মাকৰ গাত ঢলি পৰি ফেকুৰি কান্দি পেলালে। মাকেও তাৰ প্ৰতিধ্বনি তুলিলে • • •।

বিজয়াই বুজিলে তাইৰ কপাল ভাগিল, কিন্তু আশা মানুহৰ চিৰকলীয়া বন্ধু। তাই ভাবিলে সকলোৰে অদৃষ্ট একে নহয়। হ'ল হ'ল বাৰু সতিনী। তিৰোতাৰ সতিনী সংসাৰত একো নতুন কথা নহয়। ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে,—"হে অন্তৰ্য্যামী, পৰমেশ্বৰ প্ৰভো! মইতো জানি শুনি তেওঁৰ ওচৰত কোনো অপৰাধ কৰা নাই। তেওঁ যেন মোক নেৰে আৰু চৰণত ঠাই দিয়ে।" • • •

বিজয়াৰ মাকে গিৰীয়েকক বুজাবলৈ চেষ্টা কৰিলে, "যি হ'বৰ হ'ল। এতিয়া যেনে তেনে বিজয়াক তাইৰ গিৰীয়েকৰ ঘৰলৈ পঠিয়াব লাগে।"

বামদেৱ হাকিমে প্ৰথমতে ৰাজী হোৱা নাছিল। এই ঘোৰ গোলমালৰ পিছত জোঁৱাইয়ে খবৰ নকৰে মানে উপযাচি জীয়েকক পঠোৱা ঠিক নহব। খবৰ ল'লেও পঠোৱা উচিত নে অনুচিত তাকো ভাবিব লাগিব। কাৰণ সতিনীৰ ঘৰত সুখৰ আশাতো নায়েই, বিশেষকৈ খং কৰি বিয়া কৰাইছে যেতিয়া তেনে অৱস্থাত লাঞ্ছনাৰ আশঙ্কাহে সৰহ।" কিন্তু তিৰোতাইহে বুজে তিৰোতাৰ মন। লোক-গঞ্জনা সহ্য কৰি থকাতকৈ শহুৰেকৰ ঘৰত কাথিত পৰি থকাও ভাল।

শশধৰলৈ ক্ৰমাত দুখন তিনিখন চিঠি দিয়া হ'ল। বিস্ ভাল বেয়া একো উত্তৰ নাই। অৱশেষত তেওঁৰ ওখ মূৰ সেও কৰি সকলো অপমান সহিবৰ কাৰণে সাজু হৈ বুঢ়ৰ বকস্রাদেৱে শুভ দিন ক্ষণ চোৱাই জীয়েকক বয়-বস্তুৰে সৈতে গিৰীয়েকৰ ঘৰলৈ পঠিয়াই দিলে।

বিজয়াই আশা নিৰাশাৰ হেন্দোলনিত হেন্দোলদোপ খাই গৈ ঘৰ পোৱা মাত্ৰকে শাহুয়েক আৰু গিৰীয়েক দুয়ো ওলাই আহি তাইক খেদি দিলে। লাজ-অপমান, আশঙ্কা, হতাশ আদিত ম্ৰিয়মানা হৈ মাকৰ ছোৱালী মাকৰ ঘৰলৈ উভতি আহিবলৈ বাধ্য হ'ল।

বিজয়াৰ শেষ আশা আছিল পেটৰ সন্তান। কন্ হ'লে সন্তানৰ নিমিত্তে পিতাকৰ মায়া নোহোৱাকৈ নাথাকে। তেতিয়া তাইক লৈ যাবলৈ বাধ্য হ'ব। কিন্ বিজয়াৰ সেই সুখৰ আশা আৰু সোণালী কল্পনা ফলৱতী নহল। পৰিত্যক্তা মাতৃৰ সন্তানৰ প্ৰতি পিতৃৰ মায় মমতাৰ পৰিতাপৰ সুবিধা হৈ নুঠিল। অদৃষ্টৰ ফল প্ৰসৱৰ সময়ত সন্তানটি ঢুকাল। এতিয়া তাইৰ জীৱন জনপূৰ্ণ পুৰীৰ ভিতৰতো নিঃসঙ্গ বোধ হ'বলৈ ধৰিলে সচ্ছলতা, প্ৰাচুৰ্য্যৰ মাজতো সকলো বিষয়ৰ অভাৱ অনুভ কৰিবলৈ ধৰিলে। অৱশ্যে বাপেক আৰু মাকৰ বিশ দৃষ্টি আছিল—বিজয়াই যেন কোনো বিষয়তে অভা অনুভৱ নকৰে। কিন্তু মন যাৰ সুদা তাইৰ অভাৱ পূ কৰিব কি বস্তুই? বৰং পিতা-মাতাৰ অতি মৰমে তাই গিৰীয়েকৰ অভাৱ বেছিকৈহে সোঁৱৰাই দিবলৈ ধৰিলে।

• • • •

দীঘলীয়া সাতোটা বছৰ বায়স্কোপৰ ছবিৰ দৰে চাওঁ চাওঁতে গুচি গ'ল। সেই যে বিজয়া শশধী দিনা শশধৰ শৰ্ম্মাই বিজয়াক বিসৰ্জ্জন দি গুচি গৈছি আজিলৈকে তাইৰ আৰু কোনো খবৰ বাতৰি লো নাই। জীয়েকৰ মনৰ কষ্ট হ'ব ভাবি ভয়ত বিজয়া বাপেক আৰু মাকে তাইৰ মুখৰ আগত কেতিয়াও জোঁৱা



নাম পৰ্য্যন্ত উলিওৱা নাই। কিন্তু নুলিয়ালে হ'ব বা! বিজয়াৰ ক্ষুদ্ৰ নাৰী হৃদয়ত পতিৰ পৱিত্ৰ স্মৃতি সমান ভাৱে জাগিছিল। পুৱা-গধূলি তুলসীৰ বিত বহি গিৰীয়েকৰ মঙ্গল কামনা কৰাটোৱেই তাইৰ প্ৰধান কৰ্ত্তব্য হৈছিল। কিন্তু গিৰীয়েকে আঁতৰত থকি তাৰ কোনো ভু নাপালে। পালেই বা হ'ব কি? নোবা নতুন ঘৈণীয়েক পাই মত্ত হৈ আছে, বিজয়াৰ ভাবিবৰ অৱসৰ ক'ত? মাজে সময়ে ভাবিলেও, ৰ দুৱাৰ মুখৰপৰা অপমান কৰি খেদি দিয়া জনীক তিবৰ ইচ্ছাও নহল। গতিকে এজন মানুহৰ মনৰ ছা-অনিচ্ছাৰ খামখেয়ালিত ফু'ৰ কোমল-মালা বাহী পৰি থাকি তিল তিলকৈ শুকাবলৈ ধৰিলে।

[ ৭ ]

শশধৰ শৰ্ম্মাই নতুন ঘৈণীয়েকক লৈ গুৱাহাটীলৈ হিছে—চিকিৎসা কৰাবৰ বাবে। স্ত্ৰীৰোগ—কিতাপ ই হোমিওপাথিক দৰবে আৰু পঞ্জিকাৰ বিজ্ঞাপন চাই টেণ্ট দৰৱ দি ভাল কৰিব পৰা নাই।

অহা খবৰ পাই বিজয়াৰ মাকৰ আশা হ'ল— াৰ ভালকৈ ধৰিব, কিজানি জোঁৱায়েকে সকলোকে না কৰি বিজয়াক আকৌ আশ্ৰয় দিয়েই। কিন্তু দেৱ হাকিমে সেই আশা কৰা নাই; তথাপি ঘৈণীয়েকৰ পেলাব নোৱাৰি আৰু মৰমৰ জীয়েকৰ মঙ্গলৰ বাবে ধৰ সকলো অপমান কাতি কৰি থৈ থাবৰ কাৰণে ৰ আৰু তেওঁৰ নতুন ঘৈণীয়েক দুয়োকো নিমন্ত্ৰণ ৰিলে।

বিজয়াই মনৰ ভাব গোপন কৰি গহীন হৈ থাকিবৰ ষ্টা কৰিছিল, কিন্তু পতি দৰ্শনৰ আশাত মনৰ উৎফুল্ল ভাৱ য়ে মুখে ফুটি উঠিল। মাকে তাইক বুজাই বঢ়াই কৰি ৰাখিলে—কেনেকৈ গিৰীয়েকৰপৰা স্নেহ তা আদায় কৰিব লাগিব। বিজয়া এতিয়া আৰু সৰু ৱালী নহয়; তাই নিজ কৰ্ত্তব্য ভাল কৰি জানে। থাপি স্ত্ৰীসুলভ মনত নানা মান অভিমানে আহি ভুমুকি মাৰিবলৈ ধৰিলে। স্থান, কাল, পাত্ৰ বিবেচনা কৰি বলেৰে সিবোৰ আঁতৰাই দি করুণা ভিক্ষাৰ কাৰণে সাজু হৈ থাকিল হয়, কিন্তু কোনো নাহিল।

শশধৰে ঘৈণীয়েকৰ লগত পৰামৰ্শ কৰি নিমন্ত্ৰণ ৰক্ষা নকৰাটোকেই যুগুত বুলি ভাবিছিল। কব নোৱাৰি কাৰ মনত কি আছে। সম্বন্ধ এৰিছে যেতিয়া এৰিছেই।

বিজয়াই ইমানখিনি ভবা নাছিল। গিৰীয়েকে তাইক গ্ৰহণ নকৰিব পাৰে; কিন্তু কন্যাদাতা পিতাৰ তুল্য; তাৰ নিমন্ত্ৰণ ভাবি নহওক, ভদ্ৰতাৰ খাতিৰত এবাৰ ঘৰলৈকো নাহিব, সেই কথা তাই কেনেকৈ জানিব? কাকো একো নামাতি শুই পৰিল।

• • • • •

ৰাতি তেতিয়া তিনটামান বাজিছে। এজন চাকৰৰ মাতত বিজয়াৰ টোপনি ভাগিল। মাক তাইৰ লগতে শোৱে; তেওঁ ওলাই দেখিলে এজনী তিৰোতা মানুহ চাকৰটোৰ ওচৰতে থিয় হৈ আছে • • •

ৰাতি নটামানৰপৰা শশধৰৰ জহনীৰোগ আৰম্ভ হৈছে, বৰ্ত্তমান অৱস্থা বৰ বেয়া। ন-ঘৈণীয়েকৰ গা ভাল নহলেও প্ৰাণপণে শুশ্ৰূষা কৰিছিল, কিন্তু এতিয়া আৰু অকলৈ নোৱাৰে। নগৰত কোনো চিনাকি মানুহ নাই বা থাকিলেও ক'ত আছে তাক তেওঁ নাজানে। গতিকে মনত নানা আশঙ্কা হ'লেও বিপদত পৰি নিৰুপায় হৈ বিজয়াৰ সাহায্য বিচাৰি আহিছে। আশা—বিজয়া পৰিত্যক্তা, লাঞ্ছিতা, অৱমানিতা হ'লেও ধৰ্ম্ম-পত্নী।

বিজয়াই শুনা মাত্ৰকে চিঞৰি উঠিল। প্ৰকৃতিস্থ হ'লত পলম নকৰি তেতিয়াই ওলাল। মাকে ঘৰৰ চাকৰ টোক লগতে পঠিয়াই দি অলপ পাছতে গিৰীয়েকৰ সৈতে তেঁৱো গৈ জোঁৱায়েকৰ ঘৰ পালেগৈ।

• • • • •

শশধৰে বিজয়াক দেখি চিনিব পাৰি তাইৰ হাতখন টানি লৈ নিজৰ বুকুত ৰাখি ক'লে,—"বিজয়া আহিছা? আৰু মোৰ ভয় নাই।"

# জলাতঙ্ক বেমাৰ

### [ বলিয়া কুকুৰ-শিয়ালে কামোৰা আৰু তাৰ চিকিৎসাৰ বিষয়ে কেইটিমান কথা ]

—ডাঃ শৰৎচন্দ্ৰ বৰুৱা

সকলো দেশতেই বলিয়া জন্তুৱে মানুহ কামোৰে আৰু আমাৰ দেশতো বছৰি অনেক মানুহক কামোৰে। ই একো নতুন কথা নহয়—আগৰেপৰা চলি আহিছে। পূৰ্ব্ব কালতো ইয়াৰ চিকিৎসা কৰাৰ প্ৰথা আছিল; এতিয়াও আমাৰ গাৱঁত ইয়াৰ কিবা ঔষধ-পাতি খুওৱা প্ৰথা একেবাৰে লোপ পোৱা নাই। আমাৰ বৰ্ত্তমান প্ৰবন্ধত আধুনিক প্ৰণালীৰ চিকিৎসাৰ কথাহে উল্লেখ কৰা হ'ব।

আমি সকলোৱেই জানো যে বলিয়া কুকুৰ শিয়াল আদিয়ে কামুৰিলেই কামোৰাজনৰ সেইবেমাৰ হয়। সাধাৰণতে কুকুৰৰে এই বেমাৰ বৰ বেছি হয়; কিন্তু কুকুৰনেচিয়া বাঘ, শিয়াল, মেকুৰী, ঘোঁৰা, গৰু, বান্দৰ আদি জন্তুবো হয়। চৰাইবোঁ হ'ব পাৰে বুলি কয়। এই বেমাৰটোও এটা বীজাণুৰপৰা হয়। ই সাধাৰণতে মগজুত থাকে। কিন্তু জন্তুৰ লালটিতে বেছি ৰকমে পোৱা যায়। যেতিয়া বলিয়া জন্তুৱে কামোৰে তেতিয়া তাৰ লালা-টিৰ লগত থকা বীজাণু কামোৰাজনৰ গাত সোমাই স্নায়ুৱেদি মগজলৈ যায়।

এই বীজাণুৰ সকলো বিৱৰণ আজিলৈকেও ভালকৈ পোৱা নাযায়। ইয়াক প্ৰথমে "নেগৰি" নামেৰে এজন বৈজ্ঞানিকে উলিয়াইছিল কাৰণে ইয়াৰ নাম "নেগৰি বডি" বোলে।

এই বেমাৰ কামোৰা মাত্ৰকেই নহয়, সাধাৰণতে ডেৰ আৰু দুমাহৰ ভিতৰতে উৎপত্তি হয়। কিন্তু ১৪ দিনৰ ভিতৰতো দুই এজনৰ কেতিয়াবা হোৱা দেখা গৈছে; আকৌ দুবছৰৰ পিছতো হোৱা শুনা গৈছে। তলত দিয়া কাৰণ কেইটাৰপৰা এই বেমাৰৰ উৎপত্তিৰ সময় কম বেছি হয়।

(১) বয়সীয়া লোকতকৈ লৰাৰ সোনকালে হয়।

(২) মূৰত, মুখত, ডিঙিত অৰ্থাৎ মগজুৰ ওচৰ ঠাইত কামুৰিলে বেগতে হয়; গাৰ মাজ ভাগত বা হাততকৈ ভৰিত কামুৰিলে পলমকৈ হোৱা সম্ভব।

(৩) কামোৰা ঘা বেছি হ'লে সোনকালে হয়।

(৪) কামোৰা জন্তুবো লেখ আছে—কুকুৰনেচিয়াই কামুৰিলে খুব সোনকালে, মেকুৰী, কুকুৰ আৰু অন্যান্য জন্তুৰ কামোৰত অলপ পলমকৈ হয়।

(৫) ভাৰতবৰ্ষত দেখা গৈছে যে যুক্তপ্ৰদেশৰ পগলা জন্তুবোৰৰ বীজাণু বৰ বেছি বিষাক্ত। তাৰ পাছতে পঞ্জাৱ। অসম, বঙ্গ আৰু বৰ্ম্মা দেশৰ বীজাণু উত্তৰ আৰু মধ্য ভাৰতৰ বীজাণুতকৈ কম বিষাক্ত।

### বলিয়া জন্তু দুবিধ

(১) উন্মত্ত—এই বিধ লৰি-চৰি ফুৰে আৰু যাকে য'তে পায় কামোৰে। এইবিধ বৰ ভয় লগা।

(২) বোবা—এই বিধ নিমাত; চুকে কোনে মনে মনে পৰি থাকে, আনকি গাকে লৰাব নোখোজে। ইইঁতৰ সকলো অঙ্গপ্ৰত্যঙ্গই অসাৰ হয়।

### বেমাৰৰ লক্ষণ

প্ৰথম অৱস্থাত কামোৰা ঠাইত অলপ বিষ বা জিন-জিননিয়ে ধৰাৰ নিচিনা হয়। বেমাৰীৰ মন মৰা হয়, টোপনি কম হয়; আৰু খিংখিঙীয়া হয়। লগে লগে ডিঙিত সোপা মাৰি ধৰা যেন পায়। মনত এটা আতঙ্কৰ ভাব হয়। পোহৰ আৰু কোঢ়াল ভাল নাপায়।



...টো ভগা ভগা যেন হয়; আৰু তাৰ পিছত যেই ...নো বস্তু গিলিবলৈ কষ্ট পায়।

দ্বিতীয় অৱস্থাটো ইয়াতকৈও বৰ কষ্টজনক। ইয়াক ...অৱস্থা বোলা হয়। বুকুৰ আৰু ডিঙিৰ ওচৰৰ ...পেশীবোৰ চেপা মাৰি ধৰি উশাহ লোৱা আৰু গিলা ...কষ্টকৰ কৰে। বেমাৰীয়ে পানী খোৱা দূৰৰ কথা পানী ...খিলেই বৰ ভয় কৰে আৰু মাংসপেশীবোৰ কোচ খাই ...। সেই দেখিয়েই ইয়াক জলাতঙ্ক (Hydrophobia) ...লে। অকল পানীয়েই নহয়, এছাটি চেচা বতাহ ...বিচনীৰ বা কিম্বা কোনো এটা শব্দতেই ভয় খাই ...পেশীবোৰে চেপি ধৰি বৰ কষ্ট দিয়ে। কোনো বস্তু ...বলৈ ইচ্ছা কৰিলেও খাব নোৱাৰে। কিন্তু মাজে সময়ে ...তিয়া ভালে থাকে তেতিয়া বেছ শান্তিত থাকে আৰু ...না মুকলি হয়। বেমাৰীয়ে কাকো আঘাত কৰিবলৈ ...বিচাৰে। এইদৰে দুই তিনদিন থাকে, তাৰ পিছত ...ীয় অৱস্থাটোত বেমাৰী অসাৰ হয়। এই অৱস্থাত ...ক মাংসপেশীয়ে চেপি নধৰে; কিন্তু লাহে লাহে বেমাৰীৰ ...ন লোপ হৈ ১০।১২ ঘণ্টাৰ ভিতৰতে মৃত্যু ঘটে। ...বা বলিয়াবোৰৰ ওপৰত উল্লেখ কৰা প্ৰথম দুটা ...স্থা দেখা নাযায়।

### চিকিৎসা

এই বেমাৰ এবাৰ হ'লে তাৰ কোনো ৰকমৰ চিকিৎসা ...ই। ৰোগীয়ে ওপৰত উল্লেখ কৰা কষ্ট ভোগ কৰি ...ৰি মৃত্যু হ'বই। আচল কথা হৈছে এই বেমাৰ যাতে ...ব নোৱাৰে তাৰহে প্ৰতিকাৰ কৰিব লাগে। ...কোনো সন্দেহ জনক জন্তুৱে যেতিয়াই কামোৰে তেতিয়াই ...ৰ প্ৰতিকাৰ অতি সোনকালে কৰিব লাগে।

### প্ৰতিকাৰ

প্ৰথমে কামোৰা ঠাই ডোখৰত তেজ বেছিকৈ ...ৱাবলৈ দিব লাগে, কিন্তু এইটো কৰিবলৈ দিবলৈ ...কোনো ৰোগীয়ে ভাল নাপায়। সেইদেখি তলত লিখা ...ৰব কেইটাৰ এটাৰে পুৰি দিলেও হয় (১) কাৰবলিক এছিড্, (২) নাইট্ৰিক্ এছিড্, (৩) পটাছ পাৰমেঙগেনেট্, (৪) ফৰমেলিন, (৫) ছিল্ভাৰ্ নাইট্ৰেট্; এই পোৰা কামটো যিমান সোনকালে পৰা যায় কৰা উচিত। পলম হ'লেও নকৰাকৈ থাকিব নালাগে।

ইয়াৰ পিছত প্ৰধান প্ৰতিকাৰ হৈছে বলিয়া জন্তুৰ ভেক্ছিনৰ বেজী লোৱা। এই ভেকছিনটো পেছটিয়ৰ নামে ডাক্তৰ এজনে প্ৰথমে উলিয়ায়। তেওঁৰ দিনতকৈ আজি-কালি ইয়াৰ অনেক উন্নতি হৈছে। বলিয়া জন্তুৰ চিকিৎসা কৰা হাস্পাতালবোৰ তেওঁৰ নাম অনুসৰি পেছটিয়ৰ ইনষ্টিটিউট দিয়া হৈছে। তেনে হাস্পাতাল গোটেই পৃথিবীতে আছে। ভাৰতবৰ্ষতো আজি-কালি কেবা ঠাইতো আছে। আমাৰ অসমৰ খিলংতো এটা আছে। কুৰি বছৰৰ আগেয়ে আমাৰ ইয়াৰ মানুহে পঞ্জাৱৰ কচৌলীলৈ গৈ চিকিৎসা কৰাব লগা হৈছিল। খিলংত হোৱাৰপৰা অসম আৰু পূৰ্ব্ববঙ্গৰ ৰোগীবোৰ তালৈ যায়। আজি চাৰি বছৰমানৰপৰা সদৰ আৰু মহকুমাৰ প্ৰায়বোৰ হাস্পাতালতে ইয়াৰ কেন্দ্ৰ খুলি ভৈয়ামতে চিকিৎসা কৰাৰ ব্যৱস্থা কৰিছে।

এনে কৰিবৰপৰা মানুহৰ বহুত উপকাৰ হৈছে আৰু চৰকাৰৰো অনেক খৰচ কমিছে। দুখীয়া মানুহে বিনা খৰচত চিকিৎসা কৰাৰ ব্যৱস্থা আগৰেপৰা চলি আহিছে আৰু এতিয়াও আছে। অন্য মানুহে বেজীৰ খৰচটো দিব লাগে। বেজীৰ দাম আগেয়ে অলপ বেছি আছিল; ৭৲টকাৰপৰা ১৪৲টকামানলৈকে পৰিছিল। কিন্তু এতিয়া যোৱা ১লা জানুৱাৰিৰপৰা ইয়াৰ দাম চৰকাৰে কমাই দিছে—মাত্ৰ ৫৲ টকা। ডাকত নিলে সৰ্ব্বমোট ৫৷৶ অনাৰপৰা ৬৶ অনা পৰে।

কেনেকুৱা অৱস্থাত চিকিৎসা কৰা দৰকাৰ তাক তলত দিয়া গ'ল।

১। যদি কামোৰা বা চেলেকাৰ দহ দিনৰ ভিতৰত জন্তুটো মৰে।

২। যদি জন্তুটো দহ দিনৰ ভিতৰতে মাৰি পেলোৱা হয়।

৩। যদি জন্তুটোৱে কামোৰাৰ পিছত তাক আৰু দেখা নাযায় বা তাৰ কোনো অনুসন্ধান পোৱা নাযায়।

৪। যদি জন্তুটো চিনিবই পৰা নহয়।

৫। যদি জন্তুটোৰ জলাতঙ্ক বেমাৰ বা তেনে ধৰণৰ কোনো সন্দেহ হয় তেন্তে মানুহে বেজী লোৱা নিতান্ত প্ৰয়োজনীয়।

যদি জন্তুটোৱে কামোৰাৰ পিছত দহ দিনলৈকে আগৰ নিচিনাকৈয়ে খাই-বৈ সুস্থ অৱস্থাত থাকে তেন্তে বেজী লোৱাৰ কোনো প্ৰয়োজন নাই, তথাপি সোনকালে বেজী ল'বলৈ হেলা কৰিব নালাগে। মুঠকথা অলপ সন্দেহ হ'লেই বেজী ল'ব লাগে। পিছত যদি জন্তুটো নিৰোগী বুলি জনা যায় তেন্তে বেজী বন্ধ কৰি দিব লাগে।

ইয়াৰ বাহিৰেও তলত দিয়া কাৰণতো বেজী ল'ব লাগে—

১। যদি বলিয়া জন্তুৱে কামোৰা গৰু-পোৱালীৰ মাকৰ গাখীৰ কেচাই খোৱা হয়।

২। যদি বলিয়া জন্তুয়ে কামোৰা গৰুৰ গাখীৰ কেচাই খোৱা হয়।

৩। যি মানুহে ওপৰত উল্লেখকৰা গাইৰ গাখীৰ খীৱাই—তেওঁ।

৪। জলাতঙ্ক হোৱা মাকৰ গাখীৰ যদি কোনো কেচুৱাই খায় সেই কেচুৱাই সম্পূৰ্ণ বেজী লোৱা নিতান্ত প্ৰয়োজন। গাখীৰ যদি উতলাই খোৱা হয় তেন্তে প্ৰথম আৰু দ্বিতীয় লোকৰ বিষয়ে কোনো ভয় নাই, বেজীৰে একো দৰ্কাৰ নকৰে। কোনো কেচুৱাৰ মাকে যদি বলিয়া জন্তুৱে কামোৰাৰ কাৰণে বেজী লয় সেই সময়ত কেচুৱাই মাকৰ গাখীৰ নিসন্দেহে খাব পাৰে, কিন্তু যদি মাকৰ জলাতঙ্ক বেমাৰে দেখা দিয়ে তেন্তে তৎক্ষণাত গাখীৰ বন্ধ কৰি কেচুৱাক বেজী দিয়াব লাগে।

ওপৰত উল্লেখ কৰাৰ বাহিৰে কামোৰা বা চেলেকা বা কোনো প্ৰকাৰে যদি বলিয়া জন্তুৰ মুখৰ লাল মানুহৰ গাত লগাৰ গম পোৱা বা সন্দেহ হয় তেন্তে তেতিয়াই তাৰ প্ৰতিকাৰ কৰিব লাগে।

বেজী সাধাৰণতে চৌধদিন দিব লাগে। চেলেকা আদিত সাতদিন দিলেও হয়। বেজী পেটৰ মাংসপেশীত দিয়ে। কাৰণ তাত সৰহ বেজী সহজে ল'ব পাৰি। বেজী আটাই কেইদিন একেৰাহে ল'ব লাগে ; খটি কৰিলে ভাল ফল নাপাবও পাৰে। বেজী লোৱাৰ কাৰণে জ্বৰ নহয়। কিন্তু যদি কোনো ৰোগীৰ মেলেৰিয়া জ্বৰ থাকে তেন্তে তেওঁলোকে দহ গ্ৰেনমান কুইনাইন খোৱা ভাল। বেজী লোৱাৰ ৮৷৯ দিনৰপৰা বেজী লোৱা ঠাইবোৰত অলপ বিষ হয় আৰু উথহে, কিন্তু গৰম সেক দিলেই লাহে লাহে কমি যায়। বেজী লোৱা কেইদিন আৰু তাৰ পিছত দহ দিনলৈকে মদ্ আদি খাব নালাগে আৰু কোনো বেছি পৰিশ্ৰমৰ কাম কৰিব নালাগে। সেই সময়ত গাত ঠাণ্ডা লাগিবলৈকো দিব নালাগে।



# প্ৰণয় মন্দিৰ

গল্প ]

—শ্ৰীযুত ভগৱানচন্দ্ৰ দাস বি-এ

...আঁউসীৰ গভীৰ নীৰৱ ৰাতি। ঘৈণীয়েক নীলিমাই ...নীনক হঠাতে সাৱটি ধৰি হুক হুককৈ কান্দিবলৈ ধৰিলে। ...নীনৰ টোপনি ভাগিল। প্ৰথমতে তেওঁ একো বুজিব ...নোৱাৰি নীলিৰ হাত দুখনত ধৰি সুধিবলৈ ধৰিলে। নীলিৰ ...মুখত মাথোন সেই একেষাৰ কথা—"কক, মোক আপুনি ...ধৰি ৰখলৈকো নাযায়। কাঞ্চনৰ দৰে দুৰ্গতি মোৰ ...নহবে!"

নবীনে বুজিলে কোমল প্ৰাণৰ মৰ্ম্ম ভেদি ওলোৱা ...হৃদয়বেদনাৰ লগত গভীৰ আশঙ্কা। "ক'তা মই দেখোন ...তোমাৰ লগতে আছো" বুলি কৈ নবীনে পুনৰ নীলিক ...বুকুৰ মাজলৈ টানি ল'লে।

* * * *

সিদিনা অফিচৰ কামত মন নবহাত নবীন একেকোবেই ...ওলাই আহি ঘৰ পলেহি। কেছবাকচৰ চাবি কোচা ...খুলি নীলিক মাতিছেহে মাতিছে ; নীলিৰ দেখা দেখিকে ...নাই। অলপ পৰ শোৱনি কোঠাটোতে ইফাল সিফাল কৰি ...নবীনে ওচৰৰে আৰামী চকি খনত বহি দীঘল দীঘলকৈ ...উশাহ ল'বলৈ ধৰিলে। অলপ পৰৰ পিছতে নীলিয়ে ...গামোচা খনত হাত মচি মচি শোৱনি কোঠা ...সোমাল।

"মইনো কেনেকৈ জানো, আপুনি আজি ইমান ...সোনকালে অফিচৰপৰা আহিব বুলি। ৰান্ধনি ঘৰত ...নীলিৰে সৈতে লুচি দুখনমান কৰিবলৈ ধৰিছিলো; আপুনি ...অহা গমকে পোৱা নাই" বুলি কৈ নিজ কৈফিয়ৎ দাখিল ...কৰি নীলিমাই নবীনৰ কাষ চাপিল।

"গমনো পাবা কেনেকৈ? পদূলি মুখত নামিয়েই ...খিড়িকীৰ মাজেদি তোমাৰ মুখখন দেখাৰ কিবা আমাৰ ...সৌভাগ্য আছেনে?"

হাতৰ গামোচাখন বুটলি লৈ নীলিয়ে এখোজ দুখোজকৈ পাছলৈ আহি পালেঙৰ খুটা এটা চিকুটিবলৈ ধৰিলে। আষাৰৰ পূৰ্ব্ব মেঘ চমকা ভালকৈয়ে আকাশত লম্বিছে ; বাৰিধাৰাৰ আৰু সৰহ পৰ নাই যেন গম পাই নবীনে চকিৰপৰা উঠি পাছফালৰ পৰা নীলিৰ তলমুৱা মুখখন ওপৰলৈ তুলি ল'লে। বসন্তৰ ৰাগ ৰঞ্জিত ৰঙা ওঁঠ দুটিত টপ কৰে চুমা এটাৰ আশাত নিজৰ মুখখন আগ বঢ়াই নিওঁতেই ৰান্ধনি ঘৰৰপৰা লীলিয়ে আতুৰ হৈ মাত দিলে—"অ' নবৌ, ছছপেনৰ গাখীৰ সোপাই উতলি পৰিল ; বেগাই আহক"। বাহ-বেহৰ পৰা নিজক মুকলি কৰি নীলিয়ে উধাতু খাই ৰান্ধনি-ঘৰ পাই দেখে লীলিয়ে ছছপেন নমাই পিয়লাত চাহ ঢালি মাজে মাজে একোটা দুষ্টালিৰ হাঁহি মাৰি আছে।

এক মুহূৰ্ত্তৰ অভাৱত যে সংসাৰত কিমান অভাৱনীয় ঘটনা ঘটি উঠে তাৰ সীমা সংখ্যা নাই। এলবাৰপৰা আৰু একমুহূৰ্ত্ত আগে যোৱা হ'লে কিম্বা ছেণ্ট-হেলেনালৈ নিয়াৰ আগতে আৰু একমুহূৰ্ত্ত সময় পোৱা হ'লে নেপোলিয়নে হয়তো ইউৰোপৰ বুৰঞ্জীকে ওলোটাই দিলে হেঁতেন। এক মুহূৰ্ত্তৰ ইফাল সিফালত নিজৰ আধাখোৱা চুমাটোৰপৰা কিমান যে অশান্তিৰ সৃষ্টি হ'ব লগা হ'ল তাকে ভাবি ভাবি নবীনে আৰামী চকি খনতে কপালে মূৰে হাত দি বহি মূৰৰ চুলি সৰাবলৈ ধৰিলে। নীলিয়ে চাহ-লুচী লৈ ওচৰৰে "টিপয়" খনতে থৈ অলপ খৰটকীয়া সুৰেৰে ক'লে,—"হ'লনে আপোনাৰ চিন্তা? হইছে আৰু, চাহ খক, চেঁচা হ'ব।" দোষী সাব্যস্ত হোৱা আচামীটোৰ দৰে একো নমতা নোবোলাকৈ নবীনে চাহৰ পিয়লাত হাত দিলে। নীলিমাই স্বামীৰ হঠাতে কিয়নো এনে পৰিৱৰ্ত্তন ঘটিল তাক বুজি ওচৰৰ চকি এখনতে বহিল।

"আপুনি সিদিনা ক'ব খোজা কথাষাৰ এতিয়াই ক'ব লাগিব" বুলি দাবি কৰি নীলিক আৰু এপিয়লা চাহ আনিবলৈ ক'লে। একেজাপেই ভাব ৰাজ্য পাৰ হৈ নবীনে প্ৰত্যক্ষত নামিল। বুঢ়ী আইৰ সাধুৰেপৰা বসন্তৰ কুলি কেতেকীৰ লগত আমৰ মলকে ধৰি দাঁতত ভাতটো লগাইলৈকে সচাই মিছাই সাজি সাজি কত কথাকেই নীলিক কয় তাৰ সীমা সংখ্যা নাই। নবীনৰ মনত নথকাত সুধিলে,—"কোনষাৰ কথা নীলি ?"

"সেই আপোনাৰ বিয়াৰ আগতে হ'ব খোজা কইনা জনীৰ—" কথাষাৰ শেষ নোহওঁতেই নীলিয়ে ৰাঙচালী ওঁঠত মিচিকিয়া হাঁহিৰে চাহ লৈ সোমাল।

"এই জনীয়ে কিমাননো দাঁতকিটা দেখুৱাই ফুৰে অ'" বুলি নীলিয়ে নন্দেকক অলপ শাসন কৰিলে। নবীনেও ৰহস্যটো উপভোগ কৰি হাঁহি চাহৰ পিয়লাত মুখ দিলে। চকিখন আৰু অলপ ওচৰলৈ আনি নীলিমাই জেদ কৰি ক'লে,—"কক এতিয়া আপোনাৰ কইনাজনীৰ কথা।" "অ' তুমি কাঞ্চনৰ কথা কৈছা। থক দিয়া নালাগে শুনিব।"

নীলিয়ে বুজিলে যে গিৰীয়েকে কথাষাৰৰপৰা আঁতৰি যাব খুজিছে। এইবাৰ আৰু অলপ ওচৰলৈ চকিখন টানি আনি দুয়োৰে মাজত যিমানখিনি ঠাই আছিল তাকো বন্ধ কৰি ভালকৈয়ে মুখামুখি কৰি বহি ল'লে। আইন অমান্য ( চিভিল ডিছঅবিডিয়েন্স ) কৰিও যদি কেতিয়াবা মুক্তি আছে, এই আদেশ বা জেদৰপৰা মুক্তি দূৰৰ কথা; তাতোকৈ কঠোৰ পৰিণাম ভাবি নবীনে আৰম্ভ কৰিলে,—"সি আজি ৬।৭ বছৰৰ আগৰ কথা নীলি। বি-এ পৰীক্ষাটো ভাল ৰকমে দি আমি কেইজনমান মনে-চিতে মিলা বন্ধু গোট খাই, মুকলিমুৰীয়া হৈ গুৱাহাটীৰ ওচৰে-পাজৰে গাওঁ-ভূঁই আৰু পাহাৰে-পৰ্ব্বতে ফুৰিবলৈ ওলালো। দূৰৰ সকলো চাই মেলি ওচৰৰ কামাখ্যাৰ নীলাচলৰপৰা ব্ৰহ্মপুত্ৰ চাওঁ বুলি মন কৰি ওলাই আহি পাহাৰৰ তলিত দেখো এজন বুঢ়া ভদ্ৰলোকৰ লগত এজনী পাটগাভৰু ছোৱালী।" এই খিনিতে কথাত মন বহিছেনে নাই তাকে বুজিবলৈ নবীনে নীলিৰ মুখলৈ চালে। সেই হেন চঞ্চল চকু-জুৰি বাটলু গুটিয়া হেন কৰি ৰ-লাগি তেওঁলৈকে চাই থকা যেন দেখি আৰম্ভ কৰিলে,—"তেওঁলোকো আমাৰ লগতে কামাখ্যা দৰ্শন কৰিবলৈ যাব। কথাই-বতৰাই বুজিলো তেওঁলোকৰ ঘৰ কোচবিহাৰত। বুঢ়া ৰাজ-দৰবাৰৰ এজন গণ্য মান্য লোক। বৈবাহিক সূত্ৰত বৰপেটাৰ বিখ্যাত চৌধুৰী পৰিয়ালৰ লগত তেওঁলোকৰ সম্বন্ধ। বৰপেটালৈ নাতিনীয়েক কাঞ্চনমতীক লগত লৈ আহি উজাই কামাখ্যা দৰ্শন শেষ কৰি বুঢ়া ঘৰলৈ উভতিব। পিন্ধন-উৰণত যদিও অলপ বঙ্গলুৱা ; তথাপি খোজেকাটলে সুন্দৰ ছোৱালী-জনী ! মুখখনো ঠিক তোমাৰে দৰে কলদিলীয়া। তলনুৱা চঞ্চল চকুজুৰি। দেখিলেই ভাল লাগে।"

"লাগিবইতো। পিছে বিয়া নকৰালে নো কিয় ?" বুলি নীলিয়ে ঘপৰাই কৈ পেলালে।

"ৰ'বা দেওহে, খঙনো কৰা কিয় ? গঙ্গা-যমুনা মহা-সাগৰত পৰিবই। বেলি ফুলে বেলিটোলৈ সদায় মুখ কৰি ফুলিবই। ডেকা-গাভৰুৰে দুয়ো দুয়োকে বাৰকুৰি বাধা বিঘিনিৰ মাজতো এবাৰ কেৰাহিকৈ চাবই, যদিও গাভৰুৰে চোৱা কোনোবাই দেখিলেই বেচেৰীৰ হয় অপৰাধ আৰু ডেকাই ৰ-লাগি চাই থাকিলেও হয় কবি। তাতে এপাচি কনিকচুৰ মাজত কাঞ্চনৰ দৰে পকা সুমথিৰা টেঙা এটা থাকিলেতো কথাই নাই। বুঢ়া-বুঢ়ী যথায়ো পাহৰে, একালত তেওঁলোকো তেনে আছিল ; যেনেকৈ তুমি এতিয়া পাহৰিছা যে নবীনৰ লগত নীলিমাদেৱীৰ তেতিয়া বিয়া হোৱা নাছিল" বুলি কথাৰ শৰপাতেৰে নীলিৰ উঠি অহা আখেজৰ কোবতো দমাই মিচিকিয়া হাঁহিৰে পুনৰ আৰম্ভ কৰিলে,—"কথা পাতি আমি আটাই কেইজনে কামাখ্যাৰ ডাঙৰ গৰাটো পাওঁতেই বুঢ়াৰ ফোঁকনি বাঢ়ি আহিল। বুঢ়াই কেতিয়াবা মোৰ কান্ধত এখন হাত দি এখন হাতে নাতিনীয়েকক ধৰি তেওঁলোকো ওপৰলৈ উঠিছে আৰু ময়ো উঠিছো। অতজাক ডেকালৰাৰ মাজত সেইহেন পাটগাভৰু কাঞ্চনৰ যে কি বিলৈ হৈছিল তাকতো বুজিছাই। ঘামি জামি লাজ আৰু ভাগৰত তেওঁ ককাকৰ হাতত ধৰি উঠি থাকোতেই মোৰ লগৰ বন্ধুকেইজনে আগবাঢ়ি টিপতে 'কোডাকত' 'স্নেপ' এটা লৈ, মোৰ লুতুৰা স্বভাৱটোকে লক্ষ্য কৰি পাৰেমানে বুঢ়াই বুজিব নোৱাৰা উজনীৰ ঘৰুৱা ভাষাৰে তিতা-কেহা দিয়েই আছে। মই সেইবোৰলৈ একো মন-কাণ নকৰি বুঢ়াৰ মাজেদি মোৰ শৰীৰত অজান দেশৰ যি বতাহ ছাটিয়ে থৌকি-বাথৌকি লগাইছে তাতে কিবা এটা সুখ পাই মনতো দমাব নোৱাৰি ময়ো এবাৰ কাঞ্চনৰ মুখলৈ চালো। তিৰবিৰ চঞ্চল চকুজুৰিৰে মোলৈকে চাই থকা দেখি বুঢ়াক ক'লো—'আপুনি অলপ জিৰাই শাঁত হক। মন্দিৰলৈ আৰু সৰহ বাট নাই।'



"এৰা বোপাই, ময়ো তাকে ভাবি আছিলো" বুলি বুঢ়াই দীঘল উশাহ এৰি নিজেও বহিল আৰু নাতিনীয়েককো বহিবলৈ ক'লে। ময়ো সুবিধা চাই কাঞ্চনৰ মুখে মুখে অলপ এটা তীব্ৰ হৈ বহি কথা পতাৰ ছলেৰে তেওঁক চাবলৈ ধৰিলো। মই ভাবিয়েই ল'লো যে কাঞ্চনে মোক ভাল পাইছে। কিয়নো, প্ৰথমতে মন কৰিলো মই কিবা এটা ক'লে কাঞ্চনে কাণপাতি শুনে। দ্বিতীয়তে বুঢ়াৰ কথাৰ লগতে আও পাকে মোকে লক্ষ্য কৰি কথা পাতে। তৃতীয়তে মোৰ সকলো আঁতিগুৰি আলেঙে আলেঙে গম লৈ যেতিয়া বুজিলে যে বি-এ পৰীক্ষা দি উঠি মাঘমহীয়া গৰখন ধৰা মতা মহৰ দৰে চৰি ফুৰিছো তেতিয়া একে কোবেই কাঞ্চনে মোক তেওঁলোকৰ লগতে কোচবিহাৰলৈ যাবলৈ বুঢ়াক কৈ পেলালে। মান্ধাতাদিনীয়া বুঢ়াই ডেকা-গাভৰুৰ ভিতৰি ভিতৰি সিদ্ধি থনা বুদ্ধিৰ একো উৱাদিহ নাপায়ে হ'বলা ক'লে—'এৰা নবীন, মোৰ কাঞ্চনেও কৈছে, মোৰো তোমাৰ লগত কথা-বতৰা পাতি বৰ ভাল লাগিছে। বলা, আমাৰ লগতে তুমিও কোচবিহাৰলৈ। দিন দিয়েক থাকি গুচি আহিবা।" "মই ভাবি চাওঁ" বুলি টপতে বুঢ়াৰ কথাৰ উত্তৰ দি লগৰীয়া সকলৰ লগতে পুনৰ খোজ ল'লো।

মন্দিৰৰ ভিতৰত মূয়ে হ'লো কাঞ্চনৰ প্ৰধান পাণ্ডা। সকলো মইহে বুজাই-মেলি ক'লে তেওঁ বুজা হ'ল। আনকি কেইখটি এটাত তেওঁ এবাৰ উঠিব নোৱাৰাত মই আলাসতে বগোৱা হাতখন ধৰি হাঁহি হাঁহি ওপৰ উঠিল।

শেষৰ কথাষাৰ শুনি নীলিয়ে ঘপ কৰে বহি থকা চকি খনৰপৰা উঠি চকু পকাই কিবা এটা ক'ব খোজোতেই মই মুখতে ধৰি ক'লো—"বুজিছো, ৰ'বা বাৰু। পিছে তেওঁলোকৰ লগত ঘূৰি ঘূৰি সকলো দেখুৱাই মেলি পাণ্ডাৰ ঘৰতে থৈ গধূলিৰ ৰেলত তেওঁলোকক লগ ধৰিমহি বুলি ওলাই আহি লগৰীয়া কেইজনৰ লগত কোনোমতে গুৱাহাটী পালো।

"ছিঃ কটা, এই পদূলিমুখৰ মতা জাতটোৰ অলপো লাজ নাই" বুলি খঙতে নীলিয়ে গাৰ কাপোৰবোৰকে ইফালে সিফালে টানিবলৈ ধৰিলে।

"এৰাতো, তোমালোকৰদৰে পদূলিমুখৰ গিৰীয়েকৰ ঘৰলৈ নহা তিৰোতাৰ দৰে আমিও লাজ লগাবলৈ দীঘল দীঘল ওৰণী এখন লৈ ফুৰিব লাগিছিল। কি কৰিবা, সেইটো ঈশ্বৰৰ আদিতেই ভুল।

কোচবিহাৰত সকলো সময়তে মোৰ লগৰ লগৰী হ'ল কাঞ্চন। আচৰিত নহবা নীলি, তোমাৰ মতে কাঞ্চন কিবা এটা বেয়া হ'লেও মোলৈ তেতিয়া নহয়। কলিকতাত আই-এ, বি-এ পঢ়ি থকা সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী। পুৰুষৰ গা দেখুৱাই বাটে-পথে পাৰিলে মানুহক খুন্দা এটা মাৰি যোৱা উদ্ধত শিক্ষিতা ছোৱালী নহয়। ধীৰ স্থিৰ অথচ লাজকুৰীয়া। নকৈছো দেখিলেই মৰম লাগে।"

"কিমাননো তাকে শুনায় ; এতিয়াও আনক" বুলি তিতা লাগি নীলিয়ে ওলাই যাবলৈ থিয় দিলে। নবীনে হাঁহি হাঁহি তেওঁক পুনৰ আগৰ ঠাইত বহুৱাই ক'লে,—"আচল কথাষাৰ শুনি যোৱা, গধূলি এদিন মই কাঞ্চনক গান শিকাই থাকোতে হঠাতে আমাৰ মাজত বুঢ়া ওলাই মই শিকোৱা গানটোৰ বৰ শলাগ ল'বলৈ ধৰিলে। লগে লগে নাতিনীয়েকৰ লগত চুপতি। শেহত মোৰ নামটোও টানি নি দুয়োকো জোৰাই হাঁহি হাঁহি বুঢ়া পুনৰ ভিতৰ সোমাল। কাঞ্চনে পুনৰ হাৰমোনিয়াম লৈ মই শিকোৱা গানটো বৰ আগ্ৰহেৰে শিকিবলৈ ধৰিলে। মই তন্ময়। হঠাতে তেওঁ এবাৰ সুৰ ভুল কৰাত মই বহি থকা চকি খনৰপৰা উঠিলো। তেওঁৰ পাছফালৰপৰা খোঁপাৰ দাতিয়েদি হাত-খন নি ৰিডত হাত দিওঁতেই তেওঁ মোৰ ফালে ঘূৰি

ধৰফৰণি উঠা বুকু ভেদ কৰি অহা তপত নিশ্বাস এছাটি মোৰ মুখত এৰি দিলে। দুয়ো লগালগি, মুখামুখি”...

“ইঃ বেটীৰ ইমান সাহ! পৰৰ মানুহক” বুলি কথাষাৰ শেষ নকৰি নীলিয়ে থপ কৰে নবীনৰ চকি খনৰ হাত পোৱা বেঞ্চিৰ ওপৰত বহি ল’লে। ফোপাই-জোপাই খঙতে এখন হাতে নবীনৰ মুখত সোপা দি ভৰিৰে ওচৰৰ “টিপয়”খন গোৰ মাৰি দিলে। চাহৰ পিয়লা ভাগি চুৰমাৰ হৈ মাটিত পৰিল।

নবীনে বুজিলে একেটা ভুলকে বাৰে পতি নীলিয়ে কৰি থাকিব। কোনোমতে নীলিৰ হাতখন নিজৰ মুখৰপৰা আঁতৰাই হাঁহি হাঁহি ক’লে,—“ভালেই হ’ল নীলি, নহলে সেই জঁাই আজি এই নিশকতিয়াৰ গাৰ ওপৰেদিয়েই গ’ল হেতেন।”

“ছিঃ পায়নে? আপোনাৰ আৰু কথাৰ লাগ-বান্ধ নাই” বুলি কৈ হাতেৰে খেপিয়াই নবীনৰ জোতাৰ তলৰ ধূলি এসোপা নিজৰ মূৰত ল’লে। নবীনে অলপ গম্ভীৰভাৱে নীলিক ওচৰলৈ টানি আনি ক’লে,—“একো নাভাবিবা নীলি। তুমি যিটো ভয় কৰি মোৰ মুখত সোপা দিছিলা, সঁচাকৈয়ে সিদিনা আমাৰ মাজত আকৌ হঠাতে বুঢ়া ওলাই দুয়োকো দুফালে সোপা দিছিল। কাঞ্চনৰে গোৰে মাজত এতিয়া যিখন আঁৰকাপোৰ পৰিছে, তাক দেওদি যাবৰ শক্তি আৰু নাই। তথাপি ভাবিলে দুখ লাগে আৰু আচৰিত হওঁ এই বুলিয়েই যে তিৰোতাবো ভৰা যৌৱনৰ ধীৰ জাগৰণত ইমানখিনি আশা-ভৰসা ত্যাগ কৰিব পাৰে! মোৰ বিয়াৰ সময়ত তোমাকে মোকে আশীৰ্ব্বাদ কৰি নিজে চিৰকুমাৰী হ’বৰ ইচ্ছা কৰি যিখন চিঠি দিছে পঢ়িলে চকু-পানী ওলায়। কেছবাকচৰ চুকতে বোধহয় সেইখন পাবা। তুমিও পঢ়ি চাবা। শুনিছো এতিয়া বোলে তেওঁ বেনাৰচত শিক্ষয়িত্ৰী। আৰু কিবা খোকোজা থাকিলে ক’বা।” আন কথালৈ নগৈ নবীনে ওলাই যাবলৈ থিয় দিলে। নীলিমাই অলপ হুকুম জাৰি সুৰত ক’লে,—“আজি আঁউসী। ভাত খাব নাপায় সোনকালে আহিব।”

---

# গীত

—শ্রীযুত উমেশচন্দ্র চৌধুৰী

চম্পা ফুলে সুগুৱায়,
নাহৰ ফুলে সুগুৱায়
কপৌ ফুলে সুগুৱায় তোক,
মুখৰেনো চিকে তোৰ
কিনো জেউৰ ধৰিলে,
কাপেনো তোৰ লগালে কি দোষ?

* * * *

কেলেই নো ফুলিছিলি
এলাগী মাদাৰ ঐ,—
কলৈনো মেলিছিলি পাহ?—
দূৰৰিত পৰিওযে
ৰূপকেহে বিনালি,
—চৰালি হেঙুলীয়া লাহ!

---

# ভাস্কৰ বৰ্ম্মা

—শ্রীযুত সোণাৰাম চৌধুৰী

পুৰাণ-প্রসিদ্ধ মহাত্মা নৰক প্রাগ্‌জ্যোতিষৰ মহা ...াক্রমী ৰজা আছিল। তেওঁৰ পুত্র বিখ্যাত বীৰ ...দত্তই দিগ্বিজয়ী অৰ্জ্জুনকো স্পৰ্দ্ধাৰে যুদ্ধলৈ আহ্বান ...ৰিছিল। তেওঁ চীন, কিৰাত অনুপদেশীয় অনেক সৈন্য লৈ ...ক্ষেত্র মহাসমৰত কৌৰৱপক্ষত যোগ দিছিলগৈ (১)। তেওঁ সেই যুদ্ধত প্রকাণ্ড হাতীত উঠি ১২ দিন একেৰাহে যুজি প্রচণ্ড বিক্রমৰ পৰিচয় দিছিল (২)। তেওঁ চক্রী কৃষ্ণৰ ...ত পাণ্ডৱবীৰ অৰ্জ্জুনৰ হাতত নিহত হ’লেও, তেওঁৰ ...াক্রম আৰু কীৰ্ত্তিকাহিনীয়ে আজিও মহাভাৰতৰ পাত ...দিন কৈ ৰাখিছে! তেওঁৰ সেই বীৰত্ব আৰু যশো-...ৰৱেৰে প্রাচীন কামৰূপ গৌৰৱান্বিত। তেওঁৰ পুত্র ...দত্তও পিতৃ তুল্য আছিল। তেওঁ অৰ্জ্জুনৰ লগত ...াক্রমেৰে ক্রমান্বয়ে তিনি ৰাতি যুদ্ধ কৰাত অৰ্জ্জুনে তেওঁৰ ...াত সন্তুষ্ট হৈ তেওঁৰ লগত মিত্রতা স্থাপন কৰি তেওঁক ...িষ্ঠিৰৰ অশ্বমেধ যজ্ঞলৈ নিমন্ত্রণ কৰি গৈছিল (৩)। ভাস্কৰ ...াৰ ফলি (৭ম শ্লোক) আৰু হুৱেন্ চাঙৰ ভ্রমণ বৃত্তান্তৰ ...া জনা যায় নৰকবংশীয় ১০০০ হাজাৰ পুৰুষে অবাধে ... হাজাৰ বছৰ প্রাগ্‌জ্যোতিষৰ সিংহাসন অধিকাৰ ...াৰ পিছত ৪ৰ্থ শতাব্দীৰ মধ্যভাগত সেই বংশৰে ...বৰ্ম্মা নামে এজন ৰজাই প্রাগ্‌জ্যোতিষৰ শাসনদণ্ড ...চালনা কৰিছিল। এই পুষ্যবৰ্ম্মা-ৰজা প্রসিদ্ধ ভাৰত ...াট সমুদ্রগুপ্তৰ সমসাময়িক আছিল (৪)। তেওঁ ...দ্রগুপ্তৰ মিত্রৰজা; তেওঁৰ ৰাজ্য সমুদ্রগুপ্তৰ ৰাজ্যৰ প্রত্যন্তদেশত অৰ্থাৎ সীমাৰ বাহিৰত আছিল (৫)। পুষ্য-বৰ্ম্মাই সেই পৰাক্রান্ত ভাৰত সম্রাটৰ নাম অনুসৰি পুতেকৰ নাম সমুদ্রবৰ্ম্মা আৰু বোৱাৰীয়েকৰ নাম সম্রাজ্ঞীৰ নাম অনুসাৰে দত্তদেৱী ৰাখিছিল (৬)। এই কাৰ্য্যেৰে পুষ্যবৰ্ম্মাই সমুদ্রগুপ্তৰ শক্তিক উপেক্ষা কৰা বুলিহে অনুমান হয়। এই সমুদ্রবৰ্ম্মা ৰজা সমুদ্রৰ দৰে গম্ভীৰ প্রকৃতিৰ পুৰুষ বুলি বৰ্ণিত আছে; তেওঁৰ ৰাজ্যত দুৰ্ব্বলৰ ওপৰত সবলৰ মহতালি নচলিছিল (৭)। তেওঁ দ্বন্দ্বযুদ্ধত বৰ পাৰ্গত আছিল (৮)। তেওঁৰ অপ্রতিহত সৈন্য ৰক্ষা-কৱচৰ দৰে আছিল (৯)। তেওঁৰ মহিষী দত্তদেৱীৰ গৰ্ভত বলবৰ্ম্মা নামে পুত্র জন্মিছিল। এই বলবৰ্ম্মাৰ সৈন্য শত্রুৰ দুৰ্ভেদ্য আছিল। তেওঁৰ পত্নী ৰত্নৱতীৰ গৰ্ভত নিৰ্দ্দোষ শৰীৰ কল্যানবৰ্ম্মাৰ জন্ম হৈছিল (১০)। কল্যানবৰ্ম্মাৰপৰা তেওঁৰ পত্নী গন্ধৰ্ব্বৱতীৰ গৰ্ভত গণপতি বৰ্ম্মা জন্মিছিল। গণপতি বৰ দানী, মানী আৰু অশেষ গুণৰ আকৰ আছিল (১১)। গণপতিৰ মহিষী যজ্ঞৱতীৰ গৰ্ভত যজ্ঞ-ক্রিয়াৰ আস্পদ্ মহেন্দ্রবৰ্ম্মা জন্মিছিল। মহেন্দ্রবৰ্ম্মা আত্ম তত্ত্বজ্ঞ ৰজা আছিল (১২)। তেওঁৰ মহিষীৰ নাম সুব্রতা। সেই সুব্রতাৰ গৰ্ভত বিদেহৰাজ জনকৰ দৰে শাস্ত্য-শাস্ত্র-অৰ্থবিদ্ নাৰায়ণ বৰ্ম্মা জন্মগ্রহণ কৰিছিল (১৩)। নাৰায়ণ বৰ্ম্মাৰপৰা দেৱৱতী মহিষীৰ গৰ্ভত মহাভূতবৰ্ম্মা জন্মিছিল (১৪)। মহাভূতৰ পত্নী বিজ্ঞানৱতীৰ গৰ্ভত চন্দ্রমুখবৰ্ম্মা জন্মিছিল (১৫)। এওঁ নানা কলাভিজ্ঞ পুৰুষ আছিল। চন্দ্রমুখৰপৰা তেওঁৰ অতুল সম্পদৰ মাজত তেওঁৰ মহিষী ভোগৱতীৰ গৰ্ভত স্থিতবৰ্ম্মা জন্মিছিল (১৬)। এই জনা

(...ম বৰ্ম্মাৰ ...পুৰুষসকল)

১। মহাভাৰত সভাপৰ্ব্ব, ৩৪শ অ আৰু দ্রোণপৰ্ব্ব ২৮শ অ।
২। „ দ্রোণপৰ্ব্ব ২৮শ অ।
৩। „ অশ্বমেধ পৰ্ব্ব ৭৫-৭৬অ।
৪। কামৰূপ শাসনাৱলী, ভূমিকা ১৪ পৃঃ।
৫। প্রয়াগৰ স্তম্ভলিপি।
৬। কামৰূপ শাসনাৱলী, ভূমিকা ৯ পৃঃ।
৭-১২। ভাস্কৰবৰ্ম্মাৰ ফলি (৮ম-১২শ শ্লোক)।

ৰজা বৰ গম্ভীৰ প্ৰকৃতিৰ আৰু অগণিত ধন-ৰত্নৰ অধিকাৰী আছিল (১৭)। তেওঁৰপৰা নয়নাদেৱীৰ গৰ্ভত সুস্থিতবৰ্ম্মা জন্মলাভ কৰিছিল (১৮)। তেওঁ নিজ হাতত ৰাজ্য গ্ৰহণ কৰাৰ পিছত, নিষ্কলঙ্ক চৰিত্ৰৰ বাবে, শ্ৰীমৃগাঙ্ক এই উপনামে খ্যাত হৈছিল (১৯)। অশেষ লক্ষ্মীৰ আকৰ সুস্থিতবৰ্ম্মাৰ পৰা শ্যামাদেৱীৰ গৰ্ভত সুপ্ৰতিষ্ঠিতবৰ্ম্মা উপজিছিল (২০)। এই জনা ৰজাই তেওঁৰ জীৱন পৰহিতাৰ্থে অকাতৰে দান কৰিছিল। তেওঁ সদাই বিদ্বন্মণ্ডলীৰ দ্বাৰা বেষ্টিত থাকিছিল। তেওঁৰ দিনত পদাতিক সৈন্য, গজসৈন্য সকলো সুন্দৰৰূপে প্ৰতিষ্ঠিত হৈছিল (২১)। সম্ভৱতঃ এই কাৰণেই তেওঁ সুপ্ৰতিষ্ঠিত এই বিশিষ্ট নামত অভিহিত হৈছিল। এওঁৰ অনুজেই ভাস্কৰদ্যুতি অৰ্থাৎ ভাস্কৰৰ দৰে তেজঃ সম্পন্ন পূৰ্ব্বভাৰতৰ সম্ৰাট্ প্ৰাগ্‌জ্যোতিষৰ প্ৰসিদ্ধ অধিপতি মহাৰাজাধিৰাজ কুমাৰ ভাস্কৰবৰ্ম্মা (২২)।*

ভাস্কৰবৰ্ম্মাৰ শাসনত তেওঁৰ গুণ-গৰিমা বিস্তৃতৰূপে বৰ্ণোৱা আছে। তলত ফলিৰ অলপ সাৰাংশ দিয়া হল :—

ভাস্কৰৰ গুণ

"ভাস্কৰবৰ্ম্মা পৰাক্ৰমী প্ৰজাৰঞ্জক নৰপতি ; তেওঁৰ পৰাক্ৰম তেওঁৰ তলতীয়া ৰাজ্যবিলাকত স্পষ্টৰূপে প্ৰতিফলিত হৈছিল। তেওঁ কল্পতৰু-তুল্য আছিল ; তেওঁৰ ওচৰত অনেক অৰ্থীয়ে আশ্ৰয় লভিছিল। তেওঁ বিশৃঙ্খল বৰ্ণাশ্ৰম ধৰ্ম্মক শৃঙ্খলা লগাই শাসন কৰিছিল। তেওঁৰ ৰাজ্যৰপৰা অজ্ঞান-অন্ধকাৰ দূৰীভূত হোৱাত পৱিত্ৰ ধৰ্ম্মালোক প্ৰকাশিত হৈছিল। ৰজাই প্ৰজাবৰ্গৰ সুখ-সমৃদ্ধি পুৰুষ-পৰম্পৰা অবিচ্ছিন্ন ৰখাত তৎপৰ থকাত প্ৰজাবৰ্গয়ো তেওঁৰ প্ৰতি অধিকতৰ ৰাজভক্তি প্ৰদৰ্শন কৰিছিল। তেওঁ পৰহিতাৰ্থে জীৱন উছৰ্গি দিছিল। সন্ধি-বিগ্ৰহ আদি মীমাংসাত, যান-বাহন আদি যথাস্থানত স্থাপন কৰাত তেওঁৰ অদ্ভুত নৈপুণ্য প্ৰকাশ পাইছিল। এই বীৰপুৰুষৰ শৌৰ্য্য-বীৰ্য্য পৰাক্ৰমৰ উপৰিও তেওঁৰ মহান্ হৃদয়, সচ্চৰিত্ৰ আৰু শাস্ত্ৰ-জ্ঞানেৰে অলঙ্কৃত আছিল। অধিক কি, সেই ৰাজ-লক্ষ্মীসম্পন্ন পুৰুষ গৰাকী মূৰ্ত্তিমান্ ধৰ্ম্মৰ দৰে ধৰ্ম্মৰ অধিষ্ঠান, গুণৰ আলয়, ভীতজনৰ আশ্ৰয়স্থল আছিল ( ৩)। এইবোৰ কথা কিছু অংশে অতিৰঞ্জিত বুলি ধৰিলেও তেওঁ যে এজন মহা গুণী, জ্ঞানী, পৰাক্ৰমী, সৌভাগ্যশালী ৰজা হৈ অপ্ৰতিদ্বন্দ্বী প্ৰাগ্‌জ্যোতিষৰ সিংহাসন উজ্জ্বল কৰিছিল, তাত কোনো সন্দেহ নাই।

প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ বিস্তৃতি

প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ সীমা প্ৰাচীন কালৰেপৰা একেদৰে থকা নাই। ইয়াৰ সীমা নানা সময়ত লৰ-চৰ হৈছিল। প্ৰথমতে পৌৰাণিক বীৰ ভৌমবংশৰ আদিপুৰুষ নৰকৰ দিনত প্ৰাগ্‌জ্যোতিষ ৰাজ্য কিমান ডাঙৰ আছিল, ভালদৰে জনা নাযায়। তেওঁৰ পুত্ৰ ভগদত্ত আৰু নাতি বজ্ৰদত্তৰ দিনত উত্তৰ-পূবে তিব্বত অতিক্ৰম কৰি চীনৰ সীমালৈকে, পূবে পূৰ্ব্বসাগৰ পৰ্য্যন্ত আৰু উত্তৰ-পশ্চিমে নেপালৰ কিছু অংশলৈকে প্ৰাগ্‌জ্যোতিষ ৰাজ্য বিস্তৃতি লাভ কৰাৰ প্ৰমাণ পোৱা যায় (২৪)। প্ৰাচীন কামৰূপৰ আৰ্লি হিষ্ট্ৰী লিখক ৰায়বাহাদুৰ ভাওৰীয়াই লিখিছে—৬ষ্ঠ শতাব্দীত সুস্থিতবৰ্ম্মাৰ প্ৰপিতামহ মহাভূতবৰ্ম্মাৰ দিনত মগধৰ গুপ্ত সম্ৰাজ্যৰ অন্তৰ্গত পুণ্ড্ৰবৰ্দ্ধন ভুক্তি প্ৰাগ্‌জ্যোতিষৰ অধীনলৈ আহিছিল আৰু সেই সময়তে প্ৰাগ্‌জ্যোতিষৰ সীমা বৰ্ত্তমান কুশী নৈলৈকে বঢ়োৱা হৈছিল। সেই সময়তে ৫২১ খৃষ্টাব্দত কুশী নদীৰ পাৰত চন্দ্ৰপুৰী বিষয়ৰ ভিতৰত বহু ব্ৰাহ্মণক অগ্ৰহাৰ ( ব্ৰহ্মোত্তৰ ) দান কৰা হৈছিল। ৬ষ্ঠ শতাব্দীৰ শেহ ভাগত মগধৰ গুপ্তবংশৰ মহাসেন গুপ্তই সুস্থিতবৰ্ম্মাক পৰাস্ত কৰি পুণ্ড্ৰবৰ্দ্ধন ভুক্তি পুনঃ গুপ্তসাম্ৰাজ্য ভুক্ত কৰি লোৱাত প্ৰাগজ্যোতিষৰ সীমা কৰতোৱা নৈ লৈকে চুহকি গৈছিল (২৫)। পুনঃ ভাস্কৰবৰ্ম্মাৰ দিনত প্ৰাগজ্যোতিষৰ সীমা কুশী নৈ লৈকে ঠেলি নি ৰাজ্য বিস্তৃত কৰা হৈছিল। এই বিস্তৃতিৰ কাৰণ আন ঠাইত বহলাই আলচ কৰা হৈছে।

সুপ্ৰতিষ্ঠিত বৰ্ম্মা

ওপৰত উক্ত পৰাজয়ে যে সুস্থিতবৰ্ম্মাক বৰ মৰ্ম্মাহত কৰিছিল, তাত কোনো সন্দেহ নাই সুস্থিত বৰ্ম্মাই তেতিয়া ৰাজ্য ভাল দৰে ৰক্ষা কৰিবলৈ তেখেতৰ জ্যেষ্ঠপুত্ৰ সুপ্ৰতিষ্ঠিত বৰ্ম্মাক ৰাজপ্ৰতিনিধি পাতিছিল। সুপ্ৰতিষ্ঠিত বৰ্ম্মায়ো ৰাজ্য শত্ৰুৰ দুৰ্ভেদ্য কৰিবৰ নিমিত্তে ৰাজ্যত নানা প্ৰকাৰ সংস্কাৰ সাধন কৰি গজসৈন্য আৰু পদাতিক সৈন্য অধিক সুন্দৰ শৃঙ্খলা লগাই কৰিছিল। কিন্তু কালৰ কি বিচিত্ৰ গতি! তেওঁ ৰাজ্যৰ সুখ-সমৃদ্ধিৰ আয়োজনহে কৰিলে,—তেওঁ পিতৃৰ স্থলত বেছি দিন ৰাজ্য ভোগ কৰিবলৈ নাপালে।

ভাস্কৰ বৰ্ম্মাৰ ৰাজ্য গ্ৰহণ

জ্যেষ্ঠৰ অকাল মৃত্যুত কনিষ্ঠ ভাস্কৰ বৰ্ম্মাই কুমাৰ অৱস্থাতে ৰাজ্য গ্ৰহণ কৰিবলৈ বাধ্য হোৱাত ৰাজ্যৰ সুখ-সমৃদ্ধি সকলো ভাস্কৰ বৰ্ম্মাৰ ভাগ্যত মিলিলহি। ভাস্কৰ বৰ্ম্মাই তেওঁৰ জ্যেষ্ঠৰ দ্বাৰা সুশিক্ষিত সৈন্য, হাতী, ঘোঁৰা, নাও আদিৰে পৰৱৰ্ত্তী কালত শশাঙ্কক পৰাস্ত কৰি গৌড় জয় কৰিবলৈ সমৰ্থ হৈছিল (২৬)। কনৌজৰাজ হৰ্ষবৰ্দ্ধনে যেনেকৈ তেওঁৰ জ্যেষ্ঠৰ মৃত্যুত সকতে অনিচ্ছাৰে সৈতে ৰাজ্যভাৰ গ্ৰহণ কৰি কুমাৰ শিলাদিত্য নাম গ্ৰহণ কৰিছিল, ভাস্কৰদ্যুতিয়েও সেইদৰে জ্যেষ্ঠৰ মৃত্যুত সিংহাসন আৰোহণ কৰি কুমাৰ ভাস্কৰবৰ্ম্মা নামে অভিহিত হৈছিল। অনেকে হয়তো কব পাৰে, ভাস্কৰবৰ্ম্মাই কনৌজৰাজৰ অনুসৰণ কৰি 'কুমাৰ' নাম গ্ৰহণ কৰিছিল। কিন্তু সেইটো নহয়। সময় বিচাৰ কৰি চালে ভাস্কৰবৰ্ম্মাৰ কাৰ্য্যাহে আগ দেখা যায়। ভাস্কৰবৰ্ম্মা ৰজা হয় প্ৰায় ৫৯৪ খৃষ্টাব্দত, কিন্তু হৰ্ষবৰ্দ্ধনে ৬০৬ খৃষ্টাব্দতহে কনৌজৰ সিংহাসনত উঠে। এওঁলোকে 'কুমাৰ' উপাধি লোৱাৰ সঠিক কাৰণ জানিব নোৱাৰি। বোধহয়, তেওঁলোকে অতুল ৰাজসুখ, সম্পত্তি আৰু নানা প্ৰলোভনৰ ভিতৰত থাকিও শৰীৰৰ বল-বীৰ্য্য অটুট ৰাখিবৰ নিমিত্তে চিৰকুমাৰ ব্ৰত ধৰি চলিছিল।

ভাস্কৰৰ প্ৰতিদ্বন্দ্বী

ভাস্কৰবৰ্ম্মাই প্ৰাগজ্যোতিষৰ সিংহাসন আৰোহণ কৰাত, ভাৰতৰ ভিতৰত কেৱল দুটা পৰাক্ৰমী ৰাজশক্তি তেওঁৰ প্ৰতিদ্বন্দ্বী আছিল ; এজন মধ্য আৰু উত্তৰবঙ্গৰ শশাঙ্ক আৰু আন জন মধ্যভাৰতৰ বিখ্যাত হৰ্ষবৰ্দ্ধনৰ পিতৃদেৱ প্ৰভাকৰ বৰ্দ্ধন (২৭)। প্ৰভাকৰৰ বংশ ইতিহাস প্ৰসিদ্ধ। কিন্তু শশাঙ্কৰ বংশ-পৰিচয় সবিশেষ জনা নাযায়। তেওঁৰ বংশ সম্বন্ধে নানা মুনিৰ নানা মত। কোনোৱে তেওঁক মগধৰ গুপ্তবংশৰ বুলি অনুমান কৰে। পোনপ্ৰথমে স্বৰ্গীয় ডাক্তৰ বুলাৰে কোনো এখন হৰ্ষচৰিতত গৌড়ৰজাৰ নাম 'নৰেন্দ্ৰগুপ্ত' পোৱা বুলি লিখি গৈছে (২৮)। ফিট্‌জ এডৱাৰ্ড হল (Hall) চাহাবে শশাঙ্কক গুপ্তবংশৰ বুলি উল্লেখ কৰিলেও, তেখেতে শশাঙ্কক মগধৰ প্ৰধান চক্ৰৱৰ্ত্তী ৰাজবংশৰ নে আন কোনো পিছৰ গুপ্ত ৰাজবংশৰ তাক স্পষ্ট উল্লেখ কৰা নাই (২৯)।

(শশাঙ্ক)

১৮৫২ খৃষ্টাব্দত যশোহৰ জিলাত ওলোৱা গুপ্তৰজাসকলৰ তিনটা মোহৰৰ লগত আন এটা মোহৰ পোৱা গৈছিল। সেই মোহৰটোৰ এপিঠিত 'নৰেন্দ্ৰ বিনত' এনে পাঠ লিখা আছে। মিঃ এন্ কে ভট্টশালীয়ে সেই মুদ্ৰাৰ আন পিঠিত পূৰ্ব্বৱঙ্গৰ ৰজা সমাচাৰ দেৱৰ নাম পাই, শশাঙ্ক সেই বংশৰ উত্তৰাধিকাৰী বুলি অনুমান কৰে (৩০)। স্বৰ্গীয় ৰাখাল দাস বানাৰ্জ্জিয়ে সেই মুদ্ৰাৰ পাঠত নিৰ্ভৰ কৰি, গাৰ বলেৰে শশাঙ্কৰ দ্বিতীয় নাম নৰেন্দ্ৰগুপ্ত আছিল বুলি লিখিছিল আৰু তেওঁ মগধৰ প্ৰধান গুপ্তবংশৰ ৰজা মহাসেন গুপ্তৰ পুত্ৰ বা ভটিজাক বুলি প্ৰকাশ কৰিছিল (৩১)। শ্ৰীযুত পদ্মনাথ ভট্টাচাৰ্য্য মহাশয়েও এই কথা সম্পূৰ্ণৰূপে সমৰ্থন কৰিছে ( কাঃ শাঃ ১৫ পৃঃ )। কিন্তু এইটো বৰ

১৩,-২২—ভাস্কৰ বৰ্ম্মাৰ ফলি ( ১৩শ-২২শ শ্লোক )

* ওপৰত দিয়া এই বংশ-তালিকা হৰ্ষ-চৰিতত উক্ত আৰু নালান্দাত আৱিষ্কৃত ভাস্কৰবৰ্ম্মাৰ মাটিৰ মোহৰত লিখা বংশ-তালিকাৰে প্ৰায় মিলে। হৰ্ষ-চৰিতত মহাভূত বৰ্ম্মাক ভূতিবৰ্ম্মণ বোলা হৈছে ; মোহৰত নয়নাদেৱীক নয়ন-শোভা আৰু শ্যামা দেৱীক শ্যামা-লক্ষ্মী লিখা হৈছে। এই খিনি প্ৰভেদ একো ধৰিব লগীয়া নহয়। হৰ্ষ-চৰিতত ভাস্কৰবৰ্ম্মাক 'ভাস্কৰদ্যুতি' এই বিশেষণেৰে বিশেষিত কৰা হৈছে।

—লিখক

২৩-ভা-ফ-২৫-৩৩ শ্লোক আৰু গদ্যাংশৰ ১২ শাৰী।

২৪—কাঃ শাঃ ভূমিকা ১১ পৃঃ আৰু Early History of Kamarupa P. 2.

২৫—E. H. K-pp. 50-52 আৰু ভাঃ বঃ ফলি।

২৬—ভা, ব, ফলি, ২য় শাৰী।

২৭—E. H. of Kamarupa. p. 58.

২৮—Epigraphia Indica Vol 1. p. 70.

২৯—I. H. Q. Vol. VIII. No I. March 1932-p. 5.

৩০-৩১—I. H. Q. vol. VIII No. I. March 1932. p. 5.

আচৰিত যে, মহাসেন গুপ্তৰ নাতি আদিত্যসেনৰ আফছাদত পোৱা ফলিত শশাঙ্কৰ ( বা নৰেন্দ্রগুপ্তৰ ) কোনো উল্লেখেই নাই (৩২)। ডাক্তৰ ৰাধাকুমুদ মুখাৰ্জ্জিয়ে আৰু এখোপ উজাই কয় যে, শশাঙ্ক ৰাজ্যবৰ্দ্ধনৰ বিৰুদ্ধে মালৱৰাজ দেৱগুপ্তৰ লগত যোগ হোৱাত অনুমান হয় যে, গুপ্তবংশে সৈতে তেওঁৰ অৱশ্যে ৰক্ত বা বংশসম্বন্ধ আছিল (৩৩)। কোনো কোনো পণ্ডিতে ওপৰত উক্ত মুদ্রাৰ পাঠত নৰেন্দ্রাদিত্য বুলি পঢ়িছিল। তাৰেপৰা স্বৰ্গীয় বানাৰ্জ্জিয়ে লিখি গৈছে পূৰ্ব্বৰ গুপ্ত ৰাজবংশৰ ৰজাসকলৰ দৰে শশাঙ্কেও সম্ভৱতঃ আদিত্য উপাধি ধাৰণ কৰিছিল (৩৪)। ডাঃ ৰাধা গোবিন্দ বসাকে দেখুৱাইছে, বাণে হৰ্ষচৰিতত কোনো ঠাইতে গৌড়াধিপৰ নাম স্পষ্টকৈ দেখুৱা নাই,— তাত 'নৰেন্দ্র' অৰ্থ দ্ব্যৰ্থবোধককৈ ব্যৱহাৰ কৰিছে (৩৫); সেই 'নৰেন্দ্র' শশাঙ্কৰো নাম হ'ব পাৰে অথবা কেৱল ৰজা অৰ্থও বুজাব পাৰে। ডাঃ বানেট্ চাহাবে ৬ষ্ঠ শতাব্দীৰ জয়নাগ নামে কৰ্ণসুৱৰ্ণৰ কোনো এজন ৰজাৰ তামৰ ফলি এখন ইপিগ্রেফিয়া ইণ্ডিকাত (Vol. xxvii-p-60 ff) প্রকাশ কৰিছিল। তাত তেওঁ আন প্রমাণৰ অভাৱত কোনো মত প্রকাশ কৰা নাছিল। সম্প্রতি মঞ্জুশ্রী মূলকল্প নামে বৌদ্ধ পুথি এখন ওলাইছে। সেইখন পুথিত জয়নাগৰ স্পষ্ট উল্লেখ আছে। তাত শশাঙ্কৰ প্রতিশব্দ 'সোম' দি 'সোমাখ্য' বুলি লিখিছে। কিন্তু তাতো আহুকাল,—তাত জয়নাগক শশাঙ্কৰ উত্তৰাধিকাৰী বুলি উল্লেখ কৰিছে। ডাঃ বসাকে ওপৰত উক্ত তামৰ ফলিৰ পৰা জয়নাগ শশাঙ্কৰ পূৰ্ব্বৰজা বুলি সিদ্ধান্ত কৰিছে (৩৬)। তেওঁ আৰু লিখিছে ভবিষ্যৎ আৱিষ্ক্রিয়াৰ দ্বাৰাইহে এইবোৰ জোঁট ভাঙিব। সম্প্রতি আমি কিছুদিন অপেক্ষা কৰিব লাগিব। শশাঙ্ক গুপ্তক নাগবংশৰ হ'বও পাৰে অপৰা দুয়োটাৰ কোনোটোৰে নহবও পাৰে (৩৭)। ওপৰত উক্ত বৌদ্ধ গ্রন্থখন ১২ শ শতাব্দীৰ লিখা বুলি প্রমাণিত হৈছে (৩৮)। তাত ৬ষ্ঠ আৰু ৭ম শতাব্দীৰ কথাবোৰ ভবিষ্যৎবাণীৰ দৰে লিখা গতিকে সেই পুথিৰ বিৱৰণ কোনো প্রকাৰে বিশ্বাসযোগ্য নহয়। বৰং সেই পুথিয়ে অনেক কথাত আউল হে লগাইছে। পশাঙ্কৰ বংশ লৈ ইমানবিলাক বেমেজালিত একো ঠিক কৰিব নোৱাৰি আমাৰ আৰ্লি হিষ্টৰিৰ লিখক ৰায়বাহাদুৰ ডাঙৰীয়াই শশাঙ্ক মগধৰ গুপ্তৰাজবংশৰ ডগা-ভগা কোনো প্রকাৰে হ'ব নোৱাৰে বুলি সিদ্ধান্ত কৰা সমীচীন হৈছে যে তাত কোনো সন্দেহ নাই। তদুপৰি তেখেতে দেখুৱাইছে শশাঙ্ক আছিল শৈৱ, কিন্তু গুপ্তৰজাসকল আছিল বৈষ্ণৱ। এতেকে কোনো প্রকাৰে শশাঙ্কক গুপ্তবংশীয় বুলিব নোৱাৰি।

ৰোটছ্ গড়ৰ শিলৰ ফলিত মোহৰত কোনো এজন শশাঙ্কদেৱক মহাসামন্ত বুলি উল্লেখ কৰা আছে (৩৯)। ইয়াৰপৰা অনুমান কৰা হৈছে যে সেই শশাঙ্ক মহাসেন গুপ্তৰ দ্বাৰা মহাসামন্ত নিযুক্ত হৈছিল। পূৰ্ব্বে কৈ অহা হৈছে যে মগধৰ গুপ্ত শক্তি ক্ষীণ হোৱাত কামৰূপৰ ৰজাসকলে পুণ্ড্রবৰ্দ্ধণ ভূক্তি আদিত অৰ্থাৎ উত্তৰ আৰু মধ্য বঙ্গত আধিপত্য বিস্তাৰ কৰিছিল। তেতিয়া প্রায় ৬ষ্ঠ শতাব্দীৰ শেহভাগতে সম্ভৱতঃ শশাঙ্ক মহাসামন্ত নিযুক্ত হৈছিল আৰু তেওঁৰ সহায়তে মহাসেন গুপ্তই প্রাগ্‌জ্যোতিষাধিপতি সুস্থিত বৰ্ম্মাক পৰাস্ত কৰিছিল। তাৰ পিছত মহাসেন গুপ্তৰ মৃত্যুত সুচল পাই তদুপৰি তেওঁৰ নাবালক পুত্র মাধৱগুপ্তৰ দুৰ্ব্বলতা লক্ষ্য কৰি শশাঙ্কে উত্তৰ আৰু মধ্য বঙ্গৰ স্বাধীন ৰজা বুলি ঘোষণা কৰিছিল আৰু তেওঁৰ নিজ নামে মোহৰ মৰাইছিল (৪১)। হুৱেনচাঙে শশাঙ্কক মধ্যবঙ্গৰ কৰ্ণসুৱৰ্ণৰ আধুনিক ( recent ) ৰজা আছিল বুলি লিখিছিল। বানভট্টই হৰ্ষ-চৰিতত শশাঙ্কক ৰূপকভাৱে গৌড়াধিপ বুলি উল্লেখ কৰি গৈছে। গঞ্জামৰ মাধৱবৰ্ম্মাৰ ফলিত শশাঙ্কদেৱ

৩২—E. H. K. p. 59.
৩৩-৩৫—I. H. Q. Vol. VIII. p. 5.
৩৬—I. H. Vol. VIII. No. 1. March 1932 P. 7.
৩৭ — Do Do
৩৮ — Do Do p—18.
৩৯—Flect corpus Inscritionum Indicarum Vol. III, p. 284.
৪০-৪১— E. H. of Kamarupa. P. 59.



মহাৰাজাধিৰাজ উপাধিৰে ভূষিত হৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে তেওঁ অলপ দিনৰ ভিতৰতে সুচল পাই মহাশক্তিশালী হৈ পৰিছিল; তেওঁ পশ্চিমে মগধৰ ৰজা মাধৱগুপ্তক আৰু পুবে কামৰূপ শক্তিক গণ্য নকৰাত পৰিছিল। তেওঁ দক্ষিণে নিম্নবঙ্গ, ছোট নাগপুৰ আৰু উৰিষ্যা নিজ ক্ষমতাৰ তললৈ আনি মহা পৰাক্রান্ত হৈ উঠিছিল (৪২)। তেওঁ মগধ আক্রমণ কৰি বৌদ্ধ ধৰ্ম্মৰ বিৰুদ্ধে বহুত অসদাচৰণ কৰিছিল, যাৰ বাবে তেওঁৰ কুখিয়াতি চিৰকাললৈ পৰি ৰৈছে (৪৩)। এনে কথা শুনা যায়, তেওঁ গয়াৰ পৱিত্র বোধি-বৃক্ষ উভালি নিৰ্ম্মূল কৰিছিল আৰু গৌতম বুদ্ধৰ পদশিলা নৈত পেলাই বিলুপ্ত কৰিছিল (৪৪)। মগধৰ গুপ্তৰজাসকল বৈষ্ণৱ হৈয়ো তেওঁলোকৰ ৰাজত্বৰ সময়ত বৌদ্ধধৰ্ম্মৰ কোনো অনিষ্ট আচৰা নাছিল। শশাঙ্ক সেই উচ্চ গুপ্তবংশৰ বংশধৰ হোৱাহেঁতেন কেতিয়াও তেওঁ এনেবোৰ গৰ্হিত কাম কৰিবলৈ আগ নাবাঢ়িলহেঁতেন (৪৫)।

ৰায়বাহাদুৰ ডাঙৰীয়াই লিখিছে,-পূৰ্ব্বে প্রাগজ্যোতিষ ৰাজ্যৰ যি খণ্ডতে মহাভূতবৰ্ম্মাই ব্রাহ্মণক ভূমি দান কৰিছিল, শশাঙ্কে সুস্থিত বৰ্ম্মাক পৰাস্ত কৰাৰ পিছত সেই খণ্ড ঠাইকে অধিকাৰ কৰি লৈছিল। এই কাৰ্য্যৰ নিমিত্তে শশাঙ্ক ভাস্কৰবৰ্ম্মাৰ বিষম শত্রু হৈ উঠা বুলি সহজে অনুমান কৰিব পাৰি; কিয়নো, পিতাকৰ শত্রুৱেই পুত্ৰৰ শত্রু। ভাস্কৰে পিতাকৰ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰি, শত্রুতাৰ পোতক তুলিবলৈ সুযোগ প্রতীক্ষা কৰি আছিল। কিন্তু শশাঙ্কৰ পৰাক্রম দেখি, তেওঁৰ ৰাজধানী কৰ্ণসুৱৰ্ণ আক্রমণ কৰিবলৈ ভাস্কৰ বৰ্ম্মাই অকলে সাহ কৰিব নোৱাৰিছিল। অৱশেষত তেওঁ ইচ্ছা কৰি থকা সুবিধা আহি মিলিল। মধ্যভাৰতৰ ৰজা প্রভাকৰ বৰ্দ্ধনৰ মৃত্যুত, তেওঁৰ পুত্র ৰাজ্যবৰ্দ্ধন থানেশ্বৰৰ সিংহাসনত উঠিল। সেই সময়ত গুপ্তবংশৰ এটা ডালে মালৱত ৰাজত্ব কৰিছিল। এই বংশৰে দেৱগুপ্ত নামে এজন ৰজাই ৰাজ্যবৰ্দ্ধনৰ ভনী-জোঁৱায়েক মৌখৰি ৰাজবংশৰ গ্রহবৰ্ম্মণক সিংহাসনৰ পৰা খেদি ৰাজ্যবৰ্দ্ধনৰ ভনীয়েক ৰাজ্যশ্রীক অপমান কৰিছিল। ৰাজ্যবৰ্দ্ধনে এই বাতৰি শুনামাত্রকে গ্রহবৰ্ম্মণক সহায় কৰিবলৈ গৈছিল। এই সময়তে গৌড়ৰাজ শশাঙ্কেও দেৱগুপ্তক সহায় কৰিবলৈ যোৱা প্রমাণ পোৱা যায়। ৰাজ্যবৰ্দ্ধনে দেৱগুপ্তক সহজে পৰাস্ত কৰিব পাৰিলেহেঁতেন, কিন্তু সেই কাৰ্য্য হৈ নুঠিল। কাৰণ শশাঙ্কে ছল কৰি মিছা প্রতিজ্ঞাৰে ৰাজ্যবৰ্দ্ধনক নিজৰ শিবিৰলৈ মাতি নি বিশ্বাসঘাতকতা কৰি তেওঁক বধ কৰিছিল। এই নোমশিয়ৰা ঘটনা কেৱল বাণভট্টই যে হৰ্ষ-চৰিতত উল্লেখ কৰিছে এনে নহয়, চীন পৰ্য্যটক হুৱেন্‌চাঙেও এই কথা তেওঁৰ ভ্রমণ কাহিনীত লিখি গৈছে। ৰাজ্যবৰ্দ্ধনৰ বধৰ সমাচাৰ পাই শ্রীহৰ্ষে হত্যাকাৰীৰ ওপৰত প্রতিশোধ লবলৈ প্রতিজ্ঞা কৰি সেই উদ্ধত গৌড়াধিপৰ বিৰুদ্ধে যুদ্ধ-যাত্রা কৰি আগবাঢ়ি আহিছিল। এনেকৈ কিছু দূৰ আহি বাটতে কোনো এঠাইত বাহৰ কৰি থকাত প্রাগ্‌জ্যোতিষাধিপতি ভাস্কৰ বৰ্ম্মাৰ দূত হংসবেগে অনেক বহমূলীয়া উপহাৰ লৈ শ্রীহৰ্ষৰ লগত সাক্ষাৎ কৰেগৈ।

**ভাস্কৰবৰ্ম্মাৰ দূত হংসবেগ**

উপহাৰৰ বস্তুবিলাকৰ সংক্ষিপ্ত তালিকা এই:—আভোগ নামে ৰাজছত্র, পূৰ্ব্বৰ ৰজাসকলৰ অলঙ্কাৰ আৰু মহমূলীয়া বস্ত্র, পানপাত্র, মৃগচৰ্ম্ম, বেতৰ আসন, অগৰু গছৰ ছালত লিখা পুথি, নানা সুগন্ধি দ্রব্য, গান্ধ কলাই, বগা ক'লা চোৱঁৰ, নানাবিধ জীৱ-জন্তু আদি (৪৬)। শ্রীহৰ্ষে উপঢৌকনৰ বস্তুবোৰ ভালকৈ পৰীক্ষা কৰি চাই হংসবেগক তেওঁৰ আগমনৰ উদ্দেশ্য কি সুধিলে। তেতিয়া হংসবেগে শ্রীহৰ্ষক সসম্মানে প্রণাম জনাই উত্তৰ কৰিলে,— "মহাৰাজ, পূৰ্ব্বকালত পৃথিবীয়ে বৰাহৰ সংযোগত গৰ্ভৱতী হোৱাত নৰক নামে এটি বীৰ সন্তান প্রসৱ কৰে। * * সেই বীৰৰ বংশতে ভগদত্ত, পুষ্পদত্ত, বজ্রদত্ত আদি মেৰুৰ সদৃশ গম্ভীৰ মহাশক্তিশালী অনেকজন ৰজাই প্রাগজ্যোতিষৰ সিংহাসন অলঙ্কৃত কৰে। সেইসকলৰ অনেক কালৰ পিছত, সেই বংশত সুস্থিত বৰ্ম্মা নামে ৰজাই জন্মগ্রহণ কৰে। তেওঁ জগতত মৃগাঙ্ক নামে বিখ্যাত হয়।

**শ্রীহৰ্ষৰ ওচৰত ভাস্কৰৰ পৰিচয়**

তেওঁ ভূতিবৰ্ম্মাৰ প্রপৌত্র ( পৰিনাতি ), চন্দ্রমুখ বৰ্ম্মাৰ পৌত্র ( নাতি ) আৰু স্থিতি বৰ্ম্মাৰ পুত্র। * * এই সৰ্ব্বসুলক্ষণ যুক্ত

৪২-৪৩— E. H. of Kamarupa P. 60.
৪৬—Harsha charita ( from Cowell's translation. )

ৰজাৰ মহিষী শ্যামাদেৱীৰ গৰ্ভত তেওঁৰ উত্তৰাধিকাৰী স্বৰূপে ভাস্কৰদ্যুতি নামে পুত্ৰ জন্মে ; তেওঁৰ আন নাম ভাস্কৰবৰ্ম্মা। • • এই কুমাৰজনৰ শিশুকালৰপৰা দৃঢ় প্ৰতিজ্ঞা এই যে তেওঁ শিৱৰ পাদপদ্মত বাজে আন কাকো নমস্কাৰ নকৰে। এনে উচ্চাকাঙ্খা ত্ৰিলোকত পূৰণ কৰা কঠিন ;—তাক কেৱল তিনটা উপায়েৰে লাভ কৰিব পাৰি—সমস্ত পৃথিৱী জয় কৰি বা মৃত্যু দ্বাৰা অথবা আপোনাৰ দৰে মহাৰজাৰ লগত মিত্ৰতাৰ দ্বাৰা। •• ৰজাসকলৰ লগত মিত্ৰতা উপকাৰৰ নিমিত্তে। কিমান খিনি উপকাৰে মহাৰাজক উদগায় কৰ নোৱাৰেঁ। ধন মহাৰাজৰ ওচৰত তুচ্ছ ; খ্যাতিহে মহাৰাজৰ পুঞ্জীভূত কৰিবৰ অভিপ্ৰায়। যি জনে কেৱল নিজ বাহুবলৰ ওপৰত নিৰ্ভৰ কৰি চলিব পাৰে, তেওঁ আনৰ সহায় বিচাৰিবৰ একো আৱশ্যক নকৰে,—পৰন্তু বিদেশীৰপৰা তাতোকৈ কম হে। যি জনে চাৰি সমুদ্ৰ বেষ্টিত পৃথিৱী পাবলৈ আকাঙ্খা কৰে, তেওঁক পৃথিৱীৰ কোনো এক অংশ দান কৰাৰ বা ফল কি? এতেকে আমাৰ উদ্দেশ্য কেৱল অসম্ভৱ উপায়েৰে প্ৰাপ্য যেন বিবেচনা কৰি, অনুগ্ৰহপূৰ্ব্বক মহাৰাজে আমাৰ একমাত্ৰ প্ৰাৰ্থনাটি শুনক। প্ৰাগ্‌জ্যোতিষাধিপতিয়ে মহাৰাজৰ লগত

**শ্ৰীহৰ্ষৰ লগত বন্ধুত্ব প্ৰাৰ্থনা**

চিৰন্তন অচ্ছেদ্য বন্ধুত্ব আকাঙ্খা কৰে। • • যদি মহাৰাজৰ অন্তঃকৰণ বন্ধুত্বলৈ ঢাল খায় আৰু নিজে বুজে যে বন্ধুবিলাকে ছদ্মবেশেৰে দাসত্বতহে সোমায়, তেনেহলে সেয়ে যথেষ্ট বুলি ধৰি লওক আৰু মোক ক'বলৈ আদেশ কৰক, যেন প্ৰাগ-জ্যোতিষাধিপতিয়ে মন্দৰে যেনেকৈ বিষ্ণুৰ আলিঙ্গন লাভ কৰিছিল, সেইদৰে মহাৰাজৰ সাদৰ আলিঙ্গন লাভ কৰে। • • এই চন্দ্ৰতুল্য মুখত প্ৰাগ জ্যোতিষাধিপতিৰ গৰিমাৰ চক্ষুৱে যেন অৱশেষত চিৰ আকাঙ্খিত তৃপ্তি উপভোগ কৰিব পাৰে। যদি মহাৰাজে তেওঁৰ এই সানুৰাগ ভক্তি গ্ৰহণ নকৰে, তেনেহলে মোৰ গৰাকীৰ ওচৰত এই কথা জনাবলৈ মোক আদেশ কৰোক (৪৭)।

সুন্দৰ এই যুক্তি আৰু পাণ্ডিত্যপূৰ্ণ বক্তৃতাই শ্ৰীহৰ্ষৰ মন কোমলাইছিল যে তাত কোনো সন্দেহ নাই। তেওঁ তেতিয়া ভাস্কৰবৰ্ম্মাৰ প্ৰতি গভীৰ সন্মান দেখুৱাই বি উত্তৰ কৰিলে, তাৰ সাৰাংশ এই :—"হংসবেগ, মোৰ মনত নালাগে, মই সপোনতো বিপৰীত ভাব দৰ্শাব নোৱাৰেঁ। এনে মহৎ উচ্চমনা সকলো গুণৰ ভাণ্ডাৰ, পাত্ৰৰ ভিতৰত শ্ৰেষ্ঠ পুৰুষজনে যেন মোক অনুপস্থিত বন্ধুৰ দৰে প্ৰীতিদান কৰিছে। • • কুমাৰৰ উদ্দেশ্য অতি মহৎ। নিজে ভুজ-বিক্ৰমেৰে বলী ধনুৰ্দ্ধাৰী তাতে মোৰ লগত বন্ধুত্ব ; গতিকে, তেওঁ শিৱত বাজে কাক সন্মান দেখুৱাব? তেওঁৰ এই একাণপতীয়া প্ৰতিজ্ঞাই তেওঁলৈ মোৰ স্নেহহে বঢ়াইছে। সিংহ পশু হলেও তাৰ গাম্ভীৰ্য্য দেখি অন্তৰে তাক সন্মানহে কৰে (৪৮)। হংসবেগে এই উত্তৰ পাই শ্ৰীহৰ্ষক সন্মানেৰে সেৱা জনাইছিল আৰু

**শ্ৰীহৰ্ষৰ দ্বাৰা বন্ধুত্ব গ্ৰহণ**

তেখেতৰ বন্ধুত্ব গ্ৰহণত পৰম আনন্দিত হৈ দেশলৈ উলটিছিল। পূবে পশ্চিমে এনেকৈ দুয়ো শক্তিৰ পৰস্পৰ মিলনত শশাঙ্কৰ ৰাজ্যৰ পক্ষে বিপজ্জনক হৈ উঠিছিল। হৰ্ষ-চৰিতৰপৰা জনা যায়, শ্ৰীহৰ্ষে বন্ধুত্ব গ্ৰহণৰ পিছত উপযুক্ত দূতৰ হাতত ভাস্কৰ বৰ্ম্মালৈ অনেক উপহাৰ পঠাই দিছিল (৪৯)।

শ্ৰীহৰ্ষে তেখেতৰ বাহৰৰপৰা ওলাই কেইদিনমান আগ বাঢ়ি অহাৰ পিছত তেওঁৰ সম্বন্ধীয়া ভাই ভাণ্ডিক লগ পাইছিলহি। ভাণ্ডিয়ে মালৱৰাজক যুদ্ধত পৰাস্ত কৰি লোটনীয়া বস্তু-বাহনিৰে ঘৰলৈ উভতিছিল।

**ভাণ্ডিক গৌড় জয় কৰিবলৈ আদেশ**

শ্ৰীহৰ্ষে ভাণ্ডিৰ মুখত ভায়েকৰ হত্যা আৰু ৰাজ্যশ্ৰীৰ পলায়নৰ সবিশেষ বিৱৰণ শুনি তেতিয়াই ভাণ্ডিক তত্তালিকে গৌড়ৰাজৰ বিপক্ষে যাত্ৰা কৰিবলৈ আদেশ দিছিল আৰু নিজে ভনীয়েকক বিচাৰি বিন্ধ্যপৰ্ব্বতৰ হাবিলৈ গৈছিল (৫০)। শ্ৰীহৰ্ষে ভনীয়েকক উদ্ধাৰ কৰি গঙ্গাৰ পাৰত ভাণ্ডিৰ শিবিৰত পুনঃ যোগ দিছিলহি (৫১)। এনেকৈ যেতিয়া



শ্ৰীহৰ্ষৰ সৈন্যই শশাঙ্কৰ ৰাজ্য পশ্চিম ফালৰপৰা আক্ৰমণ

**কৰ্ণসুৱৰ্ণ আক্ৰমণ**

কৰিছিলহি, তেতিয়া ভাস্কৰবৰ্ম্মাই শীঘ্ৰে গৈ পূবৰপৰা আক্ৰমণ কৰিছিল। শশাঙ্কে এইৰূপে একে সময়তে দুয়োফালৰপৰা আক্ৰান্ত হোৱাত যুদ্ধত তিষ্ঠিব নোৱাৰি ৰাজধানী কৰ্ণসুৱৰ্ণ* এৰি উৰিষ্যাৰ ফালে পলাবলৈ বাধ্য হৈছিল। ভাস্কৰ বৰ্ম্মাৰ ফলিৰপৰা দেখা যায় ভাস্কৰ বৰ্ম্মাই এই যুদ্ধত ডাঙৰ ডাঙৰ ৰণতৰীত নৌ-সেনা লৈ গৈছিল আৰু সেই নৌ-সেনাৰ লগত হাতী, ঘোঁৰা পদাতি সৈন্যও আছিল। সম্ভৱতঃ শ্ৰীহৰ্ষে তেওঁৰ ৰাজ্য বিস্তাৰ কৰি মিত্ৰ ভাস্কৰবৰ্ম্মাকে তেওঁৰ পৈতৃক ৰাজ্য দান কৰিছিল! তেনে নহলে, ভাস্কৰবৰ্ম্মাই তেওঁৰ বিজীত স্কন্ধবাৰ ( Camp ) শশাঙ্কৰ ৰাজধানী কৰ্ণসুৱৰ্ণৰপৰা নিধান পুৰত ওলোৱা তামৰ ফলি নতুনকৈ লিখাই, সেই ৰাজ্যৰ ভিতৰত ব্ৰাহ্মণ সকলৰ ব্ৰহ্মোত্তৰ বহালকৈ দিব নোৱাৰিলেহেঁতেন। এইৰূপে ভাস্কৰবৰ্ম্মাই শশাঙ্কৰ ওপৰত পিতৃ-বৈৰিত্বৰ পোতক তুলি বা প্ৰতিশোধ লৈ হেৰোৱা ৰাজ্য পুনঃ উদ্ধাৰ কৰিছিল। সেই সময়ত শ্ৰীহৰ্ষৰ অধীনত থকা মগধত বাজে সমস্ত গৌড়ৰাজ্যৰ সৰ্ব্বে-সৰ্ব্বা গৰাকী ভাস্কৰবৰ্ম্মাইহে হৈছিল ( ৫২ )।

শ্ৰীযুত বিদ্যাবিনোদ মহাশয়ে পূৰ্ব্বে এপিগ্ৰেফিয়া ইণ্ডিকাত ( Vol XII. No. 13 ) শ্ৰীহৰ্ষৰ মৃত্যুৰ পিছত ভাস্কৰবৰ্ম্মাই কৰ্ণসুৱৰ্ণ অধিকাৰ কৰা বুলি লিখিছিল। সেই কথাতে নিৰ্ভৰ কৰি ছাৰ এডৱাৰ্ড গেইট আৰু ভিন্‌চেণ্ট্‌ স্মিথ চাহাবেও ভাস্কৰবৰ্ম্মাৰ কৰ্ণসুৱৰ্ণ অধিকাৰ শ্ৰীহৰ্ষৰ মৃত্যুৰ পিছলৈ আনিছে। কিন্তু সেই বিদ্যাবিনোদেই পিছত তেওঁৰ মত পৰিৱৰ্ত্তন কৰা দেখা যায়। তেওঁ ১৩৩৮ চনত প্ৰকাশিত তেওঁৰ কামৰূপ শাসনাৱলী গ্ৰন্থত (৫ পৃঃ) লিখিছে, "ৰাজনীতিৰ সূত্ৰানুসাৰে গৌড়াধিপ ভাস্কৰবৰ্ম্মাৰ অৰি আছিল আৰু অৰিৰ অৰি হৰ্ষবৰ্দ্ধনৰ লগত মিত্ৰতা ঘটিছিল। যি হওক, দুই মিত্ৰে মিলি কৰ্ণসুৱৰ্ণ আৰু পুণ্ড্ৰবৰ্দ্ধন জয় কৰিছিল" ইত্যাদি। বিদ্যাবিনোদে এনেকৈ দুঠাইত দুইমত প্ৰকাশ কৰি আউল লগাইছে। কিন্তু অ'উল লগালেও তেওঁৰ দ্বিতীয় মতটোহে সমীচীন বুলি মনত ধৰে। এই মতকে আমাৰ আৰ্লি হিষ্টৰিৰ লিখক ৰায়বাহাদুৰ ডাঙৰীয়াই গ্ৰহণ কৰিছে। তেওঁ দেখুৱাইছে,—কৰ্ণসুৱৰ্ণ আক্ৰমণৰ আগেয়ে শশাঙ্কে মধ্য, নিম্নবঙ্গ, মগধৰ কোনো অংশ আৰু উৰিষ্যা অধিকাৰ কৰিছিল। তেওঁ যেতিয়া কৰ্ণসুৱৰ্ণৰপৰা খেদা খাইছিল, তেতিয়া তেওঁ দক্ষিণলৈ গৈ ৰাজ্য কৰাৰ প্ৰমাণ শশাঙ্কৰ তলতীয়া সামন্ত মাধৱৰ্ম্মাৰ গঞ্জামৰ ফলিৰপৰা স্পষ্টকৈ পোৱা যায় (৫৩)। এই ফলিখন ৬১৯ খৃষ্টাব্দত লিখা। এই ফলিখনৰপৰাই বিদ্যাবিনোদ আৰু আন কোনো কোনো পণ্ডিতে অনুমান কৰে যে শশাঙ্কই ৬১৯ খৃষ্টাব্দলৈকে কৰ্ণসুৱৰ্ণত ৰাজত্ব কৰি আছিল। কিন্তু ৰায়-বাহাদুৰে ৬১০ খৃষ্টাব্দতে শশাঙ্ক কৰ্ণসুৱৰ্ণৰপৰা খেদা খাইছিল বুলি মত প্ৰকাশ কৰিছে। শ্ৰীযুত বাবু নগেন্দ্ৰ-নাথ বসুৱে বিশ্বাস কৰে যে শ্ৰীহৰ্ষ আৰু ভাস্কৰবৰ্ম্মাৰ মিত্ৰতাৰ পিছতহে শশাঙ্কই কৰ্ণসুৱৰ্ণ এৰি দক্ষিণে পাৰ্ব্বত্য দেশত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল (৫৪)। তেওঁ আৰু লিখিছে,—সম্ভৱতঃ শ্ৰীহৰ্ষই ভাস্কৰবৰ্ম্মাক গৌড় আৰু কৰ্ণসুৱৰ্ণ শাসন কৰিবলৈ দিছিল ; সিফালে মগধত মহাসেন গুপ্তৰ পুতেক মাধৱগুপ্তক তলতীয়া ৰজা পাতিছিল। এয়ে সম্ভৱতঃ আচল ঘটনা। স্বৰ্গীয় ৰাখাল দাস বানাৰ্জ্জিয়ে লিখি গৈছে,—শশাঙ্ক শ্ৰীহৰ্ষ আৰু ভাস্কৰবৰ্ম্মাৰ যুক্তশক্তিৰ দ্বাৰা সিংহাসনচ্যুত হৈছিল (৫৫)। তেওঁ তেওঁৰ উৰিষ্যাৰ বুৰঞ্জীত লিখি গৈছে :—

"শশাঙ্কৰ আচল গুৰি গছ যিয়ে নহওক, অৱশেষত যে তেওঁ কৰ্ণসুৱৰ্ণৰপৰা খেদা খাইছিল, তাত কোনো সন্দেহ নাই। এই ঘটনা গঞ্জামৰ ফলিৰ তাৰিখৰ আগে ঘটিছিল যে এইটো সম্পূৰ্ণ সম্ভৱ আৰু তেতিয়া তেওঁ বঙ্গৰ অধিকাৰ হেৰুৱাই উড়িষ্যাৰহে গৰাকী হৈছিল।"

৪৭—Harsha charita ( Cowell's translationৰ পৰা )

৪৮—Harsha charita ( সাৰাংশ )

৪৯-৫১—I. H. Q. Vol. VIII, No. 1. March 1932

* মুৰ্শীদাবাদ জিলাৰ অন্তৰ্গত ভাগীৰথীৰ পশ্চিম পাৰৰ বৰ্ত্তমান ৰাঙামাটিকে কৰ্ণসুৱৰ্ণ বুলি নিৰূপণ কৰা হৈছে।

৫২—Early History of Kamarupa. P. 65.

৫৩—Epigraphia Indica Vol VI. p. 144.

৫৪—বাঙ্গালাৰ জাতীয় ইতিহাস, ১ম খণ্ড—৬৫-৬৬পৃঃ

৫৫ বাঙ্গালাৰ ইতিহাস ১ম খণ্ড ৮৭—৮৮ পৃঃ।

শ্ৰীযুত বিজয়নাথ সৰকাৰে দেখুৱাইছে,—শ্ৰীহৰ্ষৰ ক্ষমতা বঙ্গদেশ নৌ পোৱাতেই শশাঙ্কৰ ৰাজ্য ভাস্কৰবৰ্ম্মাৰ হাতলৈ গৈছিল, নচেৎ চীনদেশলৈকে সমুদ্ৰ পথৰ ওপৰত তেওঁ আধিপত্য বিস্তাৰ কৰিব নোৱাৰিলেহেঁতেন...(৫৬)। বাণৰ হৰ্ষ-চৰিতৰপৰা দেখা যায়,—ভাস্কৰবৰ্ম্মাৰ লগত মিত্ৰতাৰ পিছত শ্ৰীহৰ্ষে গৌড় বিজয় সহজ বুলি অনুমান কৰিছিল আৰু তেওঁৰ সম্বন্ধীয়া ভায়েক ভাণ্ডিক গৌড় জয় কৰিবলৈ পঠাইছিল···(৫৭)। ভাস্কৰবৰ্ম্মাৰ ফলিয়ে কৰ্ণসুবৰ্ণ ভাস্কৰে জয় কৰা স্পষ্টকৈ প্ৰমাণ দিয়ে। শ্ৰীযুত ৰমাপ্ৰসাদ চন্দই বিদ্যাবিনোদৰ যুক্তি খণ্ডাই লিখিছে, সপ্তম শতাব্দীত ভাস্কৰবৰ্ম্মাৰ দিনত গৌড় কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল (৫৮)। বিলে হুৱেনচাঙৰ জীৱনীৰ ভূমিকাত লিখি গৈছে, চীনদেশলৈকে সমুদ্ৰপথ ভাস্কৰ বৰ্ম্মাৰ আৰু সম্ভৱতঃ তেওঁৰ পূৰ্ব্বপুৰুষবিলাকৰ তত্ত্বাৱধানত ৰক্ষিত হৈছিল (৫৯)। এনেকৈ যিমানে বিচাৰ কৰা যায়, ভাস্কৰ বৰ্ম্মাৰ কৰ্ণসুবৰ্ণ অধিকাৰ শ্ৰীহৰ্ষৰ মৃত্যুৰ পিছলৈ কোনো প্ৰকাৰে নিব নোৱাৰি। ইয়াতে আগেয়ে কৈ অহা এটা কথা পুনৰুক্তি কৰিব লগীয়া হলোঁ। শ্ৰীহৰ্ষ ৰাজ্যবৰ্দ্ধনৰ হত্যাত ৬০৬ খৃষ্টাব্দতে কনৌজৰ সিংহাসন গ্ৰহণ কৰিবলৈ নিমন্ত্ৰিত হৈছিল। তেওঁ সেই শকতে কুমাৰ শিলাদিত্য নাম লৈ মালৱৰাজ দেৱগুপ্তৰ বিৰুদ্ধে অভিযানলৈ গৈছিল। এনেতে বাটত ভাস্কৰবৰ্ম্মাৰ দূতৰ লগত তেখেতৰ সাক্ষাৎ হৈছিল আৰু ভাণ্ডিক গৌড় জয় কৰিবলৈ পঠাইছিল। শ্ৰীহৰ্ষৰ আচলৰূপে ৰাজ্যত অভিষেক ৬১২ খ্ৰীষ্টাব্দত হৈছিল আৰু তেওঁৰ মৃত্যু ৬৪৮ খৃষ্টাব্দত ঘটিছিল। গতিকে ভাণ্ডিয়ে বা ভাস্কৰ বৰ্ম্মাই কৰ্ণসুবৰ্ণ অধিকাৰ কৰিবলৈ ৬০৬ খৃষ্টাব্দৰপৰা শ্ৰীহৰ্ষৰ মৃত্যু পৰ্য্যন্ত ৪২ বছৰ অপেক্ষা কৰি থকা কথা কেতিয়াও বিশ্বাস কৰিব নোৱাৰি আৰু তেনে কথা কাৰো কাণতো নোসোমায়।

ক্ৰমশঃ

৫৬ I. H. Q Vol V p. 442-43 & Life of Huen Tsiang by Beal p.—188.

৫৭ Early History of Kamarupa, p.68

৫৮ প্ৰবাসী, বৈশাখ, ১৩৩৯ন ৱ স—৬২-৬৬ পৃঃ।

৫৯ E. H. K. p.—68,

---

# গীত

—শ্ৰীযুত পাৰ্ৱতি প্ৰসাদ বৰুৱা বি এ

সন্ধ্যা মেঘৰ ৰূপ যে সেয়া
ৰঙচুৱা বৰণ,
নয়ন দুৱাৰ মুখে হিয়াত
কৰে অৱতৰণ।

বাহিৰত যি ৰূপ কায়া
ভিতৰত তাৰ পৰে ছায়া,
হিয়াৰ মাজত অপৰূপে
কৰিছে মন হৰণ॥

চকু মেলি চাই থাকোঁতেই
চকু পানী ওলায়;
অলক্ষিতে কোনে জানো
চৰণ জুৰি বুলায়।

চকু পানীৰ মাজত দেখা
হিয়াৰ পটত আছে লিখা,
মেঘৰ সাঁচত অপৰূপৰ
ৰঙা দুটি চৰণ॥

---

# এবিছিনিয়া

কবিতা ]

—শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা বি-এ

[ ১ ]

কাফ্ৰি-দেশ আফ্ৰিকাই আঁচলত বান্ধি
ৰাখিছিল মহাগৰ্ব্বে বুকুত সুমাই
স্বাধীনতা—এটি মাথোঁ শ্যমন্তক মণি;
পোপৰ দেশত থকা যীশুৰ ধৰ্ম্মই
পাপৰ বিষাক্ত বাষ্প বৰ্ষ্ম গাত লই
হৰি নিলে কামানৰ জ্বলাই অগনি।

[ ২ ]

জগতৰ সভালই দুই হাত তুলি
হাব্‌ছী ৰাণীয়ে কত কৰি অনুনয়
ভাবিছিল পমি যাব মানুহৰ হিয়া;—
নুবুজিলে তেতিয়াও হতভাগিনীয়ে—
মানুহ নামেৰে এই অদ্ভুত পদাৰ্থ
স্বাৰ্থৰ বাহিৰে তাৰ একো নাইকিয়া।

[ ৩ ]

আদ্দিস আবাবা হ'ল পৰ-পদানত
চকুলোৰে বলে ধাৰ হাব্‌ছী সম্ৰাটৰ
কাতৰ বিননি গ'ল বতাহত মিলি,
ক্লৈবত্ব সাৰথি লই বল জাতিসঙ্ঘ
ইয়াকেই বোলে ধৰ্ম্ম কুৰি শতিকাৰ
ৰণ-চণ্ডী কৰে নৃত্য মুক্ত খড়্গা তুলি।

[ ৪ ]

ধন্য তুমি ৰণ-চণ্ডী কালিকা গোসাঁনি!
বিচাৰিছা লোল জিভা মেলি চিৰকাল
তপ্ত ৰক্ত—ভক্তি-অৰ্ঘ্য শক্তি-সাধকৰ,
কোন সেই মহাকবি মহা উপাসক
যি জনৰ কল্পনাত জনম তোমাৰ
—তেৰো হক শত ধন্য অজৰ অমৰ!

[ ৫ ]


বিজয়ী পাশ্চাত্য আজি থাণ্ডা ঝাণ্ডা তুলি
নিনাদিছে কোটি কণ্ঠে তোমাৰেই জয়
—অৱনত বুদ্ধ, যীশু, কৃষ্ণ, মহম্মদ,
কোনে কব কিবা হ'ব শেষ পৰিণাম
কেতিয়া শুকাব এই লোহিত-সাগৰ
লভিব জগতে তাত অমৃতৰ হ্ৰদ?

---

# চয়াজীৰাও গাইকুৱাৰ

—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা

বৰোদা ৰাজ্যৰ এইজন ৰজাৰ ৰাজত্বকাল যাঠীবছৰ পূৰ হৈ যোৱাৰ বাবে, সিদিনা তেখেতৰ গোটেই ৰাজ্য ব্যাপী হীৰক-জুবিলি (Diamond Jubilee) উৎসৱ



মাকাৰপুৰা ৰাজপ্ৰাসাদ—বৰোদা

কৰা হৈ গ'ল। ইংৰাজীত এটা বচন আছে "Fact is stranger than fiction." কল্পনাই কত আচৰিত কাৰ্য্য সাজি পাৰি উলিয়ায়। কিন্তু এইজন ৰজাৰ জীৱনৰ সঁচা ইতিহাস তাতকৈয়ো একাঠী চৰা। ১৮৬৩ খৃষ্টাব্দৰ ১৭ মাৰ্চ্চত, বোম্বাই প্ৰেছিডেন্সিৰ মন্মাৰ বোলা চহৰৰ ওচৰত থকা কাৰ্ভালানি নামে গাওঁ এখনত, কাশীৰাও গাইকুৱাৰ নামে সাধাৰণ তৰপৰ মানুহ এজনৰ এটি লৰা ওপজে। লৰাটিৰ নাম গোপাল ৰাও। চহা গাৱঁলীয়া লৰাই গাৱঁত যেনেকৈ ডাঙৰ-দীঘল হয়, গোপাল ৰাৱেও সেইদৰে ছুখীয়া বাপেক-মাকৰ লাচনি-পাচনি বন-বাৰি কৰি, গাৱঁৰ সমনীয়া লৰা-ছোৱালীৰে সৈতে উমলি-জামলি ডাঙৰ-দীঘল হৈছিল। বৰোদাৰ ৰজা খাণ্ডেৰাও গাইকুৱাৰ অপুত্ৰক আছিল। তেওঁৰ মৃত্যুৰ পিছত, বিধৱা ৰাণী যমুনা বায়ে সেই লৰাটিকে বৰোদালৈ আনি পোষ্য-পুত্ৰ কৰি ল'লে আৰু সেই লৰাটিকেই ১৮৭৫ খৃষ্টাব্দৰ ২৭ মে'ইত ৰাজপাটত তুলি বৰোদাৰ ৰজা পতা হ'ল। ছুখীয়া চহাৰ ঘৰৰ গৰখীয়া চহা লৰা গোপাল ৰাও বিশাল বৰোদা ৰাজ্যৰ ৰজা হ'ল। বৰোদা ৰাজ্যৰ ভাগ্য বিধাতাৰ মঙ্গল ইচ্ছাত এই কাৰ্য্য সম্ভটিত হ'ল। লৰাটিৰ মস্তিষ্ক আৰু হৃদয় অসাধাৰণ বিধৰ। ডাঙৰ-দীঘল হৈ অহাৰ লগে লগে গোপাল ৰাৱে ৰজা হোৱাৰ পিছত যাৰ নাম চয়াজীৰাও গাইকুৱাৰ হ'ল, —ৰাজ্যশাসন আৰু প্ৰজা পালনত অতি কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ ধৰিলে। কোটি কোটি প্ৰজাৰ জীৱনে তেওঁৰ হাতত গঢ়-পিট ল'লে। ভাৰতৰ ভিতৰত বৰোদা সকলো বিষয়তে এখন আদৰ্শ ৰাজ্য হৈ উঠিল। সাধাৰণতে ভাৰতীয় ৰজাসকল অদৃষ্ট বা কপালৰ হাতত ধেমালিৰ পুতলা। মহাৰাজা চয়াজী গাইকুৱাৰ তাৰ ব্যতিক্ৰম। তেওঁ নিজৰ অসাধাৰণ জ্ঞান, বুদ্ধি, ধৈৰ্য্য, দীৰ্ঘদৰ্শিতা



বৰোদা কলেজ

আৰু অক্লান্ত পৰিশ্ৰমৰ বলেৰে বৰোদা ৰাজ্যক, পূৰ্ব্বগত ৰজাসকলৰ খেলিমেলি শাসন আৰু আন আন অনেক বিষয়ত অনেক পাছ পৰি থকা অৱস্থাৰপৰা উদ্ধাৰ কৰি



াৰতীয় ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ শাৰীত প্ৰতিষ্ঠাপিত কৰিলে। েওঁৰ তিনি কুৰি বছৰীয়া এই সুদীৰ্ঘ ৰাজত্বই বৰোদাক ান আন ভাৰতীয় ৰাজ্যৰ কথাকে নালাগে, সৰ্ব্বতোমুখী ংস্কাৰ আৰু উন্নতি বিষয়ত, চক্ৰৱৰ্ত্তী বৃটিছ ৰাজ্যৰো বিস্ময় াকৰ্ষণ কৰিলে।

এই মহাৰজাৰ আমোলৰ আগেয়ে ৰাজকাৰ্য্যৰ ভাল িধি-ব্যৱস্থা বৰোদাত নাছিল; আছিল মাথোন ােৰে ওলোটাতো। তেনে chaos অৰ ঠাইলৈ মহাৰজাই Cosmos আনিলে। প্ৰথমতে তেওঁৰ চকু পৰিল ৰাজহ িভাগত (Revenue Department) মাটিৰ ৰাজহ আইনৰ প্ৰণয়ন হ'ল। প্ৰজা আৰু জমিদাৰসকলৰ ভিতৰত মিলা-প্ৰীতি



লক্ষ্মী ভিলা প্ৰাসাদ

াৱে ৰৱ সাব্যস্তৰ দিহা শৃঙ্খলাবদ্ধ বিধি-বিধানত পৰিণত ল। জাতি-বৰ্ণ আৰু বৰ-সৰু নিৰ্ব্বিশেষে বছেৰেকীয়া াৰৰ ওপৰত কৰ নিৰ্দ্ধাৰিত হ'ল। প্ৰাচীন গ্ৰাম-পঞ্চায়েৎ ি্ুতভাৱে "বাহাল" কৰা হ'ল। বৃটিছ ভাৰতত াকৈ ক'বলৈ গ'লে সি নামতহে আছে; কামত নথকাৰ িচিনাই। মহাৰজাই বৰোদাত তাৰ সাল-সলনি কৰি াক স্থায়ী সত্য-ভেটিৰ ওপৰত স্থাপন কৰিলে। বিচাৰ-িভাগৰ সংস্কাৰৰ আৱশ্যকতা ভালকৈ হৃদয়ঙ্গম কৰি তেওঁ ৮৮১ খৃষ্টাব্দত আইনজ্ঞ সুযোগ্য লোকৰ দ্বাৰাই আইন প্ৰণয়ন কৰিবৰ নিমিত্তে এটা Strong Committee ৰ্থাৎ যোগ্য সদস্যেৰে এখন সমিতি গঠন কৰি দিলে। ১৮৯৬ চনত Civil Proceedure Code বা দেৱানী কাৰ্য্য-বিধি আইন প্ৰণীত আৰু প্ৰচলিত হ'ল। দণ্ডবিধি আইন (Penal Code), দণ্ডৰ কাৰ্য্যবিধি আইন



নজৰবাগ ৰাজপ্ৰাসাদ

(Creminal Proceedure Code), স্থাৱৰ-অস্থাৱৰ সম্পত্তি ব্যৱস্থাপক আইন(Transfer of Property Act) গঠিত হ'ল,—ঠিক বৃটিছ ভাৰতৰ আইনৰ আৰ্হিত। প্ৰায় দেখা যায়, আন আন দেশৰ আইনে প্ৰজাৰ বাঢ়ি অহা শিক্ষা-দীক্ষা ভাব-গতিৰে সৈতে সমানে উজাব নোৱাৰে।



লালবাগ

কিন্তু বৰোদাত তেনে নহয়। উন্নতিশীল মহাৰাজ চয়াজী গাইকুৱাৰৰ তত্বাৱধানত বৰোদাৰ আইনে সমানে তাল ধৰি চলিছে। বিবাহ-বিচ্ছেদ আইন (The divorce act), হিন্দু

স্ত্ৰীৰ সম্পত্তি বিষয়ৰ আইন ( The Hindu Women's Property Act) প্ৰভৃতি তাৰ উদাহৰণ। একান্নৱৰ্ত্তী পৰিবাৰ (joint family) যে আজি-কালিৰ সমাজৰ



পুৰণি ৰাজভৱন—বৰোদা


উপযোগী নহয় আৰু তাৰ ফলত প্ৰায় প্ৰত্যেক পৰিয়ালতে অশান্তি, দুখ, দ্বন্দ্ব-বাদ ইত্যাদিয়ে ঠাই লৈছে, সেইটো বুজি মহাৰজাই সম্প্ৰতি তাৰ প্ৰতিকাৰৰ অৰ্থে বিশেষজ্ঞসকলৰ পৰা মত সংগ্ৰহ কৰিছে। অচিৰতে সেইবিষয়ে আইন প্ৰণীত হৈ বৰোদা-কাউন্সিলত "পাছ" হ'ব।

শিক্ষা-সংস্কাৰত মহাৰাজ সকলোৰে অগ্ৰণী। তেওঁ ভালকৈ বুজি আহিছে যে সকলো অৱনতিৰ মূল শিক্ষাৰ



কলা ভৱন

অভাৱ বা অশিক্ষা। ৰাজ্যত শিক্ষা বিস্তাৰ কৰিবৰ নিমিত্তে সদায় তেওঁ যত্নৱান। বাধ্যতামূলক প্ৰাথমিক শিক্ষা (Cmpulsory Primary Education ) গোটেই বৰোদা ৰাজ্যত ১৯০৬ খৃষ্টাব্দতে তেওঁ চলায়। ১৯৩১ চনৰ ছেন্সাছ-ৰিপোৰ্টত দেখা যায়—বৰোদাত আঢ়ৈ "মিলিয়ন" মানুহৰ ভিতৰত আঢ়ৈ লাখ লৰা আৰু ছোৱালীয়ে প্ৰাথমিক শিক্ষা পাইছে। ৰাজ-ভঁৰালৰ পৰা প্ৰতি বছৰত ৩৪ লাখ টকা শিক্ষাৰ নিমিত্তে ব্যয় কৰা হয়। ৰাজ্যৰ ভিতৰত Secondary Education অৰ নিমিত্তে ৭০ খন স্কুল আছে, য'ত লৰা-ছোৱালীয়ে শিক্ষা পাব লাগিছে। ১৮৮১ খৃষ্টাব্দত উচ্চশিক্ষাৰ নিমিত্তে "বৰোদা-কলেজ" স্থাপিত হয় আৰু সেই কলেজ বোম্বাই -বিশ্ববিদ্যালয়ৰ লৈতে সংযুক্ত হয়। প্ৰত্যেক বছৰতে




ছায়েন্স ইন্‌ষ্টিটিউট

এহেজাৰৰ ওপৰ ছাত্ৰ আৰু ছাত্ৰীয়ে এই কলেজত শিক্ষা পায়। এই কলেজৰ লগতে বিজ্ঞান শিক্ষাৰ নিমিত্তে বিশেষকৈ এটা "ছায়েন্স ইনষ্টিটিউশ্যন" আছে; আৰু "Department of Technology"ও অলপতে যোগ দিয়া হ'ব। শিক্ষকৰ নিমিত্তে তিনটা Training Collge আছে;—দুটা প্ৰাথমিক স্কুলৰ শিক্ষক আৰু এটা ছেকেণ্ডেৰী স্কুলৰ শিক্ষকৰ নিমিত্তে। "কলাভৱন" নামে সুবৃহৎ আৰু মনোৰম ঘৰ এটা আছে; তাত "টেক্‌নিকেল এডুকেশ্যন" দিয়া হয়। ১৮৯০ চনত সেই "কলাভৱন" স্থাপিত হয়; আৰু পাঁচশৰ ওপৰ ছাত্ৰই তাত শিক্ষা পাব লাগিছে। কাশী, মাদ্ৰাজ, বোম্বাই, পঞ্জাব, ইউ-পি, ছি-পি, ত্ৰিভাঙ্কুৰ, চিলোন,




মালয় ষ্টেটছ, অসম আৰু বেঙ্গল প্ৰভৃতি দেশৰপৰা ছাত্ৰ আহি তাত পঢ়িছেহি। হৰিজনৰ নিমিত্তে "ৰেছিডেন্সিয়েল স্কুল" আৰু অন্ধ আৰু বোবাৰ ( Deaf and dumb ) নিমিত্তে দুটা স্কুল আছে। বৰোদা ৰাজধানীৰ "ছেণ্ট্ৰেল লাইব্ৰেৰিকে" কেন্দ্ৰ কৰি অনেক "ভিলেজ লাইব্ৰেৰি" গাওঁবোৰত স্থাপিত হৈছে। সকলোবোৰ "ফ্ৰি" অৰ্থাৎ সকলোলৈকে মুকলি। "ওৰিয়েণ্টেল ইন্‌ষ্টিটিউটে"হাতে-লিখা নাটকীয়া আৰু মৌলিক চিন্তাৰ পুথিবোৰ ছপা কৰিব লাগিছে আৰু মৌলিক চিন্তাৰ গ্ৰন্থকাৰসকলক সহায় কৰি উৎসাহিত কৰিব লাগিছে। "পিক্‌চাৰ গেলেৰি" "আৰ্কিয়লজিকেল ছেক্সনেৰে" লৈতে "মিউজিয়ম,"



মতি বাগ


ইঞ্জিনিয়েৰিং ডিপাৰ্টমেণ্ট, পানীৰ কল ( Water works ) "ষ্টেট্ জেনেৰেল হস্পিটেল" "লক্ষ্মীবিলাস পেলেছ"(কাৰেং), "ছায়েন্স জুবিলি ইন্‌ষ্টিটিউট", "কীৰ্ত্তিমন্দিৰ" "ছেক্ৰেটৰিয়েট" এইবোৰ বৰোদাৰ গৌৰৱৰ বস্তু; আৰু সকলোবোৰৰ ওপৰত বৰোদাৰ এই মহানুভৱ মহাৰজা চয়াজী গাইকুৱাৰ। তেওঁৰ বিখ্যাত কাৰেং "লক্ষ্মীবিলাস পেলেছ" আৰু "বৰোদা-কলেজ" "ইন্দো চাৰেচেনিক" প্ৰণালীত সজা; ৰাজকাৰেঙৰ তোড়ন দ্বাৰ আৰু কীৰ্ত্তিমন্দিৰ" হিন্দু স্থাপত্যৰ প্ৰণালীত। "মেডিকেল ডিপাৰ্টমেণ্ট" প্ৰথম শ্ৰেণীৰ। প্ৰথম শ্ৰেণীৰ ডাক্তৰ আৰু ছাৰ্জেন ( অস্ত্ৰবিদ্যা বিশাৰদ ) সকলৰ হাতত, বৰ্ত্তমান কালত উদ্ভাৱিত যন্ত্ৰ পাতি আৰু অস্ত্ৰাদি দি, তাক উৎকৃষ্ট কৰা হৈছে। স্বাস্থ্য বিভাগো ( Sanitary department ) ওপ শাৰীৰ।

সময় নিষ্ঠা ( Punctuality ) মহাৰজাৰ স্বভাৱেৰে লৈতে মিহলি খোৱা। আন আন ৰজা মহাৰজাৰ দৰে



কীৰ্ত্তি মন্দিৰ

এই বিষয়ত তেওঁ কেতিয়াও এৰা-ধৰা নহয়। পাশ্চাত্য সকলে যেনেকৈ সকলো কাম যথানিয়ম আৰু যথাসময়ত কৰে মহাৰজাও তেনে। ক্ষুদ্ৰ বিষয়তো তেওঁ মনোযোগী। এই বয়সতো তেওঁ তেওঁৰ গা ভালে থাকিলে, অফিচ,



ন্যায় মন্দিৰ

কাছাৰীলৈ আহি কাৰ্য্যাধ্যক্ষসকলৰ কাম চাই ফুৰেহি। সময়ৰ মূল্য তেওঁৰ মানত বৰ সৰহ। তেওঁৰ সাজ-পাৰত

আড়ম্বৰ নাই ; অতি Simple ; কিন্তু পৰিস্কাৰ-পৰিচ্ছন্ন। মই যিমানবাৰ তেওঁক দেখিছোঁ, ৰজাৰ জলমলীয়া সাজ আৰু অলঙ্কাৰ আদি তেওঁৰ গাত কেতিয়াও দেখা নাছিলোঁ; —মাথোন সিদিনা ৩ জানুৱাৰিত তেওঁৰ জুবিলি উপলক্ষে হোৱা প্ৰকাণ্ড দৰবাৰৰ দিনা তেওঁৰ গাত কিছুপৰিমাণে তেনে ৰাজকীয় সাজ-পাৰ দেখিছিলোঁ।—অথচ তেওঁৰ



কীৰ্ত্তিমন্দিৰ প্ৰতিষ্ঠাপনৰ অৰ্থে মহাৰজা বাহাদুৰৰ পূজা-অৰ্চ্চনা

নজৰৱানৰ "তোষাখানাত" কোটি কোটি টকাৰ মূল্যৰ দুৰ্লভ মণি-মুকুতাৰ সম্ভাৰ দেখিলে চকুত জলক-টবক লাগে। পোছাকৰ বিষয়ে তেওঁৰ ধাৰণা Simple and dignified। আন মানুহেও তেনেভাৱে পোছাক পিন্ধা তেওঁ ভাল পায়। সকলো জাতৰ মানুহে নিজৰ জাতীয় বেশভূষা কৰিলে তেওঁৰ সন্তোষ! তেওঁৰ ৰাজ্যৰ কৰ্ম্মচাৰী সকলৰ চাৰিভাগৰ তিনি ভাগ য়ুৰোপত উচ্চশিক্ষা পোৱা মানুহ। সেই সকলে স্বদেশী গুজৰাটী আৰু মহাৰাট বেশেৰেহে তেওঁৰ কাষ চাপিব পাৰে ; আৰু কাছাৰীলৈকো সদায় তেনে বেশেৰেহে যায়। কাৰ্য্যৰ নিয়ম আৰু প্ৰণালী তেওঁৰ প্ৰিয় বস্তু। তেওঁৰ মনটো বিশ্লেষক ( analytical )। প্ৰত্যেকটো বিষয়কে তেওঁ পুঙ্খানুপুঙ্খৰূপে চাইহে গ্ৰহণ কৰে। ন্যায় অন্যায়ৰ জ্ঞান তেওঁৰ অতি প্ৰখৰ। আন নালাগে, তেওঁৰ বিশিষ্ট আৰু অতি প্ৰিয় কৰ্ম্মচাৰীয়েও যদি কোনো অন্যায় কৰে, সেইজনক দণ্ড বিধান কৰাত তেওঁ ত্ৰুটি নকৰে। কিন্তু দণ্ডৰ পিছত সেইজনৰ ত্ৰুটিৰ কথা আৰু তেওঁ মনত নাৰাখে। মুঠতে তেওঁৰ কাৰ্য্যত ন্যায় আৰু দয়া দুইটা মিহলি। ষ্টেটৰ কাৰ্য্য-কলাপত কোনোবাই যদি ত্ৰুটি দেখুৱাই দিয়ে, সেইজনৰ ওপৰত তেওঁ অসন্তুষ্ট নহয় ; বৰং সেই ত্ৰুটি শুধৰাবলৈহে তেওঁ যত্ন কৰে। সকলোৱেপৰা, ঘাইকৈ ষ্টেটৰ বাহিৰৰ মানুহৰ পৰা ষ্টেটৰ উন্নতিসাধক মতামত তেওঁ ধীৰ ভাৱে মন দি শুনে ; আৰু সেই মতত যদি সাৰ থাকে তাক গ্ৰহণ কৰে। তেওঁৰ সৈতে কোনো কথাত মতৰ পাৰ্থক্য হ'লেও তাক অভদ্ৰভাৱে তেওঁ উৰাই নিদিয়ে। মুঠতে ৰজাজনক সৌজন্যৰ ( courtesy ) অৱতাৰ বুলিলেও বঢ়াই কোৱা নহয়। নিমন্ত্ৰিত হৈ তেওঁৰ সৈতে একে টেবুলতে আৰু তেওঁৰ বাওঁকালে বহি দুবাৰ মোৰ ( Lunch ) অৰ্থাৎ দুপৰীয়াৰ আহাৰ খোৱাৰ সৌভাগ্য ঘটিছিল। তেওঁৰ ষ্টেটৰ কোনো উন্নতিমূলক কাৰ্য্যৰ বিষয়ে মোৰ কেনে



বৰোদাৰ মহা ৰজা চয়াজীৰাও গাইকুৱাৰ

ধাৰণা, তেওঁ মোক সুধিছিল। বৰোদাৰ "ৱাটাৰৱৰ্কছৰ" পানী কেনেকুৱা। কলিকতাৰ পানীৰ কলৰ পানীৰ নিচিনা নে, ইত্যাদি কথাৰ তেওঁৰ সূক্ষ্ম প্ৰশ্নবোৰ আজিও



মোৰ মনত আছে। তেওঁৰে সৈতে কথা-বাৰ্ত্তা পাতোঁতে কথা কওঁতা জনে যে ইমান এজন ডাঙৰ ৰজাৰে সৈতে কথা পাতিছে সেইটো বুজিবলৈ সমুলি নাপায়। ৰজাৰ অসঙ্কোচ ব্যৱহাৰে সেই ভাব ইজনৰ মনত থাকিবলৈ নিদিয়ে। সেইজনে, ইংৰাজীত কবৰ নিচিনা, feels quite at home. লোকৰ মতামত তেওঁ কাণ পাতি শ্ৰদ্ধাৰে শুনে; ল'ব লগীয়া কিবা থাকিলে লয় ; নলব লগীয়া নলয় ; কিন্তু মত প্ৰকাশ কৰোতাক সেইটো জানিবলৈ নিদিয়ে। ৰজাই নিজৰ মত আৰু বিশ্বাসকো বলেৰে আনক মনাবলৈ নাযায় ; আৱশ্যক হ'লে ভদ্ৰভাৱে সৈতে বুজাইহে দিবলৈ চেষ্টা কৰে। কোনোবা কাচিৎহে ৰজাই কাৰো ওপৰত খং কৰা দেখা যায়। তেওঁ খঙক নিজৰ বহতীয়া কৰি ৰাখিছে। তেওঁ দৈবাৎ খং কৰিলেও, তাৰে সৈতে অভদ্ৰতা মিহলি নহয়। আনৰ গুণ আৰু দোষ ততালিকে বুজিব পৰা বৈশিষ্ট্য তেওঁৰ গাত আছে। সত্য আৰু সৰলতা তেওঁৰ প্ৰিয় বস্তু। তেওঁ প্ৰস্তুত নোহোৱাকৈয়ো, মুখেমুখে ( extempore ) সুন্দৰকৈ ইংৰাজী ভাষাত বক্তৃতা দিব পাৰে ; গুজৰাটী আৰু মাহাৰাট্ৰীতো পাৰেই। মানুহ দেখিলেই সেইজন কেনে প্ৰকৃতিৰ মানুহ, সেইটো চিনিবৰ ক্ষমতা তেওঁৰ অসাধাৰণ ভাৱে আছে।

---

# ব্যথাৰ বিদায়

কবিতা ]

—শ্ৰীযুত শশীকান্ত গগৈ

জানো, তুমি হাঁহিত অধীৰ এতিয়াও কথা ক'ই ক'ই,
তেওঁ মই দুখুনো একোটি সখি হেৰা, চিৰকাল ল'ই।
মনা আছে তোমাৰ ওঁঠত লোভ লগা মাদক মাধুৰী
নয়নত অপৰূপ জ্যোতি ;—তাকো ল'ব নোৱাৰোঁ আদৰি।
আজি মোৰ পৰাণ শুকাল, তাত নাই আশাৰ বাতৰি,
নিৰাশাৰ গীত গাই গাই এয়া মই আহিলোঁ আঁতৰি।

* * * *

এতিয়াও নিমজ তোমাৰ সেন্দুৰীয়া গাল দুয়োখনি,
তথাপিও অতৃপ্তিতে মোৰ মাৰ যায় ওঁঠৰ কঁপনি।
ভৰি আছে তোমাৰ বুকুত এতিয়াও যৌৱনৰ ৰাগি,
মই হওঁ মিছাকে ব্যাকুল, সখি, তাৰ পৰশন মাগি।
উকৰাই বিহাৰ আঁচল খোজে খোজে পদুম ফুলাই,
যোৱা তুমি, তেও সখি, মোৰ হৃদয়ত বাজে—নাই, নাই।

* * * *

এতিয়াও কপৌ ফুলেৰে আইতৰ ডাল ভৰি থাকে,
আকাশত ঠেও ধৰি ধৰি কেতেকীয়ে সুৰ-সুধা বাকে ;
'তাই দিয়ে আকাশে বতাহে জগতৰ উলাহৰ জান,
তেওঁ উঠে হৃদয়ত মোৰ ব্যথা-ভৰা সকৰুণ তান।
ৰূপে, ৰাগে, গীতে, গন্ধে, আজি ধৰণীৰ বুকু ভৰি যায়,
তুমি আছা, আছে সকলোটি,—তেও মোৰ একোৱেই নাই।

* * * *

মই আজি দুখ-সাগৰত নিজে পৰি নিজে তল যাওঁ,
কল্পনাত সৰগ সৰজো, দিঠকত মোহাৰি পেলাওঁ।
জগতত ৰঙৰ উছৱ, মোৰহে মাথোঁ কৰুণ বিননি,
কৰি মোক অকলশৰীয়া ইয়ালকে' মাগিলা মেলানি!
সকলোটি মিছা মোলে' আজি, মিছা যত মধুৰ বাতৰি,
মিছা কৰি গ'লা দূৰলই, যোৱা,—ময়ো আহিলোঁ আঁতৰি।

# দিব-চকু

—শ্ৰীযুত গনেশচন্দ্ৰ ফুকন বি-এল

বিত-চকু সজাই তাৰ কাম। সাধাৰণ বিত-চকু সাজিয়েই সি জীৱিকা নিৰ্ব্বাহ কৰে। তাৰ এক মাত্ৰ আপোন জনমৰেপৰা খোড়া নাতিনীয়েকজনীয়েই। লগৰ লগৰীহঁতে নাচি-গাই ফুৰে, ককাকৰ মনত কিমান দুখ নাতিনীয়েকৰ কথা ভাবি!

এজন অচিনাকি মানুহ সোমাই আহে। "বুঢ়া, এনে দিব-চকু সাজা যাৰে চালে সকলো সুন্দৰ দেখি। বুজিছা, যাৰে সুন্দৰ দেখি, সুন্দৰ" বুলি কৈ সেই অচিনাকিজন অন্তৰ্দ্ধ্যান হ'ল। বুঢ়াৰ কল্পনাত ভাহি উঠিল শৰতৰ চন্দ্ৰমা সুশোভিত হ্ৰদৰ তীৰ। তাত লৰা-বুঢ়া সকলো একেলগে নাচিছে, গাইছে। আঁহা! সৌন্দৰ্য্যৰ চৰম নিদৰ্শন ইয়েই নহয়নে? বুঢ়াই উপায় বিচাৰি বাহিৰ হয়।

আশ্ৰমৰ গছৰ তলত অধ্যয়ন মগ্ন ঋষি। "গুৰুদেৱ! উপায় দিয়া। সকলোকে সুন্দৰ দেখা বিত-চকু সাজিবলৈ উপায় দিয়া।"

ঋষিয়ে তাক এখন গীতা দিয়ে,---"যোৱা ভালকৈ পঢ়াগৈ।"

* * * *

দেশ ব্যাপি পৰিছে—আচৰিত তাৰ বিত-চকুৰ গুণ। ৰজা-ৰাণীও এদিন বুঢ়াৰ পঁজাত উপস্থিত। "মহাৰাজ, তুমি ইমান সুন্দৰ, সুঠাম, বলীষ্ঠ"—চকুত বিত-চকু দি ৰাণী আনন্দত অধীৰা হৈ কয়। "প্ৰিয়ে! ৰূপৱতী ষোড়শী, তুমিয়ে সৌন্দৰ্য্যৰ অপূৰ্ব্ব সমাবেশ।" বিত-চকু পিন্ধা ৰজাই কৈ হৰষতে নাচি উঠে।......বুঢ়াৰ যোগ্য পুৰস্কাৰ এমোনা সোণ। কিন্তু ক'ত সেই শৰতৰ চন্দ্ৰমা ·········?

"বুঢ়া, এনে এজোৰ বিত-চকু সাজা যাৰে চালে প্ৰকৃত সত্য দেখা যায়। বুজিছা? সত্য, মাথো সত্য,"—কথাৰ লগে লগে নৱাগত অপৰিচিত অন্তৰ্দ্ধ্যান হয়, বুঢ়া পুনৰ ঋষিৰ ওচৰ পায়গৈ।

"যোৱা, কিতাপখন পুনৰ এবাৰ পঢ়া গৈ"—ঋষিয়ে কয়।

* * * *

"দিয়া, বুঢ়া, তোমাৰ নতুন বিত-চকু দিয়া" ৰজা-ৰাণী সোমাই আহে; ৰাণীয়ে চকুত বিত লগায়—"পাপীষ্ঠ ৰজা, নৰ্ত্তকীৰ গুপ্ত প্ৰণয়ত আজি মোৰ অলঙ্কাৰ পৰ্য্যন্ত উপহাৰ দিছ?" কঁপা হাতেৰে ৰজাই চকুলৈ বিতজোৰ তুলি লয়—"পিশাচিনী, মোৰ অজ্ঞাতে পৰপুৰুষৰ সৈতে পাপত লিপ্তা!......নহয়? একো সঁচা নহয়, এই যাদুকৰ বুঢ়াৰ কু-যাদু এইবিলাক। ইয়াৰ বিচাৰ হ'ব। বুঢ়া তোক কোনে সমৰ্থন কৰিব?······ক'তা কোনো নাই, তেন্তে তোৰ এতিয়াই প্ৰাণ দণ্ড হ'ব···। লগতে তোৰ নাতিনীয়েৰৰো···" "আছে, মই বুঢ়াৰ পক্ষ সমৰ্থন কৰিম"—সেই আগৰ অপৰিচিতজন সোমাই আহে। "মহাৰাজ, পাপীয়ে সত্যলৈ ভয় কৰে, পাপীয়ে সত্য ভাল নাপায়। আঁহা, ৰাজকুমাৰী, পৱিত্ৰ হৃদয়া শিশু, চোৱা, বিতজোৰেৰে চোৱা, বুঢ়াৰ গাত কি দেখিছা? কু-যাদুনে?" "দেখিছো, এক শ্যাম কলেৱৰ, বদন সুশোভিত সুন্দৰ পুৰুষ, মুখত বাঁহী, পাৱত নূপুৰ... পাছফালে এটা ৰশ্মি—শত সূৰ্য্যৰ সমান তীব্ৰ অথচ জোনাকৰ নিচিনা ধীৰ······" "চোৱা, চোৱা, ৰজা-ৰাণী নিজে চোৱা এতিয়া,"······। "হে মহান!"—ৰজা-ৰাণীয়ে বুঢ়াক প্ৰণতি কৰে। "যোৱা বুঢ়া, যোৱা, আৰু এনে বিত-চকু নাসাজিবা। মানুহে সত্য ভাল নাপায়।" নৱাগত জন অন্তৰ্দ্ধ্যান হয়, হঠাৎ বুঢ়াৰ নাতিনীয়েকৰ ভৰি ভাল হয়, ৰাজকুমাৰীয়ে তাইৰ হাতত ধৰি নাচে, শৰতৰ পূৰ্ণিমা শোভিত এটা হ্ৰদৰ পাৰত ৰজা-ৰাণী, বুঢ়া, বুঢ়াৰ নাতিনী, ৰাজকুমাৰী, সকলোৱে হাতত ধৰি নাচে।

* ইংৰাজীৰ ছাঁত

# প্ৰতিজ্ঞা পালন

গল্প ]

—শ্ৰীযুত হৰিপ্ৰসাদ গোৰ্খাৰায়

বিপুল অৰ্থৰ অধিকাৰী বুঢ়া অভয়েন্দ্ৰ বৰুৱাৰ [illegible]ভাৱনীয় উন্নতিৰ মূলতে আছিল কাৰ্পণ্য। তেখেতৰ [illegible]হো আঙুলিৰ মাজেদি পাই এটিও সৰকি নপৰিছিল। [illegible]েইদেখি তেখেতে নিজ পুত্ৰ ৰবীনকো সৰুৰেপৰা ধন [illegible]ঞ্চয়ত পাকৈত কৰিবলৈ আন্তৰিকভাৱে যত্ন কৰিছিল। [illegible]েখেতে ইচ্ছা কৰিছিল যে ৰবীনো যাতে তেখেতৰ নিচিনা [illegible] আৰু ভৱিষ্যতে যেন ধনখিনি চলাই খাব পাৰে। কিন্তু [illegible]ৱীনৰ স্বভাৱ-চৰিত্ৰ বাপেকৰ স্বভাৱ-চৰিত্ৰতকৈ [illegible]ম্পূৰ্ণৰূপে বিপৰীত হে আছিল। ৰবীন আছিল জন্মৰে [illegible]ৰা মুক্ত হস্ত। ৰবীনে দান গুণ পাইছিল মাকৰপৰা। [illegible]তদিন সি দেখিছে বাপেকৰ অজ্ঞাতে মাকে জাৱত [illegible]েঠৰকৈ কঁপা অনাহাৰক্লিষ্ট দুখীয়া মগনীয়াবোৰক [illegible]াত কাপোৰ, টকা-কড়ি দি সহায় কৰা। স্কুলত পঢ়োতে [illegible]িও দুখীয়া সহপাঠীসকলক পাৰেমানে আৰ্থিক সাহায্য [illegible]িছিল।

সিদিনাখন আছিল 'ইউনিভাৰ্ছিটি' ফিজ লোৱাৰ [illegible]েষদিন। বেচেৰা পানীৰামে 'ফিজ্' দিব নোৱাৰি [illegible]ৰা দেখি ৰবীনে তৎক্ষণাৎ চোলা জেপৰপৰা উলিয়াই [illegible] টকীয়া নোট দুখন তাক দি দিলে। গধুলি স্কুল ছুটীৰ [illegible]িছত ৰবীনে উন্নতশিৰে বিজয়ী বীৰৰ দৰে সকলো [illegible]াহিনী মাকক কলেগৈ। দান আৰু উপকাৰৰ [illegible]ৌৰৱত এক অলৌকিক অভিব্যক্তি ফুটি উঠে তাৰ [illegible]চকুৱে মুখে!...মাকে এই বিজয়ী বীৰৰ সু গৌৰ গালত [illegible]াঁকি দিয়ে মাতৃহৃদয়ৰ স্নেহসনা তপত চুমাৰ ৰেখা! কিন্তু এই কথা বাপেকৰ কাণত নপৰাকৈ নাথাকিল। পিছদিনা সি স্কুললৈ যাবলৈ ওলাইছে, এনেতে শুনিলে দেউতাকে মাতিছে—"ৰবীন!"

"গৈছোঁ দেউতা" বুলি সি ভয়তে লাহে লাহে বাপেকৰ ওচৰ পালেগৈ।

"মই শুনিছোঁ তই বোলে ৰূপ কুৰি টকা কোনোবা লৰা এটাক দি দিলি। হয়নে?"

"হয় দেউতা, পানীৰাম বৰ চোকা লৰা, কিন্তু সি 'ফিজ্' দিব নোৱাৰিলে মেট্ৰিক পৰীক্ষা দিবলৈ নাপাব। তাতে তাৰ কান্দো কান্দো মুখখন দেখি নিদিয়াকৈ নোৱাৰিলো। দেউতা!"

"কলিৰ সাক্ষাত দাতাকৰ্ণ! মোৰ কিযে সৌভাগ্য এনে দুৰ্ল্লভ পুত্ৰ-ৰত্নটি লাভ কৰিছোঁ!"—বুঢ়াই ব্যঙ্গোক্তি কৰিলে! বুঢ়াই পুনৰ মাত লগালে—"তয়ো কান্দি চাবিচোন, সিহঁতে দিয়েনে?"

"মই আকৌ কান্দিম কিয় দেউতা, মোৰতো টকাৰ অভাৱ নাই।"

"তোৰ টকাৰ অভাৱ নাই, কি কৱ? তোৰ আকৌ টকা ক'ত? মোৰ টকাৰ হে শ্ৰাদ্ধ কৰিছ। শুন, ভালে ভালে তই টকাখিনি ওলোটাই আনিবি। নহলে ভাল নহব একা। তোৰ এই স্বভাৱ নুগুচিলে তোক মই ত্যাজ্য পুত্ৰ কৰিম। মোৰ অৰ্জ্জিত ধনৰ ফুটা কড়ি এটাকে নাপাবি বুজিছ।" বুঢ়াই এই সামান্য কথাতে ত্যাজ্য পুত্ৰ কৰিবৰ কথা ক'লে যদিও আন্তৰিক ভাবেই কৈছিল। • •

··· ৰবীন কলেজলৈ যোৱা বছৰেই তাৰ মাকেও হাড় পেলালে।

ৰবীনৰ স্বভাৱৰ পৰিৱৰ্ত্তন নহল। সি টকা পইচাকে চতুৰ্ব্বৰ্গ বুলি মানি ল'ব নোৱাৰিলে। ৰবীন এতিয়া কলেজত।

সি সিবাৰ ঘৰৰপৰা আহোঁতে চাৰিশ ৰূপ লৈ আহিছিল। এইবাৰ সি টকাৰ অপব্যয় নকৰিবলৈ মনে মনে প্ৰতিজ্ঞা কৰিছিল। কিন্তু সিদিনাখন সামান্য দৃশ্য এটাই তাৰ মন ঘূৰাই পেলালে। সি গৈছিল ফুৰিবলৈ।

লুইতৰ ৰুদ্ৰ মূৰ্ত্তি চাই চাই তাৰ পাৰে পাৰে ফুৰোঁতে দেখিলে যে কেইবাখনো বোজাই মটৰ বাছ নগাঁৱৰ ফালে গৈছে। সি শুধি জানিব পাৰিলে যে সেই বাছ বোৰে বানপানী প্ৰপীড়িতসকলৰ বাবে চাউল ডাইল আৰু কাপোৰ আদি নিছে। এই বস্তবোৰ হেনো এজন অজ্ঞাত নামা পুৰুষৰ দান। তেওঁৰ দানৰ পৰিমাণ হেনো দহ হেজাৰ টকা। শুনি সি অতি আচৰিত মানিলে। হেজাৰ হেজাৰ টকা দান কৰিছে অথচ তাৰ বাবে দাতাই গৌৰৱৰ ডঙ্কা বজাব নোখোজে—অখ্যাতনামা! ভাবত সি টলিবলৈ ধৰিলে। * * *

কলেজত।

ছিভিক্স প্ৰফেছৰে লেক্‌চাৰ দিছে "Famine means extreme scarcity of food. But in India there is never any scarcity of food. In India famine is a famine of money, not of food……"ইত্যাদি। কিন্তু ৰবীনৰ মনৰ প্ৰফেছৰ বাহ্যিক প্ৰফেছৰৰ মাতকো তল পেলাই চিঞৰিবই লাগিছে অখ্যাতনামা দাতা, বানপানী পীড়িতৰ উদ্ধাৰ, ইত্যাদি। গধুলি সি মনে মনে গৈ চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ বেজবৰুৱাৰ ওচৰ পালেগৈ। ৰবীনে ক'লে,—"আপোনালোকৰ কেইজনমানে বোলে 'ফ্লাড ৰিলিফ বডি' সংগঠন কৰিছে; মোকো লগত ল'ব বুলি আশা কৰোঁ। মোৰ নামো এনলিষ্ট কৰক। ফণ্ডত ৪০০৲ টকা মই দিম, কিন্তু মোৰ নাম অপ্ৰকাশ থাকিব।"

"অশেষ ধন্যবাদ। তেন্তে সাজু হৈ থাকিব। আমিতো কলেজৰপৰা 'লীভ' ল'লোঁৱেই। আপোনাৰ?

"মোৰো লোৱা হৈছে।"

…আদিতে কবলৈ পাহৰি গৈছিলোঁ যে ৰবীন এজন অপ্ৰস্ফুটিত সাহিত্যিক। এতিয়াও তাৰ প্ৰতিভাৰ পোহৰ দেশত পৰা নাই। এই সংসাৰানভিজ্ঞ ৰবীনৰ মাজত সোমাই আছে এজন বিৰাট পুৰুষ! সি বানপানী বিধ্বস্ত নগাঁও চাই আহি এইবাৰ 'আৱাহন'ত যি করুণ অথচ সজীৱ ভাষাত তাৰ বিৱৰণ দিলে সি বাস্তৱিকতে শলাগিব লগীয়া। তাৰ লিখনীত ধৰা পৰিছিল—কত হতভাগ্যৰ হাহাকাৰ—কত অমাত পশু-পক্ষীৰ মৰ্ম্মন্তুদ আৰ্ত্তনাদ… বিশাল দুকুল প্লাৱী বানপানীৰ প্ৰলয়কাৰী কল্লোলিত নাচোন!…সেই ঘোৰ বানপানীৰ সোঁতৰ বুকুত শই শই উটি যোৱা নৰনাৰী।……কত জননীৰ বুকুৰপৰা সন্তান কাঢ়ি লৈ নিষ্ঠুৰ নিৰ্দ্দয় বানদেৱতাৰ নিৰ্ম্মম উপহাস!… মাহেকীয়া কাকতত ৰবীনৰ এই প্ৰবন্ধ পঢ়ি বহুত বন্ধুৱে তাৰ ভৱিষ্যত সাহিত্যিক জীৱন কৃতকাৰ্য্যতাৰ জয়মাল্যৰে ভূষিত হ'ব বুলি প্ৰশংসা কৰিলে।

বুঢ়া অভয়েন্দ্ৰই কেনেবাকৈ পুতেকৰ উচ্ছৃঙ্খলতাৰ (?) বাতৰি পালে: পাই মৰ্ম্মাহত হ'ল। ৰবীনে "ফ্লাড ৰিলিফ বডি"ত কাম কৰা, চাৰিশ ৰূপ দান কৰা ইত্যাদি সকলো কথা বুঢ়াই শুনিলে। বুঢ়া খঙত অগ্নি শৰ্ম্মা হৈ উঠিল। ইতিমধ্যে ৰবীনৰ একমাত্ৰ বায়েক সাধনাও বিধবা' হৈ বাপেকৰ ঘৰলৈ উলটি আহিল। পুতেকৰ উচ্ছৃঙ্খল স্বভাৱ দেখি বুঢ়াই তেখেতৰ সকলো টকা (বেঙ্কত গচ্ছিত) সাধনাৰ নামতেই উইল কৰি দিবলৈ মনে মনে ভবা-চিন্তা কৰিবলৈ ধৰিলে। বুঢ়াই পুতেকৰ এই স্বভাৱ গুচাবলৈ হেজাৰ চেষ্টা কৰিও বিফল হ'ল। ইপিনে তেনেকুৱা স্বভাৱৰ লৰাই পায় যদি, এই গাৰ তেজ পানী কৰি উপাৰ্জ্জন কৰা টকাৰ মোনা যে দুদিনতে তলি উদং হ'ব তাত অকণো সন্দেহ নাই। বুঢ়াই এইবাৰ ৰবীনক কলেজৰপৰা একৰাই আনিলে। তাৰ বিয়াৰ বন্দৱস্ত কৰিবলৈকো লাগি গ'ল। বুঢ়াই ভাবিলে কিজানি সংসাৰ বান্ধোনত পৰিলে লৰাৰ মন ঘূৰেই বা! এদিনাখন বাপেকে তাক ক'লে,—"শুন ৰবীন, কাইলৈ সম্ভ্ৰান্ত পৰিয়ালৰ ভদ্ৰ-মহিলা এগৰাকী আৰু তেখেতৰ জীয়েক আহিব। ছোৱালীজনী তোলৈকে স্থিৰ কৰা হৈছে। মই তেওঁলোকক একৰকম কথা দি দিলোঁ। তই অমত নহবি। মোক অতদিনে বহুত বেজাৰ দিলি; এইবাৰ এই বুঢ়াৰ মনত শান্তি দে। বুঢ়াৰ কথা নেপেলাবি। যদি অমত হৱ তেন্তে ঠিৰাং জানিবি তই মোৰ ত্যাজ্য পুত্ৰ। মোক তোৰ অসন্মতি জনোৱাৰ লগে লগেই তই মোৰ চকুৰপৰা চিৰকালৰ বাবে আতৰ হব লাগিব।"



ৰবীনে বাপেকৰ কথা শুনি লাহে লাহে ফুলনিৰ ফালে খোজ দিলে।

ফুলনি।

বেঞ্চ এখনত বহি ৰবীন চিন্তামগ্ন হৈ পৰিল। সি ভাবিছে তাৰ কলেজৰ বন্ধু শিৱ বৰদলৈৰ কথা। সেই প্ৰতাৰক লীলা তাই ধনী যুৱকৰ বাবে জাল পাতে! লীলাৰ প্ৰতাৰিত শিৱ। কিন্তু শিৱ দুখীয়া; গতিকে লীলাই তাক প্ৰত্যাখ্যান কৰিছিল। ৰবীনৰ কল্পনা চকুৱে অতীতক আঁকি তাৰ সন্মুখতে পেলাই দিছে।…শিৱ আৰু ৰবীন আছিল একাত্ম বন্ধু। দুয়ো কেনেকৈ ব্ৰহ্মপুত্ৰৰ বুকুত খেলি মাৰ যোৱাৰ দৃশ্য আঁকিছিল! ৰবীন আছিল সাহিত্যিক আৰু শিৱ আছিল চিত্ৰকৰ। ৰবীনে আঁকিছিল কাপেৰে আৰু শিৱই আঁকিছিল তুলিকাৰে। নৈৰ পাৰৰ শাওবন গজা ঠাইডোখৰ দুয়োৱে অতি আদৰৰ এই আটাইবোৰ দৃশ্যই ছায়াচিত্ৰৰ দৃশ্যৰ দৰে মনত পৰিবলৈ ধৰিলে। এদিন দুয়ো সিহঁতৰ সেই চিনাকি ঠাইলৈ আহি দেখিলে যে এজনী গাভৰু ছোৱালী বহি আছে। তাকে দেখি শিৱই লাহেকৈ মাত লগালে,—"ভাই ৰবীন আমাৰ ঠাই আজি দেখোন বন্ধ।"

তৰুণীটীয়ে চকিত হৈ তাইৰ হৰিণাৰ নিচিনা চকুজুৰি পকাৰি ক'লে,—"আপোনালোকৰ ঠাই বুলি মই জনা নাছিলো। সেইবাবে মই দুখীত" এইবুলি উঠিব খোজা দেখি শিৱই লাহেকৈ মাত লগালে,—"বহক, ঢেৰ ঠাই আছে; আমিও বহিম। আপোনাৰ লগত গল্প পাতিবলৈ পালে সুখ পাম।"

তাৰ পিছত পৰিচয়। পৰিচয়ৰ পিছত অসঙ্কোচ বাক্যালাপ। ছোৱালীজনীৰ নাম লীলা। তাই শিক্ষিতা, আধুনিক ধৰণ-কৰণৰ। শিৱ আৰু লীলাৰ সেই দিন ধৰি ঘনিষ্ঠতা আৰম্ভ হল। এইদৰে প্ৰায়েই শিৱ আৰু লীলাৰ কথা-বতৰা হয়। সিহঁত দুয়ো লগ হোৱা দেখিলেই ৰবীন ইচ্ছামতে অলপ আঁতৰি যায়—এই ভয়ত জানোচা তাৰ উপস্থিতিয়ে সিহঁতৰ অবাধ গল্পৰ সোঁতত বাধা জন্মায়। শিৱৰ আচাৰ, ব্যৱহাৰ, অঙ্গি-ভঙ্গি আৰু মুখৰ ভাৱত বুজা গ'ল যে সি লীলাৰ প্ৰণয়ত মুগ্ধ।…কিন্তু… সিহঁতৰ মিলন নহল। লীলাই তাক প্ৰত্যাখ্যান কৰিলে। কাৰণ সি আছিল দুখীয়াৰ লৰা। তাতেই তাৰ হিয়া ভাগি যায়! পিছত জনা গ'ল যে লীলাই তাইৰ অপৰূপ সৌন্দৰ্য্য গৰ্ব্বত পূৰ্ব্বেও কেবাজনো তৰুণৰ প্ৰাণত ব্যথা দিছিল। শিৱৰ সেইদিনাৰ ব্যথাহত প্ৰাণ আৰু কলা পৰা মুখখনিৰ কথা ৰবীণৰ মনত পৰি তাৰ মুখখনিও কলা পৰি গৈছিল…। ৰবীন সেইদৰে চিন্তাত সমাধিস্থ হৈ থকাৰ সময়ত উপস্থিত হ'লগৈ তাৰ বায়েক সাধনা।

"কি কৰিছ অকলে অকলে?"

সি চক্ খাই উঠিল; ক'লে—"এনেয়েহে বহি আছোঁ বাইদেউ।"

"অ বুজিছোঁ, কাইলৈ তোৰ হেৰি আহিব নহয়, তাৰেই ধ্যান।" হেৰি মানে ৰবীনৰ ভাবী সম্ভাব্য অৰ্দ্ধাঙ্গিনী। ভদ্ৰ মহিলাৰ জীয়েক।

"মিছামিছিকৈ ঠাট্টা-মস্কৰা। জানতো মই শান্তি প্ৰিয় লৰা। মোক নোজোকাবি।"

বায়েক-ভায়েকৰ মাজত এইদৰেই কিছুপৰ কথা-বতৰা হোৱাৰ পিছত সাধনাই ক'লে,—"তইতো এদিন দেউতাৰ টকা-কড়ি আটাইবোৰ পাবি; মোক তেতিয়া পুহিব লাগিব নহয়—মই হমগৈ তোৰ গলগ্ৰহ।"

"বাইদেউ কিয় এনে কথা কৱ? মোৰ জানো অন্তৰ নাই? এনেকৈ যে আঘাত দিয়? আজিৰপৰা কেতিয়াও তেনে কথা নকবি। মই সঁচাকৈ আজি বুকুত হাত থৈ শপত খাই কৈছোঁ মই তোক কুৰি হাজাৰ টকা দি দিম।"

"পালেহে দিবি। যদি নেপাৱ? তেতিয়া একা!"

"মই দিম বুলিছোঁ দিমেই। মই প্ৰতিজ্ঞা কৰিছোঁ, এদিন দিম।"

কোনে জানিছিল সি যে ত্যাজ্য পুত্ৰ হ'ব?

পিছ দিনা। পূৰ্ব্বে কোৱা সেই ভদ্ৰমহিলা আৰু তেখেতৰ জীয়েক আহিল। সাধনাই আদৰেৰে তেওঁলোকক আগবঢ়াই আনিলে। কিন্তু ই কি! ৰবীনে দেখিলে যে সেই ভদ্ৰমহিলা গৰাকীৰ ছোৱালীজনী

আন কোনো নহয়—নীলা ! সেই নীলা ! যাৰ মানত হিয়াৰ মূল্য নিচেই সামান্য ! * * *

ৰবীন নিৰুদ্দেশ। * * * স্বেচ্ছাই সি ত্যাজ্য পুত্ৰৰ ভাগ্য বৰণ কৰি ল'লে।

......এই ঘটনাৰ পিছত কেইবাটাও বসন্ত ঋতু আহিল আৰু গ'ল। বুঢ়া অভয়েন্দ্ৰই অযোগ্য আৰু অবাধ্য পুতেকৰ স্পৰ্দ্ধা দেখি তাক নিবিচাৰিলে। সি যি নিৰুদ্দেশ নিৰুদ্দেশেই। বুঢ়ায়ো ইতিমধ্যে সম্পত্তিৰ মূল্য বুজুৱা ধামলৈ গতি কৰিলে। সাধনাই বুঢ়াৰ একমাত্ৰ উত্তৰাধিকাৰীনী।

......ইপিনে ৰবীনৰ ইছোৱা জীৱনৰ দিনবোৰ দুখময় হ'ল। সি ঘৰৰপৰা ওলাই গৈ কলিকতাত তাৰ চিত্ৰকৰ বন্ধু শিৱৰ ঘৰতে উঠিলগৈ। বহুতদিনৰ পিছত দুই বন্ধু লগ খালে। ৰবীনে কিন্তু চাকৰি বিচাৰিও কতো নাপালে। কিন্তু মাজে মাজে মাহেকীয়া, সাপ্তাহিক আদি কাকতবোৰত লিখি মাহেকত কেতিয়াবা ৪০৲ টকা কেতিয়াবা ৫০৲ টকা পায় আৰু কেতিয়াবা একেবাৰেই নাপায়। তাৰ গল্প প্ৰবন্ধবোৰ মনোনীত হ'লেহে পাব—নহলে কত পাব ? এইদৰেই তাৰ দিনবোৰ দুখৰ মাজেদি যাবলৈ ধৰিলে। মাজে মাজে সি ভাবে যে সি ঘৰৰপৰা টকা আনিব। আকৌ ভাবে সি যে ত্যাজ্য পুত্ৰ ! দিনৰ পিছত দিন বছৰৰ পিছত বছৰ অনন্তৰ ফালে যাবই লাগিছে। ৰবীনে কেইবাখনো কিতাপ লিখিছে কিন্তু কোনো প্ৰকাশকে প্ৰকাশ কৰিবলৈ গাত নললে। সৰস্বতী পুজক সি ! লক্ষ্মী কিয় সন্তুষ্ট হ'ব ! দেহি ! ভাগ্য দেৱীয়ে এদিনলৈকো কৃপা কটাক্ষপাত নকৰিবনে ?...এদিন কিন্তু কৰিলে। তাৰ প্ৰতি ভাগ্যদেৱী সন্তুষ্ট হল। "বৃহত্তৰ অসম কোম্পানী"য়ে তাৰ আটাইবোৰ গ্ৰন্থ প্ৰকাশ কৰিবলৈ গাত ল'লে। বৰ ডাঙৰ ডাঙৰ সমালোচকে ৰবীনৰ প্ৰতিভাৰ কথা জগতক জনাবলৈ অগ্ৰসৰ হ'ল। দেশ-বিদেশৰ পৰা চিঠি-পত্ৰ তালৈ আহিবলৈ ধৰিলে। ...কিন্তু বৰ পলম হ'ল !...এদিন চিৰ অতৃপ্ত ৰবীন বৰুৱা "জিনজিনিয়া"ৰ অনুগ্ৰহত চিৰ তৃপ্তিৰ ধামলৈ গুচি গ'ল।

* * * আন এটি দৃশ্য। এদিন ৰাতিপুৱা সোণালী সূৰুযৰ পোহৰে জগত পোহৰাই পেলোৱাৰ লগে লগে সাধনাই টোপনিৰপৰা সাৰ পাই শুনিলে তাইৰ ধন থোৱা বেঙ্ক দেউলীয়া হৈছে ! বেঙ্ক দেউলীয়া হোৱা মানে তাইৰ মান-গৌৰৱ ভৱিষ্যত সকলো চূৰ্ণ হোৱা। আজি তাই সঁচাকৈয়ে দুখীয়া। অদূৰ ভৱিষ্যতত যি অন্ধকাৰে তাইক গ্ৰাসিবলৈ খেদি আহিছে তাক দেখি তাই আতঙ্কত বিহ্বলা।

ইমান দিনে তাই ৰবীনৰ বিষয়ে একো ভবা নাছিল। সুখৰ দিনত আপোন কালৈকো মনত পৰা নাছিল। কিন্তু আজি তাইৰ সম্ভৱতঃ ভিকহু ভায়েক ৰবীনৰ কাৰণে তাইৰ হিয়া সমবেদনাৰে ভৰি উঠিছে। দেহি ! লৰাটোৱে ছাগৈ কিমান দুখ পাইছে ! অতদিনে পইচা এটিকে তালৈ পঠিওৱা নাই নহয়। এতিয়াও সময় আছে তাই ভাবে ঘৰটো বেচি হলেও তাৰ নামত টকা পঠিয়াব। কিন্তু ঠিকনা যে নাজানে ! নাই, বাতৰি কাকত বিলাকৰ যোগেদি অনুনয়-বিনয় কৰি তাইৰ অভিমানী ভাইটিক মাতি আনিব।......তাইৰ মনত পৰিছে এদিন ৰবীনে প্ৰতিজ্ঞা কৰিছিল সি কুৰি হেজাৰ টকা তাইক তাৰ সম্ভাব্য দুখুনী বাইদেউৰেকক দিব। কিন্তু আজি ? সি যে ত্যাজ্য পুত্ৰ।

এনে সময়তে সাধনাই এদিন "সোণৰ অসম" বাতৰি কাকতত দেখিলে—

জাননী

ৰবীন বৰুৱা নামেৰে এজন তৰুণ সাহিত্যিকৰ হাতে লিখা সমুদায় গ্ৰন্থ আমি প্ৰকাশ কৰিছোঁ; কিন্তু অতি দুখৰ বিষয় অসমৰ এই আনৰ অজ্ঞাত, অৱহেলিত অথচ কৃতী সন্তান আজি আৰু এই সংসাৰত নাই। তেখেতৰ অন্তিম কালৰ ইচ্ছামতে তেখেতৰ প্ৰাপ্য ত্ৰিশ হাজাৰ টকাৰপৰা দহ হাজাৰ টকা অসমৰ প্ৰসিদ্ধ বা অপ্ৰসিদ্ধ লিখকসকলৰ হাতে লিখা কিতাপ আদি প্ৰকাশৰ বাবে আচুটীয়াকৈ ৰখা হৈছে। বাকী কুৰি হাজাৰ টকা তেখেতৰ পৰম পূজনীয়া বাই-দেউৰেক শ্ৰীযুতা সাধনা বৰুৱাক দিয়া হ'ব। উক্ত শ্ৰীযুতাই অনতিপলমে প্ৰমাণ সহ আমালৈ লিখক। আমি আগ্ৰহেৰে তেখেতক টকা দিবলৈ সাজু আছোঁ।

| | |
|---|---|
| —নং ৰো<br>পোলক গ্যালী<br>কলিকতা | প্ৰপ্ৰাইটৰ্চ বৰ্ড<br>বৃহত্তৰ অসম লিমিটেড |

* * * *

......ৰবীনে তেন্তে তাৰ প্ৰতিজ্ঞা পালন কৰিলে।

# খোজ কাঢ়ি পৰ্ব্বতত হাতী বিচাৰি

— শ্ৰীযুত তৰুণৰাম ফুকন বাৰ-এট-ল

হঠাতে খবৰ পালোঁ দীপৰত হাতী নামিছে। দীপৰ এখন ডাঙৰ বিল—গুৱাহাটীৰ পশ্চিমে ৯ মাইলমান দূৰত।

খবৰ পায়েই অলপ বয়-বস্তু লৈ মটৰেৰে যাত্ৰা কৰিলোঁ —৪মান বজাত।

সদৰ আলি এৰি গাৱঁলীয়া বাটেৰে কোনোমতে বিলৰ পাৰ পালোহি। নাৱেৰে বিল পাৰহৈ 'কেম্প' পাওঁতে সাঁজ লাগিল। জানিলোঁ বিলত হাতী নমা নাই।

স্থানীয় চিকাৰী বলবাহাদুৰৰ লগত পৰামৰ্শ কৰি ৰাতি হাতী নোজোকাই পুৱাতে পৰ্ব্বতলৈ বিচাৰি যোৱাকে ঠিক কৰিলোঁ আৰু সেইমতে কাউৰীয়ে কা নৌ কৰোঁতেই বলবাহাদুৰক পঠিয়ালোঁ খবৰ কৰিবলৈ।

এঘাৰমান বজাত উভতি আহি খবৰ দিলে হাতী লগ পোৱা বুলি ৪ মাইলমান দূৰত পৰ্ব্বতৰ ওপৰত।

কিন্তু খবৰ দিয়াৰ লগে লগে ক'লে যে বাট অতি দুৰ্গম—নাই বুলিলেই হয়। হাবি ভাঙি বাট উলিয়াই যাব লাগিব ; হাতীয়ে খেদিলে পলোৱা টান ইত্যাদি ইত্যাদি কথা কৈ মই পৰ্ব্বতলৈ হাতী বিচাৰি যোৱাত উৎসাহ দিয়া দেখা নগ'ল। এবেলি ভাবিলোঁ পৰ্ব্বতলৈ যোৱাৰ আশা এৰি দি ৰাতি বিলতে 'টৰ্চ' দি কিবা কৰিব পাৰিনে চাওঁ ; আকৌ ভাবিলোঁ বিলত হাতে-হাতে লগ পোৱা টান দূৰৈৰপৰা গুলিয়াই হাতী মৰা সম্ভৱ হ'ব পাৰে কিন্তু ঠাইতে বগৰাব নোৱাৰিলে হাতী বিচাৰি পোৱা টান। হাতী মৰাৰ লোভ সামৰিব নোৱাৰি শেহত যোৱাকে ঠিক কৰিলোঁ। দুপৰীয়া ১২ মান বজাত বলবাহাদুৰ, মাধৱ এজন মিকিৰ আৰু মই দুৰ্গা শ্ৰীহৰি বুলি খোজ ল'লোঁ। দুপৰীয়া ৰদত চাৰি মাইল খোজ কাঢ়ি গোৰোৱাইদি ঘাম বৈ গ'ল। তাৰ পিছত পৰ্ব্বতৰ পিনে বাট দেখুৱালে আমিও চিকাৰীৰ পাছ ল'লোঁ। খিয়া পৰ্ব্বত, বাট নাই ; বাঁহ আৰু বেতৰ মাজেদি বাট উলিয়াই যাব লাগে। তদুপৰি বাঁহৰ শুকান পাত পৰি ঠাই অতি পিছল হৈ আছিল, এঠাইত খোজ দিলে ছিটিকি আন ঠাইত পৰে গৈ।

মৰণত শৰণ দি ডণ্ডি ধৰি লাহে লাহে পৰ্ব্বত বগাবলৈ ধৰিলোঁ। মাজে মাজে বৈ বৈ হাতীয়ে বাঁহ ভঙা শব্দলৈ কাণ কৰিব লগীয়া হৈছিল।

এইদৰে ডুমাইলমান যোৱাৰ পিছত মটৰকৰে বাঁহ ভঙাৰ শব্দ শুনিলোঁ। আমি যোৱা বাটেই হাতী অহা উমান পাই ঠাইতে গছৰ আঁৰ'লৈ থাপ ল'লোঁ। দুই মিনিটমান যোৱাৰ পিছতে ৫ হাতমান দূৰত এটা হাতী দেখিলোঁ। আকাৰ হে দেখিলোঁ প্ৰকাৰ দেখা নাপালোঁ। মৰাৰ ঠিক কৰি কপাল কুম আদি আচল মৰাৰ ঠাই বিচাৰোতেই দেখিলো নিপোটল লোদোৰ-পোদোৰ পোৱালী হাতী এটা ; দেখি তাতেই টাপ্ মাৰি ৰ'লোঁ। কিন্তু পোৱালীৰ পাছতেই ডাঙৰ মাকজনীক দেখি বুকু চিৰিং কৈ গ'ল। অতি সাৱধানে চুচৰি আঁতৰ হৈ বাট এৰি দিলোঁ। মাকে পোৱালীয়ে আমাক ওচৰতে দেখিও আমালৈ আওকাণ কৰি যাবলৈ ধৰিলে। এপন্তক পিছতে দেখিলোঁ আমি থকা ঠাইত চাৰিউপিনে সৰুৰে-ডাঙৰে, মাইকী পোৱালীয়ে১৫টামান হাতী—আমি মাজতে পৰিলোঁ। খেদি নামাৰিলেও গছকাত প্ৰাণ যাব এই আশঙ্কাতে গা কঁপিবলৈ ধৰিলে ; ইষ্ট দেৱতাৰ নাম স্মৰণ কৰি বওৱাবাই কোনোমতে এজোপা ডাঙৰ কাকবাইৰ ভিতৰত সোমালো গৈ। সম্ভৱতঃ আমাক দেখা নাপালে আৰু দেখিছিল যদিও নিঃশঙ্কমনে আমাক আওকাণ কৰি ওপৰৰ সমান

ঠাইলৈ গ'ল আমাৰো কণ্ঠত ধাতু আহিল। লাহে লাহে ৰাহৰ মাজৰপৰা ওলাই হাতী কেনি গল চাবৰ মনেৰে আমিও ওপৰলৈ গ'লোঁ। দেখিলো হস্তী পৰিবাৰে সমান ঠাইত উঠি জিৰণি লৈছে। গণি চালোঁ—তিনিজনী মাক বাকী ১৪টা পোৱালী। আকৌ ফটো লবৰ কথা মনত পৰিল। দস্তাল বা মখনা লগত নাছিল।

চিকাৰীয়ে ক'লে দস্তালটো লগত নাথাকে ; এমাইল মান আঁতৰে আঁতৰে ফুৰে, কিন্তু পাছ নেৰে। দন্তাল অহাৰ আশাতে পুনৰ থাপ ল'লো।

মানুহ যি দৰে সবাৰো শত্রু মানুহৰো শত্রুৰ অন্ত নাই। সময় আৰু সুবিধা পাই বিহ পৰুৱা, মহ (একোটা কপৌ চৰাইৰ সমান) ডাহ সকলোৱে শত্রু শালিবলৈ ধৰিলে। কামোৰত সৰ্ব্বশৰীৰ দমলা-দমল দিলে। কাঁইটৰ আছোৰত ৰঙালী বিহুৰ বিহুৱান গাৰ যেনেকৈ ৰাঙলী কৰিলে। কিন্তু আশাৰ অন্ত নাই। দন্তালৰ ছবিটিয়ে পৃথিবীৰ আন চিন্তা দূৰ কৰি দুখ ভাগৰ পাহৰাই ৰাখিলে। বেলি মাৰ যোৱালৈকে দন্তালৰ ৰূপ ধ্যান কৰি অন্যমনা হৈ থাপ ল'লো—দন্তালে সৎসঙ্গ বিচাৰি আন কেনিবা গ'ল। দুখে ভাগৰে সাজে-সন্ধ্যায় কেম্প পালোহি। বাটে বাটে পুনৰ সংকল্প কৰিলোঁ দন্তাল ককাইক বিচাৰি উলিয়াবয়ে লাগিব, লগ ধৰি প্ৰীতি-সম্ভাষণ জনাবই লাগিব—এনেতে শ্ৰীযুত চন্দ্ৰকমল বেজবৰুৱা ডাঙৰীয়াৰ ডাক পৰিল টেলিগ্ৰাফেৰে যোৰহাট কছাৰীত চিকাৰ ওলোৱা বুলি। খবৰ পায়েই পুনৰ দুৰ্গা শ্ৰীহৰি বুলি যাত্ৰা কৰিলো যোৰহাটলৈ। সঁচাকৈ ক'বলৈ হ'লে আজি পাঁচ দিনে ছব-জন্ত ছাহাবৰ মুখলৈ চাই চাওঁ দন্তালৰ শোভন সুন্দৰ দিব্য মূৰ্ত্তি মনৰপৰা আঁতৰাব পৰা নাই—ইয়াকেই সম্ভৱতঃ বোলে মায়া বা মোহ।

———

# ভোমোৰা ! নাযাবি কাষলৈ তই

কবিতা ] —এম্ ইক্ৰামআলি হাজৰিকা

—ভোমোৰা ! নাযাবি কাষলৈ তই
ফুলো ফুলো কৰি সুফুলা কলিটি,
আজি, ফুলিব খুজিছে অই,
ভোমোৰা ! নাযাবি কাষলৈ তই।
চেনেহৰে চুমা নালাগে যাচিব,
মনে সঁচা কথা নালাগে পাতিব,
তোৰ, মু'খনি মু'খতে থই,
ভোমোৰা ! নাযাবি কাষলৈ তই।
অতি আলসুৱা ফুল কুমলীয়া,
উৰু উৰু কৰে ৰেণু উৰণীয়া,
লাজতে মৰহি যায় ঐ,
ভোমোৰা ! নাযাবি কাষলৈ তই।
সুন্দৰী সুধাৰে বুকু ভৰা নাই,
মিচিকি হাঁহিৰে ওঠ কঁপা নাই,
আজিও ঢোপা কলিটি অই,
ভোমোৰা ! নাযাবি কাষলৈ তই।
আবেগে বলিয়া লাগিলে কৰিব,
আধা ফুটা কলি মৰহি পৰিব,
অকালে আহৰি হব ঐ,
ভোমোৰা ! নাযাবি কাষলৈ তই।

———

# পণ্ডিত জৱাহৰলাল নেহৰু

—শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱা

## আগকথা

ভাৰতৰ যি সকল ৰাজনীতিবিদ মনীষীয়ে ৰাজনৈতিক আকাশ শোভা কৰি ভোটা তৰাৰ দৰে ট-ট কৈ জিলিকি আছে সেইসকলৰ ভিতৰত পণ্ডিত জৱাহৰলাল নেহৰুও অন্যতম শীৰ্ষস্থানীয়। পণ্ডিত জৱাহৰলাল নেহৰু ১৮৮৯ চনত এলাহাবাদত জন্মগ্ৰহণ কৰে। তেওঁ পিতাক পণ্ডিত মতিলাল নেহৰুৰ একমাত্ৰ পুতেক। গতিকে এনেয়ে বুজিব পৰা যায় যে তেওঁ পণ্ডিত মতিলাল নেহৰুৰ নিচিনা ঐশ্বৰ্য্যশালী পুৰুষৰ ঘৰত কিমান ঐশ্বৰ্য্য-বিভূতি আৰু আদৰ-সাদৰৰ মাজত প্ৰতিপালিত হৈ ডাঙৰ দীঘল হৈছিল। তেওঁৰ প্ৰথমছোৱা লৰাকাল বৰ্ত্তমান ভাৰতৰ সৰ্ব্বশ্ৰেষ্ঠ লোকসকলৰ সঙ্গতেই প্ৰায় কাটি গৈছিল আৰু পিছৰ দ্বিতীয়াৰ্দ্ধ সুদূৰ বিলাতত থাকি অন্য মেধাবী ছাত্ৰৰ দৰে বিদ্যাশিক্ষা কৰি থাকোতেই কাটি যায়। বিলাতত তেওঁ ৰজা মহাৰজা আদি অভিজাত বংশৰ লৰা-ছোৱালীৰ বিদ্যালয় হেৰ'ত শিক্ষালাভ কৰিছিল। হেৰ'ত তেওঁ কিছুমান দিন বিদ্যাশিক্ষা লাভ কৰি ত্ৰিনিতি কলেজত ভৰ্ত্তি হয়। তেওঁ কলেজত পঢ়ি থাকোতে লগতে বাৰিষ্টৰীও পঢ়ি থাকি ১৯১২ চনত সুখ্যাতিৰে বাৰিষ্টাৰী পাছ কৰে ; আৰু সেই বছৰতে ভাৰতলৈ উলটি আহে। ইয়াৰ কিছুদিনৰ পিছত তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা এম-এ ডিগ্ৰীও লাভ কৰে। ১৯২৬ চনত তেওঁ বিশিষ্ট অভিজাত বংশৰ কুমাৰী কমলা কাউলক বিয়া কৰায়। কিন্তু আচৰিত কথা পণ্ডিত মতিলাল নেহৰুৰ নিচিনা সম্ভ্ৰান্ত, শিক্ষিত আৰু ধনী পিতাৰ একমাত্ৰ পুত্ৰ জৱাহৰলালে জীৱনৰ সকলো সুখ-সম্ভোগ পৰিত্যাগ কৰি অসহযোগ আন্দোলনত আত্মনিয়োগ কৰিলে।

পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিন ধৰি ১৯২০ চনলৈকে সুদীৰ্ঘ এই ত্ৰিশ বছৰকাল তেওঁ জগতত নালাগে ভাৰতৰ জনসাধাৰণৰ চকুতে পৰা নাছিল। তেওঁ ভাৰতৰ তথা জগতবাসীৰ চকুৰ দৃষ্টিত পৰে ১৯২০ চনৰ অসহযোগ আন্দোলনপৰা। সুদীৰ্ঘ দিন ৰাজনীতি চৰ্চ্চাৰ পিছত যি সকল ৰাজনীতিবিদ লোক আজি দেশনায়কৰ গাদীত অধিষ্ঠিত হ'বৰ সামৰ্থ্য লাভ কৰিছে সেইসকল মীনষীতকৈ পণ্ডিত জৱাহৰলাল নেহৰু প্ৰবীনতম নহলেও শীৰ্ষস্থান দিব পাৰি।

## ৰাজনীতি চৰ্চ্চা

পণ্ডিত জৱাহৰলাল নেহৰু যেতিয়া ইংলণ্ডত ছাত্ৰ অৱস্থাত আছিল তেতিয়াৰপৰাই তেওঁ কিছু ৰাজনীতি চৰ্চ্চা কৰিবলৈ শিকিছিল, কিন্তু সেই সময়ত তেওঁৰ সেই ৰাজনীতি চৰ্চ্চাত জৱাহৰলালৰ নিচিনা উৎসাহী ছাত্ৰৰ উৎসাহৰ বাহিৰে বিশেষ একো ৰাজনৈতিক মতবাদ সন্নিহিত নাছিল। কিন্তু ১৯০৭ চনৰ ভাৰতৰ নতুন জাতীয়তাবাদৰ ফালে তেওঁ বিশেষ আকৃষ্ট হয়। পণ্ডিত জৱাহৰলালজীৰ মনত বাল গঙ্গাধৰ তিলক, লালা লাজপত ৰায় আৰু শ্ৰীযুত বিপিনচন্দ্ৰ পাল আদি স্বৰ্গীয় আৰু বৰ্ত্তমান জীৱিত মনীষীসকলৰ সৌজন্যতে ৰাজনীতিৰ অঙ্কুৰ আগতকৈ পৰিস্ফুত হৈ উঠে আৰু ১৯:২ চনত তেওঁ ইংলণ্ডৰপৰা ভাৰতলৈ ঘূৰি অহাৰ পিছৰপৰা ৰাজনীতি ক্ষেত্ৰত বিশেষভাৱে লিপ্ত হয়। পণ্ডিত জৱাহৰলালজীৰ পিতাক পণ্ডিত মতিলাল নেহৰু এজন বিখ্যাত আইন ব্যৱসায়ী লোক আছিল। গতিকে জৱাহৰলালজীৰ নিচিনা এজন উৎসাহী উদীয়মান তৰুণ বাৰিষ্টাৰৰ কাৰণে আইন ব্যৱসায়ত প্ৰতিপত্তি আৰু সুপ্ৰতিষ্ঠা লাভ কৰা একো দুষ্কৰকাৰ্য্য নহলহেঁতেন। কিন্তু স্বাধীনচিতীয়া জৱাহৰ

লালজীয়ে তালৈ অলপো মন নেমেলি জনহিতকৰ আৰু দেশসেৱা ব্ৰতত ব্ৰতী হ'বলৈ মনস্থ কৰিলে। ১৯১৪ চনত মিঃ গোখেলে জনহিতকৰ কাৰ্য্যৰ নিমিত্তে কিছু আৰ্থিক সাহায্য বিচাৰি তেওঁলৈ অনুৰোধ কৰি পঠায়। জৱাহৰলালেও তেওঁৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ৪০,০০০৲ টকা তুলি দি তেওঁক সাহায্য দিয়ে। ১৯১৭ চনত শ্ৰীযুতা বেছাণ্টে হ'মৰুল আন্দোলন চলায়। পণ্ডিত জৱাহৰলাল নেহৰুৱে উক্ত আন্দোলনত সম্পূৰ্ণ যোগদান কৰে আৰু সেই আন্দোলনৰ সম্পাদকৰ পদ গ্ৰহণ কৰে। ১৯১৯ চনত পণ্ডিত জৱাহৰলালজীয়ে এলাহাবাদৰপৰা "ইনডিপেণ্ডেণ্ট" (Independent) নামেৰে এখন দিনীয়া ইংৰাজী বাতৰি কাকত উলিয়ায়। তেওঁ উক্ত কাকতৰ



পণ্ডিত জৱাহৰলাল নেহৰুৰ পিতৃ স্বৰ্গীয় পণ্ডিত মতিলাল নেহৰু

ডিৰেক্টৰসকলৰ অন্যতম আছিল আৰু তাত সদায় নিয়মিতৰূপে লিখিছিল। সেই সময়ত পঞ্জাৱত জালিয়ানৱালাবাগৰ দুৰ্ঘটনা ঘটে। সামৰিক আইনৰ সময় পাৰহৈ গ'লেও তেওঁ পঞ্জাৱলৈ যাত্ৰা আৰম্ভ কৰিলে আৰু কংগ্ৰেছৰ দ্বাৰা নিযুক্ত হোৱা তদন্ত কমিটিত যোগদান কৰে। ইয়াৰ সমসাময়িক সময়তে অযোধ্যাৰ কৃষক আন্দোলন হয়। অযোধ্যাৰ প্ৰজাস্বত্ব আইনৰ যি নতুন আমূল পৰিৱৰ্ত্তন হৈছিল তাৰ মূলেই এই আন্দোলনৰ ঘাই কাৰণ আছিল। ১৯২০ চনত মুচৌৰিত আফগান প্ৰতিনিধিসকলে ভাৰত গৱৰ্ণমেণ্টৰ সৈতে শান্তিস্থাপনৰ প্ৰচেষ্টাৰ আলোচনাৰ কাৰণে তালৈ গৈছিল। সেই কাৰণে জৱাহৰলালজী যাতে মুচৌৰিলৈ যাব আৰু আফগান প্ৰতিনিধিসকলৰ লগত কোনো আলোচনা-বিলোচনা কৰিব নোৱাৰে তাৰ কাৰণে তেওঁৰ ওপৰত আদেশ জাৰি কৰা আৰু তাৰ বাবে প্ৰতিশ্ৰুতিও বিচৰা হ'ল। কিন্তু তেওঁ প্ৰতিশ্ৰুতি দিবলৈ সন্মত নোহোৱাত তেওঁক তাৰ পৰা দূৰ কৰিব্লৈ আদেশ কৰা হয়, কিন্তু কিছুদিনৰ পিছত তেওঁৰ ওপৰত কৰা সেই আদেশ প্ৰত্যাহাৰ কৰিলে।

## ফাটকিয়াল জীৱন

১৯১২ চনৰপৰা ১৯২০ চনলৈকে পণ্ডিত জৱাহৰলালজীয়ে এইদৰে নীৰৱে ৰাজনীতি চৰ্চ্চা কৰিয়েই কটাইছিল। কিন্তু ১৯২০ চনৰপৰা তেওঁৰ ৰাজনীতিৰ ক্ষেত্ৰত কৰ্ত্তব্যৰ আহ্বান পৰিল। পণ্ডিত জৱাহৰলালজীৰ ১৯২০ চনৰপৰা প্ৰায় অধিক সময় ফাটকতেই কাটি গৈছে। বাহিৰত মুকলি হৈ থাকিবৰ অলপো সুবিধা প্ৰায় ঘটাই নাই। ১৯২১ চনৰ ডিচেম্বৰ মাহত তেওঁৰ ছমাহৰ কাৰণে ফাটক হয়; কিন্তু তিনি মাহৰ পিছত তেওঁক মুকলি কৰি দিয়া হ'ল—যদিও কেই সপ্তাহমানৰ পিছতে আকৌ এবছৰ ন-মাহৰ কাৰণে ফাটক হয়। ইয়াৰ ন-মাহৰ পিছত তেওঁ মুক্তি লাভ কৰে। কিন্তু ১৯২৭ চনত অকাল-দুৰ্ভিক্ষত প্ৰপীড়িত শিখবিলাকৰ প্ৰতি গৱৰ্ণমেণ্টে কেনে ব্যৱহাৰ কৰিছে তাক চাবৰ নিমিত্তে জাভা ৰাজ্যলৈ যোৱাত আদেশ অমান্য কৰাৰ অভিযোগত অভিযুক্ত কৰি ছ-মাহ আৰু ষৰযন্ত্ৰৰ অভিযোগত দুবছৰৰ কাৰণে ফাটকত দিয়ে। অৱশ্যে কিছুদিন ফাটক খটাৰ পিছতেই তেওঁক মুকলি কৰি দিয়া হয়। ১৯৩০ চনৰ এপ্ৰিল মাহত লোন-আইন অমান্য আন্দোলনত তেওঁৰ কিছুদিনৰ কাৰণে ফাটক হয় আৰু ১৯৩১ চনৰ জানুৱাৰি মাহত মুক্তি লাভ কৰে। আইন অমান্য আন্দোলনত ১৯৩২ চনত আকৌ তেওঁৰ ফাটক হয়, কিন্তু ১৯৩৪ চনত মুক্তি লাভ কৰে। এইবাৰ মুক্তি লাভ হোৱাৰ কিছুদিনৰ পিছত তেওঁ কলিকতালৈ আহে আৰু কলিকতাৰ এলবাৰ্ট হলৰ ভৰপূৰ জনতাৰ মাজত বক্তৃতা দিওঁতে ৰাজদ্ৰোহ



প্ৰচাৰ কৰা হৈছে বুলি কলিকতাৰ চিফ প্ৰেছিডেন্সি মেজিষ্ট্ৰেটে তেওঁক দুবছৰৰ কাৰণে ফাটকৰ আদেশ কৰে। ইতিমধ্যে পণ্ডিত জৱাহৰলাল নেহৰুৰ সুযোগ্যা পত্নী শ্ৰীযুতা কমলা নেহৰুৰ অসুখ হোৱাত ১৯৩৪ চনৰ ১০ আগষ্ট তাৰিখে মাত্ৰ দুদিনৰ নিমিত্তে গৱৰ্ণমেণ্টে মুকলি কৰি দিয়ে। কিন্তু শ্ৰীযুতা নেহৰুৰ ভাৰতত আৰোগ্য হোৱাৰ সম্ভাৱনা নেদেখাত জাৰ্ম্মেনিলৈ যাব লগা হোৱাত আৰু তাত তেওঁৰ অসুখ ক্ৰমাৎ বাঢ়ি যোৱাৰ কাৰণে তেওঁৰ ফাটেকৰ দিন শেষ হোৱা নাছিল যদিও, ভাৰত গৱৰ্ণমেণ্টে তেওঁক তেওঁৰ পত্নীৰ ওচৰলৈ যাবলৈ মুকলি কৰি দিয়ে। কাজেই এইবিলাক বাধা-বাধকতাৰ বাবে ফাটকৰ বাহিৰে তেওঁৰ মুকলিত সুস্থিৰে উশাহ নিশাহ লবলৈও ক্ষন্তেক সময় নাই বুলি কলেও অত্যুক্তি নহয়।

## ৰাজনৈতিক মতবাদ

এবাৰ ইংলণ্ডত পণ্ডিত জৱাহৰলালজীক প্ৰশ্ন কৰা হৈছিল—তেওঁ গান্ধীৰ শিষ্য নে কি? উত্তৰত পণ্ডিত জৱাহৰলালজীয়ে ক'লে,—"ৰাজনীতিত মই নিশ্চয় মহাত্মা গান্ধীৰ শিষ্য। কিন্তু সেই বুলি ধৰ্ম্মত নহয়, যেহেতু মোৰ কোনো ধৰ্ম্মতেই বিশ্বাস নাই। জগৎ বৰেণ্য মহাত্মা গান্ধীৰ অনুপ্ৰেৰণাতে যে ভাৰতৰ জাতীয় আন্দোলন পণ্ডিত জৱাহৰলালে জীৱনৰ ব্ৰত হিচাবে গ্ৰহণ কৰিছিল তাত বিশেষ একো সন্দেহৰ কথা নাই। ১৯২০ চনৰ কলিকতাৰ অধিবেশনত অসহযোগ আন্দোলন প্ৰৱৰ্ত্তন হোৱাৰপৰাই পণ্ডিত জৱাহৰলালজী কংগ্ৰেছৰ লগত বিশেষভাৱে জড়িত হয়। ১৯২৩ চনত তেওঁ ভাৰতীয় কংগ্ৰেছৰ জেনেৰেল চেক্ৰেটৰী নিযুক্ত হয়। তেতিয়ালৈকে তেওঁৰ ৰাজনৈতিক মতামত বৰ সুথিল হোৱা নাছিল আৰু সেই পৰ্য্যন্ত মহাত্মা গান্ধীৰ ৰাজনৈতিক মতবাদৰ লগত তেওঁৰ মতামতৰ বিশেষ মিল আছিল বুলি কব পাৰি। কিন্তু ১৯২৬-২৭ চনৰ তেওঁৰ য়ুৰোপ ভ্ৰমণৰ ফলত তেওঁৰ ৰাজনৈতিক মতবাদৰ বিশেষ পৰিৱৰ্ত্তন হয়। তেওঁ য়ুৰোপত থকা সময়ত ছোভিয়েট সাধাৰণ তন্ত্ৰৰ দশম বছেৰেকীয়া অধিবেশন ১৯২৭ চনৰ নৱেম্বৰ মাহত হয়। এই অধিবেশনত যোগদান দিবৰ কাৰণে তেওঁ মস্কো চহৰলৈ যায়। ইংলণ্ডৰপৰা তেওঁ ভাৰতলৈ প্ৰত্যাৱৰ্ত্তন কৰাৰ পিছত ১৯২৮ চনত ৰাছিয়াৰ অৰ্থনীতি আৰু ৰাজনীতি ব্যৱস্থা সম্পৰ্কে এখন কিতাপ লিখে আৰু সেই সময়তেই তেওঁৰ ৰাজনৈতিক-মতামতৰ পৰিৱৰ্ত্তন ঘটিবলৈ আৰম্ভ হয়। তাৰ উদাহৰণ স্বৰূপে ১৯২৮ চনৰ কংগ্ৰেছ অধিবেশনত তেওঁ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ তুলি ধৰাটোকেই উল্লেখ কৰিব পাৰি। ইয়াৰ পিছৰ বছৰত তেওঁৰে সভাপতিত্বত বহা কংগ্ৰেছৰ লাহোৰ অধিবেশনত উক্ত স্বাধীনতা প্ৰস্তাৱ সৰ্ব্ব-সন্মতিক্ৰমে গৃহীত হয়। কংগ্ৰেছৰ লগে লগে তেওঁ সমাজতন্ত্ৰৰ ফালেও ঢাল লৈ বিশেষভাৱে মনোযোগ দি কাম কৰিছিল। ১৯৩০ চনত কংগ্ৰেছৰ কৰাচী অধিবেশনত প্ৰধানকৈ তেওঁৰ অনুপ্ৰেৰণাতেই কংগ্ৰেছৰ মূল অধিকাৰ দাবিৰ প্ৰস্তাৱ গৃহীত হয়। সেই সময়ত সমাজতন্ত্ৰবাদ নীতি দেশত ক্ৰমশঃ বিয়পিবলৈ ধৰিছিল। ১৯৩৪ চনত পণ্ডিত জৱাহৰলালজী ফাটকৰপৰা ওলাই আহি "ভাৰত কোন পথত?" শিতান দি কেইটামান মৌলিক প্ৰবন্ধ লিখে আৰু ইয়াৰপৰাই সমাজতন্ত্ৰবাদীৰ কৰ্ম্ম আৰু চিন্তা শক্তিৰ ধাৰা চাৰিউফালে বিশেষভাৱে প্ৰচাৰিত হয়। ১৯৩৪ চনৰ ফেব্ৰুৱাৰি মাহত বোম্বাইত সোতৰ জন সমাজতন্ত্ৰী গোটখাই এখন সমাজতান্ত্ৰিক কাৰ্য্য পদ্ধতি প্ৰকাশ কৰে। পণ্ডিত জৱাহৰলালজী সেই সময়ত তাত উপস্থিত নাছিল; গতিকে চিঠি লিখি জনায় যে কংগ্ৰেছৰ নীতি আৰু উন্নত কৰিবৰ কাৰণে কংগ্ৰেছৰ মাজত এনে ধৰণৰ একো একোটা সমাজতন্ত্ৰীৰ দল গঠন হোৱা নিতান্ত আৱশ্যক। ১৯৩৪ চনৰ ২১ আৰু ২২ অক্টোবৰ তাৰিখে সমাজতন্ত্ৰী সন্মিলনৰ প্ৰথম বছেৰেকীয়া অধিবেশন হয়। মুঠকথা কবলৈ গ'লে ভাৰতত সমাজতন্ত্ৰী দল গঠনৰ মূলত পণ্ডিত জৱাহৰলাল নেহৰুজীয়েই অগ্ৰগণ্য।

## দেশনেতাৰ আসনত

পণ্ডিত জৱাহৰলালজীৰ শিক্ষা-দীক্ষা, তেওঁৰ ৰীতি-নীতি এই সকলোবিলাক দেশবাসীৰ ওচৰত গোপন হৈ লুকাই নাথাকিল আৰু দেশবাসীৰ চাৰিউফালৰপৰা তেওঁ নেতৃত্ব গ্ৰহণ কৰিবলৈ আহ্বান পৰিল।

আগতে উল্লেখ কৰি অহা হৈছে যে ১৯২৩ চনত তেওঁ কংগ্ৰেছৰ জেনেৰেল ছেক্ৰেটৰীৰ পদ গ্ৰহণ কৰে। ১৯২৮ চনত তেওঁ ঝান্সী ৰাষ্ট্ৰসম্মিলন, পঞ্জাব প্ৰাদেশিক ৰাষ্ট্ৰ সম্মিলন, বোম্বাই প্ৰাদেশিক যুৱক সম্মিলন আৰু কলিকতাত সদৌ বঙ্গ ছাত্ৰ সম্মিলনৰ সভাপতিত্ব কৰে।

১৯২৯ চনত তেওঁ ভাৰতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনৰ সভাপতিত্ব কৰে। উক্ত অধিবেশনত সভাপতিৰ আসনৰপৰা তেওঁ কৈছিল যে পূৰ্ণ স্বাধীনতা লাভ কৰিব নোৱাৰিলে ভাৰতৰ কেতিয়াও উন্নতি নহয় আৰু তাকে কায়মনোবাক্যে পালন কৰি চলিবৰ কাৰণে



পণ্ডিত জৱাহৰলাল নেহৰু, তেখেতৰ সহধৰ্ম্মিনী স্বৰ্গীয়া কমলা নেহৰু আৰু জীয়েক শ্ৰীমতী ইন্দিৰা নেহৰু।

তেওঁ সমগ্ৰ ভাৰতবাসীকে আহ্বান কৰিছিল। লাহোৰ কংগ্ৰেছত সভাপতিত্ব কৰাৰ পৰা আঠ বছৰ পুৰ নৌহওঁতেই সিদিনা লক্ষ্ণৌ অধিবেশনৰ সভাপতিৰ আসনৰপৰা বৰ্ত্তমান দেশ-কাল আৰু পাত্ৰ চাই যিখন সময়োপযোগী অভিভাষণ পাঠ কৰি দেশবাসীৰ কৰ্ত্তব্য আৰু মনোযোগ আকৰ্ষণ কৰিছে—তাকো দেশবাসীয়ে ভালকৈ মনোযোগ দি চাবলগীয়া। পণ্ডিত জৱাহৰলালজীয়ে যি বিলাক সভা-সমিতিত সভাপতিত্ব কৰিছে—তাৰ প্ৰত্যেক খনতে দেশবাসীক স্বদেশ আৰু স্বজাতিৰ উদ্ধাৰ আৰু উন্নতিৰ অৰ্থে আত্মনিয়োগ কৰিবলৈকে বিশেষকৈ অনুৰোধ জনাই আহিছে।

## য়ুৰোপ ভ্ৰমণ

পণ্ডিত জৱাহৰলাল নেহৰুয়ে ৰাজনৈতিক জীৱন আৰম্ভ কৰাৰ পিছত ১৯২৬-২৭ চনত পোনপ্ৰথম য়ুৰোপ ভ্ৰমণ কৰাৰ কথা আগেয়েই উল্লেখ কৰি অহা হৈছে। তেওঁৰ য়ুৰোপ ভ্ৰমণৰ উপৰোক্ত সময়ত হলেণ্ডত সাম্ৰাজ্যবাদ বিৰোধী সঙ্ঘৰ এক অধিবেশনত পৃথিৱীৰ সকলো জাতিৰ প্ৰতিনিধিসকল গোট খাইছিল গৈ। পণ্ডিত জৱাহৰলালজীয়ে ভাৰতৰ পক্ষৰপৰা উপৰোক্ত সঙ্ঘৰ প্ৰতিনিধিত্ব কৰি ভাৰতৰ প্ৰাপ্য দাবিৰ কথা সকলোকে জনায়। সেই সময়ত পণ্ডিত জৱাহৰলালৰ নাম ভাৰতৰ বাহিৰে বিদেশত সিমানকৈ জনাজাত হোৱা নাছিল। কিন্তু তেওঁৰ বাগ্মীতা আৰু উক্ত দৃঢ়তাত সঙ্ঘৰ প্ৰতিনিধিসকল ইমান মুগ্ধ হৈছিল যে তেওঁলোকে উক্ত সাম্ৰাজ্যবাদ বিৰোধী সঙ্ঘৰ সহকাৰী সভাপতিৰ পদেৰে তেওঁক সম্মানিত নকৰি নোৱাৰিলে। য়ুৰোপৰ বাতৰি কাকতবিলাকত জৱাহৰলালৰ সেই সংবাদেই সৰ্ব্বপ্ৰথম প্ৰকাশিত হয়।

পণ্ডিত জৱাহৰলালজী আজি অকল ভাৰততে নহয় তেওঁ এজন জগৎ বৰেণ্য লোক। ১৯৩৫ চনৰ ৩ অক্টোবৰত তেওঁ যেতিয়া বেমাৰী পত্নী স্বৰ্গীয়া কমলা নেহৰুক চাবলৈ গৈছিল তেতিয়া তেওঁ ইংলণ্ডত পোন্ধৰ দিন মাত্ৰ থাকিবৰ সুবিধা ঘটিছিল। কিন্তু ইংলণ্ডত এই পোন্ধৰ দিনৰ ভিতৰতে তেওঁ আশাতীতৰূপে অভ্যৰ্থিত হৈছিল। ইয়াৰপৰাই বুজিবলৈ আৰু কাৰো বাকী নাথাকিব যে তেওঁৰ গুণ-গৰিমা সাত সাগৰ তেৰ নৈ পাৰহৈ সুদূৰ ইংলণ্ডতো প্ৰচাৰ হৈ গৈছে। ইংলণ্ডত তেওঁ অকল ভাৰতীয়সকলৰ দ্বাৰায় যে অভ্যৰ্থিত হৈছিল এনে নহয়— ভাৰতীয়ৰ বাহিৰে ইংলণ্ডৰ বহুত নৰ-নাৰী তেওঁৰ অভ্যৰ্থনাত যোগদান কৰিছিল। তেওঁ ইংলণ্ডত থকা কেইদিনত দিনে তিনি চাৰিটা বক্তৃতা দিবলৈ আহ্বান পৰিছিল। তেওঁ ইংলণ্ডত নবেম্বৰ মাহৰ প্ৰথম



থত আছিল। তাৰ সাধাৰণ নিৰ্ব্বাচন সভাত সাধাৰণতে কম কয় লোক উপস্থিত থাকে; কিন্তু তেনে অৱস্থাতো সেই সময়ত জৱাহৰলালৰ বক্তৃতা শুনিবলৈ ইমান জনতাৰ ভিৰ হৈছিল যে সভাঘৰৰ বাহিৰে ভিতৰে মানুহেৰে ঠাহ খাই পৰিছিল। ইংলণ্ডৰ বাতৰি কাকতবিলাকত তেওঁৰ ৰাজনীতি, সমাজনীতি, তেওঁৰ দ্বাৰা লিখা কিতাপ-পত্ৰাদি আনকি তেওঁৰ সাজ-পোছাক, আকৃতি-প্ৰকৃতি আৰু স্বভাৱ-চৰিত্ৰৰ কথা পৰ্য্যন্ত কাগজ ভৰি ভৰি প্ৰকাশিত হৈছিল। দুই এখন বাতৰি কাকতত তেওঁৰ ব্যঙ্গ ছবিও প্ৰকাশ হৈছিল। পণ্ডিত জৱাহৰলাল নেহৰু সম্পৰ্কে লিখিবলৈ গৈ "নিউজ ক্ৰনিকল" কাগজে লিখিছিল—"তেওঁৰপৰা আমি আমাৰ ভবিষ্যত ৰাজনীতিৰ সন্ধান নোপোৱাকৈও থকা নাই। তেওঁ এজন উপযুক্ত ৰাজনীতিবিদ লোক।" এই একেখন কাগজেই তেওঁৰ লিখিত গ্ৰন্থখন মুছলিনীৰ গ্ৰন্থৰ সৈতে তুলনা কৰি তেওঁকেই শীৰ্ষস্থান দিবলৈ অলপো দ্বিধা বোধ কৰা নাই। ইংলণ্ডৰ মৰ্ণিং প'ষ্টৰ (Morning Post) নিচিনা ৰক্ষণশীল কাগজখনৰ প্ৰতিনিধিয়েও তেওঁক দেখা কৰি পিছদিনা তেওঁৰ বিষয়ে এটা বহল বিবৃত্তি প্ৰকাশ কৰে। সেই বিবৃত্তিত আন কথাৰ মাজত উল্লেখ কৰে যে পণ্ডিত জৱাহৰলালজী অকল ৰাজনীতিজ্ঞ লোকেই নহয় এজন বেছ ৰসীকো।

## মানুহজননো কেনে

পণ্ডিত জৱাহৰলালৰ ধৰণ-কৰণ আৰু মানুহ জননো কেনে বিদৰ এই সম্পৰ্কে বহলাই আলোচনা নকৰি অলপতে মহাত্মা গান্ধীয়ে তেওঁৰ সম্পৰ্কে যি লিখিছিল তাকে তুলি দিলেই যথেষ্ট হ'ব। গান্ধীজীয়ে লিখিছিল,—"জৱাহৰলালৰ প্ৰভাৱৰ লগত ফেৰ মাৰিব পৰা লোক আজিৰ দিনত অতি বিৰল। দেশসেৱাত তেওঁৰ নিচিনা অকৃত্ৰিম দ্বিতীয় লোক কোনো নাই। কোনো কোনোৱে তেওঁক বৰ দুৰন্ত প্ৰকৃতিৰ লোক বুলিও কব খোজে আৰু কয়; কিন্তু হ'লেও বৰ্ত্তমান দেশ কাল পাত্ৰ চাই সি এটা সজ গুণৰ বাহিৰে একো বেয়া গুণ বুলি ধৰিব নোৱাৰি। তেওঁ এজন দুৰন্ত লোক হ'লেও ৰাজনীতিত যথেষ্ট পাণ্ডিত্য আছে। তেওঁ নিয়মানুৱৰ্ত্তিতাৰ বশৱৰ্ত্তী। তেওঁ কিবা কাম কৰি বৰ বিৰক্ত হ'লেও নিয়মানুৱৰ্ত্তিতাৰ কাৰণে সহজে তিক্ত নহয়। তেওঁ তেওঁৰ পাৰিপাৰ্শ্বিক অৱস্থাতকৈও বেছি ওপৰ হৈ ভাবিবৰ শকতি আছে। তেওঁ এজন বৰ নম্ৰ লোক। সত্যবাদিতাত তেওঁক অলপো সন্দেহ কৰিব লগা নাই।" তেওঁৰপৰা জাতীয় স্বাৰ্থৰ উন্নতিৰ বাহিৰে অৱনতিৰ কোনো আশঙ্কা নাই।" পণ্ডিত জৱাহৰলাল সম্বন্ধে এই মত অকল মহাত্মা গান্ধীৰে নহয়—সমগ্ৰ দেশবাসীৰেই এই একে অভিমত। তেওঁৰ ধীৰ-স্থিৰতা, বাগ্মীতা, সহিষ্ণুতা, কৰ্ত্তব্য নিষ্ঠা আৰু নিয়মানুৱৰ্ত্তিতাৰ লগত ফেৰ মাৰিব পৰা লোক বৰ কম। তেওঁ নিজে যিটো সত্য বুলি ভাৱে তাক কাৰ্য্যতো পৰিণত কৰিবলৈ আন নালাগে তেওঁ তেওঁৰ পিতাক পণ্ডিত মতিলাল নেহৰু কিম্বা ৰাজনীতিৰ গুৰু মহাত্মা গান্ধীৰ কথা উপেক্ষা কৰিবলৈও দ্বিধা বোধ নকৰে।

## দীন-দুখীৰ প্ৰতি সমবেদনা

পণ্ডিত জৱাহৰলালজী এজন বৰ মৰমিয়াল লোক। তেওঁ এক অভিজাত বংশৰ সম্ভ্ৰান্ত ধনী ব্ৰাহ্মণ কুলত জন্ম গ্ৰহণ কৰিও উচ্চ-পদ, সুখ, ভোগ-বিলাস সকলো অকাতৰে জলাঞ্জলি দি ভাৰতৰ দীন-দৰিদ্ৰ, অসহায়, আনৰ হেয়-প্ৰতীয়মান পৰিশ্ৰমী অথচ দুবেলা দুমুঠি খাবলৈ নোপোৱা লোকবিলাকৰ নেতৃত্ব গ্ৰহণ কৰি সদায় পৰৰ উন্নতি কামনা কৰিবলৈ অলপো কুণ্ঠিত নহয়। এবাৰ তেওঁ উত্তৰ ভাৰতৰ জমীদাৰবিলাকে সেই অঞ্চলৰ নিৰীহ প্ৰজাবিলাকৰ ওপৰত কৰা শোষণ নীতিৰ বিৰুদ্ধেও থিয় দিছিল। তাৰপৰাই তেওঁৰ সাধাৰণ দীন-দুখী সকলৰ প্ৰতি কিমান দয়া-মমতা তাক আৰু বুজিবলৈ কাৰোবাৰ কিবা বাকী থাকিব পাৰে নে?

## কীৰ্ত্তি-কলাপ

আগতে উল্লেখ কৰি অহা হৈছে যে পণ্ডিত জৱাহৰলালজী অকল ভাৰতৰ ভিতৰতে পূজনীয় নহয়—তেওঁ আজি এজন জগৎ বৰেণ্য দূৰদৰ্শী লোক। তেওঁ বৰ্ত্তমান

বাস্তৱতাৰ মাজত আছে যদিও ভৱিষ্যতৰ কাৰণেও কম চিন্তা নকৰাকৈ নাথাকে। তেওঁৰ মনেৰে বৰ্ত্তমান ভাৰতৰ অৱস্থাৰ পৰিণতিৰ লগে লগে ভাৰতীয় কংগ্ৰেছ-ক্ষেত্ৰ আৰু বহল কৰি উলিয়াব লাগিব—যাতে তাৰপৰা জাতিৰ অকল ৰাজনৈতিক স্বাধীনতাই নহয় সামাজিক আৰু অৰ্থনৈতিক স্বাধীনতাও হ'ব পাৰে; আৰু তেওঁ এই ক্ষেত্ৰলৈ ভাৰতৰ শ্ৰমিক শ্ৰেণীকো আনিবৰ নিতান্ত প্ৰয়োজন বোধ কৰিছে।

তেওঁ এজন বৰ উদাৰচিতীয়া লোক। তেওঁৰ লগত যি দলৰ লোকৰ মতামত সম্পূৰ্ণ অমিল তেওঁৰ মনেৰে তেওঁলোকৰ ভাগতো ভাৰতৰ মুক্তিৰ কাৰণে অলপ নহয় অলপ নিশ্চয় কৰিবলৈ আছে। তেওঁ সহযোগীৰ লগত মতৰ প্ৰভেদ ক'ত তাক নিবিচাৰে—বিচাৰে তেওঁবে সৈতে ঐক্যতা কোনখিনিত। সেই কাৰণেই তেওঁ আজি সকলোৰে আদৰ্শনীয় হৈ নেতৃত্ব গ্ৰহণ কৰিবৰ সামৰ্থ্য লাভ কৰিব পাৰিছে।

তেওঁ এজন বৰ সাহসী আৰু সহিষ্ণু লোক। আৰু সেই কাৰণেই তেওঁ এবাৰ দুবাৰ নহয় বাবম্বাৰ ফাটকলৈ যাবলৈ অলপো দ্বিধাবোধ নকৰিছিল। তেওঁ বিপদতো কেতিয়াও ধৈৰ্য্য হেৰুৱাই মূলনীতিৰ পৰিৱৰ্ত্তন নঘটায়। তেওঁ এজন বৰ জ্ঞানী লোক। পণ্ডিত জৱাহৰলালৰ নিচিনা অকল ভাৰতীয় সমস্যাই নহয় বিশ্ব-সমস্যা সম্পৰ্কেও বিশেষ অভিজ্ঞতা থকা আন কোনো ভাৰতীয় লোক আছে নে নাই সন্দেহ কৰিব লগা কথা। তেওঁ ফাটকত থাকোতে তেওঁৰ জীয়েকলৈ যি বিলাক চিঠি লিখিছিল তাত যে তেওঁৰ অতীতৰ সম্পৰ্কীয় জ্ঞানেই প্ৰকাশ পাইছিল এনে নহয়—আধুনিক আন্তৰ্জ্জাতিক পৰিণতি সম্পৰ্কীয় জ্ঞান-গৰিমাৰ কথাও ভালদৰে প্ৰকাশ পাইছিল। তেওঁ পতনতকৈ উঠন সদায় কামনা কৰে। সেই কাৰণেই তেওঁ পুৰণি ভাৰতক নতুনকৈ গঢ়ি তুলিবৰ কাৰণে সদায় সুযোগ আৰু সুবিধা প্ৰতীক্ষা কৰিব লাগিছে। তেওঁৰ চৰিত্ৰ বৰ নিৰ্ম্মল। স্বাধীনতা ন্যায়-বিচাৰ আৰু সাদৃশ্য এই কেইটা কথা তেওঁৰ জীৱনৰ এটা অংশ স্বৰূপ। এই আদৰ্শ তেওঁ নিজৰ জীৱন যাপনত সদায় পালন কৰি আহিছে আৰু লগে লগে সৰ্ব্বসাধাৰণৰ মাজতো এই আদৰ্শ প্ৰতিষ্ঠা তেওঁৰ জীৱনৰ এক সাধনা আৰু কামনা হৈছে।

## জাতীয় সঙ্গীত

—৺নবীনচন্দ্ৰ বৰদলৈ

নমো নমো সাধনা দীপ্ত
বীৰ কৰ্ম্মীৰ দল।
নমো নমো যাৰ চৰণ-পৰশে
পূত ধৰণী তল॥
অত্যাচাৰৰ অসীম দহন
অকথ্য অপমান।
ক্ষুদ্ৰ মানৱৰ অসীম তাড়না
তুচ্ছ কৰিলা জ্ঞান॥
হাতত নিগড় ভৰিত শিকলি
কত বিনিদ্ৰ ৰাতি,
কাৰাৰ বক্ষীৰ কতনো প্ৰহাৰ
ল'লা বীৰ বুৰ পাতি॥
মাতৃৰ ভকত মাতৃৰ চকুলো
ভাতৃৰ অনাহাৰ।
দেখি তুলি ল'লা অহিংস ব্ৰত
স্বাধীনতা সাধনাৰ॥
পঁয়ত্ৰিশ কোটী ভাই-ভনীটিয়ে
গাই ভাৰতৰ জয়।
সাগৰ থলকে পৃথিবী চমকে
গোৱা মাতিৰিৰ জয়॥

## বেদ তথ্য আৰু তত্ত্ব

—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য

চ'তৰ সংখ্যা "আৱাহন"ত অলপহে উঙুকিয়াই আহিছো, যি বিলাক ঘটনা আৰু মানুহৰ ব্যক্তিগত দুখৰ কাৰণে ঈশ্বৰক নাই বুলি কৈ আৰু পাৰেমানে গালি পাৰি থাকে। কাৰণ ঈশ্বৰে কাকো ৰজা পাতি ৰাজ সুখ, কাকো ধনী কৰি অৰ্থ বিভূতিৰ সুখ ভুঞ্জায়, কাকোবা ধন-জন, স্ত্ৰী-পুত্ৰ আদিৰ সুখত সুখী কৰে। আন ফালে দেখা যায় সংসাৰ হাহাকাৰপূৰ্ণ। ঘৰ-বাৰী নথকা, মাগি-খুজিও খাবলৈ নাপাই কল-মলাই ফুৰা মানুহ বিলাকৰ অৱস্থা দেখিলে মানুহে ভাবে ঈশ্বৰ যদি নিয়ন্তা আৰু ন্যায় পৰায়ণ প্ৰেমিক হয় তেনেহলে মানুহৰ এনে বিলাক নানা দুখৰ অৱস্থা দেখা যায় কিয়? ডেকা এজনে আজি গাভৰু ছোৱালী এজনী বিয়া কৰি আনি ঘৰ সুমাইছেহি পিছদিনা ৰাতিপুৱাতে শুনা গ'ল হয় তাই চুকাল নহয় স্বামী চুকাই তাইক অকাল বিধবা কৰি ঘৰখনত মহা শোকৰ কোঢ়াল লগাই পেলালে। এই দৰে বিচাৰি চাই নানা ঘটনা বা অসংখ্য শোক লগা দুখৰ কথা বিলাকলৈ মন কৰিলে ঈশ্বৰৰ নিষ্ঠুৰতাৰহে প্ৰমাণ হয়। এই সংসাৰখনৰ এনে অসংখ্য ঘটনাবিলাকলৈ চালে সংসাৰ কেৱল দুখময়, ইয়াত সুখ লেশমাত্ৰও নাই। আন পিনে এখন দেশে স্বাধীন হৈ খাই-বই সুখে আছে, এনেতে এটি প্ৰৱল জাতিয়ে ঘোৰ যুদ্ধ কৰি সেই জাতিৰ মানুহ বিলাকক মাৰি দেশ জয় কৰি জাতিটিক গোলাম কৰি পেলালে আৰু ৰাজ্য বঢ়াই আনন্দ ভোগ কৰিলে। এনেবিলাক কথাৰ উত্তৰ দি পোনতে সোধা যাওক সুখ কিহক বোলে, দুখ কিহক বোলে আৰু এই পৃথিবীত কেনেবিলাক মানুহ আচল সুখী? আচল সুখ (চিৰকাল সলনি নোহোৱাকৈ একেদৰে থকা) কিহক বোলে আগ-ধৰি এই কথা বিচাৰ নকৰি দুখবিলাকক বিচাৰ কৰি চোৱা যাওক। সৃষ্টি-তত্ত্ব গধুৰকৈ বিচাৰ কৰি চাই ঋষিসকলে বা সাধুসকলে কয় যে পৰিৱৰ্ত্তণশীল সৃষ্টি মুহূৰ্ত্তে মুহূৰ্ত্তে, পলকে পলকে সৰ্ব্বতিকাল খতি-পূন নোহোৱাকৈ উঠা নমা যে হব লাগিছে তাত ভুল নাই। শাস্ত্ৰই কয়, সত্ত্ব গুণত লুকাই থকা সৃষ্টি ৰজো-গুণত প্ৰকাশ হৈ তমোগুণত মাৰ গৈ বা অস্ত হৈ আকৌ মুহূৰ্ত্তে মুহূৰ্ত্তে প্ৰকাশ হোৱা, মাৰ যোৱা প্ৰকৃতিৰ কাৰ্য্য চলিয়েই আছে। সৃষ্টি চক্ৰৰ কোৰ খোৱা গতিকেই আমি নৰ-প্ৰাণীয়েই দুখ বুজো। কুম্ভকাৰ বা কুমাৰৰ চক্ৰ বা চাকত মাটিৰপৰা চৰু, কলহ, টেকেলি, ঘট আদি গঢ়োতে কেতবিলাক সজুলি ভাল হৈ গঢ় লাগি সম্পূৰ্ণহৈ ওলায়, কেতবিলাক ভাগি-ছিগি খান-বান হৈ পৰে। পোনতে মন থিৰ কৰি ভাবি চাব লগা হৈছে বিপুল বিস্তীৰ্ণ অনন্ত ব্ৰহ্মাণ্ডখন কোনে কি যন্ত্ৰৰ দ্বাৰায় নিভুৰ্ল জ্ঞানৰ পৰিচয় দি সৃষ্টি কৰিলে? সেই ব্ৰহ্মাণ্ড গঢ়া যন্ত্ৰটি কেনেকুৱা? সৃষ্টি ভঙা-গঢ়া কৰা যন্ত্ৰটিৰ নাম অতি পূৰ্ব্ব যুগত গভীৰ তত্ত্ব-জ্ঞানী আৰ্য্য ঋষি সকলে নাম দিছে সুদৰ্শণ চক্ৰ। এই চক্ৰৰ চাৰিটি পায়া বুলি কয়, যথা :—আৱৰ্ত্তণ, বিৱৰ্ত্তণ, সম্বৰ্ত্তণ আৰু পৰিণাম। সৃষ্টিৰূপ কাৰখানা আলয়ত এই মহান যন্ত্ৰটিৰ দ্বাৰাই যেতিয়াই ভগৱানে বা পৰাকীজনে কাৰ্য্য কৰিবলৈ ধৰিলে তেতিয়াই সৃষ্টি প্ৰকাশ হৈ পৰিল। শাস্ত্ৰই কয়—"সত্ত্বঃ ৰজঃ স্তমেষাং সাম্যাৱস্থা প্ৰকৃতি।" সৃষ্টিৰ অনাদিকালৰেপৰা ভগৱানৰ ভিতৰত লুকাই থকা অৱস্থাটিকেই আৱৰ্ত্তণ বোলে, প্ৰকাশ হোৱাটিক বিৱৰ্ত্তণ, ঘূৰি আৱৰ্ত্তনৰ ভিতৰত সোমোৱাটিকেই পৰিণাম বোলে। আৰু গুটিৰপৰা গছজুপি জীৱাই থকা সময়ত যিমান খিনি বাঢ়ি প্ৰকাশ হয় তাকে সম্বৰ্ত্তণ বোলে। উলটি গছ জুপি গুটিৰ ভিতৰত সোমোৱাটি কাৰ্য্যকেই পৰিণাম বোলে। এই নিমিত্তে বেদে কয়—শ্ৰষ্টা